# সংস্কৃত সাহিত্যৰ ইতিবৃত্ত

ড° থানেশ্বৰ শৰ্মা



PASCHIM GUWAHATI
MAHAVIDYALAYA
Dharapur, Guwahati - 781133
LIBRARY
Class No. 891.4519
Book No. SAR
Acc No. 10441

PASCHIM GUWAHATI
MAHAVIDYALAYA
P. O.: Dharapur : Guwahati - 781133
LIBRARY
Acc. No. 10441
Class No. 891.4519 Book No.
Author ড° থানেশ্বৰ শৰ্মা

Accession No. 10441
PASCHIM GUWAHATI
MAHAVIDYALAYA
P. O.: Dharapur : Guwahati - 781133
LIBRARY

1. Books may be retained for a period not exceeding 15 days by the Members.
2. Books may be renewed on request at the discretion of the Librarian.
3. Dog-earing the pages of a book, marking or writing therein with ink or pencil, tearing or taking out its pages or otherwise damaging it will constitute an injury to a book.
4. Any such injury to a book is a serious offence. Unless the borrower points out the injury at the time of borrowing the book, he/she shall be required to replace the book or pay its price.

Help to keep the Book fresh & clean.

# সংস্কৃত সাহিত্যৰ ইতিবৃত্ত

Bipin Chandra Baruah Library
Dharapur Ghy-133
CC No-
Date.....

ড° থানেশ্বৰ শৰ্মা

Bipin Chandra Baruah Library
Dharapur Ghy-133
CC No- 10441
Date.....

চন্দ্ৰ প্ৰকাশ
টিহু : গুৱাহাটী

'*Sanskrit Sahityar Itivrtta*'– by Dr. Thaneswar Sarmah, Reader in Sanskrit, Gauhati University, Gauhati-14 and published by Shri Rajendra Mohan Sarmah, of Chandra Prakash, Tihu and Gauhati. First Edition, 1995.

**Price : Rs. Seventy Five Only.**

**প্ৰকাশক :** শ্ৰীৰাজেন্দ্ৰ মোহন শৰ্মা
চন্দ্ৰ প্ৰকাশ
টিহু : গুৱাহাটী

© শ্ৰীমতী মনোমতী দেৱী।

প্ৰথম প্ৰকাশ
জুলাই ১৯৯৫

**মূল্য :** ৭৫·০০ টকা মাথোন

**ছপাশাল :**
আত্মশ্ৰী প্ৰেছ
২৩, যুগোলকিশোৰ দাস লেন
কলিকতা-৬

Dharapur Ghy-133
ACC No-
Date...

## ॥ অৱতৰণিকা ॥

সাহিত্যৰ বুৰঞ্জী বা ইতিবৃত্ত ৰচনা কৰা এক দুঃসাধ্য কাম। তাতে আকৌ সংস্কৃত সাহিত্যৰ ইতিবৃত্ত ৰচনা কৰিবলৈ যোৱাটো আমাৰ দৰে কম বুধীয়া স্বল্পজ্ঞজনৰ বাবে ধৃষ্টতা মাথোন। কাৰণ, বহুতো। (১) সংস্কৃত সাহিত্যৰ পৰিসৰ অতি বিশাল। সকলোবোৰ গ্ৰন্থ এঠাইতে হাত মেলেঁাতে পোৱা টান। (২) সংস্কৃত সাহিত্যৰ এই বিশাল ভাণ্ডাৰ এদিনতে বা এযুগতে সীমিত নহয়। কেইবাটাও স্তৰত এক দীঘলীয়া—অতি দীঘলীয়া কাল ব্যাপি এই বিশাল বাঙ্ময় গঢ়ি উঠিছে। (৩) সংস্কৃত সাহিত্য ৰচনাৰ প্ৰধান অন্তৰায় হৈছে কাল নিৰূপণ। কোনোখন গ্ৰন্থ বা গ্ৰন্থকাৰৰ কালৰ বিষয়ে থাটাংকৈ একো জনা নাযায়। পৰোক্ষ সাক্ষ্য-প্ৰমাণ আৰু অনুমানৰ আশ্ৰয় লৈহে কৱি বা কাব্যৰ কাল নিৰূপণ কৰিবলৈ লাগে। (৪) সংস্কৃত বাঙ্ময় বোলোতে বৈদিক আৰু লৌকিক বুলি দুভাগৰ কথা এৰিও—শাস্ত্ৰ, কাব্য, নাট্য, গীতি, গদ্য, গল্প, ছন্দ, ব্যাকৰণ, অলংকাৰ, কোষ, আদি অনেক ভাগ-উপভাগত বিভিন্ন সাহিত্যৰ কথা আছে। ইবোৰৰ ওপৰিও স্মৃতি, দৰ্শন, জ্যোতিষ, আয়ুৰ্বেদ, ধনুৰ্বেদ, অঙ্ক বা গণিত আদি অনেক বিষয়ক গ্ৰন্থও পোৱা যায়। এই সকলোবোৰ সাহিত্যগ্ৰন্থৰ সম্যক বিবেচনা যথাৰ্থভাবে কৰাটো দুৰূহ কৰ্ম। এইবোৰ আৰু এনে অনেকবোৰ কাৰণত সংস্কৃত সাহিত্যৰ বুৰঞ্জী লিখিবলৈ আগবঢ়াত অসুবিধা হয়। লিখিলেও এই বিশাল সাহিত্যৰ আংশিক ইতিবৃত্ত তুলি ধৰাহে সম্ভৱ হয়।

আমিও সংস্কৃত সাহিত্যৰ ইতিবৃত্তত সংস্কৃত সাহিত্যৰ সামগ্ৰিক পৰিচয় দিব পৰা নাই। আমি তিনিটা খণ্ডত ভাগ কৰিছোঁ। প্ৰথম খণ্ডটি বৈদিক কাণ্ড, দ্বিতীয় খণ্ডটি লৌকিক কাণ্ড আৰু তৃতীয় খণ্ডটো প্ৰকীৰ্ণ কাণ্ডৰূপে চিহ্নিত কৰিছোঁ। বৈদিক কাণ্ডৰ প্ৰথম অধ্যায় বৈদিক সাহিত্যৰ সাধাৰণ পৰিচয় দিয়াৰ লগতে চাৰিবেদৰ মন্ত্ৰ সংহিতাসমূহৰ চমু বিৱৰণ দিয়া হৈছে। দ্বিতীয় অধ্যায়ত চাৰিবেদৰ ব্ৰাহ্মণসমূহৰ, তৃতীয় অধ্যায়ত আৰণ্যক শ্ৰেণীৰ, আৰু চতুৰ্থ অধ্যায়ত উপনিষদসমূহৰ পৰিচয় দিয়া হৈছে। পঞ্চম আৰু ষষ্ঠ অধ্যায়ত যথাক্ৰমে বেদাঙ্গ সাহিত্য আৰু বেদাধ্যয়ন আৰু সংৰক্ষণৰ বাবে প্ৰয়োজনীয় অন্য সহায়ক গ্ৰন্থৰ কথা চমুকৈ আলোচনা কৰা হৈছে। সপ্তম অধ্যায়ত বৈদিক সাহিত্যৰ কালৰ ওপৰত আলোকপাত কৰা হৈছে।

লৌকিক কাণ্ডটিও সাত অধ্যায়ত বিভক্ত। প্ৰথম অধ্যায়ৰ (ক)—(খ) দুভাগত ক্ৰমে বৈদিক আৰু লৌকিক সাহিত্যৰ পাৰ্থক্য আৰু ৰামায়ণ-মহাভাৰত আৰু পুৰাণসমূহৰ চমু বিৱৰণ দাঙি ধৰা হৈছে। দ্বিতীয় অধ্যায়ৰ (ক)—(খ)—(গ) তিনিটা ভাগত প্ৰাক কালিদাস যুগৰ মহাকাব্য, কালিদাস যুগৰ মহাকাব্য আৰু কালিদাসোত্তৰ মহাকাব্যৰ আলোচনা কৰা হৈছে। তৃতীয় অধ্যায়ৰ চাৰিভাগত ( ক - ঘ ) নাট্য সাহিত্যৰ উৎপত্তি আৰু বিকাশ সম্বন্ধে বিবৰি কোৱা হৈছে। চতুৰ্থ অধ্যায়ৰ (ক)—(খ) ভাগ দুটাত গদ্য সাহিত্য আৰু

চম্পূকাব্যৰ পৰিচয় দি পঞ্চম অধ্যায়ত ঐতিহাসিক কাব্য, ষষ্ঠ অধ্যায়ৰ দুভাগত ( ক—খ ) জনপ্ৰিয় গল্প সাহিত্য আৰু উপদেশমূলক ( Dedactic fables ) কথাৰ পৰিচয় দিয়া হৈছে। সপ্তম অধ্যায়ৰ তিনিভাগত ( ক-গ ) ক্ৰমশঃ গীতিকাব্য, ভক্তিগীতি আৰু নীতি-কাব্যৰ বৰ্ণনা তুলি ধৰা হৈছে।

প্ৰকীৰ্ণ কাণ্ডটি চাৰিটা অধ্যায়ত সামৰা হৈছে। ইয়াত সাধাৰণতে বৈদিক আৰু লৌকিক সাহিত্যৰ উৎপত্তি, বিকাশ আৰু তাৰ সহায়ক বুলি পৰিচিত অলংকাৰ, ছন্দ, কোষ আৰু ব্যাকৰণ প্ৰভৃতি শাস্ত্ৰৰ চমু ইতিহাস ক্ৰমশঃ দাঙি ধৰা হৈছে।

গ্ৰন্থখন ৰচনা কৰোঁতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ চেমিনাৰ লাইব্ৰেৰী আৰু সন্দিকৈ গ্ৰন্থাগাৰত উপলব্ধ অনেক গ্ৰন্থৰ পাত লুটিয়াব লগীয়া হৈছে। মূলগ্ৰন্থৰ লগতে সংস্কৃত সাহিত্যৰ অনেক ইতিহাস গ্ৰন্থৰ ( ইংৰাজী, হিন্দী, বঙালি আৰু অসমীয়া )—পৰা সহায় লোৱা হৈছে। সেয়ে আমি অনেক গ্ৰন্থ আৰু গ্ৰন্থকাৰৰ ওচৰত ঋণবদ্ধ।

পোনতে পুথিখন ৰচনা কৰোঁতে অনেক বহল আৰু বৃহৎ আকাৰ ধাৰণ কৰিবলৈ ধৰিছিল। পিছে প্ৰকাশক আৰু অন্য দুই-একৰ পৰামৰ্শক্ৰমে গ্ৰন্থৰ বিষয়বস্তু সংহত কৰি বৰ্ত্তমানৰ ৰূপলৈ অনা হ'ল।

পুথিখন প্ৰণয়ন কৰোঁতে বহুজনৰপৰা উদগণি আৰু অনুপ্ৰেৰণা লাভ কৰিছোঁ। বিশেষতঃ ভূতপূৰ্ব অধ্যাপক ড° গোলোক চন্দ্ৰ গোস্বামীদেৱ আৰু ভূতপূৰ্ব অধ্যাপক শ্ৰীনলিনীকুমাৰ মিশ্ৰদেৱৰ বৰ্ত্তমান গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাধ্যাপক ড° নবীনচন্দ্ৰ শৰ্মা দেৱৰ ড° শৈলেন্দ্ৰ প্ৰসাদ ভঁৰালী আৰু লোকসাহিত্য বিভাগৰ অধ্যাপক উদগণি অনুপ্ৰেৰণা আমাৰ পাথেয় হৈছে। বিশিষ্ট সংস্কৃত পণ্ডিত ড° বিশ্বনাৰায়ণ শাস্ত্ৰী মহোদয়ে এটি আশীৰ্ব্বাদসূচক মুখবন্ধ লিখি দি আমাক চিৰ কৃতজ্ঞ ৰাখিছে। তদুপৰি চন্দ্ৰ প্ৰকাশৰ জ্যেষ্ঠ স্বত্বাধিকাৰী শ্ৰীৰাজেন্দ্ৰমোহন শৰ্মাৰ উৎসাহ আৰু উদগণি পাহৰিবলৈ নোৱাৰি। তেখেতে পুথিখন প্ৰকাশ কৰিবলৈ গাত লোৱাতহে পুথিখনৰ কাম কিছু খৰতকীয়াকৈ কৰা হ'ল। মোৰ অনুগত ছাত্ৰ আৰু গবেষকসকলেও প্ৰকাৰান্তৰে কাম উৎসাহ দিছে। মোৰ সহধৰ্মিণী শ্ৰীমতী মনোমতী দেৱীয়ে নিৰন্তৰে আলপৈচান ধৰি সহযোগ নিদিয়া হ'লে মোৰ গ্ৰন্থ লিখাৰ প্ৰয়াস আৰু আনৰ উদগণি হয়তো কদাপিও ফলৱতী নহ'লহেতেন। আমাৰ প্ৰিয় ল'ৰা দুটায়ো ( শ্ৰীমান দেৱজিৎ আৰু শ্ৰীমান সত্যজিতে ) প্ৰায়ে মোৰ আলপৈচান ধৰি পুথি লিখাত সহায় কৰিছে। সকলোটিলে মোৰ আন্তৰিক শলাগ যাচিলোঁ।

গ্ৰন্থখন ছাত্ৰ-ছাত্ৰী-গৱেষক তথা আন সকলো পঢ়ুৱৈৰ সমাদৰ পালে আমাৰ ৩।৪ বছৰীয়া শ্ৰম সাৰ্থক হোৱা বুলি ভাবিম। অথকিম্ বিনয়াবনত —

শান্তিভৱন
নাৰিকলবাৰী
গুৱাহাটী—২৪
৭।৭।৯১

শ্ৰীথানেশ্বৰ শৰ্মা

Baruah Library
Dharapur Gby-133
ACC No-
Date....

# সূচীপত্ৰ

অৱতৰণিকা

## প্ৰথম খণ্ড : বৈদিক কাণ্ড


| বিষয় | পৃষ্ঠা |
|---|---|
| **প্ৰথম অধ্যায়** | |
| বৈদিক সাহিত্যৰ সাধাৰণ পৰিচয় : | |
| মন্ত্ৰ সংহিতা : ঋক্, সাম, যজুস্ আৰু অথৰ্ববেদ ... | ১ |
| **দ্বিতীয় অধ্যায়** | |
| ব্ৰাহ্মণ সাহিত্য ... | ২৫ |
| **তৃতীয় অধ্যায়** | |
| আৰণ্যক শ্ৰেণী ... | ৩২ |
| **চতুৰ্থ অধ্যায়** | |
| উপনিষদসমূহ ... | ৩[illegible] |
| **পঞ্চম অধ্যায়** | |
| বেদাঙ্গসাহিত্য ... | ৪৪ |
| **ষষ্ঠ অধ্যায়** | |
| সহায়ক গ্ৰন্থ : অনুক্ৰমণী আদি ... | ৭১ |
| **সপ্তম অধ্যায়** | |
| বৈদিক সাহিত্যৰ কাল ... | ৭৪ |


## দ্বিতীয় খণ্ড : লৌকিক কাণ্ড


| | |
|---|---|
| **প্ৰথম অধ্যায় (ক)** | |
| বৈদিক আৰু লৌকিক সাহিত্যৰ পাৰ্থক্যসমূহ ... | ৮৩ |
| **প্ৰথম অধ্যায় (খ)** | |
| ৰামায়ণ ... | ৮৭ |
| মহাভাৰত ... | ৯১ |
| পুৰাণসমূহ ... | ৯৯ |
| **দ্বিতীয় অধ্যায় (১)** | |
| প্ৰাক্ কালিদাস যুগ : অশ্বঘোষঃ কাব্যসাহিত্য ... | ১১০ |
| **দ্বিতীয় অধ্যায় (২)** | |
| কালিদাস যুগ : কাব্য সাহিত্য ... | ১১৪ |
| **দ্বিতীয় অধ্যায় (৩)** | |
| কালিদাসোত্তৰ যুগৰ মহাকাব্য ... | ১৩৪ |

| বিষয় | | পৃষ্ঠা |
|---|---|---|
| **তৃতীয় অধ্যায় (ক)** নাট্য সাহিত্য : উৎপত্তি | ... | ১৬৫ |
| **তৃতীয় অধ্যায় (খ)** নাট্য সাহিত্যৰ বিকাশ : ভাস | ... | ১৬৯ |
| **তৃতীয় অধ্যায় (গ)** মহাকৱি কালিদাসৰ নাটক | ... | ১৭৮ |
| **তৃতীয় অধ্যায় (ঘ)** কালিদাসোত্তৰ নাট্যযুগ | ... | ১৯৫ |
| **চতুৰ্থ অধ্যায় (ক)** গদ্য সাহিত্য | ... | ২৩৬ |
| **চতুৰ্থ অধ্যায় (খ)** চম্পূকাব্য | ... | ২৫৮ |
| **পঞ্চম অধ্যায়** ঐতিহাসিক কাব্য | ... | ২৬৩ |
| **ষষ্ঠ অধ্যায় (ক)** জনপ্ৰিয় গল্প সাহিত্য | ... | ২৭১ |
| **ষষ্ঠ অধ্যায় (খ)** উপদেশমূলক কথা | ... | ২৮২ |
| **সপ্তম অধ্যায় (ক)** গীতিকাব্য | ... | ২৮৬ |
| **সপ্তম অধ্যায় (খ)** ভক্তিগীতি | ... | ২৯১ |
| **সপ্তম অধ্যায় (গ)** নীতিকাব্য | ... | ২৯৮ |


## তৃতীয় খণ্ড : প্ৰকীৰ্ণ কাণ্ড


| | | |
|---|---|---|
| **প্ৰথম অধ্যায়** অলংকাৰ শাস্ত্ৰ | ... | ৩০৫ |
| **দ্বিতীয় অধ্যায়** ছন্দঃশাস্ত্ৰ | ... | ৩১৯ |
| **তৃতীয় অধ্যায়** কোষবিদ্যা | ... | ৩৩১ |
| **চতুৰ্থ অধ্যায়** ব্যাকৰণ শাস্ত্ৰ | ... | ৩৪৭ |
| নিৰ্বাচিত গ্ৰন্থপঞ্জী | ... | ৩৯৭ |



Sri Chandra Baruah Library
Dharapur Ghy-133
ACC No-
Date... ... ...


---

# সংস্কৃত সাহিত্যৰ ইতিবৃত্ত

Bipin Chandra Baruah Library
Dharapur Ghy-133
CC No-
Date........

## প্ৰথম খণ্ড ঃ বৈদিক কাণ্ড

# প্ৰথম অধ্যায়

## বৈদিক সাহিত্য

**সাধাৰণ পৰিচয় ঃ**

ৱেদ আৰ্য-সনাতন ধৰ্মাৱলম্বীসকলৰ পৱিত্ৰতম ধৰ্মগ্ৰন্থ। ইতিহাসে ঢুকি নোপোৱা কালৰেপৰা আৰ্য্য সনাতন ধৰ্মাৱলম্বী ভাৰতবাসীসকলে অন্তৰৰ সমস্ত আস্থা আৰু শ্ৰদ্ধা এই ৱেদৰ ৱেদীতে নিৱেদন কৰি আহিছে। সেইবাবে ৱেদৰ ৱাণী এই ধৰ্মৰ লোকসকলৰ বাবে অকাট্য আৰু অলংঘনীয়। ৱেদবাক্য আপ্তবাক্য, ই এক প্ৰামাণ্য। ৱেদৰ বাক্য পৰীক্ষা কৰিবলৈ, তাৰ সমৰ্থন কৰিবলৈ অন্য বহিঃ প্ৰমাণ বা যুক্তিৰ আশ্ৰয় লোৱা অনাৱশ্যক। কাৰণ ৱেদবাক্য চিৰসত্য বুলি আৰ্য্য সনাতন ধৰ্মাৱলম্বী লোকে মনে প্ৰাণে বিশ্বাস কৰি আহিছে।

সেয়ে হ'লে ৱেদ নো কি? ই এক অৱস্তুগত ধৰ্মবাদ বা ধৰ্মবিশ্বাস নে তেনে ধৰ্মবিশ্বাসৰ আধাৰস্বৰূপ কোনো সাহিত্য-সম্পৎ? ৱেদ শব্দৰ অৰ্থ বা তাৎপৰ্যই বা কি? সহজভাষাত ক'বলৈ হ'লে 'ৱেদ' মানে 'ৱিদ্যা' বা 'জ্ঞান' ( ৱিদ্ জ্ঞানসামান্যে + অচ্ )। গতিকে 'ৱেদ' বুলি ক'লে আমি এনে এক অতীন্দ্ৰিয় জ্ঞানসম্পৎ বুজিব লাগে, যাক প্ৰত্যক্ষ, অনুমান আদিৰে সহজে জনা নাযায়। তাকে আঙুলিয়াই ঋষি যাজ্ঞৱল্ক্যই এযাৰ বচন কৈছে:

প্ৰত্যক্ষেণানুমিত্যা বা যস্তূপায়ো ন ৱিদ্যতে।
এনং ৱিদন্তি ৱেদেন তস্মাদ্বেদস্য ৱেদতা॥

সেয়েহে ৱেদ বুলি ক'লে আমি এশ্ৰেণী অতীন্দ্ৰিয় জ্ঞান সমুদ্ৰৰূপ গ্ৰন্থক বুজিব লাগে। কাৰণ 'ৱেদ' হ'ল এশ্ৰেণী অতি বিশাল, অনাদি, অনন্ত আৰু অপৌৰুষেয় জ্ঞান-সমৃদ্ধ গ্ৰন্থমালা। জাৰ্মান পণ্ডিত ৱিণ্টাৰনিৎসে[১] ( Winternitz ) কোৱাৰ দৰে ৱেদ বুলিলে আমি ইচলামৰ 'কোৰাণ', খ্ৰীষ্টিয়ানৰ 'বাইবেল' অথবা বৌদ্ধসকলৰ 'ত্ৰিপিটক'ৰ দৰে এখন বা ততোধিক গ্ৰন্থক বুজিবলৈ নোৱাৰোঁ বা নেলাগে। বৰঞ্চ ৱেদ বুলিলে হাজাৰ হাজাৰ বছৰ ব্যাপি বৈদিক আৰ্য্য ঋষি-বিপ্ৰসকলে 'দৰ্শন কৰা' দেৱতাৰ স্তুতি-গীত, যাগ-যজ্ঞত প্ৰয়োগ হোৱা হাজাৰ-বিজাৰ মন্ত্ৰ, সেইবোৰৰ আধি-যাজ্ঞিক, আধিদৈৱিক, আধ্যাত্মিক বা দাৰ্শনিক ব্যাখ্যানুব্যাখ্যা আৰু সেই মন্ত্ৰ ব্ৰাহ্মণাত্মক জ্ঞানৰ আকৰৰ সুস্থ অধ্যয়ন-অধ্যাপনা, অৰ্থগ্ৰহণ, প্ৰয়োগ আৰু সংৰক্ষণৰ বাবে সময়ে সময়ে ৰচিত পৰম উপাদেয় ৱেদাঙ্গাদি গ্ৰন্থসমূহৰ এটা বিৰাট পুথিভঁৰাল বা গ্ৰন্থালয়ক বুজিব লাগে। সচাঁকৈ বিদেশী পণ্ডিত ই.

১। হিষ্টৰী অৱ ইণ্ডিয়ান লিটাৰেচাৰ, খণ্ড ১, ভাগ ১, পৃ. ৪৫।

কৰিছে ভি. আৰ্নল্ডে[1] ( E. V. Arnold ) ইয়াক এক গ্ৰন্থাগাৰ বুলি স্বীকাৰ কৰিছে সন্তোষ পাইছে।

ৱেদৰ লক্ষণ আদিৰ কথালৈ যোৱাৰ পূৰ্বে ইয়াৰসৈতে জড়িত কেইটামান দৃঢ়মূল আৰু চিৰন্তন ভাৰতীয় ধাৰণাৰ কথা কোৱা উচিত। অন্ততঃ চাৰিটা ধাৰণাই ৱেদক অন্যান্য ভাৰতীয় সাহিত্যৰপৰা পৃথক কৰি ৰাখিছে আৰু সেয়ে ৱেদক অখিল ধৰ্মৰ মূলৰূপে প্ৰতিপাদন কৰিছে। সেই চাৰিটা ধাৰণা হৈছে (১) ৱেদ অপৌৰুষেয়, (২) ৱেদ সনাতন, নিত্য, (৩) ই শ্ৰুতি আৰু (৪) আপ্তৱাক্য।

**অপৌৰুষেয়ত্ব আৰু নিত্যত্ব**—ৱেদৰ কোনো অংশৰ ওপৰত কোনো মৰ্ত্যামৰ্ত্য পুৰুষৰ কৰ্তৃত্ব স্বীকৃত নহয়। ইয়াৰে নিত্যত্বৰ সম্বন্ধ আছে। কাৰণ কোনো কৰ্ম পুৰুষকৃত বা সম্পাদিত হ'বলৈ হলে সি কাৰ্য্যৰ পূৰ্বতে থকাটো প্ৰমাণিত হ'বলৈ নোৱাৰে। অৰ্থাৎ সি অনাদি নহ'য়। তেনে অৱস্থাত তেনে বস্তু অপৌৰুষেয় হোৱা অসম্ভৱ।

ভাৰতীয় দৰ্শনসমূহৰ ভিতৰত পূৰ্ব আৰু উত্তৰ মীমাংসাই ৱেদক অপৌৰুষেয় বুলি প্ৰমাণিত কৰাৰ প্ৰয়াস পাইছে। ইয়াৰ মৌলিক কথা হৈছে যে ৱেদ ধৰ্মৰ মূলাধাৰ। ধৰ্মৰ মূলাধাৰত মানৱ কৰ্তৃত্ব কোনোপধ্যে স্বীকাৰ্য্য নহয়। মানৱ সৃষ্ট ধৰ্মমূলে অনাদিত্ব দাবি কৰিব নোৱাৰে। দ্বিতীয়তে মানৱৰ আয়াস সসীম, সীমাবদ্ধ আৰু ই অভ্ৰান্ত বা ক্ৰটীহীন নহয়। গতিকে ৱেদ মানৱ বা পুৰুষাকাৰৰ ফল হ'লে ৱেদে অভ্ৰান্ততা, অকাট্যতা আৰু অলঙ্ঘ্যতা দাবি কৰিবলৈ নোৱাৰে। গতিকে ৱেদ অপৌৰুষেয় আৰু নিত্য। ই পৰমব্ৰহ্মৰ চৰম প্ৰকাশ।

ঋষিসকল মন্ত্ৰৰ দ্ৰষ্টাহে ( ঋষয়ঃ মন্ত্ৰদ্ৰষ্টাৰঃ )। তেওঁলোকে মন্ত্ৰ সৃজন বা ৰচনা কৰাৰ নজিৰ নাই। সেয়ে 'ব্ৰহ্মাদ্যাঃ ঋষয়ঃ সৰ্বে স্মাৰকাঃ ন তু কাৰকাঃ' বুলি কৈছে। প্ৰাচীন আৰু চিৰকলীয়া বিশ্বাসমতে যুগান্তত প্ৰলয় হয়, সকলো বস্তু নষ্ট প্ৰাপ্ত হয়। তেতিয়া ৱেদৰাশি ব্ৰহ্মত লীন হৈ থাকে। পুনঃ কল্পৰ আৰম্ভণিত ঋষিসকলে তেওঁলোকৰ তপোবলত ব্ৰহ্মৰপৰা সেই-ৱেদৰাশি লাভ কৰে। তাকে সৌৱৰাই মহাভাৰতত[2] ব্যাসে কৈছে—

> যুগান্তেঽন্তৰ্হিতান্ ৱেদান্ সেতিহাসান্ মহৰ্ষয়।
> লেভিৰে তপসা পূৰ্ব মনুজ্ঞাতা স্বয়ম্ভুৱা ॥[2]

কিন্তু ৱেদৰ অপৌৰুষেয়ত্ব অনেক দৰ্শনে মানি ল'লেও নিত্যত্ব লৈ বিবাদ আছে। মীমাংসকসকলে দুয়োটা বিনাস্বৰ্ত্তে মানিলেও বেদান্তীসকলে ৱেদৰ প্ৰৱাহনিত্যত্বত হে বিশ্বাস কৰে। ন্যায় দৰ্শনে ৱেদৰ শব্দৰাশিৰ নিত্যত্বত বিশ্বাস নকৰে। মীমাংসাই ৱেদৰ অৰ্থ আৰু শব্দ দুয়োৰে নিত্যততে বিশ্বাস কৰে। সাংখ্যই ৱেদৰ নিত্যত্ব অস্বীকাৰ কৰি

১। 'ৱৈদিক মিটাৰ,' পৃষ্ঠা. ১।
২। মহাভাৰত ১২।২০৩।১৭ ॥



কেৱল অপৌৰুষেয়ত্বহে স্বীকাৰ কৰে। ন্যায়দৰ্শনে ৱেদক পৌৰুষেয় বুলিহে কয়। নিত্যত্বও স্বীকাৰ নকৰে।

তদুপৰি ৱেদক আপ্তৱাক্য আৰু শ্ৰুতি বুলি কোৱা হয়। ৱেদৰ বচনৰ বাবে বহিঃ প্ৰমাণৰ আৱশ্যক নহয়। ই স্বতঃ প্ৰণোদিত আৰু আৱহ। ইয়াৰ মাজেৰে এনে বাণী বা অভিজ্ঞ-উপদেশ প্ৰতিফলিত হৈছে যাক লৌকিক কোনো প্ৰমাণৰদ্বাৰা জনাৰ উপায় নাই। গতিকে বৈদিক আপ্তৱাক্যৰ অৰ্থ অলৌকিক জ্ঞান সমন্বিত বাণী। অকল সেয়ে নহয় অলৌকিক ধৰ্মোপদেশমূলক এই বাণী বহন কৰিছে বাবে এই আপ্তৱাক্য শ্ৰদ্ধালু ধৰ্মভীৰু বা আস্তিকী-বুদ্ধিসম্পন্নজনৰ শ্ৰদ্ধা আৰু ভক্তিৰ স্থল। ই নিশ্চল নিষ্ক্ৰিয় বস্তু বিশেষো নহয় ৱেদনিহিত আপ্তৱাক্যই যুগ যুগ ধৰি ভাৰতবাসীৰ অন্তৰত—সম্প্ৰতি বিশ্ববাসীৰ অন্তৰত—অনিৰ্বাণ দীপশিখা জলাই ৰাখিছে।

সেইদৰে ৱেদক 'শ্ৰুতি' বোলা হয়। প্ৰকৃততে সমস্ত ৱৈদিক সাহিত্য দুটি প্ৰৱাহত বিভক্ত। এটিক 'শ্ৰুতি' আনটোক 'স্মৃতি' বোলা হয়। 'শ্ৰুতি' ভাগটো অপৌৰুষেয়, নিত্য আৰু আপ্তৱাক্য। স্মৃতি ভাগটোৱে শ্ৰুতিৰ দৰে অপৌৰুষেত্ব, নিত্যত্ব আৰু আপ্ত-বাক্যতা দাবি নকৰে। তদুপৰি বহুদিনলৈকে 'গুৰুমুখাৎ ৱিদ্যা' অৰ্থাৎ ৱেদজ্ঞানৰ পৰম্পৰা মুখে মুখে পুৰুষানুক্ৰমে প্ৰৱাহিত হৈছিল। লিখিত ৱিদ্যাক তল চকুৰে চোৱা হৈছিল। ছাত্ৰ বা শিষ্যই গুৰুৰ মুখৰপৰা শুনিহে ৱিদ্যা আহৰণ কৰিছিল। সেয়ে শ্ৰুত ৱিদ্যা বা ৱেদক শ্ৰুতি বুলি কোৱা হৈছিল। তাৰদ্বাৰা অবিকৃত ৰূপত ৱেদবিদ্যাৰ অধিকাৰী বা উপনীতসকলে অনধিকাৰীসকলৰপৰা গোপনে সংৰক্ষণ কৰিবলৈ সক্ষম হৈছিল। শ্ৰুতিক আলম্বন কৰি জন্ম হৈছিল স্মৃতি সমূহৰ। শ্ৰুতি আগৰ, স্মৃতি পাছৰ। 'শ্ৰুতি-স্মৃতি বিৰোধেষু শ্ৰুতিৰেৱ গৰীয়সি' বুলি স্মৃতিয়েই স্বীকাৰ কৰি থৈছে। একদৰে ৱেদক 'আম্নায়' 'আগম' আদি শব্দেৰেও বুজোৱা হয় ( তদ্বচনাদাম্নায়স্য প্ৰামাণ্যম্ )।

'ত্ৰয়ী' বা 'ত্ৰৈৱিদ্যা' শব্দ দুটাৰে ৱেদত্ৰয়ক বুজোৱা হয়। চতুৰ্ৱেদৰপৰা অথৰ্বৱেদক বাদ দিলে ৰয়গৈ ঋক্, যজুস্ আৰু সাম। এই তিনিৱেদক বুজাবলৈ 'ত্ৰয়ী' বা 'ত্ৰৈৱিদ্যা'ৰ ব্যৱহাৰ হৈছিল। সম্ভৱতঃ পোনতে এনে এটা যুগ আছিল যেতিয়া অথৰ্ৱৱেদক ৱেদবাহ্য বুলি কেৱল 'আথৰ্ৱ-আঙ্গিৰস' বা 'ভৃগু-আঙ্গিৰস' বুলিয়েই কোৱা হৈছিল। তাত ৱেদ শব্দৰ সংযোগ আপেক্ষিকভাবে পলমকৈ ঘটিছে যেন লাগে।

**ৱেদৰ লক্ষণ ঃ** ৱেদৰ লক্ষণ সম্বন্ধে সূত্ৰকাৰ আপস্তম্বই 'যজ্ঞপৰিভাষা'ত কৈছে 'মন্ত্ৰব্ৰাহ্মণয়োৰ্ৱেদ নামধেয়ম্।'[1] তাৰে বুজোৱা হৈছে যে মন্ত্ৰ আৰু ব্ৰাহ্মণ-এই দুইৰ সমষ্টিয়েই ৱেদ নামধেয়। তাৰে 'মন্ত্ৰ'ৰ ব্যুৎপত্তি যাস্কই দিছে 'মন্ত্ৰ মননাৎ' ( নি. ৭।১২ )। মন্ত্ৰকে 'ব্ৰহ্ম' শব্দেৰেও বুজোৱা হয়। এয়া শব্দ ব্ৰহ্ম—যাক 'যাতুসম্মিত মন্ত্ৰ' হিচাপে বুজা যায়। ঋগ্বেদৰ 'ঋক', সামৱেদৰ 'সাম' আৰু যজুৰ্ৱেদৰ 'যজুস্'—সকলোকে মন্ত্ৰ শব্দই সামৰে। প্ৰকৃতাৰ্থত যাৰ প্ৰয়োগেৰে যাগ-যজ্ঞ, কৰ্ম আদি অনুষ্ঠিত হয় আৰু য'ত দেৱতাৰ

১। আ. পৰি. ১।৩৩।

স্তুতি নিহিত থাকে সেয়ে মন্ত্র শব্দবাচ্য। মন্ত্রভিন্ন বেদৰ অৱশিষ্ট ভাগক 'ব্ৰাহ্মণ' শব্দেৰে বুজোৱা হয় ( তচ্চোদকেষু মন্ত্রাখ্যা। শেষে ব্ৰাহ্মণ শব্দঃ )।[1] ব্ৰাহ্মন্ শব্দটি ভালেমান অৰ্থত ব্যৱহৃত হয়। তাৰ অন্যতম অৰ্থ হৈছে 'যজ্ঞ'। বৃহ্ বৰ্ধনে—ধাতুৰপৰা নিষ্পন্ন এই শব্দৰ অৰ্থ হয় বৰ্ধন, বিস্তাৰ, বিতান বা যজ্ঞ। গতিকে যাগ-যজ্ঞ সম্বন্ধীয় বিস্তৃত বিৱৰণ যি গ্ৰন্থত দিয়া আছে সেয়ে 'ব্ৰাহ্মণ'। ব্ৰাহ্মণৰ আকৌ তিনিটা ভাগ (১) ব্ৰাহ্মণ, (২) আৰণ্যক আৰু (৩) উপনিষদ বা বেদান্ত।

**সংহিতাকৰণ :** আদিতে বেদ আছিল এক আৰু অখণ্ড। অৱিভক্ত এই বেদত মন্ত্রসমূহৰ কোনো স্বকীয়া বৈশিষ্ট্যৰ প্ৰতি নজৰ কৰা নহৈছিল। সিবোৰ একেলগে মিশ্ৰিতৰূপে বিৰাজ কৰিছিল। যিকোনো সাহিত্যৰ আদি চোৱাত হোৱাৰ দৰে বহুদিন ধৰি মন্ত্ৰবোৰ মৌখিক লোকসাহিত্যৰ ৰূপত সমাজত মানুহৰ মুখে মুখে বাগৰি ফুৰিছিল বুলি ভাবিবৰ থলি আছে। তেনে অৱস্থাত সিবোৰ কালৰ বুকুত জাহ যোৱাৰ ভয় নিশ্চয় হৈছিল। তদুপৰি সিবোৰৰ মৌলিক বেহ-ৰূপো হেৰাই যোৱাৰ ভয়ে দেখা দিছিল। প্ৰক্ষেপৰ অনুপ্ৰৱেশৰ ভয়তো সদায়েই আছিল। মন্ত্ৰবোৰৰ লগে লগে যাগ-যজ্ঞ অনুষ্ঠান-বোৰেও জটিল বা বিশদ ৰূপ ধাৰণ কৰাত সিবোৰত অংশ গ্ৰহণ কৰা পুৰোহিত শ্ৰেণীৰ সংখ্যাও বাঢ়ি গৈছিল। তেতিয়া বিভিন্ন পুৰোহিতৰ বাবে স্বকীয়া মন্ত্র-সংহিতাৰূপ হাত-পুথি সংকলনৰ প্ৰয়োজনেও দেখা দিলে। এনে কেতবোৰ কাৰণতে ঋষিমুনিসকলে কালক্রমত মন্ত্রসমূহ সংকলন কৰি সম্পাদনা কৰাৰ কামত হাত দিয়ে যেন বোধ হয়। মন্ত্রসমূহৰ ব্যৱহাৰিক প্ৰয়োজন আৰু সিবোৰৰ ৰক্ষণাবেক্ষণৰ খাতিৰতে বেদৰ সংহিতী-কৰণ আৰু লক্ষণানুযায়ী বিভাজন কৰাৰ প্ৰয়োজন হয়।

ব্যাকৰণৰ নিয়ম অনুসৰি য'ত কোনো পূৰ্ব পদৰ অন্ত্যবৰ্ণৰৈসতে পৰপদৰ আদি বৰ্ণৰ মিলন হয় সেয়ে সংহিতা ( পদান্তাৎ পদাদিভিঃ সন্দধাতীতি সংহিতা )। প্ৰাতিশাখ্য গ্ৰন্থৰ মতে পদৰ ( পদ পাঠৰ ? ) প্ৰকৃতিয়ে সংহিতা ( পদপ্ৰকৃতিঃ সংহিতা )।[2] মূল বেদমন্ত্র-সমূহক পৃথক পৃথক বৰ্গত ভাগ কৰি তাৰ যি ৰূপ দিয়া হয় সিও 'সংহিতাই'। মন্ত্রসমূহৰ বৈশিষ্ট্য অনুসৰি একত্ৰিত কৰি কৰা সংকলন একোটিক বুজাবলৈকো এই সংহিতা শব্দকে ব্যৱহাৰ কৰা হৈছে। ইয়াত সংহিতীকৰণৰ অৰ্থ একত্ৰিত-কৰণ, সংকলন, সংগ্ৰহ।

বেদৰ মন্ত্রসমূহ বস্তুতঃ এক প্ৰকাৰৰ যদিও সিবোৰৰ স্বৰূপৰ বিভিন্নতা মানিলৈ সিবোৰক ঋক্, যজুস্ আৰু সামন্— এই তিনি প্ৰকাৰত ভাগ কৰা হৈছে। য'ত বা যি মন্ত্রত অৰ্থ অনুসৰি পাদৰ ব্যৱস্থা আছে, সেই ছন্দোবদ্ধ মন্ত্ৰকে 'ঋক' মন্ত্র বোলা হৈছে ( তেষাম্ ঋগ্, যত্ৰাৰ্থৱশেন পাদব্যৱস্থা, জৈ. সূ. ২।১।৩৫ )। যিবিলাক মন্ত্র গীতৰ দৰে ( যাগ-যজ্ঞত ) গোৱা হয়, সিবোৰক 'সাম' বোলা হয় ( গীতিষু সামাখ্যা, জৈ. সূ. ২।১।৩৬ )। ঋক্ আৰু সাম ব্যতিৰিক্ত যিবোৰ মন্ত্র অৱশিষ্ট ৰ'ল সেইবোৰ মন্ত্ৰক যজুস্ আখ্যাৰে বুজোৱা হ'ল ( শেষে যজুস্ শব্দঃ, জৈ. সূ. ২।১।৩৭ )। এই ত্ৰিৱিধাত্মক মন্ত্ৰকে 'ত্ৰয়ী' আখ্যাৰে বুজোৱা হয়।

১। পূৰ্ব মীমাংসা সূত্ৰ ২।১।৩২-৩৩
২। ঋগ্বেদ প্ৰাতিশাখ্য ২।১



ঋক্, যজুস্ আৰু সাম—এই ত্ৰিৱিধাত্মক মন্ত্রসমূহ কোনো এক প্ৰাগ-ঐতিহাসিক কালত সোমযাগত অংশ গ্ৰহণ কৰা হোতা, উদ্গাতা আৰু অধ্বৰ্যুৰ ব্যৱহাৰৰ উপযোগীকৈ পোনতে তিনিখন মন্ত্র-সংহিতা সংগৃহীত কৰি সম্পাদনা কৰি উলিওৱা হয়। এই তিনিখন বৈদিক মন্ত্রসংহিতা যথাক্রমে ঋগ্বেদ, সামবেদ আৰু যজুৰ্বেদ নামে জনা যায়। চতুৰ্থজন ঋত্বিক ব্ৰহ্মাই ত্ৰয়ীৰ সামগ্ৰিক জ্ঞান আহৰণ কৰিব লাগে। পৰৱৰ্তী কালত অৱশ্যে 'অথৰ্ৱা-আঙ্গিৰস' লক্ষণাক্ৰান্ত প্ৰায়শ্চিত্তীয় মন্ত্ৰাত্মক চতুৰ্থখন বেদ সংগৃহীত হ'ল। অথৰ্ৱবেদ নামে খ্যাত এই বেদক ব্ৰহ্মবেদ বুলিও কোৱা হয়। কিন্তু ইয়াৰ অধিকাংশ মন্ত্র শ্ৰৌতযাগত ব্যৱহৃত নহৈ গৃহ্যকৰ্মত প্ৰযুক্ত হয়। এই মন্ত্র সংহিতা চতুষ্টয়ৰ সংকলন আৰু সম্পাদন কাৰ্য্য কৃষ্ণদ্বৈপায়নে কৰিছিল বুলি ভাৰতীয় পৰম্পৰাই সাক্ষ্য দান কৰে। সেয়ে তেওঁৰ অন্য নাম বেদব্যাস। পৈল, বৈশম্পায়ন, জৈমিনি আৰু সুমন্ত ক্ৰমশঃ সৰ্বপ্ৰথমে চাৰিবেদৰ ধাৰক হয়।

## ঋগ্বেদ সংহিতা

বৈদিক সাহিত্যৰ ভিতৰত ঋগ্বেদ সংহিতা যে সবাতোকৈ পুৰণি আৰু মহত্ত্বপূৰ্ণ তাক প্ৰাচ্য-পাশ্চাত্যৰ পণ্ডিতসকলে একমুখে স্বীকাৰ কৰিছে। অকল সেয়ে নহয়, অনেক ভাৰততত্ত্বজ্ঞ পণ্ডিতে এই গ্ৰন্থক ইণ্ডো-ইউৰোপীয় সাহিত্যৰ প্ৰাচীনতম নিদৰ্শন বুলিও কৈছে। ঋগ্বেদৰ প্ৰথম আধুনিক সম্পাদক ফ্ৰেড্ৰিখ্ ম্যাক্সম্যুৱেলাৰে তেওঁৰ Origin and Development of Religion নামে গ্ৰন্থৰ এঠাইত কৈছে : 'এই কথা বাৰুকৈয়ে নিশ্চিত যে ভাৰতবৰ্ষতে হওক বা সমগ্ৰ আৰ্য্যজগততে হওক ঋগ্বেদৰ সূক্তসমূহতকৈ আদিমতৰ একো নাই। ভাষা আৰু চিন্তা জগতত আৰ্য্য বুলি জনাজাত ঋগ্বেদেই আমাৰ সমস্ত সম্পদৰ ভিতৰত প্ৰাচীনতম ( One thing is certain, namely that there is nothing more primitive than the hymns of the Rigveda, whether in India or the whole Aryan World. Being Aryan in language and thought the Rigveda is the most ancient of our books. ) একেদৰে পণ্ডিত আৰ্থাৰ এণ্টনি মেকডোনেলেও তেওঁৰ Vedic Reader for Students গ্ৰন্থৰ পাতনিত লিখিছে : 'ইণ্ডো-ইউৰোপীয় ভাষাসমূহৰ ভিতৰত ঋগ্বেদেই সন্দেহাতীত ভাবে প্ৰাচীনতম সাহিত্যিক নিদৰ্শন ( The Rigveda is undoubtedly the oldest literary monument of the Indo-European languages ).[1]

**ঋগ্বেদৰ শাখাসমূহ :** পূৰ্বতে সংহিতীকৰণৰ সময়ত ঋগ্বেদ এক-অখণ্ড-অবিকৃত ৰূপত আছিল যদিও পৰৱৰ্তী কালত পৈলৰ শিষ্য-প্ৰশিষ্যসকলৰ মাজত ইয়াৰ পঠন-পাঠন, সূক্ত সঞ্চয়নৰ ক্ষেত্ৰত কেতবোৰ স্বকীয়া বৈশিষ্ট্যৰ উদ্গম হোৱাত এই বেদৰ অনেক শাখাৰ উদ্ভৱ হয়। পতঞ্জলিয়ে তেওঁৰ মহাভাষ্যত ঋগ্বেদৰ একৈশটা শাখা থকা কথা উন্নুকিয়াইছে ( একবিংশতিধা বহ্বৃচ্যম্ )। কূৰ্মপুৰাণেও এই কথা সমৰ্থন কৰি কৈছে : 'একবিংশতি

১। ভূমিকা পৃ. ১১।

ভেদেন ঋগ্বেদং কৃতবান্ পুৰা।' এনেকৈয়ে শৌনকৰ চৰণব্যূহত মাত্ৰ পাঁচটা শাখাৰহে উল্লেখ পোৱা যায় :

ঋচাং সমূহ ঋগ্বেদস্তমভ্যস্য প্ৰযত্নতঃ।
পঠিতঃ শাকলেনাদৌ চতুৰ্ভিস্তদনন্তৰম্ ॥
সাংখ্যাশ্বলায়নৌ চৈৱ মাণ্ডুকো-বাষ্কলস্তথা।
বহ্বৃচা ঋষয়ঃ সৰ্বে পঞ্চৈতে হ্যেকবেদিনঃ ॥

গতিকে চৰণব্যূহৰ মতে ঋগ্বেদৰ পাঁচটা শাখা যথাক্ৰমে (১) শাকল, (২) সাংখ্যায়ন, (৩) আশ্বলায়ন, (৪) মাণ্ডুকায়ন আৰু (৫) বাষ্কল।

এতিয়ালৈকে মাত্ৰ শাকল শাখাৰ পঠন-পাঠনৰ প্ৰসাৰতা অধিক দেখা গৈছে। ইয়াৰহে পাঠজগতত প্ৰকাশিত হৈছে। গতিকে সম্প্ৰতি এই শাখাৰ ভেটিতে ঋগ্বেদৰ অধ্যয়ন দেশে-বিদেশে চলিছে। গতিকে ইয়াৰ চমুবিৱৰণ তলত দিয়া হ'ল।

**শাকল সংহিতাৰ বিভাজন :** এই ঋগ্বেদ সংহিতাক দুই ধৰণে বিভাজন কৰা দেখা যায় : (১) অষ্টক বিভাজন আৰু (২) মণ্ডল বিভাজন।

(১) অষ্টক বিভাজন মতে ঋগ্বেদখন আঠটা অষ্টকত বিভক্ত। প্ৰতিটো অষ্টক আঠটাকৈ অধ্যায়ত বিভক্ত। একোটা অধ্যায় অনেক 'বৰ্গ'ত বিভক্ত। এনে 'বৰ্গ' একোটা কেইটিমান ঋঙ্ মন্ত্ৰৰ সমষ্টি। এনেদৰে ঋগ্বেদখন আঠ অষ্টক, ৬৪ অধ্যায় আৰু ২০০৬ বৰ্গত বিভক্ত।

(২) মণ্ডল বিভাজন অধিক গুৰুত্বপূৰ্ণ। অষ্টক বিভাজনটো পঠন-পাঠনৰ বাবে কৰা হৈছিল। কিন্তু মণ্ডল বিভাজনটো ঐতিহাসিক ভাৱে গুৰুত্বপূৰ্ণ। এই বিভাজনমতে ঋগ্বেদখন ১০টা মণ্ডলত বিভক্ত। প্ৰতিটো মণ্ডল একাধিক অনুবাকত বিভক্ত। একোটি অনুৱাক কিছুমান সূক্ত বা কৱিতাৰ সমষ্টি। সূক্ত একোটি এক বা অনেক দেৱতাৰ স্তুতিপৰক মন্ত্ৰৰ স্বয়ংসম্পূৰ্ণ গোট। এনেকৈ ঋগ্বেদৰ ১০টা মণ্ডলত মুঠ ৮৫টা অনুবাক আৰু ১০১৭টা সূক্ত আছে। বালখিল্য সূক্ত এঘাৰটি ধৰিলে ইয়াৰ পৰিমাণ অধিক হ'ব ; সূক্তৰ সংখ্যা ১০২৮টা হয়গৈ।

**শাকল সংহিতাৰ গঠনতত্ত্ব :** সংহিতাকাৰে একোজন ঋষি বা তেওঁৰ কুলোৎপন্ন ঋষিসকলে দৰ্শন কৰা সূক্তবোৰ যথাসম্ভৱ একত্ৰিত কৰি কোনো এক ক্ৰমানুসাৰে সংহিতাত সন্নিৱিষ্ট কৰিবলৈ যত্ন কৰিছিল। এনেদৰে সৰহভাগ মন্ত্ৰ একোজন প্ৰাচীন ঋষিৰ নামানুসাৰে শ্ৰেণীবদ্ধ কৰাৰ ফলত দ্বিতীয়াদি সপ্তমান্ত ছয় কুল মণ্ডলৰ সৃজন হয়। এই ছয় মণ্ডলৰ ঋষি সকল যথাক্ৰমে গৃৎসমদ, বিশ্বামিত্ৰ, বামদেৱ, অত্ৰি, ভৰদ্বাজ আৰু বসিষ্ঠ আৰু তেওঁলোকৰ বংশধৰসকল বুলি জনা যায়। এই ছয় মণ্ডলৰ লগতে অষ্টম আৰু নৱম মণ্ডলৰ মন্ত্ৰ-সমূহ অধিক প্ৰাচীন বুলি জনা যায়। অষ্টমমণ্ডলত কাণ্ব আৰু আঙ্গিৰস ঋষিসকলে দৰ্শন কৰা মন্ত্ৰ-সমূহ সন্নিৱিষ্ট হৈছে। এই মণ্ডল কেইটাত দেৱতা-অনুসৰি ( অগ্নি, ইন্দ্ৰ, বিশ্বদেৱাদি ) মন্ত্ৰ বা সূক্তবোৰ সন্নিৱিষ্ট হৈছে। কিন্তু নৱম মণ্ডলটোত ছন্দ অনুসৰি অনেক প্ৰাচীন ঋষিৰ দৃষ্ট সূক্ত সন্নিৱেশিত হৈছে। তাৰ একমাত্ৰ দেৱতা সোম পৱমান। ইবোৰ মণ্ডলৰ সূক্ত



সংখ্যা যথাক্ৰমে, (২) ৪৩, (৩) ৬২, (৪) ৫৮, (৫) ৮৭, (৬) ৭৫, (৭) ১০৪, (৮) ৯২ ( + ১১ বালখিল্য ), (৯) ১১৪। প্ৰথম আৰু দশম মণ্ডলক আপেক্ষিকভাৱে অৰ্বাচীন বুলি কোৱা হয়। এই দুই মণ্ডলত ১৯১টাকৈ সূক্ত আছে। ইবোৰৰ ঋষিসকল আগতে উল্লেখ কৰা ঋষিসকলৰ বংশধৰ বুলি জনা যায়। ঋগ্বেদৰ মুঠ ঋকৰ সংখ্যা ১০৫৫২।

**ঋগ্বেদৰ বিষয় বস্তু :** জগতৰ প্ৰাচীনতম গ্ৰন্থ এই ঋগ্বেদ আৰ্য্য সকলৰ প্ৰাচীন ধৰ্ম-সংস্কৃতি, পুৰাতত্ত্ব, ইতিহাস, সাহিত্য আদি প্ৰায়বোৰ বিষয়ৰে এক প্ৰামাণ্য গ্ৰন্থ। ঋষি-দৃষ্ট প্ৰতিটো সূক্ত বা মন্ত্ৰত দেৱতাৰ স্তুতি কৰা হৈছে। 'একোটি' বা 'একোজন' দেৱতা হৈছে 'সূক্ত' বা 'মন্ত্ৰ'ৰ বৰ্ণনীয় বিষয় ( 'যা তেন উচ্যতে সা দেৱতা' সৰ্বা. ১।১।২ )। দেৱতাৰ জন্ম, কীৰ্তিকলাপ, শৌৰ্য-বীৰ্য, বদান্যতা, সহায়শীলতা, অন্য দেৱতা বা ঋষিৰ সৈতে থকা সিসকলৰ সম্বন্ধ আদি ঋঙ্—মন্ত্ৰবোৰৰ মাজেৰে ঋষিসকলে প্ৰকাশ কৰিছে।

ঋগ্বেদত অতি সঘনে অগ্নি, ইন্দ্ৰ, সোম, অশ্বিদ্বয়, মৰুদ্‌গণ, উষা আদি দেৱ-দেৱীৰ স্তুতি কৰা হৈছে। ঋগ্বেদৰ প্ৰায় এক চতুৰ্থাংশ সূক্তত ( ২৪৪ ) ইন্দ্ৰক, প্ৰায় এক পঞ্চমাংশ সূক্তত ( ১৯৪ ), অগ্নিক ১১৭ টা সূক্তত সোম পৱমানক, পঞ্চাশাধিক সূক্তত অশ্বিদ্বয়ক, তেত্ৰিশটা সূক্তত মৰুদ্‌গণক আৰু প্ৰায় একুৰি সূক্তত উষাক স্তুতি কৰা হৈছে। এইসকল প্ৰধান আৰু জনপ্ৰিয় দেৱতা। স্তুতি-গীতৰ সংখ্যাৰ ওপৰত ভেটি কৰি ঋগ্বেদৰ দেৱতাসকলক পাঁচ ভাগত ভগোৱা হৈছে : (১) ইন্দ্ৰ, অগ্নি আৰু সোম ; (২) অশ্বিদ্বয়, মৰুদ্‌গণ আৰু বৰুণ ; (৩) উষা, সৱিতা, সূৰ্য্য, পূষা ; (৪) বায়ু, দ্যাৱা-পৃথিৱী, বিষ্ণু, ৰুদ্ৰ ; (৫) যম আৰু পৰ্জন্য। ঋভু সকলো জনপ্ৰিয় দেৱতা। তদুপৰি অনেক দেৱতাক যুগ্মভাৱে স্তুতি কৰা হৈছে : ইন্দ্ৰাগ্নি, ইন্দ্ৰাবৰুণ, মিত্ৰাবৰুণ, ইন্দ্ৰাবিষ্ণু, ইন্দ্ৰাপূষণ, তাৰ উদাহৰণ। আদিত্য আৰু বিশ্বেদেৱাসকল অন্য সমষ্টিগত দেৱতা।

আচাৰ্য্য যাস্কৰ মত অনুসৰি প্ৰকৃতিগতভাৱে বৈদিক দেৱতাসকলক পাৰ্থিৱ, আন্তঃৰীক্ষিয় আৰু দ্যুস্থানীয়—এই তিনি ভাগত ভাগ কৰা হয়। অগ্নি, ইন্দ্ৰ বা বায়ু আৰু সূৰ্যক ক্ৰমে এই তিনিলোকৰ অধিষ্ঠাতৃ দেৱতা বুলি কোৱা হৈছে। অন্যান্য দেৱতাসকলকো ইয়াৰ মাজতে সামৰি লোৱা হৈছে। বৰ্ণনাৰ সময়ত প্ৰতিজন দেৱতাই সৰ্বময় কৰ্তাৰূপত প্ৰকাশ পায়। ইন্দ্ৰাদি দেৱতাৰ লগতে অনাৰ্য্য শত্ৰুসকলৰ বৰ্ণনাও ঋগ্বেদত পোৱা যায়। ইন্দ্ৰৰ প্ৰতিদ্বন্দ্বী বৃত্ৰ, শম্বৰ, নমুচি, ব্যঞ্চ আদিৰ যুযুৎসু চৰিত্ৰও তাত পোৱা যায়। ইন্দ্ৰ আৰু বৃত্ৰৰ যুদ্ধ সমস্ত ঋগ্বেদতে সঘনে উল্লেখিত হৈছে।

**যাগ-যজ্ঞৰ বৰ্ণনা :** দেৱতাৰ বীৰ্য্য বা বীৰকৰ্মৰ লগতে অনেক যজ্ঞীয় বস্তু বা কৰ্মৰ বৰ্ণনাও এই বেদত প্ৰায়ে চকুত পৰে। অগ্নি, সোম, বিশ্বেদেৱা, আপ্ৰি আদি সূক্তৰ মাজত অগ্ন্যাধান, হৱিস্, আহুতি অৰ্পণ, সোমৰস নিষ্কাষণ আদিৰ বিৱৰণো পোৱা যায়। প্ৰকৃততে যজ্ঞৰ সৈতে বিশেষভাৱে জড়িত চাৰিটা সূক্ত সমষ্টি দেখা যায় ; সিবোৰ ক্ৰমে, (১) আপ্ৰি-সূক্ত ৰাজি, (২) বিশ্বেদেৱা সূক্ত সমূহ, (৩) পৰুচ্ছেপসূক্ত সমূহ ( ঋ. ১।১২৭-১৩৯ ), আৰু (৪) বালখিল্য সূক্ত-সমূহ ( ঋ. ৮।৪৯-৫৯ )। ঋগ্বেদত দহটা আপ্ৰি সূক্ত আছে। সিবোৰত অগ্নি, ইধ্ম, তনূনপাত, নৰাশংস, ইলা—ইলিত, অগ্নি, বৰ্হিষ, দেৱীদ্বাৰ,

উষসানক্তৌ, দিব্যহোতা, সৰস্বতী, ইলা, ভাৰতী, ত্বষ্টা, স্বাহা প্ৰভৃতিৰ স্তুতি কৰা হৈছে। তত্নপৰি আন বহুত সূক্তত গ্ৰাৱন, মূষল আদি স্তুতি চকুত পৰে। নৱম মণ্ডলত সোমৰ বৰ্ণনা আছে। সূৰ্য্যা সূক্তত ( ঋ. ১০।৮৫ ) বিৱাহৰ বৰ্ণনা আৰু যম বা পিতৃ আদি সূক্ত ৰাজিত ( ১০।১৪-১৮ ) অন্তেষ্টিক্ৰিয়াৰ বৰ্ণনা পোৱা যায়। ঋগ্বেদৰ বহুতো সূক্তত বিশেষকৈ দশম মণ্ডলত আথৰ্বনীয় যাদুৰ প্ৰভাৱ পৰিছে। প্ৰস্বাপনীয়, দুন্দুভি, দুঃস্বপ্ন, মণ্ডূক, সংগ্ৰামাশীৰ সূক্তবোৰ এনে লক্ষণাক্ৰান্ত।

**ইতিহাসৰ ৰতৱা :** দেৱ-দেৱীৰ স্তুতিৰ মাজতে ঋগ্বেদত প্ৰাচীন ভাৰতীয় ইতিহাসৰ খণ্ডও চকুত পৰে। ঋগ্বেদৰ ৬ষ্ঠ মণ্ডলৰ ২৭শতম সূক্তত হৰিয়ূপীয়া যুদ্ধত ভাগ লোৱা অভ্যাবৰ্তী চায়মান আৰু সৃঞ্জয়-প্ৰস্তোক আদিৰ কথা পোৱা যায়। ৭ম মণ্ডলৰ ( ৭।১৮ ; ৩৩ ) সূক্ত বিশেষত দাশৰাজ্ঞ যুদ্ধৰ কথা বৰ্ণিত হৈছে। ঋগ্বেদৰ পাতত ইতস্ততঃ সিঁচৰিত হৈ থকা দান-স্তুতিবোৰত অনেক ভাৰতীয় ৰজাৰ বদান্যতাৰ কথা লিপিবদ্ধ হৈ আছে। ঋ. ১০।৯৮ সূক্তত দেৱাপি-শন্তনুৰ কথা পোৱা যায়। এইবোৰ তথ্যই প্ৰাচীন ভাৰতৰ বুৰঞ্জী ৰচনাত সমল যোগায়।

**সংবাদ বা আখ্যান সূক্ত :** ঋগ্বেদত প্ৰায় একুৰিমান এনে সূক্ত আছে যিবোৰত কোনো কাহিনী বা আখ্যান বৰ্ণিত হৈছে। সিবোৰ সংবাদ সূক্ত নামে জনপ্ৰিয়। এনে-বোৰ সূক্তই পাছত নাট্য আৰু কাব্য সাহিত্য সৃষ্টিত প্ৰেৰণা দিছিল বুলি কোৱা হয়। এনেকুৱা প্ৰখ্যাত সূক্ত কেইটামান হৈছে : ইন্দ্ৰ-মৰুৎ সংবাদ ( ১।১৬৫ ), অগস্ত্য-লোপা-মুদ্ৰা সংবাদ ( ১০।১৭৯ ), বিশ্বামিত্ৰ আৰু নদীত্ৰয় সংবাদ ( ৩।৩৩ ), ইন্দ্ৰ-অদিতি আৰু বামদেৱ সংবাদ ( ৪।১৮ ), যম-যমীসংবাদ ( ১০।১০ ), ইন্দ্ৰ-বসুক্ৰ সংবাদ ( ১০।২৮ ) পুৰুৰৱা-উৰ্বশী সংবাদ ( ১০।৯৫ ), সৰমা-পণিগণ সংবাদ ( ১০।১০৮ )। ইবোৰৰ ভিতৰত অগস্ত্য লোপামুদ্ৰা সংবাদ, যম-যমী সংবাদ, উৰ্বশী-পুৰুৰৱা সংবাদ আৰু সৰমা-পণিসংবাদৰ প্ৰসিদ্ধি বেদোত্তৰ গ্ৰন্থৰ পাততো জিলিকি আছে।

**নীতিকথা :** ঋগ্বেদত দেৱ-দেৱীৰ স্তুতিৰ মাজতে নীতিগৰ্ভ কথাৰ উদ্‌গম হোৱাটো উল্লেখযোগ্য। ঋ. ৯।১১২ ; ১০।৭১ ; ১০।৩৪ ; আৰু ১০।১১৭ এই চাৰিটা সূক্তকে নীতি-গৰ্ভ সূক্ত বুলি কোৱা হয়। ইয়াৰ প্ৰতিটো সূক্ততে সদুক্তি নিঃসন্দেহে আছে, কিন্তু ১০।১১৭ সূক্তটি সবাতোকৈ নীতিপৰক কাব্যৰ চূড়ান্ত নিদৰ্শন। এই সূক্তটিত দয়া-দাক্ষিণ্যৰ প্ৰশংসা কৰা হৈছে। সূক্তটি ভিক্ষু-সূক্ত নামে জনাজাত। ঋ. ১০।৭১ সূক্তটিয়েও পৰবৰ্তী নীতি সাহিত্যৰ বিকাশত সহায় কৰিছে।

**সাঁথৰ :** ব্ৰহ্মোদ্য বা সাঁথৰ ঋগ্বেদাদি প্ৰাচীন সাহিত্যৰ এক বৈশিষ্ট্য। প্ৰকৃততে এই জাতীয় সাহিত্যই লোক সাহিত্যৰ গা-চাপি বৰ্তি আছে। যাগ-যজ্ঞসমূহৰ লগতে জড়িত বিদথ বা বিদ্বৎসভা সমূহত এই জাতীয় সাহিত্যৰ ব্যাপক চিন্তা-চৰ্চা হৈছিল। তাৰে দুই এটা উদাহৰণ স্বৰূপে ঋগ্বেদৰ পাতত ৰৈ আছে। অস্যবামীয় সূক্ত ( ১।১৬৪ ) তাৰে নিদৰ্শন। ঋ. ৮।২৯ অন্য এটি সাঁথৰানুৰূপ সূক্ত। ইয়াৰ প্ৰতিটো মন্ত্ৰতো একোজন দেৱতাৰ বৈশিষ্ট্য কোৱা আছে, দেৱতাৰ নামটো উত্তৰ পক্ষই ক'ব লাগে। যেনে :



'ত্ৰীণি এক উৰুগায়ো বি চক্ৰমে যথা দেৱাসো মদন্তি।'

ইয়াত বিষ্ণুৰ তিনিপদৰ কথা কীৰ্তিত হৈছে। পৰবৰ্তী মহাভাৰতাদিত ইয়াৰ উদাহৰণ পোৱা যায়।

**সৃষ্টিতত্ত্ব মূলক আৰু দাৰ্শনিক তত্ত্ব :** ঋগ্বেদৰ পাতত ভালেমান সৃষ্টিতত্ত্বমূলক আৰু দাৰ্শনিক ভাবপুষ্ট সূক্ত সন্নিবিষ্ট হৈছে। এনে সূক্ত ঋগ্বেদৰ পুৰণিচোৱাত ( ২—৮ মণ্ডলত ) বিৰল। আপেক্ষিকভাৱে অৰ্বাচীন ১ম আৰু দশম মণ্ডলতে এনে দাৰ্শনিকতত্ত্ব সম্বলিত সূক্তৰ প্ৰাচুৰ্য দেখা যায়। ওপৰত উনুকিওৱা অস্যবামীয় সূক্তৰ অনেক ঋক দাৰ্শনিক ভাবপুষ্ট।

দশম মণ্ডলত পোৱা ১০।৭২ ; ১০।৯০ ; ১০।১২১ ; ১২৫ ; ১২৯ আদি সূক্তবোৰত সৃষ্টিতত্ত্ব সম্বন্ধীয় প্ৰাচীন দাৰ্শনিক মতবোৰ পোৱা যায়। ১০।৭২ সূক্ত আদিত্য দেৱতা-সকলৰ উৎপত্তি বৰ্ণিত হৈছে। ১০।৯০ সূক্তটি পুৰুষসূক্ত নামে জনাজাত। ইয়াত প্ৰতীকাত্মক পুৰুষমেধ যজ্ঞৰপৰা জীৱোৎপত্তি, সূৰ্য-চন্দ্ৰ, দিশ আদিৰ উৎপত্তিৰ কথা হোৱা হৈছে। পুৰুষৰপৰা চাৰিবেদৰ উৎপত্তি হোৱা কথাও কোৱা হৈছে। বহুবিখ্যাত হিৰণ্যগৰ্ভসূক্ত ( ১০।১২১ ), দেৱীসূক্ত ( ১০।১২৫ ), নাসদীয়সূক্ত ( ১০।১২৯ ) আদিতো সৃষ্টিৰ বিষয়ে কোৱা হৈছে। নাসদীয়সূক্তত কোৱা হৈছে যে সৃষ্টিৰ আগতে একো নাছিল। বিশ্বব্ৰহ্মাণ্ড তমসাচ্ছন্ন আছিল। এই সূক্তত কোৱা আছে যে 'তেতিয়া অসৎ বা সৎ বুলি-বলৈ একো নাছিল ; ৰজস্ বা ব্যোম বা আকাশো নাছিল। কোনে কি আবৃত কৰি ৰাখিছিল ? কাৰ ক'ত শৰণ আছিল ? দুৰ্গম গভীৰ পানী আছিল নে ?' তেতিয়া মৃত্যুও নাছিল, অমৰত্বও নাছিল, ৰাতি আৰু দিনৰ প্ৰভেদো নাছিল। কেৱল এজনে বায়ুৰ সহায় নোলোৱাকৈয়ে আত্মাক অবলম্বন কৰি নিশ্বাস-প্ৰশ্বাসলৈ জীয়াই আছিল। তেওঁৰ বাহিৰে আন কোনো তাত নাছিল। পোনতে অন্ধকাৰেৰে অন্ধকাৰ আবৃত আছিল। সকলো চিহ্নহীন আৰু জলময় আছিল। অবিদ্যমান বাতৰে সেই সৰ্বব্যাপী আচ্ছন্ন আছিল। তপোবলত এক বস্তুৰ জন্ম হ'ল।' —এনেদৰে সৃষ্টিৰ গূঢ়াৰ্থ নাসদীয় সূক্তত কৰলৈ গৈ শেষত কৱিজনে কৈছে যে সৃষ্টি ৰহস্যৰ কথা কোনে জানে ? তাক কোনোবাই জানিবও পাৰে, নাজানিবও পাৰে।

অন্যান্য সূক্তত ইয়াৰ ইতিবাচক উত্তৰ পোৱা যায়। পুৰুষ সূক্ত, হিৰণ্যগৰ্ভ সূক্ত আদিত এক বিবৰ্তনবাদৰ তত্ত্ব নিহিত আছে।

## সামবেদ

চাৰিবেদ বা ত্ৰৈবিদ্যাৰ ভিতৰত সামবেদে এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছে। ইয়াৰ মহত্ত্ব আৰু গুৰুত্ব একেষাৰ কথাৰেই ভগৱান শ্ৰীকৃষ্ণই অৰ্জুনক শ্ৰীমদ্‌ভাগৱদ্ গীতাত ( ১০.২২ ) কৈছে : 'বেদানাং সামবেদোঽস্মি দেৱানামস্মি বাসৱঃ'। প্ৰাচীন পৰম্পৰা

মতে 'সামন্' শব্দটো ('ঋক'ৰ কাব্যিক ৰূপ) 'সা' আৰু (সাংগীতিক ৰূপ) 'অম'ৰ সন্মিলনেৰে গঠিত হৈছে। 'সা' অংশই স্ত্ৰীজনোচিত আৰু 'অম'ই পুৰুষোচিত বৃত্তিক প্ৰতিনিধিত্ব কৰে। ইয়াৰ প্ৰতিধ্বনি বৈদিক গ্ৰন্থত শুনা যায়। ঐতৰেয় ব্ৰাহ্মণত (১২।১২) ঋক্ আৰু সামন্ আদিতে ক্ৰমে 'সা' আৰু 'অম'ৰ ৰূপত আছিল বুলি কোৱা হৈছে। অথৰ্ববেদৰ বিৱাহ সূক্তত দৰাই কইনাক কোৱা শুনা যায়: 'মই (পুৰুষ) অম, তুমি (নাৰী) সা, সামন্ মই, ঋক্, তুমি মই দ্যৌ, তুমি পৃথিৱী।' (অমোঽহমস্মি সা ত্বং সামাহমস্ম্যক্ ত্বং দ্যৌৰহং পৃথিৱী ত্বম্। তাৱিহ সংভৱাৱ প্ৰজামা জনয়াৱহৈ ॥ অ-১।১৪।৭১)।

নিৰুক্তত (৭।১২.৪) "সামন্' শব্দৰ নিৰুক্তি দিবলৈ যাস্কই কৈছে: 'সাম সম্মিতমৃচা। অস্যতের্বা। ঋচা সমংমেন ইতি নৈদানাঃ।" এইদৰে ইয়াৰ তিনিপ্ৰকাৰ ব্যুৎপত্তি সম্ভৱপৰ: (১) ঋকেৰে যাৰ জোখ বা পৰিমাণ লোৱা হয় সেয়া, (২) অথবা ই দলিওৱা বা ক্ষেপনাৰ্থক 'অস্' ধাতুৰপৰা উৎপন্ন, (৩) নাশ কৰা বা ধ্বংসাৰ্থক 'সো' ধাতুৰপৰা উৎপন্ন, কাৰণ, ই সংহিতা, পদ আৰু সামন্ ইবোৰৰ অন্তিমটো বুলি নিৰ্দিষ্ট। অমৰকোষৰ স্বৰ্গবৰ্গতো (২৬৬) ভাষ্যকাৰে একেদৰে ব্যুৎপত্তিগত অৰ্থ নিৰ্দেশ কৰিছে: 'স্যতি পাপং ৱোসৱমন্'—'যিয়ে পাপ দূৰ কৰে', ই মন্ প্ৰত্যয়ান্ত বুলি নিৰ্দিষ্ট। আকৌ 'সাম'ৰ অৰ্থ 'সুন্দৰ', 'সুখকৰ বচন' বুলিও কোৱা হৈছে। সংগীত বিদ্যাক সৰ্বাধিক সুখকৰ আৰু আনন্দদায়ক বিদ্যাৰূপে স্বীকাৰ কৰা হয়। 'সাম'ৰ অন্য অৰ্থ সংগীত, 'গীত' বা 'গান'। উদ্গাতা নামে ঋত্বিকে সামবেদৰ সঙ্গীতময় বাণীৰে দেৱতাক প্ৰসন্ন কৰে। এইটো ভগতৰ পুৰণি ৰীতি যে সঙ্গীতময় বাণী সদায় দেৱাৰ্চনৰ মাধ্যম বা অঙ্গৰূপে বৰ্তিছে। শঙ্কৰাচাৰ্যৰ স্তোত্ৰসমূহ, মধ্যযুগীয় মহাপুৰুষ—সকলৰ অভঙ্গ, ভজন, বৰগীত আদিৰ মাজতো একেটা প্ৰেৰণা বৰ্ত্তমান।

**সামবেদৰ শাখা:** মহাভাৰতত সামবেদৰ এহেজাৰ শাখা আছিল বুলি কৈছে (সহস্ৰশাখং যৎসাম যে বৈ বেদৱিদো জনাঃ)। কালক্ৰমত সিবোৰৰ বহুতো নষ্ট প্ৰাপ্ত হ'ল। সত্যব্ৰত সামশ্ৰমীয়ে তেৰটা শাখাৰ নাম দিলেও সম্প্ৰতি মাত্ৰ তিনিটা শাখাৰ অস্তিত্বহে জনা যায় বুলি ৱিণ্টাৰনিৎস প্ৰভৃতিয়ে কয়। সেই শাখা কেইটা হৈছে—কৌথুম, ৰাণায়নীয় আৰু জৈমিনীয়। ইয়াৰে কৌথুম শাখা বঙ্গ আৰু গুজৰাটত, ৰাণায়নীয় শাখা মহাৰাষ্ট্ৰত আৰু জৈমিনীয় শাখা কৰ্ণাটক আৰু কেৰেলাত বৰ্তি আছে বুলি জনা যায়।

**কৌথুমশাখানুযায়ী সামবেদৰ বিৱৰণ:** এই শাখাত মুঠতে ১৮১০টা মন্ত্ৰ আছে। তাৰপৰা পুনৰুক্তিবোৰ বাদ দিলে ১৫৪৯ মন্ত্ৰহে থাকে। এই মন্ত্ৰসমূহৰ ৭৫টা মন্ত্ৰৰ বাহিৰে আন সকলো মন্ত্ৰ ঋগ্বেদৰপৰা উদ্ধৃত হৈছে। ঋগ্বেদৰ অষ্টম আৰু নৱম মণ্ডলৰপৰা এই মন্ত্ৰবোৰ সংগ্ৰহ কৰা হৈছে। এই মন্ত্ৰসমূহৰ সৰহখিনি গায়ত্ৰী ছন্দত আৰু প্ৰগাথ ছন্দত (গায়ত্ৰী+জগতী) গ্ৰথিত। এই মন্ত্ৰসমূহ দুটা আৰ্চিকত (ঋক্-সংকলন) বিভক্ত: পূৰ্বাৰ্চিক আৰু উত্তৰাৰ্চিক। ঋগ্বেদৰ ভালেমান ঋকৰ পৰিবৰ্তন



ঘটোৱা দেখা যায়। সঙ্গীতৰ উপযোগী কৰিবলৈকেই মন্ত্ৰবোৰৰ মাত্ৰিক বা অন্য পৰিবৰ্তন হৈছিল বুলি ভাবিব পাৰি।

পূৰ্বাৰ্চিকত মুঠতে ৫৮৫ টা একক ঋক্ সংকলিত হৈছে, তাৰে ৪৫টা ঋগ্বেদত পাবলৈ নাইকিয়া। মন্ত্ৰবোৰ ছটা প্ৰপাঠকত সংগৃহীত হৈছে। একোটা প্ৰপাঠকত দহটাকৈ দশতি আছে[1], আৰু একোটো দশটিত গড়ে দহটাকৈ ঋক্ থাকে।[2] মন্ত্ৰসমূহ আকৌ উপাস্য দেৱতা অনুসৰি সংগৃহীত হৈছে। প্ৰথম বাৰটা দশতিত অগ্নিৰ স্তুতি কৰা হৈছে। পিছৰ ছটা দশতিত বিভিন্ন দেৱতাৰ স্তুতি পোৱা যায়। পৰবৰ্তী ত্ৰিশটা দশতিত অকল ইন্দ্ৰ দেৱতাৰ স্তুতিগীত সংগৃহীত হৈছে। শেষ এঘাৰটা দশতিত সোমস্তুতি পোৱা যায়। এই আৰ্চিকত থকা মন্ত্ৰবোৰ সাম্ৰগানযুক্ত আৰু সিবোৰ বিভিন্ন সুৰত গোৱা হয়। মন্ত্ৰবোৰ গায়ত্ৰী, ত্ৰিষ্টুপ, অনুষ্টুপ, জগতী আৰু প্ৰগাথ ছন্দোবদ্ধ। মন্ত্ৰটো ঋক হলেও তাৰ আবৃত্তি-শৈলী সামগান। সেয়ে ঋকক সামৰ মূল বা যোনি বোলা হয়: 'ঋক্ সাম্নাং যোনিঃ'।

উত্তৰাৰ্চিকত চাৰিশমান সামন্ আছে। ইয়াত মুঠতে ১২২৫ টা মন্ত্ৰ সংগৃহীত হৈছে। তাৰে ৩১ টা মন্ত্ৰ ঋক সংহিতাত পোৱা নাযায়। ই নটা প্ৰপাঠকত বিভক্ত। প্ৰপাঠক একোটাত দুটাকৈ বা তিনিটাকৈ উপভাগ থাকে (অৰ্ধ বুলি কয়)। সাধাৰণতে প্ৰতিটো সামত তিনিটাকৈ ঋক্ আছে। উত্তৰাৰ্চিকৰ সামগানসমূহ প্ৰধান সোমযাগসমূহত গোৱা হয়। সেইবাবে যজ্ঞৰ পৰম্পৰা অনুসৰি এই আৰ্চিকৰ মন্ত্ৰসমূহ সজোৱা দেখা যায়। যেনে: দশৰাত্ৰ, সংবৎসৰ, একাহ, অহীন, সত্ৰ, প্ৰায়শ্চিত্ত আৰু ক্ষুদ্ৰ। যদিও পূৰ্ব আৰু উত্তৰ আৰ্চিক দুটাৰ মন্ত্ৰবোৰ লিপিবদ্ধ হৈছে, তথাপি এই সংহিতাৰ প্ৰাণস্বৰূপ গানবোৰ পৰম্পৰাক্ৰমে মুখ বাগৰিয়েই চলি আছে। কণ্ঠ আৰু যন্ত্ৰ উভয় প্ৰকাৰ সঙ্গীতৰ মাধ্যমতে সামগান গোৱা হৈছিল বুলি ভাবিবলৈ পাৰি।

লিপিবদ্ধ আৰ্চিকতকৈ সামবেদীসকলে ছন্দ-মাত্ৰাদিৰ সূক্ষ্মাতিসূক্ষ্মতালৈ যিদৰে গুৰুত্ব দিয়ে সিদৰে সামপাঠৰ অৰ্থলৈ কমেই ভ্ৰূক্ষেপ কৰে বুলিব পাৰি। তেওঁলোকে সিবোৰৰ সুৰৰ ওপৰত অধিক নজৰ ৰাখে। সামগানৰ সুৰ শিকোৱাটোৱেই তেওঁলোকৰ মুখ্য উদ্দেশ্য। সেইবাবে সামগায়ক উদ্গাতা হ'বলৈ হ'লে পোনতে সামবোৰ শিকিব লাগে। তাকে কৰোঁতে পোনতে পূৰ্ব আৰ্চিকৰ সহায় লোৱা হয়। যিহেতু এটা সামৰ সুৰ পূৰ্বাৰ্চিকত সংগৃহীত কোনো ঋক বা ঋকত্ৰয়ৰ ওপৰত নিৰ্ভৰ কৰে সেয়ে ঋকক সামৰ যোনি বা মূল বোলা হৈছে। সচৰাচৰ কেইটামান ঋক নিৰ্দিষ্ট সামৰ যোনি বুলি বিবেচিত হয়। ঋক্‌বোৰ আকৌ বিভিন্ন সামগানত ব্যৱহাৰ কৰিবলৈ পাৰি আৰু সেইবাবে পূৰ্বাৰ্চিকৰ ৫৮৫ টা ঋকক দুগুণ সামগীতত গাব পাৰি। এনেদৰে নিৰ্দিষ্ট অনেকবোৰ সাম বিভিন্ন নামেৰে জনা যায় আৰু সিবোৰ একোজন বিশেষ ঋষিৰ নামেৰে জড়িত।

---

১। কেৱল মাথোন ষষ্ঠ প্ৰপাঠকত নটা দশতি আছে।

২। দশতিবোৰৰ সকলোটিতে ১০টা মন্ত্ৰ নাই। কৰবাত দহৰ অধিক, কৰবাত ১০তকৈ কম মন্ত্ৰ আছে।

অৰ্থাৎ সামবোৰৰ দ্ৰষ্টা ঋষিৰ নাম পৰম্পৰাগতভাৱে পোৱা যায়। সামৱেদীয় ব্ৰাহ্মণত (ঋগ্বেদীয় ব্ৰাহ্মণতো) সামবোৰৰ কাৰ্যকৰী গুণাগুণ আৰু সিবোৰ দৃষ্ট হোৱাৰ গুৰিত থকা 'পুৰাকল্প' পঢ়িবলৈ পোৱা যায়। সিবোৰৰ ভিতৰত দুটা উৎকৃষ্ট সাম হৈছে 'বৃহৎ' আৰু 'ৰথন্তৰ', দুয়োটিৰে দ্ৰষ্টা ঋষিক্ৰমে ভৰদ্বাজ বাৰ্হস্পত্য আৰু বসিষ্ঠ মৈত্ৰাৱৰুণি। তাতে আকৌ বৃহৎসামৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদন কৰি ভগৱান শ্ৰীকৃষ্ণই গীতাত কৈছে :

'বৃহৎসাম তথা সাম্নাং গায়ত্ৰী ছন্দসামহম্।'[১]

উদ্গাতা হ'ব খোজাজনে সামবোৰ কণ্ঠস্থ কৰি সমস্ত সংহিতা—ঋচবোৰৰ ক্ৰম অনুসৰি শিকিব লাগে। পূৰ্বাৰ্চিকৰ সামগান জনাৰ বাবে উত্তৰাৰ্চিকৰ স্তোত্ৰবোৰো যথাযথভাবে শিকিব লাগে।

সংহিতাৰ দুয়োটা আৰ্চিকতে মৌখিকভাৱে প্ৰচলিত পাঠ লিপিৱদ্ধৰূপত পালেও ইয়াৰ-সৈতে আকৌ কেতবোৰ 'গান' বা গীতৰ পুথিও মুখে মুখে প্ৰচলিত আছিল। তাত গানবোৰ গোৱাৰ সময়ত হোৱা পৰিবৰ্তন 'স্তোভ' সন্নিৱিষ্ট আছিল। ঋকবোৰ সামগানলৈ পৰিবৰ্তিত হওঁতে অক্ষৰৰ বৃদ্ধি, পুনৰুক্তি শব্দভঙ্গ, 'হোয়ি', 'হুৱ' 'হোই' আদি অৰ্থহীন ধ্বনিৰ আন্তঃসংযোগ কৰিবলগীয়া হয়। এনেদৰে পদৰ পদস্তোভ, বাক্যস্তোভ আদি সাধিত হয়।

**গানসমূহ :** সামগানৰ পৰম্পৰাত চাৰিখন 'গান' গ্ৰন্থ হাত বাগৰি আহিছে। তাৰে প্ৰথম হৈছে **গ্ৰামগেয় গান**। এইবোৰ গাৱঁত গাব পৰা গান। এয়া পূৰ্বাৰ্চিকৰ লগৰীয়া। ইয়াত সোতৰটা প্ৰপাঠক আছে। ইয়াৰ সামবোৰ পূৰ্বাৰ্চিক অনুযায়ী সজ্জিত।

দ্বিতীয় গান গ্ৰন্থ **'আৰণ্যগান'** বা **'আৰণ্যগেয়গান'**। ইও পূৰ্বাৰ্চিকৰ সহযোগী পুথি। ইয়াৰ গানবোৰ সাধাৰণ লোকৰ শ্ৰৱণীয় নহয়; ইবোৰ গান তেওঁলোকৰ বাবে বিপদজ্জনক আৰু ৰহস্যময়। সেয়ে ইবোৰ মৰুভূমি বা অৰণ্যতহে গোৱা নিয়ম। ইয়াত ছটা প্ৰপাঠক আছে।

তেনেদৰে **উহ** আৰু **উহ্যগান** নামে দুখনপুথি উত্তৰাৰ্চিকৰ সহযোগীৰূপে পোৱা হয়। ইয়াৰে আকৌ উহগানৰ গামগেয়ৰে, আৰু উহ্যগানৰ আৰণ্যগেয়ৰে সম্পৰ্ক আছে। কাৰণ উহগানত গ্ৰামগেয়গানৰ ক্ৰম আৰু উহ্যগান আৰণ্যগেয় গানৰ ক্ৰম নিৰ্দিষ্ট আছে। উহ আৰু উহ্যগানত ক্ৰমে তেইশ আৰু ছটা প্ৰপাঠক আছে।

**ৰাণায়নীয় শাখা :** এই শাখাৰ প্ৰচলন মহাৰাষ্ট্ৰত কেনেভাবে আছে জনা নাযায়। কিন্তু কৌথুম সংহিতাৰে ৰাণায়ণীয় সংহিতাৰ বিশেষ অমিল নাই।[১]

**জৈমিনীয় শাখা :** তালৱকাৰ বা জৈমিনীয় সংহিতা আৱিষ্কাৰ কৰে বাৰ্ণলে,

১। গীতা ১০,৩৫।

১। Caland : Introduction, Pancavimsa Brahmana, Calcutta, 1931, p. viii ; Gonda : Vedic Literature, P. 318.



তামিলনাডু আৰু কেৰেলাত। কৌথুমেৰে ইয়াৰ পাঠৰ অমিল আছে। পূৰ্বাৰ্চিকৰ তুলনাত উত্তৰাৰ্চিকৰ অমিল সৰহ। বিশেষতঃ ঋক সজোৱা ক্ৰমত অমিল আছে। জৈমিনীয় উত্তৰাৰ্চিকত ১৮৪ টা ঋক কম আছে। কৌথুম সংহিতাৰ গ্ৰামগেয়গান আৰু আৰণ্যগেয়-গানত পোৱা ২৭২২ বিষয়ৰ সলনি জৈমিনীয় গ্ৰামগেয় গানত আৰু আৰণ্যগেয়গানত মুঠত ৩৬৮১ টা বিষয় আছে। পূৰ্বতে অনুপলব্ধ উহ আৰু উহ্য গান দুখন পিছত কেৰেলাৰ নাম্বুদিবিপদ ব্ৰাহ্মণসকলৰপৰা উদ্ধাৰ কৰা হৈছে। এই শাখা সম্বন্ধে ইয়াতকৈ অধিক জনা নাযায়।

জৈমিনীয় গ্ৰামগেয় আৰু আৰণ্যগেয়- গানত ৩৬৮১ বিষয় আছে। পূৰ্বতে অনুপলব্ধ উহ আৰু উহ্য গান দুখন পিছত নাম্বুদিৰি ব্ৰাহ্মণসকলৰপৰা উদ্ধাৰ কৰা হৈছে।[১] এই শাখা সম্বন্ধে ইয়াতকৈ অধিক কথা জনা নাযায়।

**সামৰভাগ বা অংশ :** সামন্ সম্বন্ধে আৰু কিছু জ্ঞাত তথ্যৰ সমাৱেশ হ'লে দোষ নহ'ব চাগে। সামৰ পাঁচটা ভাগ : (ক) হিঙ্কাৰ, (খ) প্ৰস্তাৱ, (গ) উদ্গীথ, (ঘ) প্ৰতিহাৰ আৰু (ঙ) নিধন। (ক) 'হুম্' অক্ষৰ গাই প্ৰস্তোতাই স্তুতি আৰম্ভ কৰাকেই প্ৰস্তাৱ বোলে। (খ) উদ্গাতাই 'ওম্' বুলি গোৱা অংশক উদ্গীথ বোলে। (গ) প্ৰতিহৰ্তাই 'হুম' বুলি গীতত ভাগলোৱা অংশ প্ৰতিহাৰ। ইয়াৰ দুটা ভাগ থাকে : তাৰে (ঘ) উপদ্ৰৱ অংশটো হ'ল উদ্গাতাই গোৱা উদ্গীথাংশৰ শেষ অক্ষৰ দুটালৈ। (ঙ) ওম্ বুলি তিনিওজন ঋত্বিকে গোৱা অংশকে নিধন বোলে। ঋগ্বেদৰ ৬।১৬।১০ মন্ত্ৰ বা সামৱেদৰ প্ৰতীক মন্ত্ৰটোৰে ইয়াৰ উদাহৰণ এনেদৰে দিব পাৰি। মন্ত্ৰটো :

অগ্ন আ য়াহি ৱীতয়ে<br>
গৃণানো হব্য দাতয়ে।<br>
নিহোতা সৎসি বৰ্হিষি ॥

সামগানত ইয়াৰ স্বৰ হ'ব এনে :

হুম্ ও অগ্ন ই (প্ৰস্তাৱ)<br>
ওম্ আ য়াহি ৱীতয়ে গৃণানো হব্যদাতয়ে (উদ্গীথ)<br>
নিহোতা সৎসি বৰ্হিষি ওম্ (প্ৰতিহাৰ)।

শেষাংশক আকৌ ভাগ কৰিলে এনে হ'ব :

নিহোতা সৎসি ব (উপদ্ৰৱ)<br>
ৰ্হিষি ওম্ (নিধন)।

## যজুৰ্বেদ সংহিতা

ঋগ্বেদ আৰু সামৱেদৰ লগতে যজুৰ্বেদক সামৰি লৈ 'ত্ৰয়ী', 'ৱেদত্ৰয়' বা 'ত্ৰৈবিদ্যা' সংগঠিত হৈছে। জৈমিনীয়ে ঋক্ আৰু সামৰ লক্ষণ দি উঠি অৱশিষ্ট মন্ত্ৰভাগক 'যজুস্'

১। গোণ্ডা—Vedic Literature, p 320.

বুলি কৈছে: 'শেষে যজুঃশব্দঃ'। ঋঙ্মন্ত্ৰবোৰ ছন্দোবদ্ধ, সামবোৰ ছন্দোবদ্ধ আৰু গানময়। 'যজুস্' মন্ত্ৰবোৰ ঘাইকৈ গদ্যময় যদিও ঋঙ্মন্ত্ৰাদিৰ মিশ্ৰণ সততে চকুত পৰে। ভাৰতীয় গদ্যসাহিত্যৰ প্ৰথম প্ৰতিভূৰূপে যজুস্ মন্ত্ৰবোৰৰ স্বকীয়া বৈশিষ্ট্য আছে। এয়া ব্ৰাহ্মণৰ গদ্যৰ পুৰোগ বুলি ক'লেও হয়। সেয়ে 'অনিয়তাক্ষৰাৱসানো যজুঃ', 'গদ্যাত্মকো যজুঃ' আদি যজুৰ্লক্ষণ বুলি কোৱা হৈছে।

যজুস্ শব্দৰ অৰ্থ পূজা আৰু যজ্ঞকৰ্ম। যাগ-যজ্ঞত ঋঙ্মন্ত্ৰেৰে দেৱতাক আহ্বান কৰা হয় আৰু আৱাহিতা দেৱতাৰ সন্তুষ্টিবিধানৰ কাৰণে সামমন্ত্ৰ বা গানসমূহ ৱিৱিধৰূপে গোৱা হয়। যজুৰ্মন্ত্ৰৰ সহায়ত অধ্বৰ্য্যুৱে আৱাহিত দেৱতাক উদ্দেশ্য কৰি আহুতি আদি অগ্নিত অৰ্পণ কৰে। কিটো যজ্ঞত কোন কোন দেৱতাৰ মন্ত্ৰ ব্যৱহাৰ কৰা হয়, তাৰ ৱিধি যজুৰ্ৱেদত পোৱা যায়। যিহেতু অধ্বৰ্য্যু নামে ঋত্বিকে যজুৰ্ৱেদৰ মন্ত্ৰবোৰৰ যাজ্ঞিক ব্যৱহাৰ কৰে সেইবাবে এইৱেদক 'আধ্বৰ্য্যৱ' বা 'অধ্বৰ্য্যুৱেদ বুলিও কোৱা হয়।

**যজুৰ্ৱেদৰ দুটা ভাগ:** কৃষ্ণ আৰু শুক্ল অনুসাৰে যজুৰ্ৱেদৰ ভাগ দুটা। কৃষ্ণ যজুৰ্ৱেদক শুক্ল যজুৰ্ৱেদতকৈ প্ৰাচীন বুলি জনা যায়। এই ৱেদৰ এই দুই ভাগ কেনেকৈ হ'ল তাক ব্যাখ্যা কৰিবলৈ বায়ু আৰু বিষ্ণু পুৰাণত এক উপাখ্যান কথিত হৈছে। উপাখ্যানটিৰ সাৰাংশ এনেকুৱা: ৱেদৰ প্ৰচাৰ, প্ৰসাৰ আৰু সংৰক্ষণৰ উদ্দেশ্য লৈ ৱেদব্যাসে যেতিয়া ৱেদবিভাজন কৰিলে তেতিয়া বৈশম্পায়নৰ ওপৰতে যজুৰ্ৱেদৰ সুৰক্ষাদিৰ দায়িত্ব পৰিল। তেওঁ সম্যকভাৱে যজুৰ্ৱেদ আয়ত্ব কৰি তাৰ প্ৰচাৰ আৰু প্ৰসাৰত মন দিলে। যাজ্ঞৱল্ক্য প্ৰভৃতি যিসকল শিষ্যই তেওঁৰ ওচৰত ৱিদ্যা গ্ৰহণ কৰিছিল, কালক্ৰমত তেওঁলোকে যজুৰ্ৱেদ আয়ত্ব কৰিলে। এবাৰ ঋষি বৈশম্পায়নে মেৰু পৰ্বতত অনুষ্ঠিত ঋষি সভাত কোনো কাৰণত উপস্থিত থাকিবলৈ নোৱৰাত ব্ৰহ্মহত্যাজনিত পাপ হোৱাৰ ভয়ত তেওঁ কোনশিষ্যই তপস্যা কৰি তেওঁক সেই সাম্ভাৱ্য পাপৰপৰা উদ্ধাৰ কৰিবলৈ পাৰিব সুধিলে। তেতিয়া সকলোটি ছাত্ৰই একে ইচ্ছা প্ৰকাশ কৰিলেও যাজ্ঞৱল্ক্যই নদি তেৱেঁ হে অকলে গুৰুক প্ৰত্যৱায়ৰপৰা বচাবলৈ সক্ষম, আনসকল হীনৱীৰ্য আৰু অক্ষম বুলি ক'লে। তাতে গুৰু বৈশম্পায়নে খং খালে আৰু যাজ্ঞৱল্ক্যক দম্ভকৰা বুলি যজুৰ্ৱেদৰ জ্ঞানৰপৰা বঞ্চিত কৰিলে। গুৰুৰ আজ্ঞামতে তেওঁ অধীত ৱেদ বতিয়াই উলিয়াই দিবলগীয়া হ'ল আৰু আনসকল শিষ্যই সেই উদ্গীৰ্ণৱেদ তিত্তিৰি চৰাই হৈ গ্ৰহণ কৰিলে। আনে বতিয়াই দিয়া বস্তু অশুচি সেয়ে এনেদৰে 'তিত্তিৰ' হৈ গৃহীত ৱেদক 'কৃষ্ণ' বুলি কোৱা হ'ল, আৰু তিত্তিৰি হৈ গ্ৰহণ কৰা বাবে তাৰ সংহিতা ভাগক তৈত্তিৰীয়-সংহিতা আখ্যা দিয়া হ'ল।

**শুক্লযজুৰ্ৱেদৰ জন্ম:** ৱেদৱিদ্যাৰপৰা বঞ্চিত হৈ যাজ্ঞৱল্ক্য বিমৰিষ হ'ল। তেওঁ পুনশ্চ তেনে এক ৱিদ্যাৰ অধিকাৰী হ'বলৈ চিন্তাকুল হৈ থাকোঁতে তেওঁৰ মনত খেলালে যে 'এই স্বপ্ৰভাযুক্ত প্ৰকাশমান সূৰ্য্য পুৱাবেলা ঋগ্বেদেৰে বিভূষিত হৈ আকাশত উদিত হয়, দুপৰীয়াবেলা যজুৰ্ৱেদৰ মাজত অধিষ্ঠান কৰে আৰু সন্ধ্যাবেলা সামৱেদেৰে পূজিত হয়;' দেৱ ৱেদশূন্য কদাপি নহয়।



ঋগ্ভিঃ পূৰ্বাহ্নে দিৱি দেৱ ঈয়তে যজুৰ্ৱেদে তিষ্ঠতি মধ্যে অহ্নঃ।
সামৱেদনাস্তসময় মহীয়তে ৱেদৈৰশুন্যস্ত্ৰিভিৰ্বৈতি দেৱঃ॥

এনেদৰে চিন্তাকৰি তেওঁ সূৰ্য্যৰ ওচৰত ৱেদশিক্ষা লাভ কৰিবলৈ সজ সংকল্প ল'লে। তেওঁ সূৰ্য্যৰ স্তৱ কৰিবলৈ ধৰিলে:

'নমঃ সৱিত্ৰে দ্বাৰায় বিমুক্তেঃ সিততেজসে।
ঋগ্যজুঃসামভূতায় ত্ৰয়ীধামৱতে নমঃ॥
নমোঽগ্নীষোমভূতায় জগতঃ কাৰণাত্মনে।
ভাস্কৰায় পৰং তেজঃ সৌষুম্নমুৰু বিভ্ৰতে॥
ইত্যাদি। বি. পু. ৩।৫।১৫-১৬

যাজ্ঞৱল্ক্যৰ স্তুতিত প্ৰসন্ন হৈ ছদ্মৱেশে আহি সূৰ্যদেৱে যাজ্ঞৱল্ক্যক ৱেদ অধ্যাপনা কৰিলে। যাজ্ঞৱল্ক্যই এনেদৰে সূৰ্য্যৰপৰা লাভ কৰা সংহিতাক শুক্লযজুৰ্ৱেদ বা ৱাজসনেয়ী সংহিতা বুলি কোৱা হয়। ৱাজ শব্দৰ অনেক অৰ্থ, যেনে অন্ধস্, পয়স্, শ্ৰৱস্, অৰ্ক ইত্যাদি অন্নৰ পৰ্যায়বাচক। (নি. ২।৭ দ্ৰ.)। নিঘণ্টুত 'সনি' শব্দ কোন পৰ্য্যায়ত তাক নিৰ্দেশ নকৰিলেও, ই ধনৰ পৰ্যায়বাচক যে তাত সন্দেহ নাই। 'ৱাজ' মানে সূৰ্য্যৰ ৰশ্মি অথবা 'অন্ন', 'সনি' মানে ধন-সম্পদ; গতিকে সূৰ্য্যৰ শুভ্ৰ কিৰণৰপৰা শ্ৰেষ্ঠ ধন-সম্পদৰূপে যি ৱেদ প্ৰকাশ পাইছিল সেইৱেদৰ নাম ৱাজসনেয়ী সংহিতা বা শুক্লযজুৰ্ৱেদ। অথবা, অন্নধন যাৰ আছে তেওঁ ৱাজসনি। যাজ্ঞৱল্ক্যৰ প্ৰচুৰ অন্নধন থকা হেতুকে তেওঁৰ 'ৱাজসনি' নাম হৈছিল। সেই কাৰণে তেওঁৰদ্বাৰা লব্ধ বা দৃষ্ট যজুৰ্ৱেদৰ নাম 'ৱাজসনেয়ী সংহিতা হ'ল।'[১] ব্ৰহ্মাণ্ড পুৰাণত ঘোঁৰাৰ ৰূপ ধৰি মাৰ্তণ্ডৰপৰা যাজ্ঞৱল্ক্যই পোৱা সংহিতাক ৱাজসনেয়ী সংহিতা[২] বুলি কোৱা হৈছে।

**কৃষ্ণত্ব আৰু শুক্লত্বৰ অন্য ব্যাখ্যা:**— তৈত্তিৰীয় আদি কৃষ্ণ যজুৰ্ৱেদৰ মন্ত্ৰভাগলৈ চকু দিলে দেখা যাব যে তাত মন্ত্ৰ আৰু ব্ৰাহ্মণৰ সংমিশ্ৰণ চকুত পৰে। কৃষ্ণ শব্দৰ অন্য এক অৰ্থ মিশ্ৰ। মন্ত্ৰ আৰু ব্ৰাহ্মণৰ মিশ্ৰণ হোৱা বাবেই তৈত্তিৰীয় আদি সংহিতাক কৃষ্ণ যজুৰ্ৱেদ বোলা হয়। আনহাতে ৱাজসনেয়ী সংহিতাত কেৱল মন্ত্ৰহে সংকলিত হৈছে, ব্ৰাহ্মণৰ মিশ্ৰণ ঘটা নাই; সেয়ে ই শুক্ল (বা অবিমিশ্ৰ) নাম পাইছে। শুক্ল মানে শুদ্ধও। গতিকে বিশুদ্ধ যজুৰ্মন্ত্ৰৰ সংকলনক শুক্ল যজুৰ্ৱেদ বোলে।

**যজুৰ্ৱেদৰ শাখা:** শৌনকে চৰণব্যূহত কৃষ্ণ যজুৰ্বেদৰ ৮৬ ভেদ বুলি কৈছে। সম্প্ৰতি সিবোৰৰ মাজৰপৰা কঠ, কঠ-কপিষ্ঠল, মৈত্ৰায়ণীয় আৰু তৈত্তিৰীয় সংহিতাহে পোৱা যায়। আনবোৰ সংহিতা লুপ্ত হৈছে। আনাহাতে শুক্ল-যজুৰ্বেদৰ পোন্ধৰটা শাখাৰ ভিতৰত অকল কান্ব আৰু মাধ্যন্দিন শাখা দুটাহে বৰ্তি আছে।

---

১। যোগীৰাজ বসু, ৱেদৰ পৰিচয়, পৃ. ৪৩।
২। ব্ৰহ্মাণ্ড পুৰাণ: অশ্বৰূপায় মাৰ্তণ্ডো যাজ্ঞৱল্ক্যায় ধীমতে।
যজুংষ্যধীয়তে তানি ব্ৰাহ্মণ যেন কৈনচিৎ॥
অশ্বিৰূপায় দত্তানি ততস্তে ৱাজিনোঽভৱৎ॥ ২।৩৫।২৬

এসময়ত পঞ্জাব আৰু কাশ্মীৰত কঠ আৰু কপিষ্ঠলৰ প্ৰচলন আছিল যদিও সম্প্ৰতি তাত কঠৰহে প্ৰচলন আছে। মৈত্ৰায়ণী শাখা মহাৰাষ্ট্ৰত প্ৰচলিত আছিল। তৈত্তিৰীয় শাখাৰ বহুল প্ৰচলন দাক্ষিণাত্যত বৰ্ত্তমান। শুক্ল যজুৰ্বেদৰ মাধ্যন্দিন শাখাৰ প্ৰচলন অঙ্গ-বঙ্গ, কাণ্যকুব্জ আৰু গুজৰাটত আছিল। অসমত কান্ব শাখাৰ প্ৰচালন অধিক দেখা যায়।

**কৃষ্ণ যজুৰ্বেদ :** কৃষ্ণ যজুৰ্বেদৰ তৈত্তিৰীয় শাখাৰ প্ৰসিদ্ধি সবাতোকৈ বেছি। এই সংহিতাৰসৈতে ব্ৰাহ্মণ, আৰণ্যক। উপনিষদ, চাৰি প্ৰকাৰৰ সূত্ৰ, শিক্ষাদি বেদাঙ্গ অটুট আছে। শৌনকৰ চৰণব্যূহত তৈত্তিৰীয় সংহিতাৰ বিভাজন, মন্ত্ৰৰ সংখ্যা, অক্ষৰ পৰিমাণ আদিৰ যথাৰ্থ হিচাপ পোৱা যায়। তৈ০ সংহিতা ৭ কাণ্ডত বিভক্ত; প্ৰতিকাণ্ড প্ৰপাঠকত বিভক্ত; প্ৰতি প্ৰপাঠক অনুবাকত, অনুবাক কণ্ডিকাত বিভক্ত। গতিতে ৭ কাণ্ডত মুঠতে ৪৪ প্ৰপাঠক, ৬৪৪ অনুবাক, আৰু ২১৮৪ কণ্ডিকা আছে। মন্ত্ৰৰ সংখ্যা ১৯০০।

তৈত্তিৰীয় সংহিতাত গুৰিৰেপৰা ইষ্টিযাগৰ প্ৰকৃতি স্বৰূপ দৰ্শপৌৰ্ণমাসৰ বৰ্ণনা আছে। দৰ্শৰ অৰ্থ অমাৱস্যা আৰু পূৰ্ণমাসৰ অৰ্থ পূৰ্ণিমা। কোৱা হৈছে 'দৰ্শঃ সূৰ্যেন্দুসঙ্গমঃ'—সূৰ্য-চন্দ্ৰৰ সংযোগেই দৰ্শ বা অমাৱস্যা। এনে দিনত অনুষ্ঠিত ইষ্টিয়েই দৰ্শেষ্টি। পূৰ্ণিমাত অনুষ্ঠিত ইষ্টি পৌৰ্ণমাসেষ্টি। এনে ইষ্টিত আধ্বৰ্যৱ, যাজমান আৰু হৌত্ৰ-এই তিনিবিধ মন্ত্ৰ ব্যৱহৃত হয়। এই সংহিতাৰ আদিতে থকা 'ইষে ত্বা……' প্ৰভৃতি আধ্বৰ্যৱ মন্ত্ৰ, 'সং ত্বা সিঞ্চামি'…আদি যাজমান মন্ত্ৰ আৰু 'সত্যং প্ৰপদ্যে' আদি হৌত্ৰ মন্ত্ৰ।

'কাণ্ডানুক্ৰমণিকা' মতে এই সংহিতাত পৃথক পৃথক কৰ্ম সম্বন্ধীয় ৪৪ কাণ্ড ( প্ৰকৃততে প্ৰপাঠক ? ) ৰ নাম পোৱা যায়। তাৰে নটা প্ৰজাপতি কাণ্ড, নটা সোম কাণ্ড, সাতটা অগ্নিকাণ্ড, ষোলটা বিশ্বেদেৱা কাণ্ড আছে। তাৰে লগতে 'শং নো মিত্ৰ শং বৰুণঃ' ইত্যাদিৰে ঋষিকাণ্ড, 'অন্তস্থ পাৰে' ইত্যাদিৰে যাজ্ঞিকী উপনিষদ বা যাজ্ঞিকী কাণ্ড, শেষত "ওঁ সহনাববতু সহ নৌ ভুনক্তু' ইত্যাদিৰে বাৰুণী উপনিষদ বা বাৰুণী কাণ্ড পোৱা যায়।

**মৈত্ৰায়ণী সংহিতা**—এই সংহিতাও গদ্য-পদ্যাত্মক। ই চাৰিকাণ্ডত বিভক্ত। প্ৰথম বা আদিম কাণ্ডৰ এঘাৰটা প্ৰপাঠকত দৰ্শপৌৰ্ণ মাস, অধ্বৰ আধান, পুনৰাধান, চাতুৰ্মাস্য আৰু বাজপেয় বৰ্ণিত হৈছে। দ্বিতীয় বা মধ্যম কাণ্ডৰ তেৰটা প্ৰপাঠকত কাম্যেষ্টি, ৰাজসূয় আৰু অগ্নিচিতিৰ বৰ্ণনা আছে। তৃতীয় বা উপৰি কাণ্ডৰ ষোলটা প্ৰপাঠকত আছে অগ্নিচিতি, অধ্বৰবিধি, সৌত্ৰামণি আৰু অশ্বমেধৰ বিস্তৃত বৰ্ণনা। চতুৰ্থ বা খিলকাণ্ডৰ প্ৰপাঠকত ৰাজসূয় আদি যজ্ঞৰ বাবে প্ৰয়োজনীয় সামগ্ৰী সংগ্ৰহৰ কথা আছে। ইয়াৰ মুঠ মন্ত্ৰসংখ্যা ২১৪৪ ; তাৰে ৪১৯ ঋগ্বেদৰপৰা আহৃত।

**কাঠক সংহিতা :** ই পাঁচ কাণ্ডাত্মক। ইবোৰ ক্ৰমে ইঠিমিকা, মধ্যমিকা, ওৰিমিকা, যাজ্যানুবাক্যা আৰু অশ্বমেধাদি অনুবাদ কাণ্ড নামে জনাজাত। কাণ্ডৰ অবান্তৰ ভাগক 'স্থানক' বোলা হৈছে। কাঠক-সংহিতাত মুঠ ৪০ স্থানক, ১৩ অনুবচন, ৮৪৩ অনুবাক, ৩০৯১ টা মন্ত্ৰ আৰু ১৮০০০ ব্ৰাহ্মণ আছে।

প্ৰথম কাণ্ডৰ ১৮ স্থানকত পুৰোডাশ, অধ্বৰ, পশুবন্ধ, বাজপেয়, ৰাজসূয়ৰ বৰ্ণনা আছে।



২য় কাণ্ডৰ ১২ স্থানকত সাৱিত্ৰী, পঞ্চচূড়, স্বৰ্গ, দীক্ষিত, আয়ুষ্য আদিৰ আলোচনা আছে। ৩য় কাণ্ডৰ ১০ টা স্থানকত পুৰোডাশ ব্ৰাহ্মণ, যজমান ব্ৰাহ্মণ, সত্ৰ, প্ৰায়শ্চিত্তি, চাতুৰ্মাস্য, সত্ৰ আৰু সৌত্ৰামণীৰ বৰ্ণনা আছে। ৪ৰ্থ কাণ্ডতো একে বিষয়ে ব্যাপ্তি লাভ কৰিছে। ৫ম কাণ্ডত অনুবচন সংকলিত হৈছে। এই সংহিতাতো গদ্য-পদ্যৰ সংমিশ্ৰণ হৈছে।

**কপিষ্ঠল-কঠ সংহিতা :** ঋগ্বেদৰ দৰে এই সংহিতা অষ্টক আৰু অধ্যায়ত বিভক্ত। সংহিতাখন সম্পূৰ্ণকৈ পোৱা হোৱা নাই। প্ৰথমাষ্টক সম্পূৰ্ণ আঠ অধ্যায়ত বিভক্ত। ২য় আৰু ৩য় অষ্টকত প্ৰাপ্ত ৯—২৪ অধ্যায়লৈ অসম্পূৰ্ণ। ৪ৰ্থ অষ্টকৰ ৩২ শ অধ্যায়টি এৰি অন্য সাতটা অধ্যায় পোৱা গৈছে। ইয়াৰে ২৭ শ অধ্যায়টো ৰুদ্ৰাধ্যায় নামে জনাজাত। ৫ম কাণ্ডৰ ৩৩শ অধ্যায় এৰি অন্য সাত অধ্যায় উপলব্ধ হৈছে। ৬ষ্ঠ অষ্টকৰ ৪৩ শ অধ্যায় এৰি সাত অধ্যায় পোৱা গৈছে। ৪৮ শ অধ্যায়তে সমাপ্ত। প্ৰাপ্ত পাঠ্যখিনিও নিখুঁত নহয়।

## শুক্লযজুৰ্বেদ

যজুৰ্বেদৰ সম্প্ৰদায় দুটা—(১) ব্ৰহ্মসম্প্ৰদায় আৰু (২) আদিত্য সম্প্ৰদায়। শতপথ ব্ৰাহ্মণৰ মতে শুক্লযজুৰ্বেদক আদিত্য যজুস্ বুলিও কোৱা হয়। যাজ্ঞৱল্ক্যই কিদৰে শুক্লযজুৰ্বেদ আদিত্যৰপৰা আহৰণ কৰিছিল তাক আগত কৈ অহা হৈছে। ইয়াৰ বিপৰীতে কৃষ্ণযজুৰ্বেদক ব্ৰহ্ম সম্প্ৰদায় বুলি কোৱা হয়।

পূৰ্বতে যদিও শুক্লযজুৰ্বেদৰ পোন্ধৰটা শাখাৰ উল্লেখ কৰি অহা হৈছে, তাৰ মাজৰ মাত্ৰ দুটা শাখাৰ দুই সংহিতা, ব্ৰাহ্মণ, আৰণ্যক—উপনিষদ আদি পোৱা গৈছে। শুক্লযজুৰ্বেদক ৱাজসনেয়ী সংহিতা বোলে। তাৰ দুই শাখা হৈছে : (১) মাধ্যন্দিন[1] আৰু (২) কান্ব[2]। ৱাজসনেয়ী সংহিতাত চল্লিশটা অধ্যায় আছে, তাৰে শেষৰ পোন্ধৰ অধ্যায়ক খিল বা অতিৰিক্ত পৰিশিষ্ট বুলি কোৱা হয়। ইয়াৰে প্ৰতিটো অধ্যায় কেতবোৰ অনুৱাকত বিভক্ত আৰু প্ৰত্যেকটো অনুৱাক আকৌ কেতবিলাক কণ্ডিকাত বিভক্ত। গতিকে এই সংহিতাত সৰ্বমুঠ চল্লিশটা অধ্যায় আছে, তিনিশ তিনিটা ( ৩০৩ ) অনুৱাক আছে আৰু এহেজাৰ ন শ পোন্ধৰটা ( ১৯:৫ ) কণ্ডিকা আছে। এই সংহিতাৰ বিষয়বস্তুৰ সাধাৰণ পৰিচয় এটা চমুকৈ তলত দিয়া হ'ল :

আৰম্ভণিৰ দুই অধ্যায়ত দৰ্শ পূৰ্ণমাসেষ্টি যাগ আৰু ইয়াত ব্যৱহৃত মন্ত্ৰবোৰ পোৱা যায়। দ্বিতীয়টো অধ্যায়ত পিণ্ড-পিতৃযজ্ঞৰ বিষয়েও কোৱা হৈছে। দেৱকাৰ্য যাগাদিৰ আগতে পিতৃ-শ্ৰাদ্ধাদি বিহিত, আৰু পিণ্ড-পিতৃযজ্ঞ শ্ৰাদ্ধাদিৰ পূৰ্বৰূপ। তৃতীয় অধ্যায়ত অগ্ন্যাধানসহ

১। স°ওৱেবাৰ, ( বাৰ্লিন-লণ্ডন ), ১৮৫২ ; পঞ্চীকাৰ, বোম্বে, ১৯১২ ; ১৯২৯ ; শকলমিশ্ৰ, বেনাৰস, ( টীকাসহ ), ১৯১২-১৫ ; সাতাৱলেকৰ, পাৰ্ডি, ১৯৫৭ ; জগদীশ শাস্ত্ৰী ( ওৱট-মহীধৰভাষা ), দিল্লী, ১৯৭১ ; ১৯৭৮।

২। স°ওৱেবাৰ, লণ্ডন, ১৮৫২ ; সাতাৱলেকাৰ, ঔন্ধ, ১৯৪০।

অগ্নিহোত্ৰ আৰু চাতুৰ্মাস্য যাগৰ বাবে প্ৰয়োজনীয় মন্ত্ৰবোৰ সন্নিৱিষ্ট হৈছে। চতুৰ্থ অধ্যায়ৰ-পৰা অষ্টম অধ্যায়লৈকে পাঁচ অধ্যায় ব্যাপি সোমযাগৰ প্ৰকৃতি অগ্নিষ্টোম বা জ্যোতিষ্টোম সোমযাগৰ বৰ্ণনা কথিত হৈছে। নৱম অধ্যায়ত আৰু দশম অধ্যায়ত বাজপেয় আৰু ৰাজসূয় যজ্ঞ ক্ৰমশঃ বৰ্ণিত হৈছে। দশম অধ্যায়ত সৌত্ৰামনীৰ তথ্যয়ো ঠাই পাইছে। ইয়াৰ পৰবৰ্তী আঠ-অধ্যায়ত ( ১১—১৮ অধ্যায়ত ) 'অগ্নিচয়নবিধি' বিস্তাৰিতভাৱে কোৱা হৈছে। হোমাগ্নিৰ বাবে বেদী নিৰ্মাণৰ প্ৰথা আৰু পদ্ধতি বিস্তৃত ভাৱে ইয়াত দিয়া হৈছে। বেদী ৰচনাৰ বাবে ১০৮০০ টুকুৰা বিশেষ জোখৰ ইটা লাগে। গাৰ্হপত্য অগ্নিৰপৰা কিদৰে উল্মুক ( উকা ) জলাই যজ্ঞশালালৈ অনা হয় আৰু আহৱনীয় প্ৰভৃতি অগ্নি প্ৰজ্বালন কৰা তাকো বিৱৰি কোৱা হৈছে।

ইয়াৰ মাজতে ষোড়শ অধ্যায়ত শতৰুদ্ৰীয় হোমৰ প্ৰসঙ্গও আছে। এই সম্বন্ধে-গোণ্ডাই[1] লিখিছে: "Among these is the Satarudriya (XVI), a litany accompanying no less than 425 oblations and addressed to the hundred forms and powers of the god Rudra, an early instance of the well-known Indian enumerations of divine names the recital of which is considered most effective as a means of compelling a god to fulfill wishes and meritorious as a work of devotion and a method entering into spiritual contact with a deity."

অষ্টাদশ অধ্যায়টোত 'বসোৰ্ধাৰা' সম্বন্ধীয় মন্ত্ৰসমূহ একত্ৰিত কৰা হৈছে। ইয়াৰ পৰবৰ্তী তিনিটা অধ্যায়ত ( ১৯-২১ অধ্যায়ত ) সৌত্ৰামনী যজ্ঞৰ বিধি নিৰ্দ্দিষ্ট হৈছে। ইয়াৰে উপাখ্যান বিশেষত কোৱা হৈছে যে অধিক সোম পান কৰাৰ ফলত ইন্দ্ৰৰ ৰোগোপন্ন হয়। তেতিয়া অশ্বিদ্বয়ে সৌত্ৰামনী যাগেৰে ইন্দ্ৰৰ ৰোগ গুচায়। যিজন ৰজাৰ ৰাজ্যনাশ হয়, যিজন যজমানে পশুধন বাঞ্ছা কৰে বা যিজনে সোমৰসৰ আনুকুল্য লাভ কৰা নাই তেনে ৰজা বা যজমানৰ বাবে এই যাগ বিহিত হৈছে। এই যজ্ঞত সোমৰসৰ উপৰিও সুৰাপান বিহিত হোৱাটো ( সৌত্ৰামণ্যাং সুৰাং পিবেৎ ) উল্লেখনীয় কথা।

দ্বাৱিংশতিতম অধ্যায়ৰপৰা পঞ্চৱিংশতিতম অধ্যায়লৈকে এই চাৰি অধ্যায়ত অশ্বমেধ যজ্ঞৰ মন্ত্ৰসমূহৰ সমাৱেশ ঘটিছে। যিজন ৰজাই বা সম্ৰাটে সাৰ্বভৌম অধিকাৰ লাভ কৰিবলৈ ইচ্ছা কৰে বা চক্ৰৱৰ্তী ৰজা হ'ব খোজে তেওঁৰ কাৰণে অশ্বমেধযজ্ঞ বিহিত। ইয়াৰ প্ৰাসংগিক অনুষ্ঠানৰ যথাৰ্থ বিৱৰণ পোৱা যায় শতপথ ব্ৰাহ্মণৰ ত্ৰয়োদশ কাণ্ড আৰু কাত্যায়ন শ্ৰৌতসূত্ৰৰ ৱিংশতিতম অধ্যায়ত। ইয়াৰ প্ৰাসঙ্গিকৰূপে প্ৰাৰ্থনা মন্ত্ৰ (২২) দ্বাৱিংশতিতম অধ্যায়ত আছে :

'আ ব্ৰহ্মন্ ব্ৰহ্মণো ব্ৰহ্মবৰ্চসী জায়মানা ৰাষ্ট্ৰে ৰাজন্যঃ শূৰ ইষৱ্যোঽতিব্যাধী মহাৰথো জায়তাং দোগ্ধ্ৰী ধেনুৰ্বোঢ়ানডবানাশুঃ সপ্তিঃ পুৰন্ধিৰ্যোষা জিষ্ণু ৰথেষ্টাঃ সভেয়ো যুৱাস্য

১। Vedic Literature, p. 329.



যজমানস্য বীৰো জায়তাং নিকামে নিকামে নঃ পৰ্জন্যোৰ্বৰ্ষতু ফলৱত্যো ন ওষধয়ঃ পচ্যন্তাং যোগক্ষেমো নঃ কল্পতাম্ ॥"

অৰ্থ : 'হে ব্ৰহ্মণ, মোৰ দেশত যজ্ঞাধ্যয়নশীল ব্ৰাহ্মণ উৎপন্ন হওক, ওপজক। তেনেদৰে বীৰ, ৰণকুশলী, শত্ৰুসূদন মহাৰথী ৰাজন্যৰ জন্ম হওক। লগতে খীৰতী গাইগৰু, ভাৰবাহী ষাড়গৰু, বেগী ঘোঁৰাও ওপজক। মোৰ দেশতে আকৌ সৰ্বগুণী যুৱতীয়ে জনম লওক। আকৌ ৰথত আৰোহণ কৰি দিগ্বিজয় কৰিবলৈ সক্ষম ডেকাল'ৰাৰ জন্ম হওক। সভাশুৱনি, সভাৰ যোগ্য বীৰপুত্ৰও যজমানৰ ঔৰসত ওপজক। যেনেকৈ কামনা কৰা যায় তেনেকৈয়ে পৰ্জন্য দেৱতাই দেশত বৰষুণ দিয়ক, গছবিৰিখ ফলৰে জাতিস্কাৰ হওক। যজমানে যেন নোপোৱা ফল লাভ কৰে আৰু পোৱা বস্তু ৰক্ষা কৰিবলৈ সক্ষম হয়।'

পাছৰ চাৰিটা অধ্যায়ত ( ২৬-২৯ অধ্যায়ত ) পূৰ্বনিৰ্দিষ্ট অনুষ্ঠানৰ বাবে লাগতিয়াল অতিৰিক্ত নতুন মন্ত্ৰ সন্নিৱিষ্ট হৈছে। ত্ৰিংশত্তম অধ্যায়ত আছে 'পুৰুষমেধ'ৰ বৰ্ণনা। সেই উপলক্ষে ১৮৪ বিধ বস্তুৰ প্ৰতীকাত্মক আলম্ভণৰ উল্লেখ আছে। ভাৰতত প্ৰকৃততে কোনো দিনে পুৰুষমেধ যজ্ঞ হোৱাৰ প্ৰমাণ নাই। এয়া এক কাল্পনিক আৰু প্ৰতীকাত্মক যজ্ঞমাত্ৰ। ( ৩১ ) একত্ৰিংশত্তম অধ্যায়ত সুবিখ্যাত পুৰুষসূক্ত সংকলিত হৈছে। ইয়াত ঋগ্বেদীয় পুৰুষসূক্তৰ ( ১০.৯০ ) তুলনাত ছটা মন্ত্ৰ অধিক আছে। দ্বাত্ৰিংশত্তম আৰু ত্ৰয়ত্ৰিংশত্তম অধ্যায় দুটাত 'সৰ্বমেধ' যজ্ঞৰ মন্ত্ৰ আছে। চতুস্ত্ৰিংশত্তম অধ্যায়ত 'শিৱসংকল্প মন্ত্ৰ' পোৱা যায়। যেনে : ৩৪।৩ মন্ত্ৰ পঢ়ক :

যৎ প্ৰজ্ঞানমুত চেতো ধৃতিশ্চ যজ্জ্যোতিৰন্তৰমৃতং প্ৰজাসু।
যস্মান্ন ঋতে কিঞ্চ ন কৰ্ম ক্ৰিয়তে তন্মে মনঃ শিৱসংকল্পমস্তু ॥

অৰ্থ : প্ৰজাসকলৰ মাজত যি প্ৰজ্ঞান, চেতনা, ধৈৰ্য্য আৰু জ্যোতি অমৃতস্বৰূপ হয়, যাক বাদ দি কোনো কৰ্ম কৰা নহয়, সেয়ে মোৰ মনত সজ সংকল্প হওক।

পঞ্চত্ৰিংশত্তম ( ৩৫ শ ) অধ্যায়ত সন্নিৱিষ্ট হৈছে 'পিতৃমেধ'ৰ মন্ত্ৰবোৰ। পৰৱৰ্তী চাৰিটা অধ্যায়ত ( ৩৬—৩৯ অধ্যায়ত ) প্ৰৱৰ্গ্যযাগৰ বিস্তৃত বিৱৰণ মন্ত্ৰ সমূহত সমাৱিষ্ট হৈছে। এই যাগত ঘৰ্ম প্ৰদান কৰা হয় অশ্বিদ্বয়লৈ।

অন্তিমটো অধ্যায় ( চত্বাৰিংশত্তম ) টো হৈছে বহুবিখ্যাত ঈশাৱাস্য উপনিষদ বা ঈশোপনিষদ্। এয়া একমাত্ৰ মন্ত্ৰোপনিষদৰ উদাহৰণ। একাদশ বা দ্বাদশ প্ৰাচীন উপনিষদৰ মাজত ইয়াৰ বিশেষ মান্যতা প্ৰণিধানযোগ্য। জ্ঞান আৰু কৰ্মৰ সমুচ্চয় পোনতে এই উপনিষদতে সাৰ্থকৰূপে চকুত পৰে। শ্ৰীমদ্ভগৱদ্গীতাৰ ওপৰত ইয়াৰ প্ৰভাৱ সুস্পষ্ট। ইয়াৰ অমৃতময়ৱাণীৰ সাৰ্বজনীনতা অনস্বীকাৰ্য্য : যেনে :

(১) তেন ত্যক্তেন ভূঞ্জীথাঃ মাগৃধঃ কস্যচিৎধনম্।
(২) ন কৰ্ম লিপ্যতে নৰে।
(৩) অৱিদ্যয়া মৃত্যুং তীৰ্ত্বা ৱিদ্যয়ামৃতমশ্নুতে।
(৪) হিৰণ্ময়েন পাত্ৰেণ সত্যস্যাপিহিতং মুখম্।

**কাণ্বসংহিতা**—মাধ্যন্দিন আৰু কাণ্ব এই দুইটা হৈছে শুক্লযজুৰ্বেদৰ মুখ্য শাখা।

বৰ্তমান মাধ্যন্দিন শাখাৰ প্ৰভাৱ উত্তৰ ভাৰতত অধিক। কাণ্বশাখাৰ প্ৰভাৱ মহাৰাষ্ট্ৰত বাৰুকৈয়ে আছে। অসমতো এই শাখাৰ প্ৰভাৱ চকুত লগা।

মাধ্যন্দিন শাখাৰ তুলনাত কাণ্বশাখাত আপেক্ষিকভাৱে অধিক মন্ত্ৰ আছে। মাদ্ৰাজৰ আনন্দৱননগৰৰপৰা প্ৰকাশিত কাণ্বসংহিতাত ৪০ অধ্যায়, ৩২৮ অনুৱাক আৰু ২০৮৬ মন্ত্ৰ আছে। মাধ্যন্দিন শাখাতকৈ (১৯৭৫) ১১১ টা মন্ত্ৰ অধিক সংগৃহীত হোৱাটো উল্লেখযোগ্য।

## অথৰ্ৱবেদ

চাৰিওখন ৱেদৰ ভিতৰত অথৰ্ববেদে এক স্বকীয়া বৈশিষ্ট্য দাবী কৰে। ঋক, সাম আৰু যজুৰ্বেদে বৈদিক সভ্যতা সংস্কৃতিৰ উচ্চ থাপৰ দিশটোক দেখুৱাৰ বিপৰীতে অথৰ্ববেদে একে সংস্কৃতিৰ নিম্নথাপৰ দিশটোক প্ৰতিফলিত কৰে। এক কথাত ই বৈদিক লোকসংস্কৃতিৰ মূলোৎস। ইয়াৰ জ্ঞান বিনে বৈদিক সংস্কৃতিৰ জ্ঞান অসম্পূৰ্ণ হৈ ৰোৱা স্বাভাৱিক। ইয়াৰপৰা আয়ুৰ্বেদ, ধনুৰ্বেদ, কামশাস্ত্ৰ, অৰ্থশাস্ত্ৰ মোক্ষশাস্ত্ৰৰ উৎপত্তি হয় বুলি ভবাৰ স্থল আছে। অন্য চাৰি বেদে ঐহিক ফল দান কৰে, কিন্তু অথৰ্ববেদে ভুক্তি আৰু মুক্তি দুয়োটি ফল দিয়ে। তথাপি অথৰ্ববেদক ত্ৰয়ী বা ত্ৰৈবিদ্যাৰ বাহিৰত বুলি কোৱা হয়। কাৰণ ত্ৰয়ীয়ে ঋক, সাম আৰু যজুৰ্বেদকহে বুজায়।

**বিভিন্ন নাম ঃ** এই-বেদক পোনতে অথৰ্বাঙ্গিৰস বা ভৃগ্বঙ্গিৰস বুলি জনা গৈছিল। অথৰ্ব শব্দই শুভ ফলপ্ৰদ, সংৰক্ষাত্মক শুক্ল যাদুক বুজায় আৰু অঙ্গিৰস্ শব্দই অশুভ ফলপ্ৰদ, আক্ৰমণাত্মক কৃষ্ণ-যাদুক বুজায়। পিছলৈ ই অথৰ্ববেদৰূপে জনাজাত হয়। ইয়াক ব্ৰহ্মবেদ, ক্ষত্ৰবেদ, পঞ্চকল্পী আদি নামেৰেও জনা যায়। পুৰোহিতবেদ, মহাবেদ আদিও ইয়াৰেই অন্য নাম।

**অথৰ্ৱবেদৰ শাখা ঃ** চৰণব্যূহৰ মতে এই বেদৰ নটা শাখা। অথৰ্ব-পৰিশিষ্টৰ মতেৰেও ইয়াৰ শাখা নটা ; যেনে—পৈপ্পলাদ, স্তৌদ, মৌদ, শৌনকীয়, জাজল, জলদ, ব্ৰহ্মবদ, দেৱদৰ্শ আৰু চাৰণবৈদ্য। সম্প্ৰতি শৌনক আৰু পৈপ্পলাদ শাখা দুটাহে পোৱা যায়। শৌনক সংহিতাৰ ভেটিতে এই বেদৰ চৰ্চা আগবাঢ়িছে।

**শৌনক সংহিতা ঃ** অথৰ্ববেদৰ শৌনক বা শৌনকীয় সংহিতা পৈপ্পলাদৰ তুলনাত অধিক জনাজাত। শৌনক সংহিতাৰ মন্ত্ৰসংখ্যা প্ৰায় ছহেজাৰ আৰু সূক্ত সংখ্যা ৭৩১। ই কুৰিটা কাণ্ডত বিভক্ত। কাণ্ড একোটা একাধিক অনুবাকত বিভক্ত। অনুবাকবোৰ সূক্তৰ সমষ্টি। পণ্ডিতসকলে গ্ৰন্থৰ বিকাশ আৰু গঠনতত্বৰ ওপৰত নিৰ্ভৰ ইয়াক মোটা-মুটিকৈ তিনিটা প্ৰধান ভাগত ভাগ কৰে। যেনে—(১) ১—৭ কাণ্ড; (২) ৮—১২ কাণ্ড ; আৰু (৩) ১৩—২০ কাণ্ড। প্ৰথম ভাগৰ সূক্তসমূহ চুটি। প্ৰথম পাঁচ কাণ্ডত ক্ৰমে ৪, ৫, ৬, ৭ আৰু ৮টা ঋক থকা সূক্তৰ সংখ্যা সৰহ। ৬ষ্ঠ আৰু ৭ম কাণ্ডত ক্ৰমে ৩টা আৰু দুই বা এটা মন্ত্ৰ থকা সূক্ত পোৱা যায়। ৮ম—১২শ কাণ্ডত দীঘলীয়া সূক্ত



সন্নিবিষ্ট হৈছে। ১৩শ—১৮শ কাণ্ডত বিষয় অনুযায়ী মন্ত্ৰৰ সন্নিবেশ বা চয়ন হৈছে। ত্ৰয়োদশ কাণ্ডত অধ্যাত্ম, চতুৰ্দশত বিবাহ, ১৫শ আৰু ১৬শত গদ্যাত্মক ভাষাত ব্ৰাত্য, ১৭ শত আভ্যুদয়িক আৰু ১৮শ কাণ্ডত পিতৃমেধ বিষয়ক মন্ত্ৰ পোৱা যায়। ১৯শ আৰু ২০শ কাণ্ডৰ প্ৰায়বোৰ মন্ত্ৰ ঋগ্বেদৰপৰা আহৰণ কৰা। কেৱল ৰাত্ৰি, কাল আৰু কুন্তাপসূক্ত-ৰাজি মৌলিক।

**পৈপ্পলাদ সংহিতা ঃ** পৈপ্পলাদ সংহিতা কাশ্মীৰ আৰু উৰিষ্যাত আৱিষ্কৃত হৈছে। কাশ্মীৰী পাঠৰ তুলনাত উৰিয়া পাঠ অধিক বিশুদ্ধ। পৈপ্পলাদ সংহিতাও কুৰিটা কাণ্ডত বিভক্ত। ইয়াৰ উৰিয়া পাঠত ৮০০০ মন্ত্ৰ আৰু কাশ্মীৰি পাঠত ৬৫০০ মন্ত্ৰ আছে। এই সংহিতাৰ প্ৰতীক মন্ত্ৰটোহে হিন্দুসকলৰ নিত্য পঠনীয়। মন্ত্ৰটি ঃ

শন্নো দেৱীৰভিষ্টয়ে আপো ভৱন্তু পীতয়ে।
শংযোৰভি স্ৰৱন্তু নঃ ॥

শৌনক সংহিতাৰসৈতে পৈপ্পলাদ সংহিতাৰ বহুলাংশত বিষয় সাম্য থাকিলেও পৈপ্পলাদৰ বিষয় বৈচিত্ৰ অধিক। কিন্তু কুন্তাপ সূক্তবোৰ পৈপ্পলাদ সংহিতাত পোৱা নাযায়। শৌনক সংহিতাৰ স্বৰাঙ্কন আৰু পদপাঠ আছে যদিও পৈপ্পলাদৰ নাই।

**অথৰ্ৱবেদৰ বিষয় বস্তু ঃ** অথৰ্ববেদৰ বিষয়বস্তুৰ বৈচিত্ৰ বেছ চমকপ্ৰদ। ইয়াৰ বিষয়বস্তুক যাইকে তিনি ভাগত ভগাবলৈ পাৰি ঃ (১) আধ্যাত্মিক (২) আধিদৈৱিক আৰু (৩) আধিভৌতিক। ব্ৰহ্ম, পৰব্ৰহ্ম আদি বিষয় প্ৰথম ভাগত পৰে। দেৱ-দেৱতা, যজ্ঞ, কালাদিৰ বৰ্ণনা দ্বিতীয় ভাগত পৰে। ৰাজকৰ্ম, শত্ৰুচাতন, বিবিধ সংস্কাৰ কৰ্ম, যাদুমন্ত্ৰৰ প্ৰয়োগাদি তৃতীয় ভাগত পৰে। মৰিছ ব্লুমফিল্ড, এন, জে, চেণ্ডে, কৰম্বেলকাৰ প্ৰভৃতি পণ্ডিতে এই বেদৰ বিষয়বস্তু সমূহ অনেক ভাগত বিভক্ত কৰি চৰ্চা কৰিছে। আমিও অনুৰূপ আলোচনা তলত তুলি ধৰিলোঁ।

**ভৈষজ্যানি সূক্তানি ঃ** এনেবোৰ সূক্তত নানান ৰোগৰ চিকিৎসাত জড়িত মন্ত্ৰ আৰু সিবোৰৰ যাদুকৰী বিধি ব্যৱস্থাৰ অন্তৰ্ভাব বৰ্তমান। অৱশ্যে মন্ত্ৰবোৰৰ প্ৰায়োগিক দিশটো বেদাঙ্গ কৌশিক সূত্ৰ, বৈতানসূত্ৰত পোৱা যায়। ৰোগৰ উৎপত্তি সম্বন্ধে মূলতঃ কোনো ভূতপ্ৰেত, পিশাচ, ৰাক্ষসলৈ (যাদু) লক্ষ্য কৰা হয়। তাক খেদাবলৈ মন্ত্ৰসহ দ্ৰব্যৰ প্ৰয়োগ কৰা হয়। অথৰ্ববেদত অনেক ৰোগ নিৰাময়ৰ বাবে মন্ত্ৰ আৰু তাৰ প্ৰয়োগ (বেদাঙ্গত) দিয়া হৈছে। সিবোৰৰ ভিতৰত তক্মন বা জ্বৰ, বলাস, গণ্ডমালা, যক্ষ্মা, কাহঁ, দন্তৰোগ আদি প্ৰধান। এই প্ৰসঙ্গত ঔষধী, গছ-বিৰিখৰ নামো পোৱা যায়।

(২) **আয়ুষ্যাণি**—পাৰিবাৰিক উৎসৱ, চূড়াকৰণ, গোদান, উপনয়ন, জাতকৰ্মন আদি অনেকবোৰ সংস্কাৰৰ সময়ত দীৰ্ঘায়ু কামনা কৰা বা আশীৰ্বাদ দিয়া অনেক মন্ত্ৰ এই বেদত পোৱা যায়। তেনে মন্ত্ৰেৰে বিপদ, ৰোগ আদিৰপৰা যাতে লোকে তৰিবলৈ পাৰ তাকো কামনা কৰা হয়। তেনে এক মন্ত্ৰ ঃ

'শতং জীৱ শৰদো বৰ্ধমানঃ শতং হেমন্তান্ছতমুবসন্তান্।
শতং ত ইন্দ্ৰো অগ্নিঃ সৱিতা বৃহস্পতিঃ শতায়ুষা হবিষাহৰ্ষমেনম্।'

(৩) **পৌষ্টিকানি**—গৃহ নির্মাণ, হালবোৱা, বীজ সিঁচা, শস্য উৎপাদন, পুষ্টি লাভ, বণিজযাত্রা আদিৰ বাবে বিবিধ আশীৰ্বাদ প্ৰাৰ্থনা ইয়াৰ ভিতৰত পৰে। ৩।১৫ সূক্তত তেনে এক প্রার্থনাৰ নমুনা চাওক—

ইন্দ্ৰমহং বণিজং চোদয়ামি স ন ঐতু পুৰ এতা নো অস্তু।

(৪) **আভিচাৰিকাণি আৰু কৃত্যাপ্ৰতিহৰণানি**—ভূত পিশাচ, যাতুধান আৰু অন্য শত্ৰুৰ বিপক্ষে এই শ্ৰেণীৰ মন্ত্ৰ প্ৰযুক্ত হয়। ভূত প্ৰেত, দৈত্য-দানৱ, মানুহ, ভ্ৰাতৃব্য, সপত্ন আদিক আথৰ্ব পুৰোহিতে একে জ্ঞান কৰি অভিচাৰ ক্ৰিয়া তেওঁলোকৰ বিপক্ষে কৰে। আনহাতে অন্য শত্ৰুভাবাপন্ন যাতুধানৰপৰা ৰক্ষা পাবলৈ কৃত্য প্ৰতিহৰণ শ্ৰেণীৰ যাদুমন্ত্ৰৰ প্ৰয়োগ হয়। দুয়ো শ্ৰেণীৰ মন্ত্ৰ অথৰ্ববেদত প্ৰচুৰ আছে।

(৫) **স্ত্ৰীকৰ্মাণি**—প্ৰেম, বিৱাহ, পুংসৱন আদি সংস্কাৰ কাৰ্য্যত আৰু সতিনীৰপৰা হাত সাৰিবলৈ প্ৰয়োগ কৰা মন্ত্ৰবোৰ এই শ্ৰেণীত পৰে। সপত্নীহননৰ বাবে কৰা ক্ৰিয়াৰ বৰ্ণনা কৌশিকসূত্ৰত আছে। আকৌ পুৰুষক বশ কৰিবলৈকো যাদুমন্ত্ৰৰ ব্যৱস্থা আছিল। পুৰুষৰ মূৰ্তিক তপত বাণেৰে বিন্ধি নাৰীয়ে দেৱতাক জনোৱা প্ৰাৰ্থনাৰ নমুনা চাওক :

অসৌ মে স্মৰতাদিতি প্ৰিয়ো মে স্মৰতাদিতি।
দেৱাঃ প্ৰ হিণুত স্মৰমসৌ মামনু শোচতু ॥

ক'তোবা প্ৰেমিকক প্ৰেমোন্মত্ত কৰিবলৈ দেৱতালৈ প্ৰাৰ্থনাও কৰা হয়। গৰ্ভৱতী নাৰীৰ সুপ্ৰসৱৰ বাবে যাদুমন্ত্ৰৰ প্ৰয়োগ বিহিত হৈছিল।

(৬) **ৰাজকৰ্মাণি**—অথৰ্ববেদীয় পুৰোহিতসকলে এহাতে 'গ্ৰামযাজী' আৰু 'পূগযাজী' ৰূপে নিন্দাৰ পাত্ৰ হৈয়ো নিৰীহ গাৱলীয়া লোকক ভূতভয়, মাৰি-ভয়ৰপৰাই যে ৰক্ষা কৰি ক্ষান্ত আছিল এনে নহয় তেওঁলোক ৰজাসকলকো সৰ্বতো প্ৰকাৰে সুৰক্ষা দান কৰি ৰাজপুৰোহিতৰ আসন শুৱনি কৰিছিল। সেই বাবে অথৰ্ববেদ অকল পুৰোহিত বা ব্ৰহ্মবেদেই নহয় ই ক্ষত্ৰবেদ বুলিও জনাজাত। তাত থকা অনেক সূক্ত ৰাজকাৰ্য, ৰাজনীতি, সমৰনীতি আদিৰে সম্পৃক্ত। ৰাজাভিষেক আৰু ৰাজসূয়ৰে জড়িত সূক্তও তাত আছে। নষ্ট ৰাজ্য পুনৰুদ্ধাৰ, চক্ৰবৰ্তিত্ব লাভ, বিজিগিষু ৰজাৰ জয় নিশ্চিত কৰিবলৈকো উপায় সম্বলিত যাদুমন্ত্ৰ অথৰ্ববেদতে আছে। সভাজয়ৰ দিহাও তাত আছে। ৪।২২ ; ৬।৫৪ ; ৮৬-৮৮ ; ৭।৮৪ আদি সূক্ত তাৰ উদাহৰণ।

(৭) **ব্ৰাহ্মণ্যানি**—ব্ৰাহ্মণ পুৰোহিতৰ স্বাৰ্থৰক্ষাৰ বাবে অনেক যাদুমন্ত্ৰ প্ৰযুক্ত হোৱাৰ প্ৰমাণ আছে। ৩।১৯, ৫।২৪, ৭।১৬, ১৯।৬৩ আদি সূক্তবোৰে পৌৰুহিত্যৰ সুৰক্ষাৰ সূচনা দিয়ে। দান দক্ষিণা গৰুগাইৰ সুৰক্ষা কৰিবলৈ আৰু সিবোৰ হৰণ কৰোঁতাক অভিশাপ দিবলৈ কৰা অভিচাৰ যুক্ত মন্ত্ৰবোৰ এই শ্ৰেণীভুক্ত।

(৮) **প্ৰায়শ্চিত্তানি**—তাহানি শাৰীৰিক দুৰ্বলতা, মানসিক বিচ্যুতি, দুঃস্বপ্ন, বেয়া নিমিত্ত দৰ্শন, আদিৰ বাবে যি প্ৰায়শ্চিত্ত বিহিত হৈছিল, তাত প্ৰযুক্ত হোৱা সূক্তশ্ৰেণী এই বিধৰ ভিতৰুৱা।

(৯) **সাংমনস্যানি**—ঘৰ আৰু সমাজত লোকৰ মাজত পাৰস্পৰিক মিলাপ্ৰীতি



ৰক্ষাৰ বাবে অনেক মন্ত্ৰ যাদুৰে প্ৰয়োগ কৰা হৈছিল। এই শ্ৰেণীৰ মন্ত্ৰৰ মাজত বিশ্বভ্ৰাতৃত্ব আৰু উদাৰতাৰ ভাব বৰ্ত্তমান। ৩।৩০ সূক্তত পাৰিবাৰিক মিলাপ্ৰীতি বঢ়োৱাৰ উদ্দেশ্যত পুৰোহিতে দ্ৰব্যসহ ব্যৱহাৰ কৰা মন্ত্ৰত কোৱা হৈছে—'সহৃদয়ং সাংমনসমবিদ্বিষং কৃণোমি বঃ।' তাৰ পাছত তেওঁ একেধাৰে গায়—

অনুব্ৰতঃ পিতুঃ পুত্ৰো মাতা ভৱতু সংমনাঃ।
জায়া পত্যে মধুমতীং বাচং বদতু শন্তিৱাম্ ॥
মা ভ্ৰাতা ভ্ৰাতৰং দ্বিক্ষন্ মা স্বসাৰমুত স্বসা।
সম্যঞ্চঃ সব্ৰতা ভূত্বা বাচং বদতু ভদ্ৰয়া ॥ ইত্যাদি।

তেনেদৰে ৭।২২ সূক্তৰ মন্ত্ৰত সভাৰ সদস্যসকলৰ মাজত সদ্‌ভাব বৰ্তাবলৈ যত্ন কৰা দেখা যায় :

যদ্বো মনঃ পৰাগতং যদ্বদ্ধমিহ ৱেহ ৱা।
তদ্ব আ বৰ্তয়ামসি ময়ি ৱো ৰমতাং মনঃ ॥

মন্যু বা খঙ্ প্ৰশমনৰ বাবেও যাদুমন্ত্ৰ প্ৰযুক্ত হৈছিল।

(১০) **দাৰ্শনিক বিষয়বস্তু** : অথৰ্ববেদৰ মন্ত্ৰবোৰ অকল যাদুকৰীয়েই, তাৰ মাজত থকা অনেক সূক্তত দৰ্শনৰ গভীৰ তথ্যৰ সন্নিবেশো চকুত পৰে। তাত 'ব্ৰহ্মৌদন'ক লোকজিৎ আৰু স্বৰ্গ্য বুলি কোৱা হৈছে : 'ইমমোদনং নি দধে ব্ৰাহ্মণেষু বিষ্টাৰিণং লোকজিতং স্বৰ্গ্যম্' ( ৪।৩৪।৮ )।

ব্ৰহ্মচাৰী সূক্তত ( ১১।৫ ) ব্ৰহ্মচাৰী তপোবলত সৃষ্টিৰ পাতনি মেল খোৱা বুলি কোৱা হৈছে : 'ব্ৰহ্মচৰ্যেণ তপসা ৰাজা ৰাষ্ট্ৰং বি ৰক্ষতি।' 'আচাৰ্যো ব্ৰহ্মচাৰী, ব্ৰহ্মচাৰী প্ৰজাপতিঃ। প্ৰজাপতি ৰ্বি ৰাজতি। ধৰাড় ইন্দ্ৰোঽভৱদ্‌বশী।'

উচ্ছিষ্ট ব্ৰহ্মসূক্তত ( ১১।৭ ) নাম, ৰূপ, লোক, ইন্দ্ৰ, অগ্নি, আপ্, সমুদ্ৰহে নেলাগে সকলো বস্তু উচ্ছিষ্টত আহিত বুলি কোৱা হৈছে। ঋত, সত্যাদিও উচ্ছিষ্টতে নিহিত :

ঋতং সত্যং তপো ৰাষ্ট্ৰং শ্ৰমো ধৰ্মশ্চ কৰ্ম চ।
ভূতং ভৱিষ্যদুচ্ছিষ্টে বীৰ্য্যং লক্ষ্মীৰ্বলং বলে ॥

আকৌ কালসূক্ত দুটাৰ ( ১৯।৫৩-৫৪ ) প্ৰতিটো মন্ত্ৰতে গভীৰ দাৰ্শনিক তত্ত্ব সোমাই আছে। কালেই সকলো তত্ত্বৰে মূলত আছে, কালৰ বাহিৰে যেন আন কোনো বস্তুতত্ত্ব নাই এনে ধাৰণা এই মন্ত্ৰবোৰত নিহিত আছে। কালৰ গাত লাগিয়েই সকলো লোকৰ সৃষ্টি হৈছে, ভূত-ভব্যও কালতেই বৰ্তিছে :

কালোঽমূং দিৱমজনয়ৎ কাল ইমাঃ পৃথিৱীৰুত।
কালে হ ভূতং ভব্যং চেষিতং হ বি তিষ্ঠতে ॥
কালো ভূতিমসৃজত কালে তপতি সূৰ্য্যঃ।
কালে হ বিশ্বা ভূতানি কালে চক্ষু ৰ্বি পশ্যতি।

তেনেদৰে কামসূক্তৰ ( ১৯.৫২ ) আদি পাদেও আমাক নাসদীয় সূক্তলৈ মনত পেলাই দিয়ে। সকলোৰে মূলতে কামতত্বহে আছে বুলি এই সূক্তত কোৱা হৈছে। ৰোহিত সূক্ত, স্কম্ভ সূক্ত আদিও দাৰ্শনিক ভাৱধাৰাৰে পৰিপুষ্ট।

(১১) **ব্ৰাত্য :** অথৰ্ববেদৰ ১৫শ আৰু ১৬ শ কাণ্ড দুটাত ব্ৰাত্যৰ মহিমা গোৱা হৈছে। সময়মতে উপনীত নোহোৱা জনকে মনুস্মৃতিত ( ২.৩৯ ) আৰ্যবিগৰ্হিত ব্ৰাত্য বুলি কোৱা হৈছে। কিন্তু অথৰ্ববেদত ব্ৰাত্যজনক 'ব্ৰহ্ম'ৰ শাৰীত থৈছে। পৈপ্পলাদত কোৱা 'ব্ৰাত্যো বা ইদমগ্ৰ আসীৎ' বাক্যই জগৎ সৃষ্টিৰ মূলত যে 'ব্ৰাত্য' তেনে ধাৰণাৰহে সৃষ্টি কৰে। ইও অথৰ্ববেদোক্ত দৰ্শনৰ এক দিশ।

# দ্বিতীয় অধ্যায়

## ব্ৰাহ্মণ

১। **নামকৰণ :** মন্ত্ৰসংহিতাসমূহৰ পিছতে ব্ৰাহ্মণগ্ৰন্থসমূহৰ স্থান। গ্ৰন্থবাচক ব্ৰাহ্মণ শব্দ ক্লীবলিঙ্গত প্ৰযুক্ত হয়। কোশগ্ৰন্থমতে ৱেদৰ ভাগ বুজোৱা ব্ৰাহ্মণশব্দ ক্লীৱ হয়।[1] ব্ৰাহ্মণ ব্ৰহ্মণৰ ব্যাখ্যামূলক গ্ৰন্থ। ব্ৰহ্ম শব্দটোও অনেক অৰ্থত ব্যৱহৃত হয়। ইয়াৰ দুটা অৰ্থ হৈছে—মন্ত্ৰ[2] আৰু যজ্ঞ। মন্ত্ৰ আৰু যজ্ঞৰ ব্যাখ্যা বা ব্যাপক বৰ্ণনা থকা এই শ্ৰেণী গ্ৰন্থৰ নাম হৈছে ব্ৰাহ্মণ। সংহিতাভাগত সংকলিত মন্ত্ৰৰ কৰ্ম বা যজ্ঞাদিত হোৱা বিনিয়োগ আৰু সিবোৰৰ আধিযাজ্ঞিক, আধিদৈৱিক ব্যাখ্যা আদি য'ত প্ৰস্তুত হয় সেয়ে ব্ৰাহ্মণ।[3] অকলসেয়ে নহয় ঠাই বিশেষত মন্ত্ৰ আৰু যজ্ঞৰ আধ্যাত্মিক ব্যাখ্যা দিয়াৰ প্ৰচেষ্টাও চকুত পৰে। ৱৈদিক ক্ৰিয়া-কাণ্ডাত্মক ধৰ্মজ্ঞানৰ অৱবোধনৰ বাবে ব্ৰাহ্মণসমূহৰ জ্ঞান অত্যন্ত আৱশ্যক। এই শ্ৰেণীৰ গ্ৰন্থ পৃথিৱীৰ আন কোনো ধৰ্মসাহিত্যতে পাবলৈ নাইকিয়া।

২। **ৱেদত্ব :** মন্ত্ৰৰ দৰে ব্ৰাহ্মণৰ ৱেদত্বও সন্দেহাতীত। ৱেদৰ অন্যতম শাখাকাৰ আৰু সূত্ৰকাৰ আপস্তম্বই 'মন্ত্ৰ আৰু ব্ৰাহ্মণ' দুয়োটিকে 'ৱেদ' বুলি কৈছে ( 'মন্ত্ৰব্ৰাহ্মণয়ো ৰ্বেদ-নামধেয়ম' )। আপস্তম্বই আকৌ মন্ত্ৰ আৰু ব্ৰাহ্মণক যজ্ঞৰ প্ৰমাণস্বৰূপ বুলিও কৈছে ( মন্ত্ৰব্ৰাহ্মণো যজ্ঞস্য প্ৰমাণম্ )। পৰৱৰ্তী ৱৈদিক সূত্ৰ গ্ৰন্থ আৰু ইতিহাস পুৰাণতো মন্ত্ৰ আৰু ব্ৰাহ্মণৰ উদ্ধৃতি দিওঁতে বা সিবিলাকৰ উল্লেখ কৰোঁতেই সিবিলাকক ৱেদৰ বচন বুলিয়েই সদায় উদ্ধৃত কৰি আহিছে। এনেস্থলত ব্ৰাহ্মণৰ ৱেদত্বলৈ সন্দেহৰ অৱকাশ নাই।

৩। **ব্ৰাহ্মণৰ বিষয়বস্তু :** মন্ত্ৰসংহিতা আৰু ব্ৰাহ্মণ গ্ৰন্থৰ স্বৰূপ আৰু বিষয়বস্তুৰ পাৰ্থক্য তেনেই চমকপ্ৰদ। মন্ত্ৰসংহিতাসমূহ স্বৰূপতে পদ্যাত্মক আৰু গদ্যাত্মক হয়। ঋগ্বেদ আৰু সামৱেদৰ মন্ত্ৰসমূহ নিঃশেষে পদ্যাত্মক। অথৰ্ৱৱেদৰ পঞ্চদশ আৰু ষোড়শ কাণ্ড এৰি বাকী ওঠৰ কাণ্ড পদ্যাত্মক। ১৫শ আৰু ১৬শ কাণ্ড দুটা গদ্যাত্মক। যজুৰ্ৱেদ ঘাইকৈ গদ্যাত্মক। ঋগ্বেদৰ উদ্ধৃতিবোৰহে মাথোন পদ্যাত্মক বুলিব পাৰি। কিন্তু ব্ৰাহ্মণ সাহিত্য স্বৰূপতে গদ্যগ্ৰন্থ। অৱশ্যে কোনো কোনো ব্ৰাহ্মণত গাথাৰ ব্যৱহাৰ চকুত পৰে। সংহিতাৰ বিষয়বস্তুও পৃথক। ঋগ্বেদ আৰু সামৱেদত আছে দেৱস্তুতি। অথৰ্ৱৱেদত ঐহিক আৰু পাৰলৌকিক ফল দিব পৰা বিভিন্ন আশীৰ্বাদ, ওজালি মন্ত্ৰ ৰণুৱাক জয় কৰাবলৈ যাতুসম্মত মন্ত্ৰ আছে। যজুৰ্ৱেদ

১। ব্ৰাহ্মণং ব্ৰহ্মসংঘাতে ৱেদভাগে নপুংসকম্'—মেদিনী।

২। 'ব্ৰহ্ম বৈ 'মন্ত্ৰঃ', শতপথ ৭।১।১.৫।

৩। 'ব্ৰাহ্মণং নাম কৰ্মণস্তন্মন্ত্ৰাণাং চ ব্যাখ্যা গ্ৰন্থঃ'—ভট্টভাস্কৰ, তৈ. স ১.৫।১ মন্ত্ৰৰ ব্যাখ্যা।

ভাষাতত্ত্ব আদি শাস্ত্ৰচয়ৰ আৰম্ভণিও ব্ৰাহ্মণৰ পাততে হৈছিল। শ্ৰৌতসূত্ৰ, গৃহ্যসূত্ৰ, ধৰ্মসূত্ৰ, স্মৃতি আদি শাস্ত্ৰবোৰে ব্ৰাহ্মণৰ প্ৰেৰণা লাভ কৰিয়েই জাতিষ্কাৰ হৈ পৰিছে। বহুমুখী কাঁচৰ ওপৰত ব'দৰ পোহৰ পৰিলে যিদৰে বহুদিশলৈ ৰশ্মি প্ৰসাৰিত হয় সিদৰে ব্ৰাহ্মণ সাহিত্যৰ সম্যক অধ্যয়ন হ'লে ভাৰত বুৰঞ্জীৰ বহুদিশ উদ্‌ঘাতিত হ'ব।

## ব্ৰাহ্মণ সাহিত্য

একালত ব্ৰাহ্মণ সাহিত্যই এক বিশাল ৰূপ ধাৰণ কৰিছিল। কালক্ৰমত তাৰে সৰহখিনি নষ্ট হ'ল। এতিয়া যি পোৱা গৈছে তাৰ খতিয়ান চমুৱাই তলত দিয়া হৈছে:

ঋগ্বেদৰ ব্ৰাহ্মণ: (১) ঐতৰেয়, (২) কৌষিতকি বা শাংখায়ন

সামৱেদৰ ব্ৰাহ্মণ: (১) তাণ্ড্য বা পঞ্চবিংশ, (২) ষড়্‌বিংশ, (৩) সামবিধান, (৪) দৈৱত, (৫) আৰ্ষেয়, (৬) উপনিষদ, (৭) সংহিতোপনিষদ, (৮) বংশ, (৯) জৈমিনীয় বা তালৱকাৰ, (১০) জৈ০ আৰ্ষেয় আৰু (১১) জৈ০ উপনিষদ।

কৃষ্ণযজুৰ্বেদৰ (১) তৈত্তিৰীয়।

শুক্লযজুৰ্বেদৰ (১) শতপথ।

অথৰ্ববেদৰ (১) গোপথ ব্ৰাহ্মণ।

**ঋগ্বেদীয় ব্ৰাহ্মণ: (১) ঐতৰেয় ব্ৰাহ্মণ:**— ঋগ্বেদৰ দুখন ব্ৰাহ্মণৰ ভিতৰত ঐতৰেয় অধিক প্ৰাচীন আৰু মহত্বপূৰ্ণ। ঋষি মহিদাস ঐতৰেয়ক ইয়াৰ ৰচয়িতা বুলি জনা যায়। এই ব্ৰাহ্মণ ৪০ অধ্যায়ত বিভক্ত। পাঁচটাকৈ অধ্যায়ৰ গোটক 'পঞ্চিকা' বুলি কোৱা হৈছে। একোটা অধ্যায় কণ্ডিকাত বিভক্ত। এনেকে এই ব্ৰাহ্মণত ৮ পঞ্চিকা, ৪০ অধ্যায় আৰু ২৮৫ কণ্ডিকা আছে। ১-৬ পঞ্চিকাত সোমযাগৰ প্ৰকৃতি অগ্নিষ্টোমত হোতাৰ কৰ্ত্তব্য, তিনি সৱন, অগ্নিষ্টোমৰ বিকৃতি যাগ উক্‌থ্য, অতিৰাত্ৰ, ষোড়শী প্ৰভৃতিৰ আলোচনা, দ্বাদশাহ আৰু সাদিনলৈ চলা সোমযাগত হোতা প্ৰভৃতিৰ কৰণীয় বিষয় বিবেচিত হৈছে। সপ্তম পঞ্চিকাত 'ৰাজসূয়' আৰু তাৰ লগত প্ৰসঙ্গক্ৰমে বহুবিখ্যাত শুনঃশেপৰ আখ্যান বৰ্ণিত হৈছে। অষ্টম পঞ্চিকাত ইন্দ্ৰ মহাভিষেক আৰু চক্ৰবৰ্তী ৰজাৰ মহাভিষেকৰ বিৱৰণ দিয়া হৈছে।

ধৰ্মীয়, সামাজিক, সাংস্কৃতিক আৰু ঐতিহাসিক আদি নানান দিশৰপৰা এই ব্ৰাহ্মণৰ মহত্ব উপলব্ধি কৰা হয়। ইয়াত অন্য দেৱতাৰ তুলনাত বিষ্ণুক অগ্ৰাধিকাৰ দিয়া হৈছে। সামাজিক আৰু ভৌগোলিক দিশে মধ্যদেশীয় অৱস্থালৈ নিৰ্দেশ কৰে। বঙ্গ, কলিঙ্গ, পৌণ্ড্ৰ, পুলিন্দ, শবৰ, মূতিব প্ৰভৃতিও নিৰ্দিষ্ট হৈছে।

(২) **শাংখায়ন ব্ৰাহ্মণ:** ই ঋগ্বেদৰ দ্বিতীয় ব্ৰাহ্মণ। কোনো কোনো পণ্ডিতে ইয়াকেই কৌষীতকি ব্ৰাহ্মণ বুলি অভিহিত কৰে। আন কোনোজনে আকৌ কৌষীতকি আখ্যাৰে ঋগ্বেদৰ তৃতীয় ব্ৰাহ্মণ এখন থকাটো ঠাৱৰ কৰে।



শাংখায়ন ব্ৰাহ্মণ ৩০ অধ্যায়ত বিভক্ত। প্ৰতিটো অধ্যায়ত পাঁচৰপৰা সোতৰটালৈকে 'খণ্ড' আছে। ইয়াত মুঠ ২২৬ খণ্ড আছে। ইয়াৰ ১-৬ অধ্যায়ত যথাক্ৰমে অগ্ন্যাধান, অগ্নিহোত্ৰ, দৰ্শপূৰ্ণমাসেষ্টি, কাম্যেষ্টি আৰু চাতুৰ্মাস্যৰ বৰ্ণনা আছে। ৭—৩০ অধ্যায়লৈ অগ্নিষ্টোম, তাৰ বিকৃতিসমূহ—অতিৰাত্ৰ, শোড়শী, আৰু সত্ৰযাগৰ প্ৰকৃতি গৱাময়নৰ বৰ্ণনা কৰা হৈছে।

ঐতৰেয় ব্ৰাহ্মণৰ তুলনাত শাংখায়ন ব্ৰাহ্মণৰ যজ্ঞীয় বৰ্ণনা অধিক বিজ্ঞানসন্মত আৰু শৃঙ্খলাবদ্ধ। এই ব্ৰাহ্মণৰ মাজেৰে ফুটি ওলোৱা বৈশিষ্ট্য কেইটামান হ'ল: (১) উদীচ্য লোকৰ সংস্কৃত জ্ঞানৰ প্ৰশস্তি ইয়াত গীত হৈছে। সজভাষা শিকিবলৈ উত্তৰলৈ যাব লাগে, তাৰপৰা অহাজনে সমাদৰ পায়। (২) ইয়াত ৰুদ্ৰ-শিৱৰ মহিমা কীৰ্তিত হৈছে। (৩) অগ্নি আদিৰ তুলনাত বিষ্ণুৰ মাহাত্ম্যও ইয়াত প্ৰকাশ পাইছে। (৪) গোত্ৰৰ প্ৰচলন সুদৃঢ় হৈছে এই যুগত। ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্য স্বগোত্ৰীয় লোকেৰসৈতে থাকিবলৈ কোৱা হেছে।

## সামৱেদীয় ব্ৰাহ্মণ

(১) **তাণ্ড্যমহাব্ৰাহ্মণ বা পঞ্চৱিংশ ব্ৰাহ্মণ**—সামৱেদৰ অধুনাপ্ৰাপ্ত ব্ৰাহ্মণসমূহৰ ভিতৰত তাণ্ডি শাখাভুক্ত এই ব্ৰাহ্মণখন অতিশয় মহত্বপূৰ্ণ আৰু প্ৰাচীন বুলি জনাজাত। নামৰপৰাই বুজা যায় যে ইয়াত পঁচিশটা অধ্যায় আছে। ইয়াৰ ১ম অধ্যায়ত যজুৰ্মন্ত্ৰ সংকলিত হৈছে; সেয়ে এই অধ্যায় যজুস্‌সংহিতা নামে জনাজাত। ২য়, ৩য়, ১৫শ আৰু ১৭শ অধ্যায় স্তোমৰ বিষ্টুতি বৰ্ণিত হৈছে। ৪ৰ্থ—৫ম অধ্যায়ত সত্ৰযজ্ঞৰ প্ৰকৃতি গৱাময়নত উদ্‌গাতা প্ৰভৃতিৰ কৰণীয় বৰ্ণিত হৈছে। ৬ষ্ঠ—৯ম অধ্যায়ত জ্যোতিষ্টোম আৰু তাৰ বিকৃতি উক্‌থ্য আৰু অতিৰাত্ৰ বৰ্ণিত হৈছে। ১০ম—১৫শ অধ্যায়ত দ্বাদশাহ, ১৬শ—১৯শ অধ্যায়ত বিবিধ একাহ যাগৰসৈতে চাতুৰ্মাস্য, ৰাজসূয়, বাজপেয় আদি গুৰুত্বপূৰ্ণ যাগৰ বৰ্ণনা কৰা হৈছে। ২০শ—২২শ অধ্যায়ত অহীন যাগৰ বিৱৰণ আৰু অন্তিম তিনি অধ্যায়ত ( ২৩শ—২৫শ ) সত্ৰযজ্ঞ বৰ্ণিত হৈছে।

নক'লেও হয় যে এই ব্ৰাহ্মণ সামৱেদৰ ভিতৰুৱা হোৱা বাবে ইয়াত সোম আৰু সত্ৰযাগৰ বৰ্ণনাহে দিয়া হৈছে। ১৭শ অধ্যায়ত ব্ৰাত্যষ্টোমৰ বৰ্ণনাও বেছ মহত্বপূৰ্ণ।

ভৌগোলিক আৰু ঐতিহাসিক তথ্যৰ বাবে এই ব্ৰাহ্মণ সুখ্যাত। বিনশন ( ২৫।১০।১ ), প্লাক্ষ-প্ৰস্ৰৱন ( ২৫।১০।১৬ ), যমুনা আৰু কাৰপচৱ ( ২৫।১০।২৬ ) আদিৰ উল্লেখ আছে। কুৰুক্ষেত্ৰ আৰু সৰস্বতীৰ তথ্যও লগতে আছে। দিৱোদাস, প্ৰতৰ্দন প্ৰভৃতি ৰজাৰ বিষয়েও এই ব্ৰাহ্মণত অনেক জ্ঞাতব্য কথা আছে।

(২) **ষড়্‌ৱিংশ ব্ৰাহ্মণ**—এই ব্ৰাহ্মণ পঞ্চৱিংশ ব্ৰাহ্মণৰ পৰিপূৰক। সেয়ে ষড়্‌বিংশতম অধ্যায়কে ষড়্‌বিংশ ব্ৰাহ্মণ বোলা হৈছে। ছটা অধ্যায়ত সমাপ্ত গ্ৰন্থখনৰ প্ৰতিটো অধ্যায় একাধিক খণ্ডত বিভক্ত। ষষ্ঠ অধ্যায়টো অদ্ভুত ব্ৰাহ্মণ নামে জনাজাত। ছয় অধ্যায়ত মুঠতে ৪৮ খণ্ড আছে।

পঞ্চবিংশত বৰ্ণনা নকৰা বিষয়েহে ইয়াত ঠাই পাইছে। সেয়ে ইয়াত সুব্রহ্মণ্য শস্ত্র, সৱনত্রয়, বিশ্বৰূপগান, ব্রহ্মাৰ কৰ্ত্তব্য, ব্যাহৃতি হোমকে ধৰি নৈমিত্তিক প্রায়শ্চিত্ত, সৌম্যচৰুৱিধি, বহিস্পৱমানঘৰ্ম, হোত্রাদি উপহৱ, নৈমিত্তিক হোম, ঋত্বিক প্রশংসা, অৱভৃথ, অভিচাৰ আদিৰে জড়িত বিষ্টুতিবোৰ, দ্বাদশাহ স্তুতি, শ্যেন্যাদি ৱিধি, যূপৱিধি, অগ্নিহোত্র, প্রশংসা, উদুম্বৰৱিধি, সন্ধ্যাৱিধি, সোমোৎপত্তি আৰু স্বাহালক্ষণ বৰ্ণিত হৈছে। শেষৰ অধ্যায়ত অদ্ভুত শান্তিৰ ব্যৱস্থা দিয়া হৈছে।

(৩) **সামবিধান ব্রাহ্মণ**—এই ব্রাহ্মণত তিনিটা প্রকৰণ আছে। ১ম প্রকৰণত কৃচ্ছ্র, অতিকৃচ্ছ্র আদি প্রায়চিত্ত বিধি বৰ্ণিত হৈছে। ২য় প্রকৰণত শত্রুৰ বিপক্ষে কৰা অভিচাৰ বিবৃত হৈছে। ৩য় প্রকৰণত ঐশ্বৰ্য্য, গৃহপ্রৱেশ, আয়ুষ্য প্রাপ্তিৰ বাবে কৰা ক্রিয়ানুষ্ঠান নানা সামগায়নেৰেসৈতে বৰ্ণোৱা হৈছে।

এই ব্রাহ্মণ ধৰ্মসূত্রৰ লক্ষণাক্রান্ত। অনেক আচৰণ বিধিসম্মত কথায়ো ইয়াত ঠাই পাইছে।

(৪) **আৰ্ষেয় ব্রাহ্মণ**—এই ব্রাহ্মণ ছয় অধ্যায় আৰু ৮২ খণ্ডত বিভক্ত। এই ব্রাহ্মণ সামৱেদৰ আৰ্ষানুক্রমণী স্বৰূপ। ইয়াত সামসমূহৰ ঋষি-জ্ঞানৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। ইয়াত অনেক ঋষিৰ নাম আৰু সামৰ সূচী বিধিবদ্ধ হৈছে।

(৫) **দেৱতাধ্যায় ব্রাহ্মণ**—ই এখন ক্ষুদ্র ব্রাহ্মণ। ইয়াত মাথোন তিনিটা খণ্ড আছে। ১ম খণ্ডত ২৬ কণ্ডিকা। তাত সামৱেদৰ দেৱতাৰ ক্রমিক সূচী দিয়া আছে— অগ্নি, ইন্দ্র, প্রজাপতি, সোম, বৰুণ, ত্বষ্টা, অঙ্গিৰস, পূষা, সৰস্বতী, ইন্দ্রাণী। ইসকল দেৱতাৰ উদ্দেশ্যত গাৱলগীয়া সোমবো নির্দেশ তাত দিছে। ২য় খণ্ডৰ ১১টা কণ্ডিকাত ছন্দসমূহৰ দেৱতা আৰু বৰ্ণৰ বিৱৰণ আছে। ৩য় খণ্ডৰ ২৫ কণ্ডিকাত ছন্দৰ নিৰুক্তি পোৱা যায়। এয়া ভাষাতত্ত্বৰ ছাত্রৰ জ্ঞাতব্য।

(৬) **উপনিষদ ব্রাহ্মণ**—এই ব্রাহ্মণ দহ প্রপাঠকত বিভক্ত। ইয়াৰ মাজত দুখন গ্রন্থ সোমাই আছে। (১) প্রথম আৰু ২য় প্রপাঠকক লৈ মন্ত্র বা ছান্দোগ্য ব্রাহ্মণ গঠিত হৈছে। (২) পিছৰ আঠ প্রপাঠকক সামৰি লৈ ছান্দোগ্য উপনিষদ গঠিত হৈছে। ( উপনিষদ সম্বন্ধে পিছলৈ কোৱা হ'ব। )

মন্ত্র ব্রাহ্মণৰ দুই প্রপাঠকত ২৫৭ টা মন্ত্র আছে। ১ম প্রপাঠকত বিৱাহাদি কেতবোৰ গৃহ্যকৰ্ম বৰ্ণিত হৈছে। ২য় প্রপাঠকত ভূতবলি, আগ্রয়নীয় কৰ্ম, পিতৃ-পিণ্ডদান, দেৱবলিহোম, দৰ্শপূৰ্ণমাস, আদিত্যোপস্থান, নৱগৃহপ্রৱেশ, স্বস্ত্যয়ন আৰু প্রসাদ প্রাপ্তিৰ মন্ত্র আছে।

(৭) **সংহিতোপনিষদ ব্রাহ্মণ**—সামগায়নৰ বিৱৰণৰ বাবে ব্রাহ্মণৰ মহত্ত্ব প্রতিপন্ন হৈছে। ই পাঁচ খণ্ডত বিভক্ত। প্রথম খণ্ডত তিনিবিধ গান সংহিতাৰ স্বৰূপ আৰু ফলৰ বিৱৰণ আছে। তিনি প্রকাৰ সংহিতা যথাক্রমে—দেৱহূ সংহিতা, ৱাকশবহূ সংহিতা আৰু অমিত্রহূ সংহিতা। প্রথম সংহিতা মঙ্গলময়, বাকী দুটা অমঙ্গলীয়া। ২য় আৰু ৩য় খণ্ডত আছে গান সংহিতাৰ বিধি, স্তোম, অনুলোম, আৰু প্রতিলোম স্বৰ আদি। সামগায়নৰ বিধানৰ বাবে উক্ত দুখণ্ডৰ জ্ঞান অপৰিহাৰ্য্য। ৩য় খণ্ডৰ শেষত গুৰু-শিষ্যৰ যোগ্যতা বিচাৰ কৰি সুপাত্রত বিদ্যাদানৰ প্রশংসা কৰা হৈছে।



(৮) **ৱংশ ব্রাহ্মণ**—ই এক ক্ষুদ্র ব্রাহ্মণ। ইও তিনি খণ্ডত বিভক্ত। ইয়াত সামৱেদীয় ঋষি পৰম্পৰা সংক্ষিপ্তকৈ তুলি ধৰা হৈছে। সেইবাবে ঋষি আৰু ব্রাহ্মণসকলৰ ইতিহাস পুনৰ্গঠনৰ বাবে ই এক অপূৰ্ব সমলৰ ভাণ্ডাৰ।

লুই ৰেণুৱে পঞ্চৱিংশ আৰু ষড্‌বিংশৰ বাহিৰে আনবোৰ ব্রাহ্মণ গ্রন্থক ব্রাহ্মণ নুবুলি উপব্রাহ্মণহে বুলিছে।

ইবিলাক তাণ্ডি আৰু কৌথুম শাখাৰহে ব্রাহ্মণ। জৈমিনীয় শাখাৰে জড়িত অন্য তিনিখন ব্রাহ্মণৰ পৰিচয়ো তলত দিয়া হ'ল।

(৯) **জৈমিনীয় বা তালৱকাৰ ব্রাহ্মণ**—ই অন্যতম প্রাচীন ব্রাহ্মণ। বৈদিক ক্রিয়াকৰ্ম আৰু পুৰাকল্প-পৰকৃতিৰ দৃষ্টিকোণৰপৰা চাই এই ব্রাহ্মণৰ মহত্ত্ব ঐতৰেয় আৰু শতপথতকৈ কম নহয়। এই ব্রাহ্মণ তিনিটা কাণ্ডত বিভক্ত। কাণ্ড একোটা অনেক অধ্যায়ত বিভক্ত। ইয়াত মুঠতে ৮২৮ অধ্যায় আছে।

ইয়াৰ প্রথম কাণ্ডত অগ্নিহোত্র, অগ্নিষ্টোম আৰু প্রায়শ্চিত্তৰ বিৱৰণ, দ্বিতীয় কাণ্ডত গৱাময়নসত্র, একাহযাগসমূহ, অহীন যাগ, অন্য সত্রযজ্ঞ, আৰু তৃতীয় কাণ্ডত দ্বাদশাহৰ বিস্তৃত বিৱৰণ আছে।

প্রকৃততে অতি দুৰূহ ভাষাত ৰচিত অলেখ পুৰণি আখ্যানে এই গ্রন্থ ঠাই খাই আছে।

(১০) **জৈমিনীয় আৰ্ষেয় ব্রাহ্মণ**—এই ব্রাহ্মণৰ বিষয়বস্তুৰ চয়নপদ্ধতি, আৰু অধ্যায়—খণ্ড বিভাজন আদি কৌথুমীয় আৰ্ষেয় ব্রাহ্মণৰসৈতে একে। কৌথুমীয় আৰ্ষেয়ত পোনে পোনে বিষয়ত প্রৱেশ কৰি কৈছে: 'অথ খলু অয়মাৰ্ষপ্রদেশো ভৱতি।' কিন্তু জৈ. আৰ্ষেয় মুখবন্ধেৰে আৰম্ভ হৈছে: 'ওমিত্যেতৎ পৰিমেষ্ঠিনঃ প্রাজাপত্যস্য সাম।' ইত্যাদিৰে। জৈমিনীয় আৰ্ষেয় কিছু সংক্ষিপ্ত, কৌথুমীয় আৰ্ষেয় কিছু বিস্তৃত। দুয়ো গ্রন্থ গানৰ অনুক্রমত পাৰ্থক্য বৰ্ত্তমান। এয়া গ্রামগেয় গানৰ পাৰ্থক্য।

আৰণ্যগেয় গানৰ পৰ্বানুক্রমত পাৰ্থক্য আছে। জৈ. আৰ্ষেয়ত ক্রমশঃ ব্রতপৰ্ব, অৰ্কপৰ্ব, দ্বন্দ্বপৰ্ব আৰু সুক্রিয়পৰ্ব বিদ্যমান। কৌথুম আৰ্ষেয়ত পোনতে অৰ্কপৰ্ব আহিছে; ব্রতপৰ্ব তৃতীয় স্থানলৈ অৱনমিত হৈছে।

(১১) **জৈমিনীয় উপনিষদ ব্রাহ্মণ**—জৈমিনীয় শাখাত প্রাপ্ত ই এখন বৈশিষ্ট্যপূৰ্ণ গ্রন্থ। ই কৌথুম সংহিতোপনিষদৰ তুলনীয়। ইয়াত অধ্যায় চাৰিটা; প্রতিটো অনুবাকত, আৰু অনুবাক ( ৪।১—২ বাদ দি ) একাধিক খণ্ডত বিভক্ত। এনেদৰে ইয়াত ৩৯ অনুবাক আৰু ১৩২ খণ্ড আছে। ইয়াত সৃষ্টিতত্ত্বমূলক দেৱ-দেৱী সংলগ্ন আৰু ঐতিহাসিক কাহিনী সঞ্চিত হৈছে। শৰ্যাত, সুদক্ষিণ ক্ষৈমি প্রাচীনশালী, জাবাল, উচ্চৈশ্রৱা কৌপেয়, ভগীৰথ ঐক্ষ্বাকু প্রভৃতিৰ কথা ইতিহাসৰ সমল। ইয়াত দুবাৰো ঋষি পৰম্পৰা উল্লেখিত হৈছে। কেতবোৰ তান্ত্রিক আৰু অলৌকিক আচাৰ নীতিয়েও ইয়াত ঠাই পাইছে।

# তৃতীয় অধ্যায়

## আৰণ্যক

**সাধাৰণ পৰিচয় ঃ**

আৰণ্যক আৰু উপনিষদসমূহ ব্ৰাহ্মণ সাহিত্যৰ শেষৰ ফালে পৰিশিষ্টৰূপে সংশ্লিষ্ট হৈ থাকে। যিহেতু উপনিষদসমূহ আৰণ্যকৰো পিছত উদয় হয় আৰু উপনিষদবোৰে বেদান্ত আখ্যা লাভ কৰিছে, এতেকে আৰণ্যক আৰু উপনিষদৰ বেদত্ব লৈ সন্দেহৰ অৱকাশ নাই। তদুপৰি আপস্তম্বৰ পৰিভাষা ( 'মন্ত্ৰব্ৰাহ্মণয়োঃ বেদনামধেয়ম্' ) এই ক্ষেত্ৰত আৰণ্যক-উপনিষদৰ বেদত্ব প্ৰমাণ কৰিবলৈ সাক্ষী হৈ আছেই, কিয়নো আৰণ্যক-উপনিষদবোৰ ব্ৰাহ্মণৰ শেহতীয়া ভাগ। পৰৱৰ্তী আচাৰ্যসকলেও আৰণ্যক আৰু উপনিষদক বেদৰ মৰ্যাদা দি আহিছে।

কিন্তু প্ৰকৃতিগতভাবে ব্ৰাহ্মণ আৰু আৰণ্যক উপনিষদৰ মাজত ব্যৱধান নোহোৱা নহয়। ব্ৰাহ্মণসমূহৰ লক্ষ্য আৰু বিষয় মূলতঃ দ্ৰব্য-যজ্ঞ, কিন্তু আৰণ্যক-উপনিষদ দ্ৰব্যযজ্ঞৰ পক্ষপাতী হোৱা দূৰৈত থাওক, বৰঞ্চ বিৰোধীহে; সেয়ে আৰণ্যকোপনিষদসমূহ উচ্চস্তৰীয় জ্ঞানমুখী আৰু অধ্যাত্মবাদৰ পৃষ্টপোষক। সেয়ে মন্ত্ৰ আৰু ব্ৰাহ্মণক লৈ কৰ্মকাণ্ড আৰু আৰণ্যকোপনিষদক লৈ জ্ঞানকাণ্ডই পৰাকাষ্ঠা লাভ কৰিছে। এই দুই পন্থাক লৈ পিছত পূৰ্ব আৰু উত্তৰ দুই মীমাংসাৰ সৃষ্টি হৈছে। কিন্তু আৰণ্যকবোৰে উপনিষদৰ স্তৰ পোৱাগৈ নাই, সিবোৰে মাথোন কৰ্মপন্থৰপৰা জ্ঞানপন্থলৈ যোৱা পথ সুগম কৰিছে।

অৰণ্যত অধ্যয়ন বা অনুশীলন কৰা শাস্ত্ৰচয় 'আৰণ্যক' নামে অভিহিত হৈছে। সায়ণই তৈত্তিৰীয় আৰণ্যকৰ ভাষ্যত কৈছে ঃ

অৰণ্যাধ্যয়নাদেতদ্ আৰণ্যকমিতীৰ্যতে।  
অৰণ্যে তদধীয়ীতেত্যেৱং বাক্যং প্ৰৱক্ষ্যতে॥

অৰ্থাৎ 'অৰণ্যত অধ্যয়ন কৰা হেতুকেই 'আৰণ্যক' বুলি কোৱা হয়। 'অৰণ্যত সেয়া অধ্যয়ন কৰা উচিত' এনে বাক্য কোৱা হৈছে।'

সন্দেহ নাই যে লোকালয় বা গ্ৰামৰপৰা আঁতৰি নিৰ্জন বনত আৰণ্যকৰ বিষয়-বস্তু চৰ্চিত হৈছিল। গাঁৱৰ ভিতৰত সিবোৰৰ অধ্যয়ন কোনোপ্ৰকাৰে লাভজনক বা উপাদেয় নহৈছিল; কিয়নো অতিশয় ৰহস্যময় বিদ্যাসমূহ সকলোৰে শুনা অনুচিত। যদিও আৰণ্যকৰ তত্ত্ব ব্ৰহ্মসম্বন্ধীয় পৰাবিদ্যা নহয়, তথাপি ই যজ্ঞৰ স্থূলভাগেৰেও সম্বন্ধিত নহয়, বৰঞ্চ ই একপ্ৰকাৰ যজ্ঞীয় মনন বা উপাসনা বিশেষক কেন্দ্ৰ কৰি গঢ়ি উঠা শাস্ত্ৰ। প্ৰাণাদিলৈও গূঢ়তত্ত্ব চিন্তা আৰণ্যকত কৰা দেখা যায়।

ইতিমধ্যে সামবেদৰ এভাগ অৰণ্যত অনুশীলন কৰা কথা কৈ অহা হৈছে। আৰণ্যগেয়



গানবোৰ গাঁৱলীয়া জনসাধাৰণে শুনা অনুচিত। সেইদৰে জৈমিনীয় উপনিষদ ব্ৰাহ্মণৰ তত্ত্বও গোপ্য। গতিকে আৰণ্যকৰ ৰহস্যময় বিষয়বস্তুৰ তত্ত্ব একেদিনে আহি পৰা নাছিল। ধৰ্মৰ বা ধৰ্মদৰ্শনৰ কিছুতত্ত্ব সদায় গোপনীয় হৈয়ে থাকে। আনকি দীক্ষা, শৰণ আদিও তাৰ ব্যতিক্ৰম নহয়। ভকতীয়া ব্যৱস্থাতো তেনে ৰাতিখোৱা সম্প্ৰদায় আছে। পিছে আৰণ্যকৰ ভাবধাৰা ইবোৰতকৈ যে উচ্চস্তৰৰ আছিল তাক নকলেও হয়।

আৰণ্যক গ্ৰন্থসমূহৰ চৰিত্ৰ বা গঠন-প্ৰক্ৰিয়া একে প্ৰকাৰৰ নহয়। কোনোখন মন্ত্ৰময় সংহিতাৰ দৰে, কোনোখন ব্ৰাহ্মণৰ দৰে গদ্যময় আৰু কোনোখন সূত্ৰাত্মক চৰিত্ৰৰ। ভাষা বা শৈলীৰ ফাললৈ চকু দিলেও সিবোৰ যে ব্ৰাহ্মণৰ বেলিমাৰ আৰু উপনিষদৰ ব্ৰহ্মমূহূৰ্তৰ প্ৰাক্কালত এক দোমোজাৰ মাজতে ৰচিত তাক বুজিবলৈ পাৰি। বৈদিক সাহিত্যৰ ইতিহাসত আৰণ্যকসমূহেও একাংশ ঠাই দৃঢ়ভাৱে দখল কৰি আছে। সেয়া এক যুগসন্ধিৰ ক্ষণ।

তলত অধুনাপ্ৰাপ্ত আৰণ্যক কেইখনৰ সংক্ষিপ্ত পৰিচয় দিয়া হ'ল।

**ঐতৰেয় আৰণ্যক ঃ** ঋগ্বেদীয় ঐতৰেয় ব্ৰাহ্মণৰ পৰিশিষ্টৰূপে পোৱা আৰণ্যকখন ঐতৰেয় আৰণ্যক।[১] ব্ৰাহ্মণৰদৰে এই আৰণ্যকৰো দ্ৰষ্টা মহীদাস ঐতৰেয় বুলি কোৱা হয়। ই পাঁচ ভাগত বিভক্ত, আৰু প্ৰতিভাগকে একোখন স্বকীয়া আৰণ্যক বুলি স্বীকাৰ কৰা হয়। প্ৰতিখন 'আৰণ্যক' আকৌ অধ্যায় আৰু খণ্ডত বিভক্ত।

প্ৰথম আৰণ্যকত 'মহাব্ৰত'ৰ বৰ্ণনা পোৱা যায়। ই গৱাময়ন সত্ৰৰ অবান্তৰ কৰ্ম। দ্বিতীয় আৰণ্যকৰ প্ৰথম তিনি অধ্যায়ত উক্থ বা নিষ্কেৱল্য শস্ত্ৰ, প্ৰাণবিদ্যা আৰু পুৰুষৰ বিষয়ে বিবেচনা কৰা হৈছে। এই আৰণ্যকৰ অন্য তিনি অধ্যায়ক ( ৪-৬ ) ঐতৰেয় উপনিষদ বুলি জনা যায়। তৃতীয় আৰণ্যকক আকৌ 'সংহিতোপনিষদ' বুলিও কোৱা হয়। ইয়াত সংহিতা, পদ আৰু ক্ৰমপাঠৰ বিৱৰণ আছে; লগতে স্বৰ, ব্যঞ্জন আদিৰো অনুশীলন কৰা হৈছে। ইয়াত শাকল্য আৰু মাণ্ডুকায়নৰ মত উদ্ধৃত হৈছে। ই প্ৰাতিশাখ্য, নিৰুক্ত আৰু ব্যাকৰণৰ প্ৰাক্কালৰ ৰচনা হ'ব। চতুৰ্থ আৰণ্যকটি তেনেই ক্ষুদ্ৰ—ই নটা মহানাম্নী ঋক আৰু নটা পুৰীষপদৰ সংকলন মাত্ৰ। পঞ্চম আৰণ্যকভাগ সূত্ৰাকাৰত ৰচিত। চতুৰ্থ আৰণ্যকৰ মহানাম্নী ঋক্সমূহ মহাব্ৰত যজ্ঞৰ পঞ্চম দিনৰ কৰ্মত প্ৰযুক্ত হয়। এই আৰণ্যক প্ৰথম আৰণ্যকৰ পৰিপূৰক। পঞ্চম আৰণ্যকটিত আকৌ নিষ্কেৱল্য শস্ত্ৰৰ কথা আছে, সেয়ে ই ২য় আৰণ্যকৰ পৰিপূৰক।

এই আৰণ্যকৰ প্ৰথম তিনিটা আৰণ্যকৰ ৰচক মহিদাস ঐতৰেয়, চতুৰ্থ আৰণ্যকৰ ৰচক আশ্বলায়ন আৰু পঞ্চম আৰণ্যকৰ ৰচক শৌনক বুলি কোৱা হৈছে। পিছে এই কথা সৰ্বসন্মত নহয়।

---

১। ড° এ, বি, কীথে ইয়াৰ সম্পাদনা আৰু অনুবাদ কৰে আৰু ১৯০৯ চনত পোনতে অক্সফোৰ্ডৰপৰা প্ৰকাশিত হয়। তাৰো আগতে ৰাজেন্দ্ৰলাল মিত্ৰই সায়ণভাষ্যসহ ( ১৮৭৬ ) প্ৰকাশ কৰে কলিকতাৰপৰা। অন্যসং বি, এছ, ফাৰকে, পুনা, ১৮৯৮।

(২) **শাঙ্খায়ন-আৰণ্যক ঃ** ঋগ্বেদৰ অন্তৰ্গত দ্বিতীয় আৰণ্যকখন হৈছে শাঙ্খায়ন ব্রাহ্মণৰে সংলগ্ন শাংখায়ন-আৰণ্যক।[১] ঐতৰেয়-আৰণ্যকৰদৰেতেও ইয়াৰ নিকট সম্পৰ্ক আছে। ই পোন্ধৰটা অধ্যায়ত বিভক্ত; তাৰে কেইটিমান তেনেই সংক্ষিপ্ত। ইয়াৰ প্ৰথম আৰু দ্বিতীয় অধ্যায়ত মহাব্রত, তৃতীয়-ষষ্ঠ অধ্যায়ত উপনিষদ[২], সপ্তম আৰু অষ্টম অধ্যায়ত সংহিতা আৰু নৱম অধ্যায়ত মন্থৰ[৩] বৰ্ণনা পোৱা যায়। ইয়াৰ লগতে প্ৰাণবিষয়ক তত্ত্বালোচনাও পোৱা যায়। দশম অধ্যায়ত অগ্নিহোত্ৰ আৰু একাদশ অধ্যায়ত স্বপ্নফলৰ চিত্তাকৰ্ষক আলোচনা কৰা হৈছে। দ্বাদশ অধ্যায়টিত আথৰ্ব মণি-মাদলিৰ ক্ৰিয়া মন্ত্ৰসহ দিয়া আছে। ত্ৰয়োদশ অধ্যায়ত সংক্ষেপতে ৱেদৱিদ্যাৰ সাৰস্বৰূপ সৰ্বাত্মভাৱৰ উপদেশ আছে। চতুৰ্দশ অধ্যায়ত ৱেদাধ্যয়নৰ আৱশ্যকতা সম্বন্ধে আৰু পঞ্চদশ অধ্যায়ত ৱংশানুকীৰ্তন কৰা হৈছে।

ঐতৰেয় আৰণ্যকৰ তুলনাত এই আৰণ্যক অধিক বিস্তৃত আৰু সুগঠিত। ৰচনাশৈলীও সংহত। ই ঐতৰেয়তকৈ অৰ্বাচীন। পঞ্চদশ অধ্যায়ত শাংখায়নাচাৰ্য ই তেওঁৰ গুৰু কোষীতকিৰপৰা উপদেশ গ্ৰহণ কৰা তথ্য পোৱা যায়। গতিকে পৰম্পৰাক্ৰমে কোষীতকি আৰু শাংখায়নৰ নিকট সম্বন্ধ থকা কথা বুজিব পাৰি। ওপৰত আলোচ্য প্ৰথম ন অধ্যায়ৰ বিষয়বস্তুৰ ৱেঙনি শাংখায়ন গৃহ্যসূত্ৰতো ( ৬।৪ ) দেখিবলৈ পোৱা যায়।

(৩) **তৈত্তিৰীয় আৰণ্যক ঃ**—তৈত্তিৰীয় সংহিতাৰ ( কৃষ্ণ যজুৰ্বেদৰ ) অন্তৰ্গত তৈত্তিৰীয় ব্রাহ্মণৰ সম্প্ৰসাৰিত ভাগৰ নাম তৈত্তিৰীয় আৰণ্যক। ই আৰণ্যকৰাজিৰ ভিতৰত বৃহদাকাৰৰ। ই দহ অধ্যায়ত বিভক্ত। অধ্যায়বোৰক প্ৰপাঠকো বোলে। কিন্তু সাধাৰণ ৰীতিৰে ইবিলাকক 'অৰণ' বুলি কোৱা হয়। প্ৰতিটো 'অৰণক' আদ্যপদেৰে নামাকৰণ কৰা হৈছে; যেনে (১) ভদ্ৰ, (২) সহবৈ, (৩) চিত্তি, (৪) যুঞ্জতে, (৫) দেৱবৈ. (৬) পৰে, (৭) শীক্ষা, (৮) ব্ৰহ্মৱিদ্যা, (৯) ভৃগু, (১০) নাৰায়ণীয়। সপ্তমৰপৰা নৱম প্ৰপাঠকলৈ এই প্ৰপাঠক তিনিটাত বহুবিখ্যাত তৈত্তিৰীয় উপনিষদ আৰু দশম প্ৰপাঠকত মহানাৰায়ণ উপনিষদ সংগৃহীত হৈছে। প্ৰথমৰপৰা ষষ্ঠ প্ৰপাঠকলৈকে এই ছয় প্ৰপাঠকৰ প্ৰতিটোতে বাৰৰপৰা বিয়াল্লিশলৈকে অনুৱাক আছে।

প্ৰথম প্ৰপাঠকত আৰুণকেতুক নামে অগ্নিৰ উপাসনা আৰু তাৰ বাবে যজ্ঞকুণ্ড সাজিবলৈ ইষ্টক চয়নৰ বৰ্ণনা পোৱা যায়। দ্বিতীয় প্ৰপাঠকত স্বাধ্যায় আৰু পঞ্চ মহাযজ্ঞৰ বৰ্ণনা আছে। মন্ত্ৰ, ধ্যান, শৌচাচাৰ, প্ৰায়শ্চিত্ত, আদিৰ ওপৰত অধিক জোৰ দিয়া হৈছে। ইয়াত গঙ্গা আৰু যমুনাৰ মাজৰ দেশখণ্ডক অতি পৱিত্ৰ আৰু মুনিসকলৰ বাসভূমি বোলা

১। সঃ শ্ৰীধৰ পাঠক, পুনা, ১৯২২; ১-২ অধ্যায় ঃ সম্পাঃ আৰু অনুবাদ ফ্ৰিডলেণ্ডৰ, ( Der Mahāv ata Abschnitt des Cankhayana Aranyaka, Berlin, 1900 ).

২। ইয়েই কৌষীতকি ব্রাহ্মণোপনিষদ নামে বিখ্যাত।

৩। মহত্ত্ব লাভৰ বাবে অনুষ্ঠিত ক্ৰিয়া বিশেষ; ছান্দোগ্য উপনিষদ ৫।২।৪ উল্লেখিত হৈছে।



হৈছে। তৃতীয় প্ৰপাঠকত চাতুৰ্হোত্ৰ চিত্তিৰ উপযোগী মন্ত্ৰবোৰ সংকলিত হৈছে। ইয়াৰ অন্তিম পাঁচ অনুৱাকত ( ১৭-২১ ) মৃতসংস্কাৰৰ মন্ত্ৰ সঞ্চয়ন কৰা হৈছে। চতুৰ্থটো প্ৰপাঠকত প্ৰৱৰ্গ্যৰ উপযোগী মন্ত্ৰবোৰ সংগৃহীত হৈছে। পঞ্চম প্ৰপাঠকত প্ৰৱৰ্গ্যত সেই মন্ত্ৰবোৰ কিদৰে ব্যৱহাৰ হয় আৰু সিবোৰৰ অৰ্থ ব্যাখ্যা কৰা হৈছে। ষষ্ঠ প্ৰপাঠকত পিতৃমেধৰ উপযোগী মন্ত্ৰবোৰ উল্লেখিত হৈছে। ইয়াৰ বহুতো মন্ত্ৰ ঋগ্বেদৰপৰা উদ্ধৃত।

মহানাৰায়ণ উপনিষদ যুক্ত দশম প্ৰপাঠকটো খিল বুলি কোৱা হয়।

**বৃহদাৰণ্যক ঃ** শুক্লযজুৰ্বেদৰ অন্তৰ্গত শতপথব্রাহ্মণৰ ( মাধ্যন্দিন শাখাৰ ) চতুৰ্দশ কাণ্ডৰ নাম বৃহদাৰণ্যক। ইয়াৰ প্ৰথম তিনিটা অধ্যায়ত প্ৰৱৰ্গ্যৱিধি আছে আৰু শেষৰ ছয়টা অধ্যায় বৃহদাৰণ্যক উপনিষদ বুলি জনাজাত।

ছান্দোগ্য উপনিষদৰ প্ৰথম অধ্যায়ে টোকো আৰণ্যক সদৃশ বুলি কোৱা হয়।

# চতুৰ্থ অধ্যায়

## উপনিষদসমূহ

"উপনিষদসমূহে বেদৰ অন্তিমভাগ গঠন কৰে আৰু সেয়ে সিবোৰক 'বেদান্ত' বা 'বেদৰ অন্ত' বোলে, এই নামটোৱে নিৰ্দেশ কৰে যে সিবিলাকে বৈদিক শিক্ষাৰ সাৰমৰ্ম সামৰি আছে। সিবিলাক পৰবৰ্তী দৰ্শনৰ ভেটিস্বৰূপ।"[১] বেদ, ব্ৰাহ্মণ আৰু উপনিষদসমূহক ভাৰতীয় পৰম্পৰাই একেধাৰে 'শ্ৰুতি' বা ঈশ্বৰ প্ৰদত্ত জ্ঞান বুলি গণ্য কৰি আহিছে। সেয়ে বেদৰ অন্যান্য অংশৰ লগতে উপনিষদসমূহকো অপৌৰুষেয় অৰ্থাৎ মানৱৰ 'আয়াসলব্ধ জ্ঞান নহয়' বুলি দৃঢ় বিশ্বাস এটি ভাৰতীয় জনসমাজত আজিও বৰ্তমান। আনকি বৰ্তমান কালতো পণ্ডিত সমাজৰ অনেকে এই 'অপৌৰুষেয়' জনপ্ৰৱাদক 'ঈশ্বৰদ্বাৰা অনুপ্ৰেৰিত' অৰ্থত হ'লেও স্বীকাৰ কৰা দেখা যায়।

ওপৰতে ইয়াৰ বেদত্ব সম্বন্ধে কৈ অহা হৈছে। ইয়াকো কৈ অহা হৈছে যে মন্ত্ৰ আৰু ব্ৰাহ্মণৰ আধিযাজ্ঞিক আৰু আধিদৈৱিক দৰ্শন উপনিষদে এক প্ৰকাৰে অস্বীকাৰ কৰি অধ্যাত্ম-অদ্বৈতবাদ প্ৰতিষ্ঠাৰ পথ প্ৰশস্ত কৰিছে। সেয়ে মন্ত্ৰ-ব্ৰাহ্মণৰ ভেটিত জৈমিনি প্ৰভৃতি আচাৰ্যই পূৰ্ব মীমাংসা দৰ্শনৰ মৰ্মৰ সৌধ সাজিছে আৰু উপনিষদৰ জ্ঞানকাণ্ডৰ ওপৰত আচাৰ্য বাদৰায়ণে উত্তৰ মীমাংসা বা বেদান্ত দৰ্শনৰ পৱিত্ৰ মন্দিৰ নিৰ্মাণ কৰিছে। বেদান্ত দৰ্শন তিনি প্ৰস্থানক লৈ গঠিত: তাৰে শ্ৰুতি প্ৰস্থান উপনিষদৰাজি, স্মৃতি-প্ৰস্থান শ্ৰীমদ্‌ভাগৱদ্‌গীতা, আৰু প্ৰকৰণ প্ৰস্থান হৈছে ব্ৰহ্মসূত্ৰ বা বেদান্তসূত্ৰ।

অৱশ্যে উপনিষদৰ তত্ত্বসমূহৰ মূল ঋগ্বেদাদিৰ সৃষ্টিতত্ত্ব আৰু দৰ্শনমূলক সূক্তবোৰৰ মাজতে উপ্ত আছিল। এই ক্ষেত্ৰত অথৰ্ববেদ আৰু ব্ৰাহ্মণৰ অৱিহণাও নোহোৱা নহয়।

উপনিষৎ শব্দটো উপ—নি√ সদ্ ধাতুৰপৰা উৎপন্ন হৈছে। ইয়াৰ আক্ষৰিক অৰ্থ হয় 'একান্তভাৱে কাৰো ওচৰত বহা'। 'গুপ্ত' বা 'ৰহস্য' বিষয়ৰ জ্ঞান বা বিদ্যা অৰ্জনৰ বাবে শিষ্যজনে আচাৰ্যৰ ওচৰত একান্তভাৱে ব্ৰহ্মাঞ্জলিবদ্ধ হৈ বহা নিয়ম পুৰণিভাৰতত প্ৰচলিত আছিল। তাৰ আপাহতে অৰ্জিত জ্ঞানক 'উপনিষৎ' বা 'ৰহস্য' জ্ঞান বুলি কোৱা হয়। কোনো কোনো পণ্ডিতে উপনিষদ শব্দৰ এনে অৰ্থ স্বীকাৰ নকৰে। তেওঁলোকৰ মতে বেদত উপনিষদ শব্দটো পাৰিভাষিক অৰ্থত ব্যৱহৃত হৈছে আৰু ই 'নিগূঢ় তত্ত্ব' বুজায়। "চাৰিও-ফালৰপৰা বিচাৰ কৰি এই সিদ্ধান্তই হয়, উপনিষদৰ যি ব্যুৎপত্তিগত অৰ্থ, তাৰ উদ্দিষ্ট মানুহ নহয়—দেৱতা। দেৱতা আহি আচাৰ্যৰ হৃদয়ত নিষন্ন হ'লে তেওঁৰ মাজত যি তত্ত্বজ্ঞানৰ

১। ৰাধাকৃষ্ণণ, ফিলচফি অৱ দ্য উপনিষদচ, লণ্ডন, ১৯২৪ চন, পৃষ্ঠা ১৩—১৪।



স্ফূৰণ হয়, সেয়ে 'উপনিষৎ'। এই অৰ্থই স্বাভাৱিক আৰু পৰম্পৰাগত। আচাৰ্যৰ ওচৰত বহি বিদ্যা গ্ৰহণ কৰা অৰ্থটো গৌণ আৰু আনুষঙ্গিক মাত্ৰ।"[২]

শঙ্কৰাচাৰ্যই তেওঁৰ উপনিষদ ভাষ্যত উপনিষৎ শব্দৰ অৰ্থ 'যি অৱিদ্যা নাশ কৰে' বুলি কৈছে। 'উপনিষৎ' ব্ৰহ্মজ্ঞানৰ দ্যোতক, এই বিদ্যাভ্যাসৰদ্বাৰা মুমুক্ষুজনৰ চিত্তত ব্ৰহ্মজ্ঞানৰ উদয় হ'লে সংসাৰৰ বীজভূত অৱিদ্যাৰাশি নষ্ট হয়; মুমুক্ষুৱে ব্ৰহ্মগতি লাভ কৰে। আৰু গৰ্ভবাসাদি সংসাৰ যাতনাৰপৰা মুক্তি লাভ কৰে। এয়া অৱশ্যে পৰোক্ষ অৰ্থ। কিন্তু উপনিষৎ শব্দৰ যথাৰ্থ অৰ্থ যে 'ৰহস্য' অৰ্থাৎ গুৰুশিষ্য পৰম্পৰাক্ৰমে প্ৰাপ্ত 'ঐকান্তিক ৰহস্য জ্ঞান' সি উপলব্ধিৰ বিষয়।

**উপনিষদৰ সংখ্যা:** এতিয়ালৈকে প্ৰকাশিত উপনিষদৰ সংখ্যা ২০০ খনৰ ওপৰ হৈছেগৈ। কিন্তু মুক্তিকোপনিষদত প্ৰাপ্ত পৰম্পৰাই ১০৮ খন উপনিষদৰ নাম দিছে; তাৰে ১০খন ঋগ্বেদীয়, ১৯ খন শুক্ল যজুৰ্বেদীয়, ৩২ খন কৃষ্ণ যজুৰ্বেদীয়, ১৬ খন সামবেদীয় আৰু ৩১ খন অথৰ্ববেদীয় বুলি কোৱা হৈছে। কিন্তু ইবোৰৰ ভিতৰত মাত্ৰ দহখন উপনিষদৰ ওপৰত আদি শঙ্কৰাচাৰ্যই ভাষ্য ৰচিছে আৰু সিবিলাকক প্ৰাচীন-প্ৰামাণ্য উপনিষদ বুলি সকলোৱে স্বীকাৰ কৰে। সেই দহখন উপনিষদ হৈছে—(১) ঈশ, (২) কেন, (৩) কঠ, (৪) প্ৰশ্ন, (৫) মুণ্ডক, (৬) মাণ্ডূক্য, (৭) তৈত্তিৰীয়, (৮) ঐতৰেয়, (৯) ছান্দোগ্য আৰু (১০) বৃহদাৰণ্যক। ইয়াৰ উপৰিও কৌষীতকি ব্ৰাহ্মণ-উপনিষদ, শ্বেতাশ্বতৰ আৰু মৈত্ৰী বা মৈত্ৰায়নীয় উপনিষদকো প্ৰাচীন বুলি ভবা হয়। কিছুবছৰ পূৰ্বে প্ৰকাশিত বাষ্কল, ছাগলেয়, আৰ্ষেয় আৰু শৌনক—উপনিষদ চাৰিখনকো পণ্ডিত সজ্জনে পুৰণি বুলি দাবী কৰিছে।

পণ্ডিত ৰাণাডে আৰু বেলৱেলকাৰে এক সুষম পদ্ধতিৰে উক্ত উপনিষদসমূহৰ ধাৰাবাহিক আৰু আপেক্ষিক কালানুক্ৰমত সজাবলৈ যত্ন কৰিছে। তেওঁলোকে উপনিষদবোৰ কালানুক্ৰমত তলত দিয়া দৰে তিনিভাগত শ্ৰেণীবদ্ধ কৰিছে—

(১) ছান্দোগ্য, বৃহদাৰণ্যক, কঠ, ঈশ, ঐতৰেয়, তৈত্তিৰীয়, মুণ্ডক, কৌষীতকি, কেন আৰু প্ৰশ্ন;

(২) শ্বেতাশ্বতৰ, মাণ্ডূক্য, আৰু মৈত্ৰায়নীয়;

(৩) বাষ্কল, ছাগলেয়, আৰ্ষেয় আৰু শৌনক।

প্ৰাচীন উপনিষদ চৈধ্যখন চাৰিবেদৰ ভিতৰুৱা। তলত উপনিষদবোৰৰ কোনখন কোন বেদৰ ভিতৰুৱা তাকো নিৰ্দেশ কৰা হ'ল:

ঋগ্বেদ: ঐতৰেয় আৰু কৌষীতকি;

সামবেদ: ছান্দোগ্য আৰু কেন;

কৃষ্ণযজুৰ্বেদ: তৈত্তিৰীয়, কঠ, মৈত্ৰায়নী, মহানাৰায়ণ, শ্বেতাশ্বতৰ।

শুক্লযজুৰ্বেদ: বৃহদাৰণ্যক আৰু ঈশ;

২। অনিৰ্বাণ, বেদ মীমাংসা, ১ম খণ্ড, কলিকতা, ১৯৭৫, পৃষ্ঠা ১১৪—৫।

উপনিষদখন ছটা অধ্যায়ত বিভক্ত। এই থনক যোগবে যুক্ত উপনিষদ বুলি জনা যায়। ইয়াত ঋক্‌, যজুস্‌ আদি সংহিতাৰ মন্ত্ৰৰ উদ্ধৃতি পোৱা যায়।

ইয়াৰ ১ম অধ্যায়ত জীৱ, ব্ৰহ্ম, বিশ্ব আৰু অজ্ঞৰ বৰ্ণনা কৰা হৈছে। ক্ষীৰত যিদৰে সৰ্পি ব্যাপ্ত হৈ থাকে তেনেকৈ ব্ৰহ্মই জগৎ ব্যাপি আছে। ২য় অধ্যায়ত যোগক এক সমতা ৰক্ষাৰ প্ৰণালীৰূপে বৰ্ণোৱা হৈছে। ৩য় অধ্যায়ত শিৱ-ৰুদ্ৰৰ বৰ্ণনা কৰোঁতে ঋগ্বেদীয় পুৰুষসূক্ত আৰু যজুৰ্বেদীয় ৰুদ্ৰাধ্যায়ৰপৰা মন্ত্ৰৰ উদ্ধৃতি দিছে। ৪ৰ্থ অধ্যায়ত ব্ৰহ্মক মহেশ্বৰ আৰু প্ৰকৃতিক মায়া ( মায়াং তু প্ৰকৃতিং বিদ্যান্ মায়িনং তু মহেশ্বৰম্ ) বুলি প্ৰতিপন্ন কৰা হৈছে। ৫ম অধ্যায়ত কপিলৰ উল্লেখ আৰু ত্ৰৈগুণ্যৰ বৰ্ণনা পোৱা যায়। ৬ষ্ঠ অধ্যায়ত কৰ্মবাদৰ কথা কোৱা হৈছে। ইয়াত সাংখ্য, যোগাদি বিশেষ অৰ্থত ব্যৱহৃত হৈছে। শেষত গুৰু-শিষ্যৰ প্ৰশংসা আৰু গুৰুভক্তিৰ আৱশ্যকতাৰ ওপৰত জোৰ দি কৈছে—

যস্য দেৱে পৰা ভক্তিৰ্যথা দেৱে তথা গুৰৌ।
তস্যৈতে কথিতা হ্যৰ্থাঃ প্ৰকাশন্তে মহাত্মনঃ ॥

**শুক্লযজুৰ্বেদৰ অন্তৰ্গত উপনিষদ—**

(১০) **বৃহদাৰণ্যকোপনিষদ :** শতপথ ব্ৰাহ্মণৰ অন্তিম ভাগত এই উপনিষদ প্ৰকাশ পাইছে। ইয়াত ছটা অধ্যায় আছে। প্ৰতিটো অধ্যায় অনেক ব্ৰাহ্মণত বিভক্ত। সম্প্ৰদায়ৱিদসকলে দুটা দুটা অধ্যায় লগ লগাই একোটিকৈ কাণ্ডৰ কল্পনা কৰিছে— 'মধুকাণ্ড' ( ১—২), মুনি' বা 'যাজ্ঞৱল্ক্য কাণ্ড' ( ৩—৪ ), আৰু 'খিলকাণ্ড' ( ৫—৬ )। উপনিষদখন কাণ্ব আৰু মাধ্যন্দিন দুয়ো শাখাতে বৰ্তমান।

প্ৰথম অধ্যায়টো ছটা ব্ৰাহ্মণৰ সমষ্টি। ইয়াত অশ্বমেধ ৰহস্য, প্ৰাণোপাসনা, আত্মৱিদ্যা, ব্ৰহ্মৱিদ্যা, সৃষ্টিৰহস্য, সপ্তান্নৰহস্য, ষোড়শকল পুৰুষৰহস্য, পিতাপুত্ৰীয় সম্প্ৰদান, প্ৰাণ আৰু বায়ুৰ তত্ত্ব বৰ্ণনা কৰা হৈছে। ইয়াৰে চতুৰ্থ ব্ৰাহ্মণোক্ত আত্মৱিদ্যা আৰু ব্ৰহ্মৱিদ্যা সুবিখ্যাত। উপনিষদৰ অন্যতম মহাবাক্য 'অহং ব্ৰহ্মাস্মি' ইয়াতেই উচ্চাৰিত হৈছে।

দ্বিতীয় অধ্যায়টোও ছয়টা অধ্যায়ৰে সমাহাৰ। ইয়াত আত্মাকেই ব্ৰহ্ম বুলি কোৱা হৈছে। ব্ৰহ্ম বাহিৰে ভিতৰে একেই। ইয়াৰ মূৰ্তামূৰ্ত দুই ৰূপ। 'নেতি নেতি' বুলিয়েই অমূৰ্ত ৰূপান্বেষণ কৰা হয়। সেয়া সুষুপ্তিৰ দৰে। তাত কোনো সংজ্ঞা নাথাকে। কিন্তু তাত বিজ্ঞান ঘনত্বৰ অনুভূতি থাকে। তাৰপৰা প্ৰত্যাৱৰ্তন কৰিলে সকলো মধুময় যেন অনুভূতি জন্মে।

তৃতীয় অধ্যায়ত নটা ব্ৰাহ্মণ। জনকৰ ৰাজ্যসভাত কুৰু-পাঞ্চাল দেশৰ বিদ্বান ব্ৰাহ্মণসকলৰসৈতে হোৱা যাজ্ঞৱল্ক্যৰ ব্ৰহ্মোত্তৰ বৰ্ণনা এই অধ্যায়ৰ উপজীৱ্য। অশ্বল, জাৰৎকাৰ আৰ্তভাগ, ভুজ্যু লাহ্যায়নি, উষস্ত চাক্ৰায়ণ, কহোল কৌষীতকেয়, গাৰ্গী বাচক্নৱী, শাকল্য প্ৰভৃতি প্ৰশ্নকৰ্তাই যাজ্ঞৱল্ক্যৰপৰা যথাৰ্থ প্ৰশ্নোত্তৰ লাভ কৰে। ইয়াত যাজ্ঞৱল্ক্যই নিজকে পূৰ্ণপ্ৰজ্ঞ ব্ৰহ্মিষ্ঠ হিচাপে নিজক সুপ্ৰতিষ্ঠ কৰিবলৈ সক্ষম হয়। কৰ্ম আৰু ব্ৰহ্ম দুয়োটিৰে তত্ত্বজ্ঞৰূপে যাজ্ঞৱল্ক্য জনাজাত হয়।



চতুৰ্থ অধ্যায়ত ছটা ব্ৰাহ্মণ। ইয়াত যাজ্ঞৱল্ক্য আৰু জনকৰ সংবাদ অনুষ্ঠিত হয়। আত্মজ্ঞান সাধনৰ পদ্ধতি যাজ্ঞৱল্ক্যৰ ভাষাৰে কথিত হৈছে। যাজ্ঞৱল্ক্যৰপৰা আত্মজ্ঞান লাভ কৰি জনকে পৰিশেষত আত্মসমৰ্পণৰ অনুভূতি প্ৰকাশ কৰি কৈছে : ভগৱান, এই বিদেহৰাজ্য আপোনাক দিলোঁ, লগতে নিজকেও দিলোঁ ; মই এতিয়া আপোনাৰ দাস।' ইয়াৰে ৬ষ্ঠ ব্ৰাহ্মণত ৱংশানুকীৰ্তন কৰা হৈছে।

পঞ্চম অধ্যায়ত পোন্ধৰটা ব্ৰাহ্মণ আছে। ইয়াত বিভিন্ন দাৰ্শনিক বিষয়ৰ লগতে নীতি-বিষয়ক, সৃষ্টিবিষয়ক আৰু পৰলোকবিষয়ক তথ্যও আছে। ১৪শ ব্ৰাহ্মণত সুবিখ্যাত গায়ত্ৰীৱিদ্যা কথিত হৈছে। ৬ষ্ঠ অধ্যায়ত পাঁচটা ব্ৰাহ্মণ। ইয়াত প্ৰাণোপাসনা, পঞ্চাগ্নি-ৱিদ্যা, শ্ৰীমন্থকৰ্ম, পুত্ৰমন্থ আৰু শেষত বংশাখ্যান বৰ্ণিত হৈছে। ইবোৰ বিষয়ৰ মাজত নতুনত্ব নাই ; পুৰণি বিষয়ৰে পুনৰাবৃত্তি মাথোন হৈছে।

(১১) **ঈশোপনিষদ :** বাজসনেয়ী সংহিতাৰ দুয়ো শাখাৰ শেষ অধ্যায়েই ঈশোপনিষদ বুলি জনা যায়। ই একমাত্ৰ মন্ত্ৰোপনিষদ্। ইয়াত মাত্ৰ ১৮টা মন্ত্ৰ আছে।

ইয়াত কোৱা হৈছে যে সমস্ত জগৎ ঈশ্বৰদ্বাৰা আবৃত। ত্যাগৰ ভাৱনা লৈ ভোগৰ প্ৰতি আগবাঢ়িব লাগে, লোভ কৰা অনুচিত। জ্ঞানলৈ দৃষ্টি ৰাখি কৰ্মত ব্যাপৃত হ'লে মানুহ কৰ্মবন্ধত লিপ্ত নহয়।

আত্মা স্থিৰ ; স্থিৰ হৈও আত্মা মনতকৈ বেগী, ই দূৰ-নিকট সৰ্বত্ৰ বিদ্যমান। ই সকলোৰে ভিতৰ আৰু বাহিৰত থাকে। আত্মদৰ্শীয়ে নিজৰ মাজতে সকলো প্ৰাণীক দেখে ; সেয়ে তেওঁৰ মনত আনৰ কোনো কাৰ্যই প্ৰতিক্ৰিয়া নকৰে। তেওঁ সকলোতে একত্ব দেখে। সেয়ে তেওঁ শোক-মোহাদিৰপৰা আঁতৰি থাকিবলৈ পাৰে।

ৱিদ্যা-অৱিদ্যা দুইৰে ব্যৱহাৰিক তাৎপৰ্য্য আছে। অৱিদ্যাৰে মৃত্যুপথ অতিক্ৰম কৰি ৱিদ্যাৰ বলত অমৃতত্ব লাভ কৰা সম্ভৱ। অকল অৱিদ্যা বা কৰ্মমাৰ্গক উপাসনা কৰা জন অন্ধকাৰত পৰে ; কিন্তু অকল ৱিদ্যাক উপাসনা কৰাজন তাতোকৈ গূঢ় আন্ধাৰত সোমাই পৰে। সেয়ে এই উপনিষদে বিদ্যাবিদ্যাৰ সুসমন্বয়ৰ ওপৰত গুৰুত্ব দিছে। তেনেদৰে সম্ভূতি আৰু অসম্ভূতিৰ সমন্বয় সাধনো প্ৰয়োজনীয়। প্ৰকৃত সত্য উপলব্ধি কৰা সহজ নহয়। কাৰণ তাৰ মুখত সোণৰ সাফৰ লগোৱা থাকে। অন্তদৃ'ষ্টি লাভবলৈ পূষাক অৰ্চনা কৰিব লাগে, অন্য দেৱতাৰ অৰ্চনাও বিধেয়।

**অথৰ্বৱেদৰ অন্তৰ্গত উপনিষদ—**

(১২) **মুণ্ডকোপনিষদ :** এই উপনিষদ তিনিটা মুণ্ডকত বিভক্ত ; প্ৰতিটো মুণ্ডক দুটাকৈ খণ্ডৰ সমষ্টি। মুমুক্ষু শৌনকে কৰা 'কস্মিন্নু ভগৱো বিজ্ঞাতে সৰ্বমিদং বিজ্ঞাতং ভৱতি ইতি।' এই প্ৰশ্নৰ উত্তৰত আঙ্গিৰসে পৰা আৰু অপৰা বিদ্যাৰ কথা কয়। অপৰাবিদ্যা হ'ল সাধাৰণ শ্ৰুতি-স্মৃতি ৱিষয়ক শাস্ত্ৰচয়। পৰাবিদ্যা হ'ল ব্ৰহ্মৱিদ্যা 'যয়া অক্ষৰম্ অধিগম্যতে' যি জানিলে অক্ষৰ ব্ৰহ্ম বিষয়ক জ্ঞান হয়, যাক জানিলে সকলো অজানা তত্ব জনা যায়।

অপৰাবিদ্যাৰ পৰিচয় দি আঙ্গিৰসে কৈছে যে 'প্লৱা হি এতে যজ্ঞৰূপা'। যিজনে

ইয়াক শ্ৰেয় বুলি সেৱা কৰে তেওঁ বাৰে বাৰে জৰা আৰু মৃত্যুৰ কবলত পৰে। গতিকে এই অবিদ্যামূলক কৰ্মৰ বিষয়ে সম্যক বিবেচনা কৰি মুমুক্ষুজনে নিৰ্বেদ বা বৈৰাগ্য লাভ কৰে আৰু সমিৎ হাতত লৈ গুৰুত শৰণ লয়। গুৰুৱে তেওঁৰ মনৰ সংশয় ছেদি যি পৰাবিদ্যা জ্ঞান দিয়ে তাৰে শিষ্যৰ ব্ৰহ্মজ্ঞান জন্মে আৰু তেওঁ বুজি পায় যে ‘পুৰুষ এৱেদং বিশ্বং কৰ্ম তপো ব্ৰহ্ম পৰামৃতম্’। তেতিয়া সৰ্বশক্তিমান, সৰ্বত্ৰ বিৰাজমান ব্ৰহ্মহে সকলোৰে মূলকাৰণ বুলি বোধ হয়। সেয়ে হলে ব্ৰহ্মজ্ঞানীৰ কুলত অব্ৰহ্মবিদ নাথাকে :

স যোহ বৈ তৎ পৰমং ব্ৰহ্ম বেদ
ব্ৰহ্মৈৱ ভৱতি নাস্যাব্ৰহ্মৱিদ্ কুলে ভৱতি।
তৰতি শোকং তৰতি পাপ্মানং
গুহাগ্ৰন্থিভ্যো বিমুক্তোঽমৃতং ভৱতি ॥

ইয়াৰ লগতে সত্যাদি সাধনৰ প্ৰশংসাও কৰা হৈছে।

(১৩) **প্ৰশ্নোপনিষদ :** এই উপনিষদখন অথৰ্ববেদৰ পৈপ্পলাদ শাখাভুক্ত। ই ছটা প্ৰশ্ন বা অধ্যায়ৰ সমষ্টি। প্ৰথম প্ৰশ্নকৰ্তা কবন্ধী কাত্যায়ন, তেওঁৰ প্ৰশ্ন হ'ল, ‘প্ৰজাসৃষ্টি ক'ৰপৰা হয়?’ দ্বিতীয় প্ৰশ্নকৰ্তা ভাৰ্গৱ বৈদৰ্ভী তেওঁৰ প্ৰশ্ন ‘কোন কোন দেৱতাই প্ৰজাসৰ্গক ধাৰণ কৰি আছে?’ তৃতীয় প্ৰশ্ন কৰোঁতা কৌশল্য আশ্বালায়ন; তেওঁৰ প্ৰশ্ন ‘প্ৰাণৰ উৎপত্তি, স্থিতি আৰু লয় কিদৰে হয়?’ চতুৰ্থ প্ৰশ্নকৰ্তা সৌৰ্যায়নি গাৰ্গ্যৰ প্ৰশ্ন হৈছে ‘সুষুপ্তিত কোন শোৱে আৰু কোন জাগি থাকে?’ পঞ্চম প্ৰশ্ন কৰ্তা শৈব্য সত্যকামে সোধে ‘ওঙ্কাৰৰ’ উপাসকসকলে কি কি লোকলৈ যায়?’ ষষ্ঠ আৰু শেষ প্ৰশ্নকৰ্তা সুকেশা ভাৰদ্বাজ। তেওঁৰ প্ৰশ্ন হৈছে, ‘ষোড়শ কলাযুক্ত পুৰুষ কোন আৰু তেওঁ কত থাকে?’ শিষ্যসকলৰ প্ৰশ্নৰ উত্তৰত গুৰু পিপ্পলাদে জীৱসৃষ্টি, প্ৰাণতত্ত্ব, সুষুপ্তিবিজ্ঞান, ওঙ্কাৰোপসনা আৰু ষোড়শকল পুৰুষৰ সম্বন্ধীয় বিষয়বোৰ ফঁহিয়াই কয়।

(১৪) **মাণ্ডূক্যোপনিষদ :** এইখন ক্ষুদ্ৰতম উপনিষদ; ই অথৰ্ববেদৰ ভিতৰুৱা। ওঙ্কাৰতত্ত্ব ইয়াৰ প্ৰতিপাদ্য বিষয়। মাত্ৰ বাৰটা গদ্যময় মন্ত্ৰত এক অদ্বৈত দৰ্শনৰ ভেটি ই প্ৰস্তুত কৰিছে।

ইয়াত কোৱা হৈছে যে ওঙ্কাৰেই ভূত, বৰ্তমান আৰু ভৱিষ্যৎ। ইয়েই চতুঃস্তৰ আত্মা : জাগ্ৰত, স্বপ্ন, সুষুপ্তি আৰু তুৰীয় চাৰি অৱস্থা। আত্মা যিদৰে চতুষ্পাৎ ওঙ্কাৰো সিদৰে চতুৰ্মাত্ৰ। অ উ ম এই তিনিটা মাত্ৰা আত্মাৰ তিনি পাদৰ অনুৰূপ; চতুৰ্থ মাত্ৰাটো তেনেকৈ অব্যৱহাৰ্য প্ৰপঞ্চোপম শিৱ আৰু অদ্বৈত।

গৌড়পাদে তেওঁৰ কাৰিকাত এই উপনিষদৰ মাজত উপ্ত অদ্বৈতবাদৰ বহল ব্যাখ্যা দাঙি ধৰিছে।

কোনো বেদৰে অসংলগ্ন, অথচ প্ৰাচীন বুলি পৰিগণিত চাৰিখন উপনিষদৰ চমু পৰিচয় মাত্ৰ দিয়া হ'ল।

(১৫) **বাষ্কলোপনিষদ :** এই উপনিষদত মাত্ৰ ২৫টা মন্ত্ৰ আছে। মন্ত্ৰবোৰ ত্ৰিষ্টুপ ছন্দত নিবদ্ধ। সম্ভৱতঃ ই বাষ্কল সংহিতাৰ পৰিশিষ্ট আছিল। ইয়াৰ কেইটামান



মন্ত্ৰ ঋগ্বেদৰ মন্ত্ৰৰ সদৃশ। ইয়াত মেধাতিথি আৰু ইন্দ্ৰৰ সংবাদৰ জৰিয়তে দাৰ্শনিক তত্ত্ব প্ৰকাশ পাইছে।

(২) **ছাগলেয়-উপনিষদ :** এইখন উপনিষদৰো বাষ্কল মন্ত্ৰোপনিষদৰসৈতে শ্ৰ্যাদাৰ, বেলৱেলকাৰ আৰু ৰাজাৰ সংকলনত ঠাই পাইছে। ইও এখন বৰ সংক্ষিপ্ত উপনিষদ। ইয়াত মাত্ৰ ছটা অনুচ্ছেদ আছে। অন্তত এবাৰ ছাগলেয় নাম উল্লেখিত হৈছে। কৃষ্ণ-যজুৰ্বেদৰ মৈত্ৰায়ণী সংহিতাৰ ছটা শাখাৰ মাজৰ এটাৰ নাম ছাগলেয়। সম্ভৱতঃ ছাগলেয় উপনিষদ উক্ত শাখাৰ অন্তৰ্গত। ইয়াত সৰস্বতী নদীৰ তীৰত হোৱা ঋষি-সকলৰ সত্ৰৰ উল্লেখ আছে। ঋষিসকলে কৱষ ঐলূষক ‘দাস্যাঃ পুত্ৰঃ’ বুলি নিন্দা কৰে’। পিছত অৱশ্যে ঐলূষৰ প্ৰশ্নৰ উত্তৰ দিব নোৱাৰি তেওঁৰ ওচৰতে উপনীত হোৱাৰ ইচ্ছা প্ৰকাশ কৰে। ঐলুষে তেওঁলোকক কুৰুক্ষেত্ৰত থকা বালিশ নামে জনদিয়েকৰ ওচৰলৈ পঠিয়াই দিয়ে। তাত এবছৰ ৱিদ্যাব্ৰত গ্ৰহণ কৰাৰ পাছত তেওঁলোকক সম্যক উপদেশ দিয়া হয়, তাৰ সাৰমৰ্ম এনে :

যথৈতৎকূৰৱস্তস্মায়োজিঝতো নেঙ্গতে মনাক্।
পৰিত্যক্তোঽয়মাত্মানা তদ্বদ্দেহো বিৰোচতে ॥

(৩) **আৰ্ষেয়-উপনিষদ :** ইও আড্যাৰ সংকলনৰপৰা জ্ঞাত উপনিষদ। ইয়াত মাত্ৰ দহটা অনুচ্ছেত পোৱা যায়। ইয়াত ঋষিসকলৰ মাজত বিৱেচিত ব্ৰহ্মোদ্যৰ বৰ্ণনা আছে। বিশ্বামিত্ৰ, জমদগ্নি, ভৰদ্বাজ, গৌতম, বশিষ্ঠ প্ৰভৃতি ঋষিয়ে সেই ব্ৰহ্মোদ্যত অংশ গ্ৰহণ কৰে। ঋষি-সকলেৰ বাদানুৱাদৰ বিৱেচনা তুলি ধৰা বাবে উপনিষদ খনে আৰ্ষেয় উপনিষদ নাম পাইছে।

(৪) **শৌনকোপনিষদ**—ইও আড্যাৰ সংকলনৰপৰা জ্ঞাত উপনিষদ। ইয়াৰ প্ৰৱক্তা শৌনক। অসুৰসকলৰ ওপৰত দেৱগণৰ বিজয় লাভ আৰু ইন্দ্ৰৰ মহত্ত্ব ইয়াত বৰ্ণিত হৈছে। ইয়াত একাক্ষৰ প্ৰণৱৰ উপাসনা বিহিত হৈছে।

অন্যান্য আৰু ভালেমান উপনিষদ সম্প্ৰতি প্ৰকাশিত আৰু অনূদিত হৈছে যদিও সিবোৰ অৰ্বাচীন। প্ৰায়বোৰেই সাম্প্ৰদায়িক। সেয়ে আমি সিবোৰৰ উল্লেখ বা বৰ্ণনাৰপৰা বিৰত থকা উচিত বুলি ভাবিলোঁ।

# পঞ্চম অধ্যায়

## ৱেদাঙ্গ সাহিত্য

ৱেদ আৰ্য্যহিন্দু সকলৰ পৱিত্ৰতম গ্ৰন্থ। ইয়াৰ অধ্যয়ন, অৰ্থবোধ আৰু ৱেদমন্ত্ৰৰ কৰ্মাদিত সুপ্ৰয়োগ অতীৱ প্ৰয়োজন বুলি হিন্দুমাত্ৰেই স্বীকাৰ কৰে। সম্প্ৰতি অকল ধৰ্ম-সংস্কৃতিৰ প্ৰয়োজনতেই নহয়, আমাৰ দেশৰ প্ৰাচীন সভ্যতা-সংস্কৃতি, ঐতিহ্য-বুৰঞ্জী আৰু দৰ্শন আদি নানাদিশৰ ওপৰত আলোকপাত কৰিবৰ বাবেও ৱেদৱিদ্যাৰ সম্যক চৰ্চা নিতান্ত প্ৰয়োজন। প্ৰকাণ্ড পুথিভঁৰাল সদৃশ ৱেদৰাশিৰ অধ্যয়ন-আবৃত্তি আৰু উচ্চাৰণাৰ্থে, তাৰ সম্যক অৰ্থবোধৰ বাবে আৰু সিবোৰৰ (মন্ত্ৰাদিৰ) সুবিহিত প্ৰয়োগাদি জানিবলৈ আৰু বুজিবলৈ পৰাম্পৰাগতভাৱে এশ্ৰেণী সাহিত্য কালস্ৰোতৰ লগতে আমালৈ বাগৰি আহিছে, সিবোৰক কোৱা হয় ৱেদাঙ্গ বা ৱেদসমূহৰ 'অঙ্গ' বা অপৰিহাৰ্য্য সহায়ক গ্ৰন্থ। অঙ্গশব্দৰ ব্যুৎপত্তিগত অৰ্থ হয় 'উপকাৰক'—'অঙ্গ্যন্তে জ্ঞায়ন্তে অমীভিৰীতি অঙ্গানি।'—অৰ্থাৎ যাৰে বা যিহেৰে কোনো বস্তুৰ স্বৰূপ জনাত সহায় পোৱা, সেয়ে অঙ্গ।

'ৱেদাঙ্গ' ছয় প্ৰকাৰৰ। ইয়াৰ প্ৰথম উল্লেখ দেখা যায় ষড়্‌ৱিংশ ব্ৰাহ্মণত[1] পোনতে 'ষডাঙ্গানি'ৰ উল্লেখ চকুত পৰে। ইয়াৰ পাছত মুণ্ডকোপনিষদত স্পষ্টৰূপে অপৰা ৱিদ্যাৰ তালিকাত ছয় ৱেদাঙ্গৰ উল্লেখ কৰা হৈছে :

তত্ৰাপৰা ঋগ্বেদো যজুৰ্ৱেদো সামৱেদোঽথৰ্ৱৱেদঃ।
শিক্ষা কল্পো ব্যাকৰণং নিৰুক্তং ছন্দো জ্যোতিষম্‌॥[2]

এই ছয় ৱেদাঙ্গ ৱেদৰ ছটা অঙ্গৰূপে পাণিনীয় শিক্ষাত এনেদৰে উল্লেখ কৰিছে :

ছন্দঃ পাদৌ তু ৱেদস্য হস্তৌ কল্পোঽথ পঠ্যতে।
জ্যোতিষায়নং চক্ষুৰ্নিৰুক্তং শ্ৰোত্ৰমুচ্যতে॥
শিক্ষা ঘ্ৰাণং তু ৱেদস্য মুখং ব্যাকৰণং স্মৃতম্‌।
তস্মাৎ সাঙ্গমধীত্যৈৱ ব্ৰহ্মলোকে মহীয়তে॥[3]

অৰ্থাৎ ছন্দ হৈছে ৱেদৰ দুই ভৰি, কল্প হৈছে ৱেদৰ দুখনি হাত, জ্যোতিষ ৱেদৰ দুচকু, নিৰুক্ত (দুই) কাণ, শিক্ষা নাক আৰু ব্যাকৰণ ৱেদৰ মুখ। এই ছয় অঙ্গৰেসৈতে অধ্যেতাই ৱেদ অধ্যয়ন কৰি ব্ৰহ্মলোক লাভ কৰিব পাৰে।

এই ছয় ৱেদাঙ্গই তিনি প্ৰকাৰৰ প্ৰয়োজন সাধে; শিক্ষা আৰু ছন্দই ৱেদৰ অধ্যয়ন

১। ৫।৭।২: স্বাহা বৈ……চত্বাৰোৎস্যৈ বেদাঃ শৰীৰম্‌। ষড়ঙ্গান্যঙ্গানি। ইয়াত চাৰিবেদক 'স্বাহা'ৰ শৰীৰ আৰু ষড়াঙ্গসমূহক স্বাহাৰ ছয় অঙ্গ বুলি কোৱা হৈছে।

২। মু. উ. ১।১.৫; তু. ছা. উ. বেদানাং বেদম্‌ ৭।১।২।

৩। পা. শি. ৪১—৪২।



বা স্বাধ্যায় কাৰ্য্যত, ব্যাকৰণ আৰু নিৰুক্তই ৱেদৰ মন্ত্ৰসমূহৰ অৰ্থ বুজাত আৰু কল্প আৰু জ্যোতিষে ৱেদমন্ত্ৰসমূহ কৰ্মানুষ্ঠানত প্ৰয়োগ কৰোঁতে সহায় কৰে। অকণমান বহলাই ক'লে সহজবোধ্য হ'ব। শিক্ষা গ্ৰন্থসমূহে ৱেদমন্ত্ৰৰ বৰ্ণ-স্বৰমাত্ৰাদিৰ যথাযথ উচ্চাৰণত প্ৰভূত সহায় কৰে। ছন্দই আকৌ ছন্দোৱদ্ধ পাদাদি আবৃত্তিত সহায় কৰে। ব্যাকৰণে ৱেদৰ ভাষা বুজাত, পদাদিৰ যথাৰ্থ জ্ঞান আহৰণত সহায় আগবঢ়ায়। একেদৰে নিৰুক্তই দিয়া নিৰ্ৱচনৰ আঁত ধৰিও মন্ত্ৰৰ অৰ্থ বুজিব পাৰি। কল্পসূত্ৰই শ্ৰোত-গৃহ্যাদি কৰ্মৰ বিৱৰণ দিওঁতে কোনটো মন্ত্ৰ কোনকৰ্মৰ অৱসৰত বিনিযুক্ত হ'ব লাগে তাক নিৰ্দেশ কৰে। সেইদৰে জ্যোতিষে কৰ্মানুষ্ঠান কৰাৰ সময় সঠিকভাৱে দি কৰ্মত সহায় কৰে।

আমি তলত মুণ্ডকোপনিষদত পোৱা ক্ৰম অনুসৰি ষড়্‌ঙ্গৰ বিৱৰণ চমুৱাই তলত দিয়াৰ যত্ন কৰিম। সেই ক্ৰম অনুসৰি ছয় ৱেদাঙ্গ এনেদৰে পোৱা যায় : (১) শিক্ষা, (২) কল্প, (৩) ব্যাকৰণ, (৪) নিৰুক্ত, (৫) ছন্দ আৰু (৬) জ্যোতিষ। এই ক্ৰমৰ বিশেষ বৈশিষ্ট্য আছে।

### (১) শিক্ষা

ছয় ৱেদাঙ্গৰ ভিতৰত শিক্ষাই এক বিশিষ্ট স্থান অধিকাৰ কৰি আছে। ইয়াক পাণিনিয়ে ৱেদৰ ঘ্ৰাণ বা নাক বুলি কৈছে। নাক নোহোৱা মুখাৱয়ৱ কেনে অশুৱনি হ'ব উপলব্ধিৰ বিষয়। সেইদৰে শিক্ষাৰ অৱিহনে ৱেদাধ্যয়ন কেনে অশ্লীল হ'ব পাৰে সি. অৱৰ্ণনীয়। শিক্ষাৰ ব্যুৎপত্তিলভ্য অৰ্থ এয়ে যে ই ৱেদৱিদ্যাৰ স্বৰ, বৰ্ণ আদি উচ্চাৰণৰ বিষয়ে ৱিৱিধ প্ৰকাৰ উপদেশ দাঙি ধৰে।[1] পৰম্পৰাগত ৱেদ অধ্যয়ন প্ৰণালী হৈছে আচাৰ্য্যই পূৱ, উত্তৰ বা অপৰাজিতা দিশলৈ মুখ কৰি বহি মন্ত্ৰৰ উচ্চাৰণ বা আবৃত্তি কৰি গৈ থাকে, শিষ্যসকলে তাকে শুনি নিজে নিজে তেওঁক অনুসৰণ কৰি আবৃতি আৰু অধ্যয়নৰ যত্ন কৰে। সেইবাবে ৱেদক অনুশ্ৰৱ বুলিও কোৱা হয়—'অনুপশ্চাৎ শ্ৰূয়তে যঃ স অনুশ্ৰৱঃ।' লিখিত গ্ৰন্থ-পাঠক প্ৰশংসা কৰা নহয়।

বিশুদ্ধ ৱেদপাঠৰ কাৰণে স্বৰজ্ঞানৰ নিতান্ত প্ৰয়োজন। স্বৰ তিনি প্ৰকাৰ—(১) উদাত্ত, (২) অনুদাত্ত আৰু (৩) স্বৰিত। উচ্চ ধ্বনিৰে উদাত্ত আৰু নিম্ন ধ্বনিৰে অনুদাত্ত স্বৰ উচ্চাৰিত হয়। উদাত্তৰ অৱ্যৱহিতপৰ অনুদাত্ত স্বৰধ্বনিক স্বৰিত সংজ্ঞা দিয়া হয়। (উচ্চৈৰুদাত্তঃ, নীচৈৰনুদাত্তঃ, সমাহাৰঃ স্বৰিতঃ)। প্ৰতিটো পদতে সাধাৰণতে এটা উদাত্ত স্বৰ থকা নিয়ম, নহ'লে কদাচিৎ এটা জাত্য বা স্বতন্ত্ৰ স্বৰিত থাকে।

ৱেদত স্বৰৰ প্ৰাধান্যৰ অন্যতম কাৰণ হ'ল অৰ্থৰ নিয়ামকৰূপে ইয়াৰ অৱস্থান। একেটা শব্দই স্বৰৰ অৱস্থান অনুসৰি ভিন্ ভিন্ অৰ্থ বুজাবলৈ পাৰে। সংস্কৃত তে' পদটো (তদ্ শব্দৰ ১ মাৰ বহুবচন) অথবা (যুষ্মদ্ শব্দৰ ষষ্ঠীৰ ১ বচন) 'তেওঁলোক' আৰু 'তোমাৰ' এই দুই অৰ্থ হ'ব পাৰে। স্বৰযুক্ত হ'লে (উদাত্ত কৈ উচ্চাৰণ কৰিলে) অৰ্থ

১। সায়ণৰ, ঋগ্‌ভাষ্যভূমিকা : 'স্বৰবৰ্ণাদ্যুচ্চাৰণপ্ৰকাৰো যত্ৰ শিক্ষ্যতে উপদিশ্যতে সা শিক্ষা।'

হয় তেওঁলোক, আৰু স্বৰহীন হলে 'তোমাৰ' বুজায়। এয়া বৈদিক ভাষাত স্বৰ অনুসৰি পদৰ অৰ্থ প্ৰতিবোধনৰ নিয়ম। কিন্তু লৌকিক সংস্কৃতত য'ত স্বৰৰ ব্যৱহাৰ ৰহিত হৈছে তাত ইয়াৰ অৰ্থ-বাক্যৰীতি চাইহে কৰিবলগীয়া হ'য়।

এনে অৱস্থাত ৱেদৰ মন্ত্ৰ উচ্চাৰণ, অধ্যয়ন, আৰু প্ৰয়োগৰ সময়ত স্বৰধ্বনিৰ ভুল বা ভ্ৰম হ'লে অভিপ্সীত অৰ্থ যে নোলাবই অকল সেয়ে নহয়, বৰঞ্চ যি উদ্দেশ্যত মন্ত্ৰৰ প্ৰয়োগ কৰা হৈছিল ( বা হয় ) তাতো বিভ্ৰাট নঘটি নাথাকে। সেয়ে পাণিনিয়ে অধ্যেতাক সতৰ্ক কৰি দি কৈছে :

মন্ত্ৰো হীনঃ স্বৰতো বৰ্ণতো ৱা
মিথ্যা প্ৰয়ুক্তো ন তমৰ্থমাহ।
স ৱাগ্‌ৱজ্ৰো যজমানং হিনস্তি
যথেন্দ্ৰশত্ৰুঃ স্বৰতোঽপৰাধাৎ ॥[১]

অৰ্থ : 'উচ্চাৰণ কৰোঁতে যদি কোনো মন্ত্ৰৰ স্বৰত বা বৰ্ণত পয়মাল ঘটে তেনেহ'লে সি প্ৰকৃততে বুজাবলৈ খোজা অৰ্থ প্ৰকাশ নকৰে ( ফলো নিদিয়ে )। ভ্ৰমাত্মক মন্ত্ৰৰ উচ্চাৰণে ৱাগ্‌ৱজ্ৰ হৈ যজমানৰ অনিষ্ট কৰে ; উদাহৰণস্বৰূপে স্বৰৰ অপৰাধহেতুকে যিদৰে 'ইন্দ্ৰশত্ৰু'ৰ উচ্চাৰণে যজমানকহে হিংসা কৰিছিল ( তালৈ চোৱা )।

'ইন্দ্ৰ শত্ৰু' : সমাসবদ্ধ পদ। ইয়াক ষষ্ঠী তৎপুৰুষ হিচাপে ল'লে ব্যাসবাক্য হ'ব 'ইন্দ্ৰস্য শত্ৰুঃ', আৰু তেতিয়া অন্তোদাত্ত উচ্চাৰণ হয়। বহুব্ৰীহি হিচাপে ল'লে তাৰ ব্যাসবাক্য 'ইন্দ্ৰঃ শত্ৰুঃ যস্য' আৰু উচ্চাৰণত আদ্যুদাত্ত হয়। পুৰোহিতে অন্তোদাত্তকৈ উচ্চাৰণ নকৰি আদ্যুদাত্তকৈ উচ্চাৰণ কৰি নিতৌ আহুতি দান কৰাৰ ফলত বিপৰীত ফল ধৰিলে। ফলতঃ যজমান ত্বষ্টাৰ পুতেক ইন্দ্ৰৰ ঘাতক হৈ বৃদ্ধি লাভ নকৰিলে, বৰঞ্চ শতৰু ইন্দ্ৰৰ হে বৃদ্ধি লাভ হ'ল। এনে উদাহৰণ অনেক দিব পাৰি য'ত স্বৰৰ প্ৰয়োগে অৰ্থৰ ব্যৱধান সৃষ্টি কৰিব পাৰে।

এনে পৰিস্থিতিত যাতে ৱেদৱিদসকল পৰিব লগীয়া নহয় তাৰ বাবে প্ৰাচীন ভাৰতত বৰ্ণ, স্বৰ, মাত্ৰাদিৰ অনুশীলন ব্যাপকভাৱে কৰা হৈছিল। ছাত্ৰসকলেও আচাৰ্য্যৰ ওচৰত এনে অনুশীলন পোনতে কৰিহে অন্য বিষয়লৈ মন মেলিবলগীয়া হৈছিল। তাৰ উদাহৰণ তৈত্তিৰীয় উপনিষদতে পোৱা যায়। তাত সন্নিবিষ্ট শিক্ষা ( শীক্ষা শব্দহে আছে ) বল্লীত শিক্ষাৰ ছটা অঙ্গৰ নাম দিয়া আছে : (১) বৰ্ণ, (২) স্বৰ, (৩) মাত্ৰা, (৪) বল, (৫) সাম আৰু (৬) সন্তান।

(১) বৰ্ণৰ পৰিচয় প্ৰাথমিক স্তৰতে হ'ব লাগে। শিক্ষাত ৬৩।৬৪ টা বৰ্ণৰ সংখ্যা দিয়া আছে। তাৰ পাছতে (২) স্বৰেৰে পৰিচিত হ'ব লাগে। ওপৰত স্বৰৰ কথা কৈ অহা হৈছে। (৩) তৃতীয়তে মাত্ৰা জ্ঞান লাগে। হ্ৰস্ব, দীৰ্ঘ আৰু প্লুত এই তিনি প্ৰকাৰৰ মাত্ৰা আছে। একমাত্ৰাক হ্ৰস্ব, দুই মাত্ৰাক দীৰ্ঘ আৰু তিনি মাত্ৰাক প্লুত স্বৰ(বৰ্ণ) বোলে। স্বৰবৰ্ণ এটাক উচ্চাৰণ কৰোঁতে লগা সময়ৰো পৰিমাণকে মাত্ৰা শব্দেৰে বুজোৱা হৈছে। পাণিনিয়ে উদাহৰণ দিবলৈ কৈছে :

১। পা. শি. ৫২।



চাষস্তু বদতে মাত্ৰাং দ্বিমাত্ৰং চৈৱ বায়সঃ।
শিখী ৰৌতি ত্ৰিমাত্ৰং তু নকুলস্ত্বৰ্ধমাত্ৰকম্ ॥[১]

চাষপক্ষীয়ে একমাত্ৰা কয়, কাউৰীয়ে কয় দুই মাত্ৰা, ময়ূৰে তিনি মাত্ৰাত চিঞৰে আৰু নেউলে আধামাত্ৰাহে কয়। এয়া প্ৰাচীন আচাৰ্য্যসকলে পশুপক্ষীৰ মাতৰ ওপৰত কৰা তুলনাত্মক অধ্যয়ন বা পৰ্য্যবেক্ষণৰ চানেকি।

(৪) স্বৰ-ব্যঞ্জনৰ উচ্চাৰণত স্থান আৰু প্ৰয়ত্নৰ ব্যৱহাৰিক তথ্যকে বল শব্দই বুজাইছে। আখৰ বা বৰ্ণ ( আচলতে স্বৰ বা ব্যঞ্জন ধ্বনি ) এটা উচ্চাৰণ কৰোঁতে এক বিশেষ আয়াসৰ দৰ্কাৰ। আয়াস কৰোঁতে মুখৰ ভিতৰৰ বিভিন্ন স্থানত আভ্যন্তৰিণ বায়ুয়ে বাধা পাব পাৰে, বা মুখৰ প্ৰত্যঙ্গৰ অঙ্গী-ভঙ্গীও সলনি হয়। তাৰ ওপৰত ভেটি কৰি বৰ্ণমালাৰ আখৰ বা বৰ্ণই নাম পাইছে। এনেদৰে প্ৰযত্ন দুবিধ হ'ব পাৰে : বাহ্য আৰু আভ্যন্তৰিণ। বাহ্য প্ৰয়ত্নৰ ফলত বিৱাৰ, সংবাৰ, শ্বাস, নাদ, ঘোষ, অঘোষ, অল্পপ্ৰাণ, মহাপ্ৰাণ, উদাত্ত, অনুদাত্ত, স্বৰিত—এই এঘাৰ প্ৰকাৰ বৰ্ণ হয় আৰু আভ্যন্তৰ প্ৰয়ত্নৰ ফলত স্পৃষ্ট, ঈষৎপৃষ্ট, বিবৃত আৰু সম্বৃত—এই চাৰি প্ৰকাৰ বৰ্ণ ওপজে।

(৫) সামৰ অৰ্থ হৈছে উচ্চাৰণত সমতা ৰক্ষা অৰ্থাৎ মাধুৰ্য আদি গুণসম্পন্ন উচ্চাৰণ। সুষম উচ্চাৰণৰ গুণবোৰ পাণিনিয়ে দিছে এনেদৰে :

মাধুৰ্যমক্ষৰব্যক্তিঃ পদচ্ছেদস্তু সুস্বৰঃ।
ধৈৰ্য্যং লয় সমৰ্থংচ ষড়েতে পাঠকা গুণাঃ ॥[১]

(১) মাধুৰ্য, (২) অক্ষৰ ব্যক্তি ( আখৰ ভাঙি স্পষ্টকৈ মাতা ), (৩) পদচ্ছেদ ( পদবোৰ পৃথক্কৰণ ), (৪) সুস্বৰ ( সুন্দৰ স্বৰেৰে পঢ়া ), (৫) ধৈৰ্য্য ( ধীৰ গম্ভীৰভাৱে পঢ়া ) আৰু (৬) লয়সমৰ্থ ( লয়যুক্তকৈ পঢ়া ) ইবোৰ সজ পাঠকৰ গুণ বুলি কোৱা হৈছে!

(৬) সন্তান—ইয়াৰ অৰ্থ সংহিতা বা সন্ধি। প্ৰকৃততে পদসমূহৰ একান্ত সন্নিধিকে সংহিতা বা সন্তান বোলা হয়। বাক্যত বা পংক্তিত শব্দবোৰ গাইগুটীয়াকৈ চিনাক্ত কৰিবলৈ পাৰিলেও কেতিয়াবা সন্নিহিত একাধিক পদক বেগতে উচ্চাৰণ কৰিবলগীয়া হয়। তেতিয়া সন্তানৰ পৰিস্থিতি ওপজে। উদাহৰণাৰ্থ 'অগ্ন আয়াহি ৱীতয়ে' ( অগ্নে আয়াহি ৱীতয়ে ), 'ৱায়ৱায়াহি' ইত্যাদি।

উচ্চাৰণৰ এনেবোৰ সমস্যাৰ সমাধান কল্পে আমাৰ দেশত শিক্ষানুশীলনৰ এক দীঘলীয়া পৰম্পৰা গঢ়ি উঠিছে, যিটো আন কোনো দেশতে বা জাতিৰ মাজত দেখা নাযায়। এনে এক অনন্ত শিক্ষাসত্ৰৰ ফলস্বৰূপে প্ৰাচীন ভাৰতত দুই প্ৰকাৰৰ গ্ৰন্থ ৰচিত হোৱাৰ প্ৰমাণ পোৱা যায়। যথাঃ (১) প্ৰাতিশাখ্যসমূহ আৰু (২) শিক্ষাগ্ৰন্থসমূহ। ইয়াৰে চতুৰ্বেদৰ শাখাভেদে গঢ় লোৱা ধ্বনিবিজ্ঞানসমূহ প্ৰাতিশাখ্য নামে খ্যাত হয় আৰু ইবোৰ কোনো বিশেষ সংহিতাৰ বৈশিষ্ট্যসূচক ধ্বনিজ্ঞানৰ বাহক হৈ পৰে। ইয়াৰ ৱিপৰীতে ( আচলতে কাষে

১। পা. শি. ৪৯।
১। পা. শি. ৩৩।

কাষে ) 'শিক্ষা'গ্ৰন্থবোৰ ধ্বনি বিজ্ঞানৰ সাধাৰণ নীতি-নিয়ম, চৰিত্ৰবোৰৰ বাহকৰূপে প্ৰতিপন্ন হয়। 'ঋক প্ৰাতিশাখ্য' আৰু পাণিনীয় শিক্ষা ক্ৰমে দুয়োবিধৰ উদাহৰণ। আমি দুয়ো প্ৰকাৰ গ্ৰন্থৰ চমু বিৱৰণ বা পৰিচয় তলত দিয়াৰ যত্ন কৰিছোঁ।

## (ক) প্ৰাতিশাখ্য

প্ৰাতিশাখ্য ৱেদাঙ্গ শিক্ষাৰ পুৰণি প্ৰতিনিধিস্বৰূপ। যদিও বৈদিক সংহিতাৰ শাখা একোটিৰে সম্বন্ধ বুলি প্ৰাতিশাখ্য সম্বন্ধে এটি অভিমত পণ্ডিত সমাজত প্ৰচলিত আছে, তথাপি প্ৰাতিশাখ্য বিশেষৰ আভ্যন্তৰিণ পৰীক্ষাই তাৰ বিপৰীতেহে প্ৰমাণ দাঙি ধৰে। আচলতে একোখন প্ৰাতিশাখ্যই একোটি শাখাক প্ৰতিনিধিত্ব নকৰি একোটি চৰণৰ অন্তভু্ৰ্ক্ত শাখাসমূহৰ বৈশিষ্ট্যসমূহকে দাঙি ধৰে।

একোখন প্ৰাতিশাখ্যত উচ্চাৰণ পদ্ধতি, স্বৰবিধান, সন্ধি বা সংহিতাৰ নিয়ম, মাত্ৰাজ্ঞান আদি সংহিতাপাঠৰসৈতে জড়িত প্ৰায় সকলোবোৰ বিষয়কে সামৰি লোৱা চকুত পৰে। তদুপৰি পাণিনি প্ৰভৃতিৰ ব্যাকৰণত বিবৃত আন ভালেমান বৈয়াকৰণিক বিষয়ো প্ৰাতিশাখ্যৰ পাতত ঠাই পাইছে। কোনো কোনো প্ৰাতিশাখ্যত বৈদিক ছন্দবিজ্ঞানৰ বিষয়ো সোমাই পৰিছে। এনে অৱস্থাত পৰৱৰ্তী ব্যাকৰণ আৰু শিক্ষা এই দুয়োবিধ শাস্ত্ৰই প্ৰাতিশাখ্যৰ প্ৰেৰণা লাভ কৰি নিজ নিজ দৃষ্টিভঙ্গীৰে আগবাঢ়ি গৈছিল।

সম্প্ৰতি উপলব্ধ হোৱা প্ৰাতিশাখ্যৰ সংখ্যা বৰ বেছি নহয়।

### (১) ঋক্ প্ৰাতিশাখ্য

সম্ভৱতঃ সমস্ত উপলব্ধ প্ৰাতিশাখ্যৰ ভিতৰত ঋক্ প্ৰাতিশাখ্যই প্ৰাচীনত্ব আৰু প্ৰামাণ্য আদি দিশৰপৰা এক বিশিষ্ট স্থান অধিকাৰ কৰি আছে। পাৰ্ষদ বা পৰিষদত প্ৰচলিত আছিল বুলিয়েই ইয়াৰ অন্য নাম পাৰিষদ্ সূত্ৰ। ঐতৰেয় আৰণ্যকৰ সংহিতোপনিষদ ( আৰণ্যক )ৰ আক্ষৰিক পুনৰুক্তি এই প্ৰাতিশাখ্যত দেখা যায়। সমস্ত গ্ৰন্থ পদৱদ্ধ। আচাৰ্য্য শৌনকক ইয়াৰ ৰচক বুলি জনা যায়। গ্ৰন্থখন ১৮ পটলত বিভক্ত। ১ম পটলত স্বৰ, ব্যঞ্জন, স্বৰভক্তি, ৰক্ত, নাভি, প্ৰগৃহ্য আদি বিভিন্ন পাৰিভাষিক শব্দৰ লক্ষণ পোৱা যায়। ২য় অধ্যায়ত প্ৰশ্লিষ্ট, ক্ষৈপ্ৰ আদি বিবিধ বৈদিক সন্ধিৰ লক্ষণ উদাহৰণ সহ দিছে। ৩য় পটলত স্বৰৰ পৰিচয় আছে। ষত্ব-ণত্ববিধি আৰু ক্ৰম, ব্যঞ্জনাদি সন্ধিৰ বিশদ পৰিচয় আছে ৪ৰ্থ পটলৰ পৰা ৯ম পটলত। ১০ম—১১শ পটলত ক্ৰমপাঠৰ বিৱৰণ আৰু ১৩শ পটলত ব্যঞ্জনৰৰূপ আৰু লক্ষণ পোৱা যায়। ১৪শ পটলত বৰ্ণোচ্চাৰণৰ ক্ষেত্ৰত হোৱা দোষৰ আৰু ১৫শ পটলত বেদপাৰায়ণৰ পদ্ধতিৰ চমু পৰিচয় আছে। ১৬শ—১৮শ পটলত বৈদিক ছন্দৰ লাক্ষণিক আলোচনাসহ গায়ত্ৰ্যাদি ছন্দৰ বিৱৰণ আছে।

বিষ্ণুমিত্ৰ আৰু উৱটে এই প্ৰাতিশাখ্যৰ ভাষ্য ৰচি গৈছে।



(২) **বাজসনেয় প্ৰাতিশাখ্য**—শুক্লযজুৰ্বেদৰ ভিতৰুৱা শুক্লযজুৰ্বেদ বা বাজসনেয় প্ৰাতিশাখ্যৰ ৰচক কাত্যায়ন। এই গ্ৰন্থ আঠ অধ্যায়ত বিভক্ত। ইয়াত পৰিভাষা, স্বৰ আৰু সংস্কাৰৰ বিশদ বিৱৰণ আছে। প্ৰথম অধ্যায়ত পৰিভাষাৰ লক্ষণ, ২য় অধ্যায়ত ত্ৰিবিধ স্বৰৰ লক্ষণ আৰু বৈশিষ্ট্য, ৩য়—৭ম অধ্যায়ত সংস্কাৰ বা সন্ধিবিষয়ক আলোচনা কৰা হৈছে। 'বৰ্ণসমাম্নায়' নামে অন্তিম অধ্যায়ত বৰ্ণৰ হিচাপ আৰু স্বৰূপ বিবেচিত হৈছে। ইয়াৰ ওপৰত উৱট আৰু অনন্তভট্টৰ ব্যাখ্যা পোৱা যায়।

(৩) **তৈত্তিৰীয় প্ৰাতিশাখ্য**—ই দুটা প্ৰশ্নত বিভক্ত। প্ৰতিটো প্ৰশ্ন আকৌ বাৰটাকৈ অধ্যায়ত বিভক্ত। ই সূত্ৰাত্মক। ১ম প্ৰশ্নত আছে বৰ্ণসমাম্নায়, শব্দস্থান আৰু শব্দোৎপত্তিৰ প্ৰকাৰ। বিবিধ স্বৰ আৰু সন্ধিৰ আলোচনাও ইয়াৰ প্ৰতিপাদ্য বিষয়। ২য় প্ৰশ্নত ণত্ববিধি, অনুস্বাৰ, অনুনাসিক, অনুনাসিকভেদ, স্বৰিতভেদ, সংহিতাৰ স্বৰূপ আদি বিবিধ বিষয়ৰ আলোচনা কৰা হৈছে। তৈত্তিৰীয় সংহিতাৰপৰা উদাহৰণ দিয়া হৈছে।

ইয়াৰ ওপৰত তিনিটা ব্যাখ্যা মাহিষেয়, সোমায়াচাৰ্য্য আৰু গোপালযজ্বাই প্ৰস্তুত কৰি গৈছে।

**সামবেদীয় প্ৰাতিশাখ্য :** (৪) ঋক্তন্ত্ৰ আৰু (৫) পুষ্পসূত্ৰ নামে সামবেদীয় দুখন প্ৰাতিশাখ্য পোৱা যায়। ঋক্তন্ত্ৰ কৌথুম শাখাৰ ভিতৰুৱা। ইয়াত ২৮০টা সূত্ৰ আছে। গ্ৰন্থখন পাঁচ প্ৰপাঠকত বিভক্ত। শাকটায়নক ইয়াৰ ৰচক বুলি জনা যায়।

পুষ্পসূত্ৰৰ প্ৰণেতা পুষ্পৰ্ষি। ই ১০টা প্ৰপাঠকত ৰচিত। গানসংহিতাৰে ইয়াৰ সম্বন্ধ। সেয়ে ইয়াত স্তোভৰ বিধান আছে। গায়নৰ উপযোগী অন্য গ্ৰামগ্ৰীৱ লগতে গ্ৰামগেয় আৰু আৰণ্যগেয় গানৰ বাবে প্ৰযুক্ত সামৰ উহন আন মন্ত্ৰৰ ওপৰত কিদৰে আৰোপিত হয় তাৰো বৰ্ণনা ইয়াত দিয়া হৈছে।

**অথৰ্ববেদীয় প্ৰাতিশাখ্য :** অথৰ্ববেদৰ দুখন প্ৰাতিশাখ্য পোৱা যায় : (৬) শৌনকীয় চতুৰাধ্যায়িকা আৰু (৭) অথৰ্ববেদ প্ৰাতিশাখ্য সূত্ৰ।

শৌনকীয় চতুৰাধ্যায়িকা চাৰি অধ্যায়ত বিভক্ত। ই কৌৎস ব্যাকৰণ বুলিও জনাজাত। অন্যখন গ্ৰন্থ ( অথৰ্ববেদ প্ৰাতিশাখ্যসূত্ৰ ) ক্ষুদ্ৰকায় পুথি। ইয়াৰ পাঠ দুটা : বৃদ্ধ বা বৃহৎপাঠ আৰু লঘুপাঠ। বৃহৎপাঠত মহত্বপূৰ্ণ বিষয়ৰ আলোচনা হৈছে। অথৰ্ববেদৰ মূলপাঠ বুজিবলৈ ইয়াত অনেক সমল আছে।

## (খ) শিক্ষাগ্ৰন্থ

**পাণিনীয় শিক্ষা**—পাণিনীয় শিক্ষা বৰ জনপ্ৰিয় গ্ৰন্থ। সম্প্ৰতি ইয়াৰ পাঠ দুটা শৈলীত পোৱা যায় ; এক প্ৰকাৰ সূত্ৰাত্মক আৰু আন প্ৰকাৰ শ্লোকাত্মক। সূত্ৰাত্মক আৰু শ্লোকাত্মক পাঠৰো লঘু আৰু বৃদ্ধক্ৰমে দুবিধ পাঠ পোৱা যায়। তাৰ ভিতৰত শ্লোকাত্মক পাঠৰ আদৰ শিকাৰুৰ মাজত অধিক। শ্লোকাত্মক পাণিনীয় শিক্ষাৰ লঘু পাঠত ৩৫টা শ্লোক আৰু বৃদ্ধপাঠত ৬০-৬১টা শ্লোক পোৱা যায়। লঘুপাঠক যাজুষ আৰু বৃদ্ধ-পাঠক ঋক্পাঠ বোলে।

নাতিতল প্ৰকৰণ। নাতিতল প্ৰকৰণটো আংশিকভাৱেহে পোৱা যায়।

সূত্ৰাত্মক পাঠ প্ৰাচীন আৰু তাৰ ওপৰতে ভেটি কৰি শ্লোকাত্মক পাঠ ৰচিত হোৱা বুলি ভবাৰ স্থল আছে। কিয়নো প্ৰণেতাই গুৰিতে কৈছে :

'অথ শিক্ষাং প্ৰৱক্ষামি পাণিনীয় মতং যথা।' সেইদৰে অৰ্বাচীন ৰচকে ৫৭—৫৯ শ্লোকত পাণিনিৰ প্ৰতি শ্ৰদ্ধাভক্তি যাচিছে।

অন্যান্য অনেক শিক্ষাগ্ৰন্থ পৰৱৰ্তীকালত বিৰচিত হৈছে। তাৰে কেতবোৰ কোনো বৈদিকসংহিতাৰে সম্বন্ধ। আনবোৰ মুক্তভাৱে ধ্বনি বিজ্ঞানৰ আলোচনাত ব্যাপৃত বুলিব পাৰি। তেনে প্ৰাচীন শিক্ষাগ্ৰন্থ কেইখনমান হৈছে, আপিশল শিক্ষা, যাজ্ঞবল্ক্য শিক্ষা, বাসিষ্ঠী শিক্ষা, কাত্যায়নী শিক্ষা, পাৰাশৰী শিক্ষা, অমোঘনন্দিনী শিক্ষা, মাধ্যন্দিনী শিক্ষা, ভাৰদ্বাজ শিক্ষা, নাৰদীয় শিক্ষা, মাণ্ডূকী শিক্ষা, চান্দ্ৰ শিক্ষা।

### (২) কল্প

ছয় বেদাঙ্গৰ ভিতৰত 'কল্প'ৰ স্থান অকল মহত্বপূৰ্ণই নহয় প্ৰাথমিকো। সমস্ত বৈদিক সাহিত্যৰ এক বিস্তীৰ্ণ অংশ 'কল্প'সাহিত্যই দখল কৰি আছে। বৈদিক আধিযাজ্ঞিক কৰ্মকাণ্ডই এসময়ত কিদৰে চূড়ান্ত পৰ্যায়ত গৈ অৱস্থান কৰিছিল তাক উপলব্ধি কৰাত কল্পসাহিত্যই সহায় কৰে। বৈদিক ব্ৰাহ্মণ সাহিত্যতে আধিযাজ্ঞিক মেলি অতিশয় বিস্তৃতি লাভ কৰে। সেই বিস্তৃত বিৱৰণসমূহক প্ৰণালীবদ্ধভাৱে সূত্ৰাত্মক আকাৰত যি ৰূপদান কৰা হ'ল তাৰ ফলশ্ৰুতিৰূপে সৃষ্টি হ'ল কল্পসূত্ৰৰ। ব্ৰাহ্মণ-যুগৰ বাগাড়ম্বৰে বিদ্বান সমাজক নিশ্চয় ভাৱাক্ৰান্ত কৰিছিল, সেই বাবে সময় বাগৰাৰ লগে লগে অত্যাৱশ্যকীয় কথাবোৰ চুমুক আকাৰত প্ৰকাশৰ বাবে 'সূত্ৰশৈলী'ৰ উদ্ভাৱন কৰি উলিওৱা হৈছিল। এনে শৈলী বৰ্তমান বৈজ্ঞানিকসকলৰ বাবে আদৰ্শস্বৰূপ। অঙ্ক, জ্যামিতি, আৰু বিজ্ঞানৰ সূত্ৰবোৰো 'হাতী মাৰি ভুৰুকাত ভৰোৱা'ৰ চানেকি।

কল্প শব্দৰ অৰ্থ কোনোৱে 'বিধি বা নিয়ম' বুলিছে, কোনোৱেবা 'ৰূপ বা অৱয়ব' বুলিছে, কোনোৱে 'যাজ্ঞিক কৰ্ম' বুলিছে। আকৌ এজনে 'যাৰদ্বাৰা যজ্ঞাদি কল্পিত আৰু সংঘটিত হয় তাকে কল্প' বুলিছে। কল্পৰ পৰাম্পৰাগত অৰ্থ যে 'বেদবিহিত কৰ্মৰ আনুপূৰ্বিক কল্পনা-সাৰ শাস্ত্ৰ' (কল্পো বেদবিহিতানাং কৰ্মাণামনুপূৰ্বেণ কল্পনাশাস্ত্ৰম্) তাত সন্দেহ নাই। গতিকে আৰ্যসকলৰ সামাজিক আৰু ব্যক্তিগত জীৱনত কৰণীয় যাৱতীয় বেদবিহিত কৰ্মসমূহৰ ৰূপাদি য'ত বিশেষভাৱে বিবৃত হৈছে সেয়ে 'কল্প' শাস্ত্ৰ। যিহেতু এই শ্ৰেণীৰ গ্ৰন্থ 'সূত্ৰশৈলী'ত নিবন্ধ হৈছে, সেয়ে সিবোৰ 'কল্পসূত্ৰ' নামে জনাজাত।

বৈদিক কৰ্মসমূহৰ আংশিক বিৱৰণ বা উল্লেখ ঋগ্বেদ আদি সংহিতাতো পোৱা যায়। ঋগ্বেদৰ বিশ্বেদেৱা সূক্তমালা আৰু আপ্ৰিসূক্তসমূহ যে যজ্ঞক উদ্দেশ্য কৰিয়েই ৰচনা কৰা হৈছিল সি সৰ্বজন স্বীকৃত তথ্য। যজুৰ্বেদৰ যজুৰ্মন্ত্ৰবোৰৰ উদ্দেশ্যও যজ্ঞই। গতিকে সংহিতাৰ



সংহিতাৰ আৰু যাগ-যজ্ঞ অনুষ্ঠানৰ মূল সমসাময়িক। ইয়াৰ প্ৰসাৰ বা বিকাশ ঘটে ব্ৰাহ্মণ যুগত। এই যুগত যজ্ঞকৰ্মৰ বাহুল্যৰ ফলত এহাতে ইয়াৰ প্ৰতিক্ৰিয়া দেখা দিয়ে আৰণ্যক আৰু উপনিষদৰ পাতত আৰু তাৰ চূড়ান্ত ফলশ্ৰুতিৰূপে জৈন আৰু বৌদ্ধমতৰ উদগম হয়। অতিবাহুল্য আৰু শিথিলতাৰপৰা সমস্ত কৰ্মকাণ্ডক সংৰক্ষণ কৰি সুসংহত আৰু প্ৰণালীবদ্ধ ৰূপ দিবলৈ কল্পসূত্ৰ সমূহ সংকলিত বা ৰচিত হ'বলৈ ধৰে। সম্ভৱ অতি বিস্তাৰিত ব্ৰাহ্মণ্য বাগাড়ম্বৰ পৰা অৰ্থৱাদ অংশৰ অধিকখিনি বাদ দি বিধি অংশক লৈ সংক্ষিপ্ত ৰূপত বৈদিক কৰ্মকাণ্ডৰ স্বৰূপ বৰ্ণনা কৰাটোৱেই এই সাহিত্যশ্ৰেণীৰ উদ্ভৱৰ কাৰণ আৰু উদ্দেশ্য।

**কল্পসূত্ৰবোৰৰ বিভাগ :** কল্পসূত্ৰবোৰৰ সংখ্যা কল্পনাতীতভাৱে বহুত। সম্ভৱতঃ এসময়ত চৰণব্যূহ-আদি অঙ্গপুথিবোৰত উল্লেখ কৰা প্ৰতি চৰণ বা শাখাৰ বাবেই কেইবা তৰপীয়া 'কল্পসূত্ৰ' সংকলিত হৈছিল। যিহেতু বৈদিক সংহিতাৰ ৰূপাদৰ্শৰ হীনদেৰি, গঢ়মিল আৰু কৰ্মকাণ্ডৰ চেষ্টা-চৰিত্ৰৰ ন্যূনাধিক্য বা বিকল্প বিধি-ব্যৱস্থাৰ কাৰণেই শাখা বা চৰণসমূহৰ উদ্ভৱ আৰু বিকাশ ঘটিছিল। সেয়ে প্ৰতিটো শাখা বা চৰণৰ বৈশিষ্ট্যসমূহ প্ৰতিফলিত কৰিব পৰাকৈ কল্পসূত্ৰবোৰ গাই-গুটীয়াকৈ সংকলন কৰা হৈছিল।

বৈদিক ক্ৰিয়া-কাণ্ডবোৰে প্ৰকাৰভেদে বিৱিধতা বা বৈচিত্ৰ্য ৰক্ষা কৰাত সিবোৰৰ বিৱৰণ দিবলৈকো বিৱিধ সূত্ৰাত্মক কল্পৰ প্ৰয়োজন হ'ল। সেইবাবে কল্পসূত্ৰ বুলি ক'লে অনেক সূত্ৰ সংকলনক বুজায়। মুখ্যতঃ কল্পসমূহ শ্ৰৌত, গৃহ্য, পিতৃমেধ আদিত বিভাজ্য। সেইদৰে বিভিন্ন বিষয়ক সামৰিলোৱা সূত্ৰবোৰ 'শ্ৰৌত', 'গৃহ্য', 'ধৰ্ম,' 'শুল্ব', 'পিতৃমেধ' আদিৰ ৰূপত সংকলিত হয়। সিয়িহওক 'কল্পসূত্ৰ'ৰ ঘাই ভাগ তিনিটা বা চাৰিটা বুলিবলৈ পাৰি। যেনে :

(১) **শ্ৰৌতসূত্ৰ**—ব্ৰাহ্মণ গ্ৰন্থত বৰ্ণিত, একাধিক অগ্নি আৰু ঋত্বিকৰ সহযোগত সম্পাদ্যমান যাগ-যজ্ঞৰ বৰ্ণনাপুষ্ট সূত্ৰ।

(২) **গৃহ্যসূত্ৰ**—একমাত্ৰ গাৰ্হপত্য অগ্নিত গৃহস্থই নিজে বা তেওঁৰ প্ৰতিনিধিত্ব কৰা পুৰোহিতে সম্পাদন কৰা ক্ষুদ্ৰ যাগ আৰু শৰীৰৰ বা শিক্ষাদিৰ বিৱৰ্ধনাৰ্থে কৰা সংস্কাৰ কৰ্মৰ বিৱৰণ জ্ঞাপক সূত্ৰ।

(৩) **ধৰ্মসূত্ৰ**—বৰ্ণাশ্ৰম ধৰ্ম, নিত্য-নৈমিত্তিক ধৰ্ম, ক্ষত্ৰ বা ৰাজধৰ্ম, আদি সামাজিক বিষয়বোৰৰ বিজ্ঞাপন দিবপৰা সূত্ৰ।

(৪) **শুল্বসূত্ৰ**—বৈদিক যাগ-যজ্ঞ সম্পাদন কৰিবলৈ যজ্ঞীয় বেদি নিৰ্মাণাৰ্থে নিৰ্দিষ্ট ৰীতি-নীতি, জোখ-পৰিমাণ আদিৰ বৰ্ণনা থকা সূত্ৰ। ই বৈদিক জ্যামিতিৰ নামান্তৰ মাত্ৰ।

ইয়াৰ উপৰিও মৃতাহ সংস্কাৰজনিত কৰ্মবোৰৰ বিৱৰণ জ্ঞাপক পিতৃমেধ সূত্ৰ, ঋষি-মুনি পিতৃ-সকলৰ পৰিচয়জ্ঞাপক প্ৰৱৰসূত্ৰ (বা কাণ্ড বা অধ্যায়), কৰ্মৰ সাৱলীল বৰ্ণনা থকা প্ৰয়োগ, পৰিশিষ্ট আদিও 'কল্পসূত্ৰ'ৰ অঙ্গাখ্য পুথি পিতৃমেধ সূত্ৰবোৰ কেতিয়াবা শ্ৰৌতসূত্ৰৰ পৰিশিষ্টৰূপে, কেতিয়াবা গৃহ্যসূত্ৰৰ অঙ্গৰূপে বিৰাজ কৰে। প্ৰৱৰকাণ্ড বা প্ৰৱৰসূত্ৰ সদায় শ্ৰৌতসূত্ৰৰ অঙ্গ গ্ৰন্থৰূপে দেখা দিয়ে। 'প্ৰয়োগ', 'পৰিশিষ্ট' আদিয়ে কেতিয়াবা স্বকীয়া

20441



সূত্ৰাত্মক পাঠৰ বৃহৎপাঠত ১২০টা সূত্ৰ আৰু লঘুপাঠত ৭৬টা সূত্ৰ আছে। মুখবন্ধৰ সূত্ৰ এৰি বাকী অংশ আঠ প্ৰকৰণত বিভক্ত কৰি ৰচিত : (১) স্থান প্ৰকৰণ, (২) কৰণ, (৩) অন্তঃপ্ৰয়ত্ন, (৪) বাহ্যপ্ৰয়ত্ন, (৫) স্থানপীড়ন, (৬) বৃত্তিকাৰ, (৭) প্ৰক্ৰম আৰু (৮) নাভিতল প্ৰকৰণ। নাভিতল প্ৰকৰণটো আংশিকভাবেহে পোৱা যায়।

সূত্ৰাত্মক পাঠ প্ৰাচীন আৰু তাৰ ওপৰতে ভেটি কৰি শ্লোকাত্মক পাঠ ৰচিত হোৱা বুলি ভবাৰ স্থল আছে। কিয়নো প্ৰণেতাই শুৰিতে কৈছে :

'অথ শিক্ষাং প্ৰৱক্ষ্যামি পাণিনীয় মতং যথা।' সেইদৰে অৰ্বাচীন ৰচকে ৫৭—৫৯ শ্লোকত পাণিনিৰ প্ৰতি শ্ৰদ্ধাভক্তি যাঁচিছে।

অন্যান্য অনেক শিক্ষাগ্ৰন্থ পৰৱৰ্তীকালত বিৰচিত হৈছে। তাৰে কেতবোৰ কোনো বৈদিকসংহিতাৰে সম্বদ্ধ। আনবোৰ মুক্তভাৱে ধ্বনি বিজ্ঞানৰ আলোচনাত ব্যাপৃত বুলিব পাৰি। তেনে প্ৰাচীন শিক্ষাগ্ৰন্থ কেইখনমান হৈছে, আপিশল শিক্ষা, যাজ্ঞৱল্ক্য শিক্ষা, বাসিষ্ঠী শিক্ষা, কাত্যায়নী শিক্ষা, পাৰাশৰী শিক্ষা, অমোঘনন্দিনী শিক্ষা, মাধ্যন্দিনী শিক্ষা, ভাৰদ্বাজ শিক্ষা, নাৰদীয় শিক্ষা, মাণ্ডূকী শিক্ষা, চান্দ্ৰ শিক্ষা।

## (২) কল্প

ছয় বেদাঙ্গৰ ভিতৰত 'কল্প'ৰ স্থান অকল মহত্বপূৰ্ণই নহয় প্ৰাথমিকো। সমস্ত বৈদিক সাহিত্যৰ এক বিস্তীৰ্ণ অংশ 'কল্প'সাহিত্যই দখল কৰি আছে। বৈদিক আধিযাজ্ঞিক কৰ্মকাণ্ডই এসময়ত কিদৰে চূড়ান্ত পৰ্য্যায়ত গৈ অৱস্থান কৰিছিল তাক উপলব্ধি কৰাত কল্পসাহিত্যই সহায় কৰে। বৈদিক ব্ৰাহ্মণ সাহিত্যতে আধিযাজ্ঞিক কৰ্মকাণ্ডই ডাল-পাত মেলি অতিশয় বিস্তৃতি লাভ কৰে। সেই বিস্তৃত বিৱৰণসমূহক প্ৰণালীবদ্ধভাৱে সূত্ৰাত্মক আকাৰত যি ৰূপদান কৰা হ'ল, তাৰ ফলশ্ৰুতিৰূপে সৃষ্টি হ'ল কল্পসূত্ৰৰ। ব্ৰাহ্মণ-যুগৰ বাগাড়ম্বৰে বিদ্বান সমাজক নিশ্চয় ভাৱাক্ৰান্ত কৰিছিল, সেই বাবে সময় বাগৰাৰ লগে লগে অত্যাৱশ্যকীয় কথাবোৰ চুম্বক আকাৰত প্ৰকাশৰ বাবে 'সূত্ৰশৈলী'ৰ উদ্ভাৱন কৰি উলিওৱা হৈছিল। এনে শৈলী বৰ্তমান বৈজ্ঞানিকসকলৰ বাবে আদৰ্শস্বৰূপ। অঙ্ক, জ্যামিতি, আৰু বিজ্ঞানৰ সূত্ৰবোৰো 'হাতী মাৰি ভুৰুকাত ভৰোৱা'ৰ চানেকি।

কল্প শব্দৰ অৰ্থ কোনোৱে 'বিধি বা নিয়ম' বুলিছে, কোনোৱেবা 'ৰূপ বা অৱয়ৱ' বুলিছে, কোনোৱে 'যাজ্ঞিক কৰ্ম' বুলিছে। আকৌ এজনে 'যাৰদ্বাৰা যজ্ঞাদি কল্পিত আৰু সংস্থিত হয় তাকে কল্প' বুলিছে! কল্পৰ পৰাম্পৰাগত অৰ্থ যে 'বেদবিহিত কৰ্মৰ আনুপূৰ্বিক কল্পনা-সাৰ শাস্ত্ৰ' ( কল্পো বেদবিহিতানাং কৰ্মাণামনুপূৰ্বেণ কল্পনাশাস্ত্ৰম্ ) তাত সন্দেহ নাই। গতিকে আৰ্যসকলৰ সামাজিক আৰু ব্যক্তিগত জীৱনত কৰণীয় যাৱতীয় বেদবিহিত কৰ্মসমূহৰ ৰূপাদি য'ত বিশেষভাৱে বিবৃত হৈছে সেয়ে 'কল্প' শাস্ত্ৰ। যিহেতু এই শ্ৰেণীৰ গ্ৰন্থ 'সূত্ৰশৈলী'ত নিবদ্ধ হৈছে, সেয়ে সিবোৰ 'কল্পসূত্ৰ' নামে জনাজাত।

বৈদিক কৰ্মসমূহৰ আংশিক বিৱৰণ বা উল্লেখ ঋগ্বেদ আদি সংহিতাতো পোৱা যায়। ঋগ্বেদৰ বিশ্বেদেৱা সূক্তমালা আৰু আপ্ৰিসূক্তসমূহ যে যজ্ঞক উদ্দেশ্য কৰিয়েই ৰচনা কৰা হৈছিল সি সৰ্বজন স্বীকৃত তথ্য। যজুৰ্বেদৰ যজুৰ্মন্ত্ৰবোৰৰ উদ্দেশ্যও যজ্ঞই। গতিকে সংহিতাৰ



মন্ত্ৰবোৰ আৰু যাগ-যজ্ঞ অনুষ্ঠানৰ মূল সমসাময়িক। ইয়াৰ প্ৰসাৰ বা বিকাশ ঘটে ব্ৰাহ্মণ যুগত। এই যুগত যজ্ঞকৰ্মৰ বাহুল্যৰ ফলত এহাতে ইয়াৰ প্ৰতিক্ৰিয়া দেখা দিয়ে আৰণ্যক আৰু উপনিষদৰ পাতত আৰু তাৰ চূড়ান্ত ফলশ্ৰুতিৰূপে জৈন আৰু বৌদ্ধমতৰ উদগম হয়। অতিবাহুল্য আৰু শিথিলতাৰপৰা সমস্ত কৰ্মকাণ্ডক সংৰক্ষণ কৰি সুসংহত আৰু প্ৰণালীবদ্ধ ৰূপ দিবলৈ কল্পসূত্ৰ সমূহ সংকলিত বা ৰচিত হ'বলৈ ধৰে। সম্ভৱ অতি বিস্তাৰিত ব্ৰাহ্মণ্য বাগাড়ম্বৰ পৰা অৰ্থৱাদ অংশৰ অধিকখিনি বাদ দি বিধি অংশক লৈ সংক্ষিপ্ত ৰূপত বৈদিক কৰ্মকাণ্ডৰ স্বৰূপ বৰ্ণনা কৰাটোৱেই এই সাহিত্যশ্ৰেণীৰ উদ্ভৱৰ কাৰণ আৰু উদ্দেশ্য।

**কল্পসূত্ৰবোৰৰ বিভাগ :** কল্পসূত্ৰবোৰৰ সংখ্যা কল্পনাতীতভাৱে বহুত। সম্ভৱতঃ এসময়ত চৰণব্যূহ-আদি অঙ্গপুথিবোৰত উল্লেখ কৰা প্ৰতি চৰণ বা শাখাৰ বাবেই কেইবা তৰপীয়া 'কল্পসূত্ৰ' সংকলিত হৈছিল। যিহেতু বৈদিক সংহিতাৰ ৰূপাদৰ্শৰ হীনদেৱি, গঢ়মিল আৰু কৰ্মকাণ্ডৰ চেষ্টা-চৰিত্ৰৰ ন্যূনাধিক্য বা বিকল্প বিধি-ব্যৱস্থাৰ কাৰণেই শাখা বা চৰণসমূহৰ উদ্ভৱ আৰু বিকাশ ঘটিছিল। সেয়ে প্ৰতিটো শাখা বা চৰণৰ বৈশিষ্ট্যসমূহ প্ৰতিফলিত কৰিব পৰাকৈ কল্পসূত্ৰবোৰ গাইগুটীয়াকৈ সংকলন কৰা হৈছিল।

বৈদিক ক্ৰিয়া-কাণ্ডবোৰে প্ৰকাৰভেদে বিবিধতা বা বৈচিত্ৰ্য ৰক্ষা কৰাত সিবোৰৰ বিৱৰণ দিবলৈকো বিবিধ সূত্ৰাত্মক কল্পৰ প্ৰয়োজন হ'ল। সেইবাবে কল্পসূত্ৰ বুলি ক'লে অনেক সূত্ৰ সংকলনক বুজায়। মুখ্যতঃ কল্পসমূহ শ্ৰৌত, গৃহ্য, পিতৃমেধ আদিত বিভাজ্য। সেইদৰে বিভিন্ন বিষয়ক সামৰিলোৱা সূত্ৰবোৰ 'শ্ৰৌত', 'গৃহ্য', 'ধৰ্ম,' 'শুল্ব', 'পিতৃমেধ' আদিৰ ৰূপত সংকলিত হয়। সিযিহওক 'কল্পসূত্ৰ'ৰ ঘাই ভাগ তিনিটা বা চাৰিটা বুলিবলৈ পাৰি। যেনে :

(১) **শ্ৰৌতসূত্ৰ**—ব্ৰাহ্মণ গ্ৰন্থত বৰ্ণিত, একাধিক অগ্নি আৰু ঋত্বিকৰ সহযোগত সম্পাদ্যমান যাগ-যজ্ঞৰ বৰ্ণনাপুষ্ট সূত্ৰ।

(২) **গৃহ্যসূত্ৰ**—একমাত্ৰ গাৰ্হপত্য অগ্নিত গৃহস্থই নিজে বা তেওঁৰ প্ৰতিনিধি কৰা পুৰোহিতে সম্পাদন কৰা ক্ষুদ্ৰ যাগ আৰু শৰীৰৰ বা শিক্ষাদিৰ বিৱৰ্ধনাৰ্থে কৰা সংস্কাৰ কৰ্মৰ বিৱৰণ জ্ঞাপক সূত্ৰ।

(৩) **ধৰ্মসূত্ৰ**—বৰ্ণাশ্ৰম ধৰ্ম, নিত্য-নৈমিত্তিক ধৰ্ম, ক্ষত্ৰ বা ৰাজধৰ্ম, আদি সামাজিক বিষয়বোৰৰ বিজ্ঞাপন দিবপৰা সূত্ৰ।

(৪) **শুল্বসূত্ৰ**—বৈদিক যাগ-যজ্ঞ সম্পাদন কৰিবলৈ যজ্ঞীয় বেদি নিৰ্মাণাৰ্থে নিৰ্দিষ্ট ৰীতি-নীতি, জোখ-পৰিমাণ আদিৰ বৰ্ণনা থকা সূত্ৰ। ই বৈদিক জ্যামিতিৰ নামান্তৰ মাত্ৰ।

ইয়াৰ উপৰিও মৃতাহ সংস্কাৰজনিত কৰ্মবোৰৰ বিৱৰণ জ্ঞাপক পিতৃমেধ সূত্ৰ, ঋষি-মুনি পিতৃ-সকলৰ পৰিচয়জ্ঞাপক প্ৰৱৰসূত্ৰ ( বা কাণ্ড বা অধ্যায় ), কৰ্মৰ সাৱলীল বৰ্ণনা থকা প্ৰয়োগ, পৰিশিষ্ট আদিও 'কল্পসূত্ৰ'ৰ অঙ্গাখ্য পুথি পিতৃমেধ সূত্ৰবোৰ কেতিয়াবা শ্ৰৌতসূত্ৰৰ পৰিশিষ্টৰূপে, কেতিয়াবা গৃহ্যসূত্ৰৰ অঙ্গৰূপে বিৰাজ কৰে। প্ৰৱৰকাণ্ড বা প্ৰৱৰসূত্ৰ সদায় শ্ৰৌতসূত্ৰৰ অঙ্গ গ্ৰন্থৰূপে দেখা দিয়ে। 'প্ৰয়োগ', 'পৰিশিষ্ট' আদিয়ে কেতিয়াবা স্বকীয়া

গ্ৰন্থৰূপে কেতিয়াবা ব্যাখ্যা বা ভাষ্যৰূপে বৈশিষ্ট্য প্ৰকাশ কৰে। শ্ৰৌতসূত্ৰবোৰৰ মাজত 'পৰিভাষা সূত্ৰও সন্নিৱিষ্ট থাকে।

## শ্ৰৌতসূত্ৰ

শ্ৰৌতসূত্ৰসমূহে শ্ৰৌত যাগ-যজ্ঞসমূহৰ বৰ্ণনা কৰে। পূৰ্বতেই কৈ অহা হৈছে যে শ্ৰৌতযজ্ঞ মূলতঃ পাঁচ প্ৰকাৰৰ—হোম, ইষ্টি, পশু, সোম আৰু সত্ৰ। ইবিলাক প্ৰকৃতি আৰু বিকৃতিভেদে দুবিধ। তাৰো আকৌ নিত্য আৰু কাম্য ভেদ আছেই। হোমৰ প্ৰকৃতি অগ্নিহোত্ৰ, এবিধ নিত্য-যজ্ঞ। আহিতাগ্নি গৃহস্থৰ বাবে ই অৱশ্যকৰ্ত্তব্য. দৰ্শপূৰ্ণমাস ইষ্টি সকলো ইষ্টি যাগৰে মূলাদৰ্শ। ই নিত্য আৰু কাম্যভেদে দুবিধ। দৰ্শ ইষ্টি অমাৱস্যা তিথিৰ পিছৰ প্ৰতিপৎ দিনত আৰু পূৰ্ণমাসেষ্টি পূৰ্ণিমাত হয়। কাৰীৰিষ্টি, আগ্ৰায়ণেষ্টি আদি ইয়াৰ কাম্যভেদ। নিৰূঢ় পশু হ'ল পশু যাগৰ প্ৰকৃতি বা মূল। অশ্বমেধ আদিত ইয়াৰ বিকৃতি দেখা যায়। অগ্নিষ্টোম বা জ্যোতিষ্টোম হৈছে সোমযাগৰ প্ৰকৃতি; ই সকলো একাহ, অহীন আৰু সত্ৰৰ আৰ্হি। উক্‌থ, ষোড়শী, অতিৰাত্ৰ আৰু আপ্তোৰ্যাম বিশিষ্ট সোমযাগ। ৰাজপেয়ও আকৌ ষোড়শীৰ আৰ্হিত সম্পাদিত হয়। গৱাময়ন হৈছে সত্ৰযজ্ঞৰ প্ৰকৃতি বা আদৰ্শ। এই যজ্ঞসমূহৰ উপৰিও শ্ৰৌতসূত্ৰত অগ্ন্যাধানৰ বৰ্ণনা কৰা হয়। লগতে দ্বৈধ ( মতবিৰোধ ) কৰ্মান্ত, প্ৰায়শ্চিত্ত, শুল্ব প্ৰৱৰাদি বিষয়ো বৰ্ণিত হয়।

## কৃষ্ণযজুৰ্বেদীয় শ্ৰৌতসূত্ৰ

যজ্ঞৰ ঘাই আধাৰভূমি যজুৰ্বেদ। ইয়াৰ সংহিতা ব্ৰাহ্মণ, শ্ৰৌতসূত্ৰাদিত যজ্ঞৰ বৰ্ণনাই যিদৰে আসন পাতি বহিছে অন্য বেদত তাৰ উদাহৰণ বিৰল। গতিকে এইবেদৰে জড়িত শ্ৰৌতসূত্ৰসমূহত যজ্ঞৰ সম্পূৰ্ণ বিৱৰণ পোৱা যায়। সেয়ে কাশীকাৰ, গোণ্ডা প্ৰভৃতিয়ে কৃষ্ণযজুৰ্বেদৰ শ্ৰৌতসূত্ৰৰ আলোচনা আগতে কৰিছে।

বৰ্ত্তমান উপলব্ধ শ্ৰৌতসমূহৰ ভিতৰত যজুৰ্বেদৰ অন্তৰ্গত শ্ৰৌতসূত্ৰৰ সংখ্যাই সৰহ। মুঠতে দহখন যজুৰ্বেদীয় শ্ৰৌতসূত্ৰ পোৱা গৈছে. তাৰে নখন কৃষ্ণযজুৰ্বেদৰ অন্তৰ্গত আৰু এখন শুক্লযজুৰ্বেদৰ অন্তৰ্গত। সিবোৰ একাদিক্ৰমে বোধায়ন, ভাৰদ্বাজ, আপস্তম্ব, সত্যষাঢ়-হিৰণ্যকেশী, বৈখানস, বাধূল. মানৱ আৰু বাৰহ।

শুক্লযজুৰ্বেদৰ অন্তৰ্গত একমাত্ৰ শ্ৰৌতখন হৈছে কাত্যায়ন শ্ৰৌতসূত্ৰ।

ঋগ্বেদৰ ভিতৰুৱা দুখন শ্ৰৌতসূত্ৰ পোৱা গৈছে, (১) আশ্বলায়ন শ্ৰৌতসূত্ৰ আৰু (২) শাংখায়ন শ্ৰৌতসূত্ৰ।

সামবেদৰ অন্তৰ্গত শ্ৰৌতসূত্ৰ বা শ্ৰৌতবিষয়ক গ্ৰন্থ অনেক। তাৰ ভিতৰত আৰ্ষেয় কল্প, লাট্যায়ন শ্ৰৌতসূত্ৰ, দ্ৰাহ্যায়ন শ্ৰৌতসূত্ৰ, জৈমিনীয় শ্ৰৌতসূত্ৰ, নিদানসূত্ৰ, উপনিদানসূত্ৰ আদি উল্লেখযোগ্য।

অথৰ্ববেদৰ শ্ৰৌতগ্ৰন্থ কম। বৈতানসূত্ৰ আৰু আথৰ্ব প্ৰায়শ্চিত্তানি গ্ৰন্থ দুখন উল্লেখনীয়।



## শুল্বসূত্ৰ

কল্পসূত্ৰৰ এক মহত্বপূৰ্ণ বিভাগ হৈছে শুল্বসূত্ৰ। শুল্বশব্দৰ অৰ্থ সূতা বা জৰী। জৰীৰ সহায়েৰে যজ্ঞৰ বাবে প্ৰয়োজনীয় বেদি, মণ্ডপ, কুণ্ড আদি নিৰ্মাণৰ বাবে যিবোৰ জোখ-মাপ কৰা হয় তাৰ বিধিসন্মত বিৱৰণাত্মক গ্ৰন্থকে শুল্বসূত্ৰ বোলে।

প্ৰকৃততে যজুৰ্বেদৰ সংহিতা আৰু ব্ৰাহ্মণ গ্ৰন্থাদিৰ মাজত অ'ত-ত'ত সিঁচৰতি হৈ থকা তদৰ্থক বিধিব্যৱস্থাবোৰক সামৰি শুল্বসূত্ৰবোৰ প্ৰস্তুত হৈছে। যজ্ঞৰ বেদি, অগ্নিকুণ্ড আদিৰ জোখ-মাপৰ সৈতে জড়িত হৈছে একপ্ৰকাৰ অঙ্ক—পৰিমিতি আৰু জ্যামিতিৰ জ্ঞান। অগ্নিকুণ্ডবোৰ বিভিন্ন আকাৰ-প্ৰকাৰৰ হয়। যেনে, আহৱণীয় অগ্নিৰ কুণ্ড সমবাহু চতুৰ্ভুজ আকাৰৰ, গাৰ্হপত্য অগ্নিৰ কুণ্ড হয় গোলাকাৰ বা বৃত্তাকাৰ আৰু দক্ষিণাগ্নিৰ কুণ্ড অৰ্ধচন্দ্ৰাকাৰ বা অৰ্ধবৃত্তাকাৰ হয়। প্ৰতিটো কুণ্ডৰ চিতি বা স্তৰ সাজোঁতে সঠিক হিচাপ লাগে। তদুপৰি বেদিবিলাকৰ কোনোটো পাখিমেলা চৰাইৰ আকৃতিৰ হয়। শুল্বসূত্ৰৰ ব্যৱহাৰিক জ্ঞান অধ্বৰ্যু আৰু তেওঁৰ সহযোগী তিনিজন পুৰোহিতৰ থকা আৱশ্যক। অধ্বৰ্যুৰ নিৰ্দেশতে যজ্ঞবেদি. কুণ্ডাদি নিৰ্মিত হয়। সেইবাবে অধ্বৰ্যুৰ হাত-পুথি বুলি জনাজাত যজুৰ্বেদীয় কল্পসূত্ৰবোৰৰ লগতে শুল্বসূত্ৰবোৰ সংযোজিত হৈ থাকে।

সম্প্ৰতি আমি আঠখন কল্পসূত্ৰৰ অঙ্গৰূপে শুল্বসূত্ৰ ( ৮ খন ) পাওঁ। তাৰে সাতখন কৃষ্ণযজুৰ্বেদৰ ভিতৰুৱা : (১) বৌধায়ন, (২) আপস্তম্ব, (৩) সত্যষাঢ়, (৪) মানৱ, (৫) মৈত্ৰায়নীয়, (৬) বাৰাহ আৰু (৭) বাধূল। আনখন হৈছে কাত্যায়ন শুল্বসূত্ৰ; ই শুক্লযজুৰ্বেদৰ ভিতৰুৱা।

এই শুল্বসূত্ৰসমূহত প্ৰাচীন ভাৰতীয় অঙ্ক বীজগণিত, পৰিমিতি আৰু জ্যামিতি বিষয়ক বহুতো মূল্যবান তথ্য সঞ্চিত আছে।

## প্ৰৱৰসূত্ৰ

প্ৰৱৰসূত্ৰসমূহক একপ্ৰকাৰে শ্ৰৌতসূত্ৰসমূহৰ অন্তৰঙ্গ বিষয় বুলিব পাৰি। ইবিলাক ঋষিসকলৰ গোত্ৰানুসৰি প্ৰৱৰৰ অভিলেখ মাত্ৰ। দৰ্শপূৰ্ণমাস ইষ্টিযাগত হোতাই পোনতে সম্বোধন পদত যজমানৰ প্ৰৱৰ ধৰি মাতে, তাৰ পাছত. অধ্বৰ্য্যুয়ে-ৱৎ প্ৰত্যয় যোগদি তাৰ পুনৰুক্তি কৰে। যজমানজন ভাৰদ্বাজগোত্ৰৰ হ'লে হোতাই তেওঁৰ প্ৰৱৰ মাতি 'আঙ্গিৰস বাৰ্হস্পত্য ভাৰদ্বাজ!' বুলি অগ্নিক সম্বোধন কৰি দেৱতালৈ হব্য বহন কৰিবলৈ প্ৰাৰ্থনা জনায়। তাত সন্মতিজ্ঞাপন কৰি অধ্বৰ্য্যুয়ে বিপৰ্যয়ক্ৰমে সেই প্ৰৱৰ মাতি 'ভৰদ্বাজৱদ্ বৃহস্পতিৱদ্ অঙ্গিৰোৱৎ' বুলি অগ্নিক সম্বোধি পুনঃ একে প্ৰাৰ্থনা কৰে।

তদুপৰি উচ্চবৰ্ণৰ হিন্দুসকলৰ সম্বন্ধবিচাৰত গোত্ৰ-প্ৰৱৰৰ সূচীৰ বিশেষ তাৎপৰ্য্য আছে। প্ৰাচীন সমাজব্যৱস্থা আৰু ইতিহাস অধ্যয়নত ই এক সমল। এনেদৰে প্ৰৱৰসূত্ৰৰ বিশেষ মূল্য নিৰূপিত হৈছে।

সম্প্ৰতি বৌধায়ন. আপস্তম্ব, সত্যষাৰ, মানৱ ৱাৰাহ, কাত্যায়ন আৰু আশ্বলায়নৰ সূত্ৰৰ পৰিশিষ্টৰূপে প্ৰৱৰসূত্ৰসমূহ পোৱা গৈছে। ইবোৰৰ প্ৰভাৱ পুৰাণত পৰিছে।

## গৃহ্যসূত্র

কল্প বা কল্পসূত্ৰৰ দ্বিতীয় ভাগটো গৃহ্যসূত্র। শ্ৰৌতসূত্ৰবেসৈতে গৃহ্যসূত্ৰৰ এবাৰ নোৱৰা সম্বন্ধ আছে। বৌধায়ন, আপস্তম্ব, সত্যষাৰ প্ৰভৃতিৰ শ্ৰৌতসূত্ৰৰ অবান্তৰ ভাগ হিচাপেই গৃহ্যসূত্ৰক দেখুৱা হয়। ভালেমান বিষয়ত শ্ৰৌত আৰু গৃহ্যসূত্ৰৰ সমতা সুৰক্ষিত হৈছে : (১) দুয়োপ্ৰকাৰ সূত্ৰৰ মূল সংহিতা আৰু ব্ৰাহ্মণ-আৰণ্যকৰপৰা আহৃত; মন্ত্ৰসমূহ সংহিতাৰপৰা, বিধি-ব্যৱস্থাবোৰ ব্ৰাহ্মণৰপৰা আহৃত। (২) দুয়ো প্ৰকাৰ সূত্ৰৰ গ্ৰন্থকৰ্তৃত্ব একে দেখা যায়। (৩) ভালেমান বিষয়বস্তু দুয়ো শ্ৰেণীৰ সূত্ৰতে বিৱৰি কোৱা হৈছে : ইষ্টি, পিতৃমেধ আদি তাৰ উদাহৰণ। (৪) প্ৰায় সকলো ক্ষেত্ৰতে গৃহ্যসূত্ৰবোৰে শ্ৰৌতসূত্ৰৰ পূৰ্বগামিতাক স্বীকাৰ কৰে। শ্ৰৌতসূত্ৰত শ্ৰৌত যাগাদিৰ বৰ্ণনাৰ পাছতহে গৃহ্যৰ স্থান নিৰ্ণীত হৈছে।

**শ্ৰৌত আৰু গৃহ্য কৰ্মৰ বৈসাদৃশ্য :** (১) প্ৰথমতঃ শ্ৰৌত সূত্ৰত আপেক্ষিকভাৱে বৃহদাকাৰৰ যাগ-যজ্ঞৰ বৰ্ণনাই ঠাই পাইছে। শ্ৰুতিসম্পৃক্ত বৃহৎ যাগ-যজ্ঞৰ বাবে অধিক আয়াসৰ প্ৰয়োজন আৰু সিবোৰ বৰ ব্যয়বহুল। ৰাজসূয়, ৰাজপেয় অশ্বমেধাদি একপ্ৰকাৰে ৰাজকীয় যজ্ঞ। তাৰ বিপৰীতে গৃহ্যসূত্ৰত আপেক্ষিকভাৱে কম আয়াসতে কম খৰছতে সম্পাদন কৰিব পৰা যজ্ঞৰ বৰ্ণনা আছে। ইষ্টি বা পঞ্চ মহাযজ্ঞৰ বাবে বৰকৈ খৰছান্ত হ'ব নেলাগে। বিৱাহাদি জন্মপূৰ্ব, জাতকৰ্মাদি জন্মোত্তৰ শাৰীৰিক সংস্কাৰবোৰো ঘৰুৱাহি কথা। (২) শ্ৰৌত যাগ-যজ্ঞ সম্পাদন কৰিবলৈ গাৰ্হপত্যৰ উপৰিও, অৰ্থাৎ একাধিক অগ্নি সংস্থাপনৰ আৱশ্যক। কিন্তু গৃহ্যকৰ্ম গাৰ্হপত্যৰেই সাধিত হয়। আহিতাগ্নিৰ পিতৃমেধ বাবে একাধিক অগ্নি লাগে বুলিয়েই এই বিষয়টোও শ্ৰৌত পৰ্যায়তে আলোচিত হয়। (৩) শ্ৰৌতকৰ্ম সম্পাদনৰ বাবে সেৱা প্ৰায়েই একাধিক ঋত্বিকৰ অংশগ্ৰহণ আৱশ্যক হয়। কেতিয়াবা ষোল-সোতৰজন ঋত্বিকৰ আমন্ত্ৰিত হয়। কিন্তু গৃহ্যকৰ্মত একাধিক ঋত্বিক বা পুৰোহিতৰ আৱশ্যক নহয় গৃহপতি, গৃহস্থ, পিতৃস্থানীয় ব্যক্তিবিশেষে গৃহ্যকৰ্ম সম্পাদন কৰিবলৈ পাৰে। (৪) শ্ৰৌতযাগাদিত সোমৰস আদিৰ ব্যৱহাৰ আছে, গৃহকৰ্মত সি প্ৰশ্নাতীত।

**গৃহ্যসূত্ৰৰ বিষয়বস্তু :** প্ৰায় সকলো গৃহ্যকৰ্মৰ বিৱৰণ গৃহ্যসূত্ৰবোৰত পোৱা যায়। পোনতে ইয়াত গৃহ্য বা গাৰ্হপত্য অগ্নি স্থাপনৰ বিৱৰণ আছে। প্ৰায়ভাগ সূত্ৰত বিৱাহৰ বৰ্ণনা পোনতে পোৱা যায়। বিভিন্ন প্ৰকাৰৰ বিৱাহ, কন্যাবাচনি আদিও লগতে আছে। গৰ্ভাধান, পুংসৱন, সীমন্তোন্নয়ন, আদি গাৰ্ভ-সংস্কাৰজনিত কৰ্ম, জাতকৰ্ম নামকৰণ, চন্দ্ৰ বা আদিত্যদৰ্শন, নিষ্ক্ৰমণ, অন্নপ্ৰাশন চূড়াকৰণ, গোদান প্ৰভৃতি শিশুৰ সংস্কাৰ কৰ্মৰ বিৱৰণ আছে।

পৰবৰ্তী স্তৰত পোৱা শিক্ষাৰে জড়িত সংস্কাৰ কৰ্ম, যেনে উপনয়ন, বেদাধ্যয়ন, উপাকৰ্ম, উৎসৰ্জন, অনাধ্যয়, ব্ৰত, সমাৱৰ্তন আদি গৃহ্যসূত্ৰত বিশদভাৱে বিবৃত হৈছে।

গৃহ্যসূত্ৰৰ অন্য এটি বিষয় হৈছে পঞ্চমহাযজ্ঞৰ বিৱৰণ। দেৱযজ্ঞ, ভূতযজ্ঞ, পিতৃযজ্ঞ, ব্ৰহ্মযজ্ঞ আৰু নৃযজ্ঞ ( বা মনুষ্য বা অতিথিযজ্ঞ )—এয়ে পঞ্চমহাযজ্ঞ। দৰ্শ আৰু পূৰ্ণমাসেষ্টি,



শ্ৰৱণা, ইন্দ্ৰযজ্ঞ, অশ্বযুজী, আগ্ৰহায়ণী, অষ্টকা, ফাল্গুনী আৰু চৈত্ৰী আদি গৃহ্যযজ্ঞবোৰেও গৃহ্যসূত্ৰত ঠাই পাইছে।

পিতৃমেধ বা পিতৃশ্ৰাদ্ধ আদিও গৃহ্যসূত্ৰত বৰ্ণিত হৈছে।

পশুপালন আৰু কৃষিকৰ্মৰে জড়িত ভালেমান গৃহ্যকৰ্মৰ কথাও পোৱা যায়। বৃষোৎসৰ্গ, শূলগৱ, সীতাযজ্ঞ, আগ্ৰয়ণ আদি তেনে শাৰীৰ যজ্ঞ।

ইয়াৰ উপৰিও কেতবোৰ গৃহ্যসূত্ৰত অদ্ভুতদৰ্শনৰ প্ৰতি প্ৰসৱস্বৰূপেও কেতবোৰ কৰ্ম বিহিত হৈছে। কেতবোৰ কাম্য গৃহ্যানুষ্ঠানৰ কথাও এইবোৰ সূত্ৰত পোৱা যায়।

সম্প্ৰতি বহুবিলাক গৃহ্যসূত্ৰ উপলব্ধ হৈছে। তাৰে কেতবোৰ প্ৰকাশিত হৈছে আৰু কেতবোৰ এতিয়াও অপ্ৰকাশিত অৱস্থাতে ৰৈ আছে। তলত প্ৰতিখন বেদৰ অন্তৰ্ভুক্ত গৃহ্যসূত্ৰসমূহৰ তালিকা প্ৰস্তুত কৰা হৈছে :

১। ঋগ্বেদৰ অন্তৰ্ভুক্ত গৃহ্যসূত্ৰ :

(ক) প্ৰকাশিত সূত্ৰ : (১) শাংখায়ন গৃহ্যসূত্ৰ
(২) কৌষিতাক গৃহ্যসূত্ৰ
(৩) আশ্বলায়ন গৃহ্যসূত্ৰ,

(খ) অপ্ৰকাশিত সূত্ৰ : (৪) শৌনক গৃহ্যসূত্ৰ
(৫) ভাৰৱীয় গৃহ্যসূত্ৰ
(৬) শাকল্য গৃহ্যসূত্ৰ
(৭) পৈঙ্গী গৃহ্যসূত্ৰ
(৮) পাৰাশৰ গৃহ্যসূত্ৰ

২। সামবেদৰ অন্তৰ্গত গৃহ্যসূত্ৰ—

(ক) প্ৰকাশিত গৃহ্যসূত্ৰ :
(৯) গোভিল গৃহ্যসূত্ৰ
(১০) খাদিৰ গৃহ্যসূত্ৰ
(১১) জৈমিনীয় গৃহ্যসূত্ৰ

(খ) অপ্ৰকাশিত গৃহ্যসূত্ৰ :
(১২) গৌতম গৃহ্যসূত্ৰ
(১৩) ছান্দোগ্য গৃহ্যসূত্ৰ

৩। শুক্লযজুৰ্বেদৰ অন্তৰ্গত—

(ক) প্ৰকাশিত গৃহ্যসূত্ৰ :
(১৪) পাৰস্কৰ গৃহ্যসূত্ৰ,

(খ) অপ্ৰকাশিত গৃহ্যসূত্ৰ :
(১৫) বৈজৱাপ গৃহ্যসূত্ৰ,

৪। কৃষ্ণযজুৰ্বেদৰ অন্তৰ্গত—

(ক) প্ৰকাশিত গৃহ্যসূত্ৰ :

(১৬) বৌধায়ন গৃহ্যসূত্ৰ
(১৭) ভাৰদ্বাজ গৃহ্যসূত্ৰ
(১৮) আপস্তম্ব গৃহ্যসূত্ৰ,
(১৯) হিৰণ্যকেশী গৃহ্যসূত্ৰ,
(২০) বৈখানস গৃহ্যসূত্ৰ,
(২১) আগ্নিবেশ্য গৃহ্যসূত্ৰ,
(২২) মানৱ গৃহ্যসূত্ৰ,
(২৩) কাঠক গৃহ্যসূত্ৰ,
(২৪) ৱাৰাহ গৃহ্যসূত্ৰ,

ইয়াৰ উপৰিও কৃষ্ণযজুৰ্বেদৰ ভিতৰৰা নিম্নোক্ত গৃহ্যসূত্ৰসমূহৰ উল্লেখ পোৱা হয় :

(২৫) শাণ্ডিল্য গৃহ্যসূত্ৰ,
(২৬) মাৰ্কণ্ড গৃহ্যসূত্ৰ,
(২৭) মৈতৰেয় ( মৈত্ৰেয় ? ) গৃহ্যসূত্ৰ,

৪। অথৰ্ৱবেদৰ অন্তৰ্গত গৃহ্যসূত্ৰ :

(২৮) কৌশিক সূত্ৰ।

## ধৰ্মসূত্ৰ

কল্পৰ তৃতীয় প্ৰধান ভাগটো ধৰ্মসূত্ৰ নামে জনাজাত। ধৰ্মসূত্ৰবোৰ শ্ৰৌততকৈ গৃহ্যসূত্ৰৰ অধিক ওচৰ চপা। কাৰণ উপনয়ন, অনধ্যায়, বিবাহ, শ্ৰাদ্ধ, পঞ্চমহাযজ্ঞ আদিৰ লেখিয়া কেতবোৰ বিষয় গৃহ্য আৰু ধৰ্ম—এই দুয়োবিধ সূত্ৰতে বৰ্ণিত হৈছে। তথাপি গৃহ্যসূত্ৰবোৰ গৃহ্যকৰ্মকাণ্ডবোৰৰ সবিশেষ বিৱৰণ দিয়াৰ পক্ষপাতী ; আনহাতে ধৰ্মসূত্ৰবোৰে অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক, ধৰ্মনৈতিক আৰু দাৰ্শনিক বিষয়বোৰৰ ওপৰত প্ৰায় সমানে আলোকপাত কৰে। এই ধৰ্মসূত্ৰবোৰ পৰৱৰ্তী কালৰ ধৰ্মশাস্ত্ৰ বা স্মৃতি নামে শ্লোকৱদ্ধ গ্ৰন্থসমূহৰ উৎসৰূপে প্ৰমাণিত হয়।

**ধৰ্মসূত্ৰৰ বিষয়বস্তু :**—ধৰ্মসূত্ৰত বৰ্ণিত বিষয়বস্তুবোৰ তিনিটা শিৰোণামাত ভগাবলৈ পাৰি : ৱৰ্ণধৰ্ম ( ৱৰ্ণসকলৰ কৰ্ত্তব্য ), আশ্ৰম ধৰ্ম ( আশ্ৰমবাসীৰ কৰ্ত্তব্য ) আৰু নৈমিত্তিক ধৰ্ম ( তপ-জপ আদি নৈমিত্তিক কৰ্মৰ বিৱৰণ )। দুই এজন স্মৃতি-ভাষ্যকাৰে এনে বিষয় পাঁচ বা ছয় প্ৰকাৰ হিচাপেও দেখুৱাৰ প্ৰয়াস পায়, যথা : বৰ্ণধৰ্ম, আশ্ৰমধৰ্ম, বৰ্ণাশ্ৰম ধৰ্ম, নৈমিত্তিক ধৰ্ম, গুণধৰ্ম আৰু সাধাৰণধৰ্ম। প্ৰকৃতাৰ্থত ৱৰ্ণধৰ্ম, আশ্ৰম ধৰ্ম আৰু নৈমিত্তিক ধৰ্ম—এই তিনি ধৰ্মই সাধাৰণতে সমস্ত ধৰ্মবিষয়ক সামৰি-সুতৰি লব পাৰে।

(১) **ৱৰ্ণধৰ্ম :** ইয়াৰ মাজত এনেবোৰ বিষয় সামৰি লোৱা হৈছে য'ত বৰ্ণৰ উৎপত্তি চাৰিবৰ্ণৰ জন্ম, বিভাজন আৰু তাৰপৰা হোৱা অন্য সঙ্কৰ বৰ্ণ আৰু সিবোৰৰ কৰ্ত্তব্য-অকৰ্ত্তব্যৰ কথা বিৱৰি কোৱা হৈছে।



(২) **আশ্ৰম ধৰ্ম :** আশ্ৰম ধৰ্মৰ কথাই ধৰ্মসূত্ৰৰ অধিক ঠাই আগুৰি ৰৈছে। দ্বিজসকলৰ জীৱনৰ চাৰিভাগক— ব্ৰহ্মচৰ্য্য, গাৰ্হস্থ্য, বাণপ্ৰস্থ আৰু সন্ন্যাসক—চাৰি আশ্ৰম বুলি কোৱা হৈছে। ধৰ্মসূত্ৰবোৰে দ্বিজৰ জীৱনৰ এই চাৰি আশ্ৰমত পালিবলগীয়া আচাৰ-নীতিৰ সমস্ত কথা দাঙি ধৰে।

(৩) **নৈমিত্তিক ধৰ্ম :** এই অংশত আছে পাপ বা দোষ প্ৰশমনৰ বাবে বিহিত প্ৰায়শ্চিত্তাদি। এই অংশ আহাৰৰ দোষ গুণ আত্মাৰ বিষয়েও দাৰ্শনিক তত্ত্বাদি পোৱা যায়।

সম্প্ৰতি আমি সাতখনমান ধৰ্মসূত্ৰহে অবিকৃতৰূপত পাইছোঁ। সিবোৰ হৈছে ঋগ্বেদীয় বাসিষ্ঠ ধৰ্মসূত্ৰ, সামৱেদীয় গৌতম ধৰ্মসূত্ৰ, যজুৰ্বেদীয় বৌধায়ন ধৰ্মসূত্ৰ, আপস্তম্ব ধৰ্মসূত্ৰ, হিৰণ্যকেশী ধৰ্মসূত্ৰ আৰু বিষ্ণুধৰ্মসূত্ৰ।

## (৩) নিৰুক্ত

ছয়বিধ বেদাঙ্গৰ ভিতৰত নিৰুক্তয়ো এক মহত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছে। নিৰুক্তক বেদৰ শ্ৰোত্ৰ জ্ঞান কৰা হয়। বৈদিক মন্ত্ৰসমূহৰ অৰ্থ বুজাত নিৰক্তৰ অৱিহণা সৰ্বাধিক। নিৰুক্তৰ অৰ্থ নিৰ্বচন অৰ্থাৎ কোনো শব্দৰ অৰ্থ কি আৰু কেনেকুৱা তাক ভাঙি পাতি কোৱা। ব্যাকৰণেও পদ ভাঙি অৰ্থ কয়, নিৰুক্তয়ো পদ ভাঙি নিঃশেষে অৰ্থ কয়। 'ব্যাকৰণ হ'ল শব্দানুশাসন আৰু নিৰুক্ত অৰ্থানুশাসন। তথাপি শব্দ আৰু অৰ্থ পৰস্পৰ সম্পৃক্ত, এনে অৱস্থাত ব্যাকৰণৰসৈতে নিৰুক্তৰ সম্পৰ্ক ঘনিষ্ঠ। পদ ভাঙিলে তাৰ অৰ্থ আৱিষ্কাৰ কৰা সহজ হয়। সেয়ে নিৰুক্তই পদে পদে ব্যাকৰণৰ আশ্ৰয় লবলগীয়া হয়। তথাপি পদৰ ব্যাকৰণ বা বিশ্লেষণ এটা বহিৰঙ্গ ব্যাপাৰ, অৰ্থবোধ অন্তৰঙ্গ ব্যাপাৰ। সেয়ে বেদাৰ্থ-নিৰূপণৰ সময়ত নিৰুক্ত ব্যাকৰণৰ সম্পূৰক, তাৰ অধিকাৰো বিস্তৃততৰ।'[1]

**নিঘণ্টু আৰু নিৰুক্ত :** যাস্ককৃত নিৰুক্ত হৈছে 'নিঘণ্টু' নামে এক 'শব্দকোশ'ৰ ব্যাখ্যা গ্ৰন্থ। এই নিঘণ্টুত বেদৰ কঠিন বা দুৰ্বোধ্য শব্দ কেতবোৰ সংকলিত হৈছে। নিৰুক্তৰ গ্ৰন্থকাৰ যাস্কক বহুতে নিঘণ্টুৰ সংগ্ৰাহক বুলি মত প্ৰকাশ কৰে। কিন্তু নিৰুক্তৰ আদিতে যাস্কই কৈছে : 'সমাম্নায়ঃ সমাম্নাতঃ। স ব্যাখ্যাতব্যঃ। তমিমং সমাম্নায়ঃ নিঘণ্টৱ ইত্যাচক্ষতে। 'শব্দসমূহ একত্ৰিত কৰা হৈছে। তাক ব্যাখ্যা কৰিব লাগে। সেই স্তূপীকৃত শব্দসমূহকে 'নিঘণ্টু' বুলি কোৱা হয়।' যাস্কৰ এই উক্তিৰপৰা বুজা যায় যে 'নিঘণ্টু' আন কোনোবাই সংকলন কৰিছিল। মহাভাৰতত[2] প্ৰাপ্ত এক প্ৰাচীন পৰম্পৰা অনুসাৰে প্ৰজাপতি কশ্যপ এক নিঘণ্টুৰ ৰচয়িতা :—

বৃষো হি ভগৱান্ ধৰ্মঃ খ্যাতো লোকেষু ভাৰত।
নিঘণ্টুক পদাখ্যানে ৱিদ্ধি মাং বৃষমুত্তমম্ ॥
কপিৰ্ৱৰাহঃ শ্ৰেষ্ঠশ্চ ধৰ্মশ্চ বৃষ উচ্যতে।
তস্মাদ্ বৃষাকপিং প্ৰাহ কশ্যপো মাং প্ৰজাপতিঃ ॥

১। অনিৰ্বাণ, 'বেদমীমাংসা,' প্ৰথম খণ্ড, পৃষ্ঠা, ২৬১।
২। মহাভা° ১২।৩৩০।২৩-২৪।

এই পৰম্পৰা অনুসৰি বৃষাকপিকে অন্ত কৰি 'নিঘণ্টু' কোশৰ সংকলক ভগৱান প্ৰজাপতি কশ্যপ। তথাপি এই পৰম্পৰাও যে সমূলি বিশ্বসনীয় তাকো কোৱা টান। প্ৰাচীন ভাৰতত হয়তো অধুনা প্ৰাপ্ত নিঘণ্টুৰ লেখিয়া কোশ অনেক আছিল; তাৰে এক নিঘণ্টুৰ সংকলক আছিল কশ্যপ। প্ৰকৃততে যি নিঘণ্টুৰ ওপৰত ভেটি কৰি যাস্কই নিৰুক্ত ৰচিছে তাৰ সংকলক কোন আছিল তাক সঠিককৈ জনা নাযায়।

**নিঘণ্টুৰ বিভাগ:** 'নিঘণ্টু' পাঁচ অধ্যায়ত বিভক্ত। প্ৰথম তিনিটা অধ্যায়ক নৈঘণ্টুক কাণ্ড বোলে। চতুৰ্থ অধ্যায়ক নৈগম কাণ্ড নামে জনা যায়। পঞ্চমটো অধ্যায়ক বোলে দৈৱত কাণ্ড। অন্য প্ৰকাৰে এই তিনি কাণ্ডক এনেদৰেও বুজাবলৈ পাৰি—

নৈঘণ্টুক কাণ্ডত সমাৰ্থক বা পৰ্যায়বাচক শব্দ সংকলিত হৈছে। ইয়াৰ তিনি অধ্যায়ত ক্ৰমে ৪২১, ৪২৩ আৰু ৪৩৮ শব্দ সংগৃহীত হৈছে। মুঠতে এই কাণ্ডৰ শব্দসংখ্যা ১৩৫২। চতুৰ্থ অধ্যায়ত আছে ভিন্নাৰ্থবাচক শব্দ সংগ্ৰহ। ইয়াত মুঠতে ২৮১ শব্দ আছে। পঞ্চম অধ্যায় বা দৈৱত কাণ্ডত ১৬৩টা শব্দহে আছে। এনেদৰে নিঘণ্টুত মুঠতে ১৭৯৬টা কঠিন শব্দ সংগৃহীত হৈছে।

শব্দসংগ্ৰহৰ মাজত একপ্ৰকাৰ পদ্ধতি অনুসৃত হোৱা দেখা যায়। নৈঘণ্টুক কাণ্ডৰ ১ম অধ্যায়ত পৃথিৱী, বায়ু, পানীৰ দৰে পদাৰ্থবাচক আৰু মেঘ, উষা, দিন-ৰাত্ৰিৰ দৰে প্ৰাকৃতিক অৰ্থসূচক শব্দ সংগৃহীত হৈছে। দ্বিতীয় অধ্যায়ত মূলতঃ মানৱ আৰু মানৱীয় সম্পদ বা ক্ৰিয়াকৰ্মবাচক শব্দ সংগৃহীত হৈছে। তৃতীয় অধ্যায়ত গুণবাচক শব্দবোৰ সংকলিত হৈছে। বহু সময়ত এই সংকলন বিজ্ঞানসন্মত যে নহয়েই প্ৰণালীবদ্ধও নহয়। তথাপি নিঘণ্টুক কোষগ্ৰন্থৰ আদৰ্শ বোলা হয়। ইয়াৰ আৰ্হিত পিছলৈ অনেক শব্দকোষ প্ৰস্তুত হোৱাটো মন কৰিবলগীয়া।

দেৱৰাজ যজাই নিঘণ্টুৰ ভাষ্য ৰচনা কৰে। তেওঁৰ কাল ১৪শ শতিকা।

**যাস্কৰ নিৰুক্ত:** অধুনা প্ৰাপ্ত নিৰুক্তকে ষড়ঙ্গৰ অন্যতম বুলি কোৱা হয়। ইয়াৰ প্ৰণেতা যাস্কাচাৰ্য্য বুলি প্ৰসিদ্ধি আছে। মহাভাৰতৰ শান্তিপৰ্বত (১২,৩৩০,৭-৮) যাস্ক নামে ঋষিয়ে শিপিৱিষ্ট বিষ্ণুক প্ৰসন্ন কৰি নষ্টপ্ৰাপ্ত নিৰুক্ত গ্ৰন্থ উদ্ধাৰ কৰিছিল কোৱা হৈছে:

যাস্কো মামৃষিৰব্যগ্ৰো নৈকযজ্ঞেষু গীতৱান।
শিপিৱিষ্ট ইতি হ্যস্মাদ্ গুহ্যনামধৰো হ্যহম্॥
স্তুত্বা মাং শিপিৱিষ্টেতি যাস্কো ঋষিৰুদাৰধীঃ।
মৎপ্ৰসাদাদধো নষ্টং নিৰুক্তমভিজগ্মিবান্॥

বোধায়ন প্ৰভৃতিয়েও ভৃগুগণৰ ভিতৰুৱা যস্ক আৰু যাস্ক গোত্ৰৰ সন্তেদ প্ৰৱৰসূত্ৰত দিছে। পাৰ্জিটাৰে যাজ্ঞবল্ক্য বাজসনেয়ৰ তৃপুৰুষৰ পাছত আস্বৰায়ণৰ সমসাময়িকৰূপে যাস্কৰ আবিৰ্ভাৱ হোৱা কথা স্বীকাৰ কৰে (Ancient Indian Historical Tradition, p. ৩২৯)।



যাস্ককৃত নিৰুক্ত চৈধ্যটা অধ্যায়ত বিভক্ত। প্ৰথম ছটা অধ্যায়ক সামৰি পূৰ্বষট্‌ক আৰু পিছৰ ছটা অধ্যায়ক (৭—১২) সামৰি উত্তৰষট্‌ক গঠিত হৈছে। বাকী দুটা অধ্যায়ক পৰিশিষ্ট বুলি কোৱা হয়। নিঘণ্টুৰ প্ৰথম তিনিটা অধ্যায় অৰ্থাৎ নৈঘণ্টুক কাণ্ডৰ ব্যাখ্যা যাস্কৰ নিৰুক্ত প্ৰথম তিনিটা অধ্যায়ত পোৱা হয়। নিঘণ্টুৰ চতুৰ্থ অধ্যায় বা নৈগম কাণ্ডৰ ব্যাখ্যা নিৰুক্ত চতুৰ্থ, পঞ্চম আৰু ষষ্ঠ অধ্যায় তিনিটাত কৰা হৈছে। নিঘণ্টুৰ পঞ্চম অধ্যায় বা দৈৱত কাণ্ডৰ ব্যাখ্যা নিৰুক্ত গ্ৰন্থৰ ৭ম ৰপৰা ১০ ম অধ্যায়লৈকে এই ছটা অধ্যায়ত বিশদভাবে দাঙি ধৰা হৈছে। বাকী দুটা অধ্যায় পৰিশিষ্ট। সায়ণৰ মতে যাস্ককৃত নিৰুক্ত দ্বাদশাধ্যায়াত্মক। নিৰুক্তৰ আকৌ গুৰু-আৰু লঘুপাঠ বৰ্তমান। লঘু-পাঠ গুৰ্জৰদেশীয় আৰু গুৰুপাঠ মহাৰাষ্ট্ৰীয় বুলি কোৱা হৈছে। ইয়াৰ প্ৰথম বাৰ অধ্যায়ত মুঠতে ৪০০ খণ্ড আছে।

গ্ৰন্থৰ আৰম্ভণিতে যাস্কই কেতবোৰ গুৰুত্বপূৰ্ণ বিষয়ৰ বৈজ্ঞানিক অনুশীলন কৰিছে। তেওঁ পদবোৰক নাম, আখ্যাত, উপসৰ্গ আৰু নিপাত—এই চাৰি ভাগত ভগাইছে। নামবোৰ যে অধিকভাবে আখ্যাতজ তাকো কৈছে। তাৰ পাছত ছ প্ৰকাৰ ভাৱৱিকাৰৰ ব্যাখ্যা দিছে। নিপাত নিৰূপণ আলোচনাও বহলাই কৰিছে। ৱেদৰ মন্ত্ৰবোৰ সাৰ্থক নে নিৰৰ্থক এই বিৱাদলৈও সুস্থ আলোচনা কৰিছে; পিছলৈ সায়ণই এই আলোচনাৰ ব্যাপক চৰ্চা ঋগ্‌ভাষ্যানুক্ৰমণিকাত কৰিছে। অজ্ঞান নিন্দা আৰু জ্ঞান প্ৰশংসাৰ জৰিয়তে তেওঁ ৱেদাৰ্থবোধৰ আৰিয়া ধৰিছে।

অকল বৈয়াকৰণিক বা নৈৰুক্ত দৃষ্টিভঙ্গিৰই তেওঁ সকলো বিচাৰ-বিবেচনা কৰি নৰৈ তাহানিতে ভাষাতত্ত্ব বিষয়ক কেতবোৰ নীতি-নিয়মো তেওঁ দেখুৱাইছে। বিশেষতঃ ধ্বনি, বৰ্ণ শব্দৰ পৰিৱৰ্তন সম্বন্ধে তেওঁ কেতবোৰ নীতি-নিৰ্দেশনা দাঙি ধৰিছে।

যাস্কৰ সময়ত বা তাৰ পূৰ্বকালৰপৰা চলি অহা কেতবোৰ বৈদিক সম্প্ৰদায়ৰ বিষয়েও নিৰুক্তৰপৰা জনা যায়। তেনেবোৰ পক্ষ হ'ল: (১) অধিদৈৱত, (২) অধ্যাত্ম, (৩) আখ্যান-সময়, (৪) যাজ্ঞিক, (৫) ঐতিহাসিক, (৬) নৈদান, (৭) নৈৰুক্ত, (৮) পৰিব্ৰাজক, (৯) বৈয়াকৰণ ইত্যাদি। এনেবোৰ পক্ষই ৱেদৰ ভাষ্য অনুশীলনত যে বিশেষ প্ৰভাৱ বিস্তাৰ কৰিছিল তাক নকলেও হয়।

যাস্কই দেৱতত্ত্ব সম্বন্ধে যি দিশ নিৰ্ণয় কৰি গৈছে সি এতিয়াও আধুনিক পণ্ডিতৰ বাবে অনুকৰণীয় হৈ আছে। দৈৱতকাণ্ডৰ আৰম্ভণিতে তেওঁ দেৱতাসকলক লোকানুসৰি তিনিভাগত ভাগ কৰিছে: ভূলোক স্থানীয় বা পাৰ্থিৱ, অন্তৰীক্ষলোক স্থানীয় বা আন্তৰীক্ষীয় আৰু দ্যুলোক বা স্বৰ্গীয়। উদাহৰণাৰ্থ: অগ্নিক পৃথিৱী স্থানীয়, বায়ু বা ইন্দ্ৰ অন্তৰীক্ষস্থানীয় আৰু সূৰ্য দ্যুস্থানীয় দেৱতা বুলিছে। এই দেৱতাসকলৰ বিভিন্ন কৰ্ম-নাম আদি ভাগে ভাগে কোৱা হৈছে। ৭—৯ অধ্যায়ত যাস্কই পৃথিৱীস্থ দেৱতাৰ নিৰ্বচন দাঙি ধৰিছে। ১০—১১ অধ্যায়ত মধ্যস্থানীয় দেৱতাৰ বিষয়ে কৈ সদৌ শেষত দ্যুস্থানীয় দেৱতা বিষয়ক ব্যাখ্যা দিছে।

যাস্কৰ নিৰুক্তত অনেক আখ্যান-উপাখ্যান-ইতিহাসৰ আলেখ-লেখ চকুত পাৰে। তাৰে ভালেখিনি আখ্যান যে প্ৰাচীন ভাৰতীয় ইতিহাসৰ খণ্ডৰূপ আৰু সিবোৰে আমাক ইতিহাসৰ পুনৰ্গঠনত সহায় কৰে তাক নক'লেও হয়। অগস্ত্য, অত্ৰি, অঙ্গিৰা, ত্ৰিত, ভৰদ্বাজ, ভৃগু মুদ্গল, বশিষ্ঠ, বিশ্বামিত্ৰ, শুনঃশেপ প্ৰভৃতিৰ জন্মবিষয়ক কথাৰ ভূভটং ইয়াত পোৱা যায়। সেইদৰে দেৱাপি-শন্তনুৰ লেখিয়া আখ্যানে ৰাজকীয় কথাৰ সন্তেদ দিয়ে। প্ৰতিটো আখ্যান বেদানুগ আৰু বেদাখ্যানৰ উপবৃংহনৰূপে উপস্থাপিত।

**যাস্কৰ কাল :** নিৰুক্তকাৰ যাস্কৰ কালসম্বন্ধে পণ্ডিতসকল একমত নহয়। তথাপি পণ্ডিতসকলে এটা কথাত একমত যে যাস্কৰ আবিৰ্ভাৱৰ নিম্নতম সীমা খৃ. পূ. ৫ম শতিকাৰ পাছলৈ নিবলৈ নোৱাৰি। সেইদৰে তেওঁৰ কালৰ উৰ্দ্ধতম সীমা খৃ. পূ. ৭ম শতিকা বুলি লক্ষণস্বৰূপে কৈছে ( নিৰুক্তৰ পাতনি, পৃ. ৫৪ )।

## (৪) ব্যাকৰণ

ষড়ঙ্গৰ ভিতৰত ব্যাকৰণৰ স্থান উচ্চস্তৰত। বেদৰ মন্ত্ৰোচ্চাৰণ শুদ্ধকৈ কৰিবলৈ হ'লে যিদৰে ধ্বনি-বিজ্ঞান জনা আৱশ্যক, অৰ্থাৎ স্বৰ, মাত্ৰা, বৰ্ণ, অক্ষৰাদিৰ জ্ঞান প্ৰয়োজন, সিদৰে শব্দৰ প্ৰকৃতি-প্ৰত্যয়ৰ যথাৰ্থ জ্ঞান নহ'লে বেদহে নালাগে বেদোত্তৰ গ্ৰন্থৰ অৰ্থও বুজা নাযায়। যিকোনো ভাষা-সাহিত্যৰ সম্যক অৰ্থোপলব্ধিৰ বাবে সেই ভাষাৰ ব্যাকৰণৰ জ্ঞান অত্যাৱশ্যক। প্ৰকৃতি, প্ৰত্যয়, সন্ধি, সমাস, শব্দৰূপ, ধাতুৰূপ, বাক্যৰীতি আদি বৈয়াকৰণ বিষয় জনা নাথাকিলে কোনো এক ভাষাৰ জ্ঞান আয়ত্তাধীন হোৱা কথা স্বীকাৰ কৰিবলৈ নোৱাৰি। বৈদিক ভাষাৰ ক্ষেত্ৰতো এই সত্য ফলিয়ায়। বেদৰ মন্ত্ৰৰ অৰ্থোপলব্ধিৰ বাবে বৈদিক ব্যাকৰণৰ সম্যক জ্ঞান নিতান্ত প্ৰয়োজনীয়।

ব্যাকৰণক বেদপুৰুষৰ মুখ বোলা হৈছে—'মুখং ব্যাকৰণং স্মৃতম্'। অথবা 'ব্যাকৰণং বৈ মুখং বেদানাম্'। সায়ণেও ঋগ্বেদ ভাষ্যভূমিকাত ব্যাকৰণক ষড়ঙ্গৰ ভিতৰত প্ৰধান বুলি স্বীকাৰ কৰিছে : 'প্ৰধানঞ্চ ষট্‌সু অঙ্গেষু ব্যাকৰণম্।'

ঋগ্বেদৰ ৪।৫৮।৬ মন্ত্ৰত ব্যাকৰণ বা শব্দশাস্ত্ৰৰ এক বৃষভৰ ৰূপকেৰে প্ৰশংসা কৰা হৈছে :

চত্বাৰি শৃঙ্গা এয়ো অস্য পাদা
দ্বে শীৰ্ষে সপ্ত হস্তাসো অস্য।
ত্ৰিধা বদ্ধো বৃষভো ৰোৰৱীতি
মহো দেৱো মৰ্ত্যাঁ আৱিৱেশ ॥

ইয়াৰ সৰলাৰ্থ হয় : 'চাৰি শিঙ, তিনি ঠেং, দুটা মূৰ, সাতখন হাত; ত্ৰিধা বদ্ধ বৃষভে গৰ্জন কৰিছে ; মহান্ দেৱেই মৰ্ত্যসকলত প্ৰৱেশ কৰিছে।'

বৈয়াকৰণিকসকলে ইয়াৰ অন্য অৰ্থ কৰে। তেওঁলোকে চাৰি শিঙেৰে 'নামাখ্যাতোপসৰ্গনিপাতাশ্চ' চাৰি পদক, তিনি পাদেৰে ভূত, বৰ্তমান, ভৱিষ্যৎ এই তিনি কালক, দুই মূৰেৰে সুপ্ আৰু তিঙ্ বিভক্তিক, সাতহাতেৰে ১মা, ২য়া, ৩য়া, ৪ৰ্থী, ৫মী, ৬ষ্ঠী, ৭মী—এই সাত শব্দৰূপক, 'ত্ৰিধাবদ্ধ'ৰে উৰস্, কণ্ঠ আৰু শিৰ এই তিনি উচ্চাৰণ



স্থানত (বাক) বদ্ধ হৈছে আৰু এই 'বাক্'ৰূপ মহান্ দেৱেই মনুষ্যত প্ৰৱেশ কৰিছে,—এনে অৰ্থ বুজিছে। এনেদৰে পুৰণি বেদাদি গ্ৰন্থত পৰোক্ষভাৱেও ব্যাকৰণৰ প্ৰশংসা গীত হোৱা কথা আঙুলিওৱা হয়।

আচাৰ্য বৰৰুচি ( কাত্যায়ন ) আৰু পতঞ্জলিয়ে ক্ৰমে ব্যাকৰণ অধ্যয়নৰ পাঁচটা আৰু তেৰটা প্ৰয়োজন কথা আঙুলিয়াই দিছে। কাত্যায়নে কোৱামতে ব্যাকৰণ পাঠৰ পাঁচটা মুখ্য প্ৰয়োজন হৈছে—(১) ৰক্ষা, (২) উহ, (৩) আগম, (৪) লঘু আৰু (৫) অসন্দেহ।

(১) **ৰক্ষা**—বেদৰ সুৰক্ষাৰ বাবে ব্যাকৰণ অধ্যয়ন কৰা প্ৰয়োজন। বেদ মন্ত্ৰবোৰ সততে যাগ-যজ্ঞত বিনিযুক্ত হয়। যজ্ঞাদিত সততে সুপ্ৰযুক্ত হোৱা মন্ত্ৰবোৰৰ সমাৱেশ ঘটে সংহিতাবোৰত। ব্ৰাহ্মণ বা শ্ৰৌতবিধিত কোন মন্ত্ৰ কোন কৰ্মত বিহিত হয় তাক বৈদিক ব্যাকৰণ জনা জনেহে কৰব পাৰে। লোপ, আগম, বৰ্ণবিকাৰ আদিৰ বিষয়ে যাৰ সম্যক জ্ঞান আছে তেওঁহে বেদক ভালদৰে ৰক্ষা কৰিবলৈ পাৰে ( লোপাগমবৰ্ণবিকাৰজ্ঞো হি সম্যগ্ বেদাঃ পৰিপালয়িষ্যতীতি )। সেয়ে ব্যাকৰণ অৱশ্যপঠনীয় )।

(২) **উহ**—বিভক্তিৰ বিপৰিণামো শব্দশাস্ত্ৰ অধ্যয়নৰ হেতু বা প্ৰয়োজন। বেদত যিবিলাক মন্ত্ৰ পোৱা যায়, তাত প্ৰযুক্ত শব্দত সকলো লিঙ্গ আৰু বিভক্তিৰ উপযোগ হোৱা নাই। যজ্ঞভূমিত উপস্থিত ঋত্বিক প্ৰভৃতি পুৰুষে মন্ত্ৰত যথোচিত লিঙ্গ অথবা বিভক্তিৰ বিপৰিণাম বা সলনি কৰাৰ আৱশ্যক হয়। এনে অৱস্থাত যিজনে ব্যাকৰণ ভালদৰে নেজানে তেওঁ সেই মন্ত্ৰত যথোচিত ৰীতিৰে লিঙ্গ আৰু বিভক্তিৰ সাল-সলনি কৰাঁত সমৰ্থ নহ'ব। সেয়ে এনে সামৰ্থ্য অৰ্জনৰ উদ্দেশ্যেৰে ব্যাকৰণ অধ্যয়ন কৰা প্ৰয়োজন।

(৩) **আগম**—স্বয়ং আগম বা শ্ৰুতিয়েই ব্যাকৰণ অধ্যয়নৰ প্ৰমাণভূত প্ৰয়োজন বা হেতু। ব্ৰাহ্মণসকলে কোনো দৃষ্ট কাৰণলৈ অপেক্ষা নকৰাকৈয়ে ষড়ঙ্গেৰেসৈতে বেদ আৰু ধৰ্মৰ অধ্যয়ন আৰু জ্ঞানাৰ্জন কৰা উচিত। বেদৰ ছয় অঙ্গৰ ভিতৰত মুখ্যাঙ্গ হৈছে ব্যাকৰণ। মুখ্য বিষয়ত কৰা প্ৰযত্নহে ফলদায়ক হয়। সেয়ে ব্যাকৰণক শ্ৰুতিৰ প্ৰামাণ্য হিচাপে ব্ৰাহ্মণে অধ্যয়ন কৰা উচিত।

(৪) **লঘু**—লঘুত্বৰ বাবেও ব্যাকৰণৰ পঠন-পাঠন কৰা উচিত। সংস্কৃত ভাষাজ্ঞানৰ সুগমতাৰ বাবে ব্যাকৰণ শাস্ত্ৰ পঢ়িব লাগে। কিন্তু শব্দশাস্ত্ৰ ইমান ব্যাপক যে তাক জীৱন জুৰি পঢ়িও আয়ত্ব কৰা টান। ব্যাকৰণৰ ৰীতি-নীতিৰ জ্ঞান আহৰণ কৰিলে ভাষাজ্ঞান লাভৰ আশা সহজে পূৰণ হয়। তাতে আকৌ ব্ৰাহ্মণসকলে অধ্যয়ন, অধ্যাপনা বৃত্তি আদি সাৰ্থকভাৱে চলাবলৈকো শব্দজ্ঞান আহৰণ কৰাটো উচিত বুলি প্ৰতীয়মান হৈছিল। এনে অৱস্থাতো ব্যাকৰণৰ অধ্যয়ন নকৰিলে নচলে।

(৫) **অসন্দেহ**—ব্যাকৰণে বৈদিক শব্দৰ বিষয়ত ওপজা সন্দেহ দূৰ কৰে। বৈদিক সাহিত্যত প্ৰাপ্ত অনেক সমাসবদ্ধ পদৰ অৰ্থবোধ আৰু প্ৰয়োগৰ ক্ষেত্ৰত সন্দেহ উপস্থিত হয়। একেটা পদ কেতিয়াবা তৎপুৰুষ আৰু বহুব্ৰীহিৰূপে গ্ৰহণ কৰি দুই ধৰণৰ অৰ্থ পাব পাৰি। তাৰ প্ৰয়োগেও দুই প্ৰকাৰৰ প্ৰয়োজন সাধে। এনে অৱস্থাত প্ৰকৃতস্বৰৰ সহায়ত প্ৰয়োজনীয় অৰ্থ নিৰূপণ কৰিব পাৰি। উদাহৰণস্বৰূপে যজ্ঞকাণ্ডত এনে বাক্য প্ৰয়োগ হয় :

'স্থূলপৃষতী মাগ্নিৱাৰুণীমনড্‌বাহীমালভেত' অৰ্থাৎ স্থূলপৃষতী গাইজনীক অগ্নি আৰু বৰুণ দেৱতাৰ উদ্দেশ্যৰে গোটোৱা হওক।' এই ক্ষেত্ৰত 'স্থূলপৃষতী' সমাসবদ্ধ পদটো লৈ সন্দেহ ওপজে 'সেই শকত-আৱও ( স্থূলা ), আৰু গাত ফুটুকা-ফুটুকী চিন থকা গাইজনীক আনিবলৈ লাগে নে গাত ডাঙৰ ডাঙৰ ফুটুকা-ফুটুকী চিন থকা অৰ্থাৎ অকল ফুটুকী গাইজনীক ( যিজনী শকত নহয় ) হে আনিবলৈ কৈছে। এই লৈ যি সন্দেহ ওপজে তাক দূৰ কৰিবলৈ একমাত্ৰ ব্যাকৰণজ্ঞ জনেহে পাৰে। যদি বাক্যটো কওঁতে 'স্থূলপৃষতী' সমাসত পূৰ্বপদত উদাত্ত উচ্চাৰিত হৈছে, তেনেহ'লে তাক বহুব্ৰীহি হিচাপে বুজি অৰ্থ কৰিব লাগিব আৰু যদি অন্ত্যপদত স্বৰ উচ্চাৰিত হৈছে তেনেহ'লে তাক তৎপুৰুষ জ্ঞান কৰি অৰ্থ কৰিব লাগিব। বহুব্ৰীহি হ'লে 'স্থূলানি পৃষন্তী যস্যাঃ' এনেদৰে সমস্যমান পদ ভাঙিব লাগিব আৰু কৰ্মধাৰয় বা তৎপুৰুষ হ'লে স্থূলা চাসৌ পৃষতী চ বিগ্ৰহবাক্য কৰিব লাগিব। গতিকে ব্যাকৰণৰ জ্ঞান নহ'লে এনে সন্দেহ আঁতৰোৱা অসম্ভৱ।

ওপৰত তুলি ধৰা ব্যাকৰণ শাস্ত্ৰ অধ্যয়নৰ পাঁচটা মুখ্য প্ৰয়োজনৰ উপৰিও মহাভাষ্যত আৰু তেৰটা গৌণ প্ৰয়োজনৰ প্ৰতিও দৃষ্টি আকৰ্ষণ কৰা হৈছে। পতঞ্জলিৰ কথাৰে সেই প্ৰয়োজনসমূহ হৈছে : 'ইমানি চ ভূয়ঃ শব্দানুশাসনস্য প্ৰয়োজনানি—তেঽসুৰাঃ। দুষ্টঃ শব্দঃ। যদধীতম্। যস্তু প্ৰযুংক্তে। অৱিদ্বাংসঃ। বিভক্তিং কুৰ্বান্তি। যো বা ইমাম্। চত্বাৰি। উতত্বঃ। সক্তুমিৱ। সাৰস্বতীম্। দশম্যাং পুত্ৰস্য। সুদেৱো অসি বৰুণ ইতি।

(১) **তেঽসুৰাঃ :** 'তেঽসুৰাঃ' এই প্ৰতীকেৰে অপশব্দ সম্বন্ধে কোৱা হৈছে। তাহানি প্ৰসিদ্ধ অসুৰবিলাকে 'হে অৰয়ঃ, হে অৰয়ঃ' অৰ্থাৎ হে শত্ৰুসকল, হে শত্ৰুসকল, বোলাৰ সলনি যজ্ঞভূমিত 'হেলয়ঃ' 'হেলয়ঃ' উচ্চাৰণ কৰি শেষত পৰাভূত হৈছিল। সেইবাবে ঋত্বিক ব্ৰাহ্মণ আদিয়ে ম্লেচ্ছভাষণ বা অপশব্দ কোৱা অনুচিত। আমি কোনোৱেই যাতে অসুৰইতৰ দৰে অপশব্দ ক'বলৈ নালাগে তাৰ বাবে ব্যাকৰণ অধ্যয়ন কৰা উচিত।

(২) **দুষ্টঃ শব্দঃ :** দ্বিতীয় প্ৰতীক 'দুষ্টঃ শব্দঃ' বাক্যাংশৰে ব্যাকৰণ শাস্ত্ৰ অধ্যয়ন কৰাৰ অন্য প্ৰয়োজন সূচাইছে। স্বৰদোষ বা বৰ্ণদোষেৰে দুষ্ট অৰ্থাৎ অশুদ্ধ শব্দ যি অৰ্থবোধনৰ বাবে প্ৰযুক্ত হয় তাৰপৰা পৃথক বা তাৰ বিপৰীত অৰ্থ প্ৰতিপাদন কৰি অনৰ্থ ঘটায়। তেনেকৈ প্ৰযুক্ত অশুদ্ধ শব্দই যে অকল অভিমত অৰ্থকে নুবুজায় এনে নহয়, বৰঞ্চ তেনে অশুদ্ধ শব্দই 'বাগ্‌বজ্ৰ' হৈ যজমানকো বিনষ্ট কৰে। উদাহৰণৰ বাবে 'ইন্দ্ৰশত্ৰু' শব্দৰ স্বৰদোষলৈ আঙুলিয়াই দিয়া হৈছে।

পুৰণিকালত ইন্দ্ৰই কোনো কাৰণত ত্ৰিশিৰা বিশ্বৰূপৰ শিৰচ্ছেদ কৰি বধ কৰে। তাতে খঙ্‌ থাই বিশ্বৰূপৰ পিতা ত্বষ্টাই ইন্দ্ৰঘাতক পুত্ৰ কামনা কৰি এক আভিচাৰিক যাগানুষ্ঠান কৰিলে। সেই যাগত 'স্বাহেন্দ্ৰশত্ৰুবৰ্দ্ধস্ব' এই মন্ত্ৰ উচ্চাৰণ কৰি আহুতি দিয়া হৈছিল। সেই মন্ত্ৰৰ অভীষ্ট অৰ্থ এয়ে আছিল যে,'হে অগ্নিদেৱ, তোমাৰ উদ্দেশ্যে মই এই হবিষ ত্যাগ কৰিছোঁ। তুমি ইন্দ্ৰৰ ঘাতক পুৰুষ হৈ বৃদ্ধি লাভ কৰা।' কিন্তু মন্ত্ৰৰ



উচ্চাৰণত ঘটা স্বৰদোষৰ বাবে অগ্নিৰ বৃদ্ধি লাভ নহ'ল। বৰঞ্চ অগ্নিৰ জ্বালা বা শিখা নিৰ্বাপিত হ'ল। এই বৈদিক কথাৰপৰা বুজা যায় যে ঋত্বিকে মন্ত্ৰৰ উচ্চাৰণ কৰোঁতে তৎপুৰুষৰ স্বৰ নামাতি বহুব্ৰীহিৰ স্বৰ উচ্চাৰণ কৰা বাবেই যজমানে অৰ্থাৎ ত্বষ্টাই অভীষ্ট লাভ নকৰিলে। এই যজ্ঞৰ ফলত উৎপন্ন পুত্ৰ বৃত্ৰ ইন্দ্ৰৰ ঘাতক নহৈ ইন্দ্ৰহে বৃত্ৰৰ ঘাতক হ'ল। এনেদৰে যাতে স্বৰাদিৰ দোষত কোনেও বিপৰীত ফল লাভ কৰিবলগীয়া নহয় তাৰ বাবে ঋত্বিক প্ৰভৃতিয়ে ব্যাকৰণৰ সম্যক জ্ঞান লাভ কৰা প্ৰয়োজন।

(৩) **যদ্ অধীতম্ :** অধ্যয়ন কৰাৰ পাছত স্বৰাদিৰ জ্ঞান যাৰ সম্যকভাৱে লাভ হোৱা নাই, অথবা অৰ্থজ্ঞান ঠিকমতে হোৱা নাই, তেওঁৰ বেদ পাঠৰ মাথোন শব্দহে ধ্বনিত হোৱা শুনা যায় ; তেওঁৰ পাঠ বা অধ্যয়ন ফলপ্ৰসূ নহয়। 'যদধীতম্' এই প্ৰতীকে সেয়ে ইয়াকে সূচাইছে :

> যদধীতম্ অৱিজ্ঞাতং নিগদেনৈৱ শব্দ্যতে।
> অনগ্নাৱিৱ শুষ্কৈধো ন তজ্জ্বলতি কৰ্হিচিৎ ॥

অৰ্থ নুবুজাকৈ যি অধ্যয়ন কৰা হয় তাৰ মাথোন শব্দহে (ঢোলৰ মাতৰ দৰে) শুনা যায় ; শুকান কাঠ বিনাজুইৰে নজ্বলাৰ দৰে সেই অধ্যয়ন নিষ্ফল হয়। সেয়ে অৰ্থজ্ঞানৰ বাবে ব্যাকৰণৰ জ্ঞান প্ৰয়োজন।

(৪) **যস্তু প্ৰযুংক্তে[1] :** এই প্ৰতীকেৰে কুশল ব্যক্তিয়ে ব্যৱহাৰৰ সময়ত শুদ্ধ শব্দৰ প্ৰয়োগ কৰে, আৰু ফলত তেওঁ স্বৰ্গলৈ গৈ অনন্ত ফল লাভ কৰে ; কিন্তু যিজনে কেৱল অপশব্দৰ হে ব্যৱহাৰ কৰে তেওঁ পাপহে অৰ্জন কৰে। তাতে আকৌ শুদ্ধ শব্দ এটাহে হয়, তাৰ বিপৰীতে অপশব্দ হয় অনেক। 'গৌ' শব্দ শুদ্ধ, ব্যাকৰণসম্মত, কিন্তু তাৰ বিপৰীতে গাৱী, গোনী, গোতা, গোপোতলিকা আদি অনেক অপশব্দ পোৱা যায়। শুদ্ধ শব্দ জানিবলৈ আৰু তাৰ প্ৰয়োগ যথাৱৎ কৰিবলৈ হ'লে ব্যাকৰণৰ জ্ঞানৰ প্ৰয়োজন।

(৫) **অৱিদ্বাংস[2] :** এই প্ৰতীকেৰে আচাৰ্য পাণিনিৰ কালত প্ৰচলিত আশ্ৰম-সংস্কৃতিৰ ভেটিত প্ৰতিষ্ঠিত সমাজৰ ৰীতিক ভাষ্যকাৰ পতঞ্জলিয়ে ব্যাকৰণ অধ্যয়নৰ প্ৰয়োজন ৰূপে তুলি ধৰিছে। তেতিয়া নমস্কাৰ জনোৱা ছাত্ৰ বা শিষ্যক গুৰুজনে নাম কাঢ়ি, নামৰ শেষ স্বৰটোক প্লুত মাত্ৰাত উচ্চাৰণ কৰি আশীৰ্বাদ দিয়া প্ৰথা আছিল। যেনে : 'আয়ুষ্মানেধি দেৱদত্ত।' পিছে ব্যাকৰণত যাৰ বিগদ্ধতা নাই তেওঁ এনে ৰীতিও নাজানে। যিজনে উক্ত ৰীতি মানি আশীৰ্বাদ দিবলৈ অসমৰ্থ তেওঁকনো আকৌ কোনে নমস্কাৰ জনাব ? গতিকে ব্যাকৰণ জনাৰ প্ৰয়োজন আছে। তেতিয়াহে সমাজত চিৰাচৰিত প্ৰথা প্ৰৱৰ্তিত থাকে।

---

১। সম্পূৰ্ণ শ্লোক : যস্তু প্ৰযুংক্তে কুশলো বিশেষে শব্দান্ যথাৱৎ ব্যৱহাৰকালে। সোঽনন্তমাপ্নোতি জয়ং পৰত্ৰ বাগ্যোগৱিদ্ দুষ্যতি চাপশব্দৈঃ ॥

২। সম্পূৰ্ণ শ্লোক —

> অৱিদ্বাংসঃ প্ৰত্যভিৱাদে নাম্নো যে ন প্লুতিং ৱিদুঃ।
> কামং তেষু তু বিপোষ্য স্ত্ৰীষিৱায় মহং ৱদেৎ ॥

(৬—৭) ঋত্বিকৰ কৰ্মৰ বাবেও ব্যাকৰণৰ সুষম জ্ঞানৰ বিশেষ প্ৰয়োজন আছে। যাগ-যজ্ঞত 'প্ৰয়াজাঃ সৱিভক্তিকাঃ কাৰ্য্যাঃ' এনে বিধি-ব্যৱস্থাবোৰ বুজি সেইদৰে যথোচিত কৰ্ম কৰিবলৈ ব্যাকৰণৰ সম্যক জ্ঞান ঋত্বিকৰ নিতান্ত প্ৰয়োজন হয়। তেনেদৰে প্ৰত্যেক পদ প্ৰত্যেক স্বৰ বা অক্ষৰৰ সংস্কাৰপূৰ্বক উচ্চাৰণ জনাজনহে কুশলী ঋত্বিক হ'ব পাৰে। এতিয়াও ভালদৰে ব্যাকৰণ জনা ঋত্বিক-পুৰোহিতৰ সমাদৰ হে সমাজত আছে। অজ্ঞ পুৰোহিতক লোকে কৰ্ম কৰিবলৈ আমন্ত্ৰণ নকৰে। সেয়ে ঋত্বিক-পুৰোহিতৰ কৰ্ম সুচাৰুৰূপে চলাবলৈ ব্যাকৰণ-শিক্ষাৰ বৃত্তিগত প্ৰয়োজন থকা কথা ভাষ্যকাৰে আঙুলিয়াই দিছে।

এনেদৰে ভাষ্যকাৰে ব্যাকৰণ অধ্যয়ন কৰাৰ আৰু পাঁচ-ছটামান প্ৰয়োজনৰ ওপৰত জোৰ দি কৈছে। আনকি নৱজাতক ল'ৰা-ছোৱালীৰ নামকৰণৰ বাবেও যে ব্যাকৰণ-জ্ঞানৰ প্ৰয়োজন তাকো তেওঁ দৃঢ়তাৰে কৈছে।[1] তেতিয়া নামককৰণ কৰোঁতে বিশেষ ভাৱে লক্ষ্য কৰা হৈছিল যাতে নামটো দুই বা চাৰি আখৰৰ হয়, কৃদন্ত হয়, তদ্ধিতান্ত নহয়। তাতো আকৌ নামৰ প্ৰথম আখৰ ঘোষবৰ্ণ, মধ্যস্থ ব্যঞ্জন অন্তঃস্থ হয় আৰু নামৰ আৰম্ভ যাতে আ, ঐ, ঔ—এনে বৃদ্ধ আখৰেৰে নহয়। পুত্ৰৰ নামৰ মাজত উৰ্দ্ধপুৰুষৰ নামাংশ যাতে সোমাই থাকে তালৈকো নজৰ দিবলগীয়া হৈছিল। এনেবোৰ কাৰণতো ব্যাকৰণৰ সম্যকজ্ঞান লাগে।

এতিয়া প্ৰশ্ন হৈছে, 'বেদাঙ্গ ব্যাকৰণ বুলিলে আমি কোন গ্ৰন্থক বুজিম?' সম্প্ৰতি প্ৰাচীন অথচ প্ৰচলিত সৰ্বসন্মত ব্যাকৰণ বুলিবলৈ হ'লে আমি পাণিনিকৃত 'অষ্টাধ্যায়ী'কেই বুজোঁ। সন্দেহ নাই যে এই ব্যাকৰণে বেদাঙ্গৰ স্থান প্ৰাপ্তিৰ বাবে সমস্ত গুণৰাশিৰে সমৃদ্ধ। কিন্তু মহৰ্ষি পাণিনিয়ে সূত্ৰপাঠ ৰচনা কৰাৰ বহুকাল পূৰ্বৰেপৰা ইদেশত ব্যাকৰণ-চৰ্চাৰ এক সুদীৰ্ঘ পৰম্পৰা প্ৰচলিত আছিল। সেই লানি-নিচিগা পৰম্পৰাৰ মাজতে মহৰ্ষি পাণিনিয়ে তেওঁৰ সুবিখ্যাত অষ্টাধ্যায়ী সূত্ৰপাঠ ৰচনা কৰে। তেওঁৰ গ্ৰন্থই সমাজত জনপ্ৰিয়তা অৰ্জন কৰে। তেওঁৰ পূৰ্বৰ বহুতো ব্যাকৰণ-গ্ৰন্থৰ নাম নুমাল। কালস্ৰোতত তাৰে অনেকখিনি জাহ গ'ল। আজি আমি বহুকষ্টেৰে মাথোন পাণিনি পূৰ্ব কালৰ ব্যাকৰণৰ পৰম্পৰা পৌৰাণিক গল্পৰ দৰেহে অ'ত ত'ত পঢ়িবলৈ পাওঁ।

মহৰ্ষি শাকটায়নে সামবেদৰ অন্তৰ্গত কল্প-গ্ৰন্থৰ পাতত (পৃ. ৩) ব্যাকৰণৰ উৎপত্তিৰ পৰম্পৰা দাঙি ধৰিছে। সেইমতে ব্ৰহ্মাই পোনতে বৃহস্পতিক ব্যাকৰণ সম্বন্ধে কৈছিল। বৃহস্পতিৰপৰা ইন্দ্ৰই ব্যাকৰণ শিকে। ইন্দ্ৰৰপৰা ভৰদ্বাজ বাৰ্হস্পত্যই আৰু ভৰদ্বাজৰপৰা ঋষিসকলে আৰু তেওঁলোকৰ ব্ৰাহ্মণসকলে ক্ৰমশ ব্যাকৰণৰ জ্ঞানাহৰণ কৰে। পতঞ্জলিয়ে মহাভাষ্যৰ পস্পশাহ্নিকত এই পৰম্পৰাৰে আঁত ধৰি কৈছে 'এবং শ্ৰূয়তে "বৃহস্পতিৰিন্দ্ৰায় দিব্যং বৰ্ষসহস্ৰং প্ৰতিপদোক্তানাং শব্দানাং শব্দপাৰায়ণং প্ৰোবাচ নান্তং জগাম ॥" বৃহস্পতিশ্চ

১। সম্প্ৰতি সমাজত—বিশেষতঃ হিন্দুসকলে মধে-মধে নাম থয়। ৰমেন্দ্ৰৰ সলনি ৰমেন, সুৰেন্দ্ৰৰ সলনি সুৰেন বোলাৰ উপৰিও বহুতো অনৰ্থক নামেৰে পুত্ৰৰ নামকৰণ কৰে। সি মাথোন পিতৃমাতৃৰ ব্যাকৰণজ্ঞানৰ লাঘৱতাহে সূচায়।



প্ৰৱক্তা, ইন্দ্ৰশ্চাধ্যেতা, দিব্যং বৰ্ষসহস্ৰমধ্যয়নকালো, ন চান্তং জগাম, কিং পুনৰদ্যত্বে যঃ সৰ্বথা চিৰং জীৱতি বৰ্ষশতং জীৱতি।" ইত্যাদি। গতিকে এনে শব্দ-পাৰায়ণ এই দেশৰ চিৰকলীয়া ব্যৱস্থা। কিন্তু শব্দানুশাসন এক পাৰাপাৰহীন বিশাল শাস্ত্ৰ।

এই পৰম্পৰাৰে অনুস্মৰণ কৰি কোৱা হয় যে মাহেশ্বৰ ব্যাকৰণ সাগৰসদৃশ বিশাল আছিল, বৃহস্পতিয়ে তাৰে আধাকলহ পৰিমাণহে গ্ৰহণ কৰিছিল তাৰে আকৌ এশভাগৰ এভাগৰ সমান হ'লগৈ ইন্দ্ৰব্যাকৰণ আৰু কুশাগ্ৰবিন্দু জলৰ সমান হলগৈ পাণিনি-ব্যাকৰণ।

"সমুদ্ৰৱদ্ ব্যাকৰণং মহেশ্বৰে
তদৰ্ধকুম্ভোদ্ধৰণং বৃহস্পতৌ।
তদ্ভাগাভাগাচ্চ শতং পুৰন্দৰে
কুশাগ্ৰবিন্দুৎপতিতং হি পাণিনৌ ॥

অকল ইমানেই নহয় ইন্দ্ৰ ব্যাকৰণৰ প্ৰসিদ্ধি অন্য গ্ৰন্থৰ পাততো বিৰাজমান। নন্দিকেশ্বৰৰ কাশিকা বৃত্তিৰ তত্ত্ববিমৰ্শিনী টীকা[1], বৰৰুচিকৃত ঐন্দ্ৰ নিঘণ্টুৰ আগলিকা[2], বোপদেৱৰ মুগ্ধবোধ[3], অনুভূতি-স্বৰূপাচাৰ্য্যৰ সাৰস্বত প্ৰক্ৰিয়া[4] আদি গ্ৰন্থত ঐন্দ্ৰ ব্যকৰণৰ উল্লেখ বৰ্তমান।

বহু বছৰ ধৰি গৱেষণা কৰি পণ্ডিত যুধিষ্ঠিৰ মীমাংসকে ব্যাকৰণ শাস্ত্ৰৰ যি ইতিহাস ৰচিছে, তাত তেওঁ পাণিনিৰ পূৰ্ববৰ্তী বা সমকালীন ৩৬ জন ব্যাকৰণাচাৰ্য্যৰ বিষয়ে তথ্যৰ সমাৱেশ কৰিছে। তাৰে ইন্দ্ৰ, ভাগুৰি, চাৰায়ণ, কাশকৃৎস্ন, মাধ্যন্দিন, শৌনকি, ব্যাড়ি, আপিশলি, গালৱ আৰু শাকটায়ন এই সকলৰ সূত্ৰ, মত বা গ্ৰন্থ উপলব্ধ হয়। আনহাতে আচাৰ্য্য আপিশলি, কাশ্যপ, গাৰ্গ্য, গালৱ, চাক্ৰবৰ্মণ, ভাৰদ্বাজ, শাকটায়ন, শাকল্য, সেনক আৰু স্ফোটায়ন প্ৰভৃতিৰ নাম আৰু মতৰ উদ্ধৃতি পাণিনিৰ সূত্ৰপাঠত পোৱা যায়।

## মহৰ্ষি পাণিনি আৰু অষ্টাধ্যায়ী

প্ৰাচীন আৰ্ষ শব্দানুশাসনবোৰৰ ভিতৰত একমাত্ৰ পাণিনিকৃত 'সূত্ৰপাঠ' বা অষ্টাধ্যায়ী অখণ্ডৰূপত পোৱা গৈছে। পাণিনিৰ জীৱনসম্বন্ধে বিশেষ কথা জনা নাযায়। তেওঁক মহাভাষ্যত দাক্ষীপুত্ৰ বোলা হৈছে। সেয়ে তেওঁৰ মাকৰ নাম দাক্ষী আছিল বুলি জনা

১। 'তথা চোক্তম্ ইন্দ্ৰেণ অন্তৰ্বৰ্ণসমুদ্ভূতা ধাতৱঃ পৰিকীৰ্তিতাঃ।
২। 'পূৰ্বং পদ্মভুৱা প্ৰোক্তং শ্ৰুত্বেন্দ্ৰেণ প্ৰকাশিতম্।
তদ্ বুধেভ্যো বৰৰুচিঃ কৃতৱানিন্দ্ৰ নামকম্ ॥
৩। ইন্দ্ৰশ্চন্দ্ৰঃ কাশকৃৎস্নাপিশলী শাকটায়নঃ।
পাণিন্যমৰজৈনেন্দ্ৰা জয়ন্ত্যষ্টাদিশাব্দিকাঃ ॥
৪। ইন্দ্ৰাদয়োঽপি যস্যান্তং ন যযুঃ শব্দবাৰিধেঃ।
প্ৰক্ৰিয়াং তস্য কৃৎস্নস্য ক্ষমো বক্তুং নৰঃ কথম্ ॥

যায়। তেওঁক 'শালাতুৰীয়' শালাতুৰৰ অধিৱাসী হিচাপে গণ্য কৰা হয়। এই ঠাই উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশৰ ওচৰত আছিল। সংগ্ৰহকাৰ ব্যাড়ি তেওঁৰ ভাগিনিয়েক আছিল।

পাণিনিৰ কাল লৈ মতভেদ আছে। পণ্ডিত ওৱেবাৰ আৰু ম্যাক্সমুৱোলাৰৰ মতে পাণিনি ৩৫০ খৃষ্টপূৰ্বত আৱিভূৰ্ত হৈছিল। ভিন্‌চেন্ট স্মিথৰ মতে পাণিনি কাল খৃষ্টপূৰ্ব সপ্তম শতাব্দীৰ পিছলৈ নিবলৈ নোৱাৰি। বেলৱেলকাৰ, ৰাজৱাড়ে প্ৰভৃতিয়েও পাণিনিক খৃষ্টপূৰ্ব সপ্তম শতাব্দীৰ লোক বুলি কয়।

পাণিনিক অষ্টাধ্যায়ী সূত্ৰপাঠ আৰু গণপাঠৰ স্ৰষ্টা বুলি কোৱা হয়।[১] অষ্টাধ্যায়ীত প্ৰায় চাৰি হাজাৰ ( ৩,৯৯৭ ) সূত্ৰ আছে। এই সূত্ৰসমূহ আঠ অধ্যায়ত ভাগ কৰি প্ৰতি অধ্যায়ক আকৌ চাৰি পাদত ভগোৱা হৈছে। এই অষ্টাধ্যায়ীত ৩২ পাদ আছে। সূত্ৰবোৰ অতি সংক্ষিপ্ত আৰু অধিকাৰ অনুবৃত্তিৰ শৈলীত গ্ৰথিত। পোনতে সংজ্ঞা আৰু পৰিভাষা সূত্ৰবোৰ দিয়া হৈছে। তাৰ পাছত উৎসৰ্গ অনুৱাদ, প্ৰতিপ্ৰসৱ বা অতিব্যাপ্তি-নিষেধক সূত্ৰ দিয়া হৈছে। 'ভাষা' আৰু 'ছান্দস্' দুয়োপ্ৰকাৰ ভাষাৰ বাবে ব্যাকৰণৰ সূত্ৰ গ্ৰথিত হৈছে।

পৰবৰ্তী কালত অগণন ব্যাখ্যা গ্ৰন্থ ইয়াৰ আধাৰত ৰচিত হৈছে। কাত্যায়নৰ বাৰ্তিক-সমূহে অষ্টাধ্যায়ীক প্ৰসাৰিত কৰিছে। পতঞ্জলিয়ে সূত্ৰ আৰু বাৰ্তিকৰ ওপৰত মহাভাষ্য ৰচিছে। ৱামন আৰু জয়াদিত্যৰ কাশিকাবৃত্তি, ৰামচন্দ্ৰ, ভট্টোজী প্ৰভৃতিৰ প্ৰক্ৰিয়া গ্ৰন্থবোৰ পাণিনিক সৰ্বসাধাৰণৰ বোধগম্য কৰি তুলিছে।

## ছন্দ

ৱেদৰ অন্যতম অঙ্গ ছন্দ। ৱেদৰ মন্ত্ৰ সঠিকভাৱে উচ্চাৰণ কৰিবলৈ শিক্ষাৰ জ্ঞান যেনে অপৰিহাৰ্য্য, তেনেদৰে ছন্দৰ জ্ঞানো নিতান্ত আৱশ্যকীয়। কাৰণ ছন্দৰ সম্যক জ্ঞান বিনে মন্ত্ৰৰ উচ্চাৰণ নিৰ্ভুলভাবে কৰা টান। সেয়ে বৈদিক গ্ৰন্থসমূহে[২] প্ৰতিটো মন্ত্ৰৰ ঋষি, ছন্দ, দেৱতাৰ জ্ঞান অধ্যেতাৰ ৱাবে অপৰিহাৰ্য্য বুলি কোৱা হৈছে। ঋষি, ছন্দ আদি নজনাকৈ কৰা বেদমন্ত্ৰৰ অধ্যয়নে সুফল নিদিয়ে পাপহে অৰ্জন কৰায়।

মন্ত্ৰসংহিতা আৰু ব্ৰাহ্মণ গ্ৰন্থসমূহত ছন্দবোৰৰ নাম কম-বেছি চকুত পৰে। তাৰপৰাই অনুমান কৰিব পাৰি যে ছন্দৰ চৰ্চা আৰু অনুশীলন বেদমন্ত্ৰৰ সমানে প্ৰাচীন। বেদাঙ্গ

১। অষ্টাধ্যায়ী সূত্ৰপাঠ আৰু গণপাঠ অনেকবাৰ প্ৰকাশ পাইছে।

২। আৰ্ষেয় ব্ৰাহ্মণ ১।১।৬ : 'যো হৱা অৱিদিতাৰ্ষেয়চ্ছন্দোদৈৱতব্ৰাহ্মণেন মন্ত্ৰেণ যাজয়তি বাধ্যাপয়তি বা স্থানুং বচ্ছ'তি গৰ্ত্তং বা পদ্যতি প্ৰ বা মীয়তে পাপীয়ান্ ভৱতি।' তুঃ বৃহদ্দেৱতা ৮।১৩৬ : অৱিদিত্বা ঋষিং ছন্দো দৈৱতং যোগমেৱ চ। যোঽধ্যাপয়েজ্জপেদ্বাপি পাপীয়ান্ জায়তে তু সঃ ॥ ঋগ্বেদ সৰ্বানুক্ৰমণীঃ মন্ত্ৰাণাং ব্ৰাহ্মণাৰ্ষেয়-ছন্দোদৈৱতাবিত্তাজনাধ্যাপ-নাভ্যাং শ্ৰেয়োঽধি গচ্ছতি ॥



ছন্দৰ প্ৰতিনিধিত্বসূচক গ্ৰন্থ সম্প্ৰতি এখনহে চকুত পৰে। সেয়া হ'ল আচাৰ্য পিঙ্গলৰ 'ছন্দঃসূত্ৰ'।

চতুৰ্বেদৰ ভিতৰত ঋগ্বেদ, সামৱেদ আৰু অথৰ্ৱবেদৰ মন্ত্ৰসমূহ ছন্দোৱদ্ধ। অথৰ্ৱবেদৰ কিয়দংশ আৰু কৃষ্ণযজুৰ্ৱেদৰ প্ৰায়ভাগেই গদ্যাত্মক। বৈদিক কৱিসকলে অন্তৰৰ ভাৱৰাশি প্ৰকাশৰ বাবে বাহন হ'ল ছন্দসম্মিত ৱাক। ঋষিসকলে প্ৰকৃতিৰ শক্তিসমূহৰ বিভূতি মনোগ্ৰাহীকৈ প্ৰকাশ কৰিছে অনেকবোৰ ছন্দোৱদ্ধ কৱিতাত বা 'সূক্ত'ত।

ছন্দক বেদৰ পাদ বুলি কোৱা হৈছে 'ছন্দঃ পাদৌ তু ৱেদস্য।' বেদপুৰুষৰ চলনশক্তি পাদৰূপ ছন্দৰ ওপৰত নিৰ্ভৰশীল। যাস্কই আকৌ ছন্দশব্দৰ ব্যুৎপত্তি দিবলৈ গৈ কৈছে 'ছন্দাংসি ছাদনাৎ' ( নি ৭।১৯ )। দুৰ্গাচাৰ্যাই তেওঁৰ ভাষ্যত কৈছে 'যদেভিবাত্মানম্-আচ্ছাদয়ন্ দেৱা মৃত্যোৰ্বিভ্যতঃ তচ্ছন্দসাং ছন্দত্বম্।' পাণিনিয়ে বেদৰ ভাষাকেই অষ্টাধ্যায়ীত ছন্দস্ বুলি উল্লেখ কৰিয়াইছে. তাৰ বিপৰীতে লৌকিক ভাষাক বুজাবলৈ ঠিক 'ভাষা' শব্দকে ব্যৱহাৰ কৰিছে।

বেদমন্ত্ৰৰ ছন্দক গণছন্দ বুলিব নোৱাৰি। কাৰণ বেদৰ মন্ত্ৰৰ ছন্দ গণৰদ্বাৰা, বা গুৰু-লঘু বৰ্ণৰদ্বাৰা নিয়মিত নহয়। ই হ'ল একপ্ৰকাৰ অক্ষৰছন্দ। অৰ্থাৎ অক্ষৰৰ গণনাৰে বৈদিক ছন্দৰ চৰিত্ৰ বা লক্ষণ নিৰ্ণয় কৰা হয়। সেইবাবে এই লক্ষণ দাঙি ধৰি কাত্যায়ণে সৰ্বানুক্ৰমণীৰ পৰিভাষাত কৈছে 'যদক্ষৰপৰিমাণং তচ্ছন্দঃ।' লৌকিক ছন্দত গণৰ হিচাপ হয়। গুৰুলঘু বৰ্ণৰ পূৰ্বাপৰ স্থিতি অনুসৰি গণ প্ৰস্তুত হয়। অৱশ্যে বহুযুগ ব্যতিত হোৱাৰ পাছত বিবৰ্তনক্ৰমে বৈদিক অক্ষৰ-ছন্দৰপৰা লৌকিক গণছন্দৰ বিকাশ ঘটে দুয়োবিধ ছন্দতে পাদ বা চৰণৰ ক্ষেত্ৰতো পাৰ্থক্য বৰ্তমান। লৌকিক ছন্দ সৰ্বথা চাৰিচৰণ বিশিষ্ট শ্লোক। কিন্তু বৈদিক ছন্দত তিনি, চাৰি আৰু পাঁচ পাদ ভেদে বিভিন্ন হোৱা দেখা যায়।

তলৰ তালিকাত ছন্দ, পাদ অক্ষৰসংখ্যা দেখুৱা হৈছে :

| | | | |
|---|---|---|---|
| গায়ত্ৰী | ৩ পাদ | ( ৮+৮+৮ ) | =২৪ মুঠ অক্ষৰ |
| উষ্ণিক | ৩ „ | ( ৮+৮+১২ ) | =২৮ „ |
| পুৰু-উষ্ণিক | ৩ „ | ( ১২+৮+৮ ) | =২৮ „ |
| ককুপ | ৩ „ | ( ৮+১২+৮ ) | =২৮ „ |
| অনুষ্টুপ | ৪ „ | ( ৮+৮+৮+৮ ) | =৩২ „ |
| বৃহতী | ৪ „ | ( ৮+৮+১২+৮ ) | =৩৬ „ |
| সতোবৃহতী | ৪ „ | ( ১২+৮+১২+৮ ) | =৪০ „ |
| পংক্তি | ৫ „ | ( ৮+৮+৮+৮+৮ ) | =৪০ „ |
| প্ৰস্তাৰ পংক্তি | ৪ „ | ( ১২+১২+৮+৮ ) | =৪০ „ |
| ত্ৰিষ্টুপ | ৪ „ | ( ১১+১১+১১+১১ | =৪৪ „ |
| জগতী | ৪ „ | ( ১২+১২+১২+১২ ) | =৪৮ „ |

যদিও আমি ওপৰত এঘাৰবিধ ছন্দৰ পাদ আৰু অক্ষৰৰ পৰিমাণ তুলি ধৰিছোঁ, তথাপি

মূলতে বৈদিক ছন্দ সাত প্ৰকাৰ বুলিহে স্বীকাৰ কৰা হয়। ঋগ্বেদ প্ৰাতিশাখ্যত শৌনকে এটা শ্লোকত সেই সাত ছন্দৰ উল্লেখ এনেদৰে কৰিছে :

গায়ত্ৰ্যষ্ণিগনুষ্টুপ্ চ বৃহতী চ প্ৰজাপতেঃ।
পংক্তিত্ৰিষ্টুব্ জগতী চ সপ্তচ্ছন্দাংসি তানি হ ॥

অন্য চাৰি প্ৰকাৰ পুৰ উষ্ণিক, ককুপ্, সতোবৃহতী, আৰু প্ৰস্তাৰপংক্তি ক্ৰমে উষ্ণিক, বৃহতী আৰু পংক্তিৰ বিকৃতি ( modification ) মাত্ৰ।

শৌনককৃত ছন্দোনুক্ৰমণীমত ঋগ্বেদৰ মুখ্য সাতছন্দৰ ঋকৰ সংখ্যা নিম্নোক্ত ধৰণে দিছে :

| | |
|---|---|
| গায়ত্ৰী | ২৪৫১ |
| উষ্ণিক্ | ৩৪১ |
| অনুষ্টুপ্ | ৮৫৫ |
| বৃহতী | ১৮১ |
| পংক্তি | ৩১২ |
| ত্ৰিষ্টুপ্ | ৪২৫৩ |
| জগতী | ১৩৪৮ |
| | ৯৮৪১ |

ইয়াৰ উপৰিও আৰু ৩০০ মান অতিজগতী; শক্বৰী অষ্টি, অত্যষ্টি আদি মিশ্ৰ ছন্দৰ মন্ত্ৰ আছে। একপদা ঋক ৬টা আৰু দ্বিপদা ১৭টা ঋক আছে। সৰ্বাধিক জনপ্ৰিয় ঋক্ ছন্দ হৈছে ত্ৰিষ্টুপ্, গায়ত্ৰী আৰু জগতী।

**ছন্দ সাহিত্য :** ঋগ্বেদৰ সৈতে জড়িত ঋক্ প্ৰাতিশাখ্যৰ ষোড়শ, সপ্তদশ আৰু অষ্টাদশ পটলত ঋগ্বেদৰ ছন্দৰ বিৱৰণ পোৱা যায়। শৌনকৰ ছন্দোনুক্ৰমনীত ঋক্‌সমূহৰ ছন্দ অনুসৰি সংখ্যাৰ পৰিমাণ পোৱা যায়। চৰণব্যূহৰ তৃতীয়ভাগত গায়ত্ৰী আদি ছন্দৰ লক্ষণসমূহ সহজবোধ্যকৈ দিয়া আছে। কিন্তু বেদাঙ্গ ছন্দৰ একমাত্ৰ প্ৰতিনিধিৰূপে পিঙ্গলছন্দসূত্ৰকে[1] আঙুলিওৱা হয়। ইয়াত বৈদিক আৰু লৌকিক দুয়োবিধ ছন্দৰ লক্ষণ পোৱা যায়।

আচাৰ্য্য পিঙ্গলৰ সবিশেষ পৰিচয় পোৱা নাযায়। মৎস্যপুৰাণত বোধিনগঃ সৌগমাক্ষিকীৰয়ো বিকিৰেৱচ ( ১৯৬।৬ ) বচনৰদ্বাৰা পিঙ্গলক নগৰ পুত্ৰ বুলি বুজা যায়। একে পুৰাণতে 'জ্ঞাত্বায়নো হৰিবাশ্যঃ পৈঙ্গলশ্চ তথৈৱচ ( ১৯৬।৩২ ) বচনেৰে পিঙ্গলপুত্ৰৰ নাম পোৱা যায়। পিঙ্গলাচাৰ্য্য এই পিঙ্গলনাগ হোৱা সম্ভৱ। ষড়গুৰু শিষ্যই পিঙ্গলক পাণিনিৰ অনুজ বুলি ঠাৱৰ কৰিছে। ( সূচ্যতে হি ভগৱতা পিঙ্গলেন পাণিন্যনুজেন ক্বচিন্নৱকাশ্চকাৰ। পি. সূ. ৩।৩৩ )। তেওঁ কান্যকুব্জৰ লোক আছিল বুলি কোৱা হয়।[2]

১। পিঙ্গলছন্দস্সূত্ৰম্—( হলায়ুধ কৃতবৃত্তি সহিত ) স. কুঞ্জবিহাৰি তৰ্কসিদ্ধান্ত কলিকতা, ১৩২০ বঙ্গাব্দ। (২) স. ৰামগোবিন্দশৰ্মশুক্ল, বাৰাণসী, ১৯৬৯।

২। এই সম্বন্ধে ৰামগোবিন্দশুক্লৰ পিঙ্গলসূত্ৰৰ প্ৰাকথন দ্ৰষ্টব্য।



পিঙ্গলছন্দস্সূত্ৰৰ ওপৰত হলায়ুধকৃত বৃত্তি পোৱা যায়। তেওঁ বঙ্গৰ লক্ষণসেনৰ ( ১০৩০ শকাব্দ ) সমসাময়িক আছিল।

## জ্যোতিষ

অন্তিম বেদাঙ্গ হৈছে জ্যোতিষ। বেদ আৰু যজ্ঞ যেনেদৰে ওতঃপ্ৰোতভাৱে জড়িত, তেনেদৰে জ্যোতিষ বেদ আৰু যজ্ঞৰে জড়িত। যজ্ঞবোৰ উপযুক্ত সময়ত হ'ব লাগে বুলি ব্ৰাহ্মণ তথা শ্ৰৌত-গৃহ্যসূত্ৰত বিধি-ব্যৱস্থা দিয়া আছে। কাৰণ শুদ্ধ সময়ত নিখুঁতভাৱে অনুষ্ঠিত কৰ্মৰ ফলহে যজমানে আকাঙ্ক্ষা কৰিব পাৰে। কোনোবাটো কৰ্ম সাম্বৎসৰিক, বছৰেৰে সম্বন্ধ থকা, কোনোবাটো ঋতু অনুসৰি অনুষ্ঠিত হ'বলগীয়া। তৈত্তিৰীয় ব্ৰাহ্মণত[1] কোৱা আছে 'বসন্তে ব্ৰাহ্মণোঽগ্নিমাদধীত, গ্ৰীষ্মে ৰাজন্য আদধীত, শৰদি বৈশ্য আদধীত।' অৰ্থাৎ বসন্ত, গ্ৰীষ্ম[2] আৰু শৰৎ ঋতু ক্ৰমে ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্যই অগ্নিৰ আধান সম্পাদন কৰিব লাগে। সেইদৰে তাণ্ড্য মহাব্ৰাহ্মণে কৈছে 'একাষ্টকায়াং দীক্ষেৰন্ ফাগুনী পূৰ্ণামাসে দীক্ষেৰন্। অৰ্থাৎ অষ্টকাৰ বাবে ফাগুনী পূৰ্ণিমাত দীক্ষা গ্ৰহণ কৰিব লাগে।' তেনেদৰে ভাৰদ্বাজ শ্ৰৌত সূত্ৰত[3] কোৱা হৈছে 'ফাল্গুন্যাং চৈত্ৰ্যাং বা প্ৰাচীনপ্ৰৱণে বৈশ্বদেৱেন যজতে।' অৰ্থাৎ ফাগুন বা চৈত্ৰ মাহত পূবলৈ হেলনীয়া ঠাইত বৈশ্বদেৱ যাগ অনুষ্ঠিত কৰিব লাগে। আকৌ এঠাইত সেই সূত্ৰত[4] কোৱা হৈছে ততশ্চতুৰ্ষু মাসেষু বৰুণ প্ৰঘাসেযজতে।' তাৰ চাৰিমাহৰ পাছত বৰুণপ্ৰঘাস যাগ পাতিব লাগে।' এনেদৰে যাগযজ্ঞবোৰ বাবে সময় সূচিত হৈছে। নক্ষত্ৰ, তিথি, পক্ষ আদিৰ বিধানে কোনো কোনো যজ্ঞৰ বাবে বিহিত হৈছে। এইবোৰ সময় বা কালৰ যথাৰ্থ জ্ঞানৰ বাবে বেদাঙ্গ জ্যোতিষ অধ্যয়ন কৰাৰ প্ৰয়োজন হয়। বেদাঙ্গ জ্যোতিষৰ সজ্জ্ঞান বিনে সময়োচিত ভাৱে বিহিত যজ্ঞানুষ্ঠান সম্পাদন কৰা অসম্ভৱ।

সেই কথাকে বেদাঙ্গ জ্যোতিষৰ তৃতীয় শ্লোকত এনেদৰে কৈছে :

বেদা হি যজ্ঞাৰ্থমভি প্ৰবৃত্তাঃ
কালানি পূৰ্বাবিহিতাশ্চ যজ্ঞাঃ।
তস্মাদিদং কালবিধান শাস্ত্ৰং
যো জ্যোতিষং বেদ স বেদ যজ্ঞম্ ॥

যিহেতু বেদ যজ্ঞাৰ্থৰ প্ৰতি অতিপ্ৰবৃত্ত, যজ্ঞবোৰ কালানুসৰি বিহিত, সেইবাবে এই কালবিধান কৰা শাস্ত্ৰ জ্যোতিষ যিজনে জানে তেৱেঁই যজ্ঞৰ কথা জানে।

যজ্ঞবিধানৰ কাৰণে জ্যোতিষ শাস্ত্ৰৰ মহত্ব স্বয়ং ভাস্কৰাচাৰ্য্যয়ো স্বীকাৰ কৰিছে।

১। তৈ° ব্ৰা° ১।১।
২। তা° ব্ৰা° ১।১।
৩। ভা° শ্ৰৌ° ৮।১।১।
৪। ঐ ৮।৫।১।

বেদাঙ্গ জ্যোতিষৰ মতানুসৰি জ্যোতিষ সকলো শাস্ত্ৰৰ ওপৰত যিদৰে ময়ূৰৰ মূৰত শিখা আছে, সাপৰ মূৰত মণি আছে সেইদৰে ষড়ঙ্গ বেদৰ ভিতৰত জ্যোতিষ সৰ্বশ্ৰেষ্ঠ।

যথা শিখা ময়ূৰাণাং নাগানাং মনয়ো যথা।
তদ্বদ্ বেদাঙ্গশাস্ত্ৰাণাং গণিতং মূৰ্ধনি স্থিতম্॥

সেইদৰে পাণিনীয় শিক্ষাত জ্যোতিষক বেদ-পুৰুষৰ চকু বুলিছে 'জ্যোতিষময়নং চক্ষুঃ।' বেদৰসৈতে বিজড়িত আৰু বেদাঙ্গ জ্যোতিষক প্ৰতিনিধিত্ব কৰা দুখন মাত্ৰ গ্ৰন্থ পোৱা গৈছে: (১) যাজুষ জ্যোতিষ আৰু (২) আচাৰ্য্য জ্যোতিষ। ইয়াৰে প্ৰথম গ্ৰন্থখন যজুৰ্বেদৰে জড়িত আৰু ইয়াত ৪৩টা শ্লোক আছে। দ্বিতীয়খন গ্ৰন্থ ঋগ্বেদৰে জড়িত আৰু ইয়াত ৩৬টা শ্লোক আছে। ভালেমান শ্লোক দুয়োগ্ৰন্থতে একেদৰে পোৱা গৈছে। কিন্তু এতিয়ালৈকে কোনো পণ্ডিতে বেদাঙ্গ জ্যোতিষৰ শ্লোকবোৰৰ অৰ্থোদ্ধাৰ কৰিবলৈ সক্ষম হোৱা নাই। সোমাকৰ নামে পণ্ডিতে ৰচনা কৰা বেদাঙ্গ জ্যোতিষৰ ভাষ্য এটিও প্ৰকাশিত হৈছে। ভাষ্যকাৰৰ বিষয়ে সবিশেষ জনা নাযায়।

বেদাঙ্গ জ্যোতিষৰ গ্ৰন্থকাৰ লগধ। আৰ্য জ্যোতিষৰ আৰম্ভতে কোৱা হৈছে:

প্ৰণম্য শিৰসা কালমভিবাদ্য সৰস্বতীম্।
কালজ্ঞানং প্ৰৱক্ষ্যামি লগধস্য মহাত্মনঃ॥

কিন্তু জ্যোতিষৰ প্ৰবৰ্তক লগধৰ বিষয়ে কোনো সঠিক তথ্য জনা নাযায়। বেদাঙ্গ জ্যোতিষ গণনাৰ বাবে পাঁচ বছৰে এযুগ স্বীকৃত হৈছে। এই বছৰবিলাক সম্বৎসৰ, পৰিবৎসৰ, ইদাবৎসৰ অনুবৎসৰ আৰু ইদবৎসৰ। এনে নাম তৈত্তিৰীয় ব্ৰাহ্মণতো পোৱা যায়। এই বছৰ আৰম্ভ হৈছিল মাঘমাহৰপৰা। ইয়াত বাৰ ৰাশিৰ কথা পোৱা নাযায়। গণনা নক্ষত্ৰ ২৭টাৰ আধাৰত কৰা হৈছিল। শংকৰ বালকৃষ্ণ দীক্ষিতে প্ৰমাণসহ সিদ্ধ কৰিছে যে এই বেদাঙ্গ জ্যোতিষৰ ৰচনাকাল খৃঃ পূঃ ১৪০০ বৰ্ষ হ'ব। বহুত পুৰাণ কালত ৰচিত হোৱা বাবে এই শাস্ত্ৰ এতিয়া দুৰ্বোধ্য হৈ পৰিছে।

———

# ষষ্ঠ অধ্যায়

## সহায়ক গ্ৰন্থ: অনুক্ৰমণী

বেদৰ মন্ত্ৰসমূহৰ শুদ্ধোচ্চাৰণ আৰু অৰ্থবোধৰ সুগমতাৰ বাবে উত্তৰ বৈদিক যুগত আৰ্যাদ্বিজসকলে প্ৰাণপণে কৰা প্ৰয়াসৰ আলেখ-লেখ বেদাঙ্গ সাহিত্যৰ বিৱৰণতে পাই আহিছোঁ। বেদৰ সুৰক্ষাৰ বাবে—বৈদিক মন্ত্ৰৰ অবিকৃত সংৰক্ষণৰ বাবে আৰু সিবোৰ অৰ্থকৃচ্ছতা নিবাৰণৰ বাবে তাৰ পৰৱৰ্তী যুগতো বেদপাঠীসকলে চলোৱা অৱিচ্ছিন্ন প্ৰচেষ্টাৰ ফলস্বৰূপে আৰু এশ্ৰেণী সাহিত্যৰ জন্ম হৈছিল। এই শ্ৰেণীসাহিত্যক 'অনুক্ৰমণী' বা 'সূচীগ্ৰন্থ' বুলি কোৱা হয়। অৱিৰল বেদপাঠৰ ফলশ্ৰুতি স্বৰূপেই এই শ্ৰেণীৰ গ্ৰন্থ ৰচিত হয়। বেদমন্ত্ৰৰ ঋষি, ছন্দ, দেৱতা আদি সূচী এই গ্ৰন্থশ্ৰেণীৰ মূল উপজীব্য। দুই এক গ্ৰন্থত বেদৰ শাখা, আভ্যন্তৰীণ বিভাজন, ঋষি বা দেৱতা বিষয়ক আখ্যানৰ উপবৃংহন দিয়াও চকুত পৰে।

অধিকাংশ অনুক্ৰমণী গ্ৰন্থ শৌনক আৰু কাত্যায়ন নামৰ দুজন আচাৰ্য্যৰ নামেৰেসৈতে জড়িত। ঋগ্বেদসৰ্বানুক্ৰমণীৰ বৃত্তিত ষড়্গুৰুশিষ্যই আচাৰ্য্য শৌনকে ঋগ্বেদৰ সুৰক্ষাৰ বাবে দহখন অনুক্ৰমনীগ্ৰন্থ ৰচনা কৰিছিল দাবি কৰিছে:

শৌনকীয়া দশগ্ৰন্থাস্তদা ঋগ্বেদগুপ্তয়ে।
আৰ্ষ্যানুক্ৰমণীত্যাখ্যা ছান্দসী দৈৱতা তথা॥
অনুৱাকানুক্ৰমণী চ সূক্তানুক্ৰমণী তথা।
ঋক্‌পাদয়োৰ্বিধানে চ বাৰ্হ দৈৱতমে চ॥
প্ৰাতিশাখ্যং শৌনকীয়ং স্মাৰ্তং দশমুচ্যতে॥'

অৰ্থাৎ শৌনকে ঋগ্বেদৰ সুৰক্ষাৰ বাবে দহখন পুথি প্ৰণয়ন কৰে। সিবোৰ যথাক্ৰমে: (১) আৰ্যানুক্ৰমণী, (২) ছন্দোানুক্ৰমণী, (৩) দেৱতানুক্ৰমণী, (৪) অনুৱাকানুক্ৰমণী, (৫) সূক্তানুক্ৰমণী, (৬) ঋগ্বিধান, (৭) পাদৱিধান, (৮) বৃহদ্দেৱতা, (৯) ঋগ্বেদ প্ৰাতিশাখ্য আৰু (১০) শৌনকস্মৃতি।

(১) **আৰ্ষাণুক্ৰমণী**—এয়া এক ক্ষুদ্ৰ অনুক্ৰমণী, দহ মণ্ডলত বিভক্ত। ঋগ্বেদৰ দহমণ্ডলত থকা সূত্ৰ আৰু মন্ত্ৰসমূহৰ ঋষিৰ তালিকা ইয়াত দাঙি ধৰা হৈছে।

(২) **ছন্দোঽনুক্ৰমণী**—ঋগ্বেদৰ দহমণ্ডলৰ অনুকৰণত ইও দহমণ্ডলত বিভক্ত। ঋগ্বেদৰ মন্ত্ৰৰ ছন্দসমূহৰ ই এক সূচী।

(৩) **দেৱতানুক্ৰমণী**—ইয়াত ঋগ্বেদৰ সূত্ৰ আৰু মন্ত্ৰৰ দেৱতাৰ আনুক্ৰমিক সূচী প্ৰস্তুত কৰা হৈছে। ইও বৃহদ্দেৱতাৰ প্ৰায় সমসাময়িক গ্ৰন্থ।[1]

১। মেকডোনেল সম্পাদিত 'বৃহদ্দেৱতা'ৰ ১ম ভাগৰ মুখবন্ধ, পৃ. ২৩ দ্ৰষ্টব্য।

(৪) **অনুৱাকানুক্রমণী**[১]—ই ৩৯টা শ্লোকাত্মক ক্ষুদ্ৰ অনুক্রমণী। এই গ্রন্থৰ হিচাপ অনুসৰি ঋগ্বেদত ৮৫টা অনুৱাক, ১০১৭ সূক্ত, ২০০৬ বৰ্গ আৰু ১০,৪১৭টা মন্ত্র আছে।

(৫) **সূক্তানুক্রমণী**—ইয়াত ঋগ্বেদৰ সূক্তবোৰৰ বিৱৰণ দিয়া হৈছিল।

(৬) **ঋগ্বিধান**[২]—বিশেষ কাৰ্য্যসিদ্ধিৰ বাবে ঋগ্বেদৰ মন্ত্রৰ প্রয়োগ এই গ্রন্থত কোৱা হৈছে। আনবেদৰো মন্ত্রৰ এনে প্রয়োগৰ বিধানসূচক গ্রন্থ নোহোৱা নহয়। সামবিধান ব্রাহ্মণ এনে শ্রেণীৰ গ্রন্থ। সূক্ত, বৰ্গ, পদ, মন্ত্র আদি আবৃত্তি কৰি কিদৰে নিজ নিজ কামনা পূৰণ কৰিব পাৰি তাৰ তান্ত্রিক বিধান ঋগ্বিধানৰ বিষয়বস্তু।

(৭) **পাদবিধান**—ঋগ্বেদৰ শব্দৰ সূচী।

(৮) **বৃহদ্দেৱতা**—ঋগ্বেদৰ দেৱতা সম্বন্ধে জানিবলৈ হ'লে বৃহদ্দেৱতা এক অনুপম গ্রন্থ। বাৰ শ শ্লোকত ৰচিত এই গ্রন্থই ঋগ্বেদৰ দেৱতাৰ প্রামাণিক, তথ্য আমাক দিয়ে। এই গ্রন্থখন আঠ অধ্যায়ত বিভক্ত। যদিও ঋগ্বেদৰ আঠ অষ্টকৰ অনুকৰণত এই বিভাজন কৰা হৈছে, তথাপি প্রকৃততে বিষয়বস্তু চয়নত সেই বিভাজন কাৰ্যকৰী হোৱা নাই। পাঁচটা শ্লোকেৰে একোটি বৰ্গ ধৰি লৈ মুঠতে একোটি অধ্যায়ত ৩০টাকৈ বৰ্গ সংগৃহীত হৈছে। গ্রন্থখনত বৈদিক দেৱতাৰ স্বৰূপ, স্থান আৰু লক্ষণ আদিৰ বৰ্ণনা বিশদভাৱে দিয়া হৈছে। ভূমিকাৰ সাতবৰ্গত ব্যাকৰণ আৰু নিৰুক্ত সম্বন্ধীয় বিষয়ৰ ওপৰত আলোকপাত কৰা হৈছে। ১ম অধ্যায় আৰু ২য় অধ্যায়ৰ ( ১-২৫ বৰ্গত ) এক উপাদেয় ভূমিকা তুলি ধৰাৰ পাছত ২৬শ বৰ্গৰপৰা গ্রন্থৰ শেষলৈ ঋগ্বেদৰ মন্ত্র বা সূক্তৰাজিৰ দেৱতাসকলৰ ধাৰাবাহিক উল্লেখ কৰা হৈছে। তাৰ লগতে ঋষি আৰু দেৱতাবিষয়ক ৪০টা বৈদিক আখ্যানো বৰ্ণিত হৈছে। গ্রন্থখনে যাস্কৰ নিৰুক্ত আৰু কাত্যায়নৰ সৰ্বানুক্রমণীৰ মাজত অৱস্থান লৈছে।

পণ্ডিত মেকডোনেলৰ মতে গ্রন্থখন খৃঃ পূঃ ৫০০-৪০০ অব্দৰ মাজত ৰচিত হোৱা সম্ভৱ।

গ্রন্থকাৰ শৌনক সম্ভৱতঃ ভাৰ্গৱবংশীয় শুনকৰ পুত্র বা পৌত্র আছিল। অনেক পুৰণি গ্রন্থত তেওঁৰ প্রশংসা চকুত পৰে।

**কাত্যায়ন'ৰ ঋক্‌সৰ্বাণুক্রমণী** :—ঋগ্বেদৰ সকলো আৱশ্যকীয় বিষয়বস্তুৰ কথা চকু পঁচাৰতে জানিবলৈ একমাত্র হাতপুথি হ'ল কাত্যায়নকৃত ঋক্‌সৰ্বানুক্রমণী। সূত্রশৈলীত ৰচিত এই গ্রন্থত প্রতিটো ঋক্‌সূক্তৰ আদ্য পদ বা বাক্যাংশ, সূক্তগত ঋকৰ সংখ্যা, ঋষি, ছন্দ আৰু দেৱতাৰ নামোল্লেখ পোৱা যায়। ইয়াৰ দ্বাদশ কাণ্ডাত্মক পৰিভাষা অংশত ঋষি, ছন্দ আৰু দেৱতাৰ লক্ষণো পোৱা যায়। যথা : 'যস্য বাক্যং সঋষিঃ', 'যা তেনোচ্যতে সা দেৱতা', 'যদক্ষৰ পৰিমাণং তচ্ছন্দঃ' ইত্যাদি। ইবোৰ তেনেই সৰল।

**শুক্ল যজু ( ৰ্বেদ ) সৰ্বাণুক্রমসূত্র** :—কাত্যায়ন বিৰচিত অন্য এখন পুথি হৈছে

১। মেকডোনেল সম্পাদিত বৃহদ্দেৱতাৰ হাৰ্ভাৰ্ড সংস্কৰণৰসৈতে প্রকাশ পায়। পাছত ড° উমেশচন্দ্র শৰ্মা সম্পাদিত ঋগ্বেদ সৰ্বানুক্রমণীৰেসৈতে ( ১৯৭৭ ) প্রকাশ পায়।

২। অলপতে এম এস ভাটে ইয়াৰ সুন্দৰ সমীক্ষা আগবঢ়াইছে।



শুক্লযজুৰ্বেদৰ মাধ্যন্দিন শাখালৈ চৰিত শুক্লযজু ( ৰ্বেদ ) সৰ্বাণুক্রমসূত্র। পাঁচ অধ্যায়ত সমাপ্ত এই গ্রন্থত বাজসনেয়ি সংহিতাৰ মাধ্যন্দিন শাখাৰ মন্ত্রৰ ঋষি, ছন্দ, দেৱতাদিৰ চমু পৰিচয় দিছে। গ্রন্থৰ আৰম্ভতে ঋষি, ছন্দ আদি জ্ঞানৰ প্রশংসা কৰি কোৱা হৈছে :

অথ বিজ্ঞায়ৈতানি যোঽধীতে তস্য বীৰ্যৱৎ ॥
অথ যোঽৰ্থবিত্তস্য বীৰ্যবত্তৰং ভৱতি।
জপিত্বা হুত্বেষ্ট্বা তৎফলেন যুজ্যতে ॥

তেনেদৰে ইয়াত যাগ-যজ্ঞীয় কথাৰ সঙ্কেতো দিয়া হৈছে। ইয়াৰ মন্ত্রৰ বিনিয়োগ তথা ছন্দ-সম্বন্ধীয় বহু তথ্য সমাহৃত হৈছে।

কাত্যায়ন সম্ভৱতঃ কাত্যৰ পুত্র বা পৌত্র আৰু বিশ্বামিত্র ঋষিৰ গোত্রসম্ভূত লোক আছিল। একে নামৰ লোকৰ কল্পসূত্র আৰু ব্যাকৰণ বাৰ্তিক উপলব্ধ হয়।

**সামবেদৰ সহায়ক গ্রন্থ** :—অনুক্রমণী পৰ্যায়ভুক্ত অনেক সামবেদীয় গ্রন্থৰ নাম পোৱা যায়। তাৰ ভিতৰত কল্পানুপদসূত্র, নিদানসূত্র, উপনিদানসূত্র, উপগ্রন্থসূত্র, অনুপদ সূত্র, পঞ্চবিধানসূত্র, লঘু ঋক্‌তন্ত্র সংগ্রহ আৰু সামসপ্তলক্ষণ আদি উল্লেখযোগ্য। নৈগমেয় অনুক্রমণীত অন্যতম গ্রন্থ।

**অথৰ্ববেদৰ সহায়ক গ্রন্থ** :—অথৰ্ববেদৰো অনেক সহায়ক গ্রন্থ উপলব্ধ হৈছে। তাৰ ভিতৰত পঞ্চপটলিকা, দন্তোষ্ঠবিধি, বৃহৎসৰ্বাণুক্রমণী, নক্ষত্রকল্প, আঙ্গিৰসকল্প আৰু শান্তিকল্প প্রধান।

**চৰণ্যব্যূহ** :—অৰ্বাচীন হলেও এই গুৰুত্ব আৰু মহত্ব আছে। ইয়াৰ পাঁচখণ্ডক ক্রমে ঋগ্বেদখণ্ড, যজুৰ্বেদখণ্ড, সামবেদখণ্ড, অথৰ্ববেদখণ্ড আৰু ফলশ্রুতি খণ্ড নামে জনা যায়। প্রথম চাৰিখণ্ডত চাৰিবেদৰ শাখা আৰু চৰণৰ বিৱৰণ পোৱা যায়। গ্রন্থখন শৌনকবিৰচিত বুলি কোৱা হয়।

**নীতিমঞ্জৰী** :—দ্যাদ্বিবেদ ( খৃঃ ১৫শ শতিকা ) বিৰচিত নীতিমঞ্জৰীও এখন উল্লেখ-যোগ্য বৈদিক গ্রন্থ। ১৬৬টা নীতি শ্লোকৰ উদাহৰণ দিবলৈ গ্রন্থকাৰে ঋগ্বেদৰপৰা সমান সংখ্যক আখ্যান বা উপাখ্যান দাঙি ধৰিছে। তাকে কৰোঁতে তেওঁ ১৮৮টা ঋকৰ সৰল ঐতিহাসিক ব্যাখ্যাও দিছে। গ্রন্থখন ক্ষেমেন্দ্রৰ চাৰুচৰ্য্যাৰে তুলনীয়।

# সপ্তম অধ্যায়

## বৈদিক সাহিত্যৰ কাল

সমস্ত বৈদিক সাহিত্যকে ধৰি বিশাল প্ৰাচীন ভাৰতীয় সাহিত্যৰাজিৰ কাল নিৰূপণ কৰাটো পৰ্বতত তুৰা-কাছৰ কণি বিচৰাৰদৰেতে তুলনীয়। প্ৰকৃতাৰ্থত ক'বলৈ হ'লে ভাৰতৰ ইতিহাসৰ প্ৰধান দুৰ্বলতা হ'ল প্ৰকৃত তাৰিখ মালাৰ (chronology) অভাৱ। বেদহে নালাগে মহাভাৰত, ৰামায়ণ ( ব্যাস-বাল্মীকি ), ভাস, কালিদাস প্ৰভৃতিৰ দৰে কৱিসকলৰ কাল সম্বন্ধে সঠিক ধাৰণা আজিও গঢ়ি উঠা নাই। এনে অৱস্থাত বেদৰ কাল নিৰূপণ কৰা যে কেনে কঠিন কাম সি উপলব্ধিৰ বিষয়। কোনো সুস্থিৰ প্ৰমাণৰ অভাৱত প্ৰতিজন পণ্ডিতৰ অভিমত স্বকীয়া হৈ পৰে আৰু সি আন পণ্ডিতৰ সমালোচনাৰ মুখত তিষ্ঠিবলৈ নোৱাৰে। তথাপি প্ৰাচ্য আৰু পাশ্চাত্যৰ পণ্ডিতসকলে বৈদিক সাহিত্যচৰ্চা কৰিবলৈ গৈ বেদৰ কালৰ ওপৰত দৃষ্টিপাত নকৰি থাকিবলৈ পৰা নাই ; আন নহ'লেও অন্ততঃ বেদ-ৰাশিৰ এক সাম্ভাব্য বা আনুমানিক কালাবধি নিৰ্দেশ কৰি ক্ষান্ত হৈছে। তেনে কৰিবলৈ গৈ যোৱা দুশ বছৰে বেদৰ কাল নিৰ্ধাৰণৰ প্ৰয়াসমূলক যেন এক অনন্য ইতিহাসৰ জনম দিছে। সাম্প্ৰতিক প্ৰচেষ্টাত সেই ইতিহাসৰ প্ৰতি যথোচিত নজৰ ৰাখিছে বেদৰ কাল সমীক্ষণ কৰা উচিত হ'ব।

যিমানদূৰ জনা যায় বৈদিক সাহিত্যৰ বৈজ্ঞানিক চৰ্চাৰ আধাৰশিলা স্থাপন কৰাৰ লগতে বেদৰ কাল নিৰূপণ কৰাৰ প্ৰথম প্ৰচেষ্টা কৰে হেনৰি কোলব্ৰুকে। তেৱেঁই পোনতে ১৮০১ চনত হিন্দুসকলৰ ধৰ্মীয় উৎসৱৰ বিষয়ে লিখিবলৈ গৈ বেদৰ কাল সম্বন্ধে এটা টোকা সংযোজন কৰে। কোলব্ৰুক ভাৰতীয় জ্যোতিষ-বিদ্যাৰ সাৰ্থক গৱেষক আছিল। জ্যোতিষৰ আলম লৈয়েই তেওঁ বেদৰ কাল খৃঃ পূঃ চতুৰ্দশ শতিকা নিৰূপণ কৰি যায়।

পণ্ডিত এইচ্‌, এইচ্‌, উইলচন ( H. H. Wilson ) চাহাবে ( মৃত্যু ১৮৬০ ) বৈদিক সাহিত্যৰ কাল সম্বন্ধে বৰ চমুৱাই লিখিছে। তেওঁ কয় যে স্মৃতিকাৰ মনুৰ ওপৰত ভগৱান বুদ্ধই প্ৰচাৰ কৰা অহিংসা বাণীৰ ক্ষীণ প্ৰভাৱ পৰিছে। বুদ্ধ খৃঃ পূঃ ৬ষ্ঠ শতিকাৰ পৰৱৰ্তী আৰু মনু খৃঃ পূঃ ৫ম বা ষষ্ঠ শতিকাৰ পৰবৰ্তী হ'বলৈ নোৱাৰে। ইয়াৰ উৰ্ধত অৱস্থান কৰে সমগ্ৰ সুবিশাল বৈদিক সাহিত্য। ব্ৰাহ্মণসাহিত্যৰ কালে হয়তো আমাক খৃঃ পূঃ ৭ম বা অষ্টম শতিকালৈ লৈ যাব। বেদৰ মন্ত্ৰসমূহৰ ৰচনা আৰু সিবোৰৰ প্ৰচাৰ বা প্ৰচলনৰ কাৰণে কমেও চাৰি বা পাঁচশ বছৰৰ এচোৱা কাল ধৰিলে বৈদিক মন্ত্ৰ-সংহিতা সমূহৰ কাল খৃঃ পূঃ দ্বাদশ বা ত্ৰয়োদশ শতাব্দী পোৱা যাব। লগতে তেওঁ ইয়াকো কয় যে 'প্ৰাচীন জগতৰ প্ৰাচীনতম নিদৰ্শনৰূপে বিবেচনা কৰি ঋগ্বেদৰ বাবে অধিকতৰ পূৰ্বৰ চন-তাৰিখ ধাৰ্য



কৰিলেও ভুল নহ'ব। এনে এক মুকলি মনোভাৱ পোষণ কৰা বাবেই উইলচন চাহাবে পাছলৈ ম্যাক্সম্যুৱেলাৰে নিৰূপণ কৰা বেদৰ কাল সম্যকভাবে বিবেচনা কৰি তেওঁ ( উইলচনে) পূৰ্বতে দাঙি ধৰা অভিমত সলাই নতুন মত দাঙি ধৰি কয় যে উপনিষদ আৰু ব্ৰাহ্মণসাহিত্যৰ মাজত কমেও পাঁচশ বছৰৰ ব্যৱধান হোৱা সম্ভৱ। ব্ৰাহ্মণ্য যাগ-যজ্ঞৰপৰা উপনিষদৰ ৰহস্য-বাদলৈ প্ৰগতি লাভ কৰিবলৈ এই সময়চোৱাৰ আৱশ্যক। তেওঁ মন্ত্ৰ আৰু ছন্দ সাহিত্যক একত্ৰ কৰি খৃঃ পূঃ ৱিংশ শতিকাপৰা দ্বাদশ শতিকালৈ এচোৱা কাল নিৰ্দেশ কৰে। কিন্তু উইলচনে নিজৰ মতৰ সমৰ্থনত বিশেষ প্ৰমাণ আদি দাঙি ধৰা নাই।

ইয়াৰ পাছতে পণ্ডিত ম্যাক্সম্যুৱেলাৰৰ ( ১৮২৩-১৯০০ ) অভিমত বিবেচ্য। পণ্ডিত ম্যাক্সম্যুৱেলাৰে পোনতে তেওঁৰ 'প্ৰাচীন ভাৰতীয় সাহিত্য নামে গ্ৰন্থৰ পাতত বেদৰ কাল সম্বন্ধে এটি সূত্ৰ দাঙি ধৰে। তেওঁ গৌতম বুদ্ধৰ আৱিৰ্ভাৱকাল খৃষ্টপূৰ্ব ৫ম শতিকাক ভেটিৰূপে গ্ৰহণ কৰিছে। তেওঁ কয় যে বৈদিক যাগযজ্ঞৰ এক প্ৰতিক্ৰিয়াৰূপে ভাৰতত বৌদ্ধ-ধৰ্মৰ উত্থান হয়। গতিকে সমস্ত বৈদিক গ্ৰন্থ বুদ্ধৰ পূৰ্ববৰ্তী কালৰ ৰচনা। তেওঁ আকৌ কয় যে সূত্ৰ-সাহিত্যসমূহৰ ৰচনাকাল বুদ্ধৰ সমসাময়িক। সেয়ে তেওঁ খৃঃ পূঃ ৬০০-২০০ সূত্ৰকাল বুলি ভাৱে। যিহেতু কল্পসূত্ৰসমূহ ব্ৰাহ্মণ-গ্ৰন্থৰ আলম লৈ ৰচিত, সেই-বাবে তেওঁ দুশ বছৰৰ এচোৱা কালক অন্তৰ্বৰ্তীকাল হিচাপে ধৰি ব্ৰাহ্মণৰ কাল খৃঃ পূঃ ৮০০-৬০০ নিৰূপণ কৰিছে। ব্ৰাহ্মণ গ্ৰন্থৰাজিৰ বিকাশ হয় মন্ত্ৰ-সংহিতাসমূহৰ ওপৰত ভেটি কৰি আৰু তাৰবাবে দুশ বছৰৰ অন্তৰ্বৰ্তী কাল যোগ দিলে মন্ত্ৰ-সংহিতাৰ কাল খৃঃ পূঃ ১০০০-৮০০ ওলাই পৰে। ইয়াৰ আগতে ঋগ্বেদৰ কাব্যাংশ (ছন্দোবদ্ধ কৱিতা) বা সূক্তৰাজি উদ্‌গম হয় বুলি ধাৰণা। সংহিতাৰ দুশ বছৰ পূৰ্বতে মতে ঋগ্বেদৰ ছন্দোবদ্ধ কাব্যাংশ ৰচিত হোৱা সম্ভৱ। এতেকে খৃঃ পূঃ ১২০০-১০০০ বৈদিক কাব্যৰ উদ্‌গমৰ যুগ নিৰ্ণয় কৰা হৈছে।

পণ্ডিত ম্যাক্সম্যুৱেলাৰৰ এই সূত্ৰৰ আলোচনা-সমালোচনা বিভিন্নজন পণ্ডিতৰ লিখনিৰ মাজেৰে প্ৰকাশ পায়। উইলচনে ইয়াৰ প্ৰতিক্ৰিয়াৰূপে তেওঁৰ পূৰ্বৰ অভিমত সলনি কৰে। কিন্তু তেওঁ ম্যাক্সম্যুৱেলাৰৰদৰেতে একমত নহৈ অধিকতৰ উৰ্ধত ঋগ্বেদৰ কাল দাঙি ধৰে। ম্যাক্সম্যুৱেলাৰে প্ৰস্তাৱ কৰা মতে বিভিন্ন যুগৰ বিকাশৰ বাবে ধাৰ্য কৰা দুশ বছৰীয়া অন্তৰ্বৰ্তী কাল অপৰ্যাপ্ত বুলি তেওঁ কয়। তেওঁ ঋগ্বেদৰ কাল খৃঃ পূঃ ২০০০-১২০০ লৈ নিয়া সম্ভৱপৰ বুলি কয়।

অধ্যাপক হুইটনীয়েও ( ১৮২৭-১৮৯৪ ) ম্যাক্সম্যুৱেলাৰ মতবাদ বিবেচনা কৰে। তেওঁ ইয়াক গ্ৰহণ কৰে। তেওঁ আনেও এইমত গ্ৰহণ কৰিব বুলি আশা প্ৰকাশ কৰে।

এই কথা নকলেও হয় যে ম্যাক্সম্যুৱেলাৰৰ সূত্ৰ কল্পনাপ্ৰসূত আৰু স্বেচ্ছাচাৰমূলক। পৰবৰ্তীকালত জাৰ্মান পণ্ডিতসকলে তেওঁৰ মত গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে। আচৰিত কথা যে ম্যাক্সম্যুৱেলাৰ, হুইটনী প্ৰভৃতিয়ে ঋগ্বেদৰ প্ৰাচীনত্বৰ কথা কৈও তেওঁলোকে তাক খৃঃ পূঃ বাৰশ শকিকাৰ উৰ্ধলৈ তুলিবলৈ অস্বীকাৰ কৰে। তেওঁ ( ম্যাক্সম্যুৱেলাৰে ) সূত্ৰ

সাহিত্যক বৌদ্ধধৰ্মৰ প্ৰাথমিক স্তৰৰ সমকালীন কৈ ধৰা ভ্ৰমপূৰ্ণ কথা হৈছে। তদুপৰি মহাভাৰত, ৰামায়ণ নেলাগে পাণিনি, যাস্ক, কাত্যায়ন, শৌনক প্ৰভৃতিৰ কাললৈকো কাণসাৰ নকৰি বৈদিক-সাহিত্যৰ কাল নিৰূপণ কৰিবলৈ গৈ উজুটি খাইছে।

জ্যোতিষশাস্ত্ৰৰ প্ৰমাণৰ ওপৰত ভেটি কৰি বৈদিক সাহিত্যৰ ৰচনা-কাল নিৰূপণৰ প্ৰচেষ্টা পোনতে হেনৰি কোলব্ৰুকে আৰম্ভ কৰে। তাৰ পাছত ঋগ্বেদৰ অন্যতম জাৰ্মান অনুবাদক লুডৱিকে ( ১৮৩২-১৯১১ ) সূৰ্যগ্ৰহণৰ ওপৰত ভেটি কৰি তেনে এক চেষ্টা কৰে। একেদৰে জাৰ্মানিৰ বন চহৰত পণ্ডিত হাৰ্মান ইয়াকোবীয়ে ( ১৮৫০-১৯৩৭ ) আৰু ভাৰতৰ বোম্বাই চহৰত বাল গঙ্গাধৰ তিলকে স্বকীয়াকৈ ১৮৯৩ চনত বেদাঙ্গ জ্যোতিষৰ ওপৰত ভেটি কৰি বেদৰ কাল নিৰূপণৰ বাবে যত্নপৰ হয়। তেওঁলোকৰ মতে ব্ৰাহ্মণকালত বাসন্তী বিষুব-সংক্ৰান্তি কৃত্তিকা ( Pleiades ) নক্ষত্ৰত অনুষ্ঠিত হৈছিল। কিন্তু ঋগ্বেদৰ সময়ত এই বাসন্তী বিষুব-সংক্ৰান্তি মৃগশিৰা নক্ষত্ৰত অনুষ্ঠিত হৈছিল। গণনা কৰি পোৱা যায় যে ২৫০০ খৃঃ পূৰ্বত বাসন্তী বিষুব সংক্ৰান্তি কৃত্তিকাত আৰু ৪৫০০ খৃঃ পূৰ্বত ই মৃগশিৰাত অনুষ্ঠিত হৈছিল। এই তথ্যৰ ওপৰত ভেটি কৰি তিলকে বৈদিক সাহিত্যৰ কাল খৃঃ পূঃ ৬০০০ বুলি কয়। কিন্তু ইয়াকোবীয়ে ৪৫০০ খৃঃ পূৰ্বত বৈদিক সভ্যতাৰ শুভাৰম্ভ হয় বুলি অভিমত দিয়ে। তাৰ ফলস্বৰূপে ঋগ্বেদৰ কাব্যাংশৰ উদ্গম হয় বুলি তেওঁ কয়।

তেওঁ কয় যে বৈদিক সভ্যতাই ৪৫০০-২৫০০ খৃঃ পূৰ্বলৈ প্ৰায় দুহেজাৰ কাল ব্যাপি পূৰ্ণপয়োভৰেৰে চলে। তেওঁ অন্য এটি জ্যোতিষ শাস্ত্ৰীয় প্ৰমাণেৰে নিজৰ উল্লেখিত অভিমতৰ পুষ্টি সাধন কৰে। গৃহ্যসূত্ৰবিলাকত কোৱা আছে যে বিবাহিত দৰা-কইনাই বিয়াৰ পাছত দৰাৰ ঘৰত উপস্থিত হৈ ধ্ৰুৱতৰা দৰ্শন কৰিব লাগে। হিন্দুসকলৰ দৃঢ়বিশ্বাস যে ধ্ৰুৱতৰা সদায় উত্তৰ মেৰুৰ ওপৰত স্থিৰ হৈ থাকে আৰু তাক দৰ্শন কৰিলে বৈবাহিক জীৱন সুস্থিৰ হয়। যিহেতু পৃথিৱীও এটি গ্ৰহ, ই গতিশীল। এতেকে উত্তৰ মেৰুৰেও প্ৰায় ২৬০০০ বছৰত স্থিৰ মেৰুবৃত্তৰ চাৰিওফালে ২৩° ডিগ্ৰী ব্যাসাৰ্ধত গতি কৰে। গতিকে সাতভায়া নামে জনাজাত নক্ষত্ৰ-শ্ৰেণীৰ এটাৰ পাছত এটাকৈ উত্তৰ মেৰুৰ ওচৰ চাপে আৰু আপেক্ষিকভাৱে স্থিৰ হৈ থাকে। বৰ্তমান কালত আলফা নামে এটি তৰা ধ্ৰুৱৰূপে নিৰ্দিষ্ট হৈ আছে কিন্তু সূত্ৰকালত আলফা ড্ৰেকোনী নামে আন এটি তৰাহে 'ধ্ৰুৱ' স্থানত আছিল। ই প্ৰায় ২৭৮০ খৃঃ পূৰ্বলৈ ৫০০ বছৰ ধ্ৰুৱপদত বিচৰণ কৰিছিল। এই সময়ৰপৰাই হিন্দুৰ বিবাহিত দম্পতিয়ে ধ্ৰুৱতৰা দৰ্শন কৰা ৰীতি প্ৰচলিত হয়। আগতে এই প্ৰথা থকাৰ তেনে কোনো প্ৰমাণ পোৱা নাযায়। যিহেতু এই প্ৰথা সূত্ৰকালত প্ৰৱৰ্ত্তিত হয়, সেইবাবে ইয়াকোবীয়ে অভিমত দিয়ে যে খৃঃ পূঃ ৩০০০ বছৰৰ পূৰ্বতে ঋগ্বেদীয় সভ্যতাৰ বিস্তাৰ হৈছিল।

লোকমান্য তিলক আৰু পণ্ডিত ইয়াকোবীৰ উক্ত অভিমত তীব্ৰ সমালোচনাৰ সম্মুখীন হয়। কৃত্তিকাৰ বিষয়ে প্ৰধান আপত্তিটো হৈছে এয়ে যে প্ৰাচীন ভাৰতত ভাৰতীয়সকলে চন্দ্ৰৰেসৈতে নক্ষত্ৰৰ সঙ্গতিৰ ওপৰত নিৰ্ভৰ কৰিহে চান্দ্ৰমাস আদি গণনা কৰিছিল।



তেওঁলোকে তাকে কৰোঁতে সূৰ্য্যৰসৈতে নক্ষত্ৰৰ আপেক্ষিক অৱস্থান সম্বন্ধে চিন্তা কৰা নাছিল। শতপথ ব্ৰাহ্মণৰ ( ১১।১।২।৩ ) যিটো বাক্যৰ ওপৰত ভেটি কৰি ইয়াকোবী আৰু তিলকে নিজ নিজ মত সাব্যস্ত কৰাৰ প্ৰয়াস পাইছিল, তাৰ অৰ্থ অন্যভাৱে কৰি কোৱা হয় যে কৃত্তিকাযুক্ত বাসন্তীবিষুব সংক্ৰান্তি খৃঃ পূঃ ৩৫০০ বছৰত নহৈ খৃঃ পূঃ ১১০০ বছৰত হে হৈছিল। ৱিন্টাৰেনিৎসে প্ৰাগৰ জাৰ্মান বিশ্ববিদ্যালয়ৰ জ্যোতিৰ্বিজ্ঞানী এ প্ৰে চাহাবৰ উক্তিৰ ওপৰত নিৰ্ভৰ কৰি এনে সম্ভাবনা দাঙি ধৰে। লগতে পণ্ডিত ৱিন্টাৰনিৎসে বিবাহকালত 'ধ্ৰুৱতৰা' দৰ্শন সম্বন্ধীয় ইয়াকোবীৰ অভিমতো মানি লোৱা নাই।

বৈদিক সাহিত্যৰ বিভিন্ন ভাগৰ আপেক্ষিক কালৰ ওপৰতে গোটেই প্ৰশ্নটোৰ মীমাংসা নিৰ্ভৰ কৰে। সূত্ৰ সাহিত্য সম্বন্ধে ম্যাক্সমূলাৰে 'কল্পনা' কৰা সময় লৈ আপত্তিৰ স্থল আছে। তেওঁৰ মতে সূত্ৰ-সাহিত্য বৌদ্ধমতৰ উদ্গম কালৰ সমকালীন। কিন্তু বৌদ্ধ-সাহিত্যত 'সূত্ৰ' বা 'সুত্ত' শব্দটিৰ ব্যৱহাৰৰ প্ৰাচুৰ্যলৈ চাই ক'ব লাগিব যে এনে এক কাৰ্য্যত উদ্গনি দিবলৈ ইতিমধ্যে সূত্ৰ সাহিত্যই এক প্ৰতিষ্ঠালাভ আৰু খ্যাতি লাভ কৰিব-লগীয়া হৈছিল। আনহাতে বৈদিক যাগ-যজ্ঞৰ বাহুল্য আৰু জটিল অনুষ্ঠানবোৰৰ প্ৰতিক্ৰিয়া-ৰূপেই বৌদ্ধধৰ্মই গঢ় লয়। এনে পৰিস্থিতিত বৌধায়ন প্ৰভৃতিৰ সূত্ৰসমূহ বুদ্ধৰ পূৰ্বতে ৰচিত হোৱা সম্ভৱপৰ। ভাৰতীয় পণ্ডিত চি. জি. কাশীকাৰ আৰু ৰামগোপাল শাস্ত্ৰী প্ৰভৃতিয়ে সুদীৰ্ঘ অধ্যয়ন-আলোচনাৰ অন্তত বোধায়ন প্ৰভৃতিৰ কল্পসূত্ৰসমূহৰ কাল খৃঃ পূঃ ৮০০-৫০০ অব্দৰ ভিতৰত হ'ব বুলি দৃঢ়ভাৱে কৈছে।

ম্যাক্সমূলাৰে সূত্ৰভিন্ন আন সমুদায় বৈদিক সাহিত্য বুদ্ধৰ আৱিৰ্ভাৱৰ পূৰ্বতে ৰচিত হোৱা বুলি কয়। তাৰ প্ৰতিক্ৰিয়াৰূপে পাশ্চাত্যৰ কোনো কোনো পণ্ডিতে খৃঃ পূঃ ৬ষ্ঠ শতিকাৰ আগতে কোনো উপনিষদ ৰচিত হোৱাটো অস্বীকাৰ কৰে। আনহাতে পণ্ডিত ওল্ডেনবাৰ্গে যুক্তিসহ প্ৰতিপন্ন কৰিবলৈ বিচাৰে যে প্ৰাচীন উপনিষদ আৰু আদি-বৌদ্ধ সাহিত্যৰ মাজত কেইবা শতিকা ব্যতীত হৈছে। অকল বৈদিক সাহিত্যই নহয়, বেদাঙ্গ সাহিত্যৰাজিয়েও তাৰ উৎপত্তি বুদ্ধ পূৰ্বতে হোৱা বুলি দাবি কৰিবলৈ পাৰে। আনকি বেদাঙ্গ জ্যোতিষৰ সীমা খৃঃ পূঃ ১২শ শতিৰ ধাৰ্য্য কৰাটো উল্লেখযোগ্য। এনে পৰ্য্যবেক্ষণৰ ওপৰত ভেটি কৰি ডঃ মাৰ্টিন হাউগে অধিকাংশ ব্ৰাহ্মণ সাহিত্য খৃঃ পূঃ ১৪০০-১২০০ শতিকাৰ মাজত হোৱা বুলি অভিমত ব্যক্ত কৰে। আনহাতে ভাৰতীয় পণ্ডিত বি. ভি. কামেশ্বৰ আয়াৰে সুদীৰ্ঘ আলোচনাৰ অন্তত ব্ৰাহ্মণসমূহৰ কাল ২৩০০-২০০০ খৃঃ পূৰ্বাব্দ নিৰূপণ কৰিছে। পি. চি. সেনগুপ্তই ব্ৰাহ্মণৰ উদগম আৰু বিকাশৰ কাল ৩১০২-২০০০ খৃঃ পূৰ্বাব্দ নিৰ্ধাৰণ কৰিছে। পণ্ডিত ৰাণাডেয়ে প্ৰাচীন উপনিষদসমূহৰ কাল ১২০০-৬০০ খৃঃ পূৰ্বাব্দ বুলি কৈছে। ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণণেও উপনিষদৰ পুৰণি অংশৰ কাল খৃঃ পূঃ ১০০০-৩০০ নিৰ্দেশ কৰিছে।

১৯০৭ চনত হুগো ৱিন্‌ক্লাৰে এচিয়া মাইনৰত বোঘাজকোই নামে ঠাইত আৱিষ্কাৰ কৰা শাসনাৱলীয়ে বহুতো পণ্ডিতক ঋগ্বেদ আৰু বৈদিক-সাহিত্য-সংস্কৃতিৰ কাল সম্বন্ধে নকৈ

চিন্তা কৰিবলৈ উদগনি দিছে। তাত আৱিষ্কৃত হোৱা বোকামাটিৰ খণ্ড-লেখবোৰত হিট্টাইট ৰজা শুব্বিলুলিয়ুমা আৰু মিটানী ৰজা মত্তিয়ুজাৰ মাজত হোৱা সন্ধিৰ কথা পোৱা যায়। এই সন্ধি সম্পাদিত হয় খৃঃ পূঃ ১৪০০ অব্দত। তাত একাধিক দেৱতাৰ নামৰ তালিকা এখন পোৱা গৈছে। তাৰ মাজত ভাৰতীয় আৰ্য্যসকলে ঋগ্বেদৰ কালত উপাসনা কৰা মিত্ৰ, বৰুণ, ইন্দ্ৰ আৰু নাসত্যৌ (অশ্বিযুগল)—এই দেৱতাসকলৰ নামো সন্নিৱিষ্ট আছে। এই দেৱতা কেইজনৰ নাম উক্ত লেখত কিদৰে লিপিবদ্ধ হ'ল সেই প্ৰশ্ন লৈ পণ্ডিতসকলে ভিন্ন ভিন্ন মত পোষণ কৰে। বুৰঞ্জীৱিদসকলে এই দেৱতাসকল ইণ্ডোইৰাণীয় বা আৰ্য্যযুগৰ প্ৰাক্‌কালত সেই অঞ্চলত পূজিত হৈছিল বুলি ভাবে। পণ্ডিত গাইলচ্ আৰু ওল্ডেনবাৰ্গে সেই দেৱতাসকল আৰ্য্যসকলৰ সমগোত্ৰীয় কোনো জাতিৰ উপাস্য বুলি ভাবে। পণ্ডিত মেকডোনেল আৰু কীথে প্ৰথম অভিমতটো সমৰ্থন কৰিছে। কিন্তু মিত্ৰ, বৰুণ, ইন্দ্ৰ আৰু নাসত্যৌ—এইসকল দেৱতাক অকল ঋগ্বেদতেই একেধাৰে পোৱা যায়। সেইবাবে বোঘাজকোই খণ্ডলেখৰ এই দেৱতাসকলক বৈদিক দেৱতা বুলিয়েই ইয়াকোবী, ষ্টেনকোনৌ আৰু হিলেব্ৰাণ্টে দিয়া অভিমতৰে সৈতে ৱিণ্টাৰনিৎ একমত হৈছে। ৱিণ্টাৰনিৎসে কয় যে ভাৰতীয় আৰ্যসকল পূৱলৈ আগবাঢ়ি যোৱাৰ দৰে তেওঁলোকৰ দুই এদলে দল ভাঙি পশ্চিমলৈ যোৱাও অসম্ভৱ নহয়। অন্ততঃ বৈৱাহিক যোগাযোগৰ বাবেও তেনে সম্ভাৱনা থাকে।

পণ্ডিত মেকডোনেলে কয় যে বোঘাজকোইত প্ৰাপ্ত প্ৰত্নলিপিৰ দেৱতাসকলৰ নামে ইণ্ডো-ইৰাণীয় যুগৰ কথাকে সূচায়। পৰবৰ্তী দুশ বছৰ মানত হয়তোবা ভাৰতীয় আৰ্য্য-সকলে ইৰাণীয় আৰ্যসকলৰপৰা পৃথক হৈ ভাৰতত প্ৰৱেশ কৰে আৰু বৈদিক যুগৰ উদ্বোধন কৰে। গতিকে মেকডোনেলৰ মতে বৈদিক কাল খৃঃ পূঃ ১৪০০ চনৰ পূৰ্ববৰ্তী হ'ব নোৱাৰে।

কীথৰ অভিমত মেকডোনেলতকৈ বিশেষভাবে পৃথক বুলিবলৈ নোৱাৰি। তেওঁৰ মতে ১৬০০ খৃঃ পূৰ্ব্বাব্দৰ আগতে আৰ্যসকল ভাৰতত প্ৰৱেশ কৰা সম্ভৱ নহয়। আনহাতে তেওঁ আঙুলিয়াই দিয়ে যে ঋগ্বেদৰ ভাষাৰে সৈতে সামঞ্জস্য থকা জৰোষ্টাৰ ধৰ্মীসকলৰ পৱিত্ৰ গ্ৰন্থ আৱস্তা ঋগ্বেদ-কালৰ অব্যৱহিত পৰৱৰ্তী কালত ৰচিত আৰু সংগৃহীত হয়। তেওঁৰ মতে জৰোষ্টাৰ বা জৰথুষ্ট্ৰৰ আৱিৰ্ভাৱ কাল খৃঃ পূঃ ৬৬০—৫৮৩ অব্দ। গতিকে কীথৰ মতে ঋগ্বেদৰ কাল ১৩০০ খৃঃ পূৰ্বাব্দ। অন্য তিনি ৱেদ তাৰো পৰৱৰ্তী কালৰ ৰচনা। উল্লেখযোগ্য যে ড° কীথে এই অভিমত দিওঁতে বোঘাজকোইৰ প্ৰত্নলিপিৰ প্ৰতিও দৃষ্টি ৰাখিছিল। আৰু তাৰে তেওঁ প্ৰভাৱান্বিতও হৈছে। চমুকৈ তেওঁৰ মতে প্ৰায় ১৬০০ খৃঃ পূৰ্বাব্দত আৰ্যসকলৰ ভাৰতলৈ আগমন হয়। ঋগ্বেদ ৰচিত হয় ১৩০০—১২০০ খৃঃ পূৰ্ব্বাব্দৰ মাজত আৰু অন্য ৱেদৰ কাল খৃঃ পূঃ ৮০০।

ইয়াৰ বিপৰীতে এফ্. ই পাৰ্জিটাৰে কয় যে ১৪০০ খৃষ্টপূৰ্ব্বাব্দত মিটানীসকলে বোঘজকোইত তেনে এক সন্ধি কৰিবলৈ হ'লে তেওঁলোকে ১৬০০ খৃষ্ট পূৰ্ব্বাব্দতে এচিয়া



মাইনৰ পাইছিল গৈ। সেয়ে প্ৰমাণ কৰে যে (১) খৃঃ পূঃ ১৫০০ চনৰ আগতে ভাৰতৰ বাহিৰলৈ লোক প্ৰব্ৰজন ঘটিছিল; (২) তেওঁলোকে নিজৰ সৈতে ভাৰতৰপৰা আৰ্য্যদেৱতা-সকলকো লৈ গৈছিল; (৩) সেইবাবে ১৬০০ খৃঃ পূৰ্বাব্দৰো আগতে ভাৰতত সেইদেৱতা-সকলেৰে সৈতে বসবাস কৰিছিল আৰু (৪) আৰ্য্যসকল তাতোকৈ বহুত আগতে ভাৰতত সোমাইছিল। বস্তুতঃ এই সত্য কেইটাৰে সৈতে অধিকাংশ পণ্ডিতে (কীথ আদিয়ে) তুলি ধৰা সূত্ৰৰ সামঞ্জস্য দেখা নাযায়। পাৰ্জিটাৰে আভনৱ প্ৰণালীৰে ভাৰতীয় পৰম্পৰাগত বংশাৱলীৰ ওপৰত নিৰ্ভৰ কৰি গণনা কৰি দেখুৱাইছে যে ভাৰতযুদ্ধৰ ৫৫ পুৰুষৰ আগতে (তেওঁৰ মতে ৯৫০ খৃষ্ট পূৰ্বত ভাৰত-যুদ্ধ হৈছিল) প্ৰায় ১৬০০ খৃষ্টাব্দত ভাৰতৰপৰা বহিঃ প্ৰব্ৰজন ঘটিছিল আৰু তাৰ ফলত খৃঃ পূঃ ১৪০০ চনত এচিয়া মাইনৰত ভাৰতীয় আৰ্য্য দেৱতা উপস্থিত হ'বলৈ সক্ষম হৈছিল। তেওঁৰ মতে পৰম্পৰা অনুসৰি ইয়াতোকৈ বহুত আগতে অৰ্থাৎ ভাৰত-যুদ্ধৰ ৯২ পুৰুষৰ পূৰ্বতে ঐলসকলে ভাৰতত আধিপত্য বিস্তাৰ কৰিছিল। পাৰ্জিটাৰৰ মতে সেই সময়চোৱা আছিল প্ৰায় খৃঃ পূঃ ২০৫০ অব্দ। Indian tradition and the facts of that treaty are thus in complete harmony, and the former furnishes a simple and sufficient explanation of the latter"— পাৰ্জিটাৰে এনেদৰে মন্তব্য কৰিছে। যদি সেয়ে সঁচা হয় তেনেহ'লে ২০৫০—১৬০০ খৃঃ পূৰ্ব্ব ভিতৰত ঋগ্বেদাদি ৰচিত হোৱাৰ সম্ভাব্য কাল বুলি ধৰিব লাগিব।

ভূ-তাত্ত্বিক গৱেষণাৰ ওপৰত ভেটি কৰি অৱিনাশ চন্দ্ৰ দাসে ৱেদৰ কাল খৃঃ পূঃ ২৫০০ অব্দ বুলি অভিমত দিছে।

আনহাতে পণ্ডিত ৱিণ্টাৰনিৎসে জ্যোতিষ, বুৰঞ্জী ভাষা, ভূতত্ব আদি নানান বিষয়ৰ ওপৰত ভেটি কৰি দাঙি ধৰা ৱেদৰ কালসমীক্ষাবোৰ সঠিক বুলি মানিবলৈ নোখোজে। ৱেদৰ কাল নিৰূপণ কৰিবলৈ তেওঁ ভাৰতীয় সাহিত্যৰ উদ্ভৱ আৰু ৱিকাশৰ ধাৰা সম্বন্ধে আলোচনা কৰিছে। সমগ্ৰ বিশাল ভাৰতীয় সাহিত্যই ৱেদক সাৰোগত কৰিয়েই বিকশিত হৈছে। ঋগ্বেদকে প্ৰমুখ্য কৰি সমস্ত বৈদিক সাহিত্যই ৱিকাশ লাভ কৰাৰ বহুকাল পিছতহে লৌকিক সাহিত্যৰ উদগম হৱ। তেওঁৰ মতে ৱেদ ৰচনাৰ প্ৰাৰম্ভিক কাল ২০০০ বা ২৫০০ খৃঃ পূঃ আৰু অন্তিম সীমা ৭৫০—৫০০ খৃষ্ট পূৰ্ব্বাব্দ। এই সময়চোৱাৰ ভিতৰত ৱেদৰ উদ্ভৱ আৰু বিকাশ সাধন হয়।

প্ৰখ্যাত ভাৰতীয় পণ্ডিত চি. কুনহান ৰাজাৰ মতে খৃঃ পূঃ ৬০০০ বছৰৰ আগতে বৈদিক সংস্কৃতিৰ শুভাৰম্ভ হয়। বৰ্তমানে আমি পোৱা অধিকাংশ বৈদিক সাহিত্য খৃঃ পূঃ ৫০০০—৪০০০ অব্দৰ মাজত ৰচিত হৈছিল বুলি তেওঁ কয়। তেওঁৰ মতে ব্ৰাহ্মণৰ কাল ৪০০০ খৃঃ পূৰ্বাব্দত আৰম্ভ হয় আৰু ৩০০০ খৃঃ পূৰ্ব্বাব্দত সমাপ্ত হয়।

ইবোৰৰ উপৰিও আৰু অনেক পণ্ডিতৰ অভিমত পোৱা যায়। ওপৰত আমি সমস্যাৰ দিগ্‌দৰ্শনৰ বাবে বিখ্যাত ৱিদ্বান-পণ্ডিতসকলৰ কেইটিমান মাথোন অভিমত তুলি ধৰিছোঁ।

ওপৰৰ নাতিদীৰ্ঘ আলোচনাটিয়ে দেখুৱায় যে বিভিন্নজনে ভিন্ ভিন্ দিশৰপৰা সমস্যাটো সমাধানৰ বাবে চেষ্টা কৰিছে আৰু ভিন্ ভিন্ সিদ্ধান্তত উপনীত হৈছে। সেয়ে সমস্যাটিক জটিলৰপৰা জটিলতৰ কৰিহে এৰিছে।

প্ৰকৃততে সমস্যা সমাধানৰ পথ প্ৰশস্ত কৰোঁতে কেইটামান মূল কথাৰ প্ৰতি লক্ষ্য ৰখা উচিত বুলি আমি ভাবোঁ। প্ৰথমতে এই কথা মানিব লাগিব যে আমি আজি যি বিশাল প্ৰাচীন ভাৰতীয় সাহিত্য ( বৈদিক লৌকিক ) লাভ কৰিছোঁ সি ইমান বিশালতা লাভ কৰিবৰ বাবে এক প্ৰশস্ত পৰিধিৰ সময় লৈছে। দ্বিতীয়তে জৈন বা বৌদ্ধ এই দুই মতবাদ বৈদিক কৰ্মকাণ্ডৰ প্ৰতিক্ৰিয়ারূপেই মূৰ তুলি উঠিছিল। এই বোৰৰ প্ৰকৃত সময়সীমাৰে বিশেষ বিবাদ নথকাত পূৰ্বৰ সাহিত্যশ্ৰেণীৰ সময় নিৰূপণত সহজ হয়। তাকে কৰোঁতে পূৰ্ববৰ্তী বিশাল সাহিত্যমালাৰ উদ্ভৱ আৰু বিকাশৰ বাবে প্ৰয়োজনীয় যুক্তিসঙ্গত কাল এচোৱাৰ কথালৈও মনত ৰাখিব লাগিব। তৃতীয়তে, আমাৰ পৰম্পৰাগত ৰাজবংশ আৰু ঋষি পৰম্পৰাৰ প্ৰতিও নজৰ কৰা উচিত। আমাৰ দেশৰ ইতিহাস ইতিহাস-পুৰাণৰ পাতত যিভাৱে পোৱা গৈছে তাৰ সমুচিত মূল্যাঙ্কনৰ ওপৰত ভেটি কৰি পুনৰ্গঠন কৰোঁতে আন্তঃ আৰু বহিঃ সাক্ষ্যৰে যি সময়সীমা বান্ধিবলৈ পৰা হয় সিও আমাৰ সাহিত্য পৰম্পৰাৰ কাল নিৰূপণত সহায়ক হ'ব। চতুৰ্থতে ৰাম-ৰাৱণ যুদ্ধ, মহাভাৰত-যুদ্ধ, দাশৰাজ্ঞ যুদ্ধ, হৰিয়ুপীয়া যুদ্ধ, শম্বৰ-দিৱোদাস যুদ্ধ, ইন্দ্ৰবৃত্ৰ যুদ্ধ আদি ঐতিহাসিক ঘটনা আছিল নে পৌৰাণিক গল্পহে আছিল তাক বিবেচনা কৰিলে হয়তো সিবোৰক উপজীৱ্য কৰি গঢ়ি উঠা সাহিত্যশ্ৰেণীৰ কালো পোৱা যাব। সেইবাবে বেদৰ কাল নিৰূপণ ঐতিহাসিক দৃষ্টি-ভঙ্গীৰেহে বিবেচনা কৰা উচিত।

ওপৰত দেখি আহিছোঁ, বিদেশী পণ্ডিতসকলৰ অধিকাংশই ঋগ্বেদ আদি বেদৰ কাল চতুৰ্দশ শতিকাৰ উৰ্ধলৈ নিবলৈ নোখোজে। আনহাতে ভাৰতীয় পণ্ডিতসকলৰ অনেকে এটা অতি উচ্চ সময়সীমা বেদৰ বাবে দাবী কৰে। দুয়োটা পণ্ডিতগোষ্ঠীয়ে প্ৰতিস্পৰ্দ্ধীৰূপে তেনে কৰা যেন লাগে। পাৰ্জিটাৰৰ বাহিৰে কোনেও ভাৰতীয় পৰম্পৰাগত ইতিহাসৰ প্ৰতি দৃষ্টিপাত যিদৰে কৰা নাই, সিদৰে ৱিণ্টাৰনিৎসৰ বাহিৰে কোনেও ভাৰতীয় সাহিত্য পৰম্পৰাৰ গভীৰতা আৰু বিশালতাৰ প্ৰতিও নজৰ কৰি তাৰ বিকাশৰ বাবে আৱশ্যকীয় সময়ৰ কথালৈ কান কৰা যেন নালাগে।

ঋগ্বেদক বিশ্বৰ প্ৰাচীনতম সাহিত্য বুলি স্বীকাৰ কৰিও বিদেশী পণ্ডিতসকলে তাৰ প্ৰকৃত কাল নিৰ্ণয়ত দ্বিধাবোধ কৰাৰ একমাত্ৰ কাৰণ হ'ল আমাৰ দেশৰ কোনো জাতীয় বুৰঞ্জী নাই। বুৰঞ্জীৰ মূল চন-তাৰিখ আমাৰ কোনো গ্ৰন্থত পাবলৈ নাই। কিন্তু ঋগ্বেদাদিৰ পাতত ভালেমান ৰজা-মহাৰজা, ৰাজ-পুৰোহিত, তেওঁলোকৰ শত্ৰু-মিত্ৰৰ নাম সহ কেতবোৰ যুঁজবাগৰৰ কথাও পোৱা হয়। ইয়াৰে ভালেমান ৰজাৰ নাম ইতিহাস-পুৰাণ আদি গ্ৰন্থতঁ উপলব্ধ ৰাজবংশাৱলীত সন্নিৱিষ্ট হৈছে। পাৰ্জিটাৰ প্ৰভৃতি বিদেশী আৰু এছ. এন. প্ৰধান, মানকাড়, প্ৰভৃতি ভাৰতীয় পণ্ডিতে সিবোৰৰ যথোচিত ঐতিহাসিক মূল্যাঙ্কন কৰিছে।



কোৱা বাহুল্য যে ঋগ্বেদৰ পাতত উল্লেখিত অধিকাংশ ৰজা বা ৰাজকুমাৰ ভৰতৰ বংশধৰ আৰু প্ৰাগ-মহাভাৰত যুগৰ পুৰুষ। ইয়াৰ ভিতৰত দিৱোদাস সৃঞ্জয়, প্ৰস্তোক, অভ্যাৱৰ্তী চায়মান, সুদাস্ পৈজৱন প্ৰভৃতি প্ৰধান। বৈদিক ঋষিসকলৰ অনেকে এই ৰাজ-পৰিয়ালৰ পুৰোহিত বা ঋত্বিকৰূপে সম্পৰ্ক ৰক্ষা কৰিছিল। সেয়ে তেওঁলোকৰ দৃষ্ট মন্ত্ৰত উল্লেখিত ৰাজকুমাৰ বা ৰজাসকলৰ দুই-এক 'বীৰ্য্য' বা বীৰকৰ্মৰ উল্লেখ পোৱা গৈছে। তদুপৰি এনে বহু ৰজা-ৰাজকুমাৰৰ দানস্তুতিও ঋগ্বেদৰ পাতত নিহিত আছে। সিবোৰে তাহানিৰ বুৰঞ্জী কয় সঁচা ; কিন্তু সিবিলাকৰ সময় কোৱা টান। সেই বাবে পৰম্পৰাগত ৰাজবংশাৱলীত ধৰি নবগালে নহয়।

পণ্ডিত পাৰ্জিটাৰে ইতিহাস-পুৰাণোক্ত ৰাজবংশসমূহৰ বংশাৱলী অধ্যয়ন কৰি কালানুক্ৰমিক তালিকা এখন প্ৰস্তুত কৰিছে। যদিও সেই তালিকা দোষশূন্য নহয় তথাপি ই আমাক আমাৰ সমুখত দেখা দিয়া বৈদিক-কাল নিৰূপণৰূপ সমস্যা সমাধানত সহায় কৰে। উক্ত তালিকাত দিৱোদাসক উত্তৰ পাঞ্চাল ৰাজবংশত ৬৩ নং ( ক্ৰমিক সংখ্যাত ) পুৰুষ হিচাপে, সৃঞ্জয়ক ৬৬ নং পুৰুষ হিচাপে, সুদাসক ৬৮ নং পুৰুষত, সোমকক ৭০ নং পুৰুষত দেখুৱা হৈছে। সেইদৰে মহাভাৰতখ্যাত দ্ৰুপদ আৰু ধৃষ্টদ্যুম্নক সেই ৰাজবংশৰ ৯৩ নং আৰু ৯৪ নং পুৰুষৰূপে দেখুৱা হৈছে। একেখন তালিকাতে কৌৰৱ বংশীয় শন্তনু, ভীষ্ম, ধৃতৰাষ্ট্ৰ, পঞ্চপাণ্ডৱ, অভিমন্যুক ক্ৰমে ৯১, ৯৩, ৯৪, ৯৫ আদি স্থানত দেখুৱা হৈছে। কোৱা বাহুল্য যে ঋগ্বেদত শন্তনুভ্ৰাতা দেৱাপিয়ে দৰ্শন কৰা সূক্তও পোৱা যায়। এইসকলৰ সময় নিৰ্ধাৰণ কৰিবলৈ পাৰিলে, ঋগ্বেদৰ ভালেমান অংশৰ আপেক্ষিক 'কালোদ্ধাৰ' সম্ভৱপৰ।

আমাৰ মতে মহাভাৰতৰ যুদ্ধ এক ঐতিহাসিক ঘটনা আৰু ইয়াৰ কাল নিৰূপণ নিখুঁতলৈ কৰিবলৈ পাৰিলে ঋগ্বেদ আদিৰ কাল নিৰূপণ সম্ভৱ। হিন্দু পৰম্পৰা মতে ভগৱান শ্ৰীকৃষ্ণৰ মৃত্যুৰ সময়ৰপৰা কলিযুগ আৰম্ভ হয়। একেটা পৰম্পৰাই দাবি কৰে যে খৃঃ পূঃ ৩১০১ অব্দৰপৰাই কলিযুগ আৰম্ভ হয়। মহাভাৰতৰ যুদ্ধৰ ৩৬ বছৰ পিছত শ্ৰীকৃষ্ণ আৰু যদুসকলৰ নিধন হয়। গতিকে খৃষ্টপূৰ্ব ৩১৩৭ চনত বিখ্যাত মহাভাৰতৰ যুদ্ধ ( কুৰুক্ষেত্ৰ মহাসমৰ ) অনুষ্ঠিত হৈছিল। 'বেদিক এজ' গ্ৰন্থৰ প্ৰণেতাসকলৰ মতে ১৪০০ খৃঃ পূৰ্বাব্দত আৰু স্বয়ং পাৰ্জিটাৰৰ মতে আনুমানিক ৯৫০ খৃঃ পূৰ্বাব্দতহে মহাভাৰতৰ যুদ্ধ হৈছিল। একো পুৰুষৰ দৈৰ্ঘ্য যদি কুৰি বছৰো ধৰা হয় সেই দৈৰ্ঘ্যৰসৈতে মহাভাৰতৰ যুদ্ধৰ সমকালীন পুৰুষৰ উৰ্দ্ধত থকা উপৰি পুৰুষৰ সংখ্যাক পূৰণ কৰি আৱশ্যকীয় কাল পাব পাৰি।

দিৱোদাসৰ কাল তেনেদৰে পাবলৈ হ'লে আমি পোন মহাভাৰতৰ যুদ্ধ আৰু দিৱোদাসৰ মাজৰ পুৰুষসকলৰ ব্যৱধান জানিবলৈ লাগিব। সেই ব্যৱধান হ'ব ( ৯৫—৬৩ ) ৩২ পুৰুষৰ। তাক পুৰুষৰ দৈৰ্ঘ্যৰে ( কালেৰে ) পূৰণ কৰিলে ( ৩২ × ২০ ) ৬৪০ বছৰ পোৱা যায়। মহাভাৰতৰ যুদ্ধৰ কালেৰেসৈতে এই সময় চোৱা যোগ কৰি ( ৩১৩৭ + ৬৪০ ) ৩৭৭৭ বছৰ পোৱা হয়। এইদৰে ৰজা দিৱোদাসৰ কাল হ'বগৈ ৩৭৭৭ খৃঃ পূৰ্বাব্দ। ( বেদিক এজৰ মতে হ'ব ২০৪০, পাৰ্জিটাৰ মতে ১৫৯০ খৃঃ পূঃ ? )। একেদৰে সৃঞ্জয়, সুদাস,

দেৱাপি প্ৰভৃতিৰ কাল হ'ব ৩৭১৭, ৩৬৭৭, ৩৬৩৭ আৰু ৩২৩৭ খৃঃ পূঃ হয়। ঋগ্বেদৰ পাত মেলিলে দেখা পাব ভাৰদ্বাজসকল দিৱোদোসৰ ঋত্বিক আছিল। সেইদৰে বসিষ্ঠ আৰু বিশ্বামিত্ৰ সুদাসৰ ঋত্বিক আছিল, গৌতম ৰামদেৱ সোমকৰ পুৰোহিত আছিল। একেদৰে দেৱাপিয়ে শন্তনুৰ কাৰিৰীষ্টিত ঋত্বিকৰ পদ অলংকৃত কৰিছিল বুলি জনা যায়। সেয়ে ভৰদ্বাজ দৃষ্ট ষষ্ঠমণ্ডলৰ কাল ৩৭৭০ খৃঃ পূঃ ( আনুমানিক ), বাসিষ্ঠ আৰু বৈশ্বামিত্ৰ মণ্ডল ( ৭ম আৰু ৩য় ) দুটাৰ কাল ৩৬৭৭ খৃঃ পূঃ হ'ব পাৰে। দেৱাপি দৃষ্ট ঋঃ ১০।৯৮ সূক্তৰ কাল ৩২৫৭ খৃঃ পূৰ্বাব্দ অৰ্থাৎ মহাভাৰত যুদ্ধৰ এশএ কুৰি বছৰ পূৰ্ব হোৱা সম্ভৱ। ইয়াৰ কিছুকালৰ পাছতে ৱেদব্যাসে ৱেদ সংকলন আৰু বিভাজন কৰে ( খৃঃ পূঃ ৩২৩৭—৩২০৭)। একেদৰে আমি দিৱোদাস-শম্বৰৰ যুদ্ধৰ কাল আনুমানিক ৩৭৭৭ খৃঃ পূঃ, হৰিযূপীয়া যুদ্ধৰ কাল আঃ ৩৭০০ খৃঃ পূঃ, আৰু দাশৰাজ্ঞ যুদ্ধৰ কাল আঃ ৩৬৭৭ খৃঃ পূঃ বুলি ক'বলৈ পাৰোঁ। এনেদৰে ঋগ্বেদৰ কাল ৫৮০০—৩৬০০ খৃঃ পূঃ বুলি নিৰ্ধাৰণ কৰিবলৈ পাৰি। অন্যান্য ৱেদৰ কাল খৃঃ ৩০০০—২০০০ পূৰ্বাব্দ হ'বগৈ পাৰে।

এই ক্ৰমে ব্ৰাহ্মণ, আৰণ্যক, উপনিষদ, সূত্ৰ-ৱেদাঙ্গ আদি অনেকানেক গ্ৰন্থৰ কাল উলিওৱা সম্ভৱ। কিন্তু এনেদৰে কাল নিৰূপণ কৰোঁতে অন্য পূৰ্বসূৰী পণ্ডিত বা পৰৱৰ্তী পণ্ডিতৰ সাম্ভাৱ্য সজ প্ৰচেষ্টাক আদৰিবলৈ সদায় আমি এটা মুকলি মন লৈ থাকিব লাগিব। আমাতকৈ শুদ্ধকৈ আৰু নিখুঁতকৈ যিয়ে যিদৰে ৱেদৰ কাল দাঙি ধৰে তাক চালিজাৰি চাই গ্ৰহণ কৰিবও লাগিব।

———

## দ্বিতীয় খণ্ড ঃ লৌকিক কাণ্ড

# প্ৰথম অধ্যায় (ক)

## ৱৈদিক আৰু লৌকিক সাহিত্যৰ পাৰ্থক্যসমূহ

সমস্ত প্ৰাচীন ভাৰতীয় সাহিত্য বা সংস্কৃত সাহিত্য ( পালি-প্ৰাকৃতকে সামৰি ) সততে দ্বিধা বিভক্ত ৰূপতে পোৱা যায়। বৈদিক আৰু লৌকিক— এই দুটা ভাগত এই বিশাল সাহিত্য বিভক্ত হয়। লৌকিক শব্দৰ ঠাইত চিৰায়ত, লোকায়ত, শ্ৰেণ্য আদি শব্দবো ব্যৱহাৰ হোৱা চকুত পৰে। ঋগ্বেদকালৰপৰা বেদাঙ্গ সাহিত্যৰ বিস্তৃতিৰ কাললৈকে বৈদিককাল বা যুগ বুলি ধৰা হয়। ৰামায়ণ-মহাভাৰত-পুৰাণৰ উদ্‌গম কালৰপৰাই লৌকিক সাহিত্যৰ বুৰঞ্জী আৰম্ভ হোৱা বুলি কোৱা হয়। কিন্তু এই কথা পাহৰিলে নচলিব যে ৰামায়ণ-মহাভাৰতহে নেলাগে তাৰো বহুত পাছলৈকে অনেক বৈদিক গ্ৰন্থৰ প্ৰণয়ন কাৰ্য্য চলি আছিল।

সমস্ত ভাৰতীয় সাহিত্যক বৈদিক আৰু লৌকিক দুভাগত বিভাজন কৰাৰ মূলতে আছে এই দুই স্তৰৰ সাহিত্যৰ মাজত সহজতে চকুত পৰা কেতবোৰ পাৰ্থক্য। এই পাৰ্থক্যবোৰ অৱশ্যে বস্তুগত, গুণগত বা ভাৱগত আৰু ৰূপগতভাৱে তিনিপ্ৰকাৰে বিবেচনা কৰিবলৈ পাৰি।

**বস্তুগত পাৰ্থক্য ঃ** দুয়ো স্তৰৰ সাহিত্য ৰাজি বিবেচনা কৰিলে দেখা যায় যে বৈদিক সাহিত্যৰাজি ঘাইকৈ ধৰ্মীয় সাহিত্য। বৈদিক সংহিতাৰ মন্ত্ৰসমূহ, ব্ৰাহ্মণৰ বিধি আৰু অৰ্থবাদ-বিশিষ্ট গদ্যাত্মক বিৱৰণসমূহৰ বিষয়বস্তু আধিদৈৱিক আৰু আধিযাজ্ঞিক। তাৰ পাছৰ আৰণ্যক-উপনিষদৰাজি ঘাইকৈ আধ্যাত্মিক বিষয়বস্তুৰ ভাণ্ডাৰ। সমস্ত বেদাঙ্গ সাহিত্য শ্ৰেণী যজ্ঞীয় বিষয়বস্তুক কেন্দ্ৰ কৰি ৰচিত বুলি ক'লেও অত্যুক্তি কৰা নহয়। কল্পসূত্ৰসমূহ যজ্ঞীয় ধৰ্ম-সংস্কৃতিৰ বিশদ বিৱৰণ-পুষ্ট মাত্ৰ। দেৱ-দেৱীৰ বৰ্ণনাও ধৰ্মীয় কাৰণতে যজ্ঞৰে সাঙোৰ খাই আছে। কিন্তু লৌকিক সাহিত্যৰ মাজত পোৱা জাতীয় বা সভ্য কাব্যৰাজি, নাটক, গীতি কাব্য, কথাসাহিত্য, গদ্যসাহিত্য, সাধুকথা, নীতিকথা আদি সাহিত্য শ্ৰেণী ধৰ্মনিৰপেক্ষ সাহিত্য। ধৰ্ম আৰু নীতি যদিও সিবোৰৰ মাজেৰে প্ৰতিফলিত হয় তথাপি সিবোৰ ধৰ্ম সংক্ৰান্ত বা ধৰ্মমূলক বা ধৰ্মসৰ্বস্ব গ্ৰন্থ নহয়।

বৈদিক সাহিত্যত ইন্দ্ৰ, অগ্নি আৰু সোমদেৱতাৰ প্ৰাধান্য দেখা যায়; লৌকিক সাহিত্যত তেওঁলোক প্ৰায় তল পৰিছে আৰু তেওঁলোকৰ ঠাইত ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ প্ৰাধান্য স্থাপিত হৈছে। ইন্দ্ৰ, অগ্নি আৰু সোম প্ৰভৃতি দেৱতাসকল ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ আজ্ঞা বশংবদ হৈছে।

দেৱাপি প্ৰভৃতিৰ কাল হ'ব ৩৭১৭, ৩৬৭৭, ৩৬৩৭ আৰু ৩২৩৭ খৃঃ পূঃ হয়। ঋগ্বেদৰ পাত মেলিলে দেখা পাব ভাৰদ্বাজসকল দিৱোদোসৰ ঋত্বিক আছিল। সেইদৰে বসিষ্ঠ আৰু বিশ্বামিত্ৰ সুদাসৰ ঋত্বিক আছিল, গৌতম ৱামদেৱ সোমকৰ পুৰোহিত আছিল। একেদৰে দেৱাপিয়ে শন্তনুৰ কাৰিৰীষ্টিত ঋত্বিকৰ পদ অলংকৃত কৰিছিল বুলি জনা যায়। সেয়ে ভৰদ্বাজ দৃষ্ট ষষ্ঠমণ্ডলৰ কাল ৩৭৭০ খৃঃ পূঃ ( আনুমানিক ), বাসিষ্ঠ আৰু বৈশ্বামিত্ৰ মণ্ডল ( ৭ম আৰু ৩য় ) দুটাৰ কাল ৩৬৭৭ খৃঃ পূঃ হ'ব পাৰে। দেৱাপি দৃষ্ট ঋঃ ১০।৯৮ সূক্তৰ কাল ৩২৫৭ খৃঃ পূৰ্বাব্দ অৰ্থাৎ মহাভাৰত যুদ্ধৰ এশএ কুৰি বছৰ পূৰ্ব হোৱা সম্ভৱ। ইয়াৰ কিছুকালৰ পাছতে ৱেদব্যাসে ৱেদ সংকলন আৰু বিভাজন কৰে ( খৃঃ পূঃ ৩২৩৭—৩২০৭ )। একেদৰে আমি দিৱোদাস-শম্বৰৰ যুদ্ধৰ কাল আনুমানিক ৩৭৭৭ খৃঃ পূঃ, হৰিযূপীয়া যুদ্ধৰ কাল আঃ ৩৭০০ খৃঃ পূঃ, আৰু দাশৰাজ্ঞ যুদ্ধৰ কাল আঃ ৩৬৭৭ খৃঃ পূঃ বুলি ক'বলৈ পাৰোঁ। এনেদৰে ঋগ্বেদৰ কাল ৫৮০০—৩৬০০ খৃঃ পূঃ বুলি নিৰ্ধাৰণ কৰিবলৈ পাৰি। অন্যান্য ৱেদৰ কাল খৃঃ ৩০০০—২০০০ পূৰ্বাব্দ হ'বগৈ পাৰে।

এই ক্ৰমে ব্ৰাহ্মণ, আৰণ্যক, উপনিষদ, সূত্ৰ-ৱেদাঙ্গ আদি অনেকানেক গ্ৰন্থৰ কাল উলিওৱা সম্ভৱ। কিন্তু এনেদৰে কাল নিৰূপণ কৰোঁতে অন্য পূৰ্বসূৰী পণ্ডিত বা পৰবৰ্তী পণ্ডিতৰ সাম্ভাব্য সজ প্ৰচেষ্টাক আদৰিবলৈ সদায় আমি এটা মুকলি মন লৈ থাকিব লাগিব। আমাতকৈ শুদ্ধকৈ আৰু নিখুঁতকৈ যিয়ে যিদৰে ৱেদৰ কাল দাঙি ধৰে তাক চালিজাৰি চাই গ্ৰহণ কৰিবও লাগিব।

———

# দ্বিতীয় খণ্ড ঃ লৌকিক কাণ্ড

## প্ৰথম অধ্যায় (ক)

### ৱৈদিক আৰু লৌকিক সাহিত্যৰ পাৰ্থক্যসমূহ

সমস্ত প্ৰাচীন ভাৰতীয় সাহিত্য বা সংস্কৃত সাহিত্য ( পালি-প্ৰাকৃতকে সামৰি ) সততে দ্বিধা বিভক্ত ৰূপতে পোৱা যায়। বৈদিক আৰু লৌকিক— এই দুটা ভাগত এই বিশাল সাহিত্য বিভক্ত হয়। লৌকিক শব্দৰ ঠাইত চিৰায়ত, লোকায়ত, শ্ৰেণ্য আদি শব্দবো ব্যৱহাৰ হোৱা চকুত পৰে। ঋগ্বেদকালৰপৰা বেদাঙ্গ সাহিত্যৰ বিস্তৃতিৰ কাললৈকে বৈদিককাল বা যুগ বুলি ধৰা হয়। ৰামায়ণ-মহাভাৰত-পুৰাণৰ উদ্গম কালৰপৰাই লৌকিক সাহিত্যৰ বুৰঞ্জী আৰম্ভ হোৱা বুলি কোৱা হয়। কিন্তু এই কথা পাহৰিলে নচলিব যে ৰামায়ণ-মহাভাৰতহে নেলাগে তাৰো বহুত পাছলৈকে অনেক বৈদিক গ্ৰন্থৰ প্ৰণয়ন কাৰ্য্য চলি আছিল।

সমস্ত ভাৰতীয় সাহিত্যক বৈদিক আৰু লৌকিক দুভাগত বিভাজন কৰাৰ মূলতে আছে এই দুই স্তৰৰ সাহিত্যৰ মাজত সহজতে চকুত পৰা কেতবোৰ পাৰ্থক্য [illegible] পাৰ্থক্যবোৰ অৱশ্যে বস্তুগত, গুণগত বা ভাৱগত আৰু ৰূপগতভাৱে তিনিপ্ৰকাৰে [illegible] কৰিবলৈ পাৰি।

**বস্তুগত পাৰ্থক্য ঃ** দুয়ো স্তৰৰ সাহিত্য ৰাজি বিবেচনা কৰিলে দেখা যায় যে বৈদিক সাহিত্যৰাজি ঘাইকৈ ধৰ্মীয় সাহিত্য। বৈদিক সংহিতাৰ মন্ত্ৰসমূহ, ব্ৰাহ্মণৰ বিধি আৰু অৰ্থবাদ-বিশিষ্ট গদ্যাত্মক বিৱৰণসমূহৰ বিষয়বস্তু আধিদৈৱিক আৰু আধিযাজ্ঞিক। তাৰ পাছৰ আৰণ্যক-উপনিষদৰাজি ঘাইকৈ আধ্যাত্মিক বিষয়বস্তুৰ ভাণ্ডাৰ। সমস্ত বেদাঙ্গ সাহিত্য শ্ৰেণী যজ্ঞীয় বিষয়বস্তুক কেন্দ্ৰ কৰি ৰচিত বুলি ক'লেও অত্যুক্তি কৰা নহয়। কল্পসূত্ৰসমূহ যজ্ঞীয় ধৰ্ম-সংস্কৃতিৰ বিশদ বিৱৰণ-পুষ্ট মাত্ৰ। দেৱ-দেৱীৰ বৰ্ণনাও ধৰ্মীয় কাৰণতে যজ্ঞৰে সাঙোৰ খাই আছে। কিন্তু লৌকিক সাহিত্যৰ মাজত পোৱা জাতীয় বা সভ্য কাব্যৰাজি, নাটক, গীতি কাব্য, কথাসাহিত্য, গদ্যসাহিত্য, সাধুকথা, নীতিকথা আদি সাহিত্য শ্ৰেণী ধৰ্মনিৰপেক্ষ সাহিত্য। ধৰ্ম আৰু নীতি যদিও সিবোৰৰ মাজেৰে প্ৰতিফলিত হয় তথাপি সিবোৰ ধৰ্ম সংক্ৰান্ত বা ধৰ্মমূলক বা ধৰ্মসৰ্বস্ব গ্ৰন্থ নহয়।

বৈদিক সাহিত্যত ইন্দ্ৰ, অগ্নি আৰু সোমদেৱতাৰ প্ৰাধান্য দেখা যায়; লৌকিক সাহিত্যত তেওঁলোক প্ৰায় তল পৰিছে আৰু তেওঁলোকৰ ঠাইত ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ প্ৰাধান্য স্থাপিত হৈছে। ইন্দ্ৰ, অগ্নি আৰু সোম প্ৰভৃতি দেৱতাসকল ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ আজ্ঞা বশংবদ হৈছে।

বৈদিক সাহিত্যৰ মাজত অন্তৰ্লীন হৈ আছে এক
**গুণগত বা ভাৱগত পাৰ্থক্য ঃ** বৈদিক সাহিত্যৰ মাজত অন্তৰ্লীন হৈ আছে এক
আশাবাদী ভাৱধাৰা ; কিন্তু লৌকিক সাহিত্যৰাজিয়ে সেই আশাবাদ ত্যাগ কৰি এক
হা-হুতাশাপূৰ্ণ নৈৰাশ্যবাদত ভুগিছে । তাৰ কাৰণ হৈছে বৈদিকোত্তৰ কালত বিকশিত
হোৱা আত্মাতত্ত্ব, কৰ্মবাদ, পুনৰ্জন্ম আৰু ভাগ্যবাদৰ ব্যাপক প্ৰভাৱ। বৈদিক সাহিত্য এনে
ভাবধাৰাৰপৰা মুক্ত আছিল। তেতিয়া মানৱীয় অনুভূতিসমূহে কোনো প্ৰকাৰে নীচাত্মিকা
প্ৰভাৱত ভোগা নাছিল। মানৱ সদায় সুস্থ-সৰল, বল-বীৰ্য্য আৰু শৌৰ্য্যৰ অধিকাৰী
আছিল। দেৱতা আৰু মানুহ আছিল একে জগতেৰে ভ্ৰাতৃস্থানীয় প্ৰাণী। আৰু সকলো
কৰ্মৰ সহযোগী। বেদোত্তৰ যুগতে মানুহ দেৱতাৰ দাসত পৰিণত হৈছে। পদে-পদে
'ভাগ্য'ৰ হাতত লাঞ্ছিত হৈছে। দৈৱৰ ৰাজত্ব হোৱাত পৌৰুষত্ব অন্তৰ্হিত হৈছে।

**ৰূপগত পাৰ্থক্য ঃ** বৈদিক সাহিত্য শ্ৰেণীৰ ভিতৰত ঋক আৰু সাম ৱেদৰ মন্ত্ৰবোৰ
পদ্যাত্মক। অথৰ্ববেদৰো কিছু অংশ পদ্যময়। অনেক সংহিতা থকা যজুৰ্বেদ আৰু সুবিশাল
ব্ৰাহ্মণ সাহিত্য গদ্যময়। কিন্তু লৌকিক সাহিত্য শ্লোকপ্ৰধান বা পদ্যময়। দাৰ্শনিক গ্ৰন্থ-
সমূহ বা পাছৰ কথা-আখ্যায়িকা-চম্পূবোৰতহে আকৌ গদ্যশৈলীৰ ব্যৱহাৰ কৰা হৈছে।

বৈদিক ভাষা সমাস-বিৰলা ; কিন্তু লৌকিক ভাষা ক্ৰমশঃ সমাস-বহুলা হৈ পৰিছে।
বৈদিক সাহিত্যৰ প্ৰাচীনাংশত স্বৰৰ ব্যৱহাৰ দেখা যায়। লৌকিক সাহিত্যত তাৰ
লেশমাত্ৰও পাবলৈ নাই।

তেনেদৰে ৱেদত মাথোন সাতটা ছন্দৰ ব্যৱহাৰ চকুত পৰে ; যথা—গায়ত্ৰী, উষ্ণিক,
অনুষ্টুপ, বৃহতী, পংক্তি, ত্ৰিষ্টুপ আৰু জগতী। আঠ আখৰী তিনিপাদযুক্ত গায়ত্ৰীৰপৰা
১২ আখৰী চতুষ্পাদযুক্ত জগতীতেই বৈদিক ছন্দৰ বৈচিত্ৰ সীমাবদ্ধ। কিন্তু লৌকিক
সাহিত্যৰ পদ্যভাগ অনেকানেক ন-পুৰণি ছন্দবৈচিত্ৰ্যৰে মণ্ডিত। ইয়াত সম, অৰ্ধসম আৰু
বিষম তিনিপ্ৰকাৰৰ ছন্দৰ বৈচিত্ৰ্য চকুত পৰে। যদিও উভয় স্তৰত ছন্দ মূলতঃ আক্ষৰিক
মূলতে আছে, তথাপি লৌকিকত মাত্ৰামূলক 'জাতি' ছন্দৰ ব্যৱহাৰো হৈছে ( গীতগোবিন্দম্
দ্ৰষ্টব্য )।

ধ্বনি আৰু বৈয়াকৰণিক বৈষম্য লাহে লাহে বহল হৈ গৈছে। বৈদিক ভাষা—ছন্দস্
সম্ভৱতঃ সংস্কৃতৰ প্ৰাচীন স্তৰ। তাত ৰূপৰ বৈচিত্ৰ অনেক। কিন্তু 'ভাষা' বুলি কথিত
পাণিনিৰ উত্তৰ কালৰ সংস্কৃতত 'ৰূপ'ৰ বৈচিত্ৰ্য কমি আহিছে। অৱশ্যে মহাভাৰত-
ৰামায়ণত যি সংস্কৃত পোৱা যায় সি কথিত ৰূপৰ ওচৰ চপা ; কিন্তু অশ্বঘোষ-কালিদাস
প্ৰভৃতিৰ ভাষা অধিক শিষ্ট। কালিদাসোত্তৰ যুগত ই অধিক সংস্কৃত আৰু ক্লিষ্ট হৈ পৰে।

এনেদৰে দেখা যায় যে বৈদিক সাহিত্য জগত এৰি লৌকিক সাহিত্য জগতত প্ৰৱেশ
কৰিলে এক নতুন পটভূমিত অৱতীৰ্ণ হোৱা যেন লাগে। দুই জগতৰ মাজত থকা তাৰতম্য
বা পাৰ্থক্যখিনি বুজিবলৈ পাৰিলে অধ্যেতাই ইজগতৰপৰা গৈ সিজগতত বিচৰণ কৰাটো
সহজসাধ্য হয়।

পৰবৰ্তী অধ্যায়াংশত দিয়া লৌকিক কাব্যৰ চাৰিত্ৰিক আৰু লাক্ষণিক বৈচিত্ৰসমূহেও
আমাক লৌকিক সাহিত্য জগতত প্ৰৱেশৰ সঁচাৰ কাঠি দিব।

# প্ৰথম অধ্যায় (খ)

## ইতিহাস আৰু পুৰাণ ঃ সাধাৰণ পৰিচয়

ইতিহাস আৰু পুৰাণৰ উৎপত্তি জানিবলৈ হ'লে আমি বৈদিক সাহিত্যৰ পাত লুটিয়াব লাগিব। বৈদিক সাহিত্যৰ ব্ৰাহ্মণাংশত ইতিহাস আৰু পুৰাণৰ উল্লেখ আছে। ঋগ্বেদৰ আখ্যান বা সংবাদ সূক্তসমূহৰ মাজতে হয়তো ইতিহাসৰ বীজ উপ্ত আছিল। পণ্ডিতসকলে ভাবে যে সংবাদ সূক্তৰাজিৰ গেয় ঋকসমূহে মাত্ৰ ঋগ্বেদত ঠাই পাইছে। বাকী বৰ্ণনাখিনি হয়তো গদ্যাত্মক আছিল গুণে সি ঋগ্বেদৰ পাতত ঠাই নাপালে আৰু সেয়া হয়তো আবৃত্তিকাৰে সদায় নিজাববীয়াকৈ কৈছিল। ইয়াৰ সংলাপ অংশৰপৰা নাটক আৰু গীতাংশৰপৰা মহাকাব্যৰ—ইতিহাস-পুৰাণৰ উৎপত্তি হয়। ব্ৰাহ্মণতো সংবাদ সূক্তৰ পশ্চাদ্ভুমি পোৱা যায়। উদাহৰণ স্বৰূপে—উৰ্বশী-পুৰূৰৱা সংবাদৰ ( ঋ. ১০।৯৫ ) পটভূমি শতপথ ব্ৰাহ্মণত বৰ্ণিত হৈছে। এনেদৰে ৱেদৰ সংহিতাত ( মন্ত্ৰভাগত ) উল্লেখিত অনেকবোৰ অ্যাখান ব্ৰাহ্মণসমূহৰ পাতত বিশদীকৃত হৈছে। সিবোৰ আখ্যানৰ আধাৰতে ইতিহাস আৰু পুৰাণৰ আখ্যান-উপাখ্যানবোৰ গঢ়ি উঠিছে। সেইবাবে বেদৰ কথাৰ উপবৃংহন বা ব্যাখ্যাৰ বাবে ইতিহাস-পুৰাণৰ অধ্যয়নো প্ৰয়োজনীয় বুলি কোৱা হয়।

সংস্কৃত 'মহাকাব্য'সমুহ ঐতিহাসিক দৃষ্টিৰে দুভাগত বিভক্ত কৰিব পাৰি ; তাৰে এভাগে প্ৰাচীন আখ্যান আৰু উপাখ্যানবোৰক সামৰি ৰচিত হৈছে ; আনভাগটো কাব্যাংশক লৈ সমৃদ্ধি লাভ কৰিছে। মহাভাৰতে প্ৰথম ভাগটোৰ প্ৰতিনিধিত্ব কৰে আৰু দ্বিতীয় ভাগটোৰ প্ৰতিভূ হৈছে ৰামায়ণ। পুৰাণসমূহৰ ওপৰত মহাভাৰতে যিদৰে প্ৰভাৱ পেলাইছে বা সিবোৰৰ প্ৰেৰণাৰ উৎস হৈ পৰিছে, সিদৰে ৰামায়ণেও পৰবৰ্তী 'সভ্য' কাব্যৰাজিক প্ৰেৰণা দিছে বা সিবোৰক প্ৰভাৱান্বিত কৰিছে।

ৰামায়ণ আৰু মহাভাৰত—দুয়োখনক সামান্যাৰ্থে ইতিহাস বোলা হয় যদিও মহাভাৰতৰ বুকুতহে অনেক প্ৰাচীন ইতিহাসৰ স্ৰোত সন্মিলিত হৈছে। সেয়ে সি ইতিহাস নামৰ যোগ্য। ৰামায়ণ একেটা বীৰকাহিনীৰ কাব্যিক বৰ্ণনাৰে সমৃদ্ধ আৰু ইয়াক আমাৰ পৰম্পৰাই আদিকাব্য বুলি সন্মানৰ চকুৰে চাই আহিছে। ৰামায়ণত বস্তুসংহতি যিদৰে পৰিদৃষ্ট হয়, মহাভাৰতত তাৰ অভাৱ অনুভূত হয়। তাত পোৱা কাহিনীসমূহৰ মাজত সজাতীয়ত্ব, বৰ্ণনাৰ সামঞ্জস্য আৰু পদ্ধতিগত বিন্যাসৰ অভাৱ চকুত পৰে। কুৰু-পাণ্ডৱৰ ঘৰুৱা কলহৰ গাত লাগি তাত এক 'মহাভাৰতীয় যুদ্ধ' বা সংঘাত অনুষ্ঠিত হৈছে ; পূবৰ প্ৰাগজ্যোতিষপুৰৰপৰা পশ্চিমৰ গান্ধাৰলৈ তদানীন্তন জাতিসমূহে আহি তাত সমবেত হৈছে। সিবিলাকৰ অসংখ্য কথা-উপকথা, আখ্যান আদি মহাভাৰতত কীৰ্তিত হৈছে। ৰামায়ণত সেইদৰে ঘটনাৰ বৈচিত্ৰ্য দেখা নাযায়।

বেদব্যাসক মহাভাৰতৰ ৰচক বুলি কোৱা হয়। তেওঁক বশিষ্ঠ ঋষিৰ পৌত্ৰ পৰাশৰ আৰু মৎস্যগন্ধাৰ পুত্ৰ বুলি কোৱা হয়। তেওঁ মহাভাৰত, শ্ৰীমদ্ভগবদ্গীতা আৰু অষ্টাদশ পুৰাণৰ কৰ্তা বুলি পৰম্পৰাগত জনবিশ্বাস ই দেশত গাঢ়ভাৱে চলি আহিছে। হয়তোবা তেৱেঁ মহাভাৰতৰ মূলকথা 'জয়কাব্য' ৰচনা কৰিছিল আৰু 'মূল পুৰাণ'ৰো কৰ্তা আছিল। পাছলৈ যিদৰে যুগে যুগে প্ৰক্ষিপ্তাংশৰ অবাধ প্ৰৱেশ ঘটি 'জয়কাব্য' গৈ মহাভাৰতত ৰূপান্তৰিত হ'ল, সিদৰে 'এখন' পুৰাণ 'অষ্টাদশধা' হৈ ব্যাসৰ নামতে নানাজনৰ কথাৰে সমৃদ্ধ হৈ বৃহদাকৃতি লাভ কৰিলে। গতিকে ইতিহাস ( মহাভাৰত ) আৰু পুৰাণৰ কথাস্ৰোত আৰু গ্ৰন্থকৰ্তৃত্বৰ মাজত মূলতঃ একতা দৃষ্ট হয় যদিও যুগান্তৰৰ লগে লগে সিবোৰৰ গাঠনি আৰু বস্তুচয়নত ক্ৰমাগতভাৱে ৰূপান্তৰ ঘটে। সেয়ে মহাভাৰত আৰু পুৰাণৰ মাজত অনেক কালৰ অনেক কৱি-মনীষীৰ ৰচনাই ঠাই পোৱা সম্ভৱ। আদি ৰামায়ণত তাৰ ব্যতিক্ৰম ঘটিছে। ৰামায়ণ বাল্মীকিৰ ৰচনা বুলি জনাজাত। তাৰ ( বাল ) কাণ্ড আৰু উত্তৰকাণ্ড পৰবৰ্তীকালৰ প্ৰক্ষেপাংশ বুলি গৃহীত বা স্বীকৃত হ'লে তথাপি মধ্যাংশত থকা কথাৰ ৰূপান্তৰ ঘটা নাই বা প্ৰক্ষেপো হয়তো হোৱা নাই। ইবিলাকক বিবৰ্তনক্ৰমে বিকশিত কাব্য ( Epics of growth ) বুলি কোৱা হয়।

দুয়োখন মহাকাব্য অনুষ্টুপ বা শ্লোকছন্দত ( ৮×৪=৩২ ) ৰচিত। অৱশ্যে মাজে মাজে পৰিবৰ্তনৰ তাগিদাত অন্য দীঘলীয়া ছন্দৰ ব্যৱহাৰো হৈছে। তাৰ মাজত নতুনত্ব নাই। কাৰণ অনুষ্টুপ ছন্দ ঋগ্বেদৰ অৰ্বাচীন অংশত ইতিমধ্যে দেখা গৈছিল। ই মাথোন গায়ত্ৰী ছন্দৰ বিস্তৃতি।

লৌকিক সাহিত্যৰ বুৰঞ্জী সাধাৰণতে মহাভাৰত, ৰামায়ণ, পুৰাণাদিৰ উৎপত্তি আৰু বিকাশ কালৰপৰা আৰম্ভ হোৱা বুলি ধৰিবলৈ পাৰি। পাণিনিয়ে অষ্টাধ্যায়ীৰ পাতত প্ৰচলিত 'ভাষা'ৰ ব্যাকৰণ প্ৰণালীৰ নিয়ম বান্ধি ভাষাটোক সংস্কৃত আৰু ছন্দস্ দুভাগত ভাগ কৰি দেখুৱায়। পোনতে তেওঁ প্ৰচলিত ভাষাটোৰ ব্যাকৰণৰ বিষয়ে সাধাৰণ নিয়ম কৰি পাছত বেদোক্ত ভাষাৰ নিয়মবোৰ ব্যাতিক্ৰমৰূপে উপস্থাপন কৰে। কিন্তু তেওঁৰ জন্মৰ বহু বছৰ আগতে মহাভাৰত আৰু ৰামায়ণৰ উৎপত্তি হোৱাত তাত আৰ্ষ প্ৰয়োগৰ প্ৰাচুৰ্য বা কথিত সংস্কৃতৰ অনেক ৰূপ উপলব্ধ হয়। সিযিহওক আমি ৰামায়ণেৰে লৌকিক সাহিত্যৰ বুৰঞ্জীৰ ৰূপৰেখা অঙ্কনৰ যত্ন কৰিম বুলি প্ৰতিশ্ৰুতিবদ্ধ।

## ঐতিহাসিক মহাকাব্য

### ১। ৰামায়ণ

ভাৰতীয় সাহিত্যত ৰামায়ণক 'আদিকাব্য' ( অলংকৃত প্ৰথম কাব্য ) আৰু ইয়াৰ প্ৰণেতা বাল্মীকিক 'আদিকৱি' বুলি কোৱা হয়। এই মহাকাব্য মাথোন যুঁজ-বাগৰৰ চিত্ৰৰেই মণ্ডিত নহয়, প্ৰকৃতিৰ মনোৰম দৃশ্যাৱলী, ৰুচি সম্মত অলংকাৰ আৰু ৰসাভিব্যক্তিৰ ব্যঞ্জনাৰেও মহিয়ান হৈছে। সেই কাৰণে ৰামায়ণ গণকাব্য হৈও প্ৰথম অলংকৃত কাব্যৰূপে প্ৰতিষ্ঠিত। ইয়াৰ জনপ্ৰিয়তাও অতুলনীয়।



প্ৰণয়ন হোৱাৰ দিনধৰি এই আদিকাব্যখনে সমগ্ৰ ভাৰতীয় জনমানসৰ ওপৰত অপৰিসীম প্ৰভাৱ পেলাইছে আৰু পৰৱৰ্তী ভাৰতীয় সাহিত্যৰাজি ইয়াৰে চিৰকাল অনুপ্ৰেৰিত হৈ আহিছে। আনকি ইয়াৰ জোৰৰ ইতিহাস—মহাকাব্য মহাভাৰতৰ বনপৰ্বত ( ২৫৮–২৮৩ সৰ্গত ) ৰামাখ্যান সবিস্তাৰে বৰ্ণিত হৈছে। বিষ্ণু, ব্ৰহ্মাণ্ড, গৰুড়, অগ্নি, ভাগৱত আদি পুৰাণত ৰামকথাৰ পুনৰাবৃত্তি বাৰম্বাৰ হৈছে। সেইদৰে দেৱী ভাগৱতৰ পাততো ( ৩য় স্কন্ধ, ২৮-২৯ সৰ্গ ) ৰামকথাই ভুমুকি মাৰিছে। পালি ত্ৰিপিটকৰ ভিতৰুৱা 'জাতক'ৰ মাজত 'দশৰথ জাতকে'ও ৰামকথাকে দোহাৰি বুদ্ধৰ আগজনমৰ কথা প্ৰচাৰ কৰিছে।

পৰৱৰ্তী যুগৰ কাব্য আৰু নাট্যসাহিত্যৰ ওপৰত ৰামায়ণে প্ৰচুৰ প্ৰভাৱ পেলাইছে। ৰামায়ণৰ আলমলৈ মহাকৱি ভাসে খৃষ্টজন্মৰ পূৰ্বে 'প্ৰতিমা' আৰু 'অভিষেক' নামে দুই নাটক ৰচিছে। ৰামায়ণত কথিত ঘটনাৰ প্ৰেৰণা লৈয়ে মহাকৱি কালিদাস ৰঘুবংশ মহাকাব্য ৰচনা কৰিছে। ভৱভূতিৰ মহাবীৰচৰিত আৰু উত্তৰৰামচৰিত ৰামায়ণৰ কাহিনীৰ ভেটিতে ৰচিত। প্ৰৱৰসেনৰ সেতুবন্ধ, কুমাৰদাসৰ জানকীহৰণ, মুৰাৰীৰ অনৰ্ঘৰাঘৱ, জয়দেৱৰ প্ৰসন্নৰাঘৱ ৰামকথাৰ আধাৰতে বিৰচিত কাব্য-নাটক। ৰামায়ণৰ কথাক উপজীব্য কৰিয়েই ৰাজশেখৰে বালৰামায়ণ ৰচিছে, ভোজে ৰামায়ণচম্পু নিৰ্মাণ কৰিছে, আৰু ক্ষেমেন্দ্ৰই ৰামায়ণ মঞ্জৰী ৰচি ধন্য হৈছে।

সেয়ে নহয়, বৌদ্ধ কৱি অশ্বঘোষ, জৈন সন্ন্যাসী বিমল সূৰী ( পউম চৰিতত ) প্ৰভৃতিও ৰামায়ণেৰে প্ৰভাৱান্বিত হৈছে। বৌদ্ধ গ্ৰন্থৰ তিব্বতীয় আৰু চীনা অনুবাদ সকলেও ৰামকথাৰ উল্লেখ নকৰাকৈ থকা নাই। দক্ষিণ পূব এচিয়াৰ ইণ্ডোনেচিয়া, মালয়েচিয়া, চিঙ্গাপুৰ, কাম্বোদিয়া, থাইলেণ্ড আদিৰ সাহিত্য-সংস্কৃতি আৰু জনমানসত ৰামায়ণৰ অম্লান প্ৰভাৱ পৰিছে।

মধ্যযুগীয় আৰু আধুনিক ভাৰতীয় সাহিত্যৰ ওপৰতো ৰামায়ণে সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাইছে। হিন্দীত তুলসীদাসে ৰচনা কৰা 'ৰামচৰিত মানসে' সমগ্ৰ উত্তৰ ভাৰতত যিদৰে জনপ্ৰিয়তা অৰ্জন কৰিছে, সেইদৰে অসমত মাধৱকন্দলি ৰচিত অসমীয়া ৰামায়ণে, বঙ্গদেশত কৃত্তিবাসী ৰামায়ণে, আৰু তামিলনাডুত কাম্বানৰ ৰামায়ণে জনপ্ৰিয়তা আৰ্জিছে। এতিয়াও আধুনিক ভাৰতীয় প্ৰাদেশিক ভাষাবোৰত ৰামকথাৰ অৱলম্বনত নিতে নতুন সাহিত্য, কাব্য, কৱিতা, নাটক ৰচিত হৈ আছে। আনকি ৰামানন্দ সাগৰে প্ৰয়োজনা কৰা ৰামকথাই দূৰদৰ্শনৰ পৰ্দাত উত্তাল তৰঙ্গৰ সৃষ্টি কৰিছে।

অৱশ্যে ৰামায়ণৰ বালকাণ্ডত ( ২।৩৬-৩৭ ) এই কথাকে দৰাই কোৱা হৈছে যে যেতিয়ালৈকে পৃথিৱীত নৈ আৰু পৰ্বত থাকিব তেতিয়ালৈকে ৰামায়ণ কথা লোক-সমাজত প্ৰচাৰিত হৈ থাকিব :

যাৱৎ স্থাস্যন্তি গিৰয়ঃ সৰিতশ্চ মহীতলে।
তাৱদ্ ৰামায়ণকথা লোকেষু প্ৰচৰিষ্যতি ॥

**ৰামায়ণৰ মহত্ত্ব :** ৰামায়ণ কেৱল জনপ্ৰিয় লৌকিক কাব্য অথবা প্ৰথম অলংকৃত -মহাকাব্য বুলিয়েই প্ৰসিদ্ধ নহয়, বৰঞ্চ ভাৰতীয় আৰ্য সমাজত ই এখন অত্যন্ত নীতিগৰ্ভ শাস্ত্ৰ-

বুলিহে অধিক গুৰুত্ব লাভ কৰিছে। এই কাব্যত নিহিত শিক্ষাসমূহৰ এক ব্যৱহাৰিক প্ৰমূল্যও আছে। সেয়ে এই গ্ৰন্থত সন্নিৱিষ্ট শিক্ষনীয় বিষয়বোৰ জনসাধাৰণৰ সহজবোধ্য। ৰামায়ণত সন্নিৱিষ্ট চৰিত্ৰসমূহ সমাজৰ প্ৰতিজন লোকৰ বাবে আদৰ্শস্বৰূপ। ৰাম যিদৰে পুৰুষৰ উত্তম আদৰ্শ, সীতা সিদৰে নাৰীৰ আদৰ্শ, লক্ষ্মণ, ভৰত আৰু শত্ৰুঘ্ন প্ৰভৃতি ভ্ৰাতৃৰ আদৰ্শ, হনুমান ভক্তৰ আদৰ্শ; একেদৰে সুমিত্ৰা আৰু কৌশল্যা মাতৃৰ আদৰ্শ। অনুজভায়ে-কলৈ ৰামৰ সৌহাৰ্দ্য স্নেহ যিদৰে অতুলনীয় আৰু আদৰ্শস্থানীয় সিদৰে লক্ষ্মণৰো অগ্ৰজজনলৈ শ্ৰদ্ধা আৰু প্ৰেমো তুলনাবিহীন। মুঠতে ৰামায়ণৰ প্ৰতিটো বাক্যত, প্ৰতিটো শব্দত নিহিত হৈ আছে উচ্চতম মানৱাদৰ্শ আৰু নীতিজ্ঞানৰ অভিলেখ। সেইবাবে ৰামায়ণৰ কথা পুৰণি হৈও চিৰ নতুন হৈ আছে। সেই পুৰণি আদৰ্শই নৱতম পুৰুষকো অনুপ্ৰাণিত কৰে। অন্যকথাত কবলৈ হ'লে সেই গৌৰৱময় অতীতে বৰ্ত্তমানক প্ৰেৰণা দিছে, আৰু এই বৰ্তমানে সমাগত ভৱিষ্যতৰ বাবে প্ৰেৰণাৰ জোৰবত্তি জ্বলাই ৰাখিছে।

তাৰোপৰি, ৰামায়ণ আমাৰ দেশৰ এক ঐতিহাসিক দলিল। তাৰ পত্ৰে পত্ৰে বিধৃত হৈ আছে বৈৱস্বত মনুৰপৰা প্ৰৱাহিত সূৰ্যবংশৰ অম্লান ইতিহাস। ই প্ৰাচীন ভাৰতীয় সভ্যতা আৰু সংস্কৃতিৰ আধাৰশিলাৰূপেও স্মৰণীয় আৰু বৰণীয়। এই মহৎ গ্ৰন্থই আমাক প্ৰাগৈতিহাসিক যুগৰ সমাজব্যৱস্থা আৰু ৰাজনৈতিক অৱস্থা জানিবলৈ আৰু বুজিবলৈ সহায় কৰে। আনকি তদানীন্তন কালৰ ভৌগোলিক সমলো এই গ্ৰন্থৰপৰা আহৰণ কৰা সম্ভৱ।

**বিভিন্ন পাঠ:** ৰামায়ণ কমেও চাৰিটামান বিভিন্ন পাঠত উপলব্ধ হয়। সিবোৰ হ'ল: (১) মহাৰাষ্ট্ৰীয় পাঠ (তিলক আৰু ভূষণ, শিৰোমণি টীকা সহ)। (২) বঙালি পাঠান্তৰ (লোকনাথৰ টীকা থকা)। (৩) পশ্চিমোত্তৰ পাঠান্তৰ (কাশ্মীৰি পাঠান্তৰ বুলিও জনাজাত)। (৪) দক্ষিণ ভাৰতীয় পাঠান্তৰ। এই পাঠবোৰ ক্ৰমে বোম্বে, কলিকতা, লাহোৰ আৰু মাদ্ৰাজৰপৰা প্ৰকাশিত ৰামায়ণত দেখা যায়। এইবোৰ পাঠৰ তুলনাত্মক অধ্যয়ন কৰি সম্প্ৰতি বৰোদাৰপৰা ৰামায়ণৰ সমীক্ষাত্মক পাঠ প্ৰকাশ কৰিছে।

**বিষয়বস্তু:** বাল্মীকি বিৰচিত ৰামায়ণত প্ৰায় ২৪০০০ শ্লোক আছে। মূল পাঠাংশ সাতকাণ্ডত বিভক্ত। প্ৰতি হাজাৰ শ্লোক গায়ত্ৰী বা সাবিত্ৰী মন্ত্ৰৰ একোটি আখৰেৰে ক্ৰমশঃ আৰম্ভ হোৱা বুলি পৰম্পৰাই দাবী কৰে।

১ম কাণ্ডটি বালকাণ্ড। ইয়াত ৰাম প্ৰভৃতিৰ জন্ম আৰু শৈশৱ কালৰ কথা বৰ্ণিত হৈছে। বিশ্বামিত্ৰৰ আশ্ৰমত যজ্ঞ সংৰক্ষণ, তাৰকাদি বধ, ৰাম আৰু সীতাৰ বিবাহ আদি বৰ্ণোৱা হৈছে।

২য়টো অযোধ্যাকাণ্ড। অযোধ্যাৰ ৰাজসভা, ৰাম অভিষেকৰ আয়োজন, বনবাস, পুত্ৰবিৰহত কাতৰ দশৰথৰ মৃত্যু, ভৰতৰ ৰামক প্ৰত্যাবৰ্ত্তন কৰোৱাৰ বিফল প্ৰয়াস আদিৰ বিৱৰণ ইয়াত বৰ্ণিত হৈছে।

৩য়টো অৰণ্যকাণ্ড। দণ্ডকাৰণ্যত ৰামাদিৰ জীৱন যাপন, বিৰাধ, বধ, ৰামৰ পঞ্চৱতী নিবাস, সূৰ্পণখাৰে সাক্ষাৎ, খৰদূষণাদি চৈধ্য হাজাৰ ৰাক্ষস বধ তথা ৰাৱণৰদ্বাৰা সীতাহৰণ আৰু ৰামৰ বিলাপ এই কাণ্ডত বৰ্ণোৱা হৈছে।



চতুৰ্থ কাণ্ডটো কিষ্কিন্ধাকাণ্ড। এই কাণ্ডত বালিবধ, সুগ্ৰীৱৰসৈতে ৰামৰ মিত্ৰতা স্থাপন, বান্দৰসকলক লগতলৈ হনুমানৰ সীতাৰ অন্বেষণ বৰ্ণিত হৈছে।

পঞ্চম কাণ্ডটো সুন্দৰকাণ্ড। ইয়াত লঙ্কাৰ শ্ৰীৰ বৰ্ণনা, ৰাৱণৰ ৰাজপুৰীৰ সৌন্দৰ্য্য, হনুমানৰ সীতা সান্ত্বনা আৰু সীতাৰ বতৰা লৈ হনুমানৰ প্ৰত্যাগমনৰ চিত্ৰ অঙ্কিত হৈছে।

অতি বিশাল ষষ্ঠ কাণ্ডটো যুদ্ধকাণ্ড নামে প্ৰখ্যাত। ইয়াত এলানি দীঘলীয়া সংঘৰ্ষৰ পাছত ৰামে ৰাৱণক বধ কৰা ঘটনা বৰ্ণোৱা হৈছে। সীতাক লৈ প্ৰত্যাগত ৰামৰ অভিষেকত এই কাণ্ডৰ অন্ত পৰিছে।

সপ্তম কাণ্ড উত্তৰকাণ্ড বুলি জনাজাত। ইয়াত ৰামৰ ৰাজ্যশাসনৰ বৰ্ণনা আছে। সীতাৰ লোকাপবাদৰ পৰিপ্ৰেক্ষিতত সীতা বিসৰ্জন, সীতাৰ বিলাপ, বাল্মীকিৰ আশ্ৰমত আশ্ৰয় লাভ, লৱ-কুশৰ জন্ম, অশ্বমেধ যজ্ঞ, লক্ষ্মণবৰ্জন আদি ঘটনা প্ৰৱাহ শেষ কাণ্ডৰ মূল উপজীৱ্য বিষয়। ইয়াৰ উপৰিও অনেক বাৰেমিহলি আখ্যানেৰে এই কাণ্ডৰ কলেবৰ বৃদ্ধি হৈছে। ৰাৱণৰ পূৰ্ব বৃত্তান্ত, বশিষ্ঠৰ জন্ম বৃত্তান্ত, সূৰ্যবংশৰ অনেক কথা তাৰ ভিতৰত আছে।

**উপাখ্যানৰ সফুৰা:** ৰামায়ণৰ গৰ্ভত অনেক মনোগ্ৰাহী আখ্যানোপাখ্যান পঢ়িবলৈ পোৱা যায়। ১ম আৰু ৭ম কাণ্ডতে এনে উপাখ্যানৰ সমদল দেখা যায়। বাল-কাণ্ডত ঋষ্যশৃঙ্গৰ উপাখ্যান, বিশ্বামিত্ৰৰ উপাখ্যান, কাৰ্তিকেয় জন্মৰহস্য, মৰুদ্গণৰ উৎপত্তি কথা, শুনঃশেপৰ বৃত্তান্ত, অযোধ্যাকাণ্ডত গঙ্গাৱতৰণ, উত্তৰ কাণ্ডত বশিষ্ঠৰ জন্মৰহস্য, ৰাৱণৰ বৃত্তান্ত, সুকেশ বৃত্তান্ত, বৃত্ৰাসুৰ বধ, ইলোপাখ্যান, যযাতিচৰিত, শ্বেতৰাজোপাখ্যান আদি সন্নিৱিষ্ট হৈছে।

**ৰামায়ণৰ বিকাশ:** জাৰ্মাণ পণ্ডিত ইয়াকোবিয়ে ৰামায়ণৰ পাঠাংশ বিশ্লেষণ কৰি মূল ৰামায়ণ পাঁচ কাণ্ডাত্মক আছিল বুলি মত প্ৰকাশ কৰিছে। ৰামায়ণৰ মূল কথা অযোধ্যা-কাণ্ডত আৰম্ভ হৈ যুদ্ধ কাণ্ডত শেষ হৈছিল। বালকাণ্ড আৰু উত্তৰকাণ্ড পিছত মূল কথাৰ আদি আৰু অন্তত সংযোজিত কৰা হৈছে। ইয়াৰ সমৰ্থনত তলত যুক্তিসমূহ দিয়া হ'ল:

(১) যুক্তিসংগতভাৱে ৰামৰ অভিষেকতে ৰামকথা সমাপ্ত হোৱা স্বাভাৱিক। বৰ্তমানেও ৰামকথাৰ আবৃত্তি আৰু প্ৰবচন ৰামৰ অভিষেকতে শেষ কৰা দেখা যায়। উত্তৰ কাণ্ডত বৰ্ণিত ঘটনাৰসৈতে মূল ৰামকথাৰ সম্বন্ধ বৰ শিথিল। ৰাৱণ আৰু বান্দৰবোৰৰ পূৰ্ব বৃত্তান্ত সপ্তম কাণ্ডত আছে। উত্তৰ কাণ্ডত বৰ্ণিত ৰামৰ উত্তৰ জীৱনৰ কথাবোৰে ৰামৰ বীৰোচিত চৰিত্ৰ অক্ষুণ্ণ ৰাখিবলৈ পৰা নাই। তাত অনেক উপাখ্যান অনুপ্ৰৱিষ্ট হৈছে।

(২) বালকাণ্ডত ১ম আৰু ৩য় সৰ্গত ৰামায়ণৰ দুটি বিষয়সূচী পোৱা যায়। তাৰে এটিত বালকাণ্ড আৰু উত্তৰকাণ্ডৰ বিষয়বস্তুৰ উল্লেখ নাই। কিন্তু ১ম সূচীখনত সিবোৰ উল্লেখিত হৈছে। গতিকে দুটা সূচীয়ে ৰামায়ণৰ দুটা স্তৰকে সূচাইছে বুলিব লাগে।

(৩) ২-৫ কাণ্ড কেইটাৰ ভাষা আৰু ৰচনা শৈলীও ১ম আৰু ৭ম কাণ্ডৰ ভাষা আৰু

শৈলীতকৈ পৃথক আৰু উচ্চতৰৰ। (৪) বালকাণ্ডত লক্ষ্মণক বিৱাহিত বুলি দেখুৱাৰ পাছত
অৰণ্যকাণ্ডত ৰামে লক্ষ্মণক অবিৱাহিত বোলা কথাই পাৰম্পৰিক বিৰোধ প্ৰকট কৰে।
(৫) ১ম আৰু ৭ম কাণ্ডত ৰামক বিষ্ণুৰ অৱতাৰ বোলা হৈছে যদিও অন্য পাঁচ কাণ্ডত
তেনে তথ্য পোৱা নাযায়। (৬) বালকাণ্ডত বাল্মীকিয়ে ৰামায়ণ ৰচনা কৰাৰ পটভূমি
চিত্ৰিত হৈছে। বালকাণ্ড আৰু উত্তৰকাণ্ডত বাল্মীকি চৰিত্ৰও চিত্ৰিত হৈছে। এনে
অৱস্থাত বাল্মীকিয়ে এই দুই কাণ্ড নিজে ৰচনা কৰা কথা ভবা টান। (৭) গ্ৰন্থৰ অনেক
ঠাইত অনেকাংশ প্ৰক্ষিপ্ত হৈছে। মূলস্ৰোতৰ অনুগামী হোৱাকৈ ৰামগানৰ অত্যুৎসাহী
গায়কে শ্ৰোতাৰ মনোৰঞ্জনৰ বাবে ন-কথা জোৰা দিয়া অস্বাভাৱিক নহয়।

ৰামায়ণৰ ১ম আৰু ৭ম কাণ্ডৰ বিৱৰণৰপৰাই জনা যায় যে বাল্মীকি ৰামৰ সমসাময়িক
মুনি। তেওঁ অযোধ্যাৰ অনতিদূৰত গঙ্গাৰ তীৰত আশ্ৰম পাতি বাস কৰিছিল। সেয়ে
তেওঁ ৰাম আৰু তেওঁৰ পূৰ্বপুৰুষসকলৰ জীৱন গাথাৰসৈতে সুপৰিচিত আছিল। ৰামে
সীতাক পৰিত্যাগ কৰাত বাল্মীকিয়ে সহজে তেওঁক আশ্ৰয় দান কৰে। তাতে লৱ-কুশৰো
জন্ম হয়। তেওঁ বিনাদ্বিধাই লৱ-কুশক তুলি-তালি ডাঙৰ-দীঘল কৰি দুই কুমাৰক যাৱতীয়
শিক্ষাদান কৰে। কোশলৰ ৰাজবংশ আৰু সভাৰে পৰিচয় থকাত তেওঁ
সেই অঞ্চলত প্ৰচলিত লোকগাথাৰেও পৰিচিত আছিল। সিবোৰৰ আলমলৈয়ে
বাল্মীকিয়ে ৰামায়ণ ৰচনা কৰে। পিছলৈ সেই গীতবোৰ ভ্ৰাম্যমান 'কুশীলৱ' গায়ক শ্ৰেণীয়ে
ইতস্ততঃ গাই ফুৰিছিল। কুশীলৱ শব্দই অৰ্থগতভাৱে লৱকুশলৈ আঙুলিয়াই দিয়ে। লৱকুশে
পোনতে ৰামকথা গাই প্ৰচাৰ কৰা গুণে তেনে গীতৰ গায়ক শ্ৰেণীয়ে 'কুশীলৱ' আখ্যা পায়।
জনপ্ৰিয়তা বৃদ্ধি পোৱাত ৰামকথাৰ মাজত অন্যকথাও প্ৰক্ষিপ্ত হয়। অৱশ্যে বাল্মীকিৰ
অব্যৱহিত পৰৱৰ্তী কালত অধিক প্ৰক্ষেপৰ সম্ভাৱনা কম; বৰঞ্চ কেই শতিকামান পিছত
ৰামকথাৰ আদি-অন্তত বালকাণ্ড আৰু উত্তৰ কাণ্ড সংযোজিত হোৱা সম্ভৱ। এই
দুই কাণ্ডত বাল্মীকিক 'পুৰাণ মুনি' বুলি কোৱা কথাই তেনে সম্ভাৱনাকে সমৰ্থন কৰে।

**ৰামায়ণ ৰচনাৰ কাল ঃ বহিৰঙ্গ সাক্ষ্যসমূহ ঃ** (১) ৰামায়ণক মহাভাৰতৰ
পূৰ্ববৰ্তী ৰচনা বুলি স্বীকাৰ কৰা হয়। মহাভাৰতৰ বনপৰ্বত ( সৰ্গ ২৫৮-২৮৩ ) দীঘলীয়াকৈ
ৰামাখ্যান বৰ্ণিত হৈছে। ৰামায়ণৰ ভালেমান চৰিত্ৰৰ উল্লেখ মহাভাৰতৰ পাতত দেখা
যায়। কিন্তু মহাভাৰতৰ কোনো বীৰৰ উল্লেখ ৰামায়ণত দেখা নাযায়। ৰামায়ণৰ ষষ্ঠ-
কাণ্ডৰ দুটা শ্লোক মহাভাৰতৰ সপ্তম পৰ্বত উদ্ধৃত হোৱাটোও প্ৰণিধান যোগ্য।

(২) বৌদ্ধসাহিত্যৰ ওপৰত পৰা ৰামায়ণৰ প্ৰভাৱৰ চানেকি পালি ত্ৰিপিটকৰ
অন্তৰ্গত জাতক গ্ৰন্থত বৰ্ণিত 'দশৰথ জাতকে' তুলি ধৰে। 'সামজাতক'ত চিকাৰীৰ হাতত
মুনিপুত্ৰৰ নিধন কথাই ৰামায়ণত বৰ্ণিত অন্ধক মুনিৰ পুত্ৰ দশৰথৰ হাতত মৰা কথালৈ মনত
পেলাই দিয়ে। ভাষাৰ ফালৰ চায়ো পণ্ডিত ইয়াকোবিয়ে ৰামায়ণক বৌদ্ধপূৰ্ব ৰচনা বুলি
কয়। ৰামায়ণত প্ৰাপ্ত একমাত্ৰ বুদ্ধ বিষয়ক শ্লোকটিক প্ৰক্ষিপ্ত বুলি কোৱা হৈছে।

(৩) ৰামায়ণত দুবাৰ উল্লেখিত 'যৱন' শব্দলৈ আঙুলিয়াই পণ্ডিত ৱেবাৰে ৰামায়ণৰ
ওপৰত হোমাৰৰ প্ৰভাৱ পৰিছে বুলি মত প্ৰকাশ কৰে। কিন্তু ইয়াকোবিয়ে সিবোৰ



খৃ. পূ. ৩০০ বছৰৰ পাছত ৰামায়ণত প্ৰক্ষিপ্ত হোৱা বুলি ৱেবাৰৰ মত অগ্ৰাহ্য কৰিছে।

**অন্তৰঙ্গ সাক্ষ্য ঃ**—(১) মূল ৰামায়ণত কোশলৰ ৰাজধানী অযোধ্যা বুলি কৈছে। পিছত বৌদ্ধ আৰু জৈন গ্ৰন্থকৰ্তাসকলে, গ্ৰীকসকলে নালাগে আনকি পতঞ্জলিয়েও কোশলৰ ৰাজধানী সাকেত বুলিহে উল্লেখ কৰিছে। উত্তৰ কাণ্ডত লৱে শ্ৰাৱস্তীত কোশলৰ ৰাজধানী নকৈ পতা বুলিও কোৱা আছে। গতিকে ৰামায়ণৰ মূলকথা ( ২-৫ কাণ্ড ) অযোধ্যাৰ সমৃদ্ধি বৰ্তি থাকোঁতেই ৰচিত হৈছিল বুলি ভাবিব পাৰি।

(২) বুৰঞ্জীৰ সাক্ষ্যমতে খৃ. পূ. ৩০০ অব্দত কালাশোকে পাটলিপুত্ৰ নগৰ প্ৰতিষ্ঠা কৰে। মেগেস্থেনিচৰ সময়তো তাতেই মগধৰ ৰাজধানী আছিল। ৰামায়ণৰ বালকাণ্ডত প্ৰাপ্ত বিৱৰণ মতে সেই ঠাইৰ মাজেৰে ৰামে যাতায়াত কৰিছিল। কিন্তু তথাপি ৰামায়ণত পাটলিপুত্ৰৰ নামোল্লেখ নাই। অথচ কৌশাম্বী, কান্যকুব্জ, কাম্পিল্য আদি ৰামায়ণত উল্লেখিত হৈছে। সেয়ে পণ্ডিতসকলে পাটলিপুত্ৰ নগৰ প্ৰতিষ্ঠিত নোহওঁতেই ৰামায়ণ ৰচিত হৈছিল বুলি কয়।

(৩) ৰামায়ণৰ বালকাণ্ডত যমজ নগৰৰূপে মিথিলা আৰু বিশালাৰ উল্লেখ চকুত পৰে। তেতিয়া দুয়োখন নগৰতে দুজন শাসকে শাসন কৰিছিল। কিন্তু বুদ্ধৰ সময়ত দুয়োখন নগৰ-ৰাজ্য একত্ৰিত হৈ সমৃদ্ধিশালী বৈশালীত পৰিণত হয়।

এনেবোৰ কাৰণক ভেটি কৰি পণ্ডিতসকলে খৃ. পূ. ৫০০ অব্দৰ পূৰ্বতেই মূল ৰামায়ণ বাল্মীকিৰদ্বাৰা ৰচিত হৈছিল বুলি কৈছে। কিন্তু বালকাণ্ড আৰু উত্তৰকাণ্ড তাতোকৈ পিছত খৃ. পূ. ২০০ বছৰৰ পূৰ্বত মূল ৰামায়ণত প্ৰক্ষিপ্ত হৈছিল বুলি কোৱা হয়। কিন্তু ভাৰতীয় পণ্ডিত চি, ভি, বৈদ্যৰ মতে ৰামায়ণৰ মূলাংশ খৃ. পূ. ১২০০ বছৰৰ আগতে ৰচিত হয়। আন দুই এজন পণ্ডিতে এই কাল খৃ. পূ. ৩১০০ বছৰৰ আগলৈও নিব খোজে।

## ২। মহাভাৰত

'বিশাল ভাৰতৰ শাশ্বত সংস্কৃতিৰ বাঙ্ময় বিগ্ৰহ মহাভাৰত।' কাহিনী এটি প্ৰচলিত আছে—এই গ্ৰন্থৰ মহত্ত্ব আৰু গুৰুত্ব জুখিবলৈ এসময়ত দেৱবৃন্দ সম্মিলিত হ'ল। তেওঁলোকে তুলাচনীৰ এফালে উপনিষদসহ চাৰিবেদ আৰু আনফালে মহাভাৰত তুলি দি দেখিলে মহাভাৰতৰ ওজন ( গুৰুত্ব ) বেদাদিতকৈ অধিক। সেইবাবে অপৌৰুষেয় বেদতকৈ আৰ্ষগ্ৰন্থ 'কাষ্ণৰ্বেদ' বা 'পঞ্চমবেদ' বুলি অভিহিত এই গ্ৰন্থ মহত্ব আৰু গুৰুত্বৰ আধিক্য হেতুকেই মহাভাৰত বুলি জনাজাত।

মহত্ত্বে চ গুৰুত্বে চ ধ্ৰিয়মাণং যতোধিকম্।
মহত্ত্বাদ্ ভাৰৱত্বাচ্চ মহাভাৰতমুচ্যতে ।। মহাভা০ ১।১।২০৮-৯।

ভাৰতীয় শাস্ত্ৰীয় দৃষ্টিভঙ্গীৰে বিচাৰ কৰি মহাভাৰতক একেধাৰে 'ইতিহাস' আৰু 'পুৰাণ' বুলি কোৱা হয়। ইতিহাসৰ লক্ষণ এনে—

ধৰ্মাৰ্থকামমোক্ষাণামুপদেশসমন্বিতম্।
পূৰ্ববৃত্তং কথাযুক্তমিতিহাসঃ প্ৰচক্ষতে ॥

'ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষ—জীৱনৰ পূৰ্ণতাৰ সাধন এই চতুৰ্বৰ্গৰ উপদেশ সমন্বিত, পূৰ্বতে ঘটি যোৱা ঘটনাবোৰৰ কাহিনীকে 'ইতিহাস' বুলি কোৱা হয়। মহাভাৰত যে তেনে কাহিনীৰ সঁফুৰা তাত সন্দেহ নাই।

একেদৰে মহাভাৰতত পুৰাণৰ লক্ষণো বৰ্তমান। ইয়াত সৃষ্টি, প্ৰলয়, দেৱতা আৰু ঋষিসকলৰ আৰু ৰজাসকলৰ বংশানুকীৰ্ত্তনো কৰা হৈছে।

আকৌ আধুনিক আলোচকে দাঙিধৰা কাব্যৰ লক্ষণো ইয়াত প্ৰতিফলিত হৈছে। মেথিউ আৰ্নল্ডে মহাকাব্যৰ লক্ষণ দিছে: "The main story must relate to high personages and its language and metre should be simple and dignified. It should contain vigorous dialogues. It would have interluded in the form of episodes. It must have a high and noble purpose."

এই লক্ষণ অনুসৰি অথবা সংস্কৃত আলংকৰিকে দিয়া লক্ষণ অনুসৰি মহাভাৰতক শ্ৰেষ্ঠ মহাকাব্য নুবুলি নোৱাৰি। প্ৰাচীন ভাৰতীয় ভৰতবংশীয় ৰাজৰ্ষিসকলক কেন্দ্ৰ কৰিয়েই এই কাব্য গঢ়ি উঠিছে। মুখ্যতঃ শ্লোক ছন্দতে কাব্যখন গ্ৰথিত ভাষা যিদৰে সহজ সৰল, সিদৰে মধুৰ আৰু গম্ভীৰো উপাখ্যানৰ সংখ্যাও বহুত। 'য'ত ধৰ্ম ত'তে জয়' এই ধ্বনি লৈয়েই কাব্যখন আৰম্ভও হৈছে, শেষো হৈছে।

১। **তিনি স্তৰপীয়া বিকাশ:** মহাভাৰত বহুযুগৰ সঞ্চিত সাহিত্যকৰ্মৰ সঞ্চয়িতা। মূল গ্ৰন্থকৰ্তাৰূপে বেদব্যাস কৃষ্ণ দ্বৈপায়নকে নিৰ্দেশ কৰা হয়। তেওঁ চন্দ্ৰবংশীয় ৰজাসকলৰ ইতিহাসৰূপে মূল গ্ৰন্থভাগ ৰচনা কৰে। মূলতঃ কুৰুপাণ্ডৱৰ ভ্ৰাতৃঘাতী যুদ্ধখন এই কাব্য-ইতিহাসৰ উপজীব্য বিষয় তাত সন্দেহ নাই। পোনতে হয়তো এই গ্ৰন্থৰ মাজতে এতিয়া আমি দেখা নীতিকথাৰ ইমান প্ৰাচুৰ্য্য নাছিল। ব্যাসে ৰচনা কৰা মূল কাব্যক 'জয়কাব্য' বুলি জনা গৈছিল। সেই 'জয়াখ্য' কাব্যত সম্ভৱতঃ মাত্ৰ ৮৮০০টা মান শ্লোক আছিল বুলি পণ্ডিত মেকডোনেলে অনুমান কৰে।

মহাভাৰতৰ বিকাশ তিনিটা মুখ্য স্তৰত সম্ভৱ হৈছিল বুলি ক'বলৈ পাৰি। তাৰ ইঙ্গিত মহাভাৰতৰ আদি পৰ্বৰ শ্লোক বিশেষত এনেদৰে পোৱা যায়:

মন্বাদি ভাৰতং কেচিদাস্তিকাদি তথাপৰে।
তথোপৰিচৰাদন্যে বিপ্ৰাঃ সম্যগধিগম্যতে ॥ মহাভা৹ ১।১।৫৩

প্ৰথম স্তৰত বেদব্যাসে তেওঁৰ পাঁচশিষ্যৰ অন্যতম বৈশম্পায়নক মূল 'জয়াখ্য' কাব্য শিকাইছিল। এয়া হয়তো উপৰিচৰৰ আখ্যানৰপৰাই আৰম্ভ হৈছিল। তাত ৮,৮০০ শ্লোকহে আছিল। দ্বিতীয় স্তৰত বৈশম্পায়নে পৰিবৰ্ধিত ৰূপত 'ভাৰতাখ্য' গ্ৰন্থ জনমেজয় পাৰীক্ষিতৰ সৰ্পযজ্ঞত আবৃত্তি কৰিছিল। তেওঁ আস্তিকৰ আখ্যানেৰে এই গ্ৰন্থ আৰম্ভ



কৰিছিল। তাত শ্লোকৰ সংখ্যা আছিল ২৪,০০০। তৃতীয় ... নৈমিষাৰণ্যত দ্বাদশবৰ্ষ ব্যাপি অনুষ্ঠিত সত্ৰযজ্ঞত গোটখোৱা শৌনক...াৰ্থ বিৱৰণেই উদ্যোগ আবৃত্তি কৰিছিল অধিক ব্যাপক 'মহাভাৰতাখ্য' গ্ৰন্থ। ইয়াৰ শ্লোক সংখ্... হাজাৰ বা এক লক্ষ ১০০,০০০। তাৰে নিৰ্দেশ কৰি কোৱা হৈছে— ...ৰুক্ষেত্ৰৰণৰ ...ঠ ওঠৰ

অস্মিংস্তু মানুষ্যে লোকে বৈশম্পায়নোক্তান্।
একং শতসহস্ৰং তু ময়োক্তং বৈ নিবোধত ॥

ব্যাসকৃত 'জয়'কাব্য মূলতঃ ইতিহাস, পুৰাণ বা আখ্যানাত্মক আছিল। সৌতিৰ মহাভাৰত এখন বিশ্বকোষত পৰিণত হ'লগৈ। তাত নোহোৱা কথা ভূ-ভাৰতত পাবলৈ নাই। বঙালিত এষাৰ কথা আছে, 'যাহা নাই ভাৰতে তাহা নাই ভাৰতে'। ই সম্প্ৰতি একেধাৰে এখন ইতিহাস, পুৰাণ, ধৰ্মশাস্ত্ৰ আৰু মহাকাব্য।

৩। **পাঠভেদ:** মহাভাৰতৰ দুটা মুখ্য পাঠান্তৰ দেখা যায়। সেয়া হৈছে: (১) উত্তৰ ভাৰতীয় বা দেৱনাগৰী পাঠ আৰু (২) দক্ষিণ ভাৰতীয় পাঠ। দুয়োটা পাঠৰ মাজত থকা পাৰ্থক্য থিনিয়ে দুয়ো পাঠৰ পাৰম্পৰিক পৰিপূৰিকাৰূপে কাম কৰে। ভাৰতৰ নানান ঠাইত ইয়াৰ পাণ্ডুলিপি পোৱা গৈছে। আমাৰ দেশৰ ডাঙৰ পাণ্ডুলিপি ৰখা পুথিভঁৰালবোৰৰ উপৰিও বিদেশৰ বাৰ্লিন, লণ্ডন, অক্সফোৰ্ড আদিত ইয়াৰ পাণ্ডুলিপি সংৰক্ষিত কৰা হৈছে। কিন্তু কোনোখন পাণ্ডুলিপি চাৰি/পাঁচ শ বছৰতকৈ অধিক পুৰণি নহয়।

৪। **বিভিন্ন সংস্কৰণ:** (১) পোন প্ৰথমে ১৮৩৪-৩৯ চনত কলিকতাৰপৰা খিলপৰ্ব হৰিবংশৰসৈতে মহাভাৰত প্ৰকাশিত হৈ ওলায়। তাৰ লগত কোনো ভাষ্য প্ৰকাশিত হোৱা নাছিল।

(২) ইয়াৰ পিছৰ বছৰত গণপত কৃষ্ণজী সম্পাদিত মহাভাৰতৰ লিথোগ্ৰাফ সংস্কৰণ এটি বোম্বেৰপৰা প্ৰকাশ পায়।

(৩) ১৮৬৩ চনত 'নীলকণ্ঠী' টীকা সহ মহাভাৰতৰ অন্য এটা ভব্য সংস্কৰণ বোম্বেত প্ৰকাশ পায়। পিছলৈ ইয়াৰ একাধিক তাৰ্ঙৰণ ওলায়।

(৪) ১৮৫৫-৬০ চনত মাদ্ৰাজৰপৰা মহাভাৰতৰ দক্ষিণভাৰতীয় পাঠান্তৰৰ প্ৰথম সংস্কৰণটি প্ৰকাশিত হয়। এই সংস্কৰণত হৰিবংশ আৰু নীলকণ্ঠী ভাষ্যও সংযোজিত হয়। গ্ৰন্থখন তেলেগু হৰফত মুদ্ৰিত।

(৫) পিছলৈ বঙালি হৰফত অন্য এটা সংস্কৰণ কলিকতাৰপৰা প্ৰকাশ পায়।

(৬) গোৰক্ষপুৰৰ গীতা প্ৰেছ প্ৰতিষ্ঠানেও হিন্দী অনুবাদসহ এটি সংস্কৰণ প্ৰকাশ কৰে।

(৭) মহাভাৰতৰ সমীক্ষাত্মক উত্তম সংস্কৰণ এটা ১৯টা খণ্ডত পুণাৰ ভাণ্ডাৰকাৰ প্ৰাচ্যসংশোধন মণ্ডলে ১৯৩৩-১৯৫৯ ভিতৰত প্ৰকাশ কৰি উলিয়ায়। এই মহৎ যোজনাৰ কাম আৰম্ভ হয় ১৯১৯ চনতে। ১২৫৯ খন পাণ্ডুলিপি পৰীক্ষা কৰি ৭৩৪ খনৰ

সুদৰ্শন, বিশ্বামিত্ৰ, উপমন্যু, বিপুল, ব্ৰীতহব্য, চাৱান, নাচিকেতা, কাৰ্তিকেয়, দুৰ্বাসা আদিৰ উপাখ্যান অনুশাসন পৰ্বত বৰ্ণিত হৈছে। অন্য পৰ্বতো দুই এক উপাখ্যান দেখা যায়।

১০। **সাধুকথাৰ মৌকোঁহ** :—মহাভাৰতৰ বিশাল বুকুত অনেক লোকসাধুৰ বৰ্ণনা চকুত পৰে। ইবোৰ নীতিগৰ্ভ। কথোপকথনত নিদৰ্শনৰূপে ইবোৰৰ উপস্থাপন কৰা হৈছে। সভাপৰ্বত 'কপট হাঁহ', 'ভূলিঙ্গচৰাইৰ সাধু', বনপৰ্বত মণ্ডুককুঁৱৰীৰ সাধু, কৰ্ণপৰ্বত, 'ৰাজহাঁহ আৰু কাউৰীৰ সাধু, শান্তিপৰ্বত 'বাঘ আৰু শিয়াল', 'এলেহুৱা উট', 'কুকুৰ আৰু ঋষি', 'মৎস্যত্ৰয়কথা,' 'মেকুৰী আৰু নিগনি', 'ব্ৰহ্মদত্ত আৰু পূজনী', 'কপোতলুব্ধক কথা' আদি, অনুশাসন পৰ্বত শুকপক্ষীৰ বৃত্তান্ত, জৰোৎপত্তি, মৃত্যুৎপত্তি, জোতা আৰু ছাতিৰ উৎপত্তি, সোণৰ উৎপত্তি, অসিৰ উৎপত্তি আদি অনেক লোককথা আৰু লোকবিশ্বাসমূলক সাধু পঢ়িবলৈ পোৱা যায়।

১১। **বিবিধ বিষয়** :—মহাভাৰত পঞ্চম ৱেদ নামে খ্যাত। ৱেদ অধ্যয়নত অধিকাৰ নথকা স্ত্ৰী—শূদ্ৰাদিয়ে বুজাকৈ মহাভাৰতত বিবিধ শাস্ত্ৰৰ উপদেশ দিয়া হৈছে। ৱেদজ্ঞান, পুৰাণ, ইতিহাস, অৰ্থশাস্ত্ৰ, ধৰ্মশাস্ত্ৰ, কামশাস্ত্ৰ, সাংখ্যযোগ, বৈশেষিক, ৱেদান্ত শাস্ত্ৰৰ লগতে বৈষ্ণৱ আৰু শৈৱ মতবাদো তাত তুলি ধৰা হৈছে।

১২। **শ্ৰীমদ্ভাগৱদ্গীতা** :—শ্ৰীমদ্ভাগৱদ্গীতা মহাভাৰতৰ অবিচ্ছেদ্য অংশ। ভীষ্মপৰ্বৰ ২৫—৪২ অধ্যায়ত এই গীতা শাস্ত্ৰ উপস্থাপিত হৈছে। ইয়াত ৭০০ শ্লোক আছে। ই ১৮ অধ্যায়ত বিভক্ত। কুৰুক্ষেত্ৰ যুদ্ধৰ প্ৰাৰম্ভতে জাতিক্ষয় আৰু কুলক্ষয় হোৱাৰ ভয়ত অৰ্জুনে যুদ্ধ নকৰিবলৈ ইচ্ছুক হোৱাত তেওঁৰ মোহাৱস্থা দূৰ কৰি কৰ্মযোগত প্ৰবৃত্ত কৰিবলৈ ভগৱান শ্ৰীকৃষ্ণই যি উপদেশ দিছিল সেয়ে গীতাৰ উপজীৱ্য বিষয়।

১৩। **মহাভাৰতৰ কাল** :—মহাভাৰতৰ প্ৰকৃত ৰচনা কাল নিৰূপণ কৰাটো দুৰূহ কাম। এই সম্বন্ধে নানান জনৰ নানা মত। গ্ৰন্থৰ অন্তৰঙ্গ আৰু বহিৰঙ্গ সাক্ষ্যৰ ওপৰত ভেটি কৰি ইয়াৰ উৰ্ধতম আৰু নিম্নতম সময় সীমা এটা নিৰূপণ কৰাটোৱে প্ৰকৃষ্ট কাম।

(ক) **উৰ্ধতম সীমা** :—(১) গুপ্তকালীন চেদি সম্বৎ ১৯৭ ( বি০ সম্বৎ ৫০২ ; খৃ০ ৪৪৬ ) অব্দৰ এখন শিলালিপিৰপৰা জনা যায় যে মহাভাৰত তেতিয়া লক্ষ শ্লোকাত্মক গ্ৰন্থৰ ৰূপ লৈছিল। (২) বিক্ৰম সম্বৎ ৫৩৫—৬৩৫ অব্দৰ মাজৰ সময়ত ( খৃ০ ৬ষ্ঠ শতিকাত ) মহাভাৰত জাভা আৰু বালীদ্বীপৰ কৱি ভাষালৈ অনূদিত হৈছিল বুলি জনা যায়। খৃ০ ৬ষ্ঠ শতিকাত বিদেশত মহাভাৰত অনূদিত হ'বলৈ হ'লে তাতকৈ বহুকাল আগতে আমাৰ দেশত উক্ত গ্ৰন্থ ৰচিত হ'ব লাগিব। (৩) খৃ০ ৩য় শতিকামানতে ভাৰতৰপ[illegible] চীনলৈ নিয়া পুথিবোৰৰ ভিতৰত মহাভাৰতো অন্যতম। (৪) খৃ০ ১ম শতিকাৰ [illegible] কৱি অশ্বঘোষকৃত বজ্ৰ সূচিকোপনিষদত হৰিৱংশ' আৰু মহাভাৰতৰ শ্লোকৰ [illegible] আছে। (৫) প্ৰসিদ্ধ বৈয়াকৰণ পাণিনিয়ে ( খৃ০ পূ০ ৫ম শতিকা ) তেওঁৰ [illegible] ভীম, যুধিষ্ঠিৰ, বিদুৰ প্ৰভৃতি চৰিত্ৰসহ মহাভাৰতৰ উল্লেখ কৰাৰ লৈ চাই আ[illegible]



খৃ° পূ° ৫ম শতিকাৰ আগৰ হোৱা স্বাভাৱিক। (৬) ভাসে তেওঁৰ সাতখন ক্ষুদ্ৰ নাটক মহাভাৰতৰ বিভিন্ন ঘটনাৰ আলমত ৰচিছে। ভাসৰ কাল খৃ° পূ° ৩০০—৪০০ অব্দ হ'লে মহাভাৰত তাতোকৈ আগৰ হোৱা সম্ভৱ। (৭) কল্পসূত্ৰৰ ভিতৰুৱা শাংখায়ন শ্ৰৌত সূত্ৰ, আশ্বলায়ন গৃহ্যসূত্ৰ, বৌধায়ন ধৰ্মসূত্ৰাদিত মহাভাৰতৰ যুদ্ধতাৰ, ব্যাখ্যাকাৰ বা অংশ বিশেষৰ কথা উল্লেখিত হোৱা দেখা যায়। ৰামগোপাল, কাশিকাৰ আদিৰ মতে কল্পসূত্ৰবোৰৰ ৰচনা কাল খৃ° পূ° ৮০০-৫০০ অব্দৰ ভিতৰত। এনেবোৰ সাক্ষ্যই মহাভাৰত ৰচনাৰ উৰ্ধতম সীমা খৃ° পূ° ১০ম শতিকাৰ আগলৈ আঙুলিয়াই দিয়ে।

(খ) **নিম্নতম সীমা** : (১) একাদশ শতিকাত ক্ষেমেন্দ্ৰই মহাভাৰতৰ সাৰোদ্ধাৰ কৰি 'ভাৰত মঞ্জৰী' ৰচনা কৰে। (২) বাণভট্টই ( খৃ° ৬৫০ ) তেওঁৰ কাদম্বৰীত মহাকাল মন্দিৰত বায়ুপুৰাণ আৰু মহাভাৰতৰ পাৰায়ণৰ কথা উল্লেখ কৰিছে। (৩) সুবন্ধুৱেও ( ৭ম শতিকা ) বাসৱদত্তাত মহাভাৰতৰ খিল অংশৰ উদ্ধৃতি দিছে। (৪) কুমাৰিল ভট্টই ( ৭ম শতিকা ) নিজৰ গ্ৰন্থত মহাভাৰতৰ উদ্ধৃতি দিছে। (৫) ৫০০ খৃষ্টাব্দৰ কেতবোৰ দানপত্ৰত 'মহাভাৰতক শত সাহস্ৰী সংহিতা' বুলি উল্লেখ কৰিছে। গতিকে মহাভাৰতৰ ৰচনাৰ নিম্নসীমা ৫০০ খৃষ্টাব্দৰ তললৈ নিবলৈ নোৱাৰি।

সেয়ে জয়সৱালে মহাভাৰত ৰচনাৰ অন্তিমসীমা খৃ° পূ° ৫০০ অব্দ নিৰ্ধাৰণ কৰিছে। চি. ভি. বৈদ্যৰ মতে মহাভাৰতৰ মূলভাগ খৃ° পূ° ৩৫০-৩২০ অব্দৰ মাজত ৰচিত হৈছিল। জয়চন্দ্ৰ বিদ্যালংকাৰৰ মতে এইকাল ৫০০ খৃ° পূ° অব্দৰ পূৰ্ববৰ্তী হ'ব।

১৪। **মহাভাৰতৰ প্ৰভাৱ** :—মহাভাৰতে পৰবৰ্তী ভাৰতীয় সাহিত্যৰ ওপৰত যি প্ৰভাৱ পেলাইছে তাৰ তুলনা নাই। ইয়াৰ গৰ্ভত সঞ্চিত অনেক নীতিকথা, ধৰ্মদৰ্শনসম্মত কথাই অনেক কোণবিশিষ্ট কাচৰ ওপৰত সূৰ্য্যৰ ৰশ্মি পৰি বিচিত্ৰৰূপ ধৰাৰ দৰে নানাভাৱে প্ৰকাশ পাইছে। 'শ্ৰীমদ্ভগৱদ্গীতা', 'বিষ্ণুসহস্ৰনাম্', 'অনুগীতা', 'ভীষ্মস্তৱৰাজ' আৰু 'গজেন্দ্ৰমোক্ষ' নামে পঞ্চৰত্নই ইয়াৰ উদৰৰপৰা প্ৰকাশ পাইছে। লোকসমাজত ইবোৰৰ প্ৰভাৱ অসীম।

ৰামায়ণৰ দৰে মহাভাৰতো অনেক ভাৰতীয় মহাকাব্য, কাব্য, নাটক, কথাসাহিত্য আদিৰ উৎস গ্ৰন্থৰূপে প্ৰতিষ্ঠিত হৈছে। মহাকৱি ভাস, কালিদাস, মাঘ, ভট্টনাৰায়ণ, ভাৰৱি, শ্ৰীহৰ্ষ ৰাজশেখৰ, ক্ষেমেন্দ্ৰ প্ৰভৃতিয়ে মহাভাৰতৰ কথা-কাহিনীৰ আলম লৈয়ে অনেক গ্ৰন্থ ৰচনা কৰি অমৰত্ব লাভ কৰিছে। মহাকৱি ভাসে মহাভাৰতৰ বিভিন্ন কথাৰ আশ্ৰয়ত পঞ্চৰাত্ৰ, দূতকাৱ্য, দূতঘটোৎকচ, উৰুভঙ্গ, কৰ্ণভাৰ, মধ্যম ব্যায়োগ আৰু বাল-চৰিত নামে সাতখন ক্ষুদ্ৰ নাটক ৰচনা কৰিছে। মহাকৱি কালিদাসে মহাভাৰতৰ আদি পৰ্বত বৰ্ণিত শকুন্তলোপাখ্যানক অবলম্বন কৰি শ্ৰেষ্ঠ নাটক অভিজ্ঞানশাকুন্তলম্ ৰচনা কৰিছে। ভট্টনাৰায়ণৰ বেণীসংহাৰৰ উৎস মহাভাৰতৰ মূল কথা। সেইদৰে মহাভাৰতৰ ইত্নিলোপাখ্যানৰ ভেটিত শ্ৰীহৰ্ষই ৰচিছে নৈষধচৰিত, কৱি মাঘে শিশুপালৰ কথা লৈ ৰচিছে এক শিশুপাল বধ, আৰু ভাৰৱিয়ে শিৱ আৰু অৰ্জুনৰ সংবাদ লৈ ৰচিছে কিৰাতাৰ্জুনীয়

মহাকাব্য। তদুপৰি কুলশেখৰৰ 'সুভদ্ৰা ধনঞ্জয়' নীতিবৰ্মনৰ কীচকবধ, ৰাজশেখৰৰ বালভাৰত, ক্ষেমীশ্বৰৰ নৈষধানন্দ, দেৱপ্ৰভসূৰিৰ পাণ্ডৱচৰিত, কাঞ্চন পণ্ডিতৰ ধনঞ্জয় ব্যায়োগ, বৎসৰাজৰ কিৰাতাৰ্জুনীয় ব্যায়োগ, ৰামচন্দ্ৰৰ নলবিলাস আৰু নিৰ্ভয়ভীম, অমৰচন্দ্ৰৰ বালভাৰত, কৃষ্ণানন্দৰ সহৃদয়ানন্দ, অগস্ত্যৰ বালভাৰতাদি গ্ৰন্থ মহাভাৰতৰ কথা-কাহিনীক উপজীব্য কৰি ৰচিত। ইয়াৰোপৰি ত্ৰিবিক্ৰমভট্টই নলোপাখ্যান অৱলম্বন কৰি নলচম্পূ ৰচিছে আৰু ক্ষেমেন্দ্ৰই মহাভাৰতৰ সাৰাংশ লৈ ভাৰতমঞ্জৰী ৰচনা কৰিছে।

আধুনিক ভাৰতীয় ভাষাবোৰতো সাহিত্যিকসকলে মহাভাৰতৰ কথাক উপজীব্য কৰি অনেক গ্ৰন্থ ৰচনা কৰিছে।

১৫। **ৰামায়ণ আৰু মহাভাৰতৰ তুলনা** :—ৰামায়ণ আৰু মহাভাৰত দুয়োখন মহৎ গ্ৰন্থক ইতিহাস আৰু ভাৰতৰ জাতীয় মহাকাব্য বোলে। দুয়োখন মহাকাব্যই ভাৰতীয় সভ্যতা-সংস্কৃতি, সমাজ, ৰীতি-নীতি আৰু সাহিত্যৰ ওপৰত অপৰিসীম প্ৰভাৱ পেলাইছে। দুয়োখন মহাগ্ৰন্থৰ তুলনা তলত তুলি ধৰা হ'ল।

(১) ৰামায়ণৰ প্ৰণেতা মহাকৱি বাল্মীকি আৰু মহাভাৰত প্ৰণয়নকৰ্তা পৰাশৰৰ পুত্ৰ মহামুনি কৃষ্ণদ্বৈপায়ন বেদব্যাস।

(২) বিস্তৃতিৰ ফালৰপৰা চালে ৰামায়ণ মহাভাৰতৰ এক-চতুৰ্থাংশ হ'ব। ৰামায়ণৰ শ্লোকসংখ্যা ২৪,০০০। মহাভাৰত গ্ৰীক মহাকাব্য 'ইলিয়াড' আৰু 'ওডিচি'ৰ একত্ৰিত পৰিমাণৰ সাতগুণৰ সমান। ইয়াত প্ৰায় এক লাখ শ্লোক আছে।

(৩) ৰামায়ণ সপ্ত কাণ্ডাত্মক। প্ৰতিকাণ্ড অনেক সৰ্গত বিভক্ত। মহাভাৰত ওঠৰটা পৰ্বত বিভক্ত। প্ৰতি পৰ্ব অনেক অধ্যায়ৰ সমাহাৰ।

(৪) ৰামায়ণ মহাভাৰতৰ পূৰ্বৰ ৰচনা। কাৰণ মহাভাৰতৰ বনপৰ্বত ৰামোপাখ্যান সবিস্তাৰে বৰ্ণিত হৈছে। তদুপৰি হৰিবংশতো বাল্মীকি ৰামায়ণৰ স্পষ্ট উল্লেখ দেখা যায় : 'অপিচায়ং পুৰা গীত : শ্লোকো বাল্মীকিনা ভুবি।'—ৰামায়ণত যযাতি, জনমেজয়, কুৰু, পাঞ্চাল, হস্তিনাপুৰৰ উল্লেখ থাকিলেও মহাভাৰত উল্লেখ নাই। সেয়ে দুয়োগ্ৰন্থৰ পাৰম্পৰিক সম্বন্ধৰ কথা এনেদৰে দেখুৱা হয় :

(ক) ৰামকথা পাণ্ডৱৰ আখ্যানতকৈ প্ৰাচীনতৰ ; (খ) কুৰু-পাণ্ডৱৰ আখ্যান ৰামায়ণ ৰচনাকালৰ পূৰ্ববৰ্তী আৰু (গ) বাল্মীকি ৰচিত ৰামায়ণ ব্যাসকৃত মহাভাৰততকৈ প্ৰাচীনতৰ।

(৫) ৰামায়ণৰ ভিতৰুৱা অনেক কথা গঙ্গা অৱবাহিকাৰ অযোধ্যাৰে জ[illegible]
বাল্মীকিৰ আশ্ৰমো অযোধ্যাৰ অদূৰত আছিল আৰু ভৰদ্বাজৰ আশ্ৰমো গঙ্গাৰ দ[illegible]
প্ৰয়াগৰ অদূৰত অৱস্থিত আছিল। কিন্তু মহাভাৰতৰ মূল ঘটনা ব[illegible]
হৰিয়াণাৰসৈতে জড়িত। এনেদৰে দুয়োখন গ্ৰন্থ আৰ্য্যাবৰ্তৰ প্ৰায় [illegible]
মুলিব পাৰি। তথাপি ৰামায়ণীয় কথাত দক্ষিণ ভাৰতৰ কিছু পৰি[illegible]



(৬) সামাজিক আৰু বৈয়ক্তিক চৰিত্ৰচিত্ৰণ, ছন্দ-অলংকাৰ, ৰসাদিৰ প্ৰয়োগত ৰামায়ণৰ উৎকৃষ্টতা সহজে চকুত পৰে। ইয়াৰ ভাষাও মহাভাৰতৰ তুলনাত অধিক বিশুদ্ধ।

(৭) মূল ঘটনাৰ ক্ষেত্ৰত দুয়োখন গ্ৰন্থৰ মাজত মিল দেখা যায়। ৰামায়ণৰ নায়িকা সীতা আৰু মহাভাৰতৰ নায়িকা দ্ৰৌপদীৰ জন্ম অলৌকিকভাৱে হৈছে। দুয়োৰে বিৱাহ স্বয়ম্বৰৰ জৰিয়তে সাধিত হৈছে। দুয়ো ক্ষেত্ৰতে বৰমাল্য পৰিছে দুই ধনুৰ্ধৰৰ ডিঙিত। ৰামায়ণত যিদৰে সিংহাসনৰ উত্তৰাধিকাৰিত্বৰ প্ৰশ্নলৈ ৰামৰ বনবাস হৈছে একেদৰে একে কাৰণতে যুধিষ্ঠিৰাদিয়েও বনবাস খাতিবলগীয়া হৈছে। যুদ্ধৰ অন্তত দুয়ো গ্ৰন্থতে অশ্বমেধ যজ্ঞানুষ্ঠান সম্পন্ন কৰাৰ বিৱৰণ পোৱা যায়।

(৮) দুয়োগ্ৰন্থতে বৈদিক দেৱতাৰ বৰ্ণনা ম্লান পৰিছে। ইন্দ্ৰাদি বৈদিক দেৱতাৰ বীৰত্ব ক্ষীণ হৈ যোৱাৰ পাছত ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ ক্ৰমোন্নতি হৈছে। ৰামায়ণৰ নতুন অংশত ৰামক আৰু মহাভাৰতৰ নাৰায়ণীয় অংশত কৃষ্ণক বিষ্ণুৰ অৱতাৰৰূপে বৰ্ণনা কৰা হৈছে।

(৯) ৰামায়ণৰ তুলনাত মহাভাৰতত উপাখ্যান, স্মৃতি-বিষয়ক তথ্য, নীতিকথা, সাধুকথা, ধৰ্মবিষয়ক তথ্যপাতিৰ প্ৰাচুৰ্য বহুত বেছি সোমাইছে।

(১০) ৰামায়ণৰ তুলনাত মহাভাৰত যুদ্ধৰ বৰ্ণনাও বাহুল্যকৈ দিয়া হৈছে। ৰণনীতিৰ কৌশলগত দিশত মহাভাৰতৰ যুঁজাৰুসকল অগ্ৰসৰ হোৱা চকুত পৰে। বিশেষতঃ ব্যূহ সাজি ৰণ কৰা প্ৰথা মহাভাৰতত দেখা যায়। অস্ত্ৰপাতিৰ বিবিধতাও মহাভাৰতত চকুত লগা হৈছে। আনহাতে ৰামায়ণত শিল আদি লৈ বানৰ আৰু ৰাক্ষসে যুঁজ কৰা বিৱৰণ পোৱা যায়।

(১১) নৈতিক আদৰ্শসমূহ আৰু মূল্যবোধ ৰামায়ণত অটুট থকা দেখা যায়। ৰামৰ সত্যান্বেষণ, তেওঁৰ ভ্ৰাতৃপ্ৰেম, পিতৃ-মাতৃৰ প্ৰতি শ্ৰদ্ধা আদৰ্শনীয়। ভৰত প্ৰভৃতিৰ ভ্ৰাতৃ-প্ৰেমো আদৰ্শনীয়। সীতাৰ সতীত্ব ৰক্ষা আৰু পতিভক্তিও আদৰ্শনীয়। ৰাম সকলো দিশতে আদৰ্শবান। তেওঁৰ দেশশাসন আদৰ্শনীয় আছিল বাবেই আজিও দেশত ৰাম-ৰাজ্য স্থাপনৰ সপোন দেখা হয়। মহাভাৰতত বহু-ক্ষেত্ৰত স্বাৰ্থান্বেষণ চকুত পৰে ; নৈতিকতাবোধো অৱনমিত হৈছে।

এনেদৰে বিচাৰ কৰি চালে ৰামায়ণ আৰু মহাভাৰতৰ বৰ্ণনীয় বিষয়ৰ মাজত কিছু মিল দেখিলেও অমিলৰ পৰিমাণ অধিক ওলাই পৰে।

## ৩। পুৰাণ

ভাৰতীয় সভ্যতা-সংস্কৃতিৰ বিজ্ঞাপনীয় শাস্ত্ৰীয় গ্ৰন্থসমূহৰ ভিতৰত পুৰাণসমূহে এক বিশিষ্ট স্থান অধিকাৰ কৰি আছে। পুৰাণসমূহে এহাতে বৈদিক সাহিত্যৰ উপবৃংহণৰূপে দুই ইতিহাস-মহাকাব্যৰে সৈতে আৰু আনহাতে পৰবৰ্তী ভাৰতীয় সাহিত্যৰ প্ৰেৰণাৰ উৎসৰূপে এক মহত্বপূৰ্ণ মধ্যবৰ্তী স্থান অধিকাৰ কৰি আছে। পুৰাণসমূহৰ সম্যক জ্ঞানে বৈদিক মন্ত্ৰ-

20441



সমূহ বুজাত যিদৰে সহায় কৰে[১] সেইদৰে লৌকিক আৰু উত্তৰকালীন সাহিত্যহে নেলাগে আঞ্চলিক ভাষাত ৰচিত সাহিত্যৰাজি বুজিবলৈকো পুৰাণৰ জ্ঞান অপৰিহাৰ্য।

১। **পুৰাণ শব্দৰ ব্যুৎপত্তি** :—পাণিনিয়ে দুটা সূত্ৰত ( ২।১।৪৯ ; ৪।৩।১০৫ ) পুৰাণ শব্দটো উল্লেখ কৰি তাৰ অৰ্থ 'পুৰাভৱম্' বুলি কৈছে। ঋগ্বেদতো এই শব্দটো দহ বাৰবাৰ 'প্ৰাচীন' অৰ্থত ব্যৱহৃত হৈছে। যাস্কই নিৰুক্তত ( ৩।১৯ ) 'পুৰা নৱং ভৱতি' ( যি পুৰণি হৈয়ো নতুন ) বুলি ইয়াৰ ব্যুৎপত্তি দিছে। বায়ুপুৰাণে (১,২০৩) 'পুৰা অনতি' ( পুৰণিকাল যি জীয়াই আছিল ) বুলি 'পুৰাণ'ৰ ব্যুৎপত্তি দিছে[২]। পদ্মপুৰাণে ( ৫,২।৫৩ ) 'পুৰা পৰম্পৰাং ৱষ্টি পুৰাণং তেন তৎ স্মৃতং' বুলি কৈ এক স্বকীয়া ব্যুৎপত্তি তুলি ধৰিছে। 'পুৰা এতদ্ অভূৎ' বুলি ব্ৰহ্মাণ্ড পুৰাণেও ( ১।১।১৭৩ ) অন্য এক ব্যুৎপত্তি আগবঢ়াইছে।

২। **পুৰাণৰ প্ৰাচীনত্ব** :—প্ৰায়বোৰ বৈদিক আৰু লৌকিক গ্ৰন্থতে পুৰাণৰ উল্লেখ আছে। ঋগ্বেদত ( ৪,৫৪,৯ ; ৩।৭৮।৬ ; ১০।১৩০।৬ আদিত ) কেৱল 'প্ৰাচীনতা' বুজাবলৈ পুৰাণ শব্দ ব্যৱহৃত হৈছে। কিন্তু ৯।৯৯।৪ ঋকত 'পুৰাণী' শব্দ 'গাথা'ৰ বিশেষণ-ৰূপে প্ৰযুক্ত হৈছে। অথৰ্ববেদত 'পুৰাণ' শব্দটো ইতিহাস, গাথা, নাৰাশংসী আদিৰসৈতে উল্লেখিত হৈছে। অথৰ্ৱবেদৰ এটা মন্ত্ৰত ( ১১।৭,২৪ ) উচ্ছিষ্ট ব্ৰহ্মৰপৰা ঋক্ যজুস্, সাম, ছন্দসৰসৈতে পুৰাণৰো উৎপত্তি হৈছিল বুলি কৈছে।[৩]

একেদৰে অথৰ্ববেদৰ ব্ৰাত্যকাণ্ডত ( ১৫ ১।৬।১০-১২ ) কোৱা হৈছে : 'তেওঁ ( ব্ৰাত্যজন ) বৃহতী দিশলৈ গ'ল। ইতিহাস, পুৰাণ, গাথা আৰু নাৰাশংসীয়ে তেওঁক অনুসৰণ কৰিলে। যিজনে এই কথাজানে ইতিহাস, পুৰাণ, গাথা আৰু নাৰাশংসীৰসৈতে তেওঁৰ গৃহ প্ৰিয়ধাম হয়।'[৪] ইয়াত ইতিহাস—পুৰাণ শব্দই সেই বিষয়ক সাহিত্যক বুজোৱা বুলি ধাৰণা হয়। একেদৰে অথৰ্ববেদৰ অন্য এক মন্ত্ৰত ( ১১।৮।৭ ) 'পুৰাণৱিদ'ৰ উল্লেখ কৰা হৈছে। এইবোৰ উক্তিয়ে অথৰ্ৱবেদৰ যুগতো পুৰাণ ইতিহাসৰ অস্তিত্ব থকা কথা প্ৰমাণ কৰে।

ব্ৰাহ্মণ সাহিত্যতো পুৰাণৰ অস্তিত্ব সম্বন্ধে বহুতো তথ্যপাতি পোৱা যায়। শতপথ ব্ৰাহ্মণৰ ঠাই বিশেষত ( ১১।৫,৬।৮ ) অনুশাসন, বিদ্যা, বাকোবাক্য, ইতিহাস, পুৰাণ, গাথা

১। ইতিহাস পুৰাণাভ্যাং বেদং সমুপবৃংহয়েৎ।
বিভেত্যল্পশ্ৰুতাদ্ বেদো মাময়ং প্ৰহৰিষ্যতি ॥

২। যস্মাৎ পুৰা হ্যনতীদ্ পুৰাণং তেন তৎ স্মৃতম্।
নিৰুক্তমস্য যো বেদ সৰ্বপাপৈঃ প্ৰমুচ্যতে ॥

৩। ঋচঃ সামানি ছন্দাংসি পুৰাণং যজুসা সহ।
উচ্ছিষ্টাজ্জভিতৰে সৰ্বে দিৱি দেৱা দিৱিশ্ৰিতাঃ ॥

৪। সবৃহতীং দিশমনুব্যচলৎ ॥ তমিতিহাসশ্চ পুৰাণং চ গাথা চ নাৰাশংসী শ্চানুব্যচলৎ ॥ ইতিহাসস্য চ স বৈ পুৰাণস্য চ গাথানাং চ। নাৰাশংসীনাং চ প্ৰিয়ং ধাম ভৱতি, য এৱং ৱেদ।



আৰু নাৰাশংসীৰ স্বাধ্যায়ৰদ্বাৰা দেৱতাক মধুৰে আহুতি দিয়াৰ ফলশ্ৰুতি শুনাইছে। অন্য এঠাইত ( ১৪।৬।১০।৬) ঋগ্বেদ, যজুৰ্বেদ, সামৱেদ, অথৰ্বাঙ্গিৰস, ইতিহাস, বিদ্যা উপনিষদ, শ্লোক, সূত্ৰ, অনুব্যাখ্যান্ আদিৰেসৈতে পুৰাণৰো উল্লেখ কৰিছে। তেনেদৰে শতপথত ( ১৩।৪,৩।১৩) অশ্বমেধ যজ্ঞৰ ঘোঁৰা দিগ্বিজয়াৰ্থে এৰি দিয়া সময়ত নিতৌ যজ্ঞভূমিত চলিত পাৰিপ্লৱৰ নৱম দিনত 'পুৰাণ' ( শাস্ত্ৰ ) পাঠ বিহিত হৈছে। গোপথব্ৰাহ্মণতো[৫] ৱেদ, ব্ৰাহ্মণ, উপনিষদ, ইতিহাস আদিৰেসৈতে পুৰাণৰ উল্লেখ চকুত পৰে। তৈত্তিৰীয় আৰণ্যকত ( ২,৯ ), বৃহদাৰণ্যকোপনিষদ ( ২।৪।১১ ), ছান্দোগ্যোপনিষদ ( ৭।১।২ ; ৪ ; ২।১ ) প্ৰভৃতি প্ৰাচীন বৈদিক গ্ৰন্থতো পুৰাণৰ প্ৰভাৱ পৰা দেখা যায়। একেদৰে আশ্বলায়ন গৃহ্যসূত্ৰতো ( ৩।৪ ; ৪,৬ ) পুৰাণ পাঠ কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। আপস্তম্ব ধৰ্মসূত্ৰত ( ২।২৩,৩৫ ) পুৰাণৰ উদ্ধৃতি আৰু উল্লেখ দৃষ্টিগোচৰ হয়।

মহাভাৰতৰ পাতটো এঠাইত পুৰাণৰ উল্লেখ কৰি ব্যাসে কৈছে,

পুৰাণে হি কথা দিব্যা আদিবংশাশ্চ ধীমতাম্।
কথ্যন্তে যে পুৰাস্মাভিঃ শ্ৰুতপূৰ্বাঃ পিতুস্তৱ ॥ ( মহাভা০ ১।৫।২ )

একেদৰে ৰামায়ণৰ বালকাণ্ড ( ৯।১ ) আৰু অযোধ্যা কাণ্ডত ( ১৫।১৮ ; ১৬।১ ) পুৰাণ আৰু পুৰাণবিদৰ উল্লেখ পোৱা যায়।

এইবোৰ উল্লেখে এইটোকে প্ৰমাণ কৰে যে (১) বৈদিক সাহিত্যৰ দৰে পুৰাণসমূহো প্ৰাচীন ; (২) পুৰাণৰ জনপ্ৰিয়তা যুগে যুগে সন্দেহাতীত ; আৰু (৩) ধৰ্মীয় আৰু সামাজিক ( ধৰ্মবিবৰ্জিত ) কাৰণতো পুৰাণৰ অধ্যয়ন চিৰকাল ভাৰতবৰ্ষত প্ৰবৰ্তিত হৈ আছে।

৩। **পুৰাণৰ উৎপত্তি** :—পুৰাণসমূহত পুৰাণৰ উৎপত্তিৰ বিষয়ে একে ধৰণৰ পৰম্পৰা পঢ়িবলৈ পোৱা যায়। মৎস্যপুৰাণৰ ( ৫।৩।৩ ) মতে ব্ৰহ্মাই সকলো শাস্ত্ৰৰ আগতে পুৰাণকে স্ৰজন কৰিছিল। পুৰাণৰ পাছতহে আন শাস্ত্ৰচয় ব্ৰহ্মাৰ মুখৰপৰা নিঃসৃত হয় :

পুৰাণং সৰ্বশাস্ত্ৰাণাং প্ৰথমং ব্ৰহ্মণা কৃতম্।
অনন্তৰং চ বক্ত্ৰেভ্যো দেৱাস্তস্য বিনিৰ্গতাঃ ॥

ভাগৱৎপুৰাণে ( ৩।১২ ) আৰু এখোপ আগুৱাই কৈছে যে ঋগাদি চাৰিৱেদ ব্ৰহ্মাৰ চাৰি মুখৰপৰা ক্ৰমশঃ প্ৰকাশিত হৈছে ; কিন্তু ইতিহাস আৰু পুৰাণ নামে পঞ্চমৱেদ তেওঁৰ মুখৰপৰা একযোগে প্ৰকাশ পাইছে।

বিষ্ণুপুৰাণত ( ৩।৬।১৫ ) ব্যাসদেৱে আখ্যান, উপাখ্যান, গাথা কল্পশুদ্ধি সমন্বিতে পুৰাণ সংহিতা ৰচনা কৰে বুলি কোৱা হৈছে :

আখ্যানৈশ্চাপ্যুপাখ্যানৈৰ্গাথাভিঃ কল্পশুদ্ধিভিঃ।
পুৰাণসংহিতা চক্ৰে পুৰাণাৰ্থবিশাৰদাঃ ॥

কোৱা হৈছে যে পুৰাণ সংহিতা ৰচনা কৰি ব্যাসে সূতপুত্ৰ লোমহৰ্ষণক সেইয়া

৫। পূৰ্বভাগ ২।১০ ; ১।১০।

অধ্যাপনা কৰিবলৈ শিকায়। লোমহৰ্ষণ পুৰাণসংহিতাৰ ধাৰকৰূপে নিৰ্দিষ্ট হয়। গুৰুৰ কৃপা লাভ কৰি লোমহৰ্ষণে নিজাকৈ এখনি পুৰাণসংহিতা নিৰ্মাণ কৰে। ব্যাসকৃত পুৰাণৰ ভেটিতে তেওঁ সেই কৰ্ম কৰে। তেওঁ ছজন শিষ্যক পুৰাণ অধ্যয়ন কৰোৱায়। বায়ুপুৰাণত (৬১।৫৫-৫৬) এই শিষ্যসকলৰ নাম দিছে, যথা—(১) সুমতি আত্ৰেয়, (২) অকৃণব্ৰণ কাশ্যপ, (৩) অগ্নিবৰ্চা আৰদ্বাজ, (৪) মিত্ৰায়ু বাসিষ্ঠ, (৫) সোমদত্তি সাৱৰ্ণি আৰু (৬) সুশৰ্মা শাংশপায়ন। বিষ্ণুপুৰাণ (৩.৬।১৮-১৯) আৰু ভাগৱততো (১২।৭।৫) শিষ্যবৃন্দৰ নাম কম-বেছি একেদৰে পোৱা যায়।

লোমহৰ্ষণৰ ছজন শিষ্যৰ মাজৰ কাশ্যপ, সাৱৰ্ণি আৰু শাংশপায়নে আকৌ নিজাববীয়াকৈ একোখন পুৰাণ সংহিতা প্ৰণয়ন কৰে। লোমহৰ্ষণ আৰু তিনিজন শিষ্যৰ পুৰাণ সংহিতা মুঠতে ৪ খন হ'লগৈ। চাৰিখন সংহিতাৰ প্ৰত্যেকখনত চাৰিটা পাদ আছিল; যেনে প্ৰক্ৰিয়াপাদ, উপোদ্‌ঘাতপাদ, অনুষঙ্গপাদ আৰু উপসংহাৰ পাদ।

৪। **পুৰাণৰ বিষয়বস্তু** :—পোনতে ব্যাসকৃত 'পুৰাণসংহিতা'ত চাৰিপ্ৰকাৰ বিষয়-বস্তুৱে ঠাই পাইছিল বুলি বিষ্ণুপুৰাণে (৩.৬.১৫) সাক্ষ্য দিয়ে : সিবোৰ যথাক্ৰমে আখ্যান, উপাখ্যান, গাথা আৰু কল্পশুদ্ধি।

(ক-খ) **আখ্যান আৰু উপাখ্যান** :—ওপৰত উল্লেখ কৰা (বিষ্ণু ৩.৬.১৫) শ্লোকৰ টীকাত শ্ৰীধৰস্বামীয়ে আখ্যান আৰু উপাখ্যানৰ লক্ষণ দি কৈছে যে বক্তা বা ৰচকে নিজে দেখি দিয়াৰ কথাৰ বৰ্ণনাক আখ্যান আৰু তেওঁ শুনি দিয়া কথাৰ বৰ্ণনাক উপাখ্যান বোলে।

স্বয়ং দৃষ্টাৰ্থকথনং প্ৰাহুৰাখ্যানকং বুধাঃ।
শ্ৰুতস্যাৰ্থস্য কথনমুপাখ্যানং প্ৰচক্ষতে॥

এনেদৰে বিবেচনা কৰিলে এতিয়া আমি শুনা সকলো কথাকে উপাখ্যান বুলিব লাগিব। কিন্তু ব্যাসে বা সঞ্জয়ে দেখা মহাভাৰতৰ যুদ্ধক আখ্যান, তেওঁলোকে বা ভীষ্মই ৰাজনীতি বুজাবলৈ তুলি ধৰা কথাবোৰক উপাখ্যান বুলিব লাগিব। সেইদৰে ৰামায়ণত ৰামচৰিত আখ্যান আৰু তাৰ লগতে জোৰা দিয়া অধিক পুৰণি কথা বা পৰোক্ষ কথা উপাখ্যানৰ উদাহৰণ হ'ব।

(গ) **গাথা** :—বেদ-বেদাঙ্গ, ইতিহাস-পুৰাণত কেতবোৰ প্ৰাচীন শ্লোক বা পদ্য পোৱা যায়। সিবোৰৰ ৰচকৰ নাম-ধাম জনা নাযায়। ঋগ্বেদৰ পাততো এনে ৰজা বা নৃপতিৰ শৌৰ্য বা দানাদিৰ প্ৰশংসা বা দানস্তুতি বা নাৰাশংসী নামে বীৰগাথা পোৱা যায়। একেদৰে ঐতৰেয় ব্ৰাহ্মণতো (৩৩শ অধ্যায়ত) হৰিশ্চন্দ্ৰ বিষয়ক বা অন্যান্য লোকৰচিত বিষয়ক শ্লোকাত্মক বৰ্ণনা পোৱা যায়। পুৰাণ আৰু ইতিহাসৰ পাততো এনে অজ্ঞাত ৰচকৰ পদ্য ৰচনা পঢ়িবলৈ পোৱা যায়। এনে প্ৰকাৰৰ ৰচনাকে গাথা বুলি কোৱা হয়। অৱশ্যে প্ৰাচীন বেদ-বেদাঙ্গ, ইতিহাস-পুৰাণৰ দৰে গ্ৰন্থবোৰ এনেবিধৰ গাথাৰে ভৰপূৰ হৈ আছে। তাহানিৰ ইতিহাস প্ৰসিদ্ধ লোকৰ দান-বৰঙনি, মহত্ত্ব, অভিষেক আদি ঘটনাৰ



বিৱৰণ এনেবোৰ গাথাৰ উপজীব্য বিষয়। কেতিয়াবা একোটি ক্ষুদ্ৰকায় গাথাৰ পেটত শামুকৰ পেটত সঞ্চিত থকা মানিকৰ দৰে একোখণ্ড ইতিহাস বা আখ্যান সোমাই থাকে। এনেদৰে আখ্যান-উপাখ্যানৰসৈতে গাথাবোৰেও পুৰাণৰ উদ্‌গম আৰু বিকাশত সহায় কৰিছে।

(ঘ) **কল্পশুদ্ধি** : টীকাকাৰ শ্ৰীধৰ স্বামীয়ে 'কল্পশুদ্ধি'ৰ অৰ্থ কৰিছে 'শ্ৰাদ্ধকল্প'। সচৰাচৰ 'কল্প' শব্দই শ্ৰৌত, গৃহ্য, ধৰ্ম, সদাচাৰ আৰু সংস্কাৰ বিষয়ক কৰ্মবোৰকে বুজায়। শুদ্ধি শব্দই মলশুদ্ধি, স্পৰ্শশুদ্ধি, অৰ্থশুদ্ধি, এনস্‌শুদ্ধি আৰু মনস্‌শুদ্ধিক বুজায়। পুৰাণসমূহত সচৰাচৰ 'কল্প' শব্দই শ্ৰৌত, গৃহ্য, ধৰ্ম, সদাচাৰ আৰু সংস্কাৰ বিষয়ক কৰ্মবোৰকে বুজায়। এনে ধৰ্মশাস্ত্ৰীয় বিষয়ৰ বৰ্ণনা অৱশ্যে পোৱা যায়।

মৎস্যপুৰাণত (৫৩.৬৪) পুৰাণসমূহক পঞ্চলক্ষণ যুক্ত বুলি কোৱা হৈছে :

সৰ্গশ্চ প্ৰতিসৰ্গশ্চ বংশো মন্বন্তৰাণি চ।
বংশানুচৰিতং চৈৱ পুৰাণং পঞ্চলক্ষণম্॥

প্ৰাথমিক সৃষ্টি, পৰৱৰ্তী সৃষ্টি, বংশাৱলী, মন্বান্তৰ আৰু ৰাজবংশবোৰৰ বিস্তৃত আখ্যান-উপাখ্যানবোৰকে পুৰাণৰ পাঁচ লক্ষণ বুলি কোৱা হৈছে।

শ্ৰীমদ্‌ভাগৱত পুৰাণে পুৰাণসমূহৰ দহপ্ৰকাৰ লক্ষণ স্বীকাৰ কৰিছে :

স্বৰ্গশ্চাথ বিসৰ্গশ্চ বৃত্তী ৰক্ষান্তৰাণি চ।
বংশো বংশানুচৰিতং সংস্থা হেতুৰপাশ্ৰয়ঃ॥—ভাগ. ১২।৭।৯

সম্ভৱতঃ পুৰাণবোৰৰ মাজত পোনতে আখ্যান-উপাখ্যান, গাথা আৰু কল্পশুদ্ধি প্ৰভৃতি বিষয়কে সামৰি লোৱা হৈছিল। পাছলৈ সেয়ে ক্ৰমশঃ পাঁচ আৰু দহ লক্ষণলৈ সম্প্ৰসাৰিত হৈছে। ইবোৰৰ উপৰিও পুৰাণসমূহে আৰু অনেক বিষয় আত্মস্থ কৰিছে। ধৰ্মীয় ৰীতি-নীতি, তীৰ্থ-মাহাত্ম্য, অৱতাৰবাদ, শৈৱ-শক্তি-বৈষ্ণৱাদি বিবিধ ধৰ্মবিশ্বাস পুৰাণৰ বিষয়ানুক্ৰমণীত সোমাইছে। এতিয়া এই পুৰাণসমূহ সমাজবিজ্ঞানী, নৃতত্ত্ববিদ, তুলনাত্মক ধৰ্মদৰ্শনবিজ্ঞানী, লোকতত্ত্ববিদ, বুৰঞ্জীবিদসকলৰ প্ৰেৰণাৰ উৎস হৈ পৰিছে। তাৰপৰাই এই শ্ৰেণীৰ গ্ৰন্থৰ বিষয় বাহুল্যৰ কথা উপলব্ধি কৰিবলৈ পাৰি।

৫। **পুৰাণৰ সংখ্যা** :—প্ৰাচীনকালৰেপৰা পুৰাণৰ সংখ্যা ওঠৰ বা অষ্টাদশ বুলি স্বীকাৰ কৰি অহা হৈছে। দেৱী ভাগৱতত (১.৩।২১) আদি আথৰেৰে অষ্টাদশ পুৰাণৰ নাম ক্ষুদ্ৰকায় অনুষ্টুপ শ্লোক এটাত তুলি ধৰিছে :

মদ্বয়ং ভদ্বয়ং চৈৱ ব্ৰত্ৰয়ং বচতুষ্টয়ম্।
অনাপদ্ লিঙ্গ-কূ-স্কানি পুৰাণানি পৃথক্ পৃথক্।

(১) মকাৰাদি দুই পুৰাণ—মৎস্য আৰু মাৰ্কণ্ডেয়; (২) ভকাৰাদি দুই পুৰাণ—ভাগৱৎ আৰু ভৱিষ্যৎ; (৩) ব্ৰকাৰাদি তিনি পুৰাণ—ব্ৰহ্ম, ব্ৰহ্মাণ্ড আৰু ব্ৰহ্মবৈৱৰ্ত; (৪) ব-কাৰাদি চাৰি পুৰাণ—বামন, বিষ্ণু, বায়ু আৰু বৰাহ; (৫) অনাপৎ লিঙ্গ কূস্ক—অগ্নি নাৰদ, পদ্ম, লিঙ্গ, গৰুড়, কূৰ্ম আৰু স্কন্দ।

বিষ্ণু ( ৩.৬.২০-২৪ ) আৰু ভাগৱৎ পুৰাণত ( ১২।১৩।৩-৮ ) এই ওঠৰখন পুৰাণৰ নাম বিশিষ্ট ক্ৰমানুসৰি দিছে : ব্ৰহ্মা, পদ্ম, বিষ্ণু, শিৱ, ভাগৱৎ, নাৰদীয়, মাৰ্কণ্ডেয়, অগ্নি ভবিষ্য, ব্ৰহ্মবৈৱৰ্ত, লিঙ্গ, বৰাহ, স্কন্দ, ৱামন, কূৰ্ম, মৎস্য, গৰুড়, আৰু ব্ৰহ্মাণ্ড। দেখা যায় যে দেৱীভাগৱতত শিৱ পুৰাণৰ নাম নাই। তাৰ ঠাইত বায়ু সোমাইছে। বিষ্ণু-ভাগৱতত বায়ুৰ সলনি শিৱপুৰাণ সোমাইছে।

এই পুৰাণসমূহক গুণানুসৰি তিনি ভাগত ভগোৱা হয় :

সাত্ত্বিক পুৰাণ : বিষ্ণু, নাৰদীয়, ভাগৱৎ, গৰুড়, পদ্ম আৰু বাৰাহ।

ৰাজসিক পুৰাণ : ব্ৰহ্ম, ব্ৰহ্মাণ্ড, ব্ৰহ্মবৈবৰ্ত, মাৰ্কণ্ডেয়, ভৱিষ্য আৰু ৱামন।

তামসিক পুৰাণ : মৎস্য, কূৰ্ম, লিঙ্গ, শিৱ, স্কন্দ আৰু অগ্নি।

কেতিয়াবা দেৱতা অনুসৰিও পুৰাণসমূহক ত্ৰিধাবিভক্ত কৰা হয় : (১) ব্ৰহ্ম, (২) বৈষ্ণৱ আৰু (৩) শৈৱ। এনেদৰে ব্ৰহ্মাণ্ড, ব্ৰহ্মবৈবৰ্ত, মাৰ্কণ্ডেয়, ভৱিষ্য, ৱামন আৰু ব্ৰহ্মপুৰাণক ব্ৰাহ্ম ; বিষ্ণু, নাৰদীয়, ভাগৱৎ, গৰুড়, পদ্ম আৰু বৰাহক বৈষ্ণৱ ; আৰু মৎস্য, কূৰ্ম, লিঙ্গ, বায়ু, স্কন্দ আৰু অগ্নিক শৈৱপুৰাণ বোলে। প্ৰতিভাগতে ছখনকৈ পুৰাণ আছে।

তলত প্ৰতিখন পুৰাণৰ চমু পৰিচয় দিয়া হ'ল :

(১) **ব্ৰহ্ম পুৰাণ** : এই পুৰাণখন 'আদি ব্ৰাহ্ম' নামেও জনাজাত ইয়াত থকা প্ৰায় ১৪,০০০ শ্লোকক ২৪৫টা অধ্যায়ত ভগোৱা হয়। ইয়াৰ ১২টা ( ৩০-৫০ ) অধ্যায়ত পাৰ্বতীৰ বৰ্ণনা কৰা হৈছে। মাৰ্কণ্ডেয়ৰ আখ্যানৰ পাছতে ইয়াত গৌতমী, গঙ্গা, কাৰ্তিকা, চক্ৰতীৰ্থ, পুত্ৰতীৰ্থ, যমতীৰ্থ, আপস্তম্ব তীৰ্থ আদিৰ বৰ্ণনা পোৱা যায়। ইয়াৰ ৩২টা ( ১৮ -২১২ ) অধ্যায়ত শ্ৰীকৃষ্ণচৰিত বৰ্ণিত হৈছে। সৌৰপুৰাণ বুলি জনাজাত খিল অংশত সূৰ্যপূজাৰ সবিশেষ পোৱা যায়। ছয়টা অধ্যায়ত সূৰ্যৰ মহিমা বৰ্ণিত হৈছে।

এই পুৰাণৰ দহটা অধ্যায়ত ( ২৩৪-২৪৪ ) সাংখ্যদৰ্শন বিবেচনা কৰা হৈছে। তাত ভক্তি সমন্বিত জ্ঞানৰ কথা কোৱা হৈছে।

(২) **পদ্মপুৰাণ** : ই প্ৰায় ৫০,০০০ শ্লোকৰ ৰত্নাগাৰ। সম্প্ৰতি ছটা খণ্ড পোৱা গ'লেও পূৰ্বতে ই ৫ খণ্ডাত্মক আছিল। এই পাঁচ খণ্ডৰ বিষয়ে এনেদৰে পোৱা যায় :

প্ৰথমং সৃষ্টিখণ্ডং হি, ভূমিখণ্ডং দ্বিতীয়কম্।
তৃতীয়ং স্বৰ্গখণ্ডং চ পাতালঞ্চ চতুৰ্থকম্ ॥
পঞ্চমং চোত্তৰংখণ্ডং সৰ্বপাপপ্ৰণাশনম্।

সৃষ্টিখণ্ডত সমুদ্ৰমন্থন, পৃথুৰ আখ্যান, পৌষ্কৰ বিৱৰণ, বৃত্ৰবধাখ্যান, বামনাৱতাৰ বৰ্ণন, মাৰ্কণ্ডেয়ৰ আখ্যান, কাৰ্তিকৰ জন্মকথা, ৰামাখ্যান, তাৰকাসুৰ বধাদিৰ বিৱৰণ আছে। ভূমিখণ্ডত যযাতি-মাতলিৰ আধ্যাত্মিক সংবাদ, চ্যৱানচৰিতৰ লগত শৈৱ আৰু বৈষ্ণৱবাদৰ অনেক কথা পোৱা যায়। ইয়াত শৈৱ-বৈষ্ণৱৰ সমন্বয় সাধনৰ বাবে কৰা যত্ন চকুত পৰে ; শিৱ-বিষ্ণুৰ অভেদ কল্পনা কৰি পুৰাণে কৈছে :



শিৱায় বিষ্ণুৰূপায় বিষ্ণৱে শিৱৰূপিণে।
শিৱস্য হৃদয়ে বিষ্ণুঃ বিষ্ণোশ্চ হৃদয়ে শিৱঃ ॥

ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ ঐক্য প্ৰতিপাদন কৰি পুৰাণত কৈছে :

একমূৰ্তিস্ত্ৰয়োদেৱাঃ ব্ৰহ্মাবিষ্ণুমহেশ্বৰাঃ।
ত্ৰয়াণামন্তৰং নাস্তি, গুণভেদাঃ প্ৰকীৰ্তিতাঃ ॥

স্বৰ্গখণ্ডত দেৱ গন্ধৰ্ব, অপ্সৰা, যক্ষ আদি উৰ্ধলোকৰ কথাৰ লগতে শকুন্তলাৰ উপাখ্যানো কীৰ্তিত হৈছে। পাতাল খণ্ডত নাগলোকৰ বৰ্ণনা প্ৰতিপাদ্য বিষয়। উত্তৰ খণ্ডত অনেক বিচিত্ৰ আখ্যানৰ লগতে বিষ্ণুভক্তিৰ প্ৰশংসাও পোৱা যায়।

(৩) **বিষ্ণু পুৰাণ** : বৈষ্ণৱ গ্ৰন্থ হিচাপে বিষ্ণু পুৰাণৰ স্থান ভাগৱতৰ পাছতে। পুৰাণখন ছটা 'অংশ'ত ( খণ্ড পৰ্যায়ত ) বিভক্ত। সিবোৰত মুঠ ১২৬ টা অধ্যায় আছে। ইয়াত ২৩০০০ শ্লোক আছে। ৪ৰ্থ অংশটো গদ্যময়। ১ম অংশত সৃষ্টি, ২য় অংশত ভূগোল, ৩য় অংশত আশ্ৰমব্যৱস্থা, ৪ৰ্থ অংশত বংশানুচৰিত, ৫ম অংশত মূলতঃ কৃষ্ণচৰিত আৰু ৬ষ্ঠ অংশত প্ৰলয় আৰু ভক্তিবিষয়ক কথা পোৱা যায়। ইয়াতো শিৱ-বিষ্ণুৰ অভেদ কল্পনা চকুত পৰে।

(৪) **বায়ু পুৰাণ** : এই পুৰাণক অতি পুৰণি বুলি কোৱা হয়। মহাভাৰততো ( ৩।১৯১।১৬ ) ইয়াৰ উল্লেখ আছে। ইয়াত ১১০০০ শ্লোক আৰু ১১২ অধ্যায় আছে। পুৰাণখন বিষয়ানুসৰি চাৰিভাগত বিভক্ত : (১) প্ৰক্ৰিয়াপাদ ( অধ্যায় ১—৬ ), (২) উপোদ্ঘাত ( ৭—৬৪ ), (৩) অনুষঙ্গপাদ ( ৬৫—৯৯ ) আৰু উপসংহাৰ পাদ ( ১০০—১১২ )। এনে বিভাজন পুৰণি বুলি জনা যায়। ইয়াত সৃষ্টি প্ৰকৰণ, আশ্ৰম-ব্যৱস্থা, প্ৰাচীন ভূগোল, যুগ, যজ্ঞ, ঋষি, তীৰ্থাদি বিষয়ৰ চৰ্চা হৈছে। ইয়াত প্ৰাপ্ত বংশচৰিত আৰু শ্ৰাদ্ধকল্পৰ বিশেষ মহত্ত্ব আছে। ভূগোল, বুৰঞ্জী আৰু সমাজতত্ত্বৰ ছাত্ৰৰ বাবে এই পুৰাণত মূল্যবান সমল আছে। ইয়াত শৈৱমত, বৈষ্ণৱবাদ আৰু যোগশাস্ত্ৰৰো চৰ্চা হৈছে।

(৫) **শ্ৰীমদ্ভাগৱৎ পুৰাণ** : এই পুৰাণ উত্তম ভক্তি-শাস্ত্ৰৰূপে ভাৰতত জনপ্ৰিয়। ইয়াৰ বাৰটা স্কন্ধত মুঠ ১৮০০০ শ্লোক সংকলিত হৈছে। ১ম স্কন্ধত ভক্তি-প্ৰশ্ন আৰু পৰীক্ষিত বৰ্ণন পোৱা যায়। ২য় স্কন্ধত শুকৰ শাস্ত্ৰ বৰ্ণনা, ৩য় স্কন্ধত বিবিধ আখ্যানোপাখ্যান, ( ব্ৰহ্মোৎপত্তি, সৃষ্টি, ৰুদ্ৰ, মৰীচি, পৃথিৱী, সৰস্বতী, স্বায়ম্ভুৱ আদিৰ উৎপত্তি, কৰ্দম-দেৱাহুতিৰ আখ্যান ), ৪ৰ্থ স্কন্ধত মনুবংশ কথা, ৫মত প্ৰিয়ব্ৰত, আগ্নীধ্ৰ, নাভি, ঋষভদেৱ, জড়ভৰত আদিৰ উপাখ্যান, ৬ষ্ঠ স্কন্ধত অজামিল বিপ্ৰ, বিশ্বৰূপ-বৃত্ৰবধাখ্যান, ৭ম স্কন্ধত প্ৰহ্লাদৰ চৰিত, আশ্ৰমব্যৱস্থা, ৮ম স্কন্ধত মন্বান্তৰ কথা, গ্ৰাহগজেন্দ্ৰ কথা, সমুদ্ৰমন্থন, বামনাৱতাৰ, বলিচলন, মৎস্যাৱতাৰ কথিত হৈছে। ৯ম স্কন্ধত সোম আৰু সূৰ্যাৰ বংশৰ-চৰিত বৰ্ণিত হৈছে। দশম স্কন্ধত কৃষ্ণ লীলাৰ সবিশেষ পোৱা যায়। ১১শ স্কন্ধত যদুবংশ নাশ, অৱধূত চৰিত, ভক্তি, সৎসঙ্গতি, বৃদ্ধোপদেশ, অষ্টাদশসিদ্ধি আদি অনেক

বিচিত্র কথা পোৱা যায়। ১২শ স্কন্ধত ৰাজবংশ বৰ্ণনা, কলিদোষ, পৰীক্ষিতমোক্ষ, সৰ্পযজ্ঞ, বেদবিভাগ, মহাপুৰুষৰ লক্ষণ আদি প্ৰকীৰ্ণ বিষয় চৰ্চিত হৈছে।

অনেক টীকা-ভাষ্যৰে অলংকৃত ভাগৱত মধ্বসকলৰ বাবে ৪ৰ্থ প্ৰস্থান আৰু ভাগৱত বৈষ্ণৱ পন্থৰ প্ৰতিপাদক গ্ৰন্থৰূপে সুখ্যাত। ই ভক্তিশাস্ত্ৰৰূপে মোক্ষপ্ৰাপ্তিৰ দ্বাৰস্বৰূপ বুলি বৈষ্ণৱসকলৰ মাজত সমাদৃত।

(৬) **নাৰদীয় পুৰাণ :** এই পুৰাণ দুভাগত বিভক্ত : ১ম ভাগত ১২৫ অধ্যায় আৰু দ্বিতীয় ভাগত ৮২ অধ্যায় আছে। ই মুঠ ২৫,০০০, শ্লোকৰ সংগ্ৰহ। বৰ্ণাশ্ৰম, শ্ৰাদ্ধকল্পৰ উপৰিও ইয়াত ব্যাকৰণ, নিৰুক্ত, ছন্দাদি বেদাঙ্গৰ চৰ্চাও কৰা দেখা যায়। বিবিধ মন্ত্ৰ আৰু স্তোত্ৰৰ ই আকৰ। ২য় ভাগত অনেক অধ্যায়ত বৈষ্ণৱ ৰুক্মাঙ্গদচৰিত বৰ্ণিত হৈছে। ইয়াত ওঠৰখন পুৰাণৰ বিষয় সূচী পোৱা যায়। ইয়াক অৰ্বাচীন বুলি ভবা হয়।

(৭) **মাৰ্কণ্ডেয় পুৰাণ :** পৰিমাণত স্বল্পকায় এই পুৰাণত ৯০০০ শ্লোক আছে আৰু ই ১৩৭ অধ্যায়ত বিভক্ত। ইয়াক মহাভাৰত ভাষ্য আৰু খিল অংশ যেন লাগে। মহাভাৰতৰ অনেক কথাৰ চৰিত-চৰ্বন ইয়াত হৈছে। এই পুৰাণত হৰিশ্চন্দ্ৰ, বিশ্বামিত্ৰ, মদালসা, অত্ৰি-অনসূয়া, সোম-দত্তাত্ৰেয়-দুৰ্বাসা প্ৰভৃতিৰ আখ্যান বৰ্ণিত হোৱাৰ উপৰিও যোগতত্ত্ব, সৃষ্টিতত্ত্ব আৰু ব্ৰহ্মাদিৰ আয়ুতত্ত্ব প্ৰশংসিত হৈছে। কিন্তু ইয়াৰ বিশেষত্ব শ্ৰীচণ্ডী নামে খ্যাত দুৰ্গা সপ্তশতীৰ মাজতহে প্ৰকাশিত হৈছে। ই শাক্ত পন্থৰ প্ৰামাণ্য গ্ৰন্থ।

(৮) **অগ্নিপুৰাণ :** এই পুৰাণখন সমস্ত ভাৰতীয় বিদ্যাসমূহৰ সংক্ষিপ্ত বিশ্বকোষ বোলা হয়। ( আনন্দাশ্ৰমৰপৰা প্ৰকাশিত ) অগ্নিপুৰাণত প্ৰায় চাৰে-এঘাৰ হেজাৰ শ্লোক আছে। গ্ৰন্থখন ৩৮৩ অধ্যায়ত বিভক্ত। ইয়াত বিষ্ণুৰ অৱতাৰসমূহৰ চমু বিৱৰণ আৰু ৰামায়ণ মহাভাৰতৰ সংক্ষিপ্তসাৰ বৰ্ণনা কৰাৰ উপৰিও অনেক দেৱ দেৱীৰ প্ৰতিষ্ঠা, পূজা, স্তোত্ৰ, প্ৰতিমালক্ষণ আদি বিবৃত হৈছে। তীৰ্থ, দান আৰু ব্ৰতকথাত কোৱা হৈছে। জ্যোতিষ, ধৰ্মশাস্ত্ৰ, ৰাজনীতি, আয়ুৰ্বেদ, ধনুৰ্বেদ স্ত্ৰী-পুৰুষ ৰত্নাদিৰ লক্ষণ, বাস্তুকলা, ছন্দ, অলংকাৰ, নাট্য-নৃত্য-সাহিত্যবিষয়ক তথ্যপাতি ইয়াত পোৱা যায়। শেষৰফালে ব্ৰহ্মজ্ঞান, অদ্বৈত, গীতাদিৰ সাৰকথা বৰ্ণিত হৈছে। সেইবাবে এই পুৰাণে ( ৩৮৩.৫২ ) দাবী কৰি কয় :

'আগ্নেয়ে হি পুৰাণেঽস্মিন্ সৰ্বাঃ বিদ্যাঃ প্ৰদৰ্শিতাঃ।'

(৯) **ভৱিষ্য পুৰাণ :** এই পুৰাণত ভৱিষ্যৎকালত ঘটিবলগীয়া সাম্ভাৱ্য ঘটনাৰ বিষয়ে চিন্তা-চৰ্চা কৰা হৈছে। ইয়াৰ গাত লাগি ইয়াত অনেক কথা প্ৰক্ষিপ্ত হৈছে। নাৰদপুৰাণৰ মতে ই পাঁচটা পৰ্বত বিভক্ত—(১) ব্ৰহ্মপৰ্ব, (২) বিষ্ণুপৰ্ব, (৩) শিৱপৰ্ব (৪) সূৰ্যপৰ্ব আৰু (৫) প্ৰতিসৰ্গপৰ্ব। ইয়াৰ শ্লোক সংখ্যা ১৪০০০। এই পুৰাণতো সূৰ্য পূজাৰ সবিশেষ বিৱৰণ দিছে।

(১০) **ব্ৰহ্মবৈৱৰ্ত পুৰাণ :** ব্ৰহ্মবৈৱৰ্তৰ শ্লোক সংখ্যা ১৮০০০। গ্ৰন্থখন চাৰিখণ্ড বিভক্ত—(১) ব্ৰহ্মখণ্ড, (২) প্ৰকৃতিখণ্ড, (৩) গণপতিখণ্ড আৰু (৪) কৃষ্ণজন্মখণ্ড।



মুঠতে ২৭৬টা অধ্যায় আছে। প্ৰতিটো খণ্ড অন্বৰ্থসংজ্ঞক। ব্ৰহ্মখণ্ডত সৃষ্টি, প্ৰকৃতি খণ্ডত দুৰ্গা, লক্ষ্মী, সৰস্বতী, সাবিত্ৰী, ৰাধা আদি প্ৰকৃতি, গণেশ খণ্ড গণপতিৰ চৰিত আৰু কৃষ্ণজন্মখণ্ডত হৰিবংশ, ভাগৱত আৰু পুৰাণোক্ত কৃষ্ণাৱতাৰ ব্যাপকভাৱে বৰ্ণিত হৈছে। অনেক স্তোত্ৰ আৰু তীৰ্থ মাহাত্ম্যৰ বাবে ইয়াৰ মহত্ত্ব বাঢ়িছে।

(১১) **লিঙ্গপুৰাণ :** শিৱলিঙ্গৰ উপাসনা বিহিত হোৱা বাবে পুৰাণখন লিঙ্গপুৰাণ নামে খ্যাত হৈছে :

'লিঙ্গস্য চৰিতোক্তত্বাৎ পুৰাণং লিঙ্গমুচ্যতে।'

এই পুৰাণো অপেক্ষাকৃত স্বল্পকায়। ইয়াত মাত্ৰ ১৬৩টা অধ্যায়ত মুঠ ১১০০০ শ্লোক সংগৃহীত হৈছে। ই আকৌ দুভাগত বিভক্ত—(১) পূৰ্বভাগ আৰু উত্তৰভাগ। ইয়াত ভগৱান শঙ্কৰে সৃষ্টিৰ বৰ্ণনা কৰিছে আৰু তেওঁৰ ২৮ অৱতাৰৰ বিৱৰণ পোৱা যায়। লগতে অনেক শৈৱব্ৰত আৰু তীৰ্থৰ বৰ্ণনাও পোৱা যায়। উত্তৰভাগত পশু, পাশ আৰু পাশুপাত্যৰ ব্যাখ্যা কৰা হৈছে।

(১২) **ৰাৰাহ পুৰাণ :** বৰাহৰূপী বিষ্ণু এই পুৰাণৰ প্ৰবক্তা। এই পুৰাণৰ ২১৮টা অধ্যায়ত ২৪০০০ শ্লোক আছে। গৌড়ীয় আৰু দাক্ষিণাত্য ভেদে ইয়াৰ দুটি পাঠভেদ পোৱা যায়। ই এখন বৈষ্ণৱ পুৰাণ। ইয়াত বিভিন্ন অৱতাৰেৰে জড়িত ব্ৰতৰ বৰ্ণনা কৰা হৈছে। পুৰাণৰ একাংশত ( অ° ১৫২—১৭২ ) মথুৰা তীৰ্থৰ বহল বৰ্ণনা পোৱা যায়।

(১৩) **স্কন্দপুৰাণ :** স্কন্দ কাৰ্তিকৰ নামেৰে নামাঙ্কিত এই পুৰাণ বিশালতম। ইয়াত ৮১০০০ শ্লোক পোৱা যায়। ই সংহিতা নামে ছয় বিভাগত বিভক্ত। একো সংহিতা একোখন পুৰাণ প্ৰমাণ বিস্তৃতিৰ। সিবোৰ যথাক্ৰমে (১) সনৎকুমাৰ, (২) সূত, (৩) শঙ্কৰ, (৪) বৈষ্ণৱ, (৫) ব্ৰাহ্ম আৰু (৬) সৌৰসংহিতা নামে জনাজাত। অন্য এটা বিভাজন মতে ই সাত খণ্ডত বিভক্ত : (১) মাহেশ্বৰখণ্ড, (২) বৈষ্ণৱখণ্ড, (৩) ব্ৰহ্মখণ্ড, (৪) কাশীখণ্ড, (৫) ৰেৱাখণ্ড, (৬) তাপীখণ্ড আৰু (৭) প্ৰভাস-খণ্ড। গ্ৰন্থখন অপূৰ্ণ কৈ উপলব্ধ। ইয়াৰ মাহেশ্বৰ খণ্ডত শিৱ-পাৰ্বতীৰ বিচিত্ৰ লীলা বৰ্ণিত হৈছে। বৈষ্ণৱখণ্ডত প্ৰভু জগন্নাথৰ মন্দিৰ, পূজাবিধি, প্ৰতিষ্ঠা আৰু সেই বিষয়ক আখ্যান বিবৃত হৈছে। দুভাগত বিভক্ত ব্ৰহ্মখণ্ডত ক্ৰমে ধৰ্মাৰণ্যৰ স্থান মাহাত্ম্য আৰু উজ্জয়িনীস্থ মহাকালৰ পূজা-প্ৰতিষ্ঠা বিষয়ক বৰ্ণনা দিছে। কাশীখণ্ড কাশীৰ যাৱতীয় বৰ্ণনা, ৰেৱাখণ্ডত নৰ্মদাতীৰ্থৰ বিৱৰণ, শিৱলিঙ্গ মাহাত্ম্য, তাপীখণ্ডত তাপীনদীৰ উৎপত্তি আৰু সেইতীৰ্থৰ বৰ্ণনা আৰু প্ৰভাসখণ্ডত প্ৰভাসতীৰ্থৰ বিস্তৃত বিৱৰণ বৰ্ণিত হৈছে। বিভিন্ন ঠাইৰ ঐতিহাসিক আৰু ভৌগোলিক বিৱৰণে পুৰাণখনক মহত্ত্ব দান কৰিছে।

(১৪) **বামন পুৰাণ :** বিষ্ণুৰ বামনাৱতাৰ ইয়াৰ এক প্ৰতিপাদ্য বিষয়, সেয়ে ইয়াৰ নাম পুৰাণ। ইয়াৰ ৯৫টা অধ্যায়ত মুঠ ১০,০০০ শ্লোক আছে। বামনাৱতাৰৰ সবিশেষ কথাৰ লগতে ইয়াত শিৱৰ মাহাত্ম্য কথা, কাত্যায়নী দুৰ্গাৰ মাহাত্ম্য, গণেশ আৰু কাৰ্তিকৰ উৎপত্তি কথিত হৈছে। তীৰ্থ মাহাত্ম্যও ইয়াত বৰ্ণিত হৈছে।

(১৫) **কূৰ্মপুৰাণ :** এই পুৰাণৰ ভিতৰুৱা সাক্ষ্যৰপৰা জনা যায় যে পূৰ্বতে ইয়াৰ চাৰিখন সংহিতা আছিল : (১) ব্ৰাহ্মী, (২) ভাগৱতী, (৩) সৌৰী, আৰু (৪) বৈষ্ণৱ সংহিতা। সম্প্ৰতি প্ৰথম সংহিতাহে উপলব্ধ আৰু কূৰ্মপুৰাণ বুলি খ্যাত হৈছে। ইয়াত প্ৰায় ১৮,০০০ শ্লোক থাকিব লাগিছিল যদিও, উপলব্ধ ব্ৰাহ্মী সংহিতাত ৬,০০০ শ্লোকহে আছে। কূৰ্মৰূপী ভগৱান বিষ্ণুৱে ইন্দ্ৰদ্যুম্ন ৰজাক ইয়াৰ বৃত্তান্তসমূহ শুনাইছিল। অধিকাংশতে শিৱই মুখ্য দেৱতাৰূপে বিষয়-বস্তু। ইয়াতো শিৱ, বিষ্ণু আৰু ব্ৰহ্মাৰ সমন্বয় কথিত হৈছে। শক্তি পূজাৰ ওপৰতো গুৰুত্ব দান কৰিছে। পুৰাণখন দুভাগত বিভক্ত। ১ম ভাগৰ ৫২টা অধ্যায়ত সৃষ্টি প্ৰকৰণ, পাৰ্বতীৰ তপশ্চৰ্য্যা, কাশী আৰু প্ৰয়াগৰ মাহাত্ম্য গোৱা হৈছে। ২য় ভাগত ভগৱদ্গীতাৰ আৰ্হিত ঈশ্বৰগীতা আৰু ব্যাসগীতা গীত হৈছে।

(১৬) **মৎস্যপুৰাণ :** ইও অন্যতম বিশাল পুৰাণ। ইয়াৰ ২৯১ অধ্যায়ত মুঠ ১৫,০০০ শ্লোক আছে। মন্বান্তৰ, পিতৃলোক, শ্ৰাদ্ধকল্প, বংশানুচৰিত, ব্ৰতকথা আদি ইয়াৰ বৰ্ণনীয় বিষয়। ভগৱান শংকৰৰ ত্ৰিপুৰদাহ, কাৰ্তিকেয়ৰ তাৰক বধো ইয়াত বৰ্ণিত হৈছে। মৎস্যাৱতাৰ কথিত হোৱা বাবেই পুৰাণৰ নাম মৎস্যপুৰাণ ৰখা হৈছে। ঋষিবংশ বৰ্ণন, ৰাজধৰ্ম বৰ্ণন, প্ৰতিমা লক্ষণ আদিত ইয়াত আছে। ইও অন্যতম প্ৰাচীন পুৰাণ আৰু ই ভূগোল আৰু ইতিহাসৰ ছাত্ৰৰ বাবে অৱশ্য পাঠ্য। ইয়াত পোৱা ঋষিসকলৰ গোত্ৰ-প্ৰৱৰ শ্ৰৌতসূত্ৰানুযায়ী।

(১৭) **গৰুড়পুৰাণ :** ইয়াৰ কথাভাগ বিষ্ণুৱে গৰুড়ক কৈ শুনাইছিল। ইয়াৰ অধ্যায়ৰ সংখ্যা ২৬৪ আৰু শ্লোক সংখ্যা ১৮,০০০। পুৰাণখন দ্বি বিভক্ত। বিষ্ণুৰ মাহাত্ম্যৰ লগতে ৰত্নপৰীক্ষা, ৰাজনীতি, আয়ুৰ্বেদ, ঔষধিবিদ্যা, পশুচিকিৎসা, বুদ্ধি পৰিষ্কৰণ, ছন্দশাস্ত্ৰ, সাংখ্যযোগ আৰু গীতাৰ সাৰাংশ কথিত হৈছে। দ্বিতীয় খণ্ড প্ৰেতকল্প নামে জনাজাত। জীৱৰ অৱস্থা, নৰকাদি অনেক বিষয় ইয়াত বৰ্ণিত হৈছে।

(১৮) **ব্ৰহ্মাণ্ডপুৰাণ :** এই পুৰাণ পূৰ্ব, মধ্যম, আৰু উত্তৰ এই তিনিভাগত বিভক্ত। পূৰ্বভাগত সোমাই আছে প্ৰক্ৰিয়া আৰু অনুষঙ্গভেদে দুই পাদ। মধ্যমভাগত উপোদ্ঘাত আৰু উত্তৰ ভাগত উপসংহাৰপাদ সামৰা হৈছে। ইয়াৰ মুঠ শ্লোক সংখ্যা ১২০০০ বুলি কোৱা হৈছে। পুৰাণৰ প্ৰক্ৰিয়াপাদত সৃষ্টি কথন, অনুষঙ্গপাদত মন্বান্তৰ, পৌৰাণিক ভূগোল, ঋষিসৰ্গ আদি বৰ্ণিত হৈছে। উপোদ্ঘাতপাদত পিতৃকল্প, শ্ৰাদ্ধকল্প বিস্তৃতকৈ বৰ্ণাইছে। বংশানুচৰিত, ঋষিবংশ আদিও বিবৃত হৈছে। উপসংহাৰ পাদত প্ৰলয় কথা প্ৰতিপাদিত হৈছে। পৰিশিষ্টত ললিতাৰ উপাখ্যান আৰু কামাক্ষীৰ মাহাত্ম্য পোৱা যায়।

**কাল :** পুৰাণসমূহৰ কাল নিৰ্ণয় সহজে সম্ভৱ নহয়। ইবোৰ এক ব্যাপক কালত ৰচিত হৈছিল। অন্তৰঙ্গ আৰু বহিৰঙ্গ সাক্ষ্য প্ৰমাণৰ ভেটিত বলদেব উপাধ্যায়ে ( পুৰাণ বিমৰ্শত ) পুৰাণসমূহৰ কাল নিৰ্ণয় কৰিছে। তেওঁকাল অনুসৰি পুৰাণসমূহক ৩টা শ্ৰেণীত বিভক্ত কৰিছে। তাৰে প্ৰথম শ্ৰেণীৰ কাল খৃষ্টীয় প্ৰথম শতিকাৰ পৰা ৪০০ খৃষ্টাব্দলৈ।



বায়ু, ব্ৰহ্মাণ্ড, মাৰ্কণ্ডেয়, মৎস্য আৰু বিষ্ণু এই কালাবধিত পৰে। মধ্যম শ্ৰেণীভুক্ত হৈছে শ্ৰীমদ্ভাগৱৎ পুৰাণ, কূৰ্ম, স্কন্দ, পদ্মপুৰাণ আৰু ইবোৰ কাল খৃ° ৫০০-৯০০ অব্দৰ ভিতৰত। অৰ্বাচীন শ্ৰেণীভুক্ত পুৰাণবোৰ হৈছে ব্ৰহ্মবৈবৰ্ত, ব্ৰহ্ম, লিঙ্গ আদি। ইবোৰৰ কাল খৃষ্টীয় ৯০০-১০০০ অব্দৰ ভিতৰত হ'ব।

**উপপুৰাণসমূহ :**

ওঠৰখন মহাপুৰাণৰ উপৰিও ওঠৰখন উপপুৰাণৰ অস্তিত্বৰ কথা জনা যায়। কিন্তু এনে পুৰাণৰ সংখ্যা ওঠৰতে আৱদ্ধ নাথাকি ত্ৰিশখন হৈছে গৈ। উক্ত পুৰাণসমূহৰ মাথোন নাম বোৰহে পঢ়ুৱৈৰ অৱগতিৰ বাবে উল্লেখ কৰিলোঁ :

(১) সনৎকুমাৰ, (২) নৰসিংহ, (৩) বৃহন্নাৰদীয়, (৪) শিৱধৰ্ম, (৫) দুৰ্বাস, (৬) কপিল, (৭) মানৱ, (৮) উশনস, (৯) ৱাৰুণ, (১০) কালিকা, (১১) সাম্ব, (১২) নন্দিকেশ্বৰ, (১৩) সৌৰ, (১৪) পৰাশৰ, (১৫) আদিত্য, (১৬) ব্ৰহ্মাণ্ড, (১৭) মাহেশ্বৰ, (১৮) ভাগৱত, (১৯) বসিষ্ঠ, (২০) কৌৰ্ম, (২১) ভাৰ্গৱ, (২২) আদি, (২৩) মদ্গল, (২৪) কল্কি,, (২৫) দেৱী, (১৬) মহাভাগৱত, (২৭) পৰমানন্দ, (২৯) পশুপতি আৰু (৩০) হৰিবংশ।

---

# দ্বিতীয় অধ্যায়

## প্ৰাক্-কালিদাস যুগ

### অশ্বঘোষ

মহাকৱি অশ্বঘোষৰ জীৱন সম্বন্ধে ভাৰতীয় পৰম্পৰাতকৈ চীন আৰু তিব্বতীয় পৰম্পৰাই অধিক সমল যোগাইছে। কাৰণ কৱিজনৰ অধিকখিনি গ্ৰন্থ চীনা আৰু তিব্বতীয় অনুবাদতে সুৰক্ষিত আছে।

অশ্বঘোষৰ প্ৰকৃত নাম জনা নাযায়। বৌদ্ধধৰ্মত দীক্ষিত হোৱাৰ পাছতহে তেওঁ অশ্বঘোষ নামে জনাজাত হয়। জন্মৰ সময়ত ঘোঁৰাশালৰ ঘোঁৰাবোৰে চেঁহেঁহনি তুলিছিল কাৰণে তেওঁৰ নাম অশ্বঘোষ ৰখা হৈছিল বুলি কোৱা হয়। তেওঁৰ মুখত মধুৰ ধৰ্মবাণী শুনি ঘোঁৰাবোৰে আনন্দতে চেঁহেঁচাই ছিল বুলি তেওঁৰ নাম অশ্বঘোষ হোৱা কথাও কোৱা শুনা যায়।

পৰম্পৰা মতে অশ্বঘোষ এজন গুণী সংগীতজ্ঞ আছিল। তেওঁ সাকেত বা অযোধ্যা নিবাসী আছিল। তেওঁৰ পিতৃৰ নাম জনা নাযায় কিন্তু তেওঁৰ মাতৃৰ নাম 'সুবৰ্ণাক্ষী' আছিল বুলি জনা যায়।

বেচ ডেকা বয়সতে অশ্বঘোষে মহাকৱিৰূপে খ্যাতি লাভ কৰে। যুৱকসকলে হেনো তেওঁ ৰচনা কৰা প্ৰেমৰ কৱিতা আবৃত্তি কৰি আনন্দ লাভ কৰিছিল। তেওঁ একেধাৰে সংগীতজ্ঞ, নাট্যকাৰ আৰু অভিনেতা আছিল।

তেওঁ বৌদ্ধ সন্ন্যাসী পাৰ্শ্বৰ হাতত তৰ্কত পৰাস্ত হৈ তেওঁৰ শিষ্যত্ব স্বীকাৰ কৰে। অন্য মতানুসৰি তেওঁ পাৰ্শ্বৰ শিষ্য পুণ্যযশসৰহে শিষ্য আছিল। মগধলৈ গৈ তেওঁ তাৰ বৌদ্ধ মহাসাংঘিক সম্প্ৰদায়ৰ বিদ্বানসকলৰ মাজত প্ৰতিষ্ঠা লাভ কৰে। পুৰুষপুৰৰ সম্ৰাট কণিষ্কই অশ্বঘোষক পাটলিপুত্ৰৰপৰা লগত নি তেওঁৰ ওচৰত শিষ্যত্ব গ্ৰহণ কৰিছিল। জীৱনৰ অন্তিম কাললৈকে তেওঁ গান্ধাৰতে থাকে।

**কাল :**—অশ্বঘোষৰ আৱিৰ্ভাৱ হৈছিল খৃষ্টীয় ১ম শতিকাত ইয়াৰ প্ৰমাণ হিচাপে তলৰ কথা কেইটা তুলি ধৰা হয় :

(১) চীনৰ পৰম্পৰা অনুসৰি অশ্বঘোষ কণিষ্কৰ ৰাজগুৰু আছিল। (২) বৈভাষিক সম্প্ৰদায়ৰ 'বিভাষা' নামে ভাষ্যগ্ৰন্থ ৰচনা কৰিবলৈ কণিষ্কই কাশ্মীৰত আয়োজন কৰা ৪ৰ্থ বৌদ্ধ সঙ্গীতিত অশ্বঘোষে অধ্যক্ষতা কৰিছিল (৩) খৃ° ৫ম শতিকা মানতে অশ্বঘোষৰ 'বুদ্ধচৰিত' চীনা ভাষাত অনূদিত হৈছিল। সেয়ে হ'লে পুথিখন চীনদেশ পাবলৈ পুথিখন যথোচিত সময়ৰ আৱশ্যক হৈছিল। (৪) আকৌ মধ্য এচিয়াত প্ৰাপ্ত অশ্বঘোষৰ শাৰিপুত্ৰ-প্ৰকৰণৰ আধাৰত লুডাৰ্চেও প্ৰমাণ কৰিবলৈ বিচাৰে যে ইয়াৰ ৰচকজন কণিষ্ক বা হবিষ্কৰ



সমসাময়িক আছিল। (৫) সমালোচকসকলে মাতৃচেতকৰ 'শতপঞ্চাশিকা'ৰ ওপৰত অশ্বঘোষৰ প্ৰভাৱ পৰা কথা স্বীকাৰ কৰে। মাতৃচেতক কণিষ্কৰ সমকালীন বুলিও কোৱা হয়। সেয়ে হ'লেও অশ্বঘোষ মাতৃচেটতকৈ বয়োজ্যেষ্ঠ সমকালীন কৱি আছিল। (৬) অশ্বঘোষৰ বুদ্ধচৰিতৰ ২৮শ সৰ্গৰ অন্তত মৌৰ্যবংশৰ গৌৰৱ অশোকে নিৰ্মাণ কৰা স্তূপৰ উল্লেখ আছে। গতিকে অশ্বঘোষ সম্ৰাট অশোকৰ ( ২৭৩-২৩২ খৃ° পূ° ) পৰবৰ্তী কৱি আছিল। এনেবোৰ প্ৰামাণ্যৰ ওপৰত ভেটি কৰি অশ্বঘোষক খৃষ্টীয় ১ম শতিকাৰ কৱি হিচাপে ঠাৱৰ কৰা হয়।

**অশ্বঘোষৰ কীৰ্তিসমূহ :** চীনা পৰিব্ৰাজক ইট্‌সিঙৰ মতে অশ্বঘোষে বৌদ্ধদৰ্শনৰ ওপৰত চাৰিখন গ্ৰন্থ ৰচনা কৰিছিল। সেয়া হ'ল : (১) মহাযানশ্ৰদ্ধোৎপাদন সংগ্ৰহ, (২) বজ্ৰসূচী, (৩) গণ্ডীস্তোত্ৰব্যাখ্যা আৰু (৪) সূত্ৰালংকাৰ। ইয়াৰোপৰি তেওঁ সৌন্দৰানন্দ আৰু বুদ্ধচৰিত নামে দুখন মহাকাব্য আৰু শাৰিপুত্ত প্ৰকৰণ, ৰাষ্ট্ৰপাল আৰু উৰ্বশীবিয়োগ নামে তিনিখন নাটকো ৰচনা কৰে।

(১) **মহাযানশ্ৰদ্ধোৎপাদন সংগ্ৰহ :** জাপানী পণ্ডিত সুজুকীয়ে অশ্বঘোষকেই এই গ্ৰন্থৰ ৰচয়িতা বুলি কয়। তেওঁৰ মতে অশ্বঘোষৰ গ্ৰন্থত পোৱা শূন্যবাদৰ ধাৰণাৰ ওপৰত খৃ° পূ° ১ম শতিকাৰ পূৰ্বে ৰচিত 'অষ্টসাহস্ৰিকাপ্ৰজ্ঞাপাৰমিতা'ৰ প্ৰভাৱ পৰা সম্ভৱ। ইয়াৰ ওপৰত নাগাৰ্জুনৰ প্ৰভাৱ পৰা কথা তেওঁ অস্বীকাৰ কৰে।

(২) **বজ্ৰসূচী :** চীনাসকলে ইয়াৰ ওপৰত অশ্বঘোষৰ কতৃ্ৰ্ত্ব অস্বীকাৰ কৰিছে যদিও পণ্ডিত ৰাহুল সাংস্কৃত্যায়নে এই গ্ৰন্থৰ ওপৰত অশ্বঘোষৰ কতৃ্ৰ্ত্ব দাবী কৰিছে। ইয়াত শ্ৰুতি, স্মৃতি, মহাভাৰত আদিৰ উদ্ধৃতিৰ ভেটি বৰ্ণাশ্ৰমব্যৱস্থাৰ কঠোৰ সমালোচনা কৰা হৈছে।

(৩) **সূত্ৰালংকাৰ :** ইয়াৰ কতৃ্ৰ্ত্বলৈও বিবাদ আছে। পণ্ডিত লুডাৰ্চৰ মতে কুমাৰলব্ধৰ ৰচনা। কিন্তু ৪০৫ খৃষ্টাব্দত এই গ্ৰন্থৰ চীনা অনুবাদকৰ্তা কুমাৰজীৱই ইয়াক অশ্বঘোষৰ ৰচনা বুলিহে কৈছে। জাতক-অবদানাদিৰ লেখিয়া এই গ্ৰন্থ।

(৪) **গণ্ডীস্তোত্ৰব্যাখ্যা :** বৌদ্ধবিহাৰত বাদন কৰো গণ্ডী বাদ্যৰ মধুৰ স্বৰৰ সুন্দৰ ব্যাখ্যাসমৃত এই পুথিৰো ৰচক হিচাপে অশ্বঘোষলৈ আঙুলিওৱা হৈছে।

(৫) **শাৰিপুত্ত্ৰপ্ৰকৰণ :** পণ্ডিত লুডাৰ্চে মধ্য এচিয়াৰ তুৰ্ফান নামে ঠাইত তালপত্ৰত ৰচিত এই নাটকৰ খণ্ডিত পাণ্ডুলিপি আৱিষ্কাৰ কৰিছে। উপলব্ধ অংশৰপৰা ই এখন প্ৰকৰণ শ্ৰেণীৰ ৰূপক বুলি বুজা যায়। মৃচ্ছকটিকৰদৰে ইয়াতো বিট, বেশ্যা, বিদূষক, চোৰ, জুৱাৰী আৰু মদাহী চৰিত্ৰ চিত্ৰিত হৈছে। পিছে, ইয়াৰ কথাভাগ বৌদ্ধধৰ্মৰসৈতে জড়িত। গৌতম বুদ্ধৰ ওচৰত শাৰিপুত্ত আৰু মৌদ্গলায়নে শৰণ লোৱা কাহিনী ইয়াত চিত্ৰিত হৈছে।

নাটকৰ আদিতে অশ্বজিতৰে সাক্ষাৎ কৰাৰ পাছত শাৰিপুত্তই বন্ধু বিদূষকৰেসৈতে বুদ্ধ সম্বন্ধে কথা পাতে। তেতিয়া বিদূষকে তেওঁক সোঁৱৰাই দি কয় যে তেওঁ জাতত

ব্ৰাহ্মণ হৈ এতিয়া ক্ষত্ৰিয় বুদ্ধৰ ওচৰত উপদেশ গ্ৰহণ কৰাটো উচিত নহ'ব। কিন্তু শাৰিপুত্ৰই বিদূষকৰ কথা মানি নললে। উত্তৰত তেওঁ কলে, 'যিদৰে পানীৰে তাপ শাঁও পৰে সিদৰে তলথাপৰ বৈশ্যলোকে দিয়া ঔষধ খালেও বেমাৰীৰ উপকাৰ হয়।' তাৰ পাছতে মৌদ্গালায়নে শাৰিপুত্ৰক লগ ধৰি তেওঁৰ প্ৰসন্নতাৰ কাৰণ অৱগত কৰে। তেৱোঁ বুদ্ধৰ প্ৰভাৱত পৰিছে। তেওঁলোক দুয়ো বুদ্ধৰ ওচৰলৈ যায়। বুদ্ধই তেওঁলোকক শিষ্যৰূপে গ্ৰহণ কৰে। পাছত শাৰিপুত্ৰ আৰু বুদ্ধৰ মাজত বৌদ্ধদৰ্শনৰ ওপৰত কথাবতৰা হয়।

অন্য নাটক দুখনৰ সবিশেষ জনা নাযায়।

**মহাকাব্য : (৬) বুদ্ধ চৰিত :** বুদ্ধ চৰিত এখন ২৮টা সৰ্গৰে মহাকাব্য। ইয়াৰ উপজীব্য বিষয় হৈছে গৌতমবুদ্ধৰ জীৱন কথা, তেওঁৰ উপদেশামৃত আৰু সিদ্ধান্তসমূহৰ বৰ্ণনা। ধৰ্মৰক্ষ নামে ভাৰতীয় ভিক্ষু এজনে ( ৪১৪—২১ খৃ° ) ইয়াক চীনা ভাষালৈ অনুবাদ কৰে। পাছত খৃ° ৭ম—৮ম শতিকাত তিব্বতীয় ভাষালৈও অনূদিত হয়। ইট্‌সিঙে ইয়াক বৃহদাকাৰৰ গ্ৰন্থ বুলি কৈ গ'লেও সংস্কৃত সংস্কৰণত ১৭টা সৰ্গহে দেখা যায়। তাৰো শেষৰ চাৰি সৰ্গ উনৈশ শতিকাত অমৃতানন্দই যোগ দিয়া। হৰপ্ৰসাদ শাস্ত্ৰীয়ে সম্পাদনা কৰা গ্ৰন্থত মাত্ৰ ১৪টা সৰ্গ আছে। ইয়াৰো ১ম সৰ্গ অসম্পূৰ্ণ।

বুদ্ধচৰিতৰ ১—৫ সৰ্গত বুদ্ধৰ জন্মৰপৰা অভিনিষ্ক্ৰমণ পৰ্যন্ত কথাভাগ বৰ্ণিত হৈছে। ৬—৭ সৰ্গত বুদ্ধই তপোবনত প্ৰৱেশ কৰাৰ বিৱৰণ পোৱা যায়। ৮ম সৰ্গত যশোধৰাৰ বিলাপৰ বৰ্ণনা কৰা হৈছে। ৯ম সৰ্গত সিদ্ধাৰ্থৰ অন্বেষণ বৰ্ণিত হৈছে। ১০ম সৰ্গত সিদ্ধাৰ্থৰ বুদ্ধত্ব প্ৰাপ্তি আৰু মগধ যাত্ৰা বৰ্ণনা কৰা হৈছে। ১১—১৩ সৰ্গত বৰ্ণনা কৰা হৈছে সাংসাৰিক মায়া-মোহৰ নিন্দা। ১৪শ সৰ্গত তেওঁৰ পূৰ্ণবুদ্ধত্ব লাভৰ বিৱৰণ দিয়া হৈছে। ইয়াৰ পিছৰ চোৱাত বুদ্ধৰ ধৰ্ম প্ৰচাৰ, শিক্ষা, উপদেশ, সংঘৰচনা আৰু অশোকৰ কাললৈকে বৌদ্ধধৰ্মৰ অৱস্থা বৰ্ণনা কৰা হৈছে।

**(৭) সৌন্দৰানন্দ :** সম্ভৱতঃ সৌন্দৰানন্দ বুদ্ধৰ প্ৰথম কাব্য প্ৰচেষ্টা আছিল। নেপালৰ ৰাজকীয় গ্ৰন্থাগাৰত প্ৰাপ্ত দুখন পাণ্ডুলিপিৰ আধাৰত হৰপ্ৰসাদ শাস্ত্ৰীয়ে বিব্লিউথেকা ইণ্ডিকা গ্ৰন্থমালাত এই গ্ৰন্থৰ পহিলা সংস্কৰণ এটি প্ৰকাশ কৰায়।

মহাকাব্যখন ১৮টা সৰ্গত বিভক্ত। ইয়াৰ প্ৰথম তিনিটা সৰ্গত সিদ্ধাৰ্থৰ জন্মৰপৰা বুদ্ধত্ব প্ৰাপ্ত হৈ কপিলাবস্তুলৈ উভতি অহালৈকে ঘটনাৰাজি বৰ্ণনা কৰা হৈছে। ৪ৰ্থ সৰ্গত বুদ্ধৰ বৈমাত্ৰেয় ভ্ৰাতা নন্দ আৰু সুন্দৰীৰ বিবাহোৎসৱ বৰ্ণনা কৰা হৈছে। নৱ-বিবাহিত দম্পতিৰ পাৰস্পৰিক আসক্তি আৰু ভিক্ষা কৰিবলৈ অহা বুদ্ধই নন্দৰ পদূলিৰপৰা প্ৰত্যাবৰ্তন কৰা ঘটনাও বিবৰি কোৱা হৈছে। তাৰ বাবে ৫ম সৰ্গত নন্দই কৰা অনুশোচনা আৰু বুদ্ধৰ ওচৰলৈ যোৱা কথা বৰ্ণনা কৰা হৈছে। বুদ্ধই নন্দক বৌদ্ধধৰ্মত দীক্ষা দিয়ে। ৬ষ্ঠ সৰ্গত পতিৰ বিৰহত সুন্দৰীয়ে কৰা বিলাপ বৰ্ণিত হৈছে। ৭ম সৰ্গত নন্দৰ মনত পত্নীৰ প্ৰতি ওপজা আসক্তি আৰু তেওঁৰ ওচৰলৈ উভতি যোৱাৰ ইচ্ছা বৰ্ণিত হৈছে। পিছৰ দুই সৰ্গত সহযোগী এজনে নন্দক দিয়া উপদেশ শুনা যায়। ১০ম-১১শ সৰ্গত নন্দৰ মনৰপৰা পত্নী-



আসক্তি গুচাবলৈ বুদ্ধই যোগবিদ্যাৰ বলত নন্দক আকাশ পথেৰে লৈ গৈ অপ্সৰাসকলক দেখুৱায়। তেতিয়া নন্দৰ পত্নী-বিয়োগ দুঃখ আঁতৰে। তেতিয়া বুদ্ধই নন্দক অপ্সৰা পাবলৈ তপস্যা কৰিবলৈ কয়। ১২শ সৰ্গত এজন ভিক্ষুৱে নন্দক জানিবলৈ দিয়ে যে তেওঁৰ তপস্যাৰ উদ্দেশ্যই তেওঁক আনৰ হাঁহিয়াতৰ পাত্ৰ কৰি তুলিছে। তাৰ পাছত নন্দৰ মন অৰ্হত্ব প্ৰাপ্তিৰ বাবে উন্মুক্ত হৈ পৰে। তেওঁ আনৰ কথালৈ পিঠিদি বুদ্ধৰ ওচৰত শৰণ লয়। ১৩-১৬ সৰ্গত বুদ্ধৰ উপদেশ আৰু আৰ্য সত্যসমূহৰ বৰ্ণনা কৰা হৈছে। ১৭শ-১৮শ সৰ্গত পৰমশান্তিৰ বাবে নন্দৰ তপস্যা, মাৰজয় আৰু বিগতমোহস্থিতিৰ বৰ্ণনা আছে। শেষৰ শ্লোক দুটাত কবিজনে কাব্য ৰচনাৰ কাৰণ সম্বন্ধে সঙ্কেত দিছে।

**অশ্বঘোষৰ কবি প্ৰতিভা :** অশ্বঘোষৰ কাব্যিক ধাৰণা কালিদাস বা তেওঁৰ উত্তৰ কালৰ কবি সকলৰপৰা স্বকীয়া আছিল। কালিদাস আছিল শুদ্ধ ৰসবাদী কবি আৰু ভাৰবি, মাঘ, শ্ৰীহৰ্ষ প্ৰভৃতি আছিল অলংকাৰৰ চমৎকাৰিত্বত বিশ্বাসী কবি। অশ্বঘোষে এওঁলোকৰ পন্থা দুটাৰ এটাকো নিজ কাব্যত প্ৰদৰ্শন কৰা নাই। তেওঁৰ কলাত্মক দৃষ্টিকোণ নিশ্চিতৰূপে উপদেশাত্মক বা প্ৰচাৰমুখী আছিল। ৰস আৰু অলংকাৰ বা কাব্যানন্দক তেওঁ আনসকলৰ দৰে সাধ্য বিষয় বুলি নলৈ সাধনৰূপেহে গণ্য কৰিছিল। এক কথাত তেওঁৰ কাব্যৰ উদ্দেশ্য আছিল উপশান্তি। সেয়ে তেওঁৰ কাব্যৰ প্ৰধান ৰস শান্ত, অন্য ৰস তাত অঙ্গৰূপে বিৰাজমান।

অশ্বঘোষৰ কবিত্বৰ কেতবোৰ গুণ স্বয়ং আমাৰ আগত দেখা দিয়েহি। তেওঁৰ কাব্যৰ গুণ হৈছে সৰলতা, মধুৰতা, লালিত্য আৰু সমাসহীন বা শ্লেষশূন্য পোন-পটীয়া শব্দ সম্বলিত; তেওঁ সততে উপমা, ৰূপক, উৎপেক্ষাৰ দৰে অলংকাৰহে ব্যৱহাৰ কৰিছিল।

অশ্বঘোষৰ সহজ-সৰল ৰচনা-ৰীতিৰ উদাহৰণ 'দীপো যথা নিবৃত্তিমভ্যুপেতো' ( সৌন্দৰানন্দ ১৬।২৮-২৯ ) শ্লোকত সুন্দৰকৈ ফুটি ওলাইছে। উপমা প্ৰয়োগতো তেওঁৰ দক্ষতাৰ স্বাক্ষৰ পোৱা গৈছে; যথা—

তংগৌৰৱং বুদ্ধগতং চকৰ্ষ ভাৰ্যানুৰাগঃ পুনৰাচকৰ্ষ।
সোঽনিশ্চয়ান্নাপি যযৌ ন তস্থৌ তৰংস্তৰঙ্গেষ্বিৱ ৰাজহংসঃ॥ সৌঃ ৪।৪২

( এহাতে বুদ্ধৰ গৌৰৱে নন্দক একালৈ আজুৰি আছিল অনাহাতে অন্যফালে পত্নীপ্ৰেমে তেওঁক আকৰ্ষণ কৰিছিল; অনিশ্চয়তাৰ বাবে তৰঙ্গত সাঁতুৰি ফুৰা ৰাজহাঁহৰ দৰে তেওঁৰ অৱস্থা ন যযৌ ন তস্থৌ যেন হৈছিল। ) ইয়াত নন্দৰ অন্তৰ্দ্বন্দ্বৰ ছবি কৰিয়ে তুলি ধৰিছে।

অশ্বঘোষে দিয়া শৃঙ্গাৰ ৰসৰ চমৎকাৰ বৰ্ণনা তলৰ শ্লোকত পোৱা যায় :

মুহুৰ্মুহুৰ্মদব্যাজস্ৰস্তনীলাংশুকাপৰা।
আলক্ষ্যৰশনা ৰেজে স্ফুৰদ্বিদ্যুদিৱ ক্ষপা॥ বু. চৰিত ৪.৩৩।

( কোনোজনী যুৱতীয়ে আকৌ মত্ততাৰ বাবে মিছা অজুহাত দেখুৱাই কঁকালৰ কাঞ্চীদাম যাতে আনৰ চকুত পৰে এনেদৰে গাৰ নীলা কাপোৰ খুলি পেলাই দি মাজে মাজে বিজুলীৰ পোহৰত চিক্‌মিকাই উঠা নিশাৰ দৰে বিৰাজ কৰিছিল। )

## মহাকৱি কালিদাস

মহাকৱি কালিদাসৰ খ্যাতিয়ে সম্প্ৰতি সমগ্ৰ বিশ্বতে বিপুল স্বীকৃতি লাভ কৰিছে। ভাৰতীয় পণ্ডিত মণ্ডলীয়ে অকুণ্ঠচিত্তেৰে এক বাক্যে কৱিকুলগুৰু বুলি স্বীকৃতি দিছে। পাশ্চাত্যৰ পণ্ডিত উইলিয়াম জোন্সে কৱিজনৰ নাট্যৰত্ন অভিজ্ঞান শকুন্তলম্‌ৰ সাহিত্য সৌন্দৰ্যত মুগ্ধ হৈ কৱিজনক 'ভাৰতৰ শেক্সপীয়াৰ' বুলি অভিহিত কৰিছে। বাল্মীকি-ব্যাসৰ পিছতে কালিদাসক তৃতীয়জন প্ৰসিদ্ধ মান্য কৱি বুলি কোৱা হয়। দুঃখৰ বিষয় এয়ে যে এনে এজন কৱিৰ আৱিৰ্ভাৱকাল আৰু জন্মস্থান লৈ বিবাদৰ অন্ত পৰা নাই। কেৱল অনুমানসিদ্ধ যুক্তি তৰ্ক, বাদানুবাদেৰে তেওঁৰ জীৱন-চৰিত আৰু কালৰ প্ৰশ্ন ধূমায়িত হৈ পৰিছে।

**কৱিৰ জীৱন চৰিত :** মহাকৱি কালিদাসৰ জীৱন সম্বন্ধে অনেক মুখৰোচক কিম্বদন্তি শুনা যায়। ব্ৰাহ্মণ কুলত জাত হৈও তেওঁ গৰু-চৰাই পেট প্ৰবৰ্ত্তন কৰিছিল। পণ্ডিত বিশেষৰ ছল চাতুৰীৰ মাজত পৰি তেওঁ এজনী বিদূষী ৰাজকুঁৱৰীক বিয়া কৰিবলগীয়া হয়। জ্ঞান আৰু সংস্কাৰ শূন্য হৈ তেওঁ নৱবিৱাহিতা পত্নীৰ হাতত লাঞ্ছিত হৈ ঘৰৰপৰা ওলাই গৈ দেৱী কালিকাৰ উপাসনা কৰি বিদ্বৎবিভূতি লাভ কৰে আৰু কাব্য প্ৰতিভাৰে অনুপ্ৰেৰিত হৈ তেওঁ ঘৰলৈ প্ৰত্যাবৰ্ত্তন কৰে। ঘৰত পত্নীয়ে তেওঁক হেনো প্ৰশ্ন কৰে : 'অস্তি কশ্চিদ্ বাগ্‌বিশেষঃ ?' তেতিয়া হেনো কালিদাসে পত্নীৰ প্ৰশ্নবাণ বাক্যৰ প্ৰতিটো শব্দক প্ৰতীক হিচাপে লৈ একোখন মনোমোহা অথচ অমৰ কাব্য ৰচনা কৰে। অস্তি শব্দৰে ( অস্ত্যুত্তৰস্যাং দিশি দেৱতাত্মা হিমালয়ঃ ) কুমাৰসম্ভৱ, কশ্চিৎ শব্দৰে ( কশ্চিৎ কান্ত-বিৰহগুৰুণা ) মেঘদূত, বাক্ শব্দেৰে ( বাগৰ্থাৱিৱ সম্পৃক্তৌ ) ৰঘুবংশ, আৰু বিশেষ শব্দৰে ( বিশেষ সূৰ্যঃ স্পৃহনীয় শ্চন্দ্ৰমা ) ঋতুসংহাৰ নামে চাৰিখন কাব্য ৰচনা কৰে।

প্ৰসিদ্ধ জৈন বিদ্বান মেৰুতুঙ্গৰ মতে কালিদাসে পণ্ডিত বৰৰুচিৰ প্ৰৰোচনা আৰু চক্ৰান্তত পৰি বিক্ৰমাদিত্যৰ জীয়েক প্ৰিয়ঙ্গু মঞ্জৰীক বিয়া কৰাইছিল আৰু মূৰ্খতাৰ বাবে ৰাজকুঁৱৰীৰ-দ্বাৰা ভৎৰ্সিত হৈ কালিকাক প্ৰসন্ন কৰি কৱিত্ব শক্তি লাভ কৰে।

কোনো কোনো পণ্ডিতে কাশ্মীৰি মাতৃগুপ্তকেই কালিদাস বুলি দাবী কৰে। কহ্লনে কাশ্মীৰৰ ৰাজভৃত্য মাতৃগুপ্তাচাৰ্য্যক কবীন্দ্ৰ বুলি উল্লেখ কৰিছে :

তদাকৰ্ণ্য মহীপালঃ সাধুবাদৈঃ প্ৰৱিশ্ৰমম্।
অভিনন্দ্য কৱীন্দ্ৰং তং পূৰ্বস্থানং ব্যসৰ্জয়েৎ॥ ৰাজতৰঙ্গিনী ৩।২৮২।

আগচোৱাত অশিক্ষিত হৈ গৰুচৰোৱা, পাছত ৰাজাশ্ৰয়ত থাকি শিক্ষা লাভ কৰা আৰু কৱিত্বৰে গুণান্বিত হৈ ৰাজজামাতা হোৱা আদি কথাৰ মাজত কিছু সঙ্গতি নোহোৱা নহয়।

আকৌ কৱিজন চন্দ্ৰগুপ্ত বিক্ৰমাদিত্যৰ ৰাজদূতৰূপে কুন্তলেশ নৰেশৰ সভাত উপস্থিত হৈ কুন্তলেশ ৰজাৰপৰা সমাদৰ নাপাই উভতি আহে বুলি কোৱা হয়। তেওঁ কৌন্তলেশ্বৰ দৌত্যম্ নামে এখন কাব্য ৰচনা কৰিছিল বুলিও জনা যায়।

কালিদাসৰ কৰ্মময় জীৱনৰ কিদৰে অৱসান হ'ল সেই বিষয়েও কিম্বদন্তি শুনা যায়। 'পুৰাতন প্ৰবন্ধ সংগ্ৰহ'ত কৱিৰ মৃত্যু সম্বন্ধে এনে বিৱৰণ পোৱা যায় :

'কুমাৰ সম্ভৱ' মহাকাব্যত নিজৰ শৃঙ্গাৰলীলাৰ বৰ্ণনা হোৱাত উমাই খং খাই কালিদাসক অভিশাপ দিলে, 'তুমি স্ত্ৰীব্যসনাসক্ত হৈ মৃত্যুৰ মুখত পৰিবা।' সেয়ে তেওঁ



বেশ্যাসক্ত হ'ল। বিক্ৰমাদিত্যৰদ্বাৰা ভৎৰ্সিত হৈ কৱিয়ে বেশ্যালয়ত থাকিবলৈ ল'লে। ইতিমধ্যে ৰজাই ৰাজ উপবনৰ সৰোবৰত কঁপি থকা কমল দেখি শ্লোকাৰ্ধ আবৃত্তি কৰি কলে, 'পৱনস্যাগমো নাস্তি' ( বতাহৰ চলাচল নাই )। এই সমস্যাপূৰ্তি কৰা লোক নোলোৱাত ৰজাই ঢোল কোবাই নগৰত জাননী দিয়ালে যে যিজনে এই সমস্যাপূৰ্তি যথাযথভাৱে সম্পূৰ্ণ কৰিব পাৰিব তেওঁকে লক্ষ স্বৰ্ণমুদ্ৰাৰে পুৰস্কৃত কৰা হ'ব। বেশ্যাই শুনি কথাটো কালিদাসৰ কাণত পেলালে। কালিদাসে বেগতে সমস্যাপূৰ্তি সম্পূৰ্ণ কৰিলত বেশ্যাই ধনৰ লোভত কৱিক গোপনে হত্যা কৰি পুৰস্কাৰ লবলৈ ৰজাৰ ওচৰত ধৰা পৰিল। তাকে শুনি ৰজা বৰ বিষণ্ণ হ'ল।

**কালিদাসৰ শাস্ত্ৰবৈদগ্ধ্য :** মহাকৱি কালিদাস এজন বিদগ্ধ পণ্ডিত আছিল। তাহানিৰ গুৰুকুল বিদ্যালয়বোৰতে তেওঁ সুপৰিচিত আছিল। কিম্বদন্তিমতে তেওঁ কালিকাৰ বৰত কৱিত্ব শক্তি লাভ কৰিলেও তাত তেওঁৰ শাস্ত্ৰবৈদগ্ধ্যৰ কোনো ইঙ্গিত পোৱা নাযায়। প্ৰকৃততে তেওঁ কোনো গুৰুকূলত থাকি সমস্ত শাস্ত্ৰচয়ৰ ওপৰত ব্যুৎপত্তি লাভ কৰিছিল বুলিহে আমাৰ ধাৰণা হয়। কাৰণ তেওঁৰ গ্ৰন্থসমূহৰ ছত্ৰে ছত্ৰে তেওঁৰ শাস্ত্ৰবিদগ্ধতাৰ পৰিচয় পোৱা যায়। তেওঁ বেদ-বেদান্ত-বেদাঙ্গ, ধৰ্মশাস্ত্ৰ, ৰামায়ণ-মহাভাৰত-পুৰাণ, শ্ৰীমদ্‌ভগৱদ্‌গীতা, সাংখ্য-যোগ, ন্যায়-বৈশেষিক, মীমাংসা-বেদান্ত প্ৰভৃতি ষড়দৰ্শন, ব্যাকৰণ, নীতিশাস্ত্ৰ, অৰ্থশাস্ত্ৰ. কামশাস্ত্ৰ, আয়ুৰ্বেদ, জ্যোতিষ, নাট্যশাস্ত্ৰ, অলংকাৰশাস্ত্ৰ আদিৰ গভীৰ জ্ঞানেৰে অন্বিত আছিল। নৃত্য-নৃত্ত-নাটৰ উপৰিও চিত্ৰকলা, বাস্তুকলা আদিৰো জ্ঞানোৰ্জন কৰিছিল।

**কালিদাসৰ আৱিৰ্ভাৱ কাল :** মহাকৱি কালিদাসৰ জীৱন সম্বন্ধে যিদৰে কোনেও নিশ্চিতকৈ একো ক'ব নোৱাৰে সেইদৰে তেওঁৰ আৱিৰ্ভাৱ কাল সম্বন্ধেও কোনেও নিশ্চিত সিদ্ধান্ত দাঙি ধৰিবলৈ সক্ষম হোৱা নাই। পণ্ডিতসকলে কেতবোৰ বহিঃ আৰু আন্তঃ সাক্ষ্যৰ ওপৰত ভেটি কৰি কৱিজনৰ কাল নিৰূপণ কৰিবলৈ যি যত্ন কৰিছে তাৰে পৰিচয় তলত দাঙি ধৰা হ'ল :

(১) ফৰাছী পণ্ডিত হিপোলাইট ফাউচৰমতে ৰঘুবংশত বৰ্ণিত ৰঘুবংশীয় ৰজা অগ্নিবৰ্ণৰ মৃত্যুৰ পাছত তেওঁৰ পত্নীৰ গৰ্ভজ সন্তানৰ জীৱন কালতে মহাকৱি কালিদাসৰ জন্ম হয়। কৱিয়ে অগ্নিবৰ্ণৰ পুত্ৰৰ বৰ্ণনা দি মহাকাব্য সামৰিছে। পণ্ডিত ফউছে অনুমান কৰে যে খৃ° পূ° অষ্টম শতাব্দীত অগ্নিবৰ্ণৰ মৃত্যু আৰু পুত্ৰোৎপত্তি হৈছিল। সেয়ে কালিদাসৰ আৱিৰ্ভাৱ কালৰ উৰ্ধতম সীমা হ'ব পাৰে। কিন্তু কালিদাসক ভাস আৰু অশ্বঘোষৰ পূৰ্ববৰ্তী কৱি বুলি প্ৰমাণ কৰা সহজ নহয়। কাৰণ মহাকৱিৰ মালৱিকাগ্নিমিত্ৰ নাটকত ভাসৰ নামোল্লেখ কৰিছে আৰু অশ্বঘোষৰ কাব্যাংশবোৰতেও তেওঁৰ কাব্যৰ মিল আছে।

(২) পৰম্পৰা অনুসৰি কালিদাস আছিল কোনো বিক্ৰমাদিত্য উপাধিবিশিষ্ট ৰজাৰ সভাকৱি। আলবেৰুণীৰ ( ১০৩০ খৃ° ) মতে এজন বিক্ৰমাদিত্যই কোৰুৰ নামে ঠাইত সংঘটিত যুঁজত ম্লেচ্ছ আক্ৰমণকাৰীক পৰাভূত কৰিছিল। ফাৰ্গুচনে সেই ম্লেচ্ছবিজেতা

বিক্রমাদিত্যৰ সভাতে কৱি কালিদাসে বিৰাজ কৰিছিল বুলি কয়। এই যুদ্ধথন ৫৪৪ খৃষ্টাব্দত অনুষ্ঠিত হৈছিল। তাৰে স্মৃতিত তাৰপৰা ৬০০ বছৰ আগৰপৰা বিক্রম সংবতৰ প্রচলন কৰা হয়। গতিকে খৃ° পূ° ৫৭ অব্দৰপৰা বিক্রমসংবত চলে। এই মত অনুসৰি কালিদাসৰ কাল ৫৪৪ খৃষ্টাব্দ। পণ্ডিত ফ্লিটৰ মতে ৫৪৪ খৃষ্টাব্দৰ পূর্বতে বিক্রমাব্দক মালবাব্দ বুলি জনা গৈছিল। তেওঁৰ মতে ৫৪৪ খৃষ্টাব্দ বা ৬০০ ( মালবাব্দ ) বিক্রমাব্দত কোনো বিক্রমাদিত্যই শক বা অন্য বিদেশীৰ আক্রমণ প্রতিহত কৰা নাছিল।

(৩) একেদৰে কালিদাসক বিক্রমাদিত্যৰ সভাস্থ 'নৱৰত্ন' নামে খ্যাত নজন পণ্ডিতৰ এজন বুলি 'জ্যোতির্বিদ্যাভৰণ' নামে গ্রন্থৰ শ্লোকএটিত ( ২২।২০ ) কোৱা হৈছে :

ধন্বন্তৰিক্ষপণকামৰসিংহবেতালভট্টঘটকর্পৰ কালিদাসাঃ।
খ্যাতো বৰাহমিহিৰো নৃপতেঃ সভায়াং ৰত্নানি বৈ বৰৰুচির্নৱ বিক্রমস্য ॥

ইয়াত উল্লেখিত পণ্ডিত নজন ধন্বন্তৰী, ক্ষপণক, অমৰসিংহ, বেতালভট্ট, ঘটকর্পৰ, কালিদাস, বৰাহমিহিৰ কোনো কাৰো যে সমকালীন নাছিল সেয়া আধুনিক পণ্ডিতসকলৰ অনুসন্ধানে প্রমাণ কৰিছে। তথাপি পণ্ডিত এচামে অন্ততঃ কালিদাসক বিক্রমাদিত্যৰ সমকালীন বুলি প্রতিপন্ন কৰিবলৈ চেষ্টা কৰি আছে। তেওঁলোকে কয় যে কথাসৰিৎসাগৰ আৰু বৃহৎকথামঞ্জৰীত মালৱৰ ৰজা মহেন্দ্রাদিত্যৰ পুত্র বিক্রমাদিত্য বিষমশীলে শকসকলক পৰাজয় কৰা কথা পোৱা যায়। অধ্যাপক শ্বেষনেকাৰে এইজন বিক্রমাদিত্যই বিক্রমসম্বৎ ৫৭ খৃ০ পূর্বাব্দৰপৰা প্রচলন কৰিছিল বুলি কয়। কৱি হালেও তেওঁৰ এটি শ্লোকত ইতিবাচক ইঙ্গিত দি গৈছে—

সংবাহন সুহৰসতোসিএণ দেন্তেন তুহ কৰে লকৃখং।
চলণেন বিক্রমাইত্তচৰিঅং অনুসিক্খিঅং তিস্মা ॥

পণ্ডিতসকলে এই কথাৰ ওপৰত ভেটি কৰি কৱিৰ কাল খৃ০ পূ০ ১ম শতিকা বুলি ক'ব খোজে।

(৪) কালিদাসৰ মালৱিকাগ্নিমিত্রৰ চৰিত্রত্রয় পুষ্যমিত্র, অগ্নিমিত্র আৰু বসুমিত্রক শুঙ্গবংশীয় ঐতিহাসিক ৰাজপুৰুষৰূপে চিহ্নিত কৰা হৈছে। খৃ০ পূ০ ১৮৫ অব্দত মৌর্য্য সেনাপতি পুষ্যমিত্রই ৰজা বৃহদ্রথক হত্যা কৰি পুতেক অগ্নিমিত্রক ৰজা পাতে। এই বংশৰ ৰজাসকলে খৃ° পূ° ৭৩ অব্দলৈ শতাধিক বছৰ কাল ৰাজত্ব কৰে। পুষ্যমিত্রৰ দিনত অশ্বমেধ যজ্ঞও সম্পন্ন হৈছিল। দিলীপৰ অশ্বমেধ আৰু ৰঘুৰ দিগ্বিজয় সম্বন্ধে ৰঘুবংশত যি বর্ণনা আছে সি শুঙ্গসকলৰ অশ্বমেধ আৰু দিগ্বিজয়ৰ অনুযায়ী বুলি কোৱা হৈছে। ৰাজকৱিৰূপে কৱি কালিদাসে অগ্নিমিত্রৰ সভাত বিৰাজ কৰিছিল বুলি কোৱা হয়। সেয়ে হ'লে তেওঁৰ কাল খৃঃ পূঃ ২য় শতিকা হোৱাৰ সম্ভাৱনাই বেছি। বিশেষতঃ চি. কুনহান ৰাজাই কালিদাসক নিশ্চিতৰূপে অগ্নিমিত্রৰ সমকালীন আৰু বন্ধু আছিল বুলি নদি কয়।

(৫) মহাকৱি কালিদাসে মালৱিকাগ্নিমিত্রম্ নাটকৰ প্রস্তাৱনাত মহাকৱি ভাস প্রভৃতিৰ নামোল্লেখ কৰিছে : 'প্রথিতযশসাং ভাসসৌমিল্লককবি পুত্রদীনাং প্রবন্ধানতিক্রম্য



বর্তমানকবেঃ কালিদাসস্য ক্রিয়ামিমাং দ্রষ্টুং কথং পৰিষদো বহুমানঃ।' নাট্যকাৰ ভাসৰ প্রভাৱ কালিদাসৰ ওপৰত পৰা কথা পণ্ডিতসকলে স্বীকাৰ কৰে। এ, বি, পুশলকাৰে ভাসৰ আৱির্ভাব কাল খৃ০ পূ০ ৪র্থ শতিকা বুলি নিৰূপণ কৰিছে। সেয়ে হ'লে কালিদাসৰ কাল খৃ০ পূ০ ১ম শতিকা হোৱাটো সম্ভৱপৰ বুলি কোৱা হয়।

(৬) মহাকৱি কালিদাসৰ আৱির্ভাৱ গুপ্ত যুগত হৈছিল বুলিয়েই সৰহভাগ পণ্ডিতে কয়। তেওঁলোকে পোনতে কালিদাসৰ কালৰ দুই সীমা নির্ধাৰণ কৰে। ৭ম শতিকাৰ কবি বাণভট্টই আৰু ২য় পুলকেশীৰ ঐহোল শাসনাৱলীয়ে ( ৬৩৪ খৃ০ ) কালিদাসক ৭ম শতিকাৰ আগৰ লোক বুলি প্রমাণ কৰে। সেইদৰে মান্দাচোৰ শাসনাৱলীয়েও ( খৃ০ ৪৭৩ ) কালিদাসৰ সময় নিৰূপণত সহায় কৰে। এই লেখৰ ৰচক বৎসভট্টিয়ে প্রশস্তি ৰচোঁতে কালিদাসৰ মেঘদূতৰ শ্লোকৰ অনুকৰণ কৰা চকুত পৰে। উত্তৰ মেঘৰ ৬৬ নং শ্লোক 'বিদ্যুদ্বন্তং ললিতবনিতাঃ সেন্দ্রচাপং সচিত্রাঃ' আদি শ্লোকৰ অনুকৰণত বৎসভট্টিয়ে প্রশস্তিৰ দশম শ্লোকটি ৰচনা কৰিছে :

চলৎপতাকান্যবলাসনাথ্যর্থ শুক্লাণ্যধিকোন্নতানি।
তড়িল্লতাচিত্রসিতাভ্রকুটতুল্যোপমানানি গৃহাণি যত্র ॥

সেইদৰে বৎসভট্টিয়ে কালিদাসৰ ঋতুসংহাৰৰ ২য় আৰু ৩য় সর্গৰ বর্ণনাৰ সাৰাংশৰ ভেটিত ৩১ নং শ্লোক ৰাম সনাথ······হিমদগ্ধপদ্মে' ৰচনা কৰিছে। বৎসভট্টি কালিদাসৰ ওচৰত যে ধৰুৱা তাত সন্দেহ নাই। সেয়ে হ'লে কালিদাসক ৪৫০ খৃষ্টাব্দৰ পূর্বৰ কৱি বুলি ঠাওৰাব পাৰি।

আনহাতে ভি, ভি, মিৰাশীয়ে কয় যে কালিদাসে অভিজ্ঞান শাকুন্তলম্ নাটকৰ ৪র্থ অঙ্কৰ 'শুশ্রূষস্ব গুৰূন্' ( ৪।১৮ ) আদি শ্লোক ওপৰত বাৎসায়নৰ কামসূত্রত বিহিত গৃহিণীৰ কর্ত্তব্যসমূহৰ ভেটিত ৰচনা কৰিছে। বাৎসায়নে তেওঁৰ গ্রন্থত বৎসগুল্ম নগৰৰ অধিবাসী-সকলৰ আচাৰ-ব্যৱহাৰ কথা লিখিছে। বাকাটক বংশৰ এটি শাখাই ৪র্থ শতিকাৰ প্রথম ভাগত বৎসগুল্মত ৰাজত্ব কৰিছিল বুলি জনা যায়। তেতিয়াই বৎসগুল্মৰ প্রসিদ্ধি জনাজাত হয়। সেয়ে কালিদাসক ৩৫০ খৃষ্টাব্দৰ পৰৱর্তী বুলি ভাবিবৰ থল নোহোৱা নহয়।

এতিয়া বিচার্য্য বিষয় হৈছে : (১) ৩৫০—৪৫০ খৃষ্টাব্দৰ ভিতৰত দেশত শান্তিময় আৰু প্রাচূর্য্যপূর্ণ ৰাজনৈতিক অৱস্থা বিৰাজ কৰিছিল নে নাই, আৰু (২) সেই এশবছৰীয়া কালচোৱাত উজ্জয়িনীত বিক্রমাদিত্য উপাধিবিশিষ্ট ৰজাই ৰাজত্ব কৰিছিল নে নাই। (৩) তদুপৰি সেই ৰজাজনে বহিৰাগত শকসকলক দমন কৰি শকাৰি উপাধি লৈছিল নে সিও বিচার্য্য বিষয়।

উক্ত এশবছৰীয়া কালচোৱাৰ ভিতৰত বিক্রমাদিত্য উপাধিৰে বিভূষিত এজন মাথোন ৰজাই উজ্জয়িনীত ৰাজত্ব কৰিছিল বুলি জনা যায়; তেৱেঁই গুপ্তবংশজ সমুদ্রগুপ্তৰ আত্মজ দ্বিতীয় চন্দ্রগুপ্ত। তেওঁ ৩৯৫ খৃষ্টাব্দত মালৱ আৰু সৌৰাষ্ট্রৰ শক ক্ষত্রপসকলক নির্মূল কৰিছিল বুলি জনা যায়। তেওঁ এজন বিদ্যোৎসাহী ৰজা আছিল আৰু তেওঁ সংস্কৃত পণ্ডিত, বিদ্বান আদিৰ পৃষ্ঠপোষকতাও কৰিছিল বুলি জনা যায়।

পৰম্পৰা অনুসৰি কৱি কালিদাসে সেতুবন্ধ ৰচনা কৰোঁতা প্ৰবৰসেনক সহায় কৰিছিল। এই প্ৰবৰসেনক চন্দ্ৰগুপ্তৰ পুত্ৰী প্ৰভাৱতীৰ পুত্ৰ ( বাকাটক বংশীয় ) দ্বিতীয় প্ৰবৰসেন বুলি ধৰা হয়। আকৌ এই প্ৰভাৱতীক বাকাটক ৰাজকুমাৰ ৰুদ্ৰসেন দ্বিতীয়লৈ বিয়া দিয়া উপলক্ষে কৱি কালিদাসে মালৱিকাগ্নিমিত্ৰম্ নাটক ৰচিছিল বুলি কোৱা হয়। ২য় চন্দ্ৰগুপ্তৰ আদেশত প্ৰভাৱতীৰ ফুকলীয়া ল'ৰা দিৱাকৰ সেনৰ দেৱানৰূপে কাৰ্য্য নিৰ্বাহ কৰিবলৈ বাকাটকত থাকোঁতেই কৱি কালিদাসে মেঘদূত ৰচনা কৰে বুলি খেনোৱে কয়। বিক্ৰমোৰ্বশীয়ম্ নাটকৰ নামত থকা 'বিক্ৰম' শব্দটিয়ে ২য় চন্দ্ৰগুপ্ত বিক্ৰমাদিত্যৰ কথাকে সূচায়। চন্দ্ৰগুপ্তৰ পুত্ৰ কুমাৰগুপ্তৰ জন্মক সাৰোগত কৰিয়েই কবিয়ে 'কুমাৰ সম্ভৱ' মহাকাব্য ৰচাৰ কথাও অনুমিত হৈছে। আকৌ ৰঘুবংশত ( ৪ৰ্থ সৰ্গ ) বৰ্ণিত ৰঘুৰ দিগ্বিজয়ে চন্দ্ৰগুপ্তৰ দিগ্বিজয়কে সূচায় বুলিও অভিমত পোৱা যায়। ২য় চন্দ্ৰগুপ্তৰ ৰাজত্ব কাল ( ৩৮০ খৃষ্টাব্দৰপৰা ৪১২ খৃষ্টাব্দৰ ভিতৰত বুলি জনা যায়। কালিদাস সম্ভৱতঃ ২য় চন্দ্ৰগুপ্ত আৰু কুমাৰগুপ্তৰ ৰাজত্ব কালত জীৱিত আছিল। আনকি তেওঁ স্কন্দগুপ্তৰ সময়লৈকে জীয়াই আছিল বুলিও কোৱা হৈছে।

এই সূত্ৰৰ সমৰ্থনত কালিদাসৰ গ্ৰন্থত পোৱা কেতবোৰ বাক্য বা বাক্যাংশলৈ আঙুলিয়াই দি দাবী কৰা হৈছে যে সিবোৰৰ মাজত গুপ্তবংশীয় ৰজাসকলৰ পৰোক্ষ উল্লেখ নিহিত আছে। সমুদ্ৰগুপ্তকে প্ৰমুখ্য কৰি গুপ্ত ৰজাসকল সম্বন্ধে 'আসমুদ্ৰক্ষিতীশানাং' ( ৰঘু ১।৫ ), গোপ্তৃ-গুপ্ততমেন্দ্ৰিয়া ( ৰঘু ১।৫৫ ), 'গোপ্তা গৃহিণীসহায়ঃ' ( ৰঘু ২।২৪ ), 'গুপ্তো-গুণোদয়ম্' ( ৰঘু ৪।২০ ), 'গুপ্তমূলপ্ৰয়ন্ত' ( ৰঘু ৪।২৬ ) আদি উদাহৰণ দাঙি ধৰা হয়। 'ইন্দুঃ ক্ষীৰনিধাৱিৱ' ( ৰঘু ১।১২ ), 'প্ৰভাতকল্পা শশিনেৱ' ( ৰঘু ৩।২ ), 'বালচন্দ্ৰমা' ( ৰঘু ৩।২২ ), 'কুমাৰোঽপি কুমাৰবিক্ৰমঃ' ( ৰঘু ৩।৫৫ ), 'কুমাৰকল্পং সুষুৱে কুমাৰং' ( ৰঘু ৫।৩৬ ), 'ৱিভিদে কুমাৰঃ' ( ৰঘু ৫।৩৭ ), 'আ কুমাৰ কথোদ্ঘাতং' আদিত চন্দ্ৰগুপ্ত আৰু কুমাৰগুপ্তৰ নিৰ্দেশ কৰা হয় বুলি কোৱা হৈছে। 'শ্ৰিয়ং মহেন্দ্ৰনাথস্য' ( ৰঘু ৪।৪৩ ) বাক্যাংশত মহেন্দ্ৰাদিত্য পদে কুমাৰগুপ্তকে বুজায়। তদুপৰি 'স্কন্দস্য মাতুঃ' ( ৰঘু ২।৩৬ ), 'স্কন্দেন সাক্ষাদিৱ' ( ৰঘু ৭।৬ ), 'তত্ৰ স্কন্দ নিয়তবসতিং' ( মেঘ ১।৪৩ ) আদিয়ে স্কন্দগুপ্তৰ কথাকে বুজায়। 'সগুপ্তমূলপ্ৰয়ন্তঃ শুদ্ধপাৰ্ষ্ণিৰয়ান্বিতঃ ষড়্‌বিধ বলমাদায় প্ৰতস্থে দিগ্‌জিগীষয়া' ( ৰঘু ৪।২৬ ) আদিত দিলীপৰ অশ্বমেধত ৰঘুৰ দিগ্বিজয় যাত্ৰাৰেসৈতে সমুদ্ৰগুপ্তৰ অশ্বমেধ যজ্ঞত চন্দ্ৰগুপ্তৰ দিগ্বিজয়ৰ সামঞ্জস্য বিচাৰি পোৱা গৈছে। ৰক্ষ্ ধাতুৰ সলনি গুপ্ ধাতুৰ বহুল প্ৰয়োগেও একে সূচনাকে দিয়ে বুলি অনুমান কৰা হয়।

প্ৰকৃততে পৰম্পৰাগত খৃ০ পূৰ্ব ১ম শতিকাসূত্ৰ আৰু গুপ্তকাল সূত্ৰৰ কোনোটিৰ সমৰ্থনতে কোনো প্ৰত্যক্ষ বা সবল আৰু সৰ্বজনগ্ৰাহ্য সাক্ষ্য পোৱা নাযায়। প্ৰথম সূত্ৰটি সম্ভাৱনাৰ ওপৰত নিৰ্ভৰশীল আৰু দ্বিতীয়টি পাৰিপাৰ্শ্বিক ( Circumstantial ) সম্বন্ধীয় কথাৰ আধাৰত প্ৰতিষ্ঠিত। যদিও প্ৰাচ্য আৰু প্ৰতীচ্যৰ বহুজন পণ্ডিতে গুপ্তকালসূত্ৰৰ পক্ষপাতী আৰু আমিও তাক সমৰ্থন কৰিছোঁ, তথাপি মহাকৱি কালিদাসৰ কাল খৃ০ পূ০ ১ম শতিকা বা দ্বিতীয় শতিকা বুলি প্ৰমাণিত হ'লেও আমি সুখী হ'ম।



**কালিদাসৰ জন্মস্থান :** কৱি জনৰ জন্মস্থান সম্বন্ধেও নানা মুনিৰ নানান মত যেন হৈছে। ভাৰতৰ প্ৰায়বোৰ অঞ্চলে কৱিজনক নিজ নিজ অঞ্চলৰ লোক বুলি দাবী কৰে। বঙালিসকলে বঙ্গৰ বুলি, বিহাৰ-উত্তৰ প্ৰদেশৰ লোকে উত্তৰ ভাৰতৰ বুলি, কাশ্মীৰৰ লোকে কাশ্মীৰৰ বুলি আৰু মহাৰাষ্ট্ৰীসকলে সেই প্ৰদেশৰ বুলি দাবী কৰে। তথাপি নিৰপেক্ষ পণ্ডিত দুই এজনে কৱিকৃত ঠাইৰ বৰ্ণনাৰ ওপৰত ভেটি কৰি তেওঁক জন্মত কাশ্মীৰি আৰু বসতিত উজ্জয়িনীৰ বুলি ঠাৱৰ কৰিবলৈ যত্নপৰ হোৱা দেখা গৈছে। মেঘদূত প্ৰভৃতিত কাশ্মীৰৰ শোভাসমৃদ্ধ অলকাৰ বৰ্ণনা আৰু মধ্যভাৰতৰ উজ্জয়িনীৰ প্ৰতি কৱিৰ পক্ষপাত পূৰ্ণ বৰ্ণনালৈ চাই সেয়া সম্ভৱ বুলি নকৈও নোৱাৰি। যথাৰ্থতে কৱিজনে ভাৰতীয় সমাজ সংস্কৃতিৰ জীৱন্ত ছবি অঙ্কন কৰি নিজকে ভাৰতীয় লোক ভিন্ন অন্য নহয় বুলি প্ৰমাণ কৰিছে।

**কালিদাসৰ ৰচনা ৰাজি :** মহাকৱি কালিদাসৰ নামত অনেক গ্ৰন্থ প্ৰচলিত হৈ থাকিলেও পণ্ডিতসকলে নিম্নোক্ত সাতখন গ্ৰন্থহে তেওঁৰ প্ৰকৃত ৰচনা বুলি দৃঢ় মত পোষণ কৰে। ৰচনাৰ ক্ৰমানুসৰি গ্ৰন্থ কেইখন হৈছে—ঋতুসংহাৰম্, মালৱিকাগ্নিমিত্ৰম্, কুমাৰসম্ভৱম্, বিক্ৰমোৰ্বশীয়ম্, মেঘদূতম্, অভিজ্ঞানশাকুন্তলম্ আৰু ৰঘুবংশম্। ইয়াৰে মাজৰ ঋতুসংহাৰম্ আৰু মেঘদূতম্ খণ্ডকাব্য শ্ৰেণীৰ গ্ৰন্থ, মালৱিকাগ্নিমিত্ৰম্, বিক্ৰমোৰ্বশীয়ম্ আৰু অভিজ্ঞান শাকুন্তলম্ তিনিখন সফল নাটক শ্ৰেণীৰ গ্ৰন্থ, আৰু বাকী দুখন কুমাৰসম্ভৱম্ আৰু ৰঘুবংশম্ মহাকাব্য শ্ৰেণীৰ গ্ৰন্থ। আমি ইয়াত মহাকাব্য দুখনৰ পৰিচয় দিম। গীতিকাব্যৰ অধ্যায়ত খণ্ডকাব্য দুখনৰ বৰ্ণনা কৰিম আৰু নাটকৰ অধ্যায়ত কৱিকৃত নাটক তিনিখনৰ বিষয়ে আলোচনা কৰিম। তাকে কৰিলে বিষয়ানুসৰি সংস্কৃত সাহিত্যৰ বুৰঞ্জীৰ বৰ্ণনা সুষম হ'ব বুলি ভাবোঁ।

**কুমাৰসম্ভৱম্ :** মহাকৱি কালিদাস বিৰচিত কুমাৰসম্ভৱম্ আৰু ৰঘুবংশম্—এই দুখন মহাকাব্যকো সংস্কৃত সাহিত্যত প্ৰসিদ্ধ পঞ্চমহাকাব্যৰ ভিতৰত গণনা কৰা হয়। এই মহাকাব্য দুখনৰ ভিতৰত আকৌ কুমাৰসম্ভৱকে ৰঘুবংশতকৈ আগতে কৱিজনে ৰচনা কৰিছিল বুলি পণ্ডিতসকলে ভাবে। আনকি এই মহাকাব্যখন ৰচনাৰ ক্ৰমত মেঘদূতৰ পূৰ্ববৰ্তী, অথচ ঋতুসংহাৰৰ পৰৱৰ্তী বুলিও কোৱা হৈছে।

ভাৰতীয় পৰম্পৰা অনুসৰি এই মহাকাব্যখন দ্বাবিংশতিসৰ্গত কৱিয়ে সম্পূৰ্ণ কৰিছিল। বৰ্তমানকালত প্ৰাপ্ত গ্ৰন্থৰ পাণ্ডুলিপিত সপ্তদশ সৰ্গতকৈ অধিক দেখা পোৱা নাযায়। অনেক পাণ্ডুলিপি আকৌ ৭ম বা অষ্টম সৰ্গতে সামৰা হৈছে। মল্লিনাথ প্ৰভৃতি ভালেমান টীকাকাৰে ৮ম সৰ্গলৈকে টীকা ৰচনা কৰি গৈছে। সেয়ে কুমাৰসম্ভৱ গ্ৰন্থখন কিমান সৰ্গত পূৰ্ণ হৈছিল, অথবা কৱি কালিদাসে গ্ৰন্থখনৰ কোনটো সৰ্গলৈ নিজহাতে লিখিছিল সেই লৈ বিবাদৰ অন্ত নাই।

বিদ্বানসকলে সম্যক অধ্যয়নৰ অন্তত কয় যে ১—৮ সৰ্গ কেইটাৰ ভাৱভাষা, সাহিত্য-কলা আদিৰ তুলনাত ৯—১৭ সৰ্গ কেইটাৰ সাহিত্যিক সৌন্দৰ্য নিম্নখাপৰ। কিন্তু (১) মন কৰিবলগীয়া কথা সে তাৰকাসুৰক বধ কৰিবলৈ দেৱসেনাপতি কাৰ্তিকৰ জন্ম-সম্ভৱ

হোৱালৈকে কুমাৰসম্ভৱৰ বিস্তৃতি অব্যাহত থকা উচিত। এনে স্থলত ৭ম বা অষ্টম সৰ্গতে গ্ৰন্থৰ সমাপ্তি বুলি ধৰিলে শিৱ-পাৰ্ৱতি পৰিণয় বা সম্ভোগ বৰ্ণনাতে গ্ৰন্থৰ যৱনিকা পৰে। সি গ্ৰন্থধ্বনিৰ প্ৰতিশ্ৰুতি পূৰ্ণ নকৰে। কিন্তু সপ্তদশ সৰ্গলৈ ইয়াৰ বিস্তৃতি স্বীকৃত হ'লে সেই প্ৰত্যাশা পূৰণ হয়। (২) ঈশানসংহিতাই মহাকাব্যৰ দৈৰ্ঘ্য কমেও আঠসৰ্গ হোৱা উচিত বুলি কৈছে। বিশ্বনাথে সাহিত্য দৰ্পণত মহাকাব্যৰ দৈৰ্ঘ্য সম্বন্ধে এনেদৰে কৈছে: 'নাতিস্বল্পা নাতিদীৰ্ঘাঃ সৰ্গা অষ্টাধিকা ইহ॥' (সাঃ দঃ ৬।৩২০)। বিশ্বনাথে কুমাৰসম্ভৱ আঠ সৰ্গতে শেষহোৱা বুলি জানিলে 'অষ্টাধিকা' কথাষাৰ নিলিখি আনভাৱে লিখিলেহেতেন। তেওঁ হয়তো তেতিয়া 'কুমাৰ' আঠসৰ্গতকৈ অধিক সৰ্গ থকা মহাকাব্য বুলি জানিছিল। ড° হৰিচান্দে তেখেতৰ 'কালিদাস এট্ লাৰ্ট পোয়েটিক ডে ল' ইন্দে (Kalidasa et L'art Poetique de L' Inde) গ্ৰন্থত দেখুৱাইছে আলংকাৰিকসকলে তেওঁলোকৰ গ্ৰন্থত উদ্ধৃত কৰা সৰ্বমুঠ ১২৪ টা শ্লোকৰ আটাইবোৰ ১—৮ সৰ্গৰপৰাই লৈছে, ৯—১৭ সৰ্গৰপৰা সিসকলে এটিও শ্লোক উদ্ধৃত কৰা নাই। ৯—১৭ সৰ্গ সম্বন্ধে আলংকাৰিকসকলৰ এই অজ্ঞতাৰ কাৰণ কি ?

সি যি হওক, 'কুমাৰসম্ভৱ' নামটিৰ প্ৰতিশ্ৰুতি লাভৰ বাবে কুমাৰৰ জন্ম আৰু তেওঁৰ বীৰকৰ্মৰ বৰ্ণনা কৱিয়ে নিশ্চয় দিছিল বুলি ভবা পণ্ডিতৰো অভাৱ নাই। সকলো দিশ ফহিয়াই চাই আৰ, ভি, কৰ্মৰকাৰে মত প্ৰকাশ কৰে যে ১—৮ সৰ্গ নিশ্চিতভাৱে কালিদাসৰ নিজৰ ৰচনা; ৯—১০ সৰ্গ দুটাও সম্ভৱতঃ একেজন কৱিয়ে ৰচনা কৰা বুলিব পাৰি আৰু ১১—১৭ সৰ্গকেইটিও একেজন কৱিয়ে ৰচনা কৰা অসম্ভৱ নহয়।[১]

**কাব্যৰ কথাবস্তু:** প্ৰথম আঠটা সৰ্গৰ কথাবস্তুৰ সাৰাংশ এইয়া—প্ৰবল প্ৰতাপী তাৰকাসুৰৰ অত্যাচাৰ উৎপীড়ন অতীষ্ঠ হৈ তাৰ প্ৰতীকাৰ বিচাৰি স্বৰ্গস্থ দেৱবৃন্দই দলবদ্ধি ব্ৰহ্মাক সাক্ষাৎ কৰে। সৰ্বজ্ঞানী ব্ৰহ্মদেৱে তেওঁলোকক উপদেশ দি কলে যে শিৱ আৰু পাৰ্বতীৰ মিলনৰ ফলত উদ্ভৱ হোৱা পুত্ৰৰ হাতত হে তাৰকাসুৰৰ মৃত্যু সম্ভৱ হ'ব। সম্প্ৰতি শিৱ যোগস্থ। পাৰ্বতীয়ে তেওঁৰ আলপৈচান ধৰি আছে। পাৰ্বতীৰদ্বাৰা শিৱ আকৃষ্ট হৈ তেওঁক বিয়া কৰালেহে সন্তান সম্ভৱ। ইন্দ্ৰই তেতিয়া মদনক মাতি আনি শিৱ আৰু পাৰ্বতীৰ আশু মিলন ঘটাবলৈ আদেশ কৰিলে। মদনে পত্নীসহ সদলে গৈ শিৱক পাৰ্বতীৰ প্ৰতি আকৃষ্ট কৰিবলৈ যত্নপৰ হ'ল। যোগত ব্যাঘাত প্ৰাপ্ত শিৱৰ ক্ৰোধাগ্নিৰ কবলত পৰি মদন ভস্মীভূত হ'ল আৰু পতিহীনা ৰতিৰ বিলাপে পাৰ্বতীৰ কোমল অন্তৰতো কাৰুণ্যৰ আলোড়ণ তুলিলে। এইবাৰ শিৱক পতিৰূপে পাবলৈ পিতৃৰ অনুজ্ঞাক্ৰমে পাৰ্বতীয়ে দুৰ্ঘোৰ তপস্যাত নিমগ্না। শিৱে বটুৰ ছদ্মবেশ ধাৰণ কৰি পাৰ্বতীৰ শিৱভক্তিৰ পৰীক্ষা আৰু আত্মপ্ৰকাশ কৰি বিজিত হোৱা বুলি স্বীকাৰ কৰিলে। ইয়াৰ পাছতে শিৱে পাৰ্বতীৰ পাণি প্ৰাৰ্থনা কৰিবলৈ সপ্তৰ্ষিক হিমালয়ৰ ওচৰলৈ প্ৰেৰণ কৰিলে। হিমালয়ে সানন্দে জীয়েকক শিৱলৈ বিয়া দিবলৈ সন্মতি জ্ঞাপন কৰিলে। প্ৰেম পৰিণয়ত

১। কুমাৰসম্ভৱ, পুনে, ১৯৫১; পাতনি, পৃষ্ঠা ১৫।



পৰিণত হ'ল। গন্ধমাদন আৰু কৈলাশ পৰ্বত শিৱ আৰু পাৰ্বতীৰ প্ৰণয়কুঞ্জ আৰু সম্ভোগলীলাক্ষেত্ৰত পৰিণত হ'ল। ফলত তাৰক বধৰ বাবে দেৱসেনানী জন্মাৰ সম্ভাৱনাই দেখা দিলে।

এই কাহিনীটিকে কালিদাসে আঠটা সৰ্গত বৰ্ণনা কৰিছে। সমগ্ৰ প্ৰথম সৰ্গটো হিমালয়ৰ প্ৰাকৃতিক সৌন্দৰ্য বৰ্ণনা আৰু পাৰ্বতীৰ শাৰীৰিক সৌন্দৰ্যৰ বৰ্ণনাৰে ব্যয়িত হৈছে। সোতৰটা শ্লোকত হিমালয়ৰ বৰ্ণনা আৰু উনৈশটা শ্লোকত পাৰ্বতীৰ বৰ্ণনা, কৰা হৈছে। দ্বিতীয় সৰ্গত সৰ্বকৰ্তৃত্বময় ব্ৰহ্মা আৰু তাৰকৰ অত্যাচাৰৰ প্ৰাঞ্জল বৰ্ণনা বিদ্যমান। তৃতীয় সৰ্গত মনোহৰ বসন্তবৰ্ণনাৰ লগতে শিৱ আৰু পাৰ্বতীৰ বৰ্ণনা কৰা হৈছে। ইয়াত প্ৰাপ্ত বৰ্ণনাই কৱিৰ কল্পনা প্ৰৱণ মনৰ পৰিচয় পোৱা যায়। চতুৰ্থ সৰ্গটি ৰতিৰ বিলাপে করুণৰসসিক্ত কৰিছে। পঞ্চম সৰ্গটিত আছে পাৰ্বতীৰ তপশ্চৰ্য্যা, পাৰ্বতীৰ পৰিষ্কাৰ বিৱৰণ। ষষ্ঠ সৰ্গটি সপ্তৰ্ষি আৰু হিমালয়স্থ ওষধিপ্ৰস্থৰ যথাৰ্থ বৰ্ণনাৰে ভৰা। সপ্তম সৰ্গ শিৱ-পাৰ্বতীৰ জাকজমকতাপূৰ্ণ বিবাহৰ ছবিৰে চিত্ৰায়িত। অষ্টম সৰ্গটিত শিৱ-পাৰ্বতীৰ সম্ভোগ বৰ্ণনাই প্ৰাধান্য বিস্তাৰ কৰিলেও প্ৰভাত আৰু সন্ধ্যা বৰ্ণনাৰ চিত্ৰবোৰ নিতান্ত মৰ্মস্পৰ্শী। এনেদৰে সমগ্ৰ কুমাৰসম্ভৱত স্বৰ্গ আৰু মৰ্ত্যৰ বিবিধ চিত্ৰ অঙ্কিত হৈছে।

পৰৱৰ্তী নটা সৰ্গৰ কাহিনীৰ সাৰমৰ্ম এনেকুৱা—

বিয়াৰ পাছত শিৱ আৰু পাৰ্বতীয়ে সম্ভোগ ক্ৰীড়াত বিভোৰ হৈ শশ ঋতু অতিবাহিত কৰিলত দেৱবৃন্দ ধৈৰ্য্যচ্যুত হ'ল। অগ্নিক কপৌ চৰাইৰ ৰূপত শিৱ আৰু পাৰ্বতী লীলাধামলৈ ঘটনাৰ বুজ লবলৈ পঠিয়ালে। অগ্নিৰ আগমনত শিৱ পোনতে ক্ৰোধাবিষ্ট হ'ল। কিন্তু অগ্নিয়ে দেৱবৃন্দৰ অনুৰোধ ক্ৰমেহে তালৈ অহা বুলি নিবেদন কৰাত আশুতোষ শিৱ প্ৰসন্ন হ'ল আৰু নিজৰ অমোঘ তেজোবিন্দু অগ্নিত নিক্ষেপ কৰিলে। অগ্নিয়ে সেই তেজ ধাৰণ কৰিবলৈ অসমৰ্থ হৈ ইন্দ্ৰক জনোৱাত ইন্দ্ৰই তেজ আকাশী গঙ্গাত নিক্ষেপ কৰিবলৈ ক'লে। গঙ্গায়ো সেই দুৰ্বহ তেজ বহন কৰিবলৈ নোৱাৰিলে। তেওঁ গঙ্গাস্নান কৰিবলৈ অহা ছজনী কৃত্তিকাৰ শৰীৰত ন্যস্ত কৰিলে। ফলত কৃত্তিকাসকল গৰ্ভৱতী হ'ল। সেই গুৰুভাৰ বহন কৰিবলৈ নোৱাৰি বেতসবনত ত্যাগ কৰি গুচি গ'ল। তেনে সময়তে শিৱ আৰু পাৰ্বতীয়ে বিমানেৰে যাওঁতে শিশুটিৰ ওপৰত তেওঁলোকৰ দৃষ্টি পৰিল। শিৱে নিজ তেজৰপৰা উৎপন্ন বুলি জানি শিশুটিক তাৰপৰা তুলি নিলে। শিশুটি ছয় দিনতে পৈণত হৈ সকলো অস্ত্ৰ-শস্ত্ৰত পাৰ্গত হৈ পৰিল। তেওঁ কুমাৰ নামে জনাজাত হ'ল। ইন্দ্ৰাদিৰ অনুৰোধক্ৰমে শিৱই তেওঁক দেৱ সেনাপতি পাতিলে। কুমাৰে তাৰকাসুৰক যুদ্ধত বধ কৰি ইন্দ্ৰক চিন্তামুক্ত কৰিলে।

**শিৱকথাৰ উৎস:** কুমাৰসম্ভৱৰ কথাবস্তুৰ উৎস সম্বন্ধে পণ্ডিতসকলৰ মাজত মতভেদ আছে। জনদিয়েকে শিৱপুৰাণ আৰু স্কন্দপুৰাণৰ আধাৰতে কালিদাসে এই মহাকাব্যৰ মৰ্মৰ মন্দিৰ ৰচনা কৰিছে বুলি মত প্ৰকাশ কৰে; কিন্তু এনে সম্ভাৱনা অস্বীকাৰ কৰি ৰামায়ণৰ বালকাণ্ডৰ ২৩শ সৰ্গৰপৰা কাহিনীৰ মূল কালিদাসে গ্ৰহণ কৰা বুলি কৈছে। অৱশ্যে পুৰাণতকৈ ৰামায়ণৰ কথা প্ৰাচীন আৰু মৌলিক বুলি জনা যায়। পুৰাণবোৰতে

কাব্যৰ কথাস্ৰোতৰ যি সাম্যতা দেখা গৈছে তাৰ বাবে কালিদাসক পুৰাণৰ ওচৰত ঋণী নুবুলি পুৰাণকহে মহাকাব্যৰ ওচৰত ঋণী বুলি সাব্যস্ত কৰা হৈছে।[1] শকুন্তলাকথাৰ বাবে পদ্মপুৰাণকো একেদৰে কালিদাসৰ ওচৰত ঋণবদ্ধ বুলি কোৱা হয়।

**সমীক্ষা**—মহাকৱি কালিদাসে কুমাৰসম্ভৱত শিৱ, পাৰ্বতী আৰু মদনৰ বিবিধ কাৰ্য্যৰ বৰ্ণনাত নিজকে ব্যাপৃত কৰিছে। শিৱৰ দ্বৈতৰূপ বৰ্ণনাত কৱিয়ে নিপুণতা প্ৰদৰ্শন কৰিছে। শিৱৰ ভয়ানক 'ৰৌদ্ৰ'ৰূপ আৰু 'শৈৱ' বা কল্যাণময় ৰূপ দুয়োটিৰূপ প্ৰকাশ পাইছে। যোগত প্ৰবৃত্ত শিৱই নাৰীৰূপৰা আঁতৰি ফুৰিবলৈ বিচাৰে। ইন্দ্ৰিয় নিগ্ৰহ কৰি তেওঁ যোগযুক্ত হৈ নিভৃতে বাস কৰিছে। তেনে অৱস্থাত মদনে তেওঁক পাৰ্বতীৰ প্ৰতি প্ৰলুব্ধ কৰিবলৈ কৰা যত্নকৰাত ক্ৰোধাবিষ্ট হৈ মদনক পুৰি নিঃশেষিত কৰিলে। আনহাতে তেওঁ শিৱ, কল্যাণৰ প্ৰতিমূৰ্তি, আশুতোষ। পাৰ্বতীৰ ভক্তিপূৰ্ণা, শ্ৰদ্ধাময়ী তপশ্চৰ্য্যাই তেওঁক সহজে জয় কৰিছে। পাৰ্বতীৰ প্ৰতি সন্তুষ্ট হৈ তেওঁৰ পতি হ'বলৈ সৈমান হৈছে। পোনকে ভবা হৈছিল যে বসন্তৰ আগমনত মদনৰ প্ৰৰোচনাত পাৰ্বতীৰ ৰূপত শিৱ আসক্ত হৈ পৰিব। কিন্তু বিঘটনকাৰী মদনৰ পতনে পাৰ্বতীৰ ৰূপ-সৌন্দৰ্য্যৰ অনুপম মন্দিৰো ধূলিস্যাৎ কৰি পেলালে। সেয়ে তেওঁ তপশ্চৰ্য্যাৰ আশ্ৰয় ললে। ভাৰতৰ সংস্কৃতি ভোগপ্ৰধান নহয় ত্যাগৰ মহিমাৰে হে সি মণ্ডিত। ভোগবিৰ্বৰ্জিত নৈতিক জীৱনৰ মূল্যবোধ কবিৰ প্ৰতিখন গ্ৰন্থৰ আধাৰ স্বৰূপ। কুমাৰসম্ভৱ তাৰ ব্যতিক্ৰম নহয়।

কৱিৰ বৰ্ণনাৰ মাজেৰে কুমাৰসম্ভৱত অনেক ভৌগোলিক, ঐতিহাসিক আৰু সৰ্বোপৰি সাংস্কৃতিক তথ্যৰ সমাবেশ ঘটিছে। হিমালয় প্ৰদেশৰ যথাৰ্থ বৰ্ণনা তাৰ এক উদাহৰণ।

কুমাৰসম্ভৱৰ অঙ্গী ৰস শৃঙ্গাৰ। তথাপি মদনদাহৰ কাল ৰৌদ্ৰৰস, বা ৰতিৰ বিলাপত কৰুণ ৰসৰ ৰহণ পৰিছে। ইন্দ্ৰ-মদন সংবাদ, বা যুদ্ধৰ বৰ্ণনাত নিশ্চিতভাৱে বীৰৰস প্ৰকাশ পাইছে।

অনেক টীকাৰ প্ৰাচুৰ্য্যই কুমাৰসম্ভৱৰ জনপ্ৰিয়তা উদঙাই দেখুৱায়।

**ৰঘুবংশম্ঃ** কোৱা হয় যে কৱিকুলগুৰু কালিদাসৰ অন্তিম আৰু শ্ৰেষ্ঠ কাব্য ৰঘুবংশম্। ঊনবিংশটি সৰ্গত নিবদ্ধ এই কাব্যখনি ৰঘু বা সূৰ্য্যবংশীয় ৰজাসকলৰ 'চৰিত' ('ক্ব সূৰ্য্য প্ৰভৱো বংশঃ……'; 'ৰঘূনামন্বয়ং ৱক্ষে……';)। কিম্বদন্তি অনুসৰি কাব্যখনি পঁচিশ বা ছাব্বিশ টা সৰ্গৰ সমষ্টি আছিল। লগতে এই ধাৰণাটিও প্ৰবৰ্তিছে যে ইও 'কুমাৰসম্ভৱ'ৰ লেখীয়াকৈ অসম্পূৰ্ণ। সম্প্ৰতি ঊনৱিংশ সৰ্গসম্মত ৰঘুবংশত ৰজা দিলীপৰপৰা আৰম্ভ কৰি অগ্নিবৰ্ণ লৈ সূৰ্য্যবংশীয় ঊনত্ৰিশজন ৰজাৰ চৰিত বৰ্ণিত হৈছে। অগ্নিবৰ্ণৰ পৰৱৰ্তী ৰঘুবংশজ ৰজাসকলৰ চৰিত ইয়াত বৰ্ণিত নোহোৱা বাবে কোনো কোনোৱে ৰঘুবংশম্ মহাকাব্যক অসম্পূৰ্ণ বুলি ক'ব খোজে। পিছে কালিদাসে ৰঘুৰ পিতৃৰপৰা আৰম্ভ কৰি সেইবংশৰ উল্লেখযোগ্য ৰজাসকলৰ 'চৰিত' বাচনি কৰিহে বৰ্ণাইছে।

**বিষয়বস্তুৰ সাৰভাগঃ** প্ৰথম সৰ্গত কৱিয়ে পোনতে ৰঘুবংশজ ৰজাসকলৰ এনে

১। তিৱাৰী, মহাকৱি কালিদাস, পৃষ্ঠা—১০৩।



কেতবোৰ বৈশিষ্ট্যপূৰ্ণ গুণৰ কথা সুঁৱৰিছে, যিবোৰ গুণে কৱিক সেইবংশৰ বিষয়ে লিখিবলৈ প্ৰেৰণা দিছে। তেওঁ কৈছে :

সোঽহমাজন্মশুদ্ধানা মাফলোদয়কৰ্মণাম্।
আসমুদ্ৰক্ষিতীশানামানাকৰথবৰ্ত্মনাম্॥
যথাবিধিহুতাগ্নীনাং যথাকামাৰ্চিতাৰ্থিনাম্।
যথাপৰাধদণ্ডানাং যথাকালপ্ৰবোধিনাম্॥
ত্যাগায় সংভৃতাৰ্থানাং সত্যায় মিতভাষিণাম্।
যশসে বিজিগীষূণাং প্ৰজায়ৈ গৃহমেধিনাম্॥
শৈশৱেঽভ্যস্তবিদ্যানাং যৌৱনে বিষয়ৈষিণাম্॥
বাৰ্ধকে মুনিবৃত্তীনাং যোগেনান্তে তনুত্যজাম্॥
ৰঘূণামন্বয়ং ৱক্ষে তনুবাগ্বিভৱোঽপি সন্।
তদ্গুণৈঃ কৰ্ণমাগত্য চাপলায় প্ৰচোদিতঃ॥

এই সৰ্গত মূলতঃ কৱিয়ে ৰজা দিলীপৰ চৰিত্ৰ বৰ্ণাইছে। বহুদিনলৈ নিঃসন্তান হৈ থকা ৰজা দিলীপে (মগধ ৰজাৰ জীয়াৰী) পত্নী সুদক্ষিণাৰেসৈতে কুলগুৰু বসিষ্ঠৰ (বশিষ্ঠৰ) আশ্ৰমলৈ গ'ল। বশিষ্ঠই পুত্ৰপ্ৰাপ্তিৰ বাবে তেওঁৰ আশ্ৰমত থকা হোমধেনু নন্দিনীক সেৱা কৰিবলৈ নিৰ্দেশ দিলে : 'সুৰভিৰ কন্যাকেই সুৰভিৰ প্ৰতিনিধি বুলি সপত্নীকে সেই হোমধেনুৰ সেৱা কৰা ; সন্তুষ্ট হ'লে গাইজনীয়ে তোমালোকৰ অভীষ্ট পূৰণ কৰিব।'

সুতাং তদীয়াং সুৰভেঃ কৃত্বা প্ৰতিনিধিং শুচিঃ।
আৰাধয় সপত্নীকঃ প্ৰীতা কামদুঘা হি সা॥ ১।৮১

দ্বিতীয় সৰ্গত দিলীপ আৰু সুদক্ষিণাৰ তিনি সপ্তাহকাল গো-সেৱা ব্ৰত কৰাৰ হুবহু বৰ্ণনা কৱিয়ে দিছে। কুলগুৰুৰ বাক্যধৰি ৰজা দিলীপে হোমধেনু নন্দিনীৰ পৰিচৰ্য্যাত দৃঢ়তাৰে সংলগ্ন হ'ল। একুৰি এদিন যোৱাৰ পাছত এদিন নন্দিনীয়ে ৰজাৰ ভক্তিৰ পৰীক্ষা লবলৈ হিমালয়ৰ পাদদেশস্থ এটি সুন্দৰ ঘাঁহ থকা গুহাত প্ৰৱেশ কৰিলে। নন্দিনীৰ অনুচৰ হৈ যোৱা ৰজায়ো তালৈ গৈ নিৰ্ভয়ে হিমালয়ৰ অপূৰ্ব প্ৰাকৃতিক শোভা চাবলৈ ধৰিলে। কিমান সময় তেনেকৈ আছিল তালৈ ৰজাৰ ভ্ৰূক্ষেপ নাই। হঠাতে নন্দিনীৰ চিঞৰ শুনি দেখিলে গাইজনীক এটা দুৰ্দান্ত সিংহই আক্ৰমণ কৰিছে। ৰজাক সি মানুহৰ মাতেৰে মাতি নিজক শিৱৰ অনুচৰ বুলি কৈ গাইজনী নীতিমতে তাৰ কবলত পৰা বুলি দাবী কৰিলে। ৰজাই উপায়ান্তৰ হৈ গাইজনীৰ সলনি নিজৰ শৰীৰটো সিংহক সঁপি দিলে। ৰজাৰ দৃঢ়ভক্তি দেখি নন্দিনী সন্তুষ্ট হ'ল। মায়া-সিংহ অদৃশ্য হ'ল। 'পুত্ৰলাভ কৰিব' বুলি ৰজাক বৰ দিলে আৰু পত্ৰপুটে স্বদুগ্ধ পান কৰি কৃতাৰ্থ হ'বলৈ ৰজাক আদেশ দিলে। ৰজাই ৰংমনে নন্দিনীক আগত লৈ ঋষিৰ আশ্ৰমত উপস্থিত। তেওঁ আদ্যোপান্ত বিৱৰি সিদিনাৰ ঘটনাপ্ৰবাহ ঋষিক জনালে আৰু গুৰুৰ আজ্ঞাক্ৰমে ব্ৰতান্তে গোদুগ্ধ পান কৰিলে। পিছদিনা গুৰুৰ উপদেশমতে আশ্ৰম এৰি তেওঁ ৰাজধানী পালে।

তৃতীয় সৰ্গত নন্দিনীৰ ৱৰত দিলীপৰ ঔৰসত, আৰু সুদক্ষিণাৰ গৰ্ভত ৰঘুৰ উৎপত্তি,

সংস্কাৰ, শিক্ষা আৰু অভিষেক বৰ্ণনাৰ লগতে দিলীপৰ অশ্বমেধ যজ্ঞৰ সময়ত ৰঘুৰ দিগ্বিজয়ৰ অসামান্য কাহিনী বৰ্ণিত হৈছে।

যজ্ঞ সমাপ্তিৰ পাছত ৰঘুক ৰজাৰূপে অভিষিক্ত কৰি সুদক্ষিণাৰেসৈতে দিলীপে তপোবনৰ ছায়া আশ্ৰয় কৰে। পঞ্চম সৰ্গত ৰঘুৰ অসাধাৰণ দানশীলতাৰ বৰ্ণনা পোৱা গৈছে। ৰঘুৱে বিশ্বজিৎ যজ্ঞ সম্পাদন কৰি উঠি সমস্ত ধনৰাশি নিঃশেষ কৰাৰ পাছত কৌৎস নামে ব্ৰহ্মচাৰী এজনে গুৰুদক্ষিণা দিবলৈ চৌধ কৌটি সোণৰ মোহৰ ৰজাৰ ওচৰত বিচাৰে। ৰঘুৱে ব্ৰহ্মচাৰীক ধন দিবলৈ কুবেৰ ভঁৰাল আক্ৰমণ কৰিবলৈ মন থিৰ কৰে। আক্ৰমণৰ ভয়ত কুবেৰে ৰাজভঁৰাল ধনেৰে ওপচাই দিয়ে আৰু ব্ৰহ্মচাৰী কৌৎসই চৌধ্য কোটি মোহৰ লৈ ৰজাক পুত্ৰ লাভ কৰিবলৈ বৰ দি বিদায় লয়।

ব্ৰহ্মচাৰীৰ আশীৰ্বাদৰ ফলত অলপদিনৰ ভিতৰত ৰঘুৰ ঔৰসত ৰাণীৰ গৰ্ভত জন্ম হ'ল অজৰ। ষষ্ঠ সৰ্গ আৰু সপ্তম সৰ্গত ইন্দুমতীৰ স্বয়ম্বৰ আৰু অজ ইন্দুমতীৰ বিবাহৰ বৰ্ণনা কৰা হৈছে। প্ৰাচীনকালৰ স্বয়ংবৰ সভাৰ হুবহু বৰ্ণনা ষষ্ঠ সৰ্গত কালিদাসে দাঙি ধৰোঁতে বিভিন্ন ৰজাৰ নাতিদীৰ্ঘ পৰিচয়সমূহ সুন্দৰকৈ দিয়া হৈছে। অজ-ইন্দুমতীৰ বিয়াৰ পাছত হতাশাগ্ৰস্ত ৰজাসকলৰসৈতে অজৰ যুদ্ধৰ বৰ্ণনাও পোৱা যায়। অষ্টম সৰ্গত ৰঘুৱে অজৰ হাতত ৰাজশাসনৰ ভাৰাৰ্পণ কৰা, ইন্দুমতীৰ আকস্মিক মৃত্যুত অজৰ বিলাপ আৰু বশিষ্ঠৰদ্বাৰা সান্ত্বনা দানৰ বৰ্ণনা পোৱা যায়। ৰঘুবংশৰ অজৰ বিলাপে কুমাৰসম্ভৱৰ ৰতিৰ বিলাপলৈ পাঠকক মনত পেলাই দিয়ে।

নৱম সৰ্গত দশৰথৰ ৰাজ্যশাসনৰ বৰ্ণনা কৰা হৈছে। মৃগয়া কৰিবলৈ গৈ দৈৱবশতঃ শ্ৰৱণ কুমাৰক বধ কৰাৰ মৰ্মস্পৰ্শী বিৱৰণো ইয়াত পোৱা যায়। নৱমৰপৰা পঞ্চদশ সৰ্গলৈকে ৰামকথা বৰ্ণিত হৈছে। বিষ্ণুৰ আশীৰ্বাদক্ৰমে ৰামাদিৰ জন্ম প্ৰভৃতি সকলো ৰামায়ণোক্ত কথাৰ সংক্ষিপ্তসাৰ ইয়াত পোৱা যায়। ত্ৰয়োদশ সৰ্গত ৰাম-সীতাৰ আকাশ পথেৰে অযোধ্যালৈ প্ৰত্যাবৰ্তন বৰ্ণনাত কালিদাসে অভিনৱত্ব আনিছে। চতুৰ্দশ আৰু পঞ্চদশ সৰ্গত বৰ্ণিত ঘটনা প্ৰায়শঃ উত্তৰকাণ্ড ৰামায়ণানুযায়ী বুলিলে ভুল কোৱা নহয়।

ষোড়শ সৰ্গত কুশৰ ৰাজ্যশাসনৰ বৰ্ণনা কিছু বিশদভাবে বৰ্ণিত হৈছে। বিশেষতঃ কুশৰ জলবিহাৰ, বলয়সহ কুমুদ্বতী লাভৰ বৰ্ণনাও পোৱা যায়। সপ্তদশ সৰ্গত কুশৰ পুত্ৰ অতিথিৰ চৰিত্ৰ চিত্ৰিত হৈছে। অষ্টাদশ সৰ্গত একৈশজন ৰঘুবংশীয় ৰজাৰ উল্লেখ কৰা হৈছে। তেওঁলোকৰ অন্তিম আৰু উল্লেখযোগ্য ৰজাজন হৈছে সুদৰ্শন। তেওঁৰ শাসন-ব্যৱস্থাৰ বিস্তৃত বিৱৰণ কৰিয়ে তুলি ধৰিছে।

ঊনবিংশ সৰ্গত সুদৰ্শনপুত্ৰ ৰজা অগ্নিবৰ্ণৰ বিলাসিতা আৰু কামুকতাৰ দুৰ্ঘোৰ বৰ্ণনা কৰিয়ে কৰিছে। তেওঁৰ শোকাবহ মৃত্যুতেই কাব্যৰ সামৰণি পৰিছে।

**সমীক্ষা**—'ৰঘুবংশ' মহাকৱি কালিদাসৰ প্ৰৌঢ়কালৰ পৈণত প্ৰতিভাৰে স্বাক্ষৰিত এক মহান কাব্যকৃতি। নাটকৰ ভিতৰত যিদৰে 'অভিজ্ঞান শাকুন্তলম্' কৱিৰ শ্ৰেষ্ঠ ৰচনা সেইদৰে কাব্যৰ ভিতৰত 'ৰঘুবংশম্' শ্ৰেষ্ঠতম ৰচনা। পণ্ডিত সকলে কয় যে 'ৰঘুবংশ'ক



বৈশিষ্ট্যসমূহক আগত ৰাখিয়েই আলংকাৰিক মহাকাব্যৰ লক্ষণসমূহ নিৰূপণ কৰিছিল। 'মেঘদূত' আৰু 'কুমাৰসম্ভৱ'ৰ তুলনাত 'ৰঘুবংশ'ৰ চিত্ৰপট বহুত বিশাল। ইয়াৰ উনৈশটা সৰ্গত ঊনত্ৰিশজন ৰঘুবংশীয় ৰজাৰ চৰিত্ৰ ন্যূনাধিক চিত্ৰায়িত হৈছে। কাব্য হিচাপে ইয়াৰ উৎকৃষ্টতা অস্বীকাৰ নকৰিও অনেকজন সমালোচকে ইয়াক 'সামঞ্জস্যকৰ আৰু সমন্বিত কাব্যতকৈ অনেক মনোমোহা চিত্ৰৰ এক মালা বুলিহে ক'ব খোজে। এ, ডব্লিও, ৰাইডাৰে ৰঘুবংশত 'একসূত্ৰতাৰ অভাৱ' বুলি কৈছে। ইয়াৰ কথাবস্তুও ৰূপহীন আৰু অসম্বন্ধ বুলি কোৱা প্ৰয়াস তেওঁ পাইছে। তথাপি ৰঘুবংশৰ জনপ্ৰিয়তা প্ৰাচীনকালেৰপৰা আজিলৈ নিৰৱচ্ছিন্নৰূপে প্ৰৱৰ্তিত আছে ; তাৰ প্ৰমাণস্বৰূপে ছল্লিশটাৰ অধিক টীকালৈ আঙুলিয়াবলৈ পাৰি।

**উৎস :** মহাকৱি কালিদাসে একাধিক উৎসৰপৰা 'ৰঘুবংশ'ৰ কথাবস্তু গ্ৰহণ কৰিছিল বুলি অনুমান কৰা হয়। নিজকে 'মন্দঃকৱিযশঃপ্ৰাৰ্থী' বুলি কৈ বাল্মীকি প্ৰভৃতি প্ৰভাৱশীল পূৰ্বসূৰিসকলৰ প্ৰতি কৃতজ্ঞতা স্বীকাৰ কৰি কৈছে :

অথবা কৃতবাগ্‌দ্বাৰে বংশেঽস্মিন্ পূৰ্বসূৰিভিঃ।
মণৌ বজ্ৰসমুৎকীৰ্ণে সূত্ৰস্যেৱাস্তি মে গতিঃ ॥ ১।৪

ইয়াৰপৰা বুজা যায় যে তেওঁৰ কথাস্ৰোতৰ আধাৰ ৰামায়ণৰ উপৰিও অন্য বহু গ্ৰন্থ আছিল। নৱম সৰ্গৰপৰা পঞ্চদশলৈ বৰ্ণিত ৰামকথাৰ আধাৰ যে ৰামায়ণ তাত সন্দেহ নাই। পুৰাণসমূহতো সূৰ্য্যবংশীয়সকল বংশাবলী কীৰ্তিত হৈছে। দিলীপ আৰু ৰঘুৰ মাজত ৰামায়ণত দুজন, বায়ুপুৰাণত উনৈশজন আৰু বিষ্ণুপুৰাণত ওঠৰজন ৰজাৰ নাম অধিককৈ পোৱা যায়। দেখা যায় যে আমাৰ কৱিয়ে সেই বংশাবলী হয় চমুৱাইছে, নহ'লে অন্য প্ৰামাণ্য গ্ৰন্থৰপৰা তেওঁ কথাস্ৰোত আহৰণ কৰিছে। অৱশ্যে মৌখিক পৰম্পৰাও তেতিয়া থকা সম্ভৱ। ভাসৰ 'প্ৰতিমাত' পোৱা দিলীপৰপৰা দশৰথলৈ নামৰ ক্ৰমে ৰঘুবংশত একে আছে। 'ৰঘু'ৰ অষ্টাদশ সৰ্গত কুশ আৰু অগ্নিবৰ্ণৰ মধ্যবৰ্ত্তী ঐকেশজন ৰজাৰ উল্লেখ বৰ্ত্তমান। তেওঁলোকৰ ভিতৰত অকলে অগ্নিবৰ্ণৰ পিতৃ সুদৰ্শনৰ শাসনব্যৱস্থা প্ৰশংসা কৱিজনে ভব্যৰূপত তুলি ধৰিছে। অগ্নিবৰ্ণৰ পাছৰো আৰু আঠজন ৰঘুবংশীয় ৰজাৰ নাম বিষ্ণুপুৰাণে দিয়ে ; সিসকলৰ কথা কালিদাসে বৰ্ণোৱা নাই।

ৰঘুবংশত মহাকৱি কালিদাসে ভৌগোলিক আৰু ঐতিহাসিক বিষয়ক অনেক তথ্য দাঙি ধৰিছে। ৰঘুৰ দিগ্বিজয়ৰ পৰিপ্ৰেক্ষিতত তেওঁ জয় কৰা দেশ, ৰাজ্য, নগৰ আদিৰ ভৌগোলিক বিৱৰণ পোৱা যায়। সেইদৰে ইন্দুমতীৰ স্বয়ম্বৰলৈ সমাগত ৰাজপুৰুষসকলৰ ঐতিহাসিক বৃত্তান্ত, আৰু সমস্ত গ্ৰন্থ ব্যাপি বৰ্ণিত সূৰ্য্যবংশৰ ইতিবৃত্ত বুৰঞ্জীৰ ছাত্ৰ আৰু গৱেষকৰ বাবে মূল্যবান আহিলা। ইয়াৰ মাজেৰে প্ৰাচীন ভাৰতীয় সভ্যতা-কৃষ্টি-সংস্কৃতিৰ অনেকবোৰ মূল্যবান দিশৰ ওপৰত কৰা আলোকপাত উল্লেখনীয়। দিলীপ আৰু ৰামে অনুষ্ঠিত কৰা অশ্বমেধ যজ্ঞৰ বিৱৰণ, ৰঘুৰ দিগ্বিজয় আৰু বিশ্বজিৎ যজ্ঞানুষ্ঠানৰ বৰ্ণনা, ইন্দুমতীৰ স্বয়ম্বৰ কুশৰ জলক্ৰীড়া আৰু অতিথিৰ অভিষেকৰ বিৱৰণসমূহে প্ৰাচীন ভাৰতীয় সংস্কৃতিৰ নানা দিশ সামৰিছে।

কালিদাসে ৰঘুবংশত এক আদৰ্শ ৰূপে প্ৰস্তুত কৰিছে। ৰঘুবংশীয় ৰজাসকলে মনুৱে তাহানি দেখুৱা পথ ধৰিয়েই প্ৰজাশাসন কৰিছিল। প্ৰজাক পুত্ৰৱৎ তেওঁলোকে পালিছিল। প্ৰজায়ো ৰজাক পিতৃজ্ঞান কৰিছিল।

'স পিতা পিতৰস্তাসাং কেৱলং জন্মহেতৱঃ।'

কৱিয়ে ৰাজনীতি আৰু সমাজ নীতিৰ অনেক কথা কাব্যপংক্তিৰ মাজেৰে প্ৰকাশ কৰিছে। প্ৰথম দিলীপৰ শাসন ব্যৱস্থা আৰু অষ্টাদশ সৰ্গত সুদৰ্শনৰ শাসন-ব্যৱস্থাৰ বিৱৰণে কালিদাসৰ প্ৰৌঢ় ৰাজনীতিজ্ঞানৰ পৰিচয় দিয়ে। দিলীপৰ গো-ভক্তি আৰু গুৰু-ভক্তি, ৰামৰ পিতৃ-ভক্তি, সত্যান্বেষণ আদিয়ে ৰাজতন্ত্ৰস্থ পুৰুষৰ চৰিত্ৰৰ উৎকৰ্ষতা বুজায়।

কৱি কালিদাসকৃত ৰঘুবংশ প্ৰকৃততে শৌৰ্য্য-বীৰ্য্য, নীতি-নৈপুণ্যশীল ৰজাসকলৰ 'চৰিত্ৰ' বুলিহে সুখ্যাত। দিলীপ, ৰঘু. অজ, দশৰথ, ৰাম, কুশ, অতিথি, সুদৰ্শন আদিৰ পুণ্যশীল চৰিত্ৰ সঁচাকৈ অনুধাৱনৰ বিষয়। সিসকলৰ সৰ্বসামান্য গুণসমূহ প্ৰথম সৰ্গৰ ৫—৮ শ্লোক চাৰিটাত সংক্ষিপ্তকৈ কৱিয়ে বখানিছে। কাৰণ তেনে গুণৰ কথা শুনিহে ( তদ্‌গুণৈঃ কৰ্ণমাগত্য ) কৱিয়ে ৰঘুবংশৰ চৰিত্ৰ কীৰ্তন কৰিবলৈ প্ৰেৰণা পাইছে ( চাপলায় প্ৰচোদিতঃ )। ৰজা দিলীপৰ ৰূপগুণৰ ভূয়সি প্ৰশংসা প্ৰথম সৰ্গত বেগতে কৱিয়ে দিছে ( ১৩—৩০ শ্লোকমালা দ্ৰষ্টব্য )। কৱিয়ে কৈছেঃ '( মনোহৰ ) আকৃতিৰ অনুৰূপে তেওঁৰ প্ৰজ্ঞা আছিল, প্ৰজ্ঞানুসৰি তেওঁৰ বিদ্যা আছিল, বিদ্যানুৰূপে তেওঁ কৰ্ম কৰিছিল আৰু কৰ্ম অনুসৰি সিদ্ধি লাভ কৰিছিল।'

আকাৰ সদৃশপ্ৰজ্ঞঃ প্ৰজ্ঞয়া সদৃশাগমঃ।
আগমৈঃ সদৃশাৰম্ভ আৰম্ভ সদৃশোদয়ঃ ॥ ১।১৫

মুঠতে পৰস্পৰ বিৰোধী হ'লেও সকলো সজগুণৰ তেওঁ অধিকাৰী আছিল।

একেদৰে ৰঘুৰ শৌৰ্য্য-বীৰ্য্য, দানশীলতা, অজৰ বীৰকৰ্ম, পত্নীপ্ৰেম, ৰামৰ পিতৃপৰায়ণতা, সত্যশীলতা আদিৰ প্ৰশংসাৰে কৱিয়ে মহত্বপূৰ্ণ চৰিত্ৰৰ ভাবমূৰ্তি পাঠকৰ সমক্ষত দাঙি ধৰিছে।

তেনেদৰে সুদক্ষিণা, ইন্দুমতী, সীতা প্ৰভৃতি মহিয়সী নাৰী চৰিত্ৰৰ ৰূপাদৰ্শ কৱিয়ে অমৰ কাপেৰে চিত্ৰিত কৰি গৈছে। কৱিৰ ভাষাত, উদাহৰণাৰ্থে, সুদক্ষিণা যেন যজ্ঞৰ দক্ষিণাস্বৰূপহে আছিল (পত্নী সুদক্ষিণেত্যাসীদ্ অধ্বৰস্যেৱ দক্ষিণা )।

**উপমা কালিদাসস্য :** মহাকৱি কালিদাস অলংকাৰ প্ৰয়োগত নিতান্ত পটু আছিল। তেওঁ শব্দালংকাৰ আৰু অৰ্থালংকাৰ দুয়োবিধ অলংকাৰকেই নিপুণতাৰে নিজৰ কাব্যগ্ৰন্থসমূহত প্ৰয়োগ কৰিছে। 'অনুপ্ৰাস'ৰ এটি উদাহৰণ ৰঘুবংশৰপৰা দিগ্‌দৰ্শনৰ বাবে তুলি ধৰা হ'ল ঃ



পুৰন্দৰশ্ৰী ঃ পুৰমুৎপতাকং প্ৰৱিশ্য পৌৰৈৰভিনন্দ্যমানঃ
ভুজে ভুজগেন্দ্ৰসমানসাৰে ভূয়ঃ সভূমেৰ্ধুৰমাসসঞ্জ ॥

—ৰঘুঃ ২।৭৪

কৱি তেওঁৰ গ্ৰন্থ শ্ৰেণীত অনেক অৰ্থালংকাৰৰ সুপ্ৰয়োগ কৰিছে। উপমা অৱশ্যে তেওঁৰ প্ৰিয় অলংকাৰ। কে চেল্লাপান পিল্লায়ে লিখা Similes of Kalidasa নামে গ্ৰন্থত কৱিজনে বিভিন্ন গ্ৰন্থত প্ৰয়োগ কৰা উপমাৰ এটি সমীক্ষা দিবলৈ গৈ ( গ্ৰন্থৰ পাতনিত ) উপমাযুক্ত শ্লোকৰ মুঠ সংখ্যা ১২৫০ বুলি গণনা কৰিছে। তাৰে ৫৫০ টা অকল ৰঘুবংশতে পোৱা যায়। বাকীবোৰ গ্ৰন্থত ক্ৰমে এনেদৰে পোৱা গৈছে ঃ কুমাৰ সম্ভৱ ২৫০, শকুন্তলা ৭০, মেঘদূত ৫০, আৰু ঋতুসংহাৰ ৬০। ৰঘুবংশখন উপমাৰে আৰম্ভ কৰি কৱিয়ে উপমাৰেই শেষো কৰিছে। কিন্তু কৱিয়ে অন্যবোৰ অলংকাৰো প্ৰয়োগ নকৰাকৈ থকা নাই। উৎপ্ৰেক্ষা, সমাসোক্তি, ৰূপক, শ্লেষ, অপহ্নুতি, অতিশয়োক্তি, নিদৰ্শনা, ব্যতিৰেক, দৃষ্টান্ত, অৰ্থান্তৰন্যাস, তুল্যযোগিতা আদি অলংকাৰেও ৰসাভিব্যক্তি ক্ষুণ্ন নকৰাকৈ কাব্য শোভা বঢ়াইছে। তথাপি কোৱা হয় যে কালিদাস উপমা আৰু উপমাগৰ্ভ অলংকাৰৰ বাবে প্ৰসিদ্ধ আৰু ৰঘুবংশম্ উপমাৰে সমৃদ্ধ এক মহাকাব্য।

তেওঁৰ কাব্যত ইতস্ততঃ পৰিদৃষ্ট দুই এক উপমাৰ দৃষ্টান্ত পাঠকৰ অৱগতিৰ বাবে তুলি ধৰা হ'ল। ৰঘুবংশম্ মহাকাব্যৰ প্ৰথম চাৰিওটা শ্লোকেই ( দ্বিতীয় শ্লোকটোক নিদৰ্শনাৰ উদাহৰণ বুলি ন ধৰিলে ) উপমাৰে অলংকৃত শ্লোক। কৱিয়ে সদা-সৰ্বদা পৰস্পৰ সম্বন্ধ আৰু লোক সমাজত জনাজাত বুলিয়েই পিতৃ-মাতৃকল্প শব্দ আৰু অৰ্থৰ উপমা নিত্য সংযুক্ত আৰু জগতৰ মা-পিতা স্বৰূপ পাৰ্বতী পৰমেশ্বৰেৰে দি কেনে মধুৰ কল্পনা কৰিছে তাক ৰঘুবংশৰ মঙ্গল শ্লোকত এনেদৰে পোৱা যায় ঃ

ৱাগৰ্থাৱিৱ সম্পৃক্তৌ বাগৰ্থপ্ৰতিপত্তয়ে।
জগতঃ পিতৰৌ বন্দে পাৰ্বতী পৰমেশ্বৰৌ ॥

টীকাকাৰে ব্যাখ্যাত কৈছে 'অত্ৰোপমালংকাৰঃ স্ফুট এৱং…প্ৰায়িকশ্চোপমালংকাৰঃ কালিদাসোক্ত কাব্যদৌ।' কালিদাসৰ কাব্যই প্ৰায়েই যে উপমা অলংকাৰ প্ৰযুক্ত হৈছে তাক মল্লিনাথে এনেদৰে স্বীকাৰ কৰিছে।

'ৰঘু'ৰ প্ৰথম সৰ্গৰ তৃতীয় সৰ্গত অন্য এক অনুপম অথচ লোক প্ৰসিদ্ধ উপমাৰ উদাহৰণ পোৱা যায়। কৱিয়ে কৈছে ঃ মই মন্দমতিজনে কৱিজনোচিত যশলৈ আশা কৰি দীঘলহতীয়া লোকে পাব পৰা ফললৈ লোভতে বাওনাজনে হাত মেলি লোকৰ হাঁহিয়াতৰ পাত্ৰ হোৱাৰ দৰে ( ময়ো তেনে ) হমগৈ।

মন্দঃ কৱিযশঃ প্ৰাৰ্থী গমিষ্যাম্যুপহাস্যতাম্।
প্ৰাংশুলভ্যে ফলে লোভাদুদ্বাহুৰিৱ ৱামনঃ ॥

সুন্দৰ উপমাটিৰ বাবে শ্লোকটিয় সদায় বিদ্বানসকলৰ সুধীসমাজত বিনযবত্তা প্ৰকাশৰ এক মাধ্যম যেন পৰিছে।

ষষ্ঠ সৰ্গত ইন্দুমতীৰ স্বয়ম্বৰ সভাত ইন্দুমতীৰ বাচনিত নপৰা ৰজাসকলৰ শোভা কিদৰে একে একে মোলান পৰিছিল তাকে বৰ্ণাবলৈ গৈ কৱিয়ে এনে এক যথাৰ্থ অথচ লোক প্ৰসিদ্ধ উপমাৰ সৃষ্টি কৰিলে যে তাৰ উপমান 'দীপশিখা' কৱিজনৰ এক জ্ঞাপক উপাধি বা চিহ্ন—'কৃষ্ণৰ মূৰৰ ময়ূৰ পাখি' যেন হৈ ৰ'ল। শ্লোকটি এনে—

সঞ্চাৰিণী দীপশিখেৱ ৰাত্ৰৌ যং যং ব্যতীয়ায় পতিম্বৰাসা।
নৰেন্দ্ৰমাৰ্গাট্ট ইৱ প্ৰপেদে বিৱৰ্ণভাৱং স স ভূমিপালঃ॥ ৰঘু ৬।৬৭

ৰাজপথৰ দুয়ো দাঁতিত নিৰ্মিত অট্টালিকাৰ দৰে ৰজা সকলে ৰাজসভাত আসনপাতি বহি আছে। জোৰৰ পোহৰৰ দৰে জ্যোতিৰ্ময়ী ইন্দুমতীয়ে সহচৰীৰে সৈতে প্ৰতিজন ৰজাৰ আগলৈ গৈ পৰিচয় শুনি অপচন্দ কৰি এৰি থৈ গৈছে। এনেদৰে জোৰৰ পোহৰ পৰি বাটৰ দাঁতিৰ অট্টালিকা উজলি উঠাৰ দৰে ইন্দুমতীৰ সমক্ষত প্ৰতিজন ৰজাৰ অন্তৰত ক্ষন্তেকলৈ আশাৰ উদয় হৈছে, মুখমণ্ডলত তাৰে জিলিকনি পৰিছে। কিন্তু ইন্দুমতীয়ে তেওঁক নিৰ্বাচন নকৰি অন্যজনৰ সমুখলৈ আগুৱাই যোৱাত পৰিত্যক্তজনৰ মুখ এন্ধাৰত মোলান পৰা অট্টালিকাৰ দৰে হৈ পৰিছে। ইয়াত কমকথাৰে কৱিয়ে বহুকথা সামৰিছে। দীপশিখাৰ উপমা তুলি ধৰা বাবে আজিও লোকে তেওঁক 'দীপশিখা' কালিদাস বুলি কয়।

প্ৰথম সৰ্গৰ ১১শ শ্লোকত বৈৱস্বত মনুক বেদমন্ত্ৰৰ আদিত উচ্চাৰিত প্ৰণৱেৰে তুলনা কৰি এক উপমাৰ সৃষ্টি কৰিছে। তাৰ পৰৱৰ্তী শ্লোকত চন্দ্ৰবংশত ৰজা দিলীপৰ অৱস্থিতিক ক্ষীৰনিধিত চন্দ্ৰৰ অৱস্থিতিৰে উপমা দি কৱিয়ে কৈছে:

তদন্বয়ে শুদ্ধিমতি প্ৰসূতঃ শুদ্ধিমত্তৰঃ।
দিলীপ ইতি ৰাজেন্দুৰিন্দুঃ ক্ষীৰনিধাৱিৱ॥

এনেদৰে ১ম সৰ্গটি উপমাবহুল শ্লোকেৰে সমৃদ্ধ। দ্বিতীয় সৰ্গতো অনেক উপমাযুক্ত শ্লোক বিদ্যমান। অৰণ্যতচৰি উভতি অহা ('নন্দিনী') ৰাণ্ডী গাই জনী দিলীপ আৰু সুদক্ষিণাৰ মাজত দিন-ৰাতিৰ মাজত পৰা সন্ধ্যাৰ দৰে বিৰাজ কৰা বুলি কৱিয়ে কল্পনা কৰিছে:

পুৰস্কৃতা বৰ্ত্মনি পাৰ্থিৱেন প্ৰত্যুদ্গতা পাৰ্থিৱধৰ্মপত্ন্যা।
তদন্তৰে সা বিৰৰাজ ধেনুৰ্দিনক্ষপামধ্যগতেৱ সন্ধ্যা॥ ৰঘু ২।২০

এনেদৰে 'ৰঘু'ৰ অন্যান্য সৰ্গতো উপমা বহুল উদাহৰণ পোৱা যাব। তেওঁৰ আন কাব্য আৰু নাটকৰ পাততো কৱিপ্ৰিয়া উপমাই নিশ্চয় বিৰাজ কৰিছে। দিগ-দৰ্শনাৰ্থে দুটি এটি উদাহৰণ তুলি ধৰা হ'ল।

'ঋতুসংহাৰ'ৰ তৃতীয় সৰ্গত প্ৰাৰম্ভতে ন বোৱাৰীৰ দৰে শৰদ্ ঋতুৰ মনোমোহা ৰূপৰ কল্পনা কৱিয়ে নিজৰ হৃদয়ৰ অনুভূতিৰে এনেদৰে প্ৰকাশ কৰিছে:

কাশাংশুকা বিকচপদ্ম মনোজ্ঞবক্ত্ৰা
সোন্মাদহংস-ৰৱ-নূপুৰনাদৰম্যা।



...Chandra Baruah Library ... Barapu... Acc No. 133 Date........

আপক্কশালিৰুচিৰানত গাত্ৰ যষ্টিঃ
প্ৰাপ্তা শৰন্নৱ বধূৰিৱ ৰূপৰম্যা॥

'কাশফুলৰ দৰে যাৰ পৰিধান, প্ৰফুল্ল পদুমৰ দৰে যাৰ মুখ, উন্মত্ত হাঁহৰ মাতৰ দৰে যাৰ নূপুৰৰ ধ্বনি, পকা শালিধানৰ দৰে সুন্দৰ যাৰ ক্ষীণ দেহলতা, অপৰূপ যাৰ আকৃতি সেই ন বোৱাৰীসদৃশ শৰৎকাল পালেছি।'

মেঘদূততো কৱিয়ে অনেক উপমাৰ উদাহৰণ সৃষ্টি কৰিছে। পূৰ্বমেঘৰ এটি শ্লোকত (৪১) কৱিয়ে গম্ভীৰা নৈ খনক এজনী নায়িকাৰদৰে কল্পনা কৰি কৈছে:

গম্ভীৰায়াঃ পয়সি সৰিতশ্চেতসীৱ প্ৰসন্নে
ছায়াত্মাঽপি প্ৰকৃতি সুভগো লপ্স্যতে প্ৰৱেশম্।
তস্মাদস্যাঃ কুমুদবিশদান্যৰ্হসি ত্বং ন ধৈৰ্যাৎ
মোঘীকৰ্তুং চটুল শফৰোদ্বৰ্তন প্ৰেক্ষিতানি॥

'(বাটতে পোৱা) গম্ভীৰা নদীৰ স্বচ্ছ হৃদয়ৰ দৰে জলৰাশিত তুমি ছায়া ৰূপ ধৰি প্ৰৱেশ কৰিবা। তোমাৰ ছাঁত (নৈৰ পানীত থকা) পুঠিমাছ বোৰে এনেদৰে জঁপিয়া জঁপি কৰিব যে তাতে তোমাৰ মনত হব যেন গম্ভীৰাই তোমালৈ কুমুদধৱল কটাক্ষপাতহে কৰিছে। তুমি ধৈৰ্য্য ধৰিবা যাতে গম্ভীৰাৰ কটাক্ষপাত একোতে ব্যৰ্থ নহয়।'

কৈলাশ পৰ্বতত থকা অলকাপুৰীৰ বৰ্ণনা দিবলৈ গৈ কৱিয়ে মেঘদূতত কৈছে:

তস্যোৎসঙ্গে প্ৰণয়িন ইৱ স্ৰস্তগঙ্গা দুকূলাং
ন ত্বং দৃষ্টা ন পুনৰলকাং জ্ঞাস্যসে কামচাৰিণ্॥

'কৈলাশ পৰ্বতৰ কোলাত সুন্দৰী অলকাপুৰী যেন প্ৰণয়ীজন কোলাত আত্মসমৰ্পণ কৰা প্ৰণয়িনীহে' এনে কল্পনাই কৱিৰ অনুভূতিত ঠাই পাইছে।

## কালিদাসযুগৰ অন্যান্য কৱি

**প্ৰৱৰসেন:** 'সেতুবন্ধ' নামে মহাৰাষ্ট্ৰীয় প্ৰাকৃতত বিৰচিত মহাকাব্যৰ ৰচক 'প্ৰৱৰসেন'ক ভাষ্যকাৰ-টীকাকাৰসকলে সততে এজন ৰজা বুলি গ্ৰহণ কৰিছে। অৱশ্যে তেওঁ যে ৰজা আছিল সেই কথা কম্বোজৰ (Cambodian king) ৰজা যশোবৰ্মনৰ (৯ম শতিকাৰ শেষ দশক) শাসনৰ পৰা বুজিব পাৰি। শাসনৰ ৩৪ নং শ্লোকটোত যশোবৰ্মনৰ প্ৰশংসা কৰি কোৱা হৈছে:

যেন প্ৰৱৰসেনেন ধৰ্মসেতুং বিবৃণ্বতা।
পৰঃ প্ৰৱৰসেনোঽপি জিতঃ প্ৰাকৃতসেতুকৃৎ॥[১]

১। Inscriptions of Kamboja, ed Majumdar, The Asiatic Society, Calcutta, 1953, pp: 99.

ইয়াপৰা বুজা যায় যে ৰজা প্ৰৱৰসেনে প্ৰাকৃতত সেতুবন্ধ মহাকাব্য ৰচিছিল।
ভাৰতীয় ঐতিহাসিক পৰম্পৰাত একাধিক প্ৰৱৰসেনৰ নাম পোৱা যায়। তাৰে দুজন কাশ্মীৰৰ ; তেওঁলোকৰ বিষয়ে কল্হনে কিছুকথা ৰাজতৰঙ্গিনীত লিখি গৈছে। তেওঁলোক সেতুবন্ধৰ ৰচক হ'বলৈ নোৱাৰে।

আন দুজন প্ৰৱৰসেনক বাকাটক বংশৰ দুটা শাখাৰ বংশধৰৰূপে পোৱা যায়। পণ্ডিত কৃষ্ণকান্ত সন্দিকৈৰ মতেৰে বাকাটক বংশৰ জ্যেষ্ঠ শাখাত জন্মগ্ৰহণ কৰা দ্বিতীয় প্ৰৱৰসেনহে সেতুবন্ধৰ ৰচক কৱি। তেওঁৰ আৱিৰ্ভাৱ কাল ৫ম শতিকাৰ ২য় চতুৰ্থাংশ। শাসন বা লেখৰপৰা তেওঁৰ কথা সবিশেষ জনা যায়। তেওঁ গুপ্তবংশীয় সম্রাট ২য় চন্দ্ৰগুপ্তৰ জীয়েক প্ৰভাৱতী গুপ্তাৰ পুত্ৰ আছিল। বাকাটক বংশৰ ২য় ৰুদ্ৰসেনে প্ৰভাৱতী গুপ্তাক বিয়া কৰাইছিল। তেতিয়া বাকাটক জেষ্ঠ শাখাৰ ৰাজধানী আছিল নন্দিবৰ্ধন বা নন্দবৰ্ধন বা নগৰ্ধন। এই ঠাই ৰামটেকৰ অদূৰত অৱস্থিত আছিল। ৰামটেকেই কালিদাসৰ মেঘদূতত বৰ্ণিত ৰামগিৰি। বাকাটক-সকলৰ সংস্কৃতিৰ ওপৰত ৰামগিৰিৰ অপৰিসীম প্ৰভাৱ পৰিছিল। প্ৰভাৱতীগুপ্তাই ৰামগিৰিৰ পাদদেশতেই ৰামগিৰিৰ বিগ্ৰহৰ খৰছৰ বাবে ভূমিদান কৰি শাসন এখন ঘোষণা কৰিছিল। সম্ভৱতঃ প্ৰৱৰসেনে এই ৰামগিৰিৰপৰাই ৰামকথাৰ ভেটিত সেতুবন্ধ ৰচনা কৰিবলৈ প্ৰেৰণা লাভ কৰিছিল।[১]

সন্দিকৈৰ মতে প্ৰৱৰসেনৰ কাল ৪২০—৫০ খৃষ্টাব্দ।

বহুদিন ধৰি পণ্ডিতসকলৰ এচামে সেতুবন্ধ কাব্য কালিদাসৰ ৰচনা বুলিহে বিশ্বাস কৰিছিল। টীকাকাৰসকলৰ মাজতে তেনে ধাৰণা আছিল। কিন্তু পৰৱৰ্তী কালৰ গৱেষণাৰ ফলত 'সেতুবন্ধ'যে ৰজা প্ৰৱৰসেনৰ নিজস্ব ৰচনা সি প্ৰতিপন্ন হৈছে।

**সেতুবন্ধ মহাকাৱ্য :** সেতুবন্ধ পোন্ধৰটা সৰ্গত বিভক্ত। কাব্যখনৰ বিশেষত্ব এয়ে যে ই সচৰাচৰ দেখা লৌকিক ছন্দত ৰচিত নহয়। ইয়াত থকা ১২৯০টা পদ্যৰ ১২৪৬ টাই আৰ্য্যাগীতি ; বাকীবোৰ গলিতক ছন্দত ৰচিত।

**কথাবস্তু :** হনুমানে সাগৰ লঙ্ঘন কৰি লঙ্কালৈ গৈ সীতাৰ বাতৰি লৈ অহাৰেপৰা ৰাৱণবধলৈকে ৰামকথা ভাগ সেতুবন্ধ মহাকাৱ্যত বৰ্ণিত হৈছে। ইয়াত সাগৰৰ ওপৰত সেতুৰচনা কৰা বিষয়ত অধিক গুৰুত্ব দিয়া হৈছে। প্ৰথম সৰ্গ শৰৎ বৰ্ণনাৰে আৰম্ভ হেছে। হনুমানে সীতাৰ সংবাদ লৈ উভতি আহে। সীতাক উদ্ধাৰ কৰিবলৈ ৰামক আগত লৈ সুগ্ৰীৱে বানৰসৈন্যসমূহ লৈ দক্ষিণসমুদ্ৰৰ তীৰলৈ যাত্ৰা কৰে। দ্বিতীয় সৰ্গত সাগৰৰ উত্তাল তৰঙ্গ দেখি বানৰসৈন্য নিতাল মাৰে। তৃতীয় সৰ্গত সুগ্ৰীৱে অনুসৰণকাৰীসকলক প্ৰেৰণা দিবলৈ উদাত্ত ভাষণ দিয়ে। কিন্তু বানৰসৈন্য অচল-অটল হৈ থকাত তেওঁ অকলে হ'লেও লঙ্কালৈ যাবলৈ ভাবুকি দিয়ে।

---

১। কৃষ্ণকান্ত সন্দিকৈ : Pravarasena's Setubandha, Ahmedabad, 1976, Introduction, p. 23.



চতুৰ্থ সৰ্গত বানৰসকল তেওঁৰ কথাত সন্মত হয়। ৰামে সুগ্ৰীৱৰ ওপৰত আস্থা স্থাপন কৰে। তেওঁলোকে আলোচনা কৰি থাকোঁতে লংকাৰপৰা বিভীষণ আহি ৰামৰ শৰণ মাগে। ৰামে সমুদ্ৰৰ সহযোগ লভিবলৈ উপবাস থাটে ৫ম সৰ্গত। পোনতে সমুদ্ৰৰ সহাৰি নেপাই তেওঁ বাণনিক্ষেপ কৰে। ৬ষ্ঠ সৰ্গত আহত সমুদ্ৰই পত্নী গঙ্গা সহ ৰামক সাক্ষাৎ কৰে। সেতু ৰচনা কৰিবলৈ সমুদ্ৰই ৰামক পৰামৰ্শ দিয়ে। ৭ম আৰু ৮ম সৰ্গত সেতুবন্ধৰ বিৱৰণ দিয়া হৈছে। ৮ম সৰ্গত বানৰসকলে সেতুৰে গৈ লঙ্কাত উপস্থিত হয়। ৯ম সৰ্গত তেওঁলোক সুবেল পৰ্বত পোৱা কথা আৰু পৰ্বতৰ প্ৰাকৃতিক শোভা বৰ্ণিত হৈছে। ১০ম সৰ্গত লঙ্কাৰ সান্ধ্য জীৱনৰ চিত্ৰ অঙ্কিত হৈছে। একাদশ সৰ্গত ৰাৱণে সীতাক জয় কৰাৰ বিফল চেষ্টা কৰে। সীতাক প্ৰবঞ্চনা কৰিবলৈ ৰামৰ ( মায়া ) কটা মুণ্ডা অনিবলৈ আদেশ কৰে। ত্ৰিজটাই সীতাক আশ্বাস দান কৰে। দ্বাদশ, ত্ৰয়োদশ আৰু চতুৰ্দশ সৰ্গত যুদ্ধৰ বিশদ বিৱৰণ দিয়া হৈছে। অধিকাংশ ৰাক্ষসবীৰ মৰা পৰে। পঞ্চদশ সৰ্গত কুম্ভকৰ্ণ আৰু মেঘনাদৰ মৃত্যু হয়। শেষবাৰৰ বাবে ৰাম-ৰাৱণৰ সমুখ সমৰ হয়। যুদ্ধত ৰাৱণ নিহত হয়। বিভীষণে জেষ্ঠ ভায়েক দুজন আৰু অভিজাত মেঘনাদৰ মৃত্যুত বিলাপ কৰে। সীতাক লৈ ৰামে অযোধ্যালৈ প্ৰত্যাগমন কৰে।

সূৰ্য্য, চন্দ্ৰ, সন্ধ্যা, নিশা, সাগৰ, পৰ্বত আদিৰ বিতং আৰু বিতোপন বিৱৰণ প্ৰৱৰসেনে সেতুবন্ধত তুলি ধৰিছে। তেওঁ বানৰ আৰু ৰাক্ষসসৈন্যৰ সমাৱেশ আৰু দুই বাহিনীৰ মাজত সংঘটিত যুদ্ধৰ অপূৰ্ব বৰ্ণনা দিছে। সিবোৰে তেওঁৰ কৱি প্ৰতিভা, সূক্ষ্ম পৰ্য্যবেক্ষণ আৰু গভীৰ অনুভূতিৰ পৰিচয় দিছে। বিবিধ অলংকাৰ আৰু প্ৰাকৃত কবিৰ প্ৰিয় ছন্দসমূহৰ প্ৰয়োগে কৱিৰ সুৰুচিবোধ তুলি ধৰিছে।

**কুমাৰদাস :** কুমাৰদাস সংস্কৃতসাহিত্যৰ অন্যতম প্ৰতিভাশালী আৰু খ্যাতিমন্ত কৱি। তেওঁৰ গ্ৰন্থৰ প্ৰকাশত বিলম্ব ঘটিছে বাবে তেওঁ বহুতো বিদ্বানৰ বাবে তেওঁ অজ্ঞাত হৈ আছে। কৱিৰ ব্যক্তিগত জীৱন আৰু আৱিৰ্ভাৱকাল সম্বন্ধে সঠিক একো নিৰ্ণয় কৰিবলৈ নোৱাৰি। তেওঁৰ জানকীহৰণ কাৱ্যৰ অন্তিম শ্লোকৰপৰা সমীক্ষাৰ এইটো স্পষ্ট হয় যে কুমাৰদাস ৰজা কুমাৰমানৰ পুতেক আছিল। কুমাৰমণি যুদ্ধত নিহত হোৱা দিনতেই কুমাৰদাসৰ জন্ম হয়। সেয়ে শ্ৰীমেঘ আৰু অগ্ৰবোধি নামে মোমায়েক দুজনে কুমাৰদাসক লালন-পালন কৰি তেওঁক ডাঙৰ-দীঘল কৰে। ইয়াৰ বাবে গ্ৰন্থৰ অন্তত কুমাৰদাসে তেওঁলোকলৈ কৃতজ্ঞতা জ্ঞাপন কৰি কৈছে—

কৃত ইতি মাতুলদ্বিতয়-যত্ন-সানাথ্যতো
মহাৰ্থমসুৰদ্বিষো ব্যৰচয়ন্ মহাৰ্থং কৱিঃ।
কুমাৰপৰিচাৰকঃ সকলহাৰ্দসিদ্ধিঃ সুধীঃ
শ্ৰুতো জগতি জানকীহৰণকাৱ্যমেতদ্ মহৎ ॥

এক প্ৰৱাদ অনুসৰি সিংহল-নৃপতি কুমাৰদাস মহাকৱি কালিদাসৰ পৰমবন্ধু আছিল। সমস্যাপূৰ্তিৰ বাবে টকাৰ লোভত পৰি লক্ষহীৰা নামে বেশ্যা এজনীয়ে

কালিদাসক হত্যা কৰাত শোকবিহ্বল কুমাৰদাসেও মহাকৱিৰ চিতাগ্নিত আত্মাহুতি দিছিল বুলি কোৱা হয়।

কাল—(১) ৰঘুবংশৰ অনুবাদক নন্দৰ্গিকাৰৰ মতে কুমাৰদাস অষ্টম শতিকাৰ অন্তিম চতুৰ্থাংশ আৰু ৯ম শতিকাৰ পূৰ্বাৰ্দ্ধৰ মাজত আবিৰ্ভূত হৈছিল। বলদেৱ উপাধ্যায়ৰ মতে তেওঁৰ জন্ম কাল খৃষ্টীয় ৬ষ্ঠ শতাব্দী।

(২) ড° কীথৰ মতে ( Classical Sanskrit Literature p.42-43 ) কৱি মাঘে ( খৃষ্টীয় ৭০০ ) নিশ্চয়কৈ ভট্টিকাব্য আৰু জানকীহৰণৰ কথা জানিছিল। গতিকে কুমাৰদাস মাঘৰ পূৰ্ববৰ্তী হ'ব।

(৩) ৯ম শতাব্দীত ৰাজশেখৰে মন্তব্য দি কৈছিল:

জানকীহৰণং কৰ্তুং ৰঘুবংশে স্থিতেঃ সতি।
কৱিঃ কুমাৰদাসশ্চ ৰাৱণশ্চ যদি ক্ষমৌ॥

এনেস্থলত কুমাৰদাসৰ কাল ৬ষ্ঠ শতাব্দীৰ পাছলৈ যাবলৈ নেলাগে।

**জানকীহৰণ:** জানকীহৰণকে কুমাৰদাসৰ একমাত্ৰ ৰচনা বুলি জনা যায়। ড° কীথৰ মতে[১] মূলগ্ৰন্থখনত ২৫টা সৰ্গ আছিল। তাৰে চৈধ্য সৰ্গ ভালদৰে পোৱা যায়। বাকী সৰ্গ কেইটা সিংহলীৰপৰা আক্ষৰিক অনুবাদ কৰি পাঠোদ্ধাৰ কৰা গৈছে। বলদেৱ উপাধ্যায়ে গ্ৰন্থখন ২০ সৰ্গৰ বুলিহে কৈছে।[২] ইয়াৰ কথাৰ-মূলস্ৰোত ৰামায়ণ। ইয়াৰ প্ৰথম সৰ্গত অযোধ্যা, ৰজা দশৰথ আৰু তেওঁৰ ৰাণী-সকলৰ বৰ্ণনা আছে। দ্বিতীয় সৰ্গত বৃহস্পতিয়ে ব্ৰহ্মাৰপৰা সহায়তা বিচাৰোঁতে ৰাৱণৰ চৰিত্ৰৰ বৰ্ণনা কৰে। তৃতীয় সৰ্গত দশৰথ ৰজাৰ জলকেলি আৰু সান্ধ্যবৰ্ণনা পোৱা যায়। চতুৰ্থ আৰু পঞ্চম সৰ্গ দুটাত দশৰথৰ ঔৰসত চাৰিপুত্ৰৰ জন্ম কথা আৰু ৰামজন্মৰপৰা তাৰকা আৰু সুবাহু বধলৈকে বাল্যলীলা বৰ্ণিত হৈছে। সপ্তম সৰ্গত ৰাম-সীতাৰ প্ৰণয়-পৰিণয় বৰ্ণিত হৈছে। অষ্টমসৰ্গত বিৱাহোত্তৰ উৎসৱৰ চিত্ৰ আছে। নৱম সৰ্গত ৰামাদিৰ অযোধ্যা প্ৰত্যাবৰ্তন বৰ্ণনা কৰা হৈছে। দশমসৰ্গ ঘটনাবহুল। ইয়াত ৰামৰ যুবাভিষেকৰপৰা জানকীহৰণ হোৱালৈকে অনেক ঘটনা ঘটিছে। একাদশ সৰ্গত ৰাম আৰু হনুমানৰ মিত্ৰতা আৰু বালিবধ বৰ্ণিত হৈছে। শৰৎ ঋতুৰ বৰ্ণনাও ইয়াত আছে। দ্বাদশ সৰ্গত সুগ্ৰীৱৰ অনুচৰৰপৰা সীতা অন্বেষণ কৰাৰ বৰ্ণনা পোৱা যায়। ত্ৰয়োদশ সৰ্গত বানৰসেনাৰ একগোট হোৱাৰ চিত্ৰ আছে। চতুৰ্দশ সৰ্গত সমুদ্ৰৰ ওপৰেৰে লংকালৈ বানৰসেনাই সেতুৰচনা কৰা আৰু সৈন্যৰ সমুদ্ৰ অতিক্ৰমণৰ চিত্ৰ অংকিত হৈছে। পঞ্চদশ সৰ্গত ৰামৰ দূতৰূপে অঙ্গদৰ ৰাৱণৰ সভাত উপস্থিত হোৱাৰ সমাচাৰ আৰু ষোড়শ সৰ্গত ৰাক্ষসলীলাখেলাৰ বৰ্ণনা পোৱা যায়। সপ্তদশৰপৰা বিংশতি সৰ্গলৈ বানৰ আৰু ৰাক্ষসেনাৰ সমৰৰ বৰ্ণনা পোৱা

১। Classical Sanskrit Literature p. 42 .
২। সংস্কৃত সাহিত্যকা ইতিহাস, পৃ. ২২৬।



যায়। অন্তত ৰামৰ হাতত ৰাৱণৰ পতন হয়। ৰামৰ বিজয় লাভতে কাব্যৰ সুসমাপ্তি ঘটে।

কুমাৰদাসৰ ৰচনাৰ ওপৰত কালিদাসৰ প্ৰভাৱ পৰিছে।[১]

**হৰিশ্চন্দ্ৰ:** হৰিশ্চন্দ্ৰ আছিল দিগম্বৰ জৈন সম্প্ৰদায়ভুক্ত জৈন কৱি। তেওঁ এক কায়স্থ পৰিয়ালত জন্মগ্ৰহণ কৰে। তেওঁৰ পিতৃ, মাতৃ আৰু ভ্ৰাতৃৰ নাম যথাক্ৰমে আৰ্দ্ৰদেৱ, ৰাধা আৰু লক্ষ্মণ। তেওঁ সৰস্বতীপুত্ৰ উপাধিৰে বিভূষিত হৈছিল। বাণ আৰু ৰাজশেখৰে তেওঁৰ উল্লেখ কৰিছে। বাণে উল্লেখ কৰালৈ পণ্ডিত কৃষ্ণমাচাৰ্য্যই তেওঁক ভট্টাৰ হৰিশ্চন্দ্ৰ অভিন্ন গদ্যকাব্যৰ ৰচক বুলি ধৰি লৈছে।[২]

**কাল:** হৰিশ্চন্দ্ৰ আৰু ভট্টাৰক হৰিশ্চন্দ্ৰ একেজন ব্যক্তি হ'লে তেওঁৰ কাল বাণৰ পূৰ্বতে হোৱা সম্ভৱ। সেয়ে কৃষ্ণমাচাৰ্য্য তেওঁৰ সময় খৃষ্টীয় ৫ম বা ৬ষ্ঠ শতিকা বুলি কৈছে।[৩] তেওঁৰ কাল ৯ম শতিকা বা একাদশ শতিকা বুলি কোৱাও দেখা যায়।

**গ্ৰন্থ:** (১) তেওঁ 'মালতী' বুলি গদ্য কাব্য ৰচনা কৰিছিল বুলি কোৱা হয়।[৪]

(২) তেওঁ অন্য গ্ৰন্থখন 'ধৰ্মাশৰ্মাভ্যুদয়'। জৈনসকলৰ পঞ্চদশ তীৰ্থঙ্কৰ ধৰ্মনাথৰ জন্মৰপৰা মৃত্যুলৈকে সমস্তজীৱন কথাক উপজীব্য কৰিজনে ২১ টা সৰ্গত এই কাব্যখন ৰচনা কৰে। নায়ক ধৰ্মনাথ ইক্ষ্বাকু বংশীয় মহাসেনৰ পুত্ৰ আছিল। তেওঁৰ মাতৃৰ নাম সুব্ৰতা। মহাসেন ৰত্নপুৰত ৰাজত্ব কৰিছিল। গ্ৰন্থৰ অন্তত কৱিয়ে কৈছে:

সৰ্কৰ্ণ পীযূষৰসপ্ৰৱাহং ৰসধ্বনেৰধ্বনি সাৰ্থৱাহঃ।
শ্ৰীধৰ্মশৰ্মাভ্যুদয়াভিধানং মহাকৱিঃ কাব্যমিদং ব্যধত্তঃ॥

(৩) তেওঁ 'জীৱন্ধৰ চম্পু' নামে অন্য এক চম্পূকাব্যৰো ৰচক বুলি জনা যায়।

(৪) 'জীৱন্ধৰচৰিত' নামে নাটক তেওঁৰ চতুৰ্থগ্ৰন্থ বুলি কোৱা হৈছে।

১। ওপৰোক্ত, পৃ. ২৪৭।
২। History of Classical Sanskrit Literature, p. 146
৩। ওপৰোক্ত, পৃষ্ঠা ১৪৬।
৪। ওপৰোক্ত পৃষ্ঠা ১৪৬।

# দ্বিতীয় অধ্যায় (৩)

## কালিদাসোত্তৰ মহাকাব্য

মহাকৱি কালিদাস সম্ভৱতঃ ব্যাস আৰু বাল্মীকিৰ পিছত তৃতীয় জন ভাৰতীয় কৱি যিয়ে সৰস্বতীৰ অনুগ্ৰহত আৰু নিজৰ কৱি প্ৰতিভাৰ বলত ভাৰতীয় কাব্য পৰম্পৰাক উচ্চ আদৰ্শত তুলি ৰাখিবলৈ সক্ষম হৈছিল। তেওঁৰ পিছৰ কৱিসকলে সেই দায়িত্ব পালন কৰাত ব্যৰ্থ হোৱাটো লক্ষণীয় কথা। লৌকিক সাহিত্যত সততে ভাৱপক্ষ আৰু কলাপক্ষ দুয়োটাৰ সুষম সমৃদ্ধি ব্যাস, বাল্মীকি আৰু কালিদাসে বৰ্তাই ৰাখিবলৈ সক্ষম হৈছিল। বিষয়বস্তুৰ পৰিবৰ্ধন, ৰসানুভূতি আৰু ৰীতি গুণ-অলংকাৰ আদিও তেওঁলোকে সমভাৱে প্ৰয়োগ কৰি নিজৰ কাব্যকৃতিক অমৰত্ব দান কৰাৰ লগতে ভাৰতীয় সাহিত্যৰ মানদণ্ড অক্ষুণ্ণ ৰাখিছিল। কিন্তু কালিদাসৰ পিছৰ কৱিসকলে প্ৰায়শঃ ৰীতি আৰু অলংকাৰৰ প্ৰতি অধিক নজৰ দিয়াৰ ফলত বিষয়বস্তুৰ সম্যক বিবৰ্ধন তথা ৰসানুভূতিৰ বিবৰ্ধনত নিতান্ত ব্যাঘাত ঘটিবলৈ পায়। কালিদাসোত্তৰ কৱিসকলে ভাৱপক্ষক তিলাঞ্জলি দি অকল কলাপক্ষ অৱলম্বন কৰা বাবে 'ৰঘুবংশৰ' দৰে কাব্যৰ সৃষ্টি পুনঃ সম্ভৱ নহ'ল। প্ৰায়েই পৰবৰ্তী কাব্যালোক কৃত্ৰিমতাৰ মাজত সোমাই পৰিল। ভামহ আৰু দণ্ডীয়ে সম্ভৱতঃ ভাৰৱিৰ 'কিৰাতাৰ্জুনীয়ম'ৰ লেখিয়া মহাকাব্যৰ ৰেহৰূপ আগত ৰাখিয়েই কাব্যৰ লক্ষণ আৰু বৈশিষ্ট্য নিজ নিজ অলংকাৰ শাস্ত্ৰত লিপিৱদ্ধ কৰাৰ প্ৰয়াস পাইছিল। কাব্যকলাৰ চৰম পৰিপাক আমি কালিদাসীয় কাব্যকৃতিত যিদৰে উপলব্ধি কৰিবলৈ পাওঁ, ভাৰৱি বা মাঘাদিৰ কাব্যত সেয়া নোপোৱা হ'লগৈ। আনকি ভাষাগতভাৱেও পৰবৰ্তী কাব্যশ্ৰেণীয়ে সাৰল্য ত্যাগ কৰিলে। শব্দালঙ্কাৰৰ বাহুল্যই সিবিলাকক অস্বাভাৱিক 'সাহিত্য'ত পৰিণত কৰিলে বুলি প্ৰায়েই আপত্তি শুনা যায়।

**ভাৰৱি :** পঞ্চ মহাকাব্য নামে জনাজাত পাঁচখন সুখ্যাত সংস্কৃত মহাকাব্যৰ ভিতৰত ভাৰৱিৰচিত 'কিৰাতাৰ্জুনীয়ম্' অন্যতম প্ৰসিদ্ধ গ্ৰন্থ। অন্য চাৰিখন যথাক্ৰমে কালিদাসকৃত কুমাৰসম্ভৱ আৰু ৰঘুবংশম্, মাঘৰচিত শিশুপাল বধ আৰু শ্ৰীহৰ্ষ বিৰচিত 'নৈষধচৰিত'। কালানুসৰি মহাকৱি কালিদাস আৰু মাঘ পণ্ডিতৰ মাজতে ভাৰৱিৰ স্থান।

**ভাৰৱিৰ জীৱনবৃত্ত :** সংস্কৃত সাহিত্যৰ প্ৰায়সকল কবি-সাহিত্যিকৰ জীৱন আৰু কাল সম্বন্ধে প্ৰকৃত তথ্য বিশেষ একো পোৱা নাযায়। সেয়ে পণ্ডিতসকলে হয় কৱি সম্বন্ধীয় কিম্বদন্তি, নহয় পৰোক্ষ উক্তি বা অনুমানৰ ওপৰত নিৰ্ভৰ কৰিহে সামান্য 'তথ্য' তুলি ধৰা দেখা যায়। ভাৰৱি সম্বন্ধেও কিছু কিম্বদন্তি শুনা যায়।



এক কিম্বদন্তি মতে তেওঁ ৰজা ভোজৰ সমকালীন কৱি আছিল। তেওঁ হেনো শহুৰেকৰ ঘৰত থাকি গৰু চৰাইছিল। একেটা কিম্বদন্তিয়ে তেওঁক ধাৰাৰ অধিবাসী বুলি পৰিচয় দিয়ে। তেওঁৰ পিতৃৰ নাম শ্ৰীধৰ আৰু মাতৃৰ নাম সুশীলা। তেওঁ ভৃগুকচ্ছ বা ভৰৌচৰ অধিবাসী চন্দ্ৰকীৰ্তিৰ গুণৱতী কন্যা ৰসিকা বা ৰসিকৱতীক বিয়া কৰায়।

একেটা উৎসৰপৰা জনা যায় যে ভাৰৱিৰ পিতৃ এজন সুখ্যাত বৈয়াকৰণ আৰু সাহিত্যজ্ঞ লোক আছিল। ভাৰৱিয়ে দেউতাককো চেৰ পেলাই অসামান্য বিদ্বত্তাৰ বাবে উদ্ধতস্বভাৱী হৈ পৰে। তাতে ৰুষ্ট হৈ দেউতাকে পদে পদে তেওঁক অপমানিত কৰিবলৈ ধৰে আৰু সমাজতো তেওঁক তুচ্ছ ধৰণে দেখুৱাবলৈ ধৰিলে। ভাৰৱিয়ে প্ৰতিশোধপৰায়ণ হৈ তেওঁৰপৰা হাত সাৰিবলৈ আনকি পিতৃবধৰ আঁচনি পাঙিলে। পিছত যেনিবা দেউতাকৰ ব্যৱহাৰৰ প্ৰকৃত উদ্দেশ্যৰ সন্ধেদ পাই তেওঁ পিতৃৰ ভৰিত পৰি ক্ষমা খুজিলে আৰু নিজৰ অসজ আচৰণৰ প্ৰায়শ্চিত্ত কৰিবলৈ কিয়ৎকাল শহুৰেকক ঘৰত থাকি গো-সেৱা কৰিবলৈ ধৰিলে।

কোৱা হয় যে শহুৰেকৰ ঘৰত থাকি গৰু-চৰোৱা সময়তে ভাৰৱিয়ে 'কিৰাতৰ্জুনীয়ম্' ৰচনাত হাত দিয়ে। তেতিয়া তেওঁলোকৰ আৰ্থিক পৰিস্থিতি স্বচ্ছল নাছিল বাবে ভাৰৱিয়ে প্ৰায়েই পত্নীৰ কটু কথা শুনিবলগীয়া হৈছিল। সেয়ে তেওঁ ৰাজকীয় পৃষ্ঠপোষকতা লাভ কৰিবলৈ ঘৰৰপৰা ওলাই গ'ল। কেই মাইলমান পথ অতিক্ৰম কৰি তেওঁ এটা মনোৰম পুখুৰীৰ পাৰত ওলাল। তাতে তেওঁ ভৰি-হাত ধুই জিৰণি ললে। সেই অৱসৰতে তেওঁ নিম্নোক্ত শ্লোকটি ৰচনা কৰিলে :

> সহসা বিদধীত ন ক্ৰিয়ামৱিৱেকঃ পৰমাপদাং পদম্।
> বৃণুতে হি বিমৃশ্যকাৰিণং গুণলুব্ধাঃ স্বয়মেৱ সম্পদঃ ॥

কি. ২।৩০

'বিবেচনা নকৰাকৈ হঠাতে কোনো কাৰ্য্য কৰা উচিত নহয়। কিয়নো অবিবেচক লোক পৰম আপদৰ পাত্ৰ হৈ পৰে। গুণগ্ৰাহিণী সম্পদে নিজে বিৱেকবুদ্ধিসম্পন্ন-জনক বৰণ কৰি লয়।'

দৈৱক্ৰমে সেই দেশৰ ৰজাই মৃগয়া কৰিবলৈ গৈ ভাৰৱিক তাত লগ পালে আৰু কৱিৰদ্বাৰা বিৰচিত তেনে অৰ্থগৌৰৱপূৰ্ণ শ্লোক শুনি বৰকৈ প্ৰসন্ন হ'ল। ৰজাই তেওঁক ৰাজধানীলৈ গৈ ৰাজসভাত তেওঁক দেখা কৰিবলৈ কৱিক নিৰ্দেশ দি ঘোঁৰা চেকুৰাই গুচি গ'ল। কৱিয়ে ৰাজাজ্ঞানুসাৰে ৰাজপদূলিত উঠিল গৈ। কিন্তু লেতেৰা আৰু ছিৰাকুটা কাপোৰ পিন্ধা কৱিয়ে ৰাজদুৱৰীৰদ্বাৰা বাধা পাই ৰাজসভাত উপস্থিত হ'বলৈ সক্ষম নহ'ল। তেওঁ ঘৰলৈ উভতি গ'ল।

ৰজাই কৱিৰ শ্লোকটি জানি গৈ তেওঁৰ শোৱনি কোঠাৰ বেৰত সোণৰ আখৰেৰে খোদিত কৰি থলে।

এবছৰ অতীত হ'ল। এনেতে এদিন ৰজাই অনুচৰ বৰ্গক লগত লৈ মৃগয়ালৈ

# দ্বিতীয় অধ্যায় (৩)

## কালিদাসোত্তৰ মহাকাব্য

মহাকৱি কালিদাস সম্ভৱতঃ ব্যাস আৰু বাল্মীকিৰ পিছত তৃতীয় জন ভাৰতীয় কৱি যিয়ে সৰস্বতীৰ অনুগ্ৰহত আৰু নিজৰ কৱি প্ৰতিভাৰ বলত ভাৰতীয় কাব্য পৰম্পৰাক উচ্চ আদৰ্শত তুলি ৰাখিবলৈ সক্ষম হৈছিল। তেওঁৰ পিছৰ কৱিসকলে সেই দায়িত্ব পালন কৰাত ব্যৰ্থ হোৱাটো লক্ষণীয় কথা। লৌকিক সাহিত্যত সততে ভাৱপক্ষ আৰু কলাপক্ষ দুয়োটাৰ সুষম সমৃদ্ধি ব্যাস, বাল্মীকি আৰু কালিদাসে বৰ্তাই ৰাখিবলৈ সক্ষম হৈছিল। বিষয়বস্তুৰ পৰিবৰ্ধন, ৰসানুভূতি আৰু ৰীতি গুণ-অলংকাৰ আদিও তেওঁলোকে সমভাৱে প্ৰয়োগ কৰি নিজৰ কাব্যকৃতিক অমৰত্ব দান কৰাৰ লগতে ভাৰতীয় সাহিত্যৰ মানদণ্ড অক্ষুণ্ণ ৰাখিছিল। কিন্তু কালিদাসৰ পিছৰ কৱি-সকলে প্ৰায়শঃ ৰীতি আৰু অলংকাৰৰ প্ৰতি অধিক নজৰ দিয়াৰ ফলত বিষয়বস্তুৰ সম্যক ৱিবৰ্ধন তথা ৰসানুভূতিৰ বিবৰ্ধনত নিতান্ত ব্যাঘাত ঘটিবলৈ পায়। কালিদাসোত্তৰ কৱিসকলে ভাৱপক্ষক তিলাঞ্জলি দি অকল কলাপক্ষ অবলম্বন কৰা বাবে 'ৰঘুবংশৰ' দৰে কাব্যৰ সৃষ্টি পুনঃ সম্ভৱ নহ'ল। প্ৰায়েই পৰৱৰ্তী কাব্যালোক কৃত্ৰিমতাৰ মাজত সোমাই পৰিল। ভামহ আৰু দণ্ডীয়ে সম্ভৱতঃ ভাৰৱিৰ 'কিৰাতাৰ্জুনীয়ম'ৰ লেখিয়া মহাকাব্যৰ ৰেহৰূপ আগত ৰাখিয়েই কাব্যৰ লক্ষণ আৰু কাব্যকলাৰ বৈশিষ্ট্য নিজ নিজ অলংকাৰ শাস্ত্ৰত লিপিৱদ্ধ কৰাৰ প্ৰয়াস পাইছিল। ভাৰৱি চৰম পৰিপাক আমি কালিদাসীয় কাব্যকৃতিত যিদৰে উপলব্ধি কৰিবলৈ পাওঁ, পৰৱৰ্তী বা মাঘাদিৰ কাব্যত সেয়া নোপোৱা হ'লগৈ। আনকি ভাষাগতভাৱেও অস্বাভাৱিক কাব্যশ্ৰেণীয়ে সাৱলা ত্যাগ কৰিলে। শব্দালঙ্কাৰৰ বাহুল্যই শিথিলাকক [illegible]

[illegible] তেওঁলোকে নাসিকলৈ যায়। নাচিকৰ পৰা তেওঁলোকে আকৌ দক্ষিণৰ অচলপুৰলৈ যায়। তেওঁলোক কৌশিকগোত্ৰীয় ব্ৰাহ্মণ। এই কুলতে নাৰায়ণ স্বামীৰ ঔৰষত ভাৰৱিৰ জন্ম।

(৪) ভাৰৱিৰ কাল সম্বন্ধীয় এখন দান-পত্ৰ পোৱা গৈছে। দক্ষিণভাৰতৰ পৃথ্বী কোঙ্গনি বা পৃথ্বীকোঙ্গনি নামক ৰজাই জৈন ধৰ্মৰ প্ৰতি অনুৰাগ থকা বাবে শ্ৰীপুৰ নগৰৰ উত্তৰত থকা এটা জৈন মন্দিৰৰ সেৱা পূজাৰ ব্যয় হিচাপে কোনো গাওঁ দান কৰিছিল। তাৰেসৈতে জড়িত উক্ত দানপত্ৰ। এই দানপত্ৰখন মান্যপুৰত ৬৯৮



এক কিম্বদন্তি মতে তেওঁ ৰজা ভোজৰ সমকালীন কৱি আছিল। তেওঁ হেনো শহুৰেকৰ ঘৰত থাকি গৰু চৰাইছিল। একেটা কিম্বদন্তিয়ে তেওঁক ধাৰাৰ অধিবাসী বুলি পৰিচয় দিয়ে। তেওঁৰ পিতৃৰ নাম শ্ৰীধৰ আৰু মাতৃৰ নাম সুশীলা। তেওঁ ভৃগুকচ্ছ বা ভৰৌচৰ অধিবাসী চন্দ্ৰকীৰ্তিৰ গুণৱতী কন্যা ৰসিকা বা ৰসিকৱতীক বিয়া কৰায়।

একেটা উৎসৰপৰা জনা যায় যে ভাৰৱিৰ পিতৃ এজন সুখ্যাত বৈয়াকৰণ আৰু সাহিত্যজ্ঞ লোক আছিল। ভাৰৱিয়ে দেউতাককো চেৰ পেলাই অসামান্য বিদ্বত্তাৰ বাবে উদ্ধতস্বভাৱী হৈ পৰে। তাতে ৰুষ্ট হৈ দেউতাকে পদে পদে তেওঁক অপমানিত কৰিবলৈ ধৰে আৰু সমাজতো তেওঁক তুচ্ছ ধৰণে দেখুৱাবলৈ ধৰিলে। ভাৰৱিয়ে প্ৰতিশোধপৰায়ণ হৈ তেওঁৰপৰা হাত সাৰিবলৈ আনকি পিতৃবধৰ আঁচনি পাঙিলে। পিছত যেনিবা দেউতাকৰ ব্যৱহাৰৰ প্ৰকৃত উদ্দেশ্যৰ সম্ভেদ পাই তেওঁ পিতৃৰ ভৰিত পৰি ক্ষমা খুজিলে আৰু নিজৰ অসজ আচৰণৰ প্ৰায়শ্চিত্ত কৰিবলৈ কিয়ৎকাল শহুৰেকক ঘৰত থাকি গো-সেৱা কৰিবলৈ ধৰিলে।

কোৱা হয় যে শহুৰেকৰ ঘৰত থাকি গৰু-চৰোৱা সময়তে ভাৰৱিয়ে 'কিৰাতজুৰ্নীয়ম্' ৰচনাত হাত দিয়ে। তেতিয়া তেওঁলোকৰ আৰ্থিক পৰিস্থিতি স্বচ্ছল নাছিল বাবে ভাৰৱিয়ে প্ৰায়েই পত্নীৰ কটু কথা শুনিবলগীয়া হৈছিল। সেয়ে তেওঁ ৰাজকীয় পৃষ্ঠপোষকতা লাভ কৰিবলৈ ঘৰৰপৰা ওলাই গ'ল। কেইমাহমান পথ অতিক্ৰম কৰি তেওঁ এটা মনোৰম পুখুৰীৰ পাৰত ওলাল। তাতে তেওঁ ভৰি-হাত ধুই জিৰণি ল'লে। সেই অৱসৰতে তেওঁ নিম্নোক্ত শ্লোকটি ৰচনা কৰিলে :

সহসা বিদধীত ন ক্ৰিয়ামবিবেকঃ পৰমাপদাং পদম্।
[illegible] ... কি. ২।৩০

[illegible]

... আতি গুৰি মাৰি ... যোধনে জুৱা খেলত লাভ কৰা পৃথিৱী- ... কৰিবলৈকো চেষ্টা কৰিছে (দুৰোদৰচ্ছদ্মজিতাং সমীহতে নয়েন জেতুং জগতীং সুয়োধনঃ।১।৭)। বিজ্ঞাপনীয় সকলো কথা বনেচৰ যোৱাৰ পাছত দ্ৰৌপদীয়ে এক উদাত্ত ভাষণেৰে যুধিষ্ঠিৰক যুদ্ধৰ বাবে উত্তেজিত কৰিবলৈ চেষ্টা কৰে। তেওঁ যথেষ্ট কটু শব্দ প্ৰয়োগ কৰি যুধিষ্ঠিৰক তপস্বীজনোচিত শান্তিক এক প্ৰকাৰ ভীৰুতা বুলি ভৎ'সনা কৰে। দ্বিতীয় সৰ্গৰ আৰম্ভণিতে ভীমে দ্ৰৌপদীৰ পৰামৰ্শক সমৰ্থন কৰি ভাষণ দিয়ে। তেওঁ যুধিষ্ঠিৰক পতিয়ন নিয়াবলৈ যত্ন কৰে যে তেওঁৰ ক্ৰোধপৰায়ণ ভায়েক চাৰিজনৰ সমুখত যুদ্ধত জগতৰ কোনো তিষ্ঠিবলৈ নোৱাৰে (প্ৰসহেত ৰণে তৱানুজান্ দ্বিষতাং কঃ শতমন্যুতেজ সঃ। ২।২৩)। কিন্তু নীতিবিশাৰদ যুধিষ্ঠিৰে কুশলী মাউতে মদমত্ত হাতীক বশ কৰাৰ দৰে নীতিযুক্ত কথাৰে শান্ত কৰিবলৈ সক্ষম হ'ল। তেওঁ পাণ্ডৱৰ বন্ধু-বান্ধৱ, মিত্ৰসকলে পাণ্ডৱসকলৰ সহিষ্ণুতাৰ অতিশয় প্ৰশংসাপৰ কথা নোকোৱালৈকে আৰু দুৰ্যোধনৰ ব্যৱহাৰত

ওলাল। এসপ্তাহ কাল আঁতৰি থাকিব বুলি কৈ গৈছিল যদিও ৰজাই দ্বিতীয় দিনাখনেই ৰাজধানীলৈ উভতি আহিল। প্ৰাসাদৰ শোৱনি কোঠাত সোমাই তেওঁ এজন অচিন যুৱকেৰেসৈতে ৰাণীক শুই থকা দেখি ৰজা খঙতে অগ্নিশৰ্মা হ'ল আৰু এজন অচিন যুৱকক হত্যা কৰিবলৈ উদ্যত হওঁতেই খাপৰপৰা তৰোৱাল উলিয়াই ৰাণী আৰু যুৱকক হত্যা কৰিবলৈ উদ্যত হওঁতেই ৰেৰত সোণালী আখৰেৰে জিলিকি থকা শ্লোকলৈ ৰজাৰ দৃষ্টি গ'ল। তেওঁ তৰোৱালখন খাপত সুমুৱাই থৈ ৰাণীক টোপনিৰপৰা জগাই দি অচিন যুৱকজনৰ বিষয়ে সুধিলে। তেতিয়া ৰাণীয়ে ৰজাক জনালে যে কেছুৱাতে ধাত্ৰীয়ে চুৰি কৰি নি আঁতৰাই ৰখা ৰাজকুমাৰজনক সেই দিনা গধূলিহে বিচাৰি পোৱা গৈছে। ৰজাই তেতিয়া কৱিজনৰ সেই অৰ্থগৌৰৱ সমৃদ্ধ শ্লোকটিৰ বাবেই যে ৰাণী আৰু কুমাৰৰ জীৱন ৰক্ষা পৰিল সেই কথা উপলব্ধি কৰি ঈশ্বৰক ধন্যবাদ দিলে আৰু কৱিজনৰ ওচৰতো কৃতজ্ঞ হ'ল। তেওঁ কৱি ভাৰৱিক বিচাৰি উলিয়াই যথোচিত পুৰস্কাৰেৰে পুৰস্কৃত কৰিলে।

অন্য কিম্বদন্তি এটি মতে 'সহসা বিদধীত' শ্লোকাৰ্ধ ভাৰৱিৰ পত্নীয়ে এজন সাউদৰ পত্নীৰ ওচৰত বেছি প্ৰভূত ধন লাভ কৰিছিল। সাউদৰ পত্নীয়ে শ্লোকাৰ্ধ বেৰত সহজে চকুত পৰাকৈ লিখি থৈছিল। বিদেশত বহুদিন বাণিজ্য কৰি সাউদে এৰাতি উভতি আহি এজন নতুন অথচ অচিনাকি যুৱকেৰে পত্নীক একে কোঠাতে শুই থকা দেখি তেওঁলোকক মাৰিবলৈ উদ্যত হ'ল। তেনেতে শ্লোকাৰ্ধলৈ তেওঁৰ চকু গ'ল। তাৰ অৰ্থ বুজি থমকি ৰ'ল আৰু পত্নীক জগাই যুৱকৰ পৰিচয় সুধিলে। তেও যুৱকজনক নিজৰ পুত্ৰ বুলি চিনি পালে। যিটি শ্লোকৰ বাবে তেওঁৰ পত্নী আৰু পুত্ৰৰ জীৱন ৰক্ষা পৰিল তাৰ ৰচক-কৱিক বিচাৰি সাউদে ভাৰৱিৰ ঘৰত ওলাল গৈ। শ্লোকৰ দ্বিতীয়াৰ্ধ প্ৰচুৰ ধনৰ বিনিময়ত ক্ৰয় কৰিলে।

এনেবোৰ কিম্বদন্তিৰ ঐতিহাসিক মূল্য নিচেই তাকৰ। কিন্তু ইয়াৰ মাজতো কিছু সত্য তথ্য নিহিত থাকিব পাৰে।

তথাপি ভাৰৱিৰ দেশ-কাললৈ চিন্তাৰ ওৰ পৰা নাই। ১৯৫৪ চনত অনন্ত শয়নম্ গ্ৰন্থমালাত ( সংখ্যা ১৭২ ) প্ৰকাশিত দণ্ডীকৃত 'অৱন্তী সুন্দৰী কথা'ই ভাৰৱি সম্বন্ধে কিছু নিশ্চিত নতুন তথ্য আমাক দিয়ে। এই তথ্য অনুসৰি দণ্ডীক ভাৰৱিৰ প্ৰপৌত্ৰ বুলি জনা যায়। ভাৰৱিৰ পূৰ্বজসকল আগতে গুজৰাটৰ অনন্তপুৰ নামে ঠাইৰ অধিবাসী আছিল। তাৰপৰা তেওঁলোকে নাসিকলৈ যায়। নাচিকৰ পৰা তেওঁলোকে আকৌ দক্ষিণৰ অচলপুৰলৈ যায়। তেওঁলোক কৌশিকগোত্ৰীয় ব্ৰাহ্মণ। এই কুলতে নাৰায়ণ স্বামীৰ ঔৰষত ভাৰৱিৰ জন্ম।

(৪) ভাৰৱিৰ কাল সম্বন্ধীয় এখন দান-পত্ৰ পোৱা গৈছে। দক্ষিণভাৰতৰ পৃথ্বী কোঙ্গনি বা পৃথ্বীকোঙ্কনি নামক ৰজাই জৈন ধৰ্মৰ প্ৰতি অনুৰাগ থকা বাবে শ্ৰীপুৰ নগৰৰ উত্তৰত থকা এটা জৈন মন্দিৰৰ সেৱা পূজাৰ ব্যয় হিচাপে কোনো গাওঁ দান কৰিছিল। তাৰেসৈতে জড়িত উক্ত দানপত্ৰ। এই দানপত্ৰখন মান্যপুৰত ৬৯৮



শকত লিখা হৈছি। ( অষ্টানৱত্যুত্তৰশতেষু শকবৰ্ষে ষ্বাৰ্বৰ্তিতেষু )। প্ৰশস্তিত কোৱা হৈছে কোনো অবিনীত নামে ৰজাৰ দুৰ্বিনীত নামে এজন বিদ্বান পুত্ৰ আছিল। তেওঁ ভাৰৱিৰ কিৰাতাৰ্জুনীয় মহাকাব্যৰ ১৫শ সৰ্গলৈ টীকা ৰচিছিল ( কিৰাতাৰ্জুনীয় পঞ্চদশ সৰ্গাদিকোঙ্কাৰোদুৰ্বিনীত নামধেয়ঃ )। ৰজা দুৰ্বিনীত ৭ম পীড়িৰ তলত দানপত্ৰত লিখা ৰজা পৃথ্বী কোঙ্গনিৰ জন্ম হয়। গতিকে দানপত্ৰৰ সময় ৬৯৮ শক = ৭৭৬ খৃষ্টাব্দ। ২০ বা ২৫ বছৰ এক পীড়িত ধৰিলে ( ২০ × ৭ = ) ১৪০ বা ( ২৫ × ৭ = ) ১৭৫, বছৰ উক্ত ৭৭৬ খৃষ্টাব্দৰ পৰা বিয়োগ কৰি ৬০০—বা ৬৩৫ খৃষ্টাব্দ কাল পোৱা যায়। সেয়া ভাৰৱিৰ কাল।

আমি ওপৰত দিয়া সাক্ষ্যসমূহৰসৈতে ইয়াৰ সাদৃশ্য ৰাককৈয়ে আছে। গতিকে ভাৰৱিৰ কাল ৫৭৫—৬৩৫ খৃষ্টাব্দ পাছলৈ নাযায়।

**কিৰাতাৰ্জুনীয়ম্ঃ** মহাভাৰতৰ বনপৰ্ব আৰু কিছু পৰিমাণে শিৱপুৰাণৰ আধাৰত ভাৰৱিয়ে এই কাব্যখন ৰচনা কৰে। কাব্যখন অষ্টাদশ সৰ্গত বিস্তৃত। ইন্দ্ৰ আৰু শিৱক সুপ্ৰসন্ন কৰি মধ্যম পাণ্ডৱ অৰ্জুনে কিদৰে পাশুপাত অস্ত্ৰ লাভ কৰিছিল সেই কাহিনীকে উপজীব্য কৰি কিৰাতাৰ্জুনীয়ম্ ৰচিত হৈছে। পাশা খেলত পৰাজিত হৈ পাণ্ডৱসকলে দ্বৈতবনত বাসকৰাৰপৰা মহাকাব্যৰ ইতিবৃত্ত আৰম্ভ হৈছে। তাত থাকিও যুধিষ্ঠিৰে দুৰ্যোধনৰপৰা বিপদৰ শঙ্কা কৰিছে। তেওঁ এজন বনেচৰক দুৰ্যোধনৰ প্ৰজাপালন নীতি কেনে হৈছে তাক জানিবলৈ 'চৰ' হিচাপে প্ৰেৰণ কৰিছে। ব্ৰহ্মচাৰীৰ ছদ্মৱেশত সেই বনেচৰ যুধিষ্ঠিৰৰ ওচৰলৈ প্ৰত্যাৱৰ্তন কৰে আৰু তেওঁ যুধিষ্ঠিৰত উপস্থিত হৈ দৌত্যকাৰ্য্যৰ বিষয়ে বিজ্ঞাপন দিয়াৰপৰাই প্ৰকৃতাৰ্থত কাব্যকথা আৰম্ভ হৈছে।

বনেচৰে যুধিষ্ঠিৰক দুৰ্যোধনৰ শাসনৰ বিষয়ে সকলো কথা আঁতি গুৰি মাৰি কয়হি। তেওঁ ৰজাক ইয়াকো কয় যে দুৰ্যোধনে জুৱা খেলত লাভ কৰা পৃথিৱীখনক এতিয়া নীতিৰে জয় কৰিবলৈকো চেষ্টা কৰিছে ( দুৰোদৰচ্ছদ্মজিতাং সমীহতে নয়েন জেতুং জগতীং সুয়োধনঃ ।১।৭ )। বিজ্ঞাপনীয় সকলো কথা বনেচৰ যোৱাৰ পাছত দ্ৰৌপদীয়ে এক উদাত্ত ভাষণেৰে যুধিষ্ঠিৰক যুদ্ধৰ বাবে উত্তেজিত কৰিবলৈ চেষ্টা কৰে। তেওঁ যথেষ্ট কটু শব্দ প্ৰয়োগ কৰি যুধিষ্ঠিৰক তপস্বীজনোচিত শান্তিক এক প্ৰকাৰ ভীৰুতা বুলি ভৎ'সনা কৰে। দ্বিতীয় সৰ্গৰ আৰম্ভণিতে ভীমে দ্ৰৌপদীৰ পৰামৰ্শক সমৰ্থন কৰি ভাষণ দিয়ে। তেওঁ যুধিষ্ঠিৰক পতিয়ন নিয়াবলৈ যত্ন কৰে যে তেওঁৰ ক্ৰোধপৰায়ণ ভায়েক চাৰিজনৰ সমুখত যুদ্ধত জগতৰ কোনো তিষ্ঠিবলৈ নোৱাৰে ( প্ৰসহেত ৰণে তৱানুজান্ দ্বিষতাং কঃ শতমন্যুতেজ সঃ। ২।২৩ )। কিন্তু নীতিবিশাৰদ যুধিষ্ঠিৰে কুশলী মাউতে মদমত্ত হাতীক বশ কৰাৰ দৰে নীতিযুক্ত কথাৰে শান্ত কৰিবলৈ সক্ষম হ'ল। তেওঁ পাণ্ডৱৰ বন্ধু-বান্ধৱ, মিত্ৰসকলে পাণ্ডৱসকলৰ সহিষ্ণুতাৰ অতিশয় প্ৰশংসাপৰ কথা নোকোৱালৈকে আৰু দুৰ্যোধনৰ ব্যৱহাৰত

অসন্তুষ্ট হৈ জনদিয়েক ৰজাই তেওঁক এৰি নোযোৱা পৰ্য্যন্ত সুযোগৰ অপেক্ষাত থাকিবলৈ ভীমক পৰামৰ্শ দিয়ে। সেই সৰ্গতে ব্যাসদেৱৰ আগমন হয়।

তৃতীয় সৰ্গত ভগৱান ব্যাসে দিব্যাস্ত্ৰ লাভৰ বাবে অৰ্জুনক ইন্দ্ৰৰ সাক্ষাৎ পাবলৈ তপস্যা কৰিবলৈ উপদেশ দিয়ে। ব্যাসে পঠোৱা গুহ্যকৰসৈতে অৰ্জুনে তপস্যাৰ বাবে ইন্দ্ৰকীল পৰ্বতত উপস্থিত হয়। তেওঁ কঠোৰ তপস্যাত ভয় পাই ইন্দ্ৰই অপ্সৰা পঠিয়াই তেওঁৰ তপোভঙ্গ কৰিবলৈ যত্ন কৰে। কিন্তু একোতে অৰ্জুনৰ তপস্যা ভঙ্গ নহ'ল। প্ৰসন্ন হৈ ইন্দ্ৰই নিজে অৰ্জুনৰ ওচৰলৈ আহিল। তেওঁ শিৱৰ প্ৰতি তপস্যা কৰিবলৈ অৰ্জুনক উপদেশ দিলে। ইফাল অৰ্জুনক মাৰিবলৈ মনতে পাঙি মায়াৱী দৈত্য এজনে গাহৰিৰ ৰূপ ধৰিলে। শিৱই তাৰ কথা গম পাই অৰ্জুনক ৰক্ষা কৰিবলৈ নিজে এজন কিৰাতৰ ৰূপ ধাৰণ কৰিলে। ত্ৰয়োদশ অধ্যায়ত বৰাহৰূপী দানৱে অৰ্জুনৰ সমুখত ওলাল। তাক দেখি অৰ্জুনৰ মনত নানান বিতৰ্কৰ উদয় হ'ল। তাক মাৰিবলৈ কিৰাত আৰু অৰ্জুনে একে সময়তে শৰ নিক্ষেপ কৰিলে। অৰ্জুনৰ শৰে গাহৰিৰ শৰীৰ ভেদ কৰি তাক বধি পৃথিৱীত প্ৰৱেশ কৰিলে। গাহৰিটো কাৰ প্ৰাপ্য, কোনে বধ কৰিলে এই লৈ বিতৰ্ক হোৱাৰ পাছত কিৰাতৰূপী শিৱ আৰু অৰ্জুনৰ মাজত তয়াময়া যুদ্ধ হ'ল। পোনতে অস্ত্ৰৰে যুদ্ধ হয় আৰু পাছত দুয়োৰে মল্লযুদ্ধ হয়। অৰ্জুনৰ সাহস আৰু বীৰত্ব দেখি শিৱ তেওঁৰ ওপৰত সন্তুষ্ট হ'ল। শিৱে ছদ্মবেশ এৰি নিজ বেশত অৰ্জুনক দেখা দিয়ে। তেওঁ অৰ্জুনৰ পাশুপাত অস্ত্ৰ লাভৰ অভিলাষ পূৰ্ণ কৰি অন্তৰ্হিত হোৱাৰ আগতে ক'লে ঃ

> ব্ৰজ জয় ৰিপুলোকং পাদপদ্মনতঃ সন্
> গদিত ইতি শিৱেন শ্লাঘিতো দেৱসঙ্ঘৈঃ।
> নিজগৃহমথ গত্বা সাদৰং পাণ্ডু পুত্ৰো
> ধৃত গুৰুজয়লক্ষ্মী ধৰ্মসূনং ননাম ॥

'যোৱা, শত্ৰুসকলক জয় কৰাগে' বুলি শিৱে অৰ্জুনক আশীৰ্বাদ দিলে। শিৱৰ চৰণত অৱনত অৰ্জুনে দেৱতাসকলৰ প্ৰশংসা লাভ কৰি মহান জয়শ্ৰী ধাৰণ কৰি নিজ গৃহলৈ উভতি যুধিষ্ঠিৰক প্ৰণাম কৰিলে।

এয়ে মহাকাব্যৰ সংক্ষিপ্ত কথা বস্তু।

এনেদৰে ভাৰৱি এই কাব্যখন শ্ৰীশব্দৰে আৰম্ভ হৈ লক্ষ্মী শব্দেৰে সমাপ্ত হৈছে। আনকি প্ৰতিটো সৰ্গৰ শেষত কৱিয়ে লক্ষ্মী শব্দৰ প্ৰয়োগ কৰিছে। সেয়ে ইয়াক লক্ষ্ম্যন্ত কাব্য বোলা হয়।

**সমীক্ষা ঃ**

এই মহাকাব্যৰ কথাবস্তু নিতান্ত চমু। চাৰি-পাঁচটা সৰ্গতে ইয়াৰ কাহিনী সামৰিব পৰা গ'লহেঁতেন। কিন্তু কলাপ্ৰিয় কৱিজনে মহাকাব্যৰ লক্ষণে সামৰা প্ৰায়বোৰ বিষয়কে ন্যূনাধিক বৰ্ণনা কৰিছে। চতুৰ্থ আৰু পঞ্চম সৰ্গদুটাক শৰৎকালৰ



অভিনৱ ছবি আঁকিছে। লগতে হিমালয়ৰ প্ৰাকৃতিক সৌন্দৰ্য্যৰ চিত্ৰাৱলীও অঙ্কণ কৰিছে। ৭ম—১০ম সৰ্গত অপ্সৰাসকলৰ লীলা বৰ্ণিত হৈছে। তেওঁলোকে বিচিত্ৰ লীলাৰে অৰ্জুনৰ তপোভঙ্গৰ যত্ন কৰে। একাদশ সৰ্গত পুনশ্চ কৱিয়ে বৰ্ণ্যবিষয়ৰ আঁত ধৰিছে।

আলঙ্কাৰিকৰ দৃষ্টিৰে চালে কিৰাতাৰ্জুনীয়ৰ নায়ক অৰ্জুন এজন ধীৰোদাত্ত প্ৰকৃতিৰ লোক। কাব্যখনৰ মুখ্যৰস বীৰ। সপ্তমাদি দশমান্ত সৰ্গত অপ্সৰাবিহাৰৰ মাজত অৱশ্যে অঙ্গৰসৰূপে শৃঙ্গাৰৰ ৰহণ ইয়াত পৰিছে। কাব্যখনত ইহঁত ছয় ঋতু, সূৰ্যোদয়, সূৰ্য্যাস্ত, নৈ, পৰ্বত, জলকেলি, শৃঙ্গাৰাদিৰ বৰ্ণনা পোৱা যায়। দণ্ডী প্ৰভৃতিয়ে নিৰূপণ কৰা কাব্যৰ লক্ষণসমূহ ইয়াত পোৱা যায়।

যদিও ভাৰৱিয়ে মহাভাৰতৰ জনপ্ৰিয় খণ্ডকাহিনী এটাক লৈ কাব্য ৰচনা কৰিছে, তথাপি কিৰাতাৰ্জুনীয়ম্ অভিনৱত্বহীন নহয়। বিশেষতঃ প্ৰতিজন পাত্ৰৰ মুখত যিবোৰ যুক্তিপূৰ্ণ, ন্যায়-নীতিৰ উক্তি দিয়া হৈছে সিবোৰত ভাৰৱিৰ নিজস্ব চাতুৰ্য পৰিস্ফুট হৈছে। কাহিনীৰ মাজতো স্কন্দৰ নেতৃত্বত কিৰাতপতিৰ যি বাহিনীয়ে অৰ্জুনক 'যুদ্ধং দেহি' বুলি প্ৰত্যাহ্বান জনাইছে তাতো কাব্যকাৰৰ অভিনৱ চিন্তা ফুটি ওলাইছে।

**শৈলী ঃ** (১) ভাৰৱি এজন নিপুণ বৈয়াকৰণ আছিল। পাণিনীয় ব্যাকৰণৰ অপ্ৰসিদ্ধ নিয়মৰ উদাহৰণ দিয়াত তেওঁৰ সমকক্ষ কোনো নাছিল। ভাৰৱিৰ কাব্যত 'তন্' ধাতুৰ বহুল প্ৰয়োগ বিদ্যমান। তেওঁ কৰ্মবাচ্য আৰু ভাববাচ্যৰ প্ৰয়োগ অধিক পচন্দ কৰিছিল। লগতে 'শাস' ধাতুৰ দ্বিকৰ্মক প্ৰয়োগ, 'দৰ্শয়তে'ৰ প্ৰয়োগ, 'অনুজীৱিসাৎকৃত', 'স্তনোপপীড়ং' আদিৰ প্ৰয়োগ চকুত পৰে। অতীত ঘটনাৰ বৰ্ণনা দিওঁতে তেওঁ পৰোক্ষে লিট্ৰ প্ৰয়োগ কৰিছে। লঙ্ আৰু লুঙ্ৰ প্ৰয়োগ অপৰোক্ষ ভূত কালত কৰিছে। মাঘৰ দৰে তেওঁ সামান্য ভূতে লুঙ্ৰ প্ৰয়োগত আসক্তি দেখুৱা নাই।

(২) বিবিধ ছন্দৰ ব্যৱহাৰত ভাৰৱি বৰ কুশল আছিল। বংশস্থ তেওঁৰ প্ৰিয়ছন্দ। উপজাতি ( ইন্দ্ৰবজ্ৰা, উপেন্দ্ৰবজ্ৰা ), বৈতালীয়, দ্ৰুতবিলম্বিত, প্ৰমিতাক্ষৰা, প্ৰহৰ্ষিণী, স্বাগতা, উদ্‌গাতা, পুষ্পিতাগ্ৰা আদি ছন্দৰ তেওঁ সুপ্ৰয়োগ কৰিছে। ইয়াৰ মাজত সততে অপ্ৰযুক্ত ছন্দও আছে।

(৩) ভাৰৱিৰ ভাষা কঠিন বুলি ক'লেও দীঘলীয়া সমাস বৰ কম। তেওঁৰ শৈলীত ক্লিষ্টতা দোষ নাই।

(৪) পূৰ্বতে কৈ অহা হৈছে যে কালিদাসোত্তৰ কাব্যকৃত্ৰিমভাৱে অধিক কলাত্মক হৈ পৰিছে। অৰ্থালংকাৰৰ ঠাইত শব্দালংকাৰৰ প্ৰয়োগ বৃদ্ধি পাইছে। 'কিৰাত'ৰ পঞ্চদশ সৰ্গ শব্দালংকাৰ প্ৰধান হৈ পৰিছে।

(৫) কামসূত্ৰৰ প্ৰভাৱ কালিদাসোত্তৰ কাব্যত প্ৰায়েই দেখা যায়। ৭—১০ সৰ্গত অপ্সৰাৰ লীলা তাৰ উদাহৰণ।

(৬) **ভাৰৱেৰৰ্থগৌৰৱম্**—প্ৰাচীন শ্লোক এফাকিত কালিদাস, ভাৰৱি, দণ্ডী
আৰু মাঘৰ কাব্য-বৈশিষ্ট্য এনেদৰে দিছে—

উপমা কালিদাসস্য ভাৰৱেৰৰ্থগৌৰৱম্।
দণ্ডিনঃ পদলালিত্যং মাঘে সন্তি ত্ৰয়ো গুণাঃ॥

ইয়াত ভাৰৱিৰ কাব্যৰ বৈশিষ্ট্যৰূপে অৰ্থগৌৰৱ চিহ্নিত কৰা হৈছে। সংস্কৃত সাহিত্য জগতত অলংকৃত কাব্য শৈলীৰ অন্যতম প্ৰবৰ্তকৰূপে ভাৰৱিক কলাপক্ষীয় কৱি বুলি কোৱা হয়। কলাপক্ষত তেওঁৰ ধ্যান অৱশ্যে বিশেষৰূপে অৰ্থগৌৰৱৰ ওপৰত কেন্দ্ৰীভূত হৈছে। কমশব্দেৰে অনেকাৰ্থৰ সমাৱেশ কৰিবলৈ পাৰাতেই 'অৰ্থগৌৰৱ'ৰ মহিমা দেখা যায়। ভাৰৱিয়ে বহু দীঘলীয়া অৰ্থকো কম শব্দতে সামৰিব লবলৈ সক্ষম হৈছিল বুলি তেওঁৰ খ্যাতি আছে। দুই এটি উদাহৰণ দি ইয়াৰ পুষ্টি সাধন কৰা হওক।

ভাৰৱিয়ে অৰ্থগৌৰৱৰ ওপৰত গুৰুত্ব দিয়া কথা নিম্নোক্ত বচনে প্ৰমাণ কৰে :

স্ফুটতা ন পদৈৰপাকৃতা ন চ ন স্বীকৃতমৰ্থগৌৰৱম্।
ৰচিতা পৃথগৰ্থতা গিৰাং ন চ সামৰ্থ্যমপোহিতং কচিৎ।

ইয়াত যুধিষ্ঠিৰে ভীমৰ ভাষণৰ প্ৰশংসা কৰি কৈছে যে (তেওঁৰ বচনত) 'পদৰ প্ৰয়োগত কোনো অস্পষ্টতা নাই। অৰ্থগৌৰৱৰ ওপৰত বিশেষ নজৰ দিয়া হৈছে। শব্দাৰ্থ পৃথক পৃথককৈ সুন্দৰকৈ বুজা যায়, তথাপি সিবিলাকৰ পাৰস্পৰিক সম্বন্ধ ক'তো ভগা নাই।'

আলোচকসকলে এইটো শ্লোকক ভাৰৱিৰ কাব্যৰ প্ৰকৃত নিদৰ্শকৰূপে স্বীকাৰ কৰে। প্ৰকৃততে ই কৱিজনৰ কলাসম্বন্ধীয় সিদ্ধান্তৰ পৰিচায়ক। আচলাত সমস্ত কিৰাতাৰ্জুনীয়ম্ কাব্যকে ভাৰৱিৰ অৰ্থগৌৰৱৰ উদাহৰণ বুলিব পাৰি। তথাপি তেওঁৰ কাব্যৰ 'পাষাণত্ৰয়' বুলি কথিত প্ৰথম সৰ্গ তিনিটাৰ মাজৰ প্ৰথম দুটাত থকা দ্ৰৌপদী, ভীম আৰু যুধিষ্ঠিৰৰ কথাত অৰ্থগৌৰৱৰ প্ৰাচুৰ্য বিদ্যমান। ইয়াৰে ১ম সৰ্গত দ্ৰৌপদীয়ে যুধিষ্ঠিৰৰ প্ৰতি কোৱা বচনলৈ চাওক :

ব্ৰজন্তি তে মূঢ়ধিয়ঃ পৰাভৱং
ভৱন্তি মায়াৱিষু যে ন মায়িনঃ।
প্ৰৱিশ্য হি ঘ্নন্তি শঠাস্তথাবিধান্
অসম্বৃতাঙ্গান্নিশিতা ইৱেষৱ॥ ১।৩০

অৰ্থাৎ 'যিসকল লোকে মায়াবী বা কপটাচাৰীসকলৰ প্ৰতি মায়া বিস্তাৰ বা কপটাচাৰণ নকৰে, সেই মূৰ্খ বা বিৱেকশূন্য লোকসকলে পৰাভৱ প্ৰাপ্ত হয়। চোকা অস্ত্ৰই যিদৰে উদং শৰীৰে থকা ব্যক্তিক বিন্ধি মাৰে, সেইদৰে ধূৰ্তসকলে সেই অকুটিল ব্যক্তিসকলৰ হৃদয়ত সোমাই তেওঁলোকৰ বিনাশ সাধন কৰে।' এনে বহল অৰ্থ কৰিব অৰ্থগৌৰৱৰ চানেকি।



অন্য এটি উদাহৰণলৈ চোৱা যাওক :

বিহায় শান্তিংনৃপ ধাম তৎ পুনঃ
প্ৰসীদ সন্ধেহি বধায় বিদ্বিষাম্।
ব্ৰজন্তি শত্ৰূন্ অৱধূয় নিস্পৃহাঃ
শমেন সিদ্ধিং মুনয়ঃ ন ভূভৃতঃ॥ ১।৪২

অৰ্থাৎ 'হে ৰাজন্, প্ৰসন্ন হওঁক, শান্তি পৰিত্যাগ কৰি শত্ৰুসকলৰ নিধনৰ বাবে আকৌ তেজ গ্ৰহণ কৰক; নিস্পৃহ মুনিসকলে কামক্ৰোধাদি ৰিপুবোৰক জয় কৰি শান্তিৰদ্বাৰা সিদ্ধিলাভ কৰে; ৰজাসকলে আকৌ নিস্পৃহ হৈ শান্তিৰদ্বাৰা শত্ৰুসকলক জয় কৰিবলৈ নোৱাৰে।'

ইয়াত শত্ৰূন্ পদটি দ্ব্যৰ্থক, শত্ৰুসামান্য আৰু ৰিপুসকলৰ অৰ্থত ব্যৱহৃত হৈছে। আনহাতে 'ন ভূভৃতঃ' বাক্যাংশই 'ব্ৰজন্তি শত্ৰূন্ অৱধূয় নিস্পৃহাঃ শমেন সিদ্ধিং' ইত্যাদি টানি নিয়ে। এনেদৰে ভাৰৱিৰ কাব্যৰ বৈশিষ্ট্য ওলাই পৰে। তেওঁৰ কাব্যাৰ্থ সহজবোধ্য নহয় বুলি কোৱা হয়। নাৰিকেল ফলৰসৈতে তুলনীয়। মল্লীনাথে কৈছে :

নাৰিকেল ফল সম্মিতংবচো
ভাৰৱেঃ সপদি তদ্বিভজ্যতে।
স্বাদয়ন্ত ৰসনিৰ্ভৰং সাৰম্
অস্য ৰসিকা যথেপ্সিতম্॥

**ভট্টি :** কালিদাসোত্তৰ কৱিসকল প্ৰায়েই পাণ্ডিত্য প্ৰদৰ্শন প্ৰিয় আছিল। ভাৰৱি কলাবাদী কৱি আছিল। তেওঁৰ পৰবৰ্তী কৱি ভট্টি আছিল বৈয়াকৰণ আৰু অলঙ্কাৰ শাস্ত্ৰী। সেয়ে তেওঁক ব্যাকৰণ-শাস্ত্ৰোপদেশী কৱি বুলি কোৱা হয়। কাৰণ, তেওঁ ব্যাকৰণৰ উপদেশ দিবলৈহে ভট্টিকাব্য ৰচনা কৰিছিল বুলি জনা যায়। ভট্টিকাব্যৰ প্ৰকৃত নাম 'ৰাৱণবধ' কাব্য।

**ভট্টিৰ জীৱনবৃত্ত আৰু কাল :** ভট্টিয়ে ৰাৱণবধ কাব্যৰ অন্তিম চৰণত প্ৰাপ্ত এক শ্লোকত নিজৰ আশ্ৰয়দাতা ৰজাৰ সংকেত দিছে। তেওঁ কৈছে :

কাব্যমিদং বিহিতং ময়া বলভ্যাং
শ্ৰীধৰ সেন নৰেন্দ্ৰপালিতায়াম্।
কীৰ্তিৰতো ভৱতান্নৃপস্য তস্য
ক্ষেমকৰঃ ক্ষিতিপো যতঃ প্ৰজানাম্। ৰা. ২।২।৩৫

ইয়াৰপৰা বুজা যায় যে ভট্টিয়ে বল্লভীৰ নৃপতি শ্ৰীধৰসেনৰ আশ্ৰয়ত থাকি ৰাৱণবধ ৰচনা কৰিছিল। শ্ৰীধৰসেন প্ৰজাৰঞ্জক ৰজা আছিল বুলিও তেওঁ কৈছে। বল্লভীত একে নামৰ চাৰিজন ৰজাই খৃষ্টীয় ৫০০ অব্দৰপৰা ৬৫০ অব্দৰ ভিতৰত ৰাজত্ব কৰিছিল। এওঁলোকৰ কোনজনৰ লগত ভট্টিৰ সম্বন্ধ আছিল তাক নিৰ্ণয় কৰা দুঃসাধ্য। এখন শিলালেখত শ্ৰীধৰসেন দ্বিতীয়ই ভট্টি নামে এজন পণ্ডিতক ভূমি দান

কৰা কথাৰ উল্লেখ আছে। এই পণ্ডিতজনেই 'ৰাবণবধ'ৰ ৰচক হয় নে নহয় তাক কোৱা টান। তথাপি ভূমিদান গ্ৰহিতা ভট্টিকেই ৰাৱণবধৰ কৱি বুলি ধৰিলে তেওঁৰ কাল ৭ম খৃষ্টীয় শতিকাৰ প্ৰথমপাদ (৬১০—৬১৫ খৃঃ) বুলি ঠাৱৰাব পাৰি।

ভট্টিৰ জীৱন সম্বন্ধে সবিশেষ কোনো কথা জনা নাযায়। তথাপি অনুমান কৰা হয় যে তেওঁ গুজৰাটী বা শ্ৰীমালী ব্ৰাহ্মণ আছিল। তেওঁ শ্ৰীসেনৰ সভাকবি আৰু ৰাজকুমাৰসকলৰ শিক্ষাগুৰু বা উপাধ্যায় আছিল।

**ৰাৱণবধ কাব্য :** ভট্টিয়ে এই কাব্যখন ৰামায়ণৰ কথাৰ ভেটিত ৰচনা কৰে। বাইশটা সৰ্গত নিৱদ্ধ এই কাব্যখনত তেওঁ ৰামচন্দ্ৰৰ জন্মৰপৰা ৰাৱণৱধৰ পাছত অযোধ্যাৰ ৰজাৰূপে অভিষিক্ত হোৱালৈকে ৰামকথা বৰ্ণনা কৰিছে। ভট্টিয়ে ব্যাকৰণ আৰু অলংকাৰৰ বিষয়ে ছাত্ৰক বুজাবলৈ এই গ্ৰন্থখন ৰচনা কৰে। কাব্যখন চাৰিটা কাণ্ডত বিভক্ত : (১) প্ৰকীৰ্ণকাণ্ড (১—৫ সৰ্গ); (২) অধিকাৰ কাণ্ড (৬—৯ সৰ্গ); (৩) প্ৰসন্ন কাণ্ড (১০—১৩ সৰ্গ); আৰু (৪) তিঙন্ত কাণ্ড (১৪—২২ সৰ্গ)।

(১) **প্ৰকীৰ্ণ কাণ্ড :** কাব্যৰ প্ৰথম পাঁচটা সৰ্গ প্ৰকীৰ্ণ কাণ্ড নামে জনাজাত। ইয়াত ৰামৰ জন্মৰপৰা বনবাসৰ সহায়ত সীতাপহৰণ হোৱালৈ কাহিনীভাগ বৰ্ণিত হৈছে। ব্যাকৰণৰ ফালৰপৰা চালে প্ৰথম চাৰি সৰ্গত কোনো নিৰ্দিষ্ট আঁচনি চকুত নপৰে। অৱশ্যে কৱিৰ কৱি-প্ৰতিভাৰ আভাস ইয়াৰ মাজত পোৱা যায়। ৫ম সৰ্গত বেছিভাগ পদ্য প্ৰকীৰ্ণ; মাথোন দু-ঠাইত ট প্ৰত্যয় (টাধিকাৰ ৯৭—১০০) আৰু আমধিকাৰৰ (১০৪—১০৭) প্ৰয়োগৰ সঙ্কেত পোৱা যায়।

(২) **অধিকাৰ কাণ্ড :** ৬ষ্ঠ—৯ম অধ্যায়সহ এই চাৰিটা সৰ্গক অধিকাৰ কাণ্ড নামে জনা যায়। ইয়াতো প্ৰকীৰ্ণ পদ্য বিদ্যমান। কিন্তু পদ্যত ব্যাকৰণৰ নিয়ম, যেনে দুহাদি দ্বিকৰ্মক ধাতু (৬.৮—১০), তাচ্ছীলিককৃদধিকাৰ (৭.২৮—৩৩); ভাৱে কৰ্তৰিৰ প্ৰয়োগ (৭.৬৮—৭৭), আত্মনে পদাধিকাৰ (৮.৭০—৮৪), অনভিহিতেহ-ধিকাৰ (৩.৯৪—১৩১) আদিৰ ওপৰত ভট্টিৰ মন্তব্য পোৱা যায়।

(৩) **প্ৰসন্ন কাণ্ড :**—তৃতীয় কাণ্ডটো (১০—১৩ সৰ্গ) অলংকাৰ শাস্ত্ৰৰে জড়িত। সেয়ে ইয়াক প্ৰসন্ন কাণ্ড বোলা হয়। দশম সৰ্গত শব্দালংকাৰ আৰু অৰ্থালংকাৰৰ অনেক ভেদ আৰু উপভেদৰ ব্যৱহাৰিক ৰূপ দেখুৱা হৈছে। একাদশ আৰু দ্বাদশ সৰ্গত ক্ৰমে মাধুৰ্য আৰু ভাবিকৰ ভেদ দেখুৱা হৈছে। ত্ৰয়োদশ সৰ্গত ভাষাসম শেষৰ ভেদ প্ৰদৰ্শিত হৈছে।

(৪) **তিঙন্ত কাণ্ড :**—১৪শ—২২শ সৰ্গত নবিধ লকাৰ—লিঙ্, লুঙ্, লৃট্, লঙ্, লট্, লোট্, লৃঙ্, লুটৰ ব্যৱহাৰ ক্ৰমশঃ প্ৰদৰ্শিত হৈছে।

এনেদৰে ভট্টিয়ে কাব্যৰ মাজেৰে ব্যাকৰণৰ বিবিধ প্ৰয়োগৰ সংকেত দিছে।



**ভট্টিৰ কৱি প্ৰতিভা :**

কৱি হিচাপে ভট্টি ভাৰৱিতকৈ নিম্নখাপৰ। ভাৰৱি যদিও কালিদাসৰ দৰে ৰসবাদী কৱি নহয়, বৰঞ্চ তেওঁ এজন কলাবাদী বুলিহে জনাজাত তথাপি তেওঁৰ কিৰাতাৰ্জুনীয়ম্ নিশ্চিতৰূপে ভট্টিৰ ৰাৱণবধতকৈ উচ্চ খাপৰ কাব্য। কাৰণ ভট্টিয়ে ব্যাকৰণ আৰু অলংকাৰৰ প্ৰয়োগ দেখুৱাৰ মানসেৰেহে 'ৰাবণবধ' ৰচনা কৰিছিল। তথাপি তেওঁৰ গ্ৰন্থৰ ঠায়ে ঠায়ে তেওঁৰ কৱি প্ৰতিভাৰ স্বাক্ষৰ অৱশ্যে উপলব্ধি হয়। তেওঁৰ কৱিহৃদয় ব্যাকৰণৰ চালনিৰে সৰকি আহিবলগীয়া হোৱাত সি প্ৰায়েই নিষ্প্ৰাণ যেন প্ৰতিভাত হয়। ভট্টি কাব্যৰ দ্বিতীয় সৰ্গৰ বনবৰ্ণনা, আৰু একাদশ সৰ্গৰ প্ৰভাত বৰ্ণনাই তেওঁক কৱিৰূপে চিহ্নিত কৰে। প্ৰথম, দশম আৰু দ্বাদশ সৰ্গতো ঠাই বিশেষে তেওঁৰ কৱিহৃদয়ৰ সুন্দৰকৈ ফুটি ওলাইছে; তথাপি দশম সৰ্গৰ যমকৰ বৰ্ণনাত কাব্যৰ বিলুপ্তি ঘটিছে। ত্ৰয়োদশ সৰ্গক এৰি অন্য সৰ্গবোৰ কাব্য দৃষ্টিৰে মূল্যহীন বুলি ধৰা হয়।

ভট্টিকাব্য বীৰৰস প্ৰধান। ঠায়ে ঠায়ে শৃঙ্গাৰৰ উদ্ৰেক নোহোৱাকৈ থকা নাই; কিন্তু সিবোৰত স্বাভাৱিকতা নাই; বৰঞ্চ কষ্টকল্পিত।

দ্বিতীয় সৰ্গত গোটাদিয়েক শ্লোকত প্ৰকৃতি বৰ্ণনা অৱশ্যে পোৱা যায়। সিবিলাকে ভট্টিৰ কৱিত্বৰ ইঙ্গিত দিয়ে। তলত তেনে কৱিতাৰ চানেকি তুলি ধৰা হ'ল :

বিবৃত্ত পাৰ্শ্বে ৰুচিৰাঙ্গহাৰং সমুদ্বহচ্চাৰুনিতম্বৰম্যম্।
আমন্দ্ৰমন্থধ্বনিদত্তালং গোপাঙ্গনানৃত্যমনন্দয়ত্তম্॥

ৰা ২।১৬

'ৰামে দধি মথি থকা গোপীসকলৰ সেই নৃত্য দেখি আনন্দ লাভ কৰিছিল, (য'ত) তেওঁলোকে অঙ্গৰ দুয়োকাষ ইফালে সিফালে সঞ্চালিত কৰি আছিল, (তেতিয়া) তেওঁলোকৰ অঙ্গ সুন্দৰকৈ দেখা গৈছিল; তেওঁলোকৰ সুন্দৰ নিজম্ব ইফালে-সিফালে লৰোৱাত ৰমণীয় যেন লাগিছিল আৰু ধীৰ গম্ভীৰ গতিৰ দধিমন্থনৰ শব্দই তেওঁলোকৰ নৃত্যৰ তাল ৰক্ষা কৰিছিল।'

তেওঁ দিয়া প্ৰভাত বৰ্ণনাৰ মনোৰম চিত্ৰও উল্লেখনীয় :

প্ৰভাত বাতাহতি কম্পিতাকৃতিঃ কুমুদ্বতীৰেণু পিশঙ্গবিগ্ৰহম্।
নিবাস ভৃঙ্গং কুপিতেৱ পদ্মিনী ন মানিনী সংসহতেঽন্যসঙ্গমম্॥ ১.৬

পুৱাবেলা মৃদু-মন্দ বতাহৰ কাৰণে কঁপি থকা পদ্মিনীয়ে কুমুদিনীৰ পৰাগেৰে শেঁতাপৰা শৰীৰৰ ভোমোৰা যেন কুপিতা হৈ সেইদৰে নিবাৰিত কৰিছে, যিদৰে কোনো পদ্মিনী (খণ্ডিতা) নায়িকাই অন্য নায়িকাৰ উপভোগৰ কাৰণে লগা অঙ্গৰাগৰে যুক্ত শৰীৰৰ ধৃষ্ট নায়ক ৰাতিপুৱা অহাত তিৰস্কাৰ কৰে, আৰু নিজৰ ওপৰ চপাত বাধা প্ৰদান কৰে। সঁচাকৈ, মানিনী নায়িকাই পতিৰ অনাসক্তি কেতিয়াও সহিবলৈ নোৱাৰে। ইয়াত অৰ্থান্তৰন্যাস অলংকাৰ প্ৰযুক্ত হৈছে।

ভট্টিকাব্যৰ দ্বাদশ সৰ্গত পোৱা বিভীষণৰ উক্তিবোৰে তেওঁৰ ( কৱিৰ ) ৰাজনীতি জ্ঞানৰ পৰিচয় দিয়ে। বিভীষণ আৰু মাল্যবানে ( ৰাৱণৰ মন্ত্ৰী ) ৰাৱণক অনেক নীতিগৰ্ভ কথাৰে বুজনি দিয়ে। তেওঁলোকে সময় উকলি নৌযাওঁতেই ৰামৰে সন্ধি কৰিবলৈ দিহা দিয়ে। সীতাক হেৰুৱাই সন্তপ্ত হোৱা ৰাম আৰু অক্ষকুমাৰৰ মৃত্যুত সন্তপ্ত ৰাৱণৰ মাজত সন্ধি বিচাৰি কোৱা হৈছে—

ৰামোঽপি দাৰাঽপহৰণেন তপ্তো বয়ং হতৈৰ্বন্ধুভিৰাত্মতুল্যৈঃ।
তপ্তেন তপ্তস্য যথাঽয়সো নঃ সন্ধিঃ পৰেণাঽস্তু বিমুঞ্চ সীতাম্ ॥ ১২।৪০

ভট্টিকাব্যৰ ত্ৰয়োদশ সৰ্গত পোৱা 'সেতুবন্ধন'ৰ ওপৰত প্ৰৱৰসেনৰ 'সেতুবন্ধ' প্ৰভাৱ পৰা কথা দুই এজন পণ্ডিতে যথাৰ্থভাবে আঙুলিয়াইছে।

ভট্টিকাব্যত ছন্দৰ বৈচিত্ৰ্য সীমিত। অধিকাৰ আৰু তিঙন্ত কাণ্ডত ব্যাকৰণৰ প্ৰয়োগ বুজাওঁতে কৱিয়ে সদায় অনুষ্টুপছন্দ ব্যৱহাৰ কৰিছে। প্ৰকীৰ্ণকাণ্ডত তেওঁ উপজাতি, ৰুচিৰা, মালিনী আদি ছন্দৰ প্ৰয়োগ কৰিছে।

**মাঘ : জীৱনবৃত্ত :** ভাৰতীয় মহাকৱিৰ পৰম্পৰাত মাঘৰ নাম অতি আদৰণীয়। তেওঁৰ 'শিশুপালবধ' এক অনন্য সাধাৰণ মহাকাব্য আৰু ইয়াৰ অশেষ খ্যাতি ভাৰতজুৰি থাকিলেও কালিদাস, ভাৰৱি, ভট্টি প্ৰভৃতিৰ দৰেই মাঘৰ জীৱন সম্বন্ধে সৱিশেষ জনা নাযায়। মাঘে নিজৰ মহাকাব্যত তেওঁৰ পিতৃপৰিচয়াদি যৎসামান্য দি গৈছে। তাৰপৰা বুজা যায় যে তেওঁৰ পিতৃৰ নাম দত্তক 'সৰ্বাশ্ৰয়' আৰু পিতামহৰ নাম সুপ্ৰভদেৱ আছিল। সুপ্ৰভদেৱ সম্বন্ধে তেওঁ এইদৰে লিখিছে :

সৰ্বাধিকাৰী সুকৃতাধিকাৰঃ শ্ৰীধৰ্মনাভস্য বভূৱ ৰাজ্ঞঃ।
অশক্তদৃষ্টিৰ্বিৰজাঃ সদৈৱ দেৱোঽপৰঃ সুপ্ৰভদেৱ নাম ॥

এইদৰে ইয়াত পিতামহ সুপ্ৰভদেৱক কোনো শ্ৰীধৰ্মনাভ নামে ৰজাৰ মন্ত্ৰী বুলি কোৱা হৈছে। পং হৰগোবিন্দ শাস্ত্ৰীয়ে তেওঁৰ সম্পাদিত 'শিশুপালবধ' ( বাৰাণসী, ১৯'৯ পৃষ্ঠা ৮০৫ ) পতিত শ্ৰীধৰ্মলাভৰ ঠাইত 'শ্ৰীবৰ্মল' নাম পঢ়িছে। শ্ৰীধৰ্মনাভ ( বা শ্ৰীবৰ্মল ) সম্ভৱতঃ গুজৰাটৰ বল্লভী ৰাজবংশৰ তিলক আছিল।

বল্লাল পণ্ডিত ৰচিত ভোজ প্ৰবন্ধত মাঘ আৰু তেওঁৰ পত্নীৰ দানশীলতাৰ কথা ভূয়সি প্ৰশংসা কৰা হৈছে। জৈন কৱি মেৰুতুঙ্গাচাৰ্যই তেওঁৰ 'প্ৰবন্ধচিন্তামণি'ত মাঘ কৱিৰ পৰম উৎকৃষ্ট ঐশ্বৰ্য-বিভূতিৰ বৰ্ণনা কৰিছে। তেওঁ মাঘ আৰু তেওঁৰ পত্নীৰ চৰিত্ৰ কীৰ্তনো সুন্দৰভাৱে কৰিছে। শ্ৰীপ্ৰভাচন্দ্ৰ প্ৰণীত 'প্ৰভাৱকচৰিতৰ ( সম্বৎ ১৩৩৪ ) চতুৰ্দশ শৃঙ্গত মাঘ কৱিৰ, পিতৃ-পিতামহ, বাসস্থান আৰু আশ্ৰয়দাতা শ্ৰীবৰ্মলৰ গুণানুকীৰ্তন পঢ়িবলৈ পোৱা যায়।

**মাঘৰ কাল :** (১) মাঘৰ চৰিত কীৰ্তন কৰা ভোজপ্ৰবন্ধ, প্ৰবন্ধচিন্তামণি আৰু প্ৰভাৱক চৰিতৰ ৰচনাকাল ক্ৰমে সংবৎ ১২৪৯, ১৪৬১ আৰু ১৩৩৪ বুলি জনা যায়। গতিকে মাঘৰ কাল কোনোপধ্যে খৃষ্টীয় একাদশ শতিকাৰ পাছলৈ নাযায়।



(২) আনন্দবৰ্ধনে তেওঁৰ ধ্বন্যালোকৰ ২।২৭ কাৰিকাৰ বৃত্তিত কৱি মাঘৰ শিশুপালবধৰ ৫।২৬ ( ত্ৰাসাকুলঃ পৰিপতন্ ইত্যাদি ) আৰু ৫।৫৩ (ৰম্যা ইতি প্ৰাপ্তৱতীঃ পতাকাঃ ইত্যাদি ) শ্লোক দুটাৰ উদ্ধৃতি দিছে। আনন্দবৰ্ধনৰ কাল খৃ· ৯ম শতিকা।

(৩) বামনাচাৰ্য্যই ( খৃ· ৯ম শতিকা ) তেওঁৰ কাব্যালংকাৰ সূত্ৰবৃত্তিৰ ( ৪।৩।১০ ) সূত্ৰৰ উদাহৰণ দিবলৈ মাঘৰ কাব্যৰ ৩।৮ শ্লোকৰ উদ্ধৃতি দিছে। সেয়ে মাঘৰ কাল আনন্দ বৰ্ধন আৰু বামনৰ পূৰ্বতে হোৱা উচিত।

(৪) কৱি মাঘে শিশুপালবধৰ ২।১১২ ( অনুৎসূত্ৰপদন্যাসা ইত্যাদি ) শ্লোকত ন্যাস আৰু কাশিকা বৃত্তিৰ উল্লেখ কৰিছে। মহাকৱি বাণেও ( ৭ম শতিকাৰ পূৰ্বাৰ্ধত ) হৰ্ষচৰিতৰ এঠাইত 'ন্যাস' গ্ৰন্থৰ উল্লেখ কৰিছে। কাশিকাবৃত্তিৰ ৰচকদ্বয় বামন-জয়াদিত্যৰ কাল খৃষ্টীয় ৬ষ্ঠ শতাব্দী বুলি কোৱা হয়। গতিকে কৱি মাঘৰ কাল ৬ষ্ঠ শতাব্দীৰ উৰ্ধলৈ নাযায়।

(৫) মাঘৰ পিতামহ 'সুপ্ৰভদেৱ'ৰ পৃষ্ঠপোষক ৰজা শ্ৰীবৰ্মলৰ এখন শিলালিপি কিছুদিন আগতে 'বসন্তগড়' নগৰত আৱিষ্কৃত হৈছে। শিলালিপি বিক্ৰমসংবৎ ৬৮২ অব্দত ৰচিত হৈছিল। গতিকে ৬৮২ সংবৎ ( খৃষ্টাব্দ ৬২৫ ) সুপ্ৰভদেৱ দেৱৰ কাল বুলি নিৰূপিত হ'লে তেওঁৰ পৌত্ৰ মাঘৰ কাল সপ্তম শতাব্দীৰ শেষছোৱা ( ৬২৫ + ৬০ = ৬৮৫ খৃষ্টাব্দ ) হোৱা সম্ভৱ। হয়তোবা তেওঁ বাণভট্টৰ কনিষ্ঠ সমকালীন লোক আছিল। সেয়ে কোনেও কাৰো উল্লেখ কৰা নাই।

**মাঘৰ জন্মস্থান :** 'শিশুপালবধ'ৰ প্ৰাচীন প্ৰতিলিপিৰ প্ৰত্যেক সৰ্গৰ পুষ্পিকাত 'ইতি শ্ৰীভিন্নমালৱ বাস্তব্য' 'দত্তক' সূনোৰ্মহাবৈয়াকৰণস্য 'মাঘস্য' কৃতৌ 'শিশুপালবধ' মহাকাব্যে' আদি বাক্য পোৱা যায়। সম্ভৱতঃ ইয়াৰ ওপৰত ভেটি কৰিয়েই প্ৰভাচন্দ্ৰই তেওঁৰ 'প্ৰভাৱকচৰিত'ত ( ১৩৩৪ সম্বৎ ) নিম্নোক্ত শ্লোক ৰচি কৈছে—

অস্তি গুৰ্জৰদেশোঽন্যসজ্জৰাজন্য দুৰ্জৰঃ।
তত্ৰ শ্ৰীমালমিত্যস্তি পুৰং মুখমিৱ ক্ষিতেঃ ॥
.......................................
তত্ৰাস্তি হাস্তীকাশ্বীয়াপঽস্তিতবিপুব্ৰজঃ ॥
নৃপঃ শ্ৰীবৰ্মলাতাখ্যাঃ শক্ৰবৰ্মভিদক্ষমঃ।
তস্য সুপ্ৰভদেৱোঽস্তি মন্ত্ৰী মিততপাঃ কিল ॥

দেখা যায় মাঘ কৱিয়ে উল্লেখ কৰা 'শ্ৰীভিন্নমালৱ'ৰ ঠাইত প্ৰভাচন্দ্ৰই শ্ৰীমাল লিখিছে। সম্ভৱতঃ মাঘৰ আৱিৰ্ভাবকালৰ ৫।৬ শ বছৰ পিছত আবিৰ্ভূত প্ৰভাচন্দ্ৰৰ সময়ত 'শ্ৰীভিন্নমালৱ'ৰ নামান্তৰ ঘটে আৰু সি শ্ৰীমাল বুলি সংক্ষিপ্ত নামত পৰিণত হয়।'[১] এই শ্ৰীমাল নগৰ বৰ্তমান ৰাজস্থান আৰু গুজৰাটৰ সীমাত অৱস্থিত। দুয়োখন

ৰাজ্যতে শ্ৰীমালী জাতিৰ ব্ৰাহ্মণ আজিও বাস কৰে। জনা যায় যে শ্ৰীমালীৰ অধিবাসী এতিয়াও মাঘকৱিৰ নামত যথেষ্ট গৌৰৱবোধ কৰে।[২]

**শিশুপালবধ কাহিনীৰ ভেটি :** মহাভাৰতৰ সভাপৰ্বৰ ৩৩—৪২ এই দহ অধ্যায় তথা শ্ৰীমদ্‌ভাগৱৎ পুৰাণৰ ৭৪ অধ্যায়ত শিশুপালবধৰ কথা পোৱা যায়। ইয়াৰ ওপৰতে ভেটি কৰি কৱিমাঘে শিশুপালবধ নামে পূৰ্ণাঙ্গ মহাকাব্যখন ৰচনা কৰে।

এই মহাকাব্যখন কুৰিটা সৰ্গত বিভক্ত আৰু ইয়াত সৰ্বমুঠ ১৬৫০ টা শ্লোক আছে।

**কাব্যৰ কথাবস্তু :** প্ৰথম সৰ্গত দেৱৰ্ষি নাৰদে ইন্দ্ৰৰ ওচৰৰপৰা দ্বাৰকাস্থ শ্ৰীকৃষ্ণৰ ওচৰলৈ যায়। অতিথিৱৎ সেৱা-সৎকাৰ কৰি শ্ৰীকৃষ্ণই স্বৰ্গৰপৰা দ্বাৰকালৈ কিবা বিশেষ প্ৰয়োজনত আহিছে নে কি সুধিলত নাৰদে জনায় যে ইন্দ্ৰই শিশুপালক বধ কৰাটো বিচাৰিছে। জনমে জনমে শিশুফালে বিষ্ণুৰ শত্ৰুতা আচৰি আহিছে; এতিয়াও তেওঁ বিষ্ণুদ্বেষ এৰা নাই। সেয়ে তেওঁ বধ্য। ইয়াকে কৈ নাৰদে বিদায় লয়।

দ্বিতীয় সৰ্গত শ্ৰীকৃষ্ণই বলৰাম আৰু উদ্ধৱৰ সৈতে মন্ত্ৰণা কৰে। তেওঁলোকে দিহা পৰামৰ্শ কৰি থাকোঁতেই ৰজা যুধিষ্ঠিৰৰ পৰা ৰাজসূয় যজ্ঞলৈ কৃষ্ণ প্ৰভৃতিৰ নিমন্ত্ৰণৰ ৰতৰা পায়। বলৰামে অৱশ্যে ৰাজসূয়ৰ আমন্ত্ৰণ নেওচি বেগত চেদি ৰাজ্য আক্ৰমণ কৰি শিশুপাল বধৰ পৰামৰ্শ দিয়ে। উদ্ধৱে হ'লে পোনতে যুধিষ্ঠিৰক আমন্ত্ৰণ কৰি আগতে ৰাজসূয় যজ্ঞৰ অংশগ্ৰহণ কৰাৰ পক্ষপাতিত্ব কৰে।

তৃতীয়ৰপৰা অষ্টম সৰ্গলৈ এই ছটা সৰ্গত শ্ৰীকৃষ্ণই সসৈন্যে ইন্দ্ৰপ্ৰস্থলৈ যোৱা বিৱৰণ পোৱা যায়। বাটতে সাৰথি দাৰুকে ৰৈৱতক পৰ্বতৰ প্ৰাকৃতিক শোভা বৰ্ণনা কৰে। ইয়াৰ পাছত সেনানিবেশৰ বৰ্ণনা পোৱা যায়। ৬ষ্ঠ সৰ্গত ঋতু বৰ্ণনা, ৭ম সৰ্গত বনবিহাৰ বৰ্ণনা আৰু ৮ম সৰ্গত জলক্ৰীড়াৰ বৰ্ণনা কৰা হৈছে। ৯ম আৰু ১০ম সৰ্গ দুটাত যাদৱ দম্পতীসকলৰ কাম-ক্ৰীড়াৰ আৰু সৌন্দৰ্য্য প্ৰসাধনাদিৰ বৰ্ণনা পোৱা যায়। ইয়াত মাঘে শৃঙ্গাৰ বৰ্ণনাৰ সীমা অতিক্ৰম কৰিছে। লগতে যাদৱসকল বিলাসিতাৰ অপূৰ্ব চিত্ৰ তেওঁ অঙ্কন কৰিছে।

একাদশ সৰ্গত শ্ৰীকৃষ্ণক টোপনিৰপৰা জগাবলৈ বৈতালিকসকলে যি প্ৰভাত বৰ্ণনাৰ গীত গায় সেয়া কৰি মাঘৰ কুশল কাব্যকৃতিৰ সুচাৰু নিদৰ্শন। এই সৰ্গত মাঘে সূৰ্যোদয়ৰ বৰ্ণনাত নিজৰ অনুভূতি আৰু সংবেদনশীল হৃদয়ৰ পৰিচয় দিছে।

---

১। কৃষ্ণমোহন শাস্ত্ৰী সম্পাদিত শিশুপালবধ, বাৰাণসী, ১৯৭২, পৃষ্ঠা ১১ হৰগোবিন্দ শাস্ত্ৰী সম্পাদিত শিশুপালবধ, বাৰাণসী, ১৯৭৯ ভূমিকা, পৃষ্ঠা ১৫ দ্ৰষ্টব্য।

২। গৈৰালা, সংস্কৃত সাহিত্যকা ইতিহাস, পৃষ্ঠা, ৭২৪ দ্ৰষ্টব্য।



দ্বাদশ সৰ্গত শ্ৰীকৃষ্ণ সৈন্য আৰু পৰিয়ালবৰ্গসহ যমুনা নদী পাৰ হোৱাৰ বৰ্ণনা পোৱা যায়। ত্ৰয়োদশ সৰ্গত যুধিষ্ঠিৰে ভায়েকসকলেৰে সৈতে যমুনাপাৰৰপৰা শ্ৰীকৃষ্ণই আগবঢ়াই আদৰি নিলেহি তাৰ হুবহু বিৱৰণ কৰিয়ে দিছে। কৃষ্ণই হস্তিনাপুৰ প্ৰৱেশ কৰোঁতে নৰ-নাৰীসকলে দেখুৱা প্ৰতিক্ৰিয়াৰ যথাৰ্থ বৰ্ণনাও ইয়াত কৰা হৈছে। যজ্ঞ সভাৰ-বৰ্ণনাও চমৎকাৰভাৱে দাঙি ধৰা হৈছে।

চতুৰ্দশ সৰ্গত ভীষ্মৰ অনুজ্ঞামতে যুধিষ্ঠিৰে ভগৱান শ্ৰীকৃষ্ণলৈ যজ্ঞৰ আদ্যপূজা আগবঢ়ায় আৰু তেওঁলৈ প্ৰথম অৰ্ঘ্য প্ৰদান কৰে।

পঞ্চদশ সৰ্গত শিশুপালৰ সকলো প্ৰকাৰ উদ্ধতালি বিবৃত হৈছে। শ্ৰীকৃষ্ণক আদ্যাৰ্ঘ্য দান কৰা দেখি শিশুপালে যুধিষ্ঠিৰ, শ্ৰীকৃষ্ণ আৰু ভীষ্ম পিতামহৰ নিন্দাত প্ৰবৃত্ত হয়। অনেক নিন্দা কৰাতো শ্ৰীকৃষ্ণ যাদৱসকলক শান্ত কৰি ৰাখে। পিছত আকৌ ভীষ্মক শিশুপালে নিন্দা কৰে। শিশুপালক ভীষ্মই যথাৰ্থ জবাব দিয়াত শিশুপাল আৰু তেওঁৰ পক্ষীয় ৰজাসকলে যজ্ঞভূমি ত্যাগ কৰিবলৈ উদ্যত হয়। শিশুপালৰ ঔদ্ধত্য বাঢ়ি যোৱাত পাণ্ডৱসকলে তেওঁক শান্ত হ'বলৈ কোৱাত তেওঁ সদলে যজ্ঞভূমি ত্যজি নিজ শিবিৰলৈ গৈ যুদ্ধৰ বাবে আয়োজন কৰে।

যোড়শ সৰ্গতো দূতৰ মুখেৰে শিশুপালে কৃষ্ণক তিৰস্কাৰ কৰাৰ বৰ্ণনা পোৱা যায়। সপ্তদশ সৰ্গত অগত্যা কৃষ্ণপক্ষীয় শূৰ-বীৰসকলে শিশুপালৰ বিপক্ষে যুদ্ধযাত্ৰা কৰা বিৱৰণ আছে। অষ্টাদশ, উনবিংশ আৰু বিংশ সৰ্গত শ্ৰীকৃষ্ণ আৰু শিশুপালৰ দুই বাহিনীৰ মাজত হোৱা ঘোৰতৰ যুদ্ধৰ বৰ্ণনা কৰা হৈছে। শেষত শ্ৰীকৃষ্ণই সুদৰ্শন চক্ৰেৰে শিশুপাল শিৰ হৰণ কৰাৰ বৰ্ণনা দিয়া হৈছে। যুদ্ধবীৰৰ বীৰৰসপূৰ্ণ উক্তিবোৰ মাঘে সুন্দৰকৈ দিছে।

**শিশুপালবধৰ শ্ৰেষ্ঠত্ব :** সংস্কৃত সাহিত্যৰ ভাণ্ডাৰ অনেক মহাকাব্য, খণ্ডকাব্য আৰু চিত্ৰকাব্যৰে ভৰপূৰ হৈ থাকিলেও ৰঘুবংশম্, কুমাৰসম্ভৱম, কিৰাতাৰ্জুনীয়, শিশুপাল বধ আৰু নৈষধচৰিতৰ অধ্যয়ন-অধ্যাপনা চিৰ প্ৰচলিত প্ৰথাত পৰিণত হৈছে। কোনো কোনো পণ্ডিতে মেঘদূতকো পঞ্চ মহাকাব্যৰে পঠন-পাঠনৰ বাবে যোগ্য বুলি বাচনি কৰে। এই ছখন পাঠ্য কাব্যৰ ভিতৰত কালিদাস বিৰচিত গ্ৰন্থৰত্ন তিনিখন—ৰঘুবংশ, কুমাৰসম্ভৱ আৰু মেঘদূত 'লঘুত্ৰয়ী' নামে প্ৰসিদ্ধ। আনহাতে কিৰাতাৰ্জুনীয়ম, শিশুপাল বধ আৰু নৈষধচৰিত—এই তিনি মহাকাব্য 'বৃহৎত্ৰয়ী' নামে জনাজাত।

উক্ত ছয় গ্ৰন্থ ৰত্নৰ ভিতৰত শিশুপালবধৰ প্ৰতি বিদ্বানসকলৰ অসীম শ্ৰদ্ধা দেখা যায়। কোনোবা অজ্ঞাত কৱিয়ে কালিদাসকে আদি কৰি মাঘকে শেষ বুলি ধৰি সিসকলৰ কাব্যাৰ্থৰ যশস্যা এনেদৰে গাইছে :

উপমা কালিদাসস্য ভাৰৱেৰৰ্থগৌৰৱম্।
নৈষধে পদলালিত্যং মাঘে সন্তি ত্ৰয়ো গুণাঃ ॥

গতিকে মাঘকাব্যত উপমা, অৰ্থগৌৰৱ আৰু পদলালিত্যৰ সমাহাৰ ঘটিছে বুলি কোৱা হয়। একেদৰে নিম্নোক্ত শ্লোকতো মাঘৰ কাব্যগুণ প্ৰশংসিত হৈছে:

মুৰাৰিপদচিন্তা চেত্তদা মাঘে ৰতি কুৰু।
মুৰাৰিপদচিন্ত চেন্তদা মাহঘে ৰতি কুৰু ॥

তদুপৰি কোৱা হয় যে এসময়ত কোনো বৃদ্ধ সুবিদ্বান লোকক তেওঁ কি কি গ্ৰন্থ পঢ়ি নিজৰ বুদ্ধি আৰু দূৰদৰ্শিতা বৃদ্ধি কৰিছে সেই লৈ কৰা প্ৰশ্নৰ উত্তৰত কৈছিল: 'মেঘদূত আৰু মাঘকাব্য' পঢ়োঁতে মোৰ সমস্ত আয়ু শেষ হ'ল: **"মেঘে মাঘে গতং বয়ঃ"**। ইয়াৰদ্বাৰা শিশুপাল বধৰ মহত্ত্ব স্পষ্টকৈ প্ৰকাশ পাইছে।

মাঘৰ কাব্যৰ বা কবিত্বৰ শ্ৰেষ্ঠতা লৈ পণ্ডিত সমাজত অনেক ধাৰণা প্ৰচলিত আছে। ৰাজশেখৰে কৈছে যে 'য'ত ভাৰৱিৰ কবিতা সূৰ্য্যকিৰণৰ দৰে সমস্ত জ্ঞান প্ৰকাশিত কৰে, ত'ত মাঘ মাহৰ সমান মাঘৰ নাম শুনি কোন কবিৰ ৰোমহৰ্ষণ নোহোৱাকৈ থাকে?'

কৃৎস্নপ্ৰবোধকৃদ্ বাণী ভা ৰৱেৰিৱ ভাৰৱেঃ।
মাঘেনেৱ চ মাঘেন কম্পঃ কস্য ন জায়তে ॥

ধনপালেও মাঘৰ বিষয়ে কৈছে: যিদৰে মাঘ মাহত ঠেঁটুৱা লগা জাৰত বান্দৰে সূৰ্যক স্মৰণ কৰে আৰু জোপোক-টোপক দি থাকে, তেনেদৰে মাঘৰ কবিতাক স্মৰণ কৰি ডাঙৰ ডাঙৰ পণ্ডিতৰো উৎসাহ চেঁচা পৰি যায়, লাগিলে তেওঁ ভাৰৱিৰ কবিতা যিমানে মনত নেপেলাওক:

মাঘেন বিঘ্নিতোৎসাহা নোৎসহন্তে পদক্ৰমে।
স্মৰন্তো ভা-ৰৱেৰেৱ কৱয়ঃ কপয় যথা ॥

তলৰ উক্তি দুটাও স্মৰণীয়:
'তাবদ্ভা ভাৰৱেৰ্ভাতি যাৱন্মাঘস্য নোদয়ঃ।'
আকৌ:

পুষ্পেষু চম্পা নগৰীষু কাঞ্চী নদীষু গঙ্গা নৃৱৰেষু ৰামঃ।
নাৰীষু ৰম্ভা পুৰুষেষু বিষ্ণুঃ কাব্যেষু মাঘঃ কৱি-কালিদাসঃ ॥

এনেবোৰ মাঘৰ প্ৰশংসাপৰ সূক্তি সংস্কৃত পণ্ডিত সমাজত চিৰ প্ৰচলিত।

**মাঘে সন্তি ত্ৰয়ো গুণাঃ** : সংস্কৃত প্ৰবচন 'উপমা কালিদাসস্য ভাৰৱেৰৰ্থ-গৌৰৱম্। দণ্ডিনঃ (বা নৈষধে) পদলালিত্যং মাঘে সন্তি ত্ৰয়ো গুণাঃ ॥'— অনুসৰি আমি কালিদাসক উপমাৰ বাবে, ভাৰৱিক অৰ্থ গৌৰৱৰ হেতু, দণ্ডী বা শ্ৰীহৰ্ষৰ 'নৈষধ' পদলালিত্যৰ বাবে প্ৰসিদ্ধ বুলি জনাৰ লগতে মাঘৰ কাব্যত এই তিনিওটা গুণৰ অপূৰ্ব সমাহাৰ হোৱা কথা বুজো। কিন্তু কালিদাসৰ কাব্য অৰ্থগৌৰৱহীন বা পদলালিত্যহীন বুলি যিদৰে কোৱা টান, তেনেকৈ ভাৰৱি বা শ্ৰীহৰ্ষৰ কাব্যত উপমাৰ প্ৰয়োগ হোৱা নাই বুলিও ক'ব নোৱাৰি। তথাপি মাঘৰ



কাব্যত অন্যসকল কবিৰ বিশেষ বৈশিষ্ট্যসমূহ একেযোগ লাভ কৰাটোক পণ্ডিত-সকলে এক অপূৰ্ব কথা বুলি বিবেচনা কৰিছে। মাঘৰ শিশুপালবধত উপমা, অৰ্থগৌৰৱ আৰু পদলালিত্যৰ একত্ৰ সন্মিলনক কবিজনৰ প্ৰগাঢ় পাণ্ডিত্য আৰু অদ্ভুত কবিত্ব শক্তিৰ পৰিচায়ক; সেয়ে 'অধিকস্যাধিকং ফলম্' বোলা প্ৰসিদ্ধি কোনোমতে উপেক্ষণীয় নহয়। এতিয়া উদাহৰণেৰে প্ৰতিটো বিশেষত্বৰ বিচাৰ কৰি চোৱা উচিত।

শিশুপালবধ মহাকাব্যত অনেক সুৰুচিপূৰ্ণ আৰু চমৎকাৰ উপমাৰ প্ৰয়োগ কৱি মাঘে কৰিছে। তলত দিয়া উদাহৰণটিয়ে তেওঁৰ উপমাৰ উৎকৃষ্টতা উদঙাই দিয়ে:

দধানমম্ভোৰুহকেসৰদ্যুতীৰ্জটাঃ শৰচ্চন্দ্ৰমৰীচিৰোচিষম্।
বিপাকপিঙ্গাস্তুহিনস্থলীৰুহো ধৰাধৰেন্দ্ৰং ব্ৰততীততীৰিৱ ॥ ১।৫

কেসৰৰ সমান কান্তিময়ী জটাধাৰণ কৰি আৰু নিজে শৰৎ ঋতুৰ চন্দ্ৰৰ সমান কান্তিমান হৈ, পকিলে পিঙ্গল বৰণীয়া হোৱা তুষাৰভূমিত উৎপন্ন লতাবোৰ ধাৰণ কৰা পৰ্বতৰাজ হিমালয়ৰদৰে উপস্থিত (নাৰদক ভগৱান কৃষ্ণই দেখিলে)।

ইয়াত কৱিয়ে হিমালয়ৰসৈতে তুলনা কৰি উপমাৰ সৃষ্টি কৰিছে।

উত্তম কাব্যৰ কাৰণে অন্যান্য বৈশিষ্ট্যৰে সৈতে অৰ্থগৌৰৱ থকাও প্ৰয়োজন। ভাৰৱিয়ে ইতিপূৰ্বে ইয়াৰ সমৰ্থন কৰি গৈছে:

স্ফুটতা ন পদৈৰপাকৃতা, ন চ ন স্বীকৃতমৰ্থগৌৰৱম্।
ৰচিতা পৃথগৰ্থতা গিৰাং ন সামৰ্থ্যমপোহিতং কচিৎ ॥

কি. ২।২৭

পদ প্ৰয়োগত স্পষ্টতা, অৰ্থগৌৰৱৰ ওপৰত যথোচিত গুৰুত্ব আৰোপ, শব্দাৰ্থৰ পৃথকত্ব বৰ্তমান থকাতো পাৰস্পৰিক সম্বন্ধ অটুট থকাতেই কাব্যৰ অৰ্থৰ গাম্ভীৰ্য্য ৰক্ষা পৰে।

মাঘে নিজেও কাব্যৰ অৰ্থ গৌৰৱ অটুট ৰখাৰ ওপৰত যথোচিত গুৰুত্ব দিছিল। তেওঁ কৈছে—

ম্ৰদীয়সীমপি ঘনামনল্পগুণকল্পিতাম্।
প্ৰসাৰয়ন্তি কুশলাঃ চিত্ৰাং বাচং পটীমিৱ ॥ ২।৭৪

অৰ্থাৎ 'কুশল কৱিৰ কাব্যৰ এক বিশেষত্ব থাকে যে তেওঁৰ কোমলতম কাব্যও ঘন অৰ্থাৎ অৰ্থগৌৰৱেৰে ভৰপূৰ কাব্যৰ বিবিধ গুণবোৰ অটুট ৰাখে।' এনেকৈ কোৱাৰ অৰ্থ এয়ে যে মাঘেও সজ কাব্যৰ বাবে অৰ্থগৌৰৱৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিছিল। সেয়ে তেওঁৰ কাব্যত অৰ্থগৌৰৱৰ উদাহৰণ অৱিৰল। প্ৰাতঃকালৰ বৰ্ণনাত ইয়াৰ উদাহৰণ চাবলগীয়া—

অৰুণজলজৰাজীমুগ্ধ হস্তাগ্ৰপাদা।
বহুলমধুপমালা কজ্জলেন্দীৱৰাক্ষী ॥

অনুপততি বিৰাবৈং পত্ৰিণাং ব্যাহৰন্তী ।
ৰজনিমচিৰজাতা পূৰ্বসন্ধ্যা সুতেব ॥ ১১।৪০

ৰাতিপুৱাইছে। প্ৰাতঃকালৰ সময় আহিছে। যিদৰে পদুমৰদৰে হাতভৰি থকা, চকুত মনোহৰ অঞ্জন লগাই লৈ কোনো বালিকাই নিজৰ বাল-সুলভ খোকা-থুকি মাতেৰে শব্দ কৰি নিজৰ মাকৰ পিছে পিছে লৰি ফুৰে, তেনেকৈ নিজৰ ৰঙাপদুমৰ হাত-ভৰিৰে ভোমোৰাৰ মালাৰূপ কাজলেৰে যুক্ত পদুমৰ চকুজুৰিৰে পূৰ্ব সন্ধ্যাই চৰাই মাতেৰে মাতি ৰাতিৰ পিছে পিছে লৰি (ওলাই) আহিছে।

গোটেই শ্লোকটোত কৱিয়ে ৰাতিক কিদৰে প্ৰভাতে অনুসৰণ কৰিছে তাকে বুজাবলৈ মাকৰ পিছে পিছে ফুৰা ছোৱালীৰ তুলনা দি এক মনোৰম অৰ্থগৌৰৱৰ উদাহৰণ তুলি ধৰিছে।

ভাৰৱি অৰ্থগৌৰৱৰ যেনে প্ৰসিদ্ধ তেনেকৈ দণ্ডী আৰু শ্ৰীহৰ্ষ পদলালিত্যৰ বাবে সুখ্যাত। তেওঁৰ লগত এই ক্ষেত্ৰৰ মাঘৰ হয়তো তুলনা কমেই হ'ব। তথাপি মাঘে যে তাকে লৈ প্ৰতিদ্বন্দ্বিতা কৰা নাই এনে নহয়। তেওঁৰ কাব্যতো পদলালিত্যৰ প্ৰচুৰ উদাহৰণ আছে। তেওঁৰ পদলালিত্যৰ বিশেষত্ব দেখুৱাবলৈ তলত এটা উদাহৰণ তুলি ধৰা হ'ল :

মধুৰয়া মধুবোধিত মাধৱী মধু সমৃদ্ধি সমেধিতমেধয়া ।
মধুকৰাঙ্গনয়া মুহুৰুন্মদধ্বনিভৃতা নিভৃতাক্ষৰ মুজ্জগে ॥ ৬।২০

বসন্তৰ আগমনেৰে সমৃদ্ধ মাধৱী লতাৰ পৰাগেৰে উন্মত্ত ভ্ৰমৰীয়ে উন্মাদ ধ্বনিক ধাৰণ কৰি স্থিৰ আৰু মধুৰ অক্ষৰৰাজিত গীত গাই আছে।

ইয়াত যি অনুপ্ৰাস প্ৰযুক্ত হৈছে তাৰে মাঘৰ এই শ্লোক পদলালিত্যৰে উজলি উঠিছে। ঠায়ে ঠায়ে এনে পদলালিত্য শিশুপালবধত প্ৰায়ে দেখা যায়। এনে অন্য এটা শ্লোকলৈ চাওক :

কুমুদবনমপশ্ৰি শ্ৰীমদম্ভোজখণ্ডং
ত্যজতি মুদমুলূকঃ প্ৰীতিলাংশ্চক্ৰবাকঃ ।
উদয় মহিমৰশ্মিৰ্যাতি শীতাংশুৰস্তং
হতবিধিলসিতানাং হী বিচিত্ৰো বিপাকঃ ॥ ১১।৬৪

এই শ্লোকটিৰ পদলালিত্য সম্বন্ধে এনে কিম্বদন্তি প্ৰচলিত আছে যে একাক্ষৰ 'হী' শব্দটিৰ ওপৰত মুগ্ধহৈ গুণমুগ্ধ ৰজা এজনে মহাকৱি মাঘক লক্ষ স্বৰ্ণমুদ্ৰাৰে পুৰস্কৃত কৰিছিল। এনেদৰে মাঘৰ কাব্য সম্বন্ধে প্ৰচলিত লোকোক্তি 'মাঘে সন্তি ত্ৰয়োঃ গুণাঃ' আখৰে আখৰে সঁচা বুলি প্ৰত্যায়িত হয়।

**মহাকৱি মাঘৰ পাণ্ডিত্য :** মহাকৱি মাঘ এক বিশাল পাণ্ডিত্যৰ অধিকাৰী আছিল। তেওঁৰ নামত যদিও একাধিক গ্ৰন্থ পোৱা নাযায় তথাপি শিশুপাল বধৰ পাতত তেওঁৰ অসাধাৰণ পাণ্ডিত্যৰ পৰিচয় অৱশ্যে পোৱা যায়। তেওঁ নাট্যশাস্ত্ৰ, অলংকাৰ শাস্ত্ৰ, ছন্দশাস্ত্ৰ আৰু ব্যাকৰণৰ যে অগাধ পণ্ডিত আছিল, তাক নকলেও



হয়। তদুপৰি সাঙ্গোপাঙ্গ বেদ-বেদান্ত, ধৰ্মশাস্ত্ৰ, অৰ্থশাস্ত্ৰ, নীতিশাস্ত্ৰ, ষড়দৰ্শন, পুৰাণেতিহাস, কামশাস্ত্ৰ, আয়ুৰ্বেদ, সংগীতশাস্ত্ৰ, জ্যোতিষ আৰু সামুদ্ৰিকশাস্ত্ৰ, ৰাজ-নীতি, দণ্ডনীতি, গজশাস্ত্ৰ, হয়শাস্ত্ৰ, আদি সকলো শাস্ত্ৰৰে যথাৰ্থজ্ঞান তেওঁৰ অধিগত আছিল।

তেওঁ বৈদিক কৰ্মকাণ্ড, যাগ-যজ্ঞ আদিত বিশ্বাসী আছিল। তেওঁ সম্ভৱতঃ বিষ্ণুৰ সৰ্বময়ত্বত আস্থাশীল আছিল। তথাপি বৌদ্ধ আৰু জৈন সম্প্ৰদায়ৰ মূলতত্ত্ব সমূহৰ সৈতেও তেওঁ সুপৰিচিত আছিল।

**মাঘৰ কাব্য প্ৰতিভা :** সংস্কৃত কাব্য শাস্ত্ৰীয় দৃষ্টিভঙ্গীৰে কোনো কোনোৱে[১] মাঘক এজন ৰসবাদী কৱিৰূপে চাবলৈ বিচাৰে। একে কাৰণতে তেওঁক আকৌ কালিদাসতকৈ পৃথক বুলিও কোৱা হৈছে। কালিদাসৰ কাব্যৰ ভাৱ আৰু ভাষা সাধাৰণভাৱে সংস্কৃত জনা লোকৰো হৃদয়ঙ্গম হয়; কিন্তু মাঘৰ কাব্যৰ অৰ্থ আৰু ভাৱানুভূতি হৃদয়ঙ্গম কৰিবলৈ পঢ়ৰৈজনে শাস্ত্ৰবৈদগ্ধ্য আৰু ভাষা নৈপুণ্য পোনতে লাভ কৰি জীৱন জোৰা সাধনা কৰা দৰ্কাৰ। সেয়ে কোৱা হৈছে 'মেঘে মাঘে গতম্ বয়ঃ।'

আনহাতে কোনো কোনোৱে[২] আকৌ মাঘক এজন কলাবাদী কৱি বুলিহে প্ৰতিপন্ন কৰিবলৈ বিচাৰে। তেওঁ শব্দ আৰু অৰ্থৰ সৌন্দৰ্য্যৰ ওপৰত ধ্যান দিছিল। তেওঁৰ মাজত কৱিত্ব শক্তি বাৰুকৈয়ে আছিল। কিন্তু তেওঁ পূৰ্বসূৰী দুই এজনক অনুকৰণ কৰিবলৈ গৈ নিজৰ কৱিত্বক স্বতন্ত্ৰভাৱে বিকশিত নকৰা বাবে তেওঁৰ কৱি প্ৰতিভাৰ পূৰ্ণবিকাশ হ'বলৈ নাপালে।

তেওঁ অধিকাধিক কলানৈপুণ্য প্ৰদৰ্শন কৰিবলৈ তেওঁৰ কাব্যৰ গুণ-গৰিমাক তাৰ মাজত পুতি পেলাইছিল বুলিলে অসত্য কোৱা নহয়।

মাঘৰ 'শিশুপালবধ' মূলতঃ এক বীৰৰস প্ৰধান মহাকাব্য। ইয়াৰ অঙ্গীৰস বীৰৰস হ'লেও ইয়াত শৃঙ্গাৰৰসৰ বাহুল্যও দেখা যায়। বিশেষতঃ কাব্যৰ মাজৰ অংশত শৃঙ্গাৰৰসৰ ব্যাপকতাই সহৃদয় পাঠকক কাব্যখনৰ প্ৰধানৰস বীৰনে শৃঙ্গাৰ এই সম্বন্ধে সন্দীহান কৰি তোলে। ইয়াৰ ছটা সৰ্গত অনাৱশ্যকভাৱে বাহুল্যকৈ শৃঙ্গাৰৰস পৰিবেশিত হৈছে।

কাব্যখনৰ কথাবস্তু নিতান্ত ক্ষীণ। প্ৰকৃততে মূল কথাস্ৰোতৰ বৰ্ণনা কৱিয়ে ১—২ আৰু ১৪—২০ সৰ্গতহে দাঙি ধৰেছে। ৩—১৩ সৰ্গত অপ্ৰাসঙ্গিক গৌণ বৰ্ণনাৰ ওপৰত কৱিয়ে অধিক গুৰুত্ব দিয়াত মূল কথাস্ৰোতৰ সৌন্দৰ্য হানি হৈছে। বিশেষতঃ ৰাজসূয় যজ্ঞত অংশগ্ৰহণ কৰিবলৈ ইন্দ্ৰপ্ৰস্থলৈ যোৱাৰ পথত ৰৈৱতকত যদুবাহিনীৰ অবাস্থিত কালকেলিৰ বৰ্ণনাই কাব্যৰ সৌন্দৰ্য্য বৃদ্ধি কৰা নাই।

১। গৈৰোলা, সংস্কৃত সাহিত্য কা সংক্ষিপ্ত ইতিহাস, পৃষ্ঠা ৭৩২
২। ব্যাস, সংস্কৃত কৱি দৰ্শন, পৃষ্ঠা ১৭৬

তথাপি কৰি মাঘ প্ৰাকৃতিক সৌন্দৰ্য্য বৰ্ণনাত যে সিদ্ধহস্ত তাক নশলাগি নোৱাৰি। তেওঁৰ ঋতুবৰ্ণনা, বনবিহাৰ, জলবিহাৰ, সূৰ্য্যোদয় আৰু সূৰ্য্যাস্তৰ বৰ্ণনা, ৰতিবৰ্ণনা আদি কাব্যত প্ৰচুৰভাৱে পোৱা যায়। মাঘৰ প্ৰকৃতি বৰ্ণনা শৃঙ্গাৰৰস ময়। তেওঁ শিশুপালবধত বন-উপবন, নৈ-পৰ্বত, সৰোবৰ, গছ-লতা, প্ৰাতঃ-সন্ধ্যা, ঋতু, প্ৰকাশ আৰু অন্ধকাৰ আদি উদ্দীপন বিভাবৰূপে ব্যৱহাৰ কৰিছে। তেওঁৰ কাব্যৰ ঠাই বিশেষতঃ পোৱা প্ৰকৃতি-চিত্ৰণ এনে চমৎকাৰ হৈছে যে পাঠকে ৰূপচ্ছটা চাই আত্মবিভোৰ নহৈ নোৱাৰে। তেওঁৰ প্ৰকৃত চিত্ৰণক ভোলাশঙ্কৰ ব্যাসে তিনি ভাগত ভাগ কৰিছে: (১) যমক যুক্ত প্ৰকৃতি বৰ্ণনা, (২) শৃঙ্গাৰাত্মক অপ্ৰস্তুত বিধান যুক্ত বৰ্ণনা আৰু (৩) আন অপ্ৰস্তুত বিধান থকা প্ৰকৃতি বৰ্ণনা। যমক, শ্লেষ আৰু শৃঙ্গাৰৰসাত্মক অপ্ৰস্তুত বিধান থকা বৰ্ষাকালৰ এয়া এক সুন্দৰ চিত্ৰ ৬।২৫ শ্লোকত পোৱা যায়:

স্ফুৰদধীৰতভিন্নয়না মুহুঃ প্ৰিয়মিৱাগলিতোৰু পয়োধৰা।
জলধৰাৱলিৰ প্ৰতিপালিত স্বসময়া সময়াজ্জ গন্ধীধৰম্॥

'বিজুলী চমকনিৰে চঞ্চল নয়না, সঘন মেঘৰাজি ঠিক সময়গতে ৰৈৱতক পৰ্বতত উপস্থিত হৈছেহি, যিদৰে কোনো এক চঞ্চল নয়না, যৌৱনভৰা নায়িকাই সঙ্কেতৰ সময় বুজি প্ৰিয়জনক প্ৰতীক্ষাৰ অস্থিৰতাত নেপেলোৱাকৈ তেওঁৰ ওচৰত অভিষাৰাৰ্থে উপস্থিত হয়।'

একাদশ সৰ্গত তেওঁ প্ৰাতঃকালৰ সুন্দৰ বৰ্ণনা দি কৈছে:

বিতত পৃথুৱৰত্ৰাতুল্য ৰূপৈয়ূখৈঃ
কলশ ইৱ গৰীয়ান্ দিগ্ভিৰাকৃষ্যমাণঃ।
কৃতচপল বিহঙ্গালাপ কোলাহলাভি:
জলনিধিজলমধ্যাদেষ উত্তাৰ্যতেঽৰ্কঃ॥

ৰাতিপুৱা পূবত ধৰিত্ৰীৰ ওপৰত গোলাকাৰ সূৰ্যই দেখা দিয়াৰ লগে লগে তাৰ কিৰণমালাই দশোদিশ বিয়পি পৰিছে। তাকে দেখি কৱিয়ে কৈছে: 'পৰিব্যাপ্ত কিৰণমালাই দশোদিশ বিয়পি পৰিছে। ...' 

সেইদৰে সন্ধ্যা বৰ্ণনাৰ চিত্ৰণেও তেওঁৰ কৱিপ্ৰতিভাৰ স্বাক্ষৰ বহন কৰিছে। উদাহৰণস্বৰূপে নিম্নোক্ত শ্লোককৈ মন কৰক:

নৱকুঙ্কুমাৰুণ পয়োধৰয়া স্বকৰাৱসক্তৰুচিৰাম্বৰয়া।
অতিসক্তিমেত্য বৰুণস্য দিশা ভৃশমন্ৱৰজ্যদ তুষাৰকৰঃ॥

শিশু—৯।৭

'সূৰ্য্যাই ন কুঙ্কুমৰ সমান ৰঙা মেঘেৰেসৈতে ( নতুন কুঙ্কুমেৰে ৰঞ্জিত ৰঙা পয়োধৰ যুক্ত ) নিজ কিৰণেৰে সম্বন্ধ মনোহৰ আকাশৰসৈতে ( হাতেৰে গ্ৰহণ কৰা সুন্দৰ বস্ত্ৰেৰে ) পশ্চিম দিশৰ অতি ওচৰ চাপি ( বৰুণৰূপ অন্য পুৰুষৰ পত্নীত আসক্ত হৈ ) বাৰুকৈয়ে ৰঙা চিঙা পৰিছে।



**ভাৰৱি আৰু মাঘ:** পণ্ডিতসকলে ভাৰৱি আৰু মাঘৰ মাজত—তেওঁলোকৰ দুই ৰচনাত কেতবোৰ সাদৃশ্য দৰ্শন কৰিছে। সিবোৰৰ ভেটিত কৰলৈ প্ৰয়াস কৰে যে মাঘে ভাৰৱিৰ অনুকৰণ কৰাই নহয়, পূৰ্বকৱিজনক চেৰ পেলাবলৈ সৰ্বতোপ্ৰকাৰে যত্নশীল হৈছে। তেনে সাদৃশ্যপৰক কেইটিমান দিশ তলত উল্লিকিওৱা হ'ল:

(১) ভাৰৱিৰ কিৰাতাৰ্জুনীয়ম্ যিদৰে 'শ্ৰী'শব্দেৰে আৰম্ভ হৈছে ( 'শ্ৰিয়ঃ কুৰূণামধিপস্য পালনীম্' ইত্যাদি ), তেনেকৈ মাঘৰ 'শিশুপালবধো' একেদৰে 'শ্ৰী' শব্দেৰে আৰম্ভ হৈছে ( শ্ৰিয়ঃ পতিঃ শ্ৰীমতি শাসিতুঃ ইত্যাদি )। একেদৰে ভাৰৱিৰ কাব্যৰ প্ৰত্যেক সৰ্গৰ অন্তিম শ্লোকত 'শ্ৰী' শব্দৰ পৰ্য্যায় বাচক 'লক্ষ্মী' শব্দৰ প্ৰয়োগ চকুত পৰে ( দিনকৃতমিৱ লক্ষ্মীস্ত্বাং সমভ্যেতু ভূয়ঃ, ১।৪৬ )। তেনেদৰে মাঘৰ কাব্যৰ প্ৰতিটো সৰ্গৰ অন্তিম শ্লোকত ঠিক 'শ্ৰী'শব্দৰ প্ৰয়োগেই চকুত পৰে ( স্থলনিয়ত নিষন্ন-শ্ৰীশ্ৰুতাং শুশ্ৰুৱান্ নঃ, ২।১১৮ )।

(২) 'কিৰাত'ৰ প্ৰথম সৰ্গত যিদৰে বনেচৰে ৰজা যুধিষ্ঠিৰলৈ বিশেষ বাৰ্তা কঢ়িয়াই আনিছে, একেদৰে নাৰদেও 'শিশুপালবধ'ৰ প্ৰথম সৰ্গত কৃষ্ণৰ প্ৰতি এক বিশেষ বতৰা আনিছে।

(৩) ভাৰৱিয়ে 'কিৰাত'ৰ প্ৰথম সৰ্গত দ্ৰৌপদী আৰু ২য় সৰ্গত ভীমসেনৰ মুখেৰে ওজস্বিতাপূৰ্ণ আৰু দ্বিতীয় সৰ্গতে যুধিষ্ঠিৰৰ মুখেৰে অতি শান্তিপূৰ্ণ ৰাজনীতিৰ কথা কোৱাইছে। একেদৰে মাঘেও তেওঁৰ কাব্যৰ ২য় সৰ্গত বলৰামৰ মুখেৰে ওজস্বিতাপূৰ্ণ ৰাজনীতি সমৰ নীতিৰ কথা আৰু উদ্ধৱৰ মুখেৰে শান্তিপূৰ্ণ ৰাজনীতিৰ কথা কোৱাইছে।

(৪) ভাৰৱিয়ে যিদৰে 'কিৰাত'ৰ ৩য় সৰ্গত অৰ্জুনে ইন্দ্ৰকীল পৰ্বতলৈ যোৱাৰ কথা বৰ্ণাইছে, সিদৰে মাঘেও তেওঁৰ কাব্যত শ্ৰীকৃষ্ণৰ ইন্দ্ৰপ্ৰস্থলৈ যোৱাৰ পথত ৰৈৱতক পোৱা আৰু তাত জিৰণি লোৱা কথা বৰ্ণাইছে।

(৫) 'কিৰাত' আৰু 'শিশুপালত' যথাক্ৰমে বেদব্যাস আৰু নাৰদৰ উপদেশ বিবৃত হৈছে।

(৬) 'কিৰাত' আৰু 'শিশুপাল'ৰ ৪ৰ্থ আৰু ৫ম সৰ্গত যথাক্ৰমে হিমালয় আৰু ৰৈৱতকৰ বৰ্ণনা সমান ভাৱে পোৱা যায়।

(৭) সেইদৰে দুয়োখন কাব্যৰ ৭ম—৮ম সৰ্গত যথাক্ৰমে অপ্সৰা আৰু যদুনাৰী সকলৰ জলবিহাৰ বৰ্ণিত হৈছে।

(৮) পৰৱৰ্তী দুই সৰ্গত ভাৰৱি আৰু মাঘে সন্ধ্যাকাল—চন্দ্ৰোদয়, ৰতিক্ৰীড়া, প্ৰণয়ালাপৰ বিৱৰণ আৰু প্ৰাকৃতিক সৌন্দৰ্যৰ বৰ্ণনা তুলি ধৰিছে।

(৯) 'কিৰাত'ৰ একাদশ সৰ্গত 'কিৰাত বেশী' শিৱই অৰ্জুনক অৱমাননা কৰিছে। শিশুপালবধৰ একেটা সৰ্গতে শিশুপালেও কৃষ্ণলৈ দূতৰ মুখেৰে অমাৰ্যদাকৰ

কথা সংবাদ দিছে। প্ৰথম খনত দূতৰ মুখেৰে কিৰাতৰ প্ৰশংসা দ্বিতীয়খনত দূতৰ মুখেৰে শিশুপালৰ প্ৰশংসাসূচক কথা কোৱাইছে।

(১০) কিৰাতৰ পিছৰ সৰ্গকেইটাত কিৰাত আৰু অৰ্জুনৰ মাজত সংঘটিত তয়াময়া যুদ্ধৰ বৰ্ননা কৰা হৈছে। শিশুপালৰো অন্তিম সৰ্গকেইটাত শিশুপাল আৰু কৃষ্ণৰ যুদ্ধৰ মৰ্মস্পৰ্শী বৰ্ণনা তুলি ধৰা হৈছে।

(১১) ভাৰৱিয়ে যুদ্ধৰ প্ৰসঙ্গত পঞ্চদশ সৰ্গত গোমুত্ৰিকাবন্ধ, সৰ্বতোভদ্ৰ, অৰ্ধভ্ৰমক, প্ৰতিলোমানুপাদ, পাদযমক আদি বিকট বন্ধময় ছন্দৰ প্ৰয়োগ কৰিছে। মাঘে তেওঁৰ কাব্যৰ উনবিংশতম সৰ্গত ভাৰৱিৰ তুলনাত অধিক বিকটবন্ধময় ছন্দৰ অনুশীলন কৰিছে।

(১২) ভাৰৱিয়ে কিৰাতাৰ্জুনীয়ম্ ওঠৰটা সৰ্গত সামৰিছে মাঘে তেওঁৰ কাব্য কুৰিটা সৰ্গত সামৰিছে, অৰ্থাৎ ভাৰৱিতকৈ মাঘে দুটা সৰ্গ বেছিকৈ কাব্যত সংযোজন কৰিছে।

(১৩) 'কিৰাত'ৰ কথাবস্তু সংক্ষিপ্ত। শিশুপালবধৰো কথাবস্তু সংক্ষিপ্ত। কিৰাতৰ ৪ৰ্থ—১০ ম সৰ্গ যিদৰে বাহ্যিক প্ৰকৃতি বৰ্ণনাৰে ভাৰাক্ৰান্ত, আৰু কথাবস্তু তাত তল পৰিছে সেইদৰে মাঘৰ কাব্যৰ ৪ৰ্থ—১৩শ সৰ্গত বাহ্যিক বৰ্ণনাই কথাবস্তুক পাহৰাই পেলোৱা চকুত পৰে। এনেদৰে মাঘে যে ভাৰৱিৰ কাব্যক চেৰপেলোৱাৰ ইচ্ছাৰে শিশুপালবধ ৰচনা কৰিছিল তাক সাব্যস্ত কৰে।

**বাকপতি :** কৰি বাকপতিৰাজ কনৌজৰ ৰজা যশোবৰ্মাৰ সভাকৱি আছিল। কৰিৰ নিজৰ কথানুসৰি তেওঁ সকলো শাস্ত্ৰতে নিষ্ণাত আছিল; কিন্তু কাব্যশাস্ত্ৰত তেওঁৰ অসাধাৰণ ব্যুৎপত্তি আছিল। ভাস, কালিদাস, সুবন্ধু, হৰিশচন্দ্ৰ, কুন্তীদেৱ আৰু ভৱভূতি তেওঁ প্ৰিয় কৱি আছিল। তেওঁ পৃষ্ঠপোষক ৰজা যশোবৰ্মা তেওঁৰ ওপৰত ইমানেই সন্তুষ্ট হৈছিল, তেওঁ কৱিক 'কৱিৰাজ' উপাধিৰে সন্মান জনাইছিল। বাকপতিয়ে আন্তৰিকতাৰে প্ৰাকৃত ভাষা ভাল পাইছিল আৰু প্ৰাকৃত কাব্য পঢ়ি বৰ আনন্দিত হৈছিল।

**গৌড়ৱহো :** গৌড়ৱহো বাকপতিৰ একমাত্ৰ উপলব্ধ কাব্যকৃতি। 'গৌড়ৱহো' কাব্যত বাকপতিয়ে যশোবৰ্মাৰ বঙ্গবিজয়ৰ ঐতিহাসিক আখ্যানক অমৰত্ব দান কৰিছে।

যশোবৰ্মাই যুদ্ধযাত্ৰা কৰা শুনি মগধৰাজে শঙ্কিত হৈ পৰে। অন্তত তেওঁ তেওঁৰ সহযোগী ৰজাসকলৰ লগতে কনৌজৰাজৰ সন্মুখীন হ'ল। যুদ্ধত মগধৰ ৰজা নিহত হ'ল তেওঁ দক্ষিণলৈও যুদ্ধযাত্ৰা কৰে। পাৰশীক ৰজাক তেওঁ পৰাভূত কৰে। কোঙ্কণৰ ৰজাই অনেক উপঢৌকন দি তেওঁ বশ্যতা স্বীকাৰ কৰে। তেওঁ বঙ্গৰাজ বিপক্ষে যুদ্ধ যাত্ৰা কৰি গৈ বঙ্গবিজয় সাব্যস্ত কৰে। তেওঁ মৰুভূমি আৰু শ্ৰীকণ্ঠদেশ জয় কৰে। শেষত তেওঁ প্ৰত্যাবৰ্তনৰ পথত অযোধ্যা পায়। মহেন্দ্ৰপৰ্বতবাসী কোৱঁৰৰ পৰাও তেওঁ কৰ লাভ কৰে।



**কাল :** যশোবৰ্মাৰ ৰাজত্বকাল আৰু বাকপতিৰ আৱিৰ্ভাৱ কাল খৃষ্টীয় অষ্টম শতাব্দী।

**শিৱস্বামী :** কৱি শিৱস্বামী ৮৫৫–৮৮৪ খৃষ্টাব্দৰ মাজছোৱাত কাশ্মীৰত ৰাজত্ব কৰা ৰজা অৱন্তিবৰ্মাৰ সভাকৱি আছিল। শিৱস্বামী বৌদ্ধধৰ্মৰ প্ৰতি অনুৰক্ত আছিল। তেওঁ ৰত্নাকৰৰ সমকালীন কৱি আছিল।

**কপ্পনাভ্যুদয় :** (খপ্পনাভ্যুদয়) তেওঁৰদ্বাৰা ৰচিত এক মহাকাব্য। এই কাব্যখন ২০ টা সৰ্গত সমাপ্ত। কাব্যখন বুদ্ধবন্দনাৰে আৰম্ভ হৈছে। ইয়াৰ নায়ক দক্ষিণাপথৰ ৰজা কপ্পনে শ্ৰাৱস্তিৰ ৰজা প্ৰসেনজিতৰ বিৰুদ্ধে যুদ্ধযাত্ৰা কৰে। দিগ্বিজয় পথত নায়ক আৰু তেওঁৰ অনুচৰবৰ্গই মলয় পৰ্বতৰ মাজেৰে যাওঁতে কেই বাটিও ঋতুকাল কটাবলগীয়া হয়। পথত প্ৰেমিক—প্ৰেমিকাবৃন্দই বনবিহাৰৰ সুন্দৰ সুযোগ গ্ৰহণ কৰে। কপ্পনে যুদ্ধত জয়ী হলেও শেষত তেওঁ বৌদ্ধধৰ্মত দীক্ষা গ্ৰহণ কৰে।

কাব্যখনৰ মূলস্ৰোত অৱদান শতক। কাব্যখনে কিৰাতাৰ্জুনীয়ম্ আৰু শিশুপালবধৰ নমুনা অনুসৰণ কৰিছে। শব্দালংকাৰৰ ব্যৱহাৰ কমকৈ হোৱা নাই।

**ৰাজানক ৰত্নাকৰ :** ৰত্নাকৰ আছিল গঙ্গাহ্ৰদ নিৱাসী ৰাজানক দুৰ্ঘটৰ বংশধৰ। তেওঁৰ পিতৃৰ নাম অমৃতভানু। ৰজা চিপ্পত জয়াদিত্যৰ ৰাজত্ব কালতে ৰত্নাকৰে কৰিচৰিত্ৰ আৰম্ভ কৰে যদিও ৮৫৫—৮৮৪ খৃষ্টাব্দৰ মাজৰ কালছোৱাত ৰাজত্ব কৰা অৱন্তিবৰ্মাৰ ৰাজত্ব কালতহে তেওঁৰ খ্যাতি ব্যাপক হয়। তেওঁ বিদ্যাপতি বাগীশ্বৰ' খিতাপেৰে প্ৰসিদ্ধ হয়। ৰাজশেখৰে তেওঁৰ প্ৰশংসা কৰি কৈছে—

মাস্ম সন্ত হি চত্বাৰঃ প্ৰায়ো ৰত্নাকৰা ইমে।
ইতীৱ সকৃতো ধাত্ৰা কৱিৰত্নাকৰোঽপৰঃ॥

**হৰবিজয় :** কৱি ৰত্নাকৰে শিৱৰ আখ্যানৰ আধাৰত 'হৰবিজয়' নামে ৫০টা সৰ্গত এখন সুবৃহৎ কাব্য ৰচনা কৰে। শিৱপুৰাণৰ জ্ঞান সংহিতাত (৪৩—৪৪ অধ্যায়) চমুকৈ আৰু বামণ পুৰাণত অনেক অধ্যায় ব্যাপি দীঘলীয়াকৈ অন্ধকৰ বৃত্তান্ত কথিত হৈছে। একে কাহিনীৰ আধাৰতে ৰত্নাকৰে 'হৰবিজয়' ৰচনা কৰিছে। শিৱৰ অংশতে অন্ধকৰ জন্ম হয়; জন্মৰ সময়ত পাৰ্বতীয়ে হাতেৰে চকু ঢাকিছিল বাবে নৱজাতক জন্মান্ধ হয়। পাছত অন্ধকক লালন-পালন কৰে দিতিয়ে। পিছত অন্ধকে কঠোৰ তপস্যা কৰি দৃষ্টি শক্তি লাভ কৰে। অন্ধকে দেৱতা সকলৰে যুঁজ কৰে আৰু শিৱৰ হাতত নিহত হোৱালৈকে ত্ৰিজগতৰ অধিপতি হয়। এই ক্ষুদ্ৰ কথাবস্তুকেই ৰত্নাকৰে নানান প্ৰকাৰৰ বৰ্ণনাৰে সম্বৰ্দ্ধিত কৰিছে। পোনতে প্ৰথম সৰ্গত শিৱৰ নগৰৰ বহল বিৱৰণ দিয়া হৈছে; দ্বিতীয় সৰ্গত শিৱৰ তাণ্ডৱ নৃত্য বৰ্ণিত হৈছে। তৃতীয় সৰ্গত ঋতুৰ বৰ্ণনা আৰু চতুৰ্থ-পঞ্চম সৰ্গত মন্দৰ পৰ্বতৰ বৰ্ণনাই ঠাই পাইছে। ইয়াৰ পাছতে কেতবোৰ ঘটনা ঘটিছে। ৬ষ্ঠ সৰ্গত বসন্তৰ নেতৃত্বত ঋতুসকলে গৈ স্বৰ্গজেতা অন্ধকৰ বিপক্ষে শিৱৰ ওচৰত গোচৰ দিয়ে আৰু দেৱাদিদেৱৰ সহায় ভিক্ষা কৰে। চতুৰ্দশ সৰ্গলৈকে পৰৱৰ্তী সৰ্গকেইটাত (৭—১৪) শিৱই তেওঁৰ অনুচৰ-

বৰ্গৰৈসেতে বিভিন্ন আলোচনা-বিলোচনা কৰে—তাৰে আশ্ৰয়ত কৰিয়ে নিজৰ ৰাজনীতি সম্বন্ধীয় বিচক্ষণ জ্ঞানৰ পৰিচয় দাঙি ধৰে। অৱশেষত স্বৰ্গৰ সিংহাসন ত্যাগ কৰি যাবলৈ দিহা দি শিৱে অন্ধকলৈ দূত পঠিয়ায়। ইয়াৰ পিছৰ তেৰটা সৰ্গত (১৫—২৭) শিৱৰ অনুচৰসকলৰ লীলা, খেলা, কামক্ৰিড়া, সূৰ্যোদয়, সূৰ্য্যাস্ত আৰু উত্তাল সমুদ্ৰৰ বৰ্ণনা পোৱা যায়। ত্ৰিংশত্তম সৰ্গত দূত উপস্থিত হয় গৈ। ইয়াৰ পাছৰ সাত সৰ্গত (৩১—৩৮) সৰ্গৰ বিস্তাৰিত বৰ্ণনা কৰা হৈছে। তাৰ পাছৰ চাৰি সৰ্গত (৩৯—৪২) দৌত্যকৰ্ম নিফল হোৱাৰ বাবে শিৱে যুদ্ধৰ বাবে বিশদভাৱে আয়োজন কৰা বিৱৰণ দিয়া হৈছে। পিছৰ সৰ্গ কেইটা যুদ্ধৰ বৰ্ণনাৰে পৰিপূৰ্ণ মাজতে মাথোন সপ্তচত্বাৰিংশত্তম সৰ্গত চণ্ডীস্তোত্ৰ এটি গোৱা হৈছে। এয়ে কাব্যৰ সংক্ষিপ্ত সাৰকথা। কাব্যখনে বৰ্ণনাৰ দৃষ্টিৰে বাণৰ কাদম্বৰীৰ প্ৰতিস্পৰ্ধী। মাঘৰ কাব্যৰ অলংকৰণৰ ছাঁ ইয়াত বিদ্যমান। যমকৰ প্ৰয়োগ উল্লেখনীয়। কীথে কাব্য-খনৰ গুণ সম্বন্ধে কৰি কৈছে—"Amid these defects the merits of single lines or passages can be realised."[১]

**হলায়ুধ :** কৰি ভট্টিৰ আৰ্হিলৈ ব্যাকৰণৰ নিয়ম প্ৰয়োগৰ উদাহৰণ দিবলৈ কৰি হলায়ুধে 'কৱিৰহস্য' নামে এখন কাব্য ৰচনা কৰে। তেওঁৰ পৃষ্ঠপোষক ৰজা কৃষ্ণ এই কাব্যৰ নায়ক। নতুন কৱিক প্ৰশিক্ষণ দিবলৈকেই কৱিয়ে কাব্যখন ৰচনা কৰা কথা 'কৱিৰহস্য' নামটিয়ে ইঙ্গিত কৰে।

খৃঃ ৯৪০ অব্দত ৰাজত্ব কৰা ৰাষ্ট্ৰকূট নৃপতি কৃষ্ণকেই কৱিৰ পৃষ্ঠপোষক তথা কাব্যৰ নায়ক বুলি চিনাক্ত কৰা হৈছে। সেয়ে হলায়ুধৰ কাল খৃষ্টীয় দশম শতিকাৰ শেষ ছোৱা নিৰ্দিষ্ট হৈছে।

**ক্ষেমেন্দ্ৰ :** 'ব্যাসদেৱ' আখ্যা প্ৰাপ্ত ক্ষেমেন্দ্ৰৰ পিতৃ আৰু পিতামহৰ নাম যথাক্ৰমে প্ৰকাশেন্দ্ৰ আৰু সিন্ধু। আগতে ক্ষেমেন্দ্ৰ 'শৈৱ' আছিল যদিও সোমা-চাৰ্য্যৰপৰা উপদেশলৈ 'বৈষ্ণৱভাগৱত' হৈ পৰে। তেওঁ অভিনৱ গুপ্তৰ ওচৰত বিদ্যাভ্যাস কৰে। কাশ্মীৰৰ ৰজা অনন্তৰ (১০২৯—১০৬৪ খৃষ্টাব্দ) সভাকৱি আছিল।

**ক্ষেমেন্দ্ৰৰ ৰচনাৱলী :** ক্ষেমেন্দ্ৰ বহু প্ৰতিভাশালী কৱি আছিল। বৰ কম সংস্কৃত কৱিয়ে তেওঁৰ দৰে অনেক বিষয়ৰ ওপৰত বহু সংখ্যক গ্ৰন্থ ৰচনা কৰিবলৈ সক্ষম হৈছে। ক্ষেমেন্দ্ৰৰ গ্ৰন্থসমূহত চাৰিভাগত ভগাবলৈ পাৰি :

১। কাব্যিক সংক্ষিপ্ত গ্ৰন্থ : (১) ৰামায়ণ মঞ্জৰী বা ৰামায়ণ কথাসাৰ, (২) ভাৰত মঞ্জৰী, (৩) বৃহৎ কথা মঞ্জৰী, (৪) দশাৱতাৰচৰিত, (৫) বৌদ্ধাৱদান কল্পলতা বা অৱদানকল্পলতা ;

২। নীতিগৰ্ভ কাব্য : (৬) কলাবিলাস, (৭) সময় মাতৃকা, (৮) চাৰুচৰ্য্যা-শতক, (৯) সেব্যসেৱকোপদেশ, (১০) দৰ্পদলন, (১১) দেশোপদেশ, (১২) নৰ্মমালা, (১৩) চতুৰ্বৰ্গসংগ্ৰহ ;

১। Classical Sanskrit Literature, p. 45.



৩। ছন্দ আৰু অলংকাৰ : (১৪) কৱিকণ্ঠাভৰণ, (১৫) ঔচিত্য বিচাৰ চৰ্চা, (১৬) সুবৃত্ততিলক ;

৪। সানমিহলি : (১৭) লোকপ্ৰকাশ কোশ, (১৮) নীতিকল্পতৰু, (১৯) ব্যাস শতক আৰু (২০) নৃপাৱলী।

ইয়াৰ উপৰিও (১) শশীবংশ মহাকাব্য, (২) অমৃতৰঙ্গ কাব্য, (৩) অৱসৰ সাৰ, (৪) মুক্তাৱলী, (৫) লাৱণ্যৱতী, (৬) পৱন পঞ্চাশিকা, (৭) পদ্য কাদম্বৰী, (৮) নীতিলতা, (৯) বিনয়বল্লী, (১০) মুনিমত মীমাংসা,—এই দহখন গ্ৰন্থকো ক্ষেমেন্দ্ৰৰ ৰচনা বুলি কোৱা হয়।

আমি ইয়াত প্ৰথম পাঁচখন কাব্যগ্ৰন্থৰ চমু পৰিচয় তুলি ধৰিলোঁ। অন্য গ্ৰন্থবোৰৰ বিষয়ে আৱশ্যকতা অনুসৰি যথাস্থানত লিখাৰ আশা কৰিলোঁ।

(১) **ৰামায়ণমঞ্জৰী :** ৰামায়ণমঞ্জৰী বাল্মীকি বিৰচিত সপ্তকাণ্ড ৰামায়ণৰ সংক্ষিপ্তসাৰ। গ্ৰন্থখন এইবাবে গুৰুত্বপূৰ্ণ আৰু মূল্যৱান যে ই একাদশ শতিকাত বাল্মীকি ৰামায়ণৰ অৱস্থা সম্বন্ধে বুজাত আমাক সহায় কৰে। কিন্তু কাব্য হিচাপে ইয়াৰ মূল্যমান নিম্নখাপৰ। প্ৰায়েই প্ৰকাশভঙ্গী অস্পতাৰে ভৰা। ইচ্ছাকৃত সংক্ষিপ্তীকৰণৰ ফলত শৈলী বৰকৈ ঘনীভূত হৈছে।

(২) **ভাৰতমঞ্জৰী :** ভাৰতমঞ্জৰী ব্যাসকৃত মহাভাৰতৰ সংক্ষিপ্তসাৰ। এই গ্ৰন্থখন ৰচনা কৰি ক্ষেমেন্দ্ৰই নিজকে কৱিৰূপে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হয় আৰু 'ব্যাসদাস' উপাধিৰে বিভূষিত হয়। তাৰ ঈঙ্গিত গ্ৰন্থৰ অন্তিম শ্লোকত দিছে—

এষ বিষ্ণুকথাতীৰ্থ পূণ্যৱং সলিলোক্ষিতঃ।
প্ৰাপ্তঃ সামান্য জল্পোঽপি ক্ষেমেন্দ্ৰোঽস্তকৱীন্দ্ৰতাম্।

গ্ৰন্থখনৰ কাব্যিক মহত্ব তেনেই কম। মহাভাৰতৰ সুন্দৰ সাৰাংশ হ'লেও গ্ৰন্থখন নীৰস আৰু নিষ্প্ৰাণ যেন অনুভূত হয়। তথাপি সংস্কৃত সাহিত্যৰ ছাত্ৰৰ বাবেই এখন মহত্বপূৰ্ণ গ্ৰন্থ। অন্ততঃ মহাভাৰতৰ মাজত প্ৰক্ষিপ্তাংশ আৱিষ্কাৰত ই সহায় কৰে।

(৩) **বৃহৎকথামঞ্জৰী :**[১] জনপ্ৰিয় সাধুকথা বা গল্পৰ প্ৰসঙ্গত এই গ্ৰন্থখনৰ বিষয়ে আলোচনা কৰা হৈছে।

(৪) **দশাৱতাৰ চৰিত :** এয়া বিষ্ণুৰ দশাৱতাৰ বিষয়ক আখ্যানসমূহৰ এক কাব্যিক প্ৰচেষ্টা। ইয়াক মৌলিক গ্ৰন্থ বুলিবলৈ নোৱাৰি। প্ৰথম নটা আখ্যানৰ বাবে কৱিৰ বৰ্ণনা পুৰাণৰ ওপৰত নিৰ্ভৰশীল। সপ্তম অধ্যায়ত ৰামাৱতাৰৰ যিটি আখ্যান বৰ্ণিত হৈছে তাত কৱিয়ে কিছু অভিনৱত্ব সংযোগ কৰিছে, আৰু ৰাৱণক তাৰ মধ্য বিন্দুৰূপে দেখুৱা হৈছে। বুদ্ধক দশাৱতাৰৰ এক অৱতাৰ ৰূপে প্ৰদৰ্শন কৰাৰ উদাহৰণ গুৰুত্বপূৰ্ণ।

(৫) **বৌদ্ধাৱদানকল্পলতা :** বৌদ্ধজাতক কথাৰ সংকলন। ক্ষেমেন্দ্ৰই ১০৭টা পল্লৱ ৰচনা কৰে। তেওঁৰ পুত্ৰই আৰু এটা পল্লৱ যোগদি ১০৮টা পল্লৱেৰে গ্ৰন্থ সমাপ্ত কৰে।

১। কথা আখ্যানকৰ অধ্যায়ত 'বৃহৎকথা' সাবন্ধীয় আলোচনা পঢ়ক।

**শ্ৰীহৰ্ষ : জীৱনবৃত্ত :** পঞ্চমহাকাব্যৰ পঞ্চম আৰু 'বৃহৎত্ৰয়ী'ৰ অন্তিম বুলি জনাজাত 'নৈষধচৰিত'ৰ ৰচয়িতা শ্ৰীহৰ্ষ সম্বন্ধে কিছুমান কিম্বদন্তি আৰু লোকোক্তি প্ৰচলিত আছে। তাৰে এটি লোকোক্তিত কোৱা হৈছে : 'যেতিয়ালৈকে মাঘৰ উদয় হোৱা নাছিল তেতিয়ালৈকে ভাৰৱিৰ খ্যাতি অম্লান্ হৈ উজলি আছিল, মাঘৰ উদয়ত সি ম্লান পৰিল। একেদৰে শ্ৰীহৰ্ষৰ নৈষধচৰিত কাব্যাকাশত উদিত হোৱাত ভাৰৱিয়ে ক'ত ৰ'ল, মাঘেই বা ক'ত ৰ'ল ?

তাৱদ্ ভাৰৱেৰ্ভাতি যাৱন্মাঘস্যনোদয়ঃ।
উদিতে নৈষধে কাব্যে ক্ব মাঘঃ ক্ব চ ভাৰৱিঃ॥'

জনা যায় যে মহাকৱি শ্ৰীহৰ্ষৰ পিতৃৰ নাম শ্ৰীহীৰ (শ্ৰীহৰি) আৰু মাতৃৰ নাম মামল্লদেৱী। নৈষধচৰিতৰ প্ৰতিটো সৰ্গৰ অন্তিম শ্লোকৰ পূৰ্বাধত কৱিয়ে নিজে কৈছে :

শ্ৰীহৰ্ষ কৱিৰাজৰাজিমুকুটালংকাৰহীৰঃ সুতং
শ্ৰীহীৰঃ সুষুৱে জিতেন্দ্ৰিয়চয়ং মামল্লদেৱীচ যম্।

কোনো কোনো পণ্ডিতে মাম্+অল্লদেৱী বুলি পদচ্ছেদ কৰি কৱিৰ মাতৃৰ নাম 'অল্লদেৱী' বুলি প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰে। অন্য পণ্ডিতে আকৌ 'বাতাপি'ৰ চুবুৰীয়া মামল্লপুৰত শ্ৰীহৰ্ষৰ মাক-দেউতাকৰ ঘৰ আছিল বাবে তেওঁক মামল্লদেৱী বুলি লোকে মাতিছিল বুলি কয়।

শ্ৰীহীৰ এজন সুখ্যাত পণ্ডিত আৰু সুকৱি আছিল। তেওঁ কাশীৰাজ 'বিজয়চন্দ্ৰ'ৰ সভাৰ মুখ্যপণ্ডিত আছিল। এবাৰ ৰাজসভাত প্ৰসিদ্ধ নৈয়ায়িক উদয়নাচাৰ্য্যৰসৈতে শ্ৰীহীৰৰ শাস্ত্ৰাৰ্থবাদ অনুষ্ঠিত হয় আৰু তাত শ্ৰীহীৰ পৰাজিত হৈ বৰকৈ মানসিকভাবে আঘাত পায়। সেয়ে তেওঁৰ ৰোগত পৰিণত হ'ল। তেওঁ সভা ত্যাগ কৰি ঘৰতে সোমাই ৰ'ল। মৰণ সন্নিকট হোৱাত তেওঁ পুতেক শ্ৰীহৰ্ষক উদয়নাচাৰ্য্যৰ ওপৰত তেওঁ পৰাভূত হোৱাৰ প্ৰতিশোধ লবলৈ দৰাই কয় আৰু প্ৰাণত্যাগ কৰে। তেতিয়া শ্ৰীহৰ্ষই পিতৃবাক্য শিৰোধাৰ্য্য কৰি সজগুৰুৰ ওচৰলৈ গৈ তৰ্ক, ন্যায়, ব্যাকৰণ, জোতিষ, বেদান্তাদি দৰ্শন, যোগ আৰু মন্ত্ৰশাস্ত্ৰ সম্যকভাৱে আহৰণ কৰিলে। (সম্ভৱতঃ কোনো সিদ্ধ পুৰুষৰ আদেশ ক্ৰমে) এবছৰ কাল ধৰি চিন্তামণিমন্ত্ৰ জপ কৰি ত্ৰিপুৰাদেৱীৰ বৰ লাভ কৰি অসাধাৰণ কৱিত্ব শক্তি লাভ কৰে। কিন্তু তেওঁৰ কথা কোনেও বুজিবলৈ নোহোৱাত তেওঁ পুনশ্চ ত্ৰিপুৰাদেৱীক আৰাধনা কৰি সন্তুষ্ট কৰি ক'লে, 'হে মা, আপোনাৰপৰা বৰ লাভ কৰি মই যি প্ৰখৰ পাণ্ডিত্য লাভ কৰিলোঁ, তাত কিবা দোষ ৰ'ল ; ফলত মোৰ কথা কোনেও বুজি নেপায়। সেয়ে মোক এনে বৰ দিয়ক যাৰ ফলত মোৰ কথা লোকৰ বোধগম্য হয়।' দেৱীৰ কৃপাত শ্ৰীহৰ্ষৰ কথা লোকসমুদায়ৰ বোধগম্য হ'ল। তাৰ পাছত একাধিক গ্ৰন্থ প্ৰণয়ন কৰিলে। অনেক গ্ৰন্থ ৰচনা কৰি উঠি তেওঁ কনৌজৰ অধিপতি বিজয়চন্দ্ৰৰ ৰাজসভাত উপস্থিত হৈ ৰজাৰ স্তুতি কৰি এটি শ্লোক পঢ়িলে :

গোৱিন্দনন্দনতয়া চ বপুঃশ্ৰিয়া চ
মাহস্মিন্ নৃপে কুৰুত কামধিয়ং তৰুণ্যঃ।



অস্ত্ৰীকৰোতি জগতাং বিজয়ে স্মৰঃ স্ত্ৰী—
ৰস্ত্ৰীজনঃ পুনৰনেন বিধীয়তে স্ত্ৰী॥

'তৰুণীসকলে ৰজা বিজয়চন্দ্ৰক এইবাৰে কামদেৱ বুলি নাভাৱক যে তেওঁ গোবিন্দৰ পুত্ৰ। প্ৰদ্যুম্নস্বৰূপ কামদেৱো গোবিন্দৰ (শ্ৰীকৃষ্ণৰ) পুত্ৰ। আৰু দৈহিকভাবেও (কামদেৱৰ দৰে) সুন্দৰ। কাৰণ, কামদেৱ আৰু বিজয়চন্দ্ৰৰ মাজত এক তাত্বিক ভেদ এয়ে যে কামদেৱে সংসাৰ জয় কৰিবলৈ নাৰীক অস্ত্ৰৰূপে ব্যৱহাৰ কৰে আৰু এখেত ৰজাই যুদ্ধত যুদ্ধলৈ অহা শত্ৰুবোৰক নাৰীৰ দৰে পুৰুষত্বহীন কৰে।'

শ্ৰীহৰ্ষৰ মুখত শ্লোকৰ ব্যাখ্যা শুনি ৰজা বৰ সন্তুষ্ট হ'ল। তাৰ লগে লগে তেওঁৰ কথা যে আনৰ বোধগম্য হৈছে তাৰ বাবে আত্মতুষ্টি আৰু আত্মবিশ্বাস লাভ কৰিলে। তেতিয়া তেওঁ তেওঁৰ পিতৃৰ প্ৰতিস্পৰ্ধী পণ্ডিত উদয়নাচাৰ্য্যক লক্ষ্য কৰি কটাক্ষপূৰ্ণ এই শ্লোকটো পঢ়িলে :

'সাহিত্যে সুকুমাৰবস্তুনি দৃঢ়ন্যায়গ্ৰহগ্ৰন্থিলে
তৰ্কে বা ময়ি সংবিধাতৰি সমং লীলায়তে ভাৰতী।
শয্যা বাহস্তু মৃদুত্তৰচ্ছদৱতী দৰ্ভাঙ্কুৰৈৰাস্তৃতা
ভূমিৰ্বা হৃদয়াঙ্গমো যদি পতিস্তুল্যা ৰতিৰ্যোষিতাম্॥'

এই শ্লোকটো শুনি শ্ৰীহীৰবিজয়ী পণ্ডিত উদয়নাচাৰ্য্য বৰ লজ্জিত হ'ল। তেওঁ শ্ৰীহৰ্ষৰ পাণ্ডিত্যক স্বীকাৰ কৰি তেওঁৰ প্ৰশংসা কৰি এটি শ্লোক মাতিলে—

'হিংস্ৰাঃ সন্তি সহস্ৰশোঽপি বিপিনে শৌণ্ডীৰ্যবীৰ্যোদ্ধতা—
স্তস্যৈকস্য পুনঃ স্তুৱীমহি মহঃ সিংহস্য বিশ্বোত্তৰম্।
কেলিঃ কোলকুলৈৰ্মদো মদকলৈঃ কোলাহলং নাহলৈঃ
সংহৰ্ষো মহিষৈশ্চ যস্য মুমুচে সাহংকৃতে হুংকৃতে॥'

উদয়নাচাৰ্য্যৰ কথাত শ্ৰীহৰ্ষৰ মনো শাঁত পৰিল। তেওঁৰ মনৰ খং মনতে মাৰ গ'ল। ৰজাই দুয়োজন পণ্ডিতৰ মাজত মিলাপ্ৰীতিৰ ব্যৱস্থা কৰি শ্ৰীহৰ্ষক লক্ষ মুদ্ৰাৰে পুৰস্কৃত কৰিলে। শ্ৰীহৰ্ষৰ প্ৰতিভাত মুগ্ধ হৈ ৰজাই তেওঁক ৰাজকৱি নিযুক্ত কৰিলে।

ৰাজসভাত আসন লাভ কৰাৰ পাছত ৰজাৰপৰা বিশেষ প্ৰেৰণা লাভ কৰি শ্ৰীহৰ্ষই 'নৈষধচৰিত' ৰচনা কৰি ৰজাক দেখুৱালে। ৰজাই সেই কাব্য দেখি সন্তোষ পালে আৰু তাৰ প্ৰসিদ্ধি বঢ়াবলৈ কাশ্মীৰলৈ গৈ তাত নিত্য বসতি কৰা দেৱী সাৰদা বা সৰস্বতীৰ অনুমোদন লাভ কৰি আহিবলৈ কৱিক আদেশ কৰিলে। তাত থকা সৰস্বতীৰ হাতত এক নতুন ৰচনা তুলি দিলে দেৱীয়ে দোষশূন্য গ্ৰন্থখন মূৰ দুপিয়াই অনুমোদন কৰে আৰু দোষযুক্ত হ'লে তাক দলিয়াই পেলায়। সৰস্বতীৰ অনুমোদন পোৱা গ্ৰন্থৰ বাবে কাশ্মীৰ ৰজাই আকৌ মোহৰ মাৰি প্ৰমাণপত্ৰও দিয়ে। কনৌজৰ ৰজাই শ্ৰীহৰ্ষক তেওঁৰ গ্ৰন্থ বাবেও তেনে প্ৰমাণপত্ৰ আহৰণ কৰিবলৈ কলে।

শ্ৰীহৰ্ষই কাশ্মীৰলৈ গৈ তাত থকা ৰাজপণ্ডিতসকলক স্বচৰিত গ্ৰন্থ দেখুৱালে। তাৰ পাছত গ্ৰন্থখন সৰস্বতীৰ হাতত দিওঁতেই দেৱীয়ে তাক দলিয়াই পেলোৱাত শ্ৰীহৰ্ষৰ মনত

আক্ষেপ হ'ল। কি দোষৰ বাবে দেৱীয়ে গ্ৰন্থখন অগ্ৰাহ্য কৰিছে তাক সুধিলত দেৱীয়ে জনালে গ্ৰন্থৰ এঠাইত দেৱীক বিষ্ণুপত্নী বুলি কৱিয়ে ভুলকৈ বৰ্ণনা কৰিছে। কৱিয়ে যুক্তি দি কলে যে দেৱীয়ে একজন্মত বিষ্ণুৰ পত্নীত্ব স্বীকাৰ কৰা কথা পুৰাণ প্ৰসিদ্ধ। তাকে দেৱী সৰস্বতীয়ে কৱিৰ গ্ৰন্থ হাতত তুলি লৈ অনুমোদন কৰিলে।

এইবাৰ কাশ্মীৰৰ পণ্ডিতসকলে ৰজাৰ অনুমোদন লাভৰ বাটত বিধিপথালি দিলে। তেওঁলোকে গ্ৰন্থখন ৰজাক দেখুৱাত বিলম্ব কৰিলে। বহুদিন প্ৰমাণপত্ৰৰ বাবে অপেক্ষা কৰি শ্ৰীহৰ্ষই এদিন নৈৰ ঘাটৰ ওচৰত দুখ মনে বহি আছিল। তালৈ পানী নিবলৈ অহা দুজনী তিৰোতাৰ মাজত ঘাটত সাংঘাতিকধৰণে কাজিয়া কৰি আহত হ'ল। দুয়ো মীমাংসাৰ বাবে ৰজাৰ ওচৰ চাপিল। ৰজাই কাজিয়াৰ সাক্ষী বিচৰাত ৰজাৰ মানুহে গৈ তাত শ্ৰীহৰ্ষক সাক্ষীৰূপে ৰজাৰ আগত হাজিৰ কৰিলে। ৰজাই তেওঁক কাজিয়াৰ কিদৰে সূত্ৰপাত হ'ল সুধিলত তেওঁ ৰজাক জনালে, 'মহাৰাজ, মই তেওঁলোকৰ ভাষা বুজা নাই। খণ্ডতে তেওঁলোকে যি কোৱা-কুই কৰিছে সেয়া মোৰ মনত আছে তাকে কওঁ শুনক।' এইদৰে কৈ তিৰোতাদুজনীৰ মাজত হোৱা সমস্ত বাক-বিতণ্ডা, গালি-গালাজ ৰজাৰ সমুখত আখৰে আখৰে মুখস্থ দিলে। ৰজাই তেওঁৰ অসাধাৰণ স্মৃতি শক্তি আৰু মেধাৰ প্ৰমাণ পাই তেওঁৰ পৰিচয়, কাশ্মীৰলৈ তেওঁৰ আগমনৰ কাৰণ, পণ্ডিত সকলৰ হেমাহি আদি সকলো বিবৰি কলে। ৰজাই তেওঁৰ কথা শুনি ৰাজপণ্ডিতবৰ্গক নিন্দা কৰিলে আৰু এনে এজন গুণী-জ্ঞানী পণ্ডিতৰ ওচৰত কৰা অসজব্যৱহাৰৰ বাবে শ্ৰীহৰ্ষক ঘৰলৈ মাতি নি সেৱা সৎকৰিবলৈ প্ৰতিজন পণ্ডিতক আদেশ কৰিলে। পণ্ডিত-সকলে ৰাজাজ্ঞা পালন কৰিলে। ৰজাই চীন-মোহৰ মাৰি নৈষধচৰিত সৰস্বতীদেৱীৰ অনুমোদিত বুলি ৰাজকীয় প্ৰমাণপত্ৰ দি হৰ্ষক বিধিমতে বিদায় দিলে।

অন্য এক কিম্বদন্তী মতে কাব্য প্ৰকাশকাৰ মম্মট শ্ৰীহৰ্ষৰ মোমায়েক আছিল। কাশ্মীৰলৈ যাওঁতে শ্ৰীহৰ্ষই হেনো তেওঁৰ কাব্যখন মম্মটক দেখুৱাইছিল। মম্মটে গ্ৰন্থখন চাই উঠি কৈছিল: "পুথিখন মই কাব্যপ্ৰকাশ ৰচনা কৰাৰ আগেয়ে পোৱাহেতেন মোৰ কষ্ট কিছু লাঘৱ হ'লহেতেন। ইয়াত প্ৰায়বোৰ কাব্যদোষ আছে। মই কাব্যদোষ বিচাৰি অন্যত্ৰ বৰ হাবাথুৰি খালোমাথোন।"

এনেবোৰ কিম্বদন্তীৰ যথাৰ্থতা বিচাৰ কৰা টান। কিন্তু কোনো কোনোৱে কয় যে তেওঁ কিবা প্ৰকাৰে কাশ্মীৰৰসৈতে জড়িত আছিল। শ্ৰীহৰ্ষ আৰু তেওঁৰ পিতৃ কনৌজৰ ৰজা বিজয়চন্দ্ৰ আৰু জয়ন্তচন্দ্ৰ (জয়চন্দ্ৰ)-ৰ সভাকৱি আছিল সেইলৈও সন্দেহ নাই।

**কাল:** কৱি শ্ৰীহৰ্ষই নিজে নৈষধচৰিতৰ অন্তত উল্লেখ কৰিছে যে তেওঁ কান্যকুব্জেশ্বৰৰ সভাপণ্ডিত আছিল আৰু তাত তেওঁ তামোলপানৰ উপঢৌকন লাভ কৰিছিল:

'তাম্বূলদ্বয়মাসনং চ লভতে যঃ কান্যকুব্জেশ্বৰাৎ ॥'

ইয়াৰপৰা আৰু লগতে ওপৰত বৰ্ণনা কৰি কিম্বদন্তীসমূহৰপৰা এইটো নিশ্চিতকৈ কব পাৰি তেওঁ বিজয়চন্দ্ৰৰ পুত্ৰ জয়চন্দ্ৰৰ সভাকৱি আছিল। এই জয়ন্তচন্দ্ৰ বা জয়চন্দ্ৰৰ



কন্যা সংযুক্তা বা সংযোগিতা পৃথ্বিৰাজে অপহৰণ কৰিছিল। শ্ৰীহৰ্ষৰ সময়ত তেওঁৰ ৰাজধানী কনৌজত নহৈ কাশীত আছিল। বিজয়চন্দ্ৰ আৰু জয়ন্তচন্দ্ৰৰ ৰাজ্যকাল ১১৫৬—১১৯৩ খৃষ্টাব্দৰ মাজত পৰে। গতিকে শ্ৰীহৰ্ষৰ কাল খৃষ্টীয় দ্বাদশ শতিকাৰ শেষছোৱা হোৱা সম্ভৱ।

**জন্মস্থান:** শ্ৰীহৰ্ষৰ জীৱনৰ প্ৰৌঢ়কাল চোৱা কনৌজৰাজৰ সভাকৱিৰূপে ব্যতীত হয়। তেওঁ কাশীত আছিল বুলিয়ে জনা যায়। কিন্তু তেওঁৰ জন্মস্থান কাশী হয় নে নহয় তাক নাযায়। বিদ্যাপতিয়ে (খৃষ্টীয় ১৪শ শতিকা) তেওঁৰ 'পুৰুষ পৰীক্ষা'ৰ মেধাৱী কথাত শ্ৰীহৰ্ষৰ জন্ম গৌড়ত হোৱা কথা কৈছে। পিছত তেওঁ পণ্ডিতমণ্ডলীক 'নলচৰিত' নামে কাব্য দেখুৱাবলৈ বাৰাণসীলৈ গৈছিল বুলিও তেওঁ কৈছে:

"বভূৱ গৌড়বিষয়ে শ্ৰীহৰ্ষো নাম কৱি পণ্ডিতঃ। স চ নলচৰিতাভিধানং কাব্যং কৃত্বা····· তৎকাব্যং দৰ্শয়িতুং পণ্ডিতমণ্ডলীমুদ্দিশ্য বাৰাণসীং জগাম।"

কৱিয়ে "গৌড়ীৱীংশকুল প্ৰশস্তি" আৰু নৱসাহসাংকচৰিততো বঙ্গদেশক নিজৰ জন্মভূমি বুলি পৰিচয় দিয়াৰ সূচনা পোৱা যায়। এনে অৱস্থাত তেওঁ বঙ্গত বা গৌড়ত বাৰাণসীত প্ৰসিদ্ধি লভি ৰাজকৱি হোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। কিন্তু 'পুৰুষ পৰীক্ষা', ভোজপ্ৰবাদৰ' দৰে পুথিৰ ভেটিত অন্য কোনো প্ৰমাণৰ অভাৱত কোনো কথা নিশ্চিতভাৱে কব নোৱাৰি।

**শ্ৰীহৰ্ষৰ ৰচনাসমূহ:** শ্ৰীহৰ্ষই কমেও দহখন গ্ৰন্থ ৰচনা কৰিছিল বুলি জনা যায়। 'নৈষধচৰিত' আৰু 'খণ্ডন খণ্ডখাদ্য'—এই দুখন মাত্ৰ এতিয়া পোৱা গৈছে। অন্য গ্ৰন্থ কেইখনৰ সূচনা নৈষধচৰিতৰ পাততে পোৱা যায়। গ্ৰন্থবোৰৰ নাম আৰু উল্লেখৰ সঙ্কেত (বন্ধনীত) দিয়া হ'ল:—

(১) নৈষধচৰিত; (২) খণ্ডনখণ্ডখাদ্য (নৈ ৬।১১৩); (৩) স্থৈৰ্য্যবিচাৰ প্ৰকৰণ (৪।১২৩); (৪) বিজয় প্ৰশস্তি (৫।১৩৮); (৫) গৌড়োৱীংশকুলপ্ৰশস্তি (৭।১১০); (৬) অৰ্ণৱবৰ্ণন (৯।১৬০); (৭) ছন্দঃপ্ৰশস্তি (১৭।২২২); (৮) শিৱভক্তিসিদ্ধি (১৮।১৫৪); (৯) নৱসাহসাঙ্কচৰিতচম্পূ (২২।১৪৯); (১০) ঈশ্বৰাভিসন্ধি (খণ্ডনখণ্ড খাদ্য)।

**নৈষধচৰিত: মূলকথাস্ৰোত:** মহাকৱি শ্ৰীহৰ্ষই মহাভাৰতৰ বনপৰ্বৰ ৫০-৭৮ অধ্যায়ত বৰ্ণিত নল-দময়ন্তীৰ আখ্যানৰ আধাৰত 'নৈষধচৰিত' ৰচনা কৰিছে। শ্ৰীহৰ্ষই মূল কথা অক্ষুণ্ণৰাখিও এখন মহাকাব্যৰ লক্ষণসমূহৰ লগত খাপ খোৱা অনেক অভিনৱ বৰ্ণনাৰে কাব্যখন মনোৰঞ্জনৰ উপযোগী কৰিবলৈ যত্নপৰ হৈছে।

বাইশ সৰ্গত বিভক্ত 'নৈষধচৰিত' এক বিশাল মহাকাব্য। ইয়াৰ প্ৰতিটো সৰ্গত শতাধিক শ্লোক আছে। ত্ৰয়োদশ আৰু উনবিংশ সৰ্গ দুটাত মাথোন যথাক্ৰমে ৫৫ আৰু ৬৬ টাকৈ শ্লোক আছে। আন কুৰিটা সৰ্গৰ ক'তো ১০০ শ্লোকতকৈ কম নাই। যদিও দেখাত ই এখন বিশাল মহাকাব্য, ইয়াৰ কথাবস্তু সংক্ষিপ্ত। কাৰণ ইয়াত নল-দময়ন্তীৰ প্ৰেমকথা, বিবাহ আৰু বিবাহোত্তৰ দাম্পত্য উপভোগৰ বৰ্ণনাতকৈ অধিক কথা ইয়াত

বৰ্ণিত হোৱা নাই। প্ৰথম সৰ্গত নলৰ বনবিহাৰ বৰ্ণিত হৈছে। দ্বিতীয় সৰ্গত হংসই নলৰ আগত দময়ন্তীৰ অতুলনীয় সৌন্দৰ্য্যৰ বৰ্ণনা দিয়ে আৰু নলৰ অনুৰোধক্ৰমে হংস কুণ্ডিনপুৰীলৈ যোৱা কথা উল্লেখিত হৈছে। তৃতীয় সৰ্গত হংসই দময়ন্তীৰ ওচৰলৈ গৈ তেওঁক নলৰ প্ৰতি অনুৰক্ত কৰে। চতুৰ্থ সৰ্গত আছে নলৰ প্ৰতি দময়ন্তীৰ অন্তৰত ওপজা পূৰ্বানুৰাগ আৰু বিৰহৰ প্ৰশস্ত বৰ্ণনা। পঞ্চম সৰ্গত ৰজা ভীমে অনুষ্ঠিত কৰা দময়ন্তীৰ স্বয়ম্বৰ উপলক্ষে যোৱা ইন্দ্ৰ, বৰুণ, অগ্নি আৰু যমে নলক অদৃশ্য ভাৱে দূত হিচাপে অন্তঃপুৰলৈ পঠোৱাৰ বিৱৰণ আছে। ষষ্ঠ, সপ্তম, অষ্টম আৰু নৱম সৰ্গত নলে দেৱবৃন্দৰ দূত ৰূপে দময়ন্তীৰ ওচৰলৈ গৈ তেওঁলোকৰ বতৰা জনোৱা, দময়ন্তীৰ নলৰ প্ৰতি থকা নিষ্ঠাৰ দৃঢ়তা প্ৰকাশ, দময়ন্তীৰ ৰোদন আৰু শেষত নলৰ আত্মপ্ৰকাশৰ যথাৰ্থ বৰ্ণনা চিত্ৰিত হৈছে। দশম সৰ্গত স্বয়ম্বৰৰ বিৱৰণ, দময়ন্তীৰ প্ৰসাধন আৰু সৌন্দৰ্য্যৰ বৰ্ণনা পোৱা যায়। একাদশ আৰু দ্বাদশ সৰ্গ দুটা কৱিয়ে স্বয়ম্বৰ সভালৈ অহা ৰজাসকলৰ মনোৰঞ্জক বৰ্ণনাত ব্যয় কৰিছে। ত্ৰয়োদশ সৰ্গত নলৰ ৰূপ ধাৰণ কৰি অহা ইন্দ্ৰ, বৰুণ, অগ্নি আৰু যম—এই চাৰিজন দেৱতা আৰু নৈষধকুমাৰ নলৰ শ্লিষ্ট বৰ্ণনা সৰস্বতীৰ মুখেৰে কৱিয়ে কোৱাইছে। চতুৰ্দশ সৰ্গত দময়ন্তীৰ পতিনিষ্ঠা দেখি ইন্দ্ৰাদি চাৰিজন দেৱতাৰ নিজস্বৰূপ পৰিগ্ৰহণ আৰু প্ৰকৃত নলক দময়ন্তীয়ে পতিৰূপে বৰণ কৰা বৰ্ণনা আছে। পঞ্চদশ সৰ্গত বিয়াৰ আগতে বৰ আৰু বধূৰ প্ৰসাধনৰ বৰ্ণনা আছে। ষোড়শ সৰ্গত বৰ-বধূৰ পাণিগ্ৰহণ আৰু ভোজসভাৰ বৰ্ণনা দিয়া হৈছে। সপ্তদশ সৰ্গত ইন্দ্ৰাদি দেৱতাসকল স্বৰ্গ লৈ উভতি যাওঁতে বাটতে কলিৰে ভেটা-ভেটি হোৱাত কলিয়ে প্ৰতিষ্ঠা কৰিবলৈ বিচৰা নাস্তিকতাবাদ দেৱতাসকলে খণ্ডন কৰা বিৱৰণ পোৱা যায়। অষ্টাদশ সৰ্গত নল আৰু দময়ন্তীৰ প্ৰথম সমাগমৰ বৰ্ণনা কৰা হৈছে। শেষৰ চাৰিটা সৰ্গত ( ১৯-২২ ) নল আৰু দময়ন্তীৰ দৈনন্দিন ব্যৱহাৰিক জীৱন, দাম্পত্য প্ৰেম, দেৱস্তুতি, সূৰ্যোদয়, বিলাসিতা আদিৰ অতিৰঞ্জিত বৰ্ণনা কৰা হৈছে। কাব্যখন ইমানতে সমাপ্ত হৈছে। কোনো কোনো পণ্ডিতৰ মতে নৈষধচৰিত এশ সৰ্গৰ সমষ্টি আছিল। পিছে তেনে মত কিম্বদন্তী বুলি উকুৱাই দিয়া পণ্ডিতো আছে।

**নৈষধত কাব্যপৰম্পৰাৰ প্ৰভাৱ :** কৱি শ্ৰীহৰ্ষ ভাৰৱি আৰু মাঘৰ পৰম্পৰা অনুগামী। তেওঁ যথাৰ্থতে কাব্যত ৰসসৃষ্টিক সৰ্বোচ্চ স্থান দিছে ( ৰসৈঃ কথা যস্য সুধাৱধীৰিণী, ১।১ ; ৰসক্ষালনয়েৰ তৎকথা ১।২ )। তেওঁ বৈদৰ্ভী ৰীতিৰ প্ৰতি নিষ্ঠাৱান ধন্যাসি বৈদৰ্ভি, গুণৈৰুদাৰৈৰ্যয়া সমাকৰ্ষ্য নৈষধোঽপি ৩।১১৬ )। তথাপি তেওঁ যে কলাবাদী শ্ৰেণীৰ কৱি ; নিজৰ যুগৰ প্ৰবৃত্তিৰ প্ৰভাৱত পৰি কাব্যত পাণ্ডিত্য প্ৰদৰ্শন, অনুপ্ৰাস, যমক, শ্লেষ আদিৰ সৌন্দৰ্যক আৱশ্যকীয় বুলি ভাবে। শ্লেষক তেওঁ কৱিত্ব শক্তিৰ বিলাস বুলি স্বীকাৰ কৰে ( শ্লিষ্যন্তি বাচো যদমূৰম্যাঃ কৱিত্বশক্তেঃ খলু তে বিলাসাঃ, ১৪।১৪ )। কৱিজনে কাব্যত এটা নিজস্ব ধাৰা প্ৰবৰ্তন কৰি তাক মানি চলাটো শ্ৰীহৰ্ষই বিচাৰে। প্ৰসাদ আৰু মাধুৰ্যগুণক তেওঁ আগ ঠাই দিয়ে।

শ্ৰীহৰ্ষই পল্লৱিতা আৰু অৰ্থসংকোচনক দুটা কাব্য দোষ বুলি বিবেচনা কৰিছিল।



তেৱোঁ ভাৰৱিৰ দৰে অৰ্থগৌৰৱৰ ওপৰত গুৰুত্ব দিছিল। কৱি শ্ৰীহৰ্ষই কাব্যক পণ্ডিতৰ বস্তু বুলিহে মানিছিল। অপণ্ডিত আৰু অবিদগ্ধ লোকৰ কাব্য পঠন-পাঠন আৰু ৰসাস্বাদনৰ অধিকাৰ তেওঁ অস্বীকাৰ কৰিছে। কাব্যক জনসাধাৰণৰপৰা আঁতৰাই ৰাখিবলৈ বিচৰা যিসকল পণ্ডিত আছিল তেওঁলোকৰ ভিতৰত শ্ৰীহৰ্ষও অন্যতম। তেওঁ কয় যে নিজকে নিজে পণ্ডিত বুলি ভবা বুদ্ধিমানজনে এই কাব্যৰসৈতে লীলাখেলা কৰিবলৈ যত্ন নকৰাই ভাল, কিয়নো তেওঁ এই কাব্যৰ গ্ৰন্থিমোচন কৰিবলৈকে অসমৰ্থ হ'ব। আৰু যদি তেওঁ কাব্যৰ গ্ৰন্থিমোচন কৰি কাব্যতৰঙ্গত অৱগাহন কৰিবলৈ বিচাৰে তেনেহলে তেওঁ গুৰুৰ চৰণৰ ওচৰত বহি বিধিমতে অধ্যয়ন কৰক :

> গ্ৰন্থগ্ৰন্থিৰিহ ক্বচিৎক্বচিদপি ন্যাসি প্ৰয়ত্নান্ময়া
> প্ৰাজ্ঞম্মন্যমনা হঠেন পঠিতো মাস্মিন্খলঃ খেলতু।
> শ্ৰদ্ধাৰদ্ধাগুৰুশ্লথীকৃতদৃঢ়গ্ৰন্থিঃ সমাসাদয়—
> ত্বেতৎকাব্যসোমিমজ্জন সুখব্যাসজ্জনং সজ্জনঃ ॥

শ্ৰীহৰ্ষই নিজৰ কাব্যক অতি উত্তম বুলি ধৰি লৈ তাক 'নিসৰ্গোজ্বল', 'চাৰু', 'নব্য', 'অতিনব্য' 'মহাকাব্য' বুলি কৈছিল। কাব্যখন স্বাদিষ্ট বুলি বাৰে বাৰে আত্মশ্লাঘা কৰিছিল।

**কৱি প্ৰতিভা :** শ্ৰীহৰ্ষ ভাৰৱি আৰু মাঘৰ দৰে কলাপক্ষৰ কৱি। তেওঁৰ কাব্যতো শৃঙ্গাৰৰসাত্মক বৰ্ণনাৰ প্ৰাচুৰ্য বিদ্যমান। তাৰ ওপৰত বাৎসায়নৰ প্ৰভাৱ অপৰিসীম। বিশেষতঃ ৭ম আৰু ১৮শ সৰ্গ দুটা তাৰে পৰিচায়ক। তেওঁ অৱশ্যে তেওঁৰ কাব্যত সম্ভোগ আৰু বিপ্ৰলম্ভ দুয়ো প্ৰকাৰ শৃঙ্গাৰৰ চৰ্চা কৰিছে। নাৰীৰ ৰূপ বৰ্ণনাত শৃঙ্গাৰৰসৰ মধুৰ ব্যঞ্জনা শ্ৰীহৰ্ষৰ লেখনিৰে প্ৰকাশ পাইছে। দময়ন্তীৰ সৌন্দৰ্য্যৰ চিত্ৰ তেওঁ এনেকৈ আঁকিছে—

> হৃতসাৰমিৱেন্দুমণ্ডলং দময়ন্তীবদনায় বেধসা।
> কৃতমধ্যবিলং বিলোক্যতে ধৃতগম্ভীৰ খনীখনীলিম ॥

'বুজিবলৈ পাৰি যে দময়ন্তীৰ মুখ ৰচনা কৰিবলৈ ব্ৰহ্মাই চন্দ্ৰমাক নীৰস কৰি তাৰ তত্বসমূহ সংগ্ৰহ কৰিছিল। সেইবাবে মাজতে ছিদ্ৰ হৈ যোৱাত সেয়ে তাৰ সিপাৰে আকাশৰ নীলিমা দেখা পোৱা যায়।'

শ্ৰীহৰ্ষৰ কাব্যত প্ৰকৃতিৰ সৌন্দৰ্য্য বহুবাৰ বৰ্ণিত হৈছে। সম্ভোগ আৰু বিপ্ৰলম্ভৰ উদ্দীপনৰূপে তেওঁ প্ৰকৃতিৰ ৰূপ কাব্যত অঙ্কন কৰিছে। প্ৰথম, দ্বিতীয়, উনবিংশ আৰু বিংশতিতম সৰ্গত বিভিন্ন প্ৰসঙ্গত কৱিয়ে প্ৰকৃতিৰ বৰ্ণনা কৰিছে। প্ৰভাত, বনোপৱন, চন্দ্ৰমা, সূৰ্য্য, নদ-নদী, সাগৰ, বিল আদি বিভিন্ন প্ৰকৃতিগত বস্তুৰ চিত্ৰ শ্ৰীহৰ্ষই নৈষধত অঙ্কন কৰিছে।

বেলিমাৰ যোৱাৰ পাছত নিশা আকাশত উদয় হোৱা তৰাসমূহ লৈ কৱিজনে কল্পনা কৰি কৈছে যে কালে সূৰ্য্যস্বৰূপ দালিম ফলটোক খাই পেলাই দিয়া গুটিৰপৰাহে যেনিবা আকাশত তৰাৰ উৎপত্তি হৈছে—

পচেলিমংদাড়িমমৰ্কবিম্বমুত্তাৰ্য সন্ধ্যা ত্বগিৰোজ্ঝিতাস্থ।
তাৰাময়ং বীজভূজাদসীয়ং কালেন নিষ্ঠ্যুতমিৰাস্থিথুথম্ ॥

সেইদৰে কৰি শ্ৰীহৰ্ষই সন্ধ্যাকালৰ সৌন্দৰ্য্যৰ ওপৰত চমকপ্ৰদ কল্পনা প্ৰস্তুত কৰি কৰিয়ে নিজৰ অনুভূতিৰ পৰিচয় এনেদৰে দাঙি ধৰিছে—

কালঃ কিৰাতঃ স্ফুটপদ্মকস্য বধং ব্যধাদ্যস্য দিনদ্বিপস্য।
তমেৱ সন্ধ্যা ৰুচিৰাস্ৰধাৰা তাৰাশ্চ কুম্ভস্থলমৌক্তিকানি ॥ ২২।৯

অৰ্থাৎ 'যিদিনা পদুম ফুলিছিল আৰু যি হাতীৰ শুৰৰ ওপৰত পদ্মাকাৰে সিন্দুৰৰ তিলক আছিল ; ৰাত্ৰিৰূপ ব্যাধে সেই যে দিৱসৰূপ হাতীক বধ কৰিছিল সন্ধ্যাই যেন তাৰ মনোহৰ ৰুধিৰধাৰা আৰু নক্ষত্ৰবোৰ তাৰ কুম্ভত মুকুতাৰ দৰে শোভা পাইছিল।'

একেটা সৰ্গত কৰিয়ে সূৰ্য্যক এজন পৰিব্ৰাজক বা সন্ন্যাসী সজাই সন্ধ্যাক তেওঁৰ গেৰুৱা বসন বুলি বৰ্ণাই এক সুৰুচিপূৰ্ণ কাল্পনিক চিত্ৰ দাঙি ধৰি কৈছে—

এয়া সূৰ্য্যৰূপ সন্ন্যাসীজনে হাতত দণ্ড ধাৰণ কৰি চাৰিওদিশত পৰিভ্ৰমণ কৰি ফুৰিছে ; সেই তপস্বীজনে এতিয়া গধূলি সাগৰত ( সান্ধ্য ) স্নান কৰি সন্ধ্যাকালত সান্ধ্যৰূপ মেঘক গেৰুৱা কাপোৰৰূপে পৰিধান কৰিছে।'

আদায় দণ্ডং সকলাসু দিক্ষু যোঽয়ং পৰিভ্ৰাম্যতি ভানুভিক্ষুঃ।
অব্ধৌ নিমজ্জন্নিৱ তাপসোঽয়ং সন্ধ্যাভ্ৰকাষায়মধত্ত সায়ম্ ॥

অন্য কলাবাদী কৱিসকলৰ দৰে শ্ৰীহৰ্ষয়ো তেওঁৰ মহাকাৱ্য সমস্ত অলংকাৰেৰে বিভূষিত কৰিছে : তাত উপমা আৰু উপমাগৰ্ভ ৰূপক, উৎপ্ৰেক্ষা, অতিশয়োক্তি, সন্দেহ, স্বভাৱোক্তি, অপহ্নুতি, শ্লেষ প্ৰভৃতি অৰ্থালংকাৰ আৰু অনুপ্ৰাস, যমক আদি শব্দালংকাৰৰ সুপ্ৰয়োগ কৰিছে।

ড° ৰামজী উপাধ্যায়ে শ্ৰীহৰ্ষৰ প্ৰতিভাৰ মূল্যাঙ্কন কৰি মন্তব্য দিছে :

"শ্ৰীহৰ্ষৰ কাব্যজগত অসীম। তেওঁৰ শব্দ আৰু ভাৱৰ ভাণ্ডাৰ কল্পনা আৰু অনুমানৰ পৰিধিৰ বাহিৰত। কাৱিৰ অলঙ্কাৰ বিন্যাসেৰে প্ৰতীত হয় যে তেওঁ বাস্তৱিক আৰু কল্পিত জগতৰ পৰ্যবেক্ষণ যৌগিক নেত্ৰৰে কৰিছিল।"

"জগতত যিবোৰ সুকুমাৰ আৰু মাৰ্দৱ গুণেৰে সম্পন্ন হয়, তাৰ অসাধাৰণ আৰু মনোৰম পক্ষৰ নিদৰ্শন কৰাবলৈ কৱিয়ে যেন শব্দৰ ইন্দ্ৰজাল হে ৰচিছে। এয়ে তেওঁৰ বিশিষ্ট কলা। যিদৰে নদীৰ ধাৰাই বৈ নিয়া প্ৰাণীয়ে নিজৰ গতি হেৰুৱাই, সেইদৰে শ্ৰীহৰ্ষৰ কাব্যনিঝৰাৰ প্ৰখৰ প্ৰৱাহে সহৃদয় পাঠকে তত্বালোচনা হেৰুৱাই পেলায়। তাক শ্ৰীহৰ্ষৰ চকুৰেহে চাব লাগে।" ( সংস্কৃত সাহিত্যকা আলোচনাত্মক ইতিহাস। পৃষ্ঠা ৩৪৯-৫১ )।

# তৃতীয় অধ্যায় (ক)

## নাট্য সাহিত্য

১। **নাটকৰ উৎপত্তি :** ভাৰতীয় নাটকৰ উৎপত্তিৰ বুৰঞ্জী ৰহস্যৰে ভৰা। আমাৰ হাতলৈ অহা নাটকবোৰ নাট্যবৃক্ষৰ সুপক্ব ফল। ভাস, শূদ্ৰক কালিদাস, অশ্ব-ঘোষ আদিৰ নাটকবোৰ নাট্যবৃক্ষৰ পৰিণত ফল। তাৰ মাজত উৎপত্তিকালৰ অপৈণত হাতৰ ছাপ নাই। ভাস-কালিদাস প্ৰভৃতিৰ নাটকবোৰ পৈণতৰূপত পাবলৈ হ'লে তাৰ বহুত আগতে ভাৰতত নাটকৰ উৎপত্তি হ'ব লাগিব। ভাসপূৰ্ব যুগৰ নাটকৰ সাক্ষ্য প্ৰমাণৰ অভাৱত নাটকৰ উৎপত্তি বিষয়ে চিন্তা-চৰ্চা কৰাটো কঠিন কাম। সেয়ে প্ৰাচ্য-পাশ্চাত্যৰ পণ্ডিতসকলে নাটকৰ উৎপত্তিৰ বিষয়ে বিভিন্ন মতবাদ আগবঢ়াইছে। তাৰে কেতবোৰ ধৰ্মসংক্ৰান্ত আৰু আনবোৰ ধৰ্মনিৰপেক্ষ।

(১) **পৰম্পৰাগত মতবাদ :** ভাৰতীয় পৰম্পৰাই প্ৰতিবিধ বিদ্যা বা শাস্ত্ৰৰ দৈৱিক উৎপত্তি দাবী কৰে। ব্ৰহ্মাকেই সকলো বিদ্যাৰ কৰ্তা আৰু গোপ্তা বোলা হয়। নাট্যৱেদৰ মূলতো ব্ৰহ্মাৰ সৃজন ক্ষমতাকে প্ৰশংসা কৰা হয়। কোৱা হৈছে যে এসময়ত দেৱগণে সৃষ্টিকৰ্তা ব্ৰহ্মাক সাক্ষাৎ কৰি তেওঁলোকৰ দৈনিক জীৱনৰ একঘেয়ামি আমণিকণ গুচাবলৈ আমোদ-প্ৰমোদ কৰাৰ উপায় উদ্ভাৱন কৰিবলৈ খাটনি ধৰে। ব্ৰহ্মাই তেতিয়া তেওঁলোকৰ মনোৰঞ্জনৰ বাবে এক অভিনৱ নাট্যৱেদৰ সৃষ্টি কৰিলে। ঋগ্বেদৰপৰা পাঠাংশ, সামৱেদৰপৰা গীত, যজুৰ্বেদৰপৰা অভিনয় আৰু অথৰ্ববেদ্ৰপৰা ৰস সংগ্ৰহ কৰি ব্ৰহ্মাই 'পঞ্চম' ৱেদ 'নাট্য'ৰ স্ৰজন কৰিলে।

জগ্ৰাহ পাঠ্যং ঋগ্বেদাৎ সামেভ্যো গীতমেৱচ।
যজুৰ্বেদাদভিনয়ং ৰসানথৰ্বনাদ্ অপি ॥

ব্ৰহ্মাই নাট্যৱেদ উদ্‌ভাৱন কৰোঁতে ভগৱান শিৱেও তাত নিজ অৱিহণা যোগ দিলে। তেওঁ তালৈ তাণ্ডৱ নৃত্য আৰু পাৰ্বতীয়ে লাস্য নৃত্য আগবঢ়ালে। বিষ্ণুৱে তাতে চাৰিটি ৰীতি যোগ দিলে। বিশ্বকৰ্মাই ৰঙ্গমঞ্চ সাজি উলিয়ালে। তাত পোনতে ত্ৰিপুৰদাহ নাটক মঞ্চস্থ কৰা হ'ল। দেৱতাৰ হাতত দানৱৰ পৰাজয় প্ৰত্যক্ষ কৰি নাট্য দৰ্শনাৰ্থী দানৱসকল অসন্তুষ্ট হ'ল। সেয়ে পৰৱৰ্তী নাটক হিচাপে অভিনীত হ'ল 'সমুদ্ৰ মন্থন'ৰ ঘটনা, য'ত দেৱ-দানৱৰ সহযোগ প্ৰদৰ্শিত হ'ল। পিছলৈ মৰ্ত্যত নাটকৰ প্ৰচলন হ'ল। মুনি এজনক উপলুঙা কৰি অভিশপ্ত হোৱা ভৰতৰ পুত্ৰসকলে শূদ্ৰৰূপে পৃথিৱীত জন্মগ্ৰহণ কৰা সূত্ৰেই পৃথিৱীত নাট্যাভিনয়ৰ প্ৰচলন সম্ভৱ হয় বুলি কোৱা হৈছে।

পৰম্পৰাগত এই মতবাদৰপৰা উপলব্ধ সিদ্ধান্ত কেইটা হ'ল এনে : (১) নাট্যৱেদৰ মূল স্বৰ্গীয় বা দৈৱিক ; (২) ব্ৰহ্মা, বিষ্ণু, হৰ-পাৰ্বতীয়েও নাটকলৈ অৱদান দিছে ; (৩) চাৰিৱেদৰপৰা উপাদান লৈ নাট্যৱেদৰ পুষ্টিসাধন কৰা হৈছে ; (৪) নাট্যৱেদৰ উৎপত্তিত ধৰ্মীয় প্ৰভাৱ ; (৫) অভিনয় কৰা লোকসকল নিম্নবৰ্গৰ লোক আছিল।

(২) **নাট্যৰ ধৰ্মীয় মূল ঃ** ডঃ ৰিজৱে চাহাবৰ মতে বীৰপূজাৰ গাত লাগি ভাৰতীয় নাটকৰ উৎপত্তি হৈছে। মৃত বীৰসকললৈ শ্ৰদ্ধাজ্ঞাপন কৰা উদ্দেশ্যৰে পতা অনুষ্ঠানত অভিনয় কৰা হৈছিল। ৰামলীলা, কৃষ্ণলীলা আদি তেনে অনুষ্ঠান। তাৰ জৰিয়তে নাটকৰ উৎপত্তি হয়। কীথে এই মতবাদ মানি নলৈ কংসবধাদি নাটকৰ প্ৰাকৃতিক তাৎপৰ্য্য ব্যাখ্যা কৰিছে। ভাৰতীয়সকলে মৃতকৰ স্মৃতিত এনে অনুষ্ঠান পতাৰ উদাহৰণ বিৰল।

(৩) **উৎসৱাত্মক মতবাদ ঃ** এটি আখ্যান মতে ইন্দ্ৰধ্বজ উৎসৱতে পোনতে নাট্যাভিনয় হৈছিল। হৰপ্ৰসাদ শাস্ত্ৰীয়ে ইয়াৰসৈতে Maypole উৎসৱৰ সাদৃশ্য আছে বুলি কয়। তেনে উৎসৱৰ গাত লাগিয়েই সংস্কৃত নাটকৰ উদ্ভৱ হোৱা বুলি কোৱা হয়। এই উৎসৱ সম্ভৱতঃ বৰ্ষাৰ অন্ততহে হৈছিল; মেই পোলৰ দৰে বসন্তকালত নহৈছিল। গতিকে ভুল সাদৃশ্যৰ ওপৰত ভেটি কৰি সংস্কৃত নাটকৰ উৎপত্তিৰ কথা ক'বলৈ নোৱাৰি।

(৪) **কৃষ্ণলীলা মতবাদ ঃ** আন এটা মতবাদ অনুসৰি কৃষ্ণলীলাক কেন্দ্ৰ কৰি শূৰসেন ভূখণ্ডতেই সংস্কৃত নাটকৰ উৎপত্তি পোনতে হয় বুলি কোৱা হৈছে। নাটকত জনপ্ৰিয় প্ৰাকৃতৰ ব্যৱহাৰেও তেনে ইংগিত কৰে। অৱশ্যে কৃষ্ণ-সম্প্ৰদায়ৰ পটভূমিত ব্ৰজভাষাৰ বিকাশ ঘটা কথাটোৱেও সংস্কৃত নাটকৰ বিকাশত সহায়ক হৈছে বুলি ভবাৰ থল আছে। কিন্তু প্ৰথম নাট্যাভিনয়ত প্ৰয়োগ হোৱা নাটকবোৰৰ মাজত কৃষ্ণলীলামূলক নাটকৰ অভাৱে এই মতবাদৰ বিপৰীতেহে যুক্তি দাঙি ধৰে।

(৫) **ধৰ্মবিবৰ্জিত মতবাদ ঃ জনপ্ৰিয় 'মাইম' ঃ** পণ্ডিত হিলেব্ৰাণ্ট আৰু ষ্টেনকোনোৱে অনুকৰণাত্মক প্ৰহসনৰ ( Maim ) পৰাই ভাৰতীয় নাটকৰ উদ্ভৱ হোৱা বুলি কৈছে। এনে প্ৰহসনেৰেসৈতে মহাকাব্যৰ আবৃত্তি যোগ হৈ নাটকৰ জন্ম দিয়া বুলি ধাৰণা কৰা হৈছে। কিন্তু ডঃ কীথে এনে ধাৰণা অমূলক বুলি কয়। তেওঁৰ মতে নাটকৰ উৎপত্তিৰ আগতে চৰিত্ৰানুকৰণাত্মক প্ৰহসন বা কৌতুকাভিনয়ৰ প্ৰচলন থকাৰ কোনো প্ৰমাণ নাই।

(৬) **পুতলা নাচ ঃ** পণ্ডিত পিশ্চেলে ( Pischel ) পুতলা নাচৰপৰাই সংস্কৃত নাটকৰ উৎপত্তি হৈছে বুলি অভিমত দিয়ে। মহাভাৰত; কথাসৰিৎসাগৰ, ৰাজশেখৰৰ বালৰামায়ণ আদিত 'পুত্তলিকা' 'পুত্ৰিকা', 'দাৰুময়ী' আদি পুত্তলাবাচক শব্দ আৰু স্থাপকৰ উল্লেখ বৰ্তমান। তথাপি পুতলা নাচত সাধাৰণতে নাটকাভিনয়ৰ অনুকৰণ কৰি দেখুৱা হয়; ইয়াৰ অনুকৰণত নাট্যাভিনয়ৰ উৎপত্তি হোৱা কথা মানিবলৈ টান।

(৭) **ছায়া নাটক ঃ** পণ্ডিত লুডাৰ্চৰ মতে সংস্কৃত নাটকৰ উৎপত্তিৰ মূলত ছায়া নাটকৰ অৰিহণা আছে। তেওঁ নাটকক কিয় ৰূপক বোলা হয় তাকো এই মতবাদেৰে ফঁহিয়াই দেখুৱায়। কীথে ইয়াৰ প্ৰতিবাদ কৰে। নাটক অবিহনে ছায়া নাটকৰ কথা ভাবিবলৈ নোৱাৰি। গতিকে মেইম, পুতলা নাচ, ছায়া নাটক আদি প্ৰকৃত নাটকাভিনয়ৰ পূৰ্বে উৎপত্তি হোৱা আৰু তাৰপৰা নাটকৰ উৎপত্তি হৈছে বুলি কৰাটো সম্ভৱ নহয়।



(৮) **নাটকৰ মূলত সংবাদ সূক্ত ঃ** এসময়ত পণ্ডিত ম্যাক্সমূলেৰে আৰু চিলভান লেবিয়ে কৈছিল যে ঋগ্বেদত সঞ্চিত সংবাদ সূক্তবোৰৰ মাজতে ধৰ্মীয় চৰিত্ৰ বিশিষ্ট নাটকৰ বীজ লুকাই আছে। শ্ৰোইডাৰে এই অভিমত ফঁহিয়াই চাই ঋগ্বেদস্থ সংবাদ সূক্তবোৰে 'ৰহস্যঘন' নাটকৰ প্ৰতিনিধিত্ব কৰিছে বুলি কয়। পণ্ডিত হাৰ্টেলে সুপৰ্ণাধ্যায়ৰ মাজতো সংস্কৃত নাটকৰ উঁহ বিচাৰি পায়। ওল্ডেনবাৰ্গ আৰু ৱিণ্টাৰনিজেও সংবাদসূক্তৰ ওপৰত নিজস্ব অভিমত দিছে। পিছৰ পণ্ডিতজনে এইবোৰক এক প্ৰকাৰ বেলাড বুলি কৈছে। এইবোৰৰ দুটা ভাগ থাকে ঃ এভাগ বৰ্ণনাত্মক কাহিনী আৰু আনভাগ নাটকীয় সংলাপ। ইয়াৰে প্ৰথম ভাগৰপৰা মহাকাব্য আৰু দ্বিতীয় ভাগৰপৰা নাটকৰ উৎপত্তি হয় বুলি পণ্ডিতজনে কয়।

অৱশ্যে বৈদিক ক্ৰিয়া কাণ্ডৰ মাজত অনেক নাটকীয় উপাদান বিচাৰি পোৱা যায়। নৃত্য, গীত আৰু সংলাপ এই তিনিটা নাটকৰ ঘাই উপাদান। ইবোৰৰ লেশ বৈদিক সাহিত্যত আছে। বিৱাহসূক্তত ( ১০।৮৫ ) নৃত্যৰ উল্লেখ আছে। সামৱেদৰ মাজত গীতৰ প্ৰাচুৰ্য বৰ্তমান। মহাব্ৰতানুষ্ঠানত অগ্নিপৰিক্ৰমণ কৰি যুৱতীসকলে নৃত্য কৰাৰ প্ৰমাণ আছে। সোমক্ৰয়ৰ সময়ত ক্ৰেতা-বিক্ৰেতাৰ কাজিয়াৰ অভিনয়, বাজপেয়ত পুৰোহিত আৰু যজমান-পত্নীৰ লৌকিক সংলাপ, অশ্বমেধ যজ্ঞত মৃত ঘোঁৰাৰ ওচৰত ৰাজমহিষীৰ শয়নৰ অভিময়, ৰাজসূয়ত পাশাখেল আৰু অভিষিক্ত ৰজাৰ জয়ৰ অভিনয়, বাজপেয়ত ৰজাৰ ৰথাৰোহণ আৰু দিগ্বিজয়ৰ অভিনয় আদিয়ে সম্ভৱতঃ পিছলৈ নাটকাভিনয় কৰিবলৈ উৎসাহী লোকক অনুপ্ৰেৰণা দান কৰিছিল।

মহাকাব্যত অৱশ্যে 'নট' 'নৰ্তক' 'নাটক' আদি পাৰিভাষিক শব্দৰ ব্যৱহাৰ হোৱা চকুত পৰে। উদাহৰণ স্বৰূপ ৰামায়ণত ( ২।৬৯ ) শ্লোকত নাটকৰ উল্লেখ পোৱা যায় ঃ

> বাদয়ন্তি তথা শান্তিং লাস্যান্ত্যপি চাপৰে।
> নাটকান্যপৰে প্ৰাহু ৰ্হাস্যন্তি বিবিধানি চ ॥

মহাভাৰততো সূত্ৰধাৰ, নাটকাদিৰ উল্লেখ চকুত পৰে ঃ

> ইত্যব্ৰবীৎ সূত্ৰধাৰঃসূতঃ পৌৰাণিকাস্তথা। ১।৫১।১৫।
> নাটকাৰ্বিবিধাঃ কাব্যাঃ কথ্যখ্যায়িকা কাৰকাঃ ॥২।১২।৩৬

এনেবোৰ সাক্ষ্য প্ৰমাণৰ ওপৰত ভেটি কৰ পাৰি যে বিবৰ্তনক্ৰমে সংস্কৃত নাটকৰ উৎপত্তি হৈছে। বিদেশী পণ্ডিত জনদিয়েকে ভবাদৰে কোনো এটা উৎসৱৰ গাত লাগি ইয়াৰ উৎপত্তি হোৱা নাই।

আকৌ কেবাৰৰ দৰে পণ্ডিতে সংস্কৃত নাটকৰ ওপৰত গ্ৰীক প্ৰভাৱ বিচাৰ কৰি পাইছে। 'যৱনিকা'ৰ লেজুত ধৰি তেনে মত পোষণ কৰা দেখা যায়। কিন্তু ভাৰতীয় নাটকৰ মাজত মিলনান্তক-বিয়োগান্তক বুলি যিদৰে শ্ৰেণী বিভাজন নাই, সিদৰে কালৈক্য, স্থানৈক্যৰো যে স্থান নাই তাক বিচাৰ কৰিলে গ্ৰীক প্ৰভাৱৰ যুক্তি কপূৰ্ৰখণ্ডৰ দৰে ঠাইতে নোহোৱা হ'ব। পিশ্চেল, মেকডোনেল প্ৰভৃতি পণ্ডিতে ভাৰতীয় নাটকৰ ওপৰত গ্ৰীক প্ৰভাৱ অস্বীকাৰ কৰিছে।

২। **সংস্কৃত নাটকৰ প্ৰকাৰ:** সংস্কৃতত কাব্যক দুভাগত ভাগ কৰা হয়: দৃশ্য-কাব্য আৰু শ্ৰব্যকাব্য। নাটক দৃশ্যকাব্য। মহাকাব্যাদি শ্ৰব্য। দৃশ্যকাব্যক ৰূপক আৰু উপৰূপক দুশ্ৰেণীত ভাগ কৰা হয়। ৰূপক আকৌ দহবিধঃ নাটক, প্ৰকৰণ, ভান, ব্যায়োগ, সমৱকাৰ, ডিম, ঈহামৃগ, অংক, বীথী আৰু প্ৰহসন। ইয়াৰে প্ৰতিবিধৰ স্বকীয়া লক্ষণ নাট্যশাস্ত্ৰত পোৱা যায়। উপৰূপক আকৌ ওঠৰবিধঃ নাটিকা, ত্ৰোটক, গোষ্ঠী, সট্টক, নাট্যৰাসক, প্ৰস্থান, উল্লাপ্য, কাব্য, প্ৰেঙ্খন, ৰাসক, সংলাপক, শ্ৰীগদিত, শিল্পক, বিলাসিকা, দুৰ্মল্লিকা, প্ৰকৰণী, হল্লীশ আৰু ভানিকা। এইবোৰৰ স্বকীয়া স্বকীয়া লক্ষণো বৰ্তমান।

৩। **সংস্কৃত নাটকৰ বৈশিষ্ট্য:** সংস্কৃত নাটক ভাৰতভূমিত নিজস্ব পৰিবেশ, গুণ-বিগুণ, বৈশিষ্ট্যৰে বিকশিত হৈছে। দুঃখান্ত নাটকৰ অভাৱ আৰু ঐক্যত্ৰয়ৰ অনুশীলনৰ অভাৱে, এই নাটক শ্ৰেণীক গ্ৰীক নাটকৰপৰা পৃথক কৰিছে। তাৰোপৰি ইয়াৰ স্বকীয়া গঠনতত্ব, ভাষাৰ প্ৰয়োগ, ৰসবোধ, কলা-কৌশল, ঈশস্তুতি, ৰঙ্গমঞ্চৰ ব্যৱহাৰ, নীতি-ধৰ্ম-আদৰ্শ আদি কেতবোৰ স্বকীয়া বৈশিষ্ট্য সংৰক্ষিত আছে।

সংস্কৃত নাটকত নান্দী প্ৰভৃতি অনেক পূৰ্বৰঙ্গ বিধানে এই নাটক শ্ৰেণীক স্বকীয়া বৈশিষ্ট্য দান কৰিছে। নান্দীৰ জৰিয়তে সূত্ৰধাৰৰ মুখেৰে নাট্যকাৰে নাটকৰ নিৰ্বিঘ্ন অভিনয়ৰ পৰিসমাপ্তিৰ বাবে উপাস্য দেৱতালৈ প্ৰাৰ্থনা জনোৱা হয়। একেদৰে নাটকৰ শেষৰ ভৰতবাক্যতো অভিনেতা, দেশ আৰু দহৰ কল্যাণ কামনা কৰা হয়।

সংস্কৃত নাটকত উপস্থাপিত উত্তম, মধ্যম আৰু নিম্ন চৰিত্ৰসমূহৰ মুখত বিভিন্ন ভাষা আৰোপ কৰাটোও এক স্বকীয়া বৈশিষ্ট্য। ৰজা, মন্ত্ৰী, দেৱ আদিৰ মুখত সংস্কৃত আৰু স্ত্ৰী শূদ্ৰাদিৰ মুখেৰে বিবিধ প্ৰাকৃত কোওৱাটো ইয়াৰ ৰীতিৰ ভিতৰত পৰে। সম্ভৱতঃ ইয়াৰে তেতিয়া প্ৰচলিত লোকভাষাসমূহৰ অস্তিত্ব স্বীকাৰ, লোকপ্ৰিয়তা অৰ্জন আদি অৰ্জন কৰা হৈছিল।

'ৰসসৃষ্টি' আছিল নাটকৰ প্ৰধান উদ্দেশ্য। সহৃদয় দৰ্শক শ্ৰেণীক আমোদ দিবলৈ নাটকত এটা ৰসক অঙ্গী বা প্ৰধান হিচাপে আৰু অন্যান্য সাত-আঠটা ৰসক অঙ্গৰূপে পৰিবেশন কৰাৰ প্ৰচেষ্টাই নাটকবোৰক স্বকীয়া বৈশিষ্ট্য দান কৰিছে। সাধাৰণতে নাটকত বীৰ বা শৃঙ্গাৰকে প্ৰধান ৰস ৰূপে পৰিবেশন কৰা দেখা যায়।

সংস্কৃত নাটকবোৰ উদ্দেশ্যধৰ্মী হোৱা বাবে ইয়াৰ মাজেৰে নীতি-ধৰ্ম-আদৰ্শ আদি প্ৰতিষ্ঠাৰ আকাঙ্ক্ষা দেখা যায়। ধৰ্মৰ বা সত্যৰ জয়, অধৰ্ম বা অসত্যৰ পৰাজয়; নীতিবান বা ধাৰ্মিক বা সত্যবাদীজনে বিপৰীত পন্থীজনৰ ওপৰত জয়লভা কথা-কাহিনী-মহাকাব্যৰপৰা বুটলি নাট্যৰূপ দিয়া প্ৰায়েই চকুত পৰে। যিহেতু ৰসসৃষ্টি আৰু আদৰ্শ প্ৰতিষ্ঠা নাটকবোৰৰ ঘাই উদ্দেশ্য সেয়ে তাৰ বাটত ভেটা দিব পৰা যুদ্ধবিগ্ৰহ, শয়ন, ভোজন, দন্তচ্ছেদ নখচ্ছেদ আদি অমঙ্গলীয়া কাৰ্য্য নাটকত দেখুৱা নিষিদ্ধ। এনেবোৰ বৈশিষ্ট্যই সংস্কৃত নাটকক নিৰ্দিষ্ট পথত যাবলৈ বাধ্য কৰাত নাট্যকাৰৰ স্বাধীনতা খৰ্ব হয়।

# তৃতীয় অধ্যায় (খ)

## নাট্য সাহিত্যৰ বিকাশ

বহলভাৱে সংস্কৃত সাহিত্যক তিনিটা যুগত ভগাবলৈ পাৰি: (১) কালিদাস পূৰ্ব যুগ, (২) কালিদাস যুগ আৰু (৩) কালিদাসোত্তৰ যুগ। কালিদাসৰ পূৰ্বে ভাস, সৌমিল্লক, কৱিপুত্ৰ আদিৰ হাতেৰে আৰম্ভ হোৱা নাট্যসাহিত্যই কালিদাস যুগত পূৰ্ণতা প্ৰাপ্ত হৈ তেওঁৰ পৰৱৰ্তী যুগত বিশেষতঃ শূদ্ৰক, ভৱভূতি, শ্ৰীহৰ্ষ প্ৰভৃতিৰ পাছতে অৱক্ষয়ৰ পথ ধৰে।

**ভাস:** মহাকবি কালিদাসৰ পূৰ্বযুগৰ নাট্যকাৰসকলৰ ভিতৰত একমাত্ৰ ভাসকবি বিৰচিত নাটকসমূহহে আমাৰ হাতত পৰিছেহি। স্বয়ং কালিদাসে মালবিকাগ্নিমিত্ৰম্ নাটকৰ প্ৰস্তাৱনাত ভাসৰ নাম শ্ৰদ্ধাৰে সুঁৱৰিছে। তেনেকৈয়ে ৭ম শতিকাৰ গদ্যকাৰ বাণভট্টই সূত্ৰধাৰে আৰম্ভ কৰা বহুভূমিকা বিশিষ্ট ভাসৰ নাটকসমূহৰ উল্লেখ কৰিছে:

সূত্ৰধাৰকৃতাৰম্ভৈৰ্নাটকৈৰ্বহুভূমিকৈঃ।
সপতাকৈৰ্যশো লেভে ভাসো দেৱকুলৈৰিব॥

দণ্ডীয়ে অৱন্তিসুন্দৰী কথাত ভাস সম্বন্ধে লিখিছে:

সুবিভক্তমুখাদ্যঙ্গৈৰ্ব্যক্তলক্ষণবৃত্তিভিঃ।
পৰেতোঽপি স্থিতো ভাসঃ শৰীৰৈৰিব নাটকৈঃ॥

একেদৰে আলংকাৰিক ৰাজশেখৰে ভাসৰ নাটকসমূহৰ ভিতৰত স্বপ্নবাসৱদত্তাৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদন কৰি কৈছে:

ভাসনাটকচক্ৰেঽপি চ্ছেকৈঃ ক্ষিপ্তে পৰীক্ষিতুম্।
স্বপ্নবাসৱদত্তস্য দাহকোঽভূন্ন পাৱকঃ॥

পৰৱৰ্তীকালৰ ভালেমান কবি আৰু আলংকাৰিকে স্বপ্নবাসৱদত্তা নাটকৰ বিভিন্ন অংশৰ উদ্ধৃতি দিছে। অভিনৱ গুপ্তই (১০ম শতিকা) ২য় আৰু ৫ম অঙ্কৰ, ভোজদেৱে (১১শ শতিকা) ৫ অঙ্কৰ, শাৰদাতনয়ে (১২শ শতিকা) ১ম, ৪ৰ্থ, ৫ম আৰু ৬ষ্ঠ অঙ্কৰ, সৰ্বানন্দই (১২শ শতিকা), ৰামচন্দ্ৰ-গুণচন্দ্ৰই (১২শ শতিকা) ৪ৰ্থ অঙ্কৰ, সাগৰনন্দিয়ে (১৩শ—১৪শ শতিকা) প্ৰস্তাৱনাৰপৰা উদ্ধৃতি দি ভাসৰ প্ৰসিদ্ধি ঘোষণা কৰিছে।

দুৰ্ভাগ্যক্ৰমে ৰাজশেখৰে উল্লেখ কৰা ভাসকবিৰ নাটকচক্ৰৰ নাটকসমূহ এই শতিকাৰ প্ৰথমদশলৈকে লোকচক্ষুৰ আঁৰ হৈ আছিল। সৌভাগ্যক্ৰমে ১৯০৯ চনত ত্ৰিবান্দ্ৰমৰ পণ্ডিত মহামহোপাধ্যায় ডঃ গণপতি শাস্ত্ৰীয়ে তেৰখন নাটকৰ সাঁচিপাতত লিখা পাণ্ডুলিপি আৱিষ্কাৰ কৰে। ১৯১২ চনত শাস্ত্ৰীয়ে ত্ৰিবান্দ্ৰম সংস্কৃত গ্ৰন্থমালাত এই নাটকশ্ৰেণী প্ৰকাশিত কৰে। নাটক তেৰখন মূলোৎস অনুসৰি এনেদৰে সূচীবদ্ধ কৰিব পাৰি:—

ৰামায়ণৰ ওপৰত ভেটিকৰা: (১) অভিষেক আৰু (২) প্ৰতিমা;

মহাভাৰতৰ ওপৰত আধাৰিত : (৩) মধ্যমব্যায়োগ, (৪) দূতঘটোৎকচ,
(৫) দূতবাক্য, (৬) কৰ্ণভাৰ, (৭) উৰুভঙ্গ,
(৮) পঞ্চৰাত্ৰ ;

ভাগৱত/হৰিবংশৰ ওপৰত আধাৰিত : (৯) বালচৰিত ;
বৃহৎকথা ( বৰ্ণিত ) কথাৰ ভেটিত : (১০) স্বপ্নবাসৱদত্তা ;
(১১) প্ৰতিজ্ঞা যৌগন্ধৰায়ণ ;
জাতকৰ আধাৰত ৰচিত : (১২) অৱিমাৰক।
লোককথাৰ ,, ,, : (১৩) চাৰুদত্ত।

নাটকসমূহ প্ৰকাশ কৰি শাস্ত্ৰীয়ে নাটবোৰ যে ভাসৰদ্বাৰা ৰচিত তাক যুক্তিৰে সাব্যস্ত কৰে। বহুতো পণ্ডিতে তেখেতৰ প্ৰস্তাৱ সমৰ্থন কৰিলেও আন এচাম পণ্ডিতে তেওঁৰ প্ৰস্তাৱৰ বিৰোধিতা কৰে। তাৰ ফলত বহুদিন ধৰি এই নাটকসমূহ লৈ বিশ্বজুৰি এক বিতৰ্কৰ সৃষ্টি কৰে। সম্প্ৰতি অৱশ্যে শাস্ত্ৰীৰ প্ৰস্তাৱৰ সমৰ্থনত অনেক প্ৰবন্ধ, পুথিপত্ৰ প্ৰকাশ পাইছে। উক্ত সমৰ্থকসকলৰ ভিতৰত এ, ডি, পুছলকৰ, বলদেৱ উপাধ্যায় আৰু জি, কে, ভাটে শাস্ত্ৰীলৈ অকুণ্ঠ সমৰ্থন দি বিতৰ্কৰ সামৰণি পেলোৱা যেন লাগে।

উক্ত নাটকসমূহ একেজন নাট্যকাৰৰ ৰচনা আৰু নাট্যকাৰজন মহাকৱি ভাস ভিন্ন অন্য কোনো নহয় তাক নাটকবোৰৰ মাজত প্ৰতিফলিত কেতবোৰ সাধাৰণ বৈশিষ্টই প্ৰমাণ কৰে। তেনে কেতবোৰ সাক্ষ্য তলত তুলি ধৰা হ'ল :

১। নাটকসমূহৰ মাজত কেতবোৰ গাঁঠনিক তাৎপৰ্য্যৰ সমতা দেখা যায় : যেনে— (ক) প্ৰায়বিলাক নাটক 'নান্দ্যন্তে ততঃ প্ৰৱশতি সূত্ৰধাৰ :' এই নিৰ্দেশেৰে আৰম্ভ হৈছে। (খ) কৰ্ণভাৰম্'ৰ বাহিৰে আনবোৰ নাটকত সচৰাচৰ প্ৰাপ্ত প্ৰস্তাৱনা'ৰ সলনি 'স্থাপনা' পৰিভাষাৰ প্ৰয়োগ হৈছে। (গ) স্বপ্নবাসৱদত্তা, প্ৰভিজ্ঞাযৌগন্ধৰায়ণ, প্ৰতিমা আৰু পঞ্চৰাত্ৰৰ মঙ্গলশ্লোকত মুদ্ৰালংকাৰৰদ্বাৰা মুখ্যপাত্ৰৰ উল্লেখ কৰা হৈছে। (ঘ) কোনোখন নাটকতে নাট্যকাৰৰ নাম নাই। (ঙ) প্ৰায়বোৰ নাটকৰ স্থাপনাত এৱম্ আৰ্যমিশ্ৰান্ বিজ্ঞাপয়ামি। অয়ে কিন্নু খলুমশি বিজ্ঞাপনব্যগ্ৰে শব্দ ইৱ শ্ৰূয়তে। অঙ্গ পশ্যামি' কথাংশ প্ৰযুক্ত হৈছে। (চ) নাটকসমূহৰ প্ৰায়বোৰ একেধৰণৰ ভৰতবাক্য দেখা যায়। তাত ৰাজসিংহৰ উল্লেখ আছে : 'ইমাং সাগৰপৰ্যন্তাং হিমৱদ্বিন্ধ্যকুণ্ডলাম্। মহীমেকপত্ৰাঙ্কং ৰাজসিংহঃ প্ৰশাস্ত নঃ ॥

২। নাটকসমূহৰ মাজত নাটকীয় কৌশলৰ নিম্নোক্ত সাদৃশ্যবোৰ দেখা যায় : (ক) ভালে কেইখন নাটকত ভৰতৰ নাট্যশাস্ত্ৰত বান্ধি দিয়া নীতি উলংঘা কৰা হৈছে ; (১) 'প্ৰতিমা'ত দশৰথৰ, উৰুভঙ্গত দুৰ্যোধনৰ, আৰু অভিষেকত বালীৰ মৃত্যু দেখুৱা হৈছে। (২) বালচৰিতত কংসাদিৰ বধ দেখুৱা হৈছে। (৩) স্বপ্ননাটত শয়ন দেখুৱা হৈছে। (৪) পঞ্চৰাত্ৰ'ত 'ডুৰাহ্বান'ৰ দৃশ্য আছে। (৫) বালচৰিত আৰু স্বপ্ননাটকত পৰিচাৰকে ৰজাক স্বামীবোলাৰ সলনি 'আৰ্যপুত্ৰ' বুলি সম্বোধন কৰিছে। (খ) (১) নাটকসমূহত প্ৰায়ে 'নিষ্ক্ৰম্য প্ৰবিশ্য' নিৰ্দেশেৰে ঘটনাৰ ক্ষীপ্ৰগতি দেখুৱা



হৈছে। (২) আকাশ ভাষিতৰ সদৃশ 'স্বগতোক্তি'ৰ প্ৰয়োগ প্ৰায়ে দেখা যায়। কঞ্চুকী প্ৰভৃতিয়ে বিজ্ঞাপন দিবলৈ গৈ 'ক ইহ ভো কাঞ্চনতোৰণদ্বাৰমশূন্যং কুৰুতে' আৰু নিবেদ্যতাং নিবেদ্যতাং মহাৰাজায়' ইত্যাদি বচন প্ৰায়বোৰ নাটকতে আছে। (৪) 'বিজয়া' চৰিত্ৰ বহুতো নাটকত সমান। এনেকুৱা আৰু অনেক সাদৃশ্যই নাটকবোৰ একেহাতৰ ৰচনা বুলি প্ৰমাণ কৰে আৰু স্বপ্নবাসৱদত্তাৰ ৰচকেই আনবোৰৰো ৰচক তাক নিঃসন্দেহে সিদ্ধ কৰে।

**মহাকৱি ভাসৰ নাটকচক্ৰৰ পৰিচয় :**

(১) **দূতবাক্য :** ই এখন ব্যায়োগ শ্ৰেণীৰ একাঙ্কিকা। মহাভাৰতৰ যুদ্ধৰ প্ৰাঙ্‌মুহূৰ্তত যুদ্ধ এৰাবলৈ শ্ৰীকৃষ্ণই সন্ধিৰ প্ৰস্তাৱ লৈ হস্তিনাপুৰলৈ গৈ দুৰ্যোধনক লগ ধৰে। কৃষ্ণ-দুৰ্যোধনৰ মাজত তৰ্ক-বিতৰ্ক হয়। দুৰ্যোধনে শ্ৰীকৃষ্ণক বন্দি কৰিবলৈ প্ৰয়াস কৰাত তেওঁ বিশ্বৰূপ ধাৰণ কৰে। তেতিয়া ধৃতৰাষ্ট্ৰই স্তুতি কৰি শ্ৰীকৃষ্ণক শান্ত কৰে আৰু যথাবিহিত সন্মান দেখুৱায়। তথাপি শান্তিৰ প্ৰস্তাৱ সফল নোহোৱাত শ্ৰীকৃষ্ণ পাণ্ডৱ শিবিৰলৈ উভতি যায়।

(২) **কৰ্ণভাৰম্ :** এইখন ব্যায়োগ নে উৎসৃষ্টিকাঙ্ক একাঙ্কিকা সেই লৈ পণ্ডিতসকল একমত নহয়। নাটকত শল্যৰৈসৈতে কৰ্ণই যুদ্ধযাত্ৰা কৰা সময়ত এজন প্ৰাকৃতভাষী ব্ৰাহ্মণে ডাঙৰ ভিক্ষা খোজে। কৰ্ণই গাইগৰু, হাতী, ঘোঁৰা, ৰাজ্য আদি দিবলৈ ইচ্ছা কৰিলে। কিন্তু ব্ৰাহ্মণে একোতে মান্তি নহ'ল। অৱশেষত অৰ্জুনে কবচ-দান কৰিবলৈ খোজাত ব্ৰাহ্মণজন সহজে লবলৈ মান্তি হ'ল। ব্ৰাহ্মণে দান লৈ যোৱাত দেৱদূত এজনে এপাত শক্তি লৈ আহি সেয়া ইন্দ্ৰৰ প্ৰতিদান বুলি কৰ্ণক দিয়ে। কৰ্ণই ব্ৰাহ্মণজন ইন্দ্ৰ বুলি ভূপায়। কৰ্ণৰ দানশীলতাৰ লগতে সমাগত যুদ্ধত কৰ্ণৰ পতনৰ সূচনা দিয়ে।

(৩) **দূতঘটোৎকচ :** ইও এখন উৎসৃষ্টিকাঙ্ক শ্ৰেণীৰ ৰূপক। কাহিনী মহাভাৰতৰ চৰিত্ৰাশ্ৰয়ী কৱিকল্পিত। যুদ্ধত কৌৰৱসকলে অৰ্জুনৰ পুত্ৰ অভিমন্যুক অন্যায়ভাৱে বধ কৰাৰ পাছত কৌৰৱ পক্ষত মিশ্ৰিত প্ৰতিক্ৰিয়া হয়। ধৃতৰাষ্ট্ৰ প্ৰভৃতিয়ে যুদ্ধত বালক অভিমন্যুক সাতজনবীৰে অন্যায়কৈ বধ কৰাত শোক প্ৰকাশ কৰে। বধৰ হেতু জয়দ্ৰথৰ আসন্ন মৃত্যু আশঙ্কা কৰি দুঃশলায়ো শোকাতুৰ হয়। কিন্তু দুৰ্যোধন প্ৰভৃতিয়ে আনন্দ প্ৰকাশ কৰে। এনে এক পটভূমিত অৰ্জুনৰ প্ৰতিজ্ঞাৰ কথা ৰজা ধৃতৰাষ্ট্ৰক জনাবলৈ দূতৰূপে ঘটোৎকচ আহে। দূতৰে দুৰ্যোধনৰ বাদানুবাদ হয় আৰু দূত ঘটোৎকচে কৃষ্ণ মাহাত্মৰ কথা কয়। ধৃতৰাষ্ট্ৰই ঘটোৎকচক বুজনি দি শান্ত কৰে। ঘটোৎকচে শ্ৰীকৃষ্ণৰ বাণী সকলোকে শুনাই প্ৰত্যাৱৰ্তন কৰে।

(৪) **মধ্যমব্যায়োগ :** এই একাঙ্কিকাখনো ব্যায়োগ শ্ৰেণীভুক্ত। মহাভাৰতৰ চৰিত্ৰক আশ্ৰয় কৰি ভাসে কল্পনাপ্ৰসূত কাহিনীৰে এই নাটক ৰচিছে। নাটকত হিৰিম্বা পুত্ৰ ঘটোৎকচে মাকৰ প্ৰাতঃভোজনৰ বাবে ব্ৰাহ্মণ এজনে মধ্যম বা মাজু ল'ৰা

এটিক লৈ যোৱা সময়তে দৈৱক্ৰমে মধ্যম পাণ্ডৱ ভীমৰে ভেটা-ভেটি হয়। ভীমে ল'ৰাটিক এৰি দি ভীমকে মাকৰ আহাৰৰ বাবে চোঁচৰাই নিবলৈ কয়। তাতে অজ্ঞাত-পৰিচয়ৰ পিতা-পুত্ৰৰ ডবৰা-ডবৰী যুদ্ধ হয়। শেষত দুয়ো হিড়িম্বাৰ ওচৰ পায়। মাকে পিতা-পুত্ৰক পৰিচয় কৰি দিয়ে। প্ৰকৃততে ব্ৰাহ্মণপুত্ৰ হৰণৰ জৰিয়তে হিড়িম্বা-ভীমৰ মিলনাকাঙ্ক্ষাহে নাটকৰ মূল ঘটনা।

(৫) **উৰুভঙ্গ :** ইয়ো ব্যায়োগ নে উৎসৃষ্টিকাঙ্ক তাকে লৈ পণ্ডিতকুল সংশয়াকুল। নাটকখন দুভাগত বিভক্ত : বিষ্কম্ভক আৰু মূল অঙ্ক। বিষ্কম্ভকত ভীম আৰু দুৰ্যোধনৰ মাজত হোৱা ভয়ঙ্কৰ গদাযুদ্ধত দুৰ্যোধনৰ উৰুভঙ্গ কিদৰে হ'ল তাকে তিনিজন সৈনিকে বৰ্ণনা কৰে। মূলাংকত আহত দুৰ্যোধনৰ বলৰামৰ সাক্ষাৎ হয়। তাৰপাছত ধৃতৰাষ্ট্ৰ, গান্ধাৰী, দুৰ্যোধনৰ চালুকীয়া ল'ৰা দুৰ্জয় সহ ৰাণী দুগৰাকীয়ে আহত দুৰ্যোধনক দেখা কৰিবলৈ আহে। অনুতপ্ত দুৰ্যোধনে প্ৰথমবাৰলৈ শান্তি-মৈত্ৰীৰ কথা কয়। কিন্তু পিছত অশ্বত্থামাই আহি পাণ্ডৱক মাৰি দুৰ্জয়ক ৰাজপাটত বহুৱাব বুলি শপথ খায়। দুৰ্যোধনৰ মৃত্যু হয়। ইয়াতো কৱিয়ে মহাভাৰতৰ ঘটনাত কল্পনাৰ ৰহণ দি অভিনৱত্ব প্ৰদৰ্শন কৰিছে।

(৬) **পঞ্চৰাত্ৰ :** ই এখন সমবকাৰ শ্ৰেণীৰ ৰূপক। মহাভাৰতৰ বিৰাটপৰ্বৰ ঘটনাক আশ্ৰয় কৰি এই নাটক ৰচিত। দুৰ্যোধনে যজ্ঞ এটা অনুষ্ঠিত কৰি যজ্ঞৰ অন্তত দ্ৰোণাচাৰ্যক অভিমত দক্ষিণা দিবলৈ ইচ্ছা প্ৰকাশ কৰে। দ্ৰোণে এই সুযোগতে পাণ্ডৱ-সকলক ৰাজ্য ঘূৰাই দিয়াৰ প্ৰস্তাৱ কৰে। পাঁচ ৰাতিতে পাণ্ডৱসকলক বিচাৰি উলিয়াবলৈ পাৰিলে দুৰ্যোধনে দ্ৰোণৰ প্ৰস্তাৱ কাৰ্যকৰী কৰিবলৈ কথা দিয়ে। এনেতে বিৰাট ৰজাৰ সেনাপতি কীচকৰ মৃত্যু হোৱা বুলি শুনি দুৰ্যোধনে বিৰাটৰ ৰাজ্য আক্ৰমণ কৰি গো-গ্ৰহণ কৰিবলৈ যত্ন কৰে। অজ্ঞাতে বাসকৰা অৰ্জুনে উত্তৰক যুদ্ধ জয় কৰাত সহায় কৰে। সময়মতে পাণ্ডৱসকলে আত্মপ্ৰকাশ কৰাত দুৰ্যোধনে পূৰ্বকথামতে পাণ্ডৱক অৰ্দ্ধৰাজ্য দান কৰে।

নাটকৰ আধাৰ মহাভাৰতৰ মূলঘটনা হ'লেও ইয়াত কৱিয়ে মূল কাহিনীৰপৰা আঁতৰি বিৰাট পৰ্বতে পাণ্ডৱৰ ৰাজ্য লাভ প্ৰদৰ্শন কৰিছে। নাটকত ৩টা অঙ্ক আছে।

(৭) **বালচৰিত :** ই এখন পাঁচ অঙ্কীয়া নাটক। ভাগৱতত বৰ্ণিত শ্ৰীকৃষ্ণৰ বাল্যলীলাক উপজীৱ্য কৰি এই নাটক ৰচিত। প্ৰথম অঙ্কত শ্ৰীকৃষ্ণৰ জন্ম, নন্দ-গোপৰ ঘৰত ওপজা মৃতা বালিকাৰে বিনিময় কৰি বসুদেৱ উভতি অহা কথা বৰ্ণিত হৈছে। দ্বিতীয় অঙ্কত লক্ষ্মীৰ কংসৰ ঘৰ ত্যাগ, কংসৰদ্বাৰা দেৱকীৰ গৰ্ভজা কন্যা কংস-লীলাত বিনষ্ট কৰিবলৈ কৰা প্ৰচেষ্টা আৰু কাত্যায়নীৰ আৱিৰ্ভাৱ দেখুৱা হৈছে। ৩য় অঙ্কত শ্ৰীকৃষ্ণৰ অনেক বৈচিত্ৰ্যপূৰ্ণ বাল্যলীলা দেখুৱা হৈছে। ৪ৰ্থ অঙ্কত কালীয়দমন চিত্ৰ অঙ্কিত হৈছে। ৫ম অঙ্কত চানূৰ-মুষ্টিকৰে কৃষ্ণ-বলৰামৰ যুদ্ধ, কংসবধ, উগ্ৰসেনৰ পুনৰাভিষেক আদি ঘটনা বৰ্ণিত হৈছে। কৃষ্ণৰ গুণানুকীৰ্তনেৰে নাটকৰ সমাপ্তি হৈছে।



(৮) **অভিষেক :** ৰামায়ণৰ আধাৰত ভাসে ৰচনা কৰা দুখন নাটকৰ অন্যতম হৈছে এই অভিষেক নাটক। ই ছয় অঙ্কবিশিষ্ট এক পূৰ্ণাঙ্গ নাটক। নাটক খনিয়ে সীতা হৰণৰ পিছৰপৰা ৰাৱণ বধ আৰু ৰামৰ অভিষেকলৈকে ৰামৰ কথা সামৰিছে।

আৰম্ভণিৰ অঙ্কত ৰাম আৰু সুগ্ৰীৱৰ মৈত্ৰীবন্ধনৰ চুক্তি অনুসৰি প্ৰচ্ছন্ন হৈ ৰামে কৰা বালীবধ বৰ্ণিত হৈছে। শৰবিদ্ধ বালীয়ে ৰামক তিৰস্কাৰ কৰে। ৰামে প্ৰত্যুত্তৰ দিয়ে। পুত্ৰ অঙ্গদক সুগ্ৰীৱৰ হাতত শোধাই দি বালীয়ে প্ৰাণত্যাগ কৰে। ২য় অঙ্কত হনুমানে সাগৰ লঙ্ঘন কৰি লঙ্কাত প্ৰৱেশ কৰে আৰু সীতাক সাক্ষাৎ কৰি আশ্বাস দান কৰে। ৩য় অঙ্কত হনুমানক বন্ধন আৰু মোচন কৰাৰ পৰিপ্ৰেক্ষিতত ৰাৱণক ৰামেৰে মিত্ৰতা কৰিবলৈ উপদেশ দিয়া বিভীষণক লঙ্কাৰপৰা বহিষ্কাৰ কৰে। বিভীষণে ৰামত শৰণ লয়।

৪ৰ্থ অঙ্কত হনুমানৰপৰা সীতাৰ বতৰা পাই সাগৰৰ বুকুৰে লঙ্কাত প্ৰৱেশ কৰে আৰু সুবেলা পৰ্বতত চাউনি পাতি থাকে। ৰাৱণৰ চৰ ধৰা পৰে। ৫ম অঙ্কত ৰাৱণে ৰাম-লক্ষ্মণৰ ( মায়া ) ছিন্নমুণ্ড দেখুৱাই সীতাক বশীভূত কৰিবলৈ বিফল যত্ন কৰে। সীতাই ৰাৱণক অভিশাপ দিয়ে আৰু ৰামৰ বিজয় কামনা কৰে। ৬ষ্ঠ অঙ্কত পোনতে ৰাম-ৰাৱণৰ যুদ্ধৰ বৰ্ণনা পোৱা যায়। ৰাৱণ যুদ্ধত নিহত হয়। মূলাংকত লংকাত বিভীষণৰ আৰু অযোধ্যাত ৰামৰ অভিষেক সুসম্পন্ন হয়।

বীৰৰস প্ৰধান নাটকখনত ভাসে চৰিত্ৰসমূহ বলিষ্ঠৰূপত উপস্থাপন কৰিছে। ই পুৰুষ প্ৰধান নাটক। ৰামক বিষ্ণুৰ অৱতাৰ বুলি উপস্থাপন কৰা হৈছে।

(৯) **প্ৰতিমা :**—প্ৰতিমা ভাসৰ অন্যতম শ্ৰেষ্ঠ নাটক। সাত অঙ্কীয়া পূৰ্ণাঙ্গ নাটকখন ৰামায়ণৰ আধাৰত ৰচিত ২য় প্ৰচেষ্টা। ইয়াৰ ঘটনা ৰাজি অভিষেকৰ পৰিপূৰক।

১ম অঙ্কত ৰামৰ অভিষেকৰ বিফল প্ৰয়ত্নৰ পাছত ৰামৰ বন গমন দেখুৱা হৈছে। ২য় অঙ্কত বনবাসলৈ যোৱা পুত্ৰৰ শোকত ৰজা দশৰথৰ মৃত্যু বৰ্ণিত হৈছে। ৩য় অঙ্কত ভৰতৰ অযোধ্যালৈ প্ৰত্যাবৰ্তন পথত ৰাজাৰ সীমাত পিতৃসকলৰ প্ৰতিমা দৰ্শন কৰি শোকাভিভূত হয়। পাছত তেওঁ সুমন্ত্ৰৰসৈতে ৰামক বনৰপৰা প্ৰত্যাবৰ্তন কৰাবলৈ বনলৈ যায়। ৪ৰ্থ অঙ্কত ৰাম আৰু ভৰতৰ সাক্ষাৎ হয়। বনবাসৰ শেষত ৰামে পুনৰ ৰাজ্যভাৰ লোৱাৰ স্বৰ্তসাপেক্ষে ৰামৰ প্ৰতিনিধিৰূপে ভৰতে ৰাজ্যশাসন কৰিবলৈ মান্তিহৈ অযোধ্যালৈ উভতি আহে। ৫ম অঙ্কত ছদ্মবেশী ৰাৱণে কৌশলেৰে সীতাহৰণ কৰে। ৬ষ্ঠ অঙ্কৰ আদিতে ৰাৱণৰ অস্ত্ৰাঘাতত জটায়ুৰ মৃত্যু হয়। ঋষিকুমাৰ দুজনে ৰামক সীতাহৰণৰ সংবাদ দিবলৈ যায়। মূল অঙ্কত সীতাহৰণৰ সংবাদ পাই ভৰতে ৰাৱণেৰে যুদ্ধ কৰিবলৈ ব্যাপক আয়োজন কৰে। ৭ম অঙ্কত ৰাৱণক বধ কৰি ৰামে জনস্থানত উপনীত হয়। তালৈ ভৰতে মাতৃসকলেৰে সৈতে আহে আৰু ৰামৰ হাতত ৰাজ্যভাৰ প্ৰত্যাৰ্পণ কৰে।

তৃতীয় অঙ্কত বৰ্ণিত 'প্ৰতিমা' দৰ্শনক আশ্ৰয় কৰি নাটকৰ নামাকৰণ কৰা হৈছে। ৩য়, ৬ষ্ঠ, ৭ম আদি অঙ্কত ভাসৰ অভিনৱত্ব সংযোজনৰ দক্ষতা প্ৰকাশ পাইছে। চৰিত্ৰ-চিত্ৰণ আৰু ৰসাভিনিৱেশৰ সুষমতাই নাটকখন সফল কৰিছে।

(১০) **অৱিমাৰক :** অৱিমাৰক ছয় অঙ্কবিশিষ্ট পূৰ্ণাঙ্গ নাটক। ই লোককথা বা জাতককথাৰ আধাৰত ৰচিত। সৌবীৰ ৰাজকুমাৰ অৱিমাৰক আৰু কুন্তীভোজৰ জীয়াৰী কুৰঙ্গীৰ প্ৰণয় কথা এই নাটকৰ উপজীৱ্য বিষয়। সৌবীৰ ৰজাই শাপভ্ৰষ্ট হৈ সপৰিবাৰে কুন্তীভোজৰ ৰাজ্যত আত্মগোপন কৰি থাকোঁতেই নাটকৰ কথাভাগ আৰম্ভ হয়।

১ম অঙ্কত এহাতে হস্তিসম্ভ্ৰমৰ সময়ত নায়ক অৱিমাৰকে নায়িকা কুৰঙ্গীক ৰক্ষা কৰা সময়তে দুয়োৰে দৃষ্টি বিনিময় হয় আৰু পাৰস্পৰিক প্ৰণয়ৰ সূচনা হয়; আনহাতে বিৱাহযোগ্য ছোৱালীৰ দৰা সম্বন্ধে ৰজা আৰু ৰাণীয়ে চিন্তা-চৰ্চা কৰে। তেওঁলোকে সৌবীৰ ৰজাৰ খবৰ পাবলৈ অপেক্ষা কৰে। ২য় অঙ্কত অৱিমাৰক আৰু কুৰঙ্গীৰ বিৰহৰ চিত্ৰ আৰু ৩য় অঙ্কত দুয়োৰে গোপন মিলনৰ চিত্ৰ অঙ্কিত হৈছে। ৪ৰ্থ অঙ্কত ক্ষন্তেকলৈ নায়ক-নায়িকাই বিপ্ৰয়োগ দুঃখ ভোগ কৰে যদিও দৈৱলব্ধ আঙঠিৰ সহায়ত তেওঁলোকৰ পুনৰ্মিলন পথ ওলায় আৰু ৫ম অঙ্কত দুঃখতে আত্মহত্যা কৰিবলৈ ওলোৱা কুৰঙ্গীক অৱিমাৰকে কথমপি ৰক্ষা কৰে। ষষ্ঠ অঙ্কত কাশীৰ ৰাজকোঁৱৰে কুৰঙ্গীৰ পাণিগ্ৰহণৰ বাবে কুন্তীভোজৰ ৰাজপুৰীলৈ আহে। এনেতে সৌবীৰৰাজে অভিশাপমুক্ত হৈ কুন্তীভোজৰাজক দেখা কৰে। আটায়ে অৱিমাৰকৰ অন্তৰ্ধানত আচৰিত হয়। তেতিয়া দেবৰ্ষি নাৰদে আহি অৱিমাৰক ৰাজপুৰীতে আছে বুলি সকলো কথা ভাঙি-পাতি কয়। ইয়াৰ পাছত নাৰদৰ কথামতে সকলোৰে সাক্ষাততে অৱিমাৰক আৰু কুৰঙ্গীৰ বিৱাহানুষ্ঠান সুসম্পন্ন হয়।

বিভিন্ন ৰসাত্মক এই নাটকখনত দৈৱ আৰু পুৰুষাৰ্থক ৰঙেৰে অনুৰঞ্জিত কৰি ভাসে নিজৰ নাট্যকলা কুশলতাৰ দক্ষতাৰে প্ৰমাণ কৰিছে।

(১১) **প্ৰতিজ্ঞাযৌগন্ধৰায়ণ :** এই চাৰি অঙ্কীয়া নাটকখন লোককথাৰ আধাৰত ৰচিত। উদয়ন-বাসৱদত্তাৰ কাহিনী গুণাঢ্যৰ বৃহৎকথাতো পোৱা যায়। ভাসে প্ৰতিজ্ঞা-যৌগন্ধৰায়ণ আৰু স্বপ্নবাসৱদত্তা উদয়ন কথাক উপজীৱ্য কৰি ৰচিছে। ১ম অঙ্কত উদয়নে ল'ৱালৰিকৈ হস্তি চিকাৰলৈ যোৱাত চিন্তিত হৈ যৌগন্ধৰায়ণে ৰজাৰ সুৰক্ষাৰ বাবে ব্যৱস্থা কৰি থাকোঁতেই গা-ৰখীয়াজনে মহামন্ত্ৰীক জনায়হি যে ৰজাই কেতিয়াবাই অৰণ্যত প্ৰৱেশ কৰিলে গৈ। উজ্জয়িনীৰাজ প্ৰদ্যোতে ছল কৰি কৃত্ৰিম হাতী এটি ডাঠ হাবিত ৰাখি বহুত ৰখীয়া-পৰীয়া নিয়োগ কৰে, যাতে উদয়নে সেই হাতী ধৰিবলৈ গলে তেওঁক বন্দী কৰিবলৈ সম্ভৱ হয়। সেই ফন্দী কৰি উদয়নক প্ৰদ্যোতৰ লোকে ধৰি নিয়া কথা ৰজাৰ গাৰখীয়াজনে তেওঁক কোৱাত ৰাজমাওৰ আদেশত মন্ত্ৰীয়ে উদয়নক উদ্ধাৰ কৰিবলৈ প্ৰতিজ্ঞা কৰে। সেইদৰে মন্ত্ৰীয়ে বসন্তক আৰু ৰুমন্বানক লগতলৈ উজ্জয়িনীলৈ যাবলৈ আয়োজন কৰে।

দ্বিতীয় অঙ্কত প্ৰদ্যোত মহাসেনে ৰাণী অঙ্গাৰৱতীসৈতে জীয়েক বাসৱদত্তাৰ বাবে উপযুক্ত পাত্ৰৰ কথা বিবেচনা কৰি থাকোঁতে কঞ্চুকীয়ে বনত উদয়নক বন্দী কৰা কথা জনায়।



প্ৰদ্যোতে পোনতে সেই কথা বিশ্বাস কৰিবলৈ টান পাইছিল। পিছত তেওঁ পতিয়ন গ'ল আৰু উদয়নক যথোচিতভাৱে ৰাখিবলৈ আদেশ কৰে।

তৃতীয় অঙ্কত বিভিন্ন ছদ্মবেশত বৎসৰাজৰ মন্ত্ৰী যৌগন্ধৰায়ণ, ৰুমন্বান আৰু বিদূষক বসন্তকে ৰজাক উদ্ধাৰ কৰিবলৈ উপায় চিন্তা কৰে। সেইদৰে উদয়নকো বসন্তকে লগ ধৰি সতৰ্ক কৰি দিয়ে। ইতিমধ্যে উদয়ন বাসৱদত্তাৰ প্ৰেমপাশত আবদ্ধ হোৱা বুলি ভূপাই মন্ত্ৰীয়ে দুয়োকে উজ্জয়িনীৰপৰা ছলেৰে নিবলৈ আঁচনি কৰে।

চতুৰ্থ অঙ্কত উদয়ন আৰু বাসৱদত্তাই মাজৰাতি ভদ্ৰাৱতীত আৰোহণ কৰি নগৰৰপৰা পলায়ন কৰে। পলমকৈ তাৰ ভূপাই অনুসৰণ কৰা প্ৰদ্যোতৰ সৈন্যসকলক মন্ত্ৰী যৌগন্ধৰায়ণৰ লোকে বাধা দিয়ে। মন্ত্ৰী দৈৱক্ৰমে বন্দী হয়। পিছত মহাসেনে উদয়ন-বাসৱদত্তাৰ মিলন আৰু মুক্তি স্বীকাৰ কৰি লৈ মন্ত্ৰী যৌগন্ধৰায়ণক ভৃঙ্গাৰ যাঁচি সম্মান জনায়। ভৰতবাক্য গোৱাৰ পাছত নাটক সমাপ্ত হয়।

এই নাটকক নাট্যকাৰৰ শ্ৰেষ্ঠ নাটক স্বপ্নবাসৱদত্তাৰ পূৰ্ব পীথিকা বুলিব পাৰি। নাটকৰ চৰিত্ৰসমূহ বলিষ্ঠ, সংলাপবোৰ সুষম গদ্যময় আৰু ই বীৰৰস প্ৰধান। নাটকৰ নামাকৰণে মন্ত্ৰীৰ প্ৰতিজ্ঞা আৰু চৰিত্ৰ চিত্ৰণৰ গুৰুত্বকে তুলি ধৰে। উদয়ন আৰু বাসৱদত্তাক আৰঁত ৰাখিয়ে গোটেই ঘটনাটিক যিদৰে উপস্থাপন কৰা হৈছে, তাৰপৰা ভাসৰ চমৎকাৰ নাট্যকৌশলৰ আভাস পোৱা যায়।

১২। **স্বপ্নবাসৱদত্তম্ :** এইখন ভাসৰ সৰ্বোৎকৃষ্ট নাটক। ই স্বপ্ননাটক বুলিও জনাজাত। ইয়াৰ ঘটনাংশ প্ৰতিজ্ঞা যৌগন্ধৰায়ণ নাটকৰ পৰৱৰ্তী ঘটনাৰ ওপৰত ভেটি কৰা।

উজ্জয়িনীৰপৰা মহাসেন প্ৰদ্যোতৰ পুত্ৰী বাসৱদত্তাক হৰণ কৰি কোশাম্বীলৈ নিয়াৰ পাছত ৰজা উদয়ন তেওঁৰ প্ৰতি অতিকৈ আসক্ত হৈ ৰাজ্যৰ কাম-কাজৰ প্ৰতি আওকণীয়া হৈ পৰে। তাৰ ফলত তেওঁৰ ৰাজ্যৰ বুজন অংশ শত্ৰু সামন্ত ৰজা আৰুণিৰ কবলত পৰে। তেতিয়া মহামন্ত্ৰী যৌগন্ধৰায়ণে হৃতৰাজ্য উদ্ধাৰৰ বাবে উপায় চিন্তা কৰে তেওঁ মগধৰাজ দৰ্শকৰ ভনীয়েক পদ্মাৱতীৰেসৈতে ৰজা উদয়নৰ বিৱাহ সম্পন্ন কৰি মগধৰ সৈন্যদলৰ সহায় হেৰোৱা ৰাজ্য উদ্ধাৰৰ বাবে যত্নপৰ হয়। মৃগয়াবিলাসী উদয়নে এবাৰ মৃগয়া কৰিবলৈ যোৱা সময়তে যৌগন্ধৰায়ণে ৰাণী বাসৱদত্তাক বিশ্বাসত লৈ দুয়োৱে অগ্নিদগ্ধ হৈ মৃত্যুৰ গৰাহত পৰা বুলি প্ৰচাৰ কৰিলে।

নাটকৰ প্ৰথম অঙ্কত পৰিব্ৰাজকৰ বেশত যৌগন্ধৰায়ণ আৰু আৱন্তিকাৰ বেশত বাসৱদত্তাই লাৱাণকৰপৰা গৈ মগধৰ ৰাজধানী ৰাজগৃহৰ ওচৰত থকা তপোৱনত উপস্থিত হয়। আনহাতে ৰাজকুঁৱৰী পদ্মাৱতীয়ে লিগিৰী আৰু আন লোকৰসৈতে তপোবনত থকা ৰাজমাওক দেখা কৰিবলৈ আহে। ৰাজকুঁৱৰীয়ে প্ৰাৰ্থীসকলক কাক কি লাগে মাগি লবলৈ আৱাহণ কৰাত পৰিব্ৰাজকৰ বেশত যৌগন্ধৰায়ণে তেওঁৰ ওচৰলৈ গৈ নিজৰ ভনীয়েক বুলি পৰিচয় দি আৱন্তিকা বেশিনী বাসৱদত্তাক ন্যাসৰূপে কিছুদিন ৰাখিবলৈ অনুৰোধ জনায়। পদ্মাৱতী তেওঁৰ কথাত সন্মত হয়। এনেতে লাৱাণকৰ-

গতিকে মাঘকাব্যত উপমা, অৰ্থগৌৰৱ আৰু পদলালিত্যৰ সমাহাৰ ঘটিছে বুলি কোৱা হয়। একেদৰে নিম্নোক্ত শ্লোকতো মাঘৰ কাব্যগুণ প্ৰশংসিত হৈছে:

মুৰাৰিপদচিন্তা চেত্তদা মাঘে ৰতি কুৰু।
মুৰাৰিপদচিন্ত চেন্তদা মাঽঘে ৰতি কুৰু॥

তদুপৰি কোৱা হয় যে এসময়ত কোনো বৃদ্ধ সুবিদ্বান লোকক তেওঁ কি কি গ্ৰন্থ পঢ়ি নিজৰ বুদ্ধি আৰু দূৰদৰ্শিতা বৃদ্ধি কৰিছে সেই লৈ কৰা প্ৰশ্নৰ উত্তৰত কৈছিল: 'মেঘদূত আৰু মাঘকাব্য' পঢ়োতে মোৰ সমস্ত আয়ু শেষ হ'ল: **"মেঘে মাঘে গতং বয়ঃ"**। ইয়াৰদ্বাৰা শিশুপাল বধৰ মহত্ত্ব স্পষ্টকৈ প্ৰকাশ পাইছে।

মাঘৰ কাব্যৰ বা কৱিত্বৰ শ্ৰেষ্ঠতা লৈ পণ্ডিত সমাজত অনেক ধাৰণা প্ৰচলিত আছে। ৰাজশেখৰে কৈছে যে 'য'ত ভাৰৱিৰ কৱিতা সূৰ্য্যকিৰণৰ দৰে সমস্ত জ্ঞান প্ৰকাশিত কৰে, ত'ত মাঘ মাহৰ সমান মাঘৰ নাম শুনি কোন কৱিৰ ৰোমহৰ্ষণ নোহোৱাকৈ থাকে?'

কৃৎস্নপ্ৰবোধকৃদ্‌ বাণী ভা ৰৱেৰিব ভাৰৱেঃ।
মাঘেনেৱ চ মাঘেন কম্পঃ কস্য ন জায়তে॥

ধনপালেও মাঘৰ বিষয়ে কৈছে: যিদৰে মাঘ মাহত ঠেতুৱা লগা জাৰত বান্দৰে সূৰ্যক স্মৰণ কৰে আৰু জোপোক-টোপক দি থাকে, তেনেদৰে মাঘৰ কৱিতাক স্মৰণ কৰি ডাঙৰ ডাঙৰ পণ্ডিতৰো উৎসাহ চেঁচা পৰি যায়, লাগিলে তেওঁ ভাৰৱিৰ কৱিতা যিমানে মনত নেপেলাওক:

মাঘেন বিঘ্নিতোৎসাহা নোৎসহন্তে পদক্ৰমে।
স্মৰন্তো ভা-ৰৱেৰেৱ কৱয়ঃ কপয় যথা॥

তলৰ উক্তি দুটাও স্মৰণীয়:

'তাবদ্‌ভা ভাৰৱেৰ্ভাতি যাৱন্মাঘস্য নোদয়ঃ।'

আকৌ:

পুষ্পেষু চম্পা নগৰীষু কাঞ্চী নদীষু গঙ্গা নৃবৰেষু ৰামঃ।
নাৰীষু ৰম্ভা পুৰুষেষু বিষ্ণুঃ কাব্যেষু মাঘঃ কৱি-কালিদাসঃ॥

এনেবোৰ মাঘৰ প্ৰশংসাপৰ সূক্তি সংস্কৃত পণ্ডিত সমাজত চিৰ প্ৰচলিত।

**মাঘে সন্তি ত্ৰয়ো গুণাঃ** সংস্কৃত প্ৰবচন 'উপমা কালিদাসস্য ভাৰৱেৰৰ্থ-গৌৰৱম্। দণ্ডিনঃ (বা নৈষধে) পদলালিত্যং মাঘে সন্তি ত্ৰয়ো গুণাঃ॥'— অনুসৰি আমি কালিদাসক উপমাৰ বাবে, ভাৰৱিক অৰ্থ গৌৰৱৰ হেতু, দণ্ডী বা শ্ৰীহৰ্ষৰ 'নৈষধ' পদলালিত্যৰ বাবে প্ৰসিদ্ধ বুলি জনাৰ লগতে মাঘৰ কাব্যত এই তিনিওটা গুণৰ অপূৰ্ব সমাহাৰ হোৱা কথা বুজো। কিন্তু কালিদাসৰ কাব্য অৰ্থগৌৰৱহীন বা পদলালিত্যহীন বুলি যিদৰে কোৱা টান, তেনেকৈ ভাৰৱি বা শ্ৰীহৰ্ষৰ কাব্যত উপমাৰ প্ৰয়োগ হোৱা নাই বুলিও ক'ব নোৱাৰি। তথাপি মাঘৰ



কাব্যত অন্যসকল কৱিৰ বিশেষ বৈশিষ্ট্যসমূহ একেযোগে লাভ কৰাটোক পণ্ডিত-সকলে এক অপূৰ্ব কথা বুলি বিবেচনা কৰিছে। মাঘৰ শিশুপালবধত উপমা, অৰ্থগৌৰৱ আৰু পদলালিত্যৰ একত্ৰ সন্মিলনক কৱিজনৰ প্ৰগাঢ় পাণ্ডিত্য আৰু অদ্ভুত কৱিত্ব শক্তিৰ পৰিচায়ক; সেয়ে 'অধিকস্যাধিকং ফলম্' বোলা প্ৰসিদ্ধি কোনোমতে উপেক্ষণীয় নহয়। এতিয়া উদাহৰণেৰে প্ৰতিটো বিশেষত্বৰ বিচাৰ কৰি চোৱা উচিত।

শিশুপালবধ মহাকাব্যত অনেক সুৰুচিপূৰ্ণ আৰু চমৎকাৰ উপমাৰ প্ৰয়োগ কৱি মাঘে কৰিছে। তলত দিয়া উদাহৰণটিয়ে তেওঁৰ উপমাৰ উৎকৃষ্টতা উদঙাই দিয়ে:

দধানমম্ভোৰুহকেসৰদ্যুতীৰ্জটাঃ শৰচ্চন্দ্ৰমৰীচিৰোচিষম্।
বিপাকপিঙ্গাস্তুহিনস্থলীৰুহো ধৰাধৰেন্দ্ৰং ব্ৰততীততীৰিৱ॥ ১।৫

কেসৰৰ সমান কান্তিময়ী জটাধাৰণ কৰি আৰু নিজে শৰৎ ঋতুৰ চন্দ্ৰৰ সমান কান্তিমান হৈ, পকিলে পিঙ্গল বৰণীয়া হোৱা তুষাৰভূমিত উৎপন্ন লতাবোৰ ধাৰণ কৰা পৰ্বতৰাজ হিমালয়ৰদৰে উপস্থিত (নাৰদক ভগৱান কৃষ্ণই দেখিলে)।

ইয়াত কৱিয়ে হিমালয়ৰসৈতে তুলনা কৰি উপমাৰ সৃষ্টি কৰিছে।

উত্তম কাব্যৰ কাৰণে অন্যান্য বৈশিষ্ট্যৰে সৈতে অৰ্থগৌৰৱ থকাও প্ৰয়োজন। ভাৰৱিয়ে ইতিপূৰ্বে ইয়াৰ সমৰ্থন কৰি গৈছে:

স্ফুটতা ন পদৈৰপাকৃতা, ন চ ন স্বীকৃতমৰ্থগৌৰৱম্।
ৰচিতা পৃথগৰ্থতা গিৰাং ন সামৰ্থ্যমপোহিতং ক্বচিৎ॥

কি. ২।২৭

পদ প্ৰয়োগত স্পষ্টতা, অৰ্থগৌৰৱৰ ওপৰত যথোচিত গুৰুত্ব আৰোপ, শব্দাৰ্থৰ পৃথকত্ব বৰ্তমান থকাতো পাৰস্পৰিক সম্বন্ধ অটুট থকাতেই কাব্যৰ অৰ্থৰ গাম্ভীৰ্য্য ৰক্ষা পৰে।

মাঘে নিজেও কাব্যৰ অৰ্থ গৌৰৱ অটুট ৰখাৰ ওপৰত যথোচিত গুৰুত্ব দিছিল। তেওঁ কৈছে—

ম্ৰদীয়সীমপি ঘনামনল্পগুণকল্পিতাম্।
প্ৰসাৰয়ন্তি কুশলাঃ চিত্ৰাং বাচং পটীমিৱ॥ ২।৭৪

অৰ্থাৎ 'কুশল কৱিৰ কাব্যৰ এক বিশেষত্ব থাকে যে তেওঁৰ কোমলতম কাব্যও ঘন অৰ্থাৎ অৰ্থগৌৰৱেৰে ভৰপূৰ কাব্যৰ বিবিধ গুণবোৰ অটুট ৰাখে।' এনেকৈ কোৱাৰ অৰ্থ এয়ে যে মাঘেও সজ কাব্যৰ বাবে অৰ্থগৌৰৱৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিছিল। সেয়ে তেওঁৰ কাব্যত অৰ্থগৌৰৱৰ উদাহৰণ অৱিৰল। প্ৰাতঃকালৰ বৰ্ণনাত ইয়াৰ উদাহৰণ চাবলগীয়া—

অৰুণজলজৰাজীমুগ্ধ হস্তাগ্ৰপাদা।
বহুলমধুপমালা কজ্জলেন্দীৱৰাক্ষী॥

অনুপততি বিৰাবৈং পত্রিণাং ব্যাহৰন্তী ।
ৰজনিমচিৰজাতা পূৰ্বসন্ধ্যা সুতেৱ ॥ ১৪।৪০

ৰাতিপুৱাইছে। প্ৰাতঃকালৰ সময় আহিছে। যিদৰে পতুমৰদৰে হাতভৰি থকা, চকুত মনোহৰ অঞ্জন লগাই লৈ কোনো বালিকাই নিজৰ বাল-সুলভ থোকা-থুকি মাতেৰে শব্দ কৰি নিজৰ মাকৰ পিছে পিছে লৰি ফুৰে, তেনেকৈ নিজৰ ৰঙাপতুমৰ হাত-ভৰিৰে ভোমোৰাৰ মালাৰূপ কাজলেৰে যুক্ত পতুমৰ চকুজুৰিৰে পূৰ্ব সন্ধ্যাই চৰাই মাতেৰে মাতি ৰাতিৰ পিছে পিছে লৰি ( গুলাই ) আহিছে।

গোটেই শ্লোকটোত কৱিয়ে ৰাতিক কিদৰে প্ৰভাতে অনুসৰণ কৰিছে তাকে বুজাবলৈ মাকৰ পিছে পিছে ফুৰা ছোৱালীৰ তুলনা দি এক মনোৰম অৰ্থগৌৰৱৰ উদাহৰণ তুলি ধৰিছে।

ভাৰৱি অৰ্থগৌৰৱৰ যেনে প্ৰসিদ্ধ তেনেকৈ দণ্ডী আৰু শ্ৰীহৰ্ষ পদলালিত্যৰ বাবে সুখ্যাত। তেওঁৰ লগত এই ক্ষেত্ৰৰ মাঘৰ হয়তো তুলনা কমেই হ'ব। তথাপি মাঘে যে তাকে লৈ প্ৰতিদ্বন্দ্বিতা কৰা নাই এনে নহয়। তেওঁৰ কাৱ্যতো পদলালিত্যৰ প্ৰচুৰ উদাহৰণ আছে। তেওঁৰ পদলালিত্যৰ বিশেষত্ব দেখুৱাবলৈ তলত এটা উদাহৰণ তুলি ধৰা হ'ল :

মধুৰয়া মধুবোধিত মাধৰী মধু সমৃদ্ধি সমেধিতমেধয়া ।
মধুকৰাঙ্গনয়া মুহুৰুন্মদধ্বনিভৃতা নিভৃতাক্ষৰ মুজ্জগে ॥ ৬।২০

বসন্তৰ আগমনেৰে সমৃদ্ধ মাধৰী লতাৰ পৰাগেৰে উন্মত্ত ভ্ৰমৰীয়ে উন্মাদ ধ্বনিক ধাৰণ কৰি স্থিৰ আৰু মধুৰ অক্ষৰৰাজিত গীত গাই আছে।

ইয়াত যি অনুপ্ৰাস প্ৰযুক্ত হৈছে তাৰে মাঘৰ এই শ্লোক পদলালিত্যৰে উজলি উঠিছে। ঠায়ে ঠায়ে এনে পদলালিত্য শিশুপালবধত প্ৰায়ে দেখা যায়। এনে অন্য এটা শ্লোকলৈ চাওক :

কুমুদবনমপশ্ৰি শ্ৰীমদম্ভোজখণ্ডং
ত্যজতি মুদমুলূকঃ প্ৰীতিলাংশ্চক্ৰবাকঃ ।
উদয় মহিমৰশ্মিৰ্যাতি শীতাংশুৰস্তং
হতবিধিলসিতানাং হী বিচিত্ৰো বিপাকঃ ॥ ১১।৬৪

এই শ্লোকটিৰ পদলালিত্য সম্বন্ধে এনে কিম্বদন্তি প্ৰচলিত আছে যে একাক্ষৰ 'হী' শব্দটিৰ ওপৰত মুগ্ধহৈ গুণমুগ্ধ ৰজা এজনে মহাকৱি মাঘক লক্ষ স্বৰ্ণমুদ্ৰাৰে পুৰস্কৃত কৰিছিল। এনেদৰে মাঘৰ কাব্য সম্বন্ধে প্ৰচলিত লোকোক্তি 'মাঘে সন্তি ত্ৰয়োঃ গুণাঃ' আখৰে আখৰে সঁচা বুলি প্ৰত্যায়িত হয়।

**মহাকৱি মাঘৰ পাণ্ডিত্য :** মহাকৱি মাঘ এক বিশাল পাণ্ডিত্যৰ অধিকাৰী আছিল। তেওঁৰ নামত যদিও একাধিক গ্ৰন্থ পোৱা নাযায় তথাপি শিশুপাল বধৰ পাতত তেওঁৰ অসাধাৰণ পাণ্ডিত্যৰ পৰিচয় অৱশ্যে পোৱা যায়। তেওঁ নাট্যশাস্ত্ৰ, অলংকাৰ শাস্ত্ৰ, ছন্দশাস্ত্ৰ আৰু ব্যাকৰণৰ যে অগাধ পণ্ডিত আছিল, তাক নকলেও



হয়। তদুপৰি সাঙ্গোপাঙ্গ বেদ-বেদান্ত, ধৰ্মশাস্ত্ৰ, অৰ্থশাস্ত্ৰ, নীতিশাস্ত্ৰ, ষড়দৰ্শন, পুৰাণেতিহাস, কামশাস্ত্ৰ, আয়ুৰ্বেদ, সংগীতশাস্ত্ৰ, জ্যোতিষ আৰু সামুদ্ৰিকশাস্ত্ৰ, ৰাজ-নীতি, দণ্ডনীতি, গজশাস্ত্ৰ, হয়শাস্ত্ৰ, আদি সকলো শাস্ত্ৰৰে যথাৰ্থজ্ঞান তেওঁৰ অধিগত আছিল।

তেওঁ বৈদিক কৰ্মকাণ্ড, যাগ-যজ্ঞ আদিত বিশ্বাসী আছিল। তেওঁ সম্ভৱতঃ বিষ্ণুৰ সৰ্বময়ত্বত আস্থাশীল আছিল। তথাপি বৌদ্ধ আৰু জৈন সম্প্ৰদায়ৰ মূলতত্ত্ব সমূহৰ-সৈতেও তেওঁ সুপৰিচিত আছিল।

**মাঘৰ কাব্য প্ৰতিভা :** সংস্কৃত কাব্য শাস্ত্ৰীয় দৃষ্টিভঙ্গীৰে কোনো কোনোৱে[1] মাঘক এজন ৰসবাদী কৱিৰূপে চাবলৈ বিচাৰে। একে কাৰণতে তেওঁক আকৌ কালিদাসতকৈ পৃথক বুলিও কোৱা হৈছে। কালিদাসৰ কাব্যৰ ভাৱ আৰু ভাষা সাধাৰণভাৱে সংস্কৃত জনা লোকৰো হৃদয়ঙ্গম হয় ; কিন্তু মাঘৰ কাব্যৰ অৰ্থ আৰু ভাৱানুভূতি হৃদয়ঙ্গম কৰিবলৈ পঢ়ৱৈজনে শাস্ত্ৰবৈদগ্ধ্য আৰু ভাষা নৈপুণ্য পোনতে লাভ কৰি জীৱন জোৰা সাধনা কৰা দৰ্কাৰ। সেয়ে কোৱা হৈছে 'মেঘে মাঘে গতম্ বয়ঃ।'

আনহাতে কোনো কোনোৱে[2] আকৌ মাঘক এজন কলাবাদী কৱি বুলিহে প্ৰতিপন্ন কৰিবলৈ বিচাৰে। তেওঁ শব্দ আৰু অৰ্থৰ সৌন্দৰ্য্যৰ ওপৰত ধ্যান দিছিল। তেওঁৰ মাজত কৱিত্ব শক্তি বাৰুকৈয়ে আছিল। কিন্তু তেওঁ পূৰ্বসূৰী দুই এজনক অনুকৰণ কৰিবলৈ গৈ নিজৰ কৱিত্বক স্বতন্ত্ৰভাৱে বিকশিত নকৰা বাবে তেওঁৰ কৱি প্ৰতিভাৰ পূৰ্ণবিকাশ হ'বলৈ নাপালে।

তেওঁ অধিকাধিক কলানৈপুণ্য প্ৰদৰ্শন কৰিবলৈ তেওঁৰ কাব্যৰ গুণ গৰিমাক তাৰ মাজত পুতি পেলাইছিল বুলিলে অসত্য কোৱা নহয়।

মাঘৰ 'শিশুপালবধ' মূলতঃ এক বীৰৰস প্ৰধান মহাকাব্য। ইয়াৰ অঙ্গীৰস বীৰৰস হ'লেও ইয়াত শৃঙ্গাৰৰসৰ বাহুল্যও দেখা যায়। বিশেষতঃ কাব্যৰ মাজৰ অংশত শৃঙ্গাৰৰসৰ ব্যাপকতাই সহৃদয় পাঠকক কাব্যখনৰ প্ৰধানৰস বীৰনে শৃঙ্গাৰ এই সম্বন্ধে সন্দীহান কৰি তোলে। ইয়াৰ ছটা সৰ্গ'ত অনাৱশ্যকভাৱে বাহুল্যকৈ শৃঙ্গাৰৰস পৰিবেশিত হৈছে।

কাব্যখনৰ কথাবস্তু নিতান্ত ক্ষীণ। প্ৰকৃততে মূল কথাস্ৰোতৰ বৰ্ণনা কৰিয়ে ১—২ আৰু ১৪—২০ সৰ্গ'তহে দাঙি ধৰেছে। ৩—১৩ সৰ্গ'ত অপ্ৰাসঙ্গিক গৌণ বৰ্ণনাৰ ওপৰত কৱিয়ে অধিক গুৰুত্ব দিয়াত মূল কথাস্ৰোতৰ সৌন্দৰ্য হানি হৈছে। বিশেষতঃ ৰাজসূয় যজ্ঞত অংশগ্ৰহণ কৰিবলৈ ইন্দ্ৰপ্ৰস্থলৈ যোৱাৰ পথত বৈৱতকত যদুবাহিনীৰ অবাঞ্ছিত কালকেলিৰ বৰ্ণনাই কাব্যৰ সৌন্দৰ্য্য বৃদ্ধি কৰা নাই।

১। গৈৰালা, সংস্কৃত সাহিত্য কা সংক্ষিপ্ত ইতিহাস, পৃষ্ঠা ৭৩২
২। ব্যাস, সংস্কৃত কৱি দৰ্শন, পৃষ্ঠা ১৭৬

তথাপি কৱি মাঘ প্ৰাকৃতিক সৌন্দৰ্য্য বৰ্ণনাত যে সিদ্ধহস্ত তাক নশলাগি নোৱাৰি। তেওঁৰ ঋতুবৰ্ণনা, বনবিহাৰ, জলবিহাৰ, সূৰ্য্যোদয় আৰু সূৰ্য্যাস্তৰ বৰ্ণনা, ৰতিবৰ্ণনা আদি কাব্যত প্ৰচুৰভাৱে পোৱা যায়। মাঘৰ প্ৰকৃতি বৰ্ণনা শৃঙ্গাৰৰস ময়। তেওঁ শিশুপালবধত বন-উপবন, নৈ-পৰ্বত, সৰোবৰ, গছ-লতা, প্ৰাতঃ-সন্ধ্যা, ঋতু, প্ৰকাশ আৰু অন্ধকাৰ আদি উদ্দীপন বিভাবৰূপে ব্যৱহাৰ কৰিছে। তেওঁৰ কাব্যৰ ঠাই বিশেষতঃ পোৱা প্ৰকৃতি-চিত্ৰণ এনে চমৎকাৰ হৈছে যে পাঠকে ৰূপচ্ছটা চাই আত্মবিভোৰ নহৈ নোৱাৰে। তেওঁৰ প্ৰকৃত চিত্ৰণক ভোলাশঙ্কৰ ব্যাসে তিনি ভাগত ভাগ কৰিছে: (১) যমক যুক্ত প্ৰকৃতি বৰ্ণনা, (২) শৃঙ্গাৰাত্মক অপ্ৰস্তুত বিধান যুক্ত বৰ্ণনা আৰু (৩) আন অপ্ৰস্তুত বিধান থকা প্ৰকৃতি বৰ্ণনা। যমক, শ্লেষ আৰু শৃঙ্গাৰৰসাত্মক অপ্ৰস্তুত বিধান থকা বৰ্ষাকালৰ এয়া এক সুন্দৰ চিত্ৰ ৬।২৫ শ্লোকত পোৱা যায়:

স্ফুৰদধীৰতডিন্নয়না মুহুঃ প্ৰিয়মিৱাগলিতোৰু পয়োধৰা।
জলধৰাৱলিৰ প্ৰতিপালিত স্বসময়া সময়াজ্জ গন্ধীধৰম্॥

'বিজুলী চমকনিৰে চঞ্চল নয়না, সঘন মেঘৰাজি ঠিক সময়মতে ৰৈৱতক পৰ্বতত উপস্থিত হৈছেহি, যিদৰে কোনো এক চঞ্চল নয়না, যৌৱনভৰা নায়িকাই সঙ্কেতৰ সময় বুজি প্ৰিয়জনক প্ৰতীক্ষাৰ অস্থিৰতাত নেপেলোৱাকৈ তেওঁৰ ঘৰত অভিষাৰাৰ্থে উপস্থিত হয়।'

একাদশ সৰ্গত তেওঁ প্ৰাতঃকালৰ সুন্দৰ বৰ্ণনা দি কৈছে:

বিতত পৃথুবৰত্ৰাতুল্য ৰূপৈয়ূখৈঃ
কলশ ইৱ গৰীয়ান্ দিগ্ভিৰাকৃষ্যমাণঃ।
কৃতচপল বিহঙ্গালাপ কোলাহলাভি:
জলনিধিজলমধ্যাদেষ উত্তাৰ্যতেঽৰ্কঃ॥

ৰাতিপুৱা পূৱত ধৰিত্ৰীৰ ওপৰত গোলাকাৰ সূৰ্যই দেখা দিয়াৰ লগে লগে তাৰ কিৰণমালাই দশোদিশ বিয়পি পৰিছে। তাকে দেখি কৱিয়ে কৈছে: 'পৰিব্যাপ্ত বৰ বৰ ৰশ্মিৰ সমান কিৰণেৰে চঞ্চল পক্ষিসকলৰ কলৰৱৰূপ কোলাহল কৰি দিশ সমূহে ডাঙৰ কলহৰ সমান সূৰ্য্যক সাগৰৰ মাজৰপৰা টানি তুলিছে।' এয়া কৱিৰ সুন্দৰ কল্পনাৰ পৰিচায়ক।

সেইদৰে সন্ধ্যা বৰ্ণনাৰ চিত্ৰণেও তেওঁৰ কৱিপ্ৰতিভাৰ স্বাক্ষৰ বহন কৰিছে। উদাহৰণস্বৰূপে নিম্নোক্ত শ্লোকলৈ মন কৰক:

নৱকুঙ্কুমাৰুণ পয়োধৰয়া স্বকৰাৱসক্তৰুচিৰাম্বৰয়া।
অতিসক্তিমেত্য বৰুণস্য দিশা ভৃশমন্বৰজ্যদ তুষাৰকৰঃ॥

শিশু—৯।৭

'সূৰ্য্যই ন কুঙ্কুমৰ সমান ৰঙা মেঘেৰেসৈতে (নতুন কুঙ্কুমেৰে ৰঞ্জিত ৰঙা পয়োধৰ যুক্ত) নিজ কিৰণেৰে সম্বন্ধ মনোহৰ আকাশৰসৈতে (হাতেৰে গ্ৰহণ কৰা সুন্দৰ



বস্ত্ৰেৰে) পশ্চিম দিশৰ অতি ওচৰ চাপি (বৰুণৰূপ অন্য পুৰুষৰ পত্নীত আসক্ত হৈ) বাৰুকৈয়ে ৰঙা চিঙা পৰিছে।

**ভাৰৱি আৰু মাঘ:** পণ্ডিতসকলে ভাৰৱি আৰু মাঘৰ মাজত—তেওঁলোকৰ দুই ৰচনাত কেতবোৰ সাদৃশ্য দৰ্শন কৰিছে। সিবোৰৰ ভেটিত কৰলৈ প্ৰয়াস কৰে যে মাঘে ভাৰৱিৰ অনুকৰণ কৰাই নহয়, পূৰ্বকৱিজনক চেৰ পেলাবলৈ সৰ্বতোপ্ৰকাৰে যত্নশীল হৈছে। তেনে সাদৃশ্যপৰক কেইটিমান দিশ তলত উন্নুকিওৱা হ'ল:

(১) ভাৰৱিৰ কিৰাতাৰ্জুনীয়ম্ যিদৰে 'শ্ৰী'শব্দেৰে আৰম্ভ হৈছে ('শ্ৰিয়ঃ কুৰূণামধিপস্য পালনীম্' ইত্যাদি), তেনেকৈ মাঘৰ 'শিশুপালবধো' একেদৰে 'শ্ৰী' শব্দেৰে আৰম্ভ হৈছে (শ্ৰিয়ঃ পতিঃ শ্ৰীমতি শাসিতুঃ ইত্যাদি)। একেদৰে ভাৰৱিৰ কাব্যৰ প্ৰত্যেক সৰ্গৰ অন্তিম শ্লোকত 'শ্ৰী' শব্দৰ পৰ্য্যায় বাচক 'লক্ষ্মী' শব্দৰ প্ৰয়োগ চকুত পৰে (দিনকৃতমিৱ লক্ষ্মীস্বাং সমভ্যেতু ভূয়ঃ, ১।৪৬)। তেনেদৰে মাঘৰ কাব্যৰ প্ৰতিটো সৰ্গৰ অন্তিম শ্লোকত ঠিক 'শ্ৰী'শব্দৰ প্ৰয়োগেই চকুত পৰে (স্থলনিয়ত নিষন্ন-শ্ৰীশ্ৰুতাং শুশ্ৰুৱান্ নঃ, ২।১১৮)।

(২) 'কিৰাত'ৰ প্ৰথম সৰ্গত যিদৰে বনেচৰে ৰজা যুধিষ্ঠিৰলৈ বিশেষ বাৰ্তা কঢ়িয়াই আনিছে, একেদৰে নাৰদেও 'শিশুপালবধ'ৰ প্ৰথম সৰ্গত কৃষ্ণৰ প্ৰতি এক বিশেষ বতৰা আনিছে।

(৩) ভাৰৱিয়ে 'কিৰাত'ৰ প্ৰথম সৰ্গত দ্ৰৌপদী আৰু ২য় সৰ্গত ভীমসেনৰ মুখেৰে ওজস্বিতাপূৰ্ণ আৰু দ্বিতীয় সৰ্গতে যুধিষ্ঠিৰৰ মুখেৰে অতি শান্তিপূৰ্ণ ৰাজনীতিৰ কথা কোৱাইছে। একেদৰে মাঘেও তেওঁৰ কাব্যৰ ২য় সৰ্গত বলৰামৰ মুখেৰে ওজস্বিতাপূৰ্ণ ৰাজনীতি সমৰ নীতিৰ কথা আৰু উদ্ধৱৰ মুখেৰে শান্তিপূৰ্ণ ৰাজনীতিৰ কথা কোৱাইছে।

(৪) ভাৰৱিয়ে যিদৰে 'কিৰাত'ৰ ৩য় সৰ্গত অৰ্জুনে ইন্দ্ৰকীল পৰ্বতলৈ যোৱাৰ কথা বৰ্ণাইছে, সিদৰে মাঘেও তেওঁৰ কাব্যত শ্ৰীকৃষ্ণৰ ইন্দ্ৰপ্ৰস্থলৈ যোৱাৰ পথত ৰৈৱতক পোৱা আৰু তাত জিৰণি লোৱা কথা বৰ্ণাইছে।

(৫) 'কিৰাত' আৰু 'শিশুপালত' যথাক্ৰমে বেদব্যাস আৰু নাৰদৰ উপদেশ বিবৃত হৈছে।

(৬) 'কিৰাত' আৰু 'শিশুপাল'ৰ ৪ৰ্থ আৰু ৫ম সৰ্গত যথাক্ৰমে হিমালয় আৰু ৰৈৱতকৰ বৰ্ণনা সমান ভাৱে পোৱা যায়।

(৭) সেইদৰে দুয়োখন কাব্যৰ ৭ম—৮ম সৰ্গত যথাক্ৰমে অপ্সৰা আৰু যদুনাৰী সকলৰ জলবিহাৰ বৰ্ণিত হৈছে।

(৮) পৰৱৰ্তী দুই সৰ্গত ভাৰৱি আৰু মাঘে সন্ধ্যাকাল—চন্দ্ৰোদয়, ৰতিক্ৰীড়া, প্ৰণয়ালাপৰ বিৱৰণ আৰু প্ৰাকৃতিক সৌন্দৰ্যৰ বৰ্ণনা তুলি ধৰিছে।

(৯) 'কিৰাত'ৰ একাদশ সৰ্গত 'কিৰাত বেশী' শিৱই অৰ্জুনক অৱমাননা কৰিছে। শিশুপালবধৰ একেটা সৰ্গতে শিশুপালেও কৃষ্ণলৈ দূতৰ মুখেৰে অমাৰ্যদাকৰ

কথা সংবাদ দিছে। প্ৰথম খনত দূতৰ মুখেৰে কিৰাতৰ প্ৰশংসা দ্বিতীয়খনত দূতৰ মুখেৰে শিশুপালৰ প্ৰশংসাসূচক কথা কোৱাইছে।

(১০) কিৰাতৰ পিছৰ সৰ্গকেইটাত কিৰাত আৰু অৰ্জুনৰ মাজত সংঘটিত তয়ামগ্না যুদ্ধৰ বৰ্ণনা কৰা হৈছে। শিশুপালৰো অন্তিম সৰ্গকেইটাত শিশুপাল আৰু কৃষ্ণৰ যুদ্ধৰ মৰ্মস্পৰ্শী বৰ্ণনা তুলি ধৰা হৈছে।

(১১) ভাৰৱিয়ে যুদ্ধৰ প্ৰসঙ্গত পঞ্চদশ সৰ্গত গোমুত্ৰিকাবন্ধ, সৰ্বতোভদ্ৰ, অৰ্ধভ্ৰমক, প্ৰতিলোমানুপাদ, পাদযমক আদি বিকট বন্ধময় ছন্দৰ প্ৰয়োগ কৰিছে। মাঘে তেওঁৰ কাব্যৰ উনৱিংশতম সৰ্গত ভাৰৱিৰ তুলনাত অধিক বিকটবন্ধময় ছন্দৰ অনুশীলন কৰিছে।

(১২) ভাৰৱিয়ে কিৰাতাৰ্জুনীয়ম্ ওঠৰটা সৰ্গত সামৰিছে মাঘে তেওঁৰ কাব্য কুৰিটা সৰ্গত সামৰিছে, অৰ্থাৎ ভাৰৱিতকৈ মাঘে দুটা সৰ্গ বেছিকৈ কাব্যত সংযোজন কৰিছে।

(১৩) 'কিৰাত'ৰ কথাবস্তু সংক্ষিপ্ত। শিশুপালবধৰো কথাবস্তু সংক্ষিপ্ত। কিৰাতৰ ৪ৰ্থ—১০ ম সৰ্গ যিদৰে বাহ্যিক প্ৰকৃতি বৰ্ণনাৰে ভাৰাক্ৰান্ত, আৰু কথাবস্তু তাত তল পৰিছে সেইদৰে মাঘৰ কাব্যৰ ৪ৰ্থ—১৩শ সৰ্গত বাহ্যিক বৰ্ণনাই কথাবস্তুক পাহৰাই পেলোৱা চকুত পৰে। এনেদৰে মাঘে যে ভাৰৱিৰ কাব্যক চেৰপেলোৱাৰ ইচ্ছাৰে শিশুপালবধ ৰচনা কৰিছিল তাক সাব্যস্ত কৰে।

**বাকপতি :** কবি বাকপতিৰাজ কনৌজৰ ৰজা যশোবৰ্মাৰ সভাকবি আছিল। কবিৰ নিজৰ কথানুসৰি তেওঁ সকলো শাস্ত্ৰতে নিষ্ণাত আছিল ; কিন্তু কাব্যশাস্ত্ৰত তেওঁৰ অসাধাৰণ ব্যুৎপত্তি আছিল। ভাস, কালিদাস, সুবন্ধু, হৰিশচন্দ্ৰ, কুন্তীদেৱ আৰু ভৱভূতি তেওঁ প্ৰিয় কৱি আছিল। তেওঁ পৃষ্ঠপোষক ৰজা যশোবৰ্মা তেওঁৰ ওপৰত ইমানেই সন্তুষ্ট হৈছিল, তেওঁ কৱিক 'কৱিৰাজ' উপাধিৰে সন্মান জনাইছিল। বাকপতিয়ে আন্তৰিকতাৰে প্ৰাকৃত ভাষা ভাল পাইছিল আৰু প্ৰাকৃত কাব্য পঢ়ি বৰ আনন্দিত হৈছিল।

**গৌড়ৱহো :** গৌড়ৱহো বাকপতিৰ একমাত্ৰ উপলব্ধ কাব্যকৃতি। 'গৌড়ৱহো' কাব্যত বাকপতিয়ে যশোবৰ্মাৰ বঙ্গবিজয়ৰ ঐতিহাসিক আখ্যানক অমৰত্ব দান কৰিছে।

যশোবৰ্মাই যুদ্ধযাত্ৰা কৰা শুনি মগধৰাজে শঙ্কিত হৈ পৰে। অন্তত তেওঁ তেওঁৰ সহযোগী ৰজাসকলৰ লগহৈ কনৌজৰাজৰ সম্মুখীন হ'ল। যুদ্ধত মগধৰ ৰজা নিহত হ'ল তেওঁ দক্ষিণলৈও যুদ্ধযাত্ৰা কৰে। পাৰশীক ৰজাক তেওঁ পৰাভূত কৰে। কোঙ্কণৰ ৰজাই অনেক উপঢৌকন দি তেওঁ বশ্যতা স্বীকাৰ কৰে। তেওঁ বঙ্গৰাজ বিপক্ষে যুদ্ধ যাত্ৰা কৰি গৈ বঙ্গবিজয় সাব্যস্ত কৰে। তেওঁ মৰুভূমি আৰু শ্ৰীকণ্ঠদেশ জয় কৰে। শেষত তেওঁ প্ৰত্যাবৰ্তনৰ পথত অযোধ্যা পায়। মহেন্দ্ৰপৰ্বতবাসী কোৱঁৰৰ পৰাও তেওঁ কৰ লাভ কৰে।



**কাল :** যশোবৰ্মাৰ ৰাজত্বকাল আৰু বাকপতিৰ আৱিৰ্ভাৱ কাল খৃষ্টীয় অষ্টম শতাব্দী।

**শিৱস্বামী :** কৱি শিৱস্বামী ৮৫৫-৮৮৪ খৃষ্টাব্দৰ মাজছোৱাত কাশ্মীৰত ৰাজত্ব কৰা ৰজা অৱন্তিবৰ্মাৰ সভাকৱি আছিল। শিৱস্বামী বৌদ্ধধৰ্মৰ প্ৰতি অনুৰক্ত আছিল। তেওঁ ৰত্নাকৰৰ সমকালীন কৱি আছিল।

**কপ্পনাভ্যুদয় :** (খপ্পনাভ্যুদয়) তেওঁৰদ্বাৰা চৰিত এক মহাকাব্য। এই কাব্যখন ২০ টা সৰ্গত সমাপ্ত। কাব্যখন বুদ্ধবন্দনাৰে আৰম্ভ হৈছে। ইয়াৰ নায়ক দক্ষিণাপথৰ ৰজা কপ্পনে শ্ৰাৱস্তিৰ ৰজা প্ৰসেনজিতৰ বিৰুদ্ধে যুদ্ধযাত্ৰা কৰে। দিগ্বিজয় পথত নায়ক আৰু তেওঁৰ অনুচৰবৰ্গই মলয় পৰ্বতৰ মাজেৰে যাওঁতে কেই বাটিও ঋতুকাল কটাবলগীয়া হয়। পথত প্ৰেমিক—প্ৰেমিকাবৃন্দই বনবিহাৰৰ সুন্দৰ সুযোগ গ্ৰহণ কৰে। কপ্পনে যুদ্ধত জয়ী হলেও শেষত তেওঁ বৌদ্ধধৰ্মত দীক্ষা গ্ৰহণ কৰে।

কাব্যখনৰ মূলস্ৰোত অৱদান শতক। কাব্যখনে কিৰাতাৰ্জুনীয়ম্ আৰু শিশুপালবধৰ নমুনা অনুসৰণ কৰিছে। শব্দালংকাৰৰ ব্যৱহাৰ কমকৈ হোৱা নাই।

**ৰাজানক ৰত্নাকৰ :** ৰত্নাকৰ আছিল গঙ্গাহ্ৰদ নিৱাসী ৰাজানক দুৰ্ঘটৰ বংশধৰ। তেওঁৰ পিতৃৰ নাম অমৃতভানু। ৰজা চিপ্পত জয়াদিত্যৰ ৰাজত্ব কালতে ৰত্নাকৰে কৱিচৰিত্ৰ আৰম্ভ কৰে যদিও ৮৫৫—৮৮৪ খৃষ্টাব্দৰ মাজৰ কালছোৱাত ৰাজত্ব কৰা অৱন্তিবৰ্মাৰ ৰাজত্ব কালতহে তেওঁৰ খ্যাতি ব্যাপক হয়। তেওঁ বিদ্যাপতি বাগীশ্বৰ' খিতাপেৰে প্ৰসিদ্ধ হয়। ৰাজশেখৰে তেওঁৰ প্ৰশংসা কৰি কৈছে—

মাস্ম সন্তু হি চত্বাৰঃ প্ৰায়ো ৰত্নাকৰা ইমে।
ইতীৱ সকৃতো ধাত্ৰা কৱিৰত্নাকৰোঽপৰঃ॥

**হৰবিজয় :** কৱি ৰত্নাকৰে শিৱৰ আখ্যানৰ আধাৰত 'হৰবিজয়' নামে ৫০টা সৰ্গত এখন সুবৃহৎ কাব্য ৰচনা কৰে। শিৱপুৰাণৰ জ্ঞান সংহিতাত (৪৩—৪৪ অধ্যায়) চমুকৈ আৰু বামণ পুৰাণত অনেক অধ্যায় ব্যাপি দীঘলীয়াকৈ অন্ধকৰ বৃত্তান্ত কথিত হৈছে। একে কাহিনীৰ আধাৰতে ৰত্নাকৰে 'হৰবিজয়' ৰচনা কৰিছে। শিৱৰ অংশতে অন্ধকৰ জন্ম হয় ; জন্মৰ সময়ত পাৰ্বতীয়ে হাতেৰে চকু ঢাকিছিল বাবে নৱজাতক জন্মান্ধ হয়। পাছত অন্ধকক লালন-পালন কৰে দিতিয়ে। পিছত অন্ধকে কঠোৰ তপস্যা কৰি দৃষ্টি শক্তি লাভ কৰে। অন্ধকে দেৱতা সকলৰে যুঁজ কৰে আৰু শিৱৰ হাতত নিহত হোৱালৈকে ত্ৰিজগতৰ অধিপতি হয়। এই ক্ষুদ্ৰ কথাবস্তুকেই ৰত্নাকৰে নানান প্ৰকাৰৰ বৰ্ণনাৰে সম্বৰ্দ্ধিত কৰিছে। পোনতে প্ৰথম সৰ্গত শিৱৰ নগৰৰ বহল বিৱৰণ দিয়া হৈছে ; দ্বিতীয় সৰ্গত শিৱৰ তাণ্ডৱ নৃত্য বৰ্ণিত হৈছে। তৃতীয় সৰ্গত ঋতুৰ বৰ্ণনা আৰু চতুৰ্থ-পঞ্চম সৰ্গত মন্দৰ পৰ্বতৰ বৰ্ণনাই ঠাই পাইছে। ইয়াৰ পাছতে কেতবোৰ ঘটনা ঘটিছে। ৬ষ্ঠ সৰ্গত বসন্তৰ নেতৃত্বত ঋতুসকলে গৈ স্বৰ্গজেতা অন্ধকৰ বিপক্ষে শিৱৰ ওচৰত গোচৰ দিয়ে আৰু দেৱাদিদেৱৰ সহায় ভিক্ষা কৰে। চতুৰ্দশ সৰ্গলৈকে পৰবৰ্তী সৰ্গকেইটাত (৭—১৪) শিৱই তেওঁৰ অনুচৰ-

বৰ্গৰৈসৈতে বিভিন্ন আলোচনা-বিলোচনা কৰে—তাৰে আশ্ৰয়ত কৰিয়ে নিজৰ ৰাজনীতি সম্বন্ধীয় বিচক্ষণ জ্ঞানৰ পৰিচয় দাঙি ধৰে। অৱশেষত স্বৰ্গৰ সিংহাসন ত্যাগ কৰি যাবলৈ দিহা দি শিৱে অন্ধকলৈ দূত পঠিয়ায়। ইয়াৰ পিছৰ তেৰটা সৰ্গত (১৫—২৭) শিৱৰ অনুচৰসকলৰ লীলা, খেলা, কামক্ৰিড়া, সূৰ্যোদয়, সূৰ্য্যাস্ত আৰু উত্তাল সমুদ্ৰৰ বৰ্ণনা পোৱা যায়। ত্ৰিংশত্তম সৰ্গত দূত উপস্থিত হয় গৈ। ইয়াৰ পাছৰ সাত সৰ্গত (৩১—৩৮) সৰ্গৰ বিস্তাৰিত বৰ্ণনা কৰা হৈছে। তাৰ পাছৰ চাৰি সৰ্গত (৩৯—৪২) দৌত্যকৰ্ম নিষ্ফল হোৱাৰ বাবে শিৱে যুদ্ধৰ বাবে বিশদভাৱে আয়োজন কৰা বিৱৰণ দিয়া হৈছে। পিছৰ সৰ্গ কেইটা যুদ্ধৰ বৰ্ণনাৰে পৰিপূৰ্ণ-মাজতে মাথোন সপ্তচত্বাৰিংশত্তম সৰ্গত চণ্ডীস্তোত্ৰ এটি গোৱা হৈছে। এয়ে কাব্যৰ সংক্ষিপ্ত সাৰকথা। কাব্যখনে বৰ্ণনাৰ দৃষ্টিৰে বাণৰ কাদম্বৰীৰ প্ৰতিস্পৰ্ধী। মাঘৰ কাব্যৰ অলংকৰণৰ ছাঁ ইয়াত বিদ্যমান। যমকৰ প্ৰয়োগ উল্লেখনীয়। কীথে কাব্য-খনৰ গুণ সম্বন্ধে কৰি কৈছে—"Amid these defects the merits of single lines or passages can be realised."[1]

**হলায়ুধ ঃ** কৱি ভট্টিৰ আৰ্হিলৈ ব্যাকৰণৰ নিয়ম প্ৰয়োগৰ উদাহৰণ দিবলৈ কৱি হলায়ুধে 'কৱিৰহস্য' নামে এখন কাব্য ৰচনা কৰে। তেওঁৰ পৃষ্ঠপোষক ৰজা কৃষ্ণ এই কাব্যৰ নায়ক। নতুন কৱিক প্ৰশিক্ষণ দিবলৈকেই কৱিয়ে কাব্যখন ৰচনা কৰা কথা 'কৱিৰহস্য' নামটিয়ে ইঙ্গিত কৰে।

খৃঃ ৯৪০ অব্দত ৰাজত্ব কৰা ৰাষ্ট্ৰকূট নৃপতি কৃষ্ণকেই কৱিৰ পৃষ্ঠপোষক তথা কাব্যৰ নায়ক বুলি চিনাক্ত কৰা হৈছে। সেয়ে হলায়ুধৰ কাল খৃষ্টীয় দশম শতিকাৰ শেষ ছোৱা নিৰ্দিষ্ট হৈছে।

**ক্ষেমেন্দ্ৰ ঃ** 'ব্যাসদেৱ' আখ্যা প্ৰাপ্ত ক্ষেমেন্দ্ৰৰ পিতৃ আৰু পিতামহৰ নাম যথাক্ৰমে প্ৰকাশেন্দ্ৰ আৰু সিন্ধু। আগতে ক্ষেমেন্দ্ৰ 'শৈৱ' আছিল যদিও সোমা-চাৰ্য্যৰপৰা উপদেশলৈ 'বৈষ্ণৱভাগৱত' হৈ পৰে। তেওঁ অভিনৱ গুপ্তৰ ওচৰত বিদ্যাভ্যাস কৰে। কাশ্মীৰৰ ৰজা অনন্তৰ (১০২৯—১০৬৪ খৃষ্টাব্দ) সভাকৱি আছিল।

**ক্ষেমেন্দ্ৰৰ ৰচনাৱলী ঃ** ক্ষেমেন্দ্ৰ বহু প্ৰতিভাশালী কৱি আছিল। বৰ কম সংস্কৃত কৱিয়ে তেওঁৰ দৰে অনেক বিষয়ৰ ওপৰত বহু সংখ্যক গ্ৰন্থ ৰচনা কৰিবলৈ সক্ষম হৈছে। ক্ষেমেন্দ্ৰৰ গ্ৰন্থসমূহত চাৰিভাগত ভগাবলৈ পাৰি ঃ

১। কাব্যিক সংক্ষিপ্ত গ্ৰন্থ ঃ (১) ৰামায়ণ মঞ্জৰী বা ৰামায়ণ কথাসাৰ, (২) ভাৰত মঞ্জৰী, (৩) বৃহৎ কথা মঞ্জৰী, (৪) দশাৱতাৰচৰিত, (৫) বৌদ্ধাৱদান কল্পলতা বা অৱদানকল্পলতা ;

২। নীতিগৰ্ভ কাব্য ঃ (৬) কলাবিলাস, (৭) সময় মাতৃকা, (৮) চাৰ চৰ্য্যা-শতক, (৯) সেব্যসেৱকোপদেশ, (১০) দৰ্পদলন, (১১) দেশোপদেশ, (১২) নৰ্মমালা, (১৩) চতুৰ্বৰ্গ সংগ্ৰহ ;

১। Classical Sanskrit Literature, p. 45.



৩। ছন্দ আৰু অলংকাৰ ঃ (১৪) কৱিকণ্ঠাভৰণ, (১৫) ঔচিত্য বিচাৰ চৰ্চা, (১৬) সুবৃত্ততিলক ;

৪। সানমিহলি ঃ (১৭) লোকপ্ৰকাশ কোশ, (১৮) নীতিকল্পতৰু, (১৯) ব্যাস শতক আৰু (২০) নৃপাৱলী।

ইয়াৰ উপৰিও (১) শশীবংশ মহাকাব্য, (২) অমৃতৰঙ্গ কাব্য, (৩) অৱসৰ সাৰ, (৪) মুক্তাৱলী, (৫) লাৱণ্যৱতী, (৬) পৱন পঞ্চাশিকা, (৭) পদ্য কাদম্বৰী, (৮) নীতিলতা, (৯) বিনয়বল্লী, (১০) মুনিমত মীমাংসা,—এই দহখন গ্ৰন্থকো ক্ষেমেন্দ্ৰৰ ৰচনা বুলি কোৱা হয়।

আমি ইয়াত প্ৰথম পাঁচখন কাব্যগ্ৰন্থৰ চমু পৰিচয় তুলি ধৰিলোঁ। অন্য গ্ৰন্থবোৰৰ বিষয়ে আৱশ্যকতা অনুসৰি যথাস্থানত লিখাৰ আশা কৰিলোঁ।

(১) **ৰামায়ণমঞ্জৰী ঃ** ৰামায়ণমঞ্জৰী বাল্মীকি বিৰচিত সপ্তকাণ্ড ৰামায়ণৰ সংক্ষিপ্তসাৰ। গ্ৰন্থখন এইবাবে গুৰুত্বপূৰ্ণ আৰু মূল্যৱান যে ই একাদশ শতিকাত বাল্মীকি ৰামায়ণৰ অৱস্থা সম্বন্ধে বুজাত আমাক সহায় কৰে। কিন্তু কাব্য হিচাপে ইয়াৰ মূল্যমান নিম্নখাপৰ। প্ৰায়েই প্ৰকাশভঙ্গী অস্পতাৰে ভৰা। ইচ্ছাকৃত সংক্ষিপ্তীকৰণৰ ফলত শৈলী বৰকৈ ঘনীভূত হৈছে।

(২) **ভাৰতমঞ্জৰী ঃ** ভাৰতমঞ্জৰী ব্যাসকৃত মহাভাৰতৰ সংক্ষিপ্তসাৰ। এই গ্ৰন্থখন ৰচনা কৰি ক্ষেমেন্দ্ৰই নিজকে কৱিৰূপে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হয় আৰু 'ব্যাসদাস' উপাধিৰে বিভূষিত হয়। তাৰ ঈঙ্গিত গ্ৰন্থৰ অন্তিম শ্লোকত দিছে—

এষ বিষ্ণুকথাতীৰ্থ পূণ্যৱং সলিলোক্ষিতঃ।
প্ৰাপ্তঃ সামান্য জল্লোঽপি ক্ষেমেন্দ্ৰোঽগ্যকৱীন্দ্ৰতাম্।

গ্ৰন্থখনৰ কাব্যিক মহত্ত্ব তেনেই কম। মহাভাৰতৰ সুন্দৰ সাৰাংশ হ'লেও গ্ৰন্থখন নীৰস আৰু নিষ্প্ৰাণ যেন অনুভূত হয়। তথাপি সংস্কৃত সাহিত্যৰ ছাত্ৰৰ বাবেই এখন মহত্ত্বপূৰ্ণ গ্ৰন্থ। অন্ততঃ মহাভাৰতৰ মাজত প্ৰক্ষিপ্তাংশ আৱিষ্কাৰত ই সহায় কৰে।

(৩) **বৃহৎকথামঞ্জৰী ঃ**[1] জনপ্ৰিয় সাধুকথা বা গল্পৰ প্ৰসঙ্গত এই গ্ৰন্থখনৰ বিষয়ে আলোচনা কৰা হৈছে।

(৪) **দশাৱতাৰ চৰিত ঃ** এয়া বিষ্ণুৰ দশাৱতাৰ বিষয়ক আখ্যানসমূহৰ এক কাব্যিক প্ৰচেষ্টা। ইয়াক মৌলিক গ্ৰন্থ বুলিবলৈ নোৱাৰি। প্ৰথম নটা আখ্যানৰ বাবে কৱিৰ বৰ্ণনা পুৰাণৰ ওপৰত নিৰ্ভৰশীল। সপ্তম অধ্যায়ত ৰামাৱতাৰৰ যিটি আখ্যান বৰ্ণিত হৈছে তাত কৱিয়ে কিছু অভিনৱত্ব সংযোগ কৰিছে, আৰু ৰাৱণক তাৰ মধ্য বিন্দুৰূপে দেখুৱা হৈছে। বুদ্ধক দশাৱতাৰৰ এক অৱতাৰ ৰূপে প্ৰদৰ্শন কৰাৰ উদাহৰণ গুৰুত্বপূৰ্ণ।

(৫) **বৌদ্ধাৱদানকল্পলতা ঃ** বৌদ্ধজাতক কথাৰ সংকলন। ক্ষেমেন্দ্ৰই ১০৭টা পল্লৱ ৰচনা কৰে। তেওঁৰ পুত্ৰই আৰু এটা পল্লৱ যোগদি ১০৮টা পল্লৱেৰে গ্ৰন্থ সমাপ্ত কৰে।

১। কথা আখ্যানকৰ অধ্যায়ত 'বৃহৎকথা' সাবন্ধীয় আলোচনা পঢ়ক।

**শ্ৰীহৰ্ষ : জীৱনবৃত্ত :** পঞ্চমহাকাব্যৰ পঞ্চম আৰু 'বৃহৎত্ৰয়ী'ৰ অন্তিম বুলি জনাজাত 'নৈষধচৰিত'ৰ ৰচয়িতা শ্ৰীহৰ্ষ সম্বন্ধে কিছুমান কিম্বদন্তি আৰু লোকোক্তি প্ৰচলিত আছে। তাৰে এটি লোকোক্তিত কোৱা হৈছে : 'যেতিয়ালৈকে মাঘৰ উদয় হোৱা নাছিল তেতিয়ালৈকে ভাৰৱিৰ খ্যাতি অম্লান হৈ উজলি আছিল, মাঘৰ উদয়ত সি ম্লান পৰিল। একেদৰে শ্ৰীহৰ্ষৰ নৈষধচৰিত কাব্যাকাশত উদিত হোৱাত ভাৰৱিয়ে ক'ত ৰ'ল, মাঘেই বা ক'ত ৰ'ল ?

তাৱদ্ ভাৰৱেৰ্ভাতি যাৱন্মাঘস্যনোদয়ঃ।
উদিতে নৈষধে কাব্যে ক মাঘঃ ক চ ভাৰৱিঃ ॥'

জনা যায় যে মহাকৱি শ্ৰীহৰ্ষৰ পিতৃৰ নাম শ্ৰীহীৰ ( শ্ৰীহৰি ) আৰু মাতৃৰ নাম মামল্লদেৱী। নৈষধচৰিতৰ প্ৰতিটো সৰ্গৰ অন্তিম শ্লোকৰ পূৰ্বাধত কৱিয়ে নিজে কৈছে :

শ্ৰীহৰ্ষ কৱিৰাজৰাজিমুকুটালংকাৰহীৰঃ সুতং
শ্ৰীহীৰঃ সুষুৱে জিতেন্দ্ৰিয়চয়ং মামল্লদেৱীচ য়ম্।

কোনো কোনো পণ্ডিতে মাম্ + অল্লদেৱী বুলি পদচ্ছেদ কৰি কৱিৰ মাতৃৰ নাম 'অল্লদেৱী' বুলি প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰে। অন্য পণ্ডিতে আকৌ 'বাতাপি'ৰ চুবুৰীয়া মামল্লপুৰত শ্ৰীহৰ্ষৰ মাক-দেউতাকৰ ঘৰ আছিল বাবে তেওঁক মামল্লদেৱী বুলি লোকে মাতিছিল বুলি কয়।

শ্ৰীহীৰ এজন সুখ্যাত পণ্ডিত আৰু সুকৱি আছিল। তেওঁ কাশীৰাজ 'বিজয়চন্দ্ৰ'ৰ সভাৰ মুখ্যপণ্ডিত আছিল। এবাৰ ৰাজসভাত প্ৰসিদ্ধ নৈয়ায়িক উদয়নাচাৰ্যৰসৈতে শ্ৰীহীৰৰ শাস্ত্ৰাৰ্থবাদ অনুষ্ঠিত হয় আৰু তাত শ্ৰীহীৰ পৰাজিত হৈ বৰকৈ মানসিকভাবে আঘাত পায়। সেয়ে তেওঁৰ ৰোগত পৰিণত হ'ল। তেওঁ সভা ত্যাগ কৰি ঘৰতে সোমাই ৰ'ল। মৰণ সন্নিকট হোৱাত তেওঁ পুতেক শ্ৰীহৰ্ষক উদয়নাচাৰ্য্যৰ ওচৰত তেওঁ পৰাভূত হোৱাৰ প্ৰতিশোধ লবলৈ দৰাই কয় আৰু প্ৰাণত্যাগ কৰে। তেতিয়া শ্ৰীহৰ্ষই পিতৃবাক্য শিৰোধাৰ্য্য কৰি সজগুৰুৰ ওচৰলৈ গৈ তৰ্ক, ন্যায়, ব্যাকৰণ, জোতিষ, বেদান্তাদি দৰ্শন, যোগ আৰু মন্ত্ৰশাস্ত্ৰ সম্যকভাৱে আহৰণ কৰিলে। ( সম্ভৱতঃ কোনো সিদ্ধ পুৰুষৰ আদেশ ক্ৰমে ) এবছৰ কাল ধৰি চিন্তামণিমন্ত্ৰ জপ কৰি ত্ৰিপুৰাদেৱীৰ বৰ লাভ কৰি অসাধাৰণ কৱিত্ব শক্তি লাভ কৰে। কিন্তু তেওঁৰ কথা কোনেও বুজিবলৈ নোহোৱাত তেওঁ পুনশ্চ ত্ৰিপুৰাদেৱীক আৰাধনা কৰি সন্তুষ্ট কৰি ক'লে, 'হে মা, আপোনাৰপৰা বৰ লাভ কৰি মই যি প্ৰথৰ পাণ্ডিত্য লাভ কৰিলোঁ, তাত কিবা দোষ ৰ'ল ; ফলত মোৰ কথা কোনেও বুজি নেপায়। সেয়ে মোক এনে বৰ দিয়ক যাৰ ফলত মোৰ কথা লোকৰ বোধগম্য হয়।' দেৱীৰ কৃপাত শ্ৰীহৰ্ষৰ কথা লোকসমুদায়ৰ বোধগম্য হ'ল। তাৰ পাছত একাধিক গ্ৰন্থ প্ৰণয়ন কৰিলে। অনেক গ্ৰন্থ ৰচনা কৰি উঠি তেওঁ কনৌজৰ অধিপতি বিজয়চন্দ্ৰৰ ৰাজসভাত উপস্থিত হৈ ৰজাৰ স্তুতি কৰি এটি শ্লোক পঢ়িলে :

গোৱিন্দনন্দনতয়া চ বপুঃশ্ৰিয়া চ
মাহস্মিন্ নৃপে কুৰুত কামধিয়ং তৰুণ্যঃ।



প্ৰদ্যোতে পোনতে সেই কথা বিশ্বাস কৰিবলৈ টান পাইছিল। পিছত তেওঁ পতিয়ন গ'ল আৰু উদয়নক যথোচিতভাবে ৰাখিবলৈ আদেশ কৰে।

তৃতীয় অঙ্কত বিভিন্ন ছদ্মবেশত বৎসৰাজৰ মন্ত্ৰী যৌগন্ধৰায়ণ, ৰুমন্বান আৰু বিদূষক বসন্তকে ৰজাক উদ্ধাৰ কৰিবলৈ উপায় চিন্তা কৰে। সেইদৰে উদয়নকো বসন্তকে লগ ধৰি সতৰ্ক কৰি দিয়ে। ইতিমধ্যে উদয়ন বাসৱদত্তাৰ প্ৰেমপাশত আবদ্ধ হোৱা বুলি ভূপাই মন্ত্ৰীয়ে দুয়োকে উজ্জয়িনীৰপৰা ছলেৰে নিবলৈ আঁচনি কৰে।

চতুৰ্থ অঙ্কত উদয়ন আৰু বাসৱদত্তাই মাজৰাতি ভদ্ৰাৱতীত আৰোহণ কৰি নগৰৰপৰা পলায়ন কৰে। পলমকৈ তাৰ ভূপাই অনুসৰণ কৰা প্ৰদ্যোতৰ সৈন্যসকলক মন্ত্ৰী যৌগন্ধৰায়ণৰ লোকে বাধা দিয়ে। মন্ত্ৰী দৈৱক্ৰমে বন্দী হয়। পিছত মহাসেনে উদয়ন-বাসৱদত্তাৰ মিলন আৰু মুক্তি স্বীকাৰ কৰি লৈ মন্ত্ৰী যৌগন্ধৰায়ণক ভৃঙ্গাৰ যাঁচি সম্মান জনায়। ভৰতবাক্য গোৱাৰ পাছত নাটক সমাপ্ত হয়।

এই নাটকক নাট্যকাৰৰ শ্ৰেষ্ঠ নাটক স্বপ্নবাসৱদত্তাৰ পূৰ্ব পীথিকা বুলিব পাৰি। নাটকৰ চৰিত্ৰসমূহ বলিষ্ঠ, সংলাপবোৰ সুষম গদ্যময় আৰু ই বীৰৰস প্ৰধান। নাটকৰ নামাকৰণে মন্ত্ৰীৰ প্ৰতিজ্ঞা আৰু চৰিত্ৰ চিত্ৰণৰ গুৰুত্বকে তুলি ধৰে। উদয়ন আৰু বাসৱদত্তাক আঁৰত ৰাখিয়ে গোটেই ঘটনাটিক যিদৰে উপস্থাপন কৰা হৈছে, তাৰপৰা ভাসৰ চমৎকাৰ নাট্যকৌশলৰ আভাস পোৱা যায়।

১২। **স্বপ্নবাসৱদত্তম্ :** এইখন ভাসৰ সৰ্বোৎকৃষ্ট নাটক। ই স্বপ্ননাটক বুলিও জনাজাত। ইয়াৰ ঘটনাংশ প্ৰতিজ্ঞা যৌগন্ধৰায়ণ নাটকৰ পৰবৰ্তী ঘটনাৰ ওপৰত ভেটি কৰা।

উজ্জয়িনীৰপৰা মহাসেন প্ৰদ্যোতৰ পুত্ৰী বাসৱদত্তাক হৰণ কৰি কৌশাম্বীলৈ নিয়াৰ পাছত ৰজা উদয়ন তেওঁৰ প্ৰতি অতিকৈ আসক্ত হৈ ৰাজ্যৰ কাম-কাজৰ প্ৰতি আওকণীয়া হৈ পৰে। তাৰ ফলত তেওঁৰ ৰাজ্যৰ বুজন অংশ শত্ৰু সামন্ত ৰজা আৰুণিৰ কবলত পৰে। তেতিয়া মহামন্ত্ৰী যৌগন্ধৰায়ণে হৃতৰাজ্য উদ্ধাৰৰ বাবে উপায় চিন্তা কৰে তেওঁ মগধৰাজ দৰ্শকৰ ভনীয়েক পদ্মাৱতীৰেসৈতে ৰজা উদয়নৰ বিবাহ সম্পন্ন কৰি মগধৰ সৈন্যদলৰ সহায় হেৱোৱা ৰাজ্য উদ্ধাৰৰ বাবে যত্নপৰ হয়। মৃগয়াবিলাসী উদয়নে এবাৰ মৃগয়া কৰিবলৈ যোৱা সময়তে যৌগন্ধৰায়ণে ৰাণী বাসৱদত্তাক বিশ্বাসত লৈ দুয়োয়ে অগ্নিদগ্ধ হৈ মৃত্যুৰ গৰাহত পৰা বুলি প্ৰচাৰ কৰিলে।

নাটকৰ প্ৰথম অঙ্কত পৰিব্ৰাজকৰ বেশত যৌগন্ধৰায়ণ আৰু আৱন্তিকাৰ বেশত বাসৱদত্তাই লাৱাণকৰপৰা গৈ মগধৰ ৰাজধানী ৰাজগৃহৰ ওচৰত থকা তপোৱনত উপস্থিত হয়। আনহাতে ৰাজকুঁৱৰী পদ্মাৱতীয়ে লিগিৰী আৰু আন লোকৰসৈতে তপোৱনত থকা ৰাজমাওক দেখা কৰিবলৈ আহে। ৰাজকুঁৱৰীয়ে প্ৰাৰ্থীসকলক কাক কি লাগে মাগি লবলৈ আহ্বান কৰাত পৰিব্ৰাজকৰ বেশত যৌগন্ধৰায়ণে তেওঁৰ ওচৰলৈ গৈ নিজৰ ভনীয়েক বুলি পৰিচয় দি আৱন্তিকা বেশিনী বাসৱদত্তাক ন্যাসৰূপে কিছুদিন ৰাখিবলৈ অনুৰোধ জনায়। পদ্মাৱতী তেওঁৰ কথাত সন্মত হয়। এনেতে লাৱাণকৰ-

পৰা এজন ব্ৰহ্মচাৰী তালৈ আহি যৌগন্ধৰায়ণ আৰু বাসৱদত্তা অগ্নিদগ্ধ হৈ মৃত্যুবৰণ কৰাত উদয়ন শোকাতুৰ হৈ পৰা কথা জনায়।

পৰৱৰ্তী অঙ্কত পদ্মাৱতীয়ে কন্দুক খেলি থকা সময়ত এজনী চেটীয়ে জনায়হি যে উদয়ন আৰু পদ্মাৱতীৰ বিয়াৰ বন্দবস্ত হৈছে। তাকে শুনি তাত থকা বাসৱদত্তাৰ মনত অন্তৰ্দ্বন্দ্ব উপস্থিত হয়। (৩য় অঙ্কত পদ্মাৱতীৰ বিয়াৰ আয়োজন হয়। মহাৰাণীৰ ইচ্ছানুসৰি বাসৱদত্তাই বিৱাহৰ মঙ্গলমালা গাঁথিব লগীয়া হয়। পতিৰ বিৰহত ম্ৰিয়মানা বাসৱদত্তাই সেয়া নিয়াৰিকৈ কৰিলে নিজ ভাগ্যক ধিয়ায়। (৪ৰ্থ অঙ্কত) উপবনত বিচৰণ কৰা সময়তে পদ্মাৱতীয়ে পতি উদয়ন তেতিয়াও বাসৱদত্তাত আসক্ত বুলি জানিবলৈ পায়। (৫ম অঙ্কত) তাৰ ফলত তেওঁৰ মূৰ কামোৰণিৰ কথা জনা যায়। সেয়ে তেওঁৰ বাবে সমুদ্ৰ গৃহত শয্যা প্ৰস্তুত কৰি এহাতে আৱন্তিকা বেষিনী বাসৱদত্তাক আৰু আনহাতে ৰজাক পদ্মাৱতীৰ অসুখৰ কথা জনোৱা হয়। পোনতে ৰজাই গৈ উক্ত শয্যাত শুই পদ্মাৱতীলৈ অপেক্ষা কৰে। এনেতে বাসৱদত্তা আহি গধূলিৰ এমাডিমা পোহৰত চিনিবলৈ নোৱাৰি পদ্মাৱতী বুলি ভাবি তেওঁৰ ওচৰত শোৱে। এনেতে ৰজাই সপোনত বাসৱদত্তাক দেখি মাতে আৰু বাসৱদত্তাই পৰিস্থিতি বুজি ৰজাৰ প্ৰশ্নৰ উত্তৰ দিয়ে। ৰজাক স্পৰ্শ কৰি বাসৱদত্তা ওলাই যোৱাত, ৰজাই সাৰ পাই বাসৱদত্তাক বিচাৰে। এনেতে বসন্তকে তালৈ আহি তেওঁৰ ভ্ৰম আঁতৰাবলৈ যত্ন কৰে।

এই অঙ্কৰ শেষলৈ ৰাজ্যোদ্ধাৰৰ বাবে ৰজা উদয়নক সচেষ্ট হ'বলৈ কোৱা হয়। পাছত ৰাজ্যোদ্ধাৰৰ বতৰা পোৱা হয়।

শেষ অঙ্কত উজ্জয়িনীৰপৰা চেটী আৰু কঞ্চুকীৰ উপস্থিতিতে পৰিব্ৰাজক বেশী যৌগন্ধৰায়ণে ৰাজসভাত পদ্মাৱতীৰপৰা ন্যাসৰূপা আৱন্তিকাক ঘূৰাই পাবলৈ বিচাৰে। ইয়াতে সকলো ৰহস্য ভেদ হয়। ৰজা আৰু বাসবদত্তাৰ পুনৰ্মিলন হয়।

এই নাটকে নাট্যকাৰৰ নাট্য কৌশল সুন্দৰকৈ দাঙি ধৰে। ১ম, ৫ম আৰু ৬ষ্ঠ অঙ্ক তিনিটাৰ নাটকীয় কলা-কৌশল সচাঁকৈ চমকপ্ৰদ। স্বপ্নাঙ্কৰ উদাহৰণে সম্ভৱতঃ পিছলৈ ভৱভূতিকো প্ৰভাৱান্বিত কৰিছিল। ৬ষ্ঠাঙ্কৰ কৌশলবোৰে অভিজ্ঞান শাকুন্তলমৰ শেষাঙ্কলৈ আমাক মনত পেলাই দিয়ে। নাটকৰ ভাৱ-ভাষা আৰু সংলাপ নিঃসন্দে সুন্দৰ আৰু চৰিত্ৰসমূহো মানৱীয় গুণেৰে সমুজ্জ্বল। আনকি ৰস, অলংকাৰ আৰু ছন্দয়ো নাট্যকৃতিক মহনীয় কৰি তুলিছে।

(১৩) **চাৰুদত্ত :** চাৰুদত্তকেই ভাসনাটকচক্ৰৰ অন্তিম কৃতি বুলি কোৱা হয়। ই চাৰি অঙ্কীয়া নাটক। নাটকখন হঠাতে শেষ হৈছে। সেয়ে বহুতে ইয়াক অসমাপ্ত বুলি কয়। ইয়াৰ ভেটিতে পিছলৈ শূদ্ৰকে মৃচ্ছকটিক প্ৰকৰণ ৰচিছে বুলিও অভিমত পোৱা যায়।

নাটকৰ কথাবস্তু এনেকুৱা : চাৰুদত্ত নামে এক ব্ৰাহ্মণ বণিকে যথাসৰ্বস্ব হেৰুৱাই চৰিত্ৰমাত্ৰসাৰ হৈ উজ্জয়িনীত বাস কৰে। তেওঁৰ প্ৰতি নগৰৰ শ্ৰেষ্ঠ গণিকা বসন্তসেনা অনুৰক্তা হয়। এদিনাখন তেওঁ ৰাজপথেৰে যাওঁতে বিটক লগতলৈ নষ্টচৰিত্ৰ ৰাজশ্যালকে



তেওঁক অনুসৰণ কৰে। বসন্তসেনাই সিহঁতৰ হাত সাৰিবলৈ চাৰুদত্তৰ ঘৰত সোমায়। বসন্তসেনাই তেওঁৰ হাতত অলংকাৰ থৈ মৈত্ৰেয়ৰ সহায়ত নিজ ঘৰলৈ যায় (১ম অঙ্ক)।

আন এদিন চাৰুদত্তৰ সংবাহকে পাশাখেলত হাৰি দ্যূতকাৰৰ ভয়তে বসন্তসেনাৰ ঘৰত সোমাই চাৰুদত্তৰ প্ৰশংসাপৰ কথা কয়। বসন্তসেনাৰ ভৃত্য এজনেও চাৰুদত্তৰ বদান্যতাৰ উদাহৰণ দাঙি ধৰে। গণিকাই আৰু অধিককৈ চাৰুদত্তৰ প্ৰতি আকৃষ্ট হয়।

ইতিমধ্যে বসন্তসেনাৰ পৰিচাৰিকা মদনিকাৰ প্ৰেমাভিলাষী সজ্জলকে প্ৰেয়সীক মুকলি কৰিবলৈ চাৰুদত্তৰ ঘৰত সোমাই বসন্তসেনাই তাত এৰি অহা অলংকাৰ চুৰি কৰি আনে। তাকে দেখি মদনিকাই তেওঁক ভৰ্ৎসনা কৰি সেইবোৰ চাৰুদত্তই গণিকালৈ দি পঠিওৱা বুলি কবলৈ দিহা দিয়ে। বসন্তসেনাই তেওঁলোকৰ কথা আঁৰৰ পৰা শুনে। তাৰ মাজতে চাৰুদত্তৰ বিদূষক মৈত্ৰেয়ই বসন্তসেনাৰ অলংকাৰ জুৱাত হাৰিছে বুলি কৈ চাৰুদত্তৰ পত্নীৰ ৰত্নাৱলী দি থৈ যায়। এনেকে সজ্জলকেও বসন্তসেনাৰ অলংকাৰ চাৰুদত্তই দি পঠোৱা বুলি আনি তেওঁক দিয়ে। বসন্তসেনাই সেই অলংকাৰেৰে মদনিকাক সজাই-পৰাই সজ্জলকৰ হাতত সমৰ্পণ কৰে। তাৰ পিছত তেওঁ চাৰুদত্তৰ ওচৰলৈ যাবলৈ ওলায়। এনেতে নাটকৰ ওৰ পৰে।

চাৰুদত্ত নাটকৰ কাহিনী লোককথাৰ ওপৰত ভেটি কৰা। ই নাটকৰ কলা-চাতুৰ্য প্ৰকাশ কৰে। চৰিত্ৰসমূহ উজ্জ্বল মানৱীয় গুণসম্পন্ন। শৃঙ্গাৰ ৰসাত্মক নাটকৰ সংলাপ সমূহ সাৱলীল।

———

# তৃতীয় অধ্যায় (গ)

## মহাকৱি কালিদাসৰ নাটক

মহাকৱি কালিদাসৰ অমৰ ৰচনাৱলীৰ মাজত থকা তিনিখন নাটকৰ উল্লেখ পূৰ্বতে কৰি অহা হৈছে। সেই নাটক তিনিখন ৰচনা কালৰ ক্ৰমানুসৰি মালৱিকাগ্নিমিত্ৰম্, বিক্ৰমোৰ্বশীয়ম্ আৰু অভিজ্ঞানশকুন্তলম্।

শৈলী, নাট্য সংবিধান, ( নায়িকাৰ ) প্ৰতিনায়িকাৰ প্ৰাধান্য, বিদূষকৰ উচ্চ ভূমিকা, কৱিৰ পাণ্ডিত্য প্ৰদৰ্শনৰ স্পৃহা আৰু সৰ্বোপৰি নতুন নাট্যকাৰৰ আত্মসংশয় আদি নাটকত প্ৰতিফলিত তথ্যসমূহ বিবেচনা কৰি পণ্ডিতবৰ্গই 'মালৱিকাগ্নিমত্ৰম্' নাটকখনকে কৱিৰ প্ৰথম নাট্যৰচনা বুলি ঠাৱৰ কৰিছে। বিক্ৰমোৰ্বশীয়মক দ্বিতীয় নাটক আৰু অভিজ্ঞানশকুন্তলমক কৱিৰ তৃতীয় তথা অন্তিম নাটক বুলি ঠাৱৰ কৰিছে। বিক্ৰমোৰ্বশীয়মত কৱিয়ে কিছু আত্মপ্ৰত্যয় লাভ কৰিছে। তাত প্ৰতিনায়িকা এজনী হৈছেগৈ। বিদূষকৰ ভূমিকাও নিম্নগামী হৈছে আৰু নায়কৰ চৰিত্ৰৰ উৎকৰ্ষও ঘটিছে। কিন্তু পাণ্ডিত্য প্ৰীতি বাৰুকৈয়ে কৱিৰ নাট্যসংলাপত গদ্যতকৈ পদ্যৰ প্ৰাধান্য বাঢ়িছে। কমিছে।

অভিজ্ঞানশকুন্তলম্ সৰ্বাত্মকভাৱে কৱিৰ শ্ৰেষ্ঠ ৰচনা। ই অকল সংস্কৃত বা ভাৰতীয় সাহিত্যৰে শ্ৰেষ্ঠ নাটক নহয়, বিশ্বসাহিত্যৰেই ই এক অমৰ সৃষ্টি। নায়িকাৰ প্ৰতিদ্বন্দ্বিনী ইয়াত যিদৰে নাই, সিদৰে বিদূষকেও কাহিনীৰ ক'তো হস্তক্ষেপ কৰিবলৈ অৱকাশ পোৱা নাই। কৱিৰ বিনয়বচনে প্ৰৌঢ়তাৰ পৰিচয় দিছে। নাট্যসংবিধানো নিতান্ত পূৰঠ আৰু কলাকুশলতাৰে ভৰা। নাটকৰ কথাবস্তুও ভোগৰমাজেৰে আৰম্ভ হৈ ত্যাগৰ মাজেৰে সমাপ্ত হৈছে ; প্ৰেয়স্ শ্ৰেয়সত পৰিণতি লভিছে। সেয়েই কৱিৰ পূৰঠ মনৰ, পৰিপূৰ্ণ নাট্যকলাৰ প্ৰতিভূ হোৱা স্বাভাৱিক।

**মালৱিকাগ্নিমিত্ৰম্ ঃ**—নাটকৰ কথাবস্তুৰ মূলস্ৰোত ভাৰতীয় ইতিহাসৰ এখণ্ড। খ্ৰী. পূ. ১৭৮ অব্দত মগধৰ সম্ৰাট বৃহদ্ৰথক বিশ্বাসঘাতকতা পূৰ্বক বধ কৰি তেওঁৰ সেনাপতি পুষ্য ( পুষ্প? ) মিত্ৰই ব্ৰাহ্মণ শুঙ্গ বংশ প্ৰতিষ্ঠা কৰে আৰু পুত্ৰ অগ্নিমিত্ৰক মগধৰ ৰাজসিংহাসনত সম্ৰাটৰূপে অভিষিক্ত কৰি নিজে সেনাপতিৰ দায়িত্বভাৰ লৈ থাকে। কিন্তু অগ্নিমিত্ৰই পাটলিপুত্ৰৰ সলনি বিদিশাৰপৰাহে ৰাজ্যশাসন কৰিবলৈ ল'লে। নতুন সম্ৰাটৰ প্ৰতি দেশৰ বিভিন্ন ৰজাই আনুগত্য প্ৰকাশ কৰিলে। বিদৰ্ভৰ ৰাজ্যকোৱঁৰে মাধৱসেনেও অগ্নিমিত্ৰৰ প্ৰতি সৌজন্য প্ৰকাশ কৰিবলৈ ৰূপহী ভগিনী মালৱিকাক সম্ৰাটলৈ বিয়া দিবলৈ প্ৰস্তাৱ কৰিলে আৰু সি অগ্নিমিত্ৰৰ অনুমোদনো লাভ কৰিলে। মাধৱসেনে ভনীয়েকক লগত লৈ বিদিশালৈ যাত্ৰা কৰাত তেওঁৰ প্ৰতিদ্বন্দ্বী জ্ঞাতিবন্ধু যজ্ঞসেনে বিধিপথালি দিলে আৰু বাটতে মাধৱসেনক বন্দী



কৰিলে। কিন্তু মাধৱসেনৰ মন্ত্ৰী সুমতি আৰু তেওঁৰ বিধবা ভগ্নী কৌশিকীয়ে মালৱিকাক যজ্ঞসেনৰ হাতসৰুৱাই বিদিশা অভিমুখে খোজ পেলালে। এইবাৰ তেওঁলোক বন্য ডকাইতৰ হাতত পৰিল আৰু তাত ঘটা যুঁজত সুমতিৰ মৃত্যু হ'ল। তাকে দেখি ভগ্নী কৌশিকী মূৰ্চ্ছিতা হ'ল। দস্যুহঁতে মালৱিকাসহ সা-সম্পদ লুটি লৈ গ'ল। শেষত সিহঁতে বিদিশাৰ প্ৰত্যন্ত দুৰ্গৰক্ষক বীৰসেনৰ হাতত মালৱিকাক অৰ্পণ কৰিলে। বীৰসেন আছিল অগ্নিমিত্ৰৰ মহিষী ধাৰিণীৰ অন্ত্যজ ভ্ৰাতৃ। তেওঁ ৰূপহী বালিকা মালৱিকাক ভনীয়েক ধাৰিণীলৈ উপহাৰ ৰূপে পঠিয়ালে। ৰাণীয়ে সমাদৰ কৰি মালৱিকাৰ যথোপযুক্ত শিক্ষাৰ ব্যৱস্থা কৰিলে। মালৱিকাই নগৰৰ নাট্যাচাৰ্য্য গণদাসৰ অধীনত নৃত্য-গীত আৰু অন্যান্য কলা-শিল্পৰ পাঠগ্ৰহণ কৰিবলৈ ধৰিলে।

মূৰ্চ্ছাভঙ্গ হোৱাত বহুত দুখৰ মুখত পৰি কৌশিকীয়ে বৌদ্ধ পৰিব্ৰাজিকাৰ দীক্ষা লৈ বিদিশাত প্ৰৱেশ কৰিলে আৰু ৰাজপৰিয়ালৰে সৌহাৰ্দ্য স্থাপন কৰিলে। তেওঁ মালৱিকাৰপৰাও আত্মপৰিচয় গোপন কৰি ৰ'ল।

ইয়াৰ পৰবৰ্তী কথাংশ পাঁচ অঙ্ক-বিশিষ্ট নাটক মালৱিকাগ্নিমিত্ৰৰ বিষয়বস্তু ৰূপে পোৱা যায়।

**কথাবস্তু ঃ**—নাটকৰ প্ৰস্তাৱনাৰ পিছত থকা মিশ্ৰ বিষ্কম্ভকৰপৰা জনা যায় যে ৰজা অগ্নিমিত্ৰই দৈৱক্ৰমে নাট্যশালাত থকা এখন চিত্ৰত মালৱিকাৰ প্ৰতিচ্ছবি দেখি তেওঁৰ প্ৰেমাসক্ত হৈ সাক্ষাতভে তেওঁক পাবলৈ ব্যাকুল হৈ পৰিছে। গণদাস আৰু বকুলবালিকা নামে পৰিচাৰিকাৰ কথাৰ মাজেৰে মালৱিকা কিদৰে বীৰসেনৰ জৰিয়তে ৰাণীৰ গোচৰলৈ আহিল তাকো জনা যায়।

মূল অঙ্কত অগ্নিমিত্ৰই বিদৰ্ভৰাজ যজ্ঞসেনৰপৰা পত্ৰ পায়। তাত মাধৱসেনৰ চৰ্তসাপেক্ষ মুক্তি আৰু মাধৱসেনৰ ভগ্নীৰ অন্তৰ্ধানৰ কথাও প্ৰকাশ পায়। ৰজা অগ্নিমিত্ৰই বেগতে বিদৰ্ভ আক্ৰমণ কৰি মাধৱসেনক মুক্ত কৰিবলৈ জৰুৰীভাৱে বীৰসেনলৈ আদেশ দিয়ে।

নৰ্মসচিৱ, কামতন্ত্ৰ পৰায়ণ মন্ত্ৰী বিদূষক গৌতমে মালৱিকাৰে ৰজাৰ গোপন সাক্ষাতৰ ব্যৱস্থা কৰা কথা ৰজাক জনায়। ইতিমধ্যে দুয়োজন নাট্য-নৃত্যাচাৰ্য্য গণদাস আৰু হৰদত্তৰ মাজত প্ৰতিদ্বন্দ্বিতাৰ ভাৱ জগাই দি দুয়োৰে শিষ্যাৰ নৃত্যকৌশল প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হয়। পৰিব্ৰাজিকা কৌশিকী সেই নৃত্য প্ৰতিযোগিতাৰ বিচাৰক নিযুক্ত হয়।

দ্বিতীয় অঙ্ক নাট্যশালতে মুকলি হয়। তাত পৰিব্ৰাজিকাৰ কথামতে পোনতে গণদাসৰ শিষ্যা মালৱিকাৰ নৃত্য-গীতৰ প্ৰদৰ্শন আৰম্ভ হয়। গীতৰ কথাৰে নৃত্য-পটীয়সীয়ে ৰজাৰ প্ৰতি প্ৰণয়ভাৱ প্ৰকাশ কৰে। নৃত্যৰ পাছত বিদূষকে কথাৰ ছলেৰে ক্ষন্তেকলৈ ৰজাৰ সমুখত মালৱিকাক ৰখোৱা অৱকাশতে ৰজা আৰু মালৱিকাৰ যি দৃষ্টি বিনিময় হয় তাৰে গাত লাগি দুয়োৰে প্ৰেম অনুৰাগ গাঢ়তৰ হ'ল। দুপৰীয়া হোৱা বাবে হৰদত্তৰ শিষ্যাৰ নৃত্য প্ৰদৰ্শন বাতিল হৈ যায়।

তৃতীয় অঙ্কৰ আদিতে ৰাজোদ্যানৰ অশোকগছ প্ৰফুল্লিত হোৱাত বিলম্ব হোৱা কথা জনা যায়। গতিকে ৰাণীয়ে ফুলৰ গছত পদাঘাত কৰিবলৈ মালৱিকাক তালৈ পঠিয়ায়। ইতিমধ্যে ৰজা আৰু বিদূষক গৌতম উদ্যানলৈ আহে আৰু আঁৰৰপৰা মালৱিকা আৰু লিগিৰীৰ কথা আৰু কাৰ্য্যলৈ চকু দিয়ে। এনেতে ইৰাৱতীয়ে নিপুণিকাৰেসৈতে উদ্যানলৈ আহি মালৱিকাইঁতৰ কাৰ্য্য গোপনে নিৰীক্ষণ কৰিবলৈ ধৰে। কিন্তু মালৱিকা আৰু বকুলবলিকাই আন কোনো লোকৰ উপস্থিতিৰ কথা নাজানি নিজ কাৰ্য্যত ব্যাপৃত থাকে। ৰজাই তৃতীয় পক্ষৰ অৱস্থানৰ কথা নাজানি মালৱিকাৰ কাষ চাপি নিজৰ প্ৰণয় নিবেদন কৰে। এনেতে ধুমুহাৰ দৰে তাত ইৰাৱতীৰ আৱিৰ্ভাৱে প্ৰণয়ীযুগলক বিপাঙত পেলায়। ৰজাই হাতে-লোটে ধৰা পৰি ইৰাৱতীৰ চৰণত পৰি ক্ষমা ভিক্ষা কৰিও ক্ষমা লাভ কৰিবলৈ সক্ষম নহ'ল।

চতুৰ্থ অঙ্কত ধাৰিণীয়ে মালৱিকাক লিগিৰী বকুলবলিকাৰসৈতে নিভৃত কক্ষত বন্দী কৰি থৈ নিজৰ (ৰাণীৰ) হাতৰ নাগমুদ্ৰিকা নেদেখুৱালৈকে এৰি নিদিবলৈ ৰক্ষীক কঢ়া আদেশ শুনায়। ৰাণী ধাৰিণীয়ে ৰোগৰ প্ৰকোপত শয্যাশায়িনী। গৌতমে হ'লে ৰজাৰ প্ৰেয়সীক মুক্ত কৰাৰ ছেলু বিচাৰি ফুৰিছে। তেওঁ উদ্যানত ফুৰোঁতে বুঢ়া আঙুলিত ফেটী সাপে খুটিছে বুলি কৈ তেওঁৰ বৃদ্ধামাকক চোৰা-চিটা কৰিবলৈ ৰজাক কৈ আসন্ন মৃত্যুৰ বাবে সাজু হয়। ইতিমধ্যে সৰ্পবৈদ্য আহি বিষ জাৰিবলৈ নাগমুদ্ৰিকা এটি বিচাৰে। বিদূষকৰ দুঃখত দুঃখিতা ৰাণী ধাৰিণীয়ে অন্য কথা নেভাবি-নুগুনি নিজৰ হাতত থকা মুদ্ৰিকাটো দিয়ে। বিদূষক ইয়াৰবলৈ যমৰ হাত সাৰিলে আৰু নাগমুদ্ৰিকাটি মালৱিকাক মুক্ত কৰা কাৰ্য্যত ব্যৱহাৰ কৰিলে। ইবাৰ সমুদ্ৰ গৃহত ৰজা আৰু মালৱিকাৰ সাক্ষাতৰ ব্যৱস্থা হ'ল। কিন্তু ইবাৰো ইৰাৱতী তাত বৈৰী হৈ পৰিল। ইতিমধ্যে ৰাজকন্যা বান্দৰীৰ ভয়ত অশ্বস্ত বুলি অজুহাত দেখুৱাই ৰজা সাৰিল। ইতিমধ্যে অশোক ফুলিছে বুলি বাতৰি পোৱা গৈছে।

পঞ্চম অঙ্কত ধাৰিণীৰ মন কুমলিছে। অশোকৰ তলতে ৰজাৰ হাতত মালৱিকাক অৰ্পণ কৰিবলৈ আয়োজন চলিছে। ৰজা, ৰাণী, মালৱিকা প্ৰভৃতি আটায়ে অশোকৰ ছাঁত আসীন। তেনেতে খবৰ ওলাল যে বীৰসেনে বিদৰ্ভ জয় কৰি অনেক উপঢৌকনেৰে-সৈতে দুজনী লিগিৰীও অনা হৈছে। তেওঁলোকেও অশোকৰ গুৰিলৈ গৈ ওলাল। তেওঁলোকে গৈ মালৱিকাক বিদৰ্ভ কুঁৱৰী বুলি চিনি পালে। তেতিয়া পৰিব্ৰাজকাই তাহানিখন বিদৰ্ভৰপৰা বিদিশাৰ পথত ঘটি যোৱা সকলো ঘটনা সকলোৰে সমুখত বিবৰি ক'লে। এতিয়া মালৱিকা আৰু অগ্নিমিত্ৰৰ মিলনৰ পথ অধিক সুগম হ'ল। এনেতে ধাৰিণীৰ পুত্ৰ বসুমিত্ৰৰ হাতত গ্ৰীকসকল পৰাভূত হোৱা আৰু অশ্বমেধ যজ্ঞলৈ সকলোটিকে আমন্ত্ৰণ জনোৱা বাতৰিও সদৰি হ'ল। ৰজা আৰু মালৱিকাৰ মিলনত একমাত্ৰ ইৰাৱতী হে সতিনীৰ দাহত কষ্ট-পীড়িতা হৈ ৰ'ল। আন সকলোকে আনন্দিত কৰি নাটকৰো পৰালি পৰিল।

নাটকখন কৱিৰ আদ্যৰচনা। সেইবাবেই হয়তো নাট্যকাৰে নায়ক আৰু নায়িকাকে



অধিক ক্ৰিয়াশীল কৰি গঢ়িবলৈ নোৱাৰিলে। প্ৰতিটো কথাতে অগ্নিমিত্ৰ বিদূষকৰ মুখাপেক্ষী। প্ৰেম-পৰিণয়ত লিপ্ত বহুবল্লভ অগ্নিমিত্ৰ ভাৰতীয় সামন্তযুগৰ প্ৰতিনিধি। তেওঁৰ পিতৃ আৰু পুত্ৰ বীৰৰসৰ নায়ক আৰু তেওঁলোকৰ পুত্ৰ আৰু পিতৃ হৈও অগ্নিমিত্ৰ শৃঙ্গাৰৰসৰ নায়ক। তেওঁৰ সাম-দান-দণ্ড-ভেদ-দণ্ডাদি উপায়বোৰ নৰ্মসচিব আৰু পৰিব্ৰাজিকাৰ বিচাৰাধীন। ধাৰিণী আৰু ইৰাৱতীৰ ভয়ত ত্ৰাসিত ৰজাই উদ্ধাৰৰ হেতু নৰ্মসচিৱৰ ছত্ৰছায়া বিচাৰে। তথাপি তেওঁ সংস্কৃতিৱান; নাট্য-নৃত্য-সঙ্গীতৰ তেওঁ প্ৰেমী। চিত্ৰকলাৰো প্ৰশংসক।

নায়িকা মালৱিকাও ধাৰিণীৰ সজাৰ পক্ষী। তথাপি তেওঁৰ নৃত্য আৰু সঙ্গীত কুশলতাই গণদাস প্ৰভৃতিৰ প্ৰশংসা পাইছে। তেওঁৰ মূল সম্পদ তেওঁৰ সুকুমাৰ ৰূপ-সৌন্দৰ্য্য। কায়া নেলাগে তেওঁৰ ছাঁয়া বা চিত্ৰয়ো অগ্নিমিত্ৰৰ দৰে ৰজাৰ চকুত চমক লগাবলৈ পাৰে। তেওঁৰ বিনয়বত্তা আৰু ধাৰিণীৰ প্ৰতি আনুগত্য অপৰিসীম।

ধাৰিণী আৰু ইৰাৱতীৰ মাজত প্ৰথমজনী সকলো দিশতে উচ্চ। ৰজাৰ প্ৰতি কেতিয়াও তেওঁ অবিচাৰ কৰা নাই। লোকৰ দুঃখকষ্ট দেখি তেওঁৰ হৃদয় আৰ্দ্ৰ হৈ পৰে. ৰজা আৰু মালৱিকাৰ প্ৰতি সহানুভূতিশীল হৈয়ে তেওঁ তেওঁলোকৰ মিলনৰ সেতু ৰচনা কৰে। কিন্তু ইৰাৱতীৰ ব্যৱহাৰ কোনোপধ্যে প্ৰশংসনীয় নহয়। ৰজাৰ প্ৰতি তেওঁ একাধিকবাৰ অসজ আচৰণ কৰিছে। প্ৰায়ে সুৰাসক্ত হৈ তেওঁ সতিনীৰ দাহত জ্বলি পুৰি মৰে।

পৰিব্ৰাজিকা আৰু বিদূষকৰ ভূমিকাই নাট্যকাৰ্য্যত প্ৰভূত সহায় কৰিছে।

নাটকৰ আখ্যানভাগে মৌৰ্য্যৰ বেলিমাৰৰ পাছত শুঙ্গসকলৰ তিনি পুৰুষৰ কথা দাঙি ধৰে। বিদৰ্ভ আৰু গ্ৰীকসকলৰসৈতে শুঙ্গসকলৰ সম্বন্ধৰ কথাও ইঙ্গিত কৰে

কৱিয়ে তেওঁৰ পূৰ্বসূৰী কৱিসকলৰ বিষয়েও তথ্য দাঙি ধৰে: 'প্ৰথিতযশসাং ভাসসৌমিল্লকৱিপুত্ৰাদীনাং প্ৰবন্ধান্ অতিক্ৰম্য বৰ্তমানকৱেঃ কালিদাসস্য ক্ৰিয়ামিমাং স্ৰষ্টুং কথং পৰিষদো বহুমানঃ।' সৌমিল্ল আৰু কৱিপুত্ৰৰ কোনো গ্ৰন্থ পোৱা নগ'লেও ভাসৰ অনেক নাটক এতিয়া পোৱা গৈছে আৰু তেওঁৰ কাল নিৰূপণত কালিদাসৰ তথ্যময় বক্তব্যৰ তুলনা নাই।

(২) বিক্ৰমোৰ্ৱশীয়ম্ঃ 'বিক্ৰমোৰ্ৱশীয়ম্' কালিদাসৰ দ্বিতীয় নাট্যকৃতি। মালৱিকাগ্নিমিত্ৰম্ আৰু অভিজ্ঞানশকুন্তলম্ ৰচনাৰ মধ্যবৰ্তী কালত কৱিজনে বিক্ৰমোৰ্ৱশীয়ম্ ৰচনা কৰিছিল। আলংকাৰিক সাহিত্যশাস্ত্ৰীসকলৰ মতে বিক্ৰমোৰ্ৱশীয়ম্ এখন ত্ৰোটক শ্ৰেণীৰ ৰূপক।[১] ইয়াত পাঁচটা অঙ্ক আছে আৰু ইয়াৰ নায়ক-নায়িকা দিব্য মনুষ্য দুয়োলোকৰ অন্তৰ্গত।

---

১। সপ্তাষ্টনৱপঞ্চাঙ্কং দিব্যমানুষসংশ্ৰয়ম্।
ত্ৰোটকং নাম তত্ৰাহুঃ প্ৰত্যঙ্কং সবিদূষকম্॥ সা॰ দ॰।

**মূলোৎস** ঃ—পুৰূৰবা আৰু উৰ্বশীৰ কাহিনীক উপজীব্য কৰি কৰি কালিদাসে বিক্ৰমোৰ্বশীয়ম্ ৰচনা কৰে। পুৰূৰবাৰ জন্ম চন্দ্ৰপুত্ৰ বুধৰ ঔৰসত, মনুপুত্ৰী (?) ইলাৰ গৰ্ভত। ৱামন পুৰাণৰ মতে উৰ্বশীৰ জন্ম হয় মহৰ্ষি নাৰায়ণৰ উৰুৰপৰা। তেওঁ অযোনিসম্ভৱা। বৈদিক আৰু লৌকিক সাহিত্যৰ অনেক গ্ৰন্থত উৰ্বশী-পুৰূৰবাৰ প্ৰেমকথা নানান ভাৱে বৰ্ণিত হৈছে। ঋগ্বেদৰ ১০।৯৫ সূক্তটিত উৰ্বশী-পুৰূৰবাৰ প্ৰণয়ভঙ্গৰ পাছত হোৱা কথোপকথনৰ এটি চিত্ৰ পোৱা যায়। তাৰ আগছোৱা কথা ৱাজসনেয়ী সংহিতাৰ অন্তৰ্গত শতপথ ব্ৰাহ্মণত কথিত। লৌকিক সাহিত্যৰ ভিতৰতে পোনতে ৰামায়ণত অভিযাৰলৈ গৈ মিত্ৰবৰুণৰ উৰ্বশী কাশীৰজাৰ পত্নী হৈ মৰ্ত্যত থাকিবলৈ অভিশপ্তা হোৱা কথা পোৱা যায়। ইয়াৰ বিপৰীতে মৎস্যপুৰাণে কিদৰে ধৰ্মক পুৰূৰবাই বাচনি কৰা বাবে অৰ্থ আৰু কামে অভিশাপ দিছিল তাৰে আখ্যান কয়। কামৰ অভিশাপে পুৰূৰবাক উৰ্বশীৰপৰা বিযুক্ত হোৱাৰ কাৰণ হৈ পৰে। মৎস্যপুৰাণৰ কাহিনীৰ শেষচোৱা নাটকৰে সমান। ইন্দ্ৰৰ সভাত অভিনয়ত ভাগলৈ কৰা প্ৰমাদৰ বাবে ভৰতে অভিশাপ দিয়ে। অভিশাপৰ ফলত উৰ্বশী পুৰূৰবাৰপৰা ৫৫ বছৰ আঁতৰি থাকে। তাৰ পাছত হোৱা পুনৰ্মিলনৰ ফলত আয়ু প্ৰভৃতি আঠপুত্ৰৰ জন্ম হয়।

বিষ্ণুপুৰাণৰ কাহিনী বৈদিক কাহিনীৰ দৰেই ব্ৰাহ্মণ্য ৰঙেৰে সনা। ভাগৱত পুৰাণৰ আখ্যানটিও বেদানুগ আৰু ঋগ্বেদৰ সংবাদ সূক্তৰ অনুবাদ স্বৰূপ।

বৃহৎকথাৰ অনুবাদ কথাসৰিৎসাগৰত প্ৰাপ্ত কথাতো পুৰূৰবাক বিষ্ণুভক্ত কৰি দেখুৱা হৈছে। ইন্দ্ৰৰ হকে যুঁজি অসুৰক পৰাভূত কৰাৰ পুৰস্কাৰৰূপে পুৰূৰবাই উৰ্বশীক লাভ কৰে আৰু ইন্দ্ৰৰ সভাত নচা ৰম্ভাৰ স্খলন দেখি হঁহা বাবে তুম্বুৰুৰ অভিশাপক্ৰমে পুৰূৰবাই আকৌ উৰ্বশীক কিছুকালৰ বাবে হেৰুৱাব লগীয়া হয়। পিছে বিষ্ণুক স্তুতি কৰি সন্তুষ্ট কৰাৰ পাছত বিষ্ণুৰ বৰৰ ফলত পুৰূৰবা-উৰ্বশীৰ পুনৰ্মিলন সম্ভৱ হয়। পদ্মপুৰাণতো উৰ্বশী-পুৰূৰবাৰ কাহিনী বিদ্যমান। কালিদাসে বেদ-ইতিহাস, পুৰাণৰপৰা কথাভাগ ল'লেও নাট্যবস্তুত অভিনৱত্বৰ ৰং সানিছে আৰু তাক অধিক মধুৰ-ৰূপত সজাইছে।

**নাট্যবস্তু** ঃ নান্দী আৰু প্ৰস্তাৱনাৰ পাছত প্ৰথমাঙ্কত কেশীদৈত্যৰ আক্ৰমণত ভীতা-সন্ত্ৰস্তা অপ্সৰাসকলৰ কান্দোনৰ ধ্বনি শুনি পুৱাবেলা সূৰ্যোপাসনা কৰি প্ৰত্যাৱৰ্তন কৰা পুৰূৰবাই অপ্সৰাসকলক সহায় কৰিবলৈ ঢাপলি মেলে। অপ্সৰাসকলৰ নিবেদনক্ৰমে ৰজাই কেশীদৈত্যক পৰাস্ত কৰি তেওঁৰ হাতৰপৰা অপহৃতা উৰ্বশী আৰু চিত্ৰলেখাক উদ্ধাৰ কৰি হেমকূটলৈ যায়। মূৰ্চ্ছিতা উৰ্বশীয়ে চেতনা ঘূৰাই পাই ত্ৰাণকৰ্তা ৰজাৰ মোহনমূৰুতি দেখি প্ৰেমাকৰ্ষণ অনুভৱ কৰে। ৰজায়ো উৰ্বশীৰ অতুলনীয় ৰূপ দেখি নিতান্ত আকৰ্ষিত হয়। প্ৰেমানুৰাগেৰে চিত্ত ৰঙীন কৰি দুয়ো নায়ক-নায়িকাই স্ব-স্ব স্থানলৈ প্ৰত্যাৱৰ্তন কৰে।

দ্বিতীয় অঙ্কৰ আদিত থকা বিষ্কম্ভকত ৰজাৰ অনৱস্থাৰ কথা ৰাণীৰ সহচৰী আৰু



ৰজাৰ সহচৰৰ জৰিয়তে প্ৰকাশিত হয়। মূলাঙ্কত প্ৰমোদ বনত ৰজাই বিদূষকক নিজৰ মনোগত কথা কৈ থাকোঁতে উৰ্বশী তালৈ আহি তেওঁৰ প্ৰতি ৰজাৰ আসক্তিৰ কথা পোনপটীয়াকৈ শুনি ভূৰ্জপত্ৰত প্ৰেমপত্ৰ লিখি ৰজাৰ আগত পেলায় দি তিৰস্কৰণী বিদ্যাৰে অদৃশ্য হৈ থাকে। ৰজাই সেই পত্ৰ পোৱাৰ পাছত উৰ্বশীয়ে অদৃশ্য মায়াজাল ত্যাগ কৰি ৰজাৰে সাক্ষাৎ কৰে। এনেতে ইন্দ্ৰৰ সভাত অনুষ্ঠিত হবলগীয়া 'লক্ষ্মী-স্বয়ম্বৰ' নাটকত অংশগ্ৰহণ কৰিবলৈ উৰ্বশীক মাতি নিয়া হ'লত প্ৰেম চৰিতাৰ্থ নহ'ল। বৰঞ্চ ৰাণীৰ ঔশিনৰী আৰু নিপুণিকাৰ আগমনে ৰজাক কিছু বিব্ৰত অৱস্থাতহে পেলালে। প্ৰেমপত্ৰখন ৰাণী হাতত পৰাত তেওঁ ঈৰ্ষা প্ৰকাশ কৰি ৰজাক বিদ্ৰূপাত্মক অভিনন্দন জনাই আঁতৰি যায়।

তৃতীয় অঙ্কৰ আদিত থকা বিষ্কম্ভকত নিম্ন চৰিত্ৰৰ সংলাপৰ মাজেৰে উৰ্বশী অভিশপ্তা হৈ মৰ্ত্যত পুৰূৰবাৰ ভাৰ্যাৰূপে জীৱন-নিৰ্বাহ কৰিবলগীয়া হোৱা কথা প্ৰকাশ পায়। ভৰত মুনি পৰিচালিত 'লক্ষ্মী স্বয়ম্বৰ' নাটকৰ নামভূমিকাত অভিনয় কৰি উৰ্বশীয়ে সংলাপত 'পুৰুষোত্তম'ৰ ঠাইত 'পুৰূৰৱা'ৰ নামোচ্চাৰণ কৰাৰ ভুলতেই অভিশাপৰ গোৰখাই গঙ্গাৰূপ 'পুৰূৰবা'ৰ কাষত পৰিলগৈ।

মূল অঙ্ক পুৰূৰবাই প্ৰাসাদৰ ওপৰৰ একাংশত ঔশিনৰীৰেসৈতে সাক্ষাৎ কৰিবলৈ গৈ অপেক্ষাৰত অৱস্থাত তাত উৰ্বশী আৰু চিত্ৰলেখা উপস্থিত হয় আৰু অদৃশ্য হৈ থাকে। ঔশিনৰীয়ে তালৈ আহি ৰজাৰ ওচৰত তেওঁৰ পূৰ্বকৃত কঠোৰ ব্যৱহাৰৰ বাবে ক্ষমা খোজে আৰু যিকোনো অভিনৱ ৰাণী বা প্ৰেমিকাৰে মিলনৰ বাটত বাধা নিদিব বুলি কয়। ঔশীনৰী যোৱাৰ পাছত উৰ্বশীয়ে পাছ ফালৰপৰা ৰজাৰ চকুত আবৰি ধৰে। চিত্ৰলেখাই ৰজাৰ হাতত উৰ্বশীক গতাই দি বিদায় লয়।

চতুৰ্থ অঙ্কৰ আদিতে থকা এক প্ৰৱেশকত চিত্ৰলেখা আৰু সহজন্যাৰ মাজত হোৱা কথোপকথনে উদঙায় দিয়ে যে পুৰূৰবা উৰ্বশীৰেসৈতে বিহাৰ কৰিবলৈ গন্ধমাদন পৰ্বতলৈ যোৱাৰ পাছত তাত পুৰূৰবাৰ সামান্য কথাতে ওজৰ ধৰি উৰ্বশীয়ে কাৰ্তিকৰ স্ত্ৰীনিষিদ্ধ বনত প্ৰৱেশ কৰি লতাত পৰিণত হয়।

সমগ্ৰ চতুৰ্থ অঙ্কত বিৰহাতুৰ পুৰূৰবাৰ উন্মাদ অৱস্থাৰ চিত্ৰ অঙ্কিত হৈছে। প্ৰিয়াৰ বিৰহত তেওঁ স্কন্দৰ বনত প্ৰৱেশ কৰি ঘূৰি ফুৰোঁতে এটি মণি পায়। সেই মণিৰ প্ৰভাৱতে দৈৱৱশতঃ এজুপি লতাক আকোৱালি ধৰে আৰু সেই লতাজুপি উৰ্বশীৰ ৰূপ পায়। এনেদৰে পুনৰ্মিলন হোৱাত তেওঁলোক ৰাজধানীলৈ উভতি আহে।

পঞ্চম অঙ্কত উৰ্বশী আৰু ৰজাৰে পুত্ৰ আয়ুৰ মিলন হয়। পূৰ্বতে অভিশাপৰ সময়ত ভৰতে কৈছিল যে পুৰূৰবাই পুত্ৰৰ মুখ দৰ্শন কৰিলে উৰ্বশীয়ে শাপমুক্ত হৈ স্বৰ্গলৈ উভতি যাব। উৰ্বশীয়ে পুৰূৰবাৰপৰা বিযুক্ত হোৱাৰ ভয়ত প্ৰসৱৰ পাছতে পুত্ৰ আয়ুক চ্যৱনৰ আশ্ৰমত থৈ আহিছিল। আয়ুৰ আগমনত উৰ্বশীয়ে ৰজাক সকলো কথা কৈ যাবলৈ ওলায়। ৰজায়ো সন্ন্যাস লোৱাৰ সংকল্প কৰে।

এনেতে নাৰদে আহি জনায় যে ইন্দ্ৰৰ আজ্ঞানুসৰি উৰ্ৱশী চিৰকাল পুৰূৰৱাৰ পত্নীৰূপে থাকিব। ইয়ানতে নাটকৰ পৰিসমাপ্তি হয়।

সমীক্ষা ঃ পুৰূৰৱা এজন ধীৰোদাত্ত নায়ক। আৰ্তজনৰ ত্ৰাণকৰ্তা ৰূপে তেওঁৰ চৰিত্ৰ অম্লান। কিন্তু তেওঁ প্ৰথমতঃ এক আদৰ্শ প্ৰেমিক, পিছতহে তেওঁৰ ৰাজচৰিত্ৰ বিকশিত হৈছে। সমগ্ৰ চতুৰ্থ অঙ্ক পৰিব্যাপ্ত কৰি তেওঁ উৰ্ৱশী বিৰহত যি বেদনা প্ৰকাশ কৰিছে তাৰ তুলনা ৰঘুবংশৰ অজৰ বিলাপেৰে কৰিব পাৰি।

পুৰূৰৱাৰ জন্ম চন্দ্ৰবংশত হ'লেও তেওঁৰ মাতৃ ইলা আছিল সূৰ্য্যৰ নাতিনী। সেয়ে তেওঁৰ চৰিত্ৰত এহাতে সূৰ্য্যৰ প্ৰখৰ উত্তাপৰ দৰে শৌৰ্য্য-বীৰ্য্যৰ উন্মেষ দেখা গৈছিল; আনহাতে চন্দ্ৰৰ শীতল অমৃতময় পোহৰৰ দৰে সুকোমল প্ৰেম-নিৰ্ঝৰেৰে তেওঁৰ অন্তৰহৃদ ভৰি আছিল। নিজ বল-বীৰ্য্যৰ গুণত তেওঁৰ ত্ৰিভুৱনত অবাধ গতি আছিল। সেয়ে মেৰৰ গাঁৰত লুকাই অপ্সৰা হৰণ কৰা কেশী দৈত্যকো তেওঁ বিচাৰি উলিয়াই সেই দুষ্টক দমন কৰি অবলা অপ্সৰাক উদ্ধাৰ কৰিবলৈ সক্ষম হৈছিল। তাৰ পুৰস্কাৰ স্বয়ং দেৱেন্দ্ৰই বিতৰণ কৰিছিল।

স্বৰ্গত তেওঁ ইন্দ্ৰৰ সভাত বহি দেৱতাৰ সমানে অপ্সৰাৰ নৃত্যগীত উপভোগ কৰিছিল। অৱশেষত উৰ্ৱশীৰ বৰমাল্যও তেওঁৰ ডিঙিত পৰিছিল।

তথাপি পুৰূৰৱা দক্ষিণ নায়ক, বহুবল্লভ। প্ৰথমা পত্নী ঔশীনৰীৰ প্ৰতি তেওঁ আস্থাশীল। তেওঁৰ সহানুভূতিয়ে উৰ্ৱশী সমাগম সুচল কৰিছে।

ঔশীনৰীৰ চৰিত্ৰত ধাৰিণীৰ ধীৰতা আৰু ইৰাৱতীৰ ঈৰ্ষা একেলগে চকুত পৰে। দ্বিতীয় অংকত তেওঁ উৰ্ৱশীৰ পত্ৰ দেখি ৰজাৰ ওপৰত খং কৰিছে; তৃতীয় অংকত তেওঁ তাৰ বাবে ৰজাৰ ওচৰত ক্ষমা খুজিছে আৰু ৰজাৰ যি কোনো নৱাগত প্ৰেমাস্পদৰ বাবে তেওঁ মন মুকলিকৈ ৰাখিছে।

উৰ্ৱশী অপ্সৰা। ইন্দ্ৰৰ অস্ত্ৰভাণ্ডাৰৰ সুকুমাৰ অস্ত্ৰ। জগতৰ শ্ৰেষ্ঠজনৰে বিহাৰ তেওঁৰ কাম্য। স্বৰ্গত বহুজনভোগ্য হৈও মৰ্ত্যৰ ৰজাৰ 'পতিব্ৰতা' পত্নী-ৰূপে চিৰকাল ধৈৰ্য্য ধৰিছে। অন্য নাৰীৰ দৰে তেওঁ ঈৰ্ষাপৰায়ণা। কিন্তু পুৰূৰৱাই তেওঁৰ বৰ্তমানত অন্য ৰমণীলৈ চকু দিয়াতো তেওঁ সহিবলৈ নোৱাৰে। তাৰ বাবে নিষিদ্ধ বনত সোমাই লতাত পৰিণত হৈছে। স্বামীৰ পৰা বিচ্ছেদ হ'ব বুলি গৰ্ভজ সন্তানক আঁতৰাই চ্যৱনৰ আশ্ৰমত থৈছে। তথাপি আয়ুৰ অনাহুত আগমনে বিচ্ছেদৰ যৱনিকা নমাই অনা সময়ত দেৱতাৰ আশীৰ্বাদ লৈ নাৰদৰ আগমন। স্বৰ্গৰ অপ্সৰাই পতিৰ বিয়োগ সহিব নোৱাৰে বাবে চিৰকাল মৰ্ত্যৰ মানৱী হৈ ৰ'ল। এয়া ভাৰতীয় নাৰীৰ অন্য এক চাৰিত্ৰিক বৈশিষ্ট্য।

'বিক্ৰমোৰ্ৱশীয়'ক প্ৰকৃততে নাটকৰ ৰূপত এক প্ৰকৃষ্ট ৰূপক কাব্য বোলা উচিত।

(৩) অভিজ্ঞানশকুন্তলম্ ঃ 'কালিদাসস্য সৰ্বস্বম্ অভিজ্ঞনশকুন্তলম্।' এয়া এক প্ৰবাদ বাক্য বা আপ্তবাক্য। খৃষ্টীয় ৫ম শতিকাত (অন্ততঃ?) ৰচিত হোৱাৰে-



পৰা বিশাল ভাৰতৰ বুকুত ইয়াৰ পঠন-পাঠন, অভিনয় আৰু আবৃত্তি বেদ-পুৰাণ-ইতিহাস, গীতা-ভাগৱতৰ দৰে চলি আহিছে। সম্প্ৰতি ই বিশ্বসাহিত্যৰ এক উত্তম সাহিত্য নিদৰ্শনৰূপে স্বীকৃতি লাভ কৰিছে। সন্দেহ নাই যে ই কালিদাসৰ শ্ৰেষ্ঠ নাটক। কৱিজনে জীৱন জুৰি উপাৰ্জন কৰা সাহিত্যিক কলা-কৌশল, নাট্য-নৃত্য-নৃত্তবিষয়ক জ্ঞান, সমগ্ৰ ব্যৱহাৰিক জীৱনৰ অভিজ্ঞতা, সমস্ত শাস্ত্ৰ মন্থন কৰি লাভ কৰা বিশাল অনুভৱ আৰু প্ৰতিভাময় কৱিত্বৰ সমস্ত শক্তি সকল এই নাটকৰ বুকুতে একযোগে প্ৰয়োগ কৰিছে যেন অনুমান হয়।

'শকুন্তলম্' সাত অঙ্কবিশিষ্ট এক পূৰ্ণাঙ্গ নাটক। নাটকৰ সমস্ত লক্ষণ 'ৰাজোচিত দ্বাত্ৰিংশৎ লক্ষণৰ' দৰে ইয়াত বিৰাজমান। শেক্সপীয়েৰে যিদৰে নিজৰ দেশৰ বুৰঞ্জী, বা ইউৰোপীয় বুৰঞ্জীৰ চৰিত্ৰসমূহক উপজীৱ্য অমৰ নাটক ৰচিছে, মহাকৱি কালিদাসে তেওঁতকৈ কমেও এহেজাৰ বছৰ আগতে তাৰ বাটকটীয়াৰূপে পৰম্পৰাগত প্ৰাচীন ভাৰতীয় ইতিহাসৰ বুকুৰপৰা সুন্দৰ 'ইতিহাস' বা কাহিনী বুটলি আনি তাৰ আধাৰতে নাটক গঢ়িছে। তেওঁৰ প্ৰথম নাটক মালৱিকাগ্নিমিত্ৰম্ শুঙ্গবংশৰ ইতিহাসৰ এক অধ্যায়ৰ ওপৰত আধাৰিত। তেওঁৰ দ্বিতীয় নাটক চন্দ্ৰবংশীয় ৰজা পুৰূৰৱাৰ প্ৰেমকথাক উপজীৱ্য কৰি বিৰচিত হৈছে। তৃতীয় নাটক অভিজ্ঞানশকুন্তলমৰ মূলীভূত পদাৰ্থ 'মহাভাৰত'ৰ আদি পৰ্বৰ অন্তৰ্গত সম্ভৱ পৰ্বৰপৰা অনা হৈছে। যিজন ভৰতৰ পুণ্যশীল নামৰ আধাৰত বিশাল 'ভাৰতবৰ্ষ'ৰ নামাকৰণ সম্ভৱ হৈছে, যাৰ নামেৰে 'চন্দ্ৰবংশ'ক 'ভাৰতবংশ' বুলি কোৱা হয় সেই 'ভৰত'ৰ সম্ভৱ পৰ্বৰ নাম 'অভিজ্ঞানশকুন্তলম্' বুলি ক'লে ভুল কোৱা নহয়। কিন্তু মহাভাৰতৰ 'শকুন্তলা আখ্যান' তেনেই নীৰস আৰু প্ৰচলিত লোকগাথা। কণ্বৰ ওচৰত মৃগয়া কৰিবলৈ অহা ৰজা দুষ্মন্তই নিতান্ত অকল-শৰীয়া মৃগনয়না শকুন্তলাক পাই গান্ধৰ্বপ্ৰথাৰে বিয়া কৰাই জৈৱিক কাম চৰিতাৰ্থ কৰি গুচি গ'ল। প্ৰণয়ৰ অৱসৰ নহ'লেও প্ৰতিশ্ৰুতিৰ অৱসৰতে কোৱা মতে শকুন্তলাক নিবলৈ কেও-কিছুকে পঠিওৱা নহ'ল। সেই মিলনৰ ফলত ওপজা ল'ৰ সৰ্বদমনৰ উৎপাতত ৰবলৈ নোৱাৰি ঋষি কণ্বই জীয়েকক ৰজাৰ ওচৰলৈ পঠিয়ালে। অভিশাপৰ গোন্ধভাপ নোপোৱাকৈয়ে ৰজাই লোক নিন্দাৰ ভয়ত নৱাগতাক জনমতো চিনি নেপাই বুলি আটস মাতিলে। তাতে যেনিবা দৈৱবাণীয়ে শকুন্তলাৰ কথা সঁচা বুলি কোৱাতহে ৰজাই পুত্ৰ পৰিবাৰক 'মোৰ' বুলি সামৰি থলে। এয়া ভাৰতৰ কথা, ভাৰস্তৰো কথা।

তাকে সাৰোগত কৰি মহাকৱি কালিদাসে যিখন নাটক ৰচিলে তাৰ নামে কয় নাটকত কি অভিনৱত্ব প্ৰৱৰ্তিছে। 'অভিজ্ঞান' ৰূপ আঙঠিৰ বৃত্তান্ত অভিশাপৰ আখ্যান, যজ্ঞকৰ্ম, কণ্বৰ তীৰ্থযাত্ৰা, মৎসজীৱীৰ আখ্যান, মাতলিৰ আখ্যান, সাউদৰ আখ্যান, আৰু সদৌ শেষত হেমকূটৰ বুকুত সেই কশ্যপ-অদিতিৰ সমক্ষত অপূৰ্ব মিলনৰ ছবি। ক'ত নতুনত্ব নাই? কথাবস্তুত? নে চৰিত্ৰ চয়নত? ভাষাত নে অলংকাৰত? ছন্দত নে শব্দত? উত্তৰ একেটাই "সৰ্বত্ৰৈৱ"।

কথাবস্তু ঃ নান্দী শ্লোকত অষ্টমূৰ্তি শিৱক স্তুতি কৰা হয়; প্ৰস্তাৱনাত নাটক

আৰু নাট্যকাৰৰ লগতে মুখ্য পাত্ৰপৰিচয় কৰি দিয়াৰ পাছত প্ৰথম অঙ্ক আৰম্ভ হয়।

প্ৰথম অঙ্কত মৃগয়াৰ্থী ৰজাৰ সৈতে পোনতে কণ্বৰ আশ্ৰমৰ তপস্বী বৈখানসৰ ভেটাভেটি। তেওঁৱেই ৰজাক আশ্ৰমদৰ্শনাৰ্থে আমন্ত্ৰণ জনায়। সেই আমন্ত্ৰণ গ্ৰহণ কৰি ৰাজচিহ্ন ত্যাগ কৰি ৰজা দুষ্যন্তই আশ্ৰমত সোমাই গছলতাৰ মাজেৰে অদূৰত তিনিজনী সমবয়সীয়া কিশোৰীয়ে গছ-বিৰিখ, ফুলৰ গছৰ গুৰিত পানী দি থকা দেখিবলৈ পালে। প্ৰথমে তেওঁ গছৰ আঁৰত ৰৈ তেওঁলোকৰ মধুৰ হাস-পৰিহাসলৈ কাণ দিয়ে। তিনিওজনী কন্যাৰ মাজত এজনীৰ অনন্য সাধাৰণৰূপে ৰজাৰ মন আকৰ্ষণ কৰে। এটি ভোমোৰাই সেই অপৰূপা ঋষিকন্যা শকুন্তলাক ত্ৰাসিতা কৰাত ৰজাই তেওঁক ৰক্ষা কৰাৰ অজুহাতত তেওঁলোকৰ সমুখত ওলালহি। তেওঁলোকৰ সৈতে কথা-বাৰ্তাৰ মাজতি ৰজাই শকুন্তলাৰ বিষয়ে যথোচিত তথ্য শুনিলে। তাৰ পাছত হঠাতে 'হস্তিসংভ্ৰম'ৰ সংবাদ প্ৰচাৰ হোৱাত আশ্ৰমকন্যাসকল কুটীৰলৈ গ'ল; ৰজায়ো এক মধুৰ মন লৈ নিজৰ বহেৰলৈ গ'ল।

দ্বিতীয় অঙ্কত ৰজাই শকুন্তলাৰ প্ৰতি ওপজা প্ৰেমানুৰাগ বশতঃ পুনঃ আশ্ৰমলৈ যোৱাৰ অভিলাষ প্ৰকাশ কৰিলে। তেওঁ মৃগয়া বন্ধ কৰিবলৈ আদেশ কৰে। এনেতে তেওঁক আশ্ৰমত অনুষ্ঠিত যজ্ঞত সুৰক্ষা দান কৰিবলৈ ঋষিসকলে আমন্ত্ৰণ জনায় আৰু তেওঁ সেই আমন্ত্ৰণ গ্ৰহণ কৰে। তেনেতে ৰাজমাতাই ব্ৰতোপাবাসৰ পাৰণ পৰ্বত ৰজাক উপস্থিত থাকিবলৈ দূতমুখে খবৰ পঠিয়ায়। ৰজাই তেতিয়া বিদূষকক তেওঁৰ প্ৰতিনিধি-ৰূপে ৰাজমাতাৰ ওচৰলৈ পঠিয়াই দি একমাত্ৰ সাৰথিক লগত লৈ আশ্ৰমত যজ্ঞ ৰক্ষাৰ্থে থাকে।

তৃতীয় অঙ্কত ৰজা আপাদমস্তক শকুন্তলাৰ প্ৰেমত নিমজ্জিত অৱস্থাত দেখা যায়। অঙ্কৰ আদিত থকা বিষ্কম্ভকৰপৰা শকুন্তলা দুষ্যন্তৰ প্ৰেমত পৰি অসুস্থ হৈ পৰা কথা জনা যায়। মূল অঙ্কত ৰজাই তেওঁৰ অন্বেষণ কৰি এক লতাকুঞ্জত সখীয়েক দুজনীৰে সৈতে শকুন্তলাক বিচাৰি পায়। আঁৰত থাকি তেওঁ শকুন্তলাৰ অৱস্থাৰ বুজ লয়। শকুন্তলাই ৰজাৰ প্ৰতি হোৱা প্ৰেমাসক্তিৰ বাবে তেওঁৰ অৱস্থা শোচনীয় হোৱাৰ কথা স্বীকাৰ কৰে। সখীয়েকৰ কথামতে তেওঁ ৰজালৈ তেওঁৰ মনৰ কথা জনাই পদুমৰ পাতত পত্ৰৰচনা কৰি পঢ়ি শুনোৱাত ৰজাই তাৰ মৰ্ম উপলব্ধি কৰি তেওঁলোকৰ মাজত ওলোৱে। প্ৰিয়ম্বদা আৰু অনসূয়াই তেওঁলোকৰ মিলনৰ সেতু ৰচনা কৰি আঁতৰি যায়। ৰজাই শকুন্তলাৰ ওচৰত গন্ধৰ্ববিবাহৰ প্ৰস্তাৱ দিয়ে। ক্ষন্তেক পিছত গৌতমীৰ আগমন হয় আৰু প্ৰণয়ীযুগলৰ মিলনত যতি পৰে। ৰজাই যজ্ঞৰক্ষা কৰিবলৈ ওলাই যায়।

চতুৰ্থ অঙ্কটোহে প্ৰকৃততে নাটকৰ শীৰ্ষ। অঙ্কৰ আদিত থকা বিষ্কম্ভকত অনসূয়া আৰু প্ৰিয়ম্বদাই পুষ্পচয়ন কৰি থাকোঁতে অনুষ্ঠিত কথোপকথনৰপৰা ৰজাই শকুন্তলাক দিনদিয়েকতে ৰাজধানীলৈ নিবলৈ কথা দি ৰাজ্যলৈ প্ৰত্যাবৰ্তন কৰা কথা প্ৰকাশিত হয়। এনেতে ধুমুহাৰ দৰে দুৰ্বাসাৰ আগমন। তেওঁ শকুন্তলাৰপৰা আতিথ্য-সমাদৰ নোপোৱাত শকুন্তলাক অভিশাপ দিয়ে যে 'প্ৰেমাস্পদই উচিত সময়ত তেওঁৰ কথা মনত নকৰিব।



প্ৰিয়ম্বদাৰ অনুৰোধত তেওঁ অভিজ্ঞান প্ৰদৰ্শন কৰিলে প্ৰেমাস্পদই শকুন্তলাক মনত কৰিব বুলি কৈ আশ্ৰম ত্যাগ কৰে।

ইতিমধ্যে কণ্ব তীৰ্থভ্ৰমণৰ উভতি আহি শকুন্তলা উপযুক্ত পাত্ৰৰে সৈতে বিবাহিত হৈ অন্তঃসত্ত্বা হোৱা কথা জানিবলৈ সক্ষম হয়। কণ্বই শকুন্তলাক পতিগৃহলৈ পঠাবলৈ আয়োজন কৰিবলৈ আদেশ দিলে। সখীসকলে শকুন্তলাক প্ৰসাধন-বিন্যাসাদিৰে সজাই উলিয়ায় আৰু প্ৰৌঢ় নাৰীসকলে তেওঁক বিদায়কালীন আশীৰ্বচন দিয়ে। শাৰ্ঙ্গৰৱ, শাৰদ্বত আৰু গৌতমীৰ সৈতে কণ্বই শকুন্তলাক হস্তিনাপুৰলৈ পঠিয়াই দিয়ে।

পঞ্চম অঙ্কত আশ্ৰমবাসীসকলে ৰাজদৰ্শনৰ বাবে ৰাজদ্বাৰত উপস্থিত হয়। ৰজাই পুৰোহিতৰ সৈতে আশ্ৰমবাসীসকলক সাক্ষাৎ কৰে। মুনি দুজনে মনত কৰি দিয়া সত্বেও দুৰ্বাসাৰ শাপৰ প্ৰভাৱত পৰি ৰজাই কোনোমতে শকুন্তলাৰ কথা মনত পেলাবলৈ নোৱাৰিলে। গৌতমী আৰু শকুন্তলায়ো ৰজাৰ স্মৃতিৰ দুৱাৰ মুকলি কৰিবলৈ নোৱাৰিলে। শকুন্তলাই ৰজাৰ নামাঙ্কিত আঙঠিটো ৰজাক দেখুৱাবলৈ খুজি সিটিক আঙুলিত নেপাই বিব্ৰতা হৈ পৰিল। তাকে লৈ শাৰ্ঙ্গৰৱ আৰু ৰজাৰ মাজত তৰ্ক-বিতৰ্ক হ'ল। শেষত উপায়ান্তৰ হৈ শকুন্তলাক ৰাজনভাত এৰি থৈ শাৰ্ঙ্গৰৱ, শাৰদ্বত আৰু গৌতমী আশ্ৰমলৈ প্ৰত্যাবৰ্তন কৰিলে। পুৰোহিতৰ ঘৰলৈ খোজলোৱা শকুন্তলাক ৰাজপথৰ পৰা এক জ্যোতিয়ে তুলি লৈ গ'ল।

ষষ্ঠ অঙ্কৰ প্ৰৱেশকত পোনতে মাছমৰীয়া এজনে ৰজাৰ নামাঙ্কিত আঙঠিটো নগৰত বেচিবলৈ আনি দুষ্যন্তৰ মনত শকুন্তলাস্মৃতিৰ বোধন কৰিলে। মূল অঙ্কত ৰজাই শকুন্তলাৰ বিৰহত উন্মাদ হৈ পৰা দেখা যায় তেওঁ ৰাজ্যত বসন্তোৎসৱ নিষিদ্ধ কৰি দি দুঃখত ম্ৰিয়মাণ হৈ থকা সময়ত ইন্দ্ৰৰ সাৰথি মাতলিয়ে ইন্দ্ৰৰ শত্ৰু নিধনৰ বাবে ৰজাক নিবলৈ আহে। দুষ্যন্তই মাতলিৰ ৰথত উঠি ইন্দ্ৰৰ সহায্যাৰ্থে যাত্ৰা কৰে।

সপ্তম অঙ্কত ৰজাই মাতলি পৰিচালিত ইন্দ্ৰৰ ৰথেৰে স্বৰ্গৰপৰা অৱৰোহণৰ পথত হেমকূটত নামে আৰু কশ্যপ আৰু অদিতিক সাক্ষাৎ কৰাৰ আগ্ৰহ প্ৰকাশ কৰে। মাতলিয়ে মহৰ্ষিক আগলি বতৰা দিবলৈ যোৱা অৱসৰতে অশোক বৃক্ষৰ তলত পোনতে পুত্ৰ সৰ্বদমনেৰে ৰজাৰ সাক্ষাত অতি নাটকীয়ভাৱে সম্পন্ন হয়। ইয়াত শকুন্তলাৰে ৰজাৰ পুনৰ্মিলন হয়। পুত্ৰ-স্ত্ৰীক আগত লৈ মাতলিৰ লগত ৰজাই দেৱ-পিতৃ কশ্যপ মাৰীচ আৰু দাক্ষায়ণি অদিতিৰ সমুখত ওলায়। তেওঁলোকক আটায়ে সেৱা জনাই আশীৰ্বাদ লাভ কৰে। কশ্যপে তেতিয়া অভিশাপৰ ৰহস্য ৰজা আৰু শকুন্তলাক জানিবলৈ দিয়ে। কশ্যপৰ অনুমতিলৈ সপৰিবাৰে সপুত্ৰে মাতলিৰ ৰথত উঠি ৰজাই হস্তিনাপুৰলৈ যাত্ৰা কৰে। নাটকৰ সমাপ্তি ঘটে ভৰতবাক্য পাঠেৰে।

**সমীক্ষা:** উৎস, মূলকথা আৰু নাটকৰ কথাবস্তু তুলনা কৰি চালে কবিয়ে নাট্যকথাৰ মাজত যিবিলাক অভিনৱ কথা সংযোগ কৰি নাটকখনিক উৎকৃষ্ট কৰি গঢ়িছিল সিবোৰ ওলাই পৰে।

প্ৰথমতে কবিয়ে কণ্বৰ আশ্ৰমৰপৰা এনে এক দীঘলীয়া কলাৰ বাবে আঁতৰাই

ৰাখিছে যিচোৱা সময় নায়ক-নায়িকাৰ প্ৰেম পৰিণয়ত পৰিণত হ'বলৈ প্ৰয়োজন হয়। আপাততঃ ৰজাক আশ্ৰমবাসীৰদ্বাৰা অনুষ্ঠিত যজ্ঞ-বিঘ্ন নাশৰ বাবেহে আশ্ৰমত ৰখা হৈছে ; প্ৰেম-প্ৰীতি যেন এক বৈয়ক্তিক কাৰ্য্যহে।

দ্বিতীয়তে কৱিয়ে নাটকক মোহ-নীয়ত্ব দান কৰিবলৈ তাত দুৰ্বাসাৰ অভিশাপ আৰু শাপ মুক্তিৰ উপায় অভিজ্ঞান আঃঠিৰ বৃত্তান্ত জোৰা দিলে। পৱিত্ৰ আশ্ৰমত যজ্ঞবিঘ্ন নাশৰ অপদেশত থাকি শম-ভাব নষ্ট কৰি ৰতিভাৱাপন্ন ভোগভূমিত পৰিণত কৰা বাবে দুষ্যন্তই প্ৰায়শ্চিত্ত কৰিবলগীয়া হৈছে। নায়িকায়ো পিতৃদত্ত আতিথ্য সংকাৰৰ অধিকাৰ ঠিকমতে পালন কৰাত অক্ষম হোৱা বাবে যি পাপ হ'ল তাৰ প্ৰায়শ্চিত্তৰূপে অভিশপ্তা হ'ল। কিন্তু অজানিতে কৰা প্ৰথম অপৰাধ ক্ষমাৰ যোগ্য। সেয়ে দুৰ্বাসাই প্ৰেমাস্পদে কোনো অভিজ্ঞান দৰ্শন কৰিলে নায়িকালৈ মনত পৰিব বুলি শাপমোচনৰ উপায় দি গ'ল। সেয়ে শকুন্তলাক বিদায় কালত ৰজাই দিয়া আঙঠিৰ গুৰুত্ব বঢ়ালে আশ্ৰমৰ হস্তিনাপুৰলৈ যোৱা সময়ত সখীহঁতে শকুন্তলাক মনত কৰি দিছে, 'ৰজাই চিনি পোৱাত পলম হ'লে হাতৰ আঙঠিটো দেখুৱাবা।' পিছে শক্ৰাৱতাৰতে আঙঠিটো হেৰাই থাকিল। সেয়ে ৰজাই অভিশাপৰ প্ৰভাৱত পৰি শকুন্তলাক প্ৰত্যাখ্যান কৰিলে। অভিজ্ঞানৰ অভাৱত ৰজাৰ ব্যৱহাৰে 'দুষ্ট' নাম পালেও নীতিগ্ৰাহ হৈ ৰ'ল। অভিজ্ঞান উদ্ধাৰ হ'ল ধীবৰৰদ্বাৰা। পাকে-প্ৰকাৰে আঙঠি দেখি ৰজাৰ মনত শকুন্তলা স্মৃতি জাগৃত হ'ল। মিলনৰ বাট ওলাল। কিন্তু তাক সফল কৰিবলৈ দৈৱশক্তিৰ প্ৰয়োজন হ'ল। 'কালনেমি'ক দমন কৰিবলৈ ইন্দ্ৰই দুষ্যন্তক নিবলৈ মাতলিক পঠিয়ালে। দেৱকাৰ্য্য সাধি ৰজা উভতি আহোঁতে পত্নী-পুত্ৰৰে মিলন হ'ল হেমকূটত। অভিশাপৰ সাঁথৰ ভাঙি দিলে ভগৱান কশ্যপে।

পূৰ্বৰ কামনা-বাসনাপূৰ্ণ ৰজা আৰু শকুন্তলাৰ মন অভিশাপৰ জ্বালাই দেই পুৰি নিকা কৰিছে। তেওঁলোকৰ অন্তৰ জুয়ে পোৱা সোণৰ দৰে নিৰ্মল হৈছে। মনুষ্য লোকত হোৱা দেহজ মিলন নিতান্ত অস্থায়ী দুঃখজনক। কিন্তু দিব্যলোকত হোৱা মিলন স্থায়ী আৰু সুখদায়ক। কালিদাসৰ অভিজ্ঞতাই নাটকখনক মহীয়ান ৰূপ দিছে।

অভিজ্ঞানশকুন্তলম্ নাটকৰ প্ৰতিজন পাত্ৰ বা পাত্ৰীৰ চৰিত্ৰও অনুধাৱনৰ বিষয়। ৰজাৰপৰা মাছমৰীয়ালৈ সকলো পাত্ৰৰেই পৰিবেশন নাট্যপ্ৰয়োজনত হৈছে। ক'তো অনাৱশ্যক পাত্ৰৰ পৰিবেশন হোৱা নাই। প্ৰতিজন ব্যক্তি স্বকীয় বৈশিষ্ট্যৰে মূৰ্তিমন্ত।

নায়ক দুষ্যন্ত। তেওঁ ধীৰোদাত্ত প্ৰকৃতিৰ লোক। তেওঁ ব্যক্তিত্বত একেধাৰে আদৰ্শ ৰজা, আদৰ্শ প্ৰেমিক আৰু আদৰ্শ মানৱৰ চৰিত্ৰৰ সমাবেশ ঘটিছে। তেওঁৰ প্ৰেমে ৰাজচৰিত্ৰ ম্লান কৰা নাই। পত্নীৰ বিৰহত কাতৰ হৈও ৰাজকাৰ্য্যৰ প্ৰতি অৱহেলা কৰা নাই। প্ৰেমিকৰূপেও তেওঁ অসামান্য। কিন্তু হৃদয় আৰু বিবেক দুয়োটা তেওঁৰ আছে বুলি বুজা যায়।

দুষ্যন্ত চন্দ্ৰবংশৰ কুলতিলক আৰু ভৰত (বংশৰ) পিতৃ। তেওঁৰ শৌৰ্য্য-বীৰ্য্য



দেৱৰো শ্লাঘনীয়, প্ৰয়োজনীয় আৰু প্ৰশংসনীয়। তেওঁ আছে বুলিয়েই ইন্দ্ৰৰ বজ্ৰ তেওঁৰ হাতত অলংকাৰ স্বৰূপ।

মৃগয়া ৰজাৰ ব্যসন নহয়। ই পৌৰুষ আৰু ৰণকৌশল বৃদ্ধি কৰে। অনাৱশ্যক-ভাৱে জীৱবধ নকৰে। তেওঁ ধৰ্মিষ্ঠ আৰু প্ৰজাৰ ধৰ্ম পালনৰ সহায়ক। আশ্ৰমত থাকি যজ্ঞবিঘ্ন দূৰ কৰাটোক কৰ্তব্য বুলি বিবেচনা কৰে। যদিও শকুন্তলাৰ প্ৰতি থকা দুৰ্বলতাই তেওঁক আশ্ৰমত থাকিবলৈ উদগাইছে, তথাপি যজ্ঞ সমাপ্তিৰ লগে লগে তেওঁ ৰাজধানীলৈ উভতি গৈছে। ঋষি-মুনিসকলৰ প্ৰতিও যথোচিত ভক্তি দেখুৱাইছে।

দুষ্যন্ত বহুবল্লভ ৰজা। তেওঁৰ অন্তঃপুৰতে হয়তো অনেক বসুমতী, দানুমতী আছে। সিসকলৰ মনজুখি তেওঁ কাৰ্য্য কৰে। তথাপি ঋষিকন্যা শকুন্তলা তেওঁৰ প্ৰণয়িনী, প্ৰেয়সী। তেওঁ আৰু সসাগৰা পৃথিৱী এই দুইৰ প্ৰতি তেওঁৰ নিষ্ঠা আছে। দ্বিতীয়, তৃতীয়, পঞ্চম, ষষ্ঠ আৰু সপ্তম অঙ্কত তেওঁ শকুন্তলাৰ ৰূপ-গুণৰ বিভিন্ন দিশ দৰ্শন কৰিছে। তেওঁ পাহৰি গৈ ত্যাগ কৰা বাবে শকুন্তলাই বিয়োগজনিত অনেক দুঃখ পাইছে এনে এক ভাবে তেওঁৰ মনত অনবৰতে ঠাই পাইছে। ৭ম অঙ্কত তেওঁ শকুন্তলাক আগৰ ৰূপত দেখা নাই, দেখিছে নতুন ৰূপত। পুত্ৰ ভৰতৰ প্ৰতি তেওঁৰ স্নেহ স্বাভাৱিকৰূপত প্ৰকাশ পাইছে। এনে ল'ৰাই নো কাৰ কাপোৰ লেতেৰা নকৰে ? যাৰে নকৰক তেওঁ ভাগ্যবান পিতৃ। শিশুৰ প্ৰতি সাধাৰণ মৰম তেওঁৰ অন্তৰত আছিল। এনেদৰে দুষ্যন্তৰ চৰিত্ৰ অসামান্যৰূপতে দেখা যায়।

শকুন্তলাক কৱিয়ে অকল এখন নাটকৰ নায়িকাৰূপে অঙ্কন নকৰি ভাৰতীয় নাৰীৰ আদৰ্শৰূপেহে অঙ্কন কৰিছে। তেওঁৰ গাত সীতা, সাবিত্ৰী, অৰুন্ধতী, অনসূয়া প্ৰভৃতি মহাসতী, আৰু দেৱী তথা মানৱীৰ সুকোমল গুণবোৰৰ সমাহাৰ ঘটিছে। ৰূপ আৰু গুণ দুয়োটিতে তেওঁ অনুপমা। তেওঁৰ পিতৃভক্তি, তেওঁৰ সখী প্ৰেম, তেওঁৰ সহচৰ জীৱ-জন্তু, গছ-লতিকাদি প্ৰকৃতি-প্ৰীতি, তেওঁৰ পতিপ্ৰেম-পতিভক্তি, তেওঁৰ সহিষ্ণুতা আৰু ভগবদ্‌বিশ্বাসৰ তুলনা নাই।

বিশ্বামিত্ৰৰ ঔৰসত অপ্সৰা মেনকাৰ গৰ্ভত ওপজি অতুলনীয় ৰূপ-সৌন্দৰ্য্যৰ গৰাকিনী হৈও আশ্ৰমত বাকলি পিন্ধিয়েই ষোড়শী গাভৰু হৈছে। তথাপি তেওঁৰ সৌন্দৰ্য্য নিপুণ নাগৰক ৰজাৰ চকুত পৰিছে : 'ইয়মধিকমনোজ্ঞা বল্কলেনাপি তন্বী।' প্ৰকৃতিৰ বিভিন্ন সম্পদৰাজিৰ তুলনা তেওঁৰ অঙ্গযষ্টিতে প্ৰেমিকে দেখিছে :

অধৰঃ কিশলয়ৰাগঃ কোমলবিটপানুকাৰিণৌ বাহূ।
কুসুমমিৱ লোভনীয়ং যৌৱনমঙ্গেষু সংনদ্ধম্॥ ।১৯

শকুন্তলাই আশ্ৰমস্থ জীৱ-জন্তু গছ-লতিকাবোৰকো সমানে ভাল পাইছিল। গছ-গছনি গুৱিত পানী দিছিল ; সহকাৰ, বনজ্যোৎস্না যে তেওঁৰ কিমান আদৰৰ ? সেই 'মা-মৰীয়া' মৃগপোটকটি ! সি যে তেওঁৰ পুত্ৰকৃতক ! এনেবোৰ সহচৰ আৰু অনসূয়া-প্ৰিয়ম্বদা সকলো তেওঁৰ যেন দ্বিতীয় আত্মা। পিতৃকণ্বৰ প্ৰতিও তেওঁৰ অপৰিসীম প্ৰেমভক্তি আছিল। সেয়ে বিদায় বেলাত অধিক তপস্যা কৰিবলৈ পিতৃক মানা কৰিছে।

৫ম অঙ্কত মাত্ৰ এবেলা এনে সুকুমাৰী শকুন্তলাই ৰজাৰ কথাৰ প্ৰতিবাদ কৰিছে। ৰজাই গৌতমীক ভৎসনা কৰি তিৰোতাসকলক অপবাদ দিওঁতে তেওঁ কৈছে 'অনাৰ্য্য, আত্মনো হৃদয়েন পশ্যতি। ক ইদানীম্—অন্যো ধৰ্মকঞ্চুক প্ৰৱেশিনঃ তৃণচ্ছন্নকূপোপমস্য তবাণুকৃতিং প্ৰতিপৎস্যতে।' এয়া বোবাৰ মুখৰ প্ৰতিবাদ।

৭ম অঙ্কত তেওঁ ৰূপ-ৰঙ সলনি হৈছে। তপস্যাৰ তাপত তেওঁ পৱিত্ৰতা লাভ কৰিছে। সেয়ে দুষ্যন্তই তেওঁক দেখি কৈছে :

বসনে পৰিধূসৰে বসানা
নিয়মক্ষামমুখী ধৃতৈকবেণিঃ।
অতিনিষ্কৰুণস্য শুদ্ধাশীলা
মম দীৰ্ঘং বিৰহব্ৰতং বিভৰ্তি ॥

পৃথিৱীৰ ভাবী অধীশ্বৰৰ মাতৃ শকুন্তলা এতিয়া শুদ্ধশীলা। অন্তৰিক্ষৰ এঠাইত পতিবিৰহব্ৰত যাপন কৰিছে। শেষত দুষ্যন্তৰে তেওঁৰ মিলনো হৈছে।

কাশ্যপ কণ্ব শকুন্তলাৰ পালনকৰ্তা 'পিতা'। তেৱেঁই পিতামাতাৰদ্বাৰা পৰিত্যক্ত শিশু শকুন্তলাক আশ্ৰমলৈ আনি ডাঙৰ-দীঘল কৰে। তেওঁ আছিল নৈষ্ঠিক ব্ৰহ্মচাৰী আৰু তপস্বী। তেওঁক আশ্ৰমৰ কুলপতি বোলা হৈছে। তেওঁ তপস্বী হলেও গৃহীৰ দৰে জীয়াৰী শকুন্তলাৰ ভৱিষ্যত যাতে শুভ হয় তালৈ সততে মনোযোগ দিছিল। সেয়ে শকুন্তলাৰ সৌভাগ্য দেৱতাক তুষিবলৈ সোমতীৰ্থলৈ গৈছিল। তীৰ্থৰপৰা উভতি আহিও শকুন্তলা আৰু দুষ্যন্তৰ মিলনৰ কথা অলৌকিক ভাবে জানি শকুন্তলাক অভিনন্দন জনাইছিল। শকুন্তলাক অন্তঃসত্বা বুলি জানি ততালিকে তেওঁক দুষ্যন্তৰ ওচৰলৈ পঠাবলৈ সংকল্প লৈছিল। তেওঁৰ তপস্যাৰ বলত কন্যাৰ উপযোগী আভৰণ গছ-বৃক্ষাদিয়ে উপহাৰ দিছিল। তেওঁক আমি আদৰ্শ পিতৃৰূপেও দৰ্শন কৰো। শকুন্তলা পতিগৃহলৈ যাবলৈ ওলোৱাত তেওঁৰ হৃদয় কাতৰ হৈছে, চকুলো নোলালেও কণ্ঠৰুদ্ধ হৈছে, দৃষ্টি ক্ষীণ হৈছে। তাকে তেওঁ এনেদৰে ব্যক্ত কৰিছে :

যাসত্যদ্য শকুন্তলেতি হৃদয়ং সংস্পৃষ্টমুৎকণ্ঠয়া
কণ্ঠঃ স্তম্ভিত বাষ্প বৃত্তিকলুষশ্চিন্তাজড়ং দৰ্শনম্।
বৈক্লব্যং মম তাবদীদৃশমিদং স্নেহাদৰণ্যৌকসঃ
পীড্যন্তে গৃহিণঃ কথং ন তনয়াবিশ্লেষদুঃখৈৰ্নবৈঃ ॥ ৪।৬

বিদায় কালত শকুন্তলাই 'দেউতা মোৰ বাবে অধিক উৎকণ্ঠিত হ'ব নেলাগে' বুলি কোৱাত কাশ্যপে আকৌ কৈছে : 'বাচা, তই পখীবিলাকক খাবলৈ দিয়া নীবাৰ পৰি কুটীৰৰ সমুখত গজা ধান গছবোৰ দেখিনো মোৰ শোক কেনেকৈ জুৰাব ?'

শমমেষ্যতি মম শোকঃ কথং নু বৎসে ত্বয়া ৰচিত পূৰ্বম্।
উটজদ্বাৰবিৰূঢ়ং নীৱাৰ বলিং বিলোকয়তঃ ॥৪।২১



Dharapur Ghy-133 Library
ACC No-
Date.........

শকুন্তলাক পতিগৃহলৈ বিদায় দি ঋষিজনে কেনে সকাহ পাইছে তাক তেওঁ ব্যক্ত কৰি কৈছে—

অৰ্থো হি কন্যা পৰকীয়া এৱ তামদ্য সংপ্ৰেষ্য পৰিগৃহীতুঃ।
জাতো মমায়ং বিশদঃ প্ৰকামং প্ৰত্যৰ্পিতন্যাস ইৱান্তৰাত্মা ॥

কাশ্যপৰ চৰিত্ৰৰ মাজেৰে এনেদৰে একেধাৰে আদৰ্শ পিতৃ আৰু উদাৰ মানৱীয় গুণ-সম্পন্ন তপস্বীৰ গুণাৱলী বিকশিত হৈছে।

অন্যান্য মাধ্যম শ্ৰেণী আৰু নিম্নবৰ্গৰ চৰিত্ৰসমূহো মানৱীয় গুণেৰে গুণান্বিত আৰু সংস্কৃতিবান ৰূপত পোৱা যায়। অনুসূয়া-প্ৰিয়ম্বদাৰ সখিনিষ্ঠ কৰ্তব্যবোধ, শাৰ্ঙ্গৰৱ-শাৰদ্বতৰ ব্ৰহ্মচাৰী জনোচিত কৰ্তব্যনিষ্ঠা, গুৰুভক্তি, শকুন্তলাৰ প্ৰতি ভগ্নীৱৎ আচৰণ আদি; বিদূষক, সেনাপতি প্ৰভৃতিৰ ৰাজভক্তি আৰু কৰ্তব্য সচেতনতা আদি উল্লেখযোগ্য।

মহাকৱি কালিদাসৰ কাব্য আৰু নাটক সমূহত শৃঙ্গাৰ ৰসৰ প্ৰাধান্য বৰ্তমান। নাটক তিনিখনৰ অঙ্গীৰস শৃঙ্গাৰ। শকুন্তলা নাটকৰ চতুৰ্থ আৰু পঞ্চম অঙ্কৰ বাহিৰে অন্য পাঁচ অঙ্কত ন্যূনাধিক সম্ভোগ বা বিপ্ৰলম্ভ শৃঙ্গাৰ (৬ষ্ঠ অংশত) প্ৰবৰ্তিত আছে। মাজে মাজে বিদূষকৰ আচৰণত হাস্য, মৃগয়া প্ৰসঙ্গত বীৰৰস আৰু ৪ৰ্থ অঙ্কত কৰুণৰ প্ৰভাৱ দেখা যায়। প্ৰথম চাৰিটা অঙ্কৰ অন্তৰালত অথবা ৭ম অঙ্কৰ মাজত শমভাৱ অস্বীকাৰ কৰিবলৈ নোৱাৰি। কিন্তু নায়ক-নায়িকাৰ মিলনত শৃঙ্গাৰ ৰস থকা স্বাভাৱিক। খন্তেকলৈ অন্তিম অঙ্কত বাৎসল্য ৰসৰো উদ্ৰেক হৈছে।

**চতুৰ্থ অঙ্কৰ বৈশিষ্ট্য :** ভাৰতীয় পৰম্পৰাই শকুন্তলম্‌ৰ—চতুৰ্থ অঙ্কটো আটাইতকৈ মনোৰম আৰু উত্তম। কোনো অজ্ঞাত কৱিয়ে ইয়াৰ মৰ্ম কথা এনেদৰে প্ৰকাশ কৰি গৈছে :

কাব্যেষু নাটকং ৰম্যং তত্ৰ ৰম্যা শকুন্তলা।
তত্ৰাপি চ চতুৰ্থাঙ্ক স্তত্ৰ শ্লোক চতুষ্টয়ম্ ॥

অৰ্থাৎ 'দৃশ্য, শ্ৰব্য, গদ্য, মিশ্ৰাদি নানান কাব্যৰ মাজত নাটককে ৰম্য বোলা হয়। নাটকসমূহৰ ভিতৰত শকুন্তলা ৰম্য। তাৰো আকৌ চতুৰ্থ অঙ্কটো মনোমোহা। সেই অঙ্কৰ চাৰিটা শ্লোক সবাতোকৈ মধুৰ।'

কোনো কোনোৱে চতুৰ্থ শাৰীটো 'যত্ৰ যাতি শকুন্তলা' বুলি পঢ়ে। এই অঙ্কৰ কোন চাৰিটা শ্লোক 'ৰম্য' সেইলৈ মতভেদ আছে যদিও প্ৰয়েই ৬ষ্ঠ, ১৮শ, ১৯শ আৰু ২২শ শ্লোক কেইটা বাচনিত ৪ৰ্থ অঙ্কই শ্ৰেষ্ঠতাৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিবলৈ পাৰে। ৫ম আৰু ৬ষ্ঠ অঙ্ক দুটাৰ পক্ষেও শ্ৰেষ্ঠত্ব দাবী কৰা হয়। তথাপি ৪ৰ্থ অঙ্কটোৰ ফালে পক্ষেপাতিত্ব অধিক। তাৰ কাৰণ কি ?

চতুৰ্থ অঙ্কৰ মাজত অনেক তথ্য আছে, যি বিলাকে ভাৰতীয় সভ্যতা-সংস্কৃতি আৰু সমাজ আৰু ব্যক্তিক স্পৰ্শ কৰিছে। পৰিবেশ, কলা-কুশলতা, নাটকীয় ভাবানুভূতি, ৰস,

আদিৰ কথাও আছে। তদুপৰি ইয়াৰ মাজত এনে এক বিপৰীতমুখী ঢৌ-সোমাই পৰিছে য'ত পৰি নায়িকাৰ-'ন যযৌ ন তস্থৌ' অৱস্থা হৈছে।

ভাৰতীয় পিতৃয়ে কন্যাদায়ক এক মহান কৰ্তব্য জ্ঞান কৰে। কণ্ব তীৰ্থৰপৰা আহিয়েই শকুন্তলাৰ অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ প্ৰতি দৃষ্টি পেলাইছে। দুষ্যন্তৰ ডিঙিত বৰমাল্য অৰ্পণ কৰা বাবে জীয়েকক অভিনন্দন জ্ঞাপন কৰি লগে লগে তেওঁক স্বামীৰ ওচৰলৈ পঠোৱাৰ সুব্যৱস্থা কৰিছে। ইয়াৰ মাজত পৰম্পৰা আৰু ঐতিহ্য অনুসৰি পিতৃৰ কৰ্তব্যবোধ দেখা পোৱা গৈছে।

কিন্তু কৰ্তব্যপৰায়ণ হ'ল বুলি যে আৰণ্যক পিতৃ কণ্ব নিষ্ঠুৰ-নিৰ্মম পিও নহয়। জীয়েক স্বামীৰ ঘৰলৈ যাব বুলি ভাবিয়েই তেওঁৰ হাৱভাৱ, মাত-কথাৰ মাজত বাৎসল্য জনিত কাৰুণ্যই ক্ৰিয়া কৰিছে। সেয়া গৃহী মাত্ৰৰে হয়। কণ্ব গৃহী নহয়; তথাপি শকুন্তলা তেওঁৰ পালিতা কন্যা; তেওঁৰ সাহচৰ্য্যত ব্ৰহ্মচাৰীৰ শিলাময় অন্তৰো বিগলিত হৈছে। বন্ধুবিয়োগ জীৱ মাত্ৰেই সহিবলৈ নোৱাৰে—তাৰে অপূৰ্ব চিত্ৰ ৪ৰ্থ অঙ্কত আছে। সংঘাত হৈছে কৰ্তব্যবোধ, বিবেক বুধি আৰু আৰ্দ্ৰ অন্তৰৰ মাজত। এয়া পিতৃৰ ফালৰ কথা।

শকুন্তলাৰ অন্তৰ্দ্বন্দ্ব আৰু অধিক হৈছে। শকুন্তলা স্বামীৰ ঘৰলৈ যাবলৈ ওলাইছে, অকল পিতৃৰ আদেশত নহয় প্ৰেমাস্পদক আকৌ দেখাৰ আশাত, ওৰৰত পোৱাৰ আকাঙ্ক্ষাত। কিন্তু ইমানদিনে যি প্ৰকৃতি ৰাজ্যত থাকি সম্বৰ্দ্ধিতা হল, তাৰ প্ৰতিটো সত্বাৰেসৈতে তেওঁৰ যি অন্তৰঙ্গ সৌহাৰ্দ্য গঢ়ি উঠিছিল তাক নিমিষতে এৰি থৈ যায় কোনসতে। প্ৰিয় সহচৰী অনসূয়া-প্ৰিয়ম্বদা, শ্ৰদ্ধাভক্তি আৰু দয়াৰ মূৰ্তি পিতৃ কণ্বৰ উপৰিও অনেক সিদ্ধ-তপস্বী, তাপসীৰ আদৰ তেওঁ কেনেকৈ পাহৰে? কেনেকৈ পাহৰে পুত্ৰকৃতক, মাতৃহীন মৃগ পোটকক, গৰ্ভমন্থৰা হৰিণী, সহকাৰ, বনজ্যোৎস্না আৰু প্ৰকৃতিৰ চিনাকি ৰাজ্যখন? সকলো যে শকুন্তলাৰ বিদায় বেলাত ম্ৰিয়মাণ! হৰিণীবোৰে খোৱা-বোৱা এৰিছে, গছৰনে পকা পাত সৰাই চকু পানী টুকিছে। কেতেকীয়ে বিদায় কালীন দুখৰ মাত মাতিছে। স্বামীক চোৱাৰ হাবিয়াসে তেওঁক উদাউল কৰিলেও ইসবৰ বিয়োগে তেওঁৰ ভৰি দুখন গধুৰ কৰিছে। সেয়ে তেওঁ কৈছে—'হলা প্ৰিয়ম্বদে, নন্থু আৰ্যপুত্ৰদৰ্শনোৎসুকাযা অপি আশ্ৰমপদং পৰিত্যজন্ত্যা দুখেন মে চৰণৌ পূৰতঃ ন প্ৰবৰ্ত্ততে।' এয়া প্ৰতিজনী ভৰ্তৃগৃহ গামিনী কন্যাৰ মনৰ শাশ্বত কথা।

এয়া নাটকৰ চতুৰ্থ অঙ্ক নহয়, ই প্ৰকৃততে প্ৰকৃতিৰ ৰাজ্য। শকুন্তলা সেই ৰাজ্যৰে বাসিন্দা। তেওঁৰ প্ৰতিবেশীসকল সহকাৰ আদি বৃক্ষ বা বনস্পতি, বনজ্যোৎস্নাদি লতাবিটপ, হৰিণী, মৃগপোটক, ময়ূৰ, কুলি প্ৰভৃতি জীৱ। তেওঁ যাবলৈ ওলোৱাত বনস্পতিসমূহে উপহাৰ দিছে—

ক্ষৌমং কেনচিদিন্দুপাণ্ডু তৰুণা মাঙ্গল্যমাবিষ্কৃতং
নিষ্ঠ্যূতশ্চৰণো পভোগসুলভো লাক্ষাৰসঃ কেনচিৎ।



অন্যোভ্যো বনদেৱতা কৰতলৈৰা পৰ্বভাগোত্থিতৈ—
দন্তান্যাভৰণানি তৎকিসলয়োদ্ভেদ প্ৰতিদ্বন্দ্বিভিঃ॥ ৪/৫

শকুন্তলাই সেই প্ৰকৃতি ৰাজ্যৰ সকলোটিৰপৰা বিদায় লোৱাৰ সময়ত প্ৰিয়ম্বদাই কৈছে: ন কেৱলং তপোবনবিৰহকাতৰা সখ্যেৱ, ত্বয়োপস্থিতবিয়োগস্য তপোবনস্যাপি তাৱৎ সমৱস্থা দৃশ্যতে।

উদ্‌গলিতদৰ্ভকবলা মৃগ্যঃ পৰিত্যক্তনৰ্ত্তনা ময়ূৰাঃ।
অপসৃত পাণ্ডুপুত্ৰা মুঞ্চন্ত্যশ্ৰূণীৱ লতাঃ॥ ৪/১২

প্ৰকৃতি আৰু মানৱীৰ মাজত এনে পাৰস্পৰিক সহৃদয়তাৰ চিত্ৰ সম্ভৱতঃ আন কোনো কাব্যত নাই, অকল এই নাটকৰ চতুৰ্থ অঙ্কতে আছে।

পূৰ্বতে পিতৃ আৰু কন্যাৰ প্ৰসঙ্গত তেওঁলোকৰ অন্তৰ্দ্বন্দ্বৰ কথা কোৱা হৈছে। কথাবস্তুৰ ফালৰপৰাও নাট্যকাৰে দৰ্শকক এটি কেকুৰীত উপস্থিত কৰিছে। হঠাতে নায়ক-নায়িকাৰ সেন্দুৰী আলিত অভিশাপৰূপ আপদীয়া বাধাৰ প্ৰাচীৰ উপস্থিত হৈছে নায়ক বা নায়িকাৰ অজানিতে। শকুন্তলা এতিয়া স্বামীৰ মনৰ আঁতৰ হোৱাৰ শঙ্কা হৈছে। মাথোন উপায় ৰূপ এক অতি অস্থাৱৰ অভিজ্ঞানে 'ৰজাৰ নাম মুদ্ৰিত আঙঠি' যিটো দুষ্যন্তই নিজে বিদায় পৰত শকুন্তলাৰ হাতত পিন্ধাই দি গৈছিল। সন্দেহ আৰু শঙ্কাৰ মাজতে পিতা কণ্বই জীয়েকক শহুৰৰ ঘৰলৈ পঠাবলৈ ওলোৱাত দৰ্শকৰ অন্তৰ শঙ্কিত হৈছে 'তাতনো শকুন্তলাৰ কি হ'ব অৱস্থা হ'ব?' গতিকে নাটকীয় ঘটনাই এতিয়া অনিশ্চয়তাময় কেকুৰীত উপনীত হোৱাত ৪ৰ্থ অঙ্কৰ তাৎপৰ্য্য নাটকীয় উৎকণ্ঠাৰে ভৰি পৰিছে।

চতুৰ্থ অঙ্কৰ মাজতে কৱিজনাই ভাৰতীয় লৌকিক আৰু আধ্যাত্মিক জীৱনৰ মাজৰ বৈষম্য দূৰ কৰি এক সমন্বয় সাধনৰ চেষ্টা কৰিছে। ইয়াত আধ্যাত্মিক জীৱন মানৱীয় সংবেদন বা আবেগ অনুভূতিবিবৰ্জিত নহয়। সি সামাজিক মৰ্য্যাদা বা লোক পৰম্পৰাৰ ওপৰতো নিৰ্ভৰশীল নহয়। আধ্যাত্মিক জীৱনৰ কৰুণা লৌকিক জীৱনৰ কৰুণাতকৈও যেন অধিক আৰ্দ্ৰ, অধিক বিবেকপূৰ্ণ আৰু সক্ষমতাৰে স্বাক্ষৰিত। তাৰ সাৰ্থক চিত্ৰ এই চতুৰ্থাঙ্ক।

তদুপৰি কণ্বই জীয়াৰীক শুনোৱা লৌকিক উপদেশবোৰ নীতিগৰ্ভ হৈও কাব্যময়। বিশেষতঃ তেওঁ কোৱা চাৰিটা শ্লোকৰ অন্ততঃ এটা ইয়াত উদ্ধৃত নকৰি নোৱাৰি; তাত কোৱা হৈছে যে ন ছোৱালী বোৱাৰী হ'বলৈ হ'লে গুৰুজনক সেৱা সৎকাৰ কৰিব লাগে, সতিনী থাকিলে তেওঁলোকক প্ৰিয়সখীৰ দৰে জ্ঞান কৰিব লাগে, গিৰিয়েকে বিৰূপ আচৰণ কৰিলেও তেওঁৰ প্ৰতি অসজ্জ আচৰণ কৰিব নালাগে, সেৱক সকলৰ প্ৰতি সদয় হ'ব লাগে এনেদৰে সজ্জ আচৰণৰদ্বাৰা প্ৰেয়দাই গৃহিনী পদ লাভ কৰে:

শুশ্ৰূষস্ব গুৰূন্ কুৰু প্ৰিয়সখীবৃত্তিং সপত্নীজনে
ভৰ্তুৰ্বিপ্ৰকৃতাপি ৰোষণতয়া মা স্ম প্ৰতীপং গমঃ।
ভূয়িষ্ঠং ভৱ দক্ষিণা পৰিজনে ভোগেষ্বনুৎসেকিনী
যান্ত্যেৱং গৃহিণীপদং যুৱতয়ো ৱামাঃ কুলস্যাধয়ঃ॥

কলা আৰু জীৱনৰ অদ্ভুত সমন্বয় এই অঙ্কত দেখা পোৱা যায়। জীৱনক যদি কলা বোলা হয়, জীয়াই থকাৰ বাবে তেনে কলাৰ উৎকৰ্ষ সাধনৰ আৱশ্যকতা আছে। ৪ৰ্থ অঙ্কৰ মাজত কালিদাসে তেনে এক কলাত্মক জীৱনৰ চিত্ৰ অঙ্কন কৰিছে। প্ৰকৃততে ৪ৰ্থ অঙ্কত যি বৈচিত্ৰ্যপূৰ্ণ কলাত্মক জীৱনৰ কথা কৱিয়ে অঙ্কন কৰিছে সি অবৰ্ণনীয়, বৰঞ্চ সি সহৃদয়জনৰ উপলব্ধিৰ বষয় মাত্ৰ।

# তৃতীয় অধ্যায় (ঘ)

## কালিদাসোত্তৰ নাট্যযুগ

**শূদ্ৰক ঃ মৃচ্ছকটিকম্ ঃ**—মৃচ্ছকটিক এখন সুপ্ৰসিদ্ধ সংস্কৃত নাটক। ইয়াৰ ৰচয়িত শূদ্ৰক বুলি জনা যায়। নাটকৰ প্ৰস্তাৱনাত পোৱা বিৱৰণ মতে ৰজা শূদ্ৰক হস্তিশাস্ত্ৰত নিপুণ লোক আছিল। ভগৱান শঙ্কৰৰ কৃপাত তেওঁৰ জ্ঞানচকু মেল খাইছিল। এশ বছৰ দহদিনৰ পূৰ্ণ আয়ুস্ ভোগ কৰি নিজ পুতেকক সিংহাসনত বহুৱাই থৈ অগ্নিপ্ৰৱেশ কৰি প্ৰাণ ত্যাগ কৰিছিল। দেখাত সুদৰ্শন শূদ্ৰক বেদবিদ্যা, গণিত আৰু সুকুমাৰ কলাত নিপুণ আছিল। তেওঁ অশ্বমেধ যজ্ঞ সুকলমে সম্পন্ন কৰিছিল। এনেদৰে প্ৰাপ্ত শূদ্ৰকৰ বিৱৰণথিনি পণ্ডিতসকলে সন্দেহৰ চকুৰে চায়।

কিন্তু ভাৰতীয় পৰম্পৰাত ভূয়সি প্ৰশংসিত শূদ্ৰক ৰজাৰ কথা অনেক গ্ৰন্থত পোৱা যায়। গুণাঢ্যৰ বৃহৎকথাৰে সংস্কৃত অনুবাদ কথাসৰিৎসাগৰৰ ১২শ লম্বকত তেওঁৰ অনুচৰৰ বাবে আত্মবলিদান দিবলৈ ওলোৱা শূদ্ৰকৰ বিৱৰণ আছে। তেনেদৰে বাণৰ কাদম্বৰীত শূদ্ৰক ৰজাৰ গুণাৱলীৰ প্ৰশংসা পঢ়িবলৈ পোৱা যায়। দণ্ডীৰ অৱন্তিসুন্দৰী কথা আৰু দশকুমাৰ চৰিতৰ উত্তৰ পীঠিকাতো শূদ্ৰক সম্বন্ধীয় বৰ্ণনা পোৱা যায়। কল্হনৰ ৰাজতৰঙ্গিনীত শূদ্ৰকৰ অনেক উল্লেখ চকুত পৰে। স্কন্দপুৰাণৰ কুমাৰিকাখণ্ডত তেওঁক আন্ধ্ৰভৃত্যৰ প্ৰথমজন শাসক বোলা হৈছে। ৰাজশেখৰেও কাব্যমীমাংসাৰ কৱিসমাজৰ বৰ্ণনা প্ৰসঙ্গত শূদ্ৰকৰ প্ৰশংসা কৰিছে। ৰামিল্ল আৰু সোমিল্লই 'শূদ্ৰক কথা' ৰচনা কৰা কথা সূক্তিমুক্তাৱলীত এনেদৰে উল্লেখিত হৈছে ঃ

তৌ শূদ্ৰককথাকাৰৌ বন্দ্যৌ ৰামিল্লসোমিল্লৌ।
যয়োৰ্দ্বয়োঃ কাব্যমাসীদ্ অৰ্ধনাৰীশ্বৰোপমম্॥

ঐতিহাসিক তথ্যৰ অনিশ্চয়তাৰ হেতুকে চিলভেইন লেবী আৰু কীথে শূদ্ৰকৰ স্থিতি সম্বন্ধে সন্দেহ প্ৰকাশ কৰিছে। কিন্তু দণ্ডীৰ কাব্যাদৰ্শৰ কেতবোৰ বাক্যৰেসৈতে মৃচ্ছকটিকৰ কিছু সংলাপৰ হুবহু মিল থকালৈ লক্ষ্য কৰি পিশেল্ আৰু মেকডোনেলে দণ্ডীকেই ( ৬ষ্ঠ শতিকা ) মৃচ্ছকটিকৰ ৰচয়িতা কব খোজে। কিন্তু পণ্ডিতসকল এই বিষয়ত একমত নহয়।

**কাল ঃ**—স্কন্দপুৰাণত এজন শূদ্ৰকৰ উল্লেখ আছে। তাত আন্ধ্ৰভৃত্য বংশৰ প্ৰথম ৰজা সিমুকৰ বৰ্ণনা পোৱা যায়। অনেকে সেই সিমুকক শূদ্ৰক বুলি কৈ তেওঁৰ কাল খৃ. পূ. ২য় শতাব্দী নিৰূপণ কৰে। সেয়ে হলে শূদ্ৰক কালিদাসৰ পূৰ্ববৰ্তী নাট্যকাৰ বুলি পৰিগণিত হোৱা উচিত। কিন্তু পণ্ডিতসকলে মৃচ্ছকটিকক সিমান প্ৰাচীন গ্ৰন্থ বুলি স্বীকাৰ কৰিব নোখোজে। কাৰণ, মৃচ্ছকটিকৰ দৰে গ্ৰন্থ এখন কালিদাসৰ চকুতপৰা হেঁতেন তেওঁ ভাস প্ৰভৃতিৰেসৈতে শূদ্ৰকৰ নামো হলেহেঁতেন।

অষ্টম শতিকাত বামনে 'কাব্যালংকাৰ সূত্ৰবৃত্তি'ত শূদ্ৰকাদি বিৰচিতেষু প্ৰবন্ধেষু' বুলি কৈ শূদ্ৰকৰ প্ৰবন্ধৰ উল্লেখ কৰাৰ লগতে 'দ্যূতং হি নাম পুৰুষস্য অহিংহাসনং ৰাজ্যং' বুলি দ্যূতক্ৰীড়াৰ প্ৰশংসা কৰিছে। ইয়াৰ আঁত ধৰি ক'ব পাৰি যে মৃচ্ছকটিক বামনৰ পূৰ্ববৰ্তী ৰচনা।

বামনৰো আগৰ আলংকাৰিক দণ্ডীয়ে (৭ম শতিকা) কাব্যাদৰ্শত 'লিম্পতীৱ তমোঙ্গানি' পদ্যাংশৰ অলংকাৰ নিৰূপণ কৰোঁতে উদ্ধৃতি দি মৃচ্ছকটিকক তেওঁৰ পূৰ্বৰ ৰচনা বুলি স্বীকাৰ কৰিছে।

আনহাতে কোৱা হয় যে ভাসৰ 'চাৰুদত্ত'ৰ ভেটিতে মৃচ্ছকটিকৰ কাহিনীভাগ গঢ়িত হৈছে। গতিকে মৃচ্ছকটিক ভাসৰ কালৰ (৪ৰ্থ খৃ° পূ° শতিকা) পিছৰ সাহিত্য। কালিদাসে মালবিকাগ্নিমিত্ৰত ভাস, সৌমিলক, আৰু কৱিপুত্ৰৰ নাম লৈ শূদ্ৰকৰ নকৰালৈ চাই মৃচ্ছকটিক গুপ্তকালৰো পিছৰ ৰচনা হোৱা সম্ভৱপৰ।

মৃচ্ছকটিকৰ ৯ম অঙ্কত শকাৰে চাৰুদত্তৰ বিৰুদ্ধে বসন্তসেনাক হত্যা কৰা বুলি অভিযোগ আনিছে। মনুৰমতে এনে বিচাৰ ধৰ্মাধিকাৰীয়ে কৰা উচিত:

অয়ং হি পাতকী বিপ্ৰো ন বধ্যো মনুৰব্ৰবীৎ।
ৰাষ্ট্ৰাদস্মাত্তু নিৰ্বাস্যো বিভৱৈৰক্ষতৈ সহ॥

ইয়াৰপৰা বুজিব পাৰি চাৰুদত্তক দোষী পালেও তেওঁক ধন-সম্পদসহ দেশৰপৰা নিৰ্বাসিত কৰাটো ন্যায়সঙ্গত। এনে দণ্ড মনুস্মৃতিৰ মতে বিহিত হৈছে:

ন জাতু ব্ৰাহ্মণং হন্যাৎ সৰ্বপাপেষ্বপি স্থিতম্।
ৰাষ্ট্ৰাদেনং বহিঃ কুৰ্যাৎ সমগ্ৰধনমক্ষতম্।
ন ব্ৰাহ্মণ বধাদ্ ভূয়ানধৰ্মো বিদ্যতে ভূৱি।
তস্মাদস্য ধনং ৰাজা মনসাহপি ন চিন্তয়েৎ॥

(মনু. ৮।৩৮০—৮১)

গতিকে মৃচ্ছকটিক মনুস্মৃতিৰ পিছৰ ৰচনা।

আকৌ মৃচ্ছকটিকৰ ৯ম অঙ্কতে বৃহস্পতি (জীৱক) অঙ্গাৰক বা কুজৰ বিৰোধী বুলি কৈছে।

অঙ্গাৰক বিৰুদ্ধস্য প্ৰক্ষীণস্য বৃহস্পতেঃ।
গ্ৰহোহয়মপৰঃ পাৰ্শ্বে ধূমকেতুৰিৱোত্থিতঃ॥ মৃ. ৯।৩৩

আনহাতে বৰাহমিহিৰে (মৃত্যু ৫৮৯ খৃ°) এই দুই গ্ৰহক পৰস্পৰ মিত্ৰ বুলিছে কৈছে: জীৱেন্দুষ্ণকৰাঃ কুজস্য সুহৃদঃ (বৃহজ্জাতক ২।১৬)। গতিকে মৃচ্ছকটিকৰ কথা বৰাহমিহিৰৰ পৰিপন্থী হোৱালৈ চাই এয়া পূৰ্বৰ অন্য কোনো ফলিত জ্যোতিষৰ অনুগামী তথ্য বুলি মানিব পাৰি। সেয়ে বৰাহমিহিৰ আৰু দণ্ডীৰ পূৰ্বতে মৃচ্ছকটিক ৰচিত হোৱা সম্ভৱ। গতিকে খৃষ্টীয় ৫ম শতিকাৰ পৰাৰ্ধ বা ৬ষ্ঠ শতিকাৰ পূৰ্বাৰ্ধতে নাটক ৰচিত হোৱা সম্ভৱ।



**নাটকৰ কথাবস্তু:**—মৃচ্ছকটিক এখন দহ অঙ্কবিশিষ্ট প্ৰকৰণ শ্ৰেণীৰ ৰূপক। চাৰুদত্ত নামে এজন স্বাৰ্থবাহ ব্ৰাহ্মণ আৰু বসন্তসেনা নামেৰে উজ্জয়িনীৰ ধনাঢ্য বেশ্যা এজনীৰ প্ৰণয়কথাক উপজীৱ্য কৰি প্ৰকৰণখন ৰচিত হৈছে।

'অলংকাৰ ন্যাস' নামে ১ম অঙ্কত চাৰুদত্তই গধুলি বিদূষকক ৰদনিকাৰসৈতে চতুষ্পথত মাতৃবলি দিবলৈ পঠিয়ায়। এনে সময়তে ৰাজপথত বেশ্যা বসন্তসেনাক অনুসৰণ কৰা শকাৰ, বিট আৰু চেটক দেখা যায়। সিহঁতৰ হাত সাৰিবলৈ বসন্তসেনাই সুযোগ বুজি চাৰুদত্তৰ ঘৰত প্ৰৱেশ কৰে। ইতিমধ্যে আন্ধাৰৰ মাজতে শকাৰে বসন্তসেনা বুলি ভুল কৰি ৰদনিকাক ধৰেহি। তেতিয়া বিদূষক মৈত্ৰেয়ই সিহঁতক বেছ ধমক দি খেদি পঠিয়ায়। পিছত চাৰুদত্তই মৈত্ৰেয়ক লগত দি বসন্তসেনাক নিৰাপদে ঘৰলৈ আগবঢ়াই থয়। বসন্তসেনাই যোৱাৰ আগতে তেওঁৰ বহুমূলীয়া আ-অলংকাৰবোৰ সুৰক্ষাৰ বাবে থৈ যায়। কথা-প্ৰসঙ্গৰপৰা জনা যায় যে কামদেৱৰ উদ্যানত দেখিবৰেপৰা বসন্তসেনাৰ চিত্তত চাৰুদত্তৰ প্ৰতি প্ৰণয়ৰ ভাব ওপজে।

২য় অঙ্কটো 'দ্যূতক সংবাহক নামে জনাজাত। এই অঙ্কত সংবাহকৰে সাক্ষাৎ হয়। এসময়ত তেওঁ আছিল পাটলিপুত্ৰৰ বাসিন্দা। জীৱিকা বিচাৰি উজ্জয়িনীলৈ আহি তেওঁৰ চাৰুদত্তৰ ঘৰত সংবাহকৰ চাকৰি কৰে। চাৰুদত্তই বিপৰ্যয়ৰ সম্মুখীন হোৱাত তেওঁ জুৱাখেলত লিপ্ত হয়। জুৱাত পৰাজিত হৈ ধন দিব নোৱাৰি আত্মৰক্ষাৰ বাবে বসন্তসেনাৰ ঘৰত প্ৰৱেশ কৰে। তেওঁৰ দুৰ্ভাগ্যৰ কথা শুনি বসন্তসেনাই সোণৰ গহনা-গাঠৰি দি সংবাহকৰ পিছলোৱা জুৱাৰীৰ ঋণৰপৰা তেওঁক মুক্ত কৰে। তাতে সংবাহকৰ মনত আত্মগ্লানি উপস্থিত হোৱাত তেওঁ বৌদ্ধ-ধৰ্ম গ্ৰহণ কৰি ভিক্ষু হয়।

৩য় অঙ্কটো 'সন্ধিচ্ছেদ' বুলি জনা যায়। এই অঙ্কত শাৰ্বিলক নামে দুঃসাহসিক ডেকাই বসন্তসেনাৰ ঘৰত কাম কৰা লিগিৰী তেওঁৰ প্ৰেয়সী মদনিকাক মুকলি কৰিবলৈ বুলি ইচ্ছা কৰি চাৰুদত্তৰ ঘৰত সিন্ধিদি (বসন্তসেনাই ন্যাস থোৱা) অলংকাৰবোৰ চুৰি কৰি নিয়ে।

৪ৰ্থ অঙ্কটোৰ নাম 'মদনিকা-শৰ্বিলক'। এই অঙ্কত ইতিমধ্যে চাৰুদত্তৰ ঘৰৰপৰা অপহৰণ কৰি অনা অলংকাৰবোৰ লৈ শৰ্বিলকে বসন্তসেনাৰ ঘৰত উপস্থিত হয়। মদনিকা আৰু শৰ্বিলকৰ মাজত হোৱা গোপন আলোচনা বসন্তসেনাই আঁৰৰপৰা শুনে। দুয়োৰে প্ৰেমৰ বিষয়ে জানি বসন্তসেনাই মদনিকাক শৰ্বিলকৰ হাতত সমৰ্পণ কৰি বিদায় দিয়ে। সিফালে আগনিশা বসন্তসেনাৰ অলংকাৰখিনি চুৰি হোৱাত চাৰুদত্ত বৰ বিপাঙত পৰে। অগত্যা পত্নী ধূতাদেৱীৰ ৰত্নাৱলী হাৰডালকে বসন্তসেনাক তেওঁৰ অলংকাৰৰ সলনি দিবলৈ মৈত্ৰেয়ক পঠিয়ায়। 'অলংকাৰখিনি' চাৰুদত্তই জুৱা খেলি হেৰুৱাইছে বুলি বসন্তসেনাক কৈ মৈত্ৰেয় উভতি আহে। বসন্তসেনা চাৰুদত্তৰ ঘৰলৈ আহি সোণৰ গাড়ী নেপাই মাটিৰ গাড়ীৰে খেলি কান্দি থকা

ৰোহসেনৰ গাড়ীত অলংকাৰবোৰ পূৰাই দিলে আৰু তাৰে সোণৰ গাড়ী কিনিবলৈ ক'লে।

৫ম অঙ্কটি 'দুৰ্দিন' নামে জনাজাত। এই অঙ্কত বসন্তসেনাই বিটক লগত লৈ এদিন বৰ্ষাৰ আবেলিত অভিসাৰিকাৰ বেশত চাৰুদত্তৰ ঘৰত ওলালহি। তেওঁ বৰষুণত তিতি বুৰি যোৱা বাবে এসাজ নতুন কাপোৰ পিন্ধি চাৰুদত্তৰ ঘৰতে নিশাটো কটায়।

'প্ৰৱহণ-বিপৰ্যয়' নামে ৬ষ্ঠ অঙ্কত চাৰুদত্তই বসন্তসেনাক লগ পাবলৈ 'পুষ্পকৰণ্ডক' উদ্যানলৈ যায়। বসন্তসেনায়ো উদ্যানলৈ যাবলৈ ওলাই আহি ভুলতে বাটত ৰৈ থকা শকাৰৰ গাড়ীত উঠে। এনেতে ৰাজ্যৰ কাৰাগাৰ ভাঙি পলোৱা আৰ্যকে বসন্তসেনাৰ বাবে নিৰ্দিষ্ট গাড়ীত উঠেহি। এই আৰ্য্যক নামে গৰখীয়াজন ভৱিষ্যতে ৰজা হ'বগৈ বুলি জ্যোতিষীয়ে কৰা ভৱিষ্যদ্বাণী শুনি ৰজা পালকে তেওঁক ( আৰ্য্যকক ) পোটাশালত বন্দী কৰি ৰাখিছিল। এতিয়া কাৰাগাৰৰপৰা পলাই সাঁৰি বসন্তসেনাৰ বাবে নিৰ্দিষ্ট গাড়ীত উঠি যাবলৈ ধৰিলে। ৰাজপথত চন্দনক আৰু বীৰক নামে আৰক্ষী দুজনে গাড়ী খানাতালাচ কৰিবলৈ আহে। চন্দনকে গাড়ীত আৰ্যকক দেখি অভয় দিয়ে আৰু বীৰকৰ সমুখত গাড়ীত সেয়া বসন্তসেনা আছে বুলি কয়। বীৰকে চন্দনকৰ কথাত সন্দেহ প্ৰকাশ কৰিলত দুয়োৰে মাজত কাজিয়া হয়। চন্দনকে আৰ্য্যকক নিজৰ হাতৰ তৰোৱালখন আত্মৰক্ষাৰ্থে দান কৰি নিজেও শৰ্বিলকৰ বিদ্ৰোহী গোটত যোগদান কৰিবলৈ যায়।

পৰৱৰ্তী অঙ্কটো 'আৰ্য্যকাপহৰণ' নামে জনাজাত। সেই গাড়ীৰে আৰ্য্যকে নিৰাপদে উদ্যানত উপস্থিত হয় আৰু তাত চাৰুদত্তৰে সাক্ষাৎ কৰে। আৰ্যকে চাৰুদত্তৰ ওচৰত শৰণাপন্ন হয়। চাৰুদত্তই তেওঁক অভয় দান কৰে। বৰ্ধমানে আৰ্য্যকৰ ভৰিত লাগি থকা শৃঙ্খল আঁতৰাই পেলায়। আকৌ সেই একেখন গাড়ীত আৰোহণ কৰি আৰ্য্যক আঁতৰি যায়। বসন্তসেনা আহি নোপোৱাত চাৰুদত্ত বিমৰ্ষ হৈ তাৰপৰা আঁতৰি যায়।

৮ম অঙ্কৰ নাম 'বসন্তসেনা মোটক'। এই অঙ্কত প্ৰৱহণ বিপৰ্যয় হেতুকে বাসৱদত্তাই চাৰুদত্তৰে সাক্ষাৎ কৰাৰ সলনি শকাৰৰে মুখামুখী হয়। শকাৰে বসন্তসেনাৰ মন জয় কৰিবলৈ নোৱাৰি অৱশেষত তেওঁক ডিঙি চেপি মাৰিবলৈ বল প্ৰয়োগ কৰে। বসন্তসেনা সেই আঘাতৰ ফলত অচেতন হৈ পৰে। মৃত বুলি ভাবি শকাৰে তাতে তেওঁক এৰি পেলাই থৈ গুচি যায় আৰু সেই অপৰাধ চাৰুদত্তৰ ওপৰত জাপি দিবলৈ সংকল্প কৰে। কিন্তু সৌভাগ্যক্ৰমে নকৈ বৌদ্ধ ভিক্ষু হোৱা সংবাহকে অৰ্ধচেতন অৱস্থাত বসন্তসেনা দেখিবলৈ পায় আৰু চিনি পাই তেওঁক শুশ্ৰূষা কৰি সুস্থ কৰি তোলে। তাৰ পাছত তেওঁক বৌদ্ধবিহাৰলৈ লৈ যায়।

'ব্যৱহাৰ' নামে খ্যাত নৱম অঙ্কত শকাৰে ন্যায়ালয়লৈ চাৰুদত্তই বসন্তসেনাক অলংকাৰৰ লোভত হত্যা কৰিছে বুলি অভিযোগ দাখিল কৰে। পোনতে বিচাৰকে শকাৰৰ কথাত পতিয়ন যোৱা নাছিল যদিও কেতবোৰ সাক্ষ্যপ্ৰমাণ চাৰুদত্তৰ বিপৰীতে



যোৱাত বিচাৰকে মনুৰ ধৰ্মশাস্ত্ৰানুসাৰে ধন-সম্পদসহ দেশান্তৰ কৰিবলৈ আদেশ দিয়ে। কিন্তু ৰজাপালকে বিচাৰকৰ ৰায় অনুমোদন কৰাৰ পৰিৱৰ্তে চাৰুদত্তক শূলত দিবলৈহে আদেশ দিয়ে।

শেষ অঙ্কটো 'সংহাৰ' বুলি জনাজাত। এই অঙ্কত চণ্ডালহঁতে চাৰুদত্তক শূলত দিবলৈ বধ্যভূমিলৈ লৈ যায়। এনে সময়তে ভিক্ষু সংবাহকে বসন্তসেনাক লগত লৈ সেই ঠাইত উপস্থিত হয়। তেনে সময়তে ৰাষ্ট্ৰবিপ্লৱ সংঘটিত হয়। শৰ্বিলক প্ৰভৃতিৰ সহায়ত আৰ্য্যকে পালকক সংহাৰ কৰি ৰাজপাট দখল কৰে। আৰ্য্যকে চাৰুদত্তক মৃত্যুদণ্ডৰপৰা ৰেহাই দি তেওঁক এজন উচ্চ ৰাজবিষয়াৰূপে নিয়োগ কৰে। শকাৰে নিজ অপৰাধৰ ক্ষমা বিচাৰি চাৰুদত্তৰ ওচৰত শৰণ লয়। শৰ্বিলকৰ বাধা সত্ত্বেও চাৰুদত্তই ক্ষমা কৰে। অন্তত চাৰুদত্তৰলৈতে বসন্তসেনাৰ বিবাহ অনুষ্ঠিত হয়।

**সমীক্ষা ঃ** নাট্যশাস্ত্ৰীয় বিচাৰমতে মৃচ্ছকটিক প্ৰকৰণ শ্ৰেণীৰ ৰূপক। বিশ্বনাথে সাহিত্য দৰ্পণত (৬।২২৪-২২৫) প্ৰকৰণৰ লক্ষণ সম্বন্ধে কৈছে :

> ভৱেৎ প্ৰকৰণং বৃত্তং লৌকিকং কৱিকল্পিতম্ ॥
> শৃঙ্গাৰোঽঙ্গী নায়কস্তু বিপ্ৰোঽমাত্যোঽথবা বণিক্ ।
> সাপায়ধৰ্মকামাৰ্থপৰো ধীৰ-প্ৰশান্তকঃ ॥
> নায়িকা কুলজা ক্বাপি বেশ্যা ক্বাপি দ্বয়ং কচিৎ ।

এনে মতানুসৰি মৃচ্ছকটিকৰ কাহিনী কৱিকল্পিত, নায়কজন বণিক পেচাধাৰী ব্ৰাহ্মণ, নায়িকা চৰিত্ৰৱতী বেশ্যা আৰু অঙ্গীৰস শৃঙ্গাৰ। লোকদৃষ্টিৰে চালে ই এখন প্ৰণয়মূলক সামাজিক নাটক। ৰোমাঞ্চকৰ ঘটনাৰ মাজতে ইয়াত ৰাজনৈতিক সমস্যা আৰু ৰাষ্ট্ৰবিপ্লৱৰ ঘূৰ্ণাবৰ্তই ক্ৰিয়া কৰিছে। প্ৰত্যক্ষভাৱে ই এখন প্ৰণয়মূলক নাটক হ'লেও পৰোক্ষভাৱে ই এক ৰাজনৈতিক সমস্যামূলক নাটকহে।

এই নাটকখনত দুটা ঘটনা সমান্তৰালভাৱে গ্ৰথিত হৈছে। শ্ৰেষ্ঠী চাৰুদত্ত আৰু বাৰবণিতা বসন্তসেনাৰ প্ৰেম-পৰিণয় নাটকৰ প্ৰধান বা আধিকাৰিক কথাবস্তু। প্ৰথম অঙ্কৰপৰা ১০ম অঙ্কলৈ এই কথাবৃত্ত প্ৰৱাহিত হৈছে। ৬ষ্ঠ অঙ্কৰ প্ৰৱহণ-বিপৰ্যয় আৰু ৮ম অঙ্কত আৰ্য্যকাপহৰণৰপৰা ৰাজনৈতিক পাকচক্ৰ কিছু পৰিমাণে ওপৰলৈ উঠি অহা প্ৰত্যক্ষ হয়। ৩য় অঙ্কত শৰ্বিলকৰ মুখদৰ্শন কৰিছিলো যদিও তাত ৰাষ্ট্ৰবিপ্লৱৰ দৰে ঘটনাৰ কৰ্ণধাৰ হ'বপৰা বীৰচৰিত্ৰৰ উমান তেওঁৰ গাত দেখা নগৈছিল। ৯ম অঙ্কত চন্দনকে তেওঁৰ নাম বিপ্লৱৰে জড়িত কৰে। ১০ম অঙ্কত আধিকাৰিক বিষয়স্বৰূপ চাৰুদত্ত—বসন্তসেনাৰ প্ৰেম পৰিণয়ত পৰ্যৱসিত হোৱাৰ সময়তহে শৰ্বিলকে বীৰত্বৰ জয়তিলক পিন্ধি পুনশ্চ দেখা দিয়ে। দেশত ৰাষ্ট্ৰবিপ্লৱৰ জুই কুৰা জ্বলি থকা সময়তো কিদৰে নৰ-নাৰীৰ মনত বা অন্তৰত প্ৰেম-প্ৰীতিৰ যমুনা বৈ থাকে তাকে শূদ্ৰকে মৃচ্ছকটিকত তুলি ধৰিছে।

সচৰাচৰ সংস্কৃত নাটকবোৰ ৰজা আৰু ৰাজান্তঃপুৰৰ মহিমাৰেই ভৰপূৰ হৈ থকা দেখা যায়। বহুবিৱাহিত ৰজাসকলৰ কামনা-বাসনাৰ নিৰন্তৰ কীৰ্তনেই তাৰ ধৰ্ম

তাৰ মাজতে কেতিয়াবা অভিজ্ঞানশাকুন্তলম্‌ৰ দৰে দুই-এখন উৎকৃষ্ট নাটকৰ সৃষ্টিও হৈছে ; কিন্তু অধিকাংশ নাটক 'মালৱিকাগ্নিমিত্ৰম্'ৰ শাৰীৰদ্ধ হৈ ৰৈছে। কিন্তু মৃচ্ছকটিক সিবোৰৰ ব্যতিক্ৰম। ৰাজতন্ত্ৰ তথা ৰাজপৰক কামতন্ত্ৰক ই পশ্চাদ্ ভূমিলৈ ঠেলি থৈ ইয়াত মদনিকা-শৰ্বিলকৰ দৰে সাধাৰণশ্ৰেণীৰ আশা-আকাংক্ষাকো ঠাই দিছে। দৃশ্যতঃ ধনিক-বণিকক প্ৰতিনিধিত্ব দিলেও চাৰুদত্তৰ ধনাঢ্যতা থকালিৰ পৰ্বতীয়া জুৰিৰ দৰে ক্ষীণধন হৈছে। তেওঁৰ স্নেহপূৰ্ণ দৃষ্টিয়ে যেন ধনী-দুখীয়া সকলোৰে ওপৰত অমৃত বৰষে। তেওঁৰ মহত্ত্ব পলায়মান ভীত-সন্ত্ৰস্ত ভাবীৰজাক অভয়দানতে নিঃশেষ হোৱা নাই, শকাৰৰ দৰে অধম চৰিত্ৰজনৰ ওপৰতো তেওঁৰ ক্ষমাপূৰ্ণ দৃষ্টি পৰিছে।

শৰ্বিলকে চুৰি কৰি ধন আহৰণ কৰি দাসীক উদ্ধাৰ কৰি বিয়া-কৰায়েই ক্ষান্ত থকা নাই, বৰঞ্চ স্বেচ্ছাচাৰী পালকৰ বিপক্ষে থিয় দি আৰ্য্যকৰ প্ৰতিষ্ঠাৰ বাবে জীৱন উৎসৰ্গা কৰিছে। তেনেদৰে মৈত্ৰেয়ই কোৱাদৰে বসন্তসেনা অৰ্থলোলুপা হৈ বেশ্যাবৃত্তিৰতা ধৰি নাথাকি সুপুষ্প-সুফলা বৃক্ষৰ দৰে দৰিদ্ৰৰ দুঃখ মোচনত প্ৰবৃত্ত হৈছে। চাৰুদত্তৰ গুণৰাশিত তেওঁ মন্ত্ৰমুগ্ধৰ দৰে মোহিত হৈছে।

শূদ্ৰকৰ মৃচ্ছকটিকৰ ফলকত তদানীন্তন সমাজৰ বাবে বৰণীয় ছবি প্ৰস্ফুটিত হৈছে। এসময়ৰ ধনী বণিক চাৰুদত্তই বিপৰ্যয়ৰ মুখত পৰিও বিচলিত নহৈ চৰিত্ৰমাত্ৰকে সাৰ কৰি কিদৰে ৰাষ্ট্ৰবিপ্লৱৰ মাজেৰে সৰকি ৰাজপৰিষদ হ'ল, তাৰ লগতে তেওঁৰ দাৰিদ্ৰ্য পীড়িত গৃহৰ ছবি, ধনাঢ্যা বাৰাঙ্গনাৰ আভিজাত্যৰ বংসনা সুন্দৰ হৰ্ম্যময় গৃহবাস, ৰাজআলিৰ উদুলি-মুদুলি, নিশাৰ আন্ধাৰৰ আঁৰত নষ্টচৰিত্ৰ ৰাজবান্ধৱৰ অবাধ অনাচাৰ, জুৱা পাশাত আসক্তসকলৰ বুদ্ধিভ্ৰষ্টতা আৰু নিৰ্দয়তা, বৌদ্ধজনৰ দয়া-কাৰুণ্যৰ গুণত বাৰাঙ্গনা নাৰীৰ প্ৰাণৰক্ষাৰ চিত্ৰই কাকনো বাৰু সন্তুষ্ট নকৰে ?

**বিশাখদত্তঃ বংশপৰিচয় ঃ** আন বহুতো সংস্কৃত কৱিৰ দৰে নাট্যকাৰ বিশাখদত্তৰ বিষয়েও অধিক কথা জনা নাযায়। মুদ্ৰাৰাক্ষস নাটকৰ প্ৰস্তাৱনাত সূত্ৰধাৰৰ মুখৰ বচনৰপৰা জনা যায় যে সামন্ত বটেশ্বৰদত্তৰ নাতিয়েক আৰু মহাৰাজ ভাস্কৰ দত্তৰ পুতেকে বিশাখদত্তই মুদ্ৰাৰাক্ষসৰ ৰচক আছিল। কেতবোৰ পাণ্ডুলিপিত তেওঁৰ নাম বিশাখদেৱ আৰু পিতৃৰ নাম পৃথু বুলিও পোৱা যায়। তেওঁ কৌটিল্যৰ অৰ্থশাস্ত্ৰ আৰু অন্যান্য শাস্ত্ৰৰ ওপৰত সুপণ্ডিত আছিল। তেওঁ ন্যায়শাস্ত্ৰ, বৌদ্ধ আৰু জৈন আগমতো পাণ্ডিত্য অৰ্জন কৰিছিল।

মহাৰাজ পৃথু বা ভাস্কৰ দত্তৰ শাসিত ৰাজ্যৰ কথাও জনা নাযায়। কোনো কোনোৱে তেওঁক আজমীৰৰ চৌহান বংশৰে জড়িত কৰিব খোজে। অন্য দুই একে তেওঁক দাক্ষিণাত্যৰ লোক বোলে। কিন্তু পণ্ডিত কে. টি. তেলঙ্গৰ মতে তেওঁ উত্তৰ ভাৰতৰ লোক। পণ্ডিত হৰপ্ৰসাদ শাস্ত্ৰীয়ে মুদ্ৰাৰাক্ষসত গৌড়ীয় ৰীতিৰ ব্যৱহাৰলৈ নজৰ দি, আৰু পিতামহৰ 'বটেশ্বৰ' নামলৈ আঙুলিয়াই দি বিশাখদত্তক গৌড়দেশৰ লোক বুলিহে দাবী কৰে। পণ্ডিত দেৱস্থলিয়ে তেওঁক ব্ৰাহ্মণ বৰ্ণৰ লোক বুলিহে কয়।



**কাল ঃ** পণ্ডিতসকলে মুদ্ৰাৰাক্ষসৰ ভৰতবাক্যত প্ৰাপ্ত ৰজাজনৰ দেশ-কালৰ ওপৰত নিৰ্ভৰ কৰি বিশাখদত্তৰ আৱিৰ্ভাৱ কাল নিৰূপণ কৰিবলৈ যত্ন কৰিছে। শ্লোকটো এনে ঃ

> ম্লেচ্ছৈৰুদ্বিজ্যমানা ভুজযুগমধুনা সংশ্ৰিতা ৰাজমূৰ্তেঃ।
> স শ্ৰীমদ্বন্ধুভৃত্যশ্চিৰমৱতু মহীং পাৰ্থিৱশ্চন্দ্ৰগুপ্তঃ॥

ইয়াত প্ৰাপ্ত চন্দ্ৰগুপ্তৰ সলনি বিভিন্ন পাণ্ডুলিপিত দন্তিবৰ্মা, ৰন্তিবৰ্মা, অৱন্তিবৰ্মা ৰূপান্তৰো পোৱা হয় কৱিৰ পৃষ্ঠপোষক আৰু তেওঁৰ কাল নিৰূপণত খেলি-মেলিয়ে দেখা দিছে।

(১) মাদ্ৰাজত পাণ্ডুলিপিত দন্তিবৰ্মা নাম আছে। এই নামৰ পল্লবংশীয় ৰজা এজনে ৭২০ খৃষ্টাব্দত ৰাজত্ব কৰা বুলি জনা যায়। কিন্তু তেতিয়া তাত ম্লেচ্ছৰ উৎপীড়ন হোৱা বুলি জনা নাযায়।

(২) অৱন্তিবৰ্মা নামৰ এজন ৰজাই কনৌজত ৰাজত্ব কৰিছিল। তেওঁ আছিল থানেচৰৰ ৰজাৰ জামাতা গ্ৰহবৰ্মাৰ পিতৃ। তেওঁৰ ৰাজত্বকাল খৃ° ৫৬৯—৬০০ বুলি জনা যায়। তেওঁৰ দিনত পশ্চিমোত্তৰ ভাৰতৰ হূনসকলৰ উপদ্ৰৱ হৈছিল।

(৩) অন্য এজন অৱন্তিবৰ্মাই ৪২৫-৪৪৩ খৃষ্টাব্দৰ ভিতৰত কাশ্মীৰত ৰাজত্ব কৰিছিল।

(৪) ষ্টেনকোনোৰ মতে চন্দ্ৰগুপ্ত পাঠ শুদ্ধ। এওঁ গুপ্তবংশীয় ২য় চন্দ্ৰগুপ্ত হোৱা স্বাভাৱিক। সেয়ে হ'লে তেওঁ কালিদাসৰ যুব-সমকালীন হ'ব। ২য় চন্দ্ৰগুপ্তৰ কালত (৩৭৫ –৪৩১ খৃ°) ম্লেচ্ছ হূনসকলৰ আক্ৰমণ হৈছিল। কিন্তু পণ্ডিতসকলৰ ইয়াত সন্মতি নাই।

বলদেৱ উপাধ্যায়ে জ্যোতিষৰ প্ৰমাণ, বৌদ্ধ-জৈনধৰ্মৰ প্ৰভাৱ আৰু ম্লেচ্ছ-বিতাৰণ আদি কথা বিবেচনা কৰি মৌখৰী অৱন্তিবৰ্মাৰ ৰাজত্বৰ আগতহে বিশাখদত্তৰ আবিৰ্ভাৱ হোৱা বুলি কয়। তেওঁৰ মতে এই সময় খৃষ্টীয় ৫ম শতিকা। তৈল এয়া থাটাং সিদ্ধান্ত বোলা নাযায়।

**নাটকৰ কথাবস্তু ঃ**—এই নাটক সাত অঙ্ক বিশিষ্ট। নাটকৰ প্ৰাণকেন্দ্ৰত আছে চাণক্যৰ চৰিত্ৰ। তেওঁ নন্দবংশ নিৰ্মূল কৰি নিজৰ অনুগত চন্দ্ৰগুপ্ত মৌৰ্য্যক মগধৰ সিংহাসনত বহুৱায়। কিন্তু শেষ নন্দৰাজৰ অনুগত মন্ত্ৰী ৰাক্ষসক চন্দ্ৰগুপ্তৰ পক্ষলৈ আনিবলৈ নোৱাৰালৈকে তেওঁ নিশ্চিন্ত্য হ'ব নোৱাৰে। গতিকে ছলে-বলে-কৌশলেৰে ৰাক্ষসক হাতৰ মুঠিলৈ আনিবলৈ চাণক্যই কৰা সংঘাতপূৰ্ণ প্ৰচেষ্টাক উপজীৱ্য কৰিয়েই নাটকখন গঢ়ি উঠিছে।

'মুদ্ৰালাভ' নামে ১ম অঙ্কত চাণক্যই গোৰাংচোৱাৰ মুখেৰে জানিবলৈ পায় যে কুসুমপুৰত ৰাক্ষসৰ প্ৰিয়পাত্ৰ আৰু বিশ্বাসভাজন বুলিবলৈ মাথোন তিনিজন লোক আছে। তেওঁলোক যথাক্ৰমে ক্ষপণক জীৱসিদ্ধি, কায়স্থ শকটদাস আৰু শ্ৰেষ্ঠী চন্দনদাস। ৰাক্ষসে চন্দনদাসৰ ঘৰতেই নিজৰ পৰিয়ালবৰ্গক থৈ নগৰৰ বাহিৰত কৰ্মৰত হৈ আছে।

এই তিনিজনৰ মাজতো জীৱসিদ্ধি বোলা লোকজন বস্তুতঃ চাণক্যৰ গুপ্তচৰহে। ইতিমধ্যে চাণক্যই ৰাক্ষসৰ নামাঙ্কিত মুদ্ৰা ( মোহৰ ) এটি লাভ কৰিছে। তাৰে তেওঁ শকটদাসৰ হাতেৰে লিখা লেখ এখনত মোহৰ মাৰি কামত খটুৱাবলৈ ছল পাইছে। এই লেখখনেই শেষত ৰাক্ষসৰ পৰাজয়ৰ প্ৰধান কাৰণ হোৱা বাবে নাটকৰ নাম হয় 'মুদ্ৰাৰাক্ষস'।

'ভূষণবিক্ৰয়' নামে দ্বিতীয় অঙ্কত ৰাক্ষসৰ নীতি পৰাভূত হোৱাৰ আগলি সূচনা পোৱা যায়। কুসুমপুৰত প্ৰৱেশ কৰাৰ সময়তেই চন্দ্ৰগুপ্তক মাৰি পেলাবলৈ ৰাক্ষসে গুপ্তচৰৰ সহযোগত এক গভীৰ ষড়যন্ত্ৰ ৰচনা কৰিছিল। কিন্তু দূৰদৰ্শী চাণক্যৰ সজাগতাৰ বাবে সেই ষড়যন্ত্ৰ নিষ্ফল হ'ল।

'কৃতককলহঃ' নামে তৃতীয় অঙ্কত কৌমুদীমহোৎসৱ নিষেধ কৰা বিষয়ক কেন্দ্ৰ কৰি চাণক্য আৰু চন্দ্ৰগুপ্তৰ মাজত এক কৃত্ৰিম বিৰোধে দেখা দিয়ে। তাৰে ৰাক্ষসক নিজৰ 'প্ৰলোভন' নীতি সফল হোৱাৰ ধাৰণা দি আত্মপ্ৰসাদ লাভৰ অৱকাশ দিয়ে। ৰাক্ষসে নন্দৰ সিংহাসনত নামক ৪ৰ্থ অঙ্কত ৰাক্ষসে নিজৰ নীতিৰ ব্যৰ্থতাৰ ভু পায়। মলয়কেতুৱে নিজে ৰাক্ষসেৰে সাক্ষাৎ চন্দ্ৰগুপ্তৰ ঠাইত মলয়কেতুক বহুৱাবলৈ চেষ্টা কৰে। কৰি তেওঁৰ মৃত পিতৃৰ অলংকাৰবোৰ পিন্ধিবলৈ দিয়ে।

'কূটলেখঃ' নামে ৫ম অঙ্কত ঘটনাই শীৰ্ষবিন্দু পায়। মুদ্ৰিত লেখ আৰু অলঙ্কাৰৰ সেৰাৰেসৈতে সিদ্ধাৰ্থক ধৰা পৰাত মলয়কেতুৰ মনত ৰাক্ষসৰ প্ৰতি অবিশ্বাস ওপজে। ৰাক্ষস প্ৰকৃততে চন্দ্ৰগুপ্তৰ হিতাকাঙ্খী বুলি মলয়কেতুয়ে ৰাক্ষসৰপৰা আঁতৰি যায়। ৰাক্ষসৰে মনোমালিন্য হোৱাৰ পাছত মলয়কেতু তেওঁৰ চাণক্যৰ কূটনীতি সফল হয়। ৰাক্ষসক ধৰিবলৈ চাণক্যই জাল সহযোগী ৰজাসকলৰ ফান্দত পৰে। পিছৰ দুই অঙ্কত বিস্তাৰ কৰে।

'কপটপাশঃ' নামে ৬ষ্ঠ অঙ্কত ৰাক্ষসে চন্দনদাসৰ প্ৰবৃত্তি বুজিবলৈ কুসুমপুৰলৈ উভতি আহে। তেওঁৰে ভেটাভটি হোৱা লোক এজনৰ মুখৰপৰা ৰাক্ষসে চন্দন দাসৰ আসন্ন প্ৰাণনাশৰ বতৰা পায়। 'সংগ্ৰহণম্' নামে অন্তিম অঙ্কত চণ্ডালে চন্দনদাসক শূলত দিবলৈ বধ্যভূমিলৈ লৈ যায়। তেওঁৰ ধৰ্মপত্নী আৰু পুত্ৰয়ো তেওঁৰ অনুগমন কৰিবলৈ মন থিৰ কৰে। নিজৰ প্ৰিয়বন্ধুক এনে এক দুৰ্ঘোৰ বিপদৰ মুখৰপৰা উদ্ধাৰ কৰিবলৈ ৰাক্ষসে নিজে ঘটনাস্থলত উপস্থিত হয় আৰু চাণক্যৰ বশম্বদ বন্ধু হোৱাৰ প্ৰতিশ্ৰুতি দি চন্দনদাসক মুক্ত কৰে। তেওঁ চাণক্যৰ কথামতে চন্দ্ৰগুপ্ত মৌৰ্যৰ মন্ত্ৰীত্ব পদ স্বীকাৰ কৰিবলৈ সন্মতি জ্ঞাপন কৰে। এইখিনিতে চাণক্যৰ নীতিয়ে পৰাকাষ্ঠা লাভ কৰে।

**বৈশিষ্ট্য ঃ** অনেক দৃষ্টিকোণৰপৰা বিচাৰ কৰি মুদ্ৰাৰাক্ষস নাটকক সংস্কৃত নাটক-ৰাজিৰ ভিতৰত এক অপূৰ্ব সাহিত্য কৰ্ম বুলি স্বীকাৰ কৰিব লাগিব। বহুকাৰণৰপৰা নাটকখন পৰম্পৰাগত নাটকবোৰৰ মাজত এক ব্যতিক্ৰম। ইয়াত নাই প্ৰেমকথা, নাই শৃঙ্গাৰ বা হাস্যৰ লেশ, নাই নাৰীৰ সমাগম। সৰ্বাংশে ই এক পৌৰুষ নাটক।



ৰাজনীতিৰ লেশ ভাসৰ 'প্ৰতিজ্ঞা' বা 'স্বপ্ন'ৰ মাজতো আছে। কিন্তু মুদ্ৰাৰাক্ষস একমাত্ৰ ৰাজনীতিমূলক নাটক। ইয়াত দুজন সুদক্ষ ৰাজনীতিজ্ঞই ৰাজনীতিৰ দৰাখেল খেলিছে। চাণক্যই এই খেলত অংশলৈ চন্দ্ৰগুপ্ত আৰু তেওঁৰ অনুচৰ বৰ্গক পণিৰূপে ব্যৱহাৰ কৰিছে। ৰাক্ষসে মলয়কেতু, চন্দনদাস, শকটদাস প্ৰভৃতিক একেদৰে ব্যৱহাৰ কৰিছে। একমাত্ৰ পৰ্বতেশ্বৰক পণিৰূপে বলি দি অন্য সকলক চাণক্যই ৰক্ষা কৰিছে। তেওঁ তৰা জালত ৰাক্ষস সদবলে বান্ধ খাইছে।

'মুদ্ৰাৰাক্ষস' স্কন্দৰ নাৰীবৰ্জিত ভূখণ্ড। তাত নাৰীৰ প্ৰৱেশ নিষিদ্ধ। নাৰী নাই বাবে প্ৰেম-পৰিণয়, শৃঙ্গাৰ, তাৰ সহযোগী মদন বা ৰতিৰো প্ৰৱেশ নাটকত নাই। একমাত্ৰ বিষকন্যা আৰু চন্দনদাস পত্নীৰ বিলাপ ইয়াত ৰিণিকি ৰিণিকি শুনা যায়।

নাটক খনক বীৰৰস প্ৰধান বোলা হয়। বীৰসকলে ৰণ নকৰি নীতিৰেহে যুদ্ধ কৰিছে। চাণক্য প্ৰভৃতি নীতিবিদ আৰু নীতিবীৰ। নাটকত শীতল যুদ্ধ গুৰিৰেপৰা অন্তলৈকে চলিছে। প্ৰায়সকল পাত্ৰ ছদ্মবেশীমুখঢকা। তেওঁলোক কাৰ অনুচৰ চিনি উলিওৱা টান। সেই বুলি নাটকখন নীৰস নহয়। বৰঞ্চ নাটকীয় উৎকণ্ঠা খোজে-পতি বাঢ়ি গৈছে।

চৰিত্ৰসকল সজীৱ, ঘটনাও গতিশীল। প্ৰতিজন চৰিত্ৰ বৈশিষ্ট্যপূৰ্ণ। চাণক্য আৰু ৰাক্ষস যথাৰ্থনামা ব্যক্তি। চন্দ্ৰগুপ্ত যোগ্য গুৰুৰ যোগ্য শিষ্য। ক্ষুদ্ৰ চৰিত্ৰ সকলৰ বুদ্ধিত ক্ষুদ্ৰতা নাই, তেওঁলোক বুদ্ধিদীপ্ত আৰু কৰ্মপ্ৰৱণ।

**হৰ্ষবৰ্ধন ঃ জীৱন পৰিচয় ঃ** ষষ্ঠ শতিকাৰ মাজভাগত পুষ্পভূতিয়ে স্থানেশ্বৰত বৰ্ধন ৰাজবংশ প্ৰতিষ্ঠা কৰে। প্ৰভাকৰ বৰ্ধনেই এই ৰাজবংশৰ গৌৰৱোজ্জ্বল অধ্যায়ৰ সূচনা কৰে আৰু 'মহাৰাজাধিৰাজ'ৰ খিতাপ অৰ্জন কৰে। তেওঁৰ পুতেক দুটি ক্ৰমে ৰাজ্যবৰ্ধন আৰু হৰ্ষবৰ্ধন নামে জানজাত। একমাত্ৰ কন্যা আছিল ৰাজ্যশ্ৰী। ৰাজ্যশ্ৰীক মৌখৰী বংশৰ গ্ৰহবৰ্মণলৈ বিয়া দিয়া হয়। ৬০৪ খৃষ্টাব্দত পশ্চিম সীমান্তত হুনসকলে অশান্তিৰ সৃষ্টি কৰিলত ৰজা প্ৰভাকৰবৰ্ধনে ৰাজ্যবৰ্ধনক হুনদমনাৰ্থে প্ৰেৰণ কৰে। ইফালে শকত নৰীয়াত পৰি ৰজা ঢুকোৱাত ৰাজ্যবৰ্ধন উভতি আহি ৬০৫ খৃষ্টাব্দত ৰাজপাটত বহে। এনে সময়তে মালৱৰাজ দেৱগুপ্তই কনৌজ আক্ৰমণ কৰি বিশ্বাসঘাতকতা কৰি গ্ৰহবৰ্মাক হত্যা কৰি ৰাজ্যশ্ৰীক কাৰাৰুদ্ধ কৰে। ৰাজ্যবৰ্ধনে প্ৰত্যাক্ৰমণ কৰি দেৱগুপ্তক পৰাস্ত কৰিলে যদিও গৌড়ৰ ৰজা শশাঙ্কই তেওঁক বিশ্বাসঘাতকতা কৰি হত্যা কৰিলে। উপায়হীন হৈ ৰাজ্যশ্ৰী বিন্ধ্যাৰণ্যলৈ পলাই গ'ল।

এনে পৰিস্থিতিত অনিচ্ছা সত্ত্বেও হৰ্ষবৰ্ধনে ৬০৬ খৃষ্টাব্দত ( অক্টোবৰ মাহত ) ৰাজপাটত বহিল। তাৰ পাছত তেওঁ ভনীয়েকক বিচাৰি গৈ বিন্ধ্যাৰণ্যত তেওঁক বিচাৰি উলিয়ালে। দুবাৰো দিগ্বিজয় কৰি অনেক ৰজাক বশীভূত কৰে যদিও চালুক্য ৰজা ২য় পুলকেশীৰ হাতত পৰাস্ত হৈ উভতি আহে। তেওঁ কামৰূপৰ ৰজা ভাস্কৰবৰ্মাৰে মৈত্ৰী বন্ধন স্থাপন কৰে আৰু শশাঙ্কক পৰাস্ত কৰে। ৬৪৭ খৃষ্টাব্দত হৰ্ষৰ বিয়োগ হয়।

**হৰ্ষবৰ্ধনৰ গ্ৰন্থ ঃ** হৰ্ষক ৰত্নাৱলী, প্ৰিয়দৰ্শিকা আৰু নাগানন্দম্ নামে তিনিখন ৰূপকৰ ৰচক বুলি কোৱা হয়। অৱশ্যে নাটক কেইখনৰ গ্ৰন্থকৰ্তৃত্ব লৈ কোনো কোনোৱে সন্দেহ প্ৰকাশ কৰে। মম্মটাৰ্য্যই কাব্যপ্ৰকাশত 'শ্ৰীহৰ্ষাদেৰ্ধাৱকাদীনামিৱ ধনম্, বুলি কোৱা কথাষাৰৰ ওপৰত ভেটি কৰি জনদিয়েক পণ্ডিত উক্ত নাটক কেইখন ধাৱকৰ ৰচনা বুলিহে কবলৈ আগৈ পাইছিল। কিন্তু সেই বিষয়ে কোনো থাটাং প্ৰমাণ নথকাত হৰ্ষবৰ্ধনেই নাটককেইখনৰ ৰচক বুলি পণ্ডিতসকলে সিদ্ধান্ত কৰিছে।

তলত নাটক তিনিখনৰ চমু পৰিচয় তুলি ধৰা হ'ল।

**(১) প্ৰিয়দৰ্শিকা ঃ** প্ৰিয়দৰ্শিকাৰ আৰু ৰত্নাৱলী-দুয়োখন চাৰি অংকবিশিষ্ট নাটিকা শ্ৰেণীৰ উপৰূপক। দুয়োখন নাটিকাৰ নায়ক কৌশাম্বীৰ ৰজা উদয়ন। নায়িকা দুজনী ক্ৰমে প্ৰিয়দৰ্শিকা আৰু ৰত্নাৱলী। সেয়ে নায়িকাৰ নামেৰে দুয়োখন গ্ৰন্থৰ নামাকৰণ কৰা হৈছে।

প্ৰিয়দৰ্শিকা অঙ্গৰ ৰজা দৃঢ়বৰ্মাৰ কন্যা। দেউতাকে তেওঁক উদয়নলৈ বিয়া দিবলৈ মন থিৰ কৰে। কিন্তু কলিঙ্গৰাজে প্ৰিয়দৰ্শিকা পাণিপ্ৰাৰ্থনা কৰি বিমুখ হৈ অঙ্গৰাজ্য আক্ৰমণ কৰি দৃঢ়বৰ্মাক বন্দী কৰে। দৃঢ়বৰ্মাৰ কঞ্চুকীজনে প্ৰিয়দৰ্শিকাক গোপনে পলুৱাই নি অঙ্গৰাজ্যৰ মিত্ৰ ৰজা বিন্ধ্যকেতুৰ ওচৰত আশ্ৰয় লয়। কোনো কাৰণত বিন্ধ্যকেতুৰ ওপৰত বৎসৰাজ ৰুষ্ট হোৱাত তেওঁৰ সেনাপতি বিজয়সেনে বিন্ধ্যকেতুৰ ৰাজ্য আক্ৰমণ কৰি তেওঁক বধ কৰে আৰু প্ৰিয়দৰ্শিকা বিজয়সেনৰ অধীনলৈ আহে। বিজয়সেনে তেওঁক আৰণ্যকা আখ্যা দি ৰাণীৰ ওচৰলৈ পঠিয়াই দিয়ে। আৰণ্যকাই বাসৱদত্তাৰ তত্বাৱধানত থাকি যথাৰ্থ শিক্ষা লাভ কৰে (প্ৰথম অঙ্ক)।

এদিনাখন ৰজা উদয়নে বিদূষকেৰে সৈতে উদ্যানৰ লতাকুঞ্জৰ আঁৰত বহি থাকোঁতে আৰণ্যকাই ভোমোৰা এটিৰদ্বাৰা আক্ৰান্তা হৈ চিঞৰ-বাখৰ কৰাত ৰজাই গৈ তেওঁক বিপদমুক্ত কৰে। এইদৰে নায়ক-নায়িকাৰ প্ৰথম সাক্ষাৎ হয় আৰু দুয়োৰে মনত পাৰস্পৰিক প্ৰেমৰ বীজ উপ্ত হয় (২য় অঙ্ক)।

পৰবৰ্তী সময়ত বিদূষকে আৰণ্যকাৰ সখীয়েক মানোৰমাৰে দিহা-যুগুতি কৰি নয়ক-নায়িকাৰ পুনঃ সাক্ষাতৰ ব্যৱস্থা কৰে। উদয়ন-বাসৱদত্তাৰ চৰিত সম্বন্ধীয় এক নাট্যাভিনয়ৰ যোজনা কৰা হয়। তাত মনোৰমাই উদয়নৰ আৰু আৰণ্যকাই বাসৱ-দত্তাৰ ভূমিকা গ্ৰহণ কৰে। পিছত বৰ কৌশলেৰে মনোৰমাৰ ঠাইত স্বয়ং ৰজাই নাটকত অংশগ্ৰহন কৰে। এইখিনিতে বাসৱদত্তাৰ মনত সন্দেহ ওপজে আৰু মনোৰমাৰ কৌশল বুজি পায়। (তৃতীয় অঙ্ক)। ইতিমধ্যে বাসৱদত্তাই তেওঁৰ সম্বন্ধীয় অঙ্গৰাজক কলিঙ্গৰাজৰ কবলৰপৰা মুক্ত কৰিবলৈ উপায় চিন্তা কৰে। উদয়নে অঙ্গৰাজক মুক্ত কৰিবলৈ সৈন্যবল পঠিয়ায়। তেতিয়া দৃঢ়বৰ্মাৰ কঞ্চুকী জনে বৎসৰাজৰ প্ৰাসাদলৈ আহে আৰু প্ৰিয়দৰ্শিকাক চিনি পাই তেওঁৰ পৰিচয় ব্যক্ত কৰে। শেষত বাসৱদত্তাৰ সন্মতিক্ৰমে উদয়ন আৰু প্ৰিয়দৰ্শিকাৰ বিবাহ সম্পন্ন হয়।



**(২) ৰত্নাৱলী ঃ** এই নাটিকাখন সিংহলৰ ৰাজকুঁৱৰী ৰত্নাৱলী আৰু উদয়নৰ প্ৰণয়ক উপজীৱ্য কৰি ৰচিত হৈছে। এইখনো চাৰি অঙ্কীয়া নাটিকা। ইয়াৰ ১ম অঙ্কত উদয়নৰ মুখ্যমন্ত্ৰী যৌগন্ধৰায়ণে ৰাজ্যৰ সমৃদ্ধিৰ কাৰণে সিংহলৰ ৰাজকুঁৱৰী ৰত্নাৱলীৰসৈতে উদয়নৰ বিয়া হোৱা উচিত বুলি জ্যোতিষীৰ ভৱিষ্যদ্বাণী শুনি তাত প্ৰত্যয় যায়। এতিয়া সেই অভিপ্ৰেত বিৱাহ অনুষ্ঠিত কৰাৰ ইচ্ছাৰে মন্ত্ৰীয়ে উৰাবাতৰি প্ৰচাৰ কৰি দিয়ে যে ৰাণী বাসৱদত্তা অগ্নিদগ্ধা হৈ মৃত্যুৰ মুখত পৰিছে। তাকে শুনি সিংহলৰ ৰজাই তেওঁৰ কন্যা ৰত্নাৱলীক মন্ত্ৰী বসুমতি আৰু কঞ্চুকীৰ তত্বাৱধানত নৌকাৰে উদয়নৰ ওচৰলৈ প্ৰেৰণ কৰে। কিন্তু অকস্মাতে সাগৰীয় ধুমুহাত সেই নাও বুৰ যোৱাত ৰত্নাৱলীয়ে কোনোমতে কৌশাম্বীৰ এজন বণিকৰ সহায়ত যৌগন্ধৰায়ণৰ ওচৰ পায়। মন্ত্ৰীয়ে তেওঁৰ নাম সাগৰিকা দি তেওঁক ৰাণীৰ তত্বাৱধানত থাকিবলৈ দিয়ে। ৰাণীয়ে তেওঁৰ ৰূপ-গুণৰ আধিক্য দেখি তেওঁৰ ৰজাৰ চকুৰপৰা আঁতৰ কৰি ৰাখিবলৈ যত্ন কৰে। কিন্তু মদনৰ পূজাৰ অৱসৰতে উদয়নে সাগৰিকাক দেখিবলৈ পায়। তাৰ ফলত দুয়োৰে অন্তৰত পাৰস্পৰিক প্ৰেমানুৰাগ ওপজে। কিন্তু ভাৱ বিনিময় কৰিবলৈ সময়-সুবিধালৈ অপেক্ষা কৰিবলগীয়া হয়। (১ম অঙ্ক)।

২য় অঙ্কত সাগৰিকাই তেওঁৰ সখীয়েক সুসঙ্গতাৰসৈতে উদয়নৰ প্ৰতি তেওঁৰ মনত ওপজা প্ৰেমভাৱৰ বিষয়ে কথা পাতে। তেনে সময়তে ৰজাৰ পোহনীয়া বান্দৰ এটা আৰু সাৰিকা চৰাইজনী সজাৰপৰা ওলাই যায়। তাৰ বাবে হোৱা কোলাহলৰ সময়ত তাত ৰজা আৰু বিদূষক উপস্থিত হয়। সুসঙ্গতা আঁতৰি যোৱাৰ অৱসৰতে ৰজাই সাগৰিকাৰ ভাৱ বিনিময় কৰে। কিন্তু কাঞ্চনমালাৰেসৈতে তাত বাসৱদত্তা ওলোৱাত প্ৰেমিক-প্ৰেমিকাৰ কথা তল পৰে। সুসঙ্গতাৰে সাগৰিকা আঁতৰি যায়। কিন্তু সাগৰিকাই আঁকা ৰজা আৰু সাগৰিকাৰ যুগ্ম চিত্ৰ দেখি বাসৱদত্তাই সকলো কথাৰে বুজ পায়।

সঙ্কেতম নামে তৃতীয় অঙ্কটো নাটকৰ হৃদয়স্বৰূপ। ইয়াত সাগৰিকা আৰু সুসঙ্গতাই যথাক্ৰমে বাসৱদত্তা আৰু কাঞ্চনমালাৰ ছদ্মবেশ ধৰি পূৰ্বৰ সঙ্কেত মতে ৰজাৰে মিলিত হ'বলৈ আহে। কিন্তু প্ৰকৃত বাসৱদত্তা তাৰো আগতে গৈ ৰজাৰ ওচৰ পায়। ৰজাই বাসৱদত্তাকে সাগৰিকা বুলি ভাবি কৰা ব্যৱহাৰত ৰাণী ক্ষুব্ধ হয়। ইয়াত সাগৰিকায়ো মানসিক আঘাত পায়। তেওঁ আত্মহত্যা কৰিবলৈ যত্ন কৰে। তেওঁৰ অপচেষ্টা বিদূষকৰ চকুত পৰাত তেওঁ ৰজাক সেই কথা জনায়। ৰজাই সাগৰিকাক উদ্ধাৰ কৰে যদিও তেওঁক বাসৱদত্তা বুলি ভুল কৰে। তেওঁলোকৰ মাজত কথা-বতৰা চলি থাকোঁতেই ৰাণী বাসৱদত্তা তাত উপস্থিত হয়। ৰজাই বাসৱদত্তাৰ ওচৰত ক্ষমা বিচাৰে যদিও ৰাণীয়ে খঙতে বিদূষক আৰু সাগৰিকাক কাৰাৰুদ্ধ কৰে।

ঐন্দ্ৰজালিক নামে অন্তিম অঙ্কত পোনতে বিদূষকে মুক্তি লাভ কৰে যদিও সাগৰিকাক কোনো অজ্ঞাত ঠাইলৈ স্থানান্তৰ কৰা কথা সদৰি হয়। এনেতে এজন ঐন্দ্ৰজালিকে

ৰাজপুৰীত যাদুখেল দেখুৱাবলৈ আহে। তেওঁ খেল প্ৰদৰ্শন কৰা সময়তে অন্তঃপুৰত জুই লাগে। চাৰিওফালে জুই বিয়পি পৰা দেখি সাগৰিকায়ো সেই জুইত দগ্ধ হ'ব পাৰে বুলি ৰাণীয়ে ভয় খাই তেওঁক উদ্ধাৰ কৰি আনিবলৈ ৰজাক অনুৰোধ কৰে। ৰজাই দুঃসাহস দেখুৱাই প্ৰেমিকা সাগৰিকাক উদ্ধাৰ কৰি আনে। ইতিমধ্যে সিংহলৰ মন্ত্ৰী এজন তাত আহি উপস্থিত হয়। তেওঁ সাগৰিকাক দেখি চিনি পায় আৰু তেওঁৰ প্ৰকৃত পৰিচয় মুকলিকৈ প্ৰকাশ কৰে। বাসৱদত্তাই সাগৰিকাৰ পৰিচয়ই পাই ৰজাৰে তেওঁৰ বিবাহ হোৱাত সন্মতি জ্ঞাপন কৰে। ইমানতে যৌগন্ধৰায়ণে তেওঁৰ আঁচনিৰ কথা প্ৰকাশ কৰি কয়।

নাগানন্দম্ ঃ– শ্ৰীহৰ্ষদেৱ কৃত নাগানন্দম্ পাঁচ অঙ্কীয়া নাটক শ্ৰেণীৰ ৰূপকবিশেষ। বিদ্যাধৰ জাতকক উপজীব্য কৰি ৰচিত এই নাটকখনও বৌদ্ধ ভাবধাৰাৰে আপ্লুত। বিদ্যাধৰ ৰাজকুমাৰ জীমূতবাহনে ৰাজ্যৰ শাসন ভাৰ তথা ভোগবিলাস ত্যাগ কৰি পিতৃসেৱাত আত্মনিয়োগ কৰে। পিতৃৰ আদেশমতে তেওঁ মলয় পৰ্বতত এক নিৰিবিলি স্থান বাচি লয়। তাত তেওঁ গৌৰীৰ মন্দিৰত সিদ্ধসকলৰ ৰজাৰ কুমাৰী জীয়েক মলয়ৱতীৰ সাক্ষাৎ লাভ কৰে। তেওঁ সেই সিদ্ধ ৰাজকুমাৰী কোনো বিদ্যাধৰ কোঁৱৰেৰে বিবাহ হ'ব বুলি গৌৰীয়ে মলয়ৱতীক বৰদান কৰাটোও জানিবলৈ পায়। বিদূষকে জীমূতবাহন আৰু মলয়ৱতীৰ মিলনৰ ব্যৱস্থা কৰিলেও মাজতে আহি পৰা বাধাৰ বাবে তেওঁলোকৰ মাজত কথা-বতৰা আধৰুৱা হৈ ৰ'ল। তথাপি দুয়োৰে মাজত প্ৰেমৰ সম্বন্ধ স্থাপিত নোহোৱাকৈ নাথাকিল।

দ্বিতীয় অঙ্কত মলয়ৱতীক প্ৰেমাতুৰ অৱস্থাত দেখা যায়। জীমূতবাহনৰো একেই অৱস্থা হৈছে। এনে এক অৱস্থাতে মলয়ৱতীৰ ভায়েক মিত্ৰাবসুৰ আগমন হয়। ভনীয়েকৰ অনৱস্থা বুজি তেওঁ জীমূতবাহনৰ ওচৰলৈ গৈ বিয়াৰ প্ৰস্তাৱ আগবঢ়ায়। দৈৱক্ৰমে জীমূতবাহন আৰু মিত্ৰাবসু পূৰ্বৰেপৰা ঘনিষ্ঠ বন্ধু আছিল। কিন্তু গৌৰীৰ মন্দিৰত তেওঁ লগপোৱা মলয়ৱতী যে মিত্ৰাবসুৰ ভনীয়েক তেওঁ সেই কথা জনা নাছিল। সেইবাবে তেওঁ মিত্ৰাবসুৰ প্ৰস্তাৱ নামঞ্জুৰ কৰিলে। তাকে শুনি মলয়ৱতী আত্মহত্যা কৰিবলৈ সাজু হ'ল। কিন্তু জীমূতবাহনে তেওঁক তেওঁৰ প্ৰতি থকা নিজৰ গাঢ় প্ৰণয়ৰ কথা জনাই মলয়ৱতীক ক্ৰূৰকৰ্মৰপৰা বিৰত কৰে।

তৃতীয় অঙ্কত সকলো সন্দেহ দূৰ হয় আৰু নায়ক-নায়িকাৰ বিবাহ মঙ্গলোৎসৱ যথাবিহিত সুসম্পন্ন হয়। অন্তত মিত্ৰাবসুয়ে নায়কক জনাই যে তেওঁৰ প্ৰতিদ্বন্দ্বী মতঙ্গই তেওঁৰ ৰাজ্যত নিজক প্ৰতিষ্ঠা কৰিছে। গতিকে মতঙ্গক উপযুক্ত ভাৱে দণ্ড বিহিব লাগে। কিন্তু জীমূতবাহনে তাৰ বিপৰীতে মতঙ্গই ৰাজপাট ভোগ কৰিলে কৰক বুলি কলে। কিয়নো যুঁজ—বাগৰ কৰি তেওঁ অনাহক ৰক্তপাত কৰিব নোখোজে।

চতুৰ্থ অঙ্কত মিত্ৰাবসুৰেসৈতে জীমূতবাহনে সাগৰৰ পাৰত ভ্ৰমণ কৰিবলৈ গৈ দূৰত মৃত সাপৰ হাৰৰ স্তূপীকৃত দম দেখিবলৈ পায়। তাৰ পাছত তেওঁ শঙ্খচূড় নামে



সৰ্পৰ মাকৰ বিলাপ শুনিবলৈ পায়। তাৰপৰা তেওঁ বুজি পায়ে যে বহুদিনৰপৰা গৰুড়ে প্ৰতিদিন তাত থকা বধ্যশিলাৰপৰা একোটি সাপ ধৰি নি খায় আৰু সিদিনা শঙ্খচূড়ৰ পাল পৰিছে বাবে মাকে পুতেকৰ অকাল বিয়োগ হ'ব বুলি ভাবি বিলাপ কৰিছে। জীমূতবাহনে নিজৰ জীৱন বলিদান দি হ'লেও শঙ্খচূড়ৰ জীৱন ৰক্ষা কৰিবলৈ পণ কৰি শঙ্খৰেকাৰ ঘৰৰপৰা পিন্ধিবলৈ দিয়া ৰঙা কাপোৰ উৰি বধ্যশিলাত আৰোহণ কৰে। গৰুড়েও পৰীক্ষা নকৰাকৈ সাপ বুলি ভাবি তেওঁক লৈ মলয় পৰ্বতলৈ উৰি যায়।

পঞ্চম অঙ্কত জীমূতকেতু আৰু বিশ্বাবসুয়ে জীমূতবাহনে প্ৰত্যাবৰ্তন কৰালৈ উৎকণ্ঠিত হৈ অপেক্ষা কৰি থাকে। এনেতে ৰক্তমাংসৰে আপ্লুত জীমূতবাহনৰ চূড়ামণি তেওঁলোকৰ সমুখতে পৰেহি। আটায়ে তেওঁক বিচাৰি ওলায়। এনেতে শঙ্খচূড়ে তালৈ আহি সকলো অঘটনৰ বিৱৰণ দিয়েছি। শঙ্খচূড়ে মলয় পৰ্বতলৈ গৈ গৰুড়ে দয়াৱান লোক এজনৰ প্ৰাণনাশ কৰা বুলি অভিযোগ কৰে আৰু গৰুড়ে নিজে কৰা ভুলৰ বাবে খেদ প্ৰকাশ কৰে। আনফালে জীমূতকেতু প্ৰভৃতিয়েও নায়কক অনুসৰণ কৰি আত্মহত্যা কৰিবলৈ সাজু হয়। এনেতে গৌৰীদেৱীয়ে আত্মপ্ৰকাশ কৰি জীমূতবাহনক সঞ্জীৱিত কৰি তোলে। অন্যান্য সাপবোৰকো তেওঁ জীয়াই তুলিলে। গৌৰীয়ে প্ৰসন্ন হৈ জীমূতবাহনক বিদ্যাধৰৰ চক্ৰৱৰ্তী ৰজা পাতিলে। গৰুড়েও ভৱিষ্যতে সৰ্পবধ নকৰিবলৈ প্ৰতিজ্ঞাবদ্ধ হ'ল।

**সমীক্ষণ ঃ** শ্ৰীহৰ্ষৰ আগতেও ভাস, শূদ্ৰক, কালিদাস, বিশাখদত্ত প্ৰভৃতি অনেক নাট্যকাৰে অনেক নাটক ৰচনা কৰি গৈছে। কিন্তু নাট্যশাস্ত্ৰীয় বিধিবোৰ কোনেও হৰ্ষৰ দৰে পালন কৰা চকুত নপৰে। হৰ্ষৰ ৰত্নাৱলীত নাট্যশাস্ত্ৰীয় বিধিব্যৱস্থাবোৰ এনে যথাৰ্থভাৱে পালন কৰা হৈছে পৰৱৰ্তী নাট্যশাস্ত্ৰীসকলে তেওঁলোকৰ বিধিৰ উদাহৰণ প্ৰায়েই ৰত্নাৱলীৰ পাতৰপৰাই দিয়া চকুত পৰে। নাট্যশাস্ত্ৰৰ বিধিসন্মত অন্য এখন নাটক ভট্টনাৰায়ণৰ বেণীসংহাৰ।

ৰত্নাৱলী আৰু প্ৰিয়দৰ্শিকাৰ কাহিনীৰ ওপৰত ভাসৰ স্বপ্নবাসৱদত্তা আৰু প্ৰতিজ্ঞা-যৌগন্ধৰায়ণৰ প্ৰভাৱ পৰিছে। নাটকৰ সাংগঠনিক আৰু শাস্ত্ৰীয় ৰীতিৰ ওপৰত কালিদাসৰ নাটিকা মালৱিকাগ্নিমিত্ৰৰ প্ৰভাৱ অতি স্পষ্ট। প্ৰিয়দৰ্শিকাত পোন প্ৰথম বাৰলৈ নাটকৰ গৰ্ভত নাটকৰ প্ৰদৰ্শনৰ উদাহৰণ পোৱা যায়। ৰত্নাৱলীত বসন্ত উৎসৱৰ জাকজমকতা চকুত লগা।

যদিও নাগানন্দৰ কাহিনী বৌদ্ধজাতকৰ পেটৰপৰা বুটলি অনা আৰু নান্দীত বুদ্ধ-প্ৰাৰ্থনা কৰা হৈছে, তথাপি হিন্দুদেৱী গৌৰীৰ মাহাত্ম্যহে কীৰ্তিত হৈছে। গৌৰীৰ কৃপাত নায়কে পুনৰ্জীৱন লভিছে আৰু সাপবোৰেও প্ৰাণ পাইছে।

গোটেই কেইখন নাটকৰ কাব্যশৈলী সৰল আৰু সুবোধ। বৰ্ণনাবাজি বিতং আৰু চমকলগা। ৰোমাঞ্চকৰ বিষয়ৰ বৰ্ণনাত কৰি সিদ্ধহস্ত।

**ভট্টনাৰায়ণ ঃ জীৱনচৰিত ঃ** ভট্টনাৰায়ণ সম্বন্ধে বৰ কম কথা জনা যায়। প্ৰচলিত পৰম্পৰামতে তেওঁ মূলত: কান্যকুব্জ বা কনৌজৰ অধিবাসী। বঙ্গৰ ৰজা আদিশূৰে আমন্ত্ৰণ কৰি বঙ্গলৈ অনা পাঁচজন ব্ৰাহ্মণৰ ভিতৰত ভট্টনাৰায়ণ অন্যতম। তেওঁৰ বঙ্গত 'ব্ৰাহ্মণ গৌড়' আৰু 'ঠাকুৰ' পৰিয়ালৰ পূৰ্বজ বুলিও দাবী কৰা হয়।

**কাল ঃ** আদিশূৰ শেষ গুপ্তৰজা মাধৱগুপ্তৰ পুতেক। তেওঁ হৰ্ষবৰ্ধনৰ মৃত্যুৰ পিছত আদিত্য সেন আদিশূৰ নাম লৈ মগধৰ চাৰিসীমাৰ ভিতৰতে স্বাধীন ৰাজ্য পাতে তেওঁৰ ৰাজত্বকাল ৬৭১ খৃষ্টাব্দলৈ বুলি কোৱা হয়। ভট্টনাৰায়ণ তেওঁৰ সমসাময়িক হ'লে, ৭ম শতিকাকে কৱিৰ কাল বুলিব পাৰি।

মম্মট (খৃ. ১১০০), ধনঞ্জয় (খৃ. ১০০০), আনন্দবৰ্ধন (খৃ° ৮৫০) আৰু বামন (৮০০ খৃ.) প্ৰভৃতিয়ে বেণীসংহাৰৰপৰা শ্লোকৰ উদ্ধৃতি দিছে। গতিকে ভট্টনাৰায়ণ অষ্টম শতাব্দীৰ আগৰ নহৈ নোৱাৰে।

ধৰ্মকীৰ্তিৰ ৰূপাৱতাৰ গ্ৰন্থৰ 'নীৱী' নামে টীকাত বাণভট্টৰ অনুৰোধত ভট্টনাৰায়ণে বৌদ্ধ সন্ন্যাসীৰ শিষ্যত্ব গ্ৰহণ কৰা কথা কোৱা হৈছে। ৰূপাৱতাৰ ভট্টনাৰায়ণ আৰু ধৰ্মকীৰ্তিৰ যুটিয়া প্ৰচেষ্টাৰে ৰচিত গ্ৰন্থ বুলিও কোৱা হয়। যদি এয়া বিশ্বাসযোগ্য হয় তেনেহলে ভট্টনাৰায়ণ সপ্তম শতিকাৰ গদ্যকাৰ বাণৰ সমকালীন হ'ব।

আকৌ দণ্ডীয়ে এটা শ্লোকত ভট্টনাৰায়ণে তিনিখন কাব্য ৰচনা কৰি গৈছে বুলি উল্লেখ কৰে ঃ

> ব্যাস্তং পদত্ৰয়েণাপি যঃ শক্তৌ ভুৱনত্ৰয়ম্।
> তস্য কাব্যত্ৰয়ব্যাপ্তৌ চিত্ৰং নাৰায়ণস্য কিম্॥

গতিকে ভট্টনাৰায়ণৰ কাল ৭ম শতিকাই হ'ব।

**বেণীসংহাৰ ঃ** এয়া এখন ছয় অঙ্কবিশিষ্ট পূৰ্ণাঙ্গ নাটক শ্ৰেণীৰ ৰূপক। ইয়াৰ কথাভাগ মহাভাৰতৰ মূল কাহিনীৰ আধাৰত নিৰ্মিত। কৌৰৱ সভাত দুঃশাসনৰ হাতত লাঞ্ছিতা হোৱা দ্ৰৌপদীৰ অনৱস্থাৰ পোটক তুলিবলৈ ভীমে দুঃশাসন আৰু দুৰ্যোধনৰ বধৰ প্ৰতিজ্ঞা কৰে। দ্ৰৌপদীয়েও দুঃশাসন আৰু দুৰ্যোধনৰ মৃত্যু নোহোৱালৈকে সভাৰ মাজত পোৱা অপমানৰ পোটক তোলা—নোহোৱালৈকে তেওঁৰ বেণী নুগুথিবলৈ শপথ খায়। দুৰ্যোধনৰ উৰুভঙ্গ কৰিহে ৰক্তাক্ত হাতেৰে ভীমে দ্ৰৌপদীৰ বেণী সংহাৰ কৰে। তাৰেপৰাই নাটকৰ নাম 'বেণী সংহাৰ' হয়।

প্ৰথম অঙ্কৰ আৰম্ভণিতে বনবাসৰ কালপূৰণ হোৱাত যুধিষ্ঠিৰে সন্ধিৰ প্ৰস্তাৱ দি শ্ৰীকৃষ্ণক দূত হিচাপে দুৰ্যোধনৰ ওচৰলৈ পঠিয়ায়। তাকে শুনি ভীম ৰুষ্ট হয়। তেওঁ সন্ধিৰে অপমানৰ প্ৰতিকাৰ নহৈ যুদ্ধৰে লোৱাটোকে বিচাৰে। সহদেৱে তেওঁক শান্ত কৰিবলৈ যত্ন কৰে। তেনেকৈ দ্ৰৌপদীয়ে আহি জ্বলা জুইত ঘিউ ঢালে; তেওঁ উত্তেজনাকৰ বচনেৰে ভীমক অধিক উত্তেজিত কৰে। ভীমে দ্ৰৌপদীক সান্ত্বনা দিয়ে। তেওঁ পূৰ্বৰ প্ৰতিজ্ঞা দোহাৰি কয় যে গদাৰে কোবাই দুৰ্যোধনৰ উৰু ভাঙিহে ৰক্তাক্ত হাতেৰে



দ্ৰৌপদীৰ বেণীবন্ধন কৰি দিব। এনেতে যুধিষ্ঠিৰে দিয়া সন্ধিৰ প্ৰস্তাৱ দুৰ্যোধনে নামাঞ্জুৰ কৰাৰ বতৰা ওলায়। কৃষ্ণ সুদাহাতেৰে উভতি আহে। গতিকে যুধিষ্ঠিৰে অগত্যা কৌৰৱৰ বিপক্ষে যুদ্ধ ঘোষণা কৰে আৰু ৰণবাদ্য বাজি উঠে। তাকে শুনি ভীম আৰু সহদেৱে প্ৰসন্নচিত্তে দ্ৰৌপদীৰপৰা বিদায় লৈ যুদ্ধলৈ যায়।

দ্বিতীয় অঙ্কত দুৰ্যোধনৰ পত্নী ভানুমতীয়ে এটা অশুভ সপোন দেখে। তাত এটা নেউলে এশ সাপ বধ কৰা দেখা পায়। ইয়াৰদ্বাৰা পাণ্ডৱৰ হাতত এশ কৌৰৱৰ নিধন সূচাইছে বুলি ভানুমতীয়ে ভয় খায়। প্ৰথমতে কুৰুৰাজে সপোনৰ অৰ্থ বুজি পোৱা নাছিল। পাছত ইয়াৰ পৰিণামৰ কথা চিন্তা কৰি বৰ উদ্বিগ্ন হৈ পৰে। দুঃস্বপ্ন প্ৰশমনৰ বাবে সূৰ্য পূজা কৰি দুৰ্যোধনে ভানুমতীক সান্ত্বনা দিয়াৰ যত্ন কৰিলে। পাছতে দুয়ো ক্ষন্তেকলৈ যুঁজৰ কথা পাহৰি গৈ প্ৰেমালাপ কৰি কটালে। ইতিমধ্যে জয়দ্ৰথৰ মাতৃয়ে অভিমন্যু বধৰ বাবে অৰ্জুনে জয়দ্ৰথৰ ওপৰত প্ৰতিশোধ লবলৈ কৰা প্ৰতিজ্ঞাৰ কথা সুঁৱৰি পুত্ৰৰ ৰক্ষাৰ ব্যৱস্থা লবলৈ দুৰ্যোধনক অনুৰোধ কৰে। তাৰ তেওঁক সান্ত্বনা দি যুঁজলৈ যায়।

তৃতীয় অঙ্কৰ প্ৰৱেশকৰপৰা যুদ্ধৰ গতি-প্ৰগতি সম্বন্ধে ভূ পোৱা যায়। ধৃষ্টদ্যুম্নই তলোৱাৰেৰে দ্ৰোণাচাৰ্য্যৰ শিৰশ্চেদ কৰে। পিতৃবধৰ অশুভ বতৰা পাই অশ্বত্থামা ক্ৰোধমূৰ্ছিত হৈ পৰে। তেওঁ ঘটনাস্থলত থকা পাণ্ডৱসকলকো তাৰ বাবে ধিক্কাৰ দিয়ে। পিছত মোমায়েক কৃপাচাৰ্য্যই তেওঁক শান্ত কৰে। কৃপাচাৰ্য্যই অশ্বত্থামাক দুৰ্যোধনৰ ওচৰলৈ লৈ গৈ তেওঁক সেনাপতি বৰণ কৰিবলৈ পৰামৰ্শ দিয়ে যাতে তেওঁ পিতৃবধৰ পোটক তুলিবলৈ পাৰে। কিন্তু ইতিমধ্যে দুৰ্যোধনে কৰ্ণক সেনাপতি পাতিবলৈ কথা দিছে। সেই লৈ কৰ্ণ আৰু অশ্বত্থামাৰ মাজত তীব্ৰ বাক্-বিতণ্ডা আৰম্ভ হয়। অশ্বত্থামাই কৰ্ণ জীয়াই থকালৈকে অস্ত্ৰধাৰণ নকৰিবলৈ প্ৰতিজ্ঞা কৰে। ইতিমধ্যে নেপথ্যত দুঃশাসনৰ জীৱন ভীমৰ হাতত বিপন্ন হোৱাৰ বতৰা পোৱা হয়। দুৰ্যোধন, কৰ্ণ আৰু অশ্বত্থামাই দুঃশাসনক ৰক্ষা কৰিবলৈ লৰা-ধপৰাকৈ ৰণভূমিলৈ যায়; তেতিয়ালৈকে ভীমে তেওঁৰ প্ৰতিজ্ঞানুসাৰে দুঃশাসন সিফলীয়া কৰিছে।

চতুৰ্থ অঙ্কত দুৰ্যোধনে কৰ্ণপুত্ৰ বৃষসেনৰ বধ আৰু যুঁজৰ অন্য খবৰ পায়। ৰক্তেৰে ৰচনা কৰা পত্ৰ এখন তেওঁ কৰ্ণৰপৰা পায়। তাৰে তেওঁ যুজত দুৰ্যোধনৰ সহায় প্ৰাৰ্থনা কৰিছে। দুৰ্যোধনে আকৌ যুদ্ধভূমিলৈ যাবলৈ ওলায়। কিন্তু তেওঁৰ পিতৃ ধৃতৰাষ্ট্ৰ, গান্ধাৰী আৰু সঞ্জয়ে তেওঁক যুঁজলৈ যোৱাত বাধা দিয়ে।

পঞ্চম অঙ্কত ধৃতৰাষ্ট্ৰ আৰু গান্ধাৰীয়ে পুতেক দুৰ্যোধনক পাণ্ডৱৰে সন্ধি কৰিবলৈ পৰামৰ্শ দিয়ে। দুৰ্যোধনে সেই পৰামৰ্শ মানি নললে। এনে সময়তে ভীম আৰু অৰ্জুনে দুৰ্যোধনক বিচাৰি তালৈ আহে। ভীম আৰু দুৰ্যোধনৰ মাজত ভীষণ বাক্‌যুদ্ধ হয়। দুৰ্যোধনে ভীমক যুদ্ধলৈ আহ্বান কৰে। অৰ্জুনে দুয়োকে বাধা দিয়ে। এনে সময়তে যুধিষ্ঠিৰে ভীম আৰু অৰ্জুনক মাতি পঠিয়ায়। তেতিয়া তালৈ অশ্বত্থামা আহি পাণ্ডৱৰ হাতত কৌৰৱসকলৰ নিধন-যজ্ঞ সোঁৱৰাই দি দুৰ্যোধনেৰে বুজাপৰা কৰে।

ষষ্ঠ অঙ্কত এক অভিনৱ যোজনা চকুত পৰে। ৰণক্ষেত্ৰত স্বপক্ষৰ বীৰ যুঁজাৰু আৰু সৈন্য-সামন্তসকলক সমূলি হেৰুৱাই, ভয়ত বিতত হৈ দুৰ্যোধনে এটা সৰোবৰৰ পানীত গা লুকায়। মহাৰাজ যুধিষ্ঠিৰে দুৰ্যোধনক বিচাৰি উলিয়াবলৈ আদেশ দিয়ে। ইয়াৰ পাছত পাঞ্চালক নামে দূত এজনে জনায়হি যে ভীমে দুৰ্যোধনক বধ কৰি নিজৰ প্ৰতিজ্ঞা পূৰণ কৰিছে। কিন্তু তাৰ পিছতে দুৰ্যোধনৰ বন্ধুৰাক্ষস চাৰ্বাকে মুনি এজনৰ বেশ ধাৰণ কৰি গদাযুদ্ধত দুৰ্যোধনৰ হাতত ভীমৰ পতন হৈছে বুলি খবৰ দিয়েহি। এই বতৰা শুনি যুধিষ্ঠিৰ আৰু দ্ৰৌপদী শোকাভিভূত হৈ মৃত্যুবৰণ কৰিবলৈ ওলায়। চাৰ্বাকে অশুভ খবৰ দি বিদায় লোৱাৰ পাছতে নেপথ্যত বৰ কোলাহল হয়। তাকে শুনি দুৰ্যোধন আহিছে বুলি আশঙ্কা কৰি যুধিষ্ঠিৰে অস্ত্ৰধাৰণ কৰে। এনে অৱস্থাত ৰক্তাপ্লুত শৰীৰে ৰে ভীম তালৈ আহে আৰু দুৰ্যোধনৰ তেজসনা হাতেৰে দ্ৰৌপদীৰ বেণী বন্ধন কৰি দিয়ে। তাৰ পাছতে তালৈ অৰ্জুন আৰু শ্ৰীকৃষ্ণৰ আগমন হয়। সকলোৰে উপস্থিতিত ভৰতবাক্য গাই নাটকৰ সামৰণি মৰা হয়।

**সমীক্ষণ ঃ** ভাৰতীয় নাট্যকলাবিদসকলে বেণীসংহাৰক নাট্যবিধি অনুসৰি এক আদৰ্শ নাটক হিচাপে গ্ৰহণ কৰিছে। নাটকখনৰ অঙ্গীৰস বীৰৰস। ইয়াত সকলো অৰ্থপ্ৰ কৃতি, অৱস্থা, সন্ধি আৰু পতাকাস্থানক আদি যথাবিহিত পালিত হৈছে। নায়কজন যুদ্ধবীৰ ভীম। নাটকৰ ভাষা ওজস্বিতা গুণসম্পন্ন। দীঘল সমাসবহুল সংস্কৃত ভৱভূতিৰ ভাষাৰ প্ৰতিস্পৰ্ধী। নাটক হিচাপে ই অভিনয়যোগ্য নহয়। দ্বিতীয় অঙ্কত দুৰ্যোধন-ভানুমতীৰ প্ৰেমালাপ আৰু ষষ্ঠ অঙ্কত চাৰ্বাকৰ প্ৰসঙ্গৰ ঔচিত্য বিচাৰি পোৱা নাযায়।

ভীম, দুৰ্যোধন, কৰ্ণ আৰু অশ্বত্থামাৰ চৰিত্ৰসমূহ নিতান্ত বলিষ্ঠ। অশ্বত্থামাৰ প্ৰতি কৱিৰ পক্ষপাতিত্ব থকা যেন লাগে। কৰ্ণ-অশ্বত্থামাৰ বাক্‌যুদ্ধই মহাভাৰতৰ পাতৰ কৰ্ণ-শল্য বাক-বিতণ্ডাৰ কথালৈ মনত কৰি দিয়ে। কৃষ্ণ আৰু অৰ্জুনৰ ভূমিকাই যথাযোগ্য স্থান নাপালে। নাটকত ভানুমতীৰ স্বপ্নদৰ্শনৰ, দ্ৰৌপদীৰ বেণীসংহাৰ, ভীমৰ দুৰ্যোধনবধৰ একক প্ৰয়াস আদিয়ে কিছু অভিনৱত্ব সংযোগ কৰিছে।

**ভৱভূতি ঃ** সংস্কৃত নাট্য-সাহিত্যত ভৱভূতিৰ স্থান কালিদাসৰ পাছতে বুলি কোৱা হয়। কিয়নো, তেওঁ ৰচনা কৰা ৰসোত্তীৰ্ণ নাটক উত্তৰৰামচৰিতৰ স্থানো অভিজ্ঞানশাকুন্তলমৰ পাছতে।

**জীৱন-পৰিচয় ঃ** ভৱভূতিৰ জীৱনৰ সামান্য পৰিচয় তেওঁৰ নাটক কেইখনৰ প্ৰস্তাৱনাৰপৰাই পোৱা যায়। মহাবীৰ চৰিতৰ প্ৰস্তাৱনাৰপৰা জনা যায় যে তেওঁ দক্ষিণাপথৰ অন্তৰ্গত বিদৰ্ভৰ ভিতৰৰ পদ্মপুৰৰ অধিবাসী শ্ৰীভট্ট গোপালৰ নাতিয়েক আৰু নীলকণ্ঠৰ পুত্ৰ আছিল। মাতৃৰ নাম জাতুকৰ্ণি। তেওঁ শ্ৰীকণ্ঠপদেৰে বিভূষিত পদ, বাক্য আৰু প্ৰমাণত নিষ্ণাত হৈ ভৱভূতি নামে জনাজাত হৈছিল। তেওঁলোক কৃষ্ণযজুৰ্বেদৰ অন্তৰ্গত তৈত্তিৰীয় শাখাধ্যায়ী কাশ্যপগোত্ৰীয় ব্ৰাহ্মণ আছিল। তেওঁলোক পঞ্চাগ্নীসেৱক আৰু সোমযাজী ব্ৰাহ্মণ আছিল। আন দুখন নাটকতো প্ৰায় একে



পৰিচয় পোৱা গৈছে। সম্ভৱতঃ শ্ৰীকণ্ঠ আছিল তেওঁৰ পিতৃদত্ত নাম। তেওঁ সমাজত ভৱভূতি নামেৰে জনাজাত হৈছিল।

এসময়ত পণ্ডিতসকলে ভৱভূতি আৰু দাৰ্শনিক উম্বেকক একেজন লোক বুলি বিবেচনা কৰিছিল। কিন্তু পণ্ডিত মিৰাশীয়ে উম্বেক আৰু ভৱভূতি বিভিন্ন কালত ওপজা দুজন স্বতন্ত্ৰ ব্যক্তি বুলি কৈছে। একেদৰে ভৱভূতিকে সুৰেশ্বৰ, বিশ্বৰূপ আৰু মণ্ডন মিশ্ৰ বুলিও কোনো কোনোৱে কব খোজে। কিন্তু দুই-এটি কথাৰ ওপৰত ভেটি কৰি একেজন ব্যক্তিক বিভিন্ন নামধাৰী লোক বুলি কবলৈ যোৱাটো সমিচীন কথা নহয়। অধিক তথ্য পোহৰলৈ নহালৈকে ভৱভূতিক সুৰেশ্বৰ বা মণ্ডনমিশ্ৰ বুলি মানি লোৱা অনুচিত হ'ব।

**কাল ঃ** ভৱভূতিৰ কাল সম্বন্ধে সঠিক তথ্য ক'তো নাপালেও বহিৰঙ্গ প্ৰমাণেৰে তেওঁৰ কাল সহজে নিৰূপণ কৰিব পাৰি। মম্মট ( ১১০০ খৃ. ), ধনঞ্জয় ( ৯৯৫ খৃ. ), ৰাজশেখৰ ( ৯০০ খৃ. ), বামন ( ৮০০ খৃ. ) আদিয়ে ভৱভূতিৰ গ্ৰন্থৰপৰা উদ্ধৃতি দিয়ালৈ চাই ভৱভূতিৰ কাল খৃ. ৮ম শতিকাৰ মাজত পৰিব লাগে।

কল্‌হনে ৰাজতৰঙ্গিনীত ( ৪।১৪৪ ) ভৱভূতি আৰু বাক্‌পতিক যশোবৰ্মাৰ সভাকৱি আছিল বুলি কৈছে ঃ

কৱি বাক্‌পতিৰাজশ্ৰী ভৱভূত্যাদিসেৱিতঃ।
জিতো যযৌ যশোধৰ্মা তদ্‌গুণস্তুতিবন্দিতাম্‌ ॥

দুই-এজন পণ্ডিতে বাক্‌পতিৰাজক ভৱভূতিৰ শিষ্য আছিল বুলি কয়। ভৱভূতিয়ে বাক্‌পতিৰ উল্লেখ নকৰিলেও বাক্‌পতিয়ে 'গউড়বহ' কাব্যত ভৱভূতি আৰু যশোবৰ্মাৰ প্ৰশংসা কৰিছে ঃ

ভৱভূতিজলনিধিনিৰ্গত কাব্যামৃত ৰসকণা ইৱ স্ফুৰন্তি।
যস্যবিশেষা অদ্যাপি বিকটেষু কথানিৱেশেষু ॥

ইয়াৰপৰা বুজিবলৈ পাৰি যে যথাসম্ভৱ ভৱভূতি আৰু বাক্‌পতি দুয়ো যশোবৰ্মাৰ সভাকৱি আছিল আৰু ভৱভূতি সম্ভৱতঃ বাক্‌পতিৰ জ্যেষ্ঠ সমকালীন কৱি আছিল।

আকৌ কল্‌হনে ৰাজতৰঙ্গিনীত কাশ্মীৰৰ ৰজা ললিতাদিত্য মুক্তাপীড়ে আৰু যশোবৰ্মাক যুদ্ধত পৰাস্ত কৰা কথাও লিখিছে ( ৰা. ৪।১৩৪ )। ষ্টাইনৰ মতে সেয়া ৭৩৬ খৃষ্টাব্দৰ আগতে ঘটিছিল। হৰ্ষৰ পৰৱৰ্তী কালত যশোবৰ্মাই কান্যকুব্জত ৰাজত্ব কৰে। তেওঁ ৰামভক্ত আছিল। নিজে তেওঁ ৰামকথাৰ আশ্ৰয়ত 'ৰামাভ্যুদয়' নাটক ৰচনা কৰিছিল। তেওঁক সন্তুষ্ট কৰিবলৈ ভৱভূতিয়েও ৰামকথাৰ আধাৰত 'মহাবীৰচৰিত' আৰু 'উত্তৰৰামচৰিত' ৰচনা কৰিছিল বুলি ভাবিবলৈ পাৰি। গতিকে ভৱভূতিৰ আবিৰ্ভাৱ কাল ৭০০-৭৩৩ খৃষ্টাব্দৰ ভিতৰত হোৱা স্বাভাৱিক।

**ভৱভূতিৰ নাট্যকৃতি ঃ** ভৱভূতিয়ে তিনিখন নাটক ৰচনা কৰে ঃ (১) মহাবীৰচৰিত, (২) মালতীমাধৱ আৰু (৩) উত্তৰৰামচৰিত। মহাবীৰ বা বীৰচৰিত আৰু উত্তৰৰামচৰিত বা উত্তৰচৰিত ৰামায়ণৰ আধাৰত ৰচিত দুখন

নাটক শ্ৰেণীৰ ৰূপক। আনহাতে 'মালতী-মাধৱ'ৰ কাহিনী কৱিকল্পিত। ই প্ৰকৰণ শ্ৰেণীৰ ৰূপক। তদুপৰি সুভাষিত সংগ্ৰহবোৰৰ মাজতো ভৱভূতি ৰচিত কেতবোৰ শ্লোক দেখা যায়।

(১) **মহাৱীৰচৰিত** :—ই এখন সাত অঙ্কীয়া নাটক। ইয়াত ৰামৰ বিৱাহ, বনবাস, সীতাহৰণ আৰু ৰাৱণবধৰ পাছত ৰামৰ অভিষেক আদি ঘটনাবহুল ৰামকথা বৰ্ণিত হৈছে। এই নাটকখনকে ভৱভূতিৰ আদ্য কৃতি বুলি কোৱা হয়।

১ম অঙ্কত বিশ্বামিত্ৰই ইপ্সিত যজ্ঞানুষ্ঠানৰ সুৰক্ষাৰ বাবে দশৰথৰ ওচৰলৈ আহি ৰাম আৰু লক্ষ্মণক আশ্ৰমলৈ নিবলৈ ইচ্ছা প্ৰকাশ কৰে। দশৰথে দ্বিধাগ্ৰস্ত হৈয়ো শেষত ৰাম-লক্ষ্মণক ঋষিৰ হাতত অৰ্পণ কৰে। সীৰধ্বজ জনকৰ ভায়েক কুশধ্বজেও সীতা আৰু উৰ্মিলাক লগত লৈ যজ্ঞানুষ্ঠান চাবলৈ আশ্ৰমলৈ আহে। তাত ৰাম আৰু লক্ষ্মণৰ সীতা আৰু উৰ্মিলাৰে দেখা-সাক্ষাৎ হয়। ৰাম আৰু লক্ষ্মণৰ সম্যক পৰিচয় বিশ্বামিত্ৰৰ মুখৰপৰা শুনি কুশধ্বজে ৰামলৈ সীতাক বিয়া দিবলৈ মনতে সংকল্প কৰে। যিহেতু হৰধনু ভঙ্গ কৰা জনলৈহে সীতাক বিয়া দিয়া প্ৰতিজ্ঞা কৰা আছে সেয়ে তেওঁ অসময়ত মনৰ কথা ব্যক্ত নকৰিলে।

এনে সময়তে ৰাৱণৰ পুৰোহিতে তালৈ আহি ৰাৱণৰ বাবে সীতাৰ পাণি প্ৰাৰ্থনা কৰে। উপস্থিত সীতাই সেই প্ৰস্তাৱ শুনি খেদ প্ৰকাশ কৰে; লক্ষ্মণেও ক্ৰোধ কৰে

এনেতে তাত তাড়কাৰ আৱিৰ্ভাৱে হয়। বিশ্বামিত্ৰৰ আদেশত ৰামে তাড়কাক বধ কৰে। তাকে দেখি ৰাৱণৰ পুৰোহিতজনে দুঃখিত হয়। বিশ্বামিত্ৰই ৰাম আৰু লক্ষ্মণক জৃম্ভকাস্ত্ৰ দান কৰে। ৰাক্ষসৰ পুৰোহিতে ৰাৱণৰ প্ৰস্তাৱ দোহাৰে। বিশ্বামিত্ৰই হৰধনুৰ স্মৰণ কৰে। শিৱধনু তাত আপুনিয়েই উপস্থিত হয়। ৰামে শিৱধনু ভঙ্গ কৰে আৰু তেওঁৰে সীতাৰ বিয়া সুসম্পন্ন হয়। ৰাৱণৰ দূতে এই খবৰ লৈ লঙ্কালৈ উভতি যায়।

২য় অঙ্ক। স্থান লঙ্কাপুৰী। দূতে উভতি গৈ সকলো বতৰা জনোৱাত ৰাৱণ নীতি-কুশল মন্ত্ৰী মাল্যৱানে ৰামৰ উৎকৰ্ষৰ কথা উপলব্ধি কৰি চিন্তান্বিত হয়। অগস্ত্য ঋষিয়ে ৰামক ইন্দ্ৰধনু উপহাৰ দিয়া কথাও জনা যায়। ইয়াৰ মাজতে ৰাৱণলৈ পৰশুৰামৰ চৰমপত্ৰ লৈ দূত এজন আহে। পৰশুৰামে সেই পত্ৰযোগে নিৰীহ ঋষিসকলৰ ওপৰত ৰাক্ষসসকলে চলাই অহা অত্যাচাৰ বন্ধ কৰিবলৈ সকিয়াই দিছে। ইয়াৰ বিপৰীতে মাল্যৱানে হৰধনু ভঙা দাশৰথি ৰামৰ বিৰুদ্ধে পৰশুৰামক উচতাবলৈ আচনি পাঙে, যাতে দুই ৰামৰ যুদ্ধ হ'লে, তাৰপৰা ৰাক্ষসসকলে লাভ আদায় কৰিব পাৰে। সেই দিহামতে মাল্যবানে মহেন্দ্ৰ পৰ্বতলৈ গৈ ৰাম জামদগ্নিক হৰধনু ভঙ্গকাৰী ৰাম দাশৰথিক আক্ৰমণ কৰিবলৈ উচতনি দিয়ে।

ইয়াৰ পাছৰ দুই অঙ্কত দুই ৰামৰ সংঘৰ্ষ চিত্ৰিত হৈছে। হৰধনু ভঙা কথা শুনি পৰশুৰাম ক্ষত্ৰিয় ৰামক এসেকা দিবলৈ আহি ওলোৱাত জনক, শতানন্দ, বসিষ্ঠ



আৰু বিশ্বামিত্ৰই তেওঁক শান্ত কৰিবলৈ যত্ন কৰি বিফল হয়। তেতিয়া ৰাম আৰু পৰশুৰামৰ সংঘৰ্ষ হয় আৰু পৰশুৰামে ৰামৰ ওচৰত পৰাজয় স্বীকাৰ কৰে।

৪ৰ্থ অঙ্কত মাল্যৱানৰ দিহামতে শূৰ্পণখাই মন্থৰাৰ ৰূপ ধৰি কৈকেয়ীক পূৰ্ব প্ৰতিজ্ঞামতে দশৰথৰপৰা প্ৰাপ্য বৰৰ বিনিময়ত ৰামৰ বনবাস আৰু ভৰতৰ অভিষেক ভিক্ষা কৰিবলৈ উদগায়। ৰামে পিতৃসত্য পালনৰ বাবে সীতা আৰু লক্ষ্মণেৰে সৈতে অৰণ্যত প্ৰৱেশ কৰে। ভৰতে নন্দিগ্ৰামত থাকিয়েই ৰামৰ পাদুকাক সাৰোগত কৰি ৰাজ্যশাসন কৰিবলৈ ধৰে।

৫ম অঙ্ক মুকলি হয় দণ্ডকাৰণ্যত। তাতে ৰাৱণে সীতাহৰণ কৰে। জটায়ুৱে ৰাম-লক্ষ্মণক সীতাহৰণৰ সমাচাৰ দিয়ে। ৰামে সুগ্ৰীৱেৰে মিত্ৰতা কৰি বালীক আহত কৰে আৰু বালীয়ে পৰ্বতৰপৰা জঁপিয়াই আত্মহত্যা কৰে।

৬ষ্ঠ অঙ্কত হনুমানে লঙ্কা দাহ কৰা খবৰ মাল্যবানে পাই ৰাৱণে ৰামৰ দূত অঙ্গদক অৱমাননা কৰে। ইন্দ্ৰই যুঁজত ব্যৱহাৰ কৰিবলৈ নিজৰ ৰথখন ৰামক দিয়ে। ৰাম আৰু ৰাৱণৰ যুদ্ধ হয়। যুদ্ধত ৰাৱণ নিহত হয়।

৭ম অঙ্কত ৰামে বিভীষণক ৰাজপাটত বহুৱায়। সীতাৰ অগ্নিপৰীক্ষা হয়। দেৱ-মনুষ্যসকলোৱে সীতাৰ প্ৰশংসা কৰে। সীতা, লক্ষ্মণ, সুগ্ৰীৱ প্ৰভৃতিৰে ৰামে পুষ্পক বিমানত উঠি অযোধ্যালৈ যাত্ৰা কৰে। হনুমানৰ মুখত ৰামৰ আগমনৰ আগলি বতৰা পাই ভৰতে সসৈন্যে ৰামক আদৰিবলৈ আহে। বসিষ্ঠ, অৰুন্ধতী, কৌশল্যা প্ৰভৃতি সমাগত ৰামক অভিনন্দন যাঁচে। অৰুন্ধতীয়ে কৈকিয়ীৰ নিৰ্দোষিতা ব্যাখ্যা কৰে। সশিষ্যে বিশ্বামিত্ৰ ঘটনাস্থলত উপস্থিত হয় আৰু ৰামৰ অভিষেক সম্পন্ন হয়।

কথাবস্তুৰ কৱিকৃত পৰিৱৰ্তন :—ভৱভূতিয় নাট্যৰূপ দিওঁতে ৰামায়ণ কথাৰ কেতবোৰ পৰিৱৰ্তন সাধিছে :

(১) বিশ্বামিত্ৰৰ যজ্ঞতে হৰধনুভঙ্গ আৰু সীতাৰ স্বয়ম্বৰ অনুষ্ঠিত হৈছে। ৰাৱণৰ দূতে ৰাৱণৰ বাবে সীতাৰ পাণি-প্ৰাৰ্থনা কৰিছে। (২) মাল্যৱানে পৰশুৰামক ৰামৰ বিপক্ষে উচতনি দিয়া কথা আৰু শূৰ্পণখাই মন্থৰাৰ ৰূপত কৈকেয়ীক ছলনা কৰা কথা—কৱিৰ অভিনৱ সৃষ্টি। (৩) বালীক ৰাৱণৰ পক্ষীয় লোক বুলি ৰামে তেওঁক বধ কৰিছে।

**সমীক্ষা** : মহাৱীৰচৰিত সম্ভৱতঃ ভৱভূতিৰ প্ৰথম আৰু আগবয়সৰ ৰচনা। এই নাটক যে এজন ন লেখাকৰ হাতৰ কৃতি তাক সংহতি-শিথিল নাট্যকথাই প্ৰমাণ কৰে। নাটকৰ মাজত পৰশুৰামৰ উপকথাৰ ওপৰত অনাৱশ্যকভাৱে অধিক গুৰুত্ব দিয়াত নাট্য সৌন্দৰ্য ম্লান হৈছে। ই আকৌ মাল্যৱানৰ কূটনীতিৰহে পৰাকাষ্ঠা প্ৰকট কৰে। যদিহে ৰামৰ 'বীৰচৰিত'হে নাটকৰ ঘাই উদ্দেশ্য হয়, তেনেহলে ৰাৱণৰ চৰিত্ৰ চিত্ৰণৰো স্থল উলিয়াব লাগিছিল। নাটকত বিশ্বামিত্ৰৰ চৰিত্ৰয়ো অধিক ঠাই দখল কৰিছে। হৰধনু ভঙ্গ আৰু বিৱাহৰ মণ্ডপ বিশ্বামিত্ৰৰ আশ্ৰমত

পতাটোৱে কৱিৰ চিন্তাৰ অভিনৱত্ব বুজালেও সঙ্গতিসূচক নহয়। এনেদৰে কৱিয়ে নাটকৰ ঘটনাৰ সংহতি ৰাখিবলৈ পাৰা নাই। তদুপৰি পাত্র পৰিবেশন, চৰিত্র-চিত্রণতো গড়মিল হৈছে। 'বীৰচৰিত' এখনৰ তিনিটা অঙ্ক বিবাহ এথনতে ব্যয়িত হোৱাত প্রকৃত 'যুদ্ধবীৰ'ৰ বীৰত্ব পৰিৱেশন চমুৱাই নেদেখুৱাই উপায়ো নাই।

নাটকীয় ঐক্যত্রয় সমূলি ব্যাহত হোৱা কথা লৈ আৰ. ডি. কর্মকাৰে মন্তব্য কৰিছে: 'None of the unities are edequately dealt with. The time taken by the plot is about fifteen years; the action takes place in different places,—the Siddhasrama of Visvamitra, the Dandaka forest, and Lanka (about 1500 miles away). There is no unity of Action; for no properly developed action takes places at ail.'

এনেয়ে সংস্কৃত নাটকত কাল আৰু স্থানৰ ঐক্য অনিবার্য্যভাৱে ৰক্ষিত নহয়, তাতে আকৌ মহাবীৰ চৰিতত কার্যৰ ঐক্যও নোহোৱা হোৱাত নাট্যকৌশলৰ বাৰুকৈয়ে অৱনতি হৈছে।

২। **মালতীমাধৱঃ** 'মালতীমাধৱ' নাট্যকাৰ ভৱভূতিৰ দ্বিতীয় নাট্যকৃতি। ই এখন 'প্রকৰণ' প্রকৃতিৰ ৰূপক। ভৱভূতিৰ প্রথম নাটক মহাবীৰচৰিতৰ ব্যর্থতাৰ পাছত কৱিয়ে কল্পনাপ্রসূত কাহিনীৰ আধাৰত এই প্রকৰণখন ৰচনাত হাত দিয়ে। ইয়াতো তেওঁ নিজৰ পাণ্ডিত্যৰ বড়াই কৰি কৈছে যে তেওঁৰ তথাকথিত সমালোচক-সকলৰ বাবে তেওঁ এই নাটক ৰচনা কৰা নাই। কিন্তু তেওঁ আশা কৰিছে এই বিশাল পৃথিৱীৰ বুকুত অনন্ত কালৰ কোনোবা এচোৰাত নিশ্চয় তেওঁক সমানধর্মা কাব্যৰসিক কোনোবা ওপজিব, তেওঁৰ বাবেহে কৱিৰ এই যত্ন :

যে নাম কেচিদিহ নঃ প্রথয়ন্ত্যৱজ্ঞাং
জানন্তি তে কিমপি তান্ প্রতি নৈষ যত্নঃ।
উৎপৎস্যতেৎস্তি মম কোঽপি সমানধর্মা
কালো হ্যয়ং নিৰৱধিবিপুলা চ পৃথ্বী ॥ মাম. ১।৬

'মালতীমাধৱ' দহ অঙ্কৰ প্রকৰণ। অঙ্ক অনুসৰি তলত ইয়াৰ সাৰাংশ দাঙি ধৰা হ'ল। প্রথমটো অঙ্কত পদ্মাৱতী ৰাজ্যৰ মন্ত্রী ভূৰিবসু আৰু বিদর্ভ ৰজাৰ মন্ত্রী দেৱৰাতে একেখন গুৰুকুলত থাকি বিদ্যাভ্যাস কৰাস ময়তে ভৱিষ্যতে তেওঁলোকৰ ল'ৰা-ছোৱালীৰ মাজত বৈৱাহিক সম্বন্ধ পাতিব বুলি তেওঁলোক সহধ্যায়িনী কামন্দকীক সাক্ষী ৰাখি প্রতিশ্রুতিৱদ্ধ হৈছিল। কালক্রমত ভূৰিবসুৰ মালতী নামে এজনী ছোৱালী হ'ল আৰু দেৱৰাতে মাধৱ নামে পুত্র সন্তান লাভ কৰিলে। মাধৱে পদ্মাৱতীত আন্বীক্ষিকী অধ্যয়ন কৰিবলৈ গ'ল। কামন্দকীয়ে সুযোগ বুজি বন্ধু ভূৰিবসু আৰু দেৱৰাতৰ কন্যা আৰু পুত্রৰ মাজত মিলাপ্রীতিৰ ভাৱ গঢ়িবলৈ যত্নপৰ হ'ল।



ইতিমধ্যে পদ্মাৱতীৰ ৰজাই তেওঁৰ নর্মসচিৱ নন্দনলৈ মন্ত্রীকন্যা মালতীৰ বিয়া হোৱাটো বিচৰাত কামন্দকীয়ে গোপনে শীঘ্রে মালতী মাধৱৰ বিয়া সম্পন্ন কৰিবলৈ যত্নপৰ হ'ল। পোনতে তেওঁৰ যত্নতে মদনোৎসৱৰ অৱকাশতে মালতী আৰু মাধৱৰ মাজত সাক্ষাতৰ ব্যৱস্থা হয় আৰু তাৰ ফলত পৰস্পৰে পৰস্পৰৰ প্রতি আকৃষ্ট হয়। মালতীৰ প্রস্থানৰ পাছত মকৰন্দ অহাত মাধৱে নিজৰ চিত্রৰ কাষতে মালতীৰ চিত্র অঙ্কন কৰে। তেওঁ মালতীৰ বিৰহত কাতৰ হৈ পৰে।

দ্বিতীয় অঙ্কত পোনতে জনা যায় যে পদ্মাৱতীৰ ৰজাৰ আদেশ অনুসৰি মন্ত্রী ভূৰিবসুয়ে মালতীক নন্দনলৈ বিয়া দিবলৈ ৰাজি হয়। মালতীয়েও পিতৃৰ আজ্ঞা লঙ্ঘন কৰাতকৈ মৃত্যু শ্রেয়ঃ বুলি ভাবে। মন্ত্রীৰ কার্য্য লোকসকলে ঘৃণাৰ চকুৰে চায় আৰু নিন্দা কৰিবলৈ ধৰে। কামন্দকীয়ে কয় যে নন্দনৰ গুণাগুণ বিবেচনা নকৰাকৈ মন্ত্রীয়ে নন্দনলৈ মালতীক বিয়া দিবলৈ ওলাইছে। হয়তো কূটনীতিজ্ঞ মন্ত্রীয়ে তাৰদ্বাৰা নন্দনেৰে মিত্রতা কৰিবলৈ বিচাৰে। লৱঙ্গিকাই কয় যে বুঢ়া বয়সীয়া নন্দনলৈ মালতীক বিয়া দিবলৈ ভাবি মন্ত্রীয়ে অনুচিত কার্য কৰিছে। এইবিলাক কথা শুনি পিতৃৰ প্রতি মালতীৰ বিপৰীত প্রতিক্রিয়া আৰু মানসিক সন্তাপ বাঢ়ে। তেতিয়া লৱঙ্গিকাই মালতীক ৰক্ষা কৰিবলৈ কামন্দকীক অনুৰোধ কৰে। কামন্দকীয়ে মাধৱৰ পিতৃপৰিচয় আদি দাঙি ধৰে। মালতীৰ মনৰ পৰিৱর্তন হয় আৰু পিতৃৰ কার্য্যৰ প্রতি তেওঁৰ অশ্রদ্ধা হয়। কামন্দকীৰ মুখত শকুন্তলা, উর্বশী প্রভৃতিৰ আদর্শৰ কথা শুনিও তেওঁৰ মনৰ বল বাঢ়ে।

তৃতীয় অঙ্কৰ প্রৱেশকত কামন্দকীৰ আজ্ঞামতে বুদ্ধৰক্ষিতাই নন্দনৰ ভনীয়েক মদয়ন্তিকাক মকৰন্দৰ প্রতি আকৃষ্ট কৰিবলৈ যত্ন কৰে আৰু সিদিনাই কৃষ্ণপক্ষীয় চতুর্দশীৰ অৱসৰতে মদয়ন্তিকাক বুদ্ধৰক্ষিতাৰসৈতে গৈ শিৱমন্দিৰত কামন্দকী প্রভৃতিৰেঃ মিলিত হ'বলৈ দঢ়ায় কয়।

কামন্দকীৰ দিহামতে মূল অঙ্কত প্রেমিক-প্রেমিকাসকলৰ সাক্ষাতৰ ব্যৱস্থা কৰা হয়। মাধৱ কুসুমাকৰ উদ্যানলৈ গৈ মালতী, লৱঙ্গিকা আৰু কামন্দকীৰ বাক্যালাপ শুনে। কামন্দকীয়ে মালতীৰ বিৰহত মাধৱৰ দুৰৱস্থা হোৱা কথা শুনি লৱঙ্গিকায়ো মালতীৰ বিৰহৰ কথা কয়।

এনেতে বুদ্ধৰক্ষিতাই মদয়ন্তিকাক বাঘে আক্রমণ কৰিছে বুলি চিঞৰ-বাখৰ লগোৱা শুনি মকৰন্দই অতি সাহসিকতাৰে বাঘটোক আঘাত কৰি মদয়ন্তিকাক ৰক্ষা কৰে; কিন্তু মকৰন্দও আহত হৈ মূর্চ্ছিত হয়।

চতুর্থ অঙ্কত মকৰন্দৰ মূর্ছাৱস্থাৰ কথা শুনি মাধৱো মূর্চ্ছিত হয়। কিছু সময়ৰ পাছত মাধৱ আৰু মকৰন্দ সুস্থ হৈ উঠে। এনেতে এজন দূতৰ মুখত মালতীক নন্দনলৈ বিয়া দিবলৈ ঠিৰাং কৰা বুলি ৰজাৰ আদেশ শুনিবলৈ পোৱা যায়। এই কথাত মালতী ন-বোৱেক হ'ব বুলি মদয়ন্তিকা আনন্দিতা হয়। কামন্দকীয়ে বিৰহী মাধৱক আশ্বাস দি

কয় যে ৰজাক মন্ত্ৰীয়ে 'তেওঁৰ ছোৱালীৰ ওপৰত মহাৰাজৰ সম্পূৰ্ণ অধিকাৰ আছে' বুলি কোৱাৰ অৰ্থ এয়ে যে ৰজাৰ নিজৰ ছোৱালীৰ ওপৰত বেছ অধিকাৰ আছে। অৰ্থাৎ ভূৰিবসুৱে মালতীক নন্দনলৈ বিয়া দিয়াত মুকলিকৈ সন্মতি জনোৱা নাই। তথাপি মাধৱ হতাশাগ্ৰস্ত হয় আৰু লাগিলে তেওঁ নিজৰ মাংস ইতৰ জন্তুকে ভগাই দিব বুলি কয়। মকৰন্দৰসৈতে তেওঁ চহৰলৈ যায়।

পঞ্চম অঙ্কত কাপালিক অঘোৰঘণ্টৰ মন্ত্ৰসিদ্ধি উপলক্ষে কৰালাৰ সমুখত বলি দিবলৈ কাপালিকৰ শিষ্যা কপালকুণ্ডলাই এজনী যুৱতীৰ অনুসন্ধানত ঘূৰি ফুৰে। তেওঁ মাধৱক শ্মশানৰ এঠাইত ভূতপ্ৰেতক মাংস দিয়া দেখে।

মাধৱে শ্মশানত তেনে সময়তে কৰালাৰ মন্দিৰত কোনোবাই সহায় বিচাৰি কৰা আৰ্তনাদ তেওঁৰ কাণত পৰে। মাধৱে মন্দিৰলৈ উধাতু খাই লৰি গৈ কথমপি অঘোৰ-ঘণ্টৰ খড়্গৰ আঘাতৰপৰা মালতীক উদ্ধাৰ কৰে। মালতীক ৰক্ষা কৰি মাধৱে অঘোৰ-ঘণ্টৰে যুদ্ধত অৱতীৰ্ণ হয়। ইতিমধ্যে কামন্দকীৰ নিৰ্দেশত ৰাজসৈন্যই কৰালাৰ মন্দিৰ অৱৰোধ কৰে।

ষষ্ঠ অঙ্কত মাধৱৰ হাতত অঘোৰঘণ্ট নিহত হোৱা কথা জনা যায়। তেওঁ অৱশ্যে কপালকুণ্ডলাক এৰি দিয়ে। কপালকুণ্ডলাই নন্দন আৰু মালতীৰ বিয়াৰ সময়ত মাধৱৰ কাৰ্য্যৰ পোটক তুলিবলৈ থিৰাং কৰে।

কামন্দকী আৰু লৱঙ্গিকাৰসৈতে মালতীয়ে বিয়াৰ আগতে নগৰত থকা নগৰদেৱীৰ মন্দিৰত পূজা কৰিবলৈ যায়। ৰজাই মালতীলৈ বিশেষ কন্যাৰ পোছাক পঠিয়ায়। মন্দিৰত ইতিমধ্যে মাধৱ আৰু মকৰন্দ লুকাই থাকে। তাত মালতীৰে মাধৱৰ মিলন হয় আৰু কামন্দকীয়ে তেওঁলোকক অভিনন্দন জনায়। মকৰন্দই কন্যাৰ পোছাক পিন্ধি মালতীৰ বেশ ধৰে। মাধৱ আৰু মালতীৰ বাসস্থানলৈ যায়। তাত তেওঁলোকৰ বিয়াৰ জে-যা চলে।

সপ্তম অঙ্কত নন্দনৰ বিয়া হয়। মকৰন্দই মালতীৰ ঠাইত কন্যা হয়। মকৰন্দই নন্দনৰ মিলনেচ্ছাক নেওচা দিয়ে। সেই লৈ মদয়ন্তিকাই মাধৱৰ প্ৰতি মালতীৰ ভাল-পোৱাৰ কথা দোহাৰে। মদয়ন্তিকাই প্ৰসঙ্গক্ৰমে মকৰন্দৰ প্ৰতি নিজৰ ভালপোৱাৰ কথাও কয়। তেতিয়া লৱঙ্গিকা আৰু বুদ্ধৰক্ষিতাই তেওঁক গান্ধৰ্ববিয়াৰ বাবে সাজু হ'বলৈ কয়। মকৰন্দই মদয়ন্তিকাৰ ওচৰত আত্মপ্ৰকাশ কৰি নিজৰ ভালপোৱাৰ কথা কয়। ৰাতি এন্ধাৰত আটায়ে কামন্দকীৰ থকা ঠাইলৈ যায়।

অষ্টম অঙ্কত বিয়াৰ পাছত মাধৱ আৰু মালতীয়ে জোনৰ পোহৰত জুৰ লৈ থকা সময়তে বুদ্ধৰক্ষিতা, লৱঙ্গিকা, মদয়ন্তিকা আৰু কলহংস তাত উপস্থিত হয়। তেওঁলোকে মকৰন্দ আৰু নগৰাধ্যক্ষৰে মাজত হোৱা কলহৰ কথা মাধৱক কয়। কলহংসৰসৈতে মাধৱ মকৰন্দৰ সহায়ৰ বাবে ওলায়। বুদ্ধৰক্ষিতা আৰু অৱলোকিতাই কামন্দকীক সেই কথা জনাবলৈ যায়। লৱঙ্গিকায়ো মাধৱক সাৱধান কৰি দিবলৈ যোৱাত মালতীক অকলে



পাই বধ কৰাৰ ইচ্ছাৰে কপালকুণ্ডলাই অপহৰণ কৰি তেওঁক শ্ৰীপৰ্বতলৈ নিয়ে। মাধৱ আৰু মকৰন্দই উভতি আহি মালতীক পূৰ্বৰ ঠাইত নেপাই কামন্দকীৰ ঠাইলৈ যায়।

নৱম অঙ্কত সৌদামিনী নামে এজনী সজ কাপালিকাই মালতীৰ বিৰহত আতুৰ মাধৱক লগ কৰি, মালতীক ৰক্ষা কৰিবলৈ তেওঁক শ্ৰীপৰ্বতলৈ উৰাই লৈ যায়। মকৰন্দই সেই কথা জনাবলৈ কামন্দকীৰ ওচৰলৈ যায়।

দশম অঙ্কত কামন্দকী, লৱঙ্গিকা, মদয়ন্তিকাই মধুমতী নদীত জঁপিয়াই পৰি আত্মহত্যা কৰিবলৈ যায়। হতাশাত পৰি ভূৰিবসুৱে আত্মহত্যাৰ উদ্দেশ্যত স্বৰ্ণবিন্দুলৈ যায়। সৌদামিনীয়ে শ্ৰীপৰ্বতৰপৰা মালতী আৰু মাধৱক লগত লৈ স্বৰ্ণবিন্দুত উপস্থিত হৈ ভূৰিবসুক আত্মহত্যাৰপৰা নিবৃত্ত কৰে। সৌদামিনী পূৰ্বতে কামন্দকীৰ শিষ্যা আছিল; সেয়ে তেওঁ কামন্দকীক সেৱা জনালে। লগতে তেওঁৰ মালতী আৰু মাধৱৰ বিয়াত সন্মতিজ্ঞাপন কৰি লিখা ৰাজাজ্ঞা এটিও তাত সকলোৰ আগত দাখিল কৰিলে। মদয়ন্তিকা আৰু মকৰন্দৰ বিয়াতো ৰাজসন্মতি পোৱা গ'ল। শেষত সকলো ভালদৰে সমাপ্ত হ'ল।

**সমীক্ষা ঃ** মালতীমাধৱ এখন প্ৰকৰণ বুলি আগতে কোৱা হৈছে। প্ৰকৰণৰ লক্ষণসমূহ সাহিত্যদৰ্পণত এনেদৰে কোৱা হৈছে ঃ

ভৱেৎপ্ৰকৰণং বৃত্তং লৌকিকং কৱিকল্পিতম্।
শৃঙ্গাৰোঽঙ্গী নায়কস্তু বিপ্ৰোঽমাত্যোঽথৱা বণিক।
সোপায়ধৰ্মকামাৰ্থপৰো ধীৰপ্ৰশান্তকঃ॥

এইদৰে মালতীমাধৱৰ কথাবস্তুও প্ৰায় কৱিকল্পিত, ইয়াৰ অঙ্গীৰস শৃঙ্গাৰ, নায়ক মাধৱ ব্ৰাহ্মণ মন্ত্ৰী দেৱৰাতৰ পুত্ৰ, তেওঁ ধীৰপ্ৰশান্ত। তদুপৰি ভৰতৰ মতে থাকিবলগীয়া লক্ষণ, যেনে প্ৰকৰণত কুলস্ত্ৰী থাকিব লাগে— তেনে গুণো আলোচ্য নাটকত আছে।

বহুতে মালতীমাধৱৰ কথাবস্তুৰ আধাৰ গুণাঢ্যৰ বৃহৎ কথা বুলি কয়। কিন্তু কথাসৰিৎসাগৰ, বৃহৎকথামঞ্জৰী আদিত একে গল্প পোৱা নাযায়। কিন্তু মন্দিৰত হোৱা গান্ধৰ্ববিবাহ, কাপালিকৰ বৰ্ণনা, দুঃসাহসিক কাৰ্য্যৰ প্ৰেৰণা হয়তোবা বৃহৎকথাৰ প্ৰেৰণাতে বৰ্ণিত হৈছে।

মহাবীৰচৰিতৰ বিফলতাৰ পাছত পাণ্ডিত্যৰ গৌৰৱেৰে মালতীমাধৱ ৰচনাত হাত দিলেও ভৱভূতিয়ে ইয়াতে বিশেষ সাফল্য লাভ কৰা দেখা নাযায়। নাট্যবস্তুৰ সংগঠনত কৱিয়ে বিশেষ কলাকুশলতা দেখুৱাবলৈ সক্ষম হোৱা নাই। বৰঞ্চ বস্তুৰ মাজত সুমুৱাই দিয়া কেবাটিও অপ্ৰাকৃতিক ঘটনাই—যেনে শ্মশানৰ ভূতপ্ৰেতসকল, কাপালিকৰ বীভৎস ক্ৰিয়া, কন্যা হৰণ, কন্যাৰ পোছাকত পুৰুষৰ অৱস্থান আদিয়ে দৰ্শকৰ মনত নাটকৰ যথাৰ্থতাৰ প্ৰতি সন্দিহান কৰি তোলে। নায়ক-নায়িকা, পাৰ্শ্বচৰিত্ৰ সকলোকে এনে মানসিক দুৰ্বলতাই এনেদৰে পীড়া কৰে যে প্ৰত্যেকেই ঘটনাৰ বৈষম্যৰ বাবে অন্ততঃ একোবাৰ আত্মহত্যা কৰিবলৈ ওলোৱা চকুত পৰে। ভালদৰে আঁচনি কৰাহেঁতেন হয়তো

তৃতীয় অঙ্ক। বিষ্কম্ভকত তমসা আৰু মুৰলাৰ মাজত হোৱা কথা-বতৰাৰপৰা বুজা যায় যে ৰামে অগস্ত্যৰ আশ্ৰমৰপৰা পঞ্চৱটীলৈ প্ৰত্যাবৰ্তন কৰা সময়ত তাত তেওঁৰ পূৰ্ব বৃত্তান্তৰ স্মৰণ হ'ব ; তাৰ ফলত তেওঁৰ মনত উত্তাল শোকতৰঙ্গৰ উদ্ভৱ হ'ব, তেতিয়া তেওঁক আশ্বস্ত কৰিবলৈ যথোচিত ব্যৱস্থা কৰিবলৈ এহাতে লোপামুদ্ৰাই আৰু আনহাতে ভাগিৰথীয়ে বিহিত ব্যৱস্থা লৈছে। বিশেষতঃ ভাগিৰথীৰ পাৰত পুত্ৰ প্ৰসৱ কৰাৰ পাছত পাতালত নিজৰ লগত থকা সীতাক লৈ ভাগিৰথীয়ে গোদাবৰীক সাক্ষাৎ কৰিছে আৰু পুত্ৰ প্ৰসৱৰ দ্বাদশবাৰ্ষিকী মঙ্গল উৎসৱৰ অজুহাতত সীতাক তমসাৰসৈতে পঞ্চৱটীলৈ সূৰ্য্যপূজাৰ্থে পঠিয়াইছে, প্ৰকৃতাৰ্থত যাতে সময়ত ৰামচন্দ্ৰক কঠিন পৰিস্থিতিৰ সময়ত চম্ভালিবলৈ পাৰে।

মূল অঙ্কত ৰাম পঞ্চৱটীলৈ উভতি গৈ সীতাৰসৈতে ইতিপূৰ্বে বসবাস কৰা স্থানবোৰ দেখি পূৰ্বৰ কথা মনত পেলাই বাৰম্বাৰ মূৰ্ছিত হয়। তমসাৰ অনুৰোধক্ৰমে সীতাই স্পৰ্শ কৰি ৰামক সুস্থ কৰি তোলে। বাসন্তীয়ে ৰামক সাক্ষাৎ কৰি সীতা বিষয়ক কথা পাতে। ৰামে দৃশ্যতঃ আৰু সীতাই অদৃশ্য হৈ থাকি শোকাতুৰ হৈ পৰে। পিছত কিছু আশ্বস্ত হৈ ৰাম অশ্বমেধ যজ্ঞ সম্পূৰ্ণ কৰিবলৈ অযোধ্যালৈ যায় আৰু সীতায়ো পুত্ৰ প্ৰসৱৰ দ্বাদশবাৰ্ষিকী পালিবলৈ গঙ্গাতীৰলৈ যায়।

চতুৰ্থ অঙ্ক। ঋষ্যশৃঙ্গৰ যজ্ঞ সমাপ্তিৰ পাছত সীতাৰ বিসৰ্জনত দুঃখিত বশিষ্ঠ, অৰুন্ধতী আৰু কৌশল্যা প্ৰভৃতিয়ে অযোধ্যালৈ নগৈ বশিষ্ঠৰ কথামতে বাল্মীকিৰ আশ্ৰমলৈ যায়। পুত্ৰীশোকত বিহ্বল ৰজা জনকো তালৈ আহে। তেওঁলোকে আশ্ৰমত থকা বালকসকলৰ মাজত লৱক দেখা পায়। ৰামৰ মুখৰসৈতে সাদৃশ্য থকা সেই ল'ৰাটো কোন এই প্ৰশ্ন আটায়ে বাল্মীকিক সোধে। বাল্মীকিয়ে মাথোন উত্তৰত ইয়াকেই কয় যে সময়ত সকলো জনাজাত হ'ব।

ইতিমধ্যে অশ্বমেধ যজ্ঞৰ ঘোঁৰা সেই ঠাই পায় হি আৰু লৱে ৰামচন্দ্ৰৰ সৈন্যসকলৰ ঘোষণাত বিৰক্ত হৈ ঘোঁৰাটো অৱৰুদ্ধ কৰি ৰাখে।

পঞ্চম অঙ্ক। লৱই সহজে ঘোঁৰাৰক্ষক সৈন্যদলক পৰাভূত কৰি জৃম্ভক বাণেৰে আটাইকে স্তম্ভিত কৰি থয়। লৱই চন্দ্ৰকেতুক লগ ধৰে। দুয়ো দুয়োৰে আকৃতি দেখি সন্তোষ পায়। চন্দ্ৰকেতুৰ সাৰথি সুমন্ত্ৰই ৰামৰসৈতে লৱৰ মুখাকৃতিৰ সুন্দৰ সাদৃশ্য দেখি বিস্মিত হয়। লৱই কয় যে ঘোঁৰাৰখীয়াসকলে যি ঘোষণা কৰিছে সেয়া যিকোনো ক্ষত্ৰিয়ৰ বাবে অসন্মানজনক কথা। অকল ৰামেই বীৰ নহয় ; ৰামে অন্ততঃ তাড়কাক মাৰি, খৰৰসৈতে হোৱা যুঁজত তিনি খোজ পিছ হুহকি গৈ আৰু বালিক প্ৰচ্ছন্নভাৱে বধ কৰি তেওঁৰ বীৰত্বত কালিমা সানিছে। লৱৰ এনে বক্তৃতাই ৰাম চৰিত্ৰক আঘাত কৰা বুলি অভিযোগ তুলি চন্দ্ৰকেতুৱে লৱৰসৈতে যুদ্ধ কৰিবলৈ ওলায়। দুয়ো যুদ্ধৰ বাবে উপযোগী ঠাই বিচাৰি ওলাই যায়।

ষষ্ঠ অঙ্ক। লৱ আৰু চন্দ্ৰকেতুৰ মাজত ভয়ানক অস্ত্ৰ প্ৰতিযোগিতা অনুষ্ঠিত



হয়। ৰামৰ আগমনত সেই যুদ্ধ উপশম হ'ল। ইতিমধ্যে কুশো তালৈ আহে। ৰামে লৱ-কুশ আৰু তেওঁৰ নিজ আকৃতিৰ থকা সাদৃশ্য দেখি বিচুতি খায়। তেওঁ লৱ-কুশৰ বক্তব্য শুনি অৱশেষত সিদ্ধান্তলৈ আহে তেওঁলোকৰ নিজৰে ল'ৰা। লৱ আৰু কুশে স্বাভাৱিকভাৱে ৰামায়ণৰ ৰাম আৰু সীতাৰ প্ৰেম সম্বন্ধীয় গীত গায়। সেয়ে ৰামক শোকাতুৰ কৰে। যুদ্ধৰ কথা শুনি জনক আৰু কৌশল্যা তালৈ আহি ৰামক ক্ষীণকায় হোৱা দেখি দুয়ো মূৰ্ছিত হয়।

সপ্তম অঙ্ক। আদিতে লক্ষ্মণে বিজ্ঞাপন দিয়ে যে ভগৱান বাল্মীকিয়ে গঙ্গাতীৰত অপ্সৰাসকলৰদ্বাৰা এক স্বৰচিত নাট্যাভিনয়ৰ অনুষ্ঠান পাতি তালৈ সমগ্ৰ অযোধ্যা-বাসীক নিমন্ত্ৰণ জনোৱাৰ উপৰিও নিজৰ তপৰ প্ৰভাৱেৰে দেৱতা, অসুৰ আৰু অন্য প্ৰাণীবৰ্গকো তাত একত্ৰিত কৰিছে। জ্যেষ্ঠ ভ্ৰাতা ৰামচন্দ্ৰৰ বাবে লক্ষ্মণে তৎপৰ হয়। তাত আন সকলৰসৈতে ৰাম, লক্ষ্মণ, কুশ, লৱ, চন্দ্ৰকেতু প্ৰভৃতিয়েও নিজ নিজ আসন লয়। নাট্যাভিনয়ত সীতাৰ নিৰ্বাসনৰ পাছত লৱ-কুশৰ জন্ম, সীতাৰ পাতাল প্ৰৱেশ, গঙ্গাই লৱ আৰু কুশক লৈ গৈ বাল্মীকিৰ আশ্ৰমত থোৱাটো প্ৰদৰ্শিত হ'ল। শেষত গঙ্গা, পৃথিৱী আৰু সীতাই ৰঙ্গমঞ্চৰপৰা বিদায় ল'লে। সীতাই স্তন্যত্যাগ কৰাৰ পাছত দুই শিশুক গঙ্গাৰ হাতত তুলি দি পাতালত প্ৰৱেশ কৰা দেখি ৰামচন্দ্ৰ মূৰ্ছিত হ'ল। তেতিয়া মূখ্য নাটকত গঙ্গা আৰু পৃথিৱীৰসৈতে সীতা ভগিৰথীৰ পানীৰপৰা ওলাই আহিল। সীতাই নিজ হাতৰ শীতল পৰশেৰে ৰামক সুস্থ কৰি তুলিলে। গঙ্গা আৰু পৃথ্বীয়ে সীতাৰ সহযোগত অধিক পৱিত্ৰ হোৱা বুলি ক'লে। তেওঁলোকে অৰুন্ধতীৰ হাতত সীতাক গতাই দিলে। অৰুন্ধতীয়ে সীতাৰ চৰিত্ৰত মিছাকৈ সন্দেহ প্ৰকাশ কৰা অযোধ্যাবাসীক তিৰস্কাৰ কৰিলে। তাৰ পাছত অৰুন্ধতীৰ কথামতে ৰাম আৰু সীতাৰ মিলন হ'ল। লৱ আৰু কুশো পিতৃ-মাতৃৰে মিলিত হ'ল।

**চৰিত্ৰ চিত্ৰণ :** নাটকৰ নায়ক শ্ৰীৰামচন্দ্ৰ সাক্ষাৎ পৰম ব্ৰহ্ম। তেওঁ সকলো প্ৰাণীৰ আশ্ৰয় 'অন্বেষ্টব্যো যদসি ভুৱনে ভূতনাথঃ শৰণ্যঃ (২।১৩)। তেওঁ সকলো আদৰ্শৰে মূৰ্তিমান বিগ্ৰহ। তেওঁ একেধাৰে আদৰ্শ ৰজা, আদৰ্শ পতি, আদৰ্শ পিতৃ, আদৰ্শ ভ্ৰাতৃ আৰু সৰ্বোপৰি এজন আদৰ্শ মানৱ। প্ৰজাৰ ভালেই ৰজাৰ ভাল। সেয়ে লোকাৰাধনৰ বাবে তেওঁ স্নেহ, দয়া, সুখ আনকি সীতাকো ত্যাগ কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ :

স্নেহং দয়াং চ সৌখ্যং চ যদি বা জানকীমপি।
আৰাধনায় লোকানাং মুঞ্চতো নাস্তি মে ব্যথা ॥ ১।১২

লোকৰঞ্জনৰ বাবে নিৰ্দোষী বুলি জানিও তেওঁ সীতাক ত্যাগ কৰিছিল। তথাপি তেওঁ যে আদৰ্শ পতি আছিল তাত সন্দেহ নাই। কাৰণ সীতাক ত্যাগ কৰিবলগীয়া হোৱা কথাই তেওঁক অত্যন্ত ব্যথিত কৰিছিল। গোটেই নাটক ব্যাপি সেয়ে তেওঁৰ

ৰাজকৰ্তব্য পালনৰ মাজে মাজে সীতাৰ স্মৃতিয়ে বিহ্বল কৰি পেলাইছিল। যেতিয়াই সীতাৰ শোকত তেওঁ অভিভূত হৈছিল তেতিয়াই তেওঁৰ হিতাকাঙ্ক্ষীসকল শঙ্কিত হৈ পৰিছিল। সীতাৰ প্ৰতি ৰামৰ ধাৰণা আছিল অতি উচ্চ আৰু সুস্থিৰ। সেয়া তেওঁৰ কথাত প্ৰকাশ পাইছিল :

> ত্বয়া জগন্তি পুণ্যানি ত্বয্যপুণ্যা জনোক্তয়ঃ।
> নাথবন্তস্ত্বয়া লোকাস্ত্বমনাথা বিপৎস্যতে ॥ ১।৪৩

তেনে সীতাক ত্যাগ কৰিবলগীয়া তেওঁৰ অন্তৰত যি মৰ্মান্তিক বেদনা উপস্থিত হৈছিল তাৰ তুলনা নাই। তেওঁৰ প্ৰাণ যেন বজ্ৰৰ দৰে কঠিন, মৰ্মত আঘাত পালেও সি ত্যাগ কৰি নাযায় :

> দুঃখসংবেদনায়ৈৱ ৰামে চৈতন্যমাহিতম্।
> মৰ্মোপঘাতিভিঃ প্ৰাণৈৰ্বজ্ৰকীলায়িতং হৃদি ॥

তৃতীয় অঙ্কত পঞ্চবটীত সীতাৰ স্মৃতিয়ে ৰামক অধিক সন্তাপিত কৰিছে। শেষত গৰ্ভনাটকতো তেওঁৰ বিয়োগ দেখি ৰামচন্দ্ৰ মূৰ্ছিত হয়।

নাটকৰ নায়িকা সীতা সতীত্ব আৰু পবিত্ৰতাৰ প্ৰতিমূৰ্তি মাত্ৰ। তেওঁৰ পতি-ভক্তিৰ তুলনা পাবলৈ নাই। তেওঁ পৃথিৱীৰ দুহিতা, জনকৰ পালিতা আৰু ভগৱান ৰামৰ যোগ্যা পত্নী :

> বিশ্বম্ভৰা ভগৱতী ভৱতীমসূত
> ৰাজা প্ৰজাপতি সমো জনকঃ পিতা তে।
> তেষাং বধূস্ত্বমসি নন্দিনি পাৰ্থিবানাং
> যেষাং কুলেষু সৱিতা চ গুৰুৰ্বয়ং চ ॥

সীতা আদৰ্শ সতী নাৰী আছিল। ৰাম প্ৰতি তেওঁৰ শ্ৰদ্ধা আৰু ভক্তি সদায় অটুট আছিল। ৰামে তেওঁ নিৰ্দোষ বুলি জানিও কঠোৰ গৰ্ভা অৱস্থাত প্ৰজাৰঞ্জনৰ বাবে বনত বিসৰ্জন দিয়া সত্বেও পঞ্চৱটীত দেখি ৰামৰ প্ৰতি শিৰ নত কৰি কৈছে, 'নমো নমোঽপূৰ্বপুণ্যাজনিতদৰ্শনাভ্যামাৰ্যপুত্ৰচৰণকমলভ্যাম্।' যজ্ঞাৰ্থে ৰামে স্বৰ্ণসীতাক ধৰ্মপত্নী স্বীকাৰ কৰা বুলি জানি সীতাই কৈছে 'আৰ্য্যপুত্ৰ ইদানীমসি ত্বম্ আহো উৎখাতমিদানীং মে পৰিত্যাগলজ্জাশল্যম্ আৰ্যপুত্ৰেণ।'

সমস্ত উত্তৰ ৰামচৰিতত সীতাৰ দুঃখময় জীৱনৰ ব্যাখ্যানুবাখ্যা দাঙি ধৰা হৈছে। বাৰে বাৰে সতীত্ব আৰু পাতিব্ৰাত্যৰ চিনাকি দিবলৈ প্ৰত্যাহ্বানৰ মুখামুখীহৈও তেওঁৰ পতিপ্ৰেম অক্ষুণ্ণ থকাটো সঁচাকৈ এক বিস্ময়কৰ চৰিত্ৰৰ উদাহৰণ। তেওঁ যেন দ্বিতীয় ধৰিত্ৰীহে। কোনো উৎপীড়নে তেওঁক টলাবলৈ নোৱাৰিলে।

উত্তৰৰাম চৰিতৰ বালক চৰিত্ৰসমূহ সঁচাকৈ সৱল আৰু সাহসী ৰূপত উপস্থাপিত হৈছে। লৱ আৰু চন্দ্ৰকেতুৱে ক্ষত্ৰিয়োচিত বীৰত্বৰ বাবে গৌৰৱ কৰে। কুশো কম নহয়। প্ৰতিজনেই ৰঘুকুলোচিত শৌৰ্য্য-বীৰ্য্যৰ আদৰ্শ; পিতৃসকলৰ দৰে বীৰ সাহসী আৰু ক্ষত্ৰিয়াভিমানী।



**সমীক্ষা :** মহাকবি ভৱভূতিৰ নাটক তিনিখনৰ ভিতৰত উত্তৰৰামচৰিত সকলো দিশতে যে উৎকৃষ্ট সেয়া এক উক্তিত প্ৰকাশ পাইছে—'উত্তৰে ৰামচৰিতে ভৱভূতিৰ্বিশিষ্যতে' অৰ্থাৎ 'উত্তৰৰামচৰিতত ভৱভূতিৰ (কাব্য বা নাট্য প্ৰতিভাৰ) বিশেষত্ব ফুটি ওলাইছে।' কোৱা হয় যে কৱিয়ে পোনতে মহাবীৰচৰিত ৰচনা কৰি সফল নোহোৱা বাবে 'মালতীমাধৱ' প্ৰকৰণখন ৰচনা কৰে। কিন্তু তাতো তেওঁ কৃতকাৰ্য্য হ'ব নোৱাৰি শেষত উত্তৰৰামচৰিত ৰচনা কৰি খ্যাতি অৰ্জন কৰে। এইখন তেওঁ অন্তিমবয়সৰ অন্তিম আৰু শ্ৰেষ্ঠ নাট্যকৃতি বুলি কোৱা হৈছে।

ভৱভূতিয়ে মহাবীৰ চৰিতৰ বস্তুগঠন, পাত্ৰ পৰিবেশন আৰু ৰসনিষ্পত্তি কৰণৰ এটিতো সফল নহ'ল। নাটকৰ বিষয়বস্তু বৰ অসংযত আৰু বিশৃঙ্খল ৰূপত প্ৰকাশ পালে। পাত্ৰসকলৰ মৌলিক বৈশিষ্ট্য আৰু ব্যক্তিত্বও ফুটি নোলাল। ৰসাভিব্যক্তি যদিও ঘাইকৈ বীৰৰসান্বিত হ'ব লাগিছিল, তাত তাৰ যথোচিত পৰিস্ফুৰণ নহ'ল।

একেদৰে মালতীমাধৱৰ বস্তুচয়নলৈ মন দিলে দেখা যায় তাত একাধিক প্ৰণয়কথা সমান্তৰালভাৱে সন্নিবেশিত হৈছে। মালতী-মাধৱে মাথোন আপেক্ষিক ভাবে অন্য যুগলতকৈ আগবাঢ়ি থাকিল। কাহিনী চয়নতো নাট্যকাৰৰ কুশলতা প্ৰকাশ নহ'ল। পাত্ৰসকলৰ ভিতৰত কামন্দকীৰ চৰিত্ৰৰ যি প্ৰাধান্য প্ৰকাশ পাইছে তাৰ তুলনাত নায়ক-নায়িকাৰ ব্যক্তিত্ব আৰু চাৰিত্ৰিক বৈশিষ্ট্য ম্লান পৰিছে। ৰসৰ ক্ষেত্ৰতো তথৈবচ। যদিও নাটকৰ অঙ্গীৰস সম্ভোগ শৃঙ্গাৰ; তাৰ ওপৰত বীভৎস, ভয়ানকাদিৰ প্ৰভাৱ পৰি শৃঙ্গাৰৰ ৰংৰূপ বিসদৃশ কৰিছে। তাতে আকৌ শৃঙ্গাৰৰ সহচৰীয়া হাস্যৰ অভাৱে নাটকৰ ৰসাভিব্যক্তি অনাৱশ্যকভাৱে গধূৰ কৰি তুলিছে।

এনেবোৰ দোষ ভৱভূতিৰ তৃতীয় নাটকত দেখা নাযায়। যদিও প্ৰথম অঙ্কত পোনতে নাট্যকাৰে বহুতো কাৰ্য্য খৰখেদাকৈ সম্পন্ন কৰিবলৈ প্ৰয়াস কৰি নাটকীয় বস্তু চয়ণত দোষৰ সঞ্চাৰ কৰিছে তথাপি পাছলৈ তাৰ পুনৰাবৃত্তি সফলভাৱে ৰোধ কৰিছে। তাত এদিনতে কৱিজনে মাতৃ আৰু অঙহী-বঙহীক বিদায় দি পিছ মুহূৰ্ততে সিবিলাকৰপৰা বাৰ্তা আনি কঠোৰ গৰ্ভা সীতাক সান্ত্বনা দিয়াইছে। তাতো নৰৈ দিনটোতে সীতাক বিসৰ্জন দিয়া আৰু প্ৰসৱাদিৰ কথাৰো ইঙ্গিত দিছে। তদুপৰি কঠোৰগৰ্ভা সীতাক কৌশল্যাৰ দৰে স্নেহশীলা মাতৃ বা অৰুন্ধতীৰ দৰে জ্ঞানী আৰু বিবেকী মহিলাই কিদৰে অকলে এৰি থৈ গৈছিল সিও চিন্তনীয়। সম্ভৱতঃ নাট্যকাৰে পূৰ্ববৎ অজ্ঞাতে এনে দোষত পৰিছিল।

তথাপি কৱিজনে থূপতে প্ৰথমাঙ্কত সমস্ত নাট্যবীজ ৰোপণ কৰাত কৃতকাৰ্য্য হৈছে। ভৱিষ্যৎ ঘটনাৰ প্ৰৱাহ কোনফালে ব'ব পাৰে তাৰ সুসঙ্গত ইঙ্গিত দিছে। তাতেই পাত্ৰৰ ব্যক্তিত্ব প্ৰতিষ্ঠা আৰু ৰসাভিব্যক্তিৰ ধাৰাৰো ইঙ্গিত দিয়া হৈছে। প্ৰথম আৰু দ্বিতীয় অঙ্কৰ মাজত ১২ বছৰ কাল ব্যতীত হৈছে। তৃতীয় অঙ্কত গৈ নাটকীয় ঘটনাই পৰমোৎকৰ্ষ লভিছে। ষষ্ঠ অঙ্কত ঘটনাই পৰিণতি লাভ কৰিছে। কৱিয়ে দুই অঙ্কৰ

মাজত সন্নিবিষ্ট বিষ্কম্ভকৰ প্ৰয়োগ বৰ কুশলতাৰে কৰিছে। প্ৰতিটো বিষ্কম্ভকতে নাটকীয় কাৰ্য্যৰ প্ৰগতিৰ সূচনা আৰু পিছৰ কাৰ্য্যৰ আগলি বতৰা পোৱা গৈছে। ই কালিদাসৰ কুশলতাৰ সমকক্ষ।

উত্তৰৰামচৰিত কৱিৰ ভাষায়ো চৰমোৎকৰ্ষ লাভ কৰিছে। তেওঁৰ মতে উৎকৃষ্ট ৰচনাত সাধাৰণতে ভাষাৰ প্ৰৌঢ়ত্ব, বাণীৰ ঔদাৰ্য্য আৰু অৰ্থৰ গৌৰৱ প্ৰবৰ্তিত হলেহে কৱিৰ কাব্যৰ কলাত্মক ৰূপ প্ৰকাশ পায়। তাকে তেওঁ কৈছে ঃ

'যৎপ্ৰৌঢ়ত্বমুদাৰতা চ বচসাং যচ্চাৰ্থতো গৌৰৱম্।
তচ্চেদস্তি ততস্তদেৱ গমকং পাণ্ডিত্য বৈদগ্ধ্যয়োঃ।'

গতিকে ভৱভূতিৰ মতে কাব্যত এই তিনিটা গুণ অৱশ্যে থকা উচিত।

ভৱভূতিয়ে তেওঁৰ নাটকত বৈদৰ্ভী, গৌড়ী আৰু পাঞ্চালী এই তিনি ৰীতিৰ প্ৰথম দুবিধৰ সাৰ্থক প্ৰয়োগ কৰিছে। ললিত পদবন্ধ, মধুৰ শব্দ আৰু চুটি চুটি সমাস থকা ৰচনাশৈলী বৈদৰ্ভী ৰীতিৰ পৰিচায়ক। ইয়াৰ বিপৰীতে ওজঃগুণযুক্ত দীঘলীয়া সমাসবদ্ধ পদ আৰু কৃত্ৰিম ভাষাময় ৰচনাক গৌড়ীৰীতি বুলি কোৱা হয়। ভৱভূতিয়ে লৱ-কুশ প্ৰভৃতি বালকৰ প্ৰশংসাৰ বাবে বৈদৰ্ভীশৈলীৰ প্ৰয়োগ কৰিছে। তাৰ উদাহৰণ তলৰ শ্লোকত পোৱা যায়।

বিতৰতি গুৰুঃ প্ৰাজ্ঞে বিদ্যাং যথৈৱ তথা জড়ে
ন চ খলু তয়োৰ্জ্ঞানে শক্তিং কৰোত্য পহন্তি বা।
ভৱতি চ পুনৰ্ভূয়ান্ ভেদঃ ফলং প্ৰতি তদ্যথা
প্ৰভৱতি পুনৰ্বিম্বোদ্‌গ্ৰাহে মণিৰ্ন মৃদাং চয়ঃ ॥

অৰ্থাৎ 'গুৰুজনে বুধিয়ক আৰু মূৰ্খজনক সমানে একে প্ৰকাৰে বিদ্যা দান কৰে। তেওঁ বুধিমান শিষ্যৰ জ্ঞানশক্তি যিদৰে নবঢ়ায়, সিদৰে তেওঁ মূৰ্খৰ জ্ঞানশক্তিও কম নকৰে। তথাপি দুই প্ৰকাৰ শিষ্যৰ গাত গুৰুৰ জ্ঞান দুই প্ৰকাৰে ফলিয়ায়। বুধিমান শিষ্যই গুৰুৰ জ্ঞান গ্ৰহণ কৰে আৰু মূৰ্খজনে গুৰুৰ জ্ঞানৰপৰা বঞ্চিত হৈ থাকে। কাৰণ মণিয়ে কোনো বস্তুৰ প্ৰতিবিম্ব গ্ৰহণ কৰিবলৈ সমৰ্থ হয়; কিন্তু মাটিৰ লডাৰ সেই শক্তি নাই।'

এই শ্লোকৰ মাজত পদলালিত্যাদি বৈদৰ্ভী শৈলীৰ গুণ বৰ্তমান।

ইয়াৰ থিক বিপৰীতে কৱিয়ে গৌড়ীৰীতিৰ শৈলীও ঠাই বিশেষত প্ৰয়োগ কৰিছে। যেনে ঃ

যথেন্দাবানন্দং ব্ৰজতি সমুপোঢ়ে কুমুদিনী
তথৈৱাস্মান্ দৃষ্টিৰ্মম কলহকামঃ পুনৰয়ম্।
ঝণৎকাৰক্ৰূৰকণিতগুণ গুঞ্জদ্ গুৰুধনু
ধৃতপ্ৰেমাবিাহুবকচবিকৰালোল্বণৰসঃ ॥ ৫/২৬

'যিদৰে পৰিপূৰ্ণ চন্দ্ৰমণ্ডল উদয় হ'লে কুমুদিনী প্ৰমুদিত হয়, সেইদৰে মোৰ চকু এই



চন্দ্ৰকেতুক দেখি হৰ্ষোৎফুল্ল হৈছে। তথাপি মোৰ দুবাহু যুদ্ধ কৰিবলৈ আতুৰ হৈ পৰিছে, যি ভুজে ভীষণ টঙ্কাৰ আৰু গম্ভীৰ গৰ্জন কৰা গুণেৰে যুক্ত এই বিশাল ধনুক অনায়াসে ধাৰণ কৰি ৰাখে আৰু বিকট-বিকৰাল বীৰ ভাৱনাৰে ফৰফৰাই আছে।'

এনেদৰে ভৱভূতিয়ে পাত্ৰানুসৰি কোমল বা কঠিন ভাষা প্ৰয়োগ কৰিছে।

**উত্তৰ ৰাম চৰিতৰ অঙ্গীৰস ঃ** প্ৰতিজন কৱি বা নাট্যকাৰে একোটি বিশেষ ৰস নিজ কাব্য বা নাটকত সৃষ্টি কৰাত নৈপুণ্য প্ৰদৰ্শন কৰিছে। কৱি কালিদাসে তেওঁৰ প্ৰায়বোৰ ৰচনাত শৃঙ্গাৰ ৰসৰ অভিযোজনা কৰিছে আৰু সেই বিষয়ত তেওঁ সিদ্ধহস্ত বুলিও প্ৰমাণিত হৈছে। ভৱভূতিয়ে অৱশ্যে মহাবীৰ চৰিত, মালতীমাধৱ আৰু উত্তৰ ৰাম চৰিতত একাদিক্ৰমে বীৰ, শৃঙ্গাৰ আৰু কৰুণ ৰসক অঙ্গীৰসৰূপে যোজনা কৰিছে। প্ৰথম দুখন নাটক অৱশ্যে উৎকৃষ্ট বুলি সিদ্ধ হোৱা নাই; উত্তৰ ৰাম চৰিত তেওঁৰ উৎকৃষ্ট ৰচনা বুলি প্ৰতিপন্ন হৈছে। সম্ভৱতঃ এই নাটকত সৃষ্টি কৰা কৰুণ ৰসৰ তুলনা অন্যত্ৰ পাবলৈ নাই, আৰু সেয়ে কোৱা হয় কাৰুণ্যং 'ভৱভূতিৰেৱ তনুতে।' কোনো কোনোৱে অৱশ্যে উত্তৰৰামচৰিতত অঙ্গীৰসৰূপে বিপ্ৰলম্ভ শৃঙ্গাৰকহে স্বীকাৰ কৰে। কিন্তু অধিকাংশ বিদ্বানে এই নাটকৰ অঙ্গীৰস কৰুণ বুলিহে প্ৰতিপন্ন কৰিবলৈ বিচাৰে। নাটকৰ অঙ্গীৰস বিপ্ৰলম্ভ শৃঙ্গাৰ বুলি কোৱাসকলে কয় যে নাটকৰ নায়ক আৰু নায়িকাই সুদীৰ্ঘকাল বিযুক্ত হৈ থকাৰ পাছত অন্তত মিলিত হোৱাত তেই বিপ্ৰলম্ভৰ পৰাকাষ্ঠা দেখা যায়। সেয়ে নহয় নাটকখন বিয়োগান্ত হোৱাহেঁতেন নাটকৰ অঙ্গীৰসক কৰুণ বুলি স্বীকাৰ কৰিবলৈ পৰা গলহেঁতেন। কিন্তু উত্তৰ ৰামচৰিতৰ কৰুণ ৰস 'ৰতি নিৰপেক্ষ'। 'ৰতি সাপেক্ষ' হোৱা হেঁতেন তাক বিপ্ৰলম্ভ কৰুণ বুলিয়েই ধৰিবলৈ সহজ হ'লহেঁতেন। স্বয়ং ভৱভূতিয়েই নাটকত নানানভাৱে কৰুণ ৰসৰ নিষ্পত্তি হোৱা কথাৰ ইঙ্গিত কৰিছে। তমসাই নাটকৰ সংবিধান দেখি বিস্ময় প্ৰকাশ কৰি কৈছে ঃ

একো ৰসঃ কৰুণ এৱ নিমিত্তভেদাদ্
ভিন্নঃ পৃথক্ পৃথগিৱাশ্ৰয়তে বিৱৰ্ত্তান্।
আৱৰ্ত্তবুদ্‌বুদতৰঙ্গময়ান্ বিকাৰা—
নম্ভো যথা সলিলমেৱ হি তৎসমস্তম্ ॥ ৩।৪৭

উত্তৰৰাম চৰিতৰ তৃতীয় অঙ্কত ভৱভূতিয়ে যিকাৰুণ্যৰঞ্জিত বিপ্ৰলম্ভ শৃঙ্গাৰৰ চিত্ৰণ কৰিছে তাৰ তুলনা পাবলৈ নাই। সীতাৰ বিৰহত ৰামে কৰা বিলাপৰ মাজেৰে যি কৰুণ ৰসৰ উত্তালতৰঙ্গ প্ৰৱাহিত হৈছে সি সকলোকে আৰ্দ্ৰ নকৰি নেথাকে।— তেওঁ বিলাপ কৰি কৈছে ঃ

হা হা দেৱি স্ফুটতি হৃদয়ং সংস্ৰতে দেহবন্ধঃ
শূন্যং মন্যে জগদৱিৰলজ্বাল মন্তৰ্জ্বলামি।
সীদন্নন্ধে তমসি বিধুৰো মজ্জতীৱান্তৰাত্মা
বিষ্বঙ্মোহঃ স্থগয়তি কথং মন্দভাগ্যঃ কৰোমি ॥

'হে দেৱি, হৃদয় ফাটি-ফুটি গৈছে, শৰীৰৰ গাঁঠিবোৰ শিথিল হৈ পৰিছে, সমস্ত জগৎ যেন শূন্য হৈ পৰিছে, অৱিৰল জ্বালাত অন্তৰ দেই-পুৰি গৈছে, অৱসন্ন হৈ বিকল অন্তঃকৰণ ঘোৰ অন্ধকাৰত যেন বুৰ যাবলৈ ধৰিছে, চাৰিওফালে মোক মোহে আবৰিছে; এতিয়া মই হতভগাই কি কৰোঁ?'

এয়া বিৰহৰ পৰাকাষ্ঠা নহয় নো কি? এনেদৰে সীতাৰ বিৰহত বিধুৰ হোৱা ৰামে কোনো বন্ধুৰপৰা সহায়-সাৰথি নেপায় বা কোনো জনৰ মিত্ৰতাই তেনে বিৰহ উপশমনত সহায়ক নহয়। সুগ্ৰীৱ, বিভীষণ, জাম্ববান, নল-নীল, হনূমান আৰু লক্ষ্মণৰ কোনোৱেই তেওঁক সহায় কৰিবগৈ পাৰগ নহয়ঃ

ব্যৰ্থং যত্ৰ কপীন্দ্ৰ সখ্যমপি যে বীৰ্যং হৰীণাং বৃথা
প্ৰজ্ঞা জাম্ববতোপি যত্ৰ ন গতিঃ পুত্ৰস্য বয়োৰপি।
মাৰ্গং যত্ৰ ন বিশ্বকৰ্মতনয়ঃ কৰ্তুং নলোহপি ক্ষমঃ
সৌমিত্ৰেৰপি পত্ৰিণামবিষয়ে তত্ৰ প্ৰিয়ে ক্বাসি মে॥

কৰুণ মিহলি বিপ্ৰলম্ভ উত্তৰৰামচৰিতৰ অঙ্গীৰসহে, তাৰ লগতে অন্য ৰসো অঙ্গৰূপে নাটকত চিত্ৰিত হৈছে।

ছন্দ আৰু অলংকাৰ বিধানতে ভৱভূতিৰ দক্ষতা সমানে প্ৰকাশ পাইছে।

**শক্তিভদ্ৰ ঃ** শক্তিভদ্ৰ দক্ষিণাপথ বা মালবাৰৰ লোক আছিল। তেওঁ কোনোবা এজন শংকৰাচাৰ্য্যৰ শিষ্য আছিল। যথা—সম্ভৱ খৃষ্টীয় অষ্টম শতিকাত তেওঁৰ আবিৰ্ভাৱ হৈছিল।

তেওঁ ৰামায়ণ কথাৰ ওপৰত ভেটি কৰি ৭ অঙ্কীয়া পূৰ্ণাঙ্গ নাটক এখন ৰচনা কৰিছিল। নাটকত ৰাৱণ তথাপি নাটকৰ কথা প্ৰকৃত ৰামকথাৰপৰা ফালৰি কাটি গৈছে। নাটকত ৰাৱণ আৰু তেওঁৰ সহযোগীসকলে ৰাম, লক্ষ্মণ আৰু সীতাৰ ছদ্মবেশ ধাৰণ কৰি ৰামপ্ৰভৃতিক প্ৰবঞ্চনা বা ছল কৰি বিনষ্ট কৰিবলৈ যত্ন কৰে। কিন্তু ঋষিসকলে ৰাম-সীতাক দান কৰা অলৌকিক শক্তি থকা চূড়ামণিৰ সহায়ত ৰাৱণাদিৰ ছলনা ধৰা পেলাবলৈ সক্ষম হয়।

**অনঙ্গ হৰ্ষ ঃ** ৮ম শতিকাত অনঙ্গহৰ্ষ বা মাত্ৰৰাজে তাপসবৎসৰাজ নামে ৬ অঙ্কীয়া নাটক এখন ৰচনা কৰে। যদিও নাটকৰ মূলোৎস বৃহৎকথাপ্ৰসিদ্ধ উদয়ন কথা তথাপি তাপসবৎসৰাজ'ত নাট্যকাৰে কিছু নতুনত্ব সংযোগ কৰা চকুত পৰে। ইয়াত বাসৱদত্তা অগ্নিদগ্ধ হৈ মৰা বুলি বৎসৰাজে সন্ন্যাস গ্ৰহণ কৰা দেখা যায়। সেয়ে নাটকৰ নামকৰণত প্ৰভাৱ পেলায়। নায়িকাই হতাশাগ্ৰস্ত হৈ আত্মহত্যা কৰিবলৈ উদ্যত হোৱা সময়ত নায়ক তাত হঠাতে গৈ উপস্থিত হৈ নায়িকাক ৰক্ষা কৰে আৰু তেনেকৈ দুয়োৰে মিলন হয়। নাটকৰ ভাষা যিদৰে অনাড়ম্বৰ আৰু সৰল; নাটকীয় কাহিনীও তেনেকৈ চিত্তাকৰ্ষক হৈছে।

**মুৰাৰি ঃ** নাট্যকাৰ মুৰাৰিৰ জীৱন সম্বন্ধে বৰ বেছি কথা জনা নাযায়। তেওঁৰ একমাত্ৰ



উপলব্ধ নাট্যকৃতি 'অনৰ্ঘৰাঘৱ'ৰ প্ৰস্তাৱনাৰপৰা জনা যায় যে তেওঁৰ পিতৃৰ নাম বৰ্ধমান ভট্ট আৰু মাকৰ নাম তন্তুমতী বা তন্তমতী আছিল। তেওঁ মৌদ্‌গল্যগোত্ৰীয় ব্ৰাহ্মণ আছিল।[1] ৰামকথাৰ ওপৰত ভেটি কৰি নাটক ৰচনা কৰা বাবে তেওঁ 'বালবাল্মীকি' উপাধিৰে বিভূষিত হৈছিল।

'ড' কীথে তেওঁক মহিষ্মতীৰ (নৰ্মদা নৈৰ পাৰত থকা মান্ধাতা) কোনো ৰজাৰ সভাকৱি আছিল বুলি কয়। অৱশ্যে মৌদ্‌গল্য গোত্ৰীয় ব্ৰাহ্মণ দক্ষিণ ভাৰতত সৰহকৈ দেখা যায়।

**কাল ঃ** সূক্তিগ্ৰন্থত পোৱা মুৰাৰিৰ প্ৰশংসাপৰ প্ৰকীৰ্ণ শ্লোকৰ পৰা বুজা যায় যে তেওঁ মাঘ আৰু ভৱভূতিৰ পিছত আবিৰ্ভূত হৈছিল। এজন আলোচকে কৈছেঃ

মুৰাৰি-পদচিন্তায়াং ভৱভূতেস্তু কা কথা।
ভৱভূতিং পৰিত্যজ্য মুৰাৰি মুৰৰীকুৰু॥

অৰ্থাৎ 'তেওঁ ভৱভূতিৰ (শিৱ আৰু কৱি) পক্ষপাতী নহয়, সেয়ে তেওঁ মুৰাৰিৰ (কৃষ্ণ আৰু কৱি) পদ (চৰণ আৰু শব্দ)-ৰ চিন্তাত মন দিছে। ইয়াত মুৰাৰিক ভৱভূতিৰ পৰৱৰ্তী বুলি ইঙ্গিত কৰা হৈছে। অৱশ্যে মুৰাৰিয়ে অনৰ্ঘৰাঘৱত (১।৬; ৭) ভৱভূতিৰ উত্তৰ ৰাম চৰিত্ৰৰপৰা দুটা শ্লোক (৬।৩০; ৩১) উদ্ধৃত কৰিছে। তদুপৰি তেওঁ ভৱভূতিৰ শৈলীৰে প্ৰভাৱান্বিতও হৈছে। গতিকে মুৰাৰি আবিৰ্ভাৱ ভৱভূতিতকৈ পিছত অৰ্থাৎ খৃষ্টীয় ৭০০ শতিকাৰ পাছত হোৱা সম্ভৱ। আকৌ ৰত্নাকৰে তেওঁৰ হৰবিজয় কাব্যৰ এটা শ্লোকত (৩৮।৬৮) মুৰাৰিৰ উল্লেখ কৰিছে।[2] গতিকে মুৰাৰি ৰত্নাকৰৰ (খৃঃ ৮২৫-৫০) পূৰ্ববৰ্তী কৱি আছিল।

**অনৰ্ঘৰাঘৱ ঃ** অনৰ্ঘৰাঘৱ সাত অঙ্কীয়া নাটক। ই ৰামকথাক উপজীব্য কৰি ৰচিত। সমস্ত ৰামকথাক কম পৰিসৰতে নিবদ্ধ কৰিবলৈ গৈ নাটকৰূপে ই সাৰ্থক নহলেও ই কাব্যময় কৃতিৰূপে কিছু বৈশিষ্ট্য ৰক্ষা নকৰা নহয়।

প্ৰস্তাৱনাৰ অতি বিস্তাৰিত বৰ্ণনাৰ পাছত প্ৰথম অঙ্কত দশৰথৰ ৰাজসভালৈ মহৰ্ষি বিশ্বামিত্ৰৰ আগমন হয় আৰু যজ্ঞৰক্ষাৰ বাবে ৰজাৰপৰা ৰাম লক্ষ্মণক বিচাৰে। পুত্ৰ-বৎসল ৰজাই কোনো প্ৰকাৰে পুত্ৰবিয়োগজনিত দুঃখ সামৰি ঋষিৰসৈতে ৰামলক্ষ্মণক যাবলৈ দিয়ে।

দ্বিতীয় অঙ্কত অন্যান্য ঘটনাৰ মাজতে বিশ্বামিত্ৰৰ আদেশমতে ৰামে তাড়কা ৰাক্ষসীক বধ কৰে। তাৰ পাছত ঋষিজনে মিথিলালৈ যোৱাৰ সূচনা দিয়ে।

---

১। "অস্তি মৌদ্‌গল্য গোত্ৰসম্ভৱস্য মহাকৱে ভট্ট শ্ৰীবৰ্ধমান তনূজন্মন স্তন্তুমতী-নন্দনস্য মুৰাৰেঃ কৃতিৰভিনৱ মনৰ্ঘৰাঘৱং নাম নাটকম্।"

২। অংকোৎপ নাটক ইবোত্তম নায়কস্য।
নাশং কৱিব্যাংসিত যস্য মুৰাৰিৰিৎপ্ৰম্॥

তৃতীয় অঙ্কত পোনতে কলহংসিকাই জনকক জনায় যে লঙ্কাৰাজ ৰাৱণে সীতাক বিয়া কৰাবলৈ প্ৰস্তাৱ দিছে। এনেতে মিথিলাত ৰাম উপস্থিত হয়। তেওঁক স্বাগতম জনোৱা হয়। ৰামে হৰধনু ভঙ্গৰ শৰ্তত উত্তীৰ্ণ হৈ সীতাক লাভ কৰে। তাতে ৰাৱণৰ দূত শৌকল ৰাগান্বিত হৈ প্ৰতিশোধ লোৱাৰ ভাবুকি দি তাৰণৰা বিদায় লয়। ইতিমধ্যে দশৰথৰ আন তিনিজন পুত্ৰৰো বিয়া হয়।

চতুৰ্থ অঙ্কত মাল্যৱানে (ৰাৱণৰ মন্ত্ৰী) শূৰ্পণখাক মন্থৰাৰ ছদ্মবেশত অযোধ্যালৈ পঠিয়াই কৈকেয়ীক ভুল পৰামৰ্শ দি ৰামক বনবাস দিয়াৰ আঁচনি প্ৰস্তুতি কৰে। আনহাতে মাল্যৱানে পৰশুৰামক ৰামৰ বিৰুদ্ধে যুঁজিবলৈ উচতনি দিয়ে। পৰশুৰাম আৰু দাশৰথি ৰামৰ মাজত হোৱা যুদ্ধত বিজয় লাভ কৰে।

দশৰথে ৰামৰ অভিষেকৰ প্ৰস্তাৱ কৰা সময়ত মন্থৰাবেশতে কৈকেয়ী তালৈ আহি ৰামৰ বনবাস আৰু ভৰতৰ অভিষেকৰ বাবে দুটা বৰ গ্ৰহণ কৰে। ফলত দশৰথ মূৰ্চ্ছিত হয়।

পঞ্চম অঙ্ক ঘটনা-বহুল। তাৰ মাজতে ৰাৱণে সীতাক হৰণ কৰে আৰু তাত বাধা দিয়া বাবে জটায়ুক আঘাত কৰে। ৰাম-লক্ষ্মণ শোকাতুৰ হয়। ৰামে গুহৰ বাবে কবন্ধক আৰু সুগ্ৰীৱৰ কাৰণে বালীক বধ কৰে। নেপথ্যত সুগ্ৰীৱৰ ৰাজ্যাভিষেক আৰু সীতা উদ্ধাৰত সুগ্ৰীৱে সহায় কৰাৰ প্ৰতিশ্ৰুতি ঘোষিত হয়।

ষষ্ঠ অঙ্কত সসৈন্যে লঙ্কাত প্ৰৱেশ কৰা কথা ব্যাপ্ত হয়। তাকে লৈ লঙ্কাত হুলস্থূল পৰিবেশৰ সৃষ্টি হয়। তাৰ পাছত কুম্ভকৰ্ণ আৰু মেঘনাদৰ যুদ্ধ হয়। শেষলৈ ৰাম-ৰাৱণৰ সংঘৰ্ষ কথা সদৰি হয়।

সপ্তম অঙ্কত ৰাম আৰু সীতাৰ পুনৰ্মিলন হয়। বনবাসৰ কালাতীত হোৱাত সীতা, লক্ষ্মণ, বিভীষণ আৰু সুগ্ৰীৱৰে সৈতে ৰামে পুষ্পক বিমানত আৰোহণ কৰি লঙ্কাৰপৰা অযোধ্যালৈ যাত্ৰা কৰে। অযোধ্যাত বশিষ্ঠ আৰু ভৰতে তেওঁলোকক আদৰণি জনায়। ৰামৰ ৰাজ্যাভিষেকৰ পাছত নাটক শেষ হয়।

ভৱভূতিৰ 'মহাবীৰ চৰিত'ৰ ঘটনাবিন্যাসকে মুৰাৰিয়ে অনৰ্ঘৰাঘৱত পুনৰ ঠাই দিছে। কিন্তু ভৱভূতিৰ ভাষা, শৈলী আৰু অলংকৰণৰ তুলনাত মুৰাৰিৰ সাফল্য ম্লান পৰি ৰৈছে। মুৰাৰিৰ কথাবস্তু নিৰ্জীৱ, বৰ্ণনা আৰু সংলাপ অতিবিস্তৃত, অঙ্কৰচনা অসংগঠিত আৰু দীঘলীয়া, আৰু সৰস ভাবাত্মাৰ অভাৱ বৰ্তমান। তথাপি কলাত্মক গুণ কিছু বৰ্তিছে, তাত সন্দেহ নাই।

**ৰাজশেখৰ ঃ** কবিবৰ ৰাজশেখৰে নিজৰ জীৱন সম্বন্ধে অনেক কথা নিজৰ ৰচনাৰ মাজত লিপিবদ্ধ কৰি থৈ গৈছে। 'বালৰামায়ণ'ৰ প্ৰস্তাৱনাত তেওঁ লিখি গৈছে যে তেওঁ মহাৰাষ্ট্ৰ চূড়ামণি কবিবৰ অকাল জলদৰ নাতিয়েক আৰু দৰ্দুৰ্কৰ পুতেক আছিল। তেওঁৰ মাকৰ নাম শীলাৱতী। তেওঁ এজন উপাধ্যায় আছিল। 'তদামুষ্য মাণস্য মহাৰাষ্ট্ৰ-চূড়ামণেৰ কালজলদস্য চতুৰ্থো দৌৰ্দিকঃ শীলৱতী সূনুৰুপাধ্যায় শ্ৰীৰাজশেখৰ



ইত্যপৰ্য্যাপ্তং বহুমানেন।' নিজৰ বংশ পৰিচয়ৰ কথা সুমৰি তেওঁ বালৰামায়ণত লিখিছে ঃ

স মূৰ্ত্তো যত্ৰাসীদ্ গুণগণ ইৱাকালজলদঃ
সুৰানন্দঃ সোঽপি শ্ৰৱণপুটপেয়েন বচসা।
ন চান্যে গণয়ন্তে তৰলকৱিৰাজ প্ৰভৃতয়ো
মহাভাগস্তস্মিন্নয়মজনি যাযাৱৰ কুলে ॥

তেওঁ 'যাযাবৰকুলোৎপন্ন' হোৱা কথা লৈ কোনোৱে তেওঁক ব্ৰাহ্মণ, কোনেৱেবা আকৌ ক্ষত্ৰিয় বুলি ক'ব খোজে। তাতে আকৌ তেওঁ চৌহানবংশীয়া ক্ষত্ৰিয়া অৱন্তি সুন্দৰীক পত্নীৰূপে গ্ৰহণ কৰিছিল বুলি 'কৰ্পূৰমঞ্জৰী'ৰ পাততে লিখি গৈছে। কিন্তু যাযাবৰীয় উপাধিয়ে ৰাজশেখৰক ক্ষত্ৰিয়কুলোৎপন্ন বুলি প্ৰমাণ নকৰে। ই গৃহস্থৰ প্ৰকাৰ ভেদহে বুজায় ( দ্বিবিধো হি গৃহস্থোঃ যাযাবৰঃ শালীনশ্চ )। আনহাতে তেওঁ যে এজন উপাধ্যায় আছিল তাকো কোৱা হৈছে। সেয়ে তেওঁৰ ব্ৰাহ্মণত্বৰ পৰিচায়ক।

আকৌ মাধৱাচাৰ্য্যই 'শঙ্কৰবিজয়'ত ৰাজশেখৰক কেৰেলৰ ৰজা আৰু তিনিখন নাটকৰ ৰচক বুলি কৈছে। তিনিখন স্বৰচিত নাটক ৰাজশেখৰে শঙ্কৰাচাৰ্য্যক উপহাৰ দিয়া বুলি কোৱা হৈছে। ৰাজশেখৰে খৃষ্টীয় ৯ম-১০ম শতিকাত ৰাজত্ব কৰিছিল। হংসৰাজ আগ্ৰৱালে এনে প্ৰস্তাৱ নামঞ্জুৰ কৰি কৈছে ঃ There are, however, no reasons to identify the poet Rajasekhara with king Rajasekhara. The fact that the poet Rajasekhara was the son of a high priest is sufficient to show that he could not possibly have been the king himself. In all probabilities, the poet Rajasekhare came after king Rajasekhara'.[১]

যথাসম্ভৱ তেওঁ মহাৰাষ্ট্ৰৰ বিদৰ্ভ অঞ্চলৰপৰা প্ৰব্ৰজন কৰি গৈ কান্যকুব্জৰ ৰজাৰ উপাধ্যায় পদ গ্ৰহণ কৰিছিল। তেওঁৰ পৃষ্ঠপোষক মহেন্দ্ৰ পাল কনৌজৰ প্ৰতিহাৰ বংশৰ সুখ্যাত ৰজা আছিল। তেওঁ আদেশক্ৰমে ৰাজশেখৰে বালৰামায়ণৰ অভিনয় প্ৰস্তুত কৰে। মহেন্দ্ৰ পালৰ মৃত্যুৰ (৯১০ খৃঃ) পাছত কনৌজ গৃহকন্দল হোৱাত ৰাজশেখৰে ত্ৰিপুৰীৰ ৰজা যুৱৰাজদেৱৰ (৯১০—৯৫০ খৃঃ) আশ্ৰয়ত থাকিবলৈ লয়। তাতেই তেওঁ 'বিদ্ধশালভঞ্জিকা' নাটক ৰচে। গৃহকন্দল শাম কটাত মহেন্দ্ৰপালৰ পুত্ৰ মহীপাল ৰাজপাটত বহিলত ৰাজশেখৰে আকৌ কনৌজলৈ উভতি আছে। তাতেই ৯৩০ খৃষ্টাব্দত তেওঁৰ দেহাৱসান হয় বুলি জনা যায়।

তেওঁ 'কৱিৰাজ' 'মহাকৱি' আদি উপাধিৰে বিভূষিত হৈছিল। নিজেও তেওঁৰ পাণ্ডিত্য সম্বন্ধে অৱহিত আছিল। সেয়ে তেওঁ নিজকে বাল্মীকি, ভৰ্তৃমেণ্ঠ আৰু ভৱভূতিৰ অৱতাৰৰূপে জ্ঞান কৰিছিল।

১. A Short History of Sanskrit Literature p 208

**কবিৰ কাল ঃ** ৰাজশেখৰৰ কাল নিৰূপণ বৰ কঠিন নহয়। ৰাজশেখৰে নিজকে ভৱভূতিৰ অৱতাৰ বোলাৰ উপৰিও তেওঁ উদ্ভট ( অষ্টম শতিকা ) আৰু আনন্দবৰ্ধন ( ৯ম শতিকা )-ৰ গ্ৰন্থৰ উদ্ধৃতি দিছে। সোমদেৱে তেওঁৰ যশস্তিলকত ( ৯৬০ খৃষ্টাব্দত সম্পূৰ্ণ ) আৰু ধনঞ্জয়েও ( দশম শতিকা ) তেওঁৰ দশৰূপকত ৰাজশেখৰৰ উল্লেখ কৰিছে। কবিয়ে তেওঁৰ চাৰিওখন নাটকতে নিজকে কনৌজৰ ৰজা মহেন্দ্ৰ পালৰ উপাধ্যায়ৰূপে পৰিচয় দিছে। চিয়োদিনি অনুশাসনত তেওঁৰ ৰাজত্বকাল ৯০৩-৯০৭ খৃষ্টাব্দ বুলি উল্লেখ আছে। সেয়ে ৰাজশেখৰৰ কাল ৯ম শতিকাৰ শেষভাগ আৰু ১০ম শতিকাৰ আদিচোৱা বুলি নিৰূপণ কৰিব পাৰি।

**ৰাজশেখৰৰ নাটকসমূহ ঃ** ৰাজশেখৰে ৰচনা কৰা চাৰিখন নাটক সম্প্ৰতি পোৱা যায় ঃ (১) বালৰামায়ণ, (২) বালমহাভাৰত, (৩) বিদ্ধশালভঞ্জিকা আৰু (৪) কৰ্পূৰমঞ্জৰী। তলত প্ৰতিখন নাটকৰে চমু পৰিচয় দিয়া হ'ল।

(১) **বালৰামায়ণ ঃ** ই এখন দহ অঙ্কীয়া নাটক। সেয়ে ইয়াক মহানাটক বুলি কোৱা হয়। ই ৰাম কথাৰ ভেটিত ৰচিত। সীতা স্বয়ম্বৰৰপৰা আৰম্ভ কৰি ৰামে অযোধ্যালৈ উভতি অহালৈ ৰামায়ণৰ কথাসমূহ ইয়াত ঠাই পাইছে।

প্ৰথম অঙ্ক 'প্ৰতিজ্ঞাপৌলস্ত্য' নামে জনাজাত। ইয়াত ৰাৱণে সীতাৰ স্বয়ম্বৰলৈ জনক পুৰীলৈ আহি সীতাক বিয়া কৰাবলৈ প্ৰতিজ্ঞা কৰে। ৰাৱণে জনকৰ ওচৰত সীতাৰ পাণি প্ৰাৰ্থনা কৰি ব্যৰ্থ মনোৰথ হৈ ক্ষুব্ধ চিত্তে লঙ্কালৈ উভতি যায়।

ৰাম-ৰাৱণীয় নামে দ্বিতীয় অঙ্কত ৰাৱণে তেওঁৰ অনুচৰ মায়াময়ক পৰশুৰামৰ ওচৰলৈ পঠিয়ায়। ৰাৱণৰ প্ৰস্তাৱ শুনি পৰশুৰামৰ ক্ৰোধ ওপজে। তেওঁ ৰাৱণক গালি-শপনি পাৰি নানান কথা কয়। দুয়ো পক্ষৰ যে যুঁজ নহ'ল ইমানেই।

'বিলক্ষ লঙ্কেশ্বৰ' নামে তৃতীয় অঙ্কত সীতাক নোপোৱা বাবে ক্ষুণ্ণ হোৱা ৰাৱণক আনন্দ দিবলৈ 'সীতা স্বয়ম্বৰ' প্ৰদৰ্শন কৰা হয়। ৰামে ধনুভংগ কৰি সীতাক লাভ কৰাত ৰাৱণ খঙত জ্বলি উঠে। পিছত পৰিস্থিতি বুজি তেওঁ শান্ত হয়।

'ভাৰ্গৱভঙ্গ' নামে ৪ৰ্থ অঙ্কত ৰাম আৰু পৰশুৰামৰ সংঘৰ্ষ হয় আৰু পৰশুৰাম পৰাজিত হয়।

'উন্মত্ত দশানন' নামে ৫ম অঙ্কত সীতাৰ বিৰহত ৰাৱণে দেখুৱা উন্মাদ অৱস্থা চিত্ৰিত হৈছে। তাত ৰাৱণে শেষলৈ সীতাৰ কাঠৰ প্ৰতিমাৰ ওচৰত প্ৰেম নিবেদন কৰাৰ দৰে হাস্যকৰ ঘটনাও বৰ্ণিত হৈছে।

ষষ্ঠ অঙ্কটি 'নিৰ্দোষ দশৰথ' নামে পৰিচিত। ইয়াত মায়াময় আৰু শূৰ্পণখাই অযোধ্যালৈ ক্ৰমে দশৰথ আৰু কৈকেয়ীৰ ৰূপ ধাৰণ কৰি ৰামক বনবাসলৈ পঠিয়ায়। ৰত্ন শিখণ্ডৰ মুখৰপৰা এই ঘটনা শুনি দশৰথৰ প্ৰাণ বিয়োগ হয়।

'অনম পৰাক্ৰম' নামে ৭ম অঙ্কত ৰাম আৰু সমুদ্ৰৰ সংবাদ পোৱা যায়। সমুদ্ৰ পাৰ হ'বলৈ সেতুৰচনাৰ আঁচনি কৰা হয়। মাল্যবন্তৰ কূটকৌশল ক্ৰমে সীতাৰ



কটা মূৰ সাগৰৰ তীৰত দেখি ৰাম শোকাৰ্ত হয়। পাছত সেয়া নকল শিৰ বুলি প্ৰতীতি জন্মে। বিভীষণে ৰামৰ ওচৰত শৰণ লয়। ৰামে লঙ্কাত প্ৰৱেশ কৰে।

'বীৰবিলাস' নামে চিহ্নিত ৮ম অঙ্কত ৰাম-ৰাৱণৰ ভয়ঙ্কৰ যুদ্ধ হয়। যুঁজত কুম্ভকৰ্ণ, মেঘনাদ আদিৰ মৃত্যু হয়। তেতিয়া দুঃখে-শোকে ম্ৰিয়মাণ হৈ ৰাৱণে পোনতে মায়াময় সীতাৰ কটা শিৰ যুঁজত দলিয়াই দি ৰামক ছলিবলৈ যত্ন কৰে। কিন্তু ৰাৱণে তাতো বিফল হয়। নৱম অঙ্কত ৰাৱণ নিহত হয়। স্বয়ং ইন্দ্ৰই ৰাম-ৰাৱণৰ যুদ্ধৰ বৰ্ণনা দিয়ে।

'সানন্দ ৰঘুনাথ' নামে পৰিচিত অন্তিম অঙ্কত সীতাৰ অগ্নি পৰীক্ষা হয়। তাৰ পাছত পুষ্পক বিমানত উঠি ৰাম-সীতা অযোধ্যালৈ উভতি অহাৰ মনোৰম বিৱৰণ দিয়া হয়।

এই সুবৃহৎ নাটকখন ৰামকথাৰ ভেটিত ৰচিত হ'লেও কবিয়ে নাটকীয় কথাত বহুতো পৰিৱৰ্তন সাধিছে। সীতা স্বয়ম্বৰত ৰাৱণৰ ভূমিকা আৰু পৰশুৰামক দিয়া উচতনি ভৱভূতিৰ মহাবীৰ চৰিততো পোৱা যায়—ভিন্ন ৰূপত। কিন্তু ৰাৱণৰ সীতা বিৰহৰ চিত্ৰ কবিৰ অভিনৱ কল্পনা তৃতীয় অঙ্কত প্ৰাপ্ত গৰ্ভনাটকো অভিনৱ কথা। এই নাটকত সৰ্বমুঠ ৭৩১ টা শ্লোক আছে এই শ্লোকসমূহ শাৰ্দূলবিক্ৰীড়িত, স্ৰগ্ধৰা আদি ১৯ টা ছন্দত গ্ৰথিত। অন্তিম অঙ্কত বৰ্ণনাৰপৰা কবিৰ ভৌগোলিক জ্ঞানৰ পৰিচয় পোৱা যায়।

**কপ্পূৰমঞ্জৰী (কৰ্পূৰ মঞ্জৰী) ঃ** কৰ্পূৰমঞ্জৰী ৰাজশেখৰৰ সৰ্বোৎকৃষ্ট ৰচনা ৰূপে পৰিগণিত হৈছে। চাৰি অঙ্ক বিশিষ্ট এই নাটিকাখন নৃত্য-প্ৰধান সট্টক। ৰাজশেখৰে নিজপত্নী অৱন্তিসুন্দৰীৰ ইচ্ছানুসৰি ৰচনা কৰিছিল। এই নাটক কেৱল প্ৰাকৃত ভাষাত ৰচিত হৈছে ইয়াত কোনো সংস্কৃত ভাষা-ভাষী পাত্ৰ-পাত্ৰী নাই। ইয়াৰ নায়ক চন্দ্ৰপাল কুন্তলৰ ৰাজকুমাৰী কৰ্পূৰমঞ্জৰী ইয়াৰ নায়িকা। তেওঁ প্ৰকৃততে চন্দ্ৰপালৰ মহিষী বিভ্ৰমলেখাৰ মাহীয়েকৰ জীয়েক। প্ৰথম অঙ্কত তান্ত্ৰিক ভৈৰৱানন্দই যোগশক্তিৰ বলত বিদৰ্ভৰ ৰাজকুঁৱৰী কৰ্পূৰমঞ্জৰীক ৰজা চন্দ্ৰপাল আৰু ৰাণী বিভ্ৰমলেখাৰ সমুখত উপস্থিত কৰে। তেওঁৰ ৰূপ আৰু বেশ দেখিয়েই বহুত কথা জনা যায়। ৰাণীয়ে মাহীয়েকৰ জীয়েক, ভনীয়েক কৰ্পূৰমঞ্জৰীক লগ পাই চেনেহতে দিনদিয়েকলৈ লগত ৰাখিবলৈ ইচ্ছা কৰে। ভৈৰৱানন্দ তেওঁৰ কথাত সৈমান হয়। কিন্তু প্ৰথম দৰ্শনতে নায়ক চন্দ্ৰপাল আৰু নায়িকা কৰ্পূৰমঞ্জৰী পৰস্পৰে পৰস্পৰৰ প্ৰতি আসক্ত হয়। দ্বিতীয় অঙ্কত নায়িকাই এক পত্ৰযোগে ৰজাৰ প্ৰতি নিজৰ অনুৰাগ প্ৰকাশ কৰে। কৰ্পূৰমঞ্জৰীৰ সখীয়েক বিচক্ষণা আৰু বিদূষকে এনে এক ব্যৱস্থা কৰে যাৰ ফলত নায়ক-নায়িকাই উদ্যানত একেলগে দোলনাত উমলিবলৈ পাৰে আৰু অশোক গছত কৰা পাদ প্ৰহাৰৰ ফলত ফুল ফুলে। দ্বিতীয় আৰু তৃতীয় অঙ্কৰ মাজৰ সময়ত ৰাণীয়ে সম্ভৱতঃ নায়ক-নায়িকাৰ পাৰস্পৰিক আসক্তিৰ ভূ পাই নায়িকাক গোপন কক্ষত আৱদ্ধ কৰি ৰাখে। কিন্তু ৰজাই নায়িকাৰ কক্ষলৈ সুৰঙ্গ পথেৰে যোৱাৰ ব্যৱস্থা কৰে।

**কবিৰ কাল ঃ** ৰাজশে [illegible]

[illegible]

চতুৰ্থ অঙ্কত ভূ পোৱা যায় ৰাণীয়ে ৰঙ্গগৃহৰ নিয়ন্ত্ৰণ [illegible] কটকটীয়া কৰি বিচক্ষণ, সুলক্ষণা, সাবঙ্গিকাক কপূৰমঞ্জৰীৰ সুৰক্ষাৰ বাবে নিযুক্ত কৰিছে। সাৱিত্ৰী ব্ৰত উপলক্ষে ৰাণীয়ে উপভোগ্য লোকনৃত্যৰ আয়োজন কৰিছে। সেই নৃত্যকেলি বিমান চূড়াৰপৰা চাবলৈ ৰাণীয়ে ৰজালৈ আমন্ত্ৰণ জনাইছে। ইতিমধ্যে বিদূষকে ভৈৰৱানন্দৰ সাহায্যত নায়ক-নায়িকাৰ মিলন সাধিবলৈ গোপন প্ৰচেষ্টা চলাইছে।

আনহাতে পূৰ্বৰ চতুৰ্দশীত ভৈৰৱানন্দৰ সহায়ত ৰাণীয়ে পাৰ্বতীমূৰ্তি প্ৰতিষ্ঠা কৰি তেওঁক গুৰুদক্ষিণা দিব খোঁজে। ভৈৰৱানন্দই তেতিয়া দক্ষিণাৰূপে লাটদেশৰ ৰজা (চণ্ডসেনৰ কন্যা) ঘনসাৰ মঞ্জৰীৰে ৰজা চণ্ডপালৰ বিয়া হোৱাটোকেই বিচাৰে। কাৰণ সেই কন্যাক বিয়া কৰালে ৰজা চক্ৰবৰ্তী ৰজা হ'ব বুলি জ্যোতিষীৰ ভৱিষ্যৎ বাণী আছে। ৰাণীয়ে ভৈৰৱানন্দৰ কথা মানি ল'লে। সেইদৰে চামুণ্ডাৰ মন্দিৰত হ'বলগীয়া বিয়াৰ কথা ৰজাক জনোৱা হ'ল।

সুৰঙ্গপথেৰে কপূৰমঞ্জৰীক চামুণ্ডাৰ মন্দিৰলৈ আনি তেওঁকেই ঘনসাৰ মঞ্জৰী বুলি ৰজাৰ লগতে বিয়া দিয়া হ'ল। তাৰ পাছত প্ৰকৃত ৰহস্য ওলাই পৰিল।

কপূৰমঞ্জৰীৰ বিষয়বস্তুত কোনো নতুনত্ব নাই। কালিদাসৰ মালাবিকামিত্ৰম্, শ্ৰীহৰ্ষৰ ৰত্নাৱলী আৰু প্ৰিয়দৰ্শিকাৰ আহিত এই নাটক নিৰ্মিত। আনকি দশকুমাৰ চৰিতৰ কাহিনীৰ প্ৰভাৱো ইয়াত পৰিছে। ভাষা আৰু সংস্কৃতিৰ বাবে এই নাটকৰ খ্যাতি আছে। ইয়াৰ গদ্যাংশ সৌৰসেনীত ৰচিত আৰু পদ্যাংশ মহাৰাষ্ট্ৰীত ৰচিত। বিভিন্ন নৃত্য-গীত-বাদ্যৰ উল্লেখে ইয়াক সংস্কৃতিৰ উৎস কৰি তুলি ধৰিছে।

**বিদ্ধশালভঞ্জিকা ঃ** বিদ্ধশালভঞ্জিকা ৰাজশেখৰ ৰচিত অন্যতম নাটিকা। ইও চাৰি অঙ্কবিশিষ্ট। এই নাটকো মালবিকাগ্নিমিত্ৰম আদিৰ আহিত ৰচিত। ই বিদ্যাধৰমল্ল নামে ৰাজকোঁৱৰ আৰু মৃগাঙ্কৱতী আৰু কুবলয়মালা নামে দুজনী ৰাজকুঁৱৰীৰ প্ৰণয়কথাক উপজীব্য কৰি ৰচিত হৈছে।

প্ৰথম অঙ্কত লাটদেশৰ ৰজা চন্দ্ৰবৰ্মাই নিজৰ জীয়েক মৃগাঙ্কৱতীক মৃগাঙ্কবৰ্মণ নামে 'পুত্ৰৰ' বেশত ৰজা বিদ্যাধৰমল্লৰ ৰাণীৰ ওচৰলৈ পঠিয়ায়। এদিনাখন বিদ্যাধৰে সপোনতে এজনী সুন্দৰী বালিকাক দেখি ধৰিবলৈ যাওঁতে বালিকাই এগছ মুকুতাৰ মালা এৰি পলাই যোৱা দেখা পায়। বিদ্যাধৰ মন্ত্ৰী ভাগুৰায়ণে সেই বিষয়ে জ্যোতিষীৰ মতামত বিচাৰিলে। তেতিয়া জ্যোতিষীয়ে ভৱিষ্যৎ বাণী কৰি কলে যে ৰাণীৰ ওচৰত থকা মৃগাঙ্কবৰ্মণ প্ৰকৃততে বালিকাহে আৰু তেওঁৰে বিবাহিত হোৱা ৰজাজনে চক্ৰবৰ্তী বুলি পৰিগণিত হ'ব। তাকে শুনি মন্ত্ৰীয়ে মৃগাঙ্কবৰ্মণৰ ৰজাৰ



পৰিচাৰকৰূপে নিযুক্ত কৰিলে। মৃগাঙ্কবৰ্মণ ৰজাৰ ওচৰলৈ যোৱা সময়ত ৰজাই চিত্ৰশালাত নিজৰ প্ৰেয়সী (বিদ্ধশালভঞ্জিকাৰ) খোদিত মূৰ্তি চাই আছিল। ৰজাই তেওঁৰ ডিঙিত মুকুতাৰ মালা পিন্ধাই দিলে আৰু মৃগাঙ্কবৰ্মণে ইয়াৰ তাৎপৰ্য্য বুজি নাপালে।

দ্বিতীয় অঙ্কত ৰাণীয়ে কুন্তলৰ ৰাজকুঁৱৰী কুবলয় মালাৰে মৃগাঙ্কবৰ্মণৰ বিয়া পাতিবলৈ ইচ্ছা কৰিলে। ইতিমধ্যে এদিন ৰজা আৰু বিদূষকে উদ্যানত মৃগাঙ্কৱতীক প্ৰকৃত ৰূপত খেল খেলি থকা আৰু প্ৰেমপত্ৰ পঢ়ি থকা দেখা পায় আৰু তেওঁৰ অতুলনীয় ৰূপ-লাবণ্য দেখি মোহিত হয়।

পিছৰ অঙ্কত ৰজা বিদ্যাধৰে বিদূষকেৰে সৈতে গৈ মৃগাঙ্কৱতীৰ সৈতে মিলিত হয়। দুয়োৰে মাজত প্ৰেমালাপ হয় আৰু দুয়ো পৰস্পৰৰ প্ৰতি আসক্ত হৈ পৰে।

অন্তিম অঙ্কত মহাৰাণীয়ে নিজৰ প্ৰণয়ৰ প্ৰতিদ্বন্দ্বী বুলি ভাবি ঈৰ্ষাৰ বশবৰ্তিনী হৈ বালক মৃগাঙ্কবৰ্মণৰ সৈতে ৰজাৰ বিয়া পাতি দিয়ে। তাৰদ্বাৰা ৰজাৰ মনোৰথ পূৰণ হ'ল। কিন্তু ৰাণীৰ প্ৰেম-পৰিণয়ৰ ওপৰত মাধমাৰ পৰিল। সিফালে ৰজা চন্দ্ৰবৰ্মাৰ এটি পুত্ৰসন্তান জন্ম হোৱাত ইমানদিনে পুত্ৰৰ বেশত থকা কন্যাক বিদ্যাধৰলৈ বিয়া দিবলৈ ইচ্ছুক হয়। ইতিমধ্যে ৰজাৰে বালিকাৰ বিবাহ সম্পন্ন হৈছে। এনে অৱস্থাত কুবলয়মালাকো বিদ্যাধৰলৈ বিয়া দিবলগীয়া হয়।

**বালভাৰত (প্ৰচণ্ড পাণ্ডৱ) ঃ** বালভাৰত নামে নাটকখনৰ মাথোন দুটা অঙ্কহে পোৱা গৈছে। উপলব্ধ নাট্যাংশত দ্ৰৌপদীৰ স্বয়ম্বৰ, পাণ্ডৱৰ পাশাখেল আৰু দ্ৰৌপদীৰ বস্ত্ৰহৰণৰ ঘটনাহে পোৱা যায়।

**ক্ষেমীশ্বৰ ঃ** ক্ষেমীশ্বৰ আছিল কনৌজৰ ৰজা মহীপালৰ (৯ম-১০ শতিকা) সভাকৱি। তেওঁ চণ্ডকৌশিক আৰু নৈষধানন্দ নামে দুখন নাটক ৰচনা কৰি থৈ গৈছে। পাঁচ অঙ্কীয়া চণ্ডকৌশিক নাটক হৰিশ্চন্দ্ৰ উপাখ্যানৰ আধাৰত ৰচিত। চণ্ডকৌশিক নামে খ্যাত ঋষি বিশ্বামিত্ৰৰ অভিশাপৰ কবলত পৰি ৰজা হৰিশ্চন্দ্ৰৰ জীৱনত কিদৰে পয়মাল ঘটিছিল তাৰে হুবহু চিত্ৰ এই নাটকত পোৱা যায়।

'নৈষধানন্দ' নাটকৰ উপজীব্য বিষয় নল-দময়ন্তী কথা। এইখন সাত অঙ্কীয়া নাটক। দুয়োখন নাটকত মৌলিকতা গুণৰ অভাৱ হ'লেও কৱিৰ বৈদগ্ধ্যগুণৰ পৰিস্ফুৰণ উভয় নাটকতে বিদ্যমান।

প্ৰায় একে সময়তে ভীমতে 'স্বপ্নদশানন', মায়ুৰাজে 'উদাত্তৰাঘৱ' আৰু ক্ষেমেন্দ্ৰই 'চিত্ৰভাৰত' আৰু 'কণকজানকী' ৰচনা কৰে বুলি জনা যায়।

**বিল্হন ঃ** একাদশ শতিকাৰ কাশ্মীৰি কৱি আৰু বিক্ৰমাঙ্কদেৱ চৰিতৰ ৰচক বিল্হনে 'কৰ্ণসুন্দৰী' নামে চাৰি অঙ্কীয়া 'নাটিকা' এখন ৰচনা কৰে। কৱিয়ে 'মালৱিকাগ্নিমিত্ৰম্' আৰু 'ৰত্নাৱলী'ৰ অনুকৰণত চালুক্যৰাজ কৰ্ণদেৱ আৰু কৰ্ণসুন্দৰীৰ প্ৰণয় কথা উপজীব্য কৰি উক্ত 'নাটিকা'ৰ ৰূপ দিয়ে। নাটিকাত ঈৰ্ষাপৰায়ণা ৰাণীয়ে ৰজাক পৰীক্ষা কৰিবলৈ কৰ্ণসুন্দৰীৰ ছদ্মবেশ লোৱা, 'কৰ্ণসুন্দৰী'ৰ বেশত আকৌ

ল'ৰা এটিক বজাৰে বিয়া দিবলৈ কৰ ৰাণীৰ চাতুৰী ধৰিব পাৰি মন্ত্ৰীয়ে প্ৰকৃত 'কৰ্ণসুন্দৰী'ক ছদ্মবেশীগনৰ ঠাইত উপস্থিত কৰোৱা আদি চতুৰালিয়ে নাটিকাখন চিত্তাকৰ্ষক কৰি তুলিছে। বিল্হনৰ ৰচনা ৰীতি আৰু নাট্য সংবিধানত তেওঁৰ কুশলতা প্ৰশংসনীয়।

**দামোদৰ মিশ্ৰঃ** একাদশ শতিকাৰ আৰম্ভণিতে দামোদৰ মিশ্ৰই মহানাটক বা হনুমন্নাটক ৰচনা কৰে। দামোদৰ মিশ্ৰ ভোজৰাজৰ (১০০৫—১০৫৪ খৃ) সভাকবি আছিল। এই নাটক সম্বন্ধে এটি প্ৰবাদ শুনা যায়: অঞ্জনা আৰু বায়ুপুত্ৰ হনুমানে এই মহানাটক ৰচনা কৰে আৰু শিলাখণ্ডত খোদিত কৰে। তাকে দেখি আদি কবি বাল্মীকিয়ে আশঙ্কা প্ৰকাশ কৰিলে যে এই নাটক বিদ্যমান থাকিলে তেওঁৰ ৰামায়ণ কোনেও পাঠ নকৰিলে। তাকে জানি শুনি হনুমানে নাট্যখোদিত প্ৰস্তৰ-খণ্ডবোৰ সাগৰৰ পানীত পেলাই দিলে। ৰজা ভোজৰ আজ্ঞাক্ৰমে মাছমৰীয়াসকলে প্ৰস্তৰ খণ্ডবোৰ সাগৰৰ পেটৰপৰা উদ্ধাৰ কৰে। তাৰপৰা দামোদৰ মিশ্ৰ আৰু মধুসূদনে মহানাটকৰ দুটা পাঠ প্ৰস্তুত কৰে। দামোদৰৰ নাটকত চৈধ্যটা অঙ্ক আৰু মধুসূদনৰ পাঠত দহ অঙ্ক আছে। সম্ভৱতঃ মূল গ্ৰন্থৰ ৰচনা কাল অধিক আগৰ। উক্ত পাঠ দুটাত ক্ৰমে ৫৮১ আৰু ৭৩০ টা শ্লোক আছে। তাৰে ৩০০ শ্লোক দুয়োটা পাঠতে সমান।

**ৰামচন্দ্ৰ সুৰিঃ** জৈনসাধু ৰামচন্দ্ৰই আনহিলবাদৰ ৰজা কুমাৰপালৰ সময়ত একাধিক নাটক ৰচনা কৰে। কৌমুদী আৰু মিত্ৰানন্দৰ কাল্পনিক কথাক উপজীব্য কৰি তেওঁ কৌমুদী মিত্ৰানন্দ প্ৰকৰণ ৰচনা কৰে। নল-দময়ন্তীৰ গান্ধৰ্ব বিয়াক উপজীব্য কৰি তেওঁ সাত অঙ্কীয়া 'নলবিলাস' নাটক ৰচনা কৰে। হৰিশ্চন্দ্ৰ কথাৰ আধাৰত তেওঁ ৬ অঙ্কীয়া 'সত্যহৰিশ্চন্দ্ৰ ৰচনা কৰে। ইয়াৰ উপৰিও তেওঁ অন্য বহুত গ্ৰন্থ (মুঠতে প্ৰায় ১০০) ৰচনা কৰে বুলি জনা যায়। তেওঁৰ কাল দ্বাদশ শতিকা।

**কৃষ্ণমিশ্ৰৰ প্ৰবোধচন্দ্ৰোদয়ঃ** প্ৰতীকাত্মক নাটক প্ৰবোধচন্দ্ৰোদয়ৰ প্ৰণেতা শ্ৰীকৃষ্ণ মিশ্ৰই নাটকৰ প্ৰস্তাৱনাত তেওঁৰ সমকালীন জনদিয়েক লোকৰ নাম স্মৰণ কৰিছে। তেওঁলোকৰ অন্যতম কীৰ্তিবৰ্মা চন্দেলবংশীয় ৰজা আছিল। কলচুৰিৰ ৰজা গাঙ্গেয়দেৱৰ (১০১৯-১০৪০ খৃ০) পুত্ৰ কৰ্ণৰাজ বা লক্ষ্মীকৰ্ণ ই চন্দেলৰাজ বিজয়পালৰ জ্যেষ্ঠপুত্ৰ দেৱবৰ্মাক যুদ্ধত পৰাস্ত কৰি পদচ্যুত কৰে। দেৱবৰ্মাৰ ভায়েক কীৰ্তিবৰ্মাক লক্ষ্মীকৰ্ণৰ তলত কাম কৰিবলৈ বাধ্য কৰে। ১০৬০ খৃষ্টাব্দত দেৱবৰ্মাৰ মৃত্যুৰ পাছতে কীৰ্তিবৰ্মাই তেওঁৰ ব্ৰাহ্মণ সেনাপতি গোপালৰ সহায়ত কৰ্ণৰাজক যুদ্ধত হেৰুৱাই হৃতৰাজ্য উদ্ধাৰ কৰে। ৪০ বছৰ ৰাজ্যশাসন কৰি কীৰ্তিবৰ্মাই ১১০০ খৃষ্টাব্দত ইহলীলা সম্বৰণ কৰে। কীৰ্তিবৰ্মাৰ বিজয় উপলক্ষ্যে শ্ৰীকৃষ্ণমিশ্ৰ বিৰচিত প্ৰবোধচন্দ্ৰোদয় পোন প্ৰথমে অভিনীত হয়। গতিকে নাটকৰ প্ৰস্তাৱনাত উল্লেখিত কীৰ্তিবৰ্মা, কৰ্ণৰাজ আৰু গোপাল শ্ৰীকৃষ্ণমিশ্ৰৰ সমসাময়িক আছিল। সেয়ে শ্ৰীকৃষ্ণ মিশ্ৰৰ কাল একাদশ শতাব্দীৰ উত্তৰাৰ্ধ বুলি ঠাৱৰ কৰিব পাৰি।



প্ৰবোধচন্দ্ৰোদয় ছয় অঙ্কীয়া নাটক। ইয়াৰ মাজেৰে নাট্যকাৰে অদ্বৈত বেদান্ত আৰু বিষ্ণুভক্তিৰ সম্মিলন বৰ সুন্দৰভাৱে তুলি ধৰিছে। চৰিত্ৰসমূহ প্ৰতীকাত্মক। পুৰুষৰ ঔৰসত মায়াৰ গৰ্ভত জন্ম হয় মনৰ। মনৰ পত্নী দুগৰাকী— প্ৰবৃত্তি আৰু নিবৃত্তি। মন আৰু প্ৰবৃত্তিৰ পুত্ৰ মোহে কাম, ক্ৰোধ, লোভ, তৃষ্ণা, হিংসাদিৰ সহায়ত শাসন কাৰ্য্য চলায়। তেওঁ বিমাতা নিবৃত্তিৰ সন্তান বিবেকক ঈৰ্ষাৰ চকুৰে চায়। বিবেকক বশ কৰিবলৈ মোহে কাম আৰু ৰতিক দায়িত্ব দিয়ে। এওঁলোকৰ ভয় যে বিবেকৰ ঔৰসত উপনিষদৰ গৰ্ভত অচিৰে বিদ্যাৰ জন্ম হ'লে মোহাদিয়ে ৰাজপাত সামৰিবলৈ লাগিব।

আনহাতে বিবেকে প্ৰথমা পত্নী মতিৰেসৈতে যুগুতি কৰিছে কিদৰে তেওঁলোকে মায়াভিভূত ককাক পুৰুষক মুকলি কৰিব পাৰে তাৰ উপায় লৈ। বিবেকৰ ঔৰসত প্ৰবোধচন্দ্ৰ জাত হ'ল / উপজিলেহে পুৰুষক মায়ামুক্ত কৰিবলৈ পৰা যাব— এই কথা বিবেকে মতিক ক'লে।

দম্ভ, অহংকাৰ, মোহ, চাৰ্বাক প্ৰভৃতিয়ে বিবেক, বিদ্যা আৰু প্ৰবোধচন্দ্ৰৰ নিত্য বিচৰণ ভূমি কাশীপুৰীত সমবেত হৈ বিবেকৰ সজ চেষ্টা প্ৰতিহত কৰিবলৈ পাঙে। তেওঁলোকে বিষ্ণুভক্তিৰ ওপৰতো কড়া নজৰ ৰাখে। শান্তি আৰু তেওঁৰ মাতৃ শ্ৰদ্ধাই উপনিষদক বিবেকৰে মিলিত হ'বলৈ পৰামৰ্শ দিয়া কথা জানি শ্ৰদ্ধাক বশীভূত কৰিবলৈ মহামোহে মিথ্যাদৃষ্টিৰ কবলত পৰে। শান্তি আৰু কৰুণাই শ্ৰদ্ধাক বিচাৰি ফুৰে। জৈন আৰু বৌদ্ধৰ মাজত তামসিক আৰু ৰাজসিক শ্ৰদ্ধাক তেওঁলোকে লগ পায়। অৱশেষত ধৰ্ম আৰু শ্ৰদ্ধা বিষ্ণুভক্তিৰ ওচৰত আছে বুলি শুনি তেওঁলোক তালৈ যায়। তাৰ পাছত শ্ৰদ্ধাই বিষ্ণুভক্তিৰ কৃপাত কিদৰে মহাভৈৰৱীবিদ্যাৰ হাত সাৰিলে সেয়া মৈত্ৰীক বিবৰি কয়। তাৰ পাছত বিষ্ণুভক্তিৰ আদেশমতে বিবেকে কামাদিক জয় কৰিবলৈ যো-জা কৰে।

ইয়াৰ পাছত বিবেকৰ অনুগামীসকলৰ হাতত মোহৰ অনুগামীসকল পৰাভূত হয়। সি সকলৰ নিধনত মান দুঃখিত হয়। তেতিয়া সৰস্বতীয়ে তেওঁক সান্ত্বনা দি নিবৃত্তি লভিবলৈ উপদেশ দিয়ে। বিবেক কুলৰ কুশলতাত শ্ৰদ্ধাই সন্তুষ্টি প্ৰকাশ কৰে। শ্ৰদ্ধাই লগতে ইয়াকো কয় যে পুৰুষে মায়াৰ কবলৰপৰা মুক্ত হৈছে। মোহে আকৌ পুৰুষক মধুমতী বিদ্যাৰে প্ৰলুব্ধ কৰিবলৈ বিফল যত্ন কৰে। ৰাজা বিবেকে পুৰুষৰে লগ হয়। শান্তিয়ে উপনিষদক বিবেকৰে মিলিত হ'বলৈ বুজাই-বঢ়াই আনে। নিদিধ্যাসনে কয়হি যে বিবেকৰ ঔৰসত উপনিষদৰ গৰ্ভত বিদ্যা আৰু প্ৰবোধোদয়ৰ জন্ম হ'ব। সেইদৰে উপনিষদৰ গৰ্ভত উক্ত দুই সন্তানৰ জন্ম হয় আৰু তাৰ ফলত সকলো অজ্ঞান অন্ধকাৰ দূৰ হয়। বিষ্ণুভক্তিৰ কৃপাত পুৰুষ বন্ধনমুক্ত হয়।

প্ৰতীকাত্মক এই নাটকখনৰ অঙ্গীৰস শান্ত। অদ্বৈত বেদান্ত আৰু বিষ্ণুভক্তি প্ৰচাৰেই নাটকৰ মুখ্য উদ্দেশ্য। নায়ক বিবেক আৰু নায়িকা উপনিষদ। নাটকীয় উদ্দেশ্য সাধনত নাট্যকাৰ সফল হৈছে। দাৰ্শনিক ভাৱনাৰাই কাব্যৰ মাধ্যমেৰে পাঠকৰ মন পৰশিব পাৰিছে।

# চতুৰ্থ অধ্যায় (ক)

## গদ্য সাহিত্য

**গদ্য সাহিত্যৰ পৰম্পৰা আৰু প্ৰাচীনতা ঃ** সংস্কৃত গদ্য সাহিত্যৰ পৰম্পৰা
অতি প্ৰাচীন। ঋগ্বেদৰ নিগদাধ্যায়, কৃষ্ণ যজুৰ্বেদৰ অন্তৰ্গত তৈত্তিৰীয় সংহিতা, কাঠক
সংহিতা, মৈত্ৰায়ণি সংহিতা, অথৰ্ববেদৰ ব্ৰাত্যকাণ্ড সম্ভৱতঃ প্ৰাচীন গদ্যৰ সুন্দৰ চানেকি।
তদুপৰি সমস্ত ব্ৰাহ্মণ সাহিত্য, আৰণ্যক তথা পুৰণি উপনিষদৰ মাজেৰেও গদ্য সাহিত্যই
বিকাশ লাভ কৰিছে। কল্পাদি সূত্ৰত সূত্ৰাত্মক শৈলীয়ে গদ্যৰ নতুন ধাৰাৰ পৰিচয়
দিয়ে। মহাভাষ্যৰ দৰে গ্ৰন্থত সৰল গদ্য চকুত পৰে। তাৰ লগতে মহাভাৰত আৰু
বিষ্ণু পুৰাণৰ অংশ বিশেষতো সহজ-সৰল গদ্য দেখা যায়। পুৰণি শিলালেখ, তাম্ৰলিপি,
বিভিন্ন দৰ্শনৰ ভাষ্যকাৰ ভাষ্যসমূহো সুন্দৰ গদ্য সাহিত্যৰ নিদৰ্শন স্বৰূপ।

সংস্কৃত গদ্য সাহিত্যৰ নিদৰ্শন স্বৰূপ গাথা আৰু আখ্যায়িকাসমূহ কালৰ বুকুত লয়
পালেও তাৰ কেতবোৰৰ উল্লেখ অ'ত ত'ত পোৱা যায়। বাৰ্তিককাৰ কাত্যায়নে
(৪০০ খৃ. পূ) তেনে আখ্যায়িকাৰে পৰিচিত আছিল। পতঞ্জলিয়েও (২০০ খৃ. পূ)
'বাসৱদত্তা', 'সুমনোত্তৰা', 'ভৈমৰথী' প্ৰভৃতি আখ্যায়িকাৰ নামোল্লেখ কৰিছে। গদ্যকাৰ
বাণে ভট্টাৰক হৰিশ্চন্দ্ৰক গদ্যলেখক হিচাপে গণ্য কৰিছে। তেনেদৰে জল্হনৰ মতে
বৰুৰচিয়ে ৰচিযোৱা 'চাৰুমতী', ৰোমিল্লসৌমিল্ল বিৰচিত 'শূদ্ৰককথা', ধনপালৰ মতে
শ্ৰীপালিকৃত 'তৰঙ্গৱতীকথা' আৰু আন্ধ্ৰভৃত্য সাতবাহনসকলৰ দিনত ৰচিত 'শাতকৰ্ণি-
হৰণ' আৰু 'নমোৱন্তীকথা' আদি গ্ৰন্থবোৰে প্ৰাচীন গদ্য সাহিত্যৰ ধাৰাবাহিকতাক
সমৰ্থন কৰে। সম্প্ৰতি উপলব্ধ দণ্ডী, সুবন্ধু আৰু বাণভট্টৰ প্ৰৌঢ় গদ্যসমূহেও তেনে এক
প্ৰাচীন সাহিত্যৰ পৰম্পৰাক সমৰ্থন কৰে; নহ'লে হঠাতে এই সকলে পৰিপক্ক আৰু
উচ্চমানবিশিষ্ট গদ্যসাহিত্য আমাৰ হাতত তুলি দিবলৈ নোৱাৰিলেহেঁতেন।

**সুবন্ধু ঃ বাসৱদত্তা ঃ** সম্প্ৰতি উপলব্ধ সংস্কৃত গদ্যকাব্যৰ কৱিনকলৰ ভিতৰত
সুবন্ধুকেই প্ৰথম বুলি স্বীকাৰ কৰিব লাগিব। কোনো কোনো পণ্ডিতে অৱশ্যে সুবন্ধুক
বাণৰ পৰবৰ্তী কবি হিচাপে ঠাৱৰাব খোজে। 'বজ্ৰেণেবেন্দ্ৰায়ুধেন মনোজ্ঞবৰ্ণনাম্না তুৰগেণ
সহ নগৰান্নিৰ্জগাম' বাক্যত ইন্দ্ৰায়ুধ ঘোঁৰাক (কাদম্বৰীৰ ?) স্মৰণ কৰা বুলি (সুবন্ধুৱে
বাণৰ কাদম্বৰীৰ কথা জানিছিল) সুবন্ধুক বাণৰ পৰবৰ্তী কবি হিচাপে গণ্য কৰে।
কাহিনীৰ সমতা, বিৰহ যাতনাত ৰাজপুত্ৰৰ পৰিভ্ৰমণ, আকাশবাণীকে আত্মহত্যাৰ নিষেধ
আদি সমান ঘটনাচক্ৰয়ো বাণকেই অনুকৰণ কৰিছে যেন লাগে। প° কৃষ্ণমাচাৰ্য্যই
'বাসৱদত্তা'ৰ ভূমিকাত এনে সূত্ৰৰ সমৰ্থন কৰি সুবন্ধুৰ বহুদোষ চৰ্চা কৰিছে। কিন্তু
ইয়াৰ বিপৰীতে বহুতো পণ্ডিতে প্ৰবল প্ৰমাণেৰে সুবন্ধুৰ পূৰ্ববৰ্তী বুলি নিশ্চিত কৰিছে।
কাদম্বৰীৰ ভূমিকাত মহামহোপাধ্যায় কাণেয়ে সুবন্ধুৰ পূৰ্ববৰ্তিতা প্ৰতিষ্ঠিত কৰিছে।



সুবন্ধুৰ গ্ৰন্থত দুটা শ্লেষ প্ৰয়োগত 'উদ্যোতকৰ' আৰু 'বৌদ্ধ সংগতি'ৰ ইঙ্গিত পোৱা যায়। ন্যায়স্থিতিমিবোদ্যোতকৰস্বৰূপাং' বাক্যাংশত উদ্যোতাকৰৰ সঙ্কেত পোৱা যায়। একেদৰে 'বৌদ্ধসংগতিমিবালংকাৰ ভূষিতাম্' এই বাক্যাংশত ধৰ্মকীৰ্তিৰ 'বৌদ্ধ-সংগত্যলংকাৰ' গ্ৰন্থৰ সংকেত পণ্ডিতসকলে বিচাৰি পাইছে। কিন্তু ধৰ্মকীৰ্তিৰ এনে গ্ৰন্থৰ উৱাদিহ এতিয়া জনা হোৱা নাই। তথাপি ড° কীথে ইয়াৰ দ্বাৰা ন্যায়বাৰ্তিকৰ ৰচয়িতা উদ্যোতকৰ আৰু বৌদ্ধ ধৰ্মকীৰ্তিৰ 'বৌদ্ধসংগত্যলংকাৰ'ৰ নিৰ্দেশ কৰা কথা স্বীকাৰ কৰিছে। সেয়ে সুবন্ধুৰ সময় খৃ. ৫০০ বা ষষ্ঠ শতাব্দী স্বীকাৰ কৰা হয়।

বাণে হৰ্ষচৰিতত শ্লেষেৰে সুবন্ধুৰ সঙ্কেত দিয়া যেন লাগে যেনে ঃ

> কবীনামগলদ্দৰ্পো নূনং বাসৱদত্তয়া।
> শক্ত্যেৱ পাণ্ডুপুত্ৰাণাং গতয়া কৰ্ণগোচৰম্ ॥১।১২

দুই এক পণ্ডিতে অৱশ্যে বাণে অন্য কোনো পূৰ্ববৰ্তী ৰচকৰ বাসৱদত্তাক উল্লেখ কৰিছে বুলি যুক্তি দিলেও, এতিয়ালৈ দ্বিতীয় এখন বাসৱদত্তাৰ অস্তিত্বৰ কথা আমি নাজানো। তেনেকৈ কাদম্বৰীতো বাণে 'অলব্ধবৈদগ্ধ্যবিলাসমুগ্ধয়া ধিয়া নিবদ্ধেয়ম্ অতিদ্বয়ী কথা' বাক্যত অতিদ্বয়ী কথা পদেৰে গুণাঢ্যৰ বৃহৎকথা আৰু সুবন্ধুৰ বাসৱদত্তাক বুজোৱা বুলি টীকাকাৰ ভানুচন্দ্ৰ সিদ্ধচন্দ্ৰই কয়।

বাণৰ পিছত বাক্‌পতিৰাজেও (খৃ. ৭০০) তেওঁৰ প্ৰাকৃত কাব্য 'গৌড়বহো'ও ভাস আদিৰেসৈতে সুবন্ধুৰ (সোবংধৱে) নামোল্লেখ কৰিছে। কিন্তু তেওঁ বাণৰ নাম লোৱা নাই; বাণে তেতিয়ালৈ প্ৰতিষ্ঠা লাভ হয়তো কৰা নাছিল।

জৈন বিদ্বান জিনভদ্ৰাহী ক্ষমাশ্ৰমণকৃত 'বিশেষা বশ্যকভাষ্যত (খৃ. ৬০৮) বাসৱদত্তা আৰু তৰঙ্গৱতীৰ উল্লেখ চকুত পৰে।

বাসৱদত্তাৰ অন্তৰঙ্গ তথ্যয়ো সুবন্ধুক বাণৰ পূৰ্ববৰ্তী কবি বুলি পতিয়ন নিযায়। সুবন্ধু বাণৰ পৰবৰ্তী হোৱাহেঁতেন বাসৱদত্তাৰ স্বয়ম্বৰৰ সময়ত উপস্থিত ৰাজকুমাৰ কন্দৰ্পকেতুৰ প্ৰসঙ্গত বৰ্ণিত নল-দময়ন্তী, অজ-ইন্দুমতী, দুষ্যন্ত-শকুন্তলা, নৰবাহন-মদনমঞ্জৰী, ৰম্ভা-নলকুবেৰ আদিৰ প্ৰসিদ্ধ প্ৰেম কাহিনীৰ নায়ক-নায়িকাৰসৈতে চন্দ্ৰাপীড় আৰু কাদম্বৰীৰৰ উল্লেখো নিশ্চয় হ'লহেঁতেন। গতিকে বাণক সুবন্ধুৰ পৰবৰ্তী বুলি নিশ্চিতকৈ কব পাৰি। সেয়ে সুবন্ধুৰ কাল ৫০০—৬০০ খৃষ্টাব্দৰ মাজত হ'ব।

**বাসৱদত্তাৰ বিষয়বস্তু ঃ** সুবন্ধুৰ বাসৱদত্তা আৰু উদয়ন কথাৰ মাজত কোনো সম্বন্ধ নাই। উজ্জয়িনীৰ মহাসেনৰ পুত্ৰী বাসৱদত্তাৰ প্ৰসিদ্ধি অতিশয় আৰু গুণাঢ্যৰ বৃহৎকথা আৰু ভাস প্ৰভৃতিৰ নাটকৰ জৰিয়তে উদয়ন-বাসৱদত্তাৰ কথা অতিশয় জনপ্ৰিয় হৈ পৰিছে। কিন্তু সুবন্ধুৰ বাসৱদত্তাৰ তেনে প্ৰসিদ্ধি লাভ হোৱা নাই। এওঁৰ জন্ম কুসুমপুৰৰ ৰজা শৃঙ্গাৰশেখৰৰ প্ৰাসাদত। এইজনী বাসৱদত্তা আৰু কন্দৰ্পকেতুৰ কথা আন কোনো গ্ৰন্থত পঢ়িবলৈ পোৱা নাই। সেয়ে ইয়াৰ কথা সুবন্ধুৰ কল্পনাপ্ৰসূত, নিজস্ব ভাবাদৰ্শৰে পুষ্ট বুলি কব পাৰি। সুবন্ধুৱে সৰস্বতী, হৰি, ইন্দ্ৰ প্ৰভৃতি দেৱ-দেৱীৰ

স্তুতিৰে গ্ৰন্থৰ শুভাৰম্ভ কৰিছে। তাৰ পাছত দুৰ্জনৰ নিন্দা আৰু সজ্জনৰ প্ৰশংসা কৰি প্ৰকৃত বিষয়বস্তু উপস্থাপন কৰিছে। কাহিনীৰ সাৰভাগ এনে :

চিন্তামণি নামে এজন প্ৰতাপী ৰজা আছিল। সকলো সজ গুণেৰে বিভূষিত, প্ৰজাৰঞ্জক ৰজাৰ কন্দৰ্পকেতু নামে এজন অতুলনীয় ৰূপৱান, গুণৱান আৰু বিবিধ সজ গুণান্বিত পুত্ৰ আছিল। কন্দৰ্পকেতুৱে যৌৱনত ভৰি দি এদিন সপোনত পৰমসুন্দৰী ৰাজকন্যাক দেখা পালে। ওঠৰ বছৰীয়া সেই কন্যা আছিল অতি ৰূপৱতী। মকৰধ্বজৰ বিজয় পতাকাৰ দৰে লাৱণ্যৰ সঙ্কেত ভূমিৰ নিচিনা সৌন্দৰ্য্যৰ বিহাৰস্থলী সদৃশ ইন্দ্ৰিয়-সমূহৰ স্তম্ভনচুৰ্ণ দৰে, মনৰ আকৰ্ষণমন্ত্ৰসিদ্ধিৰ নিচিনা সেই সুন্দৰীৰ ৰূপ দেখি কন্দৰ্প-কেতুৱে সাৰপাই নিজক চম্ভালিব নোৱৰা হ'ল। তাৰ পাছত ৰাজকোঁৱৰে তেওঁৰ বন্ধু মকৰন্দক লগত লৈ স্বপ্নদৃষ্টা কন্যাক বিচাৰি নগৰৰপৰা ওলাই গ'ল। তেওঁলোকে বিন্ধ্যাৰণ্যৰ মাজত সোমাল। ৰাতিথন তেওঁলোকে জম্বুবৃক্ষৰ তলত জিৰণি ললে। গছৰ শুকান পাতৰ শয্যাত আশ্ৰয় লোৱাৰ পাছত গছৰ ওপৰত শুক-সাৰিকা এহালৰ কথোপকথন তেওঁলোকৰ কাণত পৰিল। সিহঁতৰ কথা বতৰাৰ আঁত ধৰি কন্দৰ্পকেতুৱে কুসুমপুৰৰ ৰজা শৃঙ্গাৰশেখৰ আৰু ৰাণী অনঙ্গৱতীৰ পুত্ৰী বাসৱদত্তাৰ বিষয়ে সবিশেষ অৱগত হ'ল। শুক-সাৰিকাৰ কথাৰপৰা তেওঁ ইয়াকো জানিলে যে বাসৱদত্তায়ো অনুৰূপ সপোনত কন্দৰ্পকেতুক দেখিবলৈ পাইছে ; তেওঁৰ নাম পৰ্য্যন্ত জানিছে। সেয়ে বাসৱদত্তাই ৰাজপুত্ৰৰ অনুসন্ধান কৰিবলৈ তমালিকা নামে পৰিচাৰিকাক পাঠিছে। তমালিকাৰ জড়িয়তে নায়ক-নায়িকাৰ মিলন হ'ল। কিন্তু কন্যা পিতৃ শৃঙ্গাৰশেখৰে কোনো এজন বিদ্যাধৰলৈ বাসৱদত্তাক বিয়া দিবলৈ মনস্থ কৰা কথা শুনি বাসৱদত্তাক লৈ কন্দৰ্পকেতুৱে কুসুমপুৰৰ ৰাজপ্ৰাসাদৰপৰা পলাই গৈ আকৌ বিন্ধ্যাটবীত আশ্ৰয় লয়। পিছদিনা পুৱাবেলা কন্দৰ্পকেতু শুই থকা সময়ত ইতস্ততঃ ফুৰা বাসৱদত্তাক দেখি তেওঁক পাবলৈ উদ্বাউল হোৱা দুজন কিৰাতৰ মাজত তুমুল দ্বন্দ্ব যুদ্ধ হ'ল। যুদ্ধত দুয়োজনৰ মৃত্যু হ'ল। যুদ্ধৰ ফলত এজন ঋষিৰ আশ্ৰমৰ ক্ষতি হোৱাত ঋষিজনে তাত লুকাবলৈ অহা আৰু যুদ্ধৰ কাৰণস্বৰূপ বাসৱদত্তাক শিলামূৰ্তি হ'বলৈ শাপ দিলে। বাসৱদত্তা শিলাত পৰিণত হ'ল। কন্দৰ্পকেতুৱে টোপনিৰ পৰা উঠি প্ৰিয়াক ক'তো বিচাৰি নেপাই আত্মহত্যা কৰিবলৈ উদ্যত হওঁতে আকাশী বাণীয়ে তেওঁক তেনে দুঃসাহসৰপৰা বিৰত হ'বলৈ কয় আৰু অচিৰে প্ৰিয়াৰে মিলন হ'ব বুলি আশ্বাস পায়। কন্দৰ্পকেতুৱে মিলনৰ আশাত ঘূৰি ফুৰি ঋষিৰ আশ্ৰমতে থকা প্ৰতিমূৰ্তিৰ ওচৰ পায়। প্ৰিয়াৰসৈতে মূৰ্তিৰ সাদৃশ্য দেখা পাই তেওঁ মূৰ্তিটোক আলিঙ্গন কৰিলত বাসৱদত্তাই জীৱন্তৰূপত ধৰা দিলে। দুয়োৰে পুনৰ মিলন হ'ল।

বাসৱদত্তাৰ বিষয়ে চৰ্চা কৰি ড° ভোলাশঙ্কৰ ব্যাসে (তেওঁৰ সংস্কৃতি কবি দৰ্শন'ত) সুবন্ধুৰ গ্ৰন্থৰ কাহিনীৰ মাজত কেতবোৰ মূলীভূত লক্ষণ (motif) দেখা পাইছে : (১) নায়ক-নায়িকাৰ পৰস্পৰ স্বপ্নদৰ্শন আৰু প্ৰণয়োদ্বোধ, (২) নায়ক-নায়িকাৰ মিলনত শুক-পখীৰ হাত, (৩) শুকৰ মুখেৰে ঘটনাৰ কিয়দংশ কথন, (৪) মনৰদৰে



গতিশীল ঘোঁৰাত উঠি প্ৰেমিক-প্ৰেমিকাৰ পলায়ন, (৫) শাপৰ কবলত পৰি বাসৱদত্তাৰ শিলাৰূপ ধাৰণ, আৰু (৬) আকাশবাণীৰে নায়কক আত্মহত্যাৰপৰা বাৰণ। অৱশ্যে এনে 'মোটিফ্'বোৰ ভাৰতীয় সাহিত্যৰ অন্যত্ৰও প্ৰায়ে চকুত পৰে। উষা-অনিৰুদ্ধৰ কথাত স্বপ্ন, কাদম্বৰী কথাত শুকৰ কথন, দময়ন্তী কথাত হংসৰ ভূমিকা, উদয়ন কথাত ভদ্ৰাৱতী হাতীৰে নায়িকাৰ পলায়নত জন্তুৰ ভূমিকা আৰু শাপ আৰু আকাশবাণী বহুতো কথাতে বৰ্তমান। অহল্যা, উৰ্বশী, শকুন্তলা আদি শাপভ্ৰষ্ট হৈছিল। সুবন্ধুয়ে এনেবোৰ motifs একত্ৰে প্ৰয়োগ কৰিছে।

**শৈলী :** সুবন্ধুয়ে যি বাসৱদত্তাৰ কথা কৈছে, সি বৰ ক্ষীণ ; একমাত্ৰ বৰ্ণনাৰ চমৎকাৰীত্বই গ্ৰন্থৰ আয়তন বঢ়াইছে। চিন্তামণিৰ বৰ্ণনা, নায়কৰ বৰ্ণনা, নায়িকাৰ বৰ্ণনা যথেষ্ট দীঘলীয়া হৈছে। বৰ্ণনাসমূহ কলাত্মক আৰু আলঙ্কাৰিক হোৱাত ক'তো ক'তো দুৰ্বোধ্য হৈছে।

সুবন্ধু অৱশ্যে বাণৰ সমকক্ষ গদ্য কবি নহয়। সুবন্ধুৰ গ্ৰন্থৰ তুলনাত বাণৰ কাদম্বৰী বৰ্ণনাৰ চমৎকাৰীত্বত অনেক গুণে অধিক। বাণৰ শব্দভাণ্ডাৰ আৰু অলংকাৰ প্ৰয়োগৰ তুলনাত বাসৱদত্তাত পাবলৈ নাইকিয়া। প্ৰাকৃতিক বৰ্ণনা বা নাৰী-পুৰুষৰ ৰূপ-সৌন্দৰ্য বৰ্ণনাতো বাণ সুবন্ধুতকৈ উচ্চত আছে।

সুবন্ধুৰ কাব্য গৌড়ীৰীতি প্ৰধান। শ্লেষ তেওঁৰ ৰচনাশৈলীৰ প্ৰাণস্বৰূপ। তেওঁৰ গ্ৰন্থত বক্ৰোক্তিৰ প্ৰাধান্য বৰ্তমান। কবিৰাজে ৰাঘৱ-পাণ্ডৱীয় কাব্যত বাসৱদত্তাৰ প্ৰশংসা কৰি কৈছে,

> সুবন্ধুৰ্বাণভট্টশ্চ কৱিৰাজ ইতি ত্ৰয়ঃ।
> বক্ৰোক্তিমাৰ্গনিপুণাশ্চতুৰ্থো বিদ্যতে ন বা ॥
>
> ৰা. পা. ১।৪১

সুবন্ধুৱেও নিজৰ গ্ৰন্থতে প্ৰস্তাৱনাত তেওঁৰ কাব্যত শ্লেষৰ প্ৰাধান্য বিস্তাৰৰ ইঙ্গিত দিছে :

> সৰস্বতীদত্তবৰ প্ৰসাদশ্চক্ৰে সুবন্ধুঃ সুজনৈকবন্ধুঃ।
> প্ৰত্যক্ষৰশ্লেষময় প্ৰবন্ধবিন্যাস বৈদগ্ধ্যনিধিৰ্নিবন্ধম্ ॥
>
> বা. ১৩

বাসৱদত্তা সৰ্বত্ৰ শ্লেষময় কাব্য। সহজ সৰল শ্লেষৰপৰা আৰম্ভ কৰি অৰ্থক্লিষ্ট শ্লেষো তেওঁ গ্ৰন্থত প্ৰয়োগ কৰিছে। আখ্যানোপাখ্যান, গ্ৰন্থান্তৰ, নাটক, অলংকাৰ, ৰামায়ণ, মহাভাৰত, পুৰাণ আদিৰপৰা তেওঁ এই শ্লেষবোৰ সংগ্ৰহ কৰিছে। ইয়াৰ ফলত তেওঁৰ গ্ৰন্থৰ টীকাকাৰসকলেও অৰ্থৰ সৰল ব্যাখ্যা দিওঁতে বিপাঙত পৰিছে। অনুপ্ৰাসৰ ব্যৱহাৰো তেওঁৰ গ্ৰন্থত বহুশঃ দেখা যায়। উদাহৰণস্বৰূপে, 'সুকান্তে কান্তিমতি, মন্দং মন্দমপনয় বাষ্পবিন্দুন্। যুথিকালঙ্কৃতে যুথিকে'...... ইত্যাদি দ্ৰষ্টব্য।

অনুপ্রেৰণা লাভ কৰিছিল। ধৰ্মবিশ্বাসত তেওঁ শৈৱ হ'লেও তেওঁৰ মতাদৰ্শত বৈদান্তিক প্ৰভাৱ পৰিলক্ষিত হয়।

বাণে সমকালীন কৱি ময়ূৰৰ কন্যাৰ পাণিগ্ৰহণ কৰিছিল। ময়ূৰে এবাৰ বাণৰ ঘৰুৱা কথাত মাত-মতা বাবে জীয়েকৰ অভিশাপত পৰি কুষ্ঠৰোগত ভুগিছিল আৰু সূৰ্য্যক স্তুতি কৰিহে সুস্থ হৈছিল বুলি জনা যায়।

বাণৰ পুতেকৰ নাম বিভিন্নভাৱে পোৱা যায়। বুলাৰৰ মতে তেওঁৰ নাম ভূষণবাণ, পিটাৰচন আৰু কীথৰ মতে ভূষণভট্ট; কাদম্বৰীৰ দুই এখন পাণ্ডুলিপিত পুলিন বা পুলিন্দ নামো পোৱা যায়। ধনপালে তিলকমঞ্জৰীত তেওঁক পুলিন্ধ্ৰ বুলিহে উল্লেখ কৰিছে।

পৰম্পৰামতে বাণৰ পুতেকে কাদম্বৰী কথাৰ শেষাৰ্ধ সম্পূৰ্ণ কৰিছিল। ভি. কে. ছিপ্লুস্কাৰৰ মতে ভূষণে পিতৃয়ে আধৰুৱাকৈ এৰি মৃত্যুৰ মুখত পৰা কাদম্বৰী কথা এবছৰৰ ভিতৰতে সম্পূৰ্ণ কৰিবলৈ যি প্ৰতিজ্ঞা কৰিছিল তেওঁ তাত সফলকাম হৈছিল।

**বাণভট্টৰ ৰচনাৰাজি ঃ** সততে বাণভট্টক হৰ্ষচৰিত আৰু কাদম্বৰীৰ প্ৰসিদ্ধ ৰচক বুলিয়েই জনা যায়। কিন্তু ভাৰতীয় পৰম্পৰাই বাণে আন কেইবাখনো সৰুবৰ গ্ৰন্থ ৰচনা কৰিছিল বুলি সাক্ষ্য দান কৰে। উক্ত দুই মহৎ গ্ৰন্থৰ বিস্তৃত বিৱৰণ দিয়াৰ আগতে আনবোৰ গ্ৰন্থৰ সম্বেদ লোৱা উচিত।

বাণৰ তৃতীয়খন চণ্ডীশতক বুলি নিশ্চিতভাৱে জনা যায়। ইয়াৰ ১০২টা শ্লোকত শ্ৰীশ্ৰীকালীৰ অন্য ৰূপ চণ্ডীৰ স্তুতি কৰা হৈছে। শ্লোকসমূহ শাৰ্দূল বিক্ৰীড়িত ছন্দত ৰচিত। দেৱী কালী আৰু মহিষাসুৰৰ মাজত সংঘটিত যুদ্ধৰ চকা-মকা চিত্ৰ এই গ্ৰন্থৰ পদ্যত অঙ্কিত হৈছে। মাৰ্কণ্ডেয় পুৰাণৰ দেৱী মাহাত্ম্য (অ° ৮০) ইয়াৰ বৰ্ণনীয় বিষয়ৰ উৎস। বাণে দেৱী চণ্ডীৰ স্তুতিগীত গোৱাত আচৰিত হ'বলগীয়া নাই, কাৰণ তেওঁ দেৱী পাৰ্বতীৰ প্ৰতি তেওঁৰ অশেষ ভক্তি আছিল আনকি কাদম্বৰীতো তেওঁ চণ্ডিকাৰ মন্দিৰৰ সুন্দৰ বৰ্ণনা তুলি ধৰিছে। ড° পিটাৰছনে চণ্ডীশতক সম্বন্ধে এনেদৰে মন্তব্য কৰিছে: The Chandisataka of Bana, the Suryas'ataka of Mayura and the Bhaktamarastotra of Manatunga are the three opposing poems written by devotees of one or other of the great forms of religion which flourished side by side under Harsa's protection.

ধনেশ্বৰ, নগোজীভট্ট, ভাস্কৰাচাৰ্য্য প্ৰভৃতিয়ে চণ্ডীশতকৰ ওপৰত একাধিক টীকা ৰচনা কৰি গৈছে।

চতুৰ্থ গ্ৰন্থ শিৱশতক বা শিৱস্তুতি। এই গ্ৰন্থখন বাণে শিৱে ত্ৰিপুৰাসুৰক বধ কৰা কাহিনীক উপজীব্য কৰি ৰচনা কৰে।

**বাণভট্টৰ নাট্যৰাজি ঃ** (৫) মুকুটতাড়িতক নামে অনুপলব্ধ নাটক এখনক বাণৰ (অন্যতম) গ্ৰন্থ বুলি কোৱা হয়। ত্ৰিবিক্ৰমভট্টৰ নলচম্পুৰ টীকাকাৰ চণ্ডপাল



আৰু গুণবিজয়গণিয়ে উক্ত নাটকৰপৰা উদ্ধৃতি দি কৈছে: 'যদাহ মুকুট তাড়িতক নাটকে বাণঃ—আশাঃ প্ৰোষিতদিগ্‌গজা ইৱ গুহাঃ প্ৰধ্বস্তসিংহা ইৱ দ্ৰোণ্যঃ কৃত্ত-মহাদ্ৰুমা ইৱ ভুৱঃ প্ৰোৎখাতশৈলা ইৱ। বিভ্ৰাণাঃ ক্ষয়কাল বিক্ত সকলত্ৰৈলোক্যকষ্টাং দশাং জাতাঃ ক্ষীণমহাৰথাঃ কুৰুপতেদেৰ্বস্য শূন্যাঃ সভাঃ। ভোজেও শৃঙ্গাৰ প্ৰকাশিত উক্ত নাটকৰপৰা উদ্ধৃতি দিছে।

মহাভাৰতৰ যুদ্ধত ভীমসেনে দুৰ্যোধনৰ উৰুভঙ্গ কৰা উপ-ঘটনাক উপজীব্য কৰি ৰচিত। সবিশেষ অজ্ঞাত।

(৬) সৰ্বচৰিত নামে অন্য এখন নাটক বাণৰ অন্য এক (ষষ্ঠ) ৰচনা বুলি কোৱা হয় যদিও ইয়াৰ সবিশেষ জনা নেযায়।

(৭) বাণে শাৰদচন্দ্ৰিকা নামে আৰু এখন গ্ৰন্থ ৰচনা কৰা কথা জনা যায়। নাটকখন উৎসৃষ্টিকাঙ্ক শ্ৰেণীৰ ৰূপকৰ উদাহৰণ নাটকখন যে চন্দ্ৰাপীড়ৰ বিষয়ে আছিল তাকো জনা যায়।

(৮) বাণে ৰচনা কৰা বুলি কথিত আন এখন উপলব্ধ গ্ৰন্থ হৈছে পাৰ্বতী পৰিণয় নামে নাটক। কাণে, এছ. ভি. দীক্ষিত, প্ৰভৃতিয়ে উক্ত নাটকখন বাণৰ ৰচনা বুলি ঠাৱৰ কৰিছে।

ইয়াৰ বিষয়বস্তু কালিদাসৰ কুমাৰ সম্ভৱ নামে মহাকাব্যৰ ঘটনা প্ৰবাহৰসৈতে সামঞ্জস্যকৰ। নাটকখনৰ প্ৰস্তাৱনাৰপৰা জনা যায় যে ইয়াৰ ৰচক বাৎস্যায়ন গোত্ৰীয় বাণ (অস্তি কৱিসাৰ্বভৌমো বৎসান্বয়জলধি সম্ভৱ বাণঃ। নৃত্যতি যদ্ৰসনায়াং বেধোমুখলাসিকা বাণী॥)। তথাপি প° গণপতি শাস্ত্ৰী, ড° কীথ প্ৰভৃতিয়ে নাটকখন পঞ্চদশ শতিকাত জন্ম লাভ কৰা বামণভট্ট বাণ বা অভিনৱ বাণে ৰচনা কৰিছিল বুলি মত প্ৰকাশ কৰে। ড° কাণে, দীক্ষিত প্ৰভৃতিয়ে বাণকেই পাৰ্বতী পৰিণয়ৰ প্ৰকৃত ৰচক বুলি ভাবে।

(৯) বাণে 'পদ্যকাদম্বৰী' এখনো ৰচনা কৰা কথা ক্ষেমেন্দ্ৰৰ ঔচিত্যবিচাৰচৰ্চ্চাত প্ৰাপ্ত উদ্ধৃতিৰপৰা সাব্যস্ত কৰাৰ প্ৰচেষ্টা দেখা যায়। কাদম্বৰীৰ বিৰহত ক্লিষ্ট চন্দ্ৰাপীড়ৰ অৱস্থা বৰ্ণোৱা শ্লোক এটা ক্ষেমেন্দ্ৰই তুলি ধৰিছে—'যথা বা বাণস্য—'হাৰো জলাৰ্দ্ৰবসনং নলিনীদলানি প্ৰালেয়শীকৰমুচস্তুহিনাংশুভাসঃ। যস্যেন্ধনানি সৰসানি চ চন্দনানি নিৰ্বাণমেষ্যতি কথং স মনোভৱাগ্নিঃ॥'

(১০) কৃষ্ণমাচাৰ্য্যৰ মতে বাণ এজন বৈদান্তিক দাৰ্শনিকো আছিল। কাৰণ অনুভৱানন্দৰ ন্যায়ৰত্নাদীপাৱলিৰ ওপৰত আনন্দজীৱিনে ৰচনা কৰা তত্ত্ববিৱেক ভাষ্যত বাণৰচিত বেদান্তবিষয়ক গ্ৰন্থৰ উল্লেখ কৰিছে।

(১১) বহুতো পণ্ডিতে বাণকেই ৰত্নাৱলীৰ ৰচক হিচাপে উপস্থাপন কৰিবলৈ খোজে। কিন্তু শ্ৰীহৰ্ষৰ নাটক তিনিখনৰ ভাৱ-ভাষা, অলংকৰণ আদিৰ সুসামঞ্জস্যলৈ চাই তেনে এটি প্ৰস্তাৱ পণ্ডিতবৰ্গই সম্প্ৰতি নিৰস্ত কৰিছে।

**কাদম্বৰী কথাঃ** কাদম্বৰী দুভাগত বিভক্তঃ পূৰ্বাৰ্ধ আৰু উত্তৰাৰ্ধ। পূৰ্বাৰ্ধ বাণৰ নিজস্ব ৰচনা। বাণৰ নিৰ্দেশত ভূষণে পিতৃবিয়োগৰ পাছত উত্তৰাৰ্ধ ৰচনা কৰি অসম্পূৰ্ণ কাদম্বৰী সম্পূৰ্ণ কৰে। তাৰ নিৰ্দেশ ভূষণে দিছেঃ

যাতে দিৱং পিতৰি তদ্বচসৈৱ সাৰ্ধং
বিচ্ছেদমাপ ভুৱি যস্ত কথা প্ৰবন্ধঃ।
দুঃখং সতাং তদসমাপ্তিকৃতং বিলোক্য
প্ৰাৰব্ধ এব স ময়া ন কৱিদৰ্পাৎ ॥

কাদম্বৰীৰ পূৰ্বাৰ্ধৰ আৰম্ভণিতে বাণে বিদিশাৰ ৰজা শূদ্ৰক ( পূৰ্বজন্মত চন্দ্ৰমা>চন্দ্ৰাপীড় )-ৰ ৰাজসভাৰ যথাৰ্থ বৰ্ণনা দিছে। তাৰ পাছত কথা আৰম্ভ কৰিছেঃ এদিনাখন শূদ্ৰকৰ ৰাজসভালৈ এজনী চণ্ডালকন্যাই হাতত এটি পিঞ্জৰাবদ্ধ শুকপক্ষী লৈ আহে। চণ্ডালকন্যাই ( পূৰ্বজন্মত লক্ষ্মীৰ অৱতাৰ>পুণ্ডৰীৰ মাতা ) সেই শুকপখীটোক ( পূৰ্বৰ পুণ্ডৰীক>বৈশম্পায়ন ) ৰজাক উপহাৰ দি যায়। মানুহৰ দৰে কথকী শুকটিয়ে ৰজাৰ সৈতে কথা পাতে। ৰজাই তাৰ বিষয়ে কৌতুহলবশতঃ নানান প্ৰশ্ন কৰাত শুকই নিজৰ কথা থৰছিমাৰি ক'লেঃ বিন্ধ্যাৰণ্যৰ দণ্ডক বনত মহামুনি অগস্ত্যৰ আশ্ৰম। তাৰ অদূৰত পম্পা সৰোবৰ। সৰোবৰৰ পশ্চিমপাৰত থকা প্ৰবৃদ্ধ শিমলু গছ এজোপাৰ খোৰোঙত এহাল শুক-সাৰিকাই বাস কৰিছিল। তেওঁলোকৰপৰা মোৰ জন্ম হ'ল। জন্মৰ পাছত মোৰ মাতৃ ঢুকাল। দেউতাই মোক কোনো প্ৰকাৰে লালন-পালন কৰি ৰ'ল।

এনেতে এদিনাখন ৰাতিপুৱা এজন শবৰ চৰ্দাৰে তাৰ লগ-লগৰীয়া লগত লৈ বনত বন্য পশুপক্ষীৰ সংহাৰ লীলা আৰম্ভ কৰিলে। শবৰে খুচীমতে চিকাৰ কৰি উভতি যোৱাৰ পাছত একো ভাগত নোপোৱা ভোকাতুৰ বৃদ্ধ শবৰে আমি বাসকৰা গছত উঠি অনেক পখী মাৰি মাটিত পেলাই দিলে। তাৰ পাছত বৃদ্ধ শবৰজনে আমি থকা খোৰোঙলৈ হাত বঢ়ালে। মই ভয়তে দেউতাৰ পাখিৰ তলত লুকালো। কিন্তু সি দেউতাক মুছৰি মাৰি মাটিলৈ দলিয়াই দিলে। ময়ো দেউতাৰ সৈতে মাটিত পৰিলোঁহি। মই চুচুৰি গৈ তমাল গছৰ আঁৰত লুকালো। ব্যাধে মৃত চৰাইবোৰ লৈ আঁতৰি গ'ল। পিছত ঋষি জাবালিৰ পুত্ৰ হাৰীতে মোক পাই বুটলি আশ্ৰমলৈ লৈ গ'ল। আশ্ৰমত জাবালি ঋষিক দেখিলো। মহামুনিজনে মোক দেখা মাত্ৰকে ক'লে, 'ই নিজে কৰা ভুলৰ ফল ভুগিছে।' তাকে শুনি ঋষিসকলে জাবালিক শুকৰ পূৰ্বজন্মৰ কথা বিবৰি কবলৈ অনুৰোধ কৰিলে।

পৰবৰ্তী দিনত জাবালিয়ে শুকৰ পূৰ্বজন্মৰ কাহিনী কবলৈ ধৰিলেঃ অবন্তী জনপদৰ উজ্জয়িনী নগৰত তাৰাপীড় নামে ৰজা আছিল। সকলো বিদ্যাত পাৰ্গত শুকনাস নামে তেওঁৰ মন্ত্ৰী আছিল। তাৰাপীড়ৰ ঔৰসত ৰাণী বিলাসবতীৰ গৰ্ভত সৰ্বগুণসম্পন্ন পুত্ৰ চন্দ্ৰাপীড়ৰ জন্ম হ'ল। একে সময়তে মন্ত্ৰীৰ ঔৰসত মনোৰমাৰ গৰ্ভত বৈশম্পায়ন নামে



পুত্ৰৰ জন্ম হ'ল। চন্দ্ৰাপীড় আৰু বৈশম্পায়নক গুৰুকুলত একেলগে শিক্ষাদানৰ ব্যৱস্থা কৰা হ'ল।

যথাসময়ত চন্দ্ৰাপীড়ক যুৱৰাজৰ পদ বহুৱাৰ পাছত তেওঁ দিগ্বিজয় যাত্ৰা কৰিলে। বহুঠাই অতিক্ৰম কৰি কৈলাশ পৰ্বত আদি পাৰ হৈ তেওঁ অচ্ছোদ সৰোবৰৰ পাৰত ওলাল। তাত শিৱক অৰ্চনা কৰি উঠি তেওঁ দিব্য আকৃতিৰ এজনী যুৱতীক লগ পালে। তেওঁলোকৰ মাজত পৰিচয় হ'ল। কন্যা গৰাকীয়ে চন্দ্ৰাপীড়ক ক'লে যে এবাৰ বসন্ত কালত অচ্ছোদ সৰোবৰৰ তীৰত লগ পোৱা মুনি কুমাৰ এজনে তেওঁৰ মন হৰণ কৰি নিছে। তেওঁ আছিল শ্বেতকেতু মুনিৰ পুতেক পুণ্ডৰীক। সুন্দৰী কন্যাৰ নাম মহাশ্বেতা। হঠাতে এদিন ৰাতি পুণ্ডৰীকৰ মৃত্যু হয়। তেওঁ পুনৰুজ্জীৱিত হোৱাৰ আশাতে এনেকৈ মহাশ্বেতাই প্ৰাণৰক্ষা কৰিছে। তাকে শুনি চন্দ্ৰাপীড়ে তেওঁক সান্ত্বনা দিলে।

মহাশ্বেতাৰ অনুৰোধ অনুসৰি চন্দ্ৰাপীড় গন্ধৰ্বলোকলৈ গ'ল আৰু তাত তেওঁ কাদম্বৰীৰ লগ পালে। কাদম্বৰীক দেখি চন্দ্ৰাপীড়ৰ অন্তৰ আলোড়িত হ'ল। দুয়ো দুয়োৰে প্ৰতি আকৃষ্ট হ'ল। কিছুদিন তাত থকাৰ পাছত এদিন চন্দ্ৰাপীড়ে পিতৃৰ আদেশত ঘৰলৈ উভতিল। কাদম্বৰী বিৰহত যাতনা ভুগিবলৈ ধৰিলে। ইমানতে বাণৰ কাদম্বৰীৰ পূৰ্বাৰ্ধ সমাপ্ত হয়। ইয়াৰ পাছত ভূষণে গ্ৰন্থৰ উত্তৰাৰ্ধ যোৱা দিয়ে।

উত্তৰাৰ্ধৰ আৰম্ভতে কাদম্বৰীক বিৰহাৱস্থাত বৰ্ণোৱা হৈছে। পত্ৰলেখাৰ মুখত কাদম্বৰীৰ বিৰহাৱস্থাৰ বাতৰি পাই চন্দ্ৰাপীড় ব্যাকুল হৈ পৰে। কেয়ূৰকেও কাদম্বৰীৰ দুৰৱস্থাৰ কথা চন্দ্ৰাপীড়ক জনায় আৰু চন্দ্ৰাপীড় মূৰ্ছিত হয়। পত্ৰলেখাৰ হাতেৰে কাদম্বৰীলৈ সন্দেশ পঠিয়াই চন্দ্ৰাপীড়ে বৈশম্পায়নক লগ পাবলৈ দশপুৰলৈ যায়। তালৈ গৈ তেওঁ বৈশম্পায়ন অচ্ছোদ সৰোবৰৰ ওচৰতে থকা কথা শুনিবলৈ পায়। চন্দ্ৰাপীড়ে সেই খবৰ শুকনাশ আৰু তাৰাপীড়ক জনাবলৈ উজ্জয়িনীলৈ যায়। এনে বতৰা পাই শুকনাস, মনোৰমা আৰু ৰজা তাৰাপীড় দুঃখিত হ'য়। চন্দ্ৰাপীড়ে তাৰপৰা পুনঃ অচ্ছোদ সৰোবৰলৈ প্ৰস্থান কৰে। তাত উপস্থিত হৈ মহাশ্বেতাৰ শাপত বৈশম্পায়নৰ মৃত্যু হোৱা কথা শুনি চন্দ্ৰাপীড় অভিভূত হৈ পৰে। তেওঁ মহাশ্বেতাৰসৈতে কথা পাতি তেওঁ বৈৰাগ্য জীৱন যাপন কৰি থাকোঁতে এজন কপটীয়া ব্ৰাহ্মণে শিষ্টাচাৰ ভঙ্গ কৰা বাবে শুকৰ যোনিত জন্ম লভিবলৈ অভিশাপ পোৱা কথা শুনি চন্দ্ৰাপীড়ৰ হৃদয় বিদীৰ্ণ মাটিত ঢলি পৰে। চন্দ্ৰাপীড়ৰ শোকত সকলো সন্তপ্ত হৈ থকা সময়ত কাদম্বৰী তালৈ আহে। প্ৰিয়জনৰ অৱস্থা দেখি তেওঁৰ অন্তৰ হাহাকাৰ কৰি উঠে। চন্দ্ৰাপীড়ৰসৈতে যাবলৈ মনস্থ কৰা সময়ত আকাশবাণী হয় আৰু কাদম্বৰীৰ স্পৰ্শৰে চন্দ্ৰাপীড়ৰ দেহ ৰক্ষা কৰি ৰাখিবলৈ কোৱা হয়।

ইয়াৰ পাছতে কপিঞ্জল আৰু পত্ৰলেখাই মুক্তি লাভ কৰে। কপিঞ্জলে চন্দ্ৰাপীড় প্ৰভৃতিৰ জন্মৰ বিষয়ে সবিশেষ জানিবলৈ শ্বেতকেতুৰ আশ্ৰমলৈ যায়।

ইতিমধ্যে চন্দ্ৰাপীড়ৰ সেনাপতি মেঘনাদে উজ্জয়িনীলৈ গৈ ৰজা-ৰাণী আৰু মন্ত্ৰীক দুঃখদায়ক ঘটনাৰ বিষয়ে জানিবলৈ দিয়ে। আটায়ে অচ্ছোদ সৰোবৰলৈ গৈ বনবাসী হয়।

মহামুনি জাবালিয়ে এনেদৰে কৈ ওচৰত থকা শুকলৈ আঙুলিয়াই দি কলে, 'এওঁ হৈছে বৈশম্পায়ন; আগৰ দুজন্মত অভিনয়ৰ বাবে ভ্ৰষ্ট হৈ এতিয়া শুক চৰাই হৈছেহি।' তাৰ পাছত তেওঁ শুকক শাপমুক্তিৰ বাবে প্ৰয়োজনীয় উপদেশ দিলে। ইয়াতেই 'কথা' শেষ হয়।

ইয়াৰ পাছত শুকে কয় যে তেওঁৰ দুঃখকৰ কাহিনী শুনি শ্ৰোতাবৰ্গই দুঃখতে চকুলো টুকিলে আৰু হাৰীতে তেওঁক জানিবলৈ দিলে যে তেওঁৰ (বৈশম্পায়নৰ) বিষয়ে জানিবলৈ কপিঞ্জল শ্বেতকেতুৰ ওচৰলৈ গৈছে। কপিঞ্জলে পিছত শুকক শ্বেতকেতু (পুণ্ডৰীকৰ পিতৃৰ) কথা জনালে।

তাৰ পাছত শুকে নিজৰ আত্মীয়সকলৰে মিলিত হ'বলৈ জাবালিৰ আশ্ৰমৰপৰা উৰা মাৰোঁতেই চাণ্ডালৰ হাতত পৰে। চাণ্ডাল কন্যাই সোণৰ পিজৰাঁত ভৰাই তাক শূদ্ৰকৰ সভালৈ আনে। কথা সমাপ্তিৰ পাছত চণ্ডাল কন্যাৰ পৰিচয় লবলৈ প্ৰতিহাৰীক পঠিয়াই তেওঁক মাতি আনিলে। তেতিয়া চণ্ডাল কন্যাই ক'লে 'মহাৰাজ' আপোনালোকে নিজৰ বৃত্তান্ত শুনিলে। মই এই দুৰাত্মা শুকৰ মাতা, লক্ষ্মী। ইয়াৰ পিতৃৰ আদেশত তাক ৰক্ষা কৰি ফুৰিছোঁ। এতিয়া সি শাপমুক্ত হ'ল। আপোনালোকেও নিজ শৰীৰ ত্যাগ কৰি নিজ নিজ প্ৰিয়জনেৰে লগ লাগক। এনেদৰে কৈ চণ্ডাল কন্যা আকাশ মাৰ্গলৈ উৰা মাৰিলে। শূদ্ৰকেও নিজৰ পূৰ্বজন্মৰ কথা স্মৰণ কৰিলে। তেওঁ পূৰ্বজন্মত চন্দ্ৰাপীড় আছিল।

ইয়াৰ পাছত কাদম্বৰীৰ আলিঙ্গনক্ৰমে চন্দ্ৰাপীড় সুস্থ হৈ উঠিল। আকাশমাৰ্গেৰে কপিঞ্জলেৰেনৈতে পুণ্ডৰীক আহি উপস্থিত হ'ল। ইয়াৰ পাছত প্ৰত্যেকেই পূৰ্বৰ শৰীৰ ঘূৰাই পোৱাত এক উৎসৱমুখৰ পৰিবেশত কাহিনীৰ সমাপ্তি ঘটে।

**কাদম্বৰী কথাৰ উৎস:** বাণে সম্ভৱতঃ গুণাঢ্যৰ বৃহৎকথাৰপৰা কাদম্বৰী ৰচনা কৰিবলৈ অনুপ্ৰেৰণা লাভ কৰিছিল। বৃহৎকথাৰ আধাৰত ৰচিত সোমদেৱৰ কথাসৰিৎসাগৰ (দশম লম্বক, তৃতীয় তৰঙ্গ) আৰু ক্ষেমেন্দ্ৰৰ বৃহৎকথামঞ্জৰীত (১৬। ১৮৩—২৪৮) ৰাজা সুমনা, নিষাদকন্যা আৰু বিজ্ঞ শুকৰ কাহিনীৰনৈতে কাদম্বৰীৰ শূদ্ৰক ৰজা, চণ্ডালকন্যা আৰু শুকৰ বিৱৰণৰ সম্পূৰ্ণ মিল আছে। ঘটনাৰ স্থান আৰু পাত্ৰসকলৰ নামৰ অমিল দেখা যায়। কথাসৰিৎসাগৰৰ সুমনা, শাস্ত্ৰজ্ঞ (শুক), জ্যোতিষ্প্ৰভ, হৰ্ষৱতী, সোমপ্ৰভ, প্ৰভাকৰ, প্ৰিয়ংকৰ, মনোৰথপ্ৰভা, ৰশ্মিমান, মকৰন্দিকাৰ নাম কাদম্বৰীত ক্ৰমশঃ শূদ্ৰক, বৈশম্পায়ন (শুক), তাৰাপীড়, বিলাসৱতী, চন্দ্ৰাপীড়, শুকনাস, বৈশম্পায়ন, মহাশ্বেতা, পুণ্ডৰীক, কাদম্বৰী ৰূপত বাণে বা ভূষণে দিছে।

এটা কাহিনীৰ মাজত আন এটা কাহিনীৰ যোজনা ৰামায়ণ, মহাভাৰত, পুৰাণাদিৰ মাজত দেখা যায় যদিও তেনে কেইবা থলপীয়া কাহিনীৰ প্ৰাচুৰ্য বৃহৎকথাৰ প্ৰতিভূ



Dharapur Ghy-133
ACC No-
Date.........

কথাসৰিৎসাগৰ প্ৰভৃতি গ্ৰন্থত সৰহীয়াকৈ পোৱা যায়। এই কথাই বহুত শাখা-প্ৰশাখাত বিভক্ত বিস্তৃতি লাভ কৰা লক্ষণ পঞ্চতন্ত্ৰ, হিতোপদেশ আদিতো দেখা যায়। দণ্ডীৰ অৱন্তীসুন্দৰী কথা বা দশকুমাৰ ৰচিত, শুকসপ্ততি আদিও তাৰ ব্যতিক্ৰম নহয়। কাদম্বৰীৰ পাত্ৰ, যেনে শুক, জাবালি প্ৰভৃতিয়ে প্ৰায়শঃ উত্তম পুৰুষতে কাহিনীৰ বিৱৰণ দিছে।

**লোককথাৰ প্ৰভাৱ:** বাণৰ কাদম্বৰীত লোক কথাৰ প্ৰভাৱ পৰিছে যেন লাগে। মানুহৰ দৰে কথা কোৱা বাকচতুৰ শুক, ত্ৰিকালজ্ঞ মুনি জাবালি, মনুষ্য-লোকালয়ৰপৰা আঁতৰি থকা হিমালয়ৰ কোলা বা স্বৰ্গৰ পাদভূমিত থকা গন্ধৰ্ব, কিন্নৰ, অপ্সৰাৰ গমনাগমন, শাপভ্ৰষ্ট দেৱতা বা গন্ধৰ্বৰ মনুষ্য বা ইতৰ জীৱ-জন্তুত পৰিণতি লাভ কৰা দৃষ্টান্তৰ লগতে সিদ্ধিলাভৰ সকলো লোকতে সৰ্বত্ৰ গতি কৰিব পৰা বৈশিষ্ট্য মন কৰিবলগীয়া।

**বাণৰ কৱি-প্ৰতিভা:** বাণভট্ট নিসন্দেহে সংস্কৃত কবিসকলৰ মাজত অন্যতম শ্ৰেষ্ঠ কৱি। পদ্য বা কাব্য ৰচনাত মহাকৱি কালিদাসৰ প্ৰতিভা অদ্বিতীয় বুলি সৰ্বজন-স্বীকৃত হৈছে, সেইদৰে গদ্যকৱি হিচাপে বাণক অদ্বিতীয় নুবুলি নোৱাৰি। বৰঞ্চ একাংশত কৱিসকলে শ্লোকবদ্ধ পদ ৰচনা কৰাতকৈ বিশিষ্ট গুণ সম্পন্ন গদ্য কাব্য ৰচনা কৰাটো কঠিন বুলিহে জনপ্ৰবাদ আছিল। তেনে স্থলত গদ্যকাব্য ৰচনা কৰি প্ৰসিদ্ধি লাভ কৰাটো অতি দুঃসাধ্য কাম আছিল। তেতিয়া 'গদ্যং কবীনাং নিকষং বদন্তি' অৰ্থাৎ 'গদ্য কৱিসকলৰ কষটিশীলা' বুলি জনপ্ৰবাদ প্ৰচলিত আছিল। এনেবোৰ জনপ্ৰবাদৰ মাজত বাণে কাদম্বৰী আৰু হৰ্ষচৰিত—গদ্যকাব্যৰ দুভাগৰ-কথা আৰু আখ্যায়িকাৰ আদৰ্শৰূপে লোক সমক্ষত দাঙি ধৰি নিজৰ কৱিপ্ৰতিভাৰ যথাৰ্থতা প্ৰতিপন্ন কৰি গৈছে।

হৰ্ষচৰিত আৰু কাদম্বৰী পাঞ্চালী ৰীতিৰ দুটি উজ্জ্বল নিদৰ্শন। পাঞ্চালী ৰীতিত শব্দ আৰু অৰ্থৰ ভাৰসাম্য ৰক্ষিত হয় (শব্দাৰ্থয়োঃ সমো গুম্ফঃ পাঞ্চালী ৰীতিৰিষ্যতে। শীলাভট্টাৰিকা বাচি বাণোক্তিষু চ সা যদি। শাঙ্গৰ্ধৰ পদ্ধতি নং ১৭৯)। এই ৰীতি সমাসবদ্ধ পদবহুল, যত পাঁচ-ছটা পদৰ সমাস সততে থাকে (সমস্ত পঞ্চষড়্পদো বন্ধঃ পাঞ্চালিকা মতা। সাঃ দঃ ৯.৪)। কিন্তু বাণে একমাত্ৰ পাঞ্চালী ৰীতিতেই আৱদ্ধ থকা নাই, মাজে মাজে গৌড়ী আৰু বৈদৰ্ভী ৰীতিৰো সজ উপযোগ কৰিছে। বাণে অলংকাৰিক বাক্যসমূহত সমাজবহুল (সমাসভূয়স্তম্) ওজঃ গুণসম্পন্ন গৌৰীৰীতি আৰু সৰল বাক্যমালাত বৈদৰ্ভী ৰীতিৰ মাধুৰ্য, প্ৰসাদ আৰু লালিত্য গুণৰ পৰিচয় দিছে।

বাণৰ গদ্য সমাসবদ্ধ পদেৰে ভৰপূৰ। শ্লেষ, বক্ৰোক্তি আদিৰ সুপ্ৰয়োগ তেওঁৰ কাব্যৰ বৈশিষ্ট্য। যিহেতু 'ওজঃ সমাসভূয়স্ত্বমেতদ্ গদ্যস্য জীৱিতম্' বুলি দণ্ডীয়ে কাব্যাদৰ্শত (১।৮০) ঠাৱৰ কৰি গৈছে, জাৰ্মান পণ্ডিত ৱেবাৰে বাণৰ কাব্যক 'ভাৰতীয় ঘনাৰণ্য' বুলি দোষাৰোপ কৰি সাৰিবলৈ নোৱাৰে।

বাণৰ শব্দ সম্ভাৰৰ প্ৰাচুৰ্য্যও নিতান্ত বিস্ময়কৰ। প্ৰচলিত শব্দৰ মাজতে কেতিয়াবা অপ্ৰচলিত আৰু দুৰ্লভ শব্দ ব্যৱহাৰ কৰিছে। তেওঁৰ কাব্যই অন্য এক শব্দকোশৰ ভাণ্ডাৰ বুলি পাঠকক প্ৰত্যায়িত কৰে।

বাণে তেওঁৰ কাব্য দুখনত শব্দালংকাৰ আৰু অৰ্থালংকাৰৰ প্ৰয়োগ প্ৰায় সমান ভাবেই কৰিছে। উপমা, ৰূপক, উৎপেক্ষা, পৰিসংখ্যা আৰু বিৰোধাভাস বাণৰ প্ৰিয় অলংকাৰ। সিবোৰৰ ভূয়সি প্ৰয়োগৰ লগতে ঠায়ে ঠায়ে নিদৰ্শনা, সহোক্তি, ব্যতিৰেক, বিষম, ব্যাঘাত আদি অলংকাৰৰ প্ৰতিও তেওঁ পক্ষপাতিত্ব দেখুৱাইছে।

বিষয়বস্তুৰ সংগঠন আৰু বিবিধ চৰিত্ৰ চিত্ৰণত বাণৰ নৈপুণ্য আছিল বৰ চমকপ্ৰদ। কাদম্বৰী কথাত তেওঁ নায়ক-নায়িকা, পাৰ্শ্ব-পাত্ৰসকলৰ তিনিটাকৈ জন্ম-জন্মান্তৰৰ কাহিনী ক'তো একণো খোকোজা নলগাকৈ পাঠকক শুনোৱাটো সঁচাকৈ বিস্ময়কৰ কথা। বৃহৎকথাৰ মাজৰপৰা মূলকাহিনীটো তুলি আনি তাক নিজ অভিৰুচি মতে নিজ আদৰ্শত স্থাপিত কৰি নামাকৰণাদি বৈশিষ্ট্যৰে সজাই লোকসমক্ষত বিচিত্ৰৰূপ তুলি ধৰি বাণে প্ৰশংসাৰ পাত্ৰ হৈছে। তাতে আকৌ চৰিত্ৰৰ বিচিত্ৰতা আছে; কোনোজন দেৱ, কোনোজন গান্ধৰ্ব, কোনোজন মনুষ্য আৰু কোনোবা ইতৰ প্ৰাণী। সকলোৰে যিদৰে প্ৰাণৰ স্পন্দন আছে, সিদৰে তেওঁলোকৰ মুখত বাণে এক ভাষাও দিছে। প্ৰত্যেকেই পূৰ্বজন্মৰ কৰ্মফল অনুসৰি পৰজন্ম গ্ৰহণ কৰি পূৰ্বকৃত কৰ্মফল ভোগ কৰিছে।

বাণৰ বৰ্ণনা শক্তিও অসীম। উজ্জয়িনীৰ বা স্থানীশ্বৰৰ ৰাজপ্ৰাসাদ বা তত্ৰস্থ ৰজাৰ প্ৰতিচ্ছবিবোৰ তেওঁৰ তুলিৰ পৰশত সজীৱ হৈ ধৰা দিছে। সেইদৰে হিমালয় প্ৰান্তৰ বা বিন্ধ্যাৰণ্যৰ প্ৰাকৃতিক দৃশ্যবোৰো তেওঁৰ বৰ্ণনাত সেউজ হৈ দেখা দিছে। চৰিত্ৰ ৰূপ-সৌন্দৰ্য বৰ্ণোৱাতো নিজৰ সহজ নৈপুণ্য বাণে প্ৰদৰ্শন কৰিছে।

বাণে তেওঁৰ কাব্যত বিভিন্ন ৰসাভিব্যক্তিৰ সমাবেশ কৰিছে। মহাশ্বেতা-পুণ্ডৰীক, আৰু কাদম্বৰী চন্দ্ৰাপীড়ৰ সহযোগত সম্ভোগ আৰু বিপ্ৰলম্ভ শৃঙ্গাৰৰ বৰ্ণনা কৰিছে। ঠায়ে ঠায়ে তেওঁৰ ৰচনাৰ ওপৰত করুণ, হাস্য, শান্ত অদ্ভুতাদি ৰসাভিব্যক্তিৰ ছাঁও পৰিছে। বিপ্ৰলম্ভ শৃঙ্গাৰ আৰু করুণ ৰসে তেওঁৰ কাব্যৰ অধিকাংশ ঠাই দখল কৰি আছে।

**সমাজ আৰু সংস্কৃতিঃ** বাণে হৰ্ষচৰিত আৰু কাদম্বৰীত তেওঁৰ যুগৰ শাসন ব্যৱস্থা ৰাজতন্ত্ৰৰ স্বৰূপ, ৰাজপ্ৰাসাদৰ চিত্ৰ, সামৰিক অৱস্থা, বৰ্ণব্যৱস্থা, বিবাহ আদি সংস্কাৰৰ বিষয়েও চৰ্চা কৰিছে। তেওঁৰ ৰচনাত একেবাৰে ৰজা আৰু প্ৰজাৰ নাগৰিক জীৱন, প্ৰজাৰ গ্ৰাম্য আৰু আৰণ্যক জীৱনৰ চিত্ৰও অংকন কৰিছে। সিকালৰ মানুহৰ পিন্ধন-উৰণ, বস্ত্ৰ-আভূষণ, প্ৰসাধনৰ বিষয়েও বাণৰ কাব্যত পঢ়িবলৈ পোৱা যায়।

শিক্ষা আৰু সাহিত্যাদি চৰ্চাৰ বিষয়েও বহু তথ্য তুলি ধৰিছে। তেওঁ ভাষাকৱি (ঈশান), বৰ্ণকৱি (বেণীভাৰত), আৰু প্ৰাকৃত কৱিৰ (বায়ুবিকাৰ) উল্লেখ কৰিছে।



তেওঁৰ কালত প্ৰচলিত শিক্ষাব্যৱস্থা—গুৰুকুলৰ বিষয়ে সম্যকভাৱে তথ্য তুলি ধৰিছে আৰু ৰজা-ৰাজপুত্ৰৰ শিক্ষণীয় পাঠ্যক্ৰমৰ আভাস দিছে। তেতিয়া লোকে ব্যাকৰণ, মীমাংসা, ন্যায়-বৈশেষিক, ধৰ্মশাস্ত্ৰ, ৰাজনীতি, ব্যায়াম-শিক্ষা, ধেনু-চক্ৰ আদি অস্ত্ৰৰ কুশলতা, ৰথচৰ্চা, গজাৰোহণ, অশ্বাৰোহণ, বীণা-বেণু আদি বাদ্যৰ জ্ঞান, নৃত্যশাস্ত্ৰ, গান্ধৰ্ববেদ, হস্তিশিক্ষা, তুৰগবয়োজ্ঞান, পুৰুষলক্ষণ, চিত্ৰকৰ্ম, পত্ৰচ্ছেদ্য, পুস্তকব্যাপাৰ, লেখকৰ্ম, দ্যূতবিদ্যা, শকুনজ্ঞান, জ্যোতিষশাস্ত্ৰ, ৰত্নপৰীক্ষা, কাষ্ঠকৰ্ম, গজদন্তব্যাপাৰ, বাস্তুবিদ্যা, আয়ুৰ্বেদ, যন্ত্ৰপ্ৰয়োগ, বিষাপহৰণ, সুৰঙ্গোপভেদ, সন্তৰণ, লঙ্ঘন, প্লুতি, ইন্দ্ৰজাল, কথা, নাটক, আখ্যায়িকা, কাব্য, মহাভাৰত, পুৰাণ, ইতিহাস-ৰামায়ণ, লিপি, বিবিধ ভাষাজ্ঞান, সংজ্ঞা-জ্ঞান, শিল্প আৰু ছন্দশাস্ত্ৰ আদিৰ চৰ্চা কৰিছিল বুলি কাদম্বৰীৰপৰা জনা যায়।

ধৰ্ম-দৰ্শন, উৎসৱ, আমোদ-প্ৰমোদ, ক্ৰীড়ানুষ্ঠান আদিৰ কথাও বাণে তেওঁৰ গ্ৰন্থত বিবৰি কৈছে।

**দণ্ডীঃ** গদ্যকুশলী কৱি দণ্ডীৰ জীৱন চৰিত সম্বন্ধীয় গোটাদিয়েক কথা তেওঁৰ অন্যতম গ্ৰন্থ 'অৱন্তীসুন্দৰী কথা'ৰ পৰা বুটলিব পাৰি। জনা যায় যে কৱিজনাৰ উপৰি-পুৰুষসকল পোনতে গুজৰাট দেশৰ অধিবাসী আছিল। পিছলৈ সিসকলে বৰ্তমান মহাৰাষ্ট্ৰৰ ভিতৰুৱা নাচিকলৈ প্ৰব্ৰজন কৰে। তাৰপৰা তেওঁলোক অচলপুৰ (এচিলপুৰ) লৈ উঠি যায়। সম্ভৱতঃ তাৰপৰা তেওঁলোক কাঞ্চীলৈ গৈ বসতি কৰে। সেই বংশটি কৌশিক গোত্ৰীয় আছিল। উক্ত বংশত সমুদ্ভূত নাৰায়ণস্বামীৰ ঔৰসজ সন্তান দামোদৰে পিছলৈ মহাকৱি ভাৰৱি নামে জনাজাত হয় আৰু পঞ্চ-মহাকাব্যৰ অন্যতম 'কিৰাতাৰ্জুনীয়ম্' ৰচনা কৰি কীৰ্তিমন্ত হয়। ভাৰৱিৰ পৰবৰ্তী বংশপৰম্পৰাৰ লেখ অৱন্তীসুন্দৰী কথাত কাব্যময় ভাষাত কৱিজনে এনেদৰে দিছে :

মনোৰথাহ্বয়স্তেষাং মধ্যমো বংশবৰ্ধনঃ।
ততস্তনূজাশ্চত্বাৰঃ স্ৰষ্টুৰ্বেদা ইৱাভৱন্॥
শ্ৰীবীৰদত্ত ইত্যেষাং মধ্যমো বংশৱৰ্ধনঃ।
যৱীয়ানস্য চ শ্লাঘ্যা গৌৰী নামাভৱৎ প্ৰিয়া॥
ততঃ কথঞ্চিৎসা গৌৰী দ্বিজাধিপশিৰোমণেঃ।
কুমাৰং দণ্ডিনামানং ব্যক্তশক্তিমজীজনৎ॥

ইয়াৰপৰা জনা যায় যে কৱি দামোদৰ ওৰফে ভাৰৱিৰ মধ্যম পুত্ৰ মনোৰথৰ চাৰিবেদৰ দৰে সুখ্যাত চাৰিজন পুতেক আছিল। তেওঁলোকৰ মাজুজনৰ নাম শ্ৰীবীৰ দত্ত। বয়সত সৰু হ'লেও তেওঁ এজন ভাল দাৰ্শনিক পণ্ডিত আছিল। তেওঁৰ পত্নী আছিল গৌৰিপ্ৰিয়া। শ্ৰীবীৰ দত্তৰ ঔৰসত গৌৰিপ্ৰিয়াৰ উদৰত জন্ম হয় দণ্ডীৰ।

সৰুতেই দণ্ডীয়ে পিতৃ-মাতৃক হেৰুৱাই ঘাতমাউৰা হয় আৰু সৰস্বতী আৰু শ্ৰুতই তেওঁক লালন-পালন কৰে :

স বাল এব মাত্ৰা চ পিত্ৰা চাপি ব্যযুজ্যত।
অযুজ্যত গৰীয়স্যা সৰস্বত্যা শ্ৰুতেন চ ॥

॥ অ. সু. ক. ১ ॥

আনুমানিক ৬৫৫ খৃষ্টাব্দত চালুক্য নৃপতি বিক্ৰমাদিত্যই কাঞ্চী অৱৰোধ কৰোঁতে অধিবাসীসকলে নগৰখন পৰিত্যাগ কৰে আৰু দণ্ডীয়েও তাৰপৰা ওলাই গৈ দেশ পৰ্যটন কৰি অনেক শিক্ষা-দীক্ষা লাভ কৰে আৰু বেদাদি শাস্ত্ৰ আৰু অনেক কলা-বিদ্যাৰ জ্ঞানাৰ্জন কৰে। পিছত ৰজা নৰসিংহবৰ্মণে শত্ৰুক পৰাস্ত কৰি কাঞ্চী উদ্ধাৰ কৰাৰ পাছত দণ্ডী আকৌ স্বস্থানলৈ উভতি আহে। কালক্ৰমত তেওঁ ৰাজপৃষ্ঠপোষকতা লাভ কৰে। মাতৃদত্ত আৰু ৰামশৰ্মা নামে তেওঁৰ দুজন অন্তৰঙ্গ বন্ধু আছিল। তেওঁলোক ক্ৰমশঃ হিৰণ্যকেশী সূত্ৰৰ ভাষ্যকাৰ আৰু অচ্যুতোত্তৰ কাব্যৰ প্ৰণেতা আছিল বুলি জনা যায়।

দণ্ডীক কাঞ্চীবাসী বুলি ক'লেও তেওঁৰ জন্মস্থান লৈ বিবাদ নোহোৱা নহয়। তেওঁ যে দাক্ষিণাত্যৰ লোক আছিল। তেওঁৰ কাব্যাদৰ্শত উল্লেখিত মলয়ানিল, কাঞ্চী, কাবেৰী, চোল আৰু দশকুমাৰচৰিতত উল্লেখিত কাঞ্চী, সুহ্মদেশ, অশ্মকদেশ, লাটদেশ, কালপট্টনদ্বীপ, অঙ্গদেশ, চম্পা, অনঙ্গদেশ, উজ্জয়িনী, শ্ৰাৱন্তী, আৰু পুণ্ড্ৰদেশ আদিয়েই তাক সমৰ্থন কৰে। কিন্তু তেওঁৰ দুয়োখন গ্ৰন্থতে সঘনে বিদৰ্ভৰ উল্লেখ চকুত পৰে। সেয়ে বিদ্বান পণ্ডিতসকলৰ অনেকে কৱিজনক বিদৰ্ভবাসী বুলি কব খোজে। তেওঁৰ বৰ্ণনাশৈলীও বৈদৰ্ভী ৰীতি প্ৰধান আৰু 'অৱন্তীসুন্দৰী'ৰ বৰ্ণনায়ো তাকে অনুসৰণ কৰে। সেয়ে হ'লেও কৱিয়ে নিজক কাঞ্চীপুৰৰ অধিবাসী বুলি অৱন্তীসুন্দৰী কথাত উল্লেখ কৰিছে। গতিকে তেওঁৰ বাসস্থান লৈ সন্দেহৰ অৱকাশ নাই। দাক্ষিণাত্যৰ অধিবাসী হ'লেও কৱিয়ে বিদৰ্ভৰ সৈতে জড়িত আছিল বুলি ভাবিবলৈ পাৰি। কাঞ্চীৰ পল্লৱ ৰাজকুলৰ ছত্ৰছায়াতেই তেওঁ সুখেৰে বসতি কৰিছিল।

প্ৰচলিত কিম্বদন্তীমতেও দণ্ডীয়ে দাক্ষিণাত্যত বাস কৰা কথা সমৰ্থিত হয়। এম, ৰঙ্গাচাৰ্য্যই এটি কিম্বদন্তীৰ উল্লেখ কৰি কৈছে যে পল্লৱ নৃপতিৰ পুত্ৰক শিক্ষাদান কৰিবলৈ দণ্ডীয়ে 'কাব্যাদৰ্শ' ৰচনা কৰিছিল। কাব্যাদৰ্শৰ প্ৰাচীন টীকাকাৰ তৰুণ বাচস্পতিৰ মতে দণ্ডীয়ে নিম্নোক্ত প্ৰহেলিকাত কাঞ্চীৰ পল্লৱৰজাৰ প্ৰতি ইঙ্গিত কৰিছে :

নাসিক্যমধ্যা পৰিতশ্চতুৰ্বৰ্ণবিভূষিতা।
অস্তি কাচিৎ পুৰী যস্যামষ্টবৰ্ণাহ্বয়া নৃপাঃ ॥

(পৃ ৩০ ; শ্লোক ১:৪ )।

ইয়াৰ ওপৰত টিপ্পনী দি তৰুণবাচস্পতিয়ে লিখিছে —

'কাঞ্চীনগৰ্য্যাং পল্লৱনাম ক্ষিতিপতয়ঃসন্তীতি বিৱক্ষিতঃ।'

এনেদৰে দণ্ডীয়ে কাঞ্চীত বাস কৰা কথা ইতিহাস আৰু কিম্বদন্তীয়ে সমৰ্থন কৰিছে।



**আবিৰ্ভাৱ কাল :** আন বহুতো খ্যাতিমান সংস্কৃত কৱিৰ দৰে দণ্ডীৰ আবিৰ্ভাৱ সম্বন্ধেও পণ্ডিতসকলৰ মাজত মতান্তৰ বিৰাজমান। কৃষ্ণমাচাৰিয়াৰে দণ্ডীক বাণভট্টৰ সমকালীন বুলি কয়। তেওঁৰ মতে অৱন্তীসুন্দৰী কথাত বাণৰ কাদম্বৰীৰ প্ৰভাৱ পৰিছে। তেওঁ ইয়াকো কয় বাণৰ পুত্ৰ ভূষণে কাদম্বৰীৰ উত্তৰ ভাগ প্ৰস্তুত কৰাৰ পূৰ্বে দণ্ডীয়ে অৱন্তীসুন্দৰী ৰচনা কৰে। তলৰ কথাংশত দণ্ডীয়ে বাণৰ কাদম্বৰীৰ উল্লেখ কৰা দেখা যায়।

বহুলভাষিণো বৃহৎকথাজলাশয়াঃ সেতুবন্ধলগ্নাশ্চ, নপ্ৰদস্পৃশঃ কাদম্বৰীৰসানদৃষ্টয়ঃ সমন্দাক্ষাশ্চ বিশ্ৰুত- বহুশ্ৰুতাশ্চ ৰামায়ণাদি…ভিজ্ঞাশ্চ দৃষ্টমহাভাস্তা ভীমগদাভিঘাত বাৰ্তামূৰ্চ্ছাশ্চ ॥

তেনেদৰে দণ্ডীয়ে বাণৰ আদৰ্শ, কল্পনা আৰু বৰ্ণনাক বিশদভাৱে উপস্থাপন কৰিছে বুলি কৃষ্ণ-মাচাৰিয়াৰে কয়।

বাণ শ্ৰীহৰ্ষৰ সমকালীন বুলি সৰ্বজনবিদিত। ৬০৬ খৃষ্টাব্দৰ অক্টোবৰত তেওঁ (হৰ্ষই) ৰাজপাটত বহে আৰু ৬৮৬ খৃষ্টাব্দত তেওঁৰ মৃত্যু হয়। গতিকে বাণভট্ট আৰু দণ্ডীৰ কাল সপ্তম শতাব্দীৰ আদি চোৱা বুলি ঠাৱৰ কৰিব পাৰি।

আন সাক্ষ্য প্ৰমাণৰ ওপৰত ভেটি কৰিও দণ্ডীৰ কাল নিৰূপণ কৰিব পাৰি। আচাৰ্য অভিনৱ গুপ্তই ( খৃ০ ১০০০ ) ধ্বন্যালোকৰ 'লোচন' নামে টীকাত ( ৩:৭ ) প্ৰতিহাৰেন্দুৰাজ ( ৯২৫ খৃ. ) কৃত কাব্যালংকাৰসাৰ সংগ্ৰহৰ 'লঘুবৃত্তি'ত ( পৃ০ ২৮ ) দণ্ডীৰ নাম স্পষ্টভাৱে উল্লেখ কৰিছে। ৰাষ্ট্ৰকূটৰ ৰজা অমোঘবৰ্ষকৃত কানাড়ীভাষাৰ গ্ৰন্থ 'কবিৰাজমাৰ্গ'ৰ সম্পাদক শ্ৰী পাঠকে বহুতো সাক্ষ্য-প্ৰমাণেৰে উক্ত গ্ৰন্থৰ ওপৰত দণ্ডীৰ কাব্যাদৰ্শৰ প্ৰভাৱ পৰিছে বুলি ঠাৱৰ কৰিছে। যদি সেয়ে হয় উক্ত গ্ৰন্থৰ ৰচনাকাল ৮১৫—৮৭৫ খৃষ্টাব্দ নিৰূপিত হৈছে। একেদৰে ৰাজসেন প্ৰথমজনৰ ৰাজ্য শাসনৰ সময়ত ৮৪৬—৮৬৬ খৃ০) সিংহলী ভাষাত 'সিয়াক সলকাৰ' ( স্বভাৱালংকাৰ ) নামে এক গ্ৰন্থ 'কাব্যাদৰ্শ'ৰ ভেটিত ৰচিত হোৱা কথা জনা যায়। তাত কাব্যাদৰ্শৰ উল্লেখো বৰ্তমান।

আনহাতে বামন ৰচিত 'কাব্যালংকাৰসূত্ৰ'ৰ ওপৰতো দণ্ডীৰ কাব্যাদৰ্শৰ প্ৰচুৰ প্ৰভাৱ পৰা কথা পণ্ডিতসকলে স্বীকাৰ কৰিছে। বামণৰ কাল খৃ০ ৮০০ নিৰূপিত হৈছে। গতিকে দণ্ডীৰ আবিৰ্ভাৱ কাল সপ্তম শতিকাৰ আদিভাগ হোৱা সম্ভৱ।

**দণ্ডীৰ গ্ৰন্থচয় :** ৰাজশেখৰে একাকি পদ্যত দণ্ডীৰ তিনিখন গ্ৰন্থৰ বিষয়ে এনেদৰে ইঙ্গিত দিছে —

ত্ৰয়োঽগ্নয়স্ত্ৰয়ো দেৱাস্ত্ৰয়ো ৱেদাস্ত্ৰয়ো গুণাঃ।
ত্ৰয়ো দণ্ডিপ্ৰবন্ধাশ্চ ত্ৰিষু লোকেষু বিশ্ৰুতাঃ ॥

দণ্ডীৰ এই তিনি প্ৰবন্ধনো কি কি আছিল তাক লৈ বাক্‌বিতণ্ডাৰ অন্ত পৰা নাই। এসময়ত যদিও কাব্যাদৰ্শ আৰু দশকুমাৰৰ ৰচক পৃথক পৃথক দুজন দণ্ডী বুলি কোৱা হৈছিল, সম্প্ৰতি উক্ত দুয়োখন গ্ৰন্থ দণ্ডীৰ কাপৰপৰা নিঃসৃত বুলি সকলোৱে স্বীকাৰ

কৰি লৈছে। কাব্যাদৰ্শ গ্ৰন্থৰ কৰ্তৃত্ব লৈ কোনো দ্বিমত নাই। কাব্যাদৰ্শক দণ্ডীৰ এক প্ৰবন্ধ বুলি ধৰি 'ছন্দোবিচিতি' আৰু 'কলাপৰিচ্ছেদ'ক অন্য দুই প্ৰবন্ধ বুলি কোনো কোনো পণ্ডিতে কোৱাৰ প্ৰয়াস পাইছিল। কিন্তু ছন্দোবিচিতিক বা ছন্দক দণ্ডীয়ে প্ৰবন্ধ বুলি নকৈ এক পৃথক বিদ্যাৰূপে উল্লেখ কৰিছে। ইয়াৰ কোনো স্বকীয়া অস্তিত্ব স্বীকাৰ কৰা হোৱা নাই। একেদৰে কাব্যাদৰ্শৰে এভাগ হয়তো কলাপৰিচ্ছেদ বুলি জনা গৈছিল; কিন্তু সম্প্ৰতি তেনে ভাগ এটি বা তেনে কোনো গ্ৰন্থ-প্ৰবন্ধৰ অস্তিত্ব দেখিবলৈ পোৱা নাই। এনে পৰিস্থিতিত ৰাজশেখৰে উনুকিওৱাদৰে দণ্ডীৰ প্ৰবন্ধত্ৰয়ৰ —আন দুই প্ৰবন্ধনো কি আছিল তাক অন্যত্ৰ বিচাৰি চোৱা উচিত।

দশকুমাৰচৰিত দণ্ডীৰ দ্বিতীয় ৰচনা। দশকুমাৰ চৰিত দহজন কুমাৰৰ ৰোমাঞ্চকৰ কাহিনীৰ ৰহঘৰা। ইয়াৰ বিভিন্ন পাঠ আৰু সংস্কৰণবোৰ লক্ষ্য কৰিলে এইটো স্পষ্টকৈ হৈ পৰে গ্ৰন্থখনি তিনিভাগত বিভিক্ত—(১) ভূমিকা বা পূৰ্বপীঠিকা, (২) মূলাংশ আৰু (৩) পূৰক বা উত্তৰ পীঠিকা। ভূমিকাত ৫ উচ্ছ্বাস, মূলভাগত ৮ আৰু পূৰক ভাগত ১ উচ্ছ্বাস লৈ মুঠতে এই গ্ৰন্থ ১৪ উচ্ছ্বাসত বিভক্ত। প্ৰকৃতাৰ্থত পূৰ্বপীঠিকা আৰু উত্তৰ পীঠিকাৰ মধ্যবৰ্তী অংশকে দশকুমাৰচৰিত বুলি নিৰ্দেশ কৰা হয়। পূৰ্বপীঠিকা আৰু মূলাংশত অনেক অবান্তৰ ঘটনাৰ বৈচিত্ৰ্য চকুত পৰে। মূলাংশৰ আঠটা উচ্ছ্বাসত আঠজন কুমাৰ ( কোঁৱৰ )-ৰ বিচিত্ৰ কীৰ্তি-কলাপ সম্বন্ধ হৈছে। দশকুমাৰচৰিত নামটো সাৰ্থক কৰিবলৈ উত্তৰ পীঠিকা অন্য দুজন কুমাৰৰ চৰিত্ৰ কীৰ্তিত হৈছে। এনেদৰে সংগৃহীত বা প্ৰস্তুত গ্ৰন্থ দশকুমাৰচৰিত নামে জনাজাত হৈছে।

তথাপি ইয়াৰ মূল কি সেই প্ৰশ্নৰ উত্তৰ বিচাৰ্য্য। পণ্ডিতসকলে 'অৱন্তীসুন্দৰী'ক ইয়াৰ মূল বুলি ঠাৱৰ কৰিছে। এই গ্ৰন্থ বহুদিনলৈ অনুপলব্ধ হৈ থকাৰ পিছত দুটা প্ৰকাশন এতিয়ালৈ প্ৰাপ্ত হৈছে। ইয়াৰ প্ৰাৰম্ভৰ কিয়দংশ ১৯২৪ খৃষ্টাব্দত মাদ্ৰাজৰপৰা দক্ষিণভাৰতী গ্ৰন্থমালাত প্ৰকাশিত হৈছে। ইয়াৰ বৃহদংশ অনন্তশয়নৰ হস্তলিপিত পোৱা গৈছে আৰু তাৰপৰা ই প্ৰকাশো লভিছে। এই দুই প্ৰকাশিত অংশ মিলাই চাই 'অৱন্তীসুন্দৰী'ৰ স্বৰূপ কি আছিল তাক উপলব্ধি কৰিবলৈ পাৰি। এই গ্ৰন্থৰে পদ্যাত্মক সাৰাংশ 'অৱন্তিসুন্দৰীকথাসাৰ' নামে প্ৰকাশ পাইছে। গতিকে দণ্ডীৰ দ্বিতীয় 'প্ৰবন্ধ' প্ৰকৃততে এই অৱন্তিসুন্দৰীহে। কিন্তু ই বহুদিন ধৰি লোকচক্ষুৰ পৰোক্ষত থকাৰাবে কালৰ গতিত 'দশকুমাৰচৰিতে' উক্ত গ্ৰন্থৰ ঠাই দখল কৰে। দুয়োখন গ্ৰন্থৰ তুলনাত্মক বিচাৰ কৰিলে অৱন্তিসুন্দৰী যে দশকুমাৰচৰিতৰ মূল তাক বুজিবলৈ পাৰি। কিন্তু কেতিয়া কিদৰে কোনে 'অৱন্তিসুন্দৰী'ক দশকুমাৰ চৰিতলৈ ৰূপান্তৰ কৰিলে সেই ৰহস্যৰ সম্ভেদ পোৱা নাযায়। আনহাতে কোনো আলংকাৰিকে দশকুমাৰচৰিতৰ উল্লেখ নকৰাটো লক্ষণীয় কথা।

আচাৰ্য্য বলদেৱ উপাধ্যায় প্ৰভৃতিয়ে 'দণ্ডিদ্বিসংধান' নামে অনুপলব্ধ গ্ৰন্থখনকে দণ্ডীৰ তৃতীয় গ্ৰন্থ বুলি নিৰ্দেশ কৰিছে। ইয়াৰ উল্লেখ ভোজৰ শৃঙ্গাৰ প্ৰকাশত পোৱা যায়।



ইয়াত শ্লেষেৰে ৰামায়ণ আৰু মহাভাৰতৰ দুয়োটা কাহিনীকে সমানে পদ্যত বৰ্ণনা কৰিছে। ভোজে দিয়া উদ্ধৃতিৰ পৰাহে এই গ্ৰন্থৰ বিষয়ে জনা গৈছে।

**দশকুমাৰচৰিত:** সুবন্ধুৰ 'বাসৱদত্তা' আৰু বাণভট্টৰ 'কাদম্বৰী'ৰ' পাছতে দণ্ডীৰ 'দশকুমাৰচৰিত'ৰ খ্যাতি জগতজোৰা। এই তিনিওখন গ্ৰন্থক সংস্কৃতি সাহিত্যত 'গদ্যত্ৰয়' বুলি জনা যায়। কাহিনীৰ ৰোমাঞ্চকৰ বৰ্ণনা আৰু কৌতূহলোদ্দীপক কথনভঙ্গীৰ বাবে দশকুমাৰচৰিত জনপ্ৰিয়। ই দহজন কুমাৰৰ বৈচিত্ৰ্যপূৰ্ণ জীৱনৰ চৰিতপুথি। পুথিখন ত্ৰিধা বিভক্ত: পূৰ্বপীঠিকা, দশকুমাৰচৰিত আৰু উত্তৰ-পীঠিকা। পূৰ্ব আৰু উত্তৰ দুয়োটি অংশকে দণ্ডীৰ ৰচনা নহয় বুলি পণ্ডিতবৰ্গই মানি লৈছে। উপাধ্যায়ে এই গ্ৰন্থৰ আধাৰৰূপে 'অৱন্তিসুন্দৰী'ক নিৰ্দেশ কৰিছে। 'অৱন্তি-সুন্দৰী'হে দণ্ডীৰ মৌলিক ৰচনা; দশকুমাৰচৰিত তাৰ সংক্ষিপ্ত সংস্কৰণ মাত্ৰ। প্ৰকৃততে মধ্যস্থ গ্ৰন্থাংশত আঠজন কুমাৰৰৰ বৃত্তান্ত পোৱা যায়। আন দুজন কুমাৰৰ চৰিত পিছত সংযোজিত হয়। ইয়াৰ পূৰ্ব পীঠিকাৰ ৰচক কোন জনা নাযায় যদিও উত্তৰ পীঠিকাৰ লেখক চক্ৰপাণি বুলি জনা যায়। প্ৰাচীন সংস্কৃত লেখকেও এই গ্ৰন্থৰ আদি-অন্ত অপূৰ্ণ বুলি কৈ গৈছে। মহানাৰায়ণে দশকুমাৰচৰিতৰ উচ্ছ্বাসৰ যি ক্ৰম তুলি ধৰিছে সিয়েই উক্ত তথ্যৰ প্ৰমাণ।

**কাহিনীভাগ:** মগধৰ অধিপতি ৰাজহংসই এবাৰ মালৱৰাজ মানসাৰক যুদ্ধত পৰাভূত কৰে। পিছত মানসাৰে তাৰ পোটক তুলিবলৈ ইচ্ছা কৰি কঠোৰ তপস্যা কৰে। তপস্যাত সিদ্ধি লাভ কৰি তেওঁ পাটলিপুত্ৰ ( মগধৰ ৰাজধানী ) আক্ৰমণ কৰে আৰু যুদ্ধত মহাৰাজ ৰাজহংসক পৰাস্ত কৰে। পৰাভূত ৰাজহংসই অৰণ্যত আশ্ৰয় লয়। অৰণ্যভূমিতে তেওঁৰ পত্নীয়ে এটি পুত্ৰ সন্তান প্ৰসৱ কৰে। তেওঁৰ ৰাজবাহন নাম থোৱা হয়। বনতেই তেওঁৰ লগৰীয়া চাৰিজন অমাত্যৰ চাৰিটি পুত্ৰ জন্ম হয়। তেওঁলোকৰে সৈতে আন পাঁচজন কোঁৱৰো তাত গোট খায়। এনেদৰে দহজন কুমাৰ একেলগে ডাঙৰ দীঘল হয়। বনতে তেওঁলোকে সকলো বিদ্যাত শিক্ষিত হয়। বয়স প্ৰাপ্ত হোৱাত তেওঁলোকে দিগ্বিজয়ৰ কাৰণে মন মেলিলে। দিগ্বিজয় যাত্ৰা কৰি গৈ বিন্ধ্যাৰণ্যত ৰাজবাহনে মাতঙ্গ নামে ব্ৰাহ্মণক ল'গ পালে আৰু তেওঁ ব্ৰাহ্মণৰ মন্ত্ৰসিদ্ধিৰ সহায়ক হ'ল। দুঃসাহসিক কাৰ্য্য সাধি তেওঁ আকৌ দেশান্তৰলৈ গ'ল। তেওঁক বিচাৰি অন্য কোঁৱৰসকলেও বিভিন্ন দিশলৈ ঢাপলি মেলিলে। ৰাজবাহনেও লগৰীয়াসকলক বহুঠাইত বিচাৰি নাপাই অৱশেষত এখন উপবনত উপস্থিত হ'ল। দৈববশতঃ তাত কেইজনমান সহযোগীক লগ পালে। পিছত এজন এজনকৈ আন সকলো তাত গোট খালেহি। প্ৰত্যেকে বিভিন্ন দেশত লাভ কৰা অভিজ্ঞতাৰ বিচিত্ৰ কাহিনী আন সকলক বিবৰি কলে। এনেদৰে দশকুমাৰৰ চৰিত গ্ৰথিত হৈছে।

উত্তৰ পীঠিকাত কোৱা হৈছে যে দশকুমাৰ চৰিতৰ কথা বা বৃত্তান্তসমূহৰ কাল-পৰিমাণ ষোল বছৰ। নিজৰ নজন সহযোগী বন্ধুৰে সৈতে যুৱৰাজ ৰাজবাহনে

দিগ্বিজয় যাত্ৰা কৰ্যাৰে বা দিগ্বিজয় কৰি উভতি নিজ ঠাই পোৱাৰলৈকে ষোল বছৰ লাগিছিল।

দশকুমাৰচৰিতৰ কাহিনীভাগ নিতান্ত ঘটনাবহুল। তাত অনেক ৰোমাঞ্চকৰ আৰু বিচিত্ৰ কাহিনীৰ সমহাৰ ঘটিছে। ঘটনাবোৰে কেতিয়াবা পঢ়ুৱৈৰ মনত বিস্ময়ৰ সৃষ্টি, কেতিয়াবা আকৌ বিষাদৰ ঢৌৱে মন আচ্ছন্ন কৰে। কেতিয়াবা ঘটনাৰ পম খেদি গৈ পাঠকে ভয়ঙ্কৰ অৰণ্যত ওলায়, আকৌ কেতিয়াবা সাগৰৰ উত্তাল তৰঙ্গমালাৰ মাজত জলমগ্ন জাহাজৰ বিভীষিকা প্ৰত্যক্ষ কৰিব লগীয়া হয়। এনে চিত্ৰ-বিচিত্ৰ কথাই পাঠকক জলে-স্থলে সমানে লৈ ফুৰে। মিত্ৰগুপ্তৰ জলযাত্ৰা এনে এক বিস্ময়কৰ কথা।

'দশকুমাৰচৰিত'ত বিচিত্ৰঘটনা পুঞ্জৰ পৰিবেশনৰ লগতে অনেক বিচিত্ৰ আৰু বিপৰীত ধৰ্মী লোকচৰিত্ৰৰ সমাবেশ ঘটিছে। কবি দণ্ডীয়ে ঘটনাৰ বিৱৰণ দিবলৈ গৈ ৰজাৰপৰা আৰম্ভ কৰি সমাজৰ নিম্নতমবৰ্গৰ লোকলৈকে সকলো পাত্ৰৰো কথাচিত্ৰ অঙ্কন কৰিছে। ৰজা, ৰাণী, মন্ত্ৰী, যুৱৰাজৰ উপৰিও আলধৰা লিগিৰা-লিগিৰী, সেৱক, দাস-দাসী আদি ৰাজপৰিয়ালত লগ পাব পৰা সকলো পাত্ৰ-পাত্ৰীৰে চৰিত্ৰ তুলি ধৰিছে। সেইদৰে কাম মঞ্জৰী নামে বেশ্যা, বেশ্যাভগ্নী ৰাগমঞ্জৰী, আৰু মাতৃ মাধৱসেনাৰ চৰিত্ৰ-চিত্ৰণো সমাবিষ্ট হৈছে।

**দণ্ডিনঃ পদলালিতাম্ঃ** 'সংস্কৃতত এটি শ্লোক সততে লোকোক্তি ৰূপে শুনা যায়। শ্লোকটি হৈছেঃ উপমা কালিদাসস্য ভাৰৱেৰৰ্থগৌৰৱম্। নৈষধে পদলালিত্যং মাঘে সন্তি ত্ৰয়ো গুণাঃ।' এই শ্লোকৰ নৈষধে পদলালিতং' বাক্যটিৰ ঠাইত কোনো কোনোৱে 'দণ্ডিনঃ পদলালিত্যং' পঢ়া দেখা যায়। তেনেকৈ দণ্ডীৰ কাব্যত নো কি পদ লালিত্য আছে সিও বিচাৰ্য্য। এই সম্বন্ধে আচাৰ্য্য ৰামচন্দ্ৰ ঝা ডাঙৰীয়াৰ উক্তি তুলি দিয়া হ'ল ঃ

'সৰস আনুপ্ৰাসিক ললিত পদসমূহৰ শৃঙ্খলাবদ্ধ সুন্দৰ সংস্থাপনৰ যি অলৌকিক কলা দণ্ডীয়ে নিজ গদ্যকাব্য দশকুমাৰ চৰিতত প্ৰদৰ্শিত কৰিছে, তাৰে কোনে প্ৰতিযোগিতা কৰিবলৈ পাৰে? সেয়েহে সংস্কৃত কাব্যজগতত তেওঁৰ পদ লালিত্যৰ ইমান প্ৰশংসা কৰি 'দণ্ডিনঃ পদলালিত্যং, বুলি কৈছে। দশকুমাৰ চৰিতত তেওঁৰ কাব্যপ্ৰতিভা চৰম সীমালৈ প্ৰস্ফুটিত হোৱা বুলি জনা যায়। তাকে দেখি উপলব্ধি হয় যে তেওঁ ব্যৱহাৰিক সংস্কৃত গদ্যৰ এজন সিদ্ধহস্ত লেখক আছিল। দশকুমাৰ চৰিতৰ শৈলী সৰল আৰু প্ৰসাদযুক্ত। ইয়াৰ ভাষা স্বাভাৱিক আৰু প্ৰৱাহময়, লগতে পৰিষ্কাৰ আৰু প্ৰৱচনপূৰ্ণ। তেওঁৰ গদ্য শিষ্ট, সংযত, সজীৱ আৰু ব্যৱহাৰিক। তেওঁৰ বাক্যসমূহ চুটী। দীঘলীয়া সমাসৰ অভাৱ প্ৰায়ে দেখা যায়। দণ্ডীৰ গদ্য সুবন্ধুৰ দৰে শ্লেষময় বা বাণৰ দৰে 'সৰস স্বৰবৰ্ণপদময়' নহয়। দণ্ডীৰ গদ্যত পদৰ শ্লিষ্টতাৰ আহি যিদৰে নাই সিদৰে ক্লিষ্টতায়ো মনত লাগি নধৰে। দণ্ডীৰদ্বাৰা প্ৰযুক্তপদ 'সুপ্ৰযুক্ত' হে; সেয়ে তেওঁৰ বাক্য ললিত আৰু সুব্যক্ত। শব্দবিন্যাসৰ



চাৰুতা ইয়াত চোৱাৰ যোগ্য। পদ লালিত্যও তাকে বুজা যায় য'ত পদবিন্যাস অনুপ্ৰাসময় আৰু মনোৰম হয়। দশকুমাৰ চৰিতত আনুপ্ৰাসিক চমৎকাৰ প্ৰতিটো পদতে দেখা পোৱা যায়; ইয়াৰ মাজতে কেতিয়াবা যমক অলংকাৰৰ চমকনিও নেদেখাকৈ নথয়। উদাহৰণাৰ্থ 'তত্ৰ বিৰচিতাৰাতি সন্তাপেন সতত তুলিত-বিয়ন্মধ্যহংসো ৰাজহংসো নাম ধনদকন্দৰ্প সৌন্দৰ্যহৃতনিৰবদ্যৰূপো ভূপো বভূব।' ইত্যাদি চাওক।'

**ধনপাল ঃ তিলকমঞ্জৰী ঃ** বাণভট্টই গদ্যকাব্য ৰচনাৰ যিটি প্ৰশস্ত প্ৰণালী প্ৰৱৰ্তন কৰিলে, পৰবৰ্তী কালত তেওঁক অনুকৰণ কৰি প্ৰতিভাৰ সাক্ষৰ দি থৈ যোৱা সকলৰ ভিতৰত ধনপাল অন্যতম। গদ্য কাব্য ৰচকসকলৰ মাজত ধনপালৰ কীৰ্তি আজিও অক্ষয় হৈ আছে।

ধনপাল আছিল উজ্জয়িনীৰ কাশ্যপগোত্ৰীয় সৰ্বদেৱ নামে বিদ্বান ব্ৰাহ্মণৰ পুত্ৰ। তেওঁৰ ভায়েকৰ নাম শোভন। অনুজ হৈও শোভনে পোনতে জৈনধৰ্ম গ্ৰহণ কৰি তপস্বী মুনিত পৰিণত হয়। পিছত ধনপালেও জৈনমত গ্ৰহণ কৰে। এই সম্বন্ধে বিচিত্ৰ কিম্বদন্তি আছে। এবেলি পিতৃ সৰ্বদেৱে শ্ৰীবৰ্ধমান সূৰি নামে জৈন মুনিক তেওঁৰ ঘৰত থকা সঞ্চিত নিধিৰ সম্ভেদ দিব পাৰিলে তেওঁকো আধা ভাগ দিবলৈ অঙ্গীকাৰ কৰি প্ৰশ্ন কৰিলে। জৈন মুনিয়ে সঠিক উত্তৰ দি সেই ধনৰ আধা পোৱাৰ পাছত সৰ্বদেৱৰ এজন পুতেকক জৈন ধৰ্ম দীক্ষা লবলৈ দিবলৈ ক'লে। ব্ৰাহ্মণাভিমানী সৰ্বদেৱে মুনিজনৰ যাজ্ঞা অস্বীকাৰ কৰিলে। পিছত শোভনে জৈনমত গ্ৰহণ কৰি মুনিব্ৰত ললে। ভায়েকৰ উপদেশ মতে পিছত ধনপালেও জৈনধৰ্ম গ্ৰহণ কৰে আৰু এজন বিশিষ্ট কবি আৰু পণ্ডিত হিচাপে খ্যাতি লাভ কৰে।

ধনপাল বাক্পতিৰাজ, অমোঘবৰ্ষ আৰু উৎপলৰাজ খিতাপেৰে বিভূষিত ৰজা মুঞ্জ আৰু তেওঁৰ উত্তৰাধিকাৰী ৰজা ভোজৰ সভাস্থ অন্যতম পণ্ডিত আছিল। মুঞ্জ আৰু ভোজৰদ্বাৰা তেওঁ সমাদৃত আৰু সন্মানিত হৈছিল। ৰজা মুঞ্জই (খৃ° ৯৭৫-১০২২) তেওঁৰ কবি প্ৰতিভাৰ স্বীকৃতি স্বৰূপে তেওঁক 'সৰস্বতী উপাধি দিয়ে। ইয়াৰ উল্লেখ ধনপালে তিলকমঞ্জৰীত কৰিছে—

তজ্জন্মা জনকাঙ্ঘ্ৰিপংকজৰজঃ সেৱাপ্ত-বিদ্যালৱো
বিপ্ৰঃ শ্ৰীধনপাল ইত্যবিশদামেতামবধ্নাৎ কথম্।
অক্ষুণ্ণোঽপি বিবিক্তসূক্তিৰচনে যঃ সৰ্ববিদ্যাব্ধিনা
শ্ৰীমুঞ্জেন সৰস্বতীতি সদসি ক্ষোণীভৃতা ব্যাহৃতাঃ ॥

ভোজৰাজৰ ৰাজসভাতো তেওঁ প্ৰতিষ্ঠা লাভ কৰে আৰু তেওঁ প্ৰেৰণাতে ধনপালে 'তিলকমঞ্জৰী' নামে গদ্যকাব্য (কথা) ৰচনা কৰে। গ্ৰন্থখনি জৈন আখ্যানৰ ওপৰত ভেটি কৰি ৰচিত। ভোজ নিজে কলা-সাহিত্যত নিপুণ বিদ্বান হৈও জৈন আখ্যানৰ বিষয়ে জানিবলৈ আগ্ৰহ দেখুৱাত ধনপালে তেওঁৰ হেপাহ পূৰাবলৈ তিলক মঞ্জৰী

ৰচনা কৰে। সুদীৰ্ঘ ৰচনাখন খণ্ডখণ্ডকৈ লিখি ধনপালে ৰজাৰ হাতত দিছিল। এবাৰ ইমানতো গ্ৰন্থখন সম্পূৰ্ণ নোহোৱাত ৰজাই অধৈৰ্য্য হৈ গ্ৰন্থৰ পাণ্ডুলিপিবোৰ পুৰি পেলাবলৈ আদেশ কৰে। তেতিয়া ধনপালৰ দুঃখৰ বাকী নোৰোৱা হ'ল। কিন্তু তেওঁৰ সৰু ছোৱালী তিলক মঞ্জৰীয়ে ধনপালে নজনাকৈ আখ্যানভাগৰ প্ৰতিশাৰী নিয়াৰিকৈ মুখস্থ ৰাখিছিল। কন্যাজনীয়ে দেউতাকক তাৰ সম্ভেদ দিলে আৰু তিলক-মঞ্জৰীৰ স্মৃতিৰপৰা পুনঃ লিপিবদ্ধ কৰা হয়। সেয়ে জীয়েকৰ নামেৰে গ্ৰন্থখনৰ নামাকৰণ কৰা হয়।

তিলকমঞ্জৰীৰ কথা তেনেই বিস্তৃত। ইয়াত তিলকমঞ্জৰী আৰু সমৰকেতুৰ প্ৰেমকথা বৰ্ণিত হৈছে। ই কাদম্বৰীৰ সুন্দৰ অনুকৰণ। কাদম্বৰীত পোৱা প্ৰয়েবোৰ উল্লেখ-যোগ্য ঘটনাৰ সমান্তৰাল বৰ্ণনা ইয়াত নিহিত হৈছে। সৰল প্ৰকাশভংগী আৰু কল্পনা-প্ৰৱণতাৰে অন্বিত ধনপালে সফলভাৱে বাণক অনুকৰণ কৰিছে। প্ৰস্তাৱনাত ধনপালে তেওঁৰ ভালেমান পূৰ্বসূৰী কৱি পৰমাৰ পাৰ্থিৱৰ প্ৰশংসা কৰিছে। বাণ, ভৱভূতি, ৰাজশেখৰে, ৰুদ্ৰ, মহেন্দ্ৰ আৰু কৰ্দমৰাজৰ নামোল্লেখ চকুত লগা।

তেওঁ 'ঋষভপঞ্চাশিকা' নামে ৫০ টা শ্লোকৰ অন্যতম পুথি এখন প্ৰাকৃতত ৰচনা কৰে।

**বাদীভসিংহ ঃ** বাদীভসিংহ দিগম্বৰ জৈন সম্প্ৰদায়ভুক্ত বুলি জনাজাত। তেওঁ জৈন মুনি পুষ্পসেনৰ শিষ্য আছিল। তেওঁৰ প্ৰকৃত নাম ওদেয়দেৱ। তেওঁৰ সৈতে বাদানুবাদত প্ৰবৃত্তজনক সিংহই হাতীক যিদৰে পৰাস্ত কৰে তেনে কৰা বাবে তেওঁ লোকসমাজত বাদীভসিংহ নামে জনাজাত হয়। তেওঁ বৰ্তমান তামিলনাডুৰ দক্ষিণত থকা টিন্নেভেলি সম্প্ৰদায়ত জন্মিছিল।

এঘাৰটি লম্ভ বিভাগত বিভক্ত গদ্যচূড়ামণি নামে তেওঁৰ ৰচিত গ্ৰন্থত ৰজা সত্যধৰ আৰু তেওঁৰ পুত্ৰ জীৱন্ধৰৰ জীৱন-কথাৰ বৰ্ণনা দিছে। পিতাপুত্ৰই সন্ন্যাস লভালৈকে বৰ্ণনা দিয়া হৈছে। গুণভদ্ৰকৃত উত্তৰ পুৰাণৰপৰা বিষয়বস্তুৰ মূল আহৰণ কৰা হৈছে। গ্ৰন্থখন নীতিধৰ্মৰ উপদেশেৰে ভৰা।

বাদীভৰ কাল খৃষ্টাব্দ একাদশ শতিকা।

**সোড্ঢল ঃ** সোড্ঢল গুজৰাটৰ ভিতৰুৱা বলভ শাখাৰ কায়স্থ ক্ষত্ৰিয় আছিল। সোড্ঢলে লৰালিতে দেউতাক হেৰুৱায়। সেয়ে মোমায়েক গঙ্গাধৰে তেওঁক লালন-পালন কৰে। তেওঁৰ চন্দ্ৰৰ ওচৰত পঢ়া-শুনা কৰে। পাছত কোঙ্কনৰ ৰাজধানী স্থানকৰ (থানাৰ) ৰাজসভালৈ যায়। তেওঁ তিনিজন ৰাজন্য ভ্ৰাতাৰ পৃষ্ঠপোষকতা লাভ কৰে। তেওঁলোক হ'ল চিত্তৰাজা, নাগাৰ্জুন আৰু মুন্মুনি ৰাজা। এওঁলোকে একাদিক্ৰমে উত্তৰাধিকাৰসূত্ৰে ৰাজত্ব কৰে। চিত্ত আৰু তেওঁৰ ভায়েকে একাদশ শতিকাত ৰাজত্ব কৰিছিল। তেওঁ চালুক্যৰাজ বৎসৰ ৰাজসভাতো সন্মানিত হৈছিল। বৎসৰ ৰাজত্ব কালতে তেওঁ ১০২৬—১০৮০ খৃষ্টাব্দৰ ভিতৰত উদয়সুন্দৰীকথা ৰচনা কৰে। বৎসই



এবাৰ বিদ্ৰূপ কৰি সোড্ঢলক কৈছিল যে এটাঁয়া শ্লোক ৰচনা কৰাত ৰচকৰ বিশেষ গুণাগুণ বুজা নাযায়। বৰঞ্চ মালা গঁথাৰ দৰে সুসম্বদ্ধ কাব্য ৰচনা কৰিলেহে কৱিৰ মহত্ত্ব বুজিবপাৰি। ৰজাৰ অভিপ্ৰায় বুজি সোড্ঢলে কিছুদিনৰ ভিতৰতে উদয়সুন্দৰী কথা ৰচনা কৰি উলিয়ায়।

উদয়সুন্দৰী কথাত ৮টা উচ্ছ্বাস আছে। নাগলোকৰ ৰজা শিখণ্ডটিলৰ কন্যা উদয়-সুন্দৰী প্ৰতিষ্ঠানৰ ৰজা মলয়বাহনৰ মাজত অনুষ্ঠিত বিৱাহলৈকে কাব্যত বৰ্ণনা কৰা হৈছে। প্ৰথম উচ্ছ্বাস কৱিয়ে নিজৰ বংশাৱলী, বংশৰ প্ৰশংসা আৰু কাব্য ৰচনাৰ ভূমিকা দাঙি ধৰিছে। ২য় উচ্ছ্বাসৰপৰাহে প্ৰকৃত কাহিনী আৰম্ভ হৈছে।

**বামণভট্ট বাণ ঃ** বামণভট্টৰ বেমভূপাল চৰিত পিছৰ যুগৰ এক উল্লেখনীয় গদ্য কাব্য। পঞ্চদশ শতাব্দীৰ ৰেড্ডীবংশীয় বেমভূপালৰ ঐতিহাসিক তথ্যৰ আধাৰত ৰচিত 'চৰিত' পুথিখন নিতান্ত বুৰঞ্জীমূলক কাব্য বুলিলে অত্যুক্তি কৰা নহয়। এই কাব্যৰ জৰিয়তে কৱিয়ে বাণৰ দৰে যশস্যা লাভ কৰিবলৈ যত্নপৰ হোৱা কথা তেওঁ নিজে মুকলিকৈ স্বীকাৰ কৰিছে।

# চতুর্থ অধ্যায় (খ)

## চম্পূকাব্য

গদ্য আৰু পদ্য দুয়োবিধৰ সংমিশ্ৰণ কৰি ৰচিত সাহিত্য বা কাব্যকে চম্পূ নামে অভিহিত কৰা হয়। দণ্ডীয়ে চম্পূৰ সজ্ঞাত এনে তথ্যকে তুলি ধৰি কৈছে, 'গদ্য পদ্যময়ং-কাব্যং চম্পূৰিত্যভিধীয়তে।' যজুৰ্বেদ আৰু অথৰ্ববেদৰ মন্ত্ৰসংহিতাসমূহতে পোনতে গদ্য আৰু পদ্যৰ সংমিশ্ৰণ চকুত পৰে। পৰবৰ্তী ব্ৰাহ্মণ সাহিত্যতো এনে লক্ষণ দেখা পোৱা যায়। উদাহৰণস্বৰূপে ঋগ্বেদৰ ভিতৰৰা ঐতৰেয় ব্ৰাহ্মণৰ নাম লব পাৰি। তাত শুনঃশেপৰ আখ্যান বৰ্ণাওঁতে গদ্যৰ বহুলতাৰ মাজে মাজে 'গাথাৰ' প্ৰয়োগ দৃষ্ট হয়। মহাভাৰতৰ গদ্যাংশৰ মাজতো শ্লোৰৰ প্ৰয়োগ চকুত পৰে। অৱশ্যে বৌদ্ধ-পালি সাহিত্যত, বিশেষতঃ সুত্তপিটকৰ ভিতৰৰা সাহিত্যৰাজিত এনে শৈলীৰ বাহুল্য ভূয়সি দেখিবলৈ পোৱা যায়। পৰবৰ্তী পঞ্চতন্ত্ৰ আৰু হিতোপদেশ, শুকসপ্ততি আদি কথাত ই বিশেষৰূপে সুষমামণ্ডিত ৰূপত পৰিদৃষ্ট হৈছে। সেয়ে হলেও দণ্ডী প্ৰভৃতি আলঙ্কাৰিকে ইবোৰক 'চম্পূ' বোলা নাই। তেওঁলোকৰদ্বাৰা নিৰ্দিষ্ট সংজ্ঞাৰ 'চম্পূ'ৰ উদয় হয় দশম শতিকাত। সুবন্ধু, বাণ আৰু দণ্ডীৰ কথা আৰু আখ্যায়িকাৰ ছত্ৰছায়াত বা তাৰ প্ৰতিফলনৰূপেহে সাহিত্যত অভিনৱত্ব আনয়নৰ অজুহাতত 'চম্পূ'কাব্য ৰচিত হ'বলৈ ধৰে। দণ্ডীয়ে ৭ম-৮ম শতিকাত চম্পূৰ সংজ্ঞা ৰচি গৰেও তেতিয়া ৰচনা কৰা চম্পূৰ কোনো নিদৰ্শন উপলব্ধ হোৱা নাই।

চম্পূকাব্যত গদ্য আৰু পদ্যৰ আনুপাতিক পৰিমাণ সম্বন্ধে আলংকাৰিবসকল নিমাত। অন্য গদ্যকাব্যৰপৰা ইয়াৰ পাৰ্থক্য এইখিনিতে দেখা যায় যে চম্পূত গদ্যতে কাহিনীভাগ বৰ্ণিত হয়, মাথোন আবেগিক ভাবানুভূতি পদ্যত প্ৰকাশ পায়। পিছলৈ অৱশ্যে এনে সামঞ্জস্যকৰ দৃষ্টি-ভঙ্গীৰো অভাৱ হয়গৈ। চম্পূৰ কথাবস্তু সচৰাচৰ পুৰণি বা প্ৰচলিত আখ্যানৰ ভেটীতে গঢ়া হয়।

**ত্ৰিবিক্ৰমভট্ট ঃ** ত্ৰিবিক্ৰমভট্ট আছিল শাণ্ডিল্যগোত্ৰীয় দেৱাদিত্য ওৰফে নেমাদিত্যৰ অন্যতম পুত্ৰ আৰু শ্ৰীধৰৰ পৌত্ৰ। তেওঁ ৰাষ্ট্ৰকূট ৰাজবংশৰ ৰজা ৩য় ইন্দ্ৰৰ (খৃ. ৯১৪-৯১৬) সভাকৱি। এইজন ইন্দ্ৰই প্ৰতিহাৰ বংশীয় ৰজা মহীপতিৰ সময়ত সেই বংশৰ পৰালি পাৰে আৰু কনৌজ দখল কৰে। ত্ৰিবিক্ৰম ভট্টই ইন্দ্ৰৰ এক 'শাসন' ৯১৫ চনত ৰচনা কৰে বুলি জনা যায়। ত্ৰিবিক্ৰমে তেওঁৰ কাব্যত বাণভট্টৰ উল্লেখ কৰিছে। আনহাতে ভোজে সৰস্বতীকণ্ঠাভৰণত ত্ৰিবিক্ৰমৰ নামোল্লেখ কৰিছে।

ত্ৰিবিক্ৰমে **নলচম্পূ** ৰচনা কৰা সম্বন্ধে জনশ্ৰুতি আছে। এবেলি পিতৃ দেৱাদিত্য অন্যকাৰ্যত ব্যাপৃত হৈ ৰাজসভাত অনুপস্থিত থকাসময়তে ঈৰ্ষালু পণ্ডিত এজনে সভালৈ আহি তেওঁৰ প্ৰতিস্পৰ্ধী হৈ থিয় দিলে। ৰজাই অগত্যা দেৱাদিত্যৰ পুতেক ত্ৰিবিক্ৰমকে



পিতৃৰ হৈ প্ৰতিদ্বন্দ্বীৰ বাদৰ উত্তৰ দিবলৈ ক'লে। ত্ৰিবিক্ৰমে সৰস্বতীক প্ৰাৰ্থনা জনাই বাদৰ উত্তৰ দিবলৈ ওলাল। তেওঁৰ হাতত প্ৰতিস্পৰ্ধী পণ্ডিতৰ স্পৃহা নিমজ্জিত হ'ল। তেওঁ ৰাজসমাদৰ লাভ কৰিলে। তেওঁ হেনো সভাতে আকস্মিক ভাৱে নলচম্পূ ৰচিবলৈ আৰম্ভ কৰিলে আৰু ৭ম উচ্ছ্বাসলৈকে গ্ৰন্থ পূৰ্ণ হওঁতেই তেওঁৰ পিতৃ দেৱাদিত্য আহি সভাস্থলী পালে আৰু পিতৃৰ আগমনত তেওঁ ৰচনাৰপৰা বিৰত হ'ল। সেয়ে আজিও আমি নলচম্পূ ৭ উচ্ছ্বাসতে পাইছে। ত্ৰিবিক্ৰমে তাক পূৰ্ণ কৰাৰ প্ৰচেষ্টা নকৰিলে।

মহাভাৰতৰ বনপৰ্বত বৰ্ণিত নলাখ্যানক উপজীব্য কৰি নলচম্পূ বিৰচিত হৈছে। ত্ৰিবিক্ৰমে সুবন্ধু আৰু বাণক পাৰ্যমানে অনুকৰণ কৰিছে। তেওঁ গঙ্গা আৰু যমুনা সম্বন্ধে অতিশয়োক্তি কৰা বাবে তেওঁক যমুনা-ত্ৰিবিক্ৰম বুলিও কোৱা হয়।

ত্ৰিবিক্ৰম ভট্টক মদালসা চম্পূৰো ৰচক বুলি কোৱা হয় (কৃষ্ণমাচাৰ্য্য, পৃ. ৪৯৮)।

**সোমদেৱ সূৰি ঃ** সোমদেৱৰ দুখন গ্ৰন্থ উপলব্ধ হয় ঃ **যশস্তিলক** (কাব্যমালা ৭০, প্ৰথম আৰু দ্বিতীয় ভাগ, বোম্বে, ১৯০১) আৰু **নীতিবাক্যামৃত** (মাণিকচন্দ্ৰ দি জৈন গ্ৰন্থমালা ২২, বোম্বে, ১৯২২)। যশস্তিলকক যশোধৰ মহাৰাজচৰিত বুলিও জনা যায়।

যশস্তিলকৰ শেষত সোমদেৱে নিজৰ বিষয়ে বহুতো কথা উল্লেখ কৰিছে। তেওঁ দেৱসংঘ নামে জৈন সম্প্ৰদায়ভুক্ত মুনি আছিল। সোমদেৱ নেমিদেৱৰ শিষ্য আৰু যশোদেৱৰ প্ৰশিষ্য আছিল। নীতিবাক্যামৃতত তেওঁৰ মহেন্দ্ৰদেৱ নামে ভায়েক এজনৰো উল্লেখ কৰিছে। তাৰপৰা আকৌ এই কথাও জনা যায় যে তেওঁ 'স্যাদবাদাচলসিংহ', 'তাৰ্কিকচক্ৰবৰ্তী', 'বাদীভপঞ্চানন' 'বাক্কলোলপয়োনিধি' আৰু 'কৱিকুলৰাজ' প্ৰভৃতি উপাধিৰে বিভূষিত আছিল।

সোমদেৱে ৮৮১ শকৰ (৯৫৯ খৃষ্টাব্দৰ) চ'ত মাহৰ মদন ত্ৰয়োদশী তিথিত যশস্তিলক গ্ৰন্থ ৰচনা কৰিছিল জনা যায়। সেই সময়ত কৃষ্ণৰাজদেৱে পাণ্ড্য, চোল, চেৰা, সিংহল প্ৰভৃতিৰ ওপৰত নিজৰ প্ৰভুত্ব বিস্তাৰ কৰিছিল আৰু মেলপাটীত ছাউনি পাতি আছিল। সোমদেৱে চালুক্যৰাজ ২য় অৰিকেসৰিৰ পুত্ৰ আৰু ৩য় অৰিকেসৰিৰ পিতৃ ভদ্ৰদেৱ ওৰফে বাদ্যগ ওৰফে বদ্দিগৰ ৰাজত্ব কালত ৯৫৯ খৃষ্টাব্দত যশস্তিলক ৰচনা কৰে (কে, কে, সন্দিকৈ, পৃষ্ঠা ১—৩)। বাদ্যগ বা বাগৰাজৰ ৰাজধানী গঙ্গাধাৰাত তেওঁ উক্ত গ্ৰন্থ ৰচনা কৰিছিল। তেওঁ বাদ্যগ, ৩য় অৰিকেসৰিৰ সমকালীন হলেও তেওঁ কাৰো পৃষ্ঠপোষকতা লাভ কৰাৰ প্ৰমাণ নাই।

জৈন আচাৰ্য্য সোমদেৱসূৰিয়ে জৈন নীতি আৰু ধৰ্মীয় মতবাদ দাঙি ধৰিবলৈ যশস্তিলক ৰচনা কৰে। মৰিদত্ত নামে এজন কামপৰতন্ত্ৰ ৰজাই নিজৰ কামনাসিদ্ধি কৰিবলৈ পুৰোহিতৰ উপদেশ মতে এটি যজ্ঞানুষ্ঠান পাতে আৰু তাত বলিদিবলৈ সকলো জীৱ-জন্তুৰ এজোৰ বা এহাল সংগ্ৰহ কৰি আনে। একে উদ্দেশ্যৰে এহাল যজা ভাই-ভনীকো তালৈ অনা হয়। যথাৰ্থতে তেওঁলোক ৰজাৰ ভনীয়েকৰ যমজ সন্তান।

হৈছে। তাৰে প্ৰথম তিনিটা উচ্ছ্বাসত ( ১-৩ ) বাণৰ বংশোৎপত্তি আৰু পূৰ্বজসকলৰ তথা নিজৰ আগবয়সৰ 'আত্মকথা' বৰ্ণিত হৈছে। বাকী পাঁচটা উচ্ছ্বাসত ( ৪-৮ ) হৰ্ষবৰ্ধনৰ আগজীৱনৰ কথা পূৰ্বজসকলৰ বুৰঞ্জীসহ কথিত হৈছে।

প্ৰথম উচ্ছ্বাসৰ আৰম্ভতে বাণে উপাস্য দেৱ-দেৱী শিৱ আৰু উমাৰ স্তুতি। তাৰ পাছত মহাভাৰতৰ ৰচক ব্যাসৰ বন্দনা গাই উঠি কুকৱি আৰু সুকৱিৰ চৰ্চা কৰিছে। আখ্যায়িকাকাৰ আৰু বাসৱদত্তাৰ ৰচক ভট্টাৰহৰিশ্চন্দ্ৰ, সাতবাহন, প্ৰৱৰসেন, ভাস, কালিদাস, আৰু বৃহৎকথাৰ প্ৰশংসা কৰিছে। লগতে হৰ্ষবৰ্ধনৰ জয় কামনা কৰি গ্ৰন্থাৰম্ভ কৰিছে।

এই উচ্ছ্বাসত দুৰ্বাসাৰ অভিশাপত পৃথিৱীলৈ অৱনমিত সৰস্বতীৰ গৰ্ভত দধীচৰ ঔৰসত সাৰস্বতৰ জন্ম আৰু ভাৰ্গৱ বংশীয় ব্ৰাহ্মণৰ ঔৰসত তেওঁৰ পত্নী অক্ষমালাৰ গৰ্ভত বৎসৰ জন্ম কথা কোৱা হৈছে। সৰস্বতীৰ প্ৰত্যাৱৰ্তনৰ পাছত দধীচৰ আগ্ৰহ ক্ৰমে অক্ষমালাই আপোন পুত্ৰৰেসৈতে সাৰস্বতক লালন-পালন কৰে। বৎসই সাৰস্বতৰ ওচৰত বিদ্যালাভ কৰে। বৎসৰ বংশজ চিত্ৰভানুৰ ঔৰসত আৰু ৰাজদেৱীৰ গৰ্ভত বাণৰ জন্ম হয়। সৰুতে তেওঁৰ মাতৃ বিয়োগ হয় আৰু উপনয়ন সংস্কাৰৰ পিছত চৈধ্য বছৰতে পিতৃ চিত্ৰভানুৱে নৰলীলা সামৰে। কম বয়সতে পিতৃ-মাতৃক হেৰুৱাই বাণ শোকসন্তপ্ত কিছুদিন ঘৰতে থাকে। তাৰ পাছত বন্ধু-বান্ধৱৰসৈতে দেশ ফুৰিবলৈ ওলাই যায়। ভ্ৰমণান্তত তেওঁ অনেক জ্ঞান আৰু অভিজ্ঞতাৰে পুষ্ট হৈ ঘৰলৈ উভতি আহে।

দ্বিতীয় উচ্ছ্বাসত হৰ্ষৰ ভ্ৰাতা কৃষ্ণৰ অনুৰোধক্ৰমে বাণে কিদৰে সম্ৰাট হৰ্ষৰসৈতে সাক্ষাৎকাৰ কৰিছিল তাৰ বৰ্ণনা পোৱা যায়। তৃতীয় উচ্ছ্বাসত বাণে ৰাজসাক্ষাৎকাৰৰ পাছত উভতি আহি স্বজন-বন্ধুবৰ্গৰপৰা পোৱা সমাদৰৰ চিত্ৰ অঙ্কিত হৈছে। তাতে শ্যামল প্ৰভৃতিৰ অনুৰোধত বাণে হৰ্ষৰ চৰিত কীৰ্তন কৰিবলৈ সন্মতি প্ৰকাশ কৰে।

তৃতীয় উচ্ছ্বাসৰ মাজৰপৰা প্ৰকৃত হৰ্ষচৰিত আৰম্ভ হয়। শ্ৰীকণ্ঠ জনপদত স্থাণ্বীশ্বৰ নামে প্ৰদেশৰ ৰজা পুষ্পভূতি আৰু সাধক ভৈৰৱাচাৰ্য্যৰ মিত্ৰতাক্ৰমে ভৈৰৱাচাৰ্য্যৰ বেতালসিদ্ধি আৰু পুষ্পভূতিৰ লক্ষ্মীৰপৰা বৰদান লাভৰ কথা বৰ্ণিত হৈছে। লক্ষ্মীৰ বৰতেই পুষ্পভূতিৰ বংশত চক্ৰবৰ্তী ৰজা হৰ্ষৰ উৎপত্তি হোৱাৰ সঙ্কেত কৰা হয়।

চতুৰ্থ উচ্ছ্বাসত পুষ্পভূতিৰ বংশত জন্ম লোৱা ৰাজাধিৰাজ প্ৰভাকৰ বৰ্ধন আৰু তেওঁৰ মহিষী যশোমতীৰ বৰ্ণনা কৰা হৈছে। স্বপ্নাদেশক্ৰমে প্ৰথম পুত্ৰ ৰাজ্যবৰ্ধনৰ জন্ম, তাৰ পাছত ক্ৰমে হৰ্ষবৰ্ধন আৰু ৰাজ্যশ্ৰীৰ জন্মকথাও বিস্তৃতভাৱে বৰ্ণিত হৈছে। যশোমতীৰ ভায়েকৰ পুতেক ভণ্ডি আৰু মালৱৰ ৰাজকুমাৰ কুমাৰগুপ্ত আৰু মাধৱগুপ্তক ৰাজ্যবৰ্ধন আৰু হৰ্ষবৰ্ধনৰ লগৰীয়া কৰি দিয়া হয়। তাৰ পাছত মৌখৰি বংশীয় ৰজা অৱন্তিবৰ্মাৰ পুত্ৰ গ্ৰহবৰ্মাৰসৈতে ৰাজ্যশ্ৰীৰ বিবাহৰ বৰ্ণনা কৰা হৈছে।



পঞ্চম উচ্ছ্বাসত আছে ৰাজ্যবৰ্ধনৰ উত্তৰাপথৰ বিজয় যাত্ৰাৰ বিৱৰণ। ইতিমধ্যে হঠাতে ৰজা প্ৰভাকৰবৰ্ধন দাহজ্বৰৰ কবলত পৰে। ৰাজ্যৰ বাহিৰত থকা হৰ্ষবৰ্ধনে সেই খবৰ পাই উভতি আহি পিতৃৰ ৰোগাৱস্থা দেখি ম্ৰিয়মাণ হয়। ৰজাই আৰোগ্য লাভ নকৰিব বুলি জানি ৰাজমহিষীয়ে অগ্নিত প্ৰৱেশ কৰে। সিদিনাই গোধূলিবেলা ৰজা প্ৰভাকৰ বৰ্ধনৰ প্ৰত্যাৱৰ্তনৰ কাৰণে অপেক্ষা কৰে।

ষষ্ঠ উচ্ছ্বাসত শোকৰ জাউৰি অধিক ব্যাপক আৰু গভীৰ হয়। প্ৰভাকৰ বৰ্ধনৰ মৃত্যুৰ পাছত হুন জয় কৰি অহা ৰাজ্যবৰ্ধনে দুঃখ-শোকে ৰাজপাটত বহিল যদিও উশাহ লবলৈ নৌপাওঁতেই মালৱৰ ৰজাৰ হাতত গ্ৰহবৰ্মাৰ মৃত্যু আৰু ৰাজ্যশ্ৰীৰ বন্দীদশাৰ সমাচাৰে স্থাণ্বীশ্বৰত সকলোকে কাতৰ কৰি তোলে। খবৰ পায়েই ৰাজ্যবৰ্ধনে শাসনভাৰ হৰ্ষৰ হাতত এৰি দি মালৱৰাজক এসেকা দিবলৈ ভণ্ডিসহ দহ হাজাৰ অশ্বাৰোহী লগত লৈ যাত্ৰা কৰে। দিন দিয়েকৰ পাছত ৰাজ্যবৰ্ধনৰ বিশ্বাসৰ পাত্ৰ কুন্তল গৌৰ ৰজাই বিশ্বাসঘাটকতা কৰি ৰাজ্যবৰ্ধনক নিৰ্মমভাৱে বধ কৰা কথা হৰ্ষক জনালেহি। এই নিদাৰুণ বতৰা পাই হৰ্ষবৰ্ধন জ্বলি উঠিল ক্ৰোধৰ জালাত। তেওঁ শত্ৰুসকলক পুলি-পোখাই বিনষ্ট কৰিবলৈ আয়োজন কৰিলে।

সপ্তম উচ্ছ্বাসত হৰ্ষৰ বিজয়যাত্ৰা বৰ্ণিত হৈছে। বিজয়াৰ্থে ওলাই গৈ হৰ্ষই বাহাস্থানমণ্ডপত বওঁতেই প্ৰাগজ্যোতিষেশ্বৰৰপৰা হংসবেগ নামে দূত আহি হৰ্ষক সাক্ষাৎ কৰে আৰু কুমাৰ ভাস্কৰবৰ্মাই দি পঠোৱা আভোগ নামৰ শ্বেতপত্ৰ দান কৰে। দূতে ভাস্কৰবৰ্মাই হৰ্ষৰসৈতে সুদৃঢ় মিত্ৰতা কামনা কৰা কথাৰ বিজ্ঞাপন দিয়ে। কুমাৰৰ প্ৰস্তাৱ স্বীকাৰ কৰি হংসবেগৰ হাতত কুমাৰলৈ নানান উপহাৰ দি হৰ্ষই প্ৰাগ্‌জ্যোতিষপুৰলৈ প্ৰত্যাৱৰ্তন কৰায়।

ইয়াত ভণ্ডিয়ে মালৱৰ কুশস্থল অধিকাৰ আৰু ৰাজশ্ৰীৰ কাৰাগাৰৰপৰা অন্তৰ্ধান হোৱা বতৰা হৰ্ষক জনায়হি। ৰাজ্যশ্ৰী বিন্ধ্যাটৱীত প্ৰৱেশ কৰা কথা শুনি ভণ্ডিক গৌড়ৰ ফালে যুদ্ধ কৰি যাবলৈ আদেশ কৰি হৰ্ষই নিজে ৰাজশ্ৰীৰ অনুসন্ধান কৰিবলৈ বিন্ধাৰণ্যত প্ৰৱেশ কৰে।

অষ্টম উচ্ছ্বাসত হৰ্ষ-দিবাকৰ সংবাদ আৰু ৰাজ্যশ্ৰী উদ্ধাৰৰ বৰ্ণনা আছে। বিন্ধ্যাৰণ্যত দিনদিয়েক ইতস্ততঃ ঘূৰি ফুৰোঁতে এদিন শবৰ যুবক নিৰ্ঘাতে অৰণ্যৰ মাজত আশ্ৰম পাতি বাস কৰা দিবাকৰ মিত্ৰ নামে বৌদ্ধ ভিক্ষুৰ কথা হৰ্ষক জনালে। হৰ্ষই দিবাকৰ মিত্ৰক দেখা কৰি ৰাজ্যশ্ৰীৰ বিষয়ে জানিবলৈ বিচাৰোঁতে ভিক্ষু এজনে এটি বতৰা দিয়েহি। 'তাৰে পম খেদি গৈ হৰ্ষবৰ্ধনে প্ৰজ্বলিত অগ্নিত আত্মাহুতি দিবলৈ উদ্যত অৱস্থাতে ৰাজ্যশ্ৰীক ৰক্ষা কৰে।

দিবাকৰ মিত্ৰৰ আশ্ৰমত নিশাটো থাকি পিছদিনা পুৱাবেলা ভিক্ষুৰ অনুমতিক্ৰমে তাৰপৰা গঙ্গাৰ তীৰত থকা নিজ বাহৰলৈ উভতি আহে।

এয়ে হৰ্ষচৰিতৰ কথা।

কোনো কোনো পণ্ডিতে (কীথ, কাণে প্ৰভৃতিয়ে) হৰ্ষচৰিত অসম্পূৰ্ণ গ্ৰন্থ বুলি
কোনো কোনো পণ্ডিতে 'হৰ্ষচৰিত' এক পূৰ্ণ গ্ৰন্থ বুলি
অভিমত প্ৰকাশ কৰে। আনহাতে ভালেমান পণ্ডিতে 'হৰ্ষচৰিত' এক পূৰ্ণ গ্ৰন্থ বুলি
দাঠি কয়। বিচাৰ কৰিলে এই তথ্য ওলাই পৰে যে বাণে প্ৰথমবাৰ হৰ্ষবৰ্ধনক দেখা-
সাক্ষাৎ কৰি প্ৰীতিকূটলৈ উভতি অহাৰ পাছতে জ্ঞাতি-বন্ধুবৰ্গৰ অনুৰোধ ক্ৰমে 'হৰ্ষচৰিত'
বৰ্ণনা কৰে। তেতিয়ালৈ হৰ্ষৰ জীৱনত ঘটা আৰু বাণে জনা বা শুনা ৰাজকীয় কথাবোৰ
আলোচ্য গ্ৰন্থত বিবৰি কৈছে। হৰ্ষৰ জীৱনকালতে তেওঁৰ সম্পূৰ্ণ জীৱন গাথা বাণেহে
নেলাগে আনেও ৰচিবলৈ নোৱাৰে। গ্ৰন্থৰ অন্তিম চৰণলৈ চকু দিলেও তাক বুজা
যায়। কোনো কোনো সংস্কৰণৰ (ফ্যুৰৰ সংস্কৰণ) অষ্টম উচ্ছ্বাসৰ অন্তত 'ভদ্ৰমোম্'
শব্দৰ যোজনাই গ্ৰন্থ সমাপ্তিকে বুজাইছে; কিয়নো তেনে বাক্য অন্যত্ৰ— আন
উচ্ছ্বাসৰ অন্তত দেখা নাযায়।

**হৰ্ষচৰিতৰ বিশেষত্ব ঃ** হৰ্ষচৰিত এখন ঐতিহাসিক কাব্য। যদিও বাণে
হৰ্ষচৰিতত এহাতে ৰচক
ৰচনাৰ কোনো চন-তাৰিখ ক'তো উল্লেখ কৰা নাই তথাপি হৰ্ষচৰিতে এহাতে ৰচক
বাণৰ বিষয়ে ভালেখিনি তথ্য আমাক নিশ্চিতকৈ জানিবলৈ দিছে, আৰু আনহাতে বাণৰ
পৃষ্ঠপোষক হৰ্ষবৰ্ধনৰ পূৰ্বপুৰুষ আৰু তেওঁৰ নিজৰ বিষয়ে অনেক ঐতিহাসিক তথ্য
সন্দেহাতীতভাৱে জনাত সহায় কৰিছে।

হৰ্ষচৰিতৰ সাংস্কৃতিক প্ৰমূল্যও কম নহয়। কাব্য আৰু কলাৰ প্ৰতি লোকানুৰাগৰ
পৰিচয় হৰ্ষচৰিতে আমাক জনায়। প্ৰথম উচ্ছ্বাসতে আমি পদগোষ্ঠী, কাব্যগোষ্ঠী,
জল্পগোষ্ঠী, গীতগোষ্ঠী, নৃত্যগোষ্ঠী, বাদ্যগোষ্ঠী, বীণাগোষ্ঠী আদি পাৰিভাষিক শব্দৰাজিয়ে
সিকালত আনুষ্ঠানিক তথা সংঘবদ্ধকৈ কলা-সংস্কৃতিৰ চৰ্চাৰ কথা সূচায়। 'গোষ্ঠী' সমূহক
কেন্দ্ৰ কৰি তেতিয়া কাব্য, আখ্যান, আখ্যায়িকা, ইতিহাস, পুৰাণ আদি ব্যাখ্যান
কৰাৰ উপৰিও নৃত্য, গীত, বাদ্য, চিত্ৰাঙ্কন আদিৰো যে অনুশীলন কৰা হৈছিল তাত
সন্দেহ নাই।

তেতিয়া প্ৰচলিত নানান বেশ-ভূষা, পোছাক-পৰিচ্ছদ, কাপোৰ আদিৰ বিষয়ে
চতুৰ্থ উচ্ছ্বাসত কিছু তথ্য পোৱা যায়। তেতিয়া অনেক প্ৰকাৰৰ কাপোৰ তৈয়াৰ
হৈছিল। ক্ষৌমবস্ত্ৰ (পাৰিৰে তৈয়াৰী), বাদৰ (সূতী কাপোৰ), দুকূল (বঙ্গত
নিৰ্মিত কাপোৰ), লালাত তন্তুজ (কৌশেয় বস্ত্ৰ), পট্টাংশুক—চীনাংশুক (মুগা পলুৰ-
পৰা পোৱা পাটকাপোৰ), নেত্ৰ (ৰেশমী), স্তৱৰক (চন্দ্ৰাতপ বিশেষ) আদি।
সৈন্য সমাবেশৰ সময়ত নানান দেশীয় ৰজাৰ বেশ-ভূষাৰ বিষয়েও এই গ্ৰন্থত তথ্য
নিহিত আছে।

সেই সময়ত হিন্দুধৰ্ম অনেক সম্প্ৰদায়ত বিভক্ত আছিল। ৮ম উচ্ছ্বাসত বাণে
দিবাকৰ মিত্ৰ আশ্ৰমত সম্মিলিত উনৈশটা সম্প্ৰদায়ৰ লেখ দিছে, যেনে ভাগৱত,
বৰ্ণী, শ্বেতাম্বৰ, অৰ্হত, মস্কৰী, শ্বেতপট, পাণ্ডুৰিভিক্ষু, কেশলুঞ্চন, কাপিল, জৈন,
লোকায়তিক, কণাদ, ঔপনিষদ, ঐশ্বৰ কাৰণিক, কাৰন্ধমী, ধৰ্মশাস্ত্ৰী, পৌৰাণিক'



সাপ্ততন্তৱ, শাব্দ আৰু পাঞ্চৰাত্ৰিক। এই সম্প্ৰদায়সমূহে তেতিয়াৰ ধৰ্মদৰ্শনৰ ইতিহাসকো
উপস্থাপিত কৰে। আনকি বাণে তেতিয়া প্ৰচলিত সাংখ্য, বৈশেষিক, ন্যায় আৰু
বেদান্তৰ সমৰ্থক আৰু বৌদ্ধ দাৰ্শনিকৰ মাজত হোৱা প্ৰতিদ্বন্দ্বিতাৰ কথাও কৈছে।
হৰ্ষচৰিতত সেই কাল শিক্ষাবিষয়ক তথ্যও পোৱা যায়। সেই সময়ত নালন্দা,
কাশী, অৱন্তী, মথুৰা, তক্ষশিলা আদি নগৰ উচ্চ শিক্ষাৰ কেন্দ্ৰৰূপে জনাজত আছিল।
ইবিলাক নগৰত থকা গুৰুকুলসমূহত বেদ-বেদাঙ্গাদি শাস্ত্ৰচয়ৰ চৰ্চা অৱশ্যে হৈছিল।

**পদ্মগুপ্ত বা পৰিমল কালিদাস ঃ** মৃগাঙ্কগুপ্তৰ পুত্ৰ পদ্মগুপ্ত পৰমাৰ বংশৰ
ৰজা মুঞ্জৰ সভাকৱি আছিল। তেওঁৰ আৱিৰ্ভাৱ কাল ১০ম শতিকাৰ অন্তিম চৰণ।

**নৱ সাহসাঙ্ক চৰিত ঃ** পদ্মগুপ্তই ১৮ টা সৰ্গত **নৱসাহসাঙ্কচৰিত** কাব্য ৰচনা
কৰে। ইয়াত মালৱৰাজ সিন্ধুৰাজৰ ইতিহাস বৰ্ণিত হৈছে। কাব্যখনে নাগকন্যা
শশীপ্ৰভাৰে ৰজা সিন্ধুৰাজৰ বিয়াৰ বিশদ বিৱৰণ দিছে। এবাৰ সিন্ধুৰাজে মৃগয়াকালত
ডিঙিত সোণৰ হাৰ থকা মৃগলৈ বাণ নিক্ষেপ কৰে। হৰিণটো কথমপি সাৰি যায়।
হৰিণটো শশিপ্ৰভাৰ পোহনীয়া। তেওঁ কাড়ৰ চিহ্নৰপৰা মৃগয়াশীল ৰজাৰ পৰিচয়
পায়। ৰজায়ো মৃগটিক অনুসৰণ কৰি গৈ এটা সৰোবৰত চৰি ফুৰা ৰাজহাঁহ দেখিবলৈ
পায়। হাঁহটোৱে শশীপ্ৰভাৰ নামাঙ্কিত হাৰ এডাল ঠোঁটত লৈ আছিল। হাৰ বিচাৰি
অহা শশীপ্ৰভাৰ পৰিচাৰিকাই ৰজাক দেখিবলৈ পালে। নাগকন্যা শশীপ্ৰভাক লাভ
কৰিবলৈ নাগলোক আক্ৰমণ কৰিবলৈ পৰিচাৰিকাই ৰজাক অনুৰোধ কৰিলে। ৰজাই
সেই দৰে নাগলোক আক্ৰমণ কৰি ৰাজধানী ভোগৱতী পুৰস্থ ৰজা বজ্ৰাঙ্কুশ দানৱক মাৰি
তাৰ ক্ৰীড়াসৰোবৰৰপৰা স্বৰ্ণকমল আহৰণ কৰিলে আৰু শশীপ্ৰভাকো বিয়া কৰালে।
নিতান্ত চমু কাহিনীকে কাব্যখনত বাহুল্যকৈ বৰ্ণনা কৰিছে। ইয়াৰ ঐতিহাসিক
মূল্যও কম।

**বিল্হণ আৰু বিক্ৰমাঙ্কচৰিত ঃ** বিল্হণৰ জন্ম হয় কাশ্মীৰৰ পুৰণি ৰাজধানী
প্ৰৱৰপুৰৰ নিকটবৰ্তী কোণমুখত। তেওঁ জ্যেষ্ঠকলস আৰু নাগদেৱীৰ পুত্ৰ। তেওঁলোক
কৌশিকগোত্ৰীয় মধ্যদেশীয় ব্ৰাহ্মণ আছিল। কাশ্মীৰতে শিক্ষা গ্ৰহণ কৰি নানা ঠাই
পৰ্য্যটন কৰি শেষত তেওঁ কল্যাণৰ ৰজা চতুৰ্থ বিক্ৰমাদিত্য ত্ৰিভুৱনমল্লৰ (খৃ° ১০৭৬—
১১২৭) সভাত থিতাপি লয়। সম্ভৱতঃ ১০৮৮ খৃষ্টাব্দৰ আগতে বিল্হনে বিক্ৰমাঙ্কদেৱ-
চৰিত ৰচনা কৰে। তেওঁৰ কাল একাদশ শতিকাৰ অন্তিম চৰণ আৰু দ্বাদশ শতিকাৰ
আগভাগ হোৱা সম্ভৱ।

**বিক্ৰমাঙ্কদেৱ চৰিত ঃ** ই ওঠৰটা সৰ্গত ৰচিত। ইয়াত ৰচকে ত্ৰিভুৱনমল্লৰ
গৌৰৱ গাথা বৰ্ণনা কৰিছে। গ্ৰন্থখনত চালুক্যবংশীয় বিক্ৰমাদিত্যৰ পূৰ্বজ ৰজা সকলৰ
বিক্ষিপ্ত বৰ্ণনা কৰাৰ পাছত বিক্ৰমৰ পিতৃৰ ৰাজ্যজয়ৰ বিৱৰণ দিছে। ইয়াৰ পাছত
জ্যেষ্ঠ ভ্ৰাতা সোমেশ্বৰক সিংহাসনচ্যুত কৰি বিক্ৰমৰ সিংহাসন আৰোহণ আৰু কনিষ্ঠ
ভ্ৰাতাৰে সৈতে তেওঁৰ যুদ্ধৰ বৰ্ণনা কৰা হৈছে। কৰিয়ে চোলসকলৰ বিপক্ষে বিক্ৰমে কৰা

সমৰাভিযানৰ বৰ্ণনাও দিছে। কিন্তু সাফল্য কবিয়ে অতিৰঞ্জিত কবি বৰ্ণনা কৰিছে। কল্পনা আৰু অতি প্ৰাকৃতিক উপাদানৰ বাহুল্যই ঐতিহাসিক তথ্যৰ ক্ষতিসাধন কৰিছে। বিশেষতঃ ভগৱান শিৱে ৰজাৰ কাৰ্যত প্ৰায়েই হস্তক্ষেপ কৰা দেখুৱা হৈছে। ঋতুবৰ্ণনা, প্ৰাকৃতিক দৃশ্যৰ বৰ্ণনা আৰু অন্যান্য কৱি প্ৰিয় বৰ্ণনাই ঐতিহাসিক বৰ্ণনাৰ তুলনাত অধিক গুৰুত্ব লাভ কৰিছে। চন্দ্ৰলেখাৰ স্বয়ম্বৰ আৰু বিক্ৰমাদিত্য চন্দ্ৰলেখাৰ বিবাহোৎসৱ, তেওঁলোকৰ দাম্পত্য সুখোপভোগৰ দীঘলীয়া বিৱৰণে কাব্যখনৰ অধিকাংশ আগুৰিছে।

ইয়াৰ কাব্যিক মূল্যও কম নহয়। ৰচনাশৈলী মনোগ্ৰাহী। ভাষা সুগম আৰু সমাসবিবৰ্জিতা। কাব্যৰ অন্তত কবিয়ে নিজৰ বংশ পৰিচয় দিছে।

**কল্হন আৰু ৰাজতৰঙ্গিনী ঃ** ঐতিহাসিক কাব্যকাৰ হিচাপে কল্হনৰ প্ৰসিদ্ধি আছে। তেওঁৰ পিতৃ চম্পক কাশ্মীৰৰ ৰজা হৰ্ষৰ (খৃ° ১০৮৯—১১০১) অমাত্য আছিল। কলহনে আখ্যান-উপাখ্যানসমূহত ব্যুৎপত্তি লাভ কৰি কাশ্মীৰৰ ইতিহাস ৰচনা কৰিবলৈ মন মেলে। সুস্সলৰ পুত্ৰ জয়সিংহ (১১২৭—১১৫৯) ৰাজপাটত আৰোহণ কৰা সময়ত কল্হন তেওঁৰ সভাকৱি আছিল। তেওঁ ১১৪৯ খৃষ্টাব্দত **ৰাজতৰঙ্গিনী** ৰচনাত হাত দি এবছৰতে তাক সম্পূৰ্ণ কৰে। কল্হনে হাতেৰে চুকি পোৱা শিলালিপি, ভূমিদানলেখ, প্ৰশস্তি, মন্দিৰ আৰু স্মৃতিসৌধ আদিৰ লেখবোৰ চালি-জাৰি চাই তাৰ তথ্যবোৰৰ ভেটিত নিজ গ্ৰন্থ প্ৰস্তুত কৰিছিল। তেওঁৰ সমকালীন লোকৰ মুখৰপৰাও তেওঁ ঐতিহাসিক তথ্য সংগ্ৰহ কৰিছিল।

**ৰাজতৰঙ্গিনী ঃ** কল্হনে আঠটা তৰঙ্গত ৰাজতৰঙ্গিনী ৰচনা কৰে। অতি প্ৰাচীন কালৰেপৰা খৃষ্টীয় দ্বাদশ শতিকালৈ কাশ্মীৰৰ ইতিহাস ৰাজতৰঙ্গিনীত সন্নিৱিষ্ট কৰা হৈছে।

কাব্যখনত বস্তুচয়ন এনেদৰে পোৱা যায় ঃ ১ম তৰঙ্গত গোনন্দবংশ, ২য় তৰঙ্গত নতুন বংশৰ পৰিচয়, ৩য় তৰঙ্গত মেঘবাহনৰ অধীনত গোনন্দ বংশৰ পুনঃপ্ৰতিষ্ঠাৰ কথা বৰ্ণনা কৰা হৈছে। ৪ৰ্থ তৰঙ্গত কৰ্কোট বংশৰ বুৰঞ্জী আৰম্ভ হৈছে। উৎপলৰ পৌত্ৰ অৱন্তিবৰ্মণে কৰ্কোট বংশ উৎখাত কৰে। ৫ম তৰঙ্গত উৎপল বংশৰ বুৰঞ্জী আৰম্ভ হৈছে। ৬ষ্ঠ তৰঙ্গত লোহাৰ বংশই শান্তিপূৰ্ণভাৱে শাসনৰ বাঘজৰি ধৰা কথা পোৱা যায়। ৭ম তৰঙ্গটো ৰজা হৰ্ষৰ পতনতে সমাপ্ত। ৮ম তৰঙ্গত উস্সলৰ সিংহাসনৰ আৰোহণৰপৰা চল্লিশ বছৰীয়া ৰাজত্বকালৰ বিশদ বিৱৰণ আছে। ইয়াত উস্সলৰ পুত্ৰ জয়সিংহৰো নামোল্লেখ পোৱা যায়।

**সমীক্ষা ঃ** কল্হন বৰ সংযত কৱি আছিল। তেওঁৰ চৰিত্ৰ-বৰ্ণনা তেনেই বাস্তৱিক আৰু নিৰপেক্ষ। তেওঁৰ সমসাময়িক ৰজা জয়সিংহৰ বৰ্ণনা লোকোপবাদ মুক্ত। তেওঁ দেশবাসীৰ গুণাগুণৰ যি শব্দচিত্ৰ অংকন কৰিছে সি বিস্তৃতই নহয়, যথাৰ্থ আৰু ৰোচকো। তেওঁ কৈছে যে কাশ্মীৰীসকলে দেখাত সুন্দৰ, কিন্তু কথাত মিছলীয়া



আৰু অস্থিৰ স্বভাৱৰ লোক। সৈন্যসকল ভীৰু, শত্ৰুৰ ভয়ত পলায়নপৰায়ণ। ৰাজপুত্ৰসকল সাহসী। ৰাজকৰ্মচাৰীসকলৰ ভিতৰত লোভী, অত্যাচাৰী আৰু অস্বামী-ভক্ত লোক বিদ্যমান। তেওঁলোক চাটুকাৰ।

**কাব্যপ্ৰতিভা আৰু শৈলী ঃ** কল্হনে নিজকে ঐতিহাসিক বুলি নধৰি কৱি বুলিহে ভাবিছিল। সেয়ে তেওঁৰ কাব্যত কৱিসুলভ গুণ বিদ্যমান। কবিকৃতিয়ে অমৃতকো গঞ্জনা কৰে বুলি তেওঁ জানিছিল। সেয়ে তেওঁ কৈছিল যে অমৃত পান কৰিলে লোক অমৰ হয়, কিন্তু সুকবিৰ বাণীয়ে আৰু বৰ্ণনাৰ পাত্ৰ দুয়োকে যশৰূপ শৰীৰক অমৰত্ব দান কৰে ঃ

বন্দ্যঃ কোঽপি সুধাস্যন্দাস্কন্দী স সুকবেৰ্গুণঃ।
যেনাযাতি যশঃ কায়ে স্থৈৰ্য্যং স্বস্য পৰস্য চ॥

কাব্যদৃষ্টিৰে ৰাজতৰঙ্গিনীক এহাতে মহাৰ্ঘ্য-ৰত্ন বুলি কোৱা হৈছে, আনহাতেৰে ইয়াৰ শৈলী উচ্চতৰ নহয় বুলি আপত্তিও শুনা গৈছে। ইয়াৰ পদ্যক ছন্দোবদ্ধ গদ্য বুলি কোৱা হৈছে। অৱশ্যে ভাষা সাৱলীল আৰু সুন্দৰ। কাব্য প্ৰবাহ সুষম। কৱিত্বত প্ৰতিভাৰ স্বাক্ষৰ নোহোৱা নহয়। ঠায়ে ঠায়ে সুন্দৰ উপমাৰো প্ৰয়োগ হৈছে। শ্লেষ আৰু বিৰোধাভাস অলংকাৰো চকুত পৰে। তেওঁৰ শব্দ সম্ভাৰো বিশাল। তাৰ মাজত অনেক থলুৱা শব্দ আছে। প্ৰায় সমস্ত গ্ৰন্থতে অনুষ্টুপ ছন্দৰ প্ৰয়োগ হৈছে।

**পৰৱৰ্তী ঐতিহাসিক কাব্যকাৰসকল ঃ** কল্হনৰ ৰাজতৰঙ্গিণীক পূৰ্ণতা দান কৰিবলৈ পৰৱৰ্তী কৱিসকল যত্নপৰ হোৱা দেখা যায়। ১১৫০ খৃষ্টাব্দৰপৰা ১৪১২ খৃষ্টাব্দৰ মাজৰ ইতিহাসক লৈ জোনৰাজে (১৫শ শতিকা) দ্বিতীয়খন ৰাজতৰঙ্গিনী ৰচনা কৰে। জোনৰাজৰ শিষ্য শ্ৰীধৰে ১৪৭৭ খৃষ্টাব্দলৈকে ইতিহাস খণ্ড লৈ তৃতীয় ৰাজতৰঙ্গিনী ৰচিছে। ষোড়শ শতিকাত আকবৰে কাশ্মীৰ জয় কৰে। ১৫শ শতিকাৰ শেষচোৱাৰপৰা আকবৰে জয় সময়লৈ কাশ্মীৰৰ ইতিহাস উপজীব্য কৰি ৪ৰ্থ-খন ৰাজতৰঙ্গিনী ৰচনা কৰে।

**হেমচন্দ্ৰ ঃ কুমাৰপাল চৰিত ঃ** ১০৮৮ খৃষ্টাব্দত চচিগ শ্ৰেষ্ঠীৰ ঔৰসত পাহিনীৰ গৰ্ভত জন্ম লাভ কৰা বালকক দেৱেন্দ্ৰ সূৰীয়ে যুজি নি জৈন মঠত ১০৯৭ খৃষ্টাব্দত সূৰী হিচাপে অভিষিক্ত কৰে। অগ্নিত প্ৰৱেশ কৰি তেওঁ সোণত পৰিণত হৈছিল বাবে তেওঁ হেমচন্দ্ৰ নামে জনাজাত হয়। তেওঁ গুজৰাটৰ আনহিলৱিদ থাকি জয়সিংহ সিদ্ধৰাজ (১০৯৪-১১৪৩) আৰু কুমাৰ পালৰ পৃষ্ঠপোষকতা লাভ কৰে। ১১৭৩ খৃষ্টাব্দত উপবাস ব্ৰত কৰি তেওঁ আত্মত্যাগ কৰে।

হেমচন্দ্ৰই কুমাৰপাল চৰিত নামে দ্ব্যাশ্ৰয় কাব্য ৰচনা কৰে। ইয়াৰ ২০ টা সৰ্গ সংস্কৃতত আৰু ৮টা সৰ্গ প্ৰাকৃতত ৰচিত। আনহিলৱিদ (চালুক্য) বংশৰ ৰজাসকলক উপজীব্য কৰি এই কাব্যখন তেওঁ ৰচনা কৰিছে। ইয়াৰ সৰহাংশ কুমাৰ পালৰ বৰ্ণনাই

প্ৰকৃততে হেমচন্দ্ৰই তেওঁৰ প্ৰাকৃত ব্যকৰণৰ নিয়মৰ উদাহৰণ
অধিকাৰ কৰি আছে। ১১৬০ খৃষ্টাব্দত তেওঁ এই কাব্যৰচনাত হাত দিয়ে।
দিবলৈকে এই কাব্য ৰচনা কৰে।
কাব্য ন আধৰুৱা।

অন্যান্য ঐতিহাসিক কাব্য : ইয়াৰ উপৰিও ১১৫০ খৃষ্টাব্দত কবি জল্হনে
পৃষ্ঠপোষক ৰজাৰ চৰিত্ৰ উপজীব্য কৰি **'সোমপাল বিলাস'** কাব্য ৰচনা কৰে।
১১৯১ খৃষ্টাব্দত পৃথ্বিৰাজে চাহাবুদ্দিন ঘোৰীক পৰাস্ত কৰা বিষয়ক লৈ **চন্দ্ৰকৰিয়ে**
**'পৃথ্বিৰাজ বিজয়'** কাব্য ৰচনা কৰিছে। কাব্যখন ৮ সৰ্গত সমাপ্ত। **নয়নচন্দ্ৰই**
হম্মিৰদেৱৰ জীৱনক উপজীৱ্য কৰি সম্ভৱতঃ ১৩১০ খৃষ্টাব্দত **'হম্মিৰকাব্য'** ৰচনা
কৰে। কাব্যখন চৈধ্যটা সৰ্গত সমাপ্ত।

বিজয় নগৰৰ ৰজা কম্পনৰ পত্নী **গঙ্গাদেৱীয়ে** ( ১৪শ শতিকা ) কম্পনৰ কৰ্মাৱলীৰ
আধাৰত **বীৰকম্পনচৰিত'** বা **মথুৰাবিজয়** কাব্য ৰচনা কৰে। ইয়াত কম্পনৰ
মথুৰাবিজয়ৰ ঘটনা বৰ্ণিত হৈছে।

পঞ্চদশ শতিকাৰ কবি **বাম ণভট্টবানে** কোণবিন্দুৰ ৰজা ৱেমভূপালৰ পূৰ্বপুৰুষ
আৰু ৰজাজনৰ চৰিত্ৰক উপজীব্য কৰি **বীৰনাৰায়ণ চৰিত** বা **ৱেমভূপালচৰিত**
নামে আখ্যায়িকা হৰ্ষচৰিতৰ অনুকৰণত ৰচনা কৰি গৈছে।

ৰাজনাথ ( ২য়, ১৫শ শতিকা ) বিজয়নগৰৰ সেনাপতি সালুৱ ( সাল্ব ) নৰসিংহৰ
পৃষ্ঠপোষকতাত থাকি তেৰটা সৰ্গত 'সালুৱাভ্যুদয় কাব্য' ৰচনা কৰে ( ১৪৩৫ খৃঃ )।
কবিৰঞ্জন ডিণ্ডিম সাৰ্বভৌম নামেও জনাজাত। আকৌ তেওঁৰ পৌত্ৰ আৰু অৰুণগিৰি-
নাথৰ পুত্ৰ তৃতীয় ৰাজনাথে **অচ্যুতৰায়াভ্যুদয়** কাব্যৰচনাকৰে। বিজয়নগৰ তুলুববংশৰ
আদি ৰজাসকলৰপৰা আৰম্ভ কৰি কৃষ্ণদেৱৰায়ৰ ভায়েক অচ্যুতদেৱ ৰায়ৰ ( ১৫৩০-৪২ )
কাললৈ ঘটনাৰাজি লৈ এইকাব্য ৰচিত হৈছে।

বিজয়নগৰৰ ৰজা অচ্যুতৰায়ৰ ৰাণী তিৰুমালাম্বাই ১৫৫০ খৃষ্টাব্দত নৰসিংহৰ
সমৰাভিযানক উপজীব্য কৰি **'ৱৰদাম্বিকা পৰিণয় চম্পূ'** ৰচনা কৰে। তাঞ্জোৰৰ নায়ক
ৰজা ৰঘুনাথৰ ( ১৬১৪—৩২ ) পৃষ্ঠপোষকতাত তেওঁৰ সভাকবি যজ্ঞনাৰায়ণে **'ৰঘুনাথ
বিজয়'** বা **'সাহিত্য ৰত্নাকৰ'** কাব্য ৰচনা কৰে। ৰঘুনাথৰ পত্নী ৰামভদ্ৰাম্বাই ৰঘুনাথৰ
ইতিহাস লৈ **'ৰঘুনাথাভ্যুদয়'** কাব্য ৰচনা কৰে। এনেদৰে পৰৱৰ্তীকালত অনেক
ঐতিহাসিক কাব্য ৰচিত হয়।

# ষষ্ঠ অধ্যায় (ক)

## (১) জনপ্ৰিয় গল্পসাহিত্য

সাধুকথা বা গল্প, কথা-উপকথা, কাহিনী আদি কোৱা আৰু শুনা প্ৰথা সকলো দেশৰ সকলো লোকৰ মাজতে আছে। মানৱমন নিতান্ত কল্পনাপ্ৰৱণ আৰু কুতুহল প্ৰিয়। একোজন কথকে কল্পনাৰ ৰহণ দি মনে সজা কথাকৈ লোকৰ মন তুষিবলৈ পাই আত্মতুষ্টি লাভ কৰে। সেয়ে গল্প কোৱা আৰু শুনাটো আদিম কালৰেপৰা চলি আহিছে। আজি আমি লিখিত ৰূপত পঢ়িবলৈ পোৱা অনেক কথা আগতে মানুহৰ মুখে মুখে চলি আহিছিল। সেইবাবে সিবোৰ লোকসাধু বা লোককথা বা গাথাৰূপেও চিহ্নিত হয়।

আমাৰ দেশৰ মহান প্ৰাচীন সাহিত্যৰাজিয়ে পূৰ্বতে মৌখিকৰূপত প্ৰচলিত অনেক লোকসাধু, লোকগাথা, গল্পক সামৰি লৈছে। জগতৰ প্ৰাচীনতম সাহিত্যৰ নিদৰ্শন বুলি প্ৰসিদ্ধ ঋগ্বেদৰ সূক্তসমূহৰ মাজতো প্ৰাচীন গল্পৰ চানেকি বিচাৰি পোৱা যায়। সৰমা-পণি সংবাদ সূক্তটো তাৰ এক উদাহৰণ। তেনেদৰে ব্ৰাহ্মণ সাহিত্যতো কথা-কাহিনী, গল্প-সাধুৰ ৰম্য ৰচনা সঞ্চিত আছে। শতপথ ব্ৰাহ্মণোক্ত মনুমৎস সংবাদ এক প্ৰসিদ্ধ লোককথাৰ প্ৰতিভূ। পিছে আখ্যানবোৰে যুগান্তৰৰ লগে লগে কওঁতাৰ কল্পনাৰ ৰহণ লাগি ৰেহ-ৰূপ কিছু যে সলনি নকৰে এনে নহয়। সংহিতা আৰু ব্ৰাহ্মণৰ কথাবোৰৰ গাত ব্ৰাহ্মণ-ধৰ্ম-সংস্কৃতিৰ ৰং লাগিছে ; সেইবাবে সিবোৰৰ লৌকিক গুণাগুণ তল পৰিছে। সিবোৰ গল্পৰ প্ৰতিধ্বনি যাস্কৰ 'নিৰুক্ত', শৌনকৰ 'বৃহদ্দেৱতা' আৰু পতঞ্জলিৰ 'মহাভাষ্য'তো শুনা যায়।

ৰামায়ণ আৰু মহাভাৰত—দুই ইতিহাস আৰু অষ্টাদশ পুৰাণতো গল্পৰ প্ৰাচুৰ্য বৰ্তমান। নীতি-ধৰ্মৰ বাহনৰূপে এই গ্ৰন্থবোৰত অনেক লোকসাধু বা কথা শ্ৰাৱিত হৈছে। মহাভাৰতত ইয়াৰ বাহুল্য বেচি। 'মৎসত্ৰয় কথা', 'দীঘলডিঙীয়া উটৰ কথা', 'বিড়ালতপস্বীৰ কথা', 'কুকুৰ আৰু ঋষিৰ কথা'ৰ উপৰিও অসি, মৃত্যু, সুবৰ্ণ, জৰ, জোতা, ছাতি আদিৰ উৎপত্তিৰ কথাবোৰে জনপ্ৰিয় লোকসাধু আৰু বিশ্বাসৰ কথাকে আঙুলিয়াই দিয়ে।

গল্পসাহিত্যৰ চৰিত্ৰ বা লক্ষণসমূহ বিচাৰ কৰি সিবোৰক ব্যাপকাৰ্থত ঘাইকৈ দুভাগত ভাগ কৰা হৈছে : (১) মানৱীয় চৰিত্ৰ আৰু অনুভূতিময় গল্প ; আৰু (২) মানৱেতৰ চৰিত্ৰসম্মত নীতিপৰক গল্প। ইয়াৰে প্ৰথমবিধৰ উদাহৰণ বৃহৎ কথাৰ মাজত পোৱা যায়। বেতাল পঞ্চবিংশতি আদিও ইয়াৰ দৃষ্টান্ত। পঞ্চতন্ত্ৰ, হিতোপদেশ আদি দ্বিতীয় বিধৰ উদাহৰণ।

**গল্প বা কথাসাহিত্যৰ উদ্দেশ্য :** এই সাহিত্যৰ উদ্দেশ্য তিনিটা :–(১) অৱসৰ কাল যাপন, (২) চিত্তবিনোদন বা মনোৰঞ্জন, আৰু (৩) শিশু বা লোক-শিক্ষা। গোষ্ঠী বা সভাস্থ লোকৰ অৱসৰ কাল নিয়াবলৈ কথকে এনেবোৰ জনপ্ৰিয়

অধিকাৰ কৰি আছে।
দিবলৈকে এই কাব্য ৰচনা
কাব্যন আধকৰা।

অন্যান্য ঐতিহা
পৃষ্ঠপোষক ৰজাৰ চ
১১৯১ খৃষ্টাব্দত পৃথি
'পৃথ্বিৰাজ বিজ
হম্মিৰদেৱৰ জীৱ
কৰে। কাব্যখন

বিজয় নগৰৰ
আধাৰত বীৰক
মথুৰাবিজয়ৰ ঘটন

পঞ্চদশ শতি
আৰু ৰজাজনৰ
নামে আখ্যায়িকা

ৰাজনাথ (
পৃষ্ঠপোষকতাত
কবিজন ডিণ্ডিম
নাথৰ পুত্ৰ তৃতীয়
আদি ৰজাসকলৰ
কাললৈ ঘটনাৰা

বিজয়নগৰৰ
সমৰাভিযানক উ
ৰজা ৰঘুনাথৰ
বিজয়' বা 'সা
ইতিহাস লৈ '
ঐতিহাসিক কা





কথা বা গল্প শুনাইছিল। বৃহৎকথা, কাদম্বৰী আদি চিত্তবিনোদনৰ বা আনন্দ মন তুষ্টিৰ
ৰাজকোঁৱৰ, কুৰঙ্গী প্ৰভৃতিৰ মনোৰঞ্জন বা চিত্তবিনোদনৰ আনন্দি-ব্ৰাহ্মণ্য যুগতো অশ্বমেধৰ দৰে
এনে কথা-কথানক বিৱৰি কোৱা হৈছিল। সময়ৰোৱাত যজ্ঞভূমিত গোট খোৱা লোকসকলৰ কাণ
নিমিত্তাৰ্থে এনে দিয়া সময়ৰোৱাত থাকিবতে প্ৰচলিত 'পাৰিপ্লৱ'তো প্ৰায়
আৰু চিত্তবিনোদন আৰু ধৰ্মচৰ্যাৰ থাকিবতে শতপথ ব্ৰাহ্মণত সংকেত দিলে। এই
শাস্ত্ৰপাঠৰ লগতে কথা কোৱা হৈছিল বুলি সামৰি লোৱা হৈছিল। সেইবাবে গল্পৰ মাধ্যমেৰে
হোৱা ইতিহাস চৰ্চাতে কথা-কথানকো শিক্ষিত যে কৰা হৈছিল তাত সন্দেহ নাই।
শিশুহে নেলাগে অনাখৰী জনসাধাৰণকো (ধৰ্মাৰ্থকাম মোক্ষৰ) বা ৰাজনীতি, ধৰ্মনীতিৰ
শাস্ত্ৰীয় কথাৰ মাজেৰে যিদৰে চতুৰ্বৰ্গৰ বা তেনে শিশুক সাধুকথাৰ মাধ্যমেৰে
শিক্ষা দিয়া হৈছিল একেদৰে ৰাজকোঁৱৰ, তাৰ ইঙ্গিত পঞ্চতন্ত্ৰ, হিতোপদেশ আদিৰ ভূমিকাতো
নীতিজ্ঞান যে দিয়া হৈছিল, তাৰ ইঙ্গিত শতিকাতে চাৰ উইলিয়াম জোন্সে কৈছিল যে
পোৱা যায়। সেইবাবে উনবিংশ শতিকাতে চাৰ উইলিয়াম জোন্সে কৈছিল যে
ভাৰতীয়সকলে অন্ততঃ তিনিটা ভাল তথ্য আৱিষ্কাৰ কৰিছিল: (১) ডবা খেল,
(২) দশমিক অঙ্ক আৰু (৩) লোকশিক্ষাৰ্থে নীতিমূলক গল্প।

**লোকপ্ৰিয় কথানক:** সাধাৰণতে বিত্তাবুদ্ধিসম্পন্ন আৰু সুশিক্ষিত লোক-সকলে আলংকৃত কাব্য পঢ়ি বা শুনি আনন্দ লাভ কৰে; কিন্তু অশিক্ষিত বা কমবিদ্বান লোকে ৰোমাঞ্চকৰ অথচ সহজ-সৰল ভাষাত বৰ্ণিত কথা-কথানক বা গল্প শুনি আমোদ পায়। কাদম্বৰীৰ লেখীয়া আলংকৃত কথাকাব্য বিদ্বান লোকৰ মনোৰঞ্জনৰ সামগ্ৰী হ'লেও তুলনামূলক ভাৱে কম বিদ্বান বা বিত্তাহীনৰ বাবে সি বোধগম্য নহয়। কিন্তু তেওঁলোকে বৃহৎকথাৰ কথানক বা গল্প, বেতাল পঞ্চবিংশতিকা বা শুকসপ্ততি পঢ়ি বা শুনি বুজি পাব। পঞ্চতন্ত্ৰ বা হিতোপদেশৰ সাধুও তেনেলোকৰ মনোগ্ৰাহী হ'ব পাৰে। একে কাৰণতে মহাভাৰত বা পুৰাণৰ সৃষ্টি হৈছিল বুলি ভাবিবলৈ পাৰি।

আমি পোনতে জনপ্ৰিয় গল্প বা কথানকৰ ইতিহাস তুলি ধৰিছোঁ।

**গুণাঢ্যৰ বৃহৎকথা:** গুণাঢ্য ৰচিত 'বৃহৎকথা'কেই ভাৰতীয় জনপ্ৰিয় গল্প বা কথানকৰ প্ৰাচীনতম সংকলন বুলি জনা যায়। এই গ্ৰন্থ পৈশাচী ভাষাত ৰচিত হৈছিল। সম্প্ৰতি উক্ত গ্ৰন্থ পোৱা নাযায়। কিন্তু বৃহৎকথা আৰু গুণাঢ্যৰ নাম স্মৰণীয় হৈ আছে। বৃহৎকথা প্ৰাচীন ভাৰতীয় কবি, নাট্যকাৰ আদি সাহিত্যিক-সকলৰ প্ৰেৰণাৰ উৎস আছিল। গোবৰ্ধনে গুণাঢ্যক ব্যাসৰ অৱতাৰ বুলিছে। বাণে বৃহৎকথাক হৰলীলাৰে তুলনা কৰিছে (হৰলীলেৱ নো কস্য বিস্ময়ায় বৃহৎকথা) সুবন্ধুৱেও এটা উপমাত বৃহৎ কথাৰ উল্লেখ কৰিছে। কালিদাস, হৰ্ষ, বাণ আদিয়ে বৃহৎকথাৰপৰা উদয়ন কথা আহৰণ কৰি নাটকাদি ৰচনা কৰিছে।

**বৃহৎ কথাৰ সংস্কৃত সংস্কৰণ:** সম্ভৱতঃ খৃষ্টীয় দ্বাদশ শতিকালৈ 'বৃহৎকথা' মূলৰূপত উপলব্ধ হৈছিল। পৈশাচী প্ৰাকৃতত ৰচিত 'বৃহৎকথা' কালক্ৰমত সংস্কৃতলৈ ৰূপান্তৰিত হয়। কাশ্মীৰি কবি সোমদেৱ আৰু ক্ষেমেন্দ্ৰই ক্ৰমে 'কথাসৰিৎসাগৰ'





আৰু 'বৃহৎকথামঞ্জৰী' নামে দুটি সংস্কৃত সংস্কৰণ প্ৰস্তুত কৰে। বুদ্ধ স্বামীয়েও 'বৃহৎকথা শ্লোকসংগ্ৰহ' নামে তৃতীয় সংস্কৃত সংস্কৰণ আৰু বামণভট্টই 'বৃহৎকথা-মঞ্জৰী নামে ৪ৰ্থ সংস্কৰণ তৈয়াৰ কৰাৰ উপৰিও সংঘদাসগণিয়ে বসুদেৱহিণ্ডী নামে প্ৰাকৃত সংস্কৰণ এটিও প্ৰস্তুত কৰে।

**বৃহৎকথাৰ উৎপত্তি কথা: কথাসৰিৎসাগৰৰ** প্ৰথম লম্বকৰ ১—৭ তৰঙ্গত গুণাঢ্যৰ বৃহৎকথা ৰচনাৰ পৃষ্ঠভূমি পোৱা যায়। তাৰপৰা জনা যায় যে এবাৰ ভগৱান শিৱে পাৰ্বতীক ৰহস্যময় সাতজন বিত্তাধৰৰ কাহিনী কৈ শুনাইছিল। তেতিয়া পুষ্পদন্ত নামে শিৱানুচৰে সেই কাহিনী গোপনে শুনি তেওঁৰ পত্নীক কোৱা বুলি জানি পাৰ্বতীয়ে পুষ্পদন্তক পত্নীসহ মৰ্ত্যত জন্ম লাভ কৰিবলৈ অভিশাপ দিয়ে। তেতিয়া মাল্যৱান নামে পুষ্পদন্তৰ বন্ধুৱে মিত্ৰতাৰ খাতিৰত পুষ্পদন্তক ক্ষমা কৰিবলৈ পাৰ্বতীক খাটনি ধৰিবলৈ গৈ নিজেও অভিশপ্ত হৈ মৰ্ত্যত জন্ম গ্ৰহণ কৰিবলগীয়া হ'ল। মাল্যৱানে মৰ্ত্যত জন্মি গুণাঢ্য নামে জনাজাত হ'ল আৰু পুষ্পদন্তই কৌশম্বীত জন্মি বৰৰুচি নামে পৰিচিত হ'ল।

গুণাঢ্য নৃপতি সাতবাহনৰ মন্ত্ৰী হয়। এবাৰ সাতবাহন ৰজাই ৰাণীসকলেৰে জলক্ৰীড়া কৰোঁতে এগৰাকী ৰাণীয়ে ক্লান্তিবোধ কৰি 'মোদকৈঃ পৰিতাড়য়' বুলি ৰজাক কোৱাত ৰজাই প্ৰকৃতাৰ্থ নুবুজি মোদকৰ লাৰু অনাই ৰাণীক দিয়াত ৰাণীয়ে ৰজাৰ অজ্ঞতাক উপহাস কৰিলে। তাতে লাজ পাই ৰজাই অচিৰে সংস্কৃত শিকিবলৈ ইচ্ছা কৰি মন্ত্ৰীসকলেৰে পৰামৰ্শ কৰিলে; তেতিয়া গুণাঢ্যই ৰজাক ছবছৰত সুসংস্কৃতজ্ঞ কৰিবলৈ প্ৰতিজ্ঞা কৰিলে; কিন্তু সৰ্ববৰ্মাই ছমাহতে সেই কাম কৰিব পাৰিব বুলি প্ৰতিশ্ৰুতি দিয়ে। তাতে লাগি গুণাঢ্যই প্ৰতিজ্ঞা কৰিলে যে যদি সৰ্ববৰ্মাই ৰজাক সংস্কৃতত সুশিক্ষিত কৰিবলৈ পাৰে তেওঁ নিজে সংস্কৃত বা প্ৰাকৃত ভাষা ত্যাগ কৰিব। সৰ্ববৰ্মাই কাৰ্তিকৰ কৃপাত নৱলব্ধ ব্যাকৰণৰ সহায়ত ৰজাক সংস্কৃতজ্ঞ কৰিবলৈ সক্ষম হোৱাত গুণাঢ্যই মৌনতা অৱলম্বন কৰি অৰণ্যত প্ৰৱেশ কৰে।

অৰণ্যত কুবেৰৰ অনুচৰ কাণভূতিয়ে পুষ্পদন্তৰ মুখৰপৰা শুনা বিত্তাধৰসকলৰ ৰহস্যময় কাহিনী গুণাঢ্যক শুনালে। গুণাঢ্যই সাতজন বিত্তাধৰৰ কাহিনী গাৰতেজেৰে পৈশাচী ভাষাত সাতলক্ষ শ্লোকত লিখি প্ৰচাৰাৰ্থে সাতবাহন ৰজালৈ পঠিয়ালে। ৰজাই সেয়া প্ৰত্যাখ্যান কৰাত তেওঁ মনোবেদনাত অৰণ্যত জুই জ্বালি প্ৰতিটো শ্লোক আবৃত্তি পূৰ্বক জুইত আহুতি দিবলৈ ধৰিলে। বনৰ বনচৰ প্ৰাণীবিলাকে অনাহাৰ-অনিদ্ৰাৰে শুধা লাগি সেই অদ্ভুত কাৰ্য্য চাবলৈ ধৰিলে।

ইতিমধ্যে অনাহাৰ-অনিদ্ৰাত ক্ষিণোৱা খাদ্য-প্ৰাণহীন হৰিণৰ মঙহ খাই ৰজা নৰীয়াত পৰিল। কথাৰ গুৰি ক'ত অনুসন্ধান কৰাত গুণাঢ্যৰ অদ্ভুত আচৰণৰ কথা জনা গ'ল। তেতিয়া ৰজাই গৈ গুণাঢ্যৰ হাতৰপৰা পুৰিবলৈ বাকী থকা গ্ৰন্থৰ অংশখিনি ৰক্ষা কৰিলে। তেতিয়ালৈকে ছজন বিত্তাধৰৰ বিষয়ক লৈ ৰচিত

ছয় লক্ষ শ্লোক দগ্ধ হৈছিল। মাত্ৰ নৰবাহন দত্তৰ কাহিনীসম্মত একলক্ষ শ্লোকহে দগ্ধ নোহোৱাকৈ আছিল। এক লাখ শ্লোকাত্মিকা 'বৃহৎকথা' পাছত সমাজত সামাদৃত হয়।

**বৃহৎকথাৰ কাল ঃ** সুবন্ধু, বাণ, দণ্ডী প্ৰভৃতিয়ে বৃহৎকথাৰ উল্লেখ কৰাৰ বাবে ইয়াৰ কাল ৬ষ্ঠ শতিকাৰ পাছলৈ নিবলৈ নোৱাৰি। বুদ্ধস্বামীকৃত 'বৃহৎকথা শ্লোকসংগ্ৰহ'ৰ ফৰাছী অনুবাদক লাকোটেই খৃষ্টীয় ১ম শতিকাত গুণাঢ্য সাতবাহন নৃপতিৰ সভাত আছিল বুলি মত প্ৰকাশ কৰে। গুণাঢ্যৰ সমকালীন সৰ্ববৰ্মাকৃত কাতন্ত্ৰ বা কলাপ ব্যাকৰণৰ কালো ১ম শতিকাৰ পাছলৈ নিব নোৱাৰি।

ভাস, কালিদাস, শ্ৰীহৰ্ষবৰ্ধন প্ৰভৃতিয়ে স্বপ্নবাসৱদত্তা, মালৱিকাগ্নিমিত্ৰম্, ৰত্নাৱলী আদি বৃহৎকথাৰ আধাৰত ৰচনা কৰে। ভাসৰ কাল খৃ° পূ° ৪ৰ্থ শতিকা নিৰূপিত হৈছে। যদি ভাসক বৃহৎকথাৰ ওচৰত ঋণী বোলা হয় তেন্তে বৃহৎকথাৰ ৰচনা কাল খৃ° পূ° ৪ৰ্থ শতাব্দীৰ উৰ্দ্ধলৈ যাব পাৰে। অনেকৰ মতে গুণাঢ্যৰ 'বৃহৎকথা' ভাসৰ পৰবৰ্তী।

তলত 'বৃহৎকথা'ৰ প্ৰতিনিধিত্ব কৰা সম্প্ৰতি উপলব্ধ গ্ৰন্থৰ পৰিচয় দিয়া হ'ল।

**(১) বুদ্ধস্বামীকৃত বৃহৎকথা শ্লোক সংগ্ৰহ ঃ** সম্ভৱতঃ খৃষ্টীয় ৫ম শতিকাত (কিছুমানৰ মতে ৮ম বা ৯ম শতিকাত) বুদ্ধস্বামীয়ে সংস্কৃতত 'বৃহৎকথা'ৰ অনুবাদ কাৰ্য্য সম্পন্ন কৰিছিল। গ্ৰন্থখন তেওঁ সম্পূৰ্ণ কৰিছিল নে নাই জনা নাযায়। এতিয়া অৱশ্যে গ্ৰন্থখনৰ অংশবিশেষহে নেপালত পোৱা গৈছে। বিদ্বানসকলে ইয়াক বৃহৎকথাৰ নেপালী সংস্কৰণ বুলি কয়।

এই গ্ৰন্থত মুঠতে ২৮ টা সৰ্গত ৪৫৩৯ টা শ্লোক আছে। গ্ৰন্থকাৰে উদয়ন কথা অধিক জনাজাত বুলি ধৰিলৈ গ্ৰন্থত নৰবাহনদত্তৰ দুঃসাহসিক প্ৰেমগাথাসমূহ একাদিক্ৰমে বৰ্ণনা কৰিছে। এই গ্ৰন্থ মূলৰপৰা আঁতৰি যোৱা নাই। ইয়াৰ ভাষাশৈলী সহজ-সৰল।

**(২) বসুদেৱহিণ্ডী ঃ** বুদ্ধস্বামীৰ আবিৰ্ভাৱ কালৰ প্ৰায় এশ বছৰৰ ভিতৰতে সংঘদাসগণিয়ে জৈন পৰম্পৰা অনুসৰি বৃহৎকথাৰ প্ৰাকৃত সংস্কৰণ এটা প্ৰস্তুত কৰে। মূলগ্ৰন্থৰ নায়ক উদয়ন পুত্ৰ নৰবাহনদত্তৰ ঠাইত ইয়াত অন্ধক বৃষ্ণিবংশৰ শিৰোমণি বসুদেৱক নায়ক ৰূপে থিয় কৰোৱা হৈছে। প্ৰেমকথাৰ ঠাই ইয়াত ধৰ্মকথাই দখল কৰিছে।

অৱশ্যে জৈন পৰম্পৰাত একে নামৰ দুখন গ্ৰন্থ আছে। তাৰে প্ৰথমখন সংঘদাস গণিৰ ৰচনা। তাত ২৯টা লম্বকত ১১০০০ শ্লোকত বসুদেৱৰ ২৯ খন বিয়াৰ বৰ্ণনা কৰিছে। ২য় খনৰ (খণ্ডৰ) ৰচক ধৰ্মদাস গণি। ইয়াক মধ্যম খণ্ডও বোলে। ১৭০০০ শ্লোকাত্মক এই গ্ৰন্থত বসুদেৱৰ অন্য ৩১ খন বিয়াৰ বৰ্ণনা পোৱা যায়। সংঘদাসৰ বসুদেৱ হিণ্ডীৰ ৰচনাকালত ছয়টা প্ৰকৰণ পোৱা ৩০টা লম্বকত বিভক্ত



গৈছিল ঃ (১) কথোৎপত্তি, (২) ধম্মিলহণ্ডী, (৩) পীঠিকা, (৪) মুখ, (৫) প্ৰতিমুখ আৰু (৬) শৰীৰ। ২৯শ লম্বকৰ ভিতৰত ১৯শ আৰু ২০শ লম্বক দুটা নষ্ট হৈছে। গতিকে ১৮শ লম্বকৰ প্ৰিয়ঙ্গু সুন্দৰীৰ বৰ্ণনাৰ পাছত ২১শ লম্বকত কেতুমতীৰ বৰ্ণনা আৰম্ভ হৈছে। ১৮শ লম্বকৰ সমাপ্তিৰ পাছত ধৰ্মদাসগণি কৃত মধ্যম খণ্ড যুক্ত হৈছে।

**(৩) বৃহৎকথামঞ্জৰী ঃ** ক্ষেমেন্দ্ৰই (খৃ° ১০৬৩-৬৪) ৰামায়ণ আৰু মহাভাৰতৰ সাৰাংশ লৈ ক্ৰমে '**ৰামায়ণমঞ্জৰী**' আৰু '**ভাৰতমঞ্জৰী**' লিখাৰ পাছত গুণাঢ্যৰ বৃহৎকথাৰ সাৰভাগক উপজীৱ্য কৰি '**বৃহৎকথামঞ্জৰী**' ৰচনা কৰে। সোমদেৱৰ 'কথাসৰিৎসাগৰ'ৰ ২১৩০৮ শ্লোকৰ বিপৰীতে ক্ষেমেন্দ্ৰৰ 'বৃহৎকথামঞ্জৰী'ত ৭৫০০ শ্লোক আছে। গতিকে 'বৃহৎকথামঞ্জৰী'ৰ আয়তন 'কথাসৰিৎসাগৰ'ৰ প্ৰায় এক তৃতীয়াংশ। ক্ষেমেন্দ্ৰই বৃহৎকথাৰ কাহিনী চমুৱাওঁতে কেতিয়াবা তেওঁৰ ৰচনা নীৰস, নিৰ্জৰ, লালিত্যহীন, দুৰ্বোধ্য আৰু ধূসৰিত হৈছে। ঠাই বিশেষত কথাসৰিৎসাগৰৰ সহায় লৈহে ক্ষেমেন্দ্ৰৰ কাহিনী বুজিবলৈ পাৰি। তথাপিও ক্ষেমেন্দ্ৰই ঠাই বিশেষত নিজৰ বৰ্ণনা শক্তিৰ পৰিচয় নিদিয়াকৈ থকা নাই।

বৃহৎকথামঞ্জৰী ১৮টা লম্বকত বিভক্ত। ১ম লম্বকটি কথাপীঠ নামে জনাজাত; ইয়াত গুণাঢ্যৰ হাতত বৃহৎকথাৰ উৎপত্তিৰ বৰ্ণনা কৰা হৈছে। ২য়—৩য় লম্বকত পদ্মাৱতীৰে বিয়া হোৱালৈকে উদয়নৰ চৰিত বৰ্ণিত হৈছে। ৪ৰ্থ লম্বকত নৰবাহনদত্তৰ জন্ম কথা বৰ্ণিত হৈছে। বাকী লম্বক কেইটাত নৰবাহনদত্তৰ অনেক প্ৰেমকথা আৰু দুঃসাহসিক অভিযান বিবৰি কোৱা হৈছে। অৱশেষত তেওঁৰে মদন মঞ্জুষাৰ মিলন আৰু বিদ্যাধৰসকলৰ ওপৰত সাৰ্বভৌমত্ব লাভৰ কথা বৰ্ণনা কৰা হৈছে।

**(৪) কথাসৰিৎসাগৰ ঃ** বৃহৎকথাৰ ২য় কাশ্মীৰি সংস্কৰণ হৈছে সোমদেৱকৃত '**কথাসৰিৎসাগৰ**'। কাশ্মীৰৰ ৰজা অনন্তৰ ৰাণী আৰু ত্ৰিগৰ্ত বা কুল্লু-কাঙ্গাৰাৰ ৰজাৰ কন্যা সূৰ্য্যমতীৰ মনোৰঞ্জনৰ বাবে ১০৬৩-১০৮১ খৃষ্টাব্দৰ ভিতৰত সোমদেৱে কথাসৰিৎসাগৰ ৰচনা কৰে।

'**কথাসৰিৎসাগৰ**' গ্ৰন্থখন ১৮ লম্বক আৰু ১২৪টা তৰঙ্গত বিভক্ত। মুঠ শ্লোকৰ সংখ্যা ২১,৩৫৫। ইয়াত চুটি আৰু দীঘলীয়া অনেক কাহিনী বৰ্ণনা কৰা হৈছে। যথাৰ্থতেই কথাৰূপ নদীসমূহৰ সমুদ্ৰমুখী প্ৰবাহ। গ্ৰন্থৰ আৰম্ভণিতে সোমদেৱে গ্ৰন্থৰ স্বৰূপ আৰু বৰ্ণনীয় বিষয়ৰ সূচী দাঙি ধৰিছে ঃ

আদ্যমত্ৰ কথা পীঠং কথামুখমতঃ পৰম্।
ততো লাৱাণকো নাম তৃতীয়ো লম্বকো ভৱেৎ ॥
নৰৱাহনদত্তস্য জননং চ ততঃ পৰম্।
স্যাচ্চতুৰ্দাৰিকাখ্যশ্চ ততো মদনমঞ্চুকা ॥
ততো ৰত্ন প্ৰভানাম লম্বকঃ সপ্তমো ভৱেৎ।
সূৰ্য্য প্ৰভাভিধানশ্চ লম্বকঃ স্যাদথাষ্টমায়ঃ ॥

অলঙ্কাৰৱতী চাথ ততঃ শক্তিৰ্যথা ভৱেৎ ।
বেলালম্বকসংজ্ঞশ্চ ভৱেদেকাদশস্ততঃ ॥
শশাঙ্কৱত্যপি ততঃ স্যান্মদিৰাৱতী ।
মহাভিষেকানুগতস্ততঃ স্যাৎপঞ্চলম্বকঃ ॥
ততঃ সুৰতমঞ্জৰ্যপ্যথ পদ্মাৱতী ভৱেৎ ।
ততো বিষমশিলাখ্যো লম্বকোহষ্টাদশো ভৱেৎ ॥ শ্লোক ১।১।৪-৯ ।

এনেকৈয়ে গ্ৰন্থখনৰ ওঠৰটা লম্বকত বিষয়বস্তু বৰ্ণিত হৈছে। ইয়াৰ প্ৰকৃত নায়ক নৰবাহনদত্ত আৰু নায়িকা মদনমঞ্জুষা।

গ্ৰন্থখনৰ ইংৰাজী অনুবাদক চি, এফ, টনিয়ে ( Tawny ) ইয়াৰ প্ৰশংসা কৰি কৈছে : "আমি যেতিয়া এই গ্ৰন্থলৈ দৃষ্টিপাত কৰোঁ তেতিয়া তাত নানাপ্ৰকাৰৰ কথা-কাহিনীবোৰ দেখি মন আশ্চৰ্যৰে ভৰি পৰে। খৃষ্টীয় চনৰ শ শ বছৰ আগতে জীৱজন্তুৰ সাধুবোৰ ইয়াত আছে। দ্যুলোক আৰু ভূলোকৰ নিৰ্মাণ সম্বন্ধীয় ঋগ্বেদকালীন কথাবোৰো ইয়াত পোৱা যায়। সেইদৰে ৰক্তপান কৰা বেতালসকলৰ কাহিনীসমূহ সুন্দৰ প্ৰেমময়ী প্ৰণয় কাহিনী সমূহ, আৰু দেৱতা, মানুহ আৰু অসুৰৰ যুদ্ধৰ কাহিনী বিশাকো ইয়াত সঞ্চিত আছে। এইটো পাহৰিব নেলাগে যে ভাৰতবৰ্ষ কথাসাহিত্যৰ সত্যভূমি ; এই বিষয়ত ইৰাণ আৰু আৰৱ দেশকৈও ই আগবঢ়া আৰু উচ্চতৰ। ভাৰতৰ ইতিহাসৰ কথাও এনেকুৱা কাহিনীহে। ইয়াৰ অতিশয়োক্তিপূৰ্ণৰূপ এই আখ্যান-বোৰতকৈ কম মনোমোহা নহয়।"

বেতাল পঞ্চবিংশতি আৰু পঞ্চতন্ত্ৰৰ সাধুবোৰ পোনতে ইয়াৰ মাজতে দেখা গৈছিল।

এই গ্ৰন্থৰ কথা-কাহিনীৰ মাজত ভাৰতীয় সভ্যতা-সংস্কৃতিৰ ৰেহৰূপ, সামাজিক পৰিস্থিতি, ভৌগলিক তথ্য আদিও বহু পৰিমাণে উপলব্ধি কৰিবলৈ পাৰি। কৱিৰ বৰ্ণনা শক্তিয়ে পাঠকক সততে চমৎকৃত কৰে।

**বেতালপঞ্চবিংশতি :** ই পঁচিশটা মহোমোহা কাহিনীৰ সমষ্টি। কথক বা প্ৰশ্নকৰ্তাজন বেতাল আৰু শ্ৰোতা-উত্তৰ দাতাজন ত্ৰিবিক্ৰমসেন ( বা বিক্ৰমাৰ্ক বা বিক্ৰমাদিত্য )। পণ্ডিতসকলৰ মতে ই পোনতে স্বতন্ত্ৰ গ্ৰন্থ আছিল যদিও পাছলৈ ই বৃহৎকথামঞ্জৰী আৰু কথাসৰিৎসাগৰৰ অন্তৰ্ভূক্ত হৈ পৰে।

এই গ্ৰন্থৰ একাধিক সংস্কৰণ বিদ্যমান। শিৱদাসৰ নামেৰে ( খৃঃ ১২শ শতিকা ) জড়িত 'বেতালপঞ্চবিংশতিকা' আপাততঃ পুৰণি আৰু প্ৰসিদ্ধ। জম্ভদত্ত আৰু বল্লভদাসকৃত গ্ৰন্থ দুখন আপেক্ষিকভাৱে অৰ্বাচীন। প্ৰায়বোৰ প্ৰাদেশিক ভাষালৈ অনূদিত হোৱাৰপৰাই গ্ৰন্থখনৰ জনপ্ৰিয়তাৰ ইঙ্গিত পোৱা যায়।

পুথিখনৰ ৰূপৰেখা এনে : ৰজা বিক্ৰমে সন্ন্যাসী এজনৰ কথামতে শ্মশানৰ এচুকত এডাল গছত ওলমি থকা মানুহৰ মৰা শ এটি আনিবলৈ যায়।



ৰজাই মৰাশটি নমাই লৈ সন্ন্যাসীৰ ওচৰলৈ খোজ লওঁতেই তাত থিতাপি লৈ থকা বেতালে এটি সাঁথৰ প্ৰায় কাহিনী কৈ শুনায় আৰু অন্তত কাহিনীত নিহিত সমস্যাৰ সমাধান সূত্ৰ ৰজাৰপৰা দাবী কৰে। ৰজাই যথাৰ্থ উত্তৰ দিলে মৰাশটি গৈ আকৌ গছৰ ডালত ওলমি থাকেগৈ। ৰজাই আকৌ শটো নমাই ললে আকৌ বেতালে কাহিনী কৈ প্ৰশ্ন কৰে। এনেদৰে পঁচিশবাৰ পঁচিশটা সাঁথৰৰ উত্তৰ ৰজাই দিয়াত বেতাল সন্তুষ্ট হৈ সন্ন্যাসীৰ অভিপ্ৰায় ৰজাক জানিবলৈ দি বেতালসিদ্ধিৰ বাবে ৰজাক যথাৰ্থ দিহা দিয়ে। সেইদৰে বিক্ৰমে বেতালসিদ্ধ হয়।

কাহিনীবোৰ অতিশয় কৌতূহলোদ্দীপক আৰু সৰস। ভাষাত সহজ-সৰল।

**শুকসপ্ততি : শুকসপ্ততি** ৭০টা সংক্ষিপ্ত গল্পৰ সংগ্ৰহ। চিন্তামণি নামে জনৈক ব্ৰাহ্মণক ইয়াৰ ৰচক বুলি জনা যায়। ইয়াৰ সাধাৰণ ৰূপ এটা কোনো এজন শ্বেতাম্বৰ জৈনৰ ৰচনা বুলি অভিমত পোৱা যায়। ইয়াৰ মূল কাহিনীটো এনে : হৰদত্ত নামে সাউদৰ মদনবিনোদ ( দেৱদাস ) নামে এজন পুতেক আছিল। তেওঁ বৰ বিষয়াসক্ত হোৱাত সাউদ বৰ দুঃখিত হ'ল। তেতিয়া ত্ৰিবিক্ৰম নামে ব্ৰাহ্মণে শুক আৰু সাৰিকা এহাল দি কলে যে ইহঁতক ভালদৰে পুহিলে সময়ত সাউদৰ দুঃখ গুচিব। মদনবিনোদে সদায় শুক-সাৰিকা হাল লালন-পালন কৰোঁতে সিহঁতৰ মুখত সজ উপদেশ শুনি তেওঁ সজপথলৈ ঘূৰি আহিল আৰু পিতৃ-মাতৃ আৰু পত্নীৰপৰা বিদায় লৈ বেহাবলৈ বিদেশলৈ গ'ল।

তেওঁ যোৱাৰ পাছত ব্যভিচাৰিণী দাসীহঁতৰ ফুচুলনিত পৰি মদনবিনোদৰ পত্নীয়ে ( প্ৰভাৱতীয়ে ) পৰপুৰুষৰ ওচৰলৈ যাবলৈ ওলোৱাত সাৰিকাজনীয়ে বাধা দিয়াত প্ৰভাৱতীয়ে তাইক ডিঙি চেপি মাৰি পেলালে। কিন্তু শুক পক্ষীটোৱে প্ৰভাৱতীৰ কাৰ্য সমৰ্থন কৰি ক'লে, 'যুক্তমিদং কৰ্ত্তব্যমেৱ পৰং দুষ্কৰং নিন্দিতং চ কুলস্ত্ৰীণাম্। কিঞ্চ, তদা গম্যতা যদি বিপৰীতে সমায়াতে মতি তৱ বুদ্ধিৰস্তি। যদি নাস্তি তদা পৰাভৱপদং ভৱিষ্যতি। যতঃ

কৌতুকান্বেষিণা নিত্যং দুৰ্জনা ব্যসনাগমে।
মাসোপবাসিনী যদ্বণিক্ পুত্ৰকচগ্ৰহে ॥

অৰ্থাৎ 'বিপত্তি আহিলে দুষ্টনকলে ধেমালিখন চাইহে ৰ'ব, যেনেদৰে মাহজোৰা উপবাস খটা পূৰ্ণা দূতীয়ে বণিক ল'ৰাৰ চুলিত ধৰি তেওঁৰ পত্নীয়ে আকৰ্ষণ কৰা দৃশ্য চাই ৰ'ল।

শুকৰ কথাত প্ৰভাৱতীৰ মনত কৌতূহল বাঢ়িল ! তেওঁ শুকক আঁতিগুৰি মাৰি গল্পটো ক'বলৈ ক'লে। শুকে গল্পটো কৈ অঁতোৱালৈ প্ৰভাৱতী টোপনিত পৰিল। এনেদৰে প্ৰভাৱতীয়ে নিতৌ অভিসাৰিকা সাজি যাবলৈ ওলায় আৰু শুকে একোটা গল্পকৈ প্ৰভাৱতীক ৰাখে। এনেকৈ সত্তৰ দিন যোৱাত প্ৰভাৱতীৰ গিৰিয়েক মদনবিনোদ উভতি আহিল। শুকৰ যত্নত প্ৰভাৱতীৰ চৰিত্ৰ ৰক্ষা পৰিল।

**কাল:** হেমচন্দ্ৰই (১০৮৮-১১৭২) উল্লেখ কৰালৈ চাই গ্ৰন্থখন কমেও ১০০০ খৃষ্টাব্দৰ আগৰ ৰচনা বুলি ভবাৰ স্থল আছে। বৰাদাচাৰীৰো একে অভিমত। ৰমাকান্ত ত্ৰিপাঠীৰ (হিন্দী অনুবাদক) মতে ইয়াৰ কাল ১০০০-১৪০০ খৃষ্টাব্দৰ মাজত হোৱা সম্ভৱ।

**সিংহাসনদ্বাত্ৰিংশিকা:** ই ৰজা বিক্ৰমাদিত্যৰ গুণানুকীৰ্তন কীৰ্তন কৰা ৩২টা সাধুৰ সংকলন। বিক্ৰমাদিত্যই ইন্দ্ৰৰপৰা লাভ কৰা সিংহাসন মাটিৰ তলত পোট খাই আছিল। ভোজে মাটি খান্দি সিংহাসন উদ্ধাৰ কৰি সংস্কাৰ পূৰ্বক তাত আৰোহণ কৰিবলৈ ওলোৱাত তাত সন্নিবিষ্ট একোটি পুতলাই বিক্ৰমাদিত্যৰ গুণ বখানি একোটি সাধু ক'বলৈ ধৰিলে। এনেকৈ বত্ৰিশটা পুতলাই গল্প কৈ বত্ৰিশটা শাপমুক্তি লাভ কৰা কথা কৈ উধাও হ'ল।

গ্ৰন্থখন সম্ভৱতঃ ভোজৰ (একাদশ শতিকা) ৰাজত্বৰ পাছত সংকলিত হৈছিল।

**ভোজপ্ৰবন্ধ:** ধাৰাধিপতি ভোজৰ (১০১৮-১০৬৩) বিষয়ে কথিত এলানি সৰস সাধুৰ সংগ্ৰহেই **ভোজপ্ৰবন্ধ**। ভোজ ৰজা এজন বৰ বিদ্বান আৰু বিদ্যোৎসাহী লোক আছিল। তাৰে ছেলু লৈ কবি বল্লালসেনে ভোজৰ ৰাজসভাত বিভিন্ন যুগত ভাৰতত জন্মগ্ৰহণ কৰা কবি কালিদাস, ভৱভূতি, দণ্ডী, বাণভট্ট, ময়ূৰ, মাঘ আদিক একত্ৰিত কৰি সিসকলৰ সঙ্গমত হব পৰা সাহিত্যিক আৰু সাংস্কৃতিক উৎকৰ্ষৰ বৰ্ণনা ভোজপ্ৰবন্ধত দিছে। প্ৰতিটো কথাৰ মাজেৰে পণ্ডিতসকলৰ সাৰস্বত সাধনা মেধা, বিদ্বত্তা, প্ৰত্যুৎপন্নমতিত্ব আদি গুণৰ প্ৰকাশ ঘটিছে। মুখবন্ধত মুঞ্জৰ পাছত ৰজা ভোজে ৰাজপাট লাভৰ কথা বিবৃত হৈছে।

বল্লালসেনৰ কাল ১৬শ শতাব্দী বুলি কোৱা হৈছে।

**পুৰুষ পৰীক্ষা:** মৈথিলী কবিকুল কণ্ঠীৰৱ বিদ্যাপতি ৰচিত **'পুৰুষ পৰীক্ষা'** এক অমূল্য গ্ৰন্থৰত্ন। ১৩৫০ খৃষ্টাব্দৰ আগত বা পিছত বিদ্যাপতিৰ জন্ম সম্ভৱ। তেওঁ সংস্কৃত আৰু মৈথিলীত অনেক গ্ৰন্থ ৰচনা কৰে। তেওঁ মিথিলাৰ ৰজাৰ শিৱসিংহৰ আদেশত পুৰুষ পৰীক্ষা নামে নীতিগৰ্ভ সাধুকথাৰ পুথি ৰচনা কৰে।

এই গ্ৰন্থত মুঠতে ৪২টা সাধুকথা আছে। গ্ৰন্থখন চাৰিটা পৰিচ্ছেদত বিভক্ত। ১ম পৰিচ্ছেদত প্ৰত্যুদাহৰণৰসৈতে বীৰচৰিত বৰ্ণিত হৈছে। তাত আঠটা সাধুকথা আছে। ২য় পৰিচ্ছেদত সুবুদ্ধিৰ কথাকে সামৰি ৬টা কথা আছে। তাৰ পাছৰ পৰিচ্ছেদৰ ১৩টা কথাত সবিস্তকথা বৰ্ণিত হৈছে। ৪ৰ্থ পৰিচ্ছেদত চতুৰ্বৰ্গ সম্বন্ধীয় তেৰটা কথা বৰ্ণিত হৈছে। এনেদৰে বিদ্যাপতিয়ে প্ৰণালীবদ্ধভাৱে নানান শিক্ষণীয় কথা দাঙি ধৰিছে।

গ্ৰন্থৰ ভাষা-সৰল। বৰ্ণনা সৰস। সমাসৰ অভাৱ ভাষাৰ অন্যতম বৈশিষ্ট্য।

**বৌদ্ধ কথা সাহিত্য:** ওপৰত ব্ৰাহ্মণ্য কথা বা গল্প সাহিত্যৰ সবিশেষ আভাস দিয়া হৈছে। তলত বৌদ্ধ আৰু জৈন কথা বা গল্প-সাহিত্যৰ বিষয়েও চমু



Dharapur Chy-133 ACC No. ২১৭ Date....

আলোচনা কৰা হৈছে: তাৰে প্ৰাচীন ভাৰতীয় কথা সাহিত্যৰ পৰিমাণ সম্বন্ধে অধ্যেতাসকলে বুজাত সহায় হ'ব। সাধাৰণতঃ বৌদ্ধ কথাবোৰ যিদৰে ধৰ্মাশ্ৰয়ী বুলি প্ৰতীয়মান হয়, সিদৰে জৈন কথাবোৰে সিবোৰৰ নীতিধৰ্মৰ কথা সঁকিয়াই দিয়ে। বৌদ্ধ কথাবোৰত পুনৰ্জন্ম আৰু কৰ্মফলৰ কথা বাৰে বাৰে পোৱা যায়। বুদ্ধ, ধৰ্ম, সংঘৰ প্ৰতি থকা ভক্তি শ্ৰদ্ধা আৰু অবিচল আস্থাৰদ্বাৰা লোকে উদ্ধাৰ পাব পাৰে; তাৰ বিপৰীত আচৰণে মানুহক নৰকলৈ ঠেলি দিয়ে। তলত পোনতে বৌদ্ধ কথা সাহিত্যৰ আলচ কৰা হ'ল:

(১) **অৱদানশতকম্:** অৱদান বা বীৰগাথাসমূহকে বৌদ্ধ সাহিত্যৰ ভিতৰত প্ৰাচীনতম কথাসাহিত্যৰ নিদৰ্শন বুলি কোৱা হয়। **অৱদানশতক** সিবোৰৰ প্ৰাচীনতম সংকলন। খৃষ্টীয় ৩য় শতিকা ১ম ভাগত ইয়াৰ অনুবাদ চীনাভাষাত সম্পন্ন হয়। সেয়ে মূল **অবদানশতকৰ** সংকলনৰ সময় খৃষ্টীয় ১ম বা ২য় শতিকাৰ পিছলৈ নিবলৈ নোৱাৰি। খৃষ্টীয় ১ম শতিকাৰ আগলৈ সেই কাল নিবলৈ নোৱাৰি কাৰণ ইয়াত 'দীনাৰ'ৰ (গ্ৰীক শব্দ) ব্যৱহাৰ হৈছে। সৰ্বাস্তিবাদীসকলৰ বিনয় পিটকৰ আধাৰতে অৱদানশতক বিৰচিত হৈছে। গ্ৰন্থখন দহটা দশকত (সামবেদৰ ভাগৰ দৰে) বিভক্ত। গল্পবোৰ সাহিত্যকৃতি হিচাপে সিমান গুৰুত্বপূৰ্ণ নহয়; বৰঞ্চ সিবোৰত মৰ্ত্যজনে বাৰে বাৰে পঢ়ি মনত ৰখাৰ ওপৰতে অধিক গুৰুত্ব দিয়া হৈছিল। ই গদ্য-পদ্যৰ মিহলি সহজ ভাষাত গল্পসমূহ ৰচিত। দুই এটি কথাৰ মাজত ঐতিহাসিক তথ্যও নিহিত আছে। উদাহৰণস্বৰূপে, বিম্বিসাৰৰ পত্নীয়ে অজাতশত্ৰুক বুদ্ধলৈ শ্ৰদ্ধা নেদেখুৱাবলৈ কৰা নিষেধাজ্ঞা ভঙ্গ কৰা অপৰাধত মৃত্যুদণ্ড ভোগ কৰি স্বৰ্গতি লাভ কৰা কথা এটি কথাত পোৱা যায়।

(২) **দিব্যাৱদান:** **দিব্যাৱদানৰ** কথাসমূহ বৌদ্ধসাহিত্যৰপৰা সংগৃহীত; বিশেষতঃ সৰ্বাস্তিবাদীসকলৰ বিনয়পিটকৰ ওচৰত ই অধিক ঋণী। গ্ৰন্থৰ এভাগত মহাযানপন্থীসকলৰ মতবাদসমূহ, আৰু আনভাগত হীনযানপন্থীসকলৰ মূলতত্ত্বসমূহৰ উদাহৰণ বৰ্ণিত হৈছে। দিব্যাৱদানৰ গ্ৰন্থকাৰ অশ্বঘোষৰ বুদ্ধচৰিত আৰু সৌন্দৰানন্দ কাব্যৰেসৈতে পৰিচিত আছিল বুলি বোধ হয়। গ্ৰন্থকাৰৰ সাহিত্যিক কলা-কৌশল বৰ উচ্চ পৰ্যায়ৰ নহয়। সম্ভৱতঃ বিবিধ উৎসৰপৰা কথাবোৰ গ্ৰহণ কৰা বাবে কবিজনে ৰচনা শৈলীৰ উৎকৰ্ষ সাধনত বিফলকাম হয়।

ইয়াৰ আনুমানিক কাল খৃষ্টীয় ২য় শতিকা হোৱা সম্ভৱ। ই অৱদানশতকৰ পৰৱৰ্তী গ্ৰন্থ।

ইয়াৰ কথাবোৰ আকৰ্ষণীয়। মাহীমাকৰ লগনীয়া কথাৰ ফলত অশোকৰ পুত্ৰ কুণালৰ চকুকঢ়া বৃত্তান্ত বৰ কৰুণভাৱে ইয়াত বৰ্ণিত হৈছে। এনেবোৰ ঐতিহাসিক তথ্যৰ বাবে দিব্যাৱদান বুৰঞ্জীকাৰৰ বাবে আৱশ্যকীয় উৎস গ্ৰন্থ।

(৩) **জাতকমালা:** আৰ্য্যসূৰ ৰচিত **জাতকমালাত** বোধিসত্ত্বৰ পূৰ্ব জন্মবিপাকত

পালি জাতক আৰু চৰিয়াপিটকৰ কথাৰ
কৰা কাৰ্য্যৰ বৰ্ণনা পঢ়িবলৈ পোৱা যায়। শৈলীৰ দিশৰপৰা আৰ্য্যসূৰে বুদ্ধ
ভেটিতে আৰ্য্যসূৰে জাতকমালা ৰচনা কৰিছে। ৰাজেন্দ্ৰলাল মিত্ৰই পোনতে ই যে বোধিসত্ত্বাৱদান
চৰিতৰপৰা অনুপ্ৰেৰণা লাভ কৰিছে। অৱদানসমূহে কদাচিত যিদৰে ঐতিহাসিক তত্ত্ব
মালাৰে একে তাক আঙুলিয়াই দিয়ে। ইতিহাসৰ কাষৰীয়া তত্ত্বৰ ধাৰ
বুকুত সামৰি লৈ আছে, জাতকমালাই তেনেদৰে
নেধাৰে। ইবোৰ খৃষ্টীয় ৰূপকেৰে তুলনীয়।

জাতকমালাৰ কথাবোৰৰ অংশবিশেষ গদ্যত আৰু অংশবিশেষ পদ্যত বিবৃত হৈছে।
প্ৰতিটো কথাৰ অপৰিহাৰ্য্য ভাগ
প্ৰতিটো কথাৰ পাতনি সৰল গদ্যৰে দিয়া হৈছে। পূৰ্বজন্মত বোধিসত্ত্বই শিবিৰজা হৈ ওপজাৰ
হৈছে তাৰ নীতিশিক্ষা। উদাহৰণস্বৰূপে কোনো ভিক্ষাৰীক
কথাকে লব পাৰি। ৰজা শিবিয়ে সৰ্বস্ব দান কৰি নিঃস্ব হৈ পৰিল। তেতিয়া তেওঁ বৃদ্ধ অন্ধ ব্ৰাহ্মণ এজনক
দিবলৈ কোনো বস্তু তেওঁৰ হাতত নৰ'লগৈ। ( অৱশ্যে অন্ধলা ব্ৰাহ্মণজন ছদ্মবেশী ইন্দ্ৰহে আছিল। )
নিজৰ চকু দুটাকে দান দিলে।
মন্ত্ৰীসকলে চক্ষুদান কৰাত ৰজা হকা-বাধা কৰোঁতে ৰজাই উত্তৰত কৈছিল ঃ

যদেৱ যাচ্যেত তদেৱ দদ্যান্নানীপ্সিতং
পৰিণয়তীহ দত্তম্।

কিমুহ্যমানস্য জলেন তোয়ৈৰ্দাস্যাম্যতঃ
প্ৰাৰ্থিতমৰ্থমস্মাৎ ॥

মন্ত্ৰীয়ে আকৌ অনুৰোধ কৰোঁতে ৰজাই যথাৰ্থ উত্তৰ দি কৈছিল ঃ

নায়ং যত্নঃ সাৰ্বভৌমত্বমাপ্তুং নৈব স্বৰ্গং
নাপবৰ্গং ন কীৰ্তিম্।

ত্ৰাতুং লোকানিত্যয়ং স্যাদৰো মে
যাচ্ঞাক্লেশো মা চ ভূদস্য মোঘঃ ॥

আৰ্যসূৰ এজন সুখ্যাত বিদ্বান আৰু প্ৰতিভাশীল লেখক আছিল। তেওঁৰ ভাষা
সাৱলীল আছিল আৰু ৰচনাশৈলীও প্ৰশংসনীয় আছিল।
তিব্বতীয়
**কাল ঃ** খৃষ্টীয় ১০০০ চনত জাতকমালা চীনভাষাত অনূদিত হয়।
পৰম্পৰাত আৰ্যসূৰ এজন শিক্ষাবিদ আৰু কথাকাৰ বুলি প্ৰসিদ্ধি আছে। ৭ম শতিকাত
ভাৰতভ্ৰমণ কৰা চীনা পৰিব্ৰাজক ইট্‌সিঙেও জাতকমালাৰ বিষয়ে জানিছিল।
কৰ্মফলৰ ওপৰত আৰ্য্যসূৰে ৰচনা কৰা এখন সূত্ৰগ্ৰন্থ ৪৩৪ খৃষ্টাব্দত চীনাভাষালৈ
অনূদিত হোৱা কথা জনা যায়। গতিকে আৰ্য্যসূৰৰ আবিৰ্ভাৱ কাল খৃষ্টীয় ৩য় শতাব্দী
হোৱা সম্ভৱ।

**জৈনকথা সাহিত্য ঃ** বৌদ্ধ কথা সাহিত্য সদৃশ জৈন কথা সাহিত্যও নীতি-
গৰ্ভ। তেওঁলোকৰ কথা-সাহিত্য ৰচনাৰ উদ্দেশ্য আমোদজনক নহয়, জৈনধৰ্মৰ
মতবাদ শিকোৱাটোহে। তলত দুখনমান জৈন কথা সাহিত্যৰ কথা চমুৱাই তুলি
ধৰা হ'ল।



(১) **উপমিতিভাৱপ্ৰপঞ্চ কথা ঃ** সিদ্ধৰ্ষিকৃত ( খৃ. ৯০৬ ) এইখন সাধুকথা
আকাৰত ৰচিত মানুহৰ আত্মা বিষয়ক ৰূপক গ্ৰন্থ। ই এই কাৰণেই গুৰুত্বপূৰ্ণ
যে এনে প্ৰকাৰৰ গ্ৰন্থ হিচাপে ইয়েই প্ৰথম জৈনকথাকৃতি। খৃষ্টীয় দশম শতিকাৰ
প্ৰথম দশকত ( ৯০৬ ) সিদ্ধৰ্ষিয়ে ইয়াক ৰচনা কৰে। ৰূপকসমূহ বুজিবলৈ সহজ
নহয়। ই মাজে মাজে পদ্যসন্মিত গদ্যবহুল গ্ৰন্থ। ইয়াৰ ভাষা শিশুজনোচিত সৰল।
নীতিগৰ্ভ আৰু ৰূপকাত্মক হোৱা বাবে ইয়াৰ ৰচনা ৰীতিও আকৰ্ষণীয় হৈছে।

(২) **পৰিশিষ্টপৰ্ব ঃ** হেমচন্দ্ৰ ( ১০৮৮—১১৭২ খৃ. ) ৰচিত এই গ্ৰন্থখনৰ
কথাসমূহ প্ৰাচীন জৈন তীৰ্থঙ্কৰসকল জীৱনগাথাৰ আধাৰত বিৰচিত। কথাবোৰ
সহজ সৰল আৰু লোকপ্ৰিয়। লেখক ধৰ্মীয় মতবাদ আৰু ৰীতি-নীতি লৈ ইমান
ব্যস্ত যে আনকি সম্ৰাট চন্দ্ৰগুপ্ত মৌৰ্য্য জৈনধৰ্মৰ প্ৰতি আস্থাশীল হৈ মৃত্যুবৰণ কথাহে
জোৰ দি কৈছে। গ্ৰন্থখন হেমচন্দ্ৰ কৃত ত্ৰিষষ্ঠিশলাকাপুৰুষৰ এক পৰিশিষ্ট ৰূপেহে
ৰচিত হৈছিল।

# ষষ্ঠ অধ্যায় (খ)

## (২) উপদেশমূলক কথা

## ( DEDACTIC FABLES )

**উপদেশমূলক কথাৰ বৈশিষ্ট্য ঃ** অতি প্ৰাচীন কালৰপৰা ভাৰতবৰ্ষত বিবিধ
শ্ৰেণীৰ কথা, কাহিনী, আখ্যান-উপাখ্যান কথিত, ৰচিত আৰু পঠিত হৈ আহিছে
যদিও আমাৰ প্ৰাচীন অলংকাৰিসকলে জনপ্ৰিয় কথা-কাহিনী আৰু নীতিগৰ্ভ বা উপদেশ
মূলক কথা বা সাধুকথাৰ মাজত কোনো পাৰ্থক্যৰ সীমাৰেখা টনা নাই। কিন্তু
দুয়োবিধ কথাৰ তুলনামূলক অধ্যয়ন কৰিলে দুয়োবিধৰ মাজত থকা পৃথকত্বসূচক
বৈশিষ্ট্যসমূহ পাব পাৰি। দুয়োবিধৰ আকৃতি, প্ৰকৃতি, বিষয়বস্তু আৰু উদ্দেশ্য একে
নহয়। প্ৰথমতে দেখা যায় যে জনপ্ৰিয় কথাৰ পৰম আৰু চৰম উদ্দেশ্য হৈছে শ্ৰোতা
বা পাঠকৰ মনোৰঞ্জন কৰা। উপদেশমূলক কথাৰ উদ্দেশ্য হৈছে নীতি, সদাচাৰ,
ৰাজনীতি বিষয়ক শিক্ষাদান। পাঠকৰ মনোৰঞ্জন গৌণ কথা। দ্বিতীয়তে, জনপ্ৰিয়
কথাৰ বাহন হৈছে সৰল গদ্য বা বৰ্ণনাত্মক শ্লোক বা দুয়োবিধৰ মিশ্ৰণ ; কিন্তু উপদেশ
মূলক কথাবোৰ সততে নীতিসূত্ৰসন্মত শ্লোক সমন্বিত সুচাৰু গদ্যতে পোৱা যায়।
তৃতীয়তে, জনপ্ৰিয়কথাবোৰত আমি প্ৰায়েই অন্ধবিশ্বাস, জনপ্ৰিয় আখ্যান, প্ৰেমকথা,
দুঃসাহসিক অভিযান আৰু অতি প্ৰাকৃতিক স্বপ্নদৰ্শন, আকাশবাণী, দৈৱৰ হাত
আদি দেখা পাওঁ। আনহাতে উপদেশমূলক কথাত মানৱীয় ভাব-ভাষা আৰু অনুভূতি
পূৰ্ণ পশুপক্ষীৰ চৰিত্ৰহে দেখা পাওঁ ; সিবিলাকক জ্ঞানী, অভিজ্ঞ আৰু পৈণত নীতিবিদৰ
ভাওত অৱতীৰ্ণ হোৱা দেখোঁ। বৃহৎকথাৰ বিভিন্ন সংস্কৰণ, জনপ্ৰিয় কথাৰেই চানেকি ;
পঞ্চতন্ত্ৰ আৰু হিতোপদেশ ২য় বিধৰ উদাহৰণ। পঞ্চতন্ত্ৰ-হিতোপদেশৰ আহি পোনতে
মহাভাৰতৰ শান্তিপৰ্বত ভীষ্ম-যুধিষ্ঠিৰ সংবাদৰ মাজতে চকুত পৰে। ভীষ্মই ধৰ্মনীতি,
ৰাজনীতি, চতুৰ্বৰ্গৰ উপদেশ দিবলৈ অনেক পশু-পক্ষীৰ চৰিত্ৰৰ মাজেৰে প্ৰাচীন
পৰম্পৰা সূচক ইতিহাস তুলি ধৰিছে। পঞ্চতন্ত্ৰ-হিতোপদেশ আদিৰ সাধুবোৰো
ক্ষত্ৰিয় কুমাৰৰ শিক্ষাৰ বাবেই প্ৰস্তুত কৰা কথা গ্ৰন্থ দুখনৰ মুখবন্ধতে পোৱা যায়।

**পঞ্চতন্ত্ৰ ঃ মূলগ্ৰন্থ ঃ** নিঃসন্দেহে পঞ্চতন্ত্ৰ গ্ৰন্থ উপদেশ মূলক গ্ৰন্থৰ মূৰ্দ্ধত
অৱস্থিত। 'তন্ত্ৰ' শব্দই অধ্যায় বা ভাগক বুজায়। সম্ভৱতঃ 'যোগ' বা 'কৰ্মকুশলতা,
ইয়াৰ অবান্তৰ অৰ্থ। পাঁচটা অধ্যায়ত পাঁচ প্ৰকাৰ নীতিকুশলতা বৰ্ণিত হৈছে বাবেই
গ্ৰন্থৰ নাম 'পঞ্চতন্ত্ৰ' ৰখা হৈছে ( তন্ত্ৰৈঃ পঞ্চভিৰেতচ্চকাৰ সুমনোহৰশাস্ত্ৰম্ )।

**পঞ্চতন্ত্ৰৰ শাখা-প্ৰশাখা ঃ** মূল পঞ্চতন্ত্ৰ পুথিখন সম্প্ৰতি পাবলৈ নাই। এতিয়া
মাথোন মূলগ্ৰন্থৰ শাখা-প্ৰশাখাবোৰহে চকুত পৰে। সিবোৰ হৈছে ঃ



১। (১) **তন্ত্ৰাখ্যায়িকা** ; (২) প্ৰায় ১১শ শতিকামানত ৰচিত **পঞ্চতন্ত্ৰৰ** জৈন
সংস্কৰণ ; আৰু (৩) ১১৯৯ খৃষ্টাব্দত ৰচিত পূৰ্ণভদ্ৰৰ পঞ্চতন্ত্ৰ। 

২। (১) দক্ষিণ ভাৰতীয় **পঞ্চতন্ত্ৰ** ; (২) নেপালদেশীয় **পঞ্চতন্ত্ৰ** আৰু
(৩) **হিতোপদেশ**।

৩। ক্ষেমেন্দ্ৰৰ **'বৃহৎকথামঞ্জৰী'** আৰু সোমদেৱৰ **'কথাসৰিৎসাগ'ৰ** অন্তৰ্গত
**'বৃহৎকথা'** নিঃসৃত গল্পবোৰ।

৪। পাশ্চাত্যত প্ৰচাৰিত সাধুবোৰৰ মূল পহলৱী সংস্কৰণ।

**গ্ৰন্থকাৰ ঃ** পঞ্চতন্ত্ৰৰ কথামুখত কোৱা আছে যে সকলো অৰ্থশাস্ত্ৰৰ সাৰভাগ
বাচি-বিচাৰি চাই বিষ্ণুশৰ্মাই পাঁচটি তন্ত্ৰেৰে এই পঞ্চতন্ত্ৰ নামে সুমনোহৰ শাস্ত্ৰ ৰচনা
কৰিছিল।

সকলাৰ্থশাস্ত্ৰসাৰং জগতি সমালোক্য বিষ্ণুশৰ্মেদম্।
তন্ত্ৰৈঃ পঞ্চভিৰেতচ্চকাৰ সুমনোহৰং শাস্ত্ৰম্॥ ১।৩

গ্ৰন্থখনৰ কথামুখৰ গল্পাংশত কোৱা হৈছে যে মহিলাৰোপ্য নামে নগৰৰ ৰজা অমৰ
শক্তিৰ পৰমদুৰ্মেধা বসুশক্তি, উগ্ৰশক্তি আৰু অনন্তশক্তি নামে পুত্ৰসকলক শাস্ত্ৰজ্ঞান
দিবলৈকে বিষ্ণুশৰ্মাই পঞ্চতন্ত্ৰ ৰচনা কৰিছিল। দুই এক অৰ্বাচীন গ্ৰন্থৰ পাতত
পূৰ্ণভদ্ৰ বা নাৰায়ণকহে গ্ৰন্থকাৰৰূপে পালেও বিষ্ণুশৰ্মাই যে পঞ্চতন্ত্ৰৰ গ্ৰন্থকৰ্তা তাত
সন্দেহ কৰা অনুচিত। কোনো কোনো পণ্ডিত বিষ্ণুশৰ্মা চাণক্য-কৌটিল্যক একেজন
লোক বুলিও ভাবে। প্ৰকৃততে বিষ্ণুশৰ্মাৰ জীৱন-চৰিত সম্বন্ধে একো জনা নাযায়।

**কাল ঃ** পঞ্চতন্ত্ৰৰ ঠাই বিশেষত ৰোমান মুদ্ৰা দীনাৰৰ উল্লেখ আছে। সম্ভৱতঃ
মূলগ্ৰন্থতো ইয়াৰ উল্লেখ আছিল। সেয়ে সঁচা হলে ইয়াৰ ৰচনা খৃষ্টজন্মৰ পাছত হোৱা
সম্ভৱ। ৫৫০ খৃষ্টাব্দত বৰ্জোৱে মূলগ্ৰন্থখন পহলৱী অনুবাদ কৰিছিল। ইয়াৰ একদুই
শ বছৰৰ পূৰ্বে গ্ৰন্থখন ৰচিত হোৱা সম্ভৱ। গতিকে গ্ৰন্থখন ২য়-৩য় খৃষ্ট শতিকাৰ
মাজতে ৰচনা হ'ব পাৰে।

**পঞ্চতন্ত্ৰৰ বিষয়বস্তু, বিভাজন আদি ঃ পঞ্চতন্ত্ৰ** পাঁচটা তন্ত্ৰত বিভক্তঃ
'মিত্ৰভেদ-মিত্ৰপাপ্তি-কাকোলূকীয়-লব্ধপ্ৰণাশ-অপৰীক্ষকাৰকানি চেতি পঞ্চতন্ত্ৰাণি।'

প্ৰথমতন্ত্ৰ মিত্ৰভেদত মূলতঃ দুই ধুৰ্ত শিয়াল কৰটক আৰু দমনকে পিঙ্গলক নামে
সিংহ আৰু সঞ্জীৱক নামে ষাড় গৰুৰ মাজত ঘটোৱা বিভেদৰ কাহিনী পোৱা যায়।
ইয়াত মুঠতে ২২টা সাধুকথা বৰ্ণিত হৈছে। ২য় তন্ত্ৰ মিত্ৰসম্প্ৰাপ্তিত অন্যান্য ৬টা
সাধুসহ চিত্ৰগ্ৰীৱ নামে কপৌৰ ৰজা, হিৰণ্যক নামে নিগনি, লঘু পতনক নামে কাউৰী,
চিত্ৰাঙ্গ নামে হৰিণ আৰু মন্থৰক নামে কাছৰ পৰম বন্ধুত্বৰ কথা বৰ্ণিত হৈছে। ৩য় তন্ত্ৰ
কাকোলূকীয়ত মুঠ ১৬টা সাধুৰ মাজত মূলতঃ কাউৰী আৰু ফেঁচাৰ মাজত থকা সহজ
বা স্বভাৱ বৈৰিতাৰ অনুপম বৰ্ণনা পোৱা যায়। ইয়াত ৰাজনীতি বিষয়ক অনেক কথা

ইতৰ প্ৰাণীৰ ব্যৱহাৰেৰে দাঙি ধৰিছে। লব্ধপ্ৰণাশ নামে ৪ৰ্থ তন্ত্ৰত মূঠ এঘাৰটা সাধুৰ মাজেৰে 'পোৱা বস্তুৰ কিদৰে বিনাশ' হয় তাকে ঘৰিয়াল আৰু বান্দৰৰৰ মাজেৰে দেখুৱা হৈছে। 'অপৰীক্ষিতকাৰক' নামে ৫ম তন্ত্ৰত সংগৃহীত চৈধ্যটা সাধুৰ প্ৰথমটোতে ব্ৰাহ্মণী আৰু নেউলৰ দৃষ্টান্তেৰে কৰা বিবেচনা কাৰ্য্যৰদ্ব'ৰা সংঘটিত হোৱা পয়মালৰ বিষয়ে বিশেষত: কোৱা হৈছে।

**পঞ্চতন্ত্ৰৰ শৈলী:** ই এখন উপদেশাত্মক সাধুকথাৰ সংকলন। ইয়াৰ উদ্দেশ্য হৈছে বালকক নীতিজ্ঞান দিয়া। ইয়াৰ অধিকাংশ চৰিত্ৰ পশু-পক্ষী। এই সাধুবোৰৰ মাজেৰে নীতিগৰ্ভ কথা এনেভাবে দাঙি ধৰা হৈছে যে শুনোতাই তাত আনন্দ লাভ নকৰি নেথাকে। ইয়াৰ শৈলী আৰু বিষয়বস্তুৰ ওপৰত ৰামায়ণ-মহাভাৰতৰ ছাঁ পৰিছে। মৎস্যত্ৰয় কথা, কাকোলূকীয় আদি তাৰে উদাহৰণ। ইয়াৰ ভাষা যথোচিত সৰল, সাৱলীল আৰু সুস্পষ্ট। অনুষ্টুপ ছন্দৰ ব্যৱহাৰে ইয়াক ইতিহাস, পুৰাণ আৰু ধৰ্মশাস্ত্ৰৰ ওচৰ চপাই নিছে।

**তন্ত্ৰাখ্যায়িকা:** ইয়াৰ একমাত্ৰ পাণ্ডুলিপিখন কাশ্মীৰত শাৰদালিপিত পোৱা গৈছে। এই গ্ৰন্থৰ মূল **পঞ্চতন্ত্ৰৰে** ঘনিষ্ঠ সম্বন্ধ আছে। মূল **পঞ্চতন্ত্ৰৰ** কথাংশ বাদ দিয়া বা পৰিবৰ্তন কৰাৰ লগনি ইয়াত কেতবোৰ কথা নকৈ সংযোজিত হোৱাটোহে পৰিলক্ষিত হৈছে। চণ্ডৰক বা নীলা শিয়ালৰ কথা, চতুৰ শিয়ালৰ কথা, সোমিলক তাঁতিৰ কথা, দুষ্টা স্ত্ৰীৰ কথা, শিৱি ৰজাৰ কথা, বৃদ্ধ হাঁহৰ কথা নকৈ এই গ্ৰন্থত সোমাইছে। ইয়াৰ ৰচনা কাল জনা নাযায়।

**হিতোপদেশ:** পঞ্চতন্ত্ৰৰ অন্য তাণ্ডৱণৰূপে বঙ্গদেশত এই গ্ৰন্থ ৰচিত হয়। বঙ্গপতি ধৱলচন্দ্ৰৰ পৃষ্ঠপোষকতাত পণ্ডিত নাৰায়ণে এই গ্ৰন্থ ৰচনা কৰে। গ্ৰন্থকাৰ শৈৱ মতাৱলম্বী লোক আছিল। গ্ৰন্থকাৰে প্ৰাস্তাৱিকত কথাৰ ছলেৰে বালকক নীতি শিক্ষা আৰু বাক্‌চাতুৰ্যৰ শিকনি দিবলৈ **হিতোপদেশ** ৰচনা কৰিবলৈ ওলাইছে বুলি কৈছে:

> যন্নৱে ভাজনে লগ্নঃ সংস্কাৰো নান্যথা ভৱেৎ।
> কথাচ্ছলেন বালানাং নীতিস্তদিহ কথ্যতে॥

**হিতোপদেশৰ** মাধা কথা **পঞ্চতন্ত্ৰৰ** পৰা গৃহীত। কথাবস্তুৰ পাছত ইয়াৰ চাৰিটা পৰিচ্ছেদৰ কথা এনেদৰে পোৱা যায়:

> মিত্ৰলাভঃ সুহৃদ্ভেদো বিগ্ৰহঃ সন্ধিৰেৱ চ।
> পঞ্চতন্ত্ৰাত্তথান্যস্মাদ্ গ্ৰন্থাদাকৃষ্য লিখ্যতে॥

এই গ্ৰন্থৰ ভাষা সৰল আৰু সহজবোধ্য। শ্লোকবোৰ তেনেই উপদেশমূলক আৰু শিক্ষাপ্ৰদ। পঞ্চতন্ত্ৰতকৈ ই অধিক জনপ্ৰিয়। ইয়াত ৬৭৯ টা নীতি বিষয়ক শ্লোক আছে। অনেক শ্লোক মহাভাৰত, ধৰ্মশাস্ত্ৰ, পুৰাণ আদিৰপৰা উদ্ধৃত।

**কাল:** নেপালত প্ৰাপ্ত ইয়াৰ পাণ্ডুলিপিৰ কাল ১৩৭৩ খৃষ্টাব্দ। গতিকে



গ্ৰন্থ ৰচনাৰ কাল ইয়াৰ পূৰ্ববৰ্তী হ'ব। যিহেতু গ্ৰন্থকাৰে মাঘ আৰু কামন্দকী নীতিশাস্ত্ৰৰ ওচৰতো ঋণী সেয়ে ইয়াৰ কাল মাঘ আৰু কামন্দকীৰ পৰৱৰ্তী হ'ব।

**পঞ্চতন্ত্ৰৰ পাশ্চাত্যমুখী যাত্ৰা:** ৫৫০ খৃষ্টাব্দত বুৰ্জোই নামে পাৰ্চী চিকিৎসক এজনে ভাৰত ভ্ৰমণ কৰি উভতি যাওঁতে ভাৰতীয় পণ্ডিতৰ সহায়ত পহ্লবীলৈ অনূদিত ভাৰতীয় কথাৰ সংকলন লগতলৈ যায়। তাৰে মাজত পঞ্চতন্ত্ৰ কথাই মুখ্যাংশ অধিকাৰ কৰিছিল। ৫৭০ খৃষ্টাব্দত ই চিৰীয় ভাষালৈ আৰু ৭৫০ খৃষ্টাব্দত আৰবীলৈ অনূদিত হয়। ১০৮০ খৃষ্টাব্দত ই আৰবীৰপৰা ক্ৰমে গ্ৰীকলৈ আৰু ১২৫১ চনত স্পেনীচলৈ অনূদিত হয়। ১১০০ খৃষ্টাব্দত ইয়াৰ হিব্ৰু অনুবাদ হয়। ১৫৮৩ খৃষ্টাব্দত ই ইটালীয় ভাষালৈ অনূদিত হয়। এনেদৰে পৰৱৰ্তী কালত ইউৰোপৰ-পৰা প্ৰায়বোৰ ভাষালৈ ইয়াৰ ব্যাপক অনুবাদ হোৱাৰ পৰিপেক্ষিতত ইয়াৰ জনপ্ৰিয়তা বাঢ়ি যায়।

# সপ্তম অধ্যায় (ক)

## গীতিকাব্য

অতিশয় আবেগিক অনুভূতিপূৰ্ণ আৰু সংবেদনশীল ভাবযুক্ত অথচ মাধুৰ্যময় কবিতাক গীতিকাব্য বা কবিতা আখ্যা দিয়া হয়। 'উৎকণ্ঠাৰিবচিতপদং গেয়ং' বুলি ইয়াৰ লক্ষণ নিৰূপিত হৈছে। অৰ্থাৎ অতীৱ উৎকণ্ঠাপূৰ্ণ ভাবানুভূতিৰে বিৰচিত গীতকে 'গীতিকাব্য' বোলা হয়। শৃঙ্গাৰৰসেৰে ৰঞ্জিত শৃঙ্গাৰকাব্য বা ভক্তিৰসেৰে আপ্লুত কবিতা এই শ্ৰেণীত পৰে। সংস্কৃতত এই শ্ৰেণীৰ কাব্যক লঘু বা খণ্ডকাব্য বোলা হয়। সংস্কৃতত থকা শ্ৰব্য আৰু দৃশ্য—সকলো শ্ৰেণীৰ কাব্যতে গীতি কবিতাই প্ৰভাৱ বিস্তাৰ কৰিছে। তথাপি ইয়াৰ স্বকীয় বৈশিষ্ট্য ব্যঞ্জক এশ্ৰেণী কাব্যই সংস্কৃত সাহিত্যৰ ইতিহাসৰ পাত জিলিকাই ৰাখিছে।

অধ্যেতাসকলে অৱশ্যে ঋগ্বেদৰ পাতত থকা উষাসূক্ত বা সূৰ্য সূক্তসমূহৰ মাজতে গীতিকাব্যৰ প্ৰথম চানেকি দেখা পায়। আনকি ইতিহাস পুৰাণৰ যুগতো ৰামায়ণ মহাভাৰত তথা অনেক পুৰাণৰ অংশ বিশেষত গীতিধৰ্মী কাব্যৰ নিদৰ্শন দেখা যায়। মহাকাব্যসমূহৰ মাজত গীতিধৰ্মী কাব্যৰ প্ৰাচুৰ্য বিদ্যমান স্বত্বেও কালিদাসৰ যুগৰপৰা এই শ্ৰেণী কাব্যৰ স্বতন্ত্ৰ অস্তিত্ব দেখা পোৱা যায়। মহাকবিজনৰ মেঘদূত আৰু ঋতুসংহাৰকে এই শ্ৰেণী কাব্যৰ প্ৰথম নিৰ্দেৰ্শন বোলা হয়।

**কালিদাসৰ ঋতুসংহাৰম্ আৰু মেঘদূতম্ঃ** মহাকবি কালিদাসে যথাসম্ভৱ **ঋতুসংহাৰে**ৰে নিজৰ কবি জীৱনৰ পাতনি মেলিছিল। ইয়াত দেখা পোৱা ছন্দাদিৰ দোষলৈ চকুদি হিলেব্ৰাণ্ট প্ৰভৃতি প্ৰতীচ্যৰ অনেক পণ্ডিতে এই খণ্ডকাব্যখন কালিদাসৰদ্বাৰা বিৰচিত বুলি মানিবলৈ দ্বিধাবোধ কৰে যদিও আন ভালেমান প্ৰাচ্য-প্ৰাশ্চাত্যৰ পণ্ডিতে গ্ৰন্থখন কবিৰ আদ্যসৃষ্টি বুলি স্বীকাৰ কৰিছে। খৃ. ৪৭২—৭৩ চনতে বৎসভট্টিয়ে ঋতুসংহাৰৰ আৰ্হিত মান্দাচোৰ প্ৰশস্তি ৰচনা কৰা বুলিও অনেকে অভিমত পোষণ কৰে।

এই খণ্ডকাব্যখনত ভাৰতবৰ্ষত সততে দেখা পোৱা ছয় ঋতুৰ বৰ্ণনা ক্ৰমশঃ কবিজনে তুলি ধৰিছে। 'ঋতুসংহাৰ' নামটোৱে ঋতুসমূহৰ সমাহাৰ বা সমষ্টিকে বুজায়। ইয়াত কবিজনে ক্ৰমে গ্ৰীষ্ম, বৰ্ষা, শৰৎ, হেমন্ত, শীত আৰু বসন্ত এই ছয়ঋতুৰ মাৰ্মিক বৰ্ণনা ১১৪ টা শ্লোকত প্ৰকাশ কৰিছে। কবিজনৰ নাট্যকৃতি অভিজ্ঞান শকুন্তলমো গ্ৰীষ্ম ঋতুৰ বৰ্ণনাৰে আৰম্ভ হৈছে। ঋতুসংহাৰ বসন্ত ঋতুৰ বৰ্ণনাৰে সমাপ্ত হোৱাত বুজিবলৈ পাৰি যে কবিয়ে 'মধুৰেণ সমাপয়েৎ' (মধু মানে বসন্ত ঋতু) বাক্যটিৰ সাৰ্থকতা অনুসৰণ কৰিছে। কালিদাসে ঋতুৰ বৰ্ণনা কৰোঁতে বাল্মীকিৰ ৰামায়ণৰ বৰ্ণনা সমুখত ৰখা যেন অনুমান হয়। কবিয়ে মানৱীয় অনুভূতি সাপেক্ষেহে ঋতুৰ বৰ্ণনা কৰিছে। দয়িতাক সুকোমল কাব্যপংক্তি শুনোৱাৰ ছলেৰে কবিয়ে ঋতুৰ বৰ্ণনা কৰিছে। কবিয়ে ইয়াতো মানুহ আৰু প্ৰকৃতিৰ অনুভূতিৰ সুসমন্বয় সাধনৰ প্ৰচেষ্টা কৰিছে। অৱশ্যে তেওঁৰ প্ৰয়াস ইয়াত সাধ্যৰূপত আছে। যিটো শাকুন্তলমত সিদ্ধ



হৈছে। কবিজনে ভাৰতীয় প্ৰকৃতিৰ ৰাজ্যখন বিবিধ ৰংবিৰঙেৰে আঁকিবলৈ যত্নপৰ হৈছে। প্ৰকৃতিৰ শক্তিক কবিয়ে পৰ্য্যবেক্ষণ কৰি তাক নিজৰ আবেগ-অনুভূতিৰে সিক্ত কৰি শ্ৰোতৃবৰ্গৰ সমক্ষত তুলি ধৰিছে। কালিদাসৰ বৰ্ণনা-শক্তি, কলা-কুশলতা, যথাৰ্থ উপমা আৰু অনুপম শব্দ সম্ভাৰৰ আভাস পোনতে ঋতুসংহাৰৰ পাততে পঢ়ুৱৈয়ে দেখা পায়। তথাপি এয়া যে কবিৰ অপৈণত হাতৰহে সৃষ্টি পাঠকে তাক নুবুজি নাথাকে।

**মেঘদূতঃ** মহাকবি কালিদাসৰ ৰচনাৰাজিৰ ভিতৰত **অভিজ্ঞান শাকুন্তলমৰ** পিছতে **মেঘদূতৰ** খ্যাতি আৰু প্ৰসিদ্ধি আছে। সম্ভৱতঃ মহাকবিজনে ঋতুসংহাৰ ৰচনা কৰি তেওঁৰ মহাকাব্য দুখন ৰচনা কৰাত হাত নৌদিওঁতেই মেঘদূত ৰচনা কাৰ্য্যত হাত দিছিল। যথাসম্ভৱ বাল্মীকিৰপৰাই তেওঁ মেঘদূত ৰচনা কৰিবলৈ অনুপ্ৰেৰণা লাভ কৰিছিল। ৰামৰ সীতা বিৰহৰ ছাঁ, যক্ষৰ পত্নী বিয়োগৰ ওপৰত পৰাটো সহজে অনুমান কৰিব পাৰি। আকৌ **ৰামায়ণৰ** বৰ্ষা বৰ্ণনাৰ ছাঁও ইয়াত পৰিছে।

বৰ মৰ্মস্পৰ্শী বিষয়বস্তুক উপজীৱ্য কৰি কবিজনে **মেঘদূত কাব্য** ৰচনা কৰিছে। প্ৰভু কুবেৰৰ আদেশ পালনত ব্যৰ্থ হোৱা অলকাবাসী যক্ষই নিৰ্বাসিত হৈ নিজৰ যক্ষজনোচিত মহিমা হেৰুৱাই মধ্যভাৰতৰ অন্তৰ্গত ৰামগিৰি আশ্ৰমত এবছৰ কাল কটাব লগীয়া হ'ল। নিজ বাসস্থান অলকা আৰু প্ৰিয়তমাৰপৰা বিযুক্ত হৈ যক্ষই ৰামগিৰিৰ নিৰ্জন শৃঙ্গত কান্তাবিৰহত ভাৰাক্ৰান্ত হৃদয়েৰে শুকাই-খিনাই যোৱা শৰীৰেৰে বিচৰণ কৰিবলৈ ধৰিলে। আহাৰৰ আগমনত আকাশত ভাহি ফুৰা মেঘ দেখি যক্ষৰ মন প্ৰিয়াবিৰহত অধিক আতুৰ হৈ পৰিল। প্ৰিয়াৰ কামনাত অধীৰ যক্ষৰ মন চেতন আৰু অচেতনৰ প্ৰতি বোধশূন্য হ'ল। আকাশত ভাহি ফুৰা মেঘখণ্ড দেখি তেওঁৰ বিৰহত বিধুৰ হৈ থকা পত্নীলৈ এটি সান্ত্বনাসূচক আৰু মিলনৰ আশাব্যঞ্জক বতৰা পঠিওৱাৰ কথা মনত খেলালে। মেঘ পুষ্কৰাৱৰ্তৰ বংশধৰ। তেওঁ যদি যক্ষৰ বতৰা অলকালৈ কঢ়িয়াই নিনিয়েও তথাপি তেওঁৰ বাবে তাত দুঃখ কৰিবলগীয়া কথা নাই; কাৰণ 'যাচ্ঞা মোঘা বৰমধিগুণে নাধমে লব্ধকামা।' কোনটি পথেৰে গলে মেঘে অলকাপুৰী পাবগৈ তাৰ বিস্তৃত বতৰা (পূৰ্বমেঘত) কবিয়ে যক্ষৰ মুখেৰে প্ৰকাশ কৰিছে। মেঘে উত্তৰলৈ বুলি যাত্ৰা কৰি অমৰকূটশৃঙ্গ, নৰ্মদানদী, বিদিশা নগৰী, বেত্ৰৱতী নদী, অৱন্তীৰ ৰাজধানী উজ্জয়িনী, পুণ্যতীৰ্থ কুৰুক্ষেত্ৰ আদি অতিক্ৰম কৰি গৈ যক্ষৰ বাসভূমি অলকাত উপস্থিত হ'বলৈ কৈছে। উত্তৰ মেঘত যক্ষই অলকাপুৰী আৰু নিজৰ প্ৰাসাদৰ চমৎকাৰ বৰ্ণনা দিছে। আতুৰ চিত্তেৰে যক্ষই তেওঁৰ বিৰহাতুৰ পত্নীলৈ মেঘদূতৰ জৰিয়তে এটি বতৰা পঠিয়াইছে যাতে বাকী থকা চাৰিটা মাহ (পত্নীয়ে) মিলনৰ আকাঙ্ক্ষাৰে সহজে অতিবাহিত কৰিবলৈ পাৰে।

এই খণ্ডকাব্যখন ১৫৫ টা মন্দাক্ৰান্তা শ্লোকত ৰচিত। কাব্যখনৰ নমুনা আৰু গঠন প্ৰক্ৰিয়াই কবিজনৰ মৌলিক সাহিত্যকলাৰ বৈশিষ্ট্য বহন কৰে। খণ্ডকাব্যৰ আদ্য সৃষ্টিৰূপে ই পিছলৈ এশ্ৰেণী 'দূতকাব্য' নামে গীতিকাব্য সৃষ্টিৰ প্ৰেৰণাৰ স্থল হয়গৈ। পণ্ডিতবৰ্গই যথাৰ্থতে ৰামায়ণৰ প্ৰভাৱতে কবিমানসত মেঘদূতে জনম

লৈছিল বুলি কবলৈ প্ৰয়াস পাইছে। ই যে সংস্কৃত গীতিকাব্যৰ বাটকটীয়া তাত সন্দেহ নাই। কিয়নো আনবিলাক কাব্য একোটিকৈ স্থূল কাহিনীক উপজীব্য কৰি গঢ়ি উঠিছে। কিন্তু মেঘদূতৰ লেখীয়া দূতকাব্যৰ কাহিনী ভাগ নিচেই লাহী আৰু সূক্ষ্ম; মাথোন ইয়াত ভাবানুভূতিৰ প্ৰখৰতা বেচি। অৱশ্যে খেনোৱে ইয়াৰ মাজত কৱিজনৰ নিজৰ জীৱনত ঘটা একেবিধ ঘটনাৰ চিত্ৰ প্ৰতিফলিত হোৱা বুলিও ক'ব খোজে। ইয়াৰ মূলাদৰ্শ গ্ৰহণ কৰি জাৰ্মান কৱি চিলাৰে ( Schiller ) 'মৰিয়াষ্টুৱাৰ্ট' নামে কাব্য ৰচনা কৰে। কাব্যখনে জাৰ্মান কবি গ্যেটে আৰু আমেৰিকান কবি ইলিয়টৰ প্ৰশংসা অৰ্জন কৰিছে।

**মেঘদূতৰ প্ৰভাৱ আৰু দূতকাব্যৰ পৰম্পৰা** : খৃ. ৮ম শতাব্দীৰ জৈন **কৱি জিনসেনে** জৈন সন্ত পাৰ্শ্বনাথৰ চৰিত্ৰক অৱলম্বন কৰি **'পাৰ্শ্বাভ্যুদয়'** নামে গ্ৰন্থ ৰচোঁতে তেওঁ মেঘদূতৰ অনুকৰণ কৰে। 'সমস্যাপূৰ্তি'ৰ আৰ্হিত তেওঁ মেঘদূতৰ প্ৰতিটো শ্লোকৰ এশাৰী বা দুশাৰী ধাৰাবাহিক ক্ৰমত গ্ৰহণ কৰি স্বকীয় কাব্যৰ মালা গাঁথিছে। উদাহৰণ স্বৰূপে পাৰ্শ্বাভ্যুদয়ৰ প্ৰথম শ্লোকটো তুলি ধৰা হওক :

শ্ৰীমন্মূৰ্ত্যা মৰকতময়স্তম্ভলক্ষ্মীং বহন্ত্যা
যোগৈকাগ্ৰস্তিমিততৰয়া তস্থিবাংসৌ নিদধ্যৌ।
পাৰ্শ্বে দৈত্যো নভসি বিহৰন্ বদ্ধবৈৰেণ দগ্ধঃ
কশ্চিৎকান্তাবিৰহগুৰুণা স্বাধিকাৰাৎপ্ৰমত্তঃ॥

সেই অষ্টম শতিকাতে মেঘদূতৰ স্বৰূপ কেনেকুৱা আছিল তাক সাৰ্থকভাবে বুজিবলৈ পাৰ্শ্বাভ্যুদয় এক প্ৰকৃষ্ট উপকৰণ।

সপ্তদশ শতিকাত **বিক্ৰম** নামে আন এজন কৱিয়েও মেঘদূতৰ শ্লোকাংশবোৰৰ সুপ্ৰয়োগ কৰি **'নেমিদূত'** নামে এখন দূতকাব্য ৰচনা কৰে। ইয়াৰ উপৰিও মেঘদূত অনুকৰণত অনেক দূতকাব্য এই দেশত ৰচিত হৈছে। তাৰ ভিতৰত **ধোয়ি কৱিৰ** ( ১২ শ শতিকা ) **'পৱন দূত'**, ১৪ শ শতিকাৰ কৱি উদ্দণ্ড ৰচিত **'কোকিল সন্দেশ'**, আৰু **বেঙ্কটনাথ** বা **বেদান্তদেশিক** ৰচিত **'হংসসন্দেশ'**, পঞ্চদশ শতিকাৰ ৰজা বেমভূপালৰ সভাকৱি **বামনভট্ট** বাণৰ **'হংসদূত'**, ১৬ শ শতিকাৰ ভক্তকবি **ৰূপগোস্বামী** কৃত **'হংসদূত'**, বঙ্গৰ কৱি **ভোলানাথ** বিৰচিত **'পান্থদূত'** আদি ( খণ্ডকাব্য মেঘদূতৰ আৰ্হিতে ৰচিত ) উল্লেখযোগ্য।

**শৃঙ্গাৰতিলক** : মহাকৱি কালিদাসৰ নামেৰে জড়িত অন্যান্য গ্ৰন্থৰ ভিতৰত 'শৃঙ্গাৰ তিলক' অন্যতম কাব্য। আমাৰ ভাৰতীয় পৰম্পৰাই কালিদাসক এই গ্ৰন্থৰ ৰচক বুলি কলেও সি সন্দেহাতীত নহয়। গ্ৰন্থখন মাত্ৰ ২৩ টা শ্লোকত ৰচিত। প্ৰেম, তথা প্ৰেমিক-প্ৰেমিকাৰ মিলন আৰু বিৰহৰ অনেকবোৰ মনোৰম শব্দচিত্ৰ অংকিত হৈছে। উদাহৰনাৰ্থঃ

ইয়ং ব্যাধায়তে বালা ভ্ৰূৰস্যা কাৰ্মুকায়তে।
কটাক্ষাশ্চ শৰায়ন্তে মনো মে হৰিণায়তে॥



আকৌ আন এটা শ্লোকত কৱিজনে আপত্তি তুলি সুধিছে কিয় বাৰু কামিনীৰ হৃদয় শিলৰ দৰে কঠিন, অথচ তেওঁৰ অঙ্গসমূহ পদুমৰ দৰে কমনীয় আৰু সুকোমল :

ইন্দীবৰেণ নয়নং মুখমম্বুজেন কুন্দেন দন্তম্
অধৰং নৱপল্লৱেন।
অঙ্গানি চম্পকদলৈঃ স বিধায় বেধাঃ কান্তে কথং
ঘটিত বানুপলেন চেতঃ॥

শ্লোকবোৰ সুসংহত আৰু সুসামঞ্জস্যকৰ ভাবানুভূতিৰে নিবদ্ধ নহলেও, ইয়াক অধিকখিনিয়েই শৃঙ্গাৰৰসসিক্ত শ্লোকৰত্নৰ উদাহৰণ।

**ঘটকৰ্পৰ** : মাথোন বাইশটা শ্লোকত ৰচিত এই ক্ষুদ্ৰ গীতিকাব্যখন পৰম্পৰা মতে বিক্ৰমাদিত্যৰ সভাত থকা 'নৱৰত্ন' নামে খ্যাত পণ্ডিত-কৱিসকলৰ অন্যতম ঘটকৰ্পৰৰ নামেৰে বিজড়িত। কাব্যখনৰ দুই-এটি পাণ্ডুলিপিত ৰচক হিচাপে কৱি কালিদাসৰ নামো পোৱা যায়। কাব্যখন অৰ্থালংকাৰৰ বাবে সুখ্যাত নহয়; বৰং ই 'যমক' নামে শব্দালংকাৰৰ বাবে অধিক জনাজাত। কাব্যখনৰ' নামটি 'ঘটকৰ্পৰ' বা 'ভঙা কলহ' হোৱাৰ মূলতে হৈছে কৱিজনে কৰা গৰ্বোক্তি। কাৰণ গ্ৰন্থৰ শেষ শ্লোকত কৱিজনে গৰ্ব কৰি কৈছে যে যিজনে তেওঁক যমক অলংকাৰ প্ৰয়োগ কৰি শ্লোক ৰচনাত হেৰ পেলাবলৈ পাৰিব তেওঁলৈ কৱিয়ে ভঙাকলহেৰে পানী বৈ আনিব :

আলম্ব্য বাম্বু তৃষিতঃ কৰকোশপেয়ং
ভাবানুৰক্তবনিতাসুৰতৈঃ শপেয়ম্।
জীয়েয় যেন কৱিনা যমকৈঃ পৰেণ
তস্মৈ বহেয়মুদকং ঘটকৰ্পৰেণ॥

বৰ্ষাৰ আগমনত কোনো বিৰহী ৰমনীয়ে বিদেশত থকা তেওঁৰ পতিলৈ মেঘৰ জৰিয়তে পঠোৱা এক বাৰ্তাক উপজীব্য কৰি এই কাব্যখন কৱিয়ে ৰচিছে। ই মেঘদূতৰ এক ক্ষুদ্ৰ অনুকৰণ।

**অমৰুক** : অমৰুকশতক নামে গীতিকাব্যখন অমৰু বা অমৰুক নামে কৱিৰ ৰচনা বুলি প্ৰসিদ্ধি আছে। ইয়াৰ বিভিন্ন পাঠত নব্বৈৰপৰা এশ পোন্ধৰটালৈকে শ্লোক পোৱা যায় যদিও তাৰ ভিতৰত ৫১টা শ্লোকহে সকলো পাঠতে সমানে বৰ্তমান। বাকীবোৰ অসমান। গ্ৰন্থখনৰ ওপৰত ৰচিত ( ১৫ টা ) টীকাৰ সংখ্যালৈ চাই ইয়াৰ জনপ্ৰিয়তা সহজে বুজিবলৈ পাৰি।

প্ৰবাদমতে ভগৱান আদি শংকৰাচাৰ্য্যই মণ্ডনমিশ্ৰক তৰ্কত পৰাস্ত কৰাৰ পাছত তেওঁৰ পত্নী শাৰদাই কামশাস্ত্ৰ সম্বন্ধীয় প্ৰশ্ন কৰাত ভগৱান শংকৰাচাৰ্য্যই সেই শাস্ত্ৰজ্ঞান লভিবলৈ এমাহৰ সময় লৈ নৰ্দমাৰ তীৰলৈ যায়। তাতে তেওঁ যোগৰ বলত দেহটো শিষ্যসকলক সংৰক্ষণ কৰিবলৈ দি ইতিমধ্যে মৃত কাশ্মীৰৰ ৰজা অমৰুকৰ পত্নীসকলেৰে শৃঙ্গাৰ কেলি কৰি পুনঃ নিজ দেহত প্ৰৱেশ কৰে। এনেদৰে লব্ধ জ্ঞানেৰে তেওঁ

লৈছিল বুলি কবলৈ প্ৰয়াস পাইছে। ই যে সংস্কৃত গীতিকাব্যৰ বাটকটীয়া তাত সন্দেহ নাই। কিয়নো আনবিলাক কাব্য একোটিকৈ স্থূল কাহিনীক উপজীব্য কৰি গঢ়ি উঠিছে। কিন্তু মেঘদূতৰ লেখীয়া দূতকাব্যৰ কাহিনী ভাগ নিচেই লাহী আৰু সূক্ষ্ম; মাথোন ইয়াত ভাবানুভূতিৰ প্ৰখৰতা বেচি। অৱশ্যে যেনোৱে ইয়াৰ মাজত কৱিজনৰ নিজৰ জীৱনত ঘটা একেবিধ ঘটনাৰ চিত্ৰ প্ৰতিফলিত হোৱা বুলিও ক'ব খোজে। ইয়াৰ মূলাদৰ্শ গ্ৰহণ কৰি জাৰ্মান কৱি চিলাৰে ( Schiller ) 'মৰিয়াষ্টুৱাৰ্ট' নামে কাব্য ৰচনা কৰে। কাব্যখনে জাৰ্মান কবি গ্যেটে আৰু আমেৰিকান কবি ইলিয়টৰ প্ৰশংসা অৰ্জন কৰিছে।

**মেঘদূতৰ প্ৰভাৱ আৰু দূতকাব্যৰ পৰম্পৰা**: খৃ. ৮ম শতাব্দীৰ জৈন কৱি **জিনসেনে** জৈন সন্ত পাৰ্শ্বনাথৰ চৰিত্ৰক অৱলম্বন কৰি **'পাৰ্শ্বাভ্যুদয়'** নামে গ্ৰন্থ ৰচোঁতে তেওঁ মেঘদূতৰ অনুকৰণ কৰে। 'সমস্যাপূৰ্তি'ৰ আঁহিত তেওঁ মেঘদূতৰ প্ৰতিটো শ্লোকৰ এশাৰী বা দুশাৰী ধাৰাবাহিক ক্ৰমত গ্ৰহণ কৰি স্বকীয় কাব্যৰ মালা গাঁথিছে। উদাহৰণ স্বৰূপে পাৰ্শ্বাভ্যুদয়ৰ প্ৰথম শ্লোকটো তুলি ধৰা হওক:

শ্ৰীমন্মূৰ্ত্যা মৰকতময়স্তম্ভলক্ষ্মীং বহন্ত্যা
যোগৈকাগ্ৰস্তিমিততৰয়া তস্থিবাংসৌ নিদধ্যৌ।
পাৰ্শ্বে দৈত্যো নভসি বিহৰন্ বদ্ধবৈৰেণ দগ্ধঃ
কশ্চিৎকান্তাবিৰহগুৰুণা স্বাধিকাৰাৎপ্ৰমত্তঃ॥

সেই অষ্টম শতিকাতে মেঘদূতৰ স্বৰূপ কেনেকুৱা আছিল তাক সাৰ্থকভাৱে বুজিবলৈ পাৰ্শ্বাভ্যুদয় এক প্ৰকৃষ্ট উপকৰণ।

সপ্তদশ শতিকাত **বিক্ৰম** নামে আন এজন কৱিয়েও মেঘদূতৰ শ্লোকাংশবোৰৰ সুপ্ৰয়োগ কৰি **'নেমিদূত'** নামে এখন দূতকাব্য ৰচনা কৰে। ইয়াৰ উপৰিও মেঘদূত অনুকৰণত অনেক দূতকাব্য এই দেশত ৰচিত হৈছে। তাৰ ভিতৰত **ধোয়ি কৱিৰ** ( ১২ শ শতিকা ) **'পৱন দূত'**, ১৪ শ শতিকাৰ কবি **উদ্দণ্ড** ৰচিত **'কোকিল সন্দেশ'**, আৰু **বেঙ্কটনাথ** বা **বেদান্তদেশিক** ৰচিত **'হংসসন্দেশ'**, পঞ্চদশ শতিকাৰ ৰজা বেমভূপালৰ সভাকৱি **বামনভট্ট** বাণৰ **'হংসদূত'**, ১৬ শ শতিকাৰ ভক্তকবি **ৰূপগোস্বামী** কৃত **'হংসদূত'**, বঙ্গৰ কৱি **ভোলানাথ** বিৰচিত **'পান্থদূত'** আদি ( খণ্ডকাব্য মেঘদূতৰ আঁহিতে ৰচিত ) উল্লেখযোগ্য।

**শৃঙ্গাৰতিলক**: মহাকৱি কালিদাসৰ নামেৰে জড়িত অন্যান্য গ্ৰন্থৰ ভিতৰত 'শৃঙ্গাৰ তিলক' অন্যতম কাব্য। আমাৰ ভাৰতীয় পৰম্পৰাই কালিদাসক এই গ্ৰন্থৰ ৰচক বুলি কলেও সি সন্দেহাতীত নহয়। গ্ৰন্থখন মাত্ৰ ২৩ টা শ্লোকত ৰচিত। প্ৰেম, তথা প্ৰেমিক-প্ৰেমিকাৰ মিলন আৰু বিৰহৰ অনেকবোৰ মনোৰম শব্দচিত্ৰ অঙ্কিত হৈছে। উদাহৰনাৰ্থঃ

ইয়ং ব্যাধায়তে বালা ভ্ৰূৰস্যা কাৰ্মুকায়তে।
কটাক্ষাশ্চ শৰায়ন্তে মনো মে হৰিণায়তে॥



আকৌ আন এটা শ্লোকত কৱিজনে আপত্তি তুলি সুধিছে কিয় বাৰু কামিনীৰ হৃদয় শিলৰ দৰে কঠিন, অথচ তেওঁৰ অঙ্গসমূহ পদুমৰ দৰে কমনীয় আৰু সুকোমল:

ইন্দীবৰেণ নয়নং মুখমম্বুজেন কুন্দেন দন্তম্
অধৰং নৱপল্লৱেন।
অঙ্গানি চম্পকদলৈঃ স বিধায় বেধাঃ কান্তে কথং
ঘটিত বানুপলেন চেতঃ॥

শ্লোকবোৰ সুসংহত আৰু সুসামঞ্জস্যকৰ ভাৱানুভূতিৰে নিবদ্ধ নহলেও, ইয়াৰ অধিকখিনিয়েই শৃঙ্গাৰৰসসিক্ত শ্লোকৰত্নৰ উদাহৰণ।

**ঘটকৰ্পৰ**: মাথোন বাইশটা শ্লোকত ৰচিত এই ক্ষুদ্ৰ গীতিকাব্যখন পৰম্পৰা মতে বিক্ৰমাদিত্যৰ সভাত থকা 'নৱৰত্ন' নামে খ্যাত পণ্ডিত-কৱিসকলৰ অন্যতম ঘটকৰ্পৰৰ নামেৰে বিজড়িত। কাব্যখনৰ দুই-এটি পাণ্ডুলিপিত ৰচক হিচাপে কৱিৰ কালিদাসৰ নামো পোৱা যায়। কাব্যখন অৰ্থালংকাৰৰ বাবে সুখ্যাত নহয়; বৰঞ্চ ই 'যমক' নামে শব্দালংকাৰৰ বাবে অধিক জনাজাত। কাব্যখনৰ' নামটি 'ঘটকৰ্পৰ' বা 'ভঙা কলহ' হোৱাৰ মূলতে হৈছে কৱিজনে কৰা গৰ্বোক্তি। কাৰণ গ্ৰন্থৰ শেষ শ্লোকত কৱিজনে গৰ্ব কৰি কৈছে যে যিজনে তেওঁক যমক অলংকাৰ প্ৰয়োগ কৰি শ্লোক ৰচনাত হেৰ পেলাবলৈ পাৰিব তেওঁলৈ কৱিয়ে ভঙাকলহেৰে পানী বৈ আনিব:

আলম্ব্য বাম্বু তৃষিতঃ কৰকোশপেয়ং
ভাবানুৰক্তবনিতাসুৰতৈঃ শপেয়ম্।
জীয়েয় যেন কৱিনা যমকৈঃ পৰেণ
তস্মৈ বহেয়মুদকং ঘটকৰ্পৰেণ॥

বৰ্ষাৰ আগমনত কোনো বিৰহী ৰমনীয়ে বিদেশত থকা তেওঁৰ পতিলৈ মেঘৰ জৰিয়তে পঠোৱা এক বাৰ্তাক উপজীব্য কৰি এই কাব্যখন কৱিয়ে ৰচিছে। ই মেঘদূতৰ এক ক্ষুদ্ৰ অনুকৰণ।

**অমৰুক**: **অমৰুকশতক** নামে গীতিকাব্যখন অমৰু বা অমৰুক নামে কৱিৰ ৰচনা বুলি প্ৰসিদ্ধি আছে। ইয়াৰ বিভিন্ন পাঠত নব্বৈৰপৰা এশ পোন্ধৰটালৈকে শ্লোক পোৱা যায় যদিও তাৰ ভিতৰত ৫১টা শ্লোকহে সকলো পাঠতে সমানে বৰ্তমান। বাকীবোৰ অসমান। গ্ৰন্থখনৰ ওপৰত ৰচিত ( ১৫ টা ) টীকাৰ সংখ্যালৈ চাই ইয়াৰ জনপ্ৰিয়তা সহজে বুজিবলৈ পাৰি।

প্ৰবাদমতে ভগৱান আদি শংকৰাচাৰ্য্যই মণ্ডনমিশ্ৰক তৰ্কত পৰাস্ত কৰাৰ পাছত তেওঁৰ পত্নী শাৰদাই কামশাস্ত্ৰ সম্বন্ধীয় প্ৰশ্ন কৰাত ভগৱান শংকৰাচাৰ্য্যই সেই শাস্ত্ৰজ্ঞান লভিবলৈ এমাহৰ সময় লৈ নৰ্দমাৰ তীৰলৈ যায়। তাতে তেওঁ যোগৰ বলত দেহটো শিষ্যসকলক সংৰক্ষণ কৰিবলৈ দি ইতিমধ্যে মৃত কাশ্মীৰৰ ৰজা অমৰুকৰ পত্নীসকলেৰে শৃঙ্গাৰ কেলি কৰি পুনঃ নিজ দেহত প্ৰৱেশ কৰে। এনেদৰে লব্ধ জ্ঞানেৰে তেওঁ

অমৰুক কাব্য ৰচনা কৰিছিল বুলি কোৱা হয়। কিন্তু আধুনিক পণ্ডিতসকলে এনে প্ৰবাদ অস্বীকাৰ কৰে।

**অমৰুকশতক**ৰ শ্লোকবোৰ মনোহৰ। ইয়াৰ ভাৱ-ভাষা ছন্দ আৰু অলংকাৰ-সকলোদিশতে মনোহাৰিত্ব বিদ্যমান। শাৰ্দুলবিক্ৰীড়িতৰ দৰে দীঘলীয়া ছন্দ প্ৰযুক্ত কৰিয়ে দীঘলীয়া সমাসবদ্ধ পদ ব্যৱহাৰৰপৰা বিৰত। অমৰুক শব্দ-কৱি নহয়, ৰসকৱিহে। তেওঁৰ ৰচনা শৃঙ্গাৰৰসেৰে সমৃদ্ধ। প্ৰতিটো শ্লোক নায়ক-নায়িকাৰ প্ৰেমৰ মূৰ্ত চিত্ৰ। সেয়ে কাব্যখনক এলানি প্ৰেমলীলাৰ চিত্ৰহাৰ বুলিব পাৰি।

**কাল :** আলংকাৰিক বামন (খৃ ৮০০) আৰু আনন্দবৰ্ধন (৮৫০ খৃ) তেওঁলোকৰ গ্ৰন্থত অমৰুকৰ কৱিতাৰ শলাগ লোৱাৰপৰা বুজিব পাৰি যে 'অমৰুশতক' কমেও খৃষ্টীয় ৭ম শতিকাৰ ৰচনা হোৱা সম্ভৱ।

**বিল্হনৰ চৌৰ পঞ্চাশিকা :** একাদশ শতিকাৰ কাশ্মীৰি কৱি বিল্হনে চৌৰ পঞ্চাশিকা নামে এক ক্ষুদ্ৰকায় অথচ ৰসপূৰ্ণ কাব্য গ্ৰন্থ ৰচনা কৰিছে। ইয়াৰ পঞ্চাশটা শ্লোকত কৱিজনে প্ৰণয়ী-প্ৰণয়িণীৰ প্ৰেমৰ চিত্ৰ অঙ্কন কৰিছে। গ্ৰন্থখন কমেও তিনিটা পাঠত উপলব্ধ। মাত্ৰ পাঁচটা শ্লোকহে (১, ২, ১১, ১২, ৫০) সকলোকেইটা পাঠতে বিদ্যমান।

**চৌৰপঞ্চাশিকাৰ** প্ৰতিটো শ্লোকতে প্ৰণয়ী কৱিজনে তেওঁৰ প্ৰিয়তমাক স্মৰণ কৰি পূৰ্বকৃত প্ৰণয়ৰ মৰ্মস্পৰ্শী বৰ্ণনা তুলি ধৰিছে। কোনো পাঠত গ্ৰন্থৰ পৃষ্ঠভূমি সুকীয়াকৈ বৰ্ণোৱা হৈছে। বৰ্ণনামতে কৱি বিল্হন গুজৰাটৰ ৰজা বীৰসিংহৰ কন্যা চন্দ্ৰলেখা বা শশীকলাৰ গৃহশিক্ষকৰূপে নিযুক্ত হৈছিল। দিন যোৱাৰ লগে লগে বিল্হন আৰু চন্দ্ৰলেখা প্ৰণয়পাশত আবদ্ধ হ'ল। এসময়ত গৈ তেওঁলোকৰ গোপন প্ৰেমৰ কথা ওলাই পৰিলত ৰজাই বিল্হনক মৃত্যু দণ্ডেৰে দণ্ডিত কৰিলে। বধ্যভূমিত বিল্হনে মৰ্মস্পৰ্শী শ্লোকেৰে ৰাজপুত্ৰীৰ প্ৰতি থকা তেওঁৰ প্ৰণয়ৰ কথা বৰ্ণনা কৰা কথা শুনি ৰজাই বিল্হনক ক্ষমা কৰি বিধিমতে তেওঁলৈ কন্যাদান কৰে।

পশ্চিমীয়া পণ্ডিত কীথ আৰু ৱিণ্টাৰনিট্চে উক্ত পৰম্পৰাগত কথাত বিশ্বাস স্থাপন কৰা নাই।

**গোবৰ্ধনৰ আৰ্যসপ্তশতী :** গোবৰ্ধন আছিল বঙ্গৰ ৰজা লক্ষ্মণসেনৰ সভাকৱি আৰু কৱি জয়দেৱৰ সমকালীন। তেওঁ হালৰ 'সত্তসঈ'ৰ আহিত সংস্কৃতত আৰ্য সপ্তশতী ৰচনা কৰে। ৭৩১ শ্লোকত কৱিজনে কাব্যখন ৰচনা কৰিবলৈ লওঁতে তেওঁৰ শিষ্য আৰু সোদৰ উদয়ন আৰু বলভদ্ৰই তেওঁক বৰকৈ সহায় কৰে।

কাব্যখন আৰ্য্যা ছন্দোময়। শ্লোকসমূহ বৰ্ণনাক্ৰমত সজোৱা হৈছে। শ্লোকবোৰ আদি ৰসাত্মক। আন কৱিসকলৰ বিষয়েও তেওঁ (কৱিয়ে) হৃদয়গ্ৰাহী সমালোচনা আগবঢ়াইছে। কৱি বিহাৰীলালে তেওঁৰ সতসঈ ৰচোঁতে গোবৰ্ধনে অনুপ্ৰেৰণা যোগাইছিল বুলি পণ্ডিত গ্ৰীয়েৰ্চনে অভিমত প্ৰকাশ কৰি গৈছে।

কাব্যখনৰ ৰচকৰ / ৰচনাৰ কাল খৃ° ১২শ শতাব্দী।

# সপ্তম অধ্যায় (খ)

## ভক্তি গীতি

শৃঙ্গাৰ ৰসাত্মক গীতি কাব্যৰ লগে লগে সংস্কৃত কৱিসকলে ধৰ্মীয় আৰু দাৰ্শনিক অনুভূতিসিক্ত ভক্তিৰস ৰঞ্জিত অনেক কাব্য বা কৱিতাও ৰচনা কৰিছিল। নিজৰ উপাস্য দেৱ-দেৱীৰ প্ৰতি কৱি হৃদয়ত উদ্বেলিত হোৱা সংবেদনশীল ভাৱানুভূতিৰ মূৰ্ছনা এনেবোৰ কাব্যৰ মাজেৰে প্ৰকাশিত হৈছে। দেৱ-দেৱীৰ শাৰীৰিক সৌন্দৰ্য্য নৃদেহৰ সমস্ত সম্পদেৰে সুগঢ়িত বুলি কৰা বৰ্ণনাৰ লগতে সিসকল উপাস্যৰ ওপৰত নিহিত সৰ্বময় কৰ্তৃত্বৰ ব্যঞ্জনাও কৱিকৃতিৰ মাজেৰে প্ৰতিপন্ন কৰিবলৈ বিচৰা দেখা যায়। তাকে কৰোঁতে ভক্ত-কৱিৰ ভাৱ-ভাষা আৰু ভক্তিৰাগ এনে স্বতঃস্ফূৰ্ত ধাৰেৰে প্ৰৱাহিত হয় যে সি সদায় সঙ্গীতৰ উপযোগী গেয় পদাৰ্থ / উপকৰণত পৰিণত হয়।

এনে ভক্তিৰস ৰাগ ৰঞ্জিত দেৱ-দেৱীৰ বৰ্ণনা পৰক কৱিতাৰ উদ্‌গম ঋগ্বেদৰ যুগতে পোনতে হৈছিল বুলি ক'লে অত্যুক্তি কৰা নহয়। ঋগ্বেদৰ অনেক সূক্ত অকল সুন্দৰ গীতি কৱিতাৰেই আৰ্হি বা নমুনা নহয় ভক্তি গীতিৰো সুন্দৰ উদাহৰণ। বিশেষতঃ সপ্তম মণ্ডলৰ বৰুণ সূক্ত কেইটা তাৰ সজ দৃষ্টান্ত। পৰবৰ্তী কালৰ মহাভাৰত ৰামায়ণ তথা পুৰাণ সমূহত—বিশেষকৈ ভাগৱৎ পুৰাণৰ অনেকাংশ আৰু মাৰ্কণ্ডেয় পুৰাণৰ চণ্ডীৰ মাজত ভক্তিগীতিৰ নমুনা দেখা যায়। পিছলৈ বিদ্বান ভক্তসকলে মঠ-মন্দিৰলৈ গৈ সিবোৰত অধিষ্ঠিত দেৱ-দেৱীৰ ওচৰত নতজানু-নতমস্তক হৈ গোৱা স্বৰচিত ভক্তি গীতবোৰে দেশত এক ভক্তি সাহিত্যৰ গঠন আৰু বিকাশত বিশেষ সহায় কৰে। তামিল 'আলৱাৰ' আৰু 'নয়না'ৰসকলৰ ক্ৰমে বৈষ্ণৱ আৰু শৈৱ স্তোত্ৰৰাজি, বৈষ্ণৱ ভক্তসকলৰ 'ভজন', 'অভঙ্গ' আৰু 'বৰগীত' আৰু 'কীৰ্ত্তনবোৰ' তাৰেই প্ৰসাৰণ মাত্ৰ।

এনেবোৰ ভক্তিগীতি কৱিৰ কল্পনাৰ ৰম্য চিত্ৰ হৈ অলংকাৰেৰে বিভূষিত হৈ ভক্তিৰসেৰে আপ্লুত সাহিত্যৰ বুৰঞ্জীত এক বিশেষ স্থান লাভ কৰিছে। তলত তাৰে আভাস দিয়া হ'ল :

**শ্যামলদণ্ডক :**—এই ভক্তিময় গীতি কাব্যখনি প্ৰকৃততে কাৰ ৰচনা তাক ধ্ৰুপকৈ ক'বলৈ নোৱাৰি সঁচা ; তথাপি ই কালিদাসৰ ৰচনা বুলি পৰম্পৰাই বিশ্বাস কৰে। কাব্যখন দণ্ডকাখ্য গদ্যময় ছন্দ বিশেষত নিবন্ধ আৰু ইয়াৰ মাজেৰে আই বাগ্দেৱী সৰস্বতীৰ স্তুতি কৰা হৈছে। ৰচনাত বিৰাজমান শব্দময় স্পন্দনে কাব্যখনে গীতবাদ্য সমন্বিত আবৃত্তিৰ উপযোগী কৰি তুলিছে।

ইয়াৰ কাল নিৰূপণ কৰা কঠিন।

অনুবাকানুক্ৰমণী চ সূক্তানুক্ৰমণী তথা।
ঋক্‌পাদয়োৰ্বিধানে চ বাৰ্হ দৈৱতমেৱ চ ॥
প্ৰাতিশাখ্যং শৌনকীয়ং স্মাৰ্তং দশমুচ্যতে ॥

অৰ্থাৎ শৌনকে **আৰ্যানুক্ৰমণী, ছন্দোনুক্ৰমণী, দেৱতানুক্ৰমণী, অনুবাকানুক্ৰমণী, সুক্তানুক্ৰমণী, ঋগ্বিধান, বৃহদ্দেৱতা, ঋক্‌প্ৰাতিশাখ্য** আৰু **শৌনক স্মৃতি** ৰচনা কৰে। ইয়াৰ উপৰিও চৰণব্যূহকো তেওঁৰ ৰচনা বুলি কোৱা হয়।

**ঋগ্বেদ প্ৰাতিশাখ্য** আৰু **বৃহদ্দেৱতাত** ( ১ম অধ্যায়ত ) শৌনকে ব্যাকৰণ সম্বন্ধীয় অনেক কথা আলোচনা কৰি গৈছে। কিন্তু তেওঁৰ ৰচিত কোনো ব্যাকৰণ গ্ৰন্থ এতিয়াও উপলব্ধ হোৱা নাই। তথাপি প্ৰাতিশাখ্য আৰু বৃহদ্দেৱতাই তেওঁক এজন বৈয়াকৰণৰূপে স্থিতি দান কৰিছে। বি° পূ° ৩০০০ অব্দমানত তেওঁৰ আৱিৰ্ভাব হৈছিল বুলি অনুমান কৰা হয়।

**পাণিনি ঃ** সংস্কৃত ব্যাকৰণশাস্ত্ৰৰ প্ৰণেতাৰূপে পাণিনিৰ খ্যাতি জগৎ বিয়পা বুলিলে অত্যুক্তি কৰা নহয়। তেওঁৰ ব্যাকৰণ গ্ৰন্থই 'শব্দানুশাসন' নামে পণ্ডিত-মণ্ডলীৰ মাজত প্ৰসিদ্ধি লাভ কৰিছে। এই গ্ৰন্থ আঠ অধ্যায়ত বিভক্ত আৰু নিয়মজ্ঞাপক বাক্যসমূহ সূত্ৰাত্মক। সেইবাবে ইয়াক সততে অষ্টাধ্যায়ী সূত্ৰপাঠ বুলিও জনা যায়। দেখাত নিতান্ত ক্ষুদ্ৰ অথচ অতিশয় গূঢ়াৰ্থব্যঞ্জক 'অষ্টাধ্যায়ী' ৰচিত হ'বলৈ ভাৰতীয় পৰম্পৰাই হয়তো বহুযুগ অপেক্ষা কৰিবলগীয়া হৈছিল। পাণিনিয়ে হয়তো তেওঁৰ পূৰ্বসূৰী আচাৰ্য্যসকলৰ খ্যাতাখ্যাত ব্যাকৰণ-শব্দানুশাসন আদি মন্থন কৰি অপূৰ্ব সূত্ৰ শৈলীত তেওঁৰ সমসাময়িক লৌকিক সংস্কৃত আৰু তেওঁৰ পূৰ্ববৰ্তী বৈদিক ভাষাক সামৰি উক্ত ব্যাকৰণ ৰচনা কৰি গৈছে। কমেও এঘাৰজন তেওঁৰ পূৰ্বকালীন বৈয়াকৰণৰ নাম তেওঁ নিজৰ গ্ৰন্থত শ্ৰদ্ধাৰে স্মৰণ কৰাৰপৰাই এনে অনুমান সিদ্ধ হয়।

**পাণিনিৰ জন্ম আৰু কাল ঃ** ত্ৰিকাণ্ডশেষ নামে কোষ গ্ৰন্থত পাণিনিক শালাতুৰীয় বুলি উল্লেখ কৰা হৈছে ( অতঃ শালাতুৰীয়েণ প্ৰাক্ ঠঞশ্চ: ইতি নোক্তম্ )। আকৌ **গণৰত্ন মহোদধি** গ্ৰন্থৰ ৰচক বৰ্ধমানে এই শব্দৰ ব্যাখ্যা দি কৈছে—'শালাতুৰো নাম গ্ৰামঃ। সোঽভিজনোঽস্যাস্তীতি শালাতুৰীয়স্তত্ৰভৱান্ পাণিনিঃ।' গতিকে পাণিনিৰ মূলবাসস্থানৰ নাম শালাতুৰ আছিল বুলি বুজা যায়। কানিংহামৰমতে এই গাওঁ বৰ্তমানৰ লাহোৰ চহৰৰ ওচৰত আছিল। হিউয়েনচাঙৰ সময়লৈ হেনো সেই গাৱঁত পাণিনিৰ এটি মূৰ্ত্তি বিৰাজ কৰিছিল আৰু চীনা পৰিব্ৰাজক জনে পাণিনি সম্বন্ধে এটি কাহিনীও বিৱৰি কৈ গৈছে। তেওঁক দাক্ষীপুত্ৰ বুলিও জনা যায়। পঞ্চতন্ত্ৰত প্ৰাপ্ত শ্লোকাৰ্দ্ধ অনুসৰি ( সিংহো ব্যাকৰণস্য কৰ্ত্তুৰহৰত প্ৰাণান্ ) পাণিনিয়ে সিংহৰ কবলত পৰি প্ৰাণ ত্যাগ কৰিছিল। কথাসৰিৎসাগৰত প্ৰাপ্ত বিৱৰণমতে পাণিনি বৰ্ষ নামে আচাৰ্যৰ শিষ্য আছিল আৰু তেওঁ কাত্যায়ন, ব্যাড়ি আৰু ইন্দ্ৰদত্তৰ সমকালীন আছিল। একেটা বিৱৰণতে পাণিনিয়ে শিৱৰ অনুগ্ৰহ লাভ কৰিছিল বুলি কোৱা হৈছে। আকৌ সৰ্বানু[illegible]

ষড়্‌গুৰু শিষ্যৰমতে ব্যাড়ি আছিল পাণিনিৰ [illegible]
প্ৰামাণ্য অনুসৰি কৌৎস পাণিনিৰ এজন শিষ্য আছিল।

পাণিনিয়ে যাস্ক আৰু শৌনকৰ নাম লোৱালৈ চাই তেওঁ ঋিসকলৰ [illegible] হোৱা স্বাভাৱিক। ৱিণ্টাৰনিৎসৰমতে পাণিনিক খৃ°পূ° ৬ষ্ঠ শতিকাৰ পূৰ্বলৈ নি[illegible] নোৱাৰি। বৌদ্ধধৰ্মই ব্যাপকতা লাভ নোকৰোঁতেই খৃ° পূ° ৫ম শতিকা মানতে তেওঁৰ আবিৰ্ভাব হৈছিল বুলি অনুমান কৰা হয়। ভাৰতীয় পণ্ডিতসকলে অৱশ্যে বিদেশী পণ্ডিতৰ মতামতেৰে সৈতে একমত হ'বলৈ নোখোজে। ব্যাকৰণ শাস্ত্ৰৰ ইতিহাস ৰচক পণ্ডিত যুধিষ্ঠিৰ মীমাংসকে কয় যে যাস্ক, শৌনক, পাণিনি, পিঙ্গল আৰু কৌৎস প্ৰায় একে সময়ৰ লোক। তেওঁ পাণিনি মহাভাৰতৰ যুদ্ধৰ সময়ৰপৰা অধিসীম কৃষ্ণৰ কাললৈকে প্ৰায় ২৫০ বছৰৰ ভিতৰত আবিৰ্ভূত হোৱা বুলি ভাবে। সেয়ে তেওঁ পাণিনিৰ কাল ২৮০০ বিক্ৰম পূৰ্বাব্দ বুলি মত দিছে। আনহাতে পাণিনি সম্বন্ধে ব্যাপক অনুসন্ধান কৰা ড° বাসুদেৱ শৰণ অগ্ৰৱালৰ মতে পাণিনি ৫০০ খৃষ্ট পূৰ্বাব্দৰ ভিতৰত অৰ্থাৎ ৪৮০—৪১০ খৃষ্ট পূৰ্বাব্দৰ ভিতৰত আবিৰ্ভাৱ হোৱা বুলি মত প্ৰকাশ কৰে। অন্যান্য পণ্ডিত সকলে পাণিনিৰ অৱস্থিতি সম্বন্ধে তলত দিয়া কাল নিৰ্দেশ কৰিছে :

| | |
|---|---|
| প° সত্যব্ৰত সামশ্ৰমী: | ২৪০০ খৃ° পূ° |
| ৰাজৱাড়ে আৰু বৈদ্য: | ৯০০-৮০০ খৃ° পূ° |
| বেলবেলকাৰ : | ৭০০-৬০০ খৃ° পূ° |
| ভাণ্ডাৰকাৰ : | ৭০০ খৃ° পূ° |
| উপাধ্যায় : | ৫০০ খৃ° পূ° |
| মেকডোনেল : | ৫০০ খৃ° পূ° |
| মেক্সম্যুলেৰাৰ : | ৩৫০ খৃ° পূ° |
| কীথ : | ৩০০ খৃ° পূ° |

গতিকে দেখা যায় যে পাণিনিৰ কাল সম্বন্ধে কোনেও নিশ্চিতৰূপে সিদ্ধান্ত দিব পৰা নাই। যিহেতু পাণিনিয়ে পাৰ্ছিয়ান বা তেওঁলোকৰ সেৱক যৱন আৰু গ্ৰীক-সকলৰ বিষয়ে জানিছিল সেয়ে তেওঁক খৃ° পূ° ৫ম শতিকাৰ লোক বুলি ধৰিলে ভুল কৰা নহয়।

**পাণিনীয় 'শব্দানুশাসনম্' ঃ** মহৰ্ষি পাণিনিয়ে ৰচনা কৰা প্ৰখ্যাত ব্যাকৰণ শাস্ত্ৰৰ প্ৰকৃত নাম **'শব্দানুশাসনম্'**। ইয়াত 'বৈদিক' আৰু 'লৌকিক ( ছন্দস্ আৰু প্ৰচলিত ভাষা ) দুয়োবিধ শব্দৰেই অনুশাসন বা উপদেশ দিছে ( শব্দানুশাসনং নাম শাস্ত্ৰ মধিকৃতং বেদিতব্যম্। কেষাং শব্দানাম্? লৌকিকানাং বৈদিকানাং চ ইতি পতঞ্জলিঃ মহাভাষ্যে )। এই গ্ৰন্থখন আপিশলিৰ শাস্ত্ৰৰ দৰে আঠটা অধ্যায়ত বিভক্ত। সেয়ে ইয়াক 'অষ্টাধ্যায়ী' বুলি সততে কোৱা হয়। প্ৰতিটো অধ্যায়

আকৌ চাৰিটাকৈ পাদত বিভক্ত। এনেদৰে গ্ৰন্থখনত বত্ৰিশটা পাদ আছে। এই
গ্ৰন্থত মুঠতে ৩৯৯৮ সূত্ৰ পোৱা যায়। অধ্যায় অনুসৰি সূত্ৰ সংখ্যা এনেধৰণৰ : (১)
৩৫১, (২) ২৬৮, (৩) ৬৩১, (৪) ৬৩৩, (৫) ৫৫৫, (৬) ৭৩৩, (৭) ৪৩৮
আৰু (৮) ৩৬৯ = মুঠ ৩৯৯৮।

বৈয়াকৰণ সকলে সদায় সংক্ষিপ্ততাৰ প্ৰতি ধৰকৈ চকু দিছিল। সেয়ে কোৱা
হয় : 'অৰ্ধমাত্ৰালাঘৱেন পুত্ৰোৎসৱং মন্যন্তে বৈয়াকৰণাঃ' 'আধামাত্ৰালাঘৱ হোৱাটোকে
তেওঁলোকে পুত্ৰজন্মোৎসৱ যেন বুলি ভাবিছিল। এনেস্থলত পাণিনিয়ে 'শব্দানুশাসন'
ৰচনা কৰিছিল সূত্ৰশৈলীত। সূত্ৰৰ সংজ্ঞা দ্ৰষ্টব্য :

অল্পাক্ষৰমসন্দিগ্ধং সাৰৱদ্বিশ্বতো মুখম্।
অস্তোভমনৱদ্যং চ সূত্ৰং সূত্ৰবিদো বিদুঃ॥

কম অক্ষৰ থকা, সন্দেহাতীত অৰ্থযুক্ত, সাৰগৰ্ভ, অথচ অনেক মুখৰ সৰল...দোষশূন্য
(বাক্যক) সূত্ৰৱিদসকলে সূত্ৰ বুলি জানে।

সূত্ৰ ছয় প্ৰকাৰৰ। যথা—

সংজ্ঞা চ পৰিভাষা চ বিধিৰ্নিয়ম এৱ চ।
অতিদেশোঽধিকাৰশ্চ ষড়্‌বিধং সূত্ৰলক্ষণম্॥

এনেকুৱা ছবিধ সূত্ৰ অষ্টাধ্যায়ী সূত্ৰ পাঠত পোৱা যায়। উদাহৰণ স্বৰূপে চাওক :
(১) 'বৃদ্ধিৰাদৈচ্', 'অদেঙ্ গুণঃ' ইত্যাদি সংজ্ঞা সূত্ৰ; (২) 'আদেঃ পৰস্য', 'তস্মিন্নিতি
নিৰ্দিষ্টে পূৰ্বস্য' ইত্যাদি পৰিভাষা সূত্ৰ; (৩) 'ইকো যণচি', 'এচোঽয়ৱায়াৱঃ'
ইত্যাদি বিধিসূত্ৰ; (৪) 'কৃত্তদ্ধিতসমাসাশ্চ', 'বাঽসৰূপ' ইত্যাদি নিয়ম সূত্ৰ, (৫)
'স্থানিৱদাদেশোঽনল্‌বিধৌ', 'তৃজ্বৎক্ৰোষ্টুঃ' ইত্যাদি অতিদেশ সূত্ৰ আৰু 'ঙ্যাপ্প্ৰাতি-
পদিকাৎ', 'আৰ্ধধাতুকে' ইত্যাদি অধিকাৰ সূত্ৰ।

**বিষয়ক্ৰম :** ব্যাকৰণীয় দৃষ্টিভঙ্গীৰে চালে অষ্টাধ্যায়ী সূত্ৰপাঠত তিনি ভাগ কৰুত
পাৰি : (১) বাক্যৰপৰা পদৰ সংকলন (১ম-২য় অধ্যায়); (২) পদৰ প্ৰকৃতি-
প্ৰত্যয়ত বিন্যাস (৩য়-৪ৰ্থ অধ্যায়); আৰু (৩) প্ৰকৃতি-প্ৰত্যয়ৰে সৈতে আগম-
আদেশ আদিৰ সংযোজন কৰি পৰিনিষ্ঠিত পদৰচনা (৬ষ্ঠ-৮ম অধ্যায়)। তলত
অষ্টাধ্যায়ীৰ বিষয়বস্তুৰ থূলমূল আভাস দাঙি ধৰা হ'ল :

প্ৰথম অধ্যায়ৰ আগতে চৈধ্যতা (প্ৰাথমিক) প্ৰত্যাহাৰ সূত্ৰ পোৱা যায়। এই
সূত্ৰবোৰ মহেশ্বৰ বা শিৱৰপৰা পোৱা বুলি কোৱা হয়। সেয়ে সিবোৰক 'মাহেশ্বৰাণি
সূত্ৰাণি' বা শিৱসূত্ৰ বুলি কোৱা। কিম্বদন্তীমতে তাণ্ডৱ নৃত্যৰ অন্তত মহেশ্বৰ শিৱে
চৈধ্যবাৰ ডম্বৰু বজাইছিল আৰু তাৰে ফলশ্ৰুতিৰূপে সনকাদি সিদ্ধসকলে চৈধ্যটা
শিৱসূত্ৰ উদ্ধাৰ কৰিছিল।

নৃত্তাৱসানে নটৰাজো ননাদ ঢক্কাং নৱপঞ্চবাৰম্।
উদ্ধৰ্তুকামঃ সনকাদিসিদ্ধানেতদ্বিমৰ্শে শিৱসূত্ৰজালম্॥



পাণিনীয় শিক্ষামতে মহৰ্ষি পাণিনিয়ে চৈধ্যটা সূত্ৰ (শিৱক আৰাধনা কৰি)
তেওঁৰপৰা লাভ কৰিছিল। উক্ত চৈধ্যটা শিৱসূত্ৰ দিয়া হ'ল (১) অ ই উ ণ্, (২)
ঋ ৯ ক্, (৩) এ ও ঙ্, (৪) ঐ ঔ চ্, (৫) হ য ৱ ৰ ট্, (৬) ল ণ্,
(৭) ঞ ম ঙ ণ ন ম্, (৮) ঝ ভ ঞ্, (৯) ঘ ঢ ধ ষ্, (১০) জ ব গ ড দ শ্,
(১১) খ ফ ছ ঠ থ চ ট ত ৱ্, (১২) ক প য়্, (১৩) শ ষ স ৰ্, (১৪) হ ল্।

পাণিনিয়ে অষ্টাধ্যায়ীৰ প্ৰথম অধ্যায়ত মুখ্যতঃ সংজ্ঞাসমূহ দিছে। ইয়াৰ ভিতৰত
ব্যাকৰণ শাস্ত্ৰত ব্যৱহাৰ্য সংজ্ঞাবোৰ কথিত হৈছে। ইয়াৰ ভিতৰত বৰ্ণসম্বন্ধে সংজ্ঞা,
সংপ্ৰসাৰণ সংজ্ঞা, প্ৰত্যয় সম্বন্ধী সংজ্ঞা, হ্ৰস্বাদি সংজ্ঞা, অপৃক্ত সংজ্ঞা, সমাস সম্বন্ধীয়
সংজ্ঞা, প্ৰতিপদিক সংজ্ঞা, ধাতুসংজ্ঞা, পৰিশিষ্ট ভূতসংজ্ঞা, সংহিতা আৰু অৱসান
সংজ্ঞাদি দিছে। এই অধ্যায়ৰ ৪ৰ্থ পাদত (১।৪।২৩ সূত্ৰৰপৰা) কাৰক অধিকৰণ
প্ৰবৰ্তিত হৈছে। পাণিনিয়ে কাৰকসমূহ অপাদান, সম্প্ৰদান, কৰণ, অধিকৰণ, কৰ্ম
আৰু কৰ্তা এই অনুক্ৰমত দিছে। 'বিপ্ৰতিষেধে পৰংকাৰ্য্যম্' (১।৪।২)—নিয়মানুসৰি
কাৰকৰ প্ৰক্ৰিয়া প্ৰবৰ্তিত হয়। ইয়াৰ নিপাত উপসৰ্গ আৰু কৰ্মপ্ৰৱচণীয়ৰ নিয়মাদি
সূত্ৰিত হৈছে।

দ্বিতীয় অধ্যায়ৰ ১-২ পাদত সমাসৰ বিষয়ে কথিত হৈছে। তাত ক্ৰমশঃ অব্যয়ীভাৱ
তৎপুৰুষ, বহুব্ৰীহি আৰু দ্বন্দ্বৰ বিষয়ে কথিত হৈছে। যিহেতু মূলতঃ সুবন্ত পদৰ হে
সমাস হয়, সেয়ে ২।৩ পাদত সুপবিভক্তিসমূহৰ বিৱৰণ দিছে। ২।৪ পাদত সমাসৰে
সম্বন্ধিত লিঙ্গবচনৰ নিয়ম-বিৱৰণ সূত্ৰিত হৈছে।

তৃতীয়, চতুৰ্থ আৰু পঞ্চম অধ্যায়ক প্ৰত্যয়াধিকাৰ বুলিব পাৰি। ইয়াত ঘাইকৈ
প্ৰকৃতি-প্ৰত্যয় সম্বন্ধে কোৱা হৈছে। পোনতে ৩।১ পাদৰ আদি প্ৰত্যয় সম্বন্ধে
সামান্য বিচাৰ কৰি কৃত্ প্ৰত্যয়ৰ বিষয়ে কোৱা হৈছে। ৩।১।৩৩ সূত্ৰৰপৰা 'বিকৰণ'ৰ
বিচাৰ আৰম্ভ হৈছে। ৩।১।৯১ সূত্ৰৰপৰা কৃত্ প্ৰত্যয়ৰ পূৰা বিচাৰ হৈছে। দ্বিতীয়
পাদৰ অন্তলৈ সি অব্যাহতভাৱে প্ৰবৰ্তিত হৈছে। ৩।৩ পাদত আদিতে উণাদি,
তাৰ পাছত ভৱিষ্যতকালিক, সাৰ্বকালিক, ভূতকালিক প্ৰত্যয়ৰ বিষয়ে কোৱা হৈছে।
৩.৩।১৮ সূত্ৰত ভাৱাধিকাৰ দিয়া হৈছে। ৩।৪ পাদ কৃৎ প্ৰত্যয়ৰ পৰিশিষ্ট। ৪ৰ্থ-৫ম
অধ্যায়ত নামোৎপত্তিৰ বিষয়ে কৈ নামৰপৰা নামোৎপত্তিৰ বিষয়ে (৪-৫ অধ্যায়ত)
কৈছে। ৪ৰ্থ অধ্যায়ৰ আৰম্ভতে স্ত্ৰীপ্ৰত্যয়ৰ চৰ্চা কৰিছে। 'সাধাৰণ স্ত্ৰী প্ৰত্যয়' আৰু
অনুপসৰ্জন স্ত্ৰীপ্ৰত্যয়-অগাপিছাকৈ কথিত হৈছে।

৪।১।৮২ সূত্ৰৰপৰা পাণিনিয়ে তদ্ধিত প্ৰকৰণ আৰম্ভ কৰিছে। তদ্ধিতৰ আলোচনা
৫ম অধ্যায়তো প্ৰবৰ্তিত থাকে। ৫.৪।৬৮ সূত্ৰৰপৰা সমাসান্ত তদ্ধিত প্ৰত্যয়ৰ বিষয়ে
কোৱা হৈছে।

ষষ্ঠ অধ্যায়ৰ প্ৰথম পাদত 'দ্বিত্ববিধি' (৬।১।১-১২), সম্প্ৰসাৰণৰূপ (৬।১।১৩-
৪৪), আত্ববিধি (৬।১।৪৫-), আদেশ আগম বিধি কথিত হৈছে। ৬।১।১৫৫—

২।২ পৰ্য্যন্ত স্বৰবিধি দিছে। ৬।৩ পাদত 'প্ৰকৃতি কাৰ্য্য' দি ৬।৪ পাদৰপৰা 'অঙ্গাধিকাৰ' আৰম্ভ কৰিছে।

সপ্তম অধ্যায়ত ঘাইকৈ প্ৰত্যয় কাৰ্য উপদিষ্ট হৈছে। সপ্তম অধ্যায়ৰ শেষলৈ পদনিৰ্মাণ ব্যৱস্থা সমাপ্ত হয়। দ্বিত্ববিধি আৰু 'স্বৰবিধি' ও প্ৰসঙ্গক্ৰমে উক্ত হৈছে।

অষ্টম অধ্যায়ৰ ১ম পাদত দ্বিত্ব বিধিৰ আলোচনা পোৱা যায়। ২-৪ পাদ— অসিদ্ধ কাণ্ড বুলি জনাজাত। ইয়াৰ ৮।২।১ সূত্ৰ হৈছে; 'পূৰ্বাত্ৰসিদ্ধম্'। 'পূৰ্বং প্ৰতি পৰং শাস্ত্ৰম্ অসিদ্ধম্, এই ন্যায় অনুসৰি ইয়াত আদেশ লোপাদিকাৰ্য্য বিহিত হৈছে।

**বৈশিষ্ট্য ঃ** পূৰ্বতে কৈ অহা হৈছে যে বৈয়াকৰণ পাণিনি মুনিয়ে সূত্ৰাত্মক শৈলীত অতি কম পৰিসৰতে (প্ৰায় ৪০০০ সূত্ৰত) প্ৰচলিত অষ্টাধ্যায়ী ৰচনা কৰে আৰু ভাষা আৰু বৈদিক ভাষাৰ ব্যাকৰণ নিয়মাৱদ্ধ কৰে। পূৰ্বৰ বৈয়াকৰণ সকলৰপৰা অনেক ৰীতি বা শৈলীবিষয়ক কিটিপ নিজ গ্ৰন্থত প্ৰয়োগ কৰাৰ উপৰিও অতিশয় সংক্ষিপ্ততা লাভ কৰিবলৈ পাণিনিয়ে অনেক অভিনৱ উপায় উদ্ভাৱন কৰে আৰু সিবোৰ তেওঁৰ গ্ৰন্থৰ বৈশিষ্ট্য বঢ়ায়। প্ৰথমতে, পাণিনিয়ে প্ৰতাহাৰৰ প্ৰয়োগ কৰিছে, দ্বিতীয়তে, তেওঁ অনুবন্ধ বা 'ইট' সংজ্ঞাৰ ব্যৱহাৰ কৰিছে, তৃতীয়তে, 'গণ' প্ৰস্তুত কৰিছে, চতুৰ্থতে তেওঁ নতুন সংজ্ঞাৰ ব্যৱহাৰ কৰিছে আৰু পঞ্চমতে, তেওঁ কেতবোৰ পৰিভাষাৰ প্ৰয়োগ কৰিছে। ষষ্ঠতঃ, তেওঁ অধিকাৰ আৰু 'অনুবৃত্তি'ৰ প্ৰয়োগেৰে শব্দ-সংক্ষিপ্ততা অধিক সফল কৰিছে। তদুপৰি 'উৎসৰ্গ'-'অপবাদ'ৰূপ ন্যায়ৰ ব্যৱহাৰো সমুচিতৰূপে কৰিছে।

পাণিনি ওপৰত উল্লেখিত সূত্ৰশৈলী গ্ৰহণ কৰি তেওঁৰ 'অষ্টাধ্যায়ী' এনে সংক্ষিপ্তকৈ প্ৰস্তুত কৰিছে যে পৰম্পৰাগত ব্যাকৰণজ্ঞ পণ্ডিতৰ বা টীকা-ভাষ্য-ব্যাখ্যাৰ সহায় নহলে তাক সহজে বুজা সম্ভৱপৰ নহয়। সিযিহওক পাণিনিৰ গ্ৰন্থৰ ফলশ্ৰুতিৰূপে এহাতে সংস্কৃত ভাষাৰ ৰূপ স্থিৰীকৃত হয়, আনহাতে ভাষাটোৰ ক্ৰমবিকাশ ৰুদ্ধ হৈ পৰে। তাৰ অশিষ্টৰূপে যদি পালি-প্ৰকৃত-অপভ্ৰংশৰ মাজেৰে আধুনিক ভাষালৈ অৱশ্য বিবৰ্ত্তিত হয়গৈ। কিন্তু শিষ্টৰূপে মাথোন পিছলৈ এ শ্ৰেণী অভিজাত লোকৰ মাজত আৱদ্ধ হৈ সাহিত্য চিন্তাৰ বাহন হৈ ৰ'ল।

**পাণিনিৰ অন্যগ্ৰন্থ ঃ** অষ্টাধ্যায়ীৰ উপৰিও পাণিনিয়ে নিজ ব্যাকৰণৰ সহায়ক হিচাপে গণপাঠ, ধাতুপাঠ, উণাদি পাঠ ৰচনা কৰে বুলি জনা যায়। তদুপৰি তেওঁক জাম্বুৱতী বিজয় নামে এখন শাস্ত্ৰকাব্য (?) আৰু পাণিনীয় শিক্ষাৰো ৰচক বুলি কোৱা হয়।

**ব্যাড়ি ঃ** আচাৰ্য ব্যাড়িক কোনো কোনো পণ্ডিতে পাণিনিৰ পূৰ্ববৰ্তী, কোনোবাই পাণিনিৰ জ্যেষ্ঠ সমকালীন, আৰু অন্য কোনোজনে তেওঁক পাণিনিৰ কনিষ্ঠ সমকালীন বুলি মতপ্ৰকাশ কৰে। তেওঁক 'সংগ্ৰহ' নামে গ্ৰন্থৰ কৰ্তা বুলি কোৱা হয়। ঋক্ প্ৰাতিশাখ্য, পতঞ্জলিৰ মহাভাষ্য, ভৰ্তৃহৰিৰ বাক্যপদীয়ত তেওঁৰ গ্ৰন্থৰ উদ্ধৃতি বা



নামোল্লেখ পোৱা হয়। বলদেৱ উপাধ্যায়ৰমতে তেওঁ পাণিনিৰ মোমায়েকৰ পুতেক আৰু কনিষ্ঠ ভ্ৰাতৃস্থানীয় লোক আছিল। তেওঁক দাক্ষায়ণ ব্যাড়ি নামে জনা গৈছিল। তেওঁৰ গ্ৰন্থখন (সংগ্ৰহ) লক্ষশ্লোকাত্মক বা লক্ষগ্ৰন্থাত্মক বুলি কোৱা হয়। পতঞ্জলিৰ আৱিৰ্ভাৱৰ (খৃ॰পূ॰ ২য় শতিকা) পূৰ্বে এই গ্ৰন্থ অন্তৰ্হিত হয়। গ্ৰন্থখন গদ্য-পদ্যময় নিবন্ধ শ্ৰেণীৰ আছিল বুলি অনুমান কৰা হৈছে। তেওঁৰ কাল খৃ॰পূ॰ পঞ্চম শতিকাৰ শেষ ভাগ আৰু ৪ৰ্থ শতিকাৰ আদি ভাগ হোৱা সম্ভৱ।

**পাণিনীয় অষ্টাধ্যায়ীৰ ব্যাখ্যাকাৰসকল ঃ** পাণিনিয়ে সূত্ৰাকাৰে 'শব্দানুশাসন' নামে ব্যাকৰণ গ্ৰন্থ ৰচনা কৰিছিল সি আছিল সৰ্বসাধাৰণৰ বাবে তেনেই দুৰ্বোধ্য। তাক বোধগম্য কৰিবলৈ পাণিনিৰ উত্তৰ কালত অনেকজনে নানা প্ৰকাৰৰ ব্যাখ্যা গ্ৰন্থ লিখাৰ প্ৰয়াস কৰিছিল। দ্বিতীয়তে, ভাষা এক বোৱতী নদীৰ দৰে চিৰপ্ৰৱাহমান। খৃ॰পূ॰ পঞ্চম শতিকা বা তাৰো উৰ্ধকালত পাণিনিয়ে প্ৰচলিত ভাষাৰ ভেটিত তাৰ ব্যাকৰণ ৰচনা কৰিছিল। তাতো হয়তো বহুতো অনুক্ত কথা ৰৈছিল বা উক্তকথাৰ মাজতো আসোঁৱাহ নাছিল তেনেও নহয়। তদুপৰি পাণিনিৰ উত্তৰ কালত ভাষাৰ ক্ষেত্ৰত হোৱা বিকাশ বা বিবৰ্ত্তনসমূহৰো খতিয়ান পিছত দাঙি ধৰাৰ প্ৰয়োজন হৈছিল। এনেবোৰ কাৰণতে পাণিনীয় 'অষ্টাধ্যায়ী'ৰ ওপৰত অন্ততঃ তিনি প্ৰকাৰ গ্ৰন্থ বা ব্যাখ্যা গ্ৰন্থ ৰচিত হৈছিল—বৃত্তি, বাৰ্তিক আৰু ভাষ্য। ইবিলাকৰ ওপৰত পুনশ্চ অনুব্যাখ্যা, টীকা আদি ৰচিত হৈছিল।

পং যুধিষ্ঠিৰ মীমাংসকৰমতে ব্যাখ্যা গ্ৰন্থবোৰৰ ভিতৰত প্ৰথমে বৃত্তি গ্ৰন্থ ৰচিত হয়। তেওঁ কাশিকা বৃত্তি ৰচনাৰ পূৰ্বতে ৰচিত দহজন বৃত্তিকাৰৰ নাম দিছে—(১) পাণিনি, (২) শ্বোভূতি (৩) ব্যাড়ি, (৪) কুণি, (৫) মাথুৰ, (৬) ৰৰুচি, (৭) দেৱনন্দী, (৮) চুল্লিভট্টি, (৯) নিলূৰ্ব আৰু (১০) চূণি। পাণিনিয়ে স্বয়ং অষ্টাধ্যায়ীৰ ওপৰত এটি বৃত্তি ৰচনা কৰিছিল বুলি জনা যায়। ইয়াৰ প্ৰমাণ মহাভাষ্য, কাশিকাবৃত্তি আৰু মহাভাষ্য দীপিকাৰপৰা পোৱা যায়। আনসকলৰ গ্ৰন্থ উপলব্ধ নহয়। কাশিকাকাৰসকলৰ পৰিচয় পিছত দিয়া হৈছে।

**অষ্টাধ্যায়ীৰ বাৰ্তিককাৰ ঃ** পাণিনিৰ অষ্টাধ্যায়ী সূত্ৰপাঠৰ ওপৰত ভালেমান বৈয়াকৰণে বাৰ্তিক ৰচনা কৰিছে। তাৰে কিছুমানৰ নাম জনা নাযায়, মাথোন শাস্ত্ৰত 'অপৰে', 'অন্যে' বুলিয়েই উল্লেখিত হৈছে। তথাপি 'মহাভাষ্য'ত সাতজন বাৰ্তিককাৰৰ নাম এনেদৰে পোৱা যায় ঃ কাত্যায়ন, ভাৰদ্বাজ, সুনাগ, ক্ৰোষ্টা, বাড়ৱ ব্যাঘ্ৰভূতি আৰু বৈয়াঘ্ৰপদ্য।

**কাত্যায়ন ঃ** কাত্যায়ন সম্ভৱতঃ পাণিনিৰ এশ বা দুশ বছৰ পিছত জন্ম গ্ৰহণ কৰিছিল। পাণিনিক খৃ॰পূ॰ সপ্তম শতিকাৰ উৰ্ধলৈ তোলা ভাৰতীয় পণ্ডিত বেলবেল-কাৰে কাত্যায়নৰ কাল ৫০০-৩৫০ খৃ॰ পূৰ্বাব্দ কৰিছে। আনহাতে পাণিনিৰ কাল খৃ॰ পূ ৫ম শতিকা বোলা বিদেশী পণ্ডিত ৱিণ্টাৰনিৎসে কাত্যায়নৰ উদয়ৰ সময় খৃ॰ পূ॰ ৩য় শতাব্দী নিৰ্ধাৰণ কৰিছে।

কথাসৰিৎসাগৰৰ মতে কাত্যায়ন আৰু বৰৰুচি একেজন ব্যক্তি আৰু তেওঁ পাণিনিৰ সমকালীন। আধুনিক পণ্ডিতসকলে এইমত মানি লোৱা নাই। তেওঁলোকে কাত্যায়নক পাণিনিৰ পৰৱৰ্তী বৈয়াকৰণ বুলি স্বীকাৰ কৰে। পাণিনিয়ে উল্লেখ নকৰা ব্যাড়ি, বাজপায়ন আৰু পৌষ্কৰ আদিৰ নাম কাত্যায়নৰ বাৰ্তিকত উল্লেখ কৰাৰপৰাও কাত্যায়ন আৰু পাণিনিৰ কালিক ব্যৱধান বুজিব পাৰি। কোনো কোনোৱে আকৌ এই একেজন কাত্যায়নে ৰাজসনেয়ী প্ৰতিশাখ্যঁৰো ৰচক বুলি ক'ব খোজে। ঋক্ সৰ্বানুক্ৰমণীৰ গ্ৰন্থকাৰ কাত্যায়ন, আৰু শ্ৰৌতসূত্ৰাদিৰ ৰচক কাত্যায়ন বৈয়াকৰণ কাত্যায়নেই আছিল নে অন্য কোনো (কাত্যায়ন গোত্ৰীয়) ব্যক্তি আছিল তাক কোৱা সহজ নহয়।

সি যি হওক কাত্যায়নে পাণিনিৰ ব্যাকৰণৰ ওপৰত 'বাৰ্তিক' ৰচনা কৰিছিল বুলি জনা যায়। তেওঁ বাৰ্তিক ৰচকসকলৰ ভিতৰত অগ্ৰণী আছিল।

'বাৰ্তিক'ৰ স্বৰূপ বুজিবলৈ তাৰ লক্ষণ জনা আৱশ্যক। সামান্যতঃ বাৰ্তিক শব্দৰ অৰ্থ 'বৃত্তের্ব্যাখ্যানং বাৰ্তিকম্' অৰ্থাৎ 'বৃত্তিৰ ব্যাখ্যান' অথবা 'বৃত্তেৰিদং বাৰ্তিকম্' অৰ্থাৎ বৃত্তিক লক্ষ্য কৰি ৰচিত গ্ৰন্থকেই বাৰ্তিক বোলা হয়। সাধাৰণতে সূত্ৰ আৰু বৃত্তি গ্ৰন্থত উক্ত, অনুক্ত আৰু দুৰুক্ত এই তিনি অঙ্গৰ ওপৰত প্ৰধানকৈ বিচাৰ য'ত কৰা হয় তাকেই বাৰ্তিক বোলা হয়। যথা—

'উক্তানুক্তদুৰুক্তানাং চিন্তা যত্ৰ প্ৰবৰ্ততে।
তং গ্ৰন্থং বাৰ্তিকং প্ৰাহুৰ্বাৰ্তিকজ্ঞা মনীষিণঃ।'

গতিকে বৃত্তি আৰু বাৰ্তিকো একে নহয়। পতঞ্জলিয়ে বৃত্তিৰ অৰ্থ শাস্ত্ৰপ্ৰবৃত্তি' বুলি কৈছে। ভাষাবৃত্তিত সৃষ্টিধৰাচাৰ্যই বৃত্তিৰ পাঁচবিধ ব্যাখ্যান থকাটো পোষণ কৰিছে :

পদচ্ছেদঃ পদাৰ্থোক্তি বিগ্ৰহো বাক্যযোজনা।
পূৰ্বপক্ষ সমাধানং ব্যাখ্যানং পঞ্চলক্ষণম্॥

পদচ্ছেদ, পদাৰ্থকথন, সমাসৰ বিগ্ৰহ, বাক্য যোজনা (সূত্ৰাৰ্থ) আৰু পূৰ্বপক্ষ আৰু সমাধান এয়া পাঁচবিধ ব্যাখ্যান। প্ৰদীপোদ্যোতছায়াত পূৰ্বপক্ষ আৰু সমাধানক দুটা স্বকীয়া লক্ষণ বুলি ধ'ৰি লক্ষণ ছটা বুলি কৈছে :

পদচ্ছেদ : পদাৰ্থশ্চ বিগ্ৰহো বাক্যযোজনা।
আপেক্ষশ্চ সমাধানং ব্যাখ্যানং ষড়বিধং মতম্॥

গতিকে কাত্যায়নে বাৰ্তিক ৰচোঁতে পাণিনীয় সূত্ৰপাঠ আৰু বৃত্তিত উক্ত, অনুক্ত আৰু দুৰুক্ত বিষয়ৰ ওপৰত আলোকপাত কৰিছিল। তেওঁ স্বৰচিত (কাত্যায়ন) ৰাজসনেয়ী প্ৰাতিশাখ্যত বৈদিক শব্দাদিৰ ওপৰত যথোচিত চৰ্চা কৰাৰ পাছত ভাষাৰ ক্ষেত্ৰত পাণিনিৰ সূত্ৰ আৰু বৃত্তিত দেখা দোষ-ত্ৰুটী আৰু অনুক্ত বিষয়ৰ ওপৰত মনোনিবেশ কৰিছিল। সূত্ৰপাঠৰ প্ৰায় ১৫০০ সূত্ৰৰ ওপৰতহে তেওঁ নিজৰ বক্তব্য প্ৰায় ৪০০০ বাৰ্তিকৰ মাজেৰে দাঙি ধৰিছিল। অৱশ্যে অনেক পাণিনীয় সূত্ৰৰ



সমালোচনা কাত্যায়নে প্ৰাতিশাখ্যতো কৰিছে। তাকে কৰোঁতে তেওঁ পাণিনি সূত্ৰৰ পুনৰুক্তি আৰু তাৰ সংশোধন কৰিছে। যথা—

| পাণিনিৰ সূত্ৰ : | কাত্যায়ণ প্ৰাতিশাখ্যৰ সূত্ৰ : |
|---|---|
| অদৰ্শনংলোপঃ (১।১.৬০) | বৰ্ণস্যাদৰ্শনং লোপ : (১।১৪১) |
| তস্মাদিত্যুত্তৰস্য (১।১.৬৭) | তস্মাদিত্যুত্তৰস্যাদেঃ (১.৩৫) |
| মুখনাসিকবচনোঽনুনাসিকঃ (১।১।৮) | মুখানুনাসিকাকৰণোঽনুনাসিকঃ (১।৭৫) |

পাণিনিৰ দোষাদি বিচাৰ কৰি বহু সময়ত কাত্যায়নে সিবোৰ অপনয়নৰ বা সমাধানৰ বাবেও যত্নপৰ হৈছে।

কাত্যায়নৰ কেতবোৰ বাৰ্তিক গদ্যাত্মক সূত্ৰ শৈলীত ৰচিত আৰু কিছুমান পদ্যত ৰচিত। পাণিনিৰ সূত্ৰৰ সমালোচনা আগবঢ়াবলৈ বা তাৰ অপূৰ্ণতা আঁতৰাই পূৰ্ণতা সম্পন্ন কৰিবলৈ কাত্যায়ন যত্নপৰ হ'লেও তেওঁ পাণিনীয় ব্যাকৰণৰ অনুসৰণকাৰী আছিল বুলি অনেকে নাভাবে। কাৰণ তেওঁ পাণিনীয় সংজ্ঞা ব্যৱহাৰ নকৰি প্ৰায়েই অন্য সংজ্ঞা ব্যৱহাৰ কৰিছে। তেওঁ পাণিনিৰ 'অচ্'ৰ সলনি স্বৰ, 'হল্'ৰ সলনি ব্যঞ্জন, 'অক্'ৰ সলনি সমানাক্ষৰ, 'লট্' আৰু 'লুঙ্'ৰ ঠাইত ক্ৰমে 'ভৱন্তী' আৰু অদ্যতনী'ৰ ব্যৱহাৰ কৰিছে। এই সত্যই কথাসৰিৎসাগৰত তেওঁ ঐন্দ্ৰব্যাকৰণৰ অনুসৰণকাৰী বোলা কথাকে সমৰ্থন কৰে। অৱশ্যে পতঞ্জলিয়ে তেওঁ 'প্ৰিয়তদ্ধিতাঃ দাক্ষিণাত্যাঃ' বুলি চিহ্নিত কৰি গৈছে।

পতঞ্জলিয়ে অৱশ্যে মহাভাষ্যত পোনে পোনে সূত্ৰৰ ওপৰত আলোচনা নকৰি কাত্যায়নৰ বাৰ্তিকৰ ওপৰতহে মূলতঃ আলোচনা কেন্দ্ৰীভূত কৰিছে। পতঞ্জলিৰ প্ৰাক্কালত প্ৰাপ্ত সকলৰে বাৰ্তিক গ্ৰন্থৰ তুলনাত্মক অধ্যয়ন মুনিজনে মহাভাষ্যত আগবঢ়াইছে। তেওঁ বাৰ্তিকসমূহৰ মাজত থকা বিসঙ্গতি, দূৰ কৰি নিজ অভিমত দিছে। গতিকে বাৰ্তিক আৰু মহাভাষ্যৰ মাজত একপ্ৰকাৰ নিবীড় সম্বন্ধ আছে।

পাণিনি সূত্ৰৰ ওপৰত যিদৰে বৃত্তি, বাৰ্তিক, ভাষ্যাদি ৰচিত হয়, একেদৰে কাত্যায়ন প্ৰভৃতিৰ বাৰ্তিকৰ ওপৰত প্ৰাক্ পতঞ্জলি যুগত ভাষ্য লিখা হৈছিল। পতঞ্জলিয়ে 'অন্যে' 'অপৰে' বুলি সিবিলাকক উল্লেখ কৰিছে। তাৰোপৰি তলত নাম দিয়া সকলেও বাৰ্তিকৰ ওপৰত ভাষ্য ৰচনা কৰিছিল। তেওঁলোক হ'ল : (১) হেলাৰাজ, (২) ৰাৱৰ সূৰি আৰু (৩) ৰাজৰুদ্ৰ। কিন্তু বৰ্তমান তেওঁলোকৰ গ্ৰন্থ পাবলৈ নাই।

**ভাষ্যকাৰ পতঞ্জলি ঃ** পাণিনীয় ব্যাকৰণশাস্ত্ৰৰ উদ্গম কালৰ অন্তিম গ্ৰন্থ হৈছে মুনি পতঞ্জলিকৃত 'মহাভাষ্য'। ইয়াৰ কৰ্তা পতঞ্জলিও মুনিত্ৰয়ৰ অন্যতম। মহাভাষ্য পতঞ্জলিৰ পৈনত ব্যাকৰণ চিন্তা, গভীৰ পাণ্ডিত্য আৰু সৰ্বাত্মক বিদ্যানুশীলনৰ ফলশ্ৰুতি। তেওঁক যোগসূত্ৰৰ ৰচয়িতা আৰু চৰক সংহিতাৰ প্ৰতিসংস্কাৰক বুলিও কোৱা হয়। তেওঁক গোণিকাপুত্ৰ আৰু গোনৰ্দীয় বুলি কোৱা হৈছিল যদিও

বাৎস্যায়নৰ গ্ৰন্থত দুয়োজনৰ উল্লেখ থকাত আৰু বাৎস্যায়ন পতঞ্জলিৰ পূৰ্ববৰ্তী হোৱা গুণে উক্ত মত নাকচ হৈছে। বৰঞ্চ পতঞ্জলিয়ে নিজে মহাভাষ্যত 'পুষ্পমিত্ৰং যাজয়ামঃ' বাক্য লিখি, লগতে চন্দ্ৰগুপ্ত আৰু মৌৰ্য্যৰাজাসকলৰ নামোল্লেখ কৰিছে। ফলত তেওঁ শুঙ্গবংশীয় ৰাজকুলৰ প্ৰতিষ্ঠাপক আৰু একাধিক অশ্বমেধ যজ্ঞানুষ্ঠানৰ কৰ্তা পুষ্যমিত্ৰ (পুষ্পমিত্ৰৰ) সমসাময়িক বুলি প্ৰতিপন্ন হৈছে। সেয়ে তেওঁৰ কাল ১৮৪—১৪৮ খৃষ্টপূৰ্বাব্দ হোৱা সম্ভৱ। কিন্তু 'ব্যাকৰণ শাস্ত্ৰ কা ইতিহাস' গ্ৰন্থৰ ৰচক প° যুধিষ্ঠিৰ মীমাংসকৰমতে পতঞ্জলিৰ কাল বিক্ৰমৰ সময়ৰপৰা ন্যূনাধিক ২০০০ বছৰৰ পূৰ্বতে হ'ব লাগে।

**মহাভাষ্য :** ইতিপূৰ্বে বাৰ্তিকৰ পিছৰ সময়ত অনেকে বাৰ্তিকৰ ওপৰত ভাষ্য লিখা সম্ভৱ যদিও একমাত্ৰ পতঞ্জলিকৃত ভাষ্যহে পোৱা যায়। এই গ্ৰন্থ বিশাল হোৱা বাবে মহাভাষ্য নামে প্ৰসিদ্ধ। পতঞ্জলিয়ে মহাভাষ্যত তেওঁৰ সময়ত উপলব্ধ পাণিনি সূত্ৰৰ ওপৰত ৰচিত কাত্যায়ন প্ৰভৃতিৰ 'বাৰ্তিক' সমূহৰ ওপৰত তুলনামূলক সমীক্ষা কৰিছে। তাকে কৰোঁতে তেওঁ উপনিষদসমূহৰ দৰে সংবাদশৈলী গ্ৰহণ কৰিছে। পূৰ্বপক্ষ আৰু উত্তৰ পক্ষৰ আক্ষেপ আৰু সমাধানৰ জৰিয়তে ব্যাকৰণৰ সমস্যা আলোচনা কৰিছে। তেওঁৰ ভাষাও নিতান্ত সৰল আৰু মৌখিক।

গ্ৰন্থখন পাণিনিৰ সূত্ৰপাঠৰ দৰে আঠ অধ্যায়াত্মক। প্ৰতিটো অধ্যায় চাৰিপাদত বিভক্ত। পাদ একোটিও একাধিক 'আহ্নিক' নামে অবান্তৰ ভাগত বিভক্ত। ইয়াত 'আহ্নিক' শব্দৰ অৰ্থ 'এদিনত সমাপ্য পাঠ' বা 'অনুশীলন'। এনেদৰে প্ৰথম অধ্যায়ত আহ্নিকৰ সংখ্যা ১৮, দ্বিতীয় অধ্যায়ত ১২, তৃতীয় অধ্যায়ত ১২, চতুৰ্থ অধ্যায়ত ৯, পঞ্চম অধ্যায়ত ৭, ষষ্ঠ অধ্যায়ত ১৫, সপ্তম অধ্যায়ত ৭ আৰু অষ্টম অধ্যায়ত ৭ ; মুঠতে গ্ৰন্থখন আঠ অধ্যায়, ৩২ পাদ আৰু ৮৭ আহ্নিকত বিভক্ত।

সন্দেহ নাই যে মহাভাষ্য ৰচনা কৰি পতঞ্জলিয়ে পাণিনিৰ অতি চমু আৰু সূত্ৰাত্মক দুৰ্বোধ্য গ্ৰন্থ বুজিবলৈ সহজ কৰি তুলিছে। লগতে তেওঁ 'ইষ্টি' নামে কেতবোৰ নতুন সূত্ৰৰ জৰিয়তে পাণিনি আৰু কাত্যায়নৰ উত্তৰ কালত ভাষাত হোৱা নতুন পৰিৱৰ্তনসমূহৰ ওপৰতো দৃষ্টিপাত কৰিছে। ব্যাকৰণ শাস্ত্ৰৰ ক্ষেত্ৰত যোগোৱা অৰিহণাৰ বাবে পাণিনি, কাত্যায়ন আৰু পতঞ্জলিক একত্ৰে মুনিত্ৰয় বুলি পৰবৰ্তী বৈয়াকৰণসকলে অতি শ্ৰদ্ধাৰ চকুৰেও চাই আহিছে।

মহাভাষ্য অকল এক ব্যাকৰণ গ্ৰন্থই নহয়, বৰঞ্চ সেই কালৰ সমাজ-সংস্কৃতি, ৰীতি-নীতি, ধৰ্ম-বিশ্বাস আদি প্ৰায় সকলোবোৰ যাবতীয় বিষয়ৰ বেঙনি ইয়াৰ মাজেৰে বিৰিঙি ওলাইছে বুলি ক'ব পাৰি। সেয়ে ইয়াৰ মাজত ভাষা আৰু সাহিত্যৰ চানেকিও বিচাৰি পোৱা যায়।

**মহাভাষ্যৰ টীকাকাৰসকল :** মহাভাষ্যৰ ওপৰত বহুতে টীকা বা ব্যাখ্যা গ্ৰন্থ ৰচনা কৰি গৈছে। তাৰ ভিতৰত ভৰ্তৃহৰি বিৰচিত 'মহাভাষ্য দীপিকা', কয়্যত



বিৰচিত 'মহাভাষ্য প্ৰদীপ' আৰু নাগেশভট্টকৃত 'প্ৰদীপোদ্যোত' সবাতোকৈ জনপ্ৰিয়। যুধিষ্ঠিৰ মীমাংসকে এওঁলোকৰ উপৰিও আৰু ষোলজন ব্যাখ্যাকাৰৰ নামোল্লেখ কৰিছে। যথা—(১) জ্যেষ্ঠকলশ, (২) মৈত্ৰেয়ৰক্ষিত, (৩) পুৰুষোত্তমদেৱ, (৪) ধনেশ্বৰ, (৫) শেষনাৰায়ণ, (৬) বিষ্ণুমিত্ৰ, (৭) নীলকণ্ঠ বাজপেয়ী, (৮) শেষবিষ্ণু, (৯) শিৱৰামেন্দ্ৰ সৰস্বতী, (১০) প্ৰয়াগ বেঙ্কটাদ্ৰি, (১১) তিৰুমল যজ্বা, (১২) কুমাৰ তাতয, (১৩) নৃসিংহ, (১৪) নাৰায়ণ, (১৫) সৰ্বেশ্বৰ দীক্ষিত, (১৬) গোপাল কৃষ্ণ শাস্ত্ৰী। ইসকলৰ গ্ৰন্থৰ উপৰিত অজ্ঞাত নামা ৰচকৰ তিনি-চাৰিটা টীকা উপলব্ধ হয়।

**ভৰ্তৃহৰি :** পতঞ্জলিৰ পিছত ভৰ্তৃহৰিকেই সুখ্যাত বৈয়াকৰণ দাৰ্শনিক বুলি ধৰিব লাগে। পতঞ্জলিয়ে তেওঁৰ 'মহাভাষ্য'ত ব্যাকৰণ শাস্ত্ৰীয় পদ আৰু বাক্য সম্বন্ধে যি দাৰ্শনিক তত্ত্ব উদ্‌ঘাটন কৰিছিল তাৰে প্ৰেৰণা আৰু বেঙনিত ভৰ্তৃহৰিয়ে 'বাক্যপদীয়' নামে 'অৰ্থবিজ্ঞান' সন্মত পুথি ৰচনা কৰে। অৱশ্যে এই সুবিজ্ঞ বৈয়াকৰণজনৰ বিষয়েও আমাৰ জ্ঞান বৰ সীমিত, কাৰণ আমাৰ ইতিহাস-পৰম্পৰাই তেওঁৰ বিষয়ে একো তথ্য সংৰক্ষণ কৰা নাই। তেওঁৰ গুৰুৰ নাম বসুৰাত বুলি জনা যায়। চীনা পৰিব্ৰাজক ইৎসিঙ্গে (খৃ°) ৭ম শতিকাত ভাৰতলৈ অহাৰ ৪০ বছৰ আগতে ৬৫১ খৃষ্টাব্দত ভৰ্তৃহৰি নামে এজন বৈয়াকৰণৰ মৃত্যু হোৱা বুলি কৈ গৈছে। ইৎসিঙ্গৰ মতে ভৰ্তৃহৰিৰ মনত বৈৰাগ্যভাৱ উদয় হয়। কিন্তু তেওঁৰ চিত্তৰ চাঞ্চল্যৰ হেতু তেওঁ সাতবাৰ সন্ন্যাস আৰু সংসাৰৰ মাজত যাতায়াত কৰে। আৰু শেষত এজন বৌদ্ধ সন্ন্যাসী হয় কিন্তু। **গণৰত্ন মহোদধিৰ** ৰচক বৰ্ধমান সূৰিৰ 'বেদবিদাম লঙ্কাৰভূত' আদি কথাই ভৰ্তৃহৰিক বৈদিক পণ্ডিত বুলিহে প্ৰতিপন্ন কৰে। অকল সেয়ে নহয়। কাশিকাবৃত্তিত **বাক্যপদীয়** গ্ৰন্থৰ নামোল্লেখ হোৱাটোৱে ভৰ্তৃহৰিক বামন আৰু জয়াদিত্যতকৈ (কাশিকাৰ ৰচনা কাল ৪৭৫ খৃঃ) পূৰ্বৰ বুলি প্ৰমাণ কৰে। কৰি-দাৰ্শনিক দিঙনাগেও তেওঁৰ ভূটীয়া ভাষাত ৰচিত 'ত্ৰৈকল্য পৰীক্ষা' নামে গ্ৰন্থত বাক্যপদীয়ৰ প্ৰথম শ্লোকৰ স্বোপজ্ঞবৃত্তিৰ অনুবাদ তুলি দিছে। তাৰদ্বাৰা বুজা যায় যে ভৰ্তৃহৰি দিঙ্‌নাগৰ (কাল ৫০০ খৃ°) পূৰ্ববৰ্তী। এনেদৰে ভৰ্তৃহৰিৰ কাল ৪০০—৪৫০ খৃষ্টাব্দৰ মাজত বুলি সিদ্ধ হয়।

ভৰ্তৃহৰিৰ গ্ৰন্থৰ উল্লেখ আৰু আলোচনা অধিকভাৱে কাশ্মীৰী গ্ৰন্থকাৰ সকলৰ গ্ৰন্থৰ পাতত হোৱালৈ চাই তেওঁক সেই অঞ্চলৰ লোক বুলি বুজিব পাৰি। আচাৰ্য সোমানন্দই (৮৮০ খৃ°) তেওঁৰ 'শিৱদৃষ্টি'ত 'বাক্যপদীয়'ৰ 'অনাদিনিধনং ব্ৰহ্ম' (১।১) আৰু 'ন সোঽস্তি' (বা. ১।১২৩) শ্লোক উদ্ধৃত কৰিছে। তেওঁৰ শিষ্য উৎপলাচাৰ্য্যয়ো শিৱদৃষ্টিৰ ব্যাখ্যাত ভৰ্তৃহৰিৰ স্বোপজ্ঞবৃত্তিৰ উল্লেখ কৰিছে। কাশিকাকাৰ সকলো কাশ্মীৰী বুলি জনাজাত। আনকি ভৰ্তৃহৰিৰ গ্ৰন্থৰ টীকাকাৰ হেলাৰাজ আৰু পুণ্যৰাজৰো বাসভূমি কাশ্মীৰ। সেয়ে ভৰ্তৃহৰিও কাশ্মীৰী বুলি প্ৰতিপন্ন হ'লে আচৰিত হবলগীয়া একো নাই।

**ভৰ্তৃহৰিৰ গ্ৰন্থ :** ভৰ্তৃহৰিক নিম্নোক্ত গ্ৰন্থসমূহৰ ৰচক বুলি কোৱা হয় : (১) মহাভাষ্যদীপিকা, (২) বাক্যপদীয়, (৩) বাক্যপদীয় টীকা, ( ১-২ কাণ্ড ), (৪) ভট্টিকাব্য, (৫) ভাগবৃত্তি, (৬) সুভাষিত শতকত্ৰয়ী ( শৃঙ্গাৰ, নীতি, বৈৰাগ্য )। ইবিলাকৰ উপৰিও তেওঁক মীমাংসাভাষ্য, বেদান্ত সূত্ৰবৃত্তি আৰু শব্দধাতু সমীক্ষাৰ গ্ৰন্থকাৰ বুলিও কোৱা হয়।

**বাক্যপদীয় :** 'বাক্যপদীয়' গ্ৰন্থ তিনিকাণ্ডত বিভক্ত। প্ৰথম কাণ্ড ব্ৰহ্মকাণ্ড, দ্বিতীয় কাণ্ড বাক্যকাণ্ড আৰু তৃতীয়কাণ্ড পদ বা প্ৰকীৰ্ণ কাণ্ড নামে জনাজাত। দুই-এজন পণ্ডিতে 'বাক্যপদীয়' গ্ৰন্থত প্ৰথম দুই কাণ্ড থকাটোহে স্বীকাৰ কৰিব খোজে। তৃতীয় কাণ্ডত কাৰকাদিৰ বিচাৰ আছে। সেয়ে প্ৰথম কাণ্ড দুটাক বাক্যপদীয় বুলি স্বীকাৰ কৰাটো উচিত বুলি ভাবে। কিন্তু দ্বিতীয় কাণ্ডৰ নিম্নোক্ত শ্লোকত তৃতীয় কাণ্ড ৰচনা কৰিবলৈ ৰচকে কৰা প্ৰতিজ্ঞা পোৱা যায় :

বৰ্ত্মনামত্ৰ কেষাঞ্চিদ্ বস্তুমাত্ৰমুদাহৃতম্।
কাণ্ডে তৃতীয়ে ন্যক্ষেণ ভৱিষ্যতি বিচাৰণা॥ ( ১।৪৮৪ )।

গতিকে ভৰ্তৃহৰিয়ে ত্ৰিকাত্মক বাক্যপদীয় ৰচনা কৰাত সন্দেহৰ থল নাই। তৃতীয় কাণ্ড নহলে প্ৰথম-দ্বিতীয় কাণ্ডাত্মক গ্ৰন্থ অপূৰ্ণ হৈ ৰোৱাৰ আশঙ্কা নিশ্চয় আছিল। সেয়ে অনেকে তৃতীয় কাণ্ডক মুখ্যাঙ্গৰ ভিতৰত নধৰি পূৰক বা প্ৰকীৰ্ণ বুলি ভাবে।

**কাৰিকাৰ সংখ্যা :** বাক্যপদীয়ৰ কাৰিকাৰ সংখ্যা লৈ পণ্ডিতসকলৰ মতভেদ আছে। এতিয়া পোৱা কাৰিকাসমূহৰ কেতবোৰ ভৰ্তৃহৰি ৰচিত নহয়, বৰঞ্চ অন্য 'সংগ্ৰহ' গ্ৰন্থৰপৰা উদ্ধৃত বুলি মত পোৱা যায়। এই সম্বন্ধে বাক্যপদীয় ( ব্ৰহ্মকাণ্ডৰ ) সম্পাদক ৰামগোবিন্দ শুক্লাই এইদৰে কৈছে : 'এয়া অসম্ভৱ নহয়। সম্ভৱতঃ ব্যাকৰণ আগমৰ ৰক্ষাৰ কথালৈ ধ্যান দি গ্ৰন্থ ৰচনাত প্ৰবৃত্ত গ্ৰন্থকাৰে নিজৰ পূৰ্ববৰ্তী সংগ্ৰহ অথবা গুৰুৰচিত আগম সংগ্ৰহৰ শ্লোকৰ সংগ্ৰহ কৰিছে।' শুক্লাদেৱে বাক্যপদীয়ৰ শ্লোকাসংখ্যা দিবলৈ গৈ ব্ৰহ্মকাণ্ডত ১৫৬, বাক্যকাণ্ডত ৪৮৬ আৰু পদকাণ্ডত ১২১৮ কাৰিকা থকা স্বীকাৰ কৰে। এইদৰে মুঠ কাৰিকা ১৮৬০ হয়গৈ। তেওঁ আৰু কয় : 'আমাৰ মতে বাক্যপদীয়ৰ প্ৰায় ১৪০ কাৰিকা নষ্ট প্ৰাপ্ত হৈছে।

পুণাৰপৰা প্ৰকাশিত ( অভ্যঙ্কৰাচাৰ্য্য লিময়ে সম্পাদিত পুনা বিশ্ববিদ্যালয় প্ৰকাশিত ১৯৬৫ ) বাক্যপদীয়ত মুঠতে ১৯৬৬ টা কাৰিকা পোৱা যায়। তাত দিয়া কাৰিকাৰ তালিকা কাণ্ড আৰু বিষয়ানুসৰি এনে —

(১ ব্ৰহ্মকাণ্ড ( ১ম কাণ্ড )—১০৬ কাৰিকা।

(২) বাক্যকাণ্ড ( ২য় কাণ্ড )— ৪৮৭ কাৰিকা।



(৩) পদ বা প্ৰকীৰ্ণ কাণ্ড ( ৩য় কাণ্ড )—

| | | |
|---|---|---|
| (ক) | জাতি সমুদ্দেশত | ১০৬ কাৰিকা |
| (খ) | দ্ৰব্য সমুদ্দেশত | ১৮ " |
| (গ) | সম্বন্ধ সমুদ্দেশত | ৮১ " |
| (ঘ | ভূয়োদ্ৰব্য সমুদ্দেশত | ৩ " |
| (ঙ) | গুণ সমুদ্দেশত | ৯ " |
| (চ) | দিক সমুদ্দেশত | ২৮ " |
| (ছ) | সাধন সমুদ্দেশত | ১৬৭ " |
| (জ) | ক্ৰিয়া সমুদ্দেশত | ৬৪ " |
| (ঝ) | কাল সমুদ্দেশত | ১০৪ " |
| (ঞ) | পুৰুষ সমুদ্দেশত | ৯ " |
| (ট) | সংখ্যা সমুদ্দেশত | ৩২ " |
| (ঠ) | উপগ্ৰহ সমুদ্দেশত | ২৭ " |
| (ড) | লিঙ্গ সমুদ্দেশত | ৩১ " |
| (ঢ) | বৃত্তি সমুদ্দেশত | ৬২৭ " |
| | মুঠ | ১৩২৩ কাৰিকা। |

এয়া হ'ল অধুনা প্ৰাপ্ত কাৰিকাৰ সংখ্যা। ওপৰত উল্লেখ কৰা পদকাণ্ডৰ চৈধ্যটা সমুদ্দেশৰ উপৰিও লক্ষণ, বাধা আৰু উপমা নামে আৰু তিনিটা সমুদ্দেশ বাক্যপদীয়ৰ ৩য় কাণ্ডত সন্নিবিষ্ট আছিল বুলি টীকাকাৰ পুণ্যৰাজে কৈছে। গতিকে গ্ৰন্থখনৰ কিছু অংশ বিনষ্ট হোৱা কথা সঁচা।

**বিষয় বস্তু :** বাক্যপদীয়ৰ প্ৰথম কাণ্ডক ব্ৰহ্ম বা আগম কাণ্ড আখ্যা দিয়া হয়। প্ৰথম কাণ্ডত ব্ৰহ্মৰ স্বৰূপ কথনৰ পাছত বেদক ব্ৰহ্মপ্ৰাপ্তিৰ উপায় বুলি কোৱা হৈছে। বেদৰ প্ৰধান অঙ্গ ব্যাকৰণৰ প্ৰয়োজন, শব্দৰ নিত্যতাই ব্যাকৰণ ৰচনাৰ কাৰণ তাক কোৱা হৈছে। অনুমানৰ উপৰিও আগম প্ৰমাণ, অভ্যাস আৰু অদৃষ্ট প্ৰমাণৰ সিদ্ধি কথিত হৈছে। ৩৭—৪৩ কাৰিকাও বেদমূলক আৰ্য আগমৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন হৈছে। তাৰ পাছত শব্দৰ ( নিমিত্ত আৰু প্ৰত্যায়ক ) দুই ভেদ, শব্দত অনেক ধৰ্মৰ সমাবেশ আৰু তাৰ বোধকত্ব নিৰ্ণয় কৰা হৈছে। মীমাংসক আৰু বৈয়াকৰণৰ মতেৰে শব্দৰ একত্ব আৰু ব্যৱহাৰ সম্বন্ধেও কোৱা হৈছে। তাৰ পিছত স্ফোট নিৰ্ণয়ত মনোনিবেশ কৰা হৈছে। শব্দৰ সৰ্বব্যাপকতা প্ৰতিপাদন কৰা হৈছে। শব্দজ্ঞানক ব্ৰহ্মপ্ৰাপ্তিৰ উপায়ৰূপে দেখুৱা হৈছে ( কা০ ১৩২ )

তস্মাত্তঃ শব্দসংস্কাৰঃ সা সিদ্ধিঃ পৰমাত্মনঃ।
তস্য প্ৰবৃত্তি তত্ত্বজ্ঞস্তদব্ৰহ্মামৃতমশ্নুতে॥

ইয়াৰ পাছত বেদমূলক হোৱা বাবে ব্যাকৰণক প্ৰমাণ বুলি কৈ ধৰ্মৰ মূল, আচাৰ

বেদমূলক তৰ্কশাস্ত্ৰৰ প্ৰয়োজনীয়তাৰ
আৰু আগমৰো মূল বুলি প্ৰতিপাদন কৰা হৈছে। সাধুশব্দ পুণ্যজনক বুলি কৈ বাণীৰ তিনি ভেদ আৰু
ওপৰত জোৰ দিয়া হৈছে। জগতৰ প্ৰলয় বা
ব্যাকৰণৰদ্বাৰা সিবোৰৰ প্ৰতিবাদন সম্ভৱ তাক কোৱা হৈছে। নটা কাৰিকাত অপভ্ৰংশৰ ইতিহাস
স্থিতি সম্বন্ধত বেদৰ প্ৰামান্য বিচাৰ কৰি শেষৰ
বৰ্ণনা কৰিছে।

বাক্যকাণ্ডাখ্য দ্বিতীয় কাণ্ডটিত বাক্যৰ স্বৰূপ বিস্তৃতৰূপে প্ৰতিপাদন কৰা হৈছে।
প্ৰথমে বাক্যক অখণ্ড আৰু সখণ্ড ভেদে দুবিধ বুলিছে। অখণ্ড বাক্য আকৌ
ত্ৰিভেদাত্মকঃ (১) সংঘাতবৰ্তিনীজাতি, (২) অনবয়ব একশব্দ আৰু (৩) বুদ্ধ্যনুসংহৃতি।
সখণ্ড বাক্য আকৌ পঞ্চধা বিভক্ত: (১) কেৱল আখ্যাত শব্দ, (২) ক্ৰম, (৩) সংঘাত
(৪) আদ্যপদ আৰু (৫) পৃথক্ সৰ্বপদ সাকাংক্ষ। তাৰ পাছত ভৰ্ত্তৃহৰিয়ে বাক্যাৰ্থ
বিচাৰ কৰিছে আৰু বাক্যাৰ্থকে প্ৰতিভা বুলি প্ৰতিপাদন কৰিছে।

তৃতীয় কাণ্ডটি প্ৰকীৰ্ণ কাণ্ড বুলি জনাজাত। ইয়াৰ প্ৰতিপাদ্য বিষয়ৰ ইতিপূৰ্বে
১৭ টা সমুদ্দেশত নিৰ্দিষ্ট হৈছিল যদিও সম্প্ৰতি তাৰে চৈধ্যটাহে উপলব্ধ হয়: (১)
জাতি সমুদ্দেশ, (২) দ্ৰব্য সমুদ্দেশ, (৩) সম্বন্ধ সমুদ্দেশ, (৪) দ্ৰব্যলক্ষণ সমুদ্দেশ,
(৫) গুণ সমুদ্দেশ, (৬) দিক্ সমুদ্দেশ, (৭) সাধন সমুদ্দেশ ( কাৰক বিচাৰ ), (৮)
ক্ৰিয়া সমুদ্দেশ, (৯) কালসমুদ্দেশ, (১০) পুৰুষ সমুদ্দেশ, (১১) সংখ্যা সমুদ্দেশ,
(১২) উপগ্ৰহ সমুদ্দেশ, (১৩) লিঙ্গ সমুদ্দেশ, (১৪) বৃত্তি সমুদ্দেশ। লক্ষণ সমুদ্দেশ,
বাধা সমুদ্দেশ আৰু উপমা সমুদ্দেশ সম্প্ৰতি বিনষ্ট। এনেদৰে কাণ্ডত পদ সম্বন্ধে ভৰ্ত্তৃহৰিয়ে
দাৰ্শনিক বিচাৰ উপস্থাপন কৰিছে।

**বৃত্তি:** মুখস্থ কৰিবলৈ কাৰিকা সহজ হলেও বিষয়ৰ বিবেচনা ইয়াত পূৰ্ণতঃ
পোৱা নাযায়। সেয়ে ভৰ্ত্তৃহৰিয়ে নিজে ইয়াৰ ওপৰত—প্ৰথম দুই কাণ্ডৰ ওপৰত বৃত্তি
ৰচনা কৰিছিল। কোনো কোনোৱে কয় যে বাক্যপদীয়ৰ দুটা বৃত্তি ৰচনা কৰিছিল:
(১) লঘুবিৱৰণ আৰু (২) বৃহতীবৃত্তি। দুয়োটি বৃত্তি প্ৰথম কাণ্ড পৰ্য্যন্ত প্ৰকাশিত
হৈছে। একে হৰিবৃষভকৃত দুই বৃত্তিও পোৱা যায়।

**টীকাকাৰসকল:** কাশ্মীৰী পণ্ডিত পুণ্যৰাজকৃত টীকাকেই বাক্যপদীয়ৰ
প্ৰাচীনতম টীকা বুলি জনা যায়। তেওঁৰ কাল অজ্ঞাত। দ্বিতীয়জন টীকাকাৰ
হেলাৰাজ। এওঁৰ চৰ্চা কল্হনে ৰাজতৰঙ্গিনীত কৰালৈ চাই এওঁৰ কাল একাদশ
শতিকাৰ পূৰ্বতে হ'ব। তেওঁ সম্পূৰ্ণ গ্ৰন্থৰ ওপৰত টীকা ৰচনা কৰি গৈছে। তেওঁ
**'ক্ৰিয়াবিৱেক'** আৰু **'বাৰ্তিকোন্মেষ'** নামে দুখন গ্ৰন্থত ৰচনা কৰে। তৃতীয়জন টীকা-
কাৰ ফুল্লৰাজেও বাক্যপদীয়ৰ টীকা ৰচনা কৰিছিল, তাৰ সবিশেষ অজ্ঞাত। বৰ্তমান
শতাব্দীত সূৰ্যনাৰায়ণ শুক্লাই ( মৃ০ ১৯৬৪ ) 'ভাৱপ্ৰদীপ' নামে এক মহত্বপূৰ্ণ টীকা
ৰচিছে। তদুপৰি তেওঁ ছখন মৌলিক গ্ৰন্থ, ৭টা ( বিভিন্ন গ্ৰন্থৰ ওপৰত ) টীকা আৰু
১৫ খন গ্ৰন্থ সম্পাদনা কৰিছে।



**ভৰ্ত্তৃহৰিৰ মহাভাষ্য দীপিকা:** অধুনা উপলব্ধ মহাভাষ্যৰ টীকাসমূহৰ
ভৰ্ত্তৃহৰিকৃত 'দীপিকা'ই প্ৰাচীনতম। তেওঁৰো আগতে অনেকে মহাভাষ্যৰ ওপৰত
টীকা ৰচনা কৰিছিল। ভৰ্ত্তৃহৰিয়ে সিবোৰৰ উল্লেখ 'অন্যে', 'অপৰে' বুলি উল্লেখ
কৰিছে। যদিও তেওঁ সমস্ত মহাভাষ্যৰ ওপৰত টীকা ৰচনা কৰা কথাৰ প্ৰমাণ
আছে, তথাপি তেওঁৰ টীকাৰ 'ত্ৰিপাদী' অংশহে পোৱা গৈছে। বৰ্ধমানে তেওঁক
অকল ত্ৰিপাদীৰ ব্যাখ্যাকাৰ বুলিহে কৈছে 'ভৰ্ত্তৃহৰিৰ্বাক্যপদীয়-প্ৰকীৰ্ণয়োঃ কৰ্তা
মহাভাষ্য-ত্ৰিপাদ্যা ব্যাখ্যাতো চ।' সম্ভৱতঃ বৰ্ধমানৰ সময়লৈ ( ১১ শ শ০ ) দীপিকাৰ
'ত্ৰিপাদ্যংশ' বাকী আছিল, অন্য অংশ নষ্ট হৈছিল।

**কৈয়ত বা কয্যত:** কয্যত মহাভাষ্যৰ দ্বিতীয় টীকাকাৰ। তেওঁ কাশ্মীৰৰ
অধিবাসী আছিল। তেওঁৰ 'মহাভাষ্য প্ৰদীপ'ৰ প্ৰতি অধ্যায়ৰ সমাপ্তিত দিয়া বিজ্ঞাপনৰ-
পৰা জনা যায় যে তেওঁৰ পিতৃৰ নাম আছিল জৈয়ট বা জয়ত উপাধ্যায়। ভীমসেনৰ
'সুধাসাগৰ' নামে টীকাত প্ৰাপ্ত তথ্যমতে কয্যত আৰু বেদভাষ্যকাৰ উব্বত মম্মটৰ
অনুজ আছিল। কিন্তু উব্বটে যজুৰ্বেদৰ ভাষ্যত পিতৃৰ নাম বজ্ৰট বুলি কৈছে। গতিকে
ভীমসেনৰ বচন সত্য নহয়।

কয্যত পদমঞ্জৰীকাৰ হৰদত্তৰ পূৰ্ববৰ্তী। হৰদত্তই তেওঁৰ গ্ৰন্থত কয্যতৰ মতোদ্ধাৰ
কৰি খণ্ডন কৰিছে। ধৰ্মকীৰ্তিয়ে তেওঁৰ ৰূপাৱতাৰত পদমঞ্জৰীকাৰ হৰদত্তৰ উল্লেখ
কৰিছে। আকৌ মৈত্ৰেয়ৰক্ষিতে তেওঁৰ ধাতুপ্ৰদীপত ধৰ্মকীৰ্তি আৰু তেওঁৰ গ্ৰন্থৰ
উল্লেখ কৰিছে। তাৰ পাছত সৰ্বানন্দই তেওঁৰ অমৰকোষৰ ওপৰত ৰচিত 'টীকা
সৰ্বস্ব'ত মৈত্ৰেয় ৰক্ষিত আৰু ধাতু প্ৰদীপৰ উল্লেখ কৰিছে। টীকা সৰ্বস্বৰ ৰচনা কাল
১১৫৮ খৃ০ ( ১২১৫ সম্বৎ )। প্ৰতিজন গ্ৰন্থকাৰৰ কালৰ ব্যাপ্তি ২৫ বছৰ ধৰিলে
কয্যটৰ কাল হয়গৈ ১০০০—১০৫০ খৃষ্টাব্দৰ মাজভাগ।

কয্যটে 'মহাভাষ্য প্ৰদীপ' নামে এক টীকা ৰচনা কৰে। ই আজিও অতুলনীয়
আৰু অসামান্য টীকা বুলি জনাজাত।

প্ৰদীপৰ মহত্বপূৰ্ণ টীকাৰ ওপৰতো অনেকজনে ব্যাখ্যা ৰচনা কৰে। তেওঁৰ নাম
যথাক্ৰমে—

(১) চিন্তামণি ( শেষবংশীয় ), পঞ্চদশ শতিকাৰ ১ম ভাগ।

(২) নাগনাথ ( শেষবংশীয় ), 'মহাভাষ্য প্ৰদীপোদ্যত'ৰ ৰচক বীৰেশ্বৰৰ অনুজ;
তেওঁৰ কাল খৃ০ ষোড়শ শতিকাৰ উত্তৰাৰ্ধ।

(৩) ৰামচন্দ্ৰ সৰস্বতী, টীকাৰ নাম 'বিৱৰণ' নামে লঘু ব্যাখ্যা; তেওঁৰ সময়
১৬ শ-১৭ শ শতিকা।

(৪) ঈশ্বৰানন্দ সৰস্বতীয়ে 'বৃহৎ মহাভাষ্য' 'প্ৰদীপ বিৱৰণ' ৰচনা কৰে। ৰামচন্দ্ৰৰ
শিষ্য। সময় ১৭শ শতিকা।

(৫) অন্নভট্টই 'মহাভাষ্য প্ৰদীপোদ্যত' ৰচনা কৰে। তেওঁৰ গুৰু শেষবীৰেশ্বৰ।
কাল ১৭শ শতিকা।

'মহাভাষ্য প্ৰদীপ ব্যাখ্যা' ৰচনা কৰে।
(৬) নাৰায়ণ শাস্ত্ৰীয়ে ( ১৮শ শতিকা )
তেওঁ ধৰ্মৰাজ যজ্বা, কৌণ্ডিন্য গোত্ৰীয় নল্লা দীক্ষিত আৰু নাৰায়ণ দীক্ষিতৰ ভায়েক।
(৭) নাগেশভট্ট শীৰ্ষস্থানীয় বৈয়াকৰণ, তেওঁ অনেক গ্ৰন্থৰ লগতে 'মহাভাষ্য প্ৰদীপোদ্যোতন' ৰচনা কৰে। পিতৃনাম শিৱভট্ট, মাতৃনাম সতীদেৱী। উপনাম নাগোজীভট্ট। অন্য গ্ৰন্থৰ পৰিচয় পিছত দিয়া হ'ব। তেওঁৰ ব্যাখ্যাৰ ওপৰত বৈদ্যনাথ পায়গুণ্ডে 'ছায়া' নামে অনুব্যাখ্যা ৰচনা কৰে।
(৮) মল্লয়যজ্বা ( ১৮শ শতিকা ) তেওঁ প্ৰদীপৰ ওপৰত ভাষ্য লিখে। তেওঁ 'মহাভাষ্য প্ৰদীপ'ৰ ব্যাখ্যাকাৰ তিৰুমল্ল যজ্বাৰ পিতা।
(৯) প্ৰবৰ্তক উপাধ্যায় ( অজ্ঞাত কাল, কুলশীল ) 'মহাভাষ্য প্ৰদীপ প্ৰকাশিকা' বা 'মহাভাষ্য প্ৰদীপ প্ৰকাশ' ভাষ্য ৰচনা কৰে।
এই সকলৰ উপৰিও (১০) আদেন্ন (?), (১১) নাৰায়ণ, (১২) সৰ্বেশ্বৰ স্বামী, (১৩) হৰিৰাম প্ৰভৃতিয়ে প্ৰদীপৰ ব্যাখ্যা ৰচনা কৰে। এনে ব্যাখ্যা—অনুব্যাখ্যা আদিৰ সঠিক সংখ্যা আৰু প্ৰকৃত বুৰঞ্জী এতিয়াও লিখা হোৱা নাই। কাৰণ বহুতো গ্ৰন্থ অপ্ৰকাশিত অৱস্থাত আছে।

**বৃত্তিকাৰসকলৰ বৃত্তিগ্ৰন্থসমূহ :** পাণিনিৰ শব্দানুশাসনৰ ওপৰত বৃত্তি ৰচনা কৰা জনদিয়েক প্ৰাচীন বৈয়াকৰণৰ নাম ইতিপূৰ্বে উল্লেখ কৰি আহিছোঁ। তেওঁলোক ( কুণি, মাথুৰ প্ৰভৃতি ) 'কাশিকা'বৃত্তিৰ ৰচক ৰামন আৰু জয়াদিত্যৰ যে পূৰ্ববৰ্তী তাত সন্দেহৰ অৱকাশ নাই।

**কাশিকাবৃত্তি :** 'কাশিকা' সম্প্ৰতি উপলব্ধ বৃত্তিসমূহৰ ভিতৰত প্ৰাচীনতম। 'কাশিকা'ৰ পূৰ্ববৰ্তী বৃত্তিসমূহ নষ্ট প্ৰাপ্ত হোৱাত এই বৃত্তিৰ মহত্ব অধিক বুলি প্ৰতীয়মান হৈছে। ৰামন আৰু জয়াদিত্যক যুটীয়াকৈ কাশিকাবৃত্তিৰ ৰচক বুলি জনা যায়। ন্যাস আৰু পদমঞ্জৰীৰ সাক্ষ্যৰপৰা বুজা যায় তেওঁলোক দুয়োজনে স্বকীয়া স্বকীয়াকৈ দুটা বৃত্তি অষ্টাধ্যায়ীৰ ওপৰত ৰচনা কৰিছিল। কিন্তু দুয়োটা বৃত্তিৰ অংশবিশেষ নষ্ট প্ৰাপ্ত হয়। এতিয়া পোৱা কাশিকাবৃত্তিৰ প্ৰথম পাঁচ অধ্যায় জয়াদিত্যৰ আৰু শেষৰ তিনি অধ্যায় ( ৬-৮ অধ্যায় ) ৰামনৰ ৰচনা।

**কাল :** বিমলমতিয়ে (?) ভাগবৃত্তিত কাশিকাৰ মত খণ্ডন কৰিছে। গতিকে 'কাশিকা'ৰ কাল ভাগবৃত্তিৰ কালতকৈ ( ৬৪৪—৬৪৮ খৃ° ) প্ৰাচীনতৰ হোৱা স্বাভাৱিক। আনহাতে কাশিকাত ভাৰৱিৰ পদ্যাংশৰ ( সংশয্য কৰ্ণাদিষু তিষ্ঠতে যঃ ) উদ্ধৃতি পোৱা যায়। ভাৰৱিৰ কাল ৫৫৫—৬৩৫ খৃষ্টাব্দ। গতিকে কাশিকাৰ কাল ৭ম শতিকাৰ আদিভাগ হোৱা সম্ভৱ। ইৎসিঙ্গে ৭১৮ বি° সম্বৎ বা ৬৬১ খৃষ্টাব্দত জয়াদিত্যৰ মৃত্যু হোৱা কথা উল্লেখ কৰিছে। বৈয়াকৰণ আৰু আলংকাৰিক ৰামন একেজন হ'লে তেওঁৰ কাল ৮০০ খৃ° হোৱা উচিত।



ৰামনে কাশিকাবৃত্তিৰ শেষত ইয়াৰ বৈশিষ্ট্য দাঙি ধৰি যি কথা কৈছে তাক ন্যাসকাৰে তেওঁৰ গ্ৰন্থাৰম্ভত এনেদৰে স্মৰণ কৰিছে :

'ইষ্ট্যুপসংখ্যানৱতী শুদ্ধগণা বিবৃতগূঢ়সূত্ৰাৰ্থা।
ব্যুৎপন্নৰূপসিদ্ধিৰ্বৃত্তিৰিয়ং কাশিকা নাম॥'

'ইষ্টিসমূহৰ উপসংখ্যান, শুদ্ধ গণসমূহৰ বিৱৰণ, সূত্ৰসমূহৰ গূঢ়াৰ্থৰ বিৱৰণ আৰু ব্যুৎপন্ন ৰূপৰাশিৰ সিদ্ধি—এই চাৰিটা তথ্য সমন্বিত গ্ৰন্থই হৈছে কাশিকাবৃত্তি।'

আনহাতে পতঞ্জলিয়ে 'বৃত্তি'ৰ অৰ্থ 'শাস্ত্ৰপ্ৰবৃত্তিঃ' বুলি কৈছে। স্কন্দধৰাচাৰ্য্যৰ মতে পদচ্ছেদ, পদাৰ্থ কথন, সমাসৰ বিগ্ৰহ, বাক্যযোজনা ( সূত্ৰাৰ্থ ), পূৰ্বপক্ষ আৰু সমাধান য'ত থাকে তাকে বৃত্তি বোলে। এইবোৰ দৃষ্টিভঙ্গীৰে চালে কাশিকাবৃত্তি পাণিনিৰ সূত্ৰৰ যথাবিধি অৰ্থজ্ঞান লাভ কৰাত প্ৰকৃষ্ট সহায়ক। এই গ্ৰন্থ মহাভাষ্যানুযায়ী নহয় বাবে ইয়াত মহাভাষ্যৰ মত ঠাই বিশেষত খণ্ডন কৰা কৰাৰ যত্ন চকুত পৰে। একে কাৰণতে মহাভাষ্যানুযায়ী ভট্টোজী প্ৰভৃতিয়ে নিজ গ্ৰন্থত কাশিকাৰ মতৰ বিৰোধিতা কৰা দেখা যায়।

**কাশিকাৰ ব্যাখ্যাকাৰসকল :** 'কাশিকা' বৃত্তিৰ ওপৰতো অনেকে ব্যাখ্যা গ্ৰন্থ ৰচনা কৰিছে। সিসকলৰ ভিতৰত জিনেন্দ্ৰবুদ্ধি ( ৮ম শতিকা ) প্ৰথম আৰু প্ৰধান। তেওঁ ৰচনা কৰা 'কাশিকাবিৱৰণ পঞ্জিকা'ক 'ন্যাস'ৰূপে অধিককৈ জনা যায়। তেওঁ বৌদ্ধধৰ্মী আছিল। তেওঁৰ পিছত ইন্দুমিত্ৰই কাশিকাৰ ওপৰত অনুন্যাস ৰচনা কৰে ( দ্বাদশ শতিকাত )। কোনো অজ্ঞাতনামা পণ্ডিতে ( ১৩শ শতিকা ) মহান্যাস, বিদ্যাসাগৰ মুনিয়ে ( ১২শ শতিকা ) 'প্ৰক্ৰিয়া মঞ্জৰী', ধৰ্মসূত্ৰৰ ব্যাখ্যাতা হৰিদত্তমিশ্ৰই ( ১২শ শতিকা ) পদমঞ্জৰী ৰচনা কৰে। ৰামদেৱ মিশ্ৰই ( ১২শ শতিকা ) কাশিকাৰ ওপৰত বৃত্তিপ্ৰদীপ ৰচনা কৰে।

**কাশিকাৰ পিছৰ বৃত্তিকাৰসকল : বিমলমতি :**—'কাশিকাবৃত্তি' ৰচিত হোৱাৰ পিছত যিসকল লোকে অষ্টাধ্যায়ীৰ ওপৰত বৃত্তি ৰচনা কৰিছে সিসকলৰ ভিতৰত বিমলমতিৰ নাম পোনতে আহে। তেওঁ সূত্ৰপাঠৰ ওপৰত ভাগবৃত্তি ৰচনা কৰে। অৱশ্যে বহুতে **ভাগবৃত্তিৰ** ওপৰত বিমলমতিৰ কৰ্তৃত্ব স্বীকাৰ কৰিব নোখোজে। সি যিহওক ভাগবৃত্তিৰ নিজস্ব বৈশিষ্ট্য অস্বীকাৰ কৰিব নোৱাৰি। সকলোৱে জানে যে পাণিনিয়ে অষ্টাধ্যায়ীত সূত্ৰ সন্নিবেশ কৰোঁতে 'ভাষা' আৰু 'ছন্দ'ৰ—লৌকিক সংস্কৃত ভাষা বিষয়ক সূত্ৰৰ লগতে বৈদিক ভাষাৰ বৈশিষ্ট্যসূচক সূত্ৰও দিছে। অৰ্থাৎ তেওঁৰ গ্ৰন্থত বৈদিক আৰু লৌকিক বুলি বিভাগ নাই। ৰামন জয়াদিত্যৰ কাশিকা বৃত্তিতো তেনে বিভাগ দেখা নাযায়। কিন্তু ভাগবৃত্তিত বৈদিক আৰু লৌকিক সূত্ৰৰ বিভাজন কৰি গ্ৰন্থকাৰে বৃত্তি প্ৰস্তুত কৰিছে। ভাগবৃত্তি ৰচিত হোৱাৰ পাছত বিদ্বান সকলে ভাগবৃত্তিৰ বৈশিষ্ট্যলৈ চকু ৰাখি কাশিকাবৃত্তিক বুজাবলৈ 'একবৃত্তি' পৰিভাষক প্ৰয়োগ কৰে। একেটা ক্ৰমত লৌকিক আৰু বৈদিক উভয় বিধ সূত্ৰৰ ব্যাখ

বৃত্তিক বুজাবলৈ 'একবৃত্তি' আৰু ভাগ ভাগকৈ বিভাজন কৰি কৰা বৃত্তি-ব্যাখ্যাক বুজাবলৈ ভাগবৃত্তি' শব্দ ব্যৱহাৰ কৰা হয়।

বৰ্তমান **'ভাগবৃত্তি'** গ্ৰন্থখন উপলব্ধ নহয়। ইয়াৰ অনেক উদ্ধৃতি বিভিন্ন গ্ৰন্থত সিচঁৰতি হৈ থকা চকুত পৰে। প০ যুধিষ্ঠিৰ মীমাংসকে সিবোৰ বুটলি 'ভাগবৃত্তি-সংকলন' নামে আজমিৰৰপৰা প্ৰকাশ কৰিছে। মূল গ্ৰন্থখন যথাসম্ভৱ ৭ম শতিকা মানত ৰচিত হৈছিল।

**পুৰুষোত্তমদেৱৰ ভাষাবৃত্তিঃ** পুৰুষোত্তম আছিল বঙ্গবাসী বৌদ্ধ মতাবলম্বী এজন কোষকাৰ আৰু বৈয়াকৰণ পণ্ডিত। তেওঁ ৰজা লক্ষ্মণসেনৰ আদেশ অনুসৰি বৈদিক সূত্ৰসমূহ এৰি পেলাই 'অষ্টাধ্যায়ী'ৰ (লৌকিক) ভাষাবিষয়ক সূত্ৰমালাৰ ওপৰত এখন বৃত্তিগ্ৰন্থ ৰচনা কৰে। অকল ভাষা বিষয়ক সূত্ৰ সামৰি ৰচনা কৰা বাবে গ্ৰন্থখন **'ভাষাবৃত্তি'** বুলি খ্যাত। অমৰৰ টীকাকাৰ সৰ্বানন্দই (খৃ০ ১১৬০) বহবাৰ তেওঁৰ নিৰ্দেশ কৰিছে। গতিকে পুৰুষোত্তমৰ কাল ১১৫০ খৃষ্টাব্দৰ আগত হ'ব। তেওঁৰ কোষ আৰু ব্যাকৰণ বিষয়ক ৰচনা সমূহ হৈছে : **'ভাষাবৃত্তি** (অষ্টাধ্যায়ীৰ বৃত্তি), (২) **দুৰ্ঘট বৃত্তি**—(দুৰ্ঘট শব্দবোৰৰ সাধিকা বৃত্তি), (৩) **ত্ৰিকাণ্ড শেষ** আৰু (৪) **হাৰাৱলী**—(৩-৪ কোষগ্ৰন্থ)।

**দুৰ্ঘটবৃত্তিঃ** এইখন গ্ৰন্থ পুৰুষোত্তমৰ নহয়, শৰণদেৱৰ। ইয়াত সামান্য ৰীতিত ব্যাখ্যা কৰিবলৈ নোৱৰা অপাণিনীয় পদবোৰৰ পাণিনিসম্মত ব্যাখ্যাপৰক গ্ৰন্থ এই দুৰ্ঘটবৃত্তি। এনে পদবোৰৰ ব্যাখ্যাৰ উপযোগী সূত্ৰবোৰহে ইয়াত ব্যাখ্যা কৰা হৈছে। ইয়াৰ ৰচনা কাল ১১৭৩ খৃষ্টাব্দ। মঙ্গল শ্লোকত যিহেতু গ্ৰন্থকাৰে 'সৰ্বজ্ঞ' বুদ্ধক সেৱা জনাইছে, সেয়ে শৰণদেৱো যে বৌদ্ধ আছিল তাত সন্দেহ নাই। গ্ৰন্থকাৰৰ কাল ১২শ শতিকা। তেওঁ লক্ষ্মণ সেনৰ সভাৰ অন্যতম সদস্য আছিল।

**শব্দকৌস্তুভঃ** ষোড়শ শতিকাত ভট্টোজী দীক্ষিতে অষ্টাধ্যায়ীৰ ওপৰত এটি বিস্তৃত বৃত্তি ৰচনা কৰে। গ্ৰন্থখনৰ নাম **'শব্দকৌস্তুভ**। কিন্তু গ্ৰন্থখন অপূৰ্ণ হৈ ৰয়। আৰম্ভৰপৰা আঢ়ৈই অধ্যায় আৰু চতুৰ্থ অধ্যায় মাত্ৰ এতিয়া পোৱা যায়। শব্দকৌস্তু কাশিকাৰ লঘু অথবা বৃত্তি নহৈ ই বিস্তৃত নিবন্ধ গ্ৰন্থ আছিল। আৰম্ভতে ই মহাভাষ্যৰ আহ্নিক বিভাজন বিদ্যমান। ভট্টোজী পতঞ্জলিৰ মন্তব্য ব্যাখ্যা কৰিছে। গ্ৰন্থখন ওচৰত ঋণী আছিল।

এইসকলৰ উপৰিও আৰু অনেকজনে অষ্টাধ্যায়ীৰ ওপৰত বৃত্তি গ্ৰন্থ ৰচনা কৰিছিল। তেওঁলোকৰ ভিতৰত ভৰ্গীশ্বৰ, জয়ন্তভট্ট, কেশৱ, ইন্দুমিত্ৰ আৰু মৈত্ৰেয়ৰক্ষিত ভট্টোজী দীক্ষিতৰ পূৰ্ববৰ্তী বুলি অনুমান হয়। ভট্টোজীৰ পাছত অপ্পয় দীক্ষিত, নীলকণ্ঠ বাজপেয়ী, অন্নভট্ট, বিশ্বেশ্বৰ সূৰী, গোপালকৃষ্ণ শাস্ত্ৰী, গোকুলচন্দ্ৰ, ওৰম্ভট্ট, সদানন্দ সৰস্বতী, অপ্পনৈনাৰ্য, নাৰায়ণ সুধী, ৰুদ্ৰধৰ, উদয়ন, উদয়ঙ্কৰভট্ট, ৰামচন্দ্ৰ, ...নন্দ নাথ প্ৰভৃতিয়ে বৃত্তি গ্ৰন্থৰ ৰচনা কৰা বুলি যুধিষ্ঠিৰ মীমাংসকে কয়।



**প্ৰক্ৰিয়া যুগঃ** সংস্কৃত ভাষা সাধাৰণ লোকৰো মাজত কথিত ভাষাৰূপে প্ৰচলিত থকা অৱস্থাত পাণিনিয়ে অষ্টাধ্যায়ী ৰচনা কৰিছিল যাতে সংস্কৃত ভাষাৰ শিষ্টৰূপ ভালদৰে লোক সমুদায়ে বুজি-বাজি তাৰ ব্যৱহাৰ অব্যাহত ৰাখিবলৈ পাৰে। কিন্তু সময় বাগৰাৰ লগে লগে সংস্কৃত লোকভাষাৰ স্থানৰপৰা চ্যুত হ'ল। ই অকল পণ্ডিত-সজ্জনৰ ভাষা হৈ পৰিল; ৰাজসভাৰ অভিজাত শ্ৰেণীৰ মাজত আবদ্ধ হৈ ৰ'ল। মানুহৰ কণ্ঠস্থ কৰাৰ—অভ্যাস কৰাৰ শক্তি, সামৰ্থ্য আৰু প্ৰয়োজনবোধো নোহোৱা হ'ল। এনে অৱস্থাত সহজে শব্দ-সাধন কৰিবলৈ উপায় স্বৰূপ সহজ-সৰল ব্যাকৰণ ৰচনা কৰাৰ প্ৰয়োজনীয়তাই দেখা দিলে। অভাৱ আৱিষ্কাৰৰ মাতৃ। গতিকে ব্যাকৰণ ৰচনাৰ পদ্ধতি সলনি হ'ল। শব্দ-সাধনৰ প্ৰক্ৰিয়া সূচক ব্যাকৰণ ৰচনাত ব্ৰতী হ'ল এচাম বৈয়াকৰণ পণ্ডিত। পোনতে তাত কিছু হীন দেখি ঘটিলেও পাছলৈ সেই পদ্ধতি নিখুঁত বুলি সিদ্ধ হ'ল।

## প্ৰক্ৰিয়ামূলক ব্যাকৰণৰ ইতিহাসঃ

**ৰূপাৱতাৰঃ** সুবোধ শৈলীত ৰচনা কৰা ব্যাকৰণসমূহৰ ভিতৰত উপলব্ধ ব্যাকৰণ হৈছে দ্বাদশ শতাব্দীত ধৰ্মকীৰ্তি বিৰচিত ৰূপাৱতাৰ। অৱশ্যে বলদেৱ উপাধ্যায়ে (সংস্কৃত শাস্ত্ৰ কা ইতিহাস, পৃ· ৩৯২) ইয়াৰ ৰচক হৰদত্ত বুলিহে আঙুলিয়াই দিছে। তন্ত্ৰপ্ৰদীপত মৈত্ৰীয় ৰক্ষিতেও একে কথাকে সমৰ্থন কৰে। ৰূপাৱতাৰ দুভাগত বিভক্ত। পূৰ্বাৰ্ধত সুবন্তৰ বিৱৰণ আছে। ই আঠ অৱতাৰ বা প্ৰকৰণত বিভক্ত। উত্তৰাৰ্ধত তিঙন্ত আৰু কৃদন্তৰ বিৱৰণ দিছে। ৰূপাৱতাৰ দক্ষিণ ভাৰতত অধিক জনাজাত। ১৫ শ শতিকাত ইয়াৰ অনুকৰণত সিন্ধুৰাজে 'প্ৰাকৃত ৰূপাৱতাৰ' ৰচনা কৰে।

**ৰূপমালাঃ** এনেদৰে অষ্টাধ্যায়ীৰ অধিকাৰ অনুবৃত্তিমূলক পদ্ধতিৰপৰা ফালৰি কাটি শব্দাদি সাধনৰ প্ৰক্ৰিয়া প্ৰদৰ্শন কৰা **ৰূপাৱতাৰ'ৰ** অনুযায়ী হৈ বিমল সৰস্বতীয়ে চতুৰ্দশ শতিকাত ৰচনা কৰে **'ৰূপমালা'** নামে ব্যাকৰণ।

'ৰূপমালা' আৰু পৰৱৰ্তী 'কৌমুদী'সমূহৰ ৰচনাশৈলী একে। ৰচকে পোনতে প্ৰত্যাহাৰ, সংজ্ঞা আৰু পৰিভাষা যথাক্ৰমে সন্নিবিষ্ট কৰি তাৰ পাছতে চাৰিপাদত ক্ৰমে স্বৰসন্ধি, প্ৰকৃতিভাৱ, ব্যঞ্জন আৰু বিসৰ্গ সন্ধি বৰ্ণনা কৰিছে। পৰৱৰ্তী ছভাগত ক্ৰমে (১) অজন্তমালা, (২) হলন্তমালা, (৩) সৰ্বনামমালা, (৪) সংখ্যাভাগ, (৫) সখি, পত্যাদি অনিয়মিত শব্দমালা, আৰু (৬) বৈদিক অপবাদবোৰৰ বিভক্তি ৰূপ দাঙি ধৰিছে। ইয়াৰ নিপাতৰ অৰ্থ আৰু বৈশিষ্ট্য, স্ত্ৰীপ্ৰত্যয় আৰু কাৰকাধিকাৰ আখ্যাতৰ বিভাগটো সবাতোকৈ দীঘলীয়া। ইয়াত প্ৰতিটো 'ল'কাৰ সুকীয়া শিৰোণামেৰে সন্নিবিষ্ট হৈছে। পৰিশিষ্টৰূপে 'ল'কাৰাৰ্থমালা আৰু 'তিঙা'দিনিয়মমালা দিয়াৰ উপৰিও অন্তিম চৰণত অৱস্থাভেদে ক্ৰিয়াৰ পদান্তৰ পৰিণতি লাভ দেখুৱা হৈছে। 'কৃৎ' আৰু 'তদ্ধিতে' সমাপ্তিৰ সূচনা কৰিছে।

কোৱা বাহুল্য যে '**ৰূপাৱতাৰ**' আৰু '**ৰূপমালা**' প্ৰক্ৰিয়া যুগৰ দুই বাটকটীয়া ৰূপ ব্যাকৰণ। ইদুইৰ আঁত ধৰি পিছলৈ কৌমুদীসমূহে সুস্থিৰ ব্যৱস্থাপনাৰ জৰিয়তে ব্যাকৰণনমত পোহৰেৰে ভাষাবিজ্ঞানৰ আকাশ উজ্জ্বল পোহৰেৰে উদ্ভাসিত কৰি তোলে। বিমল সৰস্বতীৰ বিষয় চয়ন তেনেই সহজ-সৰল, আৰু মনোগ্ৰাহী; অৱশ্যে তেওঁৰ গ্ৰন্থই বিশালতা দাবী নকৰিব পাৰে। পৰৱৰ্তী গ্ৰন্থবোৰে অৱশ্য অধিক সুসংহত-সুব্যৱস্থিত শৈলী বুলি কিছু গুণ নিশ্চয় দাবী কৰিবলৈ পাৰে। কিন্তু ব্যাকৰণৰ সূক্ষ্মবিচাৰ বুদ্ধি আৰু শব্দসাধন প্ৰক্ৰিয়াৰ অভিনৱ পন্থা আৱিষ্কাৰৰ ক্ষেত্ৰত হৰদত্ত ( বা ধৰ্মকীৰ্তি ) আৰু বিমল সৰস্বতীয়ে আমাৰ প্ৰশংসাভাজন নহৈ নোৱাৰে।

**ৰামচন্দ্ৰৰ 'প্ৰক্ৰীয়া কৌমুদী'ঃ** ৰামচন্দ্ৰ দীক্ষিতকৃত '**প্ৰক্ৰিয়া কৌমুদী**' প্ৰক্ৰিয়া যুগৰ এক মহত্বপূৰ্ণ কৃতি। ইয়াৰ ওপৰত 'প্ৰসাদ' নামে টীকা ৰচনা কৰোঁতাজন হৈছে ৰামচন্দ্ৰৰ নিজৰ পৌত্ৰ বিট্ঠলাচাৰ্য্য। বিট্ঠলে নিজৰ আৰম্ভণিতে দীঘলীয়াকৈ নিজৰ বংশ-পৰিচয় দাঙি ধৰিছে। তাৰে আধাৰত জনা যায় যে ৰামচন্দ্ৰৰ বংশ অন্ধ্ৰদেশৰে জড়িত। তেওঁ শেষ বংশীয় কৌণ্ডিণ্য গোত্ৰীয় ঋগ্বেদী ব্ৰাহ্মণ আছিল। তেওঁৰ পুৰুষীনামাৰ কিছু অংশ তলত দিয়া হ'ল ঃ




এই 'শেষ' বংশৰ বংশধৰসকল সকলো বিদ্যাতে পাৰঙ্গত আছিল। ৰামচন্দ্ৰ আছিল কৃষ্ণাচাৰ্যৰ পুত্ৰ। তেওঁ অন্য শাস্ত্ৰবৈসেতে পতঞ্জলিৰ মহাভাষ্যৰ জ্ঞান সম্যক-ৰূপে অবগত কৰে। তেওঁ তিনিখন গ্ৰন্থ প্ৰণয়ণ কৰে ঃ (১) **প্ৰক্ৰিয়াকৌমুদী** (২) **কাল নিৰ্ণয়দীপিকা** আৰু (৩) **বৈষ্ণৱ সিদ্ধান্ত দীপিকা**। তেওঁ তেওঁৰ জ্যেষ্ঠ পিতৃব্য গোপালাচাৰ্য আৰু পিতৃ কৃষ্ণাচাৰ্য্যৰ ওচৰত শাস্ত্ৰাধ্যয়ন কৰে।



**কালঃ** পূৰ্বতে কোৱা হৈছে যে ৰামচন্দ্ৰৰ পৌত্ৰ বিট্ঠলে 'প্ৰসাদ' নামে এটি টীকা প্ৰক্ৰিয়া কৌমুদীৰ ওপৰত ৰচনা কৰিছিল। এই টীকাৰ প্ৰাচীন হস্তলেখৰ কাল হয় ১৬০৫-৬ বিক্ৰম সম্বৎ অৰ্থাৎ ১৫৪৮-৯ খৃষ্টাব্দ। বিট্ঠলৰ কাল ইয়াৰ উৰ্ধত প্ৰায় ষোড়শ শতিকাৰ প্ৰথম চৰণ বা প্ৰথমাৰ্ধ হ'ব। ইয়াৰ পঞ্চাশ বছৰ উৰ্ধত তেওঁৰ পিতামহ ৰামচন্দ্ৰৰ কাল পঞ্চদশ শতিকাৰ আগভাগ হোৱা সম্ভৱ।[১]

**প্ৰক্ৰিয়াকৌমুদীঃ** গ্ৰন্থখন দুভাগত বিভক্ত। প্ৰথমাৰ্ধত সুবন্ত শব্দজ্ঞানৰ কাৰণে ক্ৰমে সংজ্ঞা, সন্ধি, স্বাদি; স্ত্ৰী প্ৰত্যয়, বিবেক্ত্যৰ্থ, সমাস আৰু তদ্ধিতৰ বিৱৰণ দিছে। উত্তৰাৰ্ধত তিঙন্তৰ পৰ্য্যাপ্ত বিৱৰণ দিছে। ভ্বাদি ধাতুৰ দশগণ, ণ্যন্তাদি ধাতু আৰু কৃদন্তৰ বৰ্ণনাও তাত দিছে। ৰূপ সিদ্ধিৰ বাবে আৱশ্যকীয় আৰু উপযোগী সূত্ৰৰ সমাৱেশ কৰিছে। যিহেতু ৰামচন্দ্ৰ বৈষ্ণৱ আছিল দৃষ্টান্তাদিত বৈষ্ণৱবাদৰ প্ৰভাৱ অৱশ্যে পৰিছে। প্ৰক্ৰিয়া কৌমুদীৰ প্ৰভাৱ ভট্টোজীৰ ওপৰত ৰবকৈ পৰিছে।

প্ৰক্ৰিয়াকৌমুদীৰ ওপৰত অনেক টীকা ৰচিত হলেও বিট্ঠল ৰচিত 'প্ৰসাদ' ( ১৪৫০ ) আৰু শেষকৃষ্ণ ৰচিত বিস্তৃত টীকা 'প্ৰক্ৰিয়া প্ৰকাশ' ( ১৫ শ শতিকা ) বেছি প্ৰখ্যাত। জয়ন্ত, বাৰণবনেশ, বিশ্বনাথ দীক্ষিত প্ৰভৃতিয়ে টীকা প্ৰণয়ন কৰে।

## ভট্টোজী দীক্ষিত আৰু বৈয়াকৰণ সিদ্ধান্তকৌমুদী

ভট্টোজী দীক্ষিতৰ বৈয়াকৰণ সিদ্ধান্ত কৌমুদী নিঃসন্দেহে প্ৰক্ৰিয়া গ্ৰন্থ শ্ৰেণীৰ ভিতৰত সবাতোকৈ লোকপ্ৰিয় গ্ৰন্থ। এই গ্ৰন্থৰ জনপ্ৰিয়তাই এক প্ৰকাৰে পাণিনিৰ 'অষ্টাধ্যায়ী'ক লোকচক্ষুৰ আঁৰত আঁতৰাই থৈছে। সম্প্ৰতি বিশ্বত সংস্কৃত ব্যাকৰণৰ জ্ঞান আহৰণৰ বাবে লোকে সিদ্ধান্তকৌমুদীৰহে ওচৰ চাপে। সূত্ৰবাৰ্তিক বৃত্তি-ভাষ্য পঢ়ি ব্যাকৰণৰ জ্ঞানাৰ্জন কৰা দীঘলীয়া সত্ৰব্যৱস্থা সিদ্ধান্তকৌমুদীৰ দৰে প্ৰক্ৰিয়া গ্ৰন্থই সমূলি তল পেলাইছে।

ভট্টোজীৰ জন্ম অন্ধ্ৰপ্ৰদেশৰ তৈলঙ্গ ব্ৰাহ্মণ বংশত। বিট্ঠলে দিয়া বংশ পৰিচয়ৰপৰা জনা যায় যে তেওঁ নৃসিংহাচাৰ্যাৰ পুত্ৰ আৰু লক্ষ্মীধৰাচাৰ্য্যৰ পিতৃ আছিল। এই লক্ষ্মীধৰাচাৰ্য্য সম্ভৱতঃ ভট্টোজীৰ পিতৃ লক্ষ্মীধৰভট্ট একেজন ব্যক্তি আছিল। ভট্টোজীৰ ভায়েক ৰঙ্গোজীৰ পুত্ৰ কোণ্ডভট্টও বৈয়াকৰণ আছিল। তেওঁৰ নিজ পুত্ৰ ভানুজী দীক্ষিত, পৌত্ৰ হৰি দীক্ষিত আদিয়ে প্ৰৌঢ় গ্ৰন্থকাৰ আছিল। তদুপৰি আমি ভাবো

১। বেলবেলকাৰঃ System of Sanskrit Grammar, p 37. বলদেৱ উপাধ্যায় ( সংস্কৃত শাস্ত্ৰ কা ইতিহাস, পৃ০ ৫৯৪-৫ ) মতে ৰামচন্দ্ৰৰ কাল ১৩৫০—১৪০০ খৃষ্টাব্দ।

যে ভট্টোজী আৰু ৰামচন্দ্ৰৰ জন্ম একে বংশত। ৰামচন্দ্ৰৰ বংশাবলী আগতে দিয়া হৈছে। সেই বংশাবলীৰে তলত দিয়া ভট্টোজীৰ আৰু তেওঁৰ গুৰু শেষকৃষ্ণৰ বংশাবলীৰ তুলনা কৰিলে দেখা যায় এই লোকসকলৰ একেটা মূললৈ নির্দেশ কৰে যেন লাগে :




শেষ কৃষ্ণ ভট্টোজীৰ অন্যতম গুৰু। শেষকৃষ্ণই প্ৰক্ৰিয়া কৌমুদীৰ ওপৰত 'প্ৰক্ৰিয়া প্ৰকাশ' নামে টীকা লিখে। ভট্টোজীয়ে গুৰুজনাৰ এই টীকাৰ দোষাদোষ তেওঁৰ সিদ্ধান্ত কৌমুদীৰ অন্যতম টীকা প্ৰৌঢ়মনোৰমাত সমালোচনা কৰে। শেষ কৃষ্ণৰ পুত্ৰ বীৰেশ্বৰ শিষ্য পণ্ডিতৰাজ জগন্নাথে ভট্টোজীৰ সমালোচনাৰ উত্তৰত 'মনোৰ-ৰমাকুচমৰ্দিনী' নামে এক চমু টীকা ৰচনা কৰে আৰু তাত ভট্টোজীক কটু সমালোচনা কৰে। যিমান দূৰ বুজা যায় বিট্‌ঠলাচাৰ্যৰ প্ৰপিতামহ কৃষ্ণাচাৰ্য্য শেষ কৃষ্ণৰ পিতামহ আছিল। গতিকে বিট্‌ঠলৰ পৌত্ৰ আৰু পিতামহ ক্ৰমে ভট্টোজী আৰু ৰামচন্দ্ৰ একেকালৰ লোক আছিল। শেষকৃষ্ণৰ পুত্ৰ বীৰেশ্বৰ বিট্‌ঠলৰ কনিষ্ঠ সমকালীন আছিল যেন লাগে। ভট্টোজীয়ে শেষকৃষ্ণক হয়তো অতি বৃদ্ধাৱস্থাত লগ পাইছিল। কাৰণ তেওঁ গুৰুৰ প্ৰপৌত্ৰ পৰ্য্যায়ৰ লোক। আটাইতকৈ আশ্চৰ্যৰ বিষয় এয়ে যে ওপৰোক্ত লোকসকলৰ আটায়ে ন্যুনাধিক পৰিমাণে শাস্ত্ৰৰচনালৈ অৰিহণা যোগাইছে। শেষকৃষ্ণৰ উপৰিও নৃসিংহাশ্ৰমৰ ওচৰত বেদান্ত আৰু অপ্পয় দীক্ষিতৰ ওচৰত মীমাংসাৰ অভ্যাস কৰিছিল বুলি জনা যায়।



ভট্টোজীৰ কাল সম্বন্ধে পণ্ডিতসকল একমত নহয়। ওপৰত পাই আহিছোঁ যে ৰামচন্দ্ৰ দীক্ষিতৰ কাল পঞ্চদশ শতিকা। তেওঁৰ ভতিজাক শেষ কৃষ্ণই প্ৰক্ৰিয়া কৌমুদীৰ ওপৰত 'প্ৰক্ৰিয়া প্ৰকাশ' ৰচনা কৰে। ইয়াৰ ৰচনা কাল পঞ্চদশ শতিকাৰ শেষত হোৱা উচিত। প্ৰায় একে সময়তে অলপ আগ-পিছকৈ বিট্‌ঠলেও প্ৰসাদ ৰচনা কৰে। গতিকে বিট্‌ঠলৰ পৌত্ৰ ভট্টোজীৰ কাল ওপৰোক্ত দুজন টীকাকাৰতকৈ কমেও ৫০ বছৰ পিছত হ'ব লাগে। কাৰণ ভট্টোজীয়ে 'প্ৰসাদ' আৰু প্ৰক্ৰিয়া-প্ৰকাশৰ' সমালোচনা প্ৰৌঢ়মনোৰমাত কৰিছে। তেওঁৰ পুত্ৰ ভানুজীয়ে অন্য গ্ৰন্থ ৰচনা কৰাৰ উপৰিও অমৰকোষৰো টীকা ৰচনা কৰে আৰু তেওঁৰ কাল ওপৰত ১৬০০--১৬৫০ নিৰূপিত হৈছে। গতিকে ভট্টোজীৰ কাল ১৫৭৫—১৬২৫ খৃষ্টাব্দৰ মাজত হোৱা সম্ভৱ। এম, ভি মহাশয়ে (তেওঁৰ সম্পাদিত সিদ্ধান্ত কৌমুদীৰ, বোম্বে, ১৯৬৪ পৰিচয়ত) ভট্টোজীৰ জন্ম ১৫৫০ খৃষ্টাব্দত আৰু মৃত্যু ১৬৩০ খৃষ্টাব্দত বুলি কৈছে।

**ভট্টোজীৰ গ্ৰন্থসমূহ :** ভট্টোজীয়ে অকল ব্যাকৰণবিষয়ক লৈয়েই নহয় ধৰ্মশাস্ত্ৰ বেদান্ত আৰু মীমাংসাৰ ওপৰতো গ্ৰন্থ ৰচনা কৰিছিল। তেওঁ ধৰ্মশাস্ত্ৰ সম্বন্ধে **'অশৌচ প্ৰকৰণ'**, **'তিথিনিৰ্ণয়'** আৰু **'ত্ৰিস্থলীসেতু'** নামে তিনিখন গ্ৰন্থ ৰচনা কৰে। **'ৱেদান্ততত্ত্ব কৌস্তুভ'** বা **'তত্ত্বকৌস্তুভ'**ৰ উপৰিও গুৰুজনৰ তত্ত্ববিবেকৰ ওপৰত **'দীপন'** নামে ব্যাখ্যা ৰচনা কৰে। তদুপৰি **'অদ্বৈত কৌস্তুভ'** নামে আৰু এখন গ্ৰন্থ তেওঁ ৰচনা কৰে বুলিও জনা যায়। **'তন্ত্ৰাধিকাৰ নিৰ্ণয়'** নামে পাঞ্চৰাত্ৰৰ প্ৰামাণ্য আৰু অধিকাৰ বিচাৰ লৈও এখন গ্ৰন্থ ৰচনা কৰে। বেদৰ ওপৰত **ৱেদভাষ্যসাৰ**, **তত্ত্বসিদ্ধান্তদীপিকা** আৰু **তৈত্তিৰীয় সন্ধ্যাভাষ্য** নামে তিনিখন গ্ৰন্থ ৰচনা কৰে।

ভট্টোজীয়ে ব্যাকৰণ বিষয়ক পাঁচখন গ্ৰন্থ ৰচনা কৰে : (১) **শব্দকৌস্তুভ**, (২) **সিদ্ধান্ত কৌমুদী**, (৩ **প্ৰৌঢ় মনোৰমা**, (৪) **ধাতুপাঠ নিৰ্ণয়** আৰু (৫) **লিঙ্গানুশাসনবৃত্তি**। এইবিলাকৰ ভিতৰত সিদ্ধান্ত কৌমুদী তেওঁৰ উত্তম ৰচনা।

**সিদ্ধান্ত কৌমুদী :** 'সিদ্ধান্ত কৌমুদী' প্ৰক্ৰিয়া কৌমুদীৰ আৰ্হিত ৰচিত গ্ৰন্থ। ইও দুখণ্ডত বিভক্ত। প্ৰথমাৰ্ধ বা পূৰ্বাৰ্ধত তেওঁ প্ৰত্যাহাৰ চতুৰ্দশৰ পাছত সংজ্ঞা, পৰিভাষা, সন্ধি, (অচ্, প্ৰকৃতি, হল্, বিসৰ্গ, স্বাদি), অজন্ত পুংলিঙ্গাদি প্ৰকৰণ, অব্যয় প্ৰকৰণ, কাৰক-বিভক্তি প্ৰকৰণ, সমাস চাৰিপ্ৰকাৰৰ বিৱৰণ দিছে। লগতে তদ্ধিত প্ৰকৰণো কথিত হৈছে। উত্তৰাৰ্ধত তিঙৰ্থ প্ৰকৰণ ভ্বাদি অদাদি আদি দহগণ, নিজন্তাদি বিবিধ প্ৰক্ৰিয়া, কৃদন্ত প্ৰকৰণ, উণাদি প্ৰকৰণ, স্বৰবৈদিকী প্ৰকৰণ, লিঙ্গানু-শাসনাদি ইয়াত বিবৃত হৈছে।

সিদ্ধান্ত কৌমুদী অতিশয় সুদৃঢ় পদ্ধতিৰে ৰচিত হৈছে। মূল কৌমুদীত সূত্ৰৰ সংখ্যা ৩৩৮৬। তাৰেসৈতে বৈদিক প্ৰক্ৰিয়াৰ ২৬৩ আৰু স্বৰ প্ৰক্ৰিয়াৰ ৩২৯টা সূত্ৰ যোগ হলে সিদ্ধান্ত কৌমুদীত ব্যাখ্যা কৰা সূত্ৰৰ সংখ্যা ৩৯৭৮ হয়গৈ। অৰ্থাৎ কুৰিটামান পাণিনীয় সূত্ৰহে কৌমুদীত ব্যাখ্যাৰপৰা এৰা পৰিছে।

**সিদ্ধান্ত কৌমুদীৰ ব্যাখ্যাকাৰসকল :** ভট্টোজী নিজে সিদ্ধান্ত কৌমুদীৰ ওপৰত **'প্ৰৌঢ় মনোৰমা'** নামে এটা টীকা ৰচনা কৰি গৈছে। প্ৰৌঢ় মনোৰমাক আশ্ৰয় কৰি ৰচিত জ্ঞানেন্দ্ৰ সৰস্বতীৰ **'তত্ত্ববোধিনী'** টীকাকেই প্ৰাচীনতম উপাদেয় ব্যাখ্যা বুলি কোৱা হয়। বালবোধনাৰ্থে পাছত বাসুদেৱ দীক্ষিতে 'বালমনোৰমা' টীকা লিখে। এই টীকা অতিশয় জনপ্ৰিয়। বাসুদেৱৰ কাল ( ১৭০০—১৭৬০খৃঃ )। ভানুজীৰ পুত্ৰ হৰি দীক্ষিতে প্ৰৌঢ়মনোৰমাৰ ওপৰত **'শব্দৰত্ন মনোৰমা'** টীকা ৰচনা কৰে। জগন্নাথ ( পণ্ডিতৰাজ ) কৃত **'মনোৰমা কুচমৰ্দিনী** মনোৰমাৰ অন্য টীকা।

**ভট্টোজীৰ সম্বন্ধীয় বৈয়াকৰণ :** ভট্টোজীৰ সম্বন্ধীয়সকলৰ মাজতো প্ৰথিতযশা বৈয়াকৰণ আছিল। তেওঁলোকৰ ভিতৰত পুত্ৰ ভানুজীয়ে অমৰ কোষৰ ওপৰত 'ব্যাখ্যাসুধা' ৰচনা কৰাৰ উপৰিও **'মনোৰমামণ্ডন'** নামে গ্ৰন্থ ৰচনা কৰে।



ভানুজীৰ পুত্ৰ আৰু ভট্টোজীৰ পৌত্ৰ হৰিদীক্ষিতেও **'বৃহৎ শব্দৰত্ন'** নামে এখন ব্যাকৰণ গ্ৰন্থ ৰচনা কৰে। তাৰে সংক্ষেপ সংস্কৰণ ৰূপে হৰি দীক্ষিতৰ শিষ্য নাগেশে **'লঘুশব্দৰত্ন'** প্ৰস্তুত কৰে। শব্দৰত্ন আচলতে প্ৰৌঢ় মনোৰমাৰ এক টীকাহে। তাৰ ওপৰত আকৌ বৈদ্যনাথ পায়গুণ্ডে **'ভাৱ প্ৰকাশিকা'** আৰু ভৈৰৱমিশ্ৰই **'ৰত্ন প্ৰকাশিকা'** টীকা ৰচনা কৰে।

**কোণ্ডভট্ট :** ভট্টোজী দীক্ষিতৰ সহোদৰ ৰঙ্গোজীৰ পুত্ৰ কোণ্ডভট্ট। তেওঁ এজন প্ৰখ্যাত বৈয়াকৰণ। তেওঁ **'বৈয়াকৰণ সিদ্ধান্ত দীপিকা'**, **'বৈয়াকৰণ সিদ্ধান্ত-ভূষণ'** আৰু সংক্ষেপৰূপ **'বৈয়াকৰণ সিদ্ধান্তভূষণসাৰ'** আৰু **'স্ফোটবাদ'**—এই চাৰিগ্ৰন্থ ৰচনা কৰে। ন্যায় বৈশেষিক দৰ্শনৰ ওপৰতো তেওঁ **তৰ্ক প্ৰদীপ**, **তৰ্কৰত্ন** আৰু **ন্যায় পদাৰ্থ দীপিকা**-এই তিনি গ্ৰন্থ ৰচনা কৰে। **'বৈয়াকৰণ সিদ্ধান্তভূষণ সাৰ'** বৰ জনপ্ৰিয় গ্ৰন্থ। ইয়াৰ ওপৰত হৰি দীক্ষিতে 'কাশিকা' নামে টীকা লিখে।

ভট্টোজীৰ শিষ্য বলমালী মিশ্ৰ, নীলকণ্ঠ শুক্ল আৰু ৱৰদৰাজ প্ৰত্যেকেই একোজন সুপ্ৰসিদ্ধ বৈয়াকৰণ। শেষোক্তজন অৱশ্যে অধিক প্ৰখ্যাত।

**ৱৰদৰাজ :** ভট্টোজীৰ শিষ্য সম্প্ৰদায়ৰ ভিতৰত ৱৰদৰাজ সবাতোকৈ শ্ৰেষ্ঠ বুলি জনাজাত। তেওঁ দক্ষিণ ভাৰতীয়। গুৰুৰপৰা ব্যাকৰণৰ সম্যক তত্ত্বজ্ঞান লাভ কৰি চাৰিখন ব্যাকৰণগ্ৰন্থ ৰচনা কৰে : (১) **লঘুসিদ্ধান্ত কৌমুদী**, (২) **মধ্যসিদ্ধান্ত কৌমুদী**, (৩) **সাৰসিদ্ধান্ত কৌমুদী**, আৰু (৪) **গীৰ্বাণ পদমঞ্জৰী**। জনা যায় যে তেওঁ প্ৰথম লঘুসিদ্ধান্ত কৌমুদী ৰচনা কৰি গুৰুক দেখুৱাত বৰ সংক্ষিপ্ত হ'ল বুলি ভট্টোজী অসন্তোষ প্ৰকাশ কৰাত ৱৰদৰাজে মধ্যসিদ্ধান্ত কৌমুদী ৰচনা কৰে। সাৰ-সিদ্ধান্ত কৌমুদীও গুৰুৰ সিদ্ধান্তকৌমুদীৰে সংক্ষিপ্তৰূপ। গীৰ্বাণপদমঞ্জৰী লঘুকৌমুদীৰ পৰিপূৰিকা গ্ৰন্থ। ইয়াত সংস্কৃতৰ ব্যৱহাৰিক জ্ঞানৰ সম্পাদনৰ বাবে প্ৰশ্নোত্তৰৰূপত গ্ৰন্থৰ বিন্যাস দিয়া হৈছে। গ্ৰন্থখন সেই সময়ৰ সমাজ-সংস্কৃতি আদি বিষয়ৰ ওপৰতো আলোকপাত কৰে। তেওঁৰ কাল ১৭শ শতিকাৰ পূৰ্বাৰ্দ্ধ।

**নাৰায়ণভট্ট :** নাৰায়ণভট্ট কেৰেলাৰ এজন শ্ৰেষ্ঠ ভক্তকৱি বুলি জনাজাত। কিন্তু ভগবদ্ভক্তিৰ উপৰিও তেওঁৰ শাস্ত্ৰ বৈদগ্ধ্যৰ বিপুল পৰিচয়ো পোৱা যায়। তেওঁ ভট্টোজী দীক্ষিতৰ সমকালীন এজন বৈয়াকৰণ আছিল। তেওঁৰ **প্ৰক্ৰিয়া সৰ্বস্ব**'ৰ গৌৰৱ সিদ্ধান্ত কৌমুদীতকৈ কম নহয়।

মালাবাৰৰ নীলানদীৰ তীৰস্থ এক গাওঁত তেওঁৰ জন্ম। জীৱনৰ আগছোৱাত তেওঁৰ কোনো গুনা নগৈছিল যদিও সেই যুগৰ খ্যাতিমান বিদ্বান আৰু জ্যোতিষী অচ্যুত পিচাৰোটিৰ সংস্পৰ্শলৈ অহাৰে পৰা তেওঁৰ জীৱন অধ্যয়ন আৰু ভগৱদ্ভক্তিৰ ফালে ঢাল খায়। তেওঁ পিচাৰোটিৰ ওচৰত ব্যাকৰণ, নিজপিতৃৰ সমীপত মীমাংসা, দামোদৰ নামে আন এজন পণ্ডিতৰ ওচৰত ন্যায় তৰ্ক, আৰু মাধৱ নামে বৈদিক পণ্ডিতৰ ওচৰত ৱেদ অধ্যয়ন কৰে। তেওঁ দুৰাৰোগ্য বাতৰোগত বহুকাল ভোগ কৰি ঔষধ সেৱন কৰি ফল নেপায় শেষত গুৰুবায়ূৰৰ মন্দিৰৰ আৰাধ্যদেৱতা বালকৃষ্ণৰ

উপাসনাত আত্মসমৰ্পণ কৰে আৰু কৃষ্ণলীলাক উপজীৱ্য কৰি **'নাৰায়নীয়'** নামে এক
ভক্তিকাব্য ৰচনা কৰে। শেষত তেওঁ ৰোগমুক্ত হয়। তেওঁৰ ব্যক্তিত্বত মুগ্ধ
কেৰলাৰ ৰজাসকলে তেওঁক সন্মান যাচে। তেওঁৰ কাল ষোড়শ শতাব্দীৰ শেষ আৰু
১৭শ শতিকাৰ আদিভাগত পৰে।

তেওঁ তিনিখন ব্যাকৰণ গ্ৰন্থ ৰচনা কৰে : (১) **প্ৰক্ৰিয়াসৰ্বস্ব,** (২) **ধাতুকাৱ্য**
আৰু (৩) **অপাণিনীয় প্ৰমাণতা**। শেষোক্ত গ্ৰন্থত তেওঁ পাণিনি ব্যাকৰণ মতে
অসিদ্ধ শব্দৰ প্ৰামাণ্য প্ৰদৰ্শন কৰিছে।

**ধাতুকাৱ্যখন** তিনিসৰ্গত বিভক্ত লঘুকাৱ্য। ইয়াত পাণিনীয় ধাতুসমূহৰ প্ৰয়োগ
প্ৰদৰ্শিত হৈছে।

**প্ৰক্ৰিয়া সৰ্বস্ব :** প্ৰক্ৰিয়াকৌমুদীৰ আদৰ্শৰূপেলৈ পাণিনীয় ব্যাকৰণৰ বিষয়
চয়ন কৰা হৈছে। গ্ৰন্থখন কুৰি খণ্ডত বিভক্ত। খণ্ডবোৰত সংজ্ঞা, পৰিভাষা,
সন্ধি, কৃৎ, তদ্ধিত, সমাস, স্ত্ৰীপ্ৰত্যয়, সুবৰ্থ, সুৰবিধি আদি সন্নিবিষ্ট হৈছে। তাত
উপাদি আৰু বৈদিক বিষয়ৰো দুটা স্বকীয়া খণ্ড আছে। গ্ৰন্থখনৰ ওপৰত ভোজৰ
**'সৰস্বতী কণ্ঠাভৰণ'**ৰ প্ৰভাৱ সুস্পষ্ট।

**নাগেশভট্ট :** নাগেশ ভট্ট বা নাগোজী ভট্টক নৱ্য-ব্যাকৰণৰ জনক বুলি
কোৱা হয়। তেওঁ চিৰজীৱন কাশীতে 'ক্ষেত্ৰসন্ন্যাস' লৈ বসতি কৰিছিল। তেওঁৰ
কাল ১৭ শতিকাৰ অন্তিম চৰণ আৰু ১৮শ শতিকাৰ পূৰ্বাৰ্ধ ( ১৬৭৫—১৭৪৫ খৃ° ) !
নাগেশ আছিল 'কালে' উপাধিযুক্ত মহাৰাষ্ট্ৰী ব্ৰাহ্মণ। তেওঁৰ পিতৃৰ নাম
শিৱভট্ট আৰু মাতৃৰ নাম সতী-দেৱী আছিল। গতিকে তেওঁৰ পূৰ্ণনাম নাগেশ
শিৱ কালে আছিল। তেওঁ প্ৰয়াগৰ ওচৰৰ শৃঙ্গবেৰ পুৰৰ ৰজা ৰামৰদ্বাৰা সন্মানিত
হৈছিল। জনা যায় যে নাগেশে কাশীৰ সিদ্ধেশ্বৰী মহল্লাৰ ঘৰ এটাত তেওঁ বসবাস
কৰিছিল। সেই ঘৰটো তেওঁ নিজকন্যাৰ বিয়াত দান কৰে। তাত এতিয়াও তেওঁৰ
বংশজসকল আছে বুলি জনা যায়।

নাগেশ ব্যাকৰণ, অলংকাৰ, ধৰ্মশাস্ত্ৰ, দৰ্শন আদি অনেক বিষয়ত সুপণ্ডিত আছিল
আৰু বিবিধ বিষয়ৰ ওপৰত তেওঁ অনেক গ্ৰন্থও ৰচনা কৰি গৈছে।

নাগেশ ভট্টই ভট্টোজীৰ সিদ্ধান্ত কৌমুদীৰ ওপৰত **'বৃহৎ শব্দেন্দুশেখৰ'** আৰু
**'লঘু শব্দেন্দুশেখৰ'** নামে দুখন গ্ৰন্থৰচনা কৰে। তদুপৰি তেওঁ **'গুৰুমঞ্জুষা,'**
**'লঘুমঞ্জুষা'** আৰু **'পৰম লঘুমঞ্জুষা'** নামে অন্যতিনিখন ব্যাকৰণ গ্ৰন্থ ৰচনা কৰে।
শেষোক্ত গ্ৰন্থ তিনিখনত সংস্কৃত ব্যাকৰণ শাস্ত্ৰীয় দাৰ্শনিক তত্ত্ব নিহিত আছে।
তদুপৰি তেওঁ কয়্যতৰ **'মহাভাষ্য প্ৰদীপৰ'** ওপৰত **'মহাভাষ্যপ্ৰদীপোদ্যত'**
নামে এক ব্যাখ্যা ৰচনা কৰে। তেওঁ ধৰ্মশাস্ত্ৰৰ ওপৰত **'সাপিণ্ড্যপ্ৰদীপ'** নামে
গ্ৰন্থ ৰচনা কৰে। তেওঁ ভানুদত্তৰ ৰসমঞ্জৰীৰ ওপৰত **'ৰসমঞ্জৰী প্ৰকাশ'** নামে
টীকা প্ৰস্তুত কৰে। এনেদৰে নাগেশৰ বহুমুখী প্ৰতিভাৰ পৰিচয় পালেও তেওঁ
বৈয়াকৰণ ৰূপেহে সুপ্ৰতিষ্ঠিত। **'পৰিভাষেন্দুশেখৰ'** তেওঁৰ অন্যতম গ্ৰন্থ।



**বৈদ্যনাথ পায়গুণ্ডে :** নাগেশৰ প্ৰমুখশিষ্য পায়গুণ্ডেও এজন প্ৰসিদ্ধ বৈয়াকৰণ
আছিল ( ১৮শ শতিকা )। তেওঁ ভট্টোজীৰ 'শব্দ কৌস্তুভৰ ওপৰত 'প্ৰভা' টীকা,
হৰি দীক্ষিতৰ 'শব্দৰত্ন'ৰ ওপৰত **'ভাৱ প্ৰকাশিকা'** টীকা, নাগেশৰ 'মহাভাষ্য-
**প্ৰদীপোদ্যত'ৰ** ওপৰত **'ছায়া'** টীকা 'লঘুশব্দেন্দু'ৰ ওপৰত 'চিদস্থিমালা' নামে
টীকা, **'পৰিভাষেন্দুশেখৰ'ৰ** ওপৰত 'গদা' আৰু 'কাশিকা' দুই টীকা' 'মঞ্জুষাৰ'
ওপৰত **'কলা'** নামে টীকা ৰচনা কৰে। তদুপৰি তেওঁ লঘুশব্দৰত্নৰ টীকা আৰু 'ৰ'
প্ৰত্যয় খণ্ডন কৰিও প্ৰবন্ধ ৰচনা কৰে।

**মন্নুদেৱ :** বৈদ্যনাথৰ পুত্ৰ বালম্ভট্ট পায়গুণ্ডেৰ শিষ্য মন্নুদেৱেও ব্যাকৰণৰ ওপৰত
গ্ৰন্থ ৰচনা কৰে। তেওঁ কোণ্ডভট্টৰ **'বৈয়াকৰণ ভূষণসাৰ'ৰ** ওপৰত 'লঘুভূষণ
**কান্তি'** নামে এক টীকা প্ৰস্তুত কৰে। তেওঁৰ সময় ১৭৭৫—১৮২৫ খৃষ্টাব্দ অৰ্থাৎ
কোলব্ৰুক, জোন্স প্ৰভৃতিৰ সমকালীন।

**পাণিনীয়তন্ত্ৰৰ সহায়ক গ্ৰন্থ :** যি কোনো ব্যাকৰণ সম্প্ৰদায়ৰ সামগ্ৰিক
বিকাশৰ বাবে সি পাঁচ অঙ্গেৰে বিভূষিত হোৱা উচিত। সেয়ে এনেদৰে পূৰ্ণ
ব্যাকৰণক পঞ্চাঙ্গ ব্যাকৰণ বোলে। একে কাৰণতে পাণিনীয় সূত্ৰপাঠৰূপ মূল
ব্যাকৰণৰ পৰিপূৰ্ণ বিকাশৰ বাবে চাৰি প্ৰকাৰ খিল বা পৰিশিষ্ট ৰূপ গ্ৰন্থ বিদ্যমান।
উক্ত চাৰি প্ৰকাৰ গ্ৰন্থ হৈছে—(১) **ধাতুপাঠ,** (২) **গণপাঠ,** (৩) **উনাদিপাঠ** আৰু
(৪) **লিঙ্গানুশাসন**। ইবিলাকবেসৈতে পাণিনীয়তন্ত্ৰক সৰ্বাতোকৈ পৰিপুষ্ট বুলি
কোৱা হয়। অৱশ্যে ইবোৰৰ উপৰিও পাণিনীয় সম্প্ৰদায়ৰ শিক্ষা, পৰিভাষা আৰু
ফিট্সূত্ৰৰ সমাবেশো মন কৰিবলগীয়া। এই সকলো অঙ্গবেসৈতে পাণিনীয় ব্যাকৰণে
এক মহৎ আৰু সম্পূৰ্ণ বৈয়াকৰণিক সম্প্ৰদায় বুলি নিশ্চয় দাবী কৰিব পাৰে। এই
সম্প্ৰদায় জগতত সৰ্বশ্ৰেষ্ঠ আৰু অনুপম তাক নকলেও হয়। আমি একাদিক্ৰমে উক্ত
খিলগ্ৰন্থসমূহৰ পৰিচয় তলত দিয়া হ'ল।

(১) **ধাতুপাঠ :** বৰ্ত্তমান উপলব্ধ ধাতুপাঠ সমূহৰ ভিতৰত **পাণিনীয় ধাতু-**
**পাঠকে** প্ৰাচীনতম বুলি কোৱা হয়।[১] তেওঁ দিয়া আহি অনুসৰণ কৰিয়েই পৰৱৰ্তী
লেখক সকলে ধাতুপাঠ ৰচনা কৰে। এই ধাতুপাঠত প্ৰতিটো ধাতু অৰ্থসহ একেটা
বাক্যতে দিছে। তাক ধাতুসূত্ৰ কোৱা হয়। উদাহৰণাৰ্থঃ 'ভূ সত্তায়াম' ( ১।১ )
বা 'অদ ভক্ষণে ( ২।১ ) ইত্যাদি। এই অৰ্থ পাণিনিয়ে নিজে দিছে নে অন্য
কোনেৱে দিছে সেইলৈ সন্দেহৰ অৱকাশ আছে। এচাম পণ্ডিতৰ মতে ধাতুবোৰৰ
অৰ্থ বিকৰণৰ নিৰ্দেশ সহ পাণিনিয়ে দিছে। আন এচামৰ মতে অৰ্থৰ নিৰ্দেশ ভীমসেন
নামে এজন বৈয়াকৰণে দিছে। সম্প্ৰতি অনেকে ধাতু আৰু ধাত্বৰ্থৰ কৰ্তৃত্ব পাণিনিৰ
বুলিয়ে একমত হৈছে।

---

১। জি, বি, পলসুলে : The Sanskrit Dhatupathas. A Critical Study, P 27.

পাণিনিয়ে বিজ্ঞান সন্মতভাৱে ধাতুসমূহ দহটা গণত বিভক্ত কৰিছে।
(১) ভ্বাদিগণ (বিকৰণ অ); (২) অদাদিগণ (০); (৩) হ্বাদিগণ (বিকৰণ শ্লু); (৪) দিৱাদিগণ (বিকৰণ য (শ্যন), (৫) স্বাদিগণ (বিকৰণ শ্নু-নু); (৬) তুদাদিগণ (বিকৰণ স=অ); (৭) ৰুধাদিগণ (বিকৰণ শ্নম্=ন); (৮) তনাদিগণ (বিকৰণ উ); (৯) ক্র্যাদিগণ (বিকৰণ শ্না=না) আৰু (১০) চুৰাদি গণ (বিকৰণৰ সলনি নিচ্ যুক্ত; শপ্ পাছত আহিলে 'অয়' যুক্ত হয়)। এই গণসমূহৰ ভিতৰত কেতবোৰ অন্তৰঙ্গ বিভাগ আছে। মুঠ ধাতুৰ সংখ্যা প্ৰায় দুহেজাৰ। তাৰ ভিতৰত ভ্বাদিগণীয় ধাতুৰ সংখ্যাই সৰহ, প্ৰায় আধাতকৈও অধিক। ভ্বাদিগণীয় ধাতুৰ প্ৰকৃত সংখ্যা ১০৫৯; অদাদি গণীয় ৭২; হ্বাদিগণীয় ২৫, দিৱাদিগণীয় ১৩৬, স্বাদি (ষাদি) গণীয় ৩৪; তুদাদি গণীয় ১৪৩, ৰুধাদিগণীয় ২৫, তনাদিগণীয় মাত্ৰ ৯, ক্ৰ্যাদি গণীয় ৬০ আৰু চুৰাদিগণীয় ৩৯৫। মুঠ ধাতুৰ সংখ্যা ১৯৫৮।

**পৰৱৰ্তী ধাতু বৃত্তিসমূহ:** উক্ত পাণিনীয় ধাতুপাঠৰ ওপৰত অনেকজন পৰৱৰ্তী বৈয়াকৰণে বৃত্তি বা ব্যাখ্যা ৰচনা কৰিছে। সিবিলাকৰ ভিতৰত কাশ্মীৰী পণ্ডিত ক্ষীৰস্বামীৰ (১১শ শতিকা) **ক্ষীৰতৰঙ্গিনী'** সবাতোকৈ প্ৰাচীন। উপলব্ধ ধাতুবৃত্তিসমূহৰ ভিতৰত ই সৰ্বপ্ৰাচীন হলেও ইয়াত তুলনামূলক দৃষ্টিৰ উমান পোৱা যায়। একেটা ধাতুৰ কিমানটা বিশিষ্ট সংজ্ঞাপদ আৰু ক্ৰিয়াপদ হ'ব পাৰে সেই সকলো তথ্য ব্যাখ্যা কৰি গ্ৰন্থখন বৰ উপাদেয় কৰি প্ৰস্তুত কৰিছে। তাৰ বাবে তেওঁ (গ্ৰন্থকাৰে) উপাদি সূত্ৰবো আৱশ্যকমতে নিৰ্দেশ কৰিছে। তেওঁ পাণিনি প্ৰদত্ত ধাতুৰ চান্দ্ৰব্যাকৰণত দিয়া ধাতুৰেও তুলনা কৰিছে। তুলনামূলক অধ্যয়নৰ বাবে এই গ্ৰন্থ সৰ্বকালৰ ছাত্ৰৰ বাবে শ্লাঘনীয় হৈ ৰ'ব।

**ধাতুপ্ৰদীপ:** ধাতুপ্ৰদীপৰ ৰচক মৈত্ৰেয় ৰক্ষিত সম্ভৱত বঙ্গীয় আৰু বৌদ্ধ আছিল। তেওঁ যথাসম্ভৱ ক্ষীৰস্বামী আৰু সৰ্বানন্দৰ সময়ৰ মাজছোৱাত প্ৰায় ১১০০ খৃষ্টাব্দৰ ওচৰে-কাষে জন্মিছিল।

মৈত্ৰেয় প্ৰণীত ধাতু প্ৰদীপ পাণিনীয় ধাতুপাঠৰ লঘ্বী বৃত্তি। তেওঁ ধাতুপ্ৰদীপত নিজৰ তুলনামূলক ব্যাকৰণ নৈপুণ্যৰ পৰিচয় দিছে। তাৰ মাজেৰে তেওঁ কলাপ আৰু চান্দ্ৰ ব্যাকৰণৰ জ্ঞানৰ পৰিচয়ো দিছে। তেওঁ নামনধৰাকৈ ক্ষীৰস্বামীৰপৰাও উদ্ধৃতি দিছে।

**দৈৱ আৰু পুৰুষকাৰ:** দেৱ নামে গ্ৰন্থকাৰে ৰচনা কৰা **'দৈৱ'** নামে গ্ৰন্থই ধাতুসম্বন্ধীয় গ্ৰন্থৰ মাজত এক স্বকীয়া বৈশিষ্ট্য ৰক্ষা কৰিছে। ইয়াক অৱশ্যে গ্ৰন্থকাৰে 'অনেক বিকৰণ স্বৰূপ ধাতুৰ ব্যাখ্যান' বুলি কৈছে। পাণিনীয় ধাতু পাঠত ভিন্ ভিন্ গণৰ মাজত পঠিত অনেক সমানাকাৰ ধাতু পোৱা যায়। কেতিয়াবা তাত অৰ্থৰ ঐক্য থাকে, কেতিয়াবা নাথাকে। এনে সৰূপধাতুৰ এয়া এক শ্লোকবদ্ধ ব্যাখ্যা। শ্লোকৰ সংখ্যা ঠিক ২০০।



ইয়াৰ ওপৰত 'কৃষ্ণকৰ্ণামৃত'ৰ সুখ্যাত বৈষ্ণৱ কৱি লীলাশুক বা বিল্বমঙ্গলে পুৰুষাকাৰ নামে এটি ব্যাখ্যা পোৱা যায়। এই ব্যাখ্যাও বৰ পাণ্ডিত্যপূৰ্ণ আৰু প্ৰামাণিক। গ্ৰন্থত অনেক প্ৰাচীন বৈয়াকৰণৰ উল্লেখ আৰু উদ্ধৃতি পোৱা যায়। পুৰুষাকাৰত ধাতুসমূহৰ ৰূপ আৰু অৰ্থ সম্বন্ধে তুলনামূলক আলোচনা পোৱা যায়।

বৃত্তিকাৰ আৰু ব্যাখ্যাকাৰৰ দেশকাল কথমপি জনা যায়। লীলাশুকৰ কথা পূৰ্বতে ভক্তিগীতি প্ৰসঙ্গত কোৱা হৈছে। তেওঁ চৈতন্যৰ (১৪৭৬—১৫৩৩) পূৰ্বজ। তেওঁৰ কাল হেমচন্দ্ৰ (১২০০ খৃ°) আৰু সায়ণৰ (১৩৫০ খৃ°) মাজত (প্ৰায় ১২৫০—১৩০০)। দেৱৰ কাল ধাতুপ্ৰদীপ প্ৰণেতা মৈত্ৰেয় ৰক্ষিতৰ পাছত। অৰ্থাৎ ১২শ শতিকাৰ প্ৰথমাৰ্ধত হোৱা সম্ভৱ।

**মাধৱীয়া ধাতুবৃত্তি:** বেদভাষ্যকাৰ সায়ণ বিৰচিত এই ধাতুবৃত্তি তেওঁৰ অগ্ৰজ মাধৱৰ স্মৰণত নামাঙ্কিত হৈছে। ধাতুৰ ৰূপ আৰু ধাতুজ শব্দজ্ঞানৰ এই গ্ৰন্থ অতুলনীয়। ই ধাতুপ্ৰদীপৰ দৰে চমু নহয়, বৰঞ্চ বিস্তৃত। কিন্তু ক্ষীৰতৰঙ্গিনীৰ দৰে গভীৰ। ইয়াত ধাতুৰ সামান্য ৰূপৰেসৈতে ন্যন্ত, সনন্ত, যঙন্ত, যঙ্লুগন্ত প্ৰয়োগবো উল্লেখ আছে। পদসম্বন্ধীয় বৈশিষ্ট্যও ইয়াত উদাহৰণৰসৈতে দিয়া হৈছে। তাৰপাছত ধাতুজ নানান কৃদন্তৰূপৰ বিন্যাস অৰ্থসহ দিয়া হৈছে। নিজৰ সমৰ্থনত অনেক প্ৰাচীন গ্ৰন্থৰ উদ্ধৃতিও দিয়া হৈছে। ইয়াৰ ৰচনা কাল ১৩৫৫—১৩৬৩ খৃষ্টাব্দৰ মাজত পৰে।

(২) **গণপাঠ:** 'খিল'ৰ সহায়ক গ্ৰন্থৰ দ্বিতীয় শ্ৰেণীত পৰে গণপাঠ। পাণিনিয়ে অষ্টাধ্যায়ীত গণৰ নিৰ্দেশ কৰিছে। যথা—'সৰ্বাদীনি সৰ্বনামানি' (১।১।২ )। ইয়াৰ অৰ্থ সৰ্বাদি গণৰ নাম বা সংজ্ঞা সৰ্বনাম। অৰ্থাৎ এই গণৰ মাজত সৰ্বৰ দৰে কাৰ্যশীল শব্দৰ গণনা কৰা হৈছে। প্ৰশ্ন হয় এই গণবোৰ কোনে নিৰ্ধাৰণ কৰিছে? পাণিনিয়ে নে আনে? পাণিনিয়ে যিহেতু অষ্টাধ্যায়ী সূত্ৰপাঠত যথানিৰ্দিষ্ট গণৰ উল্লেখ ইতস্ততঃ কৰিছে, পাণিনিয়ে নিজে সূত্ৰপাঠৰ পূৰ্বে গণপাঠ প্ৰস্তুত কৰি ৰাখিছিল বুলি ক'ব লাগিব। ইয়াৰ অনেক প্ৰমাণ আৰু উদাহৰণ অষ্টাধ্যায়ীত পোৱা যায়। বাৰ্তিক আৰু মহাভাষ্যতো সূত্ৰকাৰ আৰু গণকাৰৰ একত্ব সমৰ্থিত হৈছে।

পাণিনিৰ গণপাঠত মুঠতে ২৫৮ সূত্ৰ আছে। গণপাঠো অষ্টাধ্যায়ী, আঠ অধ্যায়ত বিভক্ত। প্ৰথমাদি অধ্যায়ত যথাক্ৰমে (১) ৬, (২) ২৪, (৩) ১৩, (৪) ১০০, (৫) ৬১, (৬) ৩৬, (৭) ৭ আৰু (৮) ১১ সূত্ৰ সন্নিবিষ্ট হৈছে। চতুৰ্থ অধ্যায়টো আটাইতকৈ দীঘলীয়া ১,৭,৮,৩ অধ্যায় কেইটা যথেষ্ট স্বল্পকায়।

পাণিনীয় ব্যাকৰণত দুই প্ৰকাৰৰ গণ পোৱা যায়: (১) পঠিত গণ আৰু (২) আকৃতি গণ। গণৰ সূচক 'আদি' শব্দৰ অৰ্থ চাৰি প্ৰকাৰ বুলি স্বীকাৰ কৰা হয়: যথা (১) সামীপ্য, (২) ব্যৱস্থা, (৩) প্ৰকাৰ আৰু (৪) অৱয়ৱ। পঠিত গণসমূহত আদি' শব্দ 'ব্যৱস্থা'ৰ সূচক আৰু আকৃতিগণত 'আদি' শব্দপ্ৰকাৰৰ 'দ্যোতক' হয়। পতঞ্জলিয়ে মহাভাষ্যত 'আদি' দুয়োপ্ৰকাৰ অৰ্থৰ উদাহৰণ এনেদৰে দিছে—

(১) অয়মাদি শব্দোঽন্ত্যেৰ ব্যৱস্থায়াং বৰ্ত্ততে। তদ্ যথা দেৱদত্তাদীন্ সমুপবিষ্টানাহ—'দেৱদত্তাদয় আনীয়ন্তাম্। ত উথায় আনীয়ন্তে।'

(২) অস্তি চ প্ৰকাৰে বৰ্ত্ততে ; তদ্ যথা 'দৈৱদত্তাদয়ঃ' আঢ্যা অভিৰূপা দৰ্শনীয়াঃ পক্ষৱন্তঃ। দেৱদত্ত প্ৰকাশ ইতি গম্যতে।

**গণৰত্ন মহোদধি:** গণপাঠৰ বৃত্তি বা ব্যাখ্যা গ্ৰন্থ সীমিত। এই শ্ৰেণীৰ উৎকৃষ্ট গ্ৰন্থ হৈছে বৰ্ধমান কৃত **'গণৰত্নমহোদধি'**। তেওঁ ১১৪০ খৃষ্টাব্দৰ পাছত এই গ্ৰন্থ ৰচে। তেওঁ আছিল জৈনমতবাদী। তেওঁ হেমচন্দ্ৰৰ ( ১১০০খৃ° ) উল্লেখ কৰিছে। 'গণৰত্ন মহোদধিত' অপ্ৰচলিত বা অজ্ঞাত শব্দৰ অৰ্থ বিন্যাস সুন্দৰকৈ কৰা হৈছে। সেয়ে ইয়াৰ মূল্য বঢ়াইছে।

**উণাদিপাঠ:** ব্যাকৰণ শাস্ত্ৰৰ মতে শব্দ মূলতঃ দুই প্ৰকাৰ—ৰূঢ় আৰু যৌগিক। যৌগিক শব্দ ধাতুৰপৰা নিষ্পন্ন হয় বাবে সি ব্যুৎপন্ন। কিন্তু ৰূঢ় শব্দ অব্যুৎপন্ন। শাকটায়নৰ বাহিৰে অন্য বৈয়াকৰণে শব্দৰ এই দুই স্থিতি মানি লৈছে। কিন্তু শাকটায়নে নাম শব্দও ধাতুৰপৰা ব্যুৎপন্ন মানে। উণাদিসূত্ৰৰমতে কোনো শব্দ অব্যুৎপন্ন নহয়। যথাৰ্থতে উণাদিসূত্ৰত অন্যত্ৰ ব্যাকৰণসিদ্ধ নোহোৱা শব্দকেই ব্যুৎপন্ন বুলি দেখুৱাইছে। প্ৰত্যেক ব্যাকৰণে উণাদিসূত্ৰক অপৰিহাৰ্য্য অঙ্গৰূপে স্বীকাৰ কৰে। পাণিনিৰ সম্প্ৰদায়ো তাৰ ব্যতিক্ৰম নহয়। ইয়াত দুই প্ৰকাৰ সূত্ৰ গ্ৰন্থ পোৱা যায়: (১) পঞ্চপাদী আৰু (২) দশপাদী। পঞ্চপাদী উণাদিপাঠত পাদসমূহৰ সূত্ৰ যথাক্ৰমে—(১) ১৫৬, (২) ১২২, (৩) ১৬০, (৪) ২০৯ আৰু (৫) ৭০ = মুঠ ৭৪৭। কোনো কোনো পঞ্চপাদী গ্ৰন্থ ৭৫৯ সূত্ৰ আছে। দশপাদী উণাদি পাঠত—দহপাঠত যথাক্ৰমে সূত্ৰসংখ্যা এনে ধৰণৰ: (১) ১৭৭, (২) ১৩, (৩) ৭১, (৪) ১০, (৫) ৬৪, (৬) ৮৪, (৭) ৪৭, (৮) ১৩২, (৯) ১০৭, (১০) ২২ ; মুঠ সংখ্যা ৭২৭। ইয়াৰ প্ৰথম আৰু দ্বিতীয় পাদত অজন্ত প্ৰত্যয়ৰ বিধান, তৃতীয় পাদত ক বৰ্গান্ত প্ৰত্যয়ৰ বিধান, চতুৰ্থপাদত চবৰ্গান্তৰ বিধান, পঞ্চম পাদত টবৰ্গান্তৰ বিধান, ষষ্ঠপাদত তবৰ্গান্তৰ বিধান, সপ্তম পাদত পবৰ্গান্তৰ বিধান, অষ্টমপাদত য-ৰ-ল বাক্ষন্তৰ প্ৰত্যয়ৰ বিধান, নৱম পাদত শ-ষ-স-হ কাৰান্ত প্ৰত্যয়ৰ বিধান আৰু দশমপাদত প্ৰকীৰ্ণ শব্দৰ বিৱৰণ পোৱা যায়। পঞ্চপাদী উপাদি পাঠতো একে বিষয়কে কোৱা হৈছে ; কিন্তু দশপাদীৰ দৰে তাৰ চয়ন পদ্ধতি সুব্যস্থিত নহয়।

পিছে, অধিকাংশ বৈয়াকৰণে উনাদি সূত্ৰ ৰচনা পাণিনিয়ে কৰা নাছিল, বৰংচ শাকটায়নেহে ৰচনা কৰিছিল বুলি ভাবে।

উজ্জ্বল দত্তই ( ১১৭৫—১২০০ খৃ° ) পঞ্চপাদী উণাদি পাঠৰ ওপৰত ব্যাখ্যা ৰচনা কৰে। শ্বেতবনৱাসীয়েও ইয়াৰ ব্যাখ্যা ৰচনা কৰিছিল বুলি জনা যায়। ভট্টোজী দীক্ষিত আৰু নাৰায়ণ ভট্টয়ো উণাদিসূত্ৰৰ ব্যাখ্যা নিজ নিজ ব্যাকৰণত সন্নিৱিষ্ট কৰিছে।

(৪) **লিঙ্গানুশাসন:** পাণিনিৰ পূৰ্বতে ব্যাড়িয়ে **লিঙ্গানুশাসন** ৰচনাকৰা বুলি



যি মত পোৱা যায়, ব্যাড়িৰ প্ৰকৃত কাল সম্বন্ধে মতভেদ নজনাত পাণিনিৰ 'লিঙ্গানুশাসনক' সম্প্ৰতি প্ৰাচীন বুলি স্বীকাৰ কৰা হয়। এই গ্ৰন্থও সূত্ৰাত্মক। ইয়াত মুঠতে ১৮৮ ( বা ১৮৯ টা ) সূত্ৰ পোৱা হয়। ই পাঁচ অধিকাৰ বা প্ৰকৰণত বিভক্ত। অধিকাৰ অনুসৰি সূত্ৰ সংখ্যা ক্ৰমশঃ দিয়া হৈছে: (১) স্ত্ৰী-অধিকাৰ ১-৩৪ ; (২) পুংলিঙ্গাধিকাৰ ৩৫—১১৭ ; (৩) নপুংসক অধিকাৰ ১১৮—১৭০ ; (৪) স্ত্ৰী-পুংসাধিকাৰ ১৭১—১৭৫ ; (৫) পুংনপুংসকাধিকাৰ—১৭৬—১৮২ আৰু ১৮৩—১৮৯ সূত্ৰত অৱশিষ্টাধিকাৰৰূপ পৰিশিষ্ট পোৱা যায়।

ৰামচন্দ্ৰ, নাৰায়ণভট্ট আৰু ভট্টোজীয়ে নিজগ্ৰন্থৰ পৰিসৰৰ ভিতৰত লিঙ্গানুশাসনৰ ব্যাখ্যা ৰচনা কৰিছে। ভট্টোজীয়ে **শব্দকৌস্তুভ** আৰু **সিদ্ধান্ত কৌমুদীত** দুয়োগ্ৰন্থতে লিঙ্গানুশাসনৰ ব্যাখ্যা সন্নিৱিষ্ট কৰিছে।

ৱৰৰুচি কৃত **লিঙ্গানুশাসন** আৰ্য্যা ছন্দত নিবদ্ধ।

পৰবৰ্ত্তীকালত হৰ্ষবৰ্ধনেও এখন **লিঙ্গানুশাসন** ৰচনা কৰে বুলি জনা যায়।

বামন ৰচিত **লিঙ্গানুশাসন** স্বোপজ্ঞ বৃত্তিৰেসৈতেও পোৱা যায়।

(৫) **পৰিভাষা পাঠ:** 'পৰিভাষা' ব্যাকৰণৰ অপৰিহাৰ্য্য অঙ্গ। পৰিভাষাৰ লক্ষণ হৈছে 'অনিয়মে নিয়মকাৰিণী পৰিভাষা'। সাধাৰণতে পৰিভাষা দুবিধঃ—(১) অষ্টাধ্যায়ীত সূত্ৰৰূপে প্ৰাপ্ত পৰিভাষা—কাৰণ, তাত অনেক সূত্ৰ 'পৰিভাষা সূত্ৰ' নামে পৰিচিত। (২) দ্বিতীয়বিধ যি কোনো সূত্ৰৰদ্বাৰা জ্ঞাপিত হয়, যাক জ্ঞাপন সিদ্ধা পৰিভাষা' অথবা লোক সমাজত প্ৰচলিত ন্যায়ৰ অনুগমন যিয়ে কৰে সি'ন্যায়-সিদ্ধা পৰিভাষা'। অন্তিম প্ৰকাৰটি বাচনিকা পৰিভাষা নামে কাত্যায়নৰ বাৰ্তিক বা পতঞ্জলিৰ মহাভাষ্য বচন ৰূপে বিদ্যমান।

পৰিভাষাৰ প্ৰাচীনতম সংকলক হিচাপে ব্যাড়িক হে জনা যায়। প্ৰথম ব্যাড়ি কৃত পৰিভাষা সূচক **'পৰিভাষা সূচনম'** আৰু দ্বিতীয় সূত্ৰ গ্ৰন্থক **'ব্যাড়ি পৰিভাষা পাঠঃ'** নামে জনা যায়। প্ৰথম পাঠত মাথোন ৯৩ টা সূত্ৰ আছে। দ্বিতীয় পাঠত আছে ১৪০ টা সূত্ৰ।

সম্প্ৰতি পৰিভাষা পাঠৰ নিম্নোক্ত ব্যাখ্যা কেইটা উপলব্ধ হয়।

(১) পুৰুষোত্তমদেৱৰ ( ১২শ শতাব্দী ) **'লঘুবৃত্তি'** বা **'ললিতাবৃত্তি'ত** ১২০টা পৰিভাষা আৰু তাৰ ব্যাখ্যা পোৱা যায়। এই বৃত্তি লঘু হলেও সাৰগৰ্ভ।

(২) সীৰদেৱৰ ( ১২০০—১৩৫০ খৃষ্টাব্দৰ মাজত ) **'পৰিভাষা বৃত্তিত'** ১৩০টা পৰিভাষা আৰু বৃত্তি উপলব্ধ হয়। ইয়াত প্ৰাপ্ত পৰিভাষাৰ বিৱৰণ পূৰ্ণ আৰু প্ৰামাণিক।

(৩) নাগেশভট্টৰ ( ১৬৭৫—১৭৪৫ খৃ° ) **পৰিভাষেন্দুশেখৰ** পৰিভাষা বিষয়ক অন্যতম গ্ৰন্থ। ইয়াত প্ৰতিটো পৰিভাষাৰ অৰ্থ, বিৱৰণ, উদাহৰণ আৰু প্ৰাচীনমতৰ সমীক্ষা সহ বাচনিকা সিদ্ধা, জ্ঞাপক সিদ্ধা আৰু ন্যায়সিদ্ধাৰ ভেদাদি দেখুৱা হৈছে। পৰিভাষা স্বৰূপাদিৰ আলোচনা ইয়াত নাগেশে সুন্দৰ ভাবে দিছে। পৰিভাষাৰ সম্যক

জ্ঞানৰ বাবে ই শ্ৰেষ্ঠ গ্ৰন্থ। ইয়াৰ ওপৰত বৈদ্যনাথ পায়গুণ্ডেৰ **'গদা'** ভৈৰৱমিশ্ৰৰ **'ভৈৰৱী'** ৰাঘবেন্দ্ৰচাৰ্য্যৰ **'ত্ৰিপথগা'**, যাগেশ্বৰশাস্ত্ৰীৰ **'হৈমৱতী'**, ৰামকৃষ্ণ ( তাত্যা ) শাস্ত্ৰীৰ **'ভুতি'** আৰু জয়দেৱমিশ্ৰৰ **'বিজয়া'** টীকাই পৰিভাষেন্দুশেখৰ বুজাত প্ৰকৃষ্ট সহায়ক স্বৰূপ।

(৬) **ফিট্‌সূত্ৰ পাঠ :** পাণিনীয় ব্যাকৰণ সম্প্ৰদায়ত ফিট্‌সূত্ৰৰ মহত্বপূৰ্ণ ঠাই আছে। 'ফিষ্' শব্দৰ প্ৰথমান্ত পদ 'ফিট্'। সুপ্‌বিভক্তি যোগ হোৱাৰ আগতে অৰ্থৱান শব্দৰ যি মূল স্বৰূপ থাকে, যেনে ৰাম, হৰি, গো ইত্যাদি তাকেই প্ৰাতিপদিক বুলি কোৱা হয় ( অৰ্থৱদ ধাতুৰ প্ৰত্যয়ঃ প্ৰাতিপদিকম্ ;- কৃত্তদ্ধিতসমাসাশ্চ, পাঃ ১।২।৪৫—৪৬ )। তন্ত্ৰত সেই প্ৰাতিপদিককেই 'ফিট্' নামেৰে বুজোৱা হয়। সম্প্ৰতি প্ৰাপ্ত ফিট্‌সূত্ৰৰ সংখ্যা ৮৭। ই পাণিনিৰ সম্প্ৰদায় ভুক্ত হলেও তন্ত্ৰৰ বাহিৰত। প্ৰাতিপদিকৰ স্বৰবিচাৰৰ বাবে নিৰন্ত এই সূত্ৰপাঠক 'ফিট্ স্বৰপাঠ' নামে জনা যায়।

ইয়াৰ মান্য ৰচক আচাৰ্য্য শন্তনু। শন্তনু প্ৰণীত হোৱা বুলি ইয়াক 'শান্তনৱ' বুলিও কোৱা হয়।

ফিট্‌সূত্ৰৰ ব্যাখ্যা ভট্টোজী আৰু নাগোজীয়ে নিজ নিজ গ্ৰন্থ কৰিছে। চৌখম্বাৰ পৰা প্ৰকাশিত ব্যাকৰণ সিদ্ধান্ত কৌমুদীত স্বৰ প্ৰক্ৰিয়া ভাগত চতুষ্পাদী ফিট্‌সূত্ৰৰ ব্যাখ্যা পোৱা যায়। শ্ৰীনিবাস যজ্বা বিৰচিত **'স্বৰসিদ্ধান্তচন্দ্ৰিকা'** ফিট্‌সূত্ৰৰ ওপৰত বিৰচিত বিশদ ব্যাখ্যাপৰক গ্ৰন্থ।

## পাণিনিভিন্ন আন ব্যাকৰণ সম্প্ৰদায়

ভাষা সম্বন্ধীয় চিন্তা-চৰ্চা এই দেশত কিদৰে আৱহমান কালৰপৰা প্ৰচলিত আছে তাক আগৰ পৃষ্ঠা সমূহত বিৱৰি কৈ অহা হৈছে। আৰম্ভণিতে পাণিনিৰ পূৰ্ব যুগত ভাষা চিন্তনৰ পৰিচয়ো দিয়া হৈছে। তাৰ পাছত পাণিনীয়া ব্যাকৰণ পৰম্পৰাৰ মাজেৰে নিতান্ত ধাৰাবাহিকৰূপে কিদৰে ইদেশত ভাষাচিন্তনৰ বিজ্ঞানসন্মত পদ্ধতি চলি আহিছে তাৰ সম্যক বিৱৰণো তুলি ধৰা হৈছে। এই দেশত যিদৰে গঙ্গা-ব্ৰহ্মপুত্ৰই দেশৰ মাটি প্লাৱিত আৰু সাৰুৱা কৰি সাগৰত নিমজ্জিত হোৱাৰ পূৰ্বে বহুধা বিভক্ত হৈ পৰিছে, সিদৰে ব্যাকৰণচিন্তনেও দেশীয় ভাষা চৰ্চাৰ বুৰঞ্জী প্লাৱিত আৰু সাৰগৰ্ভ কৰি নানান প্ৰৱাহৰ মাজেৰে বৰ্তমান কালত প্ৰৱেশ কৰিছে। পাণিনিৰ সম্প্ৰদায়ৰপৰা আঁতৰিও অনেকে ভাষা বিজ্ঞানৰ চিন্তা-চৰ্চা কৰিছে। সিসকলৰ বহুমূলীয়া অৱদানৰ লেখ-জোখ নল'লে আমাৰ সংস্কৃত বাঙময়ৰ ইতিহাসৰ কিছু দিশ অপূৰণে ৰ'ব বুলি শঙ্কা কৰি তলত চমুৱাই পাণিনিভিন্ন ব্যাকৰণৰ ইতিবৃত্তও তুলি ধৰা হ'ল।

**কলাপ বা কাতন্ত্ৰ ব্যাকৰণঃ** পাণিনিৰ ব্যাকৰণ পৰম্পৰাৰ বাহিৰত গঢ়ি উঠা ব্যাকৰণ সম্প্ৰদায়ৰ ভিতৰত **কাতন্ত্ৰ ব্যাকৰণ** নিঃসন্দেহে প্ৰাচীনতম হ'ব। **কাতন্ত্ৰ**



শব্দৰ অৰ্থ 'অলপীয়া বা সংক্ষিপ্ত তন্ত্ৰ' ( ঈষৎ তন্ত্ৰং কাতন্ত্ৰং, ঈষদৰ্থে কু শব্দস্য কাদেশঃ, "কাত্ৰীষদৰ্থেঽক্ষে" কাতন্ত্ৰ ২।৫।২৫ )। পাণিনীয় তন্ত্ৰৰ তুলনাত নিঃসন্দেহে 'কাতন্ত্ৰ' স্বল্পকায় ব্যাকৰণ। ভগৱান কুমাৰ কাৰ্তিকেয়ৰ অনুগ্ৰহত শৰ্ববৰ্মাই এই ব্যাকৰণ প্ৰস্তুত কৰিছিল বাবেই ইয়াক **'কৌমাৰব্যাকৰণ'** বুলিও কোৱা হয়। অতিশয় স্বল্পকায় হোৱা বাবে ইয়াক 'কলাপক' বুলিও কোৱা হয় ( বৃহৎতন্ত্ৰাৎ কলা আপিবন্তীতি কলাপকঃ শাস্ত্ৰাণি—হেমচন্দ্ৰৰ উনাদিবৃত্তি, পৃ° ১০ )।

আন্ধ্ৰনৃপতি শাতবাহনেৰ আদেশ মতে শৰ্ববৰ্মাই কম আয়াসতে সংস্কৃত ভাষা শিক্ষাৰ পদ্ধতি প্ৰদৰ্শনাৰ্থে কাতন্ত্ৰ ব্যাকৰণ ৰচনা কৰিছিল বুলি প্ৰবাদ আছে। জনা যায় যে জলক্ৰীড়াৰ সময়ত পৰিশ্ৰান্তা ৰাণীয়ে 'মোদকং দেহি' বুলি কোৱা কথাৰ অৰ্থ ৰজাই নুবুজি 'মোদক' লাডু আনি দি লজ্জিত হৈ ৰজাই সংস্কৃতৰ জ্ঞান সহজতে ঢুকি পোৱাৰ বাসনাৰে উক্তমৰ্মে শৰ্ববৰ্মাক ব্যাকৰণ ৰচনাত নিয়োগ কৰে।

শৰ্ববৰ্মা প্ৰণীত 'কাতন্ত্ৰ ব্যাকৰণত' মূলতঃ সন্ধি, নাম আখ্যাত—এই অধ্যায় আছে। তিনি অধ্যায় ক্ৰমে পাঁচ, ছয় আৰু আঠ পাদত বিভক্ত আৰু মুঠ পাদৰ সংখ্যা ১৯। সন্ধিৰ পাঁচ পাদত পাঁচ বিধ সন্ধিৰ বিৱৰণ আছে। নাম-চতুষ্টয়ৰ প্ৰথম তিনিপাদত স্বাদ্যন্তৰূপৰ বৰ্ণনা দিছে আৰু অন্য তিনি পাদত ক্ৰমশঃ কাৰক, সমাস আৰু তদ্ধিত প্ৰকৰণ নিৰূপিত হৈছে। আখ্যাতাধ্যায়েৰ প্ৰথম পাদত বৰ্তমানাদিৰ কালবোধক সংজ্ঞা দি দ্বিতীয় পাদত 'সন্' ইত্যাদি প্ৰত্যয় আৰু 'অন্' আদি বিকৰণৰ প্ৰয়োগক্ষেত্ৰ নিৰ্দিষ্ট কৰিছে। তৃতীয় পাদত দ্বিত্ববিধি, চতুৰ্থপাদত সম্প্ৰসাৰণ, অকাৰাদি লোপকাৰ্য্য দেখুৱা হৈছে। পঞ্চম পাদত গুণ, ষষ্ঠ পাদত অনুষঙ্গলোপ, বৃদ্ধি, উপধা-দীৰ্ঘ, আৰু নলোপাদি বিষয়ৰ বিৱৰণ প্ৰস্তুত কৰিছে। সপ্তম পাদত ইডাগম আৰু কেতবোৰ অনিট্‌ধাতুৰ নিৰ্দেশ কৰি অষ্টম পাদত ঔপদেশিক নকাৰৰ আদেশ আদি প্ৰকীৰ্ণ কাৰ্য্য প্ৰদৰ্শন কৰিছে। পিছলৈ মূল ব্যাকৰণত কৃদন্ত নামে চতুৰ্থ অধ্যায় এটা যুক্ত। তাৰ কৰ্তৃত্ব কোনোবাই শাকটায়নৰ ওপৰত কোনোবাই ৱৰৰুচিৰ ওপৰত আৰোপ কৰিছে। কাতন্ত্ৰ ব্যাকৰণত ১৪০০ ওপৰ সূত্ৰ আছে। ইয়াৰ বৰ্ণসমাম্নায়ত ৫২টা বৰ্ণ দেখা যায় : যথা—

অ, আ, ই, ঈ, উ, ঊ, ঋ, ৠ, ঌ, ৡ, এ, ঐ, ও, ঔ, ং, ঃ, ( জিহ্বামূলীয় ), উপোধ্মানীয়, ক, খ, গ, ঘ, ঙ, চ, ছ, জ, ঝ, ঞ, ট, ঠ, ড, ঢ, ণ, ত, থ, দ, ধ, ন, প, ফ, ব, ভ, ম, য, ৰ, ল, ৱ, শ, ষ, স, হ, ক্ষ।

কাতন্ত্ৰব্যাকৰণৰ ৰচনা কাল খৃ° তৃতীয় শতাব্দী বুলি জনা যায়।

**বৃত্তিকাৰ :** শৰ্ববৰ্মাই নিজে 'কাতন্ত্ৰ ব্যাকৰণ'ৰ ওপৰত এটি মহত্বপূৰ্ণ বৃত্তি ৰচনা কৰিছিল বুলি জনা যায়। ইয়াৰ পাছত **ৱৰৰুচিয়ে 'দুৰ্ঘটবৃত্তি'** প্ৰণয়ন কৰে। সম্প্ৰতি এইবোৰ বৃত্তি উপলব্ধ নহয়। উপলব্ধ বৃত্তিৰ ভিতৰত প্ৰাচীনতম হৈছে **দুৰ্গসিংহ কৃত 'কাতন্ত্ৰ বৃত্তি'**। দুৰ্গসিংহৰ কাল ৫৮০—৬০০ খৃ° বুলি কোৱা হয়।

উক্ত বৃত্তিৰ ওপৰত দুৰ্গাসিংহই এটি ব্যাখ্যাও হেনো ৰচনা কৰিছিল। কিন্তু বৃত্তিকাৰ আৰু ব্যাখ্যাকাৰৰ একাত্মতা প্ৰমাণিত হোৱা নাই।

**অন্য ব্যাখ্যাকাৰঃ** কাতন্ত্ৰ ব্যাকৰণে বঙ্গদেশ আৰু কাশ্মীৰত বিশেষ প্ৰসাৰতা লাভ কৰে। সেয়ে বৰ্ধমান ৰচিত **'কাতন্ত্ৰবিস্তৰ'** নামে এটি ব্যাখ্যা পাওঁ। এই বৰ্ধমানে **গণৰত্ন মহোদধিৰো** ৰচক। বৰ্ধমান বোপদেৱৰ পূৰ্বৱৰ্তী। মহামহোপাধ্যায় পৃথ্বীধৰে বৰ্ধমানৰ **'কাতন্ত্ৰবিস্তৰ'**ৰ টীকা ৰচনা কৰে।

ত্ৰিলোচন দাসে **'কাতন্ত্ৰবৃত্তি পঞ্জিকা'** নামে ব্যাখ্যা গ্ৰন্থ ৰচনা কৰে। তেওঁ মুগ্ধবোধৰ ৰচক বোপদেৱৰ পূৰ্বৱৰ্তী। জিন প্ৰভাসূৰি, কুশল, কৱিৰাজ, হৰিৰাম, গোপীনাথ, কুলচন্দ্ৰ প্ৰভৃতিয়ে কাতন্ত্ৰবৃত্তি পঞ্জিকাৰ ওপৰত টীকা ৰচনা কৰে। প্ৰায় একাদশ শতিকা মানত উক্ত **'বৃত্তিপঞ্জিকা'** ৰচনা কৰে।

অন্য ব্যাখ্যাৰ ভিতৰত চুণ্টকৰ পুত্ৰ মহাদেৱ ৰচিত **'শব্দসিদ্ধিবৃত্তি'** (বি° স° ১৩৪০ বা খৃ° ১২৮৩ৰ আগৰ) মহেন্দ্ৰ প্ৰভৰ শিষ্য মেৰুতুঙ্গসূৰি বালবোধ (বি° স° ১৪৪৪ বা ১৩৮৭ খৃষ্টাব্দ), ভাৱসেন ত্ৰৈবিদ্যৰ **'ৰূপমালাবৃত্তি'** মোক্ষেশ্বৰৰ 'আখ্যানবৃত্তি' আৰু পৃথ্বীচন্দ্ৰ সূৰিৰ **'বৃত্তি'** প্ৰধান। বঙ্গত শ্ৰীপতিয়ে **'কাতন্ত্ৰ পৰিশিষ্ট'** ৰচনা কৰে। নৱীন ত্ৰিলোচন দাসে তাৰ **'উত্তৰ পৰিশিষ্ট'** ৰচনা কৰে।

কাশ্মীৰী পণ্ডিত ভট্টজগদ্ধৰে ১৬শ শতাব্দীত **'বালবোধিনী'** টীকা লিখে। উগ্ৰভূতিয়ে তাৰ ওপৰত **'ন্যাস** নামে টীকা ৰচনা কৰে। চিচ্ছুভট্টই **'লঘুবৃত্তি'** নামে এক গ্ৰন্থ ৰচনা কৰে।

**চান্দ্ৰ ব্যাকৰণঃ** চান্দ্ৰ ব্যাকৰণৰ প্ৰচাৰ আৰু প্ৰচলন ঘাইকৈ কাশ্মীৰ, নেপাল, তিব্বত আৰু নেপালত আৱদ্ধ। এই ব্যাকৰণৰ ৰচক চন্দ্ৰগোমী বৌদ্ধ আছিল বুলি কোৱা হয়। তেওঁ ৫০০ খৃষ্টাব্দৰ আগতে আবিৰ্ভূত হৈছিল বুলি অনুমান কৰা হয়। চন্দ্ৰগোমীয়ে নিজ ব্যাকৰণত পাণিনি, কাত্যায়ন আৰু পতঞ্জলিৰ সূত্ৰ, বাৰ্তিক আৰু মহাভাষ্যৰ প্ৰেৰণা লাভ কৰিছিল। সংজ্ঞাহীনতা চান্দ্ৰব্যাকৰণৰ এক বৈশিষ্ট্য। বৰ্ত্তমান প্ৰাপ্ত চান্দ্ৰব্যাকৰণ ছয় অধ্যায়াত্মক আৰু প্ৰতি অধ্যায় চাৰি পাদত বিভক্ত। ইয়াত অকল লৌকিক শব্দৰ বিৱেচনাহে পোৱা যায়। এসময়ত ই অষ্টাধ্যায়ীৰ দৰে আঠ অধ্যায়াত্মক আছিল আৰু শেষাধ্যায়ত 'স্বৰবৈদিকী' চৰ্চিত হৈছিল বুলি সংকেত পোৱা যায়।

এই ব্যাকৰণৰ সৈতে জড়িত অঙ্গগ্ৰন্থ—গণপাঠ, ধাতুপাঠ, উণাদিসূত্ৰও পোৱা যায়। ইয়াৰ গণপাঠত ২২৬টা গণ পোৱা যায়। চন্দ্ৰগোমীকৃত লঘুকায় **'বৰ্ণসূত্ৰ'** উপলব্ধ হয়। তাত স্বৰ আৰু ব্যঞ্জনৰ স্থান, কৰণ আৰু প্ৰয়ত্নৰ পৰিচয় দিয়া হৈছে।

চান্দ্ৰ উণাদি পাঠত তিনিপাদত বিভক্ত। সূত্ৰৰ সংখ্যা পাদানুক্ৰমে ৯৫, ১১৯ আৰু ১১৪। মুঠ সূত্ৰ সংখ্যা ৩২৮। লগতে উদাহৰণো পোৱা যায়।

চান্দ্ৰ ব্যাকৰণৰ ধাতুপাঠ বৰ উপযোগী গ্ৰন্থ। ইয়াতো ধাতুবোৰ দহ গণত বিভক্ত। প্ৰতিগণৰ ধাতুসংখ্যা যথাক্ৰমে (১) ৬৩৮, (২) ৬২, (৩) ২১, (৪) ১২২, (৫) ২৫,



(৬) ১২১, ( ) ২৩, (৮) ৯, (৯) ৪৮, আৰু (১০) ১০৫। মুঠ সংখ্যা ১১৭৪।

ধৰ্মদাসে **চান্দ্ৰবৃত্তিৰ** সাৰাংশ তেওঁৰদ্বাৰা প্ৰণীত টীকাত সন্নিৱিষ্ট কৰিছে। এই টীকাৰ পাণ্ডুলিপি নেপালত পোৱা গৈছে। তিব্বতীয় পণ্ডিত স্থিৰমতিয়ে (১০২০ খৃ°) ইয়াক তিব্বতী ভাষালৈ অনুবাদ কৰে।

শ্ৰীলংকাত কাশ্যপ প্ৰণীত (১২শ শতাব্দী) **'বালকবোধন'** নামে চান্দ্ৰব্যাকৰণৰ সংক্ষিপ্তৰূপৰ প্ৰচলন দেখা যায়।

**জৈনেন্দ্ৰ ব্যাকৰণঃ** জৈন ধৰ্মীসকলে পাণিনি ব্যাকৰণৰ আঁতধৰি ন ন ব্যাকৰণ ৰচনাৰ সফল প্ৰয়াস কৰাৰ উদাহৰণ পোৱা যায়। তেনেদৰে আমি তিনিখন বেছ জনপ্ৰিয় আৰু প্ৰসিদ্ধ ব্যাকৰণ গ্ৰন্থ পাওঁ; যথা **জৈনেন্দ্ৰ ব্যাকৰণ, শাকটায়ন ব্যাকৰণ** আৰু হেমচন্দ্ৰকৃত **সিদ্ধহৈম ব্যাকৰণ**। জৈনেন্দ্ৰ ব্যাকৰণ-কে প্ৰাচীনতম বুলি জনা যায়।

জৈনেন্দ্ৰ ব্যাকৰণৰ কৰ্তৃত্ব যদিও মহাবীৰৰ ওপৰত জৈন পৰম্পৰাই আৰোপ কৰিছে তথাপি ইয়াৰ প্ৰকৃত ৰচক দেৱনন্দী বুলিহে জনা যায়। তেওঁক জিনেন্দ্ৰবুদ্ধি, পূজ্যপাদ, দেৱ আৰু নন্দী আদি বিৰুদেৰেও সূচায়। মহাবীৰ জৈনে ইয়াক ৰচনা কৰা বাবে বা জিনেন্দ্ৰ বুদ্ধিৰ ৰচনা বাবে এই ব্যাকৰণক **'জৈনেন্দ্ৰ ব্যাকৰণ'** নামে জনা যায়।

জৈনেন্দ্ৰ ব্যাকৰণ দুটা পাঠত উপলব্ধ। দুয়োটা পাঠ টীকা আদিৰে মণ্ডিত। ইয়াৰ লঘুপাঠত আছে তিনি হাজাৰ সূত্ৰ। বৃহৎপাঠত ৩৭০০ সূত্ৰ পোৱা যায়। সম্প্ৰতি লঘুপাঠৰ চৰ্চাই অধিক প্ৰচলিত। ই ৫ অধ্যায়, আৰু ২০ পাদত বিভক্ত; সূত্ৰসংখ্যা ৩০৩৬। ইয়াত স্বৰ-বৈদিকী প্ৰক্ৰিয়াভিন্ন (অন্য) ভাষা বিষয়ক পাণিনিৰ ব্যাকৰণৰ বিষয়সমূহ ইয়াতো পোৱা যায়। দেৱনন্দীৰ সূত্ৰৰচনাৰ বুদ্ধিকৌশল প্ৰশংসনীয়।

দেৱনন্দী নিসন্দেহে কৰ্ণাটকৰ অধিবাসী আছিল। তেওঁ সিদ্ধসেন দিবাকৰৰ পৰৱৰ্তী গ্ৰন্থকাৰ। তেওঁ চন্দ্ৰগুপ্ত বিক্ৰমাদিত্যৰ সমকালীন আছিল। গতিকে তেওঁৰ কাল খৃ° পঞ্চম শতিকাৰ লোক আছিল। তেওঁৰ পৰৱৰ্তী হ'বলৈ হ'লে দেৱনন্দীৰ কাল ষষ্ঠ শতাব্দীৰ প্ৰথমাৰ্ধ বুলি স্বীকাৰ কৰা উচিত।

**ব্যাখ্যা গ্ৰন্থঃ** জৈনেন্দ্ৰ ব্যাকৰণৰ ওপৰত কেৱল চাৰিটা টীকা পোৱা যায়ঃ (১) অভয় নন্দিকৃত **মহাবৃত্তি**, (২) প্ৰভাচন্দ্ৰকৃত **শব্দাম্ভোজ ভাস্কৰন্যাস**, (৩) শ্ৰুতিকীৰ্তিকৃত **'পঞ্চবস্তু প্ৰক্ৰিয়া'** আৰু (৪) প° মহাচন্দ্ৰকৃত **লঘুজৈনেন্দ্ৰ**। অভয়নন্দীৰ কাল সম্ভৱতঃ ৯ম শতিকাৰ মাজভাগ (৮৫০—৮৭৫ খৃ°)।

প্ৰভাচন্দ্ৰৰ (১০৪০—১০৮০ খৃ°) **শব্দাম্ভোজভাস্কৰ ন্যাস**, অভয়নন্দিৰ **মহাবৃত্তিতকৈ** বৃহত্তৰ গ্ৰন্থ। শ্ৰুতকীৰ্তিৰ (ৰ° কা° ১০৭৯) **পঞ্চবস্তুপ্ৰক্ৰিয়া** ৰূপসিদ্ধিৰ বাবে মূলতঃ ৰচিত হৈছিল। কুৰি শতিকাত মহাচন্দ্ৰই মহাবৃত্তিৰ ভেটিত বালবোধনৰ বাবে **লঘুজৈনেন্দ্ৰ** ৰচনা কৰে।

**জৈনেন্দ্ৰ ব্যাকৰণৰ বৃহৎপাঠঃ** জৈনেন্দ্ৰ ব্যাকৰণৰ বৃহৎপাঠত ৩৭০০ সূত্ৰ আছে। লঘুপাঠতকৈ ইয়াত ৭০০ সূত্ৰ অধিক আছে। সূত্ৰ সংখ্যা বৃদ্ধি কৰি

'শব্দার্ণৱ' নামে ব্যাকৰণ গ্ৰন্থ ৰচোঁতাজনৰ নাম আচাৰ্য গুণনন্দি ( ৯ম শতিকাৰ মাজ-
ভাগ )। শব্দার্ণৱৰ ওপৰত দুটা টীকা পোৱা যায়। (১) খৃষ্টীয় ১৩শ শতিকাৰ
পূৰ্বাৰ্ধত সোমদেৱে **শব্দার্ণৱ-চন্দ্ৰিকা** ৰচনা কৰে। (২) দ্বিতীয় টীকাৰ নাম
**শব্দার্ণৱ প্ৰক্ৰিয়া**। ৰচনা কাল আৰু ৰচকৰ নাম অজ্ঞাত।

**অভিনৱ শাকটায়ন ব্যাকৰণ**ঃ এইজন শাকটায়ন পাণিনিৰ দ্বাৰা উল্লেখিত
তেওঁৰ পূৰ্বকালীন বৈয়াকৰণ নহয়। সেয়ে তেওঁক অভিনৱ শাকটায়ন বোলা হয়।
এইজন বৈয়াকৰণ জৈন মতাৱলম্বী আছিল। সেয়ে তেওঁক 'জৈন শাকটায়ন' বুলিও
কোৱা হয়। তেওঁৰ প্ৰকৃত নাম পাল্যকীৰ্তি।

পাল্যকীৰ্তিৰ মুখ্য ৰচনা হৈছে '**শব্দানুশাসন**'ৰ মূল সূত্ৰপাঠ আৰু তাৰ ভেটিত
ৰচিত স্বোপজ্ঞ '**অমোঘবৃত্তি**।' এই ব্যাকৰণ অনেক বৈশিষ্ট্যপূৰ্ণ। জৈনেন্দ্ৰ ব্যাকৰণত
দেখা ত্ৰুটীবোৰ ইয়াত আঁতৰোৱা হৈছে। আনকি পাণিনিৰ দুই এক প্ৰত্যাহাৰৰো
সংশোধন সাধন কৰা হৈছে। জৈনেন্দ্ৰ ব্যাকৰণৰ তুলনাত শাকটায়ন ব্যাকৰণ অধিক
পূৰ্ণ, দোষশূন্য আৰু সুব্যৱস্থিত। এই ব্যাকৰণ চতুৰাধ্যায়ী। প্ৰতি অধ্যায় চতুষ্পাদী।
অধ্যায় কেইটাত সূত্ৰসংখ্যা যথাক্ৰমে (১) ৭২১, (২) ৭৫৩, (৩) ৭৫৫ আৰু (৪)
১০০৩। মুঠ সূত্ৰসংখ্যা ৩২৩৬।

শাকটায়নে ইয়াৰ ওপৰত 'অমোঘবৃত্তি নামে যি স্বোপজ্ঞ বৃত্তি ৰচিছে ই বৰ বিস্তৃত
আৰু ইয়াত শ্লোকৰ সংখ্যা ১৮০০০ 'ওঠৰ হাজাৰ। আশ্ৰয় দাতা ৰাষ্ট্ৰকূট ৰজা ১ম
অমোঘবৰ্ষৰ নামানুসৰি ইয়াক '**অমোঘবৃত্তি**' বোলা হৈছে। অমোঘবৰ্ষৰ ৰাজত্বকাল
৮১৪—৮৭৭ খৃঃ নিৰ্দিষ্ট হৈছে। শাকটায়নৰ কাল ৮১০—৮৭০ খৃঃ বুলি কোৱা হয়।

অমোঘবৃত্তিৰ ওপৰত প্ৰভাচন্দ্ৰাচাৰ্য্যৰ ব্যাখ্যাক '**ন্যাস**' বুলি জনা যায়। অমোঘ-
বৃত্তিক চমুৱাই যক্ষবৰ্মাই '**চিন্তামণি**' নামে এটি টীকা ৰচনা কৰে। অজিত সেনাচাৰ্য্যই
আকৌ চিন্তমণিৰ ওপৰত '**মণি-প্ৰকাশিকা**' নামে টীকা লিখে। অভয়াচন্দ্ৰাচাৰ্য্যই
এই সম্প্ৰদায়ৰ ব্যাকৰণৰ ওপৰত প্ৰক্ৰিয়ানুসৰি '**প্ৰক্ৰিয়া সংগ্ৰহ**' নামে ব্যাখ্যাগ্ৰন্থ
ৰচনা কৰে। ভাৱসেন ত্ৰৈবিদ্যদেৱে 'শাকটায়ন টীকা' লিখে। লঘুকৌমুদীৰ শৈলী
অনুসৰণ কৰি দয়াপাল মুনিয়ে 'ৰূপসিদ্ধি' টীকা ৰচনা কৰে। ৰচনা কাল খৃঃ একাদশ
শতিকা **বুলি** কোৱা হয়। সেয়ে হ'ল 'ৰূপসিদ্ধি'ৰ অনুকৰণতহে '**লঘুসিদ্ধান্ত
কৌমুদী**' বৰদৰাজে ৰচনা কৰে।

৫। **ভোজ ব্যাকৰণ**ঃ ধাৰাৰ নৃপতি ভোজ বহু প্ৰতিভাশালী আছিল।
তেওঁ বিদ্যোৎসাহী হোৱাৰ উপৰিও স্বয়ং এজন সুবিদ্বান লোক আছিল। ব্যাকৰণ
বিষয়তো তেওঁ প্ৰভূত অৱদান যোগাইছে। তেওঁৰ '**সৰস্বতী কণ্ঠাভৰণম্**' এক বিস্তৃত
ব্যাকৰণ। ইয়াৰ সূত্ৰসংখ্যা পাণিনিৰ ডেৰগুণ। পাণিনি আৰু চন্দ্ৰগোমীৰ ব্যাকৰণৰ
ওপৰত ভেটি কৰা।

'সৰস্বতী কণ্ঠাভৰণ' আঠ অধ্যায়ত বিভক্ত আৰু প্ৰতিটো অধ্যায় চাৰিপাদত
বিভক্ত। ইয়াত থকা মুঠ সূত্ৰৰ সংখ্যা ৬৪৩১। ইয়াত পৰিভাষা, উণাদি পাঠো



সন্নিৱিষ্ট হৈছে। প্ৰথমাদি সপ্তমান্ত-সাত অধ্যায়ত লৌকিক শব্দৰ আৰু অষ্টমাধ্যায়ত
বৈদিক শব্দৰ ব্যাখ্যা কৰা হৈছে।

প্ৰথমাধ্যায়ৰ প্ৰথম পাদত ক্ৰমে ধাতু, প্ৰাতিপদিক, প্ৰকৃতি, প্ৰত্যয়, বিকৰণ, কৃৎ,
কৃত্য, সং, নিষ্ঠা, তদ্ধিত, ঘ, সংখ্যা, বিভক্তি, প্ৰথম, মধ্যম, উত্তম, প্ৰথমা, দ্বিতীয়া,
তৃতীয়া, চতুৰ্থী, পঞ্চমী, ষষ্ঠী, সপ্তমী, একবচন, দ্বিবচন, বহুবচন, পৰস্মৈপদ, আত্মনেপদ
পদ, উপপদ, উপসৰ্জন, কৰ্মধাৰয়, দ্বিগু, বাক্য, কাৰক, কৰ্তা, হেতু, কৰ্মকৰ্তা, কৰ্ম, কৰণ,
সম্প্ৰদান, অপাদান, অধিকৰণ, আমন্ত্ৰিত, সম্বুদ্ধি, অভ্যাস, অভ্যস্ত, সম্প্ৰসাৰণ, গুণ,
বৃদ্ধি, বৃদ্ধ, সংযোগ, উপধ., ট, আগম, লোপ, লুক্—(শ্লুক্), শ্লু, লুপ, হ্ৰস্ব, দীৰ্ঘ, প্লুত,
উদাত্ত, অনুদাত্ত, স্বৰিত, লঘু, গুৰু, অনুনাসিক, সৱৰ্ণ, অনুস্বাৰ, বিসৰ্জনীয়, প্ৰগৃহ্য,
সৰ্বনাম, নিপাত, উপসৰ্গ, গতি, কৰ্ম-প্ৰবচনীয়, অব্যয়, সাৰ্বধাতুক, আৰু আৰ্ধধাতুকৰ
সুন্দৰ সংজ্ঞা প্ৰস্তুত কৰিছে। দ্বিতীয় পাদত পৰিভাষা দিছে। তৃতীয় পাদত 'সন্'
আদি প্ৰত্যয়, ভ্বাদি গণত যুক্ত 'শপ' বিকৰণ, 'অন্' আদি কৃৎ প্ৰত্যয়ৰ উপদেশ
দিছে। চতুৰ্থ পাদত 'কৃৎ' প্ৰত্যয়ৰ উপদেশ দান কৰিছে।

দ্বিতীয় অধ্যায়ৰ ১—৩ পাদত উণাদি পাঠৰ বিৱৰণ দি ৪ৰ্থ পাদত পুনশ্চ কৃদন্ত
বৰ্ণনা কৰিছে।

তৃতীয় অধ্যায়ৰ ১ম পাদত কেতবোৰ আদেশ আৰু প্ৰথমাদি বিভক্তিৰ প্ৰয়োগ
ব্যাখ্যা কৰিছে। দ্বিতীয় পাদত অব্যয়ীভাব আৰু তৎপুৰুষ সমাস, তৃতীয় পাদত
বহুব্ৰীহি আৰু দ্বন্দ্ব সমাস বৰ্ণনা কৰিছে। চতুৰ্থ পাদত স্ত্ৰী-প্ৰত্যয়ৰ চৰ্চা কৰিছে।

চতুৰ্থ অধ্যায়ৰ প্ৰথম পাদত তদ্ধিত, দ্বিতীয় পাদত ৰক্তাদ্যৰ্থক, তৃতীয় পাদত
শৈষিক আৰু চতুৰ্থ পাদত বিকাৰাদ্যৰ্থক প্ৰত্যয়ৰ উপদেশ দিছে।

পঞ্চম অধ্যায়ৰ ১—২ পাদত তদ্ধিত প্ৰত্যয় বৰ্ণাইছে। ৩—৪ পাদত 'তস্', ত্ৰল্'
আদি বিভক্তি সংজ্ঞক আৰু 'কণ' আদি স্বাৰ্থিক প্ৰত্যয়ৰ উপদেশ দিছে।

ষষ্ঠ অধ্যায়ত আদিতে দিছে দ্বিত্ব প্ৰকৰণ। পিছত অনেক শব্দৰ নিপাতন সিদ্ধত্ব
প্ৰতিপাদন কৰিছে। দ্বিতীয় পাদত 'অলুক্' প্ৰকৰণ আৰু আদেশৰ আলোচনা
আছে। তৃতীয়ত প্ৰকৃতি-কাৰ্য, চতুৰ্থ পাদত আদেশ আৰু ইডাদি আগমৰ উপদেশ
দিছে।

সপ্তম অধ্যায়ৰ প্ৰথম পাদত বৃদ্ধি, হ্ৰস্ব, দীৰ্ঘ আদি কাৰ্য্য, দ্বিতীয় পাদত গুণ, হ্ৰস্ব,
দীৰ্ঘাদি কাৰ্য্য, তৃতীয় পাদত পদৰ দ্বিত্ব আৰু প্লুত কাৰ্য, আৰু চতুৰ্থ পাদত অনেক
প্ৰকীৰ্ণ আদেশৰ বিৱৰণ দিছে।

অষ্টম অধ্যায়ত প্ৰথম-দ্বিতীয় পাদত বৈদিক শব্দ সিদ্ধি, আৰু পিছৰ দুপাদত
স্বৰবিধি নিৰূপণ কৰিছে। স্বৰ বিবেচনা কৰোঁতে তৃতীয় পাদ ফিট্‌সূত্ৰৰ আলোচনাও
সামৰি লৈছে।

এই গ্ৰন্থৰ ওপৰত গ্ৰন্থকাৰে স্বোপজ্ঞ বৃত্তি ৰচনা কৰিছিল বুলি জনা যায়। এতিয়া
সি অনুপলব্ধ। দণ্ডনাথ নাৰায়ণ ভট্টই ৰচনা কৰা '**হৃদয়হাৰিনী**' নামে লঘুবৃত্তি পোৱা

যায়। ভোজৰ কাল ( ১০৭৫—১১১০ খৃষ্টাব্দ )। দণ্ডনাথৰ কাল ১৬শ শতিকা বুলি জনা যায়।

**সিদ্ধহৈম ব্যাকৰণঃ** হেমচন্দ্ৰই ১০৮৮ খৃষ্টাব্দত গুজৰাটৰ আহমেদাবাদ জিলাৰ ধুন্দুক নামে ঠাইত জন্ম গ্ৰহণ কৰে। তেওঁৰ পিতৃৰ নাম চচিগ আৰু মাতৃৰ নাম পাহিনী। হেমচন্দ্ৰৰ পূৰ্বনাম চাচিদেৱ। পিছত বহুজৈন সম্প্ৰদায়ৰ মঠাধিপতি হৈছিল আৰু অনিহিলবড় পত্তনৰ ৰজা জয়সিংহক তৰ্কত পৰাজিত কৰি জৈনধৰ্মত দীক্ষিত কৰে। তেওঁ ৮৪ বছৰ বয়সত কুমাৰপালৰ ৰাজত্বকালত স্বৰ্গবাসী হয়।

হেমচন্দ্ৰই আশ্ৰয়দাতা জয়সিংহ সিদ্ধৰাজৰ আদেশতে পঞ্চাঙ্গপূৰ্ণ ব্যাকৰণ ৰচনা কৰে। প্ৰভাচন্দ্ৰৰ ‘প্ৰভাৱক চৰিত্ৰত’ হেমচন্দ্ৰৰ ব্যাকৰণ ৰচনাৰ বিষয়ে বিশদ বিৱৰণ পোৱা যায়। সিদ্ধৰাজে মানৱৰাজ যশোবৰ্মাক পৰাজিত কৰি অন্য সম্পদৰেসৈতে বহুতো গ্ৰন্থৰ পাণ্ডুলিপিও লাভ কৰে। তাৰ ভিতৰত ভোজকৃত ‘সৰস্বতী কণ্ঠাভৰণ’ ব্যাকৰণো আছিল। তাকে দেখি সিদ্ধৰাজে ভোজৰ প্ৰতিদ্বন্দ্বী এখন ব্যাকৰণ গ্ৰন্থ ৰচনা কৰাৰ অভিলাষ কৰে আৰু হেমচন্দ্ৰক সেই অভিলাষ পূৰণাৰ্থে আদেশ কৰে। তেতিয়া ৰজাৰ আদেশতে দুয়োৰে নাম যোগ দি ‘সিদ্ধহৈম ব্যাকৰণ’ বা ‘সিদ্ধহেম-চন্দ্ৰাভিধস্বোপজ্ঞ শব্দানুশাসন’ ৰচনা কৰে।

এই ব্যাকৰণ পঞ্চাঙ্গপূৰ্ণ। সেয়ে ই সূত্ৰপাঠ, ধাতুপাঠ, উণাদিপাঠ, গণপাঠ আৰু নামলিঙ্গানুশাসনেৰে পৰিপূৰ্ণ।

**সূত্ৰপাঠঃ** হেমচন্দ্ৰই মূল ব্যাকৰণ সূত্ৰশৈলীত ৰচনা কৰে। পাণিনীয় সূত্ৰপাঠৰ দৰে হেমচন্দ্ৰৰ সূত্ৰপাঠো আঠ অধ্যায়ত সম্পূৰ্ণ আৰু প্ৰতি অধ্যায়ত চাৰি পাদকৈ আছে। সূত্ৰপাঠৰ মূঠসূত্ৰ সংখ্যা ৪৬৮৫ আৰু উণাদি পাঠৰ সূত্ৰ সংখ্যা ১০০৬। দুয়োপাঠৰ মুঠ সূত্ৰসংখ্যা ৫৬৯১। এই ব্যাকৰণৰ এটা বিশেষত্ব এয়ে যে ইয়াৰ ১—৭ অধ্যায়ত সংস্কৃত ভাষাৰ ব্যাকৰণ আৰু অন্তিম অধ্যায়ত প্ৰাকৃত আৰু অপভ্ৰংশ ভাষাৰ বিস্তৃত বৰ্ণনা দিছে। এই, অন্তিম অধ্যায়ত ১১১৬টা সূত্ৰ আছে। গতিকে সংস্কৃত ভাগত ৩৫৬৬ সূত্ৰ সামৰিছে।

হেমচন্দ্ৰই ইয়াৰ ওপৰত নিজে এটি বৃত্তি লিখে। এই বৃত্তিৰ লঘু পাঠত ( লঘ্বী-বৃত্তিত ) ছহেজাৰ শ্লোক আৰু বৃহতী বৃত্তিত ১৮ হাজাৰ শ্লোক আছে। তেওঁ আকৌ ইয়াৰ ওপৰত **‘শব্দমহাৰ্ণৱ ন্যাস’** ( বৃহন্ন্যাস ) নামে এটি বিৱৰণো লিখিছিল। ইয়াত ৯০ হাজাৰ শ্লোক আছিল বুলি জনা যায়। বৰ্ত্তমান ইয়াৰ এক তৃতীয়াংশ গ্ৰন্থ উপলব্ধ। তাত আকৌ ৩৪০০ মান শ্লোক আছে।

হৈম ব্যাকৰণৰ জনপ্ৰিয়তা কম নহয়। হেমচন্দ্ৰই নিজে ইয়াৰ বৃত্তি আদি লিখিলেও পাছলৈ অন্য বহুতে তাৰ ওপৰত ব্যাখ্যা লিখে। তেনে কেতবোৰ ব্যাখ্যা হৈছেঃ মুনি শেখৰ ৰচিত **‘লঘুবৃত্তি চুণ্ঢিকা**, কনকপ্ৰভৰ **‘দুৰ্গপদ ব্যাখ্যা’**, বিদ্যাধৰৰ **‘বৃহৎবৃত্তি দীপিকা’**, ধনচন্দ্ৰৰ **‘লঘুবৃত্তি অবচুৰি**, অভয়চন্দ্ৰৰ **‘বৃহদ্বৃত্তি অবচুৰি**, আৰু জিন সাগৰৰ **‘দীপিকা’**।



হেমচন্দ্ৰই ব্যাকৰণক আশ্ৰয় কৰি ভট্টিকাব্যৰ লেখিয়াকৈ ২৮ টা সৰ্গত দ্ব্যাশ্ৰয় মহাকাব্য এখনো ৰচিছিল। ইয়াৰো প্ৰথম কুৰি সৰ্গত সংস্কৃত আৰু অন্য আঠ সৰ্গত প্ৰাকৃতৰ বিৱৰণ আছে।

**অঙ্গগ্ৰন্থবোৰঃ**

**ধাতুপাঠঃ** হেমচন্দ্ৰই হৈমধাতুপাৰায়ণ নামে এখন ধাতু পাঠ ৰচনা কৰি তাৰ ওপৰত নিজে এক ‘বিবৃতি’ লিখে। তাত তেওঁ ধাতুক শুদ্ধা আৰু প্ৰত্যয়ান্তা— দুভাগত ভাগ কৰিছে। ইয়াত দিয়া ধাতুৰ সংখ্যা ১৯৮০।

**গণপাঠঃ** হেমচন্দ্ৰই গণপাঠৰ ওপৰত স্বোপজ্ঞ বৃত্তি ৰচনা কৰে। ইয়াৰো **‘লঘুবৃত্তি’** আৰু **‘বৃহদবৃত্তি’** দুটা পাঠ। ইয়াৰ বৃহৎবৃত্তিহে উপলব্ধ হয়।

**উণাদিপাঠঃ** এই পাঠত ১০০৬টা সূত্ৰ আছে। ইয়াৰ ওপৰত হেমচন্দ্ৰই স্বোপজ্ঞ বৃত্তি ৰচনা কৰে। ইয়াত হিন্দি আৰু গুজৰাটীত প্ৰাপ্ত অনেক শব্দৰ ব্যুৎপত্তিও পোৱা যায়।

**লিঙ্গানুশাসনঃ** হেমচন্দ্ৰকৃত লিঙ্গানুশাসন যথেষ্ট বিস্তৃত আৰু বৃহদাকাৰৰ গ্ৰন্থ। গ্ৰন্থকাৰে ইয়াত এক বিশাল শব্দৰাশি সংগ্ৰহ কৰিছে। পাণিনিয়ে প্ৰায়ে প্ৰত্যয়ৰ ভেটিতে লিঙ্গৰ ভেদ দিছিল। কিন্তু হেমচন্দ্ৰই অন্য উপকৰণৰ বিবেচনা কৰিও লিঙ্গ নিৰ্দেশ কৰিবলৈ যত্ন কৰিছে। অন্যত্ৰ হেমচন্দ্ৰকৃত চাৰিখন শব্দকোষৰ কথাও কোৱা হৈছে। গতিকে এইজন জৈন বিদ্বানে কিদৰে ভাৰতীয় সাহিত্যলৈ মহদ্ অৱদান যোগাইছে তাক চমুৱাই কোৱা টান।

**সাৰস্বত ব্যাকৰণঃ** এই ব্যাকৰণৰ উৎপত্তি ১২৫০ খৃষ্টাব্দৰ বিশেষ পূৰ্বত হোৱা বুলি বেলবেলকাৰে নাভাবে ( Systems of Skt. Gram P. 76 )। কাৰণ হিচাপে কোৱা হয় যে বোপদেৱ বা হেমচন্দ্ৰই এই ব্যাকৰণৰ বিষয়ে অকণো সংকেত দিয়া নাই। তদুপৰি পঞ্চদশ শতিকামানৰপৰাহে ইয়াৰ ব্যাখ্যাগ্ৰন্থ পোৱা যায়। আনহাতে এই ব্যাকৰণৰ স্ৰষ্টাৰ বিষয়েও সন্দেহৰ স্থল আছে। তথাপি সৰস্বতীৰ কৃপালব্ধ অনুভূতি স্বৰূপাচাৰ্যই এই ব্যাকৰণৰ সৃষ্টি কৰে বুলি কোৱা হয়।

এই ব্যাকৰণ নিতান্ত চমু আৰু সৰল। ইয়াত সাতশৰো কম সূত্ৰ আছে। তাৰেই ব্যাকৰণৰ মূলবিষয়বোৰৰ সম্যক বিৱৰণ দিয়া হৈছে। অকল গুজৰাটতে নহয় কাশীতো ইয়াৰ সমাদৰ প্ৰচুৰ দেখা যায়।

সাৰস্বত ব্যাকৰণ তিনিটা বৃত্তিত বিভক্ত। তাৰে ১মা বৃত্তিত সংজ্ঞা, স্বৰাদি সন্ধি, স্বৰান্ত ইসান্ত সুবন্ত শব্দ, স্ত্ৰীপ্ৰত্যয়, কাৰক, সমাস আৰু তদ্ধিত প্ৰকৰণ দিয়া হৈছে। দ্বিতীয়া বৃত্তিত ভ্বাদিৰপৰা চুৰাদিলৈকে তিঙ্ আৰু নাম ধাতুসমূহৰ যথাসম্ভৱ বিৱৰণ দিছে। ধাতুৰ পৰস্মৈপদ, আত্মনেপদ আৰু উভয়পদৰ বিভাজনো দিছে। তৃতীয়া বৃত্তিত অৰ্থক্ৰম ধৰি ‘অন্’ ইত্যাদি কৃৎ প্ৰত্যয়ৰ উপদেশ দিছে।

ইয়াৰ টীকাৰচকসকলৰ ভিতৰত চন্দ্ৰকীৰ্তি ( টীকাৰ নাম সুবোধিকা, দীপিকা বা চন্দ্ৰকীৰ্তি ), পুঞ্জৰাজ ( সাৰস্বত প্ৰক্ৰিয়া ; কাল ১৪৭৫—১৫২০ খৃঃ ), অমৰ ভাৰতী

( সুবোধিনী, কাল ১৫ শ শতিকা ), বাসুদেৱভট্ট ( **'সাৰস্বত প্ৰসাদ'** ব্যাখ্যা কাং
১৬শ শতাব্দী ), ভট্টধনেশ্বৰ ( **'টিপ্পন'** নামে লখনী বৃত্তিৰ খণ্ডন কাৰক **'সাৰস্বত
প্ৰদীপৰ'** ৰচক )। ধনেশ্বৰৰ কাল ১৫০০ খৃং।

**সিদ্ধান্ত চন্দ্ৰিকা :** সাৰস্বত সম্প্ৰদায়ৰ ব্যাখ্যাতাসকলৰে এভাগে এটা স্বকীয়া
সম্প্ৰদায়ৰ সৃষ্টি কৰে। প্ৰায় ষোড়শ শতিকা মানত ৰামচন্দ্ৰাশ্ৰম বা ৰামাশ্ৰমে **'সিদ্ধান্ত
চন্দ্ৰিকা'** নামে এখন মৌলিক গ্ৰন্থ ৰচনা কৰে। ইয়াত নতুন সূত্ৰৰ সংগ্ৰহ দেখা
যায়। ইয়াত প্ৰাপ্ত সূত্ৰসংখ্যা ২২৩৭। ইয়াত ন ন সংজ্ঞা আৰু গণৰ সমাবেশো কৰা
হৈছে। গ্ৰন্থখন পূৰ্বাৰ্ধ আৰু উত্তৰাৰ্ধ—এই দুভাগত বিভক্ত। পূৰ্বাৰ্ধ সাৰস্বত
প্ৰক্ৰিয়াৰ অনুৰূপ। উত্তৰাৰ্ধ প্ৰক্ৰিয়াৰপৰা পৃথক। ইয়াক 'সাৰস্বত চন্দ্ৰিকা' নামেও
জনা যায়।

এই সিদ্ধান্ত চন্দ্ৰিকাৰ ওপৰত ১৬৮৩ খৃষ্টাব্দত লোকেশ্বৰে **'তত্ত্বদীপিকা'** এটি টীকা
ৰচনা কৰে। ১৭৪৩ খৃষ্টাব্দত সনানন্দয়ো 'সুবোধিনী' নামে অন্য এটি টীকা লিখে।

**মুগ্ধবোধ ব্যাকৰণ :** এই ব্যাকৰণৰ ৰচয়িতা বোপদেৱ। তেওঁৰ পিতৃৰ নাম
কেশৱ আয়ুৰ্বেদ শাস্ত্ৰজ্ঞ আছিল। বোপদেৱ ধনেশৰ শিষ্য আছিল। বোপদেৱৰ পিতৃ
কেশৱ দেৱগিৰিৰ যাদেৱ বংশীয় ৰজা সিংঘণৰ ( সিংহৰাজ—১২১০—১৩৪৭ খৃং )
সভাপণ্ডিত আছিল। যাদৱ নৃপতি মহাদেৱ ( ১২৬০—১২৭১ ) আৰু ৰামচন্দ্ৰ
( ১২৭১—১৩০৯ )ৰ ধৰ্মাধ্যক্ষ হিমাদ্ৰিৰ আশ্ৰয়ত থাকি বোপদেৱে নানান শাস্ত্ৰ
অধ্যয়ন কৰিছিল। গতিকে বোপদেৱৰ কাল ত্ৰয়োদশ শতিকাৰ শেষচোৱা হোৱা
সম্ভৱ।

বোপদেৱে অনেক গ্ৰন্থ ৰচনা কৰে। তাৰ ভিতৰত **'মুগ্ধবোধ' ব্যাকৰণ, কৱি-
কল্পদ্ৰুম** (ধাতুপাঠ বিষয়ক), আৰু তাৰ স্বোপজ্ঞ বৃত্তি **'কৱিকামধেনু'** সুখ্যাত গ্ৰন্থ।
তেওঁ **'মুক্তাফল'** আৰু **'হৰিলীলা বিৱৰণ'** নামে অন্য দুই গ্ৰন্থৰো প্ৰণেতা। বোপ-
দেৱে মুগ্ধবোধ ব্যাকৰণত সংক্ষিপ্ত ভাৱে সংস্কৃত ব্যাকৰণ ৰচনা কৰাৰ প্ৰচেষ্টা কৰিছে।

বোপদেৱে পাণিনিৰ সম্প্ৰদায়ৰপৰা ফালৰি কাটি এনে এক পদ্ধতি অৱলম্বন কৰিছে,
যি পাণিনীয় সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বোধগম্য নহয়। সেয়ে ইয়াৰ প্ৰচলন বঙ্গ-
দেশৰ নৱদ্বীপ আৰু মধ্যাঞ্চলতে আৱদ্ধ, অন্যত্ৰ ই পৰিত্যক্ত।

ইয়াৰ ওপৰতো পৰৱৰ্তী বৈয়াকৰণসকলে টীকা ৰচনা কৰিছে। নন্দকিশোৰ
ভট্টই ১৩৯৮ খৃষ্টাব্দত ইয়াৰ এক টীকা আৰু পৰিশিষ্ট প্ৰণয়ন কৰে। দুৰ্গাদাস বিদ্যা-
বাগীশেও ইয়াৰ ওপৰত টীকা ৰচি খ্যাতি আৰ্জিছে। দুৰ্গাদাসৰ কাল ১৬শ শতিকা।
কাশীশ্বৰ আৰু ৰাম তৰ্কবাগীশ অন্য দুজন প্ৰসিদ্ধ টীকাকাৰ। ৰামানন্দ, দেবীদাসৰ
টীকাও জনাজাত। শ্ৰীবল্লভাচাৰ্য, দয়াৰাম বাচস্পতি, কাৰ্তিক সিদ্ধান্ত, ৰতিকান্ত
তৰ্কবাগীশ আৰু গোবিন্দৰাম আন টীকাকাৰ।

**'সংক্ষিপ্তসাৰ' ব্যাকৰণ :** ত্ৰয়োদশ শতিকাৰ মাজভাগত ( ১২৫০ খৃং )
বাদীন্দ্ৰচূড়ামণি ক্ৰমদীশ্বৰে বালবোধনৰ কাৰণে **'সংক্ষিপ্তসাৰ'** নামে এখন ব্যাকৰণ



ৰচনা কৰে। ইয়াৰ মুখ্য ভাগত সংস্কৃত ভাষাৰ ব্যাকৰণ আৰু শেষ চোৱাত প্ৰাকৃত
ভাষাৰ ব্যাকৰণ সংযোগ কৰিছে। সম্ভৱতঃ হেমচন্দ্ৰৰ শব্দানুশাসনৰপৰা লেখকে
অনুপ্ৰেৰণা লাভ কৰিছিল। পাণিনীয় ব্যাকৰণৰ সামগ্ৰীকে ইয়াক অভিনৱৰূপত
উপস্থাপন কৰিছে। ক্ৰমদীশ্বৰে এই ব্যাকৰণৰ ওপৰত স্বোপজ্ঞবৃত্তি ৰচনা কৰে আৰু
এই বৃত্তি 'ৰসৱতী' বৃত্তি বুলি জনাজাত। এই ব্যাকৰণতো আঠটা অধ্যায় আছে।
তাৰে ১—৭ অধ্যায়ত সংস্কৃত ব্যাকৰণ আৰু ৮ম অধ্যায়ত প্ৰাকৃত ভাষাৰ ব্যাকৰণ
বিবৃত হৈছে। এই ব্যাকৰণত গ্ৰন্থকাৰে নিজৰ বিদ্যাবত্তা আৰু ন্যায়শাস্ত্ৰীয় জ্ঞানৰ
পৰিচয় দিছে।

জনা যায় যে জুমৰনন্দীয়ে **'ৰসৱতী'** বৃত্তি সংশোধন কৰে। এই ব্যাকৰণত
জুমৰনন্দীৰ অবিহণাৰ স্বীকৃতি ৰূপে এই ব্যাকৰণক **'জৌমৰ ব্যাকৰণ'** বুলিও কোৱা
হয়। পঞ্চদশ শতিকাত ( ১৪৫ খৃ ) গোয়ীচন্দ্ৰই এই ব্যাকৰণৰ টীকা আৰু পৰিশিষ্ট
ৰচনা কৰে। তেওঁ সূত্ৰপাঠ, উণাদিপাঠ আৰু পৰিভাষা পাঠৰো ব্যাখ্যা ৰচনা
কৰিছে। ন্যায় পঞ্চানন, তাৰক পঞ্চানন, চন্দ্ৰশেখৰ বিদ্যালংকাৰ, বংশীবাদন, হৰিৰাম
আৰু গোপালচন্দ্ৰবৰ্তীয়ে গোয়ীচন্দ্ৰৰ ব্যাখ্যাৰ টীকা ৰচনা কৰে।

ষোড়শ শতিকাত পীতাম্বৰ শৰ্মাই ( ১৫০০—১৫২৫ ) ক্ৰমদীশ্বৰৰ ব্যাকৰণৰ সাৰ
বালকৰ প্ৰাথমিক শিক্ষা উপযোগীকৈ সংগ্ৰহ কৰি **'সাৰসংগ্ৰহ'** নামে এক ব্যাকৰণ
প্ৰস্তুত কৰে।

**সুপদ্মব্যাকৰণ :** এই ব্যাকৰণৰ ৰচক পদ্মনাভদত্ত আছিল মৈথিলী ব্ৰাহ্মণ
শ্ৰীদত্তৰ পৌত্ৰ আৰু দামোদৰ দত্তৰ পুত্ৰ। তেওঁ হলায়ুধৰ বংশধৰ বুলি জনাজাত।
পদ্মনাভে **'সুপদ্ম'** নামে সংক্ষিপ্ত ব্যাকৰণ ৰচনা কৰে। এই ব্যাকৰণ সাত অধ্যায়ত
সম্পূৰ্ণ সংজ্ঞা, সন্ধি, কাৰক, আখ্যাত, কৃৎ, উণাদি আৰু তদ্ধিত এই সাত অধ্যায়ৰ
বিষয়।

ইয়াৰ ওপৰত পদ্মনাভে নিজে **'সুপদ্ম পঞ্জিকা'** নামে এটি স্বোপজ্ঞ বৃত্তি লিখে।
**প্ৰয়োগ দীপিকা, ধাতুকৌমুদী, উণাদিবৃত্তি, পৰিভাষাবৃত্তি, যঙলুঙবৃত্তি**
আদি সুপদ্ম ব্যাকৰণৰে জড়িত গ্ৰন্থ উপলব্ধ হয়।

বিষ্ণুমিশ্ৰই **'সুপদ্মমকৰন্দ'** নামে ইয়াৰ ব্যাখ্যা ৰচনা কৰে। শ্ৰীধৰ চক্ৰবৰ্তী,
ৰামচন্দ্ৰ আৰু কাশীশ্বৰ প্ৰভৃতিয়েও ইয়াৰ ওপৰত টীকা লিখে।

বঙ্গদেশৰ জেছোৰ, খুলনা, ভৰতপুৰ, আদিত এই ব্যাকৰণৰ প্ৰভাৱ আছে।

**সাম্প্ৰদায়িক ব্যাকৰণ :** ওপৰত উল্লেখিত ব্যাকৰণ শ্ৰেণীৰ উপৰিও পিছলৈ
জনদিয়েক ভক্তকৱি বা পণ্ডিতে নিজ নিজ সম্প্ৰদায়ৰ প্ৰচাৰ সাপেক্ষে ব্যাকৰণ শাস্ত্ৰ
ৰচনা কৰা চকুত পৰে। ৰূপগোস্বামীৰ **'হৰিনামামৃত'** তেনে এখন ব্যাকৰণ। ৰূপ-
গোস্বামী শ্ৰীচৈতন্যৰ ( ১৪৮৪—১৫২৭ ) সঙ্গী আৰু শিষ্য আছিল। ৰাধা আৰু
কৃষ্ণৰ নাম আৰু লীলা খেলা উল্লেখেৰে তেওঁ উক্ত ব্যাকৰণৰ পৰিভাষা সংজ্ঞাদি
নিৰূপণ কৰি এক অভিনৱ পন্থাৰ বৈষ্ণৱমত প্ৰচাৰ কৰিছিল।

ৰূপগোস্বামীৰ ভ্ৰাতুষ্পুত্ৰ জীৱ গোস্বামীয়ে অন্য এখন **'হৰিনামামৃত'** নামে
ব্যাকৰণ গ্ৰন্থৰ ৰচয়িতা। এনেবোৰ ব্যাকৰণ কম সংখ্যক লোকৰ মনঃপূত হয় যদিও
সিবোৰ পৰম্পৰাগত ভাৱে সম্প্ৰদায়ৰ মাজত প্ৰচলিত আছে।
'প্ৰবোধ প্ৰকাশ' তেনে অন্য এক ব্যাকৰণ গ্ৰন্থ। বালৰাম পঞ্চানন নামে এজন
ব্ৰাহ্মণে শৈৱমত প্ৰচাৰাৰ্থে এই ব্যাকৰণ ৰচনা কৰে।

**অন্যান্য ক্ষুদ্ৰ ব্যাকৰণ :**

অষ্টাদশ শতিকাৰ মাজভাগত পাটনাৰ শাসন কৰ্ত্তা বিক্ৰম
**প্ৰবোধ চন্দ্ৰিকা :** অষ্টাদশ শতিকাৰ মাজভাগত পাটনাৰ শাসন কৰ্ত্তা বিক্ৰম
আৰু চন্দ্ৰাৱতীৰ পুত্ৰ বিজ্জলভূপতিয়ে পুত্ৰ হীৰাধৰক শিকাবলৈ এই গ্ৰন্থ অনুষ্টুপ ছন্দত
ৰচনা কৰে। ৰাম নামৰ উল্লেখেৰে ইয়াত উদাহৰণ দাঙি ধৰা হৈছে। গোপাল
গিৰিয়ে ইয়াৰ ওপৰত সুবোধিনী টীকা ৰচনা কৰে।
**ভোজ ব্যাকৰণ :** বিনয় সুন্দৰে ভাৱমল্লৰ পুত্ৰ ৰজা ভোজৰ উপকাৰাৰ্থে এই
ছন্দোৱদ্ধ ব্যাকৰণ গ্ৰন্থ ৰচনা কৰে বুলি জনা যায়।
**ভাৱসিংহ প্ৰক্ৰিয়া :** এইখন ব্যাকৰণো ভাৱসিংহ নামে স্থানীয় ৰাজকোঁৱৰ
এজনৰ গুণানুকীৰ্তনৰ বাবে ভট্টবিনায়কে ৰচনা কৰে।
**দীপব্যাকৰণ :** নিজকে পৰমহংস পৰিব্ৰাজক বুলি পৰিচয় দিয়া চিদ্‌ৰূপাশ্ৰমে
এই ব্যাকৰণ ৰচনা কৰে। কিশোৰ ছাত্ৰক সহজে ব্যাকৰণৰ মূল নিয়মবোৰ
বুজাবলৈকে জটিলতা ত্যাগ কৰি গ্ৰন্থকাৰে এই গ্ৰন্থ ৰচনা কৰি গৈছে।
**কাৰিকাৱলী :** পুত্ৰক ব্যাকৰণৰ জ্ঞান দান কৰাৰ মানসেৰে ভট্টাচাৰ্য্য চক্ৰবৰ্ত্তী
উপাধিধাৰী জনৈক নাৰায়ণে এই ব্যাকৰণ ৰচনা কৰে। পুতেকে পিছত ইয়াৰ ওপৰত
টীকা ৰচনা কৰি পিতৃঋণ পৰিশোধ কৰে।
**বালাৱবোধ :** যিসকলে ব্যাকৰণ শাস্ত্ৰ পূৰ্বতে অধ্যয়ন নকৰাকৈ কাব্য অধ্যয়ন
কৰাত উজুটি খায় তেনে অধ্যেতাৰ সহায়ৰ বাবে নৰহৰিয়ে এই ব্যাকৰণ ৰচনা কৰে।
প্ৰকৃততে ই কাব্য অধ্যয়নৰ সহায়ক হিচাপে ৰচিত গ্ৰন্থ।

**মহামহোপাধ্যায় পুৰুষোত্তম শৰ্মা ভট্টাচাৰ্য্য বিদ্যাবাগীশৰ ব্যাকৰণ**

**প্ৰয়োগ ৰত্নমালা :** খৃষ্টীয় ষোড়শ শতিকাত পুৰুষোত্তম বিদ্যাবাগীশে কোচবিহাৰৰ
ৰজা শ্ৰীমল্লদেৱ বা নৰনাৰায়ণ ৰজাৰ আদেশক্ৰমে **ব্যাকৰণ প্ৰয়োগ ৰত্নমালা** ৰচনা
কৰে। মধ্যযুগীয় অসমত অসমীয়া পণ্ডিতৰদ্বাৰা ৰচিত বুলিয়েই অসম আৰু
বঙ্গদেশত এই ব্যাকৰণৰ বৰ সমাদৰ দেখা যায়। ব্যাকৰণখনৰ মঙ্গলাচৰণত প্ৰণেতা
বিদ্যাবাগীশে এই ব্যাকৰণ ৰচনাৰ পটভূমি দি কৈছে :

শ্ৰীমল্লদেৱস্য গুণৈক সিন্ধোৰ্মহীমহেন্দ্ৰস্য যথানিৰ্দেশম্।
যত্নাৎ প্ৰয়োগোত্তম ৰত্নমালা বিতন্যতে শ্ৰীপুৰুষোত্তমেন ॥
মহতামপিহৃদ্বি ভাৱনীয়ৈৰ্মহসীয়ৈগুণ : বৃদ্ধিমৎপ্ৰয়োগৈঃ।
ৰচিতাং পুৰুষোমেন বাল: প্ৰতিভায়ৈ পৰিধত্তৰত্নমালাম্ ॥

শ্লোক ৩—৪।



পুৰুষোত্তমৰ পূৰ্বপুৰুষ নৰোত্তম কান্যকুব্জৰ অধিবাসী আছিল। সপ্তম শতিকাৰ
কামৰূপৰ ৰজা কুমাৰ ভাস্কৰবৰ্মাই কাশীৰ ৰজাই অনুষ্ঠিত কৰা বিষ্ণুযাগলৈ আমন্ত্ৰণ
লাভ কৰি তালৈ গৈ যজ্ঞৰ হোতা পুৰোহিত নৰোত্তমক লগ পায়। বেদ আৰু দৰ্শনত
নিষ্ণাত কাশ্যপগোত্ৰীয় পণ্ডিত নৰোত্তমৰ গুণত মুগ্ধ হৈ ৰজা ভাস্কৰবৰ্মাই তেওঁক
কামৰূপলৈ লৈ আহে। ভাস্কৰবৰ্মাই অশ্বক্লান্তত পঢ়াশালী পাতি দি পণ্ডিত নৰোত্তমক
উপাধ্যায় নিয়োগ কৰে। নাৰাত্তমে তাত আঠ বছৰ ধৰি বেদ, ব্যাকৰণ, দৰ্শনাদি
নানা শাস্ত্ৰ পঢ়ুৱাইছিল। তাৰপৰা তেওঁ বৰ্ত্তমান পাঠশালাৰ নিকটবৰ্ত্তী বহৰী বা
বহতিলৈ গৈ বসতি কৰে। তাতে নৰোত্তমে তেওঁৰ পুত্ৰ কৃষ্ণদত্তক বিয়া-বাৰু কৰোৱাই
দি নিজে সংসাৰ এৰি বৃন্দাবনলৈ যাত্ৰা কৰে। তেওঁৰ বংশতে পদ্মনাভৰ ঔৰসত
পুৰুষোত্তমৰ জন্ম হয়। তেওঁৰ পুৰুষনামা তলত দিয়া হ'ল :—

নৰোত্তম ( ৭ম শতিকা )
|
কৃষ্ণদত্ত
|
হৰদত্ত
|
উমাকান্ত
|
পঞ্চানন
|
সৰ্বধৰ
|
অজনাভ — পদ্মনাভ
|
মহাপুৰুষ হৰিদেৱ — পং পুৰুষোত্তম সিদ্ধান্ত বাগীশ
( ষোড়শ শতিকা )

গতিকে পুৰুষোত্তম মহাপুৰুষ হৰিদেৱৰ খুৰাকৰ পুতেক আছিল। (কিন্তু এই
বংশাৱলী বিশুদ্ধ বুলি মনে নধৰে ; কাৰণ ৮'৯শ বছৰ মাত্ৰ আঠ পুৰুষৰ জীৱন
যাপনেৰ সমাপ্ত হ'ব নোৱাৰে। কমেও ১৬.২০ পুৰুষৰ এয়া সময়)। সি যি হওক
পুৰুষোত্তম শঙ্কৰদেৱ, দামোদৰদেৱ, মাধৱদেৱ আৰু হৰিদেৱৰ যে সমসাময়িক লোক
আছিল তাত সন্দেহ নাই। জনা যায় যে পণ্ডিত পুৰুষোত্তম হৰিদেৱত সাত বছৰে
বয়োজ্যেষ্ঠ আছিল। মহাপুৰুষ হৰিদেৱৰ ১৩৪৮ শক অৰ্থাৎ ১৪২৬ খৃষ্টাব্দত জন্ম হয়।
গতিকে পুৰুষোত্তমৰ জন্ম ১৪১৯ খৃষ্টাব্দ বা ১৩৪১ শকত হোৱা সম্ভৱ। ল'ৰালিতে
তেওঁ পিতা-মাতাক হেৰুৱাই নিঠৰুৱা হয়। জেঠাদেউতাক অজনাভৰ যত্নত তেওঁ
ডাঙৰ দীঘল হয়। তেৱেঁই পুৰুষোত্তমৰ উপনয়ন কাৰ্য্য কৰে। ইয়াৰ পাছত
কিছুদিন পুৰুষোত্তমে শিলাগ্ৰামত মোমায়েকৰ ঘৰত থাকে। ইয়াৰ পিছত তেওঁ

নৱদ্বীপলৈ যায় আৰু তাত পাণিনীয় অষ্টাধ্যায়ী, বেদ-বেদাঙ্গ, দৰ্শনাদি শাস্ত্ৰচয়
অধ্যয়ন কৰে। তাত থাকোঁতে তেওঁ মহাৰাষ্ট্ৰীয় পণ্ডিত বিশ্বেশ্বৰ শাস্ত্ৰীৰ ওচৰত
বেদাধ্যয়ন কৰি বিশেষ ব্যুৎপত্তি লাভ কৰে আৰু বিদ্যাবাগীশ উপাধিৰে বিভূষিত হয়।
তাৰপৰা শিলাগ্ৰামলৈ উভতি আহে। তাতে তেওঁ টোল পাতি পাণিনীয় ব্যাকৰণ,
কলাপ ব্যাকৰণ আদি শাস্ত্ৰৰ অধ্যাপনা আৰম্ভ কৰে। তেওঁ পাতগ্ৰাম ( বা পাতবাউ-
সীত ) বিয়া কৰায়। মল্লদেৱ বা নৰনাৰায়ণ ৰজাই তেওঁৰ পাণ্ডিত্যৰ কথা শুনি হাতী
পঠিয়াই তেওঁক কোচবেহাৰলৈ নি ৰাজসভাত পণ্ডিতৰ আসনত বহুৱায়। ১৪'২
শকত ( খৃঁ ১৫৫০ ) তেওঁৰ দেহান্তৰ ঘটে।
কোছবেহাৰত থাকোঁতেই ৰজাৰ আদেশত তেওঁ **প্ৰয়োগ**

**প্ৰয়োগৰত্নমালা** ঃ গ্ৰন্থখন ২২টা বিন্যাসত বিভক্ত।
**ৰত্নমালা** নামে এখন সুবোধ ব্যাকৰণ ৰচনা কৰে। ২য়ত স্বৰান্ত সাধ্য কাৰিকাসমূহ, ৩য়
১ম বিন্যাসত সজ্ঞা আৰু সন্ধিৰ কাৰিকা, মিহলি কাৰিকাসমূহ, ৫ম
বিন্যাসত ব্যঞ্জনান্ত কাৰিকাৱলী, ৪ৰ্থ বিন্যাসত প্ৰকীৰ্ণ বা ৭ম বিন্যাসত
বিন্যাসত কাৰক সম্বন্ধীয় কাৰিকা, ৬ষ্ঠ বিন্যাসত সমাস কাৰিকাৱলী ১৬—২২
তদ্ধিত কাৰিকাৱলী, ৮—১৫ বিন্যাসত আখ্যাত আৰু তদ্ধিত প্ৰকৰণ, প্ৰক্ৰিয়া বৰ্ণিত
বিন্যাসত কৃৎপ্ৰকৰণ বৰ্ণিত হৈছে। এই ব্যাকৰণত স্বৰ আৰু বৈদিক হোৱাটো এক
হোৱা নাই ; কেৱল লৌকিক সংস্কৃত সম্বন্ধীয় নিয়মবোৰ বৰ্ণিত
তাৎপৰ্য্য পূৰ্ণ কথা।

**প্ৰয়োগৰত্নমালাৰ টীকাসমূহ** ঃ ইয়াৰ ওপৰত ছয়জন টীকাকাৰে টীকা-
টিপ্পনী ৰচনা কৰি গৈছে। পোনতে ৰজা প্ৰাণনাৰায়ণৰ সময়ত জয়কৃষ্ণ ভট্টাচাৰ্য্যই
গ্ৰন্থৰ সমাস আৰু আখ্যাতৰ ওপৰত **'প্ৰভাপ্ৰকাশিকা'** টীকা ৰচনা কৰে। ইয়াৰ
পাছত তদ্ধিতৰ ওপৰত জীৱেশ্বৰ ভট্টাচাৰ্য্যই **'পঞ্জিকা'** নামে এক টীকা ৰচনা কৰে।
ইয়াৰ কৃৎপ্ৰকৰণৰ ওপৰত মহেন্দ্ৰ ভট্টাচাৰ্য্য প্ৰণীত **'কৃৎপ্ৰদীপিকা'** টীকা পোৱা যায়।
ওপৰোক্ত টীকাকাৰ সকলৰ কোনোজনে সমগ্ৰ গ্ৰন্থৰ ওপৰত টীকা ৰচনা নকৰি, প্ৰকৰণ
বিশেষৰ ওপৰতহে টীকা ৰচনা কৰি গৈছে। সেয়ে বিগত শতিকাত ৰজা নৃপেন্দ্ৰ
নাৰায়ণৰ দিনত কোছবিহাৰৰ ভিতৰুৱা থাগৰাবাৰী নিবাসী পণ্ডিত সিদ্ধনাথ শৰ্মা
বিদ্যাবাগীশে সমগ্ৰ গ্ৰন্থৰ ওপৰত **গূঢ় প্ৰকাশিকা** নামে এক সুন্দৰ টীকা ৰচনা কৰে।
এই সকলোবোৰ টীকা সামৰি লৈ 'প্ৰয়োগৰত্নমালা' ব্যাকৰণ ১২৯৭ বঙ্গাব্দত ( ১ম
বহাগত ) প্ৰথম মুদ্ৰিত হয়। কোছবিহাৰৰ ৰজাৰ অমাত্য কালিকাদাস দত্ত ৰায়-
বাহাদুৰৰ উৎসাহতে এই মহৎ কৰ্ম সম্পাদিত হয়।



মহামোহপাধ্যায় ধীৰেশ্বৰাচাৰ্য্যই প্ৰয়োগ ৰত্নমালাৰ ওপৰত আন এটা টীকা ৰচনা
কৰে।

গামেৰীমূৰৰ দেউ চন্দ্ৰকান্ত বিদ্যালঙ্কাৰে ( শক ১৯০৯—১৯৮৭ ) শব্দমঞ্জৰী, পদমঞ্জৰী
আৰু ধাতুমঞ্জৰী নামে তিনিখন ব্যাকৰণ গ্ৰন্থ ৰচনা কৰি যোৱাটো স্মৰণীয়।

পৰবৰ্ত্তী কালত দতৰীয়া দেউ বুলি জনাজাত পং শিৱনাথ বুজবৰুৱা স্মৃতি বাচ-
স্পতিয়ে ( ১৮৮০—১৯৫৬ ) প্ৰয়োগ ৰত্নমালাৰ অনুকৰণত 'লঘু ৰত্নমালা ব্যাকৰণ'
ৰচনা কৰে। গ্ৰন্থখন প্ৰকাশিত হোৱা নাই।

---

